পূৰ্ণ পৰমাত্ম নে নমঃ

# জীৱনৰ

# সুগম

# পথ

[Way of Living ]

লেখক - সন্ত ৰামপাল দাস
শিষ্য
স্বামী ৰাম দেৱানন্দ মহাৰাজ

জীৱ আমাৰ জাতি, মানৱ (Mankind) আমাৰ ধৰ্ম।
হিন্দু, মুছলমান, শিখ, খৃষ্টান ধৰ্মৰ পৃথক নহয় মৰ্ম।

# অৱশ্যে চাওক

## সন্ত ৰামপালজী মহাৰাজৰ মঙ্গল প্ৰবচন

প্ৰতিদিন সন্ধ্যা ৭.৩০ ৰ পৰা ৮.৩০লৈ

প্ৰতিদিন ৰাতি ৮.৩০ ৰ পৰা ৯.৩০ লৈ

প্ৰতিদিন পুৱা ৬.০০ ৰ পৰা ৭.০০ লৈ

প্ৰতিদিন পুৱা ৫.৫৫ ৰ পৰা ৬.৫৫ লৈ

প্ৰতিদিন দুপৰীয়া ২.০০- ৰ পৰা ৩.০০ লৈ

—— ঃ প্ৰকাশ ঃ——

——ঃ প্ৰচাৰ প্ৰসাৰ সমিতি ঃ——

সৎলোক আশ্ৰম, হিচাৰ-টোহানা ৰোড, বৰলাৱা,

জিলা ঃ হিচাৰ (হাৰিয়ানা) ভাৰত।

**ধমাৰ্থ মূল্য মাথো - ২০ টকা।**

**মুদ্ৰন ঃ কবিৰ প্ৰিন্টাৰ্চ।**

**দূৰভাষ ঃ ৯৮৫৪৪১৩১৩৪, ৯৫৩১৩১২১৫৯, ৭৬৩৬৮৩৫২৫৭, ৮২২২৮৮০৫৪৩, ৯৫৩১৩১২১৫৯**

Visit us at. www.jagatgururampalji.org

e-mail- jagatgururampalji@yahoo.com

# সূচীপত্ৰ


| ক্ৰমিক নং | বিৱৰণ | পৃষ্ঠা নং |
|---|---|---|
| ১. | ভুমিকা | I-II |
| ২. | দু-আষাৰ | 1 |
| ৩. | মানুহৰ জীৱনৰ সাধাৰণ ধাৰণা | 4 |
| ৪. | কথা ঃ মাৰ্কণ্ডেয় ঋষি তথা অপ্সৰাৰ কথোপকথন | 17 |
| ৫. | আজি ভাইৰ আজৰি সময় | 18 |
| ৬. | ভক্তি নকৰি হানি হোৱা অন্য বিৱৰণ | 22 |
| ৭. | ভক্তি নকৰিলে বহুত দুখ হয় | 25 |
| ৮. | ভক্তি মাৰ্গত পদাপৰ্ণ | 26 |
| ৯. | বিবাহ কেনেকৈ কৰিব | 26 |
| ১০. | প্ৰেম প্ৰসংগ কেনেকুৱা হয় | 28 |
| ১১. | ভগৱান শিৱৰ দ্বাৰা নিজৰ পত্নীক ত্যাগ কৰা প্ৰসংগ | 29 |
| ১২. | কৃতঘ্নী পুত্ৰ | 32 |
| ১৩. | নিঃ সন্তান সকল! সাৱধান হোৱা | 32 |
| ১৪. | বিবাহত জ্ঞানহীনে নাচে | 33 |
| ১৫. | সন্তৰ শিক্ষা | 33 |
| ১৬. | বিবাহৰ পাছত জীৱন যাত্ৰা | 35 |
| ১৭. | বিশেষ চিন্তা চৰ্চা | 38 |
| ১৮. | চৰিত্ৰবানৰ কথা | 40 |
| ১৯. | সংগৰ প্ৰভাৱ আৰু ভগৱানৰ প্ৰতি বিশ্বাস | 42 |
| ২০. | কবীৰ পৰমেশ্বৰ দ্বাৰা কাশী নগৰত ভোজ ভাতৰ আয়োজন | 45 |
| | * সেই ভোজত হোৱা অন্য এটা অদ্ভূত লীলা | 47 |
| ২১. | হৰলাল জাটৰ কাহিনী | 49 |
| ২২. | ধপাত খোৱা মহা পাপ | 52 |
| ২৩. | ধপাতৰ উৎপত্তি কথা | 52 |
| ২৪. | ধপাত বিষয়ে অন্য বিচাৰ | 56 |
| ২৫. | গাধ, ঘোঁৰাইও ধপাত ঘৃণা কৰে | 58 |
| ২৬. | নিচা সেৱনে সৰ্বনাশ কৰে | 59 |
| ২৭. | মা দেউতাৰ সেৱা আৰু আদৰ কৰা আমাৰ কৰ্তব্য | 63 |
| ২৮. | দেউতাই সন্তানৰ সকলো ভূল যথাসম্ভৱ ক্ষমা কৰি দিয়ে | 65 |
| ২৯. | সৎসঙ্গৰ দ্বাৰা ঘৰৰ কলহ সমাপ্ত হয় | 71 |

| ক্ৰমিক নং | বিৰৰণ | পৃষ্ঠা নং |
|---|---|---|
| ৩০. | পুহলো বাইৰ শিক্ষা (উপদেশ) | 73 |
| ৩১. | বৰ্তমানৰ সত্য কথা | 81 |
| | * ভক্ত সুৰেষ দাসৰ থানবান হোৱা পৰিয়ালক সংস্থাপিত কৰা | 81 |
| | * সৎসঙ্গ বাণী নুশুনাৰ ফলত সৰ্বনাশ হ'ল | 83 |
| | * সৎসঙ্গলৈ গলে ডাঙৰ বিপদো আঁতৰ হয় | 84 |
| | * মীৰা বাইক বিষ খুৱাই মৰাৰ ব্যৰ্থ চেষ্টা | 86 |
| | * মীৰা বাইয়ে পূৰ্ণ গুৰু শৰণ পালে | 91 |
| | * চোৰ কেতিয়াও ধনী নহয় | 94 |
| | * সংসাৰৰ সমস্যাৰ মাজতে ভক্তি কৰিব লাগিব | 97 |
| | * চৌধুৰি জীতা জাটৰ জ্ঞান হল | 99 |
| | * বেশ্যাৰ উদ্ধাৰ | 102 |
| | * ৰঙ্কা-বঙ্কাৰ কাহিনী | 104 |
| | * কবীৰ দেৱৰ দ্বাৰা শিষ্যৰ পৰীক্ষা কৰা | 105 |
| | * খুনী হাতীৰ দ্বাৰা কবীৰ পৰমেশ্বৰক মৰাৰ ব্যৰ্থ চেষ্টা | 112 |
| ৩২. | দীক্ষা লোৱা পাছত | 114 |
| ৩৩. | পৰমাত্মাৰ বাবে একো অসম্ভৱ নহয় | 114 |
| ৩৪. | সংসাৰত এজন লবলৈ আহিছে, অন্যজন দিবলৈ আহিছে | 119 |
| ৩৫. | কথা আৰু কৰ্মৰ অমিল হলে পৰিণাম ভয়ংকৰ | 120 |
| ৩৬. | সৎসঙ্গত বিচাৰি পালে ভক্তিৰ পথ | 121 |
| ৩৭. | পণ্ডিত মনিৰাম পাঠকৰ কাম-কাজৰ কাহিনী | 129 |
| ৩৮. | ৰজা পৰীক্ষিতৰ উদ্ধাৰ | 130 |
| ৩৯. | পণ্ডিতৰ পৰিভাষা | 133 |
| ৪০. | সুদামা প্ৰকৃত পণ্ডিত আছিল | 133 |
| ৪১. | অধ্যায় অনুৰাগ সাগৰৰ সাৰাংশ | 134 |
| | * ভক্তৰ স্বভাৱ কেনে হব লাগে | 140 |
| | * মনে কেনেকৈ পাপ-পুণ্য কৰিবলৈ দিয়ে | 145 |
| | * ভক্তৰ ১৬ টা গুণ (আবূষণ) | 146 |
| | * কালৰ জীৱই পূৰ্ণ গুৰুৰ জ্ঞান নেমানে | 148 |
| | * হংস (ভক্ত) লক্ষণ | 149 |
| | * জ্ঞানী অৰ্থাৎ সৎসঙ্গীৰ লক্ষণ | 149 |

| ক্ৰমিক নং | বিৰৰণ | পৃষ্ঠা নং |
|---|---|---|
| | * ভক্ত পৰমাৰ্থী হব লাগিব | 150 |
| ৪২. | দীক্ষা লৈ নামৰ স্মৰণ কৰা অনিবাৰ্য | 152 |
| | * দহ মুকামী ৰেখতা | 155 |
| | * ভকত যতী আৰু সতী হব লাগে | 157 |
| ৪৩. | অধ্যায় গৰুড় বোধৰ সাৰাংশ | 165 |
| ৪৪. | অধ্যায় হনুমান বোধৰ সাৰাংশ | 179 |
| ৪৫. | আমি কালৰ জালত কেনেকৈ বন্দী হলোঁ | 190 |
| ৪৬ | কবীৰ পৰমেশ্বৰৰ কালৰ লগত বাৰ্তা | 190 |
| | * কাল নিৰঞ্জনে কবীৰ চাহেবক তিনিও যুগত কম জীৱক উদ্ধাৰ কৰি নিবৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ কৰিছিল। | 193 |
| ৪৭. | তেৰ গাড়ী কাগজত লিখা | 200 |
| ৪৮. | কলিযুগ বৰ্তমান কিমান অতিক্ৰম কৰিলে | 204 |
| ৪৯. | গুৰু অবিহনে, মোক্ষ নহয় | 204 |
| ৫০. | পূৰ্ণ গুৰুৰ বচন শক্তিৰ দ্বাৰা ভক্তি হয় | 206 |
| ৫১. | বাসুদেৱৰ পৰিভাষা | 213 |
| ৫২. | ভক্তি কোন ভগৱানৰ কৰিব লাগে, গীতা শাস্ত্ৰ অনুসৰি | 219 |
| ৫৩. | পূজা তথা সাধনাৰ মাজত পাৰ্থক্য | 233 |
| ৫৪. | ঋষি দুৰ্বাসাৰ কাৰ্যকলাপ | 239 |
| ৫৫. | সৃষ্টি ৰচনা | 246 |
| | * আত্মা কালৰ জালত কেনেকৈ বন্দী হল | 250 |
| | * শ্ৰীব্ৰহ্মা, শ্ৰীবিষ্ণু আৰু শ্ৰীশংকৰ দেৱৰ উৎপত্তি | 254 |
| | * প্ৰমাণৰ সৈতে তিনিগুণৰ ব্যাখ্যা | 256 |
| | * ব্ৰহ্ম (কাল)ৰ অব্যক্ত হৈ থকাৰ প্ৰতিজ্ঞা | 257 |
| | * ব্ৰহ্মাৰ নিজ পিতা ব্ৰহ্ম (কাল)ক বিচাৰি পোৱাৰ বাবে চেষ্টা | 259 |
| | * মা দুৰ্গাৰ দ্বাৰা ব্ৰহ্মাক অভিশাপ দিয়া প্ৰসংগ | 260 |
| | * বিষ্ণুদেৱৰ দ্বাৰা নিজৰ পিতা (কাল/ব্ৰহ্ম)ৰ প্ৰাপ্তিৰ বাবে প্ৰস্থান আৰু মা দুৰ্গাৰ দ্বাৰা আশীৰ্বাদ প্ৰাপ্তি | 261 |
| | * পৰব্ৰহ্মৰ সাত শংখ ব্ৰহ্মাণ্ডৰ স্থাপনা | 268 |
| | * পবিত্ৰ অথৰ্ববেদত সৃষ্টি ৰচনাৰ প্ৰমাণ | 279 |

| ক্ৰমিক নং | বিৰৰণ | পৃষ্ঠা নং |
|---|---|---|
| | * পবিত্ৰ ঋগ বেদত সৃষ্টি ৰচনাৰ প্ৰমাণ | 273 |
| | * পবিত্ৰ শ্ৰীমদ দেৱী মহাপুৰাণত সৃষ্টি ৰচনাৰ প্ৰমাণ | 278 |
| | * পবিত্ৰ শিৱ মহাপুৰাণত সৃষ্টি ৰচনাৰ প্ৰমাণ | 279 |
| | * পবিত্ৰ শ্ৰী মদ্ভাগৱত গীতাত সৃষ্টি ৰচনাৰ প্ৰমাণ | 280 |
| | * পবিত্ৰ বাইবেল তথা পবিত্ৰ কোৰাণ শ্বৰীফত সৃষ্টি ৰচনাৰ প্ৰমাণ | 284 |
| | * পূজ্য কবীৰ পৰমেশ্বৰ (কবীৰ দেৱ)ৰ অমৃত বাণীত সৃষ্টি ৰচনা | 285 |
| | * আদৰণীয় গৰীব দাস চাহেবৰ অমৃত বাণীত সৃষ্টি ৰচনা প্ৰমাণ | 287 |
| | * আদৰণীয় নানক চাহেবৰ বাণীত সৃষ্টি ৰচনাৰ সংকেত | 297 |
| | * অন্য সন্তৰ দ্বাৰা সৃষ্টি ৰচনাৰ কিংবতন্তি (আখ্যান) | 297 |
| ৫৬. | ভক্তি মৰ্যদা | 298 |
| | * নাম (দীক্ষা) লব বিচৰা ব্যক্তি সকলৰ বাবে আৱশ্যকীয় জানিবলগীয়া কথা | 298 |
| | * কম কাণ্ডৰ বিষয়ত সত্য কথা | 307 |
| ৫৭. | শাস্ত্ৰনুকুল ভক্তি সাধনাৰ পৰা হোৱা ভক্ত সকলৰ লাভ | 313 |
| | * বৃক্ষ ভাল কৰা আৰু দুৰ্জনক সজ্জন কৰি তোলা | 315 |
| | * সতীশ ভকতৰ আত্ম কথা | 317 |
| | * ১১,০০০ ভল্টেজৰ তাৰৰ পৰা এৰুৱাই দিয়া | 319 |
| | * ভক্ত দীপক দাসৰ পৰিয়ালৰ আত্ম কথা | 321 |
| | * পৰমেশ্বৰৰ অসীম কৃপা | 324 |
| | * ভুতে লম্ভা আৰু গ্ৰস্ত পৰিয়ালক উদ্ধাৰ কৰা | 327 |


******

# ভুমিকা

জীয়াই থকাৰ পথ (জীৱনৰ সুগম পথ) পুথি প্ৰতি ঘৰতে ৰখাৰ যোগ্য। ইয়াক পঢ়ি কাৰ্য্যত মানি চলিলে ইহ লোক আৰু পৰলোক দুয়োতে সুখী হ'ব। পাপ কৰ্মৰ পৰা ৰক্ষা পাব। ঘৰৰ হাই কাজিয়া নাইকিয়া হৈ যাব। পুত্ৰ-পুত্ৰ বোৱাৰীয়ে নিজৰ মা দেউতাক বিশেষ সেৱা কৰিব। ঘৰখনত পৰমাত্মাৰ নিবাস হব। ভূত প্ৰেত, পিতৰ ভৈৰৱ-বেতাল আদি অপ-আত্মা তেনে পৰিয়ালৰ ওচৰ নাচাপে। দেৱতাই সেই ভকত পৰিয়ালৰ সুৰক্ষা কৰিব, যি জন ভকতে এই পুথি পঢ়ি দীক্ষা লৈ নীতি নিয়ম মানি চলি ভক্তি সাধনা কৰিব তেওঁৰ অকাল মৃত্যু নহব।

এই পুথি পঢ়িলে আলৈ আথানি হোৱা পৰিয়াল থানথিত লাগিব। কাৰণ যি পৰিয়ালত এই পুথি থাকিব, পুথিখন পঢ়িব তেওঁলোকৰ মোহ ভংগ হব কিয়নো ইয়াত এনে প্ৰমাণ আছে যি আত্মাক জোকাৰি যাব। মদ, ধপাত আৰু অন্য নিচাৰ প্ৰতি এনে ঘৃণা উপজিব যে এইবোৰৰ নাম ললেও আত্মা জিকাৰ খাই উঠিব। ফলত সম্পূৰ্ণ পৰিয়ালে সুখী জীৱন উপভোগ কৰিব। জীৱন যাত্ৰা সহজে নিৰ্ধাৰিত হব কিয়নো জীৱনৰ পথ সুগম হৈ যাব।

এই পুথিত, পূৰ্ণ পৰমেশ্বৰ কোন ? তেওঁৰ নাম কি হয় ? তেওঁৰ ভক্তি বিধি কেনেকুৱা ইত্যাদি তথ্য পোৱা যাব। মানৱ জীৱন সফল হব, পৰিয়ালত কোনো প্ৰকাৰৰ অমঙ্গল নাথাকিব, পৰমাত্মাৰ কৃপা সদায় থাকিব, জীয়াই থকাৰ পথ উত্তম হোৱা বাবে জীৱন সহজ হৈ পৰিব। যি জনে এই পুথি ঘৰখনত নাৰাখিব, তেওঁ জীৱনত উত্তম পথ নোপোৱা বাবে সংসাৰ ৰূপী অৰণ্যত দিশহীন হৈ মানৱৰ অমূল্য জীৱন নষ্ট কৰিব। পৰমেশ্বৰ দৰবাৰত গৈ অনুশোচনা বাদে আন একোৱে নাপাব। সেই সময়ত আপুনি জানিব পাৰিব যে জীয়াই থকা উত্তম পথ নোপোৱা বাবেই জীৱনটো অথলে গ'ল। আকৌ আপুনি পৰমাত্মাক অনুৰোধ কৰিব যে- হে ভগৱান আৰু এটা মানৱ জীৱন দান দীয়ক মই সত্য ভক্তি কৰিম। জীৱনৰ সৎপথৰ অনুসন্ধান কৰিবলৈ সৎসঙ্গলৈ অহাযোৱা কৰিম। গোটেই জীৱন ভক্তি কৰিম, নিজৰ কল্যান কৰিম, তেতিয়া সেই পৰমাত্মাৰ দৰবাৰত (কাৰ্য্যালয়ত) আপোনাৰ জন্ম জন্মান্তৰৰ চলচিত্ৰ প্ৰদৰ্শন কৰা হব। য'ত আপুনি মানৱ জীৱন প্ৰাপ্ত কৰা সময়ত একেই অনুৰোধ কৰিছিল আৰু এটা মানৱ জীৱন দিয়ক, কেতিয়াঁও বেয়া কাম নকৰিম, আজীৱন ভক্তি কৰিম ঘৰখনৰ ভৰন পোষনৰ বাবেও কৰ্ম কৰিম। পূৰ্ণ সৎগুৰুৰ পৰা দীক্ষা লৈ নিজৰ কল্যাণ কৰিম, যি ভূল এই মানৱ জীৱনত হৈ গ'ল, কেতিয়াও আৰু তেনে ভূল দুনাই নকৰো।

তেতিয়া পৰমাত্মাই কব যে নিজেই নিজকে মুৰ্খ সজাই জীৱন নষ্ট কৰি পাপৰ বোজাৰ সৈতে ইয়াত আহি থিয় হৈছাহি- আৰু এতিয়া মোকো মুৰ্খ সজাব বিচাৰিছা। কৰ্ম দণ্ড অনুসৰি চৌৰাশী লাখ প্ৰাণীৰ শৰীৰত ভ্ৰমি ফুৰি যেতিয়া কোনো কালত মানৱ (স্ত্ৰী-পুৰুষ) শৰীৰ ধাৰণ কৰিবা, সাৱধান হৈ সাধু সন্ত, সৎসঙ্গ শুনি, নিজৰ কল্যান সাধন কৰিবা।

পাঠক বৰ্গলৈ নিবেদন এই যে এই পুথি পঢ়িলে আপোনাৰ এশ এক (১০১) পুৰুষ এই লোক আৰু পৰলোকত সুখেৰে থাকিব। পৰমাত্মাৰ আদেশ বুলি মানি লৈ সম্পূৰ্ণ পৰিয়ালে ইয়াক

পঢ়িব। এজনে পঢ়িব অন্য এজনে শুনিব নাইবা একাধিক পুথি লৈ বেলেগ বেলেগ প্ৰতি দিন পঢ়িব, ইয়াত লিখা প্ৰত্যেক প্ৰকৰণক সত্য বুলি মানি লব। লৰা-ধেমালি বুলি নাভাবিব। এইটো কোনো এলা পেচা লোকে লিখা কিতাপ নহয়। এইটো পৰমেশ্বৰৰ গোলাম (দাস) ৰামপাল দাসৰ দ্বাৰা আত্মাৰে মানৱ কল্যানৰ বাবে লিখিত পুথি। ইয়াৰ পৰা লাভৱান হওঁক।

।।সৎ চাহেব।।

লেখক
দাসৰো দাস ৰামপাল দাস
পুত্ৰ/শিষ্য স্বামী ৰামদেৱানন্দ জী
সৎলোক আশ্ৰম, বৰৱালা
জিলা- হিচাৰ, হাৰিয়ানা (ভাৰত)

*****

## জীৱনৰ সুগম পথ

## দু-আষাৰ

প্ৰাণীৰ জীৱনৰ যাত্ৰা জন্মৰ পৰা আৰম্ভ হয়। তাৰ লক্ষ্য নিৰ্ধাৰিত থাকে। এই পবিত্ৰ পুথিত মানৱ জীৱন যাত্ৰাৰ পথ সম্পৰ্কে বহল বৰ্ণনা আছে। মানৱ (স্ত্ৰী পুৰুষ)ৰ লক্ষ্য হ'ল মোক্ষ লাভ এই পথত পাপ আৰু পুণ্য কৰ্মত গভীৰ খাৱৈ আৰু কাইট আছে। আপুনি আচৰিত হব যে পাপ কৰ্মহে বাধক হয়, পুণ্য কৰ্ম সুখৰ হে হ'ব লাগে-ইয়াক দ খাৱৈ বোলাটো অনুচিত। ওপৰোক্ত কথাৰ সংক্ষিপ্ত বৰ্ণনা -

**পাপ ৰূপী খাৱৈ বা কাইট ঃ-**

মানৱ জীৱন, পৰমাত্মাৰ শাস্ত্ৰবিধি সন্মত সাধনা কৰি মোক্ষ লাভৰ বাবে প্ৰাপ্ত হয়। পাপ কৰ্মৰ কাইটে ভক্তি মাৰ্গত বাধা প্ৰদান কৰে। উদাহৰনস্বৰূপে পাপ কৰ্মৰ বাবেই শৰীৰ ৰোগক্ৰান্ত হয়, পশুধন বা শস্যৰ হানি হয়, ঋণৰ বোজা বাঢ়ে, ঋণী ব্যক্তি দিনে ৰাতিয়ে চিন্তা গ্ৰস্ত হৈ থাকে। তেওঁ ভক্তি কৰিব নোৱাৰে, পূৰ্ণ সৎগুৰুৰ পৰা দীক্ষা লোৱাৰ পাছত পৰমেশ্বৰে সেই ভকতৰ ওপৰোক্ত কষ্ট সমাপ্ত কৰি দিয়ে। তেতিয়া ভকতে শ্ৰদ্ধাসহকাৰে ভক্তি কৰিবলৈ আৰম্ভ কৰে ফলত পৰমাত্মাৰ ওপৰত বিশ্বাস বাঢ়ে, বিশ্বাস দৃঢ় হয়। কিন্তু ভকত জন পৰমাত্মাৰ প্ৰতি সমৰ্পিত হব লাগিব। পতিব্ৰতা স্ত্ৰীয়ে কাম বাসনা পূৰণৰ বাবে নিজৰ পতিৰ অতিৰিক্ত অন্য কোনো পুৰুষৰ কথা সপোনতো নাভাবে। অন্য পুৰুষ যিমানেই সুন্দৰ নহওঁক কিয়। পতিয়ে নিজৰ পত্নীক বিশেষ প্ৰেম কৰে। ঠিক তেনেদৰে দীক্ষা লোৱাৰ পাছত আত্মা সংযোগ পৰমাত্মাৰ লগত হয়। গুৰু মহাৰাজে আত্মাৰ বিবাহ পৰমাত্মাৰ সৈতে কৰাই দিয়ে। যদি সেই মানৱ শৰীৰধাৰী আত্মা নিজৰ পতি পৰমেশ্বৰৰ প্ৰতি প্ৰতিব্ৰতাৰ দৰে সমৰ্পিত হয়, অৰ্থাৎ পূৰ্ণ পৰমাত্মাৰ বাহিৰে কোনো দেৱী-দেৱতাৰ পৰা মনোকামনা পূৰণ কৰিব নিবিছাৰে তেতিয়া তেওঁৰ পতি পৰমেশ্বৰে তেওঁৰ জীৱনৰ পথৰ বাধা স্বৰূপ সকলো পাপ কৰ্মৰ কাইট জীৱন পথত আতৰাই দিয়ে। সেই আত্মাৰ জীয়াই থকা পথ সুগম, বাধাহীন হৈ যায়। তেওঁ সহজে লক্ষ্য প্ৰাপ্তি কৰিব। সেই আত্মাৰ বাবে পৰমাত্মাই কি কৰে সেই কথা সাধু গৰীব দাস মহাৰাজে পৰমেশ্বৰ কবীৰ দেৱৰ পৰা পোৱা জ্ঞানক এনেদৰে বৰ্ণনা কৰিছে ঃ-

"গৰীব পতিব্ৰতা জমি পৰ জ্যোঁ-জ্যোঁ ধৰি হৈ পাঁৱৈ।
সমৰ্থ ঝাড়ু দেত হয় না কাঁটা লগ জাৱৈ।।

কবিৰ পৰমেশ্বৰ কৈছে যে ঃ-

কবীৰ সাধক কে লক্ষন কহু, ৰহৈ জ্যোঁ পতিব্ৰতা নাৰী।
কহ কবীৰ পৰমাত্মা কো লগৈ আত্মা প্যাৰী।।
পতিব্ৰতা কে ভক্তি পথ কো, আপ চাফ কৰে কৰতাৰ।
আন উপাসনা ত্যাগদে সো পতিব্ৰতা পাৰ।।

ভক্তি কৰিলে পাপ নষ্ট হৈ যায় যি পাপ ভক্তি মাৰ্গৰ বাধক

“কবীৰ জবহী সত্যনাম হৃদয় ধৰো ভয়ো পাপকো নাশ।
জৈচে চিংগাৰী অগ্নি কী, পড়ে পুৰাণী ঘাচ।।”

সেই কাৰনে পূৰ্ণ গুৰুৰ পৰা দীক্ষা লৈ প্ৰত্যক স্ত্ৰী-পুৰুষ বালক (তিনি বছৰৰ ওপৰৰ) বৃদ্ধ, যুৱ সকলোৱে ভক্তি কৰিব লাগে।

**পুণ্য ভক্তি পথত বাধা স্বৰূপ ঃ-**

আগৰ জন্মৰ পুণ্যৰ বলত ঘৰত ধন সমৃদ্ধি হয়। সকলো প্ৰকাৰৰ সুবিধা হয়। কাৰোবাৰ চৰকাৰী পদ প্ৰাপ্ত হয়, যি ভক্তি মাৰ্গত বাধক হয়। সেই সুখৰ বাবেই তেওঁ পৰমাত্মাৰ পৰা বহুদূৰ হৈ যায়। এনে সুখ জীয়াই থকাৰ পথত হেঙাৰ স্বৰূপ, ই পৰমাত্মা প্ৰাপ্তিৰ লক্ষ্যৰ পৰা বিচলিত কৰি দিয়ে।

“কবীৰ সুখ কে মাথে পত্থৰ পড়ো নাম হৃদয় চে জাৱৈ।
বলিহাৰী ৱহ দুখ কে, জো পল পল নাম ৰটাৱৈ।।”

এজন ধনী বা চৰকাৰী পদৱীত থকা ব্যক্তিক পৰমাত্মাৰ কাহিনী শুনোৱাৰ চেষ্টা কৰি চাওক। তেওঁ অকনো ৰুচি নাৰাখে। আনফালে পাপকৰ্মৰ ফল ভুগি থকা ব্যক্তিক পৰমাত্মাৰ কাহিনী শুনাওঁক। তেওঁক কওঁক যে পৰমাত্মাই সকলো কষ্ট দূৰ কৰি দিয়ে - আপুনি পৰমাত্মাৰ ভক্তি কৰক। চাওকচোন, আমাৰ গাওঁৰ অমুক ব্যক্তি সেই সাধুৰ পৰা দীক্ষা লৈ সুখত আছে। সিও আপোনাৰ দৰে কষ্টত আছিল। তেতিয়া সেই দুখী ব্যক্তি পৰমাত্মাৰ ভক্তিত উঠি পৰি লাগিব। তেওঁৰ কাৰণে সেই দুখ বৰদান হৈ পৰিল। যি জন সুখী তেওঁক কেনেকৈ বুজাব, তেওঁৰ পুণ্য ফল - ধন সম্পত্তি যথেষ্ট আছে। সেই ধনী ব্যক্তিয়ে নিজৰ পুণ্যক খাই-বৈ লৈ খালী হৈ মৃত্যুৰ পাছত পাপৰ বোজা বান্ধি পৰমাত্মাৰ দৰবাৰত তলমূৰ কৰি ভয়ভীত হৈ কুকুৰ, গাধ, গাহৰিৰ জন্ম পাব। ইয়াৰ বিপৰীতে দুখী, নিৰ্ধন ব্যক্তি পৰমাত্মাৰ ভক্তি কৰি, দান ধৰ্ম কৰি বৰ্তমান জীৱনত সুখী হ’ব। পাপ কৰ্মৰ পৰা আঁতৰি থাকি পুণ্যৰ বোজা বান্ধি ভক্তি ধনেৰে ধনী হৈ পৰমাত্মাৰ দৰবাৰত নিৰ্ভয় হৈ যাব। তেওঁক পৰমাত্মাই আলিঙ্গন কৰিব। সেই ভকতক মোক্ষ দান দি সদায় সুখী কৰিব।

যদিহে ধনী চৰকাৰী পদবীযুক্ত সুখী ব্যক্তি ভক্তি পথত আগবাঢ়ে, তেওঁৰ সুবিধা হব, মোক্ষ লাভত কোনো হেঙাৰ নাই।

**প্ৰশ্ন ঃ** এজন ভদ্ৰ পুৰুষে কলে যে তেওঁ কোনো নিচা সেৱন নকৰে, সকলো বেয়া কামৰ পৰা দূৰত থাকে। অন্যৰ জীয়েক ভনীয়েকক নিজৰ বুলি ভাবি লয়। কোনো পাপ নকৰে। তেওঁৰ বাবে ভক্তিৰ কোনো প্ৰয়োজন নাই। সৎসঙ্গ লৈ এনেকুৱা ব্যক্তি যায় যি সকলো প্ৰকাৰৰ বেয়া কাম কৰি বদনাম হৈ পৰিছে।

**উত্তৰ ঃ** উদাহৰণস্বৰূপে দুই বিঘা মাটি আছে। এক বিঘা মাটি চহাই লৈ চাফা কৰি ৰখা আছে অৰ্থাৎ তাৰ জাবৰ-জোথৰ, ঘাঁহ কাটি হালেৰে বা টেক্টৰেৰে চহাই চাফ-চিকুণ কৰি ৰখা আছে আৰু বীজ সিঁচা নাই।

দ্বিতীয় এক বিঘা মাটি সকলো ধৰণৰ জাবৰ জোথৰ ঘাঁহে ভৰি পৰি আছে। তেতিয়া হ'লে এই দুয়ো বিঘা মাটি ব্যৰ্থ। যদি দ্বিতীয় বিঘা মাটিত কোনোবাই চাফ-চিকুণ কৰি চহাই লৈ ধান বা ঘেঁহু সিঁচিলে আৰু প্ৰথম বিঘা চাফা মাটিত একো সিঁচা নাই তেতিয়া হ'লে সেই প্ৰথম বিঘা মাটিত কৈ দ্বিতীয় বিঘা মাটি বহুগুনে উপযোগী।

গতিকে আপুনি যদি বিকাৰ মুক্ত, দোষমুক্ত, তেতিয়া হ'লে আপুনি ভক্তি বীজ সিঁচিব লাগিব, তেহে আপোনাৰ শৰীৰ ৰূপী মাটিৰ লাভ হ'ব।

যি জন কুপথত আছিল তেওঁৰ জ্ঞান হ'ল আৰু বেয়া স্বভাৱ ত্যাগ কৰি ভক্তি কৰিব ধৰিলে, অৰ্থাৎ তেওঁ জীয়াই থকাৰ পথ সলনি কৰিলে, চাফা কৰি ল'লে। তেওঁ লক্ষ্যৰ ওচৰ চাপিলে।

আপুনি আগলৈ পঢ়িব এজনী বেশ্যাই কবীৰ পৰমাত্মাৰ সৎসঙ্গ শুনি নিজৰ জীৱনৰ পথ সলনি কৰি ল'লে আৰু নাম দীক্ষা লৈ সৎসঙ্গ লৈ যাব ধৰিলে। নগৰ বাসী সকলে এই কথা ভাল নাপালে। ইজনে সিজনক ফুচফুচাই কবলৈ ধৰিলে যে কবীৰৰ সৎসঙ্গ লৈ বদনাম তিৰোতাও যায়। কবীৰ ভাল সাধু নহয়। এনেধৰনৰ সকলো বেয়া মানুহ এওঁৰ সৎসঙ্গলৈ যায়। নিজৰ জীয়েক ভনীয়েকক তালৈ যাব নিদিব, মানুহৰ এনে কথা শুনি কিছুমান ভকতেও গুৰু জনাক গাওঁ বাসীৰ দৰে হীন ভাষাত কথা কব আৰম্ভ কৰিলে। তেতিয়া পৰমেশ্বৰ কবীৰ মহাৰাজে ক'লে যে -

"কুষ্ঠী হোঃ সন্ত বন্দগী কীজিয়ে।
জে হো বেশ্যা কো প্ৰভু বিশ্বাস, চৰণ চিত্ত দীজিয়ে।।"

**ভাবাৰ্থ ঃ-** যদি কোনো ব্যক্তিৰ কুষ্ঠ ৰোগ হয় আৰু তেওঁ ভক্তি কৰিবলৈ আৰম্ভ কৰে, ভকত সমাজে তেওঁক ঘৃনা কৰিব নালাগে। তেওঁকো অন্য ভকতক কৰাৰ দৰে প্ৰণাম কৰিব। তেওঁক সন্মান দিব লাগিব। তেওঁৰ মনোবল বঢ়াব লাগিব। ভক্তি কৰিলে তেওঁৰ জীৱন সফল হ'ব, ৰোগ ভাল হৈ যাব। ঠিক তেনেদৰে যদি বেশ্যা ভনীয়ে প্ৰেৰণা পাই ভক্তি আৰম্ভ কৰে, সৎসঙ্গলৈ অহা যোৱা কৰে, তেনেহ'লে বুজিব যে তেওঁৰ পৰমাত্মাৰ প্ৰতি বিশ্বাস দৃঢ় হৈছে। সৎসঙ্গ শুনি বেয়া স্বভাৱ আঁতৰি তেওঁৰ কল্যাণ হ'ব। এনেকৈয়ে সমাজৰ পৰা সকলো বেয়া খিনি ওলাই, নাইকিয়া হ'ব। যদি তেওঁ সৎসঙ্গলৈ নাহেই তেওঁ যে পাপ কৰ্ম বোৰ কৰি আছে কেনেকৈ গম পাব। উদাহৰণস্বৰূপে ঃ- লেতেৰা কাপোৰ পানী আৰু চাবোনৰ সংস্পৰ্শলৈ নাহিলে কেনেকৈ চাফা হ'ব ? সেই কাৰণে এনে চৰিত্ৰহীনে ও ভক্তি কৰিব ধৰিলে তেওঁক বিশেষ আদৰেৰে মাতিব লাগিব, যতে সৎসঙ্গ হয় যাবলৈ তেওঁ যাতে সংকোচ নকৰে। যদি তেওঁক বাধা দিয়ে আপুনি পাপৰ ভাগী হ'ব। ইয়াৰ পিছৰখিনি কথা আপুনি এই পুথিৰ ১০৯ পৃষ্ঠাত পঢ়িব যাৰ শিৰোনামা হ'ল "কবীৰ মহাৰাজৰ দ্বাৰা শিষ্যৰ পৰীক্ষা"।

শ্ৰীমদ্‌ভাগৱত গীতাৰ অধ্যায়, ৯ শ্লোক ৩০ ত ইয়াৰ প্ৰমাণ আছে। উল্লেখ আছে যে কোনো অতিশয় দুৰাচাৰী ব্যক্তিয়েও বিশ্বাসেৰে পৰমাত্মাৰ ভক্তি কৰিব ধৰিলে তেওঁক মহাত্মা

জ্ঞান কৰিব লাগিব। তেওঁ সাধু সন্তৰ বিচাৰ শুনি ভাল হৈ যাব আৰু নিজৰ কল্যাণ সাধিব। এই বাবেই মানৱ শৰীৰ ধাৰী প্ৰাণীয়ে পৰমাত্মাৰ ভক্তি আৰু আন শুভ কৰ্ম, দান, ধৰ্ম গুৰুদেৱৰ শৰণত থাকি অৱশ্যে কৰিব লাগে।

পুজনীয় কবীৰ পৰমেশ্বৰে কৈছে যে -

"কবীৰ মানুষ জন্ম দুৰ্লভ হৈ মিলে ন বাৰ বাৰ।
তৰুবৰ চে পত্তা টুট গিৰে, বহুৰ না লাগে ডাৰ।।"

**ভাবাৰ্থ** ঃ- কবীৰ পৰমাত্মাই বুজাই কৈছে যে - হে মানৱ শৰীৰধাৰী প্ৰাণী। এই মানৱ (স্ত্ৰী/ পুৰুষ) জন্ম বহু কষ্টেৰে অনেক যুগৰ অন্তৰালত প্ৰাপ্ত হয়। এইটো শৰীৰ বাৰে বাৰে পোৱা নাযায়। এই শৰীৰ থাকোতেঁই শুভ কৰ্ম আৰু পৰমাত্মাৰ ভক্তি কৰি লোৱা, অন্যথা শৰীৰ সমাপ্ত হলে আপুনি পুনঃ এই স্থিতি অৰ্থাৎ মানৱ শৰীৰ প্ৰাপ্ত কৰিব নোৱাৰিব, গছৰ পৰা পাত সৰি যোৱাৰ পাছত সেই পাতখিলা আকৌ ডালত গৈ নালাগে।

সেই কাৰণে এই মানৱ শৰীৰৰ কালছোৱা অবাৰত নষ্ট নকৰিব। কবীৰদেৱে আকৌ কৈছে যে -

কবীৰ মানুষ জন্ম পায়কৰ, নহী ৰটে হৰি নাম।
জেইছে কুঁৱা জল বিনা, বনৱায়া ক্যা কাম।।

ভাবাৰ্থ ঃ- মানৱ জীৱনত যদি ভক্তি নকৰে তেতিয়া তেনে জীৱন সুন্দৰ কুঁৱাৰ দৰে য'ত পানী হলে নাই। যদি তাত পানী নাই অথবা থাকিলেও খোৱাৰ যোগ্য নহয়, তথাপি তাৰ নাম কুঁৱাই হ'ব, কিন্তু গুণ কুঁৱাৰ দৰে নহয়। সেইদৰে মানুহে ভক্তি নকৰিলেও তাক মানুহ বুলিয়ে কোৱা হব কিন্তু তেওঁৰ ওচৰত মানুহৰ গুণ হলে নাই।

আগৰ জন্মৰ শুভ অশুভ কৰ্ম আৰু ভক্তিৰ বাবে কোনোবা সুস্থ-অসুস্থ হৈ আছে। তেওঁ হঠাৎ ৰোগী হৈ পৰিব আৰু লাখ টকা চিকিৎসাৰ বাবে খৰচ কৰাৰ পাছত মৃত্যু বৰণ কৰিব। কোনোবা জন্মৰে পৰাই ৰোগী হয় আৰু আজীৱন কষ্ট ভোগ কৰি মৃত্যুৰ মুখত পৰে। কোনোৱা ধনহীন, আকৌ কোনোবা জন্মৰে পৰা ধনবান হয়। কাৰোবাৰ সন্তান হয়, আন কাৰোবাৰ নহয় কাৰোবাৰ আকৌ মাত্ৰ ছোৱালীয়ে হয়, বিচাৰিলেও পুত্ৰ সন্তান নহয়। এই সকলো পূৰ্ব জন্মৰ ফল মানুহে ভোগ কৰে। যেতিয়ালৈকে পুনৰ ভক্তি আৰম্ভ নকৰে পূৰ্ব জন্মৰ সংস্কাৰ বা কৰ্মফল হে মাত্ৰ মানুহৰ প্ৰাপ্ত হয়। যেতিয়া পূৰ্ণ সৎগুৰুৰ শৰণত দীক্ষা লৈ নীতি নিয়মত থাকি ভক্তি কৰিব ধৰে, তেতিয়া শুভ সংস্কাৰ বৃদ্ধি হয়, দুখ সুখ লৈ সলনি হব ধৰে।

## মানুহৰ জীৱনৰ সাধাৰণ ধাৰণা

যেতিয়ালৈকে যথাৰ্থ আধ্যাত্মিক জ্ঞান লাভ নহয়, তেতিয়ালৈকে জনসাধাৰণৰ ধাৰনা এনেধৰণৰ থাকে ঃ-

ডাঙৰ হৈ পঢ়ি শুনি নিজৰ উপাৰ্জনৰ পথ বিচাৰি লৈ বিবাহ কৰি পৰিয়ালৰ ভৰন পোষন কৰিম। সন্তানৰ উচ্চ শিক্ষাৰ ব্যৱস্থা কৰিম। সিঁহতৰ চাকৰি হব, তেওঁ লোকৰ বিবাহ কৰাম,

ভগৱানে সন্তানকো সন্তান দিয়ক। তেতিয়া আমাৰ কৰ্তব্য শেষ হল। প্ৰায় শুনা যায় যে গাঁৱৰ বা চুবুৰিৰ বুঢ়া-বুঢ়ী গোট খালে ইজনে সিজনৰ মঙ্গল বাতৰি সোধ পোছ কৰাৰ পাছত নিজৰ নিজৰ সন্তান সম্পৰ্কে কয় যে পৰমাত্মাই কৃপা কৰি দুটি কণ্যা আৰু দুটা ল'ৰা সন্তান দিছে। বহু কষ্টেৰে তুলি তালি ডাঙৰ কৰি পঢ়ালোঁ, বিয়াও পাতি দিলোঁ, সকলোৰে সন্তান হ'ল, মোৰ কৰ্ত্তব্য শেষ হল। পয়সত্তৰ বছৰ বয়সৰ হলোঁ, এতিয়া মৰিলেও চিন্তা নাই, মোৰ জীৱন সফল হৈছে বংশগতি আগ বাঢ়িল, সংসাৰত বংশৰ নাম থাকিব।

**বিবেচনা ঃ-** ওপৰৰ প্ৰসংগত যি খিনি প্ৰাপ্ত হৈছে সেয়া পূৰ্ব নিৰ্দ্ধাৰিত সংস্কাৰৰ ফল মাত্ৰ নতুন কৈ একো পোৱা নাই।

এজন ব্যক্তিৰ বিবাহ হল, এটি কন্যা সন্তান ও হল। মানৱ সমাজৰ ধাৰনা হল পুত্ৰ নাথাকিলে বংশ আগ নাবাঢ়ে। (কিন্তু) আধ্যাত্মিক জ্ঞানৰ দৃষ্টিভঙ্গীৰে চালে লৰা আৰু ছোৱালীৰ মাজত কোনো পাৰ্থক্য নাই বা কৰা নহয়) মানুহ জনে আশা কৰিলে পৰমাত্মাই দ্বিতীয়টো সন্তান পুত্ৰ হিচাবে দিব। কিন্তু দ্বিতীয় সন্তানো ছোৱালীয়ে হ'ল। এনেদৰে মুঠ পাঁচোটি কণ্যা সন্তান হল, পুত্ৰ প্ৰাপ্তি নহল। এই উদাহৰণত এইটো স্পষ্ট হল যে মানুহে ভবাটোও নহয় আৰু কৰাটোও নহয়। যি খিনি হয় পূৰ্ব জন্মৰ সংস্কাৰৰ ফল হে প্ৰাপ্ত হয়। এইটো পৰমেশ্বৰৰ বিধান। মানৱ শৰীৰ প্ৰাপ্ত প্ৰাণীয়ে এই জনমতেই পূৰ্ণ সন্তৰ চৰণত দীক্ষা লৈ ভক্তি কৰিব লাগিব আৰু পুণ্য দান, ধৰ্ম তথা শুভ কৰ্ম অৱশ্যেই কৰিব লাগিব, অন্যথাই আগৰ জন্মৰ পুণ্যফল এইমানৱ জীৱনত খাই বৈ শেষ কৰি খালী হাতেৰে পৰমাত্মাৰ দৰবাৰত যাব। আকৌ পশু আদি যোনিত জন্ম লৈ পশুৰ জীৱন ভোগ কৰিব লাগিব।

উদাহৰণস্বৰূপে খেতিয়কে নিজৰ পথাৰত ধান ঘেঁহু আদি শস্য সিঁচে। পৰিশ্ৰম কৰি সেই শস্য পৰিপক্ক কৰি ঘৰলৈ আনি ভঁৰালত থৈ দিয়ে। তেওঁ পুনৰ বীজ নিসিচিলে, শস্য পাব নোৱাৰে আৰু আগৰ বছৰৰ শস্য-ধান, ঘেঁহু বৰ্তমান খাই বৈ থাকিব পাৰিব। কিন্তু এদিনাখন সেই আগৰ খেতিৰ অন্ন শেষ হব আৰু সেইজন খেতিয়কৰ পৰিয়াল ভিক্ষাৰী হব। ঠিক সেইদৰে মানৱ শৰীৰত যি খিনি প্ৰাপ্ত হৈ আছে সেইটো পূৰ্ব জন্মত সংগ্ৰহ কৰি থোৱা খিনিহে হয়। যদি এই জন্মত শুভ কৰ্ম আৰু ভক্তি নকৰে তেতিয়া তেওঁৰ ভৱিষ্যৎ নৰক সদৃশ্য হব।

অধ্যাত্ম জ্ঞান লাভ কৰাৰ পাছত মানুহে বুদ্ধিমান খেতিয়কৰ দৰে প্ৰতি বছৰে প্ৰতিটো ঋতুত দান ধৰ্ম, নাম স্মৰণ ৰূপী শস্য সিঁচিব আৰু নিজৰ ঘৰত সংগ্ৰহ কৰি খাব পাৰিব, বিক্ৰী কৰি নিজৰ খৰচ উলিয়াব পাৰিব অৰ্থাৎ পূৰ্ণ গুৰুৰ ওচৰত দীক্ষা লৈ তেওঁ কোৱাৰ দৰে সাধনা তথা দান ধৰ্ম কৰি ভক্তি ধন সংগ্ৰহ কৰিব। পৰম সাধু পুৰুষে মানুহক জীয়াই থকাৰ পথ দেখুৱাই দিয়ে। তাৰ আধাৰ সত্য আধ্যাত্মিক জ্ঞান সকলো গ্ৰন্থত প্ৰমাণিত হয়।

পুৰ্বোক্ত প্ৰসংগত এজন বৃদ্ধই কৈছে যে সৰ্ব সন্তানক তুলি সময়ত বিবাহো পাতি দিলে। তেওঁৰ মানৱ জীৱনৰ কাম শেষ হল, জীৱন সফল হল। এতিয়া মৰিলেও চিন্তা নাই। বিচাৰ যোগ্য বিষয় এই যে তেওঁ মাত্ৰ পূৰ্বৰ জমা কৰা খিনিহে খৰছ কৰিলে ভৱিষ্যতৰ বাবে একোৱেই

নকৰিলে। ফলত সেইজন মানুহৰ জীৱন অথলে গল।

কবীৰ পৰমেশ্বৰে কৈছে যে -

ক্যা মাঁগু কুছ থিৰ না ৰহাই। দেখত নৈন চলা জগ যাই।।
এক লাখ পুত চৱা লাখ নাতি। উচ ৰাৱণ কৈ দিৱা ন বাতি।।

**ভাৱাৰ্থ**ঃ- যদি এজন মানুহে পুত্ৰৰ দ্বাৰা বংশ আগবঢ়াই নিব বিচাৰে, এইটো তেওঁৰ ভুল। শ্ৰীলংকাৰ ৰজা ৰাৱণৰ এক লাখ পুত্ৰ আছিল আৰু এক লাখ পচিঁশ হাজাৰ নাতি আছিল। বৰ্তমান তেওঁৰ কুলত ঘৰত চাকি জ্বলাবলৈ কোনো নাই। সকলো মৰিল। গতিকে হে মানৱ! পৰমাত্মাৰ পৰা এইটো কি বিচাৰিছা - যিটো চিৰন্তন সত্য নহয়। এনে প্ৰেৰণা আধ্যাত্মিক জ্ঞানৰ অভাৱৰ কাৰণেই আহিছে, পৰমাত্মাই আপোনাক আপোনাৰেই সংস্কাৰ খিনি দিব, আপুনি কৰিব বিচৰা একো নহব। সেই ওপৰত উল্লেখ কৰা বুঢ়া জনৰ মতে পুত্ৰৰ দ্বাৰা বংশ বৃদ্ধি হৈ সংসাৰত নাম যশ ৰৈ গৈছেনে। এখন গাওঁত প্ৰথমতে চাৰি পাঁচ জন মানুহ আছিল। এতিয়া তেওঁলোকৰ বংশৰ শ-শ পৰিয়াল হৈছে। তেওঁলোকৰ বংশ চলি আছে, সংসাৰত নাম যশ আছে। কিন্তু শাস্ত্ৰ বিধি অনুসৰি ভক্তি নকৰাৰ বাবে পৰমাত্মাৰ বিধান অনুসৰি সেই ভদ্ৰ পুৰুষ কৰবাত গাধ হৈ কষ্ট ভুগি আছে। তাত সি গাধৰ বংশৰ বৃদ্ধি কৰি পুনৰ কুকুৰ জন্ম লৈ, কুকুৰ কুলৰ বৃদ্ধি কৰিব, এনেদৰে অন্য প্ৰাণীৰ শৰীৰ প্ৰাপ্ত কৰি অসংখ্য জনমত কষ্ট ভুগি ফুৰিব। সাৰ কথা এই যে মানৱ জীৱন প্ৰাপ্ত প্ৰাণীয়ে সাংসাৰিক কৰ্তব্য কৰ্ম কৰি থাকোঁতেই আত্ম কল্যাণৰ বাবেও কৰ্ম কৰিব লাগিব। এনে কৰিলে পৰিয়ালত হব পৰা পূৰ্ব কৰ্ম কষ্টও দুৰ হব, পৰিয়াল সুখেৰে থাকিব, অন্যথাই শুভ অশুভ দুয়ো কৰ্ম ফল ভোগ কৰি যাওঁতে কেতিয়াবা সুখ আৰু কেতিয়াবা দুখৰ বোজাও বহন কৰিব লাগিব।

এবাৰ দাস (লেখক) এখন গাওঁত তিনিদিনৰ সৎসঙ্গ পাঠ কৰি আছিলো। সেই পৰিয়ালৰ এজন সম্বন্ধীয়ই এজন চাৰি বছৰৰ লৰা লগত লৈ আহিল। কথা বতৰাত তেওঁ কলে যে তেওঁ চাৰিজন পুত্ৰ, দুজনী পুত্ৰী সন্তান ৰূপে পাইছে। সকলোৰে বিবাহ পাতি দিলো। মোৰ নিচিনা সুখী ব্যক্তি গাওঁখনত কোনো নাছিল। আকৌ এনে অৱস্থা হল যে দুই বছৰ পাছত ঘৰখন থানাবান হৈ গ'ল। দুজন লৰা মটৰ চাইকেলত শহুৰ ঘৰলৈ গৈ আছিল, দুৰ্ঘটনাগ্ৰস্ত হৈ পৰলোক গ'ল। তেওঁলোকৰ পত্নীৰ অন্যৰ লগত বিয়া হ'ল। এবছৰৰ পাছত অন্য এজনক পথাৰত দমকলৰ ওচৰত ৰাতি সাপে খুটিলে, মৃত শৰীৰ পোৱা হ'ল। চতুৰ্থ জন লৰা এনে দুখ সহ্য কৰিব নোৱাৰি হৃদয় ঘাত হৈ ঢুকাল। সকলো বোৱাৰীও গুচি গল। মোৰ পত্নীৰ মানসিক ভাৰসাম্যতা হেৰাল। লগত লৈ অহা লৰাৰ (ডাঙৰ জনী জীয়েকৰ) মুখ চাই দিন অতিবাহিত কৰি আছো। জীয়েকক নিজৰ ঘৰতে ৰাখিছো। গতিকে প্ৰিয় পাঠক সকললৈ নিবেদন এয়ে যে বিবেক বিচাৰ কৰি কাম কৰক আৰু মানৱ জীৱনৰ সত্য পথ বাছি লওঁক, ভক্তি অৱশ্যে কৰিব।

সন্তান হোৱা বা নোহোৱাটো পূৰ্ব জন্মৰ কৰ্ম ফল। যদি সন্তানৰ ধৰ্ম কৰ্ম জ্ঞান নাথাকে সি

যিমানেই চৰিত্ৰৱান নহওক কিয় এদিন নহয় এদিন ভুল কৰিবই। সেয়া সকলো ভুল পাপ কৰ্মৰ কাৰণে হয়। এজন ব্যক্তিয়ে কলে যে তেওঁৰ শহুৰ চাৰি একৰ মাটিৰ খেতিয়ক আছিল। তেওঁ দিনে ৰাতিয়ে পৰিশ্ৰম কৰি মুঠ ষোল্ল একৰ মাটিৰ মালিক হল। অৰ্থাৎ বাৰ একৰ মাটি কিনি ললে। তেওঁৰ চাৰিজন লৰা আৰু এজনী ছোৱালী আছিল। সকলোৰে বিয়া পাতি দিলে। ষাঠি বছৰ বয়স হওঁতে তেওঁ একাঙ্গী বেমাৰত ভুগিল। চাৰিজন লৰা বেলেগ বেলেগ হ'ল।

বুঢ়া জন কিছুদিন ডাঙৰ লৰাৰ লগত থাকিল কিন্তু উচিৎ আলপৈচান নধৰাত কাপোৰৰ পৰা দুৰ্গন্ধ আহিব ধৰিলে, আকৌ তৃতীয় পুত্ৰৰ ঘৰলৈ গল কিছু দিনৰ পাছত তেওঁ হাত দাঙি দিলে, এনেদৰে চাৰিজন লৰাই সেৱা কৰি আমুৰাই গল। গাওঁ পঞ্চায়তে নিৰ্ণয় দিলে যে যি জন লৰাই বুঢ়া মানুহ জনৰ সেৱা কৰিব তেওঁ দুই একৰ মাটি অতিৰিক্ত লাভ কৰিব। লোভত পৰি সৰু লৰা জনে সেৱা কৰিম বুলি মানি ললে। ছয় মাহ হওঁতে তেওঁ কলে যে তেওঁৰ দ্বাৰা আৰু সেৱা কৰা সম্ভৱ নহয়। পৰিয়াল বৰ্গ আৰু সম্বন্ধীয় ব্যক্তি গোট খালে। চাৰিজন লৰাক সকলো প্ৰকাৰে বুজনি দিলে, কিন্তু সেৱাৰ বাবে কোনো সাজু নহ'ল। সেই ভকত জোঁৱায়ে কৈছিল যে তেওঁৰ শহুৰ বুঢ়াই কথা কবও নোৱাৰিছিল। তেওঁৰ সৰু নাতিয়েক ওচৰ চাপোতে বুঢ়াই ডিঙি লৰাই ইংগিত দিলে যে তেওঁ তাক মৰম কৰিব বিচাৰে, ওচৰলৈ আহিবলৈ সংকেত দিলে। এনেকুৱা ভুল কৰাটো এই সংসাৰৰ নিয়ম। নিজৰ পুত্ৰ সন্তানে যি আৰাম দিলে সেয়া বুঢ়াই পাহৰি গ'ল। এতিয়া নাতিয়েকে বা কি নাট দেখুৱায়। শেষত সেই দুই একৰ মাটি বন্ধকত দি বুঢ়াৰ সেৱাৰ বাবে চাকৰ এটাৰ বন্দবস্ত কৰা হ'ল। পাছলৈ বুঢ়া অতি কষ্টেৰে ঢুকাল।

বিচাৰযোগ্য বিষয় এই যে এনে পৰিশ্ৰমী ব্যক্তিৰ যদি এইটোও জ্ঞান হোৱা হলে যে ভক্তি আৰু ধৰ্ম অবিহনে মানৱ জীৱন নৰক তুল্য হ'ব, তেওঁ সাংসাৰিক কামৰ লগতে পৰমাত্মাৰ ভক্তিও কৰিলেহেতেন আৰু তেওঁৰ এনে অৱস্থা নহয়। ল'ৰা-ছোৱালীয়ে ও সেৱা কৰিলেহেঁতেন, সৎসঙ্গত এনে শিক্ষাই দিয়া যায়। শ্ৰদ্ধাৱান সকলক দয়া ধৰ্মৰ পাঠ পঢ়োৱা হয় আশ্ৰমত সৎসঙ্গৰ সময়ত বৃদ্ধ, লেঙেৰা, অংগক্ষত, ল'ৰা-ছোৱালী লৈ আই মাতৃ, ভনী সকল আহে। আশ্ৰমত পুৰনা ভকত তথা ভকতনী সকলৰ দায়িত্ব নিৰ্দিষ্ট কৰি দিয়া হয়। তেওঁলোকে আগন্তক বৃদ্ধ, ৰোগী তথা অন্য অসহায় সকলৰ সেৱা কৰে। তেওঁলোকক গা ধোৱাই দিয়ে, কাপোৰ কানি ধুই দিয়ে। ৰান্ধনি ঘৰৰ পৰা আহাৰ প্ৰসাদ লৈ আনি সকলোৰে আহাৰ ব্যৱস্থা কৰি দিয়ে। চাহ গাখীৰ পৰ্যন্ত বহি থকা ঠাইতে আনি দিয়ে। ভাবি চাওক, যি লৰা ছোৱালীয়ে (সৎসঙ্গলৈ যোৱা সকল) জীয়েক, ভনীয়েক আই মাতৃ আৰু ভকত ভাই সকলে আশ্ৰমলৈ অহা অচিনাকি সকলোকে সেৱা কৰে, তেওঁলোকৰ সেৱাৰ স্বভাৱ গঢ়ি উঠে আৰু নিজৰ পিতৃ-মাতৃ, শহুৰ-শাহুৰ আৰু অন্য সকলোকো উচিৎ সেৱা সৎকাৰ কৰিব। তেওঁলোকৰ অন্তৰ দয়া স্নেহেৰে ভৰি থাকিব। তেওঁলোকৰ পৰমাত্মাৰ বিধান ভালকৈ মনত থাকে। ওপৰত বৰ্ণনা কৰা খেতিয়কৰ প্ৰসংগলৈ আহোঁ। যদি তেওঁৰ পুত্ৰ আৰু বোৱাৰী সৎসঙ্গলৈ গলহেতেন তেওঁলোকে নিজৰ দেউতাক বহুত ভালকৈ সেৱা কৰিলে হয়। যদি সেই খেতিয়কে পৰমাত্মাৰ ভক্তি কৰা হ'লে,

তেওঁৰ শৰীৰ সুস্থ হলে হয়, ভক্তি আৰু ভজন কীৰ্ত্তনৰ প্ৰভাৱত পৰিয়ালৰ সদস্যই নিজে নিজেই বুঢ়া জনক সেৱা সৎকাৰ কৰিলে হেতেন। উদাহৰণস্বৰূপে সাধু সন্ত সকল ভক্তি সাধনাতে নিমগ্ন থাকে, তাৰ ফলস্বৰূপে গাঁৱৰ সকলো মানুহ তেওঁৰ সেৱাৰ বাবে তৎপৰ হৈ থাকে। এনেদৰেই ভক্তি কৰাৰ ফলত পৰমাত্মাৰ শক্তিয়ে নিজে নিজেই সকলোকে প্ৰেৰণা যোগায় আৰু ভকতৰ বাবে অনুকুল পৰিস্থিতিৰ সৃষ্টি কৰি দিয়ে। সেই কাৰণেই ভক্তি কৰিবৰ বাবে সাধু সকলে প্ৰেৰণা দিয়ে। সৎসঙ্গৰ দ্বাৰাই জীয়াই থকাৰ পথ সুগম, সুচল হয়।

কবীৰ পৰমেশ্বৰে আকৌ কৈছে যে -

কবীৰ কায়া তেৰী হৈ নহী, মায়া কহা চে হোয়।
ভক্তি কৰ দিল পাক ছে, জীৱন হৈ দিন দোয়।।
বিন উপদেশ আচম্ভ হৈ কিউ জীৱিত হৈ প্ৰাণ।
ভক্তি বিনা কহাঁ ঠৌৰ হৈ, য়ে নৰ নাহি পাষাণ।।

ভাৱাৰ্থ ঃ- পৰমেশ্বৰ কবীৰদেৱে কৈছে - হে হোজা মানৱ, মই আচৰিত যে গুৰুৰ পৰা দীক্ষা নোলোৱাকৈ কিহৰ ভৰষাত জীয়াই আছা ? এই শৰীৰো তোমাৰ নহয়, এইটোও ত্যাগ কৰি যাবা, আকৌ ধন সম্পত্তি আপোন হ'ল কেনেকৈ ?

যিসকলৰ বিবেক নাই যে ভক্তি নহলে জীৱৰ কোনো ঠিকনা নাই সেইজন নৰ অৰ্থাৎ মানৱ নহয়, সেই সকল শিলামূৰ্তি। তেওঁলোকৰ বুদ্ধিৰ ওপৰত শিল পৰিছে।

কবীৰ পৰমেশ্বৰে আকৌ কৈছে যে -

**বেগাৰ'ৰ পৰিভাষা ঃ**

অগম নিগম কো খোজ বুদ্ধি বিবেক বিচাৰ।
উদয় অস্ত কা ৰাজ মিলে তো বিন নাম বেগাৰ।।

**ভাৱাৰ্থ** ঃ- আগৰ দিনত আৰক্ষী চকীসমূহত জীপ, কাৰ আদি গাড়ী নাছিল। আৰক্ষীয়ে প্ৰয়োজনত তালাছী চলাবলৈ তিনি/চাৰি চকীয়া গাড়ীৰ চালকক জোৰ কৰি ধৰিছিল আৰু তাৰ গাড়ীত যলৈ মন যায় গৈছিল। গাড়ীৱালাই মজুৰি তো নাপায়েই, তেলো ভৰাব লাগিছিল। গাড়ীৱালাই সেই দিনৰ দিন হাজিৰাও নাপাইছিল। আৰক্ষীয়ে তাক গাড়ীৰে সৈতে গোটেই দিনটো য'তে ত'তে লৈ ফুৰিছিল। লোকৰ দৃষ্টিত সেই গাড়ীৱালাৰ সেইদিনা ভাল উপাৰ্জন হৈছিল। গোটেই দিন ঘুৰি ফুৰিছে। কিন্তু তেওঁ হে জানে সেই দিনা তেওঁৰ কি দশা হ'ল। এনেদৰেই যদি ৰজাসকলে এই জনমত ভক্তি নকৰি কেৱল ৰাজ্য ব্যৱস্থা চলোৱাত জীৱন অতিবাহিত কৰে তেন্তে তেওঁলোকে "বেগাৰ" খাটি গৈছে। পূৰ্বজন্মৰ ধৰ্ম কৰ্মৰ ফলত ৰজা হয়, এই জনমত সেই পুন্যফল ভোগ কৰি থাকে। জনতাই ভাবিব ৰজা বৰ আৰামত আছে। আধ্যাত্মিক দৃষ্টি কোণৰ পৰা ৰজাই অকল বেগাৰ খাটি আছে। ভক্তি সংগ্ৰহ কৰি থকা নাই। যদিহে এজন ব্যক্তিয়ে গুৰু শৰণত দীক্ষা লৈ ভক্তি কৰা নাই তেওঁৰ উদয় অস্তৰ অৰ্থাৎ সম্পূৰ্ণ পৃথিৱীৰ ৰাজ্য ভোগ পালেও ওপৰৰ গাড়ীৱালাৰ নিচিনাকৈ মিছাই প্ৰাণপনে খাটি আছে।

তেওঁৰ কোনো লাভ নহ'ব। সেই কাৰণে ৰজাই হওক বা প্ৰজা, ধনীয়ে হওক বা নিৰ্ধন সকলোৱে নতুন কৈ ভক্তি কৰিব লাগিব, তাৰ দ্বাৰাই তেওঁলোকৰ ভৱিষ্যৎ উজ্বল হ'ব।

পৰমাত্মা কবীৰ চাহাবে নিজৰ শিষ্য সন্ত গৰীব দাস মহাৰাজক তত্বজ্ঞান বুজাইছিল, যি তলত দিয়া ধৰণৰ (ৰাগ আচাৰৱী শব্দ নং১)

মনতো চলিৰে সুখ কে সাগৰ, জঁহা শব্দ সিন্ধু ৰত্নাগৰ। (টেক)
কোটি জন্ম তোহে মৰতা হৌগে কুছ নহী হাত লগা ৰে।
কুকুৰ চুকৰ খৰ ভয়াবৌৰে, কৌৱা হংস বুগা ৰে।।
কোটি জন্ম তু ৰাজা কিনহা মিটি ন মন কী আশা।
ভিক্ষুক হো কৰ দৰদৰ হাঁড়য়া মিল্যা ন নিৰ্গুণ ৰাসা।
ইন্দ্ৰকুৱেৰ ঈশ কী পদবী, ব্ৰহ্মা, বৰুণ ধৰ্মৰায়।
বিষ্ণু নাথকে পুৰ কুঁ জাকৰ বহুৰ অপুঠা আয়া।
অসংখ্য জন্ম তোহে মৰতে হৌগে জীৱিত ক্যুঁ না মৰে ৰে।
দ্বাদশ মধ্য মহল মঠ বৌৰে বহুৰ ন দেহ ধৰে ৰে।
দোজখ বহিস্ত সবী তৈ দেখে ৰাজ পাট কে ৰসিয়া।
তিন লোকে সে তৃপ্ত নাহী য়হ মন ভোগী খচিয়া।।
সৎগুৰু মিলৈ তো ইচ্ছা মিটে পদ মিল পদে সমানা।।
চল হংসা ওস লোক পঠাঔ জো আদি অমৰ অৰস্থানা।
চাৰ মুক্তি জহাঁ চম্পী কৰতী মায়া হো ৰহী দাসী।
দাস গৰীব অভয় পদ পৰসে, মিলে ৰাম অবিনাশী।।

## সুক্ষ্ম বেদৰ বাণীৰ ভাবাৰ্থ

**বাণীৰ সৰলাৰ্থ** ঃ- আত্মা আৰু মনক পাত্ৰ সজোৱাই সন্ত গৰীব দাসে সংসাৰৰ মানুহক বুজাই কৈছে যে - "এই সংসাৰ দুখৰ ঘৰ হয়। ইয়াৰ পৰা ভিন্ন আৰু সংসাৰ আছে, য'ত কোনো দুখ নাই। সেই স্থান সনাতন পৰম ধাম, (সত্যলোক) হয় আৰু তাৰ প্ৰভু (অবিনাশী পৰমেশ্বৰ) সুখৰ সাগৰ হয়।

সুখ সাগৰ অৰ্থাৎ অমৰ পৰমাত্মাৰ আৰু তেওঁৰ ৰাজধানী অমৰ লোকৰ সংক্ষিপ্ত পৰিভাষা কৈছে -

শঙ্খো লহৰ মেহৰ কী উপজে, কহৰ নহী জহাঁ কোই।
দাস গৰীব অচল অবনাশী, সুখ কা সাগৰ সোই।।

**ভাবাৰ্থ** ঃ- যেতিয়া মই (লেখক) অকলে থাকোঁ মাজে সময়ে এনে হিল্লোল (তৰংগ) অন্তৰত উদ্ৰেক হয় যে সকলোকে নিজৰ দৰে ভাব হয়। কোনোবাজনে মোক যিমানেই কষ্ট নিদিয়ক কিয়, তেওঁৰ প্ৰতি দ্বেষ ভাৱ নাথাকে। সকলোৰে প্ৰতি দয়া ভাব জাগি ওঠে। এনে স্থিতি কেইমিনিটমানহে থাকে। তাক দয়াৰ তৰংগ কোৱা হৈছে। সৎলোক অৰ্থাৎ সনাতন

পৰমধাম যোৱাৰ পাছত প্ৰত্যেক প্ৰাণীয়েই অতি আনন্দিত হয়। তাত এনেকুৱা অসংখ্য তৰংগ আত্মাত সঞ্চাৰ হৈ থাকে। যেতিয়া সেই তৰংগ মোৰ আত্মাৰ পৰা দূৰ হৈ যায়, আকৌ সেই দুখময় স্থিতি আৰম্ভ হয়। সি এনেকৈ কলে ? সেই মানুহজন ভাল নহয়, সেইটো লোকচান হ'ল, এনে হ'ল, তেনে হ'ল। ইয়াক কহৰ (দুখ তৰংগ) কোৱা হয়।

সেই সৎলোকত দয়াৰ অসংখ্য তৰংগৰ সঞ্চাৰ হয়, তাত কোনো কহৰ (দুখ) নাই, এনেয়েও সৎলোকত কোনো দুখ নাই। কহৰৰ অৰ্থ হ'ল ভয়ংকৰ কষ্ট। উদাহৰণস্বৰূপে - এখন গাঁৱত ব্যক্তিগত শত্ৰুতাৰ বাবে বিৰোধীয়ে সিটো পক্ষৰ পৰিয়ালৰ তিনি সদস্যক হত্যা কৰি দিলে, ক'ৰবাত ভুমিকম্পৰ ফলত হাজাৰ হাজাৰ মানুহৰ মৃত্যু হয়-ইয়াক কোৱা হয় দুখৰ পাহাৰ খহি পৰিল বা দুখ জাপি দিলে। উপৰোক্ত বাণীত সুখ সাগৰৰ পৰিভাষা সংক্ষিপ্ত আছে। ই কেতিয়াও চলমান অৰ্থাৎ ধ্বংস নহয় আৰু তাত নিবাস কৰা পৰমেশ্বৰ অবিনাশী, সেই স্থান আৰু পৰমেশ্বৰ সুখৰ সমুদ্ৰ হয়। সাগৰীয় জাহাজ বন্দৰৰ পৰা ১০০/২০০ কিঃ মিঃ অতিক্ৰম কৰা পাচত একোৱে দেখা নাযায়। সকলো দিশতেই পানীয়েই পানী দেখা যায়। ঠিক সেইদৰে সত্যলোকত সুখৰ বাহিৰে আন একোৱেই নাই অৰ্থাৎ তাত কোনো দুখ নাই।

এতিয়া আগত লিখা বাণীৰ সৰলাৰ্থ -

মন তু চল ৰে সুখ কা সাগৰ, জহা শব্দ সিন্ধু ৰত্নাগৰ।। (টেক)
কোটি জন্ম তোহে ভ্ৰমত হৌগে কুছ নহী হাত লগা ৰে।
কুকুৰ শুকৰ খৰ ভয়া বৌৰে কৌৱা হংস বুগা ৰে।।

ভাবাৰ্থ ঃ- পৰমেশ্বৰ কবীৰ চাহাবে নিজৰ পুণ্য আত্মা সন্ত গৰীব দাসক সুক্ষ্মবেদ অৱগত কৰোৱাইছিল। তাকেই সন্ত গৰীবদাস (গাওঁ ছুড়ানী জিলা - ঝজ্বৰ, হৰিয়ানা ৰাজ্য) মহাৰাজে আত্মা আৰু মনক পাত্ৰ ৰূপে লৈ বিশ্বৰ জনগনক কাল (ব্ৰহ্ম)ৰ সংসাৰৰ কষ্ট আৰু সৎলোকৰ সুখৰ বাতৰি দি, সেই পৰম ধামলৈ যাবৰ বাবে শাস্ত্ৰ বিধিসন্মত সত্য সাধনা কৰাৰ প্ৰেৰণা কৰিছে। হে মন, তই সুখৰ সাগৰলৈ অৰ্থাৎ সনাতন পৰম ধামলৈ ব'ল য'ত, শব্দ নষ্ট নহয়। সেই কাৰণে শব্দৰ অৰ্থ অবিনাশীৰ সমপৰ্যাৰ আৰু সেই স্থান অমৰত্বৰ সিন্ধু বা সাগৰ আৰু মোক্ষৰূপী ৰত্নৰ "সাগৰ" অৰ্থাৎ খনি হয়। এই কাল ব্ৰহ্মৰ লোকত ভক্তি পথৰ শাস্ত্ৰানুকুল সাধনা বুজাই দিয়া তত্ত্বদৰ্শী সন্ত নোপোৱাৰ বাবে কোটি, জন্মৰ পৰা বিপথে পৰিচালিত হৈ আছে। সংসাৰত ধন, সংগ্ৰহ কৰোঁতে গোটেই জীৱনৰ সময় শেষ কৰি মৃত্যু হৈ যায়। সেই উপাৰ্জিত ধন যিটো আপুনি পূৰ্বৰ সংস্কাৰৰ বাবে পাইছিল, সংসাৰত এৰি যাব লাগে। সেই ধন সংগ্ৰহ কৰাত যি পাপ কৰে, সেয়া আপোনাৰ লগত যাব। আপুনি সেই মানৱ জীৱনত তত্ত্বদৰ্শী সন্তৰ শৰণত দীক্ষা লৈ শাস্ত্ৰ বিধি অনুসৰি ভক্তি সাধনা নকৰিলে, সেই কাৰণে আপোনাৰ হাতত একোৱে নগল। পূৰ্বৰ কৰ্মৰ বিনিময়ত ধন পালে, সেই ধন ইয়াতে থাকিল। আপুনি একো নাপালে, আপুনি পালে মাত্ৰ ধন সংগ্ৰহ কৰোঁতে কৰা পাপ আৰু শাস্ত্ৰঅনুসৰি ভক্তি নকৰাৰ পাপ। সেই পাপৰ বাবেই আপুনি কুকৰ=কুকুৰ, খৰ=গাধ, সুকৰ্ =গাহৰি, কৌৱা=কাউৰী,

হংস=সৰোবৰত থকা পক্ষী, বুগা=বগলী ইত্যাদি যোণিত কষ্ট ভুগি আহিছে।

কোটি জন্ম তু ৰাজা কীনা মিটি ন মনকী আশা।
ভিক্ষুক হোকৰ দৰ-দৰ হাডয়া, মিলা ন নিৰ্গুণ ৰাসা।।

**সৰলাৰ্থ ঃ-** হে মানৱ! আপুনি কাল (ব্ৰহ্ম)ৰ কঠিনতম সাধনা কৰিলে। গৃহত্যাগ কৰি বনত বাস কৰিলে আকৌ গাঁও/চহৰত ঘৰে ঘৰে দুৱাৰে-দুৱাৰে ঘুৰি ফুৰিলে। ভিক্ষা পাবৰ বাবে বনত সাধনা কৰি থকা সাধক ওচৰৰ গাঁও বা চহৰলৈ যায়। এটা ঘৰত পৰ্যাপ্ত ভিক্ষা নাপালে অন্য ঘৰৰ পৰা খাদ্য লৈ বনলৈ গুচি গৈছিল। কেতিয়াবা সাধকে এদিনৰ ভিক্ষাত পোৱা খিনিয়েই দুই-তিনি দিনলৈকে খাই থাকে। ৰুটিক পাতল কাপোৰেৰে মেৰিয়াই গছৰ ডালত বান্ধি দিছিল। সেই ৰুটি শুকাই যায়। সেইবোৰকে পানীত ভিজাই লৈ কোমল কৰি খাইছিল। প্ৰতিদিন ভিক্ষা খুজিবলৈ যাওঁতে যি সময় খৰছ হৈছিল তাক সঞ্চয় কৰি সেই সময়ছোৱা ব্ৰহ্মৰ সাধনাত খৰছ কৰিছিল। ভাবাৰ্থ এই যে জন্ম-মৃত্যুৰ পৰা ৰক্ষা পাবলৈ অৰ্থাৎ পূৰ্ণ মোক্ষ প্ৰাপ্তিৰ বাবে বেদ বিধি আৰু লোকবেদ অনুসৰি ঘোৰতপ কৰিছিল। তেওঁলোকে তত্ত্বদৰ্শী সন্ত নোপোৱাৰ কাৰণে ‘‘নিৰ্গুণ ৰাসা’’ অৰ্থাৎ গুপ্তজ্ঞান, যাক তত্ত্বজ্ঞান কোৱা হয়, নাপালে। কাৰণ যজুৰ্বেদ অধ্যায় ৪০ মন্ত্ৰ ১০ আৰু চাৰিও বেদৰ সাৰাংশ ৰূপ শ্ৰীমদ্ভাগৱত গীতা অধ্যায় ৪ শ্লোক ৩২ আৰু ৩৪ ত কোৱা আছে যে, যজ্ঞ অৰ্থাৎ ধাৰ্মিক অনুষ্ঠানবিলাকৰ বিস্তৃত জ্ঞান স্বয়ং সচ্চিদানন্দ ঘন ব্ৰহ্ম অৰ্থাৎ পৰম অক্ষৰ ব্ৰহ্মই নিজ মুখ কমলেৰে কৈ শুনায় - সেয়াই তত্ত্বজ্ঞান অৰ্থাৎ সুক্ষ্ম বেদ হয়। গীতা জ্ঞান দাতা ব্ৰহ্মই কৈছে যে - সেই তত্ত্বজ্ঞান তুমি তত্ত্বজ্ঞানীৰ ওচৰলৈ গৈ বুজি লোৱা, তেখেতক দণ্ডৱৎ প্ৰণাম কৰি, নম্ৰতাপূৰ্বক প্ৰশ্ন কৰিলে, সেই পৰমাত্মাৰ বিষয়ে তন্ন তন্নকৈ জনা তত্ত্বদৰ্শী সন্তই তোমাক তত্ত্বজ্ঞানৰ উপদেশ দিব। ইয়াৰ দ্বাৰাই প্ৰমাণিত হ’ল যে তত্ত্বজ্ঞান বেদতো নাই অথবা গীতা শাস্ত্ৰতো নাই। যদি হ’লহেতেন আৰু এটা অধ্যায়ত গীতা জ্ঞান দাতাই কলে হয়। সন্ত গৰীব দাস মহাৰাজে মনৰ আলম লৈ মানৱ শৰীৰধাৰী প্ৰাণীক বুজাইছে যে ‘‘নিৰ্গুন ৰাসা’’ অৰ্থাৎ তত্ত্বজ্ঞান নোপোৱাৰ কাৰণে কাল ব্ৰহ্মৰ সাধনা কৰি আপুনি কোটি কোটি জন্মলৈকে ৰজা হ’ব। তথাপিতো মনৰ ইচ্ছা সমাপ্ত নহ’ব কাৰণ ৰজাই ভাবিব ধৰে স্বৰ্গত সুখ আছে, এই পৃথিৱী লোকৰ ৰাজ্যত কোনো সুখ-শান্তি নাই।

‘‘নিৰ্গুন ৰাসা’’ ৰ ভাবাৰ্থ ঃ- নিৰ্গুনৰ অৰ্থ হল যে কোনো বস্তু আছে কিন্তু তাৰ পৰা লাভ হোৱা নাই। গছৰ বীজত ফল আৰু গছ নিৰ্গুন ৰূপত আছে। সেই বীজক মাটিত সিঁচি পানী দি সগুন বস্তু (গছ ফল) পোৱা হয়। এই জ্ঞান নাথাকিলে আমৰ ফল আৰু ছাঁৰ পৰা বঞ্চিত হব লাগে। ৰাসা- জঞ্জাল অৰ্থাৎ বেমেজালি কাৰ্য্য। সুক্ষ্মবেদত পৰমেশ্বৰ কবীৰদেৱে কৈছে যে ঃ-

ন মোন (৩৬০ কেজি) সূতা=কেঁচা সূতা
কবীৰ ন মৌন সুত ওলঝিয়া ঋষি ৰহে ঝখ মাৰ

সৎগুৰু ঐসা সুলঝা দে ওলঝে ন দুজী বাৰ।।

**ভাবাৰ্থ** ঃ- পৰমেশ্বৰ কবীৰ দেৱে কৈছে যে আধ্যাত্মিক জ্ঞানত আউল লাগিছে। এক কেজি সূঁতাৰ আউল গুচাবলৈ এদিনৰো অধিক সময় লাগে। যদি আউল ভঙা সময়ত সূঁতা ছিঙি গলে কাপোৰত গাঁঠি পৰে। গাঁঠি থকা কাপোৰ কোনেও নিকিনে। সেই কাৰণে পৰমেশ্বৰ কবীৰ চাহাবে শিপিনীৰ উদাহৰণ দি বুজাইছে যে বেছিকৈ আউল লগা সূতাৰ কোনেও আউল গুচাব নোৱাৰে। সেই সূতা তেনেকৈয়ে পৰি ৰয়। আধ্যাত্মিক জ্ঞান সেই ন মোন আউল লগা সূতাৰ দৰে যাক সৎগুৰু অৰ্থাৎ তত্ত্বদৰ্শী সন্তই এনেকৈ খুলি দিব যে দুনাই আউল নালাগে। আউল লগা আধ্যাত্মিক জ্ঞানৰ আধাৰত অৰ্থাৎ লোক বেদ অনুসৰি সাধনা কৰি স্বৰ্গ, নৰক চৌৰাষী লাখ প্ৰকাৰৰ প্ৰাণীৰ জীৱন, পৃথিৱীৰ কোনো খণ্ডৰ ৰাজ্য, স্বৰ্গৰ ৰাজ্য প্ৰাপ্ত কৰিলেও জন্ম মৰণৰ কু চক্ৰত পৰি কষ্টৰ ওপৰি কষ্ট পাই আহিছো কিন্তু কাল ব্ৰহ্মৰ বেদ বিধি অনুসৰি সাধনা কৰিলে সেই পৰম শান্তি আৰু সনাতন পৰম ধাম প্ৰাপ্ত নহয় যাৰ উল্লেখ গীতা অধ্যায় ১৮ শ্লোক ৬২ ত আছে নাইবা পৰমেশ্বৰৰ সেই পৰমপদো প্ৰাপ্ত নহয় য'ত গৈ পোৱাৰ পাছত সাধক আকৌ কেতিয়াও সংসাৰলৈ উভতি নাহে, যি কথা গীতা অধ্যায় ১৫ শ্লোক ৪ ত কোৱা আছে। কাল সাধনা কৰিলে নিম্ন লিখিত লাভ হৈ থাকে।

বাণী নং ৩ ঃ-

ইন্দ্ৰ কুৱেৰ ইশ কী পদবী, ব্ৰহ্মা বৰুণ ধৰ্মৰায়া।
বিষ্ণুনাথ কে পুৰ কু জাকৰ, বহুৰ অপুঠা আয়া।।

**সৰলাৰ্থ** ঃ- কাল ব্ৰহ্মৰ সাধনা কৰি সাধকৰ ইন্দ্ৰ পদত্ত প্ৰাপ্তি হয়। ইন্দ্ৰ স্বৰ্গৰ ৰজাৰ পদবী। ইয়াক দেৱৰাজ অৰ্থাৎ দেৱতা সকলৰ ৰজা আৰু সুৰপতি কয়। এওঁ জলসিঞ্চন বিভাগ অৰ্থাৎ বৰ্ষা মন্ত্ৰালয় ও নিজৰ অধীনত ৰাখে।

প্ৰশ্ন ঃ- ইন্দ্ৰ পদবী কেনেকৈ লাভ হয় ?

উত্তৰ ঃ- বেছিকৈ তপস্যা কৰিলে আৰু এশ মোন (৪.০০০ কেজি) গাই বা ম'হৰ ঘিউৰে ধৰ্মযজ্ঞ কৰিলে এটা ধৰ্মযজ্ঞ সম্পন্ন হয়। এনেকুৱা এশ ধৰ্মযজ্ঞ নিৰ্বিঘ্নে কৰিলে ইন্দ্ৰৰ পদবী সাধকে প্ৰাপ্ত কৰিব। তপস্যা বা যজ্ঞৰ সময়ত যদিহে নীতি নিয়ম ভংগ হয়। তেতিয়া নতুনকৈ যজ্ঞ বা তপস্যা কৰিব লাগিব। এনেদৰে ইন্দ্ৰৰ পদবী প্ৰাপ্তি হয়।

প্ৰশ্ন ঃ- ইন্দ্ৰৰ শাসন কাল কিমান ? মৃত্যুৰ পাছত ইন্দ্ৰ পদবী এৰি প্ৰানীয়ে কি যোনিত জন্ম লয় ?

উত্তৰ ঃ- ইন্দ্ৰ স্বৰ্গৰ পদবীত ৭২ চতুৰ্যুগলৈকে শাসনাধিষ্ঠিত হয়। এটা চতুৰ্যুগত ১৭২৮০০০ + ১২৯৬০০০ + ৮৬৪০০০ + ৮৩২০০০ ক্ৰমশঃ সত্যযুগ + ত্ৰেতা যুগ + দ্বাপৰ যুগ + কলি যুগৰ, সময় মুঠ ৪৩ লাখ ২০ হেজাৰ বছৰৰ সময় এক চতুৰ্যুগত হয়। এনেকুৱা ৭২ চতুৰ্যুগ লৈকে সেই সাধকে ইন্দ্ৰ পদত স্বৰ্গৰ ৰজাৰ সুখ ভোগ কৰে। এক কল্প অৰ্থাৎ ব্ৰহ্মাৰ এক দিনত (১০০৮ চতুৰ্যুগ) ১৪ টা জীৱই ইন্দ্ৰৰ পদবীত অধিষ্ঠিত হৈ নিজৰ পুণ্য কৰ্মৰ ফল ভোগ কৰে।

ইন্দ্র পদৰ ভোগ শেষ হলে প্ৰাণীয়ে গাধৰ জীৱন প্ৰাপ্ত কৰে।

**কথা ঃ মাৰ্কণ্ডেয় ঋষি তথা অপ্সৰাৰ কথোপকথন**

এসময়ত বঙ্গোপসাগৰ উপকূলত মাৰ্কণ্ডেয় ঋষিয়ে তপ কৰি আছিল। ইন্দ্ৰৰ পদবীত বিৰাজমান আত্মাই এই চৰ্ত মানি চলিব লাগে যে যদি তেওঁৰ শাসন কালত - ৭২ চতুৰ্যুগ সময়ছোৱাত - পৃথিৱীত কোনো ব্যক্তিয়ে ইন্দ্ৰপদ প্ৰাপ্ত কৰাৰ যোগ্য তপস্যা, ধৰ্মযজ্ঞ কৰে আৰু তেওঁৰ সেই কামত কোনো বাধা বিঘিনি নঘটে তেতিয়া সেই সাধকক ইন্দ্ৰ পদ দিয়া হয়, ইন্দ্ৰই নিজৰ শাসন কালত কোনো সাধকৰ তপস্যা বা ধৰ্মযজ্ঞ সম্পূৰ্ণ হ'বলৈ নিদিয়ে। যি কোনো প্ৰকাৰে তাৰ সাধনা ভঙ্গ কৰি দিয়ে।

যেতিয়া ইন্দ্ৰই নিজৰ চোৰাংচোৱাৰ পৰা বাতৰি পালে যে বঙ্গোপসাগৰৰ উপকুলত মাৰ্কণ্ডেয় নামৰ ঋষিয়ে তপস্যা কৰি আছে, ঋষিৰ তপস্যা ভঙ্গ কৰিবলৈ উৰ্বশী (ইন্দ্ৰৰ পত্নী) ক পঠিয়ালে। যোল্ল শৃংগাৰ কৰি দেৱপৰী মাৰ্কণ্ডেয় ঋষিৰ সন্মুখত নাচ গানত ব্যস্ত হ'ল। নিজৰ সিদ্ধিৰে সেই ঠাইত বসন্ত ঋতুৰ দৰে বাতাবৰণ সৃষ্টি কৰিলে। মাৰ্কণ্ডেয় ঋষিয়ে কোনো উৎসূকতা নেদেখুৱালে, উৰ্বশীয়ে কঁকালৰ বান্ধোন সোলোকালে, নিঃবস্ত্ৰ হৈ গ'ল। তেতিয়া মাৰ্কণ্ডেয় ঋষিয়ে কলে, হে পুত্ৰী, হে ভগ্নী, হে মাতৃ! আপুনি এয়া কি কৰিছে ? আপুনি এই অটব্য অৰণ্যত অকলে অকলে কিয় আহিলে ? উৰ্বশীয়ে ক'লে যে তেওঁৰ ৰূপ দেখি সেই অৰণ্যৰ সকলো সাধকে নিজস্ব ভাৰসাম্যতা হেৰুৱাই পেলায়, কিন্তু মাৰ্কণ্ডেয় ঋষিৰ স্থিতি অটল হৈয়ে আছে। আকৌ উৰ্বশীয়ে সুধিলে যে মাৰ্কণ্ডেয় ঋষিয়ে কি সমাধিত মগ্ন হৈ আছিল। ঋষিজনাক তাইৰ লগত ইন্দ্ৰ লোকলৈ যাবলৈ অনুৰোধ কৰিলে, আৰু এই কাথাও জনালে যে যদি ঋষিক ইন্দ্ৰলোকলৈ লৈ যাব নোৱাৰে তাই নিজৰ পৰাজয়ৰ বাবে শাস্তি ভুগিব লাগিব। মাৰ্কণ্ডেয় ঋষিয়ে কলে তেওঁ সমাধিত ব্ৰহ্মলোকত নৃত্য চাই আছিল। সেই নৰ্তকীসকল ইমান সুন্দৰী আছিল, তোমাৰ দৰে সাতজনীকৈ চাকৰণী ৰাখিছিল। সেই কাৰণেই মই তোমালৈ চোৱাই নাই, তোমাৰ প্ৰতি কিয় আকৰ্ষিত হওঁ ? যদি তোমাতকৈ সুন্দৰী কোনোবা আছে, লৈ আহা। তেতিয়া দেৱপৰীয়ে ক'লে যে ইন্দ্ৰৰ পটৰাণী অৰ্থাৎ মুখ্য ৰাণী তেওঁৱেই হয়। তেওঁতকৈ স্বৰ্গত আন কোনো ধুনীয়া তিৰোতা নাই।

তেতিয়া মাৰ্কণ্ডেয় ঋষিয়ে সুধিলে ইন্দ্ৰৰ মৃত্যু হ'লে তুমি কি কৰিবা, উৰ্বশীয়ে উত্তৰ দিলে যে তাই ১৪ ইন্দ্ৰ ভোগ কৰিব। ভাবাৰ্থ - এই যে শ্ৰীব্ৰহ্মাৰ এক দিনত ১০০৮ চতুৰ্যুগ হয় যাৰ ৭২-৭২ চতুৰ্যুগৰ শাসনকাল সমাপ্ত কৰি ১৪ জন ইন্দ্ৰৰ মৃত্যু হ'ব। ইন্দ্ৰৰ ৰাণীৰ আত্মাই কোনোবা জনমত অত্যাধিক পুণ্য কৰিছিল । সেই কাৰণে ইন্দ্ৰৰ ৰাণীয়ে ১৪ জন ইন্দ্ৰৰ পটৰাণী হৈ স্বৰ্গসুখ আৰু পুৰুষ সুখ ভোগ কৰিব।

মাৰ্কণ্ডেয় ঋষিয়ে আকৌ সুধিলে যে সেই ১৪ ইন্দ্ৰ মৰিব, তেতিয়া তুমি কি কৰিবা ? উৰ্বশীয়ে ক'লে যে মই মৃত্যু (পৃথিৱী) লোকত মাইকী গাধৰ জনম লম আৰু যিমান ইন্দ্ৰ মোৰ পতি আছিল তেওঁলোকেও পৃথিৱীত গাধ যোনি প্ৰাপ্ত কৰিব।

মাৰ্কণ্ডেয় ঋষিয়ে ক'লে যে তেনে ঠাইলৈ কিয় লৈ যাব বিচাৰিছা যি ঠাইৰ ৰজা আৰু ৰাণী দুয়ো গাধ যোনি প্ৰাপ্ত কৰিব। উৰ্বশীয়ে ক'লে যে নিজৰ সন্মান ৰাখিবৰ বাবে তাই সেইটো কৰিব বিচাৰিছিল, নহলে স্বৰ্গৰ দেৱতাই ক'ব যে তাই পৰাজিত হৈ আহিল।

মাৰ্কণ্ডেয় ঋষিয়ে ক'লে গাধৰো কিবা ইজ্জত আছেনে ? তুমি বৰ্তমান গাধ কাৰণ ১৪ জন পতি তুমি ভোগ কৰিবা আৰু স্বীকাৰ কৰিছা যে মৃত্যুৰ পাছত গাধ হ'বা। গাধৰ কেনেকুৱা ইজ্জ্বত ? সেই ঠাইত ইন্দ্ৰও আহি উপস্থিত হ'ল, উদ্দেশ্য - নিজৰ ইন্দ্ৰ ৰাজ্য মাৰ্কণ্ডেয় ঋষিক প্ৰদান কৰিব। ইন্দ্ৰই ঋষিক ক'লে যে তেওঁ হাৰিলে আৰু ঋষি জিকিলে। ইন্দ্ৰই ঋষিক ইন্দ্ৰ পদ গ্ৰহণ কৰিবলৈ অনুৰোধ কৰিলে। ঋষিয়ে ক'লে যে কেনেকুৱা কথা, ইন্দ্ৰৰ পদবী তেওঁৰ কোনো কামত নাহে সেইটো তেওঁৰ দৃষ্টিত কাউৰীৰ বিষ্ঠা হয়। মাৰ্কণ্ডেয় ঋষিয়ে ইন্দ্ৰক তেওঁ কৰা সাধনা কৰিবলৈ ক'লে যাতে ইন্দ্ৰক ব্ৰহ্ম লোক প্ৰাপ্তি হ'ব। ঋষিয়ে ইন্দ্ৰক ৰাজ্য ত্যাগ কৰিবলৈ ক'লে। ইন্দ্ৰই কলে যে তেওঁ এতিয়া খুব ভোগবিলাস কৰিব পাইছে, ঋষিয়ে কোৱা কথাৰ চিন্তা পিছত কৰিব।

পাঠকসকল বিচাৰ কৰি চাব ঃ- ইন্দ্ৰই জানে যে মৃত্যুৰ পাছত গাধৰ জীৱন পাব, তথাপি সেই খন্তেকীয়া সুখ ত্যাগ কৰিব নিবিচাৰি কয় যে পাছলৈ চিন্তা কৰিব। গাধ হোৱাৰ পাছত কুমাৰেহে চিন্তা কৰিব গাধক কি কৰা যাব। কিমান বোজা গাধৰ পিঠিত দিয়া হ'ব ? কোনখিনিত পিটিব লাগে ? ঠিক এইদৰেই এই পৃথিৱীত কোনোৱা সৰু সৰু দেশৰ প্ৰধান মন্ত্ৰী, মুখ্য মন্ত্ৰী অথবা ৰাজ্যৰ মন্ত্ৰী হৈ আছে অথবা কোনো পদবীত চৰকাৰী অফিচাৰ বা কৰ্মচাৰী হৈ আছে বা ধনী হৈ আছে। তেওঁলোকে ভক্তি নকৰিলে গাধ হ'ব বুলি ক'লে বেয়া পাব, উত্তৰত ক'ব গাধ হোৱা কোনে দেখিছে। আকৌ তেওঁলোকক জনোৱা হয় সকলো সন্ত, মহন্ত, গ্ৰন্থই কয়। তেতিয়া আকৌ উত্তৰ দিব যে পাছত চিন্তা কৰিম।

তেওঁলোকলৈ নিবেদন এই যে মৃত্যুৰ পাছত গাধ হ'লে চাবলৈ কি বাকী থাকিল। তেতিয়া কুমাৰে বিচাৰ কৰিব আপোনাক (গাধক) কি কাম কৰোৱা হব। যদি চাব খুজিছে এতিয়াই চাই লওক। সকলো বেয়াখিনি এৰি শাস্ত্ৰসন্মত সাধনা কৰক বৰ্তমানত যিটো বিশ্বৰ ভিতৰত কেৱল মোৰ (সন্ত ৰামপাল দাস) লগত আছে। আহক গ্ৰহণ কৰক আৰু নিজৰ জীৱৰ কল্যান কৰাওক।

ওপৰত লিখা বাণী নং ৩ ত বৰ্ণনা কৰা আছে যে ইন্দ্ৰ, কুবেৰ আৰু ঈশ্বৰ পদবী, প্ৰাপ্ত কৰাসকল লগতে ব্ৰহ্মাৰ পদ আৰু বৰুন, ধৰ্মৰায়ৰ পদ, প্ৰাপ্ত কৰি তথা বিষ্ণুৰ লোক প্ৰাপ্ত কৰি দেৱতা পদ প্ৰাপ্ত হোৱা সকলো আকৌ উভতি জন্ম মৃত্যুৰ চক্ৰত পৰে।

স্বৰ্গ লোকত ৩৩ কোটি দেৱপদ আছে, যেনেদৰে ভাৰতবৰ্ষৰ সংসদত ৫৪০ সাংসদ পদ আছে। ব্যক্তি সলনি হৈ থাকে। সেই সাংসদৰ মাজৰ পৰাই প্ৰধান মন্ত্ৰী আৰু কেন্দ্ৰীয় মন্ত্ৰী ইত্যাদি হয়।

সেইদৰে সেই ৩৩ কোটি দেৱতাৰ মাজৰ পৰাই কুবেৰ পদ অৰ্থাৎ ধনৰ দেৱতাৰ পদ প্ৰাপ্ত

হয়, যেনেকৈ বিত্ত মন্ত্রী হয়। ঈশ্বৰ পদবীৰ অৰ্থ হল প্রভু পদ যি লোক বেদত মুঠ তিনিজন বুলি মানি লোৱা হৈছে - ১. শ্রীব্রহ্মদেৱ, ২. শ্রীবিষ্ণুদেৱ আৰু ৩. শ্রীশিৱ দেৱ।

বৰুনদেৱ জল দেৱতা হয়। ধৰ্মৰায় হল মুখ্য ন্যায়ধীশ যি সকলো জীৱক কৰ্মৰ ফল দিয়ে, তেওঁক ধৰ্মৰাজ বুলিও কয়। এই সকলো পদ কাল ব্রহ্মৰ সাধনা কৰি প্রাপ্ত কৰে। পুণ্য ক্ষীণ (সমাপ্ত) হোৱাৰ পাছত সকলো দেৱতাক পদৰ পৰা অপসাৰণ কৰি পশু পক্ষী আদি ৮৪ লাখ প্রকাৰৰ যোনি বিলাকত পঠিয়াই দিয়া হয়। আকৌ নতুন ব্রহ্মা, বিষ্ণু আৰু শিৱ এই পদসমূহত প্রতিষ্ঠিত কৰা হয়।

ওপৰত বৰ্ণোৱা সকলো দেৱতাৰ জন্ম মৃত্যু আছে। এইসকল অবিনাশী নহয়। এওঁলোকৰ স্থিতি আপুনি এই পুথিৰ "সৃষ্টি ৰচনা" অধ্যায়ত পাব আৰু স্পষ্টকৈ জানিব পাৰিব যে এওঁলোক কিমান সমৰ্থ প্রভু ? এওঁলোকৰ পিতা-মাতা কোন অৰ্থাৎ এওঁলোক কাৰ পুত্ৰ ?

অন্য প্রমাণ ঃ শ্রীদেৱী পুৰাণ (সচিত্র মোটা টাইপ কেৱল হিন্দী, গীতা প্রেছ, গোৰখপুৰৰ পৰা প্রকাশিত)ৰ তৃতীয় স্কন্ধত ১২৩ পৃষ্ঠাত লিখা আছে যে "তুমি শুদ্ধ স্বৰূপা, এই সম্পূৰ্ণ সংসাৰ আপোনাৰ পৰাই উৎপত্তি হৈ আছে। মই বিষ্ণু, ব্রহ্মা আৰু শংকৰ আপোনাৰ কৃপাতেই বিদ্যমান অৰ্থাৎ বৰ্তি আছো। আমাৰ আবিৰ্ভাৱ অৰ্থাৎ জন্ম আৰু তিৰোভাৱ অৰ্থাৎ মৃত্যু হয়, আপুনি প্রকৃতি দেৱী"।

শংকৰ ভগৱানে ক'লে, "হে দেৱী! যদি মহাভাগ বিষ্ণু তোমাৰ পৰাই জন্ম (উৎপন্ন) হৈছে তেন্তে তাৰ পিছত উৎপন্ন হোৱা ব্রহ্মাও তোমাৰেই সন্তান। আকৌ মই তমোগুনী লীলা কৰা শংকৰ তোমাৰ সন্তান নহওঁনে ? আৰ্থাৎ মোকো জন্ম দিয়া জন্মদাত্রী তুমিয়েই। আমি কেৱল নিয়মিত কাৰ্য্যহে কৰিব পাৰো, অৰ্থাৎ যাৰ ভাগ্যত যি লিখা আছে, আমি সেয়াই দিব পাৰো। বেছিও দিব নোৱাৰো, কমও কৰিব নোৱাৰো"।

পাঠকসকল, এই দেৱী পুৰাণৰ উল্লেখৰ দ্বাৰা স্পষ্ট হ'ল যে ব্রহ্মা, বিষ্ণু আৰু শ্রীশংকৰ বিনাশী হয়। এওঁলোকৰ মাতৃৰ নাম শ্রী দেৱী দুৰ্গা হয়। ওপৰঞ্চি কথা আপুনি এইপুথিৰ "সৃষ্টি ৰচনা" অধ্যায়ত পিছত পঢ়িবলৈ পাব। এওঁলোক হ'ল প্রধান দেৱতা। অন্যসকল এওঁলোকতকৈ নিম্ন স্তৰৰ দেৱ হয়। এইসকলে জন্ম গ্রহণ কৰে, মৃত্যু বৰণ কৰে, এওঁলোক অবিনাশী ৰাম নহয়, অবিনাশী পৰমাত্মা নহয়।

শ্রীমদ্‌ভাগৱত গীতা অধ্যায় ১০ শ্লোক ২ ত ব্রহ্মাই কৈছে "মোৰ উৎপত্তি সম্পৰ্কে দেৱতা মহৰ্ষিসকলেও নাজানে, কিয়নো এওঁলোকৰো আদি কাৰণ ময়েই অৰ্থাৎ এইসকলো মোৰ পৰাই উৎপন্ন হৈছে।

গীতা অধ্যায় ৪ শ্লোক ৫ ত গীতা জ্ঞানদাতাই কৈছে "হে অৰ্জুন! তোমাৰ আৰু মোৰ বহুতো জনম হৈছে তুমি নাজানা মই জানো, গীতা অধ্যায় ২ শ্লোক ১২ ত স্পষ্ট কৈ কৈছে যে "তুমি আৰু মই আৰু এই সকলো ৰজা - সেনা আগতেও জন্মিছিল আগলৈও জন্ম গ্রহণ কৰিব।

গীতা অধ্যায় ১৪ শ্লোক ৩ ত গীতা জ্ঞানদাতাই কৈছে যে হে অর্জুন! মোৰ প্রকৃতি অর্থাৎ দুর্গাই গর্ভ ধাৰণ কৰে মই তেওঁৰ গর্ভত বীজ স্থাপিত কৰোঁ যাৰদ্বাৰা সকলো প্রাণীৰ উৎপত্তি হয়”।

গীতা অধ্যায় ১৪ শ্লোক ৪ ত গীতা জ্ঞানদাতাই কৈছে যে হে অর্জুন! নানা প্রকাৰৰ সকলো যোনিত যিমান শৰীৰধাৰী মুর্তি উৎপন্ন হয় (মহত) প্রকৃতি সেই সকলোৰে গর্ভ ধাৰণ কৰা মাতৃ (অহম ব্রহ্ম) মই বীজ স্থাপিত কৰা পিতৃ হওঁ।

গীতা অধ্যায় ১৪ শ্লোক ৫ ঃ- গীতা জ্ঞানদাতাই স্পষ্ট কৈছে যে হে অর্জুন! সৎগুণ শ্রীবিষ্ণু, ৰজগুণ শ্রীব্রহ্মা আৰু তমগুণ শ্রীশিৱ এইসকল প্রকৃতি অর্থাৎ দূর্গাদেৱীৰ পৰা উৎপন্ন তিনিও দেৱতাই অর্থাৎ তিনিও গুণে জীৱাত্মাক কর্ম অনুসাৰে শৰীৰত বান্ধে।

উপৰৰ প্রমাণৰ পৰা স্পষ্ট হয় যে ওপৰত বর্ণিত দেৱতাসকল নাশৱান হয় আৰু কাল ব্রহ্মৰ সন্তান হয়।

প্রসঙ্গ সংগতি ৰাখি বাণী সংখ্যা ৩ ৰ সৰলার্থ ঃ- কুবেৰ ঈশ অর্থাৎ ব্রহ্মা, বিষ্ণু, শিৱ আৰু বৰুন, ধর্মৰায়ৰ পদবী আৰু শ্রীবিষ্ণু লোক প্রাপ্ত কৰিলেও জন্ম-মৰণৰ চক্রতেই সোমাই থকা হয়।

মার্কণ্ডেয় ঋষিয়ে ব্রহ্ম সাধনা কৰিছিল তাকেই সর্বোত্তম বুলি মানিছিলে। সেই কাৰণে ইন্দ্রক কয় যে ব্রহ্ম সাধনাৰ জ্ঞান প্রদান কৰিম, ব্রহ্ম লোকৰ তুলনাত স্বর্গ ৰাজ্য পায়সৰ তুলনাত কাউৰীৰ বিষ্ঠাৰ দৰে।

পাঠক বৃন্দ, শ্রী চূনক ঋষি, শ্রী দুর্বাসা ঋষি, আৰু কপিল মুনিয়ে ব্রহ্ম সাধনা কৰিছিল। তেওঁলোকৰ সাধনাক গীতা জ্ঞানদাতাই গীতা অধ্যায় ৭ শ্লোক ১৮ ত অনুত্তম অর্থাৎ বেয়া বুলি কৈছে। সেই শ্রেণীৰ সাধনাই মার্কণ্ডেয় ঋষিয়ে কৰিছিল। তাকেই অতি উত্তম গণ্য কৰি ইন্দ্রকো ব্রহ্ম সাধনা কৰিবলৈ পৰামর্শ দিছিল।

সুক্ষ্মবেদত কোৱা আছে যে ঃ-

ঔৰো পন্থ বতৱহী আপ ন জানে ৰাহ।।১
মোতী মুক্তা দর্শত নাহী য়হ জগ হৈ সব অন্ধ ৰে।
দিখত কে তো নৈন চিসম হে ফিৰা মোতিয়া বিন্দ ৰে।২
বেদ পঢ়ে পৰ ভেদ নাজানে বাচে পুৰাণ অঠাৰা।
পথৰ কী পূজা কৰে ভূলে সৃজনহাৰা।৩

**বাণী নং ১ৰ ভাৱার্থ** ঃ- নিজৰেই ভক্তি মার্গৰ জ্ঞান নাই, অন্যক ভক্তি মার্গ দেখুৱায়।

**বাণী নং ২ৰ ভাৱার্থ** ঃ- তত্ত্বদর্শী সন্তৰ অভাৱত মানিক মুকুতা অর্থাৎ মোক্ষ ৰূপী মানিক অর্থাৎ মোক্ষ মন্ত্র দেখা পোৱা নাযায়। এই সংসাৰখন আধ্যাত্মিক জ্ঞান নেত্রহীন অন্ধ হয়। চকুত ছানি পৰা ৰোগ হ’লে চকু দেখাত সুস্থ যেন লাগে। কিন্তু সেই ৰোগ গ্রস্ত ৰোগীয়ে একো কে দেখা নাপায়। এই উদাহৰণৰ দ্বাৰা ক’ব বিচৰা হৈছে যে সলসলীয়া কৈ সংস্কৃত ভাষা কোৱা

ব্যক্তিক মহাবিদ্বান যেন লাগে, কিন্তু সৎগ্ৰন্থৰ গুঢ় ৰসহ্য নাজানে এওঁলোকৰ অজ্ঞান ৰূপী ছানি পৰা ৰোগ হৈছে।

**বাণী নং ৩ৰ ভাৱাৰ্থ** ঃ- বেদ পঢ়ি মুখস্থ কৰা সকলে বেদৰ গুঢ় ৰহস্য বুজি নাপাই বেদৰ বিৰুদ্ধ সাধনা কৰে, আনকো  কৰোৱায়। বেদত শিলৰ মুৰ্ত্তি পূজা কৰাৰ উল্লেখ কতো নাই, সেই বেদৰ বিদ্বান বুলি খ্যাতসকলে শিলৰ পূজা কৰে আৰু কৰোৱায়। বেদত বৰ্ণিত সৃজন হাৰক (সৃষ্টি ৰচোঁতা) পাহৰাই দিলে।

শ্ৰীমদভাগৱত গীতা অধ্যায় ৪ শ্লোক ২৫ৰ পৰা ২৯ লৈকে এইটোৱে কোৱা হৈছে যে সাধকে নিজে যি সাধনা কৰে তাক উত্তম বুলি গণ্য কৰি সাধনা আগবঢ়াই লৈ যায়। সকলো সাধকে নিজৰ নিজৰ ভক্তি পন্থাক পাপনাশক বুলি জানে বা মানি লয়। গীতা অধ্যায় ৪ শ্লোক ৩২ত স্পষ্ট কৰা আছে যে যজ্ঞ অৰ্থাৎ ধাৰ্মিক অনুষ্ঠানৰ জ্ঞান স্বয়ং সচিদানন্দ ঘন ব্ৰহ্মই নিজ মুখ কমলেৰে কোৱা বাণীত বহলাই কৈছে, সেয়াই তত্ত্বজ্ঞান যাক জানি ললে সাধকে সকলো পাপৰ পৰা মুক্ত হোৱা মাৰ্গ পায়।

গীতা অধ্যায় ৪ শ্লোক ৩৪ ত স্পষ্ট কৰিছে সেই তত্ত্ব জ্ঞান তত্ত্বদৰ্শী সন্তই জানে তেখেতক দণ্ডৱৎ প্ৰণাম কৰি নম্ৰতা পূৰ্বক প্ৰশ্ন কৰিলে সেই তত্ত্ব জ্ঞান জনা মহাত্মাই তোমাক তত্ত্বজ্ঞানৰ উপদেশ দিব।

সেই তত্ত্বজ্ঞান, যাক ওপৰৰ বাণীত "নিৰ্গুণ ৰাসা" কোৱা হৈছে, নোপোৱাৰ কাৰণে সকলো সাধক জনম মৰণৰ চক্ৰত পৰি আছে।

মাৰ্কণ্ডেয় ঋষিয়ে ব্ৰহ্ম সাধনা কৰি আছিল। শ্ৰীমদ্‌ভাগৱত গীতা অধ্যায় ৮ শ্লোক ১৬ ত উল্লেখ আছে যে ব্ৰহ্মলোকলৈ যোৱা সাধক ও পুনৰাৱৰ্তী অৰ্থাৎ বাৰে বাৰে জনম মৰণৰ চক্ৰতে আবদ্ধ।

আগৰ (পূৰ্বৰ) শব্দ বাণী সংখ্যা ঃ- ৪

অসংখ্য জন্ম তোহে মৰতা হৌগে জীৱিত ক্যোঁ ন মৰে ৰে দ্বাদশ মধ্য মহল মঠবোৰে বহুৰ ন দেহ ধৰে ৰে।।

**সৰলাৰ্থ** ঃ- হে মানৱ! তুমি অসংখ্য বাৰ জন্ম লৈ মৃত্যু মুখত পৰিছা। সত্য সাধনা কৰি জীৱন্তে মৰাৰ অৰ্থ হ'ল ভকতৰ জ্ঞান হৈ যায় যে এই সংসাৰত প্ৰত্যেক বস্তু অস্থায়ী। এই শৰীৰ ও স্থায়ী নহয়। জন্ম মৃত্যুৰ কষ্টও ভয়ংকৰ। সংসাৰত দুখৰ বাহিৰে একো নাই। মানুহৰ শৰীৰ প্ৰাপ্ত কৰি মোক্ষ প্ৰাপ্ত নকৰিলে, সেই জীৱন পশুজীৱনৰ তুল্য। গীতা অধ্যায় ৭ শ্লোক ২৯ত এইদৰে কৈছে যি সাধকে জৰা অৰ্থাৎ বৃদ্ধাৱস্থাৰ কষ্ট, মৃত্যু দুখৰ পৰা মুক্তিৰ বাবে সাধনাৰত হৈ আছে, তেওঁ তৎ ব্ৰহ্মক আৰু সম্পূৰ্ণ অধ্যাত্ম তথা কৰ্মক জানে।

এইদৰে তত্ত্বজ্ঞান হোৱাৰ পিছত মানুহৰ অনাৱশ্যক বস্তুৰ ইচ্ছা নহয়, চাদা, মদ, মাংস সেৱন নকৰে। নাচ গান মূৰ্খৰ কাম বুলি ভাব হয়। যেনেকুৱা আহাৰ পালেও সন্তুষ্ট থাকে।

আত্মকল্যাণৰ বাবে সাধকে চিন্তা কৰে যে যদি তেওঁ সৎসঙ্গলৈ নাযায়, গুৰু জনাৰ দৰ্শন

নহয়। সৎসঙ্গ বিচাৰ নুশুনাৰ ফলত মনত নানা বিকাৰ জন্মে। তেনে সাধক সকলো কাম-বন এৰি সৎসঙ্গ শুনিবলৈ গুচি যায়। তেওঁ চিন্তা কৰে আমি প্ৰতিদিনে দেখোঁ আৰু শুনো যে সৰু সৰু কেঁচুৱা এৰি দেউতাক সংসাৰৰ পৰা গুচি যায়। ডাঙৰ ডাঙৰ পুঁজিপতিসকল দুৰ্ঘটনাত মৰি যায়। গোটেই জীৱন ধৰি কষ্টেৰে উপাৰ্জিত সম্পত্তি এৰি গুচি যায়, দুনাই সেই সম্পত্তিৰ চোৱা-চিতা কৰিবলৈ নাহে। মৃত্যুৰ আগলৈকে এদিনো কাম-বন এৰিবৰ মন নহয়, মৃত্যু হলে চিৰদিনৰ বাবে আজৰি হল।।

## আজি ভাইৰ আজৰি সময়

এজন ভকত সৎসঙ্গলৈ যাব ধৰিলে। দীক্ষা ললে, জ্ঞান শুনিলে আৰু ভক্তি আৰম্ভ কৰিলে, নিজৰ বন্ধুকো সৎসঙ্গলৈ যাবলৈ আৰু ভক্তি কৰিবলৈ অনুৰোধ জনালে। কিন্তু তেওঁৰ বন্ধুৱে স্বীকাৰ নকৰিলে। সদায় কৈছিল যে কামৰ পৰা আজৰি পোৱা নাই সৰু সৰু লৰা ছোৱালী আছে। সিঁহতৰ পালন পোষন কৰিব লাগে, কাম এৰি সৎসঙ্গলৈ যদি যোৱা আৰম্ভ কৰোঁ, মোৰ কামখিনি এনেয়ে পৰি ৰব নাইবা কাম বেয়া হৈ যাব।

সৎসঙ্গলৈ যোৱা ভক্তই যেতিয়া তেওঁৰ মিত্ৰক সৎসঙ্গলৈ যাবলৈ অনুৰোধ কৰে বন্ধুয়ে কয় কামৰ পৰা আজৰি পোৱা নাই। এবছৰ পাছত সেই মিত্ৰৰ মৃত্যু হ'ল। তাৰ শৱলৈ পৰিয়ালবৰ্গ আৰু নগৰবাসী ওলাল, লগতে শ শ অন্য চুবুৰীয়াও ওলাল। সকলোৱে কৈ গৈছিল- ৰামনাম সত্য হয়, সত্য কলে গতি হয়।

সেই ভকতে কৈ গেছিল ৰাম নাম সত্য হয়। কিন্তু আজি ভাইৰ আজৰি হল, নগৰবাসীয়ে কৈ গৈছিল সত্য কলে গতি হ'ব, ভক্তজনে কৈছিল আজি ভাইৰ আজৰি সময়। অন্য ব্যক্তিয়ে ভক্তজনক ক'লে যে তেনেকৈ নক'ব, ঘৰখনৰ মানুহে বেয়া পাব। ভক্তজনে ক'লে যে মই হ'লে এনেকৈয়ে কম। মই এই মুৰ্খক হাতযোৰ কৰি অনুৰোধ কৰিছিলোঁ যে সৎসঙ্গলৈ যাব লাগে, অলপ ভক্তিও কৰিব লাগে। এওঁ কৈছিলে যে এতিয়া আজৰি নাই, আজি এওঁ সম্পূৰ্ণ আজৰি পালে। সৰু সৰু ল'ৰা-ছোৱালীৰ পালন-পোষনৰ দোহাই দি পৰমাত্মাৰ পৰা দূৰ হৈ ৰ'ল। আজি সেই ল'ৰা-ছোৱালীকো এৰি গুচি গ'ল, ভক্তি কৰা হ'লে খালী হাতেৰে নগ'লহেতেন । কিছু ভক্তি ধন লৈ যাব পাৰিলে হয়। ল'ৰা-ছোৱালী পালন-পোষনৰ ভাৰ পৰমাত্মাই বহন কৰে, ভক্তি কৰিলে সাধকৰ আয়ু পৰমাত্মাই বঢ়াই দিয়ে। ভকতসকলে সেই কাৰণেই ভক্তি কৰে, নিজৰ কাম-বন এৰি সৎসঙ্গ শুনিবলৈ যায়।

ভকতৰ চিন্তা এই যে মৃত্যু হ'লে আমাৰ কাম বন কোনে কৰিব। আমি এইটো মানি লওঁ যে আমাৰ মৃত্যু হৈ গ'ল। আমি তিনি দিনৰ কাৰণে মৰি গ'লো, এই চিন্তা কৰি সৎসঙ্গলৈ বলক, নিজকে মৃত বুলি ভাবি সৎসঙ্গলৈ যাওক। এইটো ঠিক যে পৰমাত্মাৰ ভক্তৰ কাম-বন পৰি নৰয় বা বেয়া নহয়, তথাপি আমি ভাবিব লাগে যদিহে বেয়া হৈ যায় তিনি দিন পিছত আহি ঠিক কৰি লম। যদি সঁচাকৈয়ে মৰি যাওঁ তেতিয়াহলে আমি আকৌ আহি একোৱেই কৰিব নোৱাৰোঁ আহিবই নোৱাৰোঁ। এনে স্থিতিক জীৱন্তে মৰণ বুলি কয়।

বাণীৰ বাকী সৰলাৰ্থ ঃ- দ্বাদশ মধ্য মহল মঠ বৌৰে, বহুৰ ন দেহি ধৰৈ ৰে।

সৰলাৰ্থ ঃ- শ্ৰীমদ্‌ভাগৱত গীতা অধ্যায় ১৫ শ্লোক ৪ত উল্লেখ আছে যে তত্ত্বজ্ঞান লাভৰ পাছত পৰমেশ্বৰৰ সেই পৰম পদৰ অনুসন্ধান কৰিব লাগিব, যলৈ যোৱাৰ পিছত সাধক কেতিয়াওঁ এই সংসাৰলৈ উভতি নাহে অৰ্থাৎ তেওঁৰ পুনঃ জন্ম নহয়। তেওঁ আকৌ দেহ ধাৰণ নকৰে। সুক্ষ্ম বেদৰ এই বাণীয়ে এইটো স্পষ্ট কৰিছে যে পৰমধাম দ্বাদশ অৰ্থাৎ ১২ নং দ্বাৰ পাৰ কৰি সেই পৰমধামলৈ যোৱা যায়। আজিলৈকে ঋষি, মহৰ্ষি, সন্ত মণ্ডলেশ্বৰ সকলোৱে কেৱল দহটা দ্বাৰৰ কথা কৈছে। কিন্তু পৰমেশ্বৰ কবীৰদেৱে নিজ লোক প্ৰাপ্ত কৰা সৎমাৰ্গ, সত্য স্থানৰ বিষয়ে স্বয়ং নিজে কৈছে। তেখেতে দ্বাদশ দুৱাৰৰ কথা কৈছে। ইয়াৰপৰা স্পষ্ট হ'ল যে আজি পৰ্যন্ত (চন ২০১২ লৈকে) আগৰ সকলো ঋষি, সন্ত, পন্থৰ ভক্তি কাল ব্ৰহ্ম প্ৰাপ্তিৰ বাবে আছিল। যি কাৰণত জন্ম-মৃত্যু চলিয়েই আছে।

**বাণী সংখ্যা ৫ ঃ-**

দোজখ বহিস্ত সভী তৈ দেখে ৰাজপাট কে ৰসিয়া।
তীন লোক সে তৃপ্ত নাহী, য়হ মন ভোগী খসিয়া।।

**সৰলাৰ্থ** ঃ- তত্ত্বজ্ঞানৰ অভাৱত পুৰ্ণমোক্ষৰ পথ নোপোৱাৰ বাবে কেতিয়াবা দোজখ অৰ্থাৎ নৰকলৈ গ'ল, কেতিয়াবা বহিস্ত, স্বৰ্গলৈ গ'ল। কেতিয়াবা আকৌ ৰজা হৈ আনন্দ উপভোগ কৰিলে। যদি মানুহক তিনিও লোকৰ ৰাজ্যও দিয়া হয়, তথাপিও তৃপ্ত নহয়।

**উদাহৰণ** ঃ- কোনো ব্যক্তি গাওঁ পঞ্চায়তৰ সভাপতি হোৱাৰ পিছত আকৌ বিধায়ক হৈ আনন্দ লাভৰ কথা ভাবে, বিধায়ক হোৱা জনে ইচ্ছা কৰে মন্ত্ৰী হ'ব পাৰিলে কথাই বেলেগ আছিল। মন্ত্ৰী হলে আকৌ ভাবে মুখ্যমন্ত্ৰী হ'লেহে শিখৰ চুব পাৰিম, তাৰ আনন্দই বেলেগ, গোটেই প্ৰদেশত আদেশ চলিব। তাৰ পাছত প্ৰবল ইচ্ছা হ'ব যে প্ৰধান মন্ত্ৰী হ'লেহে জীৱন সাৰ্থক হব, তেতিয়ালৈকে জীৱন সমাপ্ত হ'ব। তেতিয়া আকৌ গাধ হৈ কুমাৰৰ লাঠিৰ মাৰ খাই থাকিব।

এই কাৰণে তত্ত্বজ্ঞানত বুজাই দিয়া হয় যে কাল ব্ৰহ্মৰ দ্বাৰা সৃষ্ট (নিৰ্মিত) স্বৰ্গ, নৰক আৰু ৰাজপাট প্ৰাপ্তিৰ মায়াজালত গোটেই জীৱন ব্যৰ্থ হয়, কতো সন্তোষ নহয়। এই মনটো হিজৰা তুল্য।

অব্ৰাহিম চুলতান অধম নামেৰে ইৰাক দেশৰ বলখ চহৰত এজন ৰজা আছিল। তেওঁ পূৰ্ব জন্মৰ বহুত ভাল ভকত আছিল। কিন্তু বৰ্তমান ঐশ্বৰ্যত ভোল গৈ পৰমাত্মাক পাহৰি পেলাইছিল, প্ৰভাৱশালী ৰজা হৈ মহলত আনন্দত আছিল। এদিনাখন পৰমাত্মা সত্যলোকৰ পৰা আহি এজন যাত্ৰীৰ বেশ ধৰি ৰাজমহললৈ গ'ল আৰু ৰজাক ধৰ্মশালাৰ মালিক বুলি সম্বোধন কৰি কোঠা এটা ভাড়ালৈ খুজি কলে - কিমান টকা লাগিব, ৰাতিটো পাৰ কৰিব লাগে। ৰজাই কলে, হে উদাৰ যাত্ৰী, আপোনাক এই মহল ধৰ্মশালাৰ দৰে লাগিছে, মই ৰজা আৰু এইটো মোৰ ৰাজমহল। যাত্ৰীৰ বেশত পৰমাত্মাই সুধিলে যে এই মহলত এই ৰজাৰ

আগত কোনে বাস কৰিছিল। ৰজাই ক'লে যে তেওঁৰ দেউতা, ককাদেউতা, আজো-ককা সকল বাস কৰিছিল। যাত্ৰী বেশধাৰী পৰমাত্মাই ৰজাক তেওঁ কিমান দিনলৈ এই মহলত থাকিব বুলি সুধিলে। ৰজাই কলে কোনোবা এদিন তোৰোঁ ইয়াক এৰি গুচি যাব। পৰমেশ্বৰে ক'লে তেতিয়া এইটো ধৰ্মশালা নহৈ কি হ'ল ? এইটো ধৰ্মশালা হয়, যেনে তোমাৰ দেউতা, ককা গলগৈ, তুমি যাবাগৈ সেই কাৰণে মই (পৰমাত্মাই) এই মহলক ধৰ্মশালা বুলি কৈছো। ৰজাই বাস্তৱিকতা বুজি পালে, সংসাৰৰ ইচ্ছা এৰি আত্ম কল্যাণ কৰালে, অনন্ত সুখ আৰু অমৰ জীৱন প্ৰাপ্তিৰ বাবে দীক্ষা লৈ আজীৱন ভক্তি কৰি নিজৰ মানৱ জীৱন সফল কৰিলে।

**বাণী সংখ্যা ৬ ঃ-**

সৎগুৰু মিলে তো ইচ্ছা মেটে, পদ মিলে পদে সমানা।
চল হংসা উস লৌক পঠাউ, জো আদি অমৰ অস্থান।।

**সৰলাৰ্থ ঃ-** যদি তত্ত্বদৰ্শী সন্তক সৎগুৰু ৰূপে পোৱা যায় তেওঁ উপৰোক্ত জ্ঞানৰ কথা কৈ কাল ব্ৰহ্মৰ লোকৰ সকলো বস্তু আৰু পদবীৰ ইচ্ছা সমাপ্ত কৰি দি, “পদ মিল পদে সমানা” ইয়াত এটা পদৰ অৰ্থ পদ্ধতি অৰ্থাৎ শাস্ত্ৰ বিধি অনুসৰি সাধনা। আনটো পদৰ অৰ্থ পৰমপদ অথবা পদবী অৰ্থাৎ শাস্ত্ৰবিধি অনুসৰি পৰমেশ্বৰৰ সেই পৰম পদৰ প্ৰাপ্তি কৰাই দিয়ে যলৈ যোৱাৰ পিছত সাধক আকৌ কেতিয়াও সংসাৰলৈ উভতি নাহে। হে ভক্ত, বলা তোমাক গীতা অধ্যায় ১৮ শ্লোক ৬২ত বৰ্ণিত সনাতন পৰমধাম যত পৰম শান্তি বিৰাজ কৰে তাত পঠাই দিম।

**বাণী সংখ্যা ৭ ঃ-**

চাৰ মুক্তি জহা চম্পী কৰতী মায়া হো ৰহী দাসী।
দাস গৰীব অভয় পদ পৰসে মিলে ৰাম অবিনাশী।।

**সৰলাৰ্থ** ঃ- সেই সনাতন পৰম ধামত পৰম শান্তি আৰু অত্যাধিক সুখ আছে। কাল ব্ৰহ্মৰ লোকত চাৰি মুক্তি মানি লোৱা হয়, যাক পাই সাধকে নিজকে ধন্য মানে। কিন্তু সেইবোৰ স্থায়ী নহয়। কিছুসময়ৰ পাছত পুণ্য সমাপ্ত হওঁতেই আকৌ ৮৪ লাখ প্ৰকাৰৰ যোনিত কষ্ট ভোগিব। কিন্তু সেই সত্য লোকত চাৰিও মুক্তিৰ সুখ চিৰদিনলৈ থাকিব, মায়া সাধকৰ চাকৰণী হৈ সেৱা কৰিব।

সন্ত গৰীব দাস মহাৰাজে কৈছে যে অমৰ লোকলৈ যোৱাৰ পাছত প্ৰাণী নিৰ্ভয় হয় আৰু সেই সনাতন পৰম ধামত অবিনাশী ৰাম অৰ্থাৎ পৰমেশ্বৰ পোৱা যায়। এই কাৰণে পূৰ্ণ মোক্ষৰ বাবে শাস্ত্ৰানুকুল ভক্তি কৰিব লাগিব যাৰ দ্বাৰা সেই ভগৱানৰ ওচৰলৈ যাব পৰা যায়।

উপৰোক্ত বাণী আৰু পূৰ্বোক্ত বিৱৰণৰ পৰা স্পষ্ট হল যে শ্ৰীব্ৰহ্মা দেৱ, শ্ৰীবিষ্ণু আৰু শ্ৰী শিৱদেৱ আৰু এওঁলোকৰ পিতা কাল ব্ৰহ্ম অৰ্থাৎ ক্ষৰপুৰুষ আৰু অক্ষৰ পুৰুষ সকলো ৰাম অৰ্থাৎ বিনাশী হয়। কেৱল পৰম অক্ষৰ ব্ৰহ্ম মাত্ৰ অবিনাশী ৰাম অৰ্থাৎ প্ৰভু হয়। এই পৰমেশ্বৰৰ ভক্তিৰ দ্বাৰাহে পৰম শান্তি আৰু সনাতন পৰম ধাম অৰ্থাৎ পূৰ্ণ মোক্ষ প্ৰাপ্ত হব যত

চাৰিমুক্তিৰ সুখ সদায় বিদ্যমান। মায়া অৰ্থাৎ সকলো সুখ সুবিধা বোৰ সাধকৰ চাকৰৰ দৰে সদায় উপস্থিত থাকে। সুক্ষ্ম বেদত উল্লেখ আছে যে -

কবীৰ মায়া দাসী সন্ত কী উভয় দে আশীষ।
বিলসী ঔৰ লাতোঁ ছড়ী সুমৰ সুমৰ জগদীশ।।

**ভাবাৰ্থ** ঃ- সকলো সুখ-সুবিধা ধনেৰে হয়। সেই ধন শাস্ত্ৰ বিধি অনুসৰি ভক্তি কৰা সন্ত ভকতৰ ভক্তিৰ ফলত স্বতঃ প্ৰাপ্ত হয়, কিন্তু ইয়াৰ প্ৰাপ্তি ভক্তিৰ উদ্দেশ্য নহয়। তথাপিও সেইটো অৱশ্য প্ৰাপ্তি হব। সেই ধন সা-সুবিধা ভক্তিৰ উপজাত দ্ৰব্য হয়।

কোনোবাই ঘেঁহুৰ খেতি কৰিলে। তেওঁৰ উদ্দেশ্য ঘেঁহুৰ অন্ন প্ৰাপ্ত কৰা কিন্তু ভুচি অৱশ্য প্ৰাপ্ত হ'বই। এই ভূচি, গৰুৰ খাদ্য ৰূপে ঘেঁহুৰ খেৰ ঘেঁহুৰ উপজাত দ্ৰব্য হয়। ঠিক এনেদৰে সত্য সাধনা কৰা সকলৰ বাবে ধন আপোনা-আপুনি প্ৰাপ্ত হয়। সাধকে তাক ভোগ কৰিব, সেই ধন সাধকৰ চৰণত পৰি থাকে, অৰ্থাৎ ধনৰ অভাৱ নহয়, বৰঞ্চ প্ৰয়োজনতকৈ অধিক হে প্ৰাপ্ত হয়। পৰমেশ্বৰৰ ভক্তি কৰি ভকত, সন্ত সকলে মায়াৰ আনন্দও ভোগ কৰে আৰু পূৰ্ণ মোক্ষ প্ৰাপ্ত কৰে।

সেই প্ৰসংগকে আগবঢ়োৱা হ'ল যে মানৱ শৰীৰ প্ৰাপ্ত প্ৰাণীয়ে নিজৰ উদ্দেশ্য মনত ৰাখিব লাগে। ভক্তি কৰি নিজৰ কল্যান সাধন কৰিব লাগে। সুক্ষ্মবেদত লিখা আছে যে -

**ৰাগ আসাৱাৰী শব্দ ৭১**

য়হ সৌদা ফিৰ নাহী সন্তো, য়হ সৌদা ফিৰ নাহী।
লোহে জৈসা তাৱ জাত হায় কায়া দেহ সৰাহী।।
তিনলোক ঔৰ ভূৱন চতুদৰ্শ সব জগ সৌদে আহী।
দুগুনে তিগুনে কিয়ে চৌগুনে কি নহু মূল গৱাহী।।

**ভাবাৰ্থ** ঃ- ধৰা দুজন বেপাৰী ৫-৫ লাখ টকাৰ মূলধন লৈ দূৰৰ কোনোবা চহৰলৈ ব্যৱসায়ৰ বাবে গ'ল। এজনে নিজৰ ধনৰ উচিত ব্যৱহাৰ কৰিলে। ধৰ্মশালা বা হোটেল কোঠা ভাৰা ললে। বয় বস্ত কিনিলে আৰু অধিক উপাৰ্জন কৰিলে। দুবছৰত নিজৰ ঘৰলৈ উভতিল। সকলোতে প্ৰসংশাৰ পাত্ৰ হল আৰু ধনী হৈ গ'ল।

আনজনেও হোটেল বা ধৰ্মশালাত কোঠা এটা ভাড়াত ললে। মদ খাব ধৰিলে, বেশ্যাৰ নাচ চায়, খায় আৰু শোৱে। তেওঁৰ নিজৰ মূলধন ৫ লাখ টকা নষ্ট কৰিলে, উভতি ঘৰলৈ আহিল, ঋনত ডুবিল। মহাজনে নিজৰ টকা খুজিলে দিব নোৱাৰাত বনুৱা হিচাপে ঘৰত ৰাখিলে আৰু ৫ লাখ টকাৰ কাম কৰালে। ওপৰৰ বাণীৰ তাৎপৰ্য এয়ে যে তিনি লোক (স্বৰ্গ, পাতাল আৰু পৃথিৱী)ত যিমান প্ৰাণী আছে, সেই সকলো ৰাম নামৰ বেপাৰ কৰিবলৈ আহিছে। কোনোবাজনে দুগুন, তিনিগুন বা চাৰিগুন ধন গোটালে অৰ্থাৎ পূৰ্ণ সন্তৰ পৰা দীক্ষা লৈ মনুষ্য জীৱনৰ শ্বাস-প্ৰশ্বাসৰ পুঁজি মূলধন সত্য ভক্তি কৰি বঢ়ালে। অন্য ভক্তি নকৰাজনে, শাস্ত্ৰ বিধি ত্যাগ কৰি ভক্তি কৰিলে নাইবা অনাধিকাৰী গুৰুৰ পৰা দীক্ষা লৈ ভক্তি কৰিলে, তেওঁৰ কোনো লাভ

নহ'ল। ইয়াৰ প্ৰমাণ পবিত্ৰ গীতা অধ্যায় ১৬ শ্লোক ২৩-২৪ ত আছে। সেই কাৰণে দ্বিতীয়জনে নিজৰ মনুষ্য জীৱনৰ শ্বাস ৰূপী মূলধন ভক্তি নকৰি নষ্ট কৰিলে।

**ভক্তি নকৰি হানি হোৱাৰ অন্য বিৱৰণ**

(শব্দ নং ৭১ -ৰ শেষ)

য়হ দম টু টে পিণ্ডা ফুটৈ হৌ লেখা দৰগাহ মাহী।
উস দৰগাহ মে মাৰ পৰেড়গী যম পকড়েঁগে ৱাহী।।
নৰ নাৰায়ণ দেহি পায় কৰ ফেৰ চৌৰাষী যাহী।
উস দিনকী মোহে ডৰণী লাগে, লজ্জা ৰহ কে নাহী।
জা সৎগুৰু কী মই বলিহাৰী, জৌ জামণ মৰণ মিটাহী।
কুল পৰিবাৰ তেৰা কুটুম্ব কবীলা মসলিত এক ঠহৰাহী।
বাঁধ পিঞ্জৰী আগৈ ধৰ লিয়া মৰঘট কু লে জাহী।।
অগ্নি লগা দিয়া জব লম্বা ফুঁক দিয়া উস ঠাঁহী।
পুৰাণ উঠা ফিৰ পণ্ডিত আয়ে পীছে গৰুড় পঢ়াহী।।

ভাবাৰ্থ ঃ- এই দম অৰ্থাৎ শ্বাস যি দিনা শেষ হব সিদিনাই শৰীৰ ৰূপী পিণ্ড ইয়াতেই ৰব। আকৌ পৰমাত্মাৰ দৰবাৰত পাপ পুণ্যৰ লেখা জোখা হ'ব ভক্তি নকৰা সকলক অথবা শাস্ত্ৰ বিৰুদ্ধ ভক্তি কৰা সকলক যমদূতে বাহুত ধৰি লৈ যাব, সেই আত্মা, কোনোবা দেশৰ ৰজাই কিয় নহওঁক তাক মাৰ পিট কৰা হ'ব। সন্ত গৰীব দাসক কবীৰ পৰমেশ্বৰে লগ কৰি তেওঁৰ আত্মাক ওপৰলৈ লৈ গৈছিল। সকলো ব্ৰহ্মাণ্ড দেখুৱাই সম্পূৰ্ণ আধ্যাত্ম জ্ঞান বুজাই পুনৰাই শৰীৰত প্ৰৱেশ কৰাইছিলে। সন্ত গৰীব দাসে নিজ চকুৰে দেখা স্থিতি/অৱস্থাৰ বৰ্ণনা কৰি কৈছে- হে মানৱ! আপুনি নৰশৰীৰ প্ৰাপ্ত কৰিছে যি নৰনাৰায়ন অৰ্থাৎ পৰমাত্মাৰ শৰীৰৰ দৰে অৰ্থাৎ তেওঁৰেই স্বৰুপ হয়। অন্য প্ৰাণীক এই সুন্দৰ শৰীৰ প্ৰাপ্ত নহ'ল। এই শৰীৰ পোৱাৰ পিছত প্ৰাণীয়ে আজীৱন ভগৱানৰ ভক্তি কৰিব লাগিব, এনে পৰমাত্মাৰ স্বৰূপ দেহ প্ৰাপ্ত কৰি সত্য ভক্তি নকৰাৰ কাৰণে আকৌ চৌৰাশী লাখ যোনিত যাব বিচাৰিছে, এনে মানৱ জীৱন ধিক্কাৰ। মোক (সন্ত গৰীব দাসক) সেই দিনৰ চিন্তাই ভয় লাগে, জানোচা ভক্তি কম হ'লে পৰমাত্মাৰ দৰবাৰত যোৱা যোগ্য হম নে। মই ভক্তি কৰি থাকিও ভয় কৰোঁ কিজানিবা ভক্তি কম হয়। আপোনালোকে ভক্তিয়ে নকৰে, কৰিলেও শাস্ত্ৰ বিপৰীত ভক্তি কৰি আপোনাৰ অৱস্থা বেয়া হ'ব আৰু মই ৰায় দিওঁ যে এনেকুৱা সৎগুৰু বিচাৰি উলিৱাওঁক যি জনে জন্ম মৰণৰ দীৰ্ঘ ৰোগ, সমাপ্ত কৰি দিব। যি সকলে সত্য ভক্তি নকৰে, মৃত্যুৰ পিছত তেওঁলোকৰ অৱস্থা কি হ'ব। মৃত্যু হলে ওচৰ-পাজৰৰ কুল-কুটুম্বৰ ব্যক্তি গোট খাব, সকলোৱে শব লৈ গৈ শ্মশান ঘাটত জুইৰ ওপৰত দিব। বাঁহ জোঙেৰে খুচি বুকু বিদীৰ্ণ কৰি দিব। সম্পূৰ্ণ শৰীৰক জ্বলাই দিব। জেপত যি আছে উলিয়াই ল'ব আকৌ শাস্ত্ৰবিধি ত্যাগ কৰি স্বেচ্ছাচাৰ কৰা আৰু কৰোৱা পণ্ডিত সকলে সংসাৰৰ পৰা ওলাই যোৱা জীৱৰ বাবে গৰুড় পুৰাণ পাঠ কৰে।

তত্ত্বজ্ঞানত (সুক্ষ্মবেদ) কোৱা আছে যে নিজৰ মানৱ জীৱন সম্পূর্ণ কৰি পৰমাত্মাৰ দৰবাৰত তাৰ হিচাব হ'ব। সি কর্ম অনুসাৰে কৰবাত গাধ, কুকুৰ হোৱাৰ শাৰীত থিয় দিব। মৃত্যু পিছত গৰুড় পুৰাণৰ পাঠ কৰিলে কি কামত আহিব। এয়া ব্যর্থৰ শাস্ত্রবিৰুদ্ধ কর্ম হয়। সেই প্রাণীৰ মনুষ্য জীৱন থাকোতেই তাক ভগৱানৰ সংবিধানৰ জ্ঞান দিব লাগিছিল যাৰ দ্বাৰাই তাৰ ভাল বেয়া জ্ঞান হ'লে হয় আৰু সি নিজৰ মানৱ জীৱন সফল কৰিলেহেঁতেন।

প্রেত শিলাপৰ জায় বিৰাজে, ফিৰ পিতৰোঁ পিণ্ডত ভৰাহী
বহুৰ শ্রাদ্ধ খান কু আয়া কাগ ভয়ে কলি মাহী।।

ভাবার্থ এই যে মৃত্যুৰ পিছত জীৱৰ কল্যাণ অর্থাৎ গতি বা মোক্ষৰ বাবে কৰা শাস্ত্রবিৰুদ্ধ ক্রিয়া ব্যর্থ হয়। যেনে- গৰুড় পুৰাণৰ পাঠ কৰা হয়। গংগাত অস্থি প্রবাহিত কৰা গতি (মোক্ষ)ৰ বাবে তেৰদিনীয়া বা সোতৰ দিনীয়া হৰন বা ভোজন কৰা প্রতি মাহে বছৰদিন লৈকে মাহেকীয়া শ্রাদ্ধ কৰা হয় বছৰেকীয়া কৰা আকৌ পিণ্ড দান কৰা হয়। গতি কৰাবৰ বাবে প্রতি বছৰে শ্রাদ্ধ কৰা হয়। সেইদিনা পুৰোহিতে স্বয়ং ভোজন তৈয়াৰ কৰে আৰু কয় যে অলপ ভোজন বাহিৰত বা ঘৰৰ চালত ৰাখিব লাগে, কিজানি পিতাই কাউৰী হৈ আছে। যেতিয়া কাউৰীয়ে ভোজন খাব তেতিয়া কব মা বা দেউতা যাৰ মৃত্যু হৈছিল এই সকলো ক্রিয়া আৰু শ্রাদ্ধ কৰা সফল হ'ল। তেওঁলোক কাউৰী হৈছে, ভোজন খালে।

শ্রাদ্ধ কৰোৱা পুৰোহিতে কয় শ্রাদ্ধ কৰিলে সেই জীৱ এবছৰলৈ তৃপ্ত হয়। আকৌ এবছৰ পাছত শ্রাদ্ধ কৰিব লাগিব।

বিবেচনা কৰক, জীৱিত থাকোতে দিনে তিনি বাৰ আহাৰ খাইছিল। এতিয়া এদিন খাই এবছৰলৈ কেনেকৈ তৃপ্ত হৈ থাকিব। যদি প্রতিদিনে ঘৰৰ চালত আহাৰ ৰখা হয় কাউৰীয়ে প্রতিদিনে খাব।

দ্বিতীয় কথা মৃত্যুৰ পিছত কৰা সকলো ক্রিয়া মোক্ষ কৰাবৰ উদ্দেশ্য কৰা হৈছিল। সেই জ্ঞানহীন গুৰু সকলে শেষত কাউৰী বনাই এৰিলে। সেই আত্মাই প্রেত শিলাত প্রেত যোনি ভোগ কৰি আছে। ইফালে পুৰোহিত আৰু কাউৰীয়ে মহা আনন্দত ভোজন কৰি আছে। পিণ্ডদান কৰিলে প্রেত যোনি মুক্ত হ'ব বুলি ক'লে। মানি লোৱা হ'ল প্রেত যোনিৰ পৰা মুক্তি পালে আকৌ সেই জীৱ গৰু বা গাধ হ'ল - কেনেকুৱা মুক্তি কৰালে।

নৰ সে ফিৰ পশুৱা কীজে, গধা বেল বনাই।
ছপ্পন ভোগ কহাঁ মন বৌৰে, কহী কুৰড়ী চৰণে জাই।।

**ভাবার্থ ঃ-** মনুষ্য জীৱনত আমি কিমান ভাল ভাল খাদ্য অর্থাৎ ৫৬ প্রকাৰৰ ব্যঞ্জন খাওঁ। ভক্তি নকৰাৰ বাবে অথবা শাস্ত্র বিৰুদ্ধ সাধনা কৰাৰ বাবে গাধ দেহ পাম তেতিয়া এই ৫৬ প্রকাৰৰ আহাৰ নাপাও, কৰবাত পেট ভৰাবলৈ ঘাঁহ বিচাৰি যাব লাগিব। এনেদৰে আকৌ পশু যোনিত কষ্টৰ ওপৰত কষ্ট ভোগিব লাগিব।

জে সৎগুৰু কী সঙ্গত কৰতে সকল কর্ম কটি যাই।

অমৰ পুৰী পৰ আসন হৌতে, জহাঁ ধূপ ন ছাই।।

**ভাবাৰ্থ ঃ-** সন্ত গৰীব দাস মহাৰাজে পৰমেশ্বৰ কবীৰ দেৱৰ পৰা প্ৰাপ্ত সুক্ষ্ম বেদত আকৌ কৈছে যে যদি সৎগুৰু তত্ত্বদৰ্শী সন্তৰ শৰণত দীক্ষা ললেহেঁতেন ওপৰৰ সকলো কৰ্মৰ কষ্টৰ পৰা ৰক্ষা পোৱাটো নিশ্চিত অৰ্থাৎ প্ৰেত নহয়, গাধ, গৰু একো নহ'লহেঁতেন। অমৰপুৰত আসন পালে হয় অৰ্থাৎ গীতা অধ্যায় ১৮ শ্লোক ৬২ আৰু অধ্যায় ১৫ শ্লোক ৪ত বৰ্ণিত পৰমধাম প্ৰাপ্ত কৰিলে হয় আৰু পৰম শান্তি লাভ কৰিলেহেঁতেন। আকৌ কেতিয়াও সংসাৰলৈ উভতিব নালাগে অৰ্থাৎ জন্ম মৰণৰ কষ্টকৰ চক্ৰ চিৰকালৰ বাবে শেষ হ'লহেতেন। সেই অমৰ লোকত ৰদ -ছাঁ নাই অৰ্থাৎ ৰদত কষ্ট পালে ছাঁৰ প্ৰয়োজন হয়। সত্যলোকত কেৱল সুখ আছে দুখ নাই।

সুৰত নিৰত মন পৱন পয়ানা, শব্দে শব্দ সমাই।
গৰীব দাস গলতান মহলে মে, মিলে কবীৰ গোসাই।।

সন্ত গৰীব দাস মহাৰাজে কৈছে, "মই কবীৰ পৰমেশ্বৰক লগ পাইছো। তেওঁ মোক সুৰত নিৰত মন আৰু শ্বাসৰ ওপৰত ধ্যান কৰি নাম স্মৰণৰ বিধি কলে সত্য লোকত হৈ থকা শব্দ ধ্বনিৰ আঁত ধৰি সত্য লোকলৈ গুচি গলো। সেই কাৰণে সত্যলোক (শ্বাশ্বত স্থান) ত মই নিজৰ মহলত আনন্দেৰে থাকো"। পৰমেশ্বৰ কবীৰ দেৱে সন্ত গৰীবদাস মহাৰাজক সত্য সাধনাৰ জ্ঞান বুজাই সত্যলোকত লৈ গৈছিল। সত্যলোক চাই সন্ত গৰীবদাস মহাৰাজে উভতি আহিছিল। সেই কাৰণে তেওঁ বিশ্বাসেৰে কৈছে যে তেওঁ কৰা শাস্ত্ৰানুকুল সাধনা পৰমেশ্বৰ পৰা পাইছিল। তেওঁ কৈছিল যে এই নাম বা শব্দৰ জপ কৰিলে তেওঁ নিশ্চয় পূৰ্ণ মোক্ষ লাভ কৰিব, তাত কোনো সংশয় নাই সেই কাৰণে মই (সন্ত গৰীব দাস) সত্যলোকত থকা নিজৰ বিশাল ঘৰলৈ যাম মই নিশ্চিন্ত আৰু আনন্দত বিভোৰ হৈ আছো কাৰণ পূৰ্ণ গুৰু স্বয়ং পৰমাত্মা কবীৰ পৰমেশ্বৰে আহি মোক লগ কৰিছিল।

গৰীব, অজব নগৰ মে লে গয়ে, হমকো সৎগুৰু আন।
ঝিলকে বিম্ব অগাধ গতি সুতে চাদৰ তান।।

**ভাৱাৰ্থ ঃ-** সন্ত গৰীব দাসে কৈছে যে, সৎগুৰু আৰ্থাৎ স্বয়ং পৰমেশ্বৰ কবীৰ দেৱ নিজৰ ধাম সত্যলোকৰ পৰা আহি তেওঁক সত্যলোকৰ অদ্ভুত নগৰলৈ লৈ গল। সেই স্থান নিজ চকুৰে চাই পৰমেশ্বৰে কোৱা ভক্তি মাৰ্গত ভৰি দিছোঁ। সত্যনাম, সাৰ নামৰ, সাধনা কৰি আছোঁ। সেই কাৰণে চাদৰ লৈ শুই আছোঁ অৰ্থাৎ মই নিশ্চিন্ত যে মোৰ মোক্ষ প্ৰাপ্তি হ'বই।

চাদৰ টানি শোৱা=নিশ্চিন্ত ভাৱে থকা। কোনোৱা ব্যক্তিয়ে নিজৰ কাম বন শেষ কৰি চাদৰ লৈ শুই থাকিলে লোকে কয় চাদৰ লৈ শুই আছে ইয়াৰ কোনো কাম নাই নেকি ? এইদৰে সন্ত গৰীব দাস মহাৰাজে কৈছে যে ইয়াৰ ডাঙৰ ডাঙৰ মহল ব্যৰ্থ যেন লাগিছে। এতিয়া সেই সত্যলোকলৈ যাম তাত বিশাল মহল বনোৱা আছে যাক এৰি ভুলবশঃত আমি এই কালৰ লোকলৈ আহিলোঁ, এতিয়া সুযোগ পাইছো। সত্য ভক্তি আৰু তত্ত্বজ্ঞান পাইছো।

সজ্জন বৃন্দ! সেই সত্যভক্তি বৰ্তমান মোৰ (সন্ত ৰামপাল দাস) লগত আছে, যাৰ দ্বাৰা দুখৰ ঘৰ সংসাৰ পাৰ হৈ পৰম শান্তি আৰু শাশ্বত স্থান (সনাতন পৰম ধাৰ্ম) প্ৰাপ্ত হ'ব যাৰ বিষয়ে গীতা অধ্যায় ১৮ শ্লোক ৬২ ত আৰু অধ্যায় ১৫ শ্লোক ৪ ত কৈছে যে তত্ত্বদৰ্শী সন্তৰ পৰা তত্ত্বজ্ঞান প্ৰাপ্তি কৰি অজ্ঞানক নাশ কৰাৰ পাছত পৰমেশ্বৰৰ সেই পৰমপদৰ অনুসন্ধান কৰিব লাগিব, যলৈ গ'লে সাধক আকৌ উভতি সংসাৰলৈ কেতিয়াও নাহে।

**ভক্তি নকৰিলে বহুত দুখ হব**

সুক্ষ্ম বেদত কোৱা আছে -

য়হ সংসাৰ সমঝদা নাহী, কহদা শ্যাম দুপহৰে নু।
গৰীব দাস য়হ বক্ত যাত হৈ, ৰোৱোগে ইস পহৰে নু।।

ভাৱাৰ্থ ঃ- আধ্যাত্মিক জ্ঞানৰ অভাৱত পৰমেশ্বৰৰ বিধান নাজানি প্ৰাণীয়ে এই দুখৰ ঠাই সংসাৰত অতি কষ্ট সহ্য কৰি আছে আৰু ইয়াকে সুখৰ ঠাই বুলি মানি লৈছে।

**উদাহৰণ ১** ঃ- জেঠমহীয়া ৰ'দে খাঁও খাঁও মূৰ্তি ধৰিছে, সময় দিনৰ ১২/১ বজা। ব্যক্তি এজন মদ খাই ৰ'দত পৰি আছে, ঘামি-জামি অৱস্থা বেয়া হৈছে, শৰীৰ ধূলিৰে ভৰি পৰিছে। এনেতে মানুহ এজন আহি ক'লে - "উঠা, উঠা, তোমাক গছৰ তলত বহুৱাই দিম, ইয়াত তুমি গৰমত সিজি আছা।" মদাহীজনে ক'লে - "হ'ব হ'ব, মই ঠিক আছোঁ, কষ্ট পোৱা নাই, বৰ মজাত আছোঁ।

বিচাৰ কৰক - মদাহীজন প্ৰচণ্ড ৰ'দৰ তাপত সিজি আছে, কিন্তু বৰ মজাত আছোঁ বুলি কৈ আছে।

**২** ঃ- এজন ব্যক্তি কিবা কামত কোৰ্টত গ'ল। তাত সম্পৰ্কীয় এজনক লগ পালে। এজনে আনজনক মঙ্গল বাতৰি সোধাত ইজনে সিজনক ক'লে - সকলো ভালেই আছে।

চিন্তা কৰক - আদালতত দুই সম্পৰ্কীয়ই কৈ আছে - সকলো ভালেই আছে। কিন্তু আদালতৰ পাকচক্ৰত সোমোৱাজনৰ ভালনো কি হ'ব, সপোনতো সুখ নহয়। তথাপি দুয়ো কৈ আছে সকলো ভালেই।

**৩** ঃ- এজন ব্যক্তিৰ একমাত্ৰ পুত্ৰ ডাঙৰ বেমাৰত পৰিল। তাক মেডিকেল কলেজ হাস্পাতালত ভৰ্তি কৰা হৈছিল। ল'ৰাজন ভাল হোৱাৰ আশা কমেই আছিল। এই সময়ত মা-দেউতাৰ অৱস্থা কেনে হ'ব সহজে বুজিব পাৰি। জ্ঞাতি-কুটুম আহি ল'ৰাজনৰ বাতৰি সোধাত দেউতাকে ক'লে - জীয়াই থকাৰ আশা কম। সম্বন্ধীয়ই আকৌ সুধিলে - বাকী খা-খবৰ কেনে ? দেউতাকে ক'লে - সকলো ঠিকেই আছে।

চিন্তা কৰক, যাৰ একমাত্ৰ পুত্ৰ মৃত্যু শয্যাত আছে তেওঁৰ আকৌ বাকী খবৰ ঠিক হ'ব কেনেকৈ। তেওঁৰ বাবে সকলোখিনি অকল ল'ৰাজনেই নহয় জানো।

এই কাৰণে সূক্ষ্ম বেদত কৈছে যে এই দুখৰ ঘৰ-সংসাৰত জীৱই মহা কষ্টকো সুখ বুলি মানি লৈছে।

য়হ সংসাৰ সমঝদা নাহী, কহদা শ্যাম দুপহৰে নু।
গৰীব দাস য়হ বক্ত যাত হৈ, ৰোৱোগে ইস পহৰে নু।।

**ভাৱাৰ্থ ঃ-** সন্ত গৰীব দাস মহাৰাজে কৈছে যে মানুহৰ জন্ম পাই যি ব্যক্তিয়ে ভক্তি নকৰে তেওঁ কুকুৰ, গাধ ইত্যাদিৰ যোনি পাই কষ্ট পাব। কুকুৰে ৰাতি আকাশলৈ চাই কান্দে। এই কাৰণে সন্ত গৰীব দাসে কৈছে যে মানৱ জীৱনৰ সময়কণ ভক্তি নকৰাকৈ পাৰ হৈ গ'লে এই সময় (মানৱ শৰীৰৰ সময়)ক মনত পেলাই কান্দিব লাগিব।

**ভক্তি মাৰ্গত পদাৰ্পণ**

অধ্যাত্মিক জ্ঞান নোহোৱালৈকে জীৱই মায়াৰ নিচাত নিজৰ উদ্দেশ্য পাহৰি পেলায়। উপৰত কোৱাৰ দৰে মদাহীয়ে জেঠ মাহৰ দুপৰীয়া মদৰ নিচাত ৰদত ঘামী বালিত লুটি পুতি হৈ পৰি থাকে, সদাশয় ব্যক্তিয়ে ছাঁ লৈ নিব ললে কয় যে বৰ আনন্দত আছে। কিন্তু নিচা এৰাৰ পাছত গম পায় সি অৰণ্যত পৰি আছে, ঘৰৰ পৰা বহু দূৰৈত।

কবীৰ দেৱে কৈছে যে -

কবীৰ য়হ মায়া অটপটি সবঘট আন অড়ী।
কীস কিস কো সমঝাউ য়া, কুঁৱে ভাংগ পড়ী।।

ভাৱাৰ্থ ঃ- অধ্যাত্ম জ্ঞানৰূপী ঔষধি সেৱন কৰিলে জীৱৰ মায়া নিচা দূৰ হয়। আকৌ ভক্তি পথত অগ্ৰসৰ হব কাৰণ তেওঁ পৰমাত্মাৰ ওচৰলৈ যাব লাগে, যি জন তেওঁৰ আচল পিতা আৰু সেই সৎলোকত জীৱৰ নিজৰ প্ৰকৃত ঘৰ আছে।

ফুৰিবলৈ যোৱা মানুহ এজনে সকলো বস্তু লৈ ফুৰিব নোৱাৰে কেৱল অতি প্ৰয়োজনীয় বস্তু লৈ হে ফুৰিবলৈ যাব। এইদৰে ভক্তি যাত্ৰাত নিজকে কম ভাৰযুক্ত কৰি আগবাঢ়িব লাগে তেতিয়াহে লক্ষ্যস্থান পাব পাৰি। ভক্তি ৰূপী পথত খোজ দিবলৈ নিজৰ মানসিক শান্তি থকাটো অনিবাৰ্য্য। মানসিক অশান্তিৰ কাৰণ হ'ল নিজৰ পৰম্পৰা, নিচা, অভিমান, ডাঙৰ বোলোৱা। বৃথাতে আমি কিছুমান ভাৰ লৈ আছো - যেনে আট্টালিকা সদৃশ ঘৰ, বেছি দামী গাড়ী, শৃংগাৰ কৰা, মূল্যৱান অলংকাৰ (সোনৰ গহণা) অতি সংগ্ৰহৰ প্ৰবৃতি, বিয়াত যৌতুক দিয়া লোৱা, গান বাজনা, ডি.জে. বজোৱা, বৰযাত্ৰী যোৱা অহা, গোটেই পৰিয়ালৰ নিৰ্লজ্জ, নাচ, গান, মৃত্যু ভোজ কৰা, কেচুৱা জন্মহলে আনন্দ উৎসৱ কৰা, আনন্দৰ সময়ত আতচ বাজী কৰা, অপব্যয় কৰা ইত্যাদি ভক্তি পথত বাধা স্বৰূপ হোৱা বাবে ত্যাগ কৰিব লাগে।

**বিবাহ কেনেকৈ কৰিব লাগে**

যেনেদৰে শ্ৰীদেৱী দুৰ্গাই নিজৰ তিনিও পুত্ৰৰ (ব্ৰহ্মা, বিষ্ণু আৰু শিৱ)ৰ বিবাহ পাতি দিছিল, এই বিৱৰণ আগলৈ এই পুথিতেই পঢ়িবলৈ পাব। মোৰ (লেখকৰ) মতে তেনেদৰেই কৰিব লাগিব। ১৭ মিনিটৰ "অসুৰ নিকন্দন ৰমেনী আছে। অগ্নি প্ৰদক্ষিণৰ সলনি এইটো গোৱা হয়, যি কোটি কোটি গায়ত্ৰী মন্ত্ৰতকৈ উত্তম আৰু লাভদায়ক। সেই কাৰণতে সকলো শক্তিয়ে সেই দৰা কইণাক সদায় ৰক্ষা কৰে আৰু সহায় কৰিব। ইয়াৰ দ্বাৰা ছোৱালী নিৰাপদে

থাকিব। জীয়াই থকাৰ পথ সুগম হ'ব।

## বিবাহত প্ৰচলিত বৰ্তমান পৰম্পৰাৰ ত্যাগ

বিবাহত অলাগতিয়াল খৰছ ত্যাগ কৰিব লাগিব। যেনে ছোৱালীৰ বিয়াত শ-শ বৰযাত্ৰী অহা, যৌতুক দিয়া এই বোৰ ব্যৰ্থ পৰম্পৰা। এইবোৰৰ বাবেই ছোৱালীক পৰিয়ালৰ বোজা হিচাবে চাবলৈ ধৰা হৈছে আৰু তাইক গৰ্ভত মৰাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে - যি মা-দেউতাৰ বাবে মহাপাপৰ কাৰণ হয়। ছোৱালী দেৱীৰ স্বৰূপ, আমাৰ কুল পৰম্পৰাই ছোৱালীক শত্ৰু তুল্য কৰিছে। শ্ৰীদেৱী পুৰাণৰ তৃতীয় স্কন্ধত প্ৰমাণ আছে যে এই ব্ৰহ্মাণ্ডৰ আৰম্ভণিত তিনিও দেৱতা (শ্ৰীব্ৰহ্মা, শ্ৰীবিষ্ণু আৰু শ্ৰীশিৱ) ৰ বিয়া মাতৃ দূৰ্গাদেৱীয়ে কৰিছিল। তেতিয়া কোনো বৰযাত্ৰী নাছিল, "ভাতী" প্ৰথাও নাছিল, কোনো ভোজ ভাতৰ ব্যৱস্থাও নাছিল, ডি.জে.ও বজোৱা নাছিল, কোনো নাচ গানো নাছিল। শ্ৰীদূৰ্গাই নিজৰ বৰপুতেক শ্ৰীব্ৰহ্মাক ক'লে যে সাৱিত্ৰী নামৰ ছোৱালী তেওঁক পত্নী ৰূপত দিয়া হ'ল। এওঁক লৈ যোৱা আৰু নিজৰ ঘৰ সংসাৰ পাতা। এইদৰে মাজু পুত্ৰ শ্ৰীবিষ্ণু আৰু সৰুপুত্ৰ শ্ৰীশিৱক ক্ৰমে লক্ষ্মী আৰু পাৰ্বতীক গতাই দি কলে যে এওঁলোক তোমালোকৰ পত্নী। এওঁলোকক লৈ যোৱা আৰু নিজৰ ঘৰ সংসাৰ আৰম্ভ কৰা। তিনিও নিজৰ নিজৰ পত্নীক লৈ নিজৰ নিজৰ লোকলৈ গুচি গ'ল, তাৰ দ্বাৰাই বিশ্বৰ বিস্তাৰ হ'ল।

শংকা সমাধান ঃ- কিছুমান মানুহে কয় পাৰ্বতী দেৱীৰ মৃত্যু হৈ গৈছিল। তেওঁ জন্ম আকৌ ৰজা দক্ষৰ ঘৰত হৈছিল। গাভৰু হলত দেৱী সতী (পাৰ্বতী) য়ে নাৰদ মুনিৰ কথা মতে শ্ৰীশিৱক পতি বৰণ কৰাৰ দৃঢ় সংকল্প ল'লে, নিজৰ মাতৃৰ দ্বাৰা নিজৰ ইচ্ছা পিতা দক্ষক জনালে। তেতিয়া ৰজা দক্ষই ক'লে শিৱ মোৰ জোঁৱাই হোৱাৰ যোগ্য নহয়। কাৰণ তেওঁ নাঙঠ হৈ থাকে, মাত্ৰ মৃগ ছালেৰে গুপ্তাঙ্গ ঢাকি থয়, শৰীৰত ছাই সানি ভাঙৰ নিচাত মগ্ন থাকে, লগত সাপবোৰক ৰাখে। এনে ব্যক্তিৰ লগত জীয়েকৰ বিয়া পাতি দি জগতত হাঁহিৰ পাত্ৰ হ'ব নোৱাৰোঁ। কিন্তু দেৱী পাৰ্বতী জেদী আছিল। তেওঁ নিজৰ ইচ্ছাৰ কথা শ্ৰীশিৱক বাৰ্ত্তা যোগে জনালে যে তেওঁ শিৱৰ লগত বিয়া হ'ব বিচাৰে। ৰজা দক্ষই ইফালে পাৰ্বতীৰ বিয়া আন কাৰোবাৰ লগত নিশ্চিত কৰি থৈছিল। সেই দিনাই শ্ৰীশিৱ নিজৰ লগত হাজাৰ, ভূত-প্ৰেত, ভৈৰৱ আৰু নিজৰ গণক (ভাতী = ককাই-ভাই প্ৰদত্ত সহায়) লৈ বিবাহ মণ্ডপত পালেহি। ৰজা দক্ষৰ সৈনিকে বিৰোধ কৰিলে, শ্ৰীশিৱ আৰু দক্ষৰ সেনাৰ মাজত যুদ্ধ হ'ল। পাৰ্বতীয়ে শ্ৰীশিৱক বৰমালা পিন্ধাই দিলে, পাৰ্বতীক শ্ৰীশিৱই বলেৰে কৈলাশ পৰ্বতৰ নিজৰ ঘৰলৈ লৈ গ'ল। কিছুমান মানুহে কয় যে শ্ৰীশিৱও ভব্য বৰযাত্ৰী সহ পাৰ্বতীক বিয়া কৰাবলৈ গৈছিল, এই কাৰণে বৰযাত্ৰী বিনে বিবাহৰ শোভা নাথাকে। এই কথাৰ উত্তৰ এইটো যে সেয়া বিয়া নাছিল, সেয়া প্ৰেম প্ৰসংগ আছিল। শ্ৰীশিৱই বৰযাত্ৰী নহয়, সেনা লৈ আহিছিল পাৰ্বতীক বলপূৰ্বক লৈ যাবলৈ। বিবাহৰ অতি প্ৰাচীন পৰম্পৰা শ্ৰীদেৱী পুৰাণৰ তৃতীয়স্কন্ধত আছে যাৰ উল্লেখ ওপৰত কৰা হৈছে। লৰা-ছোৱালীয়ে নিজৰ মা-তেউতাৰ ইচ্ছা অনুসৰি বিয়া পাতিব লাগে। প্ৰেম বিবাহ

মহা বিবাদৰ কাৰণ হৈ পৰে, উদাহৰনস্বৰূপে - শ্ৰীশিৱ আৰু পাৰ্বতীৰ মাজত কোনো কাৰণত মতানৈক্য ঘটিল। শিৱই পাৰ্বতীৰ লগত পত্নী - ব্যৱহাৰ বন্ধ কৰি দিলে, কথা বতৰাও বন্ধ কৰি দিলে। পাৰ্বতীয়ে ভাবিলে এতিয়া এই ঘৰ মোৰ বাবে নৰকৰ সমান। সেই কাৰণে কিছুদিনৰ বাবে মাতৃ ঘৰলৈ গুচি গল, সেই দিনাই ৰজা দক্ষই এটা হোমযজ্ঞৰ আয়োজন কৰিছিল। ৰজা দক্ষ নিজৰ ছোৱালীৰ আগমনত আনন্দিত নহল আৰু ক'লে যে আজি আকৌ কি ল'বলৈ আহিছা। তাৰ (শিৱৰ) প্ৰেম দেখা পালি নহয়, এই ঘৰৰ পৰা গুচি যা। পাৰ্বতী দেৱীয়ে নিজৰ মাতৃক শিৱৰ খং উঠাৰ কাৰণ কৈছিল, মাকে নিজৰ স্বামী দক্ষক সকলো কথা কৈছিল। পাৰ্বতী দেৱীৰ বাবে এতিয়া আই ঘৰতো স্থান নাছিল। প্ৰেম বিবাহে এনে গম্ভীৰ পৰিস্থিতিৰ সৃষ্টি কৰি দিলে যে দক্ষ পুত্ৰীয়ে আত্মহত্যাৰ বাহিৰে একো বিকল্প দেখা নাপালে আৰু ৰজা দক্ষৰ বিশাল হোম কুণ্ডত জপীয়াই প্ৰান ত্যাগ কৰিলে।

ধাৰ্মিক অনুষ্ঠানটোৰ সৰ্বনাশ কৰি নিজৰ অমূল্য মানৱ জীৱন হেৰালে। পিতৃৰ সৰ্বনাশ কৰিলে কাৰণ শিৱই গম পাই বিশাল সেনা লৈ আহি নিজৰ শহুৰ দক্ষৰ ডিঙি কাটি দিলে। পিছত যেনিবা ছাগলীৰ মূৰ জোৰা দি জীৱিত কৰি দিলে। সেই প্ৰেম বিবাহে কেনে সৰ্বনাশ কৰিলে। শিৱ সেনাক বৰযাত্ৰী বুলি কৈ কু-প্ৰথা জন্ম দিয়া হ'ল আৰু এই প্ৰেম বিবাহ আজি সমাজত অভিশাপ স্বৰূপ হ'ল, বিবাদৰ গুৰি হ'ল।

বিবাহ যিটো সু-প্ৰথাৰে হৈছিল, তেওঁলোকে সুখী জীৱন অতিবাহিত কৰি আছে। যেনে- শ্ৰীবিষ্ণু আৰু শ্ৰীব্ৰহ্মা দেৱ।

বিবাহৰ উদ্দেশ্য ঃ- বিবাহৰ উদ্দেশ্য কেৱল সন্তান উৎপত্তি কৰা। আকৌ পতি-পত্নী দুয়ো মিলি প্ৰৰিশ্ৰম কৰি লৰা-ছোৱালীক পোহপাল দিয়ে। তেওঁলোকৰ বিয়া পাতি দিয়ে। আকৌ লৰা ছোৱালীয়ে নিজৰ ঘৰ সংসাৰ পাতে। ইয়াৰ অন্যথা প্ৰেম বিবাহ সমাজত অশান্তিৰ বীজৰোপণ কৰাৰ দৰে সমাজক বেয়া কৰিবলৈ ই ফিৰিঙতিৰ কাম কৰে।

**প্ৰেম-প্ৰসংগ কেনেকুৱা হয় ?**

উত্তৰ ঃ- চৰিত্ৰহীন লৰা-ছোৱালী বিলাকে ৰাস্তাৰে গৈ থকা সময়ত অসভ্য আচৰণ কৰে। সেই লাজ নথকা বিলাকৰ দৃষ্টিও বেঁকা। কেতিয়াবা হাঁহি দেখুৱায়, ঘুৰি ঘুৰি আগে-পিছে চাই থাকে। ডেউপাৰি খোজ কঢ়াটো সেই পাপাত্মা বিলাকৰ চখ। এনে আচৰণৰ অন্ত প্ৰেম বিবাহ ৰূপে হয়। দুয়ো পিছলৈ গম পাই যায় যে দুয়োৰে অন্য প্ৰেমিক-প্ৰেমিকা আছিল। আকৌ তেওঁলোকৰ অৱস্থা ভগৱান শিৱ-পাৰ্বতীৰ দৰে হয়। ইহঁতৰ কতো থানথিত নোহোৱা অৱস্থা হয়। বিবাহৰ উদ্দেশ্য ইয়াৰ আগৰ প্ৰসংগ এটাত কোৱা হৈছে, সেই উদ্দেশ্যৰ বাহিৰলৈ গৈ যুৱক-যুৱতী বিলাকে যি কৰিবলৈ লয় সেইটোৱে জীৱন যাত্ৰাক নৰক তুল্য কৰে। যদি কাৰোবাৰ প্ৰেম সম্বন্ধ হৈও যায়, এটা কথা অৱশ্যে মনত ৰাখিব লাগিব যে নিজৰ সমাজৰ নীতি নিয়ম (গোত্ৰ, গাওঁ বা বিবাহৰ ক্ষেত্ৰ) যাতে ভংগ নহয় আৰু কুলৰ মা-দেউতাৰ প্ৰতিষ্ঠাত আঘাত নালাগে। ভূলবশতঃ প্ৰেম যদি হৈ যায় লৰা-ছোৱালীয়ে তাক চেদ কৰা ভাল।

অন্তৰজাতীয় বিবাহ বৰ্তমান সময়ত চলিছে, হ'লেও উপৰোক্ত নীতি নিয়মৰ প্ৰতি অৱশ্যে চকু দিব লাগিব। ভগৱান শিৱইও দেৱী পাৰ্বতীক এই কাৰণেই ত্যাগ কৰিছিল, কাহিনী এইধৰণৰ।

**ভগৱান শিৱৰ দ্বাৰা নিজৰ পত্নীক ত্যাগ কৰা প্ৰসংগ**

দশৰথ (অযোধ্যাৰ ৰজা)ৰ পুত্ৰ শ্ৰীৰাম চন্দ্ৰৰ বনবাস কালত লংকাৰ ৰজা ৰাৱণে সীতাক অপহৰণ কৰিছিল। শ্ৰীৰামে সীতাৰ ঠিকনা পোৱা নাছিল, সীতাৰ বিয়োগত শ্ৰী ৰামে শোক কৰি আছিল। আকাশৰ পৰা শিৱ-পাৰ্বতীয়ে দেখা পালে, পাৰ্বতীয়ে শিৱক সুধিলে যে এই মানুহজন ইমান বেয়াকৈ কিয় কান্দিছে। এওঁ কি বিপদত পৰিছে। শ্ৰীশিৱই ক'লে যে এওঁ সাধাৰণ ব্যক্তি নহয়, এওঁ শ্ৰীবিষ্ণু হয় যি জনে ৰজা দশৰথৰ ঘৰত জন্ম লৈছে। এতিয়া বনবাসৰ সময় পাৰ কৰি আছে, এওঁৰ পত্নী সীতাও লগত আহিছিল, কোনোবাই তেওঁক অপহৰণ কৰিলে এই কাৰণে দুখ কৰিছে। পাৰ্বতীয়ে কলে যে সীতাৰ বেশত এওঁৰ ওচৰলৈ যাম, যদি মোক চিনি পায় তেতিয়া মানি ল'ম যে প্ৰকৃততে ভগৱান হয়। শিৱই পাৰ্বতীক কৈছিল যে এনে ভূল কেতিয়াও নকৰিবা। তূমি সীতা ৰূপ ধাৰণ কৰিলে, মোৰ বাবে কোনো কামৰ হৈ নৰ'বা। পাৰ্বতীয়ে সেই সময়ত কৈ দিলে যে তেওঁ ৰামৰ পৰীক্ষা নলয়। কিন্তু শিৱ ঘৰৰ পৰা ওলোৱাৰ লগে লগে পাৰ্বতীয়ে সীতা ৰূপ ধৰি ৰামৰ সন্মুখত থিয় হ'ল। শ্ৰীৰামে কলে হে দক্ষ পুত্ৰী মায়া, আজি অকলে কেনেকৈ আহিলা ? শ্ৰীশিৱক ক'ত এৰিলা তেতিয়া দেৱী লজ্জিত হ'ল আৰু কলে যে ভগৱান শিৱই সচাঁই কৈছিল। ভগৱান শিৱইও গম পালে যে পাৰ্বতীয়ে সীতাৰূপ ধাৰণ কৰি পৰীক্ষা লৈছে। শিৱই পাৰ্বতীক যি কৰিবলৈ মানা কৰিছিলে সেইটোকে কৰিলে। পাৰ্বতীয়ে পৰীক্ষা লোৱা নাই বুলি মিছা মাতিলে। কিন্তু শিৱই বৰ খং কৰিলে আৰু প্ৰেম বিবাহ নৰকত পৰিণত হল। তাৰ বিৱৰণ আপুনি ওপৰত পঢ়িলে।

এই কাৰণে যুৱ বৰ্গলৈ অনুৰোধ যে নিজৰ দুৰ্বলতাৰ বাবে পিতৃ-মাতৃ আৰু সমাজ জীৱনত বিষবাস্প বিয়পাই নিদিব, বিবাহ কৰা ভাল কথা।

বিবাহৰ বাবে মা-দেউতা স্বয়ং চিন্তিত হৈ থাকে আৰু লৰা-ছোৱালীৰ বিবাহ কৰাই হে স্বস্তিৰ নিশ্বাস পেলায়। গতিকে যুৱক-যুৱতীয়ে কিয় মূৰঘমাব লাগে। যেতিয়ালৈকে বিয়া নহয় উচপিচনি বাঢ়ি থাকে। বিয়াৰ পাছত লৰা ছোৱালী হব। সাত বছৰ পিছত ভাৱ হয় "এয়া কি কৰিলো" ? যেনেকৈ হৰিয়ানাৰ কবি জাট মেহৰ সিংহদেৱে কৈছে -

"বিবাহ কৰকে দেখ লিও, জিচনে দেখী জেল নহী।" জেলত বাধ্য হৈ চাৰিবেৰৰ মাজত থাকিব লাগে। এইদৰে বিবাহৰ পাছত মা-দেউতা পৰিয়ালৰ ভৰন পোষনৰ বাবে গৃহস্থজীৱনত সমাজৰ নীতি নিয়ম ৰূপী চাৰি বেৰৰ মাজত থাকিবলৈ বাধ্য হয়। মই মতালি কৰিব নোৱাৰে, যেনে- চাকৰি কৰা লোকে চাকৰিত উপস্থিত হবই লাগিব, বনুৱাই বন কৰিবলৈ আৰু খেতিয়ক খেতি কৰিবলৈ বাধ্য, এইটো কৰা প্ৰয়োজন। এই কাৰণে বিবাহিত জীৱন নীতি নিয়ম ৰূপী কাৰাগাৰ সদৃশ। কিন্তু এই কাৰাগাৰ অবিহনে সংসাৰৰ উৎপত্তি হব নোৱাৰে। আমাৰ মা-দেউতাইও বিবাহ কৰিছিল আৰু আমি অমূল্য মানৱ শৰীৰ পালো। এই শৰীৰত থাকি আমি

ভক্তি কৰি মোক্ষ প্ৰাপ্তি কৰিব পাৰিম এয়া বিবাহৰেই বৰদান। এই পবিত্ৰ সমন্ধক চৰিত্ৰহীন ব্যক্তি সকলে কামুক কাহিনী শুনাই আৰু ৰাগিনী গাই যুৱ চামৰ অন্তৰত বাসনাৰ প্ৰেৰণা যোগায় যাৰ দ্বাৰা শান্ত-সমাহিত মানৱ জীৱনত জুই লাগি যায়। ফলত বহুত পৰিয়াল থানবান হৈ পৰে। বাতৰি কাকতত প্ৰায়েই পঢ়িবলৈ পোৱা যায় বিভিন্ন ঠাইত যুৱক যুৱতীয়ে প্ৰেম কৰি সৰ্বনাশ কৰি পেলাইছে। ছোৱালী ঘৰীয়াই নিজৰ ছোৱালীক বহুত বুজালেও কিন্তু অশ্লীল চিনেমাৰে প্ৰেৰিত ছোৱালীজনীয়ে মুঠেই নামানিলে। পৰিয়াল বৰ্গই ছোৱালী হত্যা কৰি পেলালে, কাৰাবাস খাটিলে। সেই দুজনে প্ৰেম প্ৰসংগৰূপী অগ্নিৰে পৰিয়াল জ্বলাই দিলে, ঠন ধৰি উঠা ঘৰৰ সৰ্বনাশ কৰি পেলালে। অন্য বহুত উদাহৰণ আছে যত মোকৰ্দমা হলে ফাঁচী পৰ্য্যন্ত হ'ব পাৰে। হে যুৱক-যুৱতী সকল, চিন্তা কৰক মা-দেউতাই আপোনাৰ পৰা কি কি আশা লৈ জীয়াই থাকে, আপোনালোকক তুলি তালি পঢ়ায়। আপুনি সামাজিক ৰীতি নীতি পাহৰি ভুল কৰি ডাঙৰ সমস্যাৰ সৃষ্টি কৰি জীৱন নষ্ট কৰে। গতিকে ল'ৰা-ছোৱালীয়ে সৎসঙ্গ শুনাটো অনিবাৰ্য্য। সামাজিক আদান প্ৰদানৰ লোপ হ'ব ধৰিছে, ইয়াৰ পাঠ পঢ়োৱা নিতান্তই আৱশ্যক।

প্ৰশ্ন ঃ- বৰযাত্ৰীৰ প্ৰচলন কেনেকৈ হ'ল ?

উত্তৰ ঃ- ৰজাসকলৰ পৰা আৰম্ভ হ'ল। তেওঁলোকে লৰাৰ বিয়াত ৰাস্তাত সুৰক্ষাৰ বাবে সেনা নিছিল ইয়াৰ সকলো খৰছ ছোৱালীৰ দেউতাই (ৰজাই) বহন কৰিছিল।

মহাজন সকলে যৌতুকত বেছিকৈ আভূষণ আৰু ধন দিছিল। তেওঁলোকে গাঁৱৰ অন্য দুখীয়া শ্ৰেণীৰ ব্যক্তিক দিন হাজিৰা দি সুৰক্ষাৰ বাবে লৈ গৈছিল। তেওঁলোকক প্ৰথম দিনা দৰা ঘৰত মিঠাই খাবলৈ দিয়া হৈছিল, কইনা পক্ষই প্ৰতি ৰক্ষকক এটা ৰূপৰ টকা পিতলৰ গিলাছ দিব লগা হৈছিল।

যি সকল দুখীয়া লোকে নিজৰ গৰু গাড়ী লৈ গৈছিল তেওঁলোকক অধিক ৰাশিৰ প্ৰলোভন দিয়া হৈছিল। আগৰ দিনত জংঘল বেছি আছিল, যাতায়াতৰ সাধন নাছিল। এনেদৰে এইটো এটা পৰম্পৰা হৈ পৰিল। সেই সময়ত অকাল পৰিছিল, মানুহ বেছি ভাগেই নিৰ্ধন আছিল, কোনো ধনী ব্যক্তিক অকলে পালে লুটপাট কৰাটো সাধাৰণ কথা আছিল। এই কাৰণে বৰযাত্ৰীৰ ৰূপত সেনাৰ প্ৰচলন হ'ল। লাহে লাহে এইটো এটা ডাঙৰ বোলোৱা পৰম্পৰা হৈ গ'ল। বৰ্তমান ইয়াৰ আৱশ্যকতা মুঠেই নাই।

প্ৰশ্ন ঃ- ভাত (ককাই-ভাইৰ দ্বাৰা বা সমাজে আগবঢ়োৱা আৰ্থিক সহায়)

উত্তৰ ঃ- ইয়াৰ মূলতে হ'ল বৰযাত্ৰী আৰু যৌতুক প্ৰথা। বৰযাত্ৰী লৈ যোৱাৰ বাবে দৰাঘৰে ভোজ ভাতৰ ব্যৱস্থা কৰাও ইয়াৰ এটা কাৰণ। কইনা ঘৰৰ দ্বাৰা বৰযাত্ৰীক ভোজ ভাত খুওৱা আৰু নগদ ধন, গিলাচ আদি দিয়াৰ কাৰণতো উপৰোক্ত প্ৰথাৰ প্ৰচলন চলিল। সহায়ক খেল বা গোট নিজৰ গাওঁ বা চুবুৰীয়া গাওঁৰ জ্ঞাতি কুটুমক লৈ গঠিত হয়। ইয়াত এনে ব্যক্তি সকল থাকে যি সকলে নিজৰ লৰা-ছোৱালী বিয়া অকলে পাতিব নোৱাৰে। ইয়াৰ বাবে প্ৰায় এশৰো অধিক সদস্য গোট এখনৰ সদস্য হয়। গোটৰ অন্তৰ্গত কাৰোবাৰ ঘৰত বিয়াহ হ'লে

সকলো সদস্যই নিজৰ বিত্তীয় সামৰ্থ্য অনুসৰি ধনৰাশি বিয়া ঘৰত দৰা বা কইনাৰ দেউতাকক দিছিল। এশ ২শ, কম বেছি পৰিমানৰ ৰাশি যি দিয়া হয়, সেয়া এক ধন ৰাশিৰ হিচাপ ৰখা হৈছিল। এই প্ৰথাত ঘৰৰ মানুহ ধনৰ অভাৱত পৰিব লগা নহয়।

ভাত ঃ- এই প্ৰথাৰ দ্বাৰাও বিয়া ঘৰক আৰ্থিক সহায় দিয়া ব্যৱস্থা কৰা হৈছিল। ভনী বাইদেউৰ ল'ৰা-ছোৱালীৰ বিয়াত কিছু কাপোৰ আৰু নগদ ধন দিয়াটো (ভাই-ককাইৰ দ্বাৰা) এই প্ৰথাৰ ব্যৱস্থা হয়। এইধন ঘূৰাই দিব নালাগে। যি সকলৰ ভাই ককাই নাথাকে, বিয়াৰ দিনা অতি দুখ কৰে, অকলে বহি কান্দে।

পীলিয়া (ছোৱালী ঘৰত সন্তান জন্মৰ সময়ত দিয়া আৰ্থিক সহায়) ঃ- সন্তান জন্ম হ'লে, আই, মোমাইৰ ঘৰৰ ফালৰ পৰা জীয়েকৰ বাবে দেশী ঘী, আটা, অজৱাইন, জালুক আদিৰে তৈয়াৰী আহাৰ, আৰু নৱজাতক শিশুটিৰ বাবে সৰু সৰু কাপোৰ আইৰ ঘৰৰ পৰা আৰু ছোৱালী জনীৰ ননদৰ পৰাও দিয়া হয়। এই পৰম্পৰাৰ সৰু সৰু কাপোৰ বোৰ পিছলৈ পিন্ধিব নোৱাৰাত এনেয়ে পেলনি যায়।

এই ধৰণৰ পৰম্পৰাক ত্যাগ কৰিব লাগিব, কাৰণ জীৱনৰ বাটত এইবোৰ অযথা ভাৰ মাথোন। আপুনি নিজৰ জীয়েকক সহায় কৰিব পাৰে, প্ৰয়োজনত গাই গৰু কিনি দিয়ক, বিত্তীয় অৱস্থা বেয়া হ'লে নগদ টকা দিও সহায় কৰিব পাৰে। কিন্তু বিবাহৰ সময়ত একোৱেই নিদিব। পিছত আপোনাৰ সম্পত্তিৰ পৰা জীয়েকৰ অধিকাৰখিনি দিব পাৰে। যদিহে বিচাৰে। জীয়েকেও প্ৰয়োজনত ধন লৈ পাৰিলে ঘূৰাই দিয়াৰ ব্যৱস্থা কৰিব লাগে। পৰমাত্মাৰ ওচৰত বিশ্বাস ৰাখিব। আপোনাৰ সন্মান যথাযথ থাকিব।

সমাধান ঃ- এই সকলো সমস্যাৰ সমাধানৰ বাবে বিবাহ সূক্ষ্মবেদ অনুসৰি কৰিব লাগে। আপুনি চাৰিবেদৰ বিষয়ে শুনিছে-যজুৰ্বেদ, ঋগবেদ, সামবেদ আৰু অথৰ্ববেদ। কিন্তু পঞ্চমবেদ-সুক্ষ্মবেদ। স্বয়ং পূৰ্ণ ব্ৰহ্মই, পৃথিৱীত প্ৰকট হৈ নিজ মুখ কমলেৰে অমৃত বাণীৰ দ্বাৰা সূক্ষ্মবেদ প্ৰদান কৰিছে।

মোৰ (ৰামপাল দাসৰ) অনুগামী সকলে সেই পঞ্চম বেদ অনুসৰি বিবাহ কাৰ্য্য সম্পন্ন কৰে। ইয়াত উপৰোক্ত ধৰণৰ কোনো পৰম্পৰা নাই। বিবাহ বা আন সম্পৰ্কীয় উপলক্ষ্যত দৰা বা কইনা পক্ষই কোনো খৰছ কৰিব নালাগে। মাত্ৰ কন্যাদান অৰ্থাৎ জীয়েকক গতাই দিব লাগে। ছোৱালী জনীয়ে নিজে পিন্ধিবৰ বাবে চাৰিযোৰা কাপোৰ ল'ব পাৰে। চেণ্ডেল বা জোতা পিন্ধা থাকিবই, বেলেগে নিয়া ব্যৰ্থ। যি খন ঘৰলৈ যাব সেই পৰিয়ালে তেওঁক নিজৰ ঘৰৰ সদস্যৰ দৰে ৰাখিব। নিজৰ ঘৰৰ বিত্তীয় অৱস্থা চাই অন্য সদস্যৰ সমানেই সকলো আৱশ্যক বস্তুৰ যোগান দিব। ছোৱালী নিজৰ মা-দেউতা, ভাই ককাইৰ ঘৰলৈ আহিলে কোনো কাপোৰ বা ধন নল'ব। ফলত ভাই ককাই বোৱাৰী নবৌয়ে মৰম জনাব। ননন্দক বেয়া পায় কাৰণ ভাৱে যে এবাৰ আহিলেই চাৰি পাঁচ হেজাৰ খৰছ হৈ যায়। কিন্তু আমাৰ ছোৱালী সন্মান সহকাৰে আহিব, সন্মানে উভতি যাব। ঘৰৰ পৰা কোনো বস্তু নলব। ইয়াৰ ফলত দুয়ো পক্ষৰ মাজত

ভাল পোৱা মৰম স্নেহ বাঢ়ি থাকিব। ভক্তি পথো সুগম হ'ব। এইধৰণে জীয়াই থকাৰ উচিত পথত আগবাঢ়ি আমি শীঘ্ৰেই লক্ষ্যত (মোক্ষলাভ) উপনীত হম।

প্ৰশ্ন ঃ- সন্তানহীনৰ মুখ ৰাতিপুৱা আৰু শুভ কামত যাওঁতে দেখা পালে অমঙ্গল হয় বুলি কিয় কয় ?

উত্তৰ ঃ- সম্পূৰ্ণ আধ্যাত্মিক জ্ঞানৰ অভাৰত জন্ম পোৱা এটা ভুল ধাৰণা। পাঠক সকলে এই কিতাপৰে পৃষ্ঠা ৬ ত পঢ়ি আহিছে যে এজন ব্যক্তিৰ চাৰিজন পুত্ৰ আছিল। বুঢ়া একাঙ্গীত ভুগিল। কোনোৱে সেৱা নকৰিলে। সেই মানুহজনৰ দৰ্শন এইকাৰণেই ভাল বুলিব নে যে তেওঁৰ সন্তান আছে। তেওঁৰ দূৰ্গতি চাবলৈ ভাল পাব ?

## কৃতঘ্নী পুত্ৰ

এজন ব্যক্তিৰ দুজন পুতেক আছিল। তেওঁ সেনাৰ পৰা সেৱানিবৃত্ত আছিল। পুতেক কেইজন বেলেগ বেলেগ হ'ল। সৰু ল'ৰাই মাকক নিজৰ ঘৰত ৰাখিলে। কাৰণ সন্তান সৰু সৰু আছিল। সিঁহতৰ চোৱাচিতাৰ বাবে প্ৰয়োজন আছিল। ডাঙৰ জনৰ ভাগত দেউতাক আহিল। দেউতাই কলে পেন্সনৰ টকা তাকেই দিম, যাৰ লগত খোৱা বোৱা চলিব। সৰুজনাই কলে পেন্সন আধা আধা ভাগ কৰি দিয়া। দেউতাই বিৰোধ কৰাত এদিনা দেউতাৰ মূৰত লাঠীৰে মাৰিলে। বুঢ়াৰ থিতাতে মৃত্যু হ'ল। লৰাৰ আজীৱন কাৰাবাস হ'ল। ব্যক্তি জনৰ পুত্ৰ থকাৰ বাবে তেওঁৰ দৰ্শন শুভ বুলি ভৱা হৈছিল, তেওঁৰেই অশুভ হ'ল। এতিয়া আধ্যাত্মিক জ্ঞানে জুখি চাওঁ সন্তানহীন সকলৰ দৰ্শন শুভ নে অশুভ। এই পুথিৰ প্ৰথম ছোৱাতেই উল্লেখ কৰা হৈছে যে পৰিয়াল সংস্কাৰৰ পৰা গঠন হয়। কাৰোবাৰ ধাৰ শুজিবলৈ পিতা পুত্ৰ, পত্নী, মা-দেউতা, ভাই-ভনী আদি ৰূপত জন্ম লৈ পৰিয়াল গঠন কৰি আৰামেৰে থকা দেখা যায়। কিন্তু কোনো বা জন ডেকা অৱস্থাতে ঢুকায়। কোনোবা বিবাহ পতাৰ লগে লগে মৰে। এইদৰে সকলোৱে নিজৰ ধাৰ শেষ হলেই অবিলম্বে শৰীৰ ত্যাগ কৰি গুচি যায়। যাৰ সন্তান নাই তেওঁৰ কোনো লেন-দেন নাছিল। এওঁলোকে যদি পূৰ্ণ গুৰুৰ পৰা দীক্ষা লৈ ভক্তি কৰে, তেওঁলোকৰ সমান সৌভাগ্যবান আন কোনো নাই। কোনোবাৰ জন্ম হওঁতে আনন্দ কৰিবলগীয়াও নাই মৰোতে দুখ কৰিবলৈকো নাই। এওঁলোকৰ দৰ্শন অতি শুভ। যদিহে ভক্তি নকৰে সন্তান থকাই হওঁক বা নিঃ সন্তান হওঁক দুয়ো নিজৰ জীৱন নষ্ট কৰি যাব। যদি ভক্তি কৰে দুয়োৰে দৰ্শন শুভ।

নিঃ সন্তান সকল সাৱধান হোৱা ঃ-

যি সকল পুণ্যাত্মাৰ সন্তান নাথাকে তেওঁলোকে অধ্যাত্ম জ্ঞানৰ অভাৰত সন্তান লাভৰ বাবে  অহৰহ চেষ্টা কৰি থাকে। তাৰ বাবে যথাসম্ভৱ চেষ্টা চলাই থাকে। তথাপিও কোনো লেনদেন থকা (সন্তান) নাপালে আজীৱন সন্তান প্ৰাপ্তি নোহোৱাৰ দুখ বহন কৰে। বিশেষ কৈ মহিলাৰ মাঁ হোৱাৰ ইচ্ছা প্ৰবল হয়। তেওঁ নিজকে পৰীক্ষা কৰি সন্তান হোৱাৰ লক্ষণ নাই বুলি কলেও দুখ কৰি থাকে। এইটো বিধাতাৰলীলা কিন্তু তত্ত্বজ্ঞানহীন তিৰোতা এই চিন্তাৰেই মৰি

যায়। ভক্তি নকৰাৰ বাবে তাইৰ পৰবৰ্ত্তী জন্মত কুকুৰণী হয়। তেতিয়া যম দূতে কয়, ভনটি এতিয়া যিমান ইচ্ছা সন্তান উৎপন্ন কৰা। এতিয়া এবাৰতে ৮ টাকৈ পোৱালি দিবা। তাৰ পিছৰ জনমত গাহৰণি হৈ প্ৰতিবাৰ ১২ টাকৈ পোৱালি দিবা আৰু সাত, আঠ বাৰ সন্তান জন্মাৰ পাচত সন্তানৰ ভোক নাইকিয়া হ'ব।

হে পুন্যাত্মা পাঠক ভাই/ভনী সকল। অধ্যাত্ম জ্ঞান বুজি লৈ মানৱ জীৱন সফল কৰক। জীয়াই থকাৰ পথ সুচাৰু কৰক অৰ্থাৎ পূৰ্ণ গুৰুৰ পৰা দীক্ষা লৈ ভক্তি কৰি কল্যাণ সাধক।

## বিবাহত জ্ঞানহীনে নাচে

এদিন বাতৰি কাকতত পঢ়িবলৈ পালো যে ৰোহতকৰ (হৰিয়ানাৰ) ল'ৰা বিয়াৰ বাবে ভিৱানী গৈ আছিল। তেওঁৰ লগত ভনী জোৱাই দুজনো বিয়াৰ বাবে আহিছিল। প্ৰথম দিনা পৰিয়ালৰ সকলো লোক ডিজে বজাই নাচি আছিল। কোলাহলে ঘৰখন তলওপৰ হৈ আছিল। দৰাৰ গাড়ী কলানৌৰৰ ওচৰত ডাঙৰ গাড়ীত খুন্দা খালে। গাড়ীৰ সকলো লোক মৰিল। দুয়ো ভনী বিধৱা হ'ল। এজনেই ল'ৰা আছিল দৰাজন। সৰ্বনাশ হ'ল। পৰমাত্মাৰ ভক্তি কৰিলে এনে সংকট নহয়। এই কাৰণেই মোৰ (ৰামপাল দাসৰ) অনুগামী সকলৰ প্ৰতি কঠোৰ আদেশ আছে যে পৰমাত্মাৰ ভয় কৰি কাম কৰিব। সামান্য বিধিৰে বিবাহ কৰক। এই লেতেৰা লোক (কালৰ লোক)ত খন্তেকৰো বিশ্বাস নাই যে কেতিয়া বজ্ৰপাত হ'ব।

## সন্তৰ শিক্ষা

গাঁৱৰ এজন ব্যক্তি প্ৰথমবাৰ শ্ৰী নানক দেৱৰ ওচৰলৈ গ'ল। তেওঁ দেখিলে যে সন্তজনে মনমাৰি অকলে বহি আছে। (নাম স্মৰণ কৰি আছিল) সেই মানুহজনে সৎনাম বাহেগুৰু কলে। শ্ৰী নানক দেৱেও উত্তৰ দিলে - আহাৰ খুৱালে। জ্ঞান বিচাৰ শুনালে। সেই ব্যক্তি গুচি গ'ল। আন এদিনা আকৌ সেই ব্যক্তি আহি একে অৱস্থাতে পালে, শ্ৰী নানক দেৱ জ্ঞানী সন্ত হ'লেও কেতিয়াও আনন্দিত দেখা পোৱা নাযায়। কাৰণটো কি জানিব বিচৰাত সন্ত নানক দেৱে ক'লে যে -

না জানে কাল কী কৰ ডাৰে, কিস বিধি ঢল জা পাসা ৱে।
জিনহাতে সিৰতে মৌত খুড়কদী উনহানু কেহড়া হাসা ৱে।।

ভাবাৰ্থ ঃ- নানক দেৱে কৈছে যে হে ভাই! এই মৃত্যু লোকত সকলো নাশৱান। জীৱন যাত্ৰাত ক্ষন্তেকতে কি বিপদ আহে। গতিকে যি জনৰ মূৰৰ ওপৰত মৃত্যুয়ে গিৰ্গিৰাই আছে, সেইজন ব্যক্তিক নাচ, গান, হাঁহি, ধেমালি, কেনেকৈ ভাল লাগিব। মূৰ্খ অথবা নিচাগ্ৰস্ত ব্যক্তিহে এই লেতেৰা লোকত আনন্দিত হ'ব। বিয়াৰ দহ বছৰৰ পাছত এজন ব্যক্তিৰ পত্নীৰ পুত্ৰ সন্তান জন্ম হ'ল। লৰা হোৱাৰ আনন্দত লাডু বনালে, গান বাজানা কৰিলে, তোলপাৰ লগালে। পিছৰ বছৰত জন্মদিনতেই লৰাটোৰ মৃত্যু হল। সেইদিনা জন্মদিন উদ্যাপনৰ যো-জা চলিছিল, কন্দা কটা আৰম্ভ হৈ গ'ল। ঘৰখন নৰকত পৰিণত হ'ল। এতিয়া আনন্দ উৎসৱ কৰা সাৰ্থকতা ক'ত।

শ্ৰী নানকদেৱৰ ওচৰত মানুহজনৰ এই সত্য কথা শুনি হৃদয় কপি উঠিল আৰু কলে “হে প্ৰভূ!” আপোনাৰ কথা সত্য। কিন্তু আপুনি কেতিয়াও আনন্দিত নহয় নেকি ? শ্ৰী নানক দেৱে উত্তৰ দিলে “মই আনন্দিত হওঁ”।

সাধ মিলে সাড়ে শাদী হুদী, বিছড়দা দিল গিৰি বে।
অখদে নানক সুনো জিহানা, মুস্কিল হাল ফকিৰি বে।

ভাবাৰ্থ ঃ- যেতিয়া মোৰ শিষ্য সৎসঙ্গ শুনিবলৈ আহে সেই ভকত সকলক দেখি মই সুখী হওঁ যে সকলোৱে ভক্তি কৰিছে। কোনো বিচলিত হোৱা নাই। সৎসঙ্গৰ পিছত তেওঁলোক গুচি গলে ভয় লাগে কোনোবা উদণ্ড ব্যক্তিয়ে এওঁলোকক ভ্ৰমিত কৰি পৰমাত্মাৰ পৰা দূৰ কৰে বুলি। শ্ৰী নানকদেৱে কৈছে যে জ্ঞানহীন সাধু, সন্ত ফকিৰে ভক্তিক কঠিন কৰি দিছে। তেওঁলোকে মোক্ষমাৰ্গ নাজানে, লোকক ভ্ৰমিত কৰিবলৈ গুৰু হৈছে আৰু মিঠা মিঠা কথাৰে ভকতক কালৰ জালত পেলাই দিয়ে। সেই কাৰণে ভকত সকল যেতিয়ালৈকে সৎসঙ্গলৈ আকৌ নাহে মোৰ চিন্তা হৈ থাকে। সকলো আহি পালে সুখী হওঁ, কিন্তু আমি মৃত্যুক নাপাহৰো। কবীৰ পৰমেশ্বৰে কৈছে ঃ-

মৌত বিসাৰী মূৰ্খা আচৰজ কিয়া কৌন।
তন মিট্টী মে মিল জায়াগা জ্যো আটে মে লৌন।।

**শব্দাৰ্থ** ঃ- হে মূৰ্খ মানৱ তুমি মৃত্যুক পাহৰি যোৱাটো বৰ আচৰিত কথা। তোমাৰ শৰীৰ মৃত্যুৰ পাছত মাটিত মিলি যাব, তোমাৰ চিন-মোকাম নাইকিয়া হ’ব। ভাবাৰ্থ এই যে মৃত্যুক পাহৰি মানুহে (স্ত্ৰী/পুৰুষ) লোভত পৰি দোষ কৰে আৰু সংসাৰত নিশ্চিন্তমনে থাকে। মৃত্যুৰ কথা সদায় মনত পৰি থাকিলে মানুহে কেতিয়াও পাপকৰ্ম বা অকৰ্তব্য নকৰিব।

অন্য উদাহৰণ ঃ- এজন মহাজন সন্তৰ আশ্ৰমলৈ গল সন্তৰ দয়াত তেওঁৰ ভাল লাভ হ’ল। সেই মহাজনে আপেল, কমলা, কল, আদিৰ, ডাঙৰ মোনা ভৰাই লৈ গল। সন্তই ফল, প্ৰসাদৰ বৰ্তনত সেইখিনি ঢালি দিলে। মহাজনে দুদিনৰ পাছত গৈ দেখিলে যে পাছি ফলেৰে উপচি পৰিছিল। কিছু প্ৰসাদ সন্তই ভকতৰ মাজত বিলাই দিলে। কিছুমান ভকতে অন্য ফল প্ৰসাদ পাছিটোত ঢালিলে। মহাজনে সন্তক সুধিলে যে তেখেতে ফল কিয় নাখায়। সন্তই উত্তৰ দিলে তেওঁক অহৰহ মৃত্যুৱে দেখা দি থাকে। এই কাৰণে খাব পৰা নাই। মহাজনে সুধিলে সন্ত সংসাৰৰ পৰা কেতিয়া যাব। সন্তজনে কলে যে আজিৰ পৰা চল্লিশ বছৰ পিছত মোৰ মৃত্যু হ’ব। মহাজনে কলে যে মৰিবতো লাগিবই আকৌ কিহৰ ভয়, এইটো কেনেধৰণৰ কথা। সাধাৰণ লোকো এনেকৈ ভয় কৰি নাথাকে আপুনি কি যে কৈ আছে, শেঠ জন দ্বিতীয়- তৃতীয় দিনাওঁ আহিল আৰু এনে ধৰণৰ কথাই ক’লে। সেই নগৰৰ ৰজাও সেইজন সন্তৰ ভকত আছিল সন্তই ৰজাক ক’লে যে আপোনাৰ নগৰত কিৰোড়ীমল নামেৰে মহাজন আছে। চন্দন কাঠৰ দোকান আছে তেওঁক ফাঁচীৰ শাস্তি শুনাই দিয়া আৰু এমাহৰ পাছত চতুৰ্দৰ্শীৰ দিনা ফাঁচীৰ দিন ধাৰ্য্য কৰি দিবা। জেলত মহাজনৰ কোঠাত ফলৰ পাছি ভৰাই আৰু এক লিটাৰ

গাখীৰ সদায় ৰাখিবা। খাবলৈ পায়স, চুজি, পুৰী, তৰকাৰী দিবা, ৰজাই সন্তৰ কথা মানি জেলত মহাজনক ৰখা কুৰিদিন হল। তেওঁ দুৰ্বল হৈ পৰিল। সন্ত জেললৈ গৈ প্ৰত্যেক কয়দীক লগ ধৰিলে। মহাজনক দেখি সন্তই সুধিলে যে তেওঁৰ ঘৰ ক'ত, নাম কি ? মহাজনে ক'লে যে হে মহাৰাজ আপুনি মোক চিনি পোৱা নাই ? মই কিৰোড়ীমল, চন্দন দোকানৰ মালিক, সন্তই কলে অ কিৰোড়ীমল নেকি ? তুমি দুৰ্বল কেনেকৈ হলা ? একো নোখোৱা নেকি ? ফলৰ পাছিও ভৰি পৰি আছে। গাখীৰ ৰখা আছে। থালীত পায়স, চুজি আছেই। মহাজনে ক'লে "হে মহাৰাজ মৃত্যুদণ্ড শুনাই থৈছে, শপত খাই কৈছো যে মই নিৰ্দোষী। মোক ৰক্ষা কৰক মহাৰাজ, মোৰ সৰু সৰু সন্তান আছে। সন্তই ক'লে যে সকলো মানুহ মৰে, আকৌ ভয় কিহৰ। খাই বৈ আনন্দ কৰা। মহাজনে সন্তৰ ভৰিত ধৰিলে, ক'লে মোক ৰক্ষা কৰক, মহাৰাজ একোৱে খাব নোৱাৰো। ফাঁচী দিনৰ দৃশ্য চকুত ভাহে। সন্তই ক'লে "মহাজন কিৰোড়ীমল, যেনেকৈ আজি তুমি, চতুৰ্দৰ্শীৰ দিনা নিশ্চিত মৃত্যু দেখিছা এনেদৰে সাধুসন্তসকলক নিজৰ নিজৰ চতুৰ্দৰ্শী দেখা দি থাকে, চল্লিশ বছৰ পিছতেই কিয় নহওক লাগে।

আপোনালোক অধ্যাত্ম জ্ঞানহীন আনন্দত বিভোৰ হৈ থাকা আৰু হঠাৎ মৃত্যু আহি লৈ যায়। একোকে কৰিব নোৱাৰা, চল্লিশ বছৰৰ পিছৰ মোৰ মৃত্যুৰ দিনটো মই দেখি আছোঁ। উত্ৰাৱল হোৱা মন নাই, পৰমাত্মাক স্মৰণ কৰি থাকোঁ। আপোনাৰ জ্ঞানৰ চকুত অজ্ঞানৰ পট্টী বন্ধা আছে, যিটো সৎসঙ্গত খুলি দিয়া হয় যাৰ ফলত জীয়াই থকাৰ পথ বিচাৰি পাব, মোক্ষ লাভ কৰিব। সন্তই ৰজাক কৈ শেঠক জেলৰ পৰা উলিয়াই দিলে আৰু মহাজনে নামদীক্ষা লৈ নিজৰ কল্যাণ সাধিলে।

## বিবাহৰ পাছৰ জীৱন যাত্ৰা -

বিবাহৰ পাছত এজনে আনজনৰ ওপৰত সম্পূৰ্ণ বিশ্বাস ৰখাটো পতি পত্নীৰ কৰ্তব্য। ভাবাৰ্থ এই যে দুয়ো যতী-সতীৰ মৰ্য্যাদা মানি চলিব লাগিব। পতিৰ অটল বিশ্বাস থাকিব লাগিব যে তেওঁৰ পত্নী কেতিয়াও অন্য পুৰুষৰ প্ৰতি সমৰ্পিত নহয়- অন্য পুৰুষজন যিমানেই সুন্দৰ অথবা ধনী নহওক লাগে। এইদৰে পত্নীৰো অটল বিশ্বাস থাকিব লাগিব যে তেওঁৰ পতি অন্য তিৰোতাৰ দ্বাৰা প্ৰভাৱিত হৈ কাম বাসনাত লিপ্ত নহয়-তিৰোতা গৰাকী লাগিলে স্বৰ্গৰ অপ্সৰাই কিয় নহওক।

কথা ঃ- এজন সেনাৰ জোৱান আছিল। তেওঁৰ পত্নী সতী অৰ্থাৎ পতিব্ৰতা আছিল। তেওঁ নিজৰ সৈনিক বন্ধুসকলক কলে, এই কথা ৰজাৰ মন্ত্ৰী চেৰখান (মুছলমান)ৰ ওচৰত পালে, তেওঁ ৰজাক ক'লে আৰু এই কথাৰ সত্যাসত্য নিৰ্ণয় কৰাৰ অনুৰোধ কৰিলে। ৰজাই সভাৰ আয়োজন কৰিলে আৰু সেই সৈনিক চাপসিংহক মাতি পঠিয়ালে। সভাত ৰজাই সুধিলে "তুমি কৈ ফুৰা যে তোমাৰ পত্নী পতিব্ৰতা হয়। তেওঁ কোনো প্ৰলোভনতে অন্য পুৰুষৰ লগত পতি ব্যৱহাৰ নকৰে", সৈনিক চাপ সিংহই ক'লে যে কথাটো এশ শতাংশ সত্য, ৰজাই ক'লে যদি মিছা প্ৰমাণিত হয়, সৈনিকে ক'লে যে ৰজাই দিয়া যি কোনো শাস্তি তাৰ মঞ্জুৰ হ'ব।

চেৰখান মন্ত্ৰীয়ে ক'লে যে পৰীক্ষা তেওঁ নিজেই ল'ব। ৰজাই মানি ল'লে, চাপ সিংহে ক'লে যে বিয়াৰ সময়ৰ চিন, এটুকুৰা কাপোৰ আছে। আৰু এটা ডাঙৰ ছুৰী কটাৰী আছে, সেইটো পত্নীয়ে কাকো নিদিয়ে। যদি চেৰ খানে সেইটো লৈ আহে মই হাৰ মানি ল'ম, লগতে মোৰপত্নীৰ শৰীৰৰ কোনো চিন কব লাগিব। মই মানি ল'ম যে মোৰ পত্নী ধৰ্মচ্যুত হ'ল।

চেৰখান চাপসিংহৰ ঘৰলৈ গ'ল। এজনী মুখবলী তিৰোতাক ক'লে যে ইয়াত চাপ সিংহ সৈনিকৰ পত্নী থাকে। তেওঁৰ লগত লগ ধৰাই দিব লাগে। তোমাক বহুত ধন দিম। সেই তিৰোতাই ক'লে যে সেয়া কোনোপক্ষেই সম্ভৱ নহয়। আকৌ চেৰখানে ক'লে যে সেই ঘৰৰ পৰা বিয়াৰ চিন সেই কাপোৰ টুকুৰা আৰু কটাৰী খন আনি দিব লাগে, চুৰি কৰি আনিলেও হ'ব, লগতে চাপ সিংহৰ পত্নী সোমাৱতীৰ গুপ্তাঙ্গৰ ওচৰৰ বা জংঘাৰ কোনো দাগ, চিন হ'লে খবৰ লৈ দিবলৈ কলে। সেই তিৰোতাগৰাকী আলহী হিচাবে চাপসিংহৰ পেহী হৈ সোমাৱতীৰ ঘৰলৈ গ'ল। সোমাৱতীৰ বিয়াত বা তাৰ পাছতো পেহী জনী কেতিয়াও অহা নাছিল। বেমাৰৰ বাবে বিয়াত অহা নাছিল। গতিকে এতিয়া কেইদিন মান থকাৰ কথা ক'লে। এদিন সোমাৱতীক গাধুই থকা দেখা পাই ওচৰলৈ গৈ শৰীৰৰ প্ৰশংসা কৰাৰ ছলেৰে কোনো দাগ আছে নেকি চাই ল'লে। গুপ্তাংগৰ ওচৰত ডাঙৰ তিল এটা আছিল। ইয়াৰ পাছত তিৰোতা জনীয়ে কাপোৰ টুকুৰা আৰু কটাৰী খন চুৰি কৰি চেৰখানক দিলে আৰু তিল থকা কথাও ক'লে। চেৰখান মন্ত্ৰীয়ে ৰজাক কলে যে সি সোমাৱতীৰ লগত মিলন কৰি আহিছে। তাইৰ জংঘাত ক'লা তিল আছে। বিয়াৰ চিন কপোৰ টুকুৰা, কটাৰীও প্ৰেম আৰু ধনৰ বাবে মোক দিছে।

ৰজাই সভা পাতি চাপ সিংহকো মাতিলে। ক'লে এই কাপোৰ খন কাৰ। চাপসিংহে ভালকৈ চালে আৰু কলে যে সেয়া তাৰেই হয়। চেৰখানে কলে "আৰু কওঁ শুনা তোমাৰ পত্নীৰ সোঁ জংঘাত গুপ্তাংগৰ ওচৰত কলা তিল আছে"। চাপ সিংহই ক'লে যে সেয়া সকলো সচাঁ, কিন্তু তেওঁৰ পত্নী ধৰ্মচ্যুত হব নোৱাৰে। ৰজাই চাপ সিংহক কলে যে সি তাৰ কথা কিয় নেৰে, সি মিছা মাতিছে। তোক আজিৰ পৰা এমাহৰ পাছত ফাঁচী দিয়া হ'ব। তোৰ শেষ ইচ্ছা কি, কোৱা ? চাপ সিংহে কলে যে সি নিজৰ পত্নীক লগ পাব বিচাৰে। ৰজাই আজ্ঞা দিলে। চাপ সিংহ নিজৰ পত্নীৰ ওচৰত গ'ল। তাইক বিশ্বাস ঘাতকতা কৰা বুলি কথা শুনালে আৰু কলে যে তেওঁ তাইৰ বাবেই সেইদিনাখন ফাঁচী হব। সোমাৱতী য়ে কলে যে চাপসিংহৰ পেহী বুলি এজনী তিৰোতা আহিছিল। তাই মোৰ অংগৰ দাগ দেখিছিল আৰু কাপোৰ টুকুৰা, লগতে কটাৰী খনো চুৰি কৰি লৈ গল। চাপ সিংহে কলে যে মন্ত্ৰী চেৰখান আহিছিল। সিয়েই এই সকলো ষড়যন্ত্ৰ কৰিছে চাপসিংহ উভতি গ'ল। ফাঁচীৰ দিনৰ এসপ্তাহ আগতে সোমাৱতী ৰজাৰ নগৰত নৰ্তকীৰ বেশত আহিল আৰু নৃত্য দেখুওৱাৰ আগ্ৰহ কৰিলে। ৰজাই আজ্ঞা দিলে। সম্পূৰ্ণ সভা উপস্থিত আছিল। মন্ত্ৰী চেৰখান উপস্থিত আছিল। নৰ্তকীৰ নাচ দেখি ৰজা বৰ প্ৰসন্ন হ'ল আৰু নৰ্তকীৰ নিজৰ ইচ্ছামতে কিবা খুজিবলৈ কলে। নৰ্তকীয়ে কলে যে আপুনি প্ৰতিশ্ৰুতি দিলে হে খুজিম। ৰজাই কলে যে ৰাজ্যৰ বাহিৰে সকলো দিম।

নৰ্তকীয়ে কলে যে আপোনাৰ সভাত মোৰ চোৰ আছে। মোৰ ঘৰৰ পৰা বস্তু চুৰ কৰি আনিছে। তাৰ নাম চেৰখান। তাক ফাঁচীৰ দণ্ড দিয়া যাওক ৰজাই শেৰখানক সুধিলে যে নৰ্তকীৰ কথা কিমান সচাঁ। শেৰ খানে কলে যে এইজনী তিৰোতাক আগতে কেতিয়াও দেখা নাই।

তেতিয়া সোমৱতীয়ে ক'লে যে যদি মোৰ চেহেৰা দেখাই নাই, এই টুকুৰা কাপোৰ আৰু কটাৰী কাৰ ঘৰৰ পৰা আনিছিল। মই সেই চাপসিংহৰ পতিব্ৰতা পত্নী হওঁ যাৰ ফাঁচী চেৰখানৰ মিছা কথাৰ কাৰণে হ'ব। চাপসিংহক মতা হল ৰজাই চাপসিংহক আধা ৰাজ্য দিলে। এনে কণ্যাক ধন্যবাদ যাক লৈ ভাৰতবৰ্ষই গৌৰৱ কৰিব পাৰে।

সন্ত গৰীব দাস মহাৰাজক কবীৰ পৰমেশ্বৰ কৈছিল যে ঃ-

তুৰা ন তীখা কুদনা পুৰুষ নহী ৰণধীৰ।
নহী পদমনী নগৰ মে, য়া মোটী তকসীৰ।।

ভাবাৰ্থ ঃ- কবীৰ পৰমেশ্বৰে সন্ত গৰীব দাসক কৈছে যে যি খন নগৰত বা দেশত তীব্ৰ গতিৰে জাপ মাৰিব পৰা ঘোৰা নাই আৰু নাগৰিক সকল বীৰ নহয় আৰু যি দেশ বা নগৰত পদমণী অৰ্থাৎ পতিব্ৰতা নাৰী নাই, তেতিয়া এইটো বৰ ডাঙৰ দোষ অৰ্থাৎ লোকচান। তেনেধৰণৰ চৰিত্ৰবাণ পুৰুষ তিৰোতা দুয়োৰে থকাটো প্ৰয়োজন।

বিয়াৰ পাছত নিজৰ ঘৰত ছোৱালী বিলাকে সকলো ধৰণৰ শৃংগাৰ কৰে। সাজিকাচি ৰাস্তাই ৰাস্তাই ফুৰে। আচৰিত ধৰণৰ ভংগী কৰে। জকমকীয়া কাপোৰ পিন্ধি বজাৰ, পথাৰ বা পানীৰ বাবে নদী বা কুঁৱালৈ যায়, তেওঁলোকৰ উদ্দেশ্য কি হয় ? স্পষ্টতঃ নিজৰ পতিৰ অতিৰিক্ত অন্য পুৰুষক নিজৰ প্ৰতি আকৰ্ষণ কৰা। নিজৰ সুন্দৰতাৰ বা বৈভৱৰ প্ৰদৰ্শন কৰাটো চৰিত্ৰবান মহিলাৰ লক্ষণ নহয়। পতিৰ কাৰণে সেইবোৰ কৰা হ'লে সেইবোৰ ঘৰতে সীমিত হ'ব লাগিছিল। কিন্তু এনে লক্ষণ মনৰ দোষৰ প্ৰতীক হয়।

সাধাৰণ কাপোৰ কানি পিন্ধিব লাগে দামী হ'বও পাৰে, সস্তাও হ'ব পাৰে। ভনী সকলৰ বা বোৱাৰী সকলৰ দৃষ্টি সন্মুখ ফালে ১২ ফুট পৰ্যন্ত থাকিব লাগে। খোজ কাঢ়োতে, উঠা বহা কৰোঁতে মন কৰা উচিত যে নিজৰ গতিবিধিয়ে কাকো অশ্লীল ইংগিতৰ বাবে উৎসাহ নিদিয়ে। তিৰোতাৰ ভূল আচৰণে উদণ্ড লোকক বেয়া কামৰ প্ৰতি প্ৰেৰণা যোগায়, সিহঁতে বৰকৈ আমনি কৰে। জীয়ৰী, বোৱাৰী যুৱতী সকল পৰিয়ালৰ লগত যি ভাৱে থকা-মেলা কৰে, বাহিৰতো তেনে আচৰণ কৰা উচিত। তেতিয়া সভ্য সমাজে তেওঁলোকৰ প্ৰশংসা কৰিব সমাজে তেওঁলোকক আদৰ্শ আচৰণৰ প্ৰতীক বুলি অন্য যুৱক-যুৱতীক কব। যদি প্ৰেট্ৰোলত ফিৰিংতি নপৰে, তাত বিস্ফোৰণ হৈ জুই নালাগে।

ইয়াৰ বিপৰীতে উপৰত বৰ্ণনা কৰা ধৰণৰ উদণ্ড আচৰনে সমাজত জুই লগাব। এই কথা যুৱক যুৱতী দুয়োৰে ক্ষেত্ৰত খাটে।

যৌৱন বাৰুদৰ দৰে। যদি ফিৰিঙতি পৰে সৰ্বনাশ হৈ যাব। যদি ফিৰিঙতি নপৰে বছৰ

বছৰ ধৰি সুৰক্ষিত থাকিব।

প্ৰত্যেক পুৰুষে বিচাৰে তেওঁৰ জীয়ৰী, বোৱাৰী, ভনী অতি ভাল চৰিত্ৰৰ হওঁক। গাওঁ চহৰত যেন কোনোৱে তেওঁৰ বংশৰ বদনাম নকৰে।

যেতিয়াই কোনো যুৱতীক দেখি মনত দোষ উৎপন্ন হয় তুৰন্তে বিচাৰ কৰিব যে যদি নিজৰ জীয়ৰী বোৱাৰী, ভনীৰ প্ৰতি কোনোবাই বেয়া দৃষ্টি ৰাখে আৰু দুস্কৰ্মৰ মনেৰে উদ্ভণ্ড আচৰণ কৰে তেতিয়া আপোনাৰ কেনে অনুভৱ হব। আপুনি নিশ্চয় তাৰ ভৰি ভাঙিব। আপুনি যদি দুৰ্বল, একো কৰিব নোৱাৰে অকলশৰে বহি কান্দিব। সেইসময়ত চিন্তা কৰি চাব যে -

জৈসা দৰ্দ অপনে হোৱে, ঐসা জান বিৰানৈ।
জো অপনে সো ঔৰ কে, একৈ পীড় পিছেনে।।
কবীৰ পৰনাৰীকো দেখিয়ে, বহন - বেটিকে ভাৱ।
কহ কবীৰ কাম নাশ কা, য়হী সহজ উপায়।

সমাধান ঃ- পৰমেশ্বৰ কবীৰ দেৱে কৈছে যে -

যৌন উৎপীড়ন প্ৰেৰক চিনেমা যত কৃত্ৰিম, মনে সজা কাহিনী আৰু অঙ্গী ভঙ্গী দেখুওৱা হয়, যাক চাই যুৱক যুৱতী সকল তাৰে নকল কৰি লাজ চৰমক আওঁকাণ কৰে। যেনে - গতি বিধি চিনেমাত দেখুওৱা হয়। সেয়া ঘৰত ৰাস্তাত বা সভ্য সমাজত কৰিব পৰা নাযায়। তেন্তে তাক চোৱাৰ উদ্দেশ্য নো কি ? উদ্দেশ্য হীন কথা অজুহাত মনোৰঞ্জন সেই মনোৰঞ্জনেই সমাজৰ অধঃ পতনৰ মূল কৰাণ। মোৰ লেখকৰ অনুগামী সকলে চিনেমা নাচায়।

অশ্লীল ৰাগিনী চিনেমাৰ গান আৰু অশ্লীল চৰ্চা, কাম নথকা যুৱচামে কৰি ভাল পায়। সংগ দোষত পৰি চৰিত্ৰৱান যুৱক যুৱতীসকলো তেনে নাক কাণ কটা আচৰণৰ প্ৰতি প্ৰেৰিত হয়।

কবিৰ পৰমেশ্বৰে কৈছে -

কথা কৰো কৰতাৰ কী, সুনো কথা কৰতাৰ।
কাম কথ সুনো নহী, কহ কবি বিচাৰ।।

ভাবাৰ্থ ঃ- কবিৰ পৰমেশ্বৰে বুজাইছে যে হয় পৰমেশ্বৰৰ আত্মাৰ মহিমা গুণ গান কৰক নহয় পৰমাত্মাৰ চৰ্চা-যত হৈ আছে, তালৈ গৈ শুনক। কাম অৰ্থাৎ অশ্লীল চৰ্চা কেতিয়াও নুশুনিব। কবিৰ দেৱে এই বিচাৰ বা মত শুনাইছে।

**বিশেষ চিন্তা চৰ্চা ঃ-**

কাম (Sex) প্ৰক্ৰিয়াক বিশেষ ভাৱে চিন্তা কৰক। পতি-পত্নীৰ মিলনক সমাজে সন্তানৰ উৎপত্তি বাবে স্বীকৃতি দিছে। সন্তান উৎপন্ন কৰা এই প্ৰক্ৰিয়াক সম্ভোগ বোলে। ইয়াৰ দ্বাৰাই আমাৰ আৰু ভাই ভনী সকলে জন্ম হ'ল। গতিকে চিন্তা কৰক এই ক্ৰিয়া কিমান পবিত্ৰ যাৰ দ্বাৰা অমূল্য মানৱ শৰীৰ প্ৰাপ্ত হয়। কোনোৱা চিকিৎসক হ'ল, কোনোৱা সৈনিক, কোনোবা মন্ত্ৰী আকৌ কোনোবা জন ইঞ্জিনিয়াৰ, খেতিয়ক হ'ল। সকলোৱে নিজৰ কৰ্তব্য কৰাত আমাৰ

সকলোৰে সুবিধা হয়। যেনে বনুৱাই ঘৰ সাজি দিয়ে। মানৱ শৰীৰত থাকি আমি ভক্তি দান ধৰ্ম আদি কৰ্ম কৰি নিজৰ জীৱনৰ কল্যাণ সাধিব পাৰিম। এয়া সম্ভোগ ক্ৰিয়া। ইয়াক উদ্‌ভণ্ডালি কৰি, ৰাগিনী গাই, চিনেমা গান শুনি মলিন বাসনা যুক্ত কৰিলেও সম্ভোগৰ উদ্দেশ্য মাত্ৰ সিমানেই। ইয়াক আঁৰ কাপোৰৰ সিফালে থাকি কৰাটো সভ্যতা, পশু পক্ষীয়ে মুকলিকৈ প্ৰজনন ক্ৰিয়া কৰে যিটো ভাল নালাগে। মানুহ সভ্য প্ৰাণী। তেওঁ পৰ্দা আঁৰত আৰু নীতি নিয়মৰ ভিতৰত থাকি সভ্যতাক আগবঢ়াই নিব লাগে।

উপৰোক্ত কথাখিনি পঢ়াৰ পিছত আপুনি কোনো মহিলাৰ প্ৰতি অশ্লীল ভাৱ পোষন কৰিব নোৱাৰে। এই ক্ৰিয়া পূৰ্বপুৰুষে কৰাৰ বাবে আমাৰ মা-দেউতা জন্ম হ'ল। সেই মা-দেউতাই আমাক জন্ম দিলে, তুলি তালি ডাঙৰ দীঘল কৰিলে। আমাক ইমান বেছি মৰম কৰা মা-দেউতাৰ জন্মও কাম ক্ৰিয়াৰ পৰাই হৈছে। তেতিয়া হ'লে এইটো কেনেকৈ অশ্লীল হ'ল। এই ক্ৰিয়াক উদ্ভণ্ড, অঘৰী লোকে অশ্লীলতাৰ দৃষ্টিৰে চাই অশ্লীল ৰূপ দি সমাজত জুই লগাইছে।

দেশৰ সংবিধানত এনে ব্যৱস্থা আছে কোনো পুৰুষে এগৰাকী মহিলাক যৌন শোষন কৰিলে তেওঁৰ তিনিবছৰৰ শাস্তি হব। অবৈধ কাম ক্ৰিয়া কৰিলে দহ বছৰৰ শাস্তি হ'ব। আইন জনা থাকিলে মানুহে বেয়া কাম কৰিবলৈ ভয় কৰিব। আইনৰ জ্ঞান থকাটো প্ৰয়োজন। এইধৰণৰ পাপ কাল ব্ৰহ্মই কৰোৱায়। কাল কোন ? এই পুথিৰ ২৪৬ পৃষ্ঠাত সৃষ্টি ৰচনা অধ্যায়ত কালৰ বিষয়ে পঢ়িব পাৰিব।

**বোলছবি চাব নালাগে ঃ**

বোলছবি কাল্পনিক কাহিনী যাক চাওঁতে আমি পাহৰি পেলাওঁ যে পাত্ৰ পাত্ৰীয়ে জিৱীকাৰ বাবে বোলছবিত কাম কৰে। এখন ফিলিমত কাম কৰাৰ বাবে কোটি টকা লয়। সৰল যুৱক-যুৱতী সকল নিজক পাহৰি তেওঁলোকৰ প্ৰতি আসক্ত হৈ পৰে। তেওঁলোকে নিজৰ জীৱিকা আৰ্জন কৰি আছে, আমি মুৰ্খৰ দৰে সেইটো চাবলৈ ব্যৰ্থতে ধন খৰছ কৰি আছো। যি নায়ক-নায়িকাৰ প্ৰতি আপুনি আসক্ত হৈ আছে, তেওঁলোকৰ ঘৰলৈ গৈ চাব। তেওঁলোকে আপোনাক পানীও নিদিব, চাহ দিয়া তো দূৰৰ কথা। চিন্তা কৰি চাওক মই মিঠাই খাই আছোঁ আৰু আপুনি চাই আছে। আপুনি কৈ আছে যে বাহ কি ষ্টাইলেৰে মিঠাই খাই আছে, আপুনি পালে কি ? এই অৱস্থাই বোলছবিৰ অভিনেতা আৰু দৰ্শকৰ।

⇒ আমি আমাৰ চিন্তাধাৰা সলনি কৰিবৰ হ'ল ঃ- যেতিয়া আমি অশ্লীল মূৰ্ত্তিবোৰ চাওঁ অশ্লীলতা উৎপন্ন হয় কাৰণ সেই উত্তেজক মুৰ্ত্তিয়ে আপোনাৰ ভিতৰত জুইৰ ফিৰিঙটিৰ কাম কৰিলে, পেট্ৰ'লৰ সদৃশ দেহত জুই আৰম্ভ হ'ল। এনে চিত্ৰক চোৱা অভ্যাস ত্যাগ কৰিলে মঙ্গল হয়।

⇒ দেশভক্ত সকলৰ জীৱনী পঢ়িলে আৰু মূৰ্ত্তি দেখিলে, দেশভক্তিৰ প্ৰেৰণা জাগে। এনে

ধৰণৰ কিতাপ বা ছবি ঘৰত থাকিলে একো হানি নহয়।

⇒ যদি আমি সাধু-সন্ত ফকীৰ বা অন্য ভাল চৰিত্রবান নাগৰিকৰ জীৱনী পঢ়ো বা শুনো, সকলো দোষ আঁতৰ হয় আৰু আমি ভাল নাগৰিক হোৱাৰ চিন্তা কৰিম। এই কাৰণে আমাক সন্ত আৰু সৎসঙ্গৰ অতি আৱশ্যক আছে যত ভাল-ভাল বিচাৰ ধাৰাৰ বিষয়ে কোৱা হয় আৰু জানিব পাৰি।

⇒ আমি আমাৰ মাজনীক গা ধুৱাই দিওঁ, কাপোৰ পিন্ধাইদিও। এনেদৰে সকলোৱে কৰে। সেই জনী ছোৱালী বিয়াৰ পিছত নিজৰ ঘৰলৈ যাব। আনৰ ছোৱালীও আমাৰ ঘৰলৈ বোৱাৰী হৈ আহে। ইয়াত নতুন কথা কিবা হ'ল জানো। শুদ্ধ চিত্তেৰে চিন্তা কৰাৰ বিষয় এয়া। এই ধৰনে বিচাৰ কৰি চালে অবাঞ্চনীয়, বেয়া ভাৱ নাইকিয়া হৈ যাব, সাধুভাৱ উৎপন্ন হ'ব। বাতৰি কাকতত প্রায়েই এনে অশ্লীল ছবি ছপা হয় যিবোৰে যুৱাচামক অসামান্য কৰি তোলে। বিজ্ঞাপনৰ বাবে ছোৱালীবিলাকে কেৱল অন্তৰ্বাস পিন্ধি বিশেষ ভংগিমাত ছবি তোলে, এয়া ডাঙৰ ভুল, দোষ। এনেদৰে পুৰুষ সকলেও অকল অন্তৰ্বাস পিন্ধি বিজ্ঞাপন দিয়ে, যিটো অতি ঘৃননীয় হয়। এনে বিজ্ঞাপন বন্ধ কৰিব লাগিব, ইয়াৰ বাবে সভ্য লোকৰ সংগঠনৰ প্রয়োজন আছে, যি সাংবিধানিক প্রক্রিয়াৰে এনেধৰনৰ অশ্লীলতাক বন্ধ কৰাৰ কাৰণে সংঘৰ্ষ চলাই যাব আৰু মানৱক চৰিত্রবান, দয়াবান কৰি তোলাৰ বাবে ভাল ভাল কিতাপ যোগানৰ ব্যৱস্থা কৰিব। সৎসঙ্গ আয়োজন কৰিব।

⇒ নৈতিকতাৰ পাঠ পঢ়া শুনা ল'ৰা-ছোৱালী সংযমী হয়। দেখিবলৈ পোৱা যায় যে বিবাহৰ কিছুদিন পাছতেই পতি নিজৰ কৰ্তব্যস্থলী লৈ গুচি যায়। আঠ-ন মাহ লৈকে ঘৰলৈ ঘুৰি নাহে। কোনো ভনীৰ পতি-জীৱিকাৰ বাবে বিদেশলৈ গৈ তিনি বছৰলৈকে নাহে। এই ভনী সকল সংযমেৰে থাকে, কোনো বেলেগ পুৰুষক সপোনতো নেদেখে, এওঁলোকে উত্তম বংশৰ জীয়ৰী হয়। পুৰুষো পত্নীৰ পৰা দুৰত সংযমেৰে থাকে। এওঁলোকো ভাল চৰিত্রবান ঘৰৰ পুত্র হয়, ভাল বংশৰ হয়। চৰিত্রহীন সকলে অশোভনীয় আচৰণ কৰি থাকে। মূৰৰ চুলি নতুন ফেচনত কাটি কলা-হালধীয়া চশমাপিন্ধি ৰাস্তাত কুকুৰৰ দৰে ঘুৰি ফুৰে। তেওঁলোক উদণ্ড স্বভাৱৰ হয়। সিহঁতে বেয়া কাম কৰি ভাল ঘৰৰো অৱস্থা বেয়া কৰি দিয়ে কাৰণ কাৰোবাৰ ভণী-জীয়ৰীক বেয়া কথা কৈ কাজিয়াৰ সূত্রপাত কৰে। ক'ব নোৱাৰি সেই কাজিয়াই কিমান ভয়ংকৰৰূপ লয়। কাৰোবাৰ মৃত্যুও হব পাৰে। এনে ব্যক্তি পৰিয়ালত থাকিলে দুয়ো (নিজৰ আৰু শহুৰৰ) ঘৰৰ সৰ্বনাশ কৰি দিব। সেই কাৰণে নিজৰ সন্তানক সৰুকালৰ পৰা সৎসঙ্গৰ কথা শুনোৱাই ভাল চিন্তা ধাৰাৰ আৰু চৰিত্রবান কৰি তুলিব লাগিব।

## চৰিত্রৱানৰ কথা

শুকদেৱ নামেৰে এজন ঋষি আছিল তেওঁ শ্রী বেদ-ব্যাসৰ পুত্র আছিল। এদিন তেওঁ দীক্ষা লোৱাৰ উদ্দেশ্যৰে ৰজা জনকৰ ওচৰলৈ গল, ৰজা জনক মিথিলা নগৰৰ ৰজা আছিল। ৰজা জনকে শুকদেৱক জনালে যে পিছ দিনা পুৰা নাম দীক্ষা দিব। তেওঁৰ থকামেলাৰ বাবে ৰজাই

বেলেগ ভৱনত ব্যৱস্থা কৰি দিলে। এগৰাকী সুন্দৰী যুৱতীক ঋষিৰ সেৱাত পৰীক্ষা লোৱাৰ উদ্দেশ্যেৰে পঠিয়ালে। যুৱতী গৈ ঋষিৰ বিছনাত ভৰিৰ ফালে বহিল। ঋষিয়ে ভৰি কোঁচাই ল'লে। যুৱতী ঋষিৰ আৰু ওচৰ চাপিলত তেওঁ যুৱতী গৰাকীক অনুৰোধ কৰি কলে যে তাই দেখাত ভাল ঘৰৰ ছোৱালী যেন বোধ হয়, যদি তাই নাযায় তেওঁ নিজে বাহিৰলৈ যোৱাৰ কথা ক'লে। যুৱতী তাৰ পৰা আতঁৰিল, তাই ৰজা জনকক কলে যে ব্যক্তিজন ভাল। গোটেই ঘটনা বিৱৰি ক'লে, ৰাতিপুৱা ৰজা জনকে ঋষিক ক'লে যে তেওঁক লগ ধৰিবলৈ যুৱতী এগৰাকী ঋষিৰ কোঠাত গৈছিল। তাইক স্বীকাৰ নকৰি ঋষিয়ে ভাল সংযমৰ পৰিচয় দিছে, ধন্য আপোনাৰ মা-দেউতা।

কবীৰ পৰমেশ্বৰৰ বিচাৰ এওঁতকৈ ও উচ্চ আৰু শ্ৰেষ্ঠ। তেওঁ কয় যে ঋষি শুকদেৱো আত্মজ্ঞানী নাছিল কাৰণ যুৱতী জনী তেওঁৰ বিছনাত বহোঁতে তিৰোতা ভাবি নিজৰ শৰীৰক চুব নিদিলে আৰু থিয় হ'ল। চিন্তা কৰক যদি যুৱতীৰ ঠাইত যুৱক এজন বহিলে হয় তেতিয়া শুকদেৱে কি কৰিলে হয়, তেওঁ কুশল-মঙ্গল বতৰা সুধিলে হয় আৰু বিছনাৰ পৰা নুঠিল হয়, ক'লে হয় যে বিছনা এখনেই, আপুনি বিশ্ৰাম লওক, মই তলত, মাটিত আসনত বহিম। যুৱক সভ্য হলে ক'লে হয় যে ঋষি বিছনাত বহিব আৰু নিজে মাটিত জিৰাব। কিন্তু যুৱতী হোৱাৰ বাবেই ঋষি শুকদেৱক কাম দোষৰ বাবে ভয় লাগিল।

কবিৰ পৰমেশ্বৰ দেৱে কৈছে যে স্ত্ৰী আৰু পুৰুষ শৰীৰ আত্মাৰ ওপৰৰ (আত্মাক ঢাকি ৰখা) দুটা কাপোৰ। গীতা অধ্যায় ২ শ্লোক ২২ ত অৰ্জুনক কোৱা দৰে জীৱই শৰীৰ ত্যাগকৰি নতুন শৰীৰ ধাৰণ কৰি লয়, তাকেই মৃত্যু বুলি কয়। কথাটো এনেকুৱা যে মানুহে পুৰনা কাপোৰ পেলাই নতুন পিন্ধি লয়। সেই কাৰণে আত্মতত্ত্বক জনা উচিৎ।

উদাহৰণ ঃ- এখন গাঁৱলৈ অভিনয় মণ্ডলী আহিল। কেইবা দিনো তেওঁলোকে অভিনয় দেখুৱালে। আগৰ দিনত নাটকত পুৰুষেই তিৰোতাৰ ভাও লৈছিল। এজন ল'ৰা বন্ধুৰ লগত প্ৰথম বাৰ অভিনয় চাবলৈ গ'ল। অভিনয়ত এজন ল'ৰাই ছোৱালীৰ বেশ পিন্ধিছিল। বুকুখনো যুৱতীৰ দৰে কৰি ৰাখিছিল। প্ৰথম বাৰলৈ যোৱা ল'ৰাজনে নিজৰ বন্ধুক (যি নাটক কেইবা বাৰো চাইছিল) কলে "চা চোন চা কি ধুনীয়া ছোৱালী"। লগৰীয়া জনে ক'লে যে সেইয়া ছোৱালী নহয়। কিন্তু প্ৰথম বাৰ যোৱা ল'ৰাই কোনোপধ্যে নামানে। সি বন্ধুৰ কথা বিশ্বাস কৰিব পৰা নাছিলে অভিনয় সমাপ্ত হোৱাৰ পিছত অভিনয় কৰা লোক বিলাক থকা ঠাইলৈ গ'ল। দুয়োজন ল'ৰাও তালৈকে গ'ল। দেখিলে যে স্ত্ৰীৰ অভিনয় কৰা ল'ৰাজনে স্ত্ৰীৰ বেশ ভুষা খুলি খুটি এটাত ওলোমাই দিলে। বুকুৰ পৰা সাজিলোৱা স্তন খুলি বেগত ভৰালে আৰু লৰাৰ সাজ-পোছাক পিন্ধিয়েই গা ধুবলৈ গ'ল। সকলো দেখাৰ পাছত নতুন দৰ্শক জনৰ বিশ্বাস হ'ল যে লৰাজনে ছোৱালীৰ বেশভুষা, পিন্ধি আছিল। প্ৰকৃততে সেইজন ল'ৰাহে আছিল। পিছৰ দিনা সেই দৰ্শক লৰাৰ মনলৈ ছোৱালীৰ বেশত থকা ল'ৰাক দেখি কোনো মলিন বাসনা

নাহিল। সেই দিনা তাক ল’ৰা বুলিয়েই ভাৱ হ’ল। এইদৰেই যদি শুকদেৱ ঋষিৰ অধ্যাত্ম বিবেকৰ দ্বাৰা আত্মজ্ঞান হোৱা হ’লে সেইজনী যুৱতী হিচাবে নহয় আত্মা ৰূপত পুৰুষ ভাবি ক’লে হয় যে আপুনি বিছনাত বহক, মই মাটিতে বহিম। সাধু, সন্ত, ফকীৰ সকলো এনে বিচাৰধাৰাৰে জীৱন জীয়াই থাকে। সাধনা কৰি মোক্ষ প্ৰাপ্ত কৰে।

## সংগৰ প্ৰভাৱ আৰু প্ৰভুৰ প্ৰতি বিশ্বাস

এখন গাঁৱত এজন ব্যক্তিৰ বিয়া হোৱা দহ-বাৰ বছৰ হৈ গৈছিল। সন্তান হোৱা নাছিল। সেই গাঁৱৰ বাহিৰত দুই কিলোমিটাৰৰ দুৰত্বত এখন আশ্ৰম আছিল। তাত এজন সিদ্ধ সন্ত বাস কৰিছিল। তেওঁ গাঁৱৰ পৰা ভিক্ষা খুজি আনিছিল। সেই অন্নকেই তিনি-চাৰি দিনৰো অধিক দিন খাইছিল। এদিন তেওঁ সেই ঘৰত ভিক্ষা খুজিবলৈ গ’ল যি ঘৰত কোনো সন্তান নাছিল। পতি-পত্নী দুয়ো সাধুৰ ভৰিত পৰি পুত্ৰ প্ৰাপ্তিৰ বাবে প্ৰাৰ্থনা কৰিলে। সাধুয়ে কলে যে এটা চৰ্ত্তত সন্তান হ’ব, স্ত্ৰী-পুৰুষে চৰ্ত্ত জানিব বিচাৰিলে। সাধুয়ে কলে যে প্ৰথম সন্তান পুত্ৰ হব, দুবছৰ হোৱাৰ পাছত মোক উছৰ্গা কৰিব, তাক মই মোৰ উত্তৰাধিকাৰী কৰিম, যদি মঞ্জুৰ হয় ক’ব। তাৰ পাছত ক্ৰমে এজনী ছোৱালী আৰু এটা লৰা হ’ব, দুয়ো চৰ্ত্তটো মানি ল’লে। সাধুৰ আশীৰ্বাদত দহমাহৰ পিছত পুত্ৰ হ’ল, দুবছৰীয়া হোৱাত সাধুক গতাই দিলে স্ত্ৰী আকৌ গৰ্ভৱতী আছিল কন্যাসন্তান হ’ল, আকৌ এটা ল’ৰা সন্তান পালে ফলত সাধুৰ মহিমা দশোদিশ বিয়পিলে, সেই আশ্ৰমত যুৱতীৰ প্ৰৱেশ নিষিদ্ধ আছিল। লৰাজন যোল্ল বছৰ বয়স হওঁতে গুৰুজনাৰ বুকুত স্তনৰ ওচৰত ফোঁহা এটা হ’ল, সাধু বিষত ব্যাকুল হ’ব ধৰিলে, বনদৰৰ তৈয়াৰ কৰি ফোঁহাত লগালে। চাৰি, পাঁচ দিনত ফোঁহাটো ফুটিহে সাধু ভাল হ’ল। কিছুদিন পিছত সাধুৰ জ্বৰ হ’ল, বৃদ্ধাৱস্থা আৰু জ্বৰৰ বাবে দুৰ্বল হোৱাত চলাচল কৰিবলৈ অসমৰ্থ হ’ল। সাধুজনে তেওঁৰ শিষ্যক গাঁৱলৈ ভিক্ষা খুজিবলৈ কেতিয়াও পঠিওৱা নাছিল। নপঠিওৱাৰ কাৰণ আছিল ডেকা লৰাই গাঁৱত বেয়া সংগত পৰি ভুল কৰিব পাৰে। বিয়া কৰাৰ কথা ভাবিব পাৰে।

কিন্তু এদিনাখন বিবশ হৈ সাধুৱে নিজৰ শিষ্যক কলে, “পুত্ৰ, গাঁৱৰ প্ৰথম ৰাস্তাৰ চতুৰ্থ ঘৰৰ দুৱাৰত ভিক্ষা খুজি যি পাবা আনিবা, আগলৈ নাযাবা, আদেশ পাই ল’ৰাজন সেই দূৱাৰত থিয় হৈ ক’লে অলখ নিৰঞ্জন। সেই ঘৰৰ ভিতৰৰ চৈধ্য বছৰীয়া ছোৱালী ভিক্ষা লৈ আহোঁতে সাধু লৰাই ছোৱালী জনীৰ বুকুত চকু থিৰ কৰি চাই আছিল। ছোৱালী জনীয়ে দেখি ভাবিলে সাধুজনৰ দৃষ্টিত দোষ আছে। ছোৱালী জনীয়ে ভিক্ষা লবলৈ ক’লে, সাধু লৰাই ক’লে, “হে আই মাতৃ, তোমাৰ বুকুত দুটা ফোঁহা হৈছে। তুমি আশ্ৰমলৈ আহিবা তোমাৰ ফোঁহা গুৰুজনাই ভাল কৰি দিব। তুমি নিশ্চয় যন্ত্ৰনা ভুগিছা মোৰ গুৰুদেৱক এটা ফোঁহাই বহুত দুখ দিছিল। সাধুৰ এনে কথা শুনি ছোৱালীৰ সন্দেহ ঘণীভূত হ’ল যে সাধুজন সজ্জন নহয়। ছোৱালীয়ে চিঞঁৰি-চিঞঁৰি কব ধৰিলে, “নিজৰ মাঁ, ভনীৰ ফোঁহা ভাল কৰি লোৱা, অসভ্য, তোক জোতাৰে

কোবাম। এনেদৰে কৈ ছোৱালী জনীয়ে বাঢ়নী হাতত লৈ কলে, “গুচি যা পুনৰ কেতিয়াও নাহিবি।” হুলস্থুল শুনি ছোৱালীজনীৰ মাক বাহিৰলৈ আহিল আৰু কথাটো কি জানিব বিচাৰিলে। ছোৱালীয়ে গোটেই কথা মাকক জনালে। মাতৃয়ে সাধুক সুধিলে যে তেওঁ কৰ পৰা আহিছে। সাধুৱে আশ্ৰমৰ পৰা অহা কথা কলে। তেওঁৰ গুৰুজন বেমাৰ হৈ অসমৰ্থ হোৱাৰ বাবে তেওঁক প্ৰথম বাৰলৈ ভিক্ষা খুজিবলৈ পঠোৱা বুলি ক’লে। সাধুৱে আৰু ক’লে যে তেওঁ সেই ভণীজনীৰ বুকুত ফেঁাহা হোৱা দেখি, নিশ্চয় দুখ সহি আছে বুলি ভাবিহে তেনেদৰে কৈছিল। তেওঁৰ গুৰুজন এটা ফেঁাহা হওঁতেই দিনে ৰাতিয়ে চটফটাই আছিল। গুৰু জনাই ঔষধ জনা আছে বুলিও জনালে আৰু আশ্ৰমলৈ গৈ ফেঁাহা ঠিক কৰিবলৈ কলে। সাধু ল’ৰাজন তিৰোতা গৰাকীয়ে সন্তক গতাই দিয়া তেওঁৰেই পুত্ৰ আছিল, ছোৱালী জনী সাধুলৰাৰ ভনী আছিল, এই কথা ছোৱালীৰ মাকে তাইক ক’লে, সাধুলৰাজন তাইৰ ককাই বুলি জনালে। সাধুলৰাজন সংসাৰৰ বেয়া কথাৰ পৰা বহুদুৰত আছে এওঁ একোৱে নাজানে। তুমি যি দোষ বিচাৰত পালা, সেইটোৰ বিষয় তোমাৰ ভাই অজ্ঞাত, নিস্পাপ, পবিত্ৰ আত্মাৰেই এওঁ তোমাক সেইকথা কৈ আছিল। তুমি গাঁৱৰ বেয়া ল’ৰাৰ লগত তুলনা কৰি গালি পাৰিলা। মাতৃ গৰাকীয়ে সাধুক ক’লে, “হে সাধু বাবা, মোৰ ছোৱালীৰ বুকুত সেয়া ফোঁহা নহয়, সেয়া স্তন। চোৱা মোৰ বুকুতো আছে, তাইৰ বিয়া হ’ব, পাছত সন্তান হ’ব, তেতিয়া এই স্তনৰ পৰা ছোৱালীজনীৰ কেচুৱাই গাখীৰ খাব। সাধুৱে সুধিলে, “হে মাতৃ, এওঁৰ বিয়া কেতিয়া হ’ব ? সন্তান কেতিয়া হ’ব ?” মাতৃ য়ে ক’লে, তিনি, চাৰি বছৰ পিছত বিয়া হ’ব, তাৰ দুই তিনি বছৰ পাছত সন্তান হ’ব।

সাধুলৰাজনে আধ্যাত্মিক দৃষ্টিকোণৰ পৰা ভাবি চালে যে জন্ম হ’বলগীয়া সন্তানৰ প্ৰতি পৰমেশ্বৰৰ কিমান চিন্তা, তাৰ জন্মৰ ৭/৮ বছৰ আগতেই গাখীৰৰ ব্যৱস্থা কৰি থৈছে। তেওঁ আমাৰ খোৱা বোৱা ব্যৱস্থা আশ্ৰমত নকৰিব জানো, আমি গুৰু শিষ্য দুয়ো পৰমাত্মাৰ বিশ্বাসত আছোঁ, আজিৰ পৰা ভিক্ষা খুজিলোৱা বন্ধ। এনে চিন্তা কৰি থাকোতেই মাতৃয়ে সুধিলে, বাবাজী, কি চিন্তা কৰিছে ? সাধুৱে ক’লে, “মাতৃ, চিন্তা শেষ।” এই বুলি কৈ ভিক্ষাৰে সৈতে মোনাটো ৰাস্তাত পেলাই খালী হাতেৰে আশ্ৰম পালেগৈ, গুৰুজীয়ে ভিক্ষা কিয় অনা নাই বুলি সুধিলে, মোনাটোও কোনোবাই কাঢ়িললে নেকি ? ল’ৰাজনে ক’লে, “গুৰুদেৱ পৰমাত্মাই সন্তান জন্মাৰ সাত-আঠ বছৰ আগতেই খোৱাৰ ব্যৱস্থা কৰি দিয়ে, আমাৰ আশ্ৰমত কৰিব নোৱাৰেনে ? সেই কাৰনে মই মোনাটো ৰাস্তাত পেলাই আহিলোঁ। গুৰুজনে ভাবিলে ভিক্ষা খুজি ঘুৰিফুৰাৰ এলাহত ৰাস্তাত মোনাটো পেলাই আহিলে। সাধু বিবশ আছিল, একো নকলে ভাবিলে অহাকালি সুখে-দুখে যেনে তেনে স্বয়ং ভিক্ষা খুজি আনিম।

যেতিয়াই সাধুলৰাই ভিক্ষাৰে সৈতে মোনা ৰাস্তাত পেলাই আশ্ৰমলৈ গ’ল, পৰমাত্মাই নগৰৰ কিছুমান ব্যক্তিক প্ৰেৰণা কৰিলে যে ডাঙৰ সাধুজন অসুস্থ হৈ আছে। সৰু সাধুজনক কোনোবাই কিবা কথা কোৱাত ভিক্ষা-মোনা পেলাই গুচি গ’ল, সাধু ভোকত আছে, লৰাও

ভোকত থাকিব, এই বুলি ভাৱি নগৰৰ মানুহে সুখাদ্য তৈয়াৰ কৰিলে, পায়স, দাল ৰান্ধি প্ৰথমে এজনে লৈ গ'ল আৰু ক'লে যে সৰুজনা সাধু কিবা কাৰণত ৰুষ্ট হৈ মোনা-ভিক্ষা পেলাই আহিছে, আপুনি ভোজন খাওঁক। সাধুৱে ক'লে যে প্ৰথমে সৰু সাধুক খাবলৈ দিয়ক, সৰু সাধুৱে ক'লে যে প্ৰথমতে গুৰু জনাই খাব, তাৰ পাছত শিষ্যই খাব। সাধু আহাৰ খাবলৈ ধৰিলে, আকৌ এজন আহিল চুজি পুৰী তৰকাৰী লৈ। এই ধৰণে প্ৰায় দহজন ব্যক্তি আহাৰ লৈ আশ্ৰম আহি পালে। শিষ্যই কলে, "বাহঃ ভগৱান, মই জনা নাছিলোঁ যে আপুনি ইমান ভাল, সেই কাৰনে আপোনাৰ নামৰ চিন্তা কম আৰু আহাৰৰ চিন্তা বেছি হৈছিল। গাওঁবাসীয়ে নিয়ম বান্ধিল'লে যে প্ৰতিদিন সাধু সকলৰ বাবে এঘৰে আহাৰ আনিব, এই নিয়ম চলি থাকিব।

শিক্ষা ঃ- সংগদোষৰ বাবে আমি কুপথে যাওঁ, নিজৰ দোষ বেলেগত দেখোঁ। পৰমাত্মাৰ ওপৰত বিশ্বাস নাথাকিলে ভক্তি সম্পূৰ্ণ নহয়। খুজি খোৱাও শাস্ত্ৰ বিৰুদ্ধ, কাৰণ যদি ভক্তৰ শ্ৰদ্ধা আৰু ভাৱ সচাঁ হয় পৰমাত্মাই সকলো ব্যৱস্থা কৰি দিব। কিন্তু গৃহস্থৰ কৰ্ম কৰি আহাৰ গ্ৰহণ কৰাটো সৰ্বোত্তম। সাধু-সন্তৰ কৰ্ম সৎসঙ্গ কৰা, ভক্তি কৰা, যদি সত্যতাৰে, শ্ৰদ্ধাৰে কৰে খুজিলোৱাৰ আৱশ্যক নহয়। সন্ত গৰীবদাসে পৰমাত্মাৰ কবীৰ চাহেব প্ৰাপ্ত জ্ঞানৰ পৰা নিজৰ অমৃত বাণীত কৈছে যে ঃ-

**বৈৰাগ প্ৰকৰণ অংগৰ পৰা কেইটামান বাণী**

গৰীব, নট পেৰণা কাঁজৰ সাশী মাগত হৈ ভঠিয়াৰে।
জাকী তাৰী লাগী তত্ মে মোতি দেত উধাৰে।। (৩)
গৰীব, দ্ৰৌপদ সুতা কে চীৰ বঢ়াত্ৰ বিন হী তানে কাতে।
সকল মনোৰথ পূৰ্ণ চাহিব তুম ক্যোঁ মাগন জাতে।।(২)
গৰীব, আপ তে আৱৈ ৰত্না বৰাবৰ মাগ্যা আৱৈ লোহা।
লক্ষ্যণ নহী জোগ কে যোগী জা বস্যা বন খৌহা।(৬)
গৰীব, টুককা কাৰণ ফিৰৈ কুকৰা (কুত্তা) সত ঘৰ ফিৰ আৱৈ।
য়ে তো লক্ষণ নহী জোগকে ক্যোঁ বাণা বিৰদল জাৱৈ।।(১০)
গৰীব, জিনকো আত্মজ্ঞান নহী হৈ ৰে মাগৈ ৰে ভাই।
চাৱল চূণ ইকটঠা কৰকৈ ব্যাজ বধাৱৈ জাই।।(২৪)
গৰীব, জো মাগৈ সো ভড়ৱা কহিয়ে দৰদৰ ফিৰৈ অজ্ঞানী
যোগী যোগ সম্পূৰ্ণ জিসকা জো মাগ ন পীৱৈ পানী।।(৪১)
গৰীব, কদ নাৰদ জমাত চলাই ব্যাস ন টুকড়া মাগ্যা।
বশিষ্ঠ বিশ্বামিত্ৰ জ্ঞানী শব্দ বিহঙ্গম জাগ্যা।।(৫০)
গৰীব, কবীৰ পুৰুষ কৈ বালদ আই নৌ লখ বোড়ী লাহা।
কেশৰ সে বনজাৰে জিচ কৈ দেৱৈ যজ্ঞা জুলাহা।।(৫৫)

ভাৱাৰ্থ ঃ- উপৰোক্ত বাণীৰ অৰ্থ এই যে যি সকলে সত্য ভক্তি শাস্ত্ৰ অনুসৰি নকৰে, তেওঁলোক সাধুবেশ ধাৰণ কৰি এনেদৰে খুজি ফুৰে যেনেকৈ এটুকুৰা ৰুটিৰ বাবে কুকুৰ সত্তৰ(৭০) ঘৰলৈ যায়। অন্য জাতিৰ লোক নাট, পেৰণে, কাজঁৰ বা সাশী-সকলো ৰুটিৰ (খাদ্যৰ) বাবে ঘুৰি ফুৰিছিল। যদি সাধু সকলেও এইটোকে (মাগিফুৰা কাম) কৰে, তেন্তে তেওঁলোকৰ সাধনাত ক্ৰটি আছে। পৰমেশ্বৰ কবীৰ চাহেবে নিজৰ দৈনিক কৰ্ম-তাঁত বৈছিল আৰু সত্য সাধনাও কৰিছিল আৰু সৎসঙ্গও কৰিছিল। সত্য ভক্তি কৰা সকলক পৰমাত্মাই কেনেকৈ সহায় কৰে, এই প্ৰমাণ স্বয়ং কবীৰদেৱে দিছে। কথা (কাহিনী) এনেধৰণৰ ঃ-

## কবীৰ পৰমেশ্বৰৰ দ্বাৰা কাশী নগৰত ভোজভাতৰ আয়োজন অৰ্থাৎ ধৰ্ম যজ্ঞৰ ব্যৱস্থা কৰা

শ্বেখতকী সকলো মুছলমানৰ মুৰব্বী অৰ্থাৎ মুখ্য পীৰ আছিল। তেওঁ আগৰে পৰাই কবীৰদেৱৰ প্ৰতি হীন ভাৱ পোষণ কৰিছিল। সকলো ব্ৰাহ্মণ, মোল্লা-কাজী আৰু শ্বেখতকীয়ে সভা পাতি কবীৰদেৱৰ বিৰুদ্ধে ষড়যন্ত্ৰ ৰচনা কৰিলে। কবীৰদেৱ নিৰ্ধন ব্যক্তি আছিল, তেওঁৰ নামত চিঠিৰে প্ৰচাৰ কৰিলে যে কবীৰ দেৱ কাশী নগৰৰ ডাঙৰ (শেঠ) মহাজন হয়। ঠিকনাত লিখিলে কবীৰ, পুত্ৰ নুৰআলি আনচাৰী, তাঁতি ক'লনি, কাশী নগৰ। চিঠিত লিখা গ'ল কবীৰে তিনিদিনৰ ভোজ ভাতৰ ধৰ্মযজ্ঞ কৰিব। সকলো সাধু সন্তক আমন্ত্ৰিত কৰা হৈছে, প্ৰতিদিন প্ৰত্যেক ভোজন কৰাৰ পিছত সেই ব্যক্তিক এটা “দোহৰ” (সেই সময়ত দামী কম্বল) আৰু এটা মোহৰ (১০ গ্ৰাম সোণৰ সিকা) দক্ষিণা হিচাবে দিব। প্ৰতিদিন ব্যক্তি এজনে যিমান বাৰ ভোজন গ্ৰহণ কৰিব সিমান বাৰেই দোহৰ আৰু মোহৰ দিব। ভোজনত লাডু, জেলেপী, চুজি, পায়স, দৈ বড়া, মালপুৱা, ৰসগোল্লা ইত্যাদি মিঠাই খাবলৈ পাব। লগত নপকোৱা বস্তু (আটা, চাউল, দাল আদি অপক্ক খাদ্য আৰু ঘী)ও দিয়া হ'ব। এখন চিঠি শ্বেখতকীয়ে দিল্লীৰ বাদছাহ চিকণ্ডৰ লোধীৰ নামত পঠিয়ালে। নিৰ্দিষ্ট দিনৰ আগদিনা ৰাতি পুৱাৰ পৰা সাধু-সন্ত-ভক্ত সকল গোট খাব ধৰিলে। ভোজৰ আগদিনা পৰমেশ্বৰ কবীৰদেৱক সন্ত ৰবিদাসে ক'লে যে তেখেতৰ নামত চিঠি লৈ প্ৰায় ১৮ লাখ সাধু-সন্ত-ভক্ত কাশী চহৰত আহিছে, ভোজভাতৰ বাবে আমন্ত্ৰিত হৈ আহিছে, এতিয়া আমি কাশী এৰি অন্য কৰবালৈ যাব লাগিব। কবীৰদেৱে সকলো কথা জানি আছিল, তথাপিতো ক'লে যে কোঠাৰ ভিতৰত সোমাই দুৱাৰ বন্ধ কৰি দিয়া, সকলোৱে কিছুমান সময় অপেক্ষা কৰিব আৰু খণ্ডত গুচি যাব, আমি দুৱাৰ খুলি নিদিওঁ। কবীৰদেৱ নিজৰ ৰাজধানী সত্যলোকত গ'ল, তাৰ পৰা ন লাখ গৰুৰ ওপৰত গাধৰ দৰে থৈলাৰ বোজা বান্ধি ৰন্ধা খাদ্য বস্তু আৰু লগতে চাউল, আটা, চেনি, দালি, ঘী লৈ পৃথিৱীলৈ আহিল। সত্যলোকৰ পৰাই স্বেচ্ছা সেৱক আহিল, পৰমেশ্বৰ কবীৰ দেৱে স্বয়ং বেপাৰীৰ বেশ ধৰিলে আৰু নিজৰ নাম কেশৱ বুলি ক'লে। দিল্লীৰ চিকণ্ডৰ বাদছাহ আৰু তেওঁৰ ধাৰ্মিক গুৰু শ্বেখতকীও আহিল। কাশীত ভোজ ভাত চলি আছিল, সকলোকে ভোজনৰ পিছত এক ‘মোহৰ’ আৰু এক ‘দোহৰ’ দিয়া হৈছিল। কিছুমান লোভী সন্ত সকলে তিনি চাৰি বাৰকৈ ভোজন কৰিছিল দক্ষিনাৰ লোভ।

কিছুমানে কেঁচা বস্তু (চাউল, চেনি, ঘী, দালী)এ লৈ আছিল।

এনে দৃশ্য দেখি শ্বেখতকী কন্দা মুৰা হ'ল, চিকণ্ডৰ লোধী ৰজাৰ লগত সেই তম্বু লৈ গ'ল যত স্বয়ং পৰমেশ্বৰ কেশৱ নাম লৈ বেশ সলাই বেপাৰীৰ ৰূপত বহি আছিল। চিকণ্ডৰ লোধী ৰজাই তেওঁৰ নাম সুধিলে আৰু কবীৰ দেৱৰ লগত তেওঁৰ সম্বন্ধ কি ? কেশৱৰূপী পৰমাত্মাই ক'লে যে তেওঁৰ নাম কেশৱ, তেওঁ এজন সদাগৰ, কবীৰ দেৱ তেওঁৰ ঘনিষ্ঠ বন্ধু। মোলৈ তেওঁ চিঠি লিখি সৰু সুৰা ভোজ মেলৰ আয়োজন কৰিবলৈ অনুৰোধ কৰিছিল, কিছু বয়বস্তু লৈ আহিবলৈ কৈছিল। তেওঁৰ আদেশৰ পালন কৰিবলৈ মই উপস্থিত হৈছো বুলি কেশৱ ৰূপী কবীৰ দেৱে ক'লে। ১৮ লাখ ব্যক্তিৰ ভোজ মেলক সৰু সুৰা বুলি কোৱা শুনি শ্বেখতকী মুৰত হাত দি মাটিত বহি পৰিল। ভাবিলে অকল ভোজ ভাতেই নহয় দক্ষিনাত "দোহৰ আৰু মোহৰ" ও দি আছে। ইমান ভব্য আয়োজনক ক্ষুদ্ৰ বুলি কৈছে। ইৰ্ষাত জ্বলি পুৰি ৰজাৰ বিশ্ৰাম গৃহলৈ গ'ল। চিকণ্ডৰ লোধীয়ে কেশৱক সুধিলে কবীৰ দেৱ কিয় অহা নাই। কেশৱে কলে তেখেতৰ দাস আছেই যেতিয়া তেওঁনো কিয় কষ্ট কৰিব লাগিছে, ইচ্ছা হ'লে আহিব, তিনি দিন লৈকে সময় আছে। চিকণ্ডৰ লোধী হাতীৰ পিঠিত বহি অংগৰক্ষক সহিতে কবীৰদেৱৰ জুপুৰি লৈ গ'ল। হাতীৰ পৰা নামি ৰজাই দুৱাৰত টোকৰ মাৰি ক'লে, "পৰৱৰদিগাৰ, দূৱাৰ খুলি দিয়ক আপোনাৰ সন্তান আহিছে। কবীৰ পৰমেশ্বৰে কলে, "হে ৰাজন! কিছুমান ব্যক্তি মোৰ বিৰুদ্ধে উঠি পৰি লাগিছে। প্ৰতিদিনাই একোটা নতুন ষড়যন্ত্ৰ ৰচনা কৰি মোক কষ্ট দিয়ে। আজি মিছাতে চিঠি পঠিয়াই লাখৰো অধিক মানুহক মাতি লৈছে, মই ধনহীন তাঁতী, কাপোৰ বৈ পৰিয়ালৰ চোৱা চিতা কৰোঁ। মোৰ লগত ভোজভাত দিয়া আৰু দক্ষিনা দিয়াৰ বাবে ধন নাই। মই আজি ৰাতি কাশী নগৰ ত্যাগ কৰি পৰিয়ালৰ সহিতে অন্য স্থানলৈ গুচি যাম। মই দুৱাৰ খুলি নিদিওঁ। সিকন্দৰ ৰজাই ক'লে, "হে সমৰ্থ পৰমাত্মা! মই আপোনাক চিনি পাইছো। আপুনি মোক বিচলিত কৰিব নোৱাৰে, আপুনি চৌপড়ৰ মুকলি ঠাইত কেনেকৈ ভোজমেল পাতিলে, আপোনাৰ বন্ধু কেশৱ আহি পাইছে, বহুত খাদ্য সামগ্ৰী আনিছে, লাখ, লাখ ব্যক্তিয়ে ভোজভাত খাই আপোনাৰ জয়গান গাই আছে, আপোনাৰ দৰ্শন কৰিব বিচাৰি আছে, দুৱাৰ খুলি আপোনাৰ দাস চিকণ্ডৰক দৰ্শন দিয়ক। কবীৰ দেৱে সন্ত ৰবি দাসক দুৱাৰ খুলিবলৈ ক'লে। দুৱাৰ মেলাৰ লগে লগে ৰজা চিকন্দৰে জোতা খুলি ৰাজমুকুট সহিতে কবীৰ দেৱক দণ্ডৱত প্ৰণাম কৰিলে। কাশীত হৈ থকা ভোজ মেললৈ যাবৰ বাবে অনুনয় বিনয় কৰিলে। যেতিয়া কবীৰ পৰমাত্মা জুপুৰিৰ বাহিৰ হ'ল আকাশৰ পৰা সুন্দৰ মুকুট আহি কবীৰদেৱৰ মস্তক সুশোভিত কৰিলে। আকাশৰ পৰা সুগন্ধিত ফুলৰ বৰ্ষা হ'ল। ৰজাই কবীৰ পৰমেশ্বৰক হাতীত উঠিবলৈ প্ৰাৰ্থনা কৰিলে। কবীৰদেৱে ৰবিদাসকো লগত লৈ গৈছিল। ৰজা, ৰবি দাসজী আৰু পৰমাত্মা কবীৰদেৱ তিনিও হাতীত উঠি ভোজভাত চলি থকা ঠাইলৈ গ'ল। সকলোকে কবীৰ শেঠৰ লগত পৰিচয় কৰাই দিলে আৰু কেশৱ ৰূপত স্বয়ং দ্বিতীয় অভিনয় কৰি উপস্থিত সন্ত-সকলক প্ৰশ্ন উত্তৰ কৰি চৌবিশ ঘন্টা সৎসঙ্গ কৰিলে। কেইবালোখো ভক্তই নিজৰ ভুল ত্যাগ কৰি কবীৰ দেৱৰ পৰা দীক্ষা ল'লে, নিজৰ কল্যাণ কৰালে। ভোজ সমাপ্তিৰ

পাছত ৰৈ যোৱা বস্তু আৰু তম্বু আদি গৰুৰ ওপৰত বোজা বান্ধি ল'লে। সেই সময়ত ৰজা চিকন্দৰ লোধী শ্বেখতকী কবীৰদেৱ আৰু কেশৱ সকলো এঠাইত থিয় হৈ আছিল। সকলো গৰু আৰু বেপাৰী বেশত থকা সেৱক গংগা পাৰ হৈ গ'ল। অলপ সময় পাছত ৰজা চিকন্দৰ লোধীয়ে কেশৱক ক'লে তেখেতো যাওঁক, কাৰণ তেখেতৰ বন্ধুবৰ্গ গুচি গ'ল। যি ফালে গৰু তথা বেপাৰীৰ দল গৈ আছিল, সেইফালে চোৱাত ৰজাই কাকো দেখা নাপালে। আচৰিত হৈ ৰজাই সুধিলে যে গৰু আৰু বেপাৰী সকল ইমান শীঘ্ৰে কোনফালে গ'ল ? সেই সময়তে চাওঁতে চাওঁতে কেশৱও পৰমেশ্বৰ কবীৰদেৱৰ শৰীৰত মিলি গ'ল, অকলে কবীৰ দেৱ আছিল। সকলো ৰহস্য বুজি পাই চিকন্দৰ লোধীয়ে ক'লে যে এয়া সকলো কবীৰ পৰমেশ্বৰৰ লীলা আছিল। আপুনি নিজেই পৰমাত্মা। শ্বেখতকীৰ মন আৰু শৰীৰত ঈৰ্ষাৰ জুই জ্বলিল, ক'লে এনেকুৱা ভোজ মই এশ বাৰ পাৰিম। এইটো কিবা ভোজ হ'লনে ? এইটো "মহৌচ্ছা" - শ্ৰাদ্ধৰ লেখীয়া হ'ল।

কোনো গুৰুৰ দ্বাৰা কোনোবা বৃদ্ধৰ গতি (মুক্তি) কৰাবলৈ জাপি দিয়া অনুষ্ঠানক "মহৌচ্ছা" বোলে। ইয়াত সকলো নিম্ন স্তৰৰ বস্তুহে ব্যৱহাৰ কৰা হয়। "জাগ জৌনাৰ" (অভ্যৰ্থনা অনুষ্ঠান) বিশেষ আনন্দৰ সময়ত কৰা অনুষ্ঠানত ব্যক্তিজনে ইচ্ছা অনুযায়ী মুক্তহস্তে টকা খৰছ কৰে। সন্ত গৰীব দাসজী য়ে কৈছে যে ঃ-

গৰীব কোই কহ জগ জৌনাৰম কৰি হৈহ কোই কহে মহৌচ্ছা।
বড়ে বড়াই কিয়া কৰে, গালী কাঢ়ে ঔচ্ছা।।

**শব্দাৰ্থ** ঃ- এনে ভোজন ব্যৱস্থা দেখি পুণ্যাত্মাসকলে কৈছিল যে অতি উদাৰভাৱে ধৰ্মকৰ্মত টকা খৰছ কৰি ধৰ্মৰ কাম কৰিলে অৰ্থাৎ ধৰ্মযজ্ঞ কৰি ভোজ দিলে। কিন্তু অহংকাৰী দুষ্টসকলে কৈছিল যে অতি কৃপণালি কৰি বেজাৰ মনেৰে কম খৰছত ভোজ খুৱালে।

সাৰাংশ ঃ- কবীৰ দেৱে ভকতক উদাহৰণ দিছে যে যদি আপোনালোকে মোৰ নিচিনাকৈ সত্য ভক্তি কৰে আৰু সত্যতাৰে জীৱন নিৰ্বাহ কৰে পৰমাত্মাই আপোনালোকক এনেদৰে সহায় কৰিব।

ভক্তসকল হে আচলতে শেঠ অৰ্থাৎ ধনবান হয়। ভক্তৰ লগত দুই ধৰণৰ ধন থাকে। সংসাৰত প্ৰয়োজন হোৱা ধন আৰু সত্য সাধনা ধন লগত থাকে।

*** সেই ভোজত হোৱা অন্য এটা অদ্ভুত লীলা** -

সেই ভোজ তিনি দিন চলিছিল। প্ৰতি ব্যক্তিয়ে দিনে কমেও দুবাৰ ভোজন খাইছিল। কিছুমানে তিনি চাৰি বাৰো খাইছিল। কাৰণ আছিল প্ৰত্যেক ভোজনৰ পিছত দিয়া দক্ষিনা। দক্ষিনাৰ লোভত বাৰে বাৰে ভোজন খাইছিল তিনি দিনত ১৮ লাখ মানুহে শৌচ আৰু পেচাব কৰি কাশীৰ চাৰিওফালে মলৰ দম লগালে হয়। কাশীক পচাই দিলে হয়। কাশীৰ বাসিন্দা, বাহিৰৰ পৰা ১৮ লাখ নিমন্ত্ৰিত অতিথি, সৎলোকৰ পৰা অহা ১ লাখ স্বেচ্ছা সেৱক। ইমান মানুহৰ তিনিদিনৰ খোৱা বোৱা এঠাইত। লেতেৰা গেলি পচি উশাহ লোৱা কঠিন হ'লহেঁতেন।

কিন্তু এনেকুৱা একোৱেই নহল। সকলোৱে দিনে দুই তিনিবাৰ খাইছিল কিন্তু শৌচ প্ৰসাৱ হ'লে কৰা নাছিল। ইমান ৰুচিকৰ ভোজন যে পেট ভৰাই খাইছিল। প্ৰথম বাৰৰ তুলনাত দ্বিতীয় বাৰ বেছিহে খাইছিল। দ্বিতীয় দিনা সকলোৰে চিন্তা হ'ল যে বেছি খালেও পেট গধুৰ নালাগে, ভোক ঠিকেই আছে, বেমাৰ হৈ যাম নেকি। সত্যলোকৰ পৰা অহা সেৱকক কওঁতে, তেওলোকে ক'লে, ভোজনত বনদৰব দিয়া হৈছে ফলত সেই ভোজন শৰীৰে শোষণ কৰি লয়। আমি প্ৰতিদিন এনেকুৱা ভোজন ৰান্ধি খাওঁ। আমি কেতিয়াও শৌচ নকৰো আৰু পেচাবো নকৰো। আপোনালোক নিশ্চিন্তমনে থাকক। তথাপি খাওঁতা বিলাকৰ ভাৱ হৈছিল, খাইছোঁ যেতিয়া অলপ হলেও মল ওলাব লাগিছিল। এনে ভাৱ মনলৈ অহাত সকলোৰে শৌচ লাগিল। সকলো নগৰৰ বাহিৰলৈ গ'ল। শৌচৰ বাবে বহোতে শৌচ দুবাৰৰ পৰা বায়ু ওলাল আৰু পেট খালী হোৱাৰ অনুভৱ হ'ল। পেটৰ পৰা যি বায়ু ওলাল সেয়া সুগন্ধিৰে ভৰপূৰ আছিল, যেন চিত্ৰনলাৰ তেল হে ছটিয়াই দিছে। এনে অৱস্থা দেখি সকলোৱে স্বেচ্ছাসেৱকৰ কথা বিশ্বাস কৰিলে। তেতিয়াহে তেওঁলোকৰ ভয় দূৰ হ'ল। কিন্তু তথাপিতো সকলোৰে চকুত অজ্ঞানৰ পট্টী বন্ধাই থাকিল তেওঁলোকে কবীৰ দেৱক পৰমাত্মা বুলি স্বীকাৰ নকৰিলে।

পুৰাণৰ এটা প্ৰকৰণত বিৱৰণ আছে যে অযোধ্যাৰ ৰজা ঋষভ দেৱে ৰাজ্য ত্যাগ কৰি অৰণ্যত সাধনা কৰিছিল। তেওঁৰ ভোজন স্বৰ্গৰ পৰা আহিছিল। তেওঁৰ মলৰ পৰা সুগন্ধ ওলাইছিল। ওচৰৰ মানুহবোৰে এইটো দেখি আচৰিত হৈছিল। এইদৰেই সৎলোকৰ আহাৰ খালে অকল সুগন্ধ ওলায়, মল নোলায়, স্বৰ্গ সত্যলোকৰ নকল কৰি সৃষ্টি কৰা ঠাই।

প্ৰশ্ন ঃ- ভক্তিৰ বাবে কোনটো পথ শ্ৰেষ্ঠ ? ঘৰ ত্যাগ কৰি বনত যোৱা নে ঘৰত থাকি ভক্তি কৰা ?

উত্তৰ ঃ- শাস্ত্ৰবিধি অনুসৰি পূৰ্ণ গুৰুৰ পৰা দীক্ষা লৈ নীতি নিয়ম মানি চলি আজীৱন সাধনা কৰিলে মোক্ষ লাভ হয়। যদি ঘৰ এৰি বনলৈ যায়, ভোজনৰ বাবে আকৌ গাওঁ বা চহৰলৈ গৃহস্থৰ দুৱাৰত খুজিবলৈ আহিবই লাগিব। ৰদ, বৰষুন, গৰম-ঠাণ্ডাৰ পৰা ৰক্ষা পাবলৈ জুপুৰি সাজিবই লাগিব। কাপোৰও খুজিব লাগিব। সেইটো আকৌ ঘৰৰ নিচিনাই হ'ল। গতিকে ঘৰতে থাকক বনলৈ যোৱাৰ দৰকাৰ নাই। সত্য সাধনা কৰক মোক্ষ নিশ্চিত বিয়া কৰালেও নকৰালেও ভক্তি কৰি মুক্তি পাব পাৰে। মানুহে কয় যে ভক্তি ব্ৰহ্মচাৰীৰ জীৱনতহে কৰিব পাৰি। ইয়াৰ উত্তৰ এই যে সত্য সাধনা শাস্ত্ৰ বিধিমতে কৰিলে দুয়ো মোক্ষ লাভ কৰিব।

উদাহৰণ ঃ- আমি ভক্ত ধ্ৰুৱ আৰু ভক্ত প্ৰহ্লাদৰ মুক্তি হৈছে বুলি জানো, দুয়োজনেই গৃহস্থ আছিল আৰু সতি সন্ততিও আছিল। প্ৰহ্লাদৰ পুত্ৰ বৈলোচন আছিল, নাতি বলি ৰজা যি এশ যজ্ঞ কৰিছিল, ভগৱানে বামুণ ৰূপ ধাৰণ কৰি তিনি পদ মাটি দক্ষিনা মাগিলে। যদি আপুনি কয় যে ব্ৰহ্মচাৰী পুৰুষ মাত্ৰ মোক্ষ লাভৰ অধিকাৰী, তেনেহলে নপুংসক (হিজৰা) সকল সদায় ব্ৰহ্মচাৰী হয়। গতিকে মোক্ষ লাভৰ আচল অধিকাৰী তেওঁলোক।

সত্য সাধনা কৰিলে হিজৰা, ব্ৰহ্মচাৰী, গৃহস্থ আৰু স্ত্ৰী সকলোৱে মোক্ষ প্ৰাপ্তি কৰে। সন্ত গৰীব দাসে কবীৰ দেৱৰ জ্ঞান এনেদৰে কৈছে -

গৰীব ডেৰে ডাণ্ডে খুচ ৰহো খুচড়ে লাহে না মোক্ষ।
ধ্ৰুৱ প্ৰহ্লাদ পাৰ হুত্ৰ, ফিৰ ডেৰে (ঘৰ) মে ক্যা দোষ।।
গৰীব কেলে কী কৌপিন হাঃ ফুল পাত ফল খাই।
নৰ কা মুখ নহী দেখতে, বস্তি নিকট নহী যাই।।
গৰীব ৰে জংগল কে ৰৌকা হেয় জো মনোযো বিদকে জাহী।
নিশ দিন ফিৰো উজাড় মে, যুঁ সাই পাৱৈ নাহী।।
গৰীব গাড়ী বাহো ঘৰ ৰহো, খেতি কৰো খুচহাল।
সাঁই সিৰ পৰ ৰাখিয়ে চহী ভক্ত হৰলাল।।

ভাৱাৰ্থ ঃ- বাণী সংখ্যা ১ৰ ভাবাৰ্থ ওপৰত কোৱা হৈছে।

বাণী সংখ্যা ২-৩ ৰ ভাবাৰ্থ ঃ- কিছুমান মানুহে কৈ আছিল যে আমি সাধু সন্ত বিচাৰি পাহাৰ হাবিলৈ গলো। এখন হাবিত এজন সাধু বাস কৰিছিল। হাবিখনৰ আশে পাশে থকা গাঁৱৰ মানুহে কৈছিল যে সেই সাধুৱে কল পাতৰ লেংটি বান্ধিছিল আৰু হাবিৰ পাত-ফল মূল খাইছিল, গাঁৱৰ ওচৰলৈ নাহিছিল। মানুহৰ মুখ চোৱা নাছিল, মানুহ দেখা পালেই বেগেৰে দৌৰি গৈ হাবিত সোমাইছিল। মানুহে কৈ আছিল তাৰ দৰ্শন লাভ কৰা ব্যক্তি ভাগ্যবান হয়। আমি কেইবাদিনো দৰ্শনৰ বাবে সেই হাবিলৈ গৈ পূৱাৰ পৰা গধূলি লৈকে অপেক্ষা কৰিছিলো, এদিন মাথোন সাধুৰ পিঠিহে দেখা পালো। দৰ্শন কৰিব পোৱা হলে ভাগ্যবান হলোহেঁতেন। বিচাৰ কৰি চাব এনে ব্যক্তি অপৰাধীও হব পাৰে যি পুলিচৰ পৰা পলাই সাধুৰ বেশত প্ৰবঞ্চনা কৰি আছে। সন্ত গৰীব দাসে এনে ব্যক্তিক “ৰৌঝ” (নীলগাই)ৰ লগত তুলনা কৰিছে যি মানুহ দেখিলেই ভয়ত পলাই যায়। এনে ব্যক্তি জংঘলত দিনে ৰাতিয়ে যিমান দিনেই নাথাকক কিয় পৰমাত্মাক প্ৰাপ্তি কৰিব নোৱাৰে।

উপৰৰ বাণী সংখ্যা ৪ ৰ ভাবাৰ্থ ঃ-

গৰীব গাড়ী বাহো ঘৰ ৰহো, খেতি কৰো খুচহাল।
সাঁই সিৰ পৰ ৰাখিয়ে চহী ভক্ত হৰলাল।।

## হৰলাল জাটৰ কাহিনী

গাওঁ বেৰী (জিলা ঝজ্জৰ, হাৰিয়ানা)ত হৰলাল নামৰ এজন ধাৰ্মিক প্ৰকৃতিৰ জাট খেতিয়ক আছিল। তেওঁৰ সকলো পৰিয়াল ধাৰ্মিক ভাৱধাৰাৰ আছিল।

গেৰুৱা বেশত এজন ব্যক্তি বেৰী গাঁওত কিছুদিন থাকিল। তেওঁ কেইদিনমান সৎসঙ্গ কৰিলে। ভকত হৰলালে পৰিচয় সোধাত জানিব পাৰিলে যে তেওঁৰ মা দেউতা বাল্যকালতেই ঢুকাইছিল। ভক্তিৰ বাবে ঘৰ ত্যাগ কৰিলে। ভক্ত হৰলালে তেওঁৰ ঘৰতে থকাৰ বাবে নিবেদন

কৰিলে, কলে আমি সন্তৰ সেৱা কৰিব পাৰিম। আপোনাৰ ভক্তিৰ বাবে সময় উপলব্ধ হব। গেৰুৱা বেশ ধাৰী জনে স্বীকাৰ কৰিলে। ভক্ত হৰলালৰ দুটা ঘৰ আছিল, এটাত মহিলা সকল আছিল, আনটো অলপ দূৰত আছিল। তাত পশু বন্ধা হৈছিল আৰু পুৰুষ বাস কৰিছিল। তাৰ ওপৰত থকা কোঠাত সেই সাধুক থকাৰ বাবে ব্যৱস্থা কৰিলে, পৰিয়ালৰ সকলোৱে সাধুৰ সেৱা কৰিছিল, দুই তিনি বাৰ ভোজন দিছিল। কিছু বছৰৰ পাছত সাধুয়ে শৰীৰ ত্যাগ কৰিলে। তেওঁৰ অন্তিম সৎকাৰ কৰি স্মৃতিত নিজৰ পথাৰত এটা স্মাৰক সজালে।

শ্ৰী হৰলাল জীয়ে গৰু গাড়ীৰে বেপাৰীৰ বয়বস্তু এখন বজাৰৰ পৰা আন এখন বজাৰলৈ ভাড়াত অনা নিয়া কৰিছিল। আজিকালি ট্ৰাক, কেন্টাৰ, আদি গাড়ীৰে এই কাম কৰা হয়। ১৭৫০ চনৰ ওচৰা-ওচৰি সময়। তেতিয়া গৰু গাড়ীৰে চেনি, চাউল, ঘেহু, যব, বাজৰা ইত্যাদি বস্তু কঢ়িওৱা হৈছিল। বেৰী গাওঁৰ পৰা নজফ গড়ৰ বজাৰলৈ অহা যোৱা ৰাস্তা গাওঁ ছুড়ানী হৈ গৈছিল। শ্ৰীহৰলালৰ এটা গৰু বগা ৰঙৰ আছিল আৰু কামৰ পৰা আঁতৰি ফুৰিছিল। গাড়ীত বান্ধিলেও অলপ দূৰ গৈ বহী দিছিল তাক বহাৰ পৰা উঠাবলৈ লাঠিৰে কোবাইছিল। যেনেতেনে উঠালেও অলপ আগলৈ গৈ আকৌ বহি দিয়ে। এনে অৱস্থা বহুদিনলৈ চলি থাকিল। এদিনাখন ৰাতিপুৱা প্ৰায় ৪ বজাত হৰলালজী নজফগড় বজাৰৰ পৰা গাড়ীত বস্তু লৈ ঘুৰি আহি আছিল। ছুড়ানী গাঁৱৰ ওচৰত কুৱাঁ এটাৰ পৰা অলপ দুৰত সেই গৰুটো বহিল। হৰলালজীয়ে তাক লাঠিৰে কোবাব ধৰিলে। সেই কুঁৱাত ছুড়ানী গাঁৱৰ সন্ত গৰীবদাসে গা ধুই আছিল। তেওঁ ক'লে, "ঐ হৰলাল! নামাৰিবি, গাইৰ পোৱালি হয়। সন্ত গৰীবদাস জী জাট খেতিয়ক আছিল। হাৰিয়ানাৰ বেশভূষা-ধুতী কামিজ পিন্ধা হৰলাল জীয়ে ক'লে, "ভাই, গৰুটোৱে মোৰ তেজখাই পেলাইছে। আধা মাইল যায়, আকৌ বহে"। সন্ত গৰীবদাস গৰুৰ ওচৰত গৈ তাৰ কাণে কাণে কিবা ক'লে। লগে লগে গৰুটো তৎক্ষনাত থিয় হ'ল সন্ত গৰীবদাসে ক'লে যে এতিয়া ভালদৰে যাব। শ্ৰী হৰলালৰ বিশ্বাস নহল, গাড়ী লৈ গুছি গ'ল। সেই বগা গৰুটো আনটোৰ তুলনাত সোনকালে যাব ধৰিলে। ছুড়ানী গাঁৱৰ পৰা বেৰী লৈকে এবাৰো নবহিল শ্ৰী হৰলাল আচৰিত, আনন্দিতও হ'ল। তেওঁ ঘৰত সদস্য সকলক কলে যদিও কোনেও বিশ্বাস নকৰিলে। তাৰ পাছত হৰলাল জাট ছুড়ানী গাঁৱলৈ গ'ল, তেওঁ ভাবিলে যে সেই গা ধুই থকা ব্যক্তি জনৰ নাম নুশুধি তেওঁ ভুল কৰিছিল, দৌৰি দৌৰি ছুড়ানী গাঁৱলৈ গ'ল। ভাবিলে প্ৰতিদিনাই সেই নিৰ্দিষ্ট সময়ত গা-ধুৱলৈ আহিব। সেই কাৰণে পুৱা ৪ বজাত সেই কুৱাঁত গৈ পোৱাত সন্ত গৰীব দাসে সুধিলে যে হৰলাল সেই গৰুটোৰ বিষয়ে জানিবলৈ আহিছা নিশ্চয়। হৰলালে ক'লে আপুনি সকলো কথাই জানে, মই আপোনাৰ পৰা জানিব বিচাৰিছো আপুনি কি যাদু কৰি দিলে। সেই গৰুটো আনটোত কৈ বেগাই যোৱা হ'ল। সন্ত গৰীবদাসে ক'লে হৰলাল, তোমাৰ ঘৰত এজন সাধু আছিল তেওঁৰ অৱস্থা এতিয়া কেনে, মই তেওঁক লগ ধৰিছিলো। সেই দিনাখন হৰলালে গাড়ী লৈ কৰবালৈ গ'ল। হৰলালে জনালে

সাধুজন চাৰি বছৰ আগতে ঢুকাল। তেওঁৰ স্মাৰকও তৈয়াৰ কৰা আছে। সন্ত গৰীব দাসজীয়ে ক'লে যে এই বগা গৰুটো সেই পাষণ্ড বাবা হয়। তেওঁৰ লগত জ্ঞান চৰ্চা কৰিছিলো আৰু বুজাইছিলো তোমাৰ ভক্তি ভূল হয়, সত্য নহয়, খাই বৈ শুই থাকে। পৰমাত্মাৰ দৰবাৰত যেতিয়া হিচাব হ'ব তেতিয়া গম পাব। এতিয়া খাই আছে পাছত দিব লাগিব -

গৰীব, নৰ সে ফিৰ পশুৱা কীজৈ গধা বৈল বনায়।
ছপ্পন ভোগ কহাঁ মন বৌৰে, কুৰড়ী চৰনে যায়।।
গৰীব, তুমনে উস দৰগাহ কা মহল না দেখা।
ধৰ্ম ৰাজ কৈ তিল তিল কা লেখা।।

কিন্তু সেই সাধু জনৰ খং উঠিছিল আৰু কৈছিল যে সন্ত গৰীব দাস এজন গৃহস্থ ব্যক্তি, আনফালে সাধু জন বাল ব্ৰহ্মচাৰী। সাধুৱে সন্ত গৰীব দাসক তাৰ পৰা যাবলৈ ক'লে। সাধু সন্তক কোনো শিক্ষা দিব নালাগে।

কবীৰ ৰাম নাম সে খিজ মৰৈ কুষ্টি হো গ'ল যায়।
শুকৰ হৌকৰ জন্ম লে, নাক ডুবতা খায়।

ভাবাৰ্থ ঃ- কবীৰদেৱে কৈছে যে অভিমানী ব্যক্তিয়ে ৰাম নামৰ চৰ্চাশুনিলে নাক মুখ কোচাই লয়। পাছত আকৌ কুষ্ঠ ৰোগ হৈ গেলি পচি মৃত্যু হয়। পিছৰটো জনমত গাহৰি হৈ মল খায়, নাকটো লেতেৰাত পোত গৈ থাকে। এনে কষ্ট সেই প্ৰাণীৰ হব যি ভক্তি কৰা নাই বা শাস্ত্ৰ বিৰুদ্ধ ভক্তি কৰি আছে আৰু আনকো কৰোৱাইছে।

সন্তজীয়ে গৰুটোৰ কাণত কৈছিল যে সেই দিনটো স্মৰণ কৰ আৰু সোঁৱৰাই দিছিল যে তেওঁ কোৱা কথা সাধুৰ অৱস্থাত মানি লোৱা নাছিল। গৰু হৈ এতিয়া ঋণ পৰিশুধ কৰিবলৈ আহিছা, সন্ত গৰীব দাসে ক'লে। লাঠি খাইয়ে হওক বা স্ব-ইচ্ছাই হওঁক ধাৰ শুজিৱই লাগিব। এনেয়ে সেই আহাৰ হজম নহ'ব। সেই গৰু জনম পোৱা নকলী বাবই কথা বুজি পালে। আগৰ কোনোৱা জনমত কবীৰৰ শিষ্য আছিল, কিন্তু আকৌ গিৰি পন্থালৈ গুচি গ'ল। সেই কাৰণে ই সৎ ভক্তি ত্যাগ কৰি জনম মৰণৰ কষ্ট ভোগ কৰি আছে। এতিয়া ই কেতিয়াও নবহিব। এইটো শুনি হৰলাল সন্ত গৰীব দাসৰ ভৰিত পৰিল আৰু তেওঁৰ শৰণত লবলৈ ক'লে যে ঘৰবাৰী এৰি সন্ত গৰীব দাসৰ লগত থাকিব, তেওঁ তত্বজ্ঞানক বুজাৰ দৃষ্টি পালে। ভক্তি নকৰি জীৱই কিমান কষ্ট ভোগে। সন্ত গৰীব দাসে এই বাণী কলে ঃ-

গৰীব গাড়ী বাহো ঘৰ ৰহো খেতি কৰো খুচহাল।
সাঁই শিৰ পৰ ৰাখিয়ে চহী ভগত হৰলাল।।

ভাবাৰ্থ ঃ- পৰমাত্মাক পাবৰ বাবে ঘৰ ত্যাগ কৰাৰ প্ৰয়োজন নাই, নিজৰ খেতি কাৰ্য্য বা গড়ীৰে বস্ত টনা কাম আনন্দেৰে কৰা। মই পৰমাত্মাৰ ভক্তিৰ যি বিধি কওঁ সেইটো কৰি যোৱা, গৰীব দাসে হৰলালক ক'লে। তেনে ভক্তি কৰিলে হৰলাল ভাল ভকত হ'ব বুলিও ক'লে।

গৰীব, নাম উঠত নাম বৈঠত, নাম সোৱাত জাগৰে।
নাম খাতে, নাম পিতে নাম সেতি লাগ ৰে।।

যজুৰ্বেদ অধ্যায় ৪০ ৰ মন্ত্ৰ ১৫ ত আছে ঃ-

বায়ু অনিলম অথইদম অমৃতম ভস্মন্তম্ শৰীৰ।
ওম (ওঁ) কৃতু স্মৰ কিল্বে স্মৰ কৃতম্ স্মৰ।।

ভাবাৰ্থ ঃ- সন্ত গৰীব দাসে কৈছে যে সত্য মন্ত্ৰ তেওঁ দিব। সেই মন্ত্ৰৰ জপ খাওঁতে, শোওঁতে, বহোতে অৰ্থাৎ পুৰা শুই উঠি, গধূলি শোৱাৰ আগতে, যি কোনো সময়ত কৰিব লাগে, এইদৰে ঘৰৰ কাম বনো হ'ব। দেখা যায় যে গাঁৱত মানুহে গোটেই দিনটো জুৱা খেলে, চিলিম টানি সময় নষ্ট কৰে। ৰাজনীতিৰ কথা কৈ কাৰোবাৰ নিন্দা বা পৰচৰ্চা কৰি, নাটক চিনেমা চাই সময় নষ্ট কৰে। সেই সময়ছোৱা পৰমাত্মাৰ ভক্তি আৰু সৎসঙ্গ চৰ্চা শুনা কামত ব্যৱহাৰ কৰিলে মোক্ষ সম্ভৱ হয়।

শ্ৰী হৰলাল জাট দীক্ষা লৈ ঘৰলৈ আহিল। ঘৰৰ মানুহক সকলো কথা ক'লে। সেই নকলী বাবাৰ স্মাৰক (সমাধি) ভাঙি পেলালে আৰু গোটেই পৰিয়ালক ছুড়ানী লৈ গ'ল। সন্ত গৰীব দাসৰ পৰা দীক্ষা দিয়ালে। নিজৰ আৰু পৰিয়ালৰ কল্যাণ কৰালে। সন্ত গৰীব দাসজীৰ আদেশ মৰ্মে সেই বগা গৰুটোক গাড়ী বা নাঙলত নলগালে। তাক বেলেগ পশুৰ পৰা নিলগে ৰাখি ভালদৰে ঘাঁহ পানী খুৱালে। সন্ত গৰীবদাসে কলে যে সেইটো ভকত আছিল হয়, কিন্তু কৰ্ম দোষত পশু হ'ল। তাৰ পৰা কোনো কাম কৰাব নালাগে। সেই গৰুটো পাঁচ বছৰ জীয়াই থাকিল। ভক্ত হৰলালে তাক ভকত মানি সেৱা কৰিলে। পৰমাত্মা কবীৰ দেৱে নিজৰ পথ ভ্ৰষ্ট ভকতৰ পশুজীৱনতো সহায় কৰিলে। যদি আগলৈ তাৰ মানৱ জন্ম হয় আৰু পূৰ্ণ গুৰু পায় তেতিয়া মুক্তি হ'ব। অন্যথা আকৌ চৌৰাষী লাখ যোনিত কষ্ট ভুগিব লাগিব।

ভকত হৰলালৰ সন্তান বেৰী গাওঁত আজিও এই ঘটনাৰ জীৱন্ত প্ৰমাণ বা সাক্ষী হৈ আছে।

### ধপাত খোৱা মহাপাপ ঃ-

সন্ত গৰীব দাসে ভক্ত হৰলালক কলে (দীক্ষা লোৱা সকলো ব্যক্তি) চাদাৰ (হোঁকা, বিড়ী, চিগাৰেট, চিলিম) সেৱন কেতিয়াও নকৰিব। অন্য নিচা জাতীয় দ্ৰব্যৰো প্ৰয়োগ নকৰিব। হৰলালে ক'লে প্ৰায় সকলো খেতিয়কেই চাদাৰ প্ৰয়োগ কৰে। ইয়াৰ পৰা কি হানি হয়।

উত্তৰ ঃ- সন্ত গৰীব দাসজীয়ে ক'লে যে ৰামায়ন আৰু মহাভাৰতৰ কাহিনীত হুক্কা সেৱনৰ বৰ্ণনা কতো নাই। চাদাৰ উৎপত্তি কেনেকৈ হ'ল কওঁ শুনা।

### ধপাতৰ উৎপত্তি কথা ঃ

এজন ঋষি ৰজাৰ শালপতি আছিল। এদিন ৰজাৰ ৰাণীয়ে নিজৰ ভনী ঋষি পত্নী লৈ খবৰ দিলে যে সকলো পৰিয়াল তেওঁলোকৰ ঘৰলৈ ভোজনৰ বাবে আহক লগতে এইটোও কৈ

পঠিয়ালে যে মই তোমাক লগ ধৰিব বিচাৰো।

তোমালৈ মনত পৰি থাকে। নিজৰ পতিক জনাওঁতে ঋষিয়ে ক'লে যে শালপতিৰ লগত বন্ধুত্ব ভাল নহয়। তোমাৰ বায়ে ধন ঐশ্বৰ্যৰ জীৱন জীয়াই আছে, ৰজাৰ ধন তথা ৰাজশক্তিত অহংকাৰ থাকে। তেওঁ আমাক লজ্জিত কৰিবলৈ মাতিছে কাৰণ আমিও ক'ব লাগিব যে আমাৰ ঘৰলৈ ভোজৰ বাবে আহিব। আমি বনত তেওঁলোকৰ দৰে ভোজনৰ ব্যৱস্থা কৰিব নোৱাৰো। এয়া সকলো শালপতিৰ ষড়যন্ত্ৰ। তোমাৰ সন্মুখত নিজকে মহান আৰু মোক গৰীব প্ৰমাণিত কৰিব বিচাৰে। তুমি যোৱা কথা নাভাবিবা। আমি নগলেই ভাল হ'ব। কিন্তু ঋষি পত্নী মান্তি নহ'ল। ঋষি আৰু পৰিয়াল ৰজাৰ অতিথি হৈ গ'ল। ৰাণীয়ে বহুমূল্য আভূষন আৰু বস্ত্ৰ পিন্ধিছিল। ঋষি পত্নীৰ ডিঙিত ৰাম নাম জপ কৰাৰ মালা আৰু সামান্য বস্ত্ৰ (সাধবীৰ দৰে) শৰীৰত আছিল। ৰাজ দৰবাৰৰ কৰ্মচাৰী-অধিকাৰী সকলে তুচ্ছ জ্ঞানে ঋষি পত্নীৰ বেশ ভূষা দেখি ৰজা আৰু ঋষিৰ তুলনা কৰিলে। এই চৰ্চা ঋষি পৰিয়ালে শুনি আছিল। খোৱা বোৱাৰ পাছত ঋষি পত্নীয়ে ৰজা ৰাণীক নিৰ্দিষ্ট দিনত ভোজলৈ মাতিলে।

নিৰ্দিষ্ট দিনত হেজাৰ হেজাৰ সৈনিক লৈ ৰজা সপৰিয়ালে শালপতি ঋষিৰ কুটীৰত উপস্থিত হ'ল। ঋষিয়ে স্বৰ্গৰ ৰজা ইন্দ্ৰক কাকুতি মিনতি কৰি এজনী কামধেনু (সকলো বাঞ্চা পূৰণ কৰা গাই, কামধেনুৰ উপস্থিতিত যি কোনো খোৱা বস্তু ইচ্ছা কৰিলে পোৱা যায় বুলি পৌৰাণিক মান্যতা আছে) মাগি আনিলে তাৰ বিনিময়ত ঋষিয়ে নিজৰ পুণ্য কৰ্ম সংকল্প কৰিছিল। ইন্দ্ৰদেৱে এজনী কামধেনু আৰু এটা বহল তম্বু লগতে কিছু সংখ্যক স্বেচ্ছাসেৱক পঠিয়ালে। তম্বুৰ ভিতৰত গাই এৰি দিলে। ঋষি পৰিয়ালে গাই মাতৃক প্ৰাৰ্থনা কৰিলে, নিজৰ মনোকামনা ক'লে। সেই সময়তে ছাপন্ন প্ৰকাৰৰ খাদ্য, ৰূপৰ থালী, কেৰাহী আদি পাত্ৰত স্বৰ্গৰ পৰা অহা তম্বুৰ ভিতৰত ৰখা হ'ল। লাডু, জেলেপি, কচৌড়ী, দৈ, চুজি, পায়স, দাল, ৰুটি, লুচি বৰ্ফি, ৰসগোল্লা ইত্যাদি খাদ্য সম্ভাৰেৰে আধা বিঘা মাটিত তম্বু ভৰি পৰিল। ঋষিয়ে, ৰজাক ভোজন গ্ৰহণ কৰিবলৈ আগ্ৰহ কৰিলে। ৰজাই ঋষিক অপমান কৰিবলৈ ক'লে যে তেওঁৰ সেনায়ো লগতে ভোজন কৰিব। ঘোঁৰা কো দানা খুৱাব লাগিব। ঋষিয়ে ক'লে প্ৰভু কৃপাত সকলো ব্যৱস্থা হৈ যাব। প্ৰথমতে আপুনি আৰু সেনাই ভোজন কৰক। ৰজাই দেখি স্তম্ভিত হ'ল। তাৰ পিছত সুন্দৰ থালীত বিভিন্ন প্ৰকাৰৰ খাদ্য আনি স্বেচ্ছাসেৱক সকলে থব ধৰিলে। অন্নদেৱৰ স্তুতি কৰি ঋষিয়ে ভোজন কৰাৰ প্ৰাৰ্থনা কৰিলে। ৰজাই দেখিলে যে ইয়াৰ তুলনাত তেওঁৰ ভোজন ব্যৱস্থা একো নহয়। মই কেৱল ঋষি পৰিয়ালকহে ভোজন খুৱাইছিলো, তাতে তিনি চাৰিটা খাদ্য হে আছিল। ৰজা লাজত পানী হ'ল। খাই থকা সময়তো বৰ কষ্ট পাইছিল। ইৰ্ষাৰ জুই দপ-দপকৈ জ্বলি উঠিল, অপমানিত বোধ কৰিলে। সকলো সৈনিকে আহাৰ খাই শলাগ ল'লে। ৰজাৰ তেজ উতলি আছিল, লজ্জিত হ'ল। নিজৰ তম্বুত গৈ ৰজাই ঋষিক মাতিলে আৰু সুধিলে যে এই ভোজন জংগলত কেনেকৈ তৈয়াৰ কৰিলে। কেৰাহী চৌকা একোৰে নাই। ঋষিয়ে ক'লে যে তেওঁ নিজৰ পুণ্য আৰু ভক্তি কৰাৰ বিনিময়ত স্বৰ্গৰ পৰা

এজনী গাই ঘূৰাই দিয়াৰ চৰ্তত লৈছে। সেই গাইজনীৰ বিশেষত্ব এই যে আমি যিমান খাদ্য খোজো তুৰন্তে দিব পাৰে। ৰজাই ক'লে যে মোৰ সন্মুখত এনে কৰি দেখুৱালেহে বিশ্বাস কৰিব। ঋষি আৰু ৰজা তম্বুৰ দুৱাৰ মুখত থিয় হ'ল। ভিতৰত গাইজনী মাত্ৰ থিয় হৈ আছিল দুৱাৰৰ ফালে গাইজনীৰ মুখ আছিল। তম্বুৰ ভিতৰখন খালী হৈ পৰিছিল কাৰণ সকলোৱে ভোজন কৰি শেষ কৰিছিল। বাকী থকা বয় বস্তু বোৰ সেৱক সকলে লৈ গৈছিল। গাইজনী ঋষি জনৰ অনুমতিৰ অপেক্ষা কৰি আছিল। ৰজাই ঋষিক ক'লে, ঋষিজী, এই গাই মোক দিয়ক, মোৰ লগত বহুত সৈন্য আছে। তেওঁলোকৰ ভোজনৰ ব্যৱস্থা গাইজনীৰ দ্বাৰাই হ'ব, আপুনি নো গাই জনীৰ কৰি কৰিব ? ঋষিয়ে ক'লে, মই গাইজনী ঘূৰাই দিব লাগে। স্বৰ্গৰ পৰা আনিছোঁ, গাইজনীৰ গৰাকী নহঁও। মই আপোনাক দিব নোৱাৰোঁ ৰজাই দূৰৈত থিয় হৈ থকা সৈনিকক গাইজনী লৈ যাবলৈ ক'লে। ঋষিয়ে মন কৰিলে যে শালপতিৰ মতি বেয়া হৈছে। লগে লগে ঋষিয়ে গৌমাতৃক ক'লে যে গৌমাতৃ, নিজৰ গৰাকী স্বৰ্গৰাজ ইন্দ্ৰৰ তালৈ সোনকালে যাব লাগে। তেতিয়াই কামধেনু তম্বু ফালি পোনে পোনেই ওপৰলৈ উৰি গ'ল। ৰজাই গাইজনীক তললৈ নমাবলৈ ঠেঙত কাড় মাৰিলে। গাইজনীৰ ঠেঙৰ পৰা তেজ বব ধৰিলে, গাইজনী আঘাত প্ৰাপ্ত হৈ স্বৰ্গলৈ গুচি গ'ল। যত তত গাইজনীৰ তেজ পৰিছিল। সেইবোৰ ঠাইত ধপাত গজিলে, পিছলৈ তাৰ বীজ হল আৰু ধপাত যতে ততে হ'ল। সন্ত গৰীব দাসে কৈছে যে -

তমা + খু = তমাখু

খুনাম খুন কা তমা নাম গাই, চৌবাৰ সৌগন্ধ ইসে ন পিয়ে খায়।।

ভাবাৰ্থ ঃ- ফৰাচী ভাষাত গাইক 'তমা' কয়। খুন অৰ্থাৎ তেজক কয়। এই চাদা গাইৰ তেজৰ পৰা উৎপন্ন হৈছে। ইয়াৰ ওপৰত গাইৰ চুনি (নোম) দৰে থাকে। সন্ত গৰীব দাসজীয়ে মানুহক শপত খোৱাই এই চাদাৰ ব্যৱহাৰ কোনো প্ৰকাৰেই নকৰিবলৈ কৈছে। চাদা চুলে, খোৱাৰ সমানে পাপ লাগে, মুছলমান ধৰ্মৰ মানুহে হিন্দু সকলৰ পৰা জানিলে চাদাৰ উৎপত্তি এনেদৰে হৈছিল। তেওঁলোকে গাইৰ তেজ ভাবি চাদা খোৱা আৰু হোঁকাত দি খোৱা আৰম্ভ কৰিলে। কাৰণ ভূল জ্ঞানৰ আধাৰত মুছলমান ভাই সকলে গাইৰ মাংসক প্ৰসাদ বুলি গন্য কৰে। আচলতে হজৰত মোহম্মদ, মুছলমান ধৰ্মৰ প্ৰবৰ্ত্তকজনে কেতিয়াও জীৱৰ মাংস খোৱা নাছিল।

গৰীব নবী মুহম্মদ নমস্কাৰ হাঃ, ৰাম ৰচুল কহায়া।
এক লাখ অচ্ছী কো সৌগন্ধ, জিন নহী কৰদ চলায়া।।
গৰীব অৰ্স কুৰ্শ পৰ অল্লাহ তখত হাঃ খালিক বিন নহী খালী।
বৈ পৈগম্বৰ পাক পুৰুষ থে, সাহেব কে অৰদালী।।

ভাবাৰ্থ ঃ- নবী মোহম্মদ আদৰণীয় মহাপুৰুষ আছিল। তেওঁ পৰমাত্মাৰ বাৰ্ত্তা বাহক আছিল। তেওঁৰ নিচিনা পয়গম্বৰ মুছলমান ধৰ্মত (বাবা আদমৰ পৰা লৈ হজৰত মোহম্মদ

লৈকে) এক লাখ আষী হেজাৰ আছিল বুলি কোৱা হয়। তেওঁলোক সকলো পাক (প্ৰবিত্ৰ) ব্যক্তি আছিল, যি সকলে কেতিয়াও কোনো পশু-পক্ষীৰ ওপৰত তৰোৱালৰ প্ৰহাৰ কৰা নাছিল। তেওঁলোকে পৰমাত্মাক ভয় কৰিছিল পৰমাত্মাৰ কৃপাপাত্ৰ আছিল। আগলৈ কিছুমান মোল্লা আৰু কাজীয়ে মাংস খোৱাৰ পৰম্পৰা আৰম্ভ কৰি দিলে যি আগলৈ গৈ ধাৰ্মিকতাৰ অপবাদ (বেয়া স্বৰূপ) হৈ পৰিল। সেই আধাৰত মুছলমান ভাই-ভনীয়ে পাপ খাই আছে। আকৌ ভ্ৰমিত মুছলমান সকলে চাদাৰ প্ৰয়োগ (খোৱা, হোঁকাত দি খোৱা ইত্যাদি) আৰম্ভ কৰি দিলে। হিন্দু ধৰ্মৰ সহজ সৰল মানুহে তেওঁলোকৰ ছল-চাতুৰী বুজি নাপালে। তেওঁলোকে কোৱাত চাদাৰ প্ৰয়োগ ধুমধামেৰে আৰম্ভ কৰিলে। বৰ্ত্তমান ই সম্ভ্ৰান্ত সমাজৰ প্ৰতীক হৈ পৰিছে-যিটো মহাভূল হয়। অজ্ঞানতাৰ আঁৰ কাপোৰ হয়। ভূলতো ইয়াৰ সেৱন কৰা নিষেধ। সন্ত গৰীব দাসজীয়ে ভক্ত হৰলালক আকৌ চাদা খোৱাৰ পৰা হোৱাৰ পাপৰ বৰ্ণনা কৰিছে ঃ-

গৰীব, পৰ দ্বাৰা স্ত্ৰী কা খোলৈ। সত্তৰ জন্ম অন্ধাঁ হো ডোলৈ।।
মদিৰা পীৱৈ কড়ৱা পানী। সত্তৰ জন্ম শ্বাণ কে জানী
মাংস আহাৰী মানৱ, প্ৰত্যক্ষ ৰাক্ষস জান। মুখ দেখো ন তাচকা বো ফিৰৈ চৌৰাসী খান।।
সুৰাপান মদ্য মাংসহাৰী। গমন কৰৈ ভোগৈ পৰ নাৰী।।
সত্তৰ জনম কটত হাঃ শীশ। সাক্ষী সাহেব হৈ জগদীশঁ।।
সৌ নাৰী জাৰী কৰৈ, সুৰাপান সৌবাৰ। এক চিলম হোঁকা ভৰৈ, ডুবৈ কালী ধাৰ।।
হুক্কা হৰদম পীৱতে, লাল মিলাৱে ধুৰ। ইসমে সংশয় হৈ নহী, জন্ম পিছলে সুৱৰ।।

উপৰুক্ত বাণী সমূহৰ ভাৱাৰ্থ ঃ-

বাণী সংখ্যা ১ ঃ- ১ ত কৈছে যে কোনো ব্যক্তিয়ে অন্যস্ত্ৰীৰ লগত অবৈধ সম্বন্ধ স্থাপন কৰিলে সেই পাপৰ কাৰণে সি সত্তৰ জন্ম লৈকে অন্ধ হ'ব। অন্ধ গাধ, অন্ধ মাইকী গাধ, অন্ধ গৰু, অন্ধ তিৰোতা - এনেদৰে একেৰাহে সত্তৰ জন্ম কষ্ট ভূগিব।

বাণী সংখ্যা ২ ঃ- তিক্ত মদ ৰূপী পানী কোনোৱাই খালে, তেওঁ সেই পাপৰ বাবে সত্তৰ জন্ম কুকুৰ হৈ কষ্ট ভূগিব। লেতেৰা নলাৰ পানী খাব আৰু আহাৰ নাপালে শৌচ মল খাব।

বাণী সংখ্যা ৩ ঃ- যি ব্যক্তিয়ে মাংস খায়, তেওঁ স্পষ্ট ৰাক্ষস স্বৰূপ। তেনে ব্যক্তিৰ মুখো চাব নালাগে, অৰ্থাৎ সঙ্গত থাকিলে অন্য জনেও মাংস খাব ধৰিব। সেই কাৰণে তেনে ব্যক্তিৰ লগ এৰাই চলিব। তেওঁ চৌৰাশী লাখ যোনিত কষ্ট ভূগিবই লাগিব।

বাণী সংখ্যা ৪-৫ ঃ- মদ খোৱা, অন্যৰ তিৰোতাৰ লগত শাৰীৰিক সম্বন্ধ, মাংস খোৱা সকলে, অন্য পাপ কৰ্মও ভূগিব লাগিব। তেওঁলোকৰ সত্তৰ জনম লৈকে মানৱ অথবা ছাগলী, মহ, কুকুৰা আদিৰ জীৱনত মূৰ কটা যাব। এই কথা সন্তগৰীব দাসজীয়ে পৰমাত্মাক সাঁক্ষী ৰাখি কৈছে। সত্য বুলি বিশ্বাস কৰিব।

বাণী সংখ্যা ৬ ঃ- অন্যক ধপাত সেৱন কৰা কাৰ্য্যত সহায় কৰা জনেও ওপৰত আৰু

তলত উল্লেখ কৰা কষ্ট ভূগিব লাগে, দিয়া জনক যি পাপ লাগিব, সেয়া শুনিব। এবাৰ মদ খোৱা, মাংস খোৱা জনে পাপৰ কাৰণে উপৰোক্ত কষ্ট ভোগে। এশ স্ত্ৰী ভোগ কৰা আৰু এশবাৰ মদ খোৱা ব্যক্তিক যি পাপ লাগে, সেই পাপ চিলিমত ধপাত ভৰোৱা জনো এই পাপৰ ভাগী হয়। চিন্তা কৰি চাওঁক চাদা ব্যৱহাৰ (চিলিম, বিড়ী, চিগাৰেট) কৰিলে কিমান পাপ লাগিব। সেই কাৰণে চাদা জাতীয় সকলো বস্তুৰ ব্যৱহাৰ কেতিয়াও নকৰিব।

বাণী সংখ্যা ৭ঃ- সমাজৰ কিছুমান ব্যক্তিক দেখি আন কিছুমানে চিলিম বা অন্য নিচাজাতীয় দ্ৰব্য সেৱন আৰম্ভ কৰে। যদি সৎসঙ্গ শুনি বেয়া স্বভাৱ এৰি দিয়ে, জানিব লাগিব তেওঁলোক আগৰ জন্মতো মনুষ্য আছিল। তেওঁলোকৰ নিচাৰ প্ৰতি গভীৰ আসক্তি নাথাকে। কিন্তু যি সকলে বাৰে বাৰে সৎসঙ্গ শুনিও চাদা আদি নিচা ত্যাগ নকৰে, তেওঁলোক আগৰ জনমত গাহৰি শৰীৰত আছিল। গাহৰিৰ শৰীৰত দুৰ্গন্ধ শুঙি চাদাৰ দুৰ্গন্ধ খোৱা-শুঙাৰ এৰাব নোৱাৰা অভ্যাস হয়। তেওঁলোকে চিলিম খোৱা বা অন্য নিচা সোনকালে ত্যাগ কৰিব নোৱাৰে। তেওঁলোকে নিজৰ অমূল্য মানৱ শৰীৰ ৰূপী লাল (হীৰা)ক মাটিত মিলাইছে। তেওঁলোকে আৰু বেছিকৈ সৎসঙ্গ শুনাৰ প্ৰয়োজন। আশা নেৰিব সচাঁ মনেৰে পৰমাত্মা কবীৰদেৱৰ ওচৰত নিচা এৰুৱাবৰ বাবে কাতৰ প্ৰাৰ্থনা কৰিলে সকলো নিচা আতঁৰাই দিব।

**ধপাত বিষয়ে অন্য বিচাৰ**

ধপাত অৰ্থাৎ চিলিম টানা সকলৰ স্থিতি সম্পৰ্কে কৈছে ঃ-

(সন্ত গৰীব দাসজীৰ গ্ৰন্থত অথ তমাখু কী বৈঁত নামৰ অধ্যায়ৰ পৰা)

পিত বাই খাঁচী নিবাসী নিবাস। কফ দল কলেজা লিয়া হৈ গিৰাস।।
কালা তমাখু অৰু গোৰা পিৱাক। দস বীস লগৰ জঁহা বৈঠে গুটাক।।
বাজে নৈ গুড়-গুড় অৰু হুক্কে হজুম। কোৰে কুবুদ্ধি বীসা হাঃ ন সুম।।
বাঁকী পড়গী অৰু বাঁকী হী নৈ খুদ ডুবৈ অৰু ডুবোত্ৰ হাঃ কৈ।
গুটা কড় অটা কড় মটা কড় লহুৰ। এক বেঠৈগা অডুকৰ এক বেঠেগা দুৰ।।
পীৱৈ তমাখু পৰ্ড়ে কৰ্ম মাৰ। অমলী কে মুখ মে মুত্ৰ কী ধাৰ।।
কড়ৱা হী কড়ৱা তু কৰতা হমেশা। কড়ৱা হী লে প্যাৰে কড়ৱা হী পেশ।।
কামী ক্ৰোধী তু লোভী লবুট। বচন মান মেৰা ধুমা ন ঘুঁট।।
হুক্কা হৰামী গুলামী গুলাম। ধনী কে সৰে মে ন পহুঁচে অলাম।।
পামৰ পৰম ধাম জাতে ন কোই। ঝুঠে অমল পৰ দই জান খোই।।
মুৰদা মজাৰৰ হৰামী হৰাম। পীৱৈ তমাখু সো ইন্দ্ৰী কে গুলাম।।
অজ্ঞান নীদ ন সো উঠ জাগ, পীৱৈ তমাখু গত্ৰ ফুটি ভাগ।।
ভাংগ তমাখু পীৱৈ হী, সুৰাপান সে হেত। গৌচত মিটটী খায়কৰ জংগলী বনৈ প্ৰেত।।
গৰীব পান তমাখু চাহবী, সাঁস নাক মে দেত। সৌ তো অকাৰ্থ গত্ৰ জ্যোঁ ভড়ভূজে কা ৰেত।।
ভাংগ তমাখু পীৱহী, গোচত গলা কবাব। মৌৰ মৃগ কুভখত হাঃ, দেঁগে কহাঁ জবাব।।

ভাংগ তমাখু পীৱহী, চিসম্যোঁ নালি তমাম। সাহিব তেৰী সাহিবী, জানে কহাঁ গুলাম।।

গউ অপনী অম্মা হাঃ, ইস পৰ ছুৰী না বাহয়। গৰীব দাস ঘী দুধ কৌ সব হী আত্ম খায়।।

ভাৱাৰ্থ ঃ- উপৰুক্ত বাণীৰ ভাৱাৰ্থ এই যে মানৱ শৰীৰক অক্সিজেনৰ আৱশ্যকতা আছে। তাৰ ঠাইত চাদাৰ ধোঁৱা (কাৰ্বন ডাই অক্সাইড) প্ৰৱেশ কৰিলে ব্যক্তিজনৰ কাঁহ ৰোগ হব, পিত্ত আৰু বায়ু ৰোগ হ'ব। চিলিম টানা বিলাকৰ বহাৰ ঢং সম্পৰ্কে কৈছে যে সিহঁতৰ দুই-এক জন চিলিমৰ ওচৰতে বহিব, অন্য কিছুমান অলপ দূৰত বহিব আৰু ক'ব যে এইফালে অলপ আগবঢ়াই দিব। অন্যজনে তালৈ চিলিম আগবঢ়াব। আকৌ চিলিমৰ নলী গুৰুড়-গুৰুড় কৰি বাজি উঠিব। নিজে চিলিম টানি ডুবিব আৰু সৰু সৰু লৰা-ছোৱালীয়েও সিহঁতক দেখি সেই পাপ কৰি কলাপানী সদৃশ নৰকত ডুবিব। চাদা খোৱা সকলৰ নিশ্চয় ভাগ্য দুষিত, অন্য ব্যক্তিকো চাদা খাবলৈ উচতাই ডুবাব। উপৰুক্ত বেয়া কাম কৰা সকলে নিজৰ জীৱন এনেদৰে ব্যৰ্থ কৰে যেনেকৈ ভাজনীয়ে জুইত বালি গৰম কৰি বুটমাহ ভাজে। ভজাৰ পিছত বালি খিনি গলিত পেলাই দিয়ে। এই দৰে যি ব্যক্তিয়ে উপৰোক্ত বেয়া কাম কৰে তেওঁ নিজৰ মানৱ জীৱনক এই ধৰণে (ভজা বালি) ব্যৰ্থ কৰি যায়। সেই জীৱক নৰক আৰু অন্য প্ৰাণীৰ জীৱন ৰূপী গলিত পেলাই দিয়া হয়। যি ব্যক্তিয়ে উপৰোক্ত পাপ কৰে, তেওঁলোকে ভগৱানৰ দৰবাৰত কি উত্তৰ দিব অৰ্থাৎ কথা কোৱাৰ যোগ্য নহব। আকৌ কৈছে যে গাই নিজৰ মাতৃ সমান। সকলো জাতি, ধৰ্মৰলোকে গাখীৰ, ঘীউ খায়। এই কাৰণে গাইক হত্যা নকৰিবা।

ধপাত বিষয়ে বৰ্ণনা কৰি থকা হৈছে ঃ- ভক্তি পথত চাদা সকলোবস্তুত কৈ বেছি বাধাকাৰক। আমাৰ নাকৰ দুটা ৰাস্তাৰ উপৰিও মাজেদি এটা তৃতীয় ৰাস্তা আছে, যি সৰু বেজী এটাৰ ফুটাৰ নিচিনা হয়। বিড়ী-চিগাৰেট, চিলিম আদিৰ ধোঁৱা নাকেৰে এৰোঁতে সেই ধোৱাই সেইটো ৰাস্তা বন্ধ কৰি দিয়ে। সেই ৰাস্তা ওপৰৰফালে ত্ৰিকুটীৰ ফালে যায় যত পৰমাত্মা নিবাস কৰে। যি ৰাস্তাৰে আমি পৰমাত্মাক প্ৰাপ্তি কৰিম, সেই ৰাস্তাটোকে চাদাৰ ধোৱাই বন্ধ কৰি দিয়ে। চিলিম টানা সকলে প্ৰতিদিনে চিলিমৰ নলী লোহাৰ সৰু পাতল শলাৰে চাফা কৰে, তাৰ পৰা ধোৱাঁ জমা হোৱা মলি ওলায়। সেই নলীডাল বন্ধ হৈ পৰে। মানৱ জীৱন পৰমাত্মা প্ৰাপ্তিৰ বাবেই আমি পাঁইছো পৰমাত্মা প্ৰাপ্তিৰ পথটোক চাদাৰ ধোৱাই বন্ধ কৰি দিয়ে। এই কাৰণেও চাদা ভক্ত সকলৰ বাবে প্ৰধান সত্ৰু। চিলিম টানা বিলাকেও কোৱা শুনা যায় যে ধপাত ভাল বস্তু নহয়। যেতিয়া কণ কণ লৰা-ছোৱালীয়ে নিজৰ দেউতা, খুৰা, ককা দেউতা সকলে চিলিম টানা দেখে, তেতিয়া সিহঁতেও তাৰ নকল কৰে। সৰু ল'ৰাই চিলিম ধৰিলে চিলিম টানা ডাঙৰ জনেও ধমকী দি মানা কৰে এইটো ভাল কথা নহয়। যদি আপুনি ইয়াক ভাল বুলি ব্যৱহাৰ কৰি আছে, ল'ৰা-ছোৱালীকো অনুমতি দিয়ক। আপুনি বাধা দিয়াৰ অৰ্থ হ'ল, আপুনি মানি লৈছে যে এইটো ভাল নহয় হানিকাৰক হয়। জাৰৰ দিনত একে লগে সৰু ল'ৰা-ছোৱালীও শুই থাকে সেই ঠাইত চিলিম টানা সকলে টানি থাকে। তেওঁ নিজে পাপ কৰিছে আৰু নিজৰ

পৰিয়ালকো পাপৰ ভাগি কৰি আছে। সৰু ল'ৰা-ছোৱালীক দেউতা, ককা দেউতাই নিজৰ ভাগৰ গাখীৰ খোৱাবৰ চেষ্টা কৰি কয়, খোৱা আৰু অলপ খোৱাচোন, চোৱা তোমাৰ চুলি কিমান দীঘল হ'ল, আৰু খালে বেচি দীঘল হ'ব। এই ধৰণে গাখীৰ খোৱাইহে স্বস্তিৰ নিশ্বাস লয় কাৰণ গাখীৰ লৰা-ছোৱালীৰ বাবে লাভদায়ক হয়। বিড়ী চিগাৰেট খাবলৈ মানা কৰে, কাৰণ অন্তৰে কয় চাদা সেৱন কৰা বেয়া। কিন্তু সমাজত এই বেয়া কামবোৰ স্বাভাৱিক হৈ পৰিছে। গতিকে পাপৰ ধাৰণাই নাইকিয়া হৈছে। যেনেদৰে কোনো সম্প্ৰদায়ে মাংস খায়, তেওঁলোকৰ ল'ৰা ছোৱালীৰ বাবে পাপ সাধাৰণ কথা।

এই ধৰণেই চাদাৰ সেৱন মহাপাপ হয়। কিন্তু পৰম্পৰা চলিলে, পাপ নালাগে বুলি ভাৱে ইয়াক ত্যাগ কৰিব লাগিব। ভক্ত হৰলালে সেইদিনাখনেই চিলিম ভাঙি পেলালে। সকলো পৰিয়ালক সকলো কথা কলে। নাম দীক্ষা দিয়ালে। কেইবা প্ৰজন্মলৈকে বেৰীগাওঁৰ সেই পৰিয়ালসমূহত ধপাত সেৱন নকৰিলে। পিছত সৎসঙ্গ অভাৱত আকৌ কোনো-কোনোৱে ধপাতৰ সেৱন আৰম্ভ কৰিলে।

## গাধ-ঘোঁৰাইও ধপাত ঘৃণা কৰে

এদিন সন্ত গৰীব দাসে (গাঁৱ-ছুড়ানী, জিলা-৭ৰ নিবাসী) কিবা কামত ঘোঁৰাত উঠি জিন্দ জিলাৰ কোনোবা গাঁৱলৈ গৈ আছিল। ৰাস্তাত মালখেড়ী গাঁৱৰ (জিন্দ জিলা) পথাৰ আছিল। সেই পথাৰৰ মাজেদিয়ে তেওঁ গৈ আছিল। পথাৰত ঘেঁহুৰ শস্য লহপহ কৰি থিয় দি আছিল। ঘোঁৰা ৰাস্তা এৰি ঘেঁহু শস্যৰ মাজে মাজে যাব ধৰিলে। পথাৰত শস্য ৰখীয়া আছিল। তেওঁলোক লাঠী লৈ দৌৰি আহি সন্ত গৰীব দাসক লাঠী দেখুৱাই কলে তোৰ মূৰটোৰ কি হ'ল। আমাৰ শস্য নষ্ট কৰিছা। ঘোঁৰাক পোন বাটেৰে লৈ যাব নোৱাৰানে ? যেতিয়াই তেওঁলোকে সন্ত গৰীব দাসক লাঠীয়ে মাৰিবলৈ চেষ্টা কৰিলে, তেওঁলোকৰ হাত ওপৰতেই থমকি ৰ'ল। সকলো নিজৰ নিজৰ ঠাইত শিলৰ মূৰ্ত্তিৰ দৰে থিয় হ'ল। পাঁচ মিনিট সময় তেনেদৰেই থাকিল। আকৌ সন্ত গৰীব দাসদেৱে নিজৰ হাত আশীৰ্বাদ দিয়াৰ স্থিতিত লওঁতে তেওঁলোকৰ ঠৰঙা লগা অৱস্থা ভাগিল আৰু সকলো ওপৰ মুৱাকৈ পৰিল। লাঠীবোৰ হাতৰ পৰা এৰাই গ'ল। তেওঁলোকৰ অৱস্থা পক্ষঘাতৰোগীৰ দৰে হ'ল। ৰখীয়াসকলৰ বুজিবলৈ সময় নালাগিছিল যে এইজন সামান্য ব্যক্তি নহয়। সকলোৱে কান্দি ক্ষমা খুজিলে। তেতিয়া সন্ত গৰীব দাসে ক'লে হে ভদ্ৰ পুৰুষ সকল ৰাস্তাৰে গৈ থকা ব্যক্তিৰ লগত এনে ব্যৱহাৰ কৰে নেকি ? মাৰিবলৈ দৌৰি আহিলা প্ৰথমতে জানিবলৈ চেষ্টা কৰিব লাগে, কি কাৰণে ঘোঁৰা শস্যৰ মাজেদি লৈ গৈছে ? সেই খেতিয়ক সকলে ক'লে, এতিয়া অনুগ্ৰহ কৰি কওঁক, কি কাৰণে ঘোঁৰা শস্যৰ মাজেদি গৈছিল ? সন্ত গৰীব দাসে সুধিলে যে এই পথাৰত এই শস্যৰ আগতে কিহৰ বীজ ৰোৱা হৈছিল ? তেওঁলোকে ক'লে যৌ শস্য ৰোৱা আছিল। গৰীব দাসে সুধিলে তাৰ আগত কি শস্যৰ খেতি আছিল। তেওঁলোকে ক'লে যে তেতিয়া ধপাতৰ খেতি আছিল। সন্ত গৰীব দাসজীয়ে ক'লে যে

সেই ধপাতৰ দুৰ্গন্ধ এতিয়াও মাটিৰ পৰা আহি আছে। সেই দুৰ্গন্ধ সহিব নোৱাৰি তেওঁৰ ঘোঁৰা ৰাস্তা এৰি দুৰলৈ যাব ধৰিলে। সেই ধপাত আপোনালোকে খায়, আপোনালোক পশুতকৈও অধম। ধ্যান দি শুনা, আজিৰ পৰা এই গাঁৱৰ কোনো ব্যক্তিয়ে চিলিম নাখাব, চাদা সেৱন নকৰিব। যদি আদেশ পালন নকৰে গাঁৱৰ হানি হ'ব, সেই সময়ত সকলোৱে হব বুলি কলে। সন্তজন যোৱাৰ পাছত চিলিম ভৰাবলৈ ধৰিলে। ভৰাই থাকোঁতেই হাতৰ পৰা পৰি চিলিম ভাগিল। আনটো চিলিম আনি ভৰাবলৈ ধৰোঁতেই হাততে চুৰমাৰ হৈ পৰিল। পথাৰত থকা গোটেই চিলিম ভাগি নাইকিয়া হ'ল। ৰখীয়া বিলাকে ভয় কৰিলে এয়া সেই সন্তজনৰ লীলা হয়। গাঁৱলৈ গৈ দেখিলে গাঁৱৰ সকলো হোঁকা, চিলিম ভাগিল গোটেই গাঁৱত হুলস্থুল লাগিল। ভয়ৰ পৰিবেশ সৃষ্টি হ'ল। ৰখীয়া সকল গাঁৱলৈ যোৱাত কাৰণ টো গম পালে। সেই দিন ধৰি আজিলৈকে গাওঁখনত কোনো ব্যক্তিয়ে হোঁকা (চাদা সেৱন) নাটানে। গাঁৱৰ নামটো "মাল খেড়ী"।

হোঁকা খোৱা সকলে কয় যে তেওঁৰ লগত ভাল (তীক্ষ্ণ) চাদা আছে। এই চিলিমত ভৰাব লাগে। আনজনে ক'ব তেওঁৰ লগত থকা চাদা আৰু বেছি তীক্ষ্ণ। সন্ত গৰীব দাসদেৱে কৈছে যে মৃত্যুৰ পিছত যমদূতে সেই তীক্ষ্ণ চাদা খোৱাজনৰ মুখত পেচাব কৰিব। যমদূতে কয় যে তই বেছি তীক্ষ্ণ চাদা খাব বিচাৰিছিল নহয়, খা মোৰ তীক্ষ্ণ মুত। তাৰ মুখ খুলি পেচাবৰ ধাৰা মুখত ঢালিব।

সন্ত গৰীব দাসে এনেকৈ লীলা কৰি বেয়া কৰ্ম এৰুৱাইছিল। নিজৰ জ্ঞানৰ প্ৰভাৱৰ ফলত বেয়া কৰ্ম চিৰদিনৰ বাবে নাইকিয়া হয়। জ্ঞান সৎসঙ্গৰ পৰা হয়। সৎসঙ্গ শুনা ৰুচি গঢ়ি তোলক, অভ্যাস কৰক, সৎসঙ্গ শুনক।

নিবেদন ঃ- উপৰোক্ত বেয়া কৰ্ম চিৰকালৰ বাবে ত্যাগ কৰক জীৱনৰ পথ সোনোৱালী বা সুগম হ'ব।

## নিচা সেৱন কৰিলে সৰ্বনাশ হয়

নিচা সেৱন-মদ, গাঞ্জা, কানি, হিৰোইন ইত্যাদি- যিয়েই সেৱন কৰে, সেয়া আপোনাৰ সৰ্বনাশৰ কাৰণ হব। সৰ্বপ্ৰথমে নিচাই মানুহক চয়তানৰূপে গঢ় দিব। আকৌ শৰীৰ নাশ কৰে। শৰীৰৰ চাৰিটা গুৰুত্বপূৰ্ণ অংগ আছে ঃ- ১. হাঁওফাঁও, ২. কলিজা, ৩. বৃক্ক, ৪. হৃদয়। মদে সৰ্ব প্ৰথমে এই চাৰিটা অংগ বেয়া কৰি দিয়ে। গাঞ্জাই মগজুক সম্পূৰ্ণ ৰূপে নষ্ট কৰি দিয়ে। হিৰোইনে মদতকৈও বেছিকৈ শৰীৰ ফোঁপোলা কৰে। কানিয়ে শৰীৰ দুৰ্বল কৰি তোলে, নিজৰ ক্ষমতা হেৰুৱায়। কানি খালেহে শক্তি পোৱাৰ ভাৱ হয়। তেজ দুষিত হৈ যায়, গতিকে এইবোৰ বস্তু গাঁৱতো ৰাখিব নালাগে, ঘৰৰ কথাই বেলেগ। এইবোৰ সেৱন কৰা কথা ভাবিবও নালাগে।

এজন ব্যক্তিয়ে দিল্লীৰ পালম বিমানবন্দৰত চাকৰি কৰিছিল। ১৯৯৭ চনৰ কথা। সেই সময়ত তেওঁৰ বেতন বাৰহেজাৰ টকা আছিল। দিল্লীত গাঁৱত এই দাস (ৰামপাল দাস) সৎসঙ্গ কৰিবলৈ গৈছিল। তাত এজনী বৃদ্ধা তিনিজনী নাতিনীয়েকৰ সৈতে সৎসঙ্গ শুনিবলৈ আহিল।

বৃদ্ধা সৎসঙ্গ আয়োজন কৰা ব্যক্তিজনৰ খুৰী আছিল। বৃদ্ধা গৰাকী গাঁৱৰ পৰা আঁতৰত এটুকুৰা মাটিত ঘৰ সাজি বাস কৰিছিল। দিল্লীৰ বিমান বন্দৰত চাকৰি কৰা লৰাজন এই বৃদ্ধা গৰাকীৰ পুত্ৰ আছিল। বহুত মদ খাইছিল, ঘৰৰ অৱস্থা বেয়া কৰি থৈছিল, পত্নী আৰু লৰা ছোৱালীক মাৰপিট কৰিছিল। সি প্ৰতিদিনে মদ খাই আহে, পত্নীয়ে গালি পাৰে, এনেকৈ প্ৰতিদিনে মহাভাৰত হৈছিল। পত্নী লৰা ছোৱালী এৰি ঘৰলৈ গুচি গ'ল। বুঢ়ী আইতাই লৰা-ছোৱালীক চোৱাচিতা কৰিছিল পিছত আকৌ নিজে গৈ বুজাই বঢ়াই বোৱাৰীয়েকক লৈ আহিল। সৎসঙ্গলৈ সেই বৃদ্ধাৰ বোৱাৰী আৰু নাতিনী সকলৰ সৈতে আহিছিল কাৰণ তাইৰ নিজৰ জেঠাৰ ঘৰত সৎসঙ্গ আছিল। সেই কাৰণে আহিব লগা হল। সৎসঙ্গত প্ৰত্যেক কথাৰ ব্যাখ্যা কৰিব লগা হয়। প্ৰথমতে বহলাই আলোচনা কৰা হয় যে পৰমাত্মাৰ ভক্তি কৰিলে লাভ আৰু নকৰিলে হানি হয়। সেইদিনা মদপী জন (বৃদ্ধাৰ লৰা) প্ৰথমতে ঘৰলৈ আহিল। ঘৰত কাকো দেখা নাপাই অলপ সময় ৰল। ওচৰৰ ব্যক্তি এজনে কলে তেওঁৰ মা খুড়াৰ ঘৰলৈ গৈছে। তাত সৎসঙ্গ হৈ আছে, তেওঁলোকে খোৱা বোৱাও তাতে কৰিব। পৰমাত্মাই দয়া কৰিলে, মদপী জনো সৎসঙ্গলৈ গুচি গ'ল আৰু সকলোৰে পিছফালে বহিল। কাৰণ তেওঁ মদ খাইছিল।

সৎসঙ্গ বচন ঃ- সৎসঙ্গত কোৱা হল যে মানৱ জন্ম প্ৰাপ্ত কৰি শুভ কৰ্ম নকৰিলে তেওঁৰ ভৱিষ্যত নৰক সদৃশ হ'ব। যি নিচা সেৱন কৰে তাৰ বৰ্তমান আৰু ভৱিষ্যৎ দুয়ো নৰকৰ সমান। নিচা মানুহৰ বাবে নহয়, নিচাই মানুহক ৰাক্ষস কৰি তোলে। পূৰ্বজন্মৰ পুণ্য কৰ্মৰ ফলস্বৰূপে এই জন্মত ভাল চাকৰি পাইছে বা ভাল ব্যৱসায়ত আছে। যদি বৰ্তমান শুভ কৰ্ম, ভক্তি আৰু দান ধৰ্ম নকৰে তেতিয়া ভৱিষ্যতৰ জন্মত গাধ, কুকুৰ, গাহৰি, গৰু হৈ কষ্ট পাব আৰু লেতেৰাও খাব।

মানৱ (স্ত্ৰী /পুৰুষ) জীৱনত পূৰ্বৰ শুভ কৰ্ম অনুসৰি ভাল আহাৰ পোৱা যায়। ভাল শৰীৰ (মানৱ শৰীৰ) পোৱা গৈছে। মন গলেই আহাৰ খাবলৈ পাব, পিয়াহত পানী খাব। ইচ্ছা হলে চাহ, গাখীৰ খাব পাৰিব, ফলমূলও খাব। যদি পূৰ্ণ গুৰুৰ শৰণ লৈ সঁচা অন্তৰেৰে ভক্তি, সৎসঙ্গ, সেৱা, দান, ধৰ্ম, নকৰে তেতিয়া ভৱিষ্যতৰ জনমত গাধ, গৰু, কুকুৰ হৈ দুৰ্দশা ভুগিব। সময়ত আহাৰ পানী একোৱে নাপাব। গৰম ঠাণ্ডাৰ লগতে মহ মাখিৰ পৰা ৰক্ষা পোৱাৰ উপায় নাথাকিব। মানৱ জীৱনত আঠুৱা, অল আউট ব্যৱহাৰ কৰি ৰক্ষা পোৱা যায়। গৰমৰ পৰা ৰক্ষা পোৱাৰ উপায় বিচাৰি উলিওৱা হৈছে। কিন্তু পশুৰ যোনিত কি পাব ? সন্ত গৰীব দাসে পৰমেশ্বৰ কবীৰ দেৱৰ পৰা পোৱা জ্ঞানত এইদৰে বৰ্ণনা কৰিছে ঃ-

গৰীব নৰ সেতু পশুৱা কীজৈ গধা বেল বনাই।
ছপ্পন ভোগ কহাঁ মন বোৰে কুৰড়ী চৰনে জাই।

ভাৱাৰ্থ ঃ- মানৱ শৰীৰ এৰাৰ পাছত ভক্তি হীন আৰু শুভ কৰ্ম হীন হৈ জীৱ গাধ, গৰু ইত্যাদি যোনিলৈ (শৰীৰলৈ) যাব। তেতিয়া মানৱ শৰীৰ থাকোতে পোৱা আহাৰ নাপাব। গাধ হৈ লেতেৰাৰ দম'ত লেতেৰা খাই থাকিব। পিয়াহত পানীও নাপায়, ভোক লাগিলে খাবলৈও

নাপায়। মহ-মাখিৰ পৰা হাত সাৰিবলৈ নেজ এডাল থাকিব। তাকেই বিছনী, আঁঠুৰা ইত্যাদি যি ভাৱে, ভাবিব। যি প্ৰাণীৰ পাপ কৰ্ম বেছি হয়, পশু জীৱনত সিহঁতৰ নেজ কোচাও কটা যাব। তেতিয়া লাঠিৰ দৰে চুলিহীন নেজ থাকিব, তাকে ঘুৰাই থাকিব।

এটা গৰুৰ পিছৰ ঠেংৰ খুৰাৰ মাজভাগত প্ৰায় এক ইঞ্চি দীঘল গজাল সোমাল। খোজ কাঢ়োতে আৰু ভিতৰলৈ গুচি গল। গৰু লেকেচিয়াবলৈ ধৰিলে। হালোৱা জনে ভাবিলে সিৰ কোঁচ খাইছে হবলা ঠেংৰ সিৰা তল ওপৰ হলে এনে হয়। লৰচৰ কৰি থাকিলে ভাল হয়। এনেকুৱা ঠেংৰ সিৰা প্ৰায় খোজ কাঢ়োতেই ভাল হৈ যায়। কিন্তু এইবাৰ ভাল নহল। গোটেই দিন গৰুৰে হাল বালে। ঘৰ পাওঁতে ঠেং টো যেনেতেনেহে মাটিত দিব পাৰিছিল। লাহে লাহে গৈছিল, ঘৰ পোৱা লগে লগে শুই পৰিল, ঘাঁহো নাখালে, চকুলো বৈ আছিল, কাৰণ বিষ বেছি আছিল। পাছদিনা পুৱা গৰু নুঠিলে, দীঘল দি পৰিল, ঠেং ফুলিল। পশু ডাক্তৰক মতা হ'ল। আগৰ দিনৰ কথা। তেতিয়া চিকিৎসাও এনেদৰে হৈছিল। ডাক্তৰে চাই কলে যে ইয়াৰ আঁঠুত বাত আছে পুৰণা গুড় গুৰি কৰি আঁঠুত পট্টী বান্ধিবলৈ দিলে। কলে যে ভাল হৈ যাব। গজাল সোমাইছিল খুৰাত, চিকিৎসা কৰা হ'ল আঁঠুৰ। এমাহ এনেকৈয়ে পাৰ হ'ল। এদিন ঘৰৰ মানুহে দেখিলে যে খুৰাৰ পৰা পুঁজ ওলাইছে। চাফা কৰোতে দেখিলে যে গজাল সোমাই আছে। চেপেনাৰে গজাল টানি উলিয়ালে তাৰ পিছত এসপ্তাতে গৰু সুস্থ হ'ল। পেট ভৰাই দানা পানী খালে।

ভাবি চাওক ঃ- যেতিয়া এই প্ৰাণী মানৱ শৰীৰত আছিল, সপোনতো ভবা নাছিল সি এদিন গৰু হ'ব। এতিয়া কবও নোৱাৰা হ'ল কোনখিনিত বিষ আছে। কবীৰ দেৱে কৈছে -

*কবীৰ জিহ্বা তো ৰোহে ভলী জো ৰটৈ হৰিৰনাম।*

*না তো কাট কে ফেঁক দিয়ো, মুখ মে ভলো না চাম।।*

ভাৱাৰ্থ ঃ- জিভা শৰীৰৰ মহত্বপূৰ্ণ অংগ হয়। যদি পৰমাত্মাৰ গুণ গান আৰু নাম লবলৈ ব্যৱহাৰ কৰা নহয় ই ব্যৰ্থ কাৰণ এই জিভাই কাৰোবাৰ প্ৰতি বেয়া কথা কৈ পাপ কৰে। শক্তি শালী লোকে দুৰ্বল লোকক বেয়া কথা কৈ দিয়ে- ফলত তাৰ আত্মাই কান্দে। অভিশাপ দিয়ে। একো কব নোৱাৰে কাৰণ মাৰ খোৱাৰ ভয় থাকে এয়া পাপ হল। আকৌ কাৰোৱাক নিন্দা কৰি কাৰোবাৰ মিছা সাক্ষী দি কাৰোবাক বেপাৰত মিছা মাতি প্ৰবঞ্চনা কৰি অনেক প্ৰকাৰৰ পাপ মানুহে নিজৰ জিভাৰে কৰে। পৰমেশ্বৰ কবীৰ দেৱে কৈছে যে জিভাৰ প্ৰয়োগ ভালৰ বাবে নকৰে অৰ্থাৎ ভাল কথা, শীতল বাণী, পৰমাত্মাৰ গুণ গান অৰ্থাৎ প্ৰভু চৰ্চা, ধাৰ্মিক সৎ গ্ৰন্থৰ পঠন আৰু ভগৱানৰ নাম জপ স্মৰন জিভাৰে নকৰে তেতিয়া ইয়াক কাটি পেলাই দিয়া তেনে কৰ্মত ব্যৱহাৰ নহ'লে জিভাৰ দ্বাৰা অকল পাপ হে সংগ্ৰহ হয়।

জিভা কাটি পেলোৱা ঃ কথাষাৰ উদাহৰণ স্বৰূপ হে - এইটো সতৰ্ক কৰিবলৈ কোৱা হৈছে। আকৌ জিভা কাটি নেপেলাব। নিজৰ শুভ কৰ্ম সুবচন আৰম্ভ কৰি দিয়ক। যদি ৰাম

নামৰ গুণগান কৰি থকা নাই, তেনেহ'লে পবিত্ৰ মুখৰ ভিতৰত জিভাৰ সাৰ্থকতা বিশেষ নাই।

মানৱ শৰীৰ ধাৰী প্ৰাণীক বৰ্তমান (১৯৭০ চনৰ পৰা) বিশেষ সুবিধা প্ৰাপ্ত হৈছে। সেই কাৰণে দিনক দিনে পৰমাত্মাৰ পৰা দুৰ হৈ গৈছে। ঠিক তেনেদৰে মানুহৰ ওচৰলৈ দুখ আহি আছে। আৰ্থিক স্থিতি উন্নতি হৈছে, কিন্ত মানসিক শান্তি সমাপ্ত হৈছে। নিচাসেৱন ইয়াৰ মুখ্য কাৰণ। দেউতাক চাকৰিলৈ গৈছে, ল'ৰা-ছোৱালীয়ে আশা কৰে, দেউতা আহিব, প্ৰয়োজনীয় বস্তু আনিব। দেউতা আহিলে সৰু সৰু মইনা দৌৰি গৈ সাৱটি ধৰে, মৰম পায়। যি সকল ল'ৰা-ছোৱালী ঘৰত আতংকিত হৈ থাকে সেই ঘৰখন নৰক সমান হৈ পৰে কাৰণ সন্তান সকল আতংকিত হৈ মানসিক বিকাৰ গ্ৰস্ত হয়। মদখোৱা সকলৰ সমাজতো মান সন্মান নাথাকে। পৰবৰ্ত্তী জন্মত সেই ব্যক্তি কুকুৰ হৈ মল খাব লেতেৰা নলাৰ পানী খাব আকৌ পশু হৈ কষ্টৰ ওপৰত কষ্ট ভুগিব, গতিকে সকলো মাদক দ্ৰব্য, নিচা, বেয়া বৃত্তি ত্যাগ কৰি ভাল মানুহৰ জীৱন অতিবাহিত কৰক। সভ্য সমাজক আনন্দৰে জীয়াই থাকিবলৈ দিয়ক। এজন মদাহীয়ে বহুতো আত্মাক কষ্ট দিয়ে ঃ- পত্নী, পত্নীৰ মা-দেউতা, ভাই-ভনী, নিজৰ মা-দেউতা ল'ৰা-ছোৱালী ইত্যাদি জীৱাত্মাক কষ্ট দিয়ে। খন্তেকীয়া নিচা সেৱনে ধনৰ নাশ, সন্মান নাশ, ঘৰ পৰিয়ালৰ সুখ শান্তি নাশ কৰে। তেনে ব্যক্তি ভৱিষ্যত সুখী হব পাৰেনে ? কদাপি নোৱাৰে। নৰকৰ জীৱন জীয়াই থাকিব লাগিব। গতিকে ভাবি চিন্তি বেয়া তুৰন্তে ত্যাগ কৰি দিয়াটো মানুহৰ মানৱতা।

প্ৰশ্ন ঃ- কোনেনো দেখিছে পৰবৰ্ত্তী জন্মত কি হ'ব ?

উত্তৰ ঃ- উদাহৰন স্বৰূপে এজন অন্ধ ব্যক্তি হাবিৰ ফালে গৈ আছিল। সন্মুখত এজন ভদ্ৰ পুৰুষ থিয় হৈ আছিল। তেওঁ কলে "সুৰদাস এইফালে নাযাব। এই ৰাস্তা অটব্য হাবিলৈ যায়। হিংস্ৰ জীৱ সিংহ, বাঘ আদি থাকে। আপুনি ঘুৰি যাওঁক।" যদি অন্ধই নিচা খোৱা নাই তুৰন্তে ঘুৰি যাব। যদি নিচাত আছে তেতিয়া কব যে হাবিত হিংস্ৰ জন্তু থকা কোনেনো দেখিছে - এনেদৰে কৈ আগবাঢ়ি যাব।

ভাবি চাওক ঃ- অন্ধই নেদেখে আৰু চকু থকা সকলৰ কথা বিশ্বাস নকৰে। এনে অন্ধব্যক্তিক কেনেদৰে বুজাব ? যদি নামানে তাৰ সেই দশাই হ'ব যিহৰ বিষয়ে চকু থকা জনে কৈছিল - সিংহই মাৰি খাব।

ঠিক সেইদৰেই সন্ত সকল চকু (জ্ঞান চকু) থকা ব্যক্তি হয়। তেওঁলোকে আমাক উপৰত বৰ্ণনা কৰা কথা বিলাক কৈছে। আমি জ্ঞানত নেত্ৰ হীন (অন্ধ) হওঁ। যদি আমি সন্ত সকলৰ শিক্ষাক বিশ্বাস কৰি আমাৰ ৰাস্তা সলনি নকৰো তেতিয়া উপৰত বৰ্ণোৱা দশা আমাৰো হব।

নৰসে ফিৰ পীছেতু পশুৱা কীজৈ গধা বেল বনাই।
ছপ্পন ভোগ কহা মন বৌৰে, কুৰড়ী চৰনে যাই।

কিছুমান ব্যক্তিয়ে এনেকৈ কয়, "দেখা যাব, যি হয় হ'ব"। তেওঁলোকৰ প্ৰতি নিবেদন এই যে, গাধ হোৱাৰ পিছত আপুনি কাক চাব, তেতিয়া কুমাৰেহে চাব। এই ধৰনৰ প্ৰবচন

সৎসঙ্গত নিশ্চয় শুনোৱা হয়।

সেই মদপী সৎসঙ্গত আহি বহিল কাৰণ ঘৰত কোনো নাছিল, তলা লগোৱা আছিল। কিছু সময় পিছত নিচা এৰিলে আৰু সকলো সৎসঙ্গ শুনিব লগা হ'ল। তাৰ পিছৰ পৰা সেই ব্যক্তিজনে কেতিয়াও মদ নাখালে আৰু কোনো নিচা সেৱন নকৰিলে। তেওঁ দীক্ষা ল'লে, সকলো পৰিয়ালক দীক্ষা দিয়ালে। আমি লেখক আৰু সৎসঙ্গ লৈ যোৱা ভক্ত সকল, পুৱাই ফুৰিবলৈ যাওঁতে ৰাস্তাত সেই ব্যক্তি জনৰ (বিমান বন্দৰত চাকৰি কৰা) ঘৰ দেখিলো। ৰাস্তাত তেওঁৰ মা থিয় হৈ আছিল। তেওঁ ক'লে, "মহাৰাজ জী, চাহ খাই যাব", গাঁৱৰ ভক্তই ক'লে যে এওঁলোকৰ ঘৰলৈ অৱশ্যে যাব লাগে, এই পৰিয়াল থানবান হৈ পৰিছে। সাধু সন্তৰ চৰণ ধুলি পৰিলে ঘৰ পবিত্ৰ হয়। আমি সকলো তেওঁলোকৰ ঘৰলৈ গলো, আমি মুঠ পাঁচ জন আছিলো। চোতালত খাট পৰি থোৱা আছিল। মে মাহ আছিল, গছৰ ছাঁ পৰিছিল, মাতৃয়ে পুত্ৰবধুক কলে "বোৱাৰী চাহ বনোৱা" বোৱাৰী জনীয়ে জুহালত জুই ধৰি চাহৰ কেটলি বহুৱালে। আধা ঘন্টা পিছত চাহ সোনকালে আনিবলৈ ক'লো কাৰণ ফুৰিবলৈ যাব লাগে। আকৌ অন্য এখন গাঁৱত সৎসঙ্গৰ বাবে যাবলগীয়া আছিল। কিন্ত বোৱাৰীজনী কেটলিৰ তলত জুই ধৰিয়েই আছিল। আকৌ কোৱাত তাই কান্দিবলৈ ধৰিলে। গাঁৱৰ ভক্ত উঠি যোৱাত গম পোৱা গ'ল যে ঘৰত চেনি, চাহপাত আৰু গাখীৰ একোৱেই নাই। তেওঁৰ মাতৃয়েও কান্দি কান্দি কলে তেওঁলোকৰ অৱস্থা পানীত হাঁহ নঁচৰা হৈছে, পাৰে যদি ৰক্ষা কৰক। সেই ব্যক্তিজন দীক্ষা লৈ নিজৰ কৰ্তব্য লৈ গ'ল। কিছু দিনৰ পাছত মই পুনৰ দিল্লী পঞ্জাৱ খোড় গাঁৱত সৎসঙ্গ কৰি আছিলো। তালৈ সেই ব্যক্তি নিজৰ মা, পত্নী আৰু তিনিও কণ্যাক কাৰত বহুৱাই সৎসঙ্গ লৈ আহিল। আগতে এটা পুৰণা চাইকেল আছিল। এতিয়া সকলো ল'ৰা ছোৱালী সুন্দৰ কাপোৰ পিন্ধি আছিল। সিহঁতে কৈ আছিল দেউতাই এতিয়া মাকৰ লগত কাজিয়া নকৰে। সকলো বেতনৰ টকা আইতাক দিয়ে। আমি স্বৰ্গত আছো। আইতাই কলে যে আপোনাৰ দৰ্শন পোৱা দিন ধৰি আমি থানথিত লাগিলো। মই কলো, "আই আপোনাৰ ল'ৰা বেয়া নাছিল। তেওঁ এনে কথা ভাল কথা চিন্তা কেতিয়াও শুনাই নাছিল। যদি আগতেই এনে ভাল কথা শুনিবলৈ পালে হয়, বেয়া কাম নকৰিলে হয়। এইটো পৰমেশ্বৰ কবীৰ দেৱৰ কৃপা যে তেওঁ সেইদিনা সৎসঙ্গ লৈ আহিল আৰু তেওঁৰ আত্মাৰ মলি চাফা হৈ গল আপোনাৰ পৰিয়াল নৰকৰ পৰা উলাই স্বৰ্গত বাস কৰিছে। পৰমাত্মাৰ নীতি নিয়ম মানি চলিব, কেতিয়াও কষ্ট নহব। ভক্তি কৰি থাকিব বহু প্ৰজন্মৰ উদ্ধাৰ হব। এইধৰণে সৎসঙ্গৰ দ্বাৰা মানুহ উদ্ধাৰ হৈ বিশ্বত শান্তি, পৰস্পৰৰ মাজত মৰম স্নেহ বাঢ়িব। সৎসঙ্গৰ বিচাৰ অৱশ্যে শুনিব।

## মা দেউতাৰ সেৱা আৰু আদৰ কৰা আমাৰ কৰ্তব্য

প্ৰত্যেক মা-দেউতাৰ ইচ্ছা থাকে যে তেওঁৰ সন্তান যোগ্য পাত্ৰ হওঁক, সমাজত কোনো অপযশ নহওঁক। ভাল চৰিত্ৰ, আজ্ঞা কাৰী হওঁক, বৃদ্ধাৱস্থাত আমাক সেৱা কৰক। তেওঁলোকৰ এইটোও ইচ্ছা থাকে যে তেওঁলোকৰ বোৱাৰীও আজ্ঞাকাৰী, সমাজত আমাৰ সন্মান ৰক্ষা কৰে

যেন বৃদ্ধাৱস্থাত আমাৰ সেৱা কৰক মৰম স্নেহেৰে আমাৰ চোৱাচিতা কৰক। সত্য ত্ৰেতা দ্বাপৰ লৈকে এই মৰ্য্যাদা চৰমসীমাত আছিল। সকলোৱে সুখৰ জীৱন জীয়াই আছিল। কলিযুগত কিছুসময় লৈকে ঠিকেই চলিছিল, কিন্তু বৰ্তমান স্থিতি বিপৰীত হৈ পৰিছে ইয়াক শুধৰোৱাৰ ইচ্ছা লেখক (ৰামপাল দাস)ৰ উদ্দেশ্য। আশা কৰো ভগৱানৰ কৃপাত জ্ঞানৰ পোহৰত সকলো সম্ভৱ হ'ব, হৈও আছে আৰু হব, মোৰ আত্মাই এইটোৱেই কয়।

**মাতৃৰ সন্তানৰ প্ৰতি মৰম ঃ-** এজন লৰাৰ দেউতা ঢুকাল, সেই সময়ত সি দহ বাৰ বছৰ বয়সৰ আছিল। মাতৃয়ে একমাত্ৰ নিজৰ পুত্ৰক পোহপাল দিলে। মা আৰু দেউতা দুয়োৰে মৰম মাতৃয়ে দিছিল যাতে পুত্ৰই দেউতাৰ অভাৱ অনুভৱ নকৰে। লৰাজন ডাঙৰ হৈ মদাহী হ'ল আৰু বেশ্যাগমন কৰিব ধৰিলে। মাকৰ পৰা সদায় টকা খোজে আৰু অবাবত খৰছ কৰে। এদিন মাকৰ লগত টকা নাছিল। মদৰ নিচাত মাকক মাৰিলে আৰু বেশ্যাৰ ওচৰত গ'ল। সেইদিনা টকা নথকাত বেশ্যাই ক'লে নিজৰ মাৰ হৃৎপিণ্ডটো আনিবা। লৰাজন ঘৰলৈ আহিল। মা অচেতন হৈ পৰি আছিল, ছুৰী ৰে হৃৎপিণ্ড উলিয়াই লৈ গল। নিচাত উজুটি খাই পৰি গ'ল। মাতৃৰ হৃদয়ৰ পৰা শব্দ আহিল "পুত্ৰ তোক আঘাত লগা নাইতো" নিচাত পাগল চয়তান বেশ্যাৰ ওচৰলৈ মাতৃৰ হৃৎপিণ্ড লৈ গৈ পোৱাত বেশ্যাই ক'লে "তই যেতিয়া নিজৰ মাতৃৰ হিতৈষী নহয়, মোৰ নো কি হবি কাৰোবাৰ কথা শুনি তই মোকো মাৰি পেলাবি। মই তোৰ সঙ্গ এৰাই চলিবৰ বাবেহে তেনেদৰে কৈছিলো, কাৰণ তই এতিয়া ধনহীন, মোৰ কোনো কামৰ নহয়। সেই কাৰণে এই চৰ্ত থৈছিলো যে তই নিজৰ মাৰ হৃদয় আনিব নোৱাৰিবি। মাতৃয়ে কেতিয়াও কোনো বস্তুৰ বাবে হকাবাধা কৰা নাছিল। হে চয়তান, মোৰ চকুৰ পৰা আতৰ হ।" এনেদৰে কৈ বেশ্যাই তাক ঘৰৰ বাহিৰলৈ ঠেলি উলিয়াই দুৱাৰ বন্ধ কৰিলে। চয়তানটো ঘৰলৈ আহিল। মাৰ শৰৰ ওপৰত পৰি বিলাপ কৰিবলৈ ধৰিলে। কলে যে মাঁ পাৰে যদি ভগৱানৰ দৰবাৰত মোক ক্ষমা কৰিব। শব্দ আহিল যে একোৱেই হোৱা নাই, মাত্ৰ তোক সুখী দেখিব বিচাৰো। সেই সময়ত নগৰৰ মানুহ আহিল। থানাত খবৰ দিলে। সেই অপৰাধীক ৰজাই ফাঁচীৰ দণ্ড বিহিলে।

ৰজাই ফাঁচী দিয়াৰ আগমূহুৰ্তত তাৰ অন্তিম ইচ্ছা জানিব বিচৰাত সি কলে কিছুমান নাগৰিকক মাতিব লাগে। মই নিজৰ অপকৰ্ম সকলোৰ আগত কব বিচাৰো, নগৰৰ ব্যক্তি কিছুমান আহিল। ল'ৰা জনে নিজৰ অপৰাধ কৈ শুনালে আৰু ক'লে যে সেই অপৰাধৰ সি দোষী আকৌ ক'লে যে তাৰ মাতৃয়ে অন্তিম সময়তো তাৰ মঙ্গল কামনা কৰিলে "মোক নিচা সেৱনে চয়তান কৰি তুলিলে। মই বেশ্যা গমন কৰি সমাজখনক কলংকিত কৰিলো। আপোনালোকে মোৰ পৰা শিক্ষা লব যি ঘোৰ পাপ মই নিজৰ মাক অত্যাচাৰ কৰিলো কোনেও নকৰিব। মাৰ নিচিনা শুভাকাংক্ষী সংসাৰত পত্নীও হব নোৱাৰে তাই যিমানেই চৰিত্ৰৱান কিয় নহওক। মায়ে নিজৰ লৰা ছোৱালীক ইমানেই মৰম কৰে যে ঠাণ্ডা দিনত সন্তানে পেচাব কৰিলে মা স্বয়ং তাৰ ভিজা চেঁচা কাপোৰৰ ওপৰত শোৱে, কেচুৰাৰ তলত শুকান কাপোৰ পাৰি দিয়ে। যদি কেচুৰা

ভোকত কান্দিব ধৰে শুই থকাৰ পৰা উঠি তাক প্ৰথমতে গাখীৰ খুৱাই শান্ত কৰি লয়।

**দেউতাই সন্তানৰ সকলো ভূল যথাসম্ভৱ ক্ষমা কৰি দিয়ে**

পৰমাত্মা কবীৰদেৱে কৈছে যে দেউতাই নিজৰ লৰা-ছোৱালীৰ অপৰাধ ক্ষমা কৰি দিয়ে -

অৱগুন মেৰে বাপ জী বকসো গৰীব নৱাজ।
জো মে পুত কপুত হু, তোভী পিতাকো লাজ।

শব্দাৰ্থ ঃ- পৰমেশ্বৰ সকলো প্ৰাণীৰ পিতা - পৰমপিতা। পিতৃৰ বৈশিষ্ট্য এই যে সন্তানে নজনাকৈ ভুল কৰি, ক্ষমা খুজি ভৱিষ্যতে তেনে ভুল কেতিয়াও নকৰোঁ বুলি ক'লে পিতৃয়ে তুৰন্তে ক্ষমা কৰি দিয়ে। গতিকে ভকতে পৰমপিতা পৰমেশ্বৰৰ ওচৰত নিবেদন কৰে যে - "হে দীন দয়ালু প্ৰভু আপুনি সকলোৰে পিতা, মোৰ অৱগুণ (অপৰাধ) আপুনি পিতা হোৱাৰ বাবেই ক্ষমা কৰি দিব। মই কুপুত্ৰও যদি হওঁ পিতাৰ কৰ্তব্য পালন কৰি মোক ক্ষমা কৰি দিব।"

ৰামভকতৰ পত্নীৰ দেহান্ত হ'ল। সেই সময়ত তাৰ পুতেক তিনি বছৰৰ আছিল। সেই ব্যক্তিৰ সম্বন্ধী এঘৰত এনে ঘটনা হ'ল যি ঘটনাই তেওঁক থৰথৰি মান কৰিলে। কাহিনী এনে ধৰনৰ -

তেওঁৰ মোমাই নিজৰ ভনী অৰ্থাৎ ৰাম ভক্তৰ মাকৰ তুলনাত দহ বছৰে ডাঙৰ আছিল। মোমাইৰ দুজন ল'ৰা আছিল, ৰামভক্তৰ মামীৰ দেহান্ত হৈ গ'ল। মোমায়ে দ্বিতীয় বিবাহ কৰিলে, পুত্ৰ সন্তান হল। দ্বিতীয় পত্নীয়ে প্ৰথম জনীৰ সন্তানক ঈৰ্ষাৰ চকুৰে চাব ধৰিলে। চিন্তা কৰিলে যে পোন্ধৰ একৰ মাটি আছে, তিনি ভাগ হ'ব। তাই সেই ল'ৰা দুজনক চিচা গুৰি কৰি গাখীৰত আৰু অন্য খাদ্যত মিলাই খুৱাই দিয়াত লাহে লাহে ৰুগীয়া হৈ মৃত্যু মুখত পৰিল। এদিন দুষ্ট তিৰোতা জনীয়ে চুবুৰিৰ এজনী তিৰোতাক নিজৰ অপকৰ্ম বিষয়ে ক'লে আৰু আনন্দ প্ৰকাশ কৰিলে যে তাইৰ ল'ৰাই পোন্ধৰ একৰ মাটি পালে। চুবুৰিৰ তিৰোতা জনীয়ে মোমায়েকক ক'লে। মোমায়ে সৰু মামীক বহুত মৰম কৰিছিল আৰু বিশ্বাস কৰিছিল তেওঁ বিশ্বাস কৰিব পৰা নাছিল। এদিনাখন সৰু মামীয়ে নিজৰ ভাইক নিজৰ সেই দুস্কৰ্মৰ বিষয়ে কৈ আছিল। লগতে কলে তোৰ ভাগিনে এতিয়া পোন্ধৰ একৰ মাটি পালে। এই কথা মামায়ে খিড়িকীৰ সিফালৰ পৰা শুনি আছিল। মামীৰ ভায়েকে কলে তুমি ডাঙৰ অপৰাধ কৰিছা। এই পাপ তাই ক'ত থব আজিৰ পৰা ভনীয়েকৰ মুখ চাবলৈ নাহে। মামাৰ মূৰত পাহাৰ ভাগি পৰিল। ঘৰ এৰি নিজৰ ভনীৰ ঘৰলৈ গল আৰ্থাৎ ৰাম ভক্তৰ ঘৰত জীৱন কটালে। কিছু বছৰৰ পাছত মামীৰ সেই পুত্ৰও ঢুকাল। সৰু মামী কাৰোবাৰ সৈতে পলাই গ'ল পিছত খবৰ পোৱা গ'ল সেই ব্যক্তিয়ে তাইৰ গহনা কাঢ়ি লৈ তাইক মাৰি কুঁৱাত দলিয়াই পেলালে। পুলিচে গম পোৱাত তাৰ ফাঁচী হ'ল। এই সৰ্বনাশৰ মহাভাৰত মনত পেলাই ৰামভক্তই দ্বিতীয় বিবাহ নকৰিলে, লৰাজনক নিজৰ লগত ৰাখিলে হাল মাৰোতেওঁ পুত্ৰক কান্ধত তুলি থৈছিল ভাগৰি পৰিলে গছৰ তলত শুৱাই দিছিল। স্বয়ং ভাত ৰান্ধিছিল, স্বয়ং গা ধুৱাই দিছিল, কাপোৰ ধুই দিছিল, যেনেতেনে ল'ৰা ডেকা হ'ল। বিয়া পাতি দিলে। তথাপিও নিজে সকলো কাম কৰিছিল লৰা জনেও

কামত সহায় কৰিছিল হলেও টান কাম নিজে কৰিছিল। বুঢ়া হৈ আহিল কামবন কৰিব নোৱাৰা হল, বোৱাৰীকে ব্যৰ্থ খৰছৰ কাৰণ মানি ল'লে, গতিকে নিজৰ শহুৰক বেয়া আহাৰ দিব ধৰিলে। সেয়াও কম পৰিমানে দিছিল। পেট ভৰাই নহয়, ল'ৰাই মাজে সময়ে খোৱা বোৱা সম্পৰ্কে খবৰ লওঁতে বুঢ়াই কৈছিল যে বোৱাৰীয়ে ভালদৰে সেৱা কৰি আছে। কোনো ক্ৰুটি নাই। বোৱাৰী জনী বৰ ভাগ্যবান মোৰ বিশেষ ধ্যান ৰাখে, এই কথা বোৱাৰীয়োকেও শুনিছিল। তাই বুঢ়াক আৰু বেছি কষ্ট দিছিল কাৰণ পতিয়ে একো গম নাপাব বুঢ়া জনেও মোৰ ছল ছাতুৰী সম্পৰ্কে নাজানে। এদিন লৰাজনে দেখিলে যে দেউতাই ভালদৰে খাবলৈ পোৱা নাই, কথাটো পত্নীক কওঁতে ক'লে যে ঘৰৰ অৱস্থা চাই হে খাব লাগিব। তাই ক'লে আপুনি ঘৰৰ বিষয়ে চিন্তাই নকৰে গোটেই ঘৰখন ময়েই চলাই আছো। মই জানো কিমান খৰছ কৰিব লাগে, এদিন মূৰ ঘূৰাই দেউতা পৰি গ'ল ভৰি ভাগিলে। বৈদ্যই ক'লে যে ভালকৈ খাদ্য নোখোৱা বাবে শাৰীৰিক ভাৱে দুৰ্বল হৈ পৰিছে পুৱা গধুলি আধা লিটাৰকৈ গাখীৰ খুৱাব লাগে। বৈদ্য গুচি গ'ল। পত্নীয়ে ক'লে যে এনেদৰে হ'লে ঘৰখন দেউলীয়া হ'ব, পতি অৰ্থাৎ লৰাজনে কথাটো স্বীকাৰ কৰিলে। বুঢ়াৰ শহুৰ ঘৰৰ ফালৰ পৰা খবৰ লবলৈ আহিল তেওঁলোকে সুধিলে যে লৰা আৰু বোৱাৰীয়ে ভালদৰে চোৱাচিতা কৰিছে নে নাই, ৰামভক্তই ক'লে "কবই নালাগে মোৰ নিচিনা ল'ৰা আৰু বোৱাৰী ভগৱানে সকলোকে দিয়ক মোক কোনো কষ্ট নিদিয়ে। এয়াতো কৰ্মফল ভূগিহে ভৰিটো ভাগিলে। সেই গাঁৱতে দুয়োজনী ভনীকে বিয়া দিছিল। এজনী ৰামভক্তৰ লগত আনজনী চুবুৰিৰে অন্য এঘৰত। যেতিয়া তেওঁলোক নিজৰ দ্বিতীয় জনী ছোৱালীৰ ঘৰলৈ গল তাত গম পালে যে ৰামভক্তৰ কোনো সেৱা শুশ্ৰুষা নকৰে ল'ৰাই একো কাম বন নকৰে। এই কথা শহুৰ ঘৰৰ মানুহে বিশ্বাস কৰিব নোৱাৰিলে। কাৰণ ৰামভক্তৰ মুখৰ পৰাই শুনিলে যে সকলো ভালেই চলি আছে। তেওঁলোক অলপ পাছত ৰামভক্তৰ ঘৰতগৈ দেখে যে তেওঁ বাহী ৰুটি পানীত ভিজাই খাই আছে এইটো দেখি তেওঁলোক কান্দো কান্দো হল। ল'ৰাক মাতি কলে যে তাৰ লাজ চৰম নাইনে ? কিমান কষ্টৰে তাক ডাঙৰ দীঘল কৰিছিল। ল'ৰাৰ ঘৈনীয়েকো আহি থিয় দিলে। দুই জনেই ক'লে যে দেউতাৰ সেৱা এনেদৰেই কৰা হ'ব। ৰামভক্তই আমাক ক'লে "আপোনালোক যাওঁক ঘৰখনত কাজিয়াৰ সূত্ৰপাত নকৰিব মোৰ ভাগ্যত যি লিখা আছে, সেয়াই পাই আছোঁ। মই নিজৰ ল'ৰাৰ দুখ চাব নোৱাৰো। ৰামভক্তৰ পেহীৰ ল'ৰা ৰামনিবাস সৎসঙ্গী আছিল। তেওঁ ৰামভক্তক বহু বাৰ কৈছিল, "কিছু সময় ভগৱানৰ ভক্তি কৰক মোৰ লগত সন্তৰ সৎসঙ্গ শুনিবলৈ বলক।" তেতিয়া ৰাম ভক্তই কৈছিল মই লৰাৰ পূজা হে কৰিম ল'ৰা - সুখেৰে থাকক, এয়াই তেওঁৰ কামনা। পেহীৰ লৰাই এবাৰ ক'লে যে ল'ৰাৰ পূজা যদি হৈ গল এতিয়াও কিছু সৎকৰ্ম কৰি লওঁক তেতিয়াও কিন্তু ক'লে যে পো-বোৱাৰীক চাই জীয়াই আছো। বহু কোৱাৰ পিছত যেনিবা ৰামভক্তই পেহীৰ ল'ৰা ৰাম নিবাসৰ লগত সৎসঙ্গলৈ গ'ল। তেতিয়া ৰাম নিবাসে ৰাম ভক্তক নিজৰ ঘৰলৈ নি চিকিৎসা কৰালে। খোৱা বোৱা ভালদৰে কৰালে। কেইবা মাহো নিজৰ

লগত থলে। ৰাম ভক্ত ভক্তি মাৰ্গত দৃঢ় হ'ল ঘৰলৈ গৈ পো-বোৱাৰীক ক'লে মই আজি লৈকে তোমালোকৰ পৰা একো বিচৰা নাই। আজি এটা ভিক্ষা খুজিছোঁ তোমালোক মোৰ লগত এবাৰ সৎসঙ্গ লৈ ব'লা। তেওঁলোকে ক'লে যে-যোৱাৰ পিছত পশুধন আৰু লৰা ছোৱালীৰ চোৱা চিতা কোনে কৰিব ৰামভক্তই ক'লে যে পুত্ৰ তুমি ঘৰত থাকিবা। বোৱাৰী আৰু নাতি নাতিনী মোৰ লগত ব'লা। এইটোৱে কৰা হ'ল। তাত (সৎসঙ্গ) বোৱাৰীয়ে জ্ঞান শুনিলে। তাত আগন্তক ভক্তৰ সেৱা পুৰণা ভক্ত ভক্তমতি সকলে এনেদৰে কৰিছিল, যেন তেওঁলোক ঘৰৰ বিশেষ আলহী বৃদ্ধ, ৰুগীয়া, অক্ষম শ্ৰদ্ধাৱানৰ বিশেষ সেৱা হৈ আছিল। সৎসঙ্গত জ্ঞান দিয়া হয় যে জীৱক দয়া কৰিলে পৰমাত্মা প্ৰসন্ন হয়। দুখীয়া, অসহায়ক সহায় কৰা মানুহৰ পৰম কৰ্তব্য।

দয়া - ধৰ্ম কা মূল হৈ পাপ মূল অভিমান।
কহ কবীৰ দয়াবান কে পাস ৰহে ভগৱান।।

**শব্দাৰ্থ** ঃ- যাৰ হৃদয়ত দয়া আছে তেওঁহে ধৰ্ম কৰে, দয়া ধৰ্মৰ গুৰি। আকৌ যাৰ অন্তৰ অভিমানেৰে পূৰ্ণ, তেওঁৱেই পাপ কৰে, অভিমান পাপৰ গুৰি। কবীৰ পৰমেশ্বৰে কৈছে যে দয়ালুৰ লগত পৰমেশ্বৰ থাকে, অভিমানীৰ লগত নাথাকে।

ভকত ৰামভক্তৰ বোৱাৰী যি জনী ভক্তমতীৰ ওচৰত বহিছিল তাই বোৱাৰীজনীক ক'লে, "ভনী আপুনিও অলপ সেৱা কৰক"।

সৎসঙ্গ বচন ঃ- গুৰু দেৱে কৈছে যে যি সেৱা ভক্তি কৰিব সিয়েই ফল পাব। ভোজন খালে মোৰ পেট ভৰিব। আপুনি খালে আপোনাৰ পেট ভৰিব। সকলো প্ৰাণী পৰমাত্মাৰ সন্তান। আপুনি ধনী ব্যক্তিৰ ল'ৰা ছোৱালী ভাবি সেৱা কৰক উদাহৰণস্বৰূপে, ধনী মানুহৰ ছোৱালীৰ এজনী ৮-৯ বছৰৰ আছিল। ছোৱালীজনীৰ চোৱাচিতা কৰিবলৈ চাকৰণী থৈছিল তাই সেই ছোৱালী জনীক গৰম দিনত স্কুলত থবলৈ যাওঁতে তাইৰ ওপৰত ছাতিৰে ছাঁ কৰি গৈছিল, নিজে ৰদ সহ্য কৰিছিল। ইয়াৰ দ্বাৰা সেই ধনী মানুহ প্ৰসন্ন হৈ চাকৰণীক দৰমহা দিছিল। আপুনি এই ভাৱেৰে নিজৰ পৰৰ সকলোকে সন্মান কৰা আপোনাৰ পৰম কৰ্তব্য। যদি আপুনি নিজৰ শাহু-শহুৰ, মা-দেউতা বা অন্য আশ্ৰিত সকলৰ সেৱা কৰে, পৰমাত্মাই আপোনাৰ সেৱাৰ ব্যৱস্থা কৰিব। আপুনি নিজৰ সৰু ডাঙৰ লৰা-ছোৱালীকোঁ সৎসঙ্গলৈ লৈ আহিব। লৰা ছোৱালীয়েও সৰু ডাঙৰক সেৱা কৰা ভাল ব্যৱহাৰ আদি সংস্কাৰ শিকি ল'ব। সেই লৰাছোৱালী ডাঙৰ হৈ আপোনাৰ বৃদ্ধাৱস্থাত তেনেদৰেই সেৱা কৰিব। যেনেকৈ, জীয়ৰী মা-দেউতা এৰি নতুন মা(শাহু) দেউতা (শহুৰ)ৰ ওচৰলৈ যায়। জন্ম দিয়া মা-দেউতা মাত্ৰ সিমান দিনৰ বাবে লগৰীয়া আছিল। তেওঁলোকে পোহপাল দি নতুন মা-দেউতাক গতাই দিলে। শাহু-শহুৰৰ কৰ্তব্য এই যে আগন্তক জীয়ৰী (বোৱাৰীক)ক নিজৰ জীয়ৰীৰ দৰে মৰম কৰিব। সপোনতো নিজৰ জীয়ৰী আৰু বোৱাৰীৰ মাজত কোনো ভেদাভেদ নাৰাখিব। এনে কৰিলে অশান্তি হয়। বোৱাৰী জনীয়েও নতুন ঘৰৰ পৰিস্থিতিত নিজকে গঢ় দিব লাগিব। আইৰ ঘৰৰ কথা কমকৈ ক'বা। এতিয়া বোৱাৰীৰ ঘৰ পৰিয়াল এইটোৱেই (শহুৰৰ ঘৰ) হয়।

শিক্ষা কথা ঃ- এজনী বোৱাৰীয়ে নিজৰ শাহু - আইতাক বৰ দুখ দিছিল। তেওঁক ভাগি যোৱা মাটি কলহৰ টুকুৰাত আহাৰ দিছিল যেনেকৈ কুকুৰক দিয়ে, কেতিয়াবাহে চাফা কৰিছিল, বোৱাৰীজনীৰ লৰাৰ বিয়া হল, কিছু বছৰ পিছত শাহু আই ঢুকাল। তেতিয়া তাই নিজৰ পুত্ৰ বধুক কলে যে সেই মাটিৰ কলহৰ টুকুৰাটো ভাঙি পেলাব লাগে, সেই পুত্ৰ বধুৱে ক'লে যে শাহু আই আপোনাকো এই টুকুৰাতে আহাৰ দিম। আপুনি বৃদ্ধাৰ ওপৰত বৰ অত্যাচাৰ কৰিছিল, তেতিয়া তাই নিজৰ ভূল বুজি পাই বহুত কান্দিলে, পুত্ৰবধু বুদ্ধিমতী আছিল। সন্ধিয়া লৈকে সেই কলহৰ টুকুৰা ভাঙি নেপেলালে। শাহুৱেকৰ সেই টুকুৰাটো শত্ৰু যেন বোধ হ'ল, পুত্ৰবধুৱে ক'লে, আই মই সৎসঙ্গ শুনিছোঁ নিজৰ কৰ্ম বেয়া নকৰো। এনেদৰে কৈ টুকুৰাটো ভাঙি পেলালে, পাপ কৰ্মৰ বাবে শাহু বুঢ়ীক কেন্সাৰ ৰোগ হ'ল। গোটেই দিন চিঞৰি থাকে। পুত্ৰবধুৱে সেৱা শুশ্ৰুষা কৰে, কোনো ত্ৰুটি নকৰে। কিন্তু কৈছিল, শাহু আই! মই যিমান পাৰো সেৱা কৰিম। কিন্তু আপোনাৰ পাপৰ ভাগী হ'ব নোৱাৰো। এই কষ্ট আপুনি নিজেই ভুগিব লাগিব। যদি সৎসঙ্গ শুনিলে হয়, এনেদিন চাব নালাগিলহেঁতেন। তেতিয়া সেই নিষ্ঠুৰ তিৰোতাই ক'লে, আই মই মহা পাপিনী হওঁ মোৰ উদ্ধাৰ হব পাৰেনে ? ময়ো দীক্ষা ল'ব বিচাৰো, বোৱাৰীজনী (পুত্ৰ বধু) সৎসঙ্গী ঘৰৰ ছোৱালী তাই জানিছিল যে দীক্ষা লৈ ভক্তি কৰিলে পাপ কৰ্ম নষ্ট হয়। যি বেছি পাপ কৰি থৈছে ভক্তি কৰিলে লাভেই হব, পাপ কম হ'ব আৰু ভবিষ্যৎতে মৰাৰ পিছত মানৱ জন্ম পাব যদিহে নীতি নিয়ম মানি অন্তিম শ্বাসলৈকে সাধনা কৰি থাকে। সৎসঙ্গত গুৰুদেৱে উদাহৰণ দি বুজায় যে যেনেকৈ কাৰোবাৰ কাপোৰ কম মলিন হ'লে কম কষ্টতেই নিৰ্মল হয়। অধিক মলিন হ'লে দুই তিনিবাৰ চাবোন পানীৰে ধুলেহে নিৰ্মল হৈ যাব। যি জনে বেছি মলিন কৰি ৰাখিছে আৰু অন্য দাগো লাগিছে তেতিয়া ড্ৰাইক্লিন কৰিলে চাফা হব। যদি চাফা কৰাৰ ইচ্ছা দৃঢ় হয় মলিন পৰিযোৱা কাপোৰ চাফা হ'ব পাৰে। পুত্ৰবধুৱে জানিছিল যে শাহু আইৰ পাপ কৰ্মৰ দ্বাৰা জীৱন মলিন হৈছে তথাপি পৰমাত্মাৰ শৰণ ল'লে লাভেই হ'ব। এই উদ্দেশ্যৰে নিজৰ শাহুৰ আইক দীক্ষা দিয়ালে। সময় যোৱাৰ লগে লগে কেন্সাৰৰ যন্ত্ৰণা অলপ কম হ'ল। সৎসঙ্গ শুনি তাইৰ কান্দো কান্দো অৱস্থা হ'ল, বুজি পালে যে মা-দেউতাই পুত্ৰ পুত্ৰবধুৰ পৰা কি আশা কৰে। তাই নিজকে ধিক্কাৰ দি কলে যে নিজৰ শাহু আইৰ লগত তাই বেয়া ব্যৱহাৰ কৰিছিল। বুজি পালে সেই ৰোগ হোৱাটো স্বাভাৱিক। মনতে ভাবিলে আগতে এই সৎসঙ্গ শুনিবলৈ পোৱা হ'লে এনে পাপ নকৰিলে হয় নিৰ্মল জীৱন হ'লহেঁতেন। শাহু আইৰ আত্মাকো সুখী কৰি নিজৰে জীৱন সফল কৰিব পাৰিলে হয়। উপৰোক্ত কথা শুনি ৰামভক্তৰ পুত্ৰবধু সেই নিজৰ বান্ধৱী (পুৰনা ভক্তিমতী)ক সাৱটি ধৰি হুকহুকাই কান্দিব ধৰিলে। আধা ঘন্টা লৈকে নিজকে চম্ভালিব নোৱাৰিলে। বহু শান্তনা দিয়াৰ পিছত উচুপনি বন্ধ হ'ল আৰু নিজৰ শহুৰ পিতাৰ লগত কৰা ব্যৱহাৰ কান্দি কান্দি উল্লেখ কৰিলে। নিজৰ শহুৰৰ মানৱতাৰ বিষয়ে ক'লে যে তেওঁ কেতিয়াও ল'ৰাক নকলে যে তেওঁৰ

(লৰাৰ) পত্নীয়ে তেওঁৰ (শহুৰৰ) লগত বেয়া ব্যৱহাৰ কৰি আছিল। ল'ৰাই সুধিলেও কৈছিল যে সেৱা শুশ্ৰুষাত কোনো গাফিলতি নাই। ভালঘৰৰ জীয়ৰী হয়, কথা বুজি পায়। আমাৰ সৌভাগ্য যে এই জনী আমাৰ ঘৰলৈ আহিল। এইজনী ছোৱালী আহি আমাৰ ঘৰ ধৰিছে। মই পাপিনীৰ এনে শব্দ শুনিও দয়াভাৱ নাহিল কাৰণ মোৰ আত্মাৰ ওপৰতে পাপ কৰ্মৰ তৰপ বেছি আছিল যিটো দুই তিনি বাৰ সৎসঙ্গ শুনাৰ পিছতহে পাপৰ তৰপ গুচিল। আত্মাত ভাল সংস্কাৰে ঠাই লৈছে। তিনিদিন সৎসঙ্গ শুনাৰ পিছত ভকত ৰামভক্ত, নাতি নাতিনী আৰু পুত্ৰবধুৰ লগতে ঘৰলৈ আহিল। লৰা ছোৱালীয়ে সৎসঙ্গত সৰু ল'ৰা-ছোৱালীক আহাৰ খুউৱা, পানী খাবলৈ দিয়া আদি সেৱা কৰি থকা অন্য পুৰণা সৎসঙ্গী ল'ৰা-ছোৱালীক দেখি নিজেও সেৱা কৰাত লাগিল। ঘৰলৈ আহি নিজৰ ককাইদেউতাৰ বাবে বাল্টি ভৰাই পানী লৈ আহিল। দুই ভায়েক ভনীয়েকে গা ধুবলৈ ক'লে। ৰামভক্তই ক'লে, "মইনাহত পেটৰ বিষ হব ইমান গধুৰ বোজা উঠাব নাপায়। মই নিজেই পানী আনিম" ল'ৰা-ছোৱালীয়ে কলে, "ককাদেউতা, সৎসঙ্গত গুৰু দেৱে কৈছে সেৱা কৰিলে লাভেই হব, কোনো কষ্ট নহয়। আমি ৰুটী খালে আমাৰ পেট ভৰিব। আমি সেৱা কৰিলে আমি পুণ্য পাম।" কোনো ৰোগ হলেও ভক্তি আৰু সেৱাৰ দ্বাৰা সমাপ্ত হৈ যাব। আশ্ৰমত আই আৰু ভক্ত সকলে কৈছিল তেওঁলোকৰ বেমাৰ আছিল নামদীক্ষা লোৱাৰ পিছত যিমান পাৰে সেৱা কৰি গল আৰু সুস্থ হৈ পৰিল। ডাক্তৰে হাত দাঙি দিছিল, তেওঁলোকে ঔষধৰ নিদান পত্ৰ দেখুৱাই কৈছিল। যে চাৰি বছৰ ধৰি চিকিৎসা চলি আছিল। এতিয়া কোনেও ঔষধ নাখায় (ঋগবেদ মণ্ডল ১০ সুক্ত ১৬১ মন্ত্ৰ ২ ত প্ৰমান আছে যে যদি ৰোগী মৃত্যুৰ ওচৰ চাপিছে অৰ্থাৎ তাৰ অসাধ্য ৰোগ হ'লেও, ভক্তি মাৰ্গত পদাপৰ্ণ কৰিলে পৰমাত্মাই তাক মৃত্যুৰ মুখৰ পৰা কাঢ়ি আনিব। তাক সুস্থ কৰি এশ শতাংশই অৰ্থাৎ সম্পূৰ্ণ আয়ু জীৱন দি দিয়ে। - (লেখক)

তাৰ পিছত পুত্ৰবধু আহি ক'লে, "দেউতা গা ধুই লব। কাপোৰ ইয়াতে থব। মই নিজেই ধুই দিম।" ৰামভক্তই ক'লে, "আইজনী, তুমি ঘৰৰ বহুতো কাম কৰিব লাগে, ৰন্ধা বঢ়া পানী অনা, গাই গ'ৰু বন্ধা, দানা দিয়া মই নিজে ধুই ল'ম। মোৰ ভৰিও এতিয়া ভাল হৈ গেছে। মাত্ৰ অলপ বেকা হৈ আছে। ৰামভক্তই গা-ধুলে আৰু কাপোৰ ধুবলৈ ধৰিলে। তেতিয়া লৰা-ছোৱালী আহি কাপোৰ কাঢ়ি ল'লে আৰু ভিতৰলৈ নি নিজৰ মাকক দিলে। কামিজ লৈ গ'ল বেলেগ কামিজ আনি দিলে। ল'ৰা জন পথাৰৰ পৰা পশুৰ খাদ্য লৈ আহিল, আগৰ দৰেই দেউতাৰ ফালে চালে আৰু একো নোকোৱাকৈ ঘৰলৈ গ'ল। তেওঁ দেখিলে যে পত্নী নিৰ্মলাই চুজি তৈয়াৰ কৰি আছে। তেওঁ ভাবিলে কোনো উৎসৱ আছে হবলা আকৌ ৰুটি তৰকাৰী ৰান্ধিলে। সৰ্বপ্ৰথমে গুৰু ভগৱানক দুটা বাটিত ভোগ থৈ দিলে, আকৌ এটা ৰুটী বাটিত চুজি আৰু তৰকাৰী বাঢ়িলে আৰু শহুৰ দেউতাৰ ওচৰলৈ গৈ ক'লে, দেউতা ভোজন খাই লওঁক। ভোক লাগিছে হবলা, দূৰৰ পৰা আহিছে। ৰামভক্তই ক'লে, আইজনী, মোৰ এয়া হজম নহয়। শুকান

ৰুটি আনি দিয়া। মই বেমাৰী হৈ যাম। ৰামভক্তই ভাবিছিল যে আবেগত আহি বোৱাৰীয়ে আজি সকলো প্ৰকাৰে সেৱা কৰিব, কিন্তু লৰাই পুত্ৰবধুক গালি দিব কাৰণ তাৰ সৎসঙ্গৰ জ্ঞান নাই। জানোচা ঘৰখনত কাজিয়া হয়। ইমানতে ল'ৰাও আহি পালে নিজৰ পত্নীক ক'লে, দেউতাই ঠিকেই কৈছে। (ৰুটি) লৈ যা। দেউতাৰ কোঠা ৰাস্তাৰ কাষত আছিল। ল'ৰা ছোৱালী থকা কোঠা ভিতৰফালে আছিল। পত্নীয়ে ক'লে, মনে মনে থাকক, মই বহুত পাপ সংগ্ৰহ কৰিছো এতিয়া দেউতাৰ শুশ্ৰুষা মই নিজেই কৰিম। ল'ৰাজন মনে মনে থাকিল। ৰাম ভক্তই নাতি-নাতিনীক অলপ অলপ চুজি দিলে। পুত্ৰবধুক দিবলৈ ধৰোতে তাই ক'লে, আপুনি কি খাব ? ঘৰত আৰু বহুত চুজি প্ৰসাদ আছে দেউতা আপুনি খাওঁক। নাখালে মোৰ আত্মা কান্দিব ৰামভক্তই গুৰুদেৱ ভগৱানক স্মৰণ কৰি ভোজন খালে। প্ৰতিদিনে পুত্ৰবধুয়ে স্বয়ং নৰম-নৰম ৰুটি গৰমে গৰমে আনি নিজ হাতেৰে খুৱাব ধৰিলে। প্ৰতি দিন কাপোৰ চাফা কৰে আৰু কয়, দেউতা আপুনি ভজন কৰি থাকক।

এদিনা ৰামভক্তৰ পেহীৰ ল'ৰা ভক্ত ৰাম নিবাস আহিল ৰাম ভক্তই তেওঁক বুকুত সাৱটি ল'লে আৰু ক'লে, ভাই আমাৰ ঘৰ আপোনাৰ কৃপাত স্বৰ্গ হৈ পৰিছে। ভক্ত ৰাম নিবাসে কলে যে তেওঁৰ পৰা একোৱে হোৱা নাই, গুৰুদেৱৰ শব্দ শক্তিৰ চমৎকাৰ হয়। আপুনি আৰু মই আগতে একে লগে টাংগুটি খেলিছিলো, নহয় জানো। মোৰ দ্বাৰা যদি হলহেঁতেন আগতেই হব লাগিছিল। গুৰুজীয়ে কৈ আছিল যে ৰামভক্ত পূৰ্ব্ব জন্মত ভক্ত আছিল। ঘৰৰ মোহমায়াৰ বাবে নীতি মানিব নোৱাৰিলে সেই কাৰণে ইমান কষ্ট পালে এতিয়া এওঁ মহাদুখী হৈ পৰিছে, গতিকে ৰামনিবাসৰ লগত আহিছে। আগতেও ৰামনিবাসে কেইবাবাৰো সৎসঙ্গলৈ আহিবলৈ কৈছিল, কিন্তু মোহমায়াত অন্ধ হৈ গৈছিল। এই কষ্ট আৰু পুত্ৰ পুত্ৰবধুৰ ব্যৱহাৰ ৰামভক্তৰ বাবে বৰদান হৈ পৰিল।

কবীৰ দেৱে কৈছে যে -

কবীৰ সুখকে মাথে পত্থৰ পঢ়ো জো নাম হৃদয় সে যায়
বলিহাৰী বা দুখকে জো পল পল ৰাম ৰটায়।।

ভাৱাৰ্থ ঃ- হে পৰমাত্মা আপোনাক পাহৰি যোৱাকৈ বেছি সুখ নিদিব ।যি দুখত পৰমাত্মাৰ কথা ক্ষণে ক্ষণে মনত পৰি থাকে তেনে দুখ সদায় দি থাকিব। মই সেই দুখ অতি ভাল পাওঁ যাৰ কাৰণে পৰমাত্মাৰ শৰণ লাভ কৰিলো।

ৰামভক্তই ভক্ত ৰামনিবাসক ক'লে যে অহাবাৰ সৎসঙ্গলৈ তেওঁৰ লৰা প্ৰেম সিংহকো লৈ যাব লাগে। ইয়াৰ উদ্ধাৰ হ'ব। এমাহ পিছত সৎসঙ্গ হ'ব লগা আছিল। ৰাম নিবাস আহিল আৰু প্ৰেম সিংহক নিজৰ ঘৰলৈ লৈ যোৱাৰ ছলেৰে সৎসঙ্গলৈ লৈ গ'ল। তিনি দিনলৈকে আশ্ৰমত থাকিল, সৎসঙ্গ শুনিলে। অন্য পুৰণা ভক্তৰ পৰা তেওঁলোকৰ সুখ দুখৰ কথা শুনি সৎসঙ্গৰ প্ৰতি আকৰ্ষিত হৈ গ'ল। ভক্ত ৰামভক্তৰ পৰিয়ালত আমূল পৰিৱৰ্তন আহিল। ভক্তি

সেৱা কৰি কল্যাণ প্ৰাপ্ত কৰিলে।

## সৎসঙ্গৰ দ্বাৰা ঘৰৰ কলহ সমাপ্ত হয়

এজনী মাতৃয়ে নিজৰ পুত্ৰবধুৰ প্ৰত্যেক কথাতে খং কৰিছিল। সৰু সুৰা ভূলকো তিনি চাৰি গুন বঢ়াই নিজৰ পুত্ৰক কৈছিল। পুত্ৰই নিজৰ পত্নীক ধমক দিছিল এই ধৰণে ঘৰখন নৰক হৈ পৰিছিল। পুত্ৰবধুৱে মাজে সময়ে নিজৰ শাহু আইক সৎসঙ্গলৈ যাবলৈ কৈছিল, তেওঁলোকৰ চুবুৰিৰ তিৰোতাও গৈছিল, শাহু আইয়ে কলে ঃ- "সৎসঙ্গলৈ চৰিত্ৰহীন তিৰোতা যায়, সিহঁতৰ সংসাৰত সন্মান নাথাকে, সেইবিলাক তিৰোতা ভাল বংশৰ নহয়। আমি উচ্চ বংশৰ সৎসঙ্গত আমাৰ কাম নাই। এনেদৰে পুত্ৰবধুৱে বহুবাৰ চেষ্টা কৰিলে কিন্তু মাতৃ গৰাকী সন্মত হোৱা নাছিল। এদিন গাৱৰে তিৰোতা এজনী কিবা কামত তেওঁলোকৰ ঘৰলৈ অহা সময়ত শাহু আই পুত্ৰবধুক গালি দি আছিল। ভয় খুৱাই আছিল যে তাইৰ পতি আহিলে তাইৰ ছাল এৰুৱাব। কথাটো এনেকুৱা আছিল গিলাচত চাহ ঢালি (শাহুৰ আইৰ বাবে) শুই থকা কেচুৱাটো কন্দাত তাক লবলৈ পুত্ৰবধু গুচি গ'ল। ভিতৰলৈ গৈ কেচুৱাটো লৈ আঁহোতে এক মিনিটো হোৱা নাছিল, ইয়াৰ মাজত কুকুৰে আহি গিলাচ চেলেকিব ধৰিলে। গিলাচ পৰি গ'ল চাহ মাটিত পৰিল। শাহু আই চোতালত গিলাচৰ পৰা মাত্ৰ বিশ ফুট দুৰত খাটত বহি আছিল। শকত আৰত আছিল পথাৰত ফুৰি আহিছিল কিন্তু কামত হাত নিদিছিল। সেই কথাতে কাজিয়া কৰি আছিল। চুবুৰিৰ তিৰোতাজনী সৎসঙ্গলৈ অহা যোৱা কৰিছিল। সকলো কথা শুনি তাই ভতেৰীক (শাহু জনীৰ নাম ভতেৰী) ক'লে যে তুমি সৎসঙ্গলৈ যাব লাগে। শাহু আইৰ একেই উত্তৰ সেই সৎসঙ্গলৈ যোৱা ভক্তমতীয়ে বহুত সময় ধৰি সৎসঙ্গত শুনা কথা ক'লে। কিন্তু ভতেৰী কোনো কথাত সন্মত নহয় ভতেৰীৰ ভনী এজনী সেই চুবুৰিতে বিবাহ হয়. তেওঁৰ ওচৰত সৎসঙ্গ লৈ যোৱা তিৰোতা (জানকী) বাস কৰিছিল ভতেৰীৰ ভনীয়েকৰ নাম দয়া কৌৰ আছিল, জানকীয়ে গৈ দয়া কৌৰক ক'লে যে তেওঁৰ বাইদেই ভতেৰীয়ে ঘৰখন নৰক কৰি ৰাখিছে। বিনা কাৰণত কাজিয়া কৰি থাকে। তাই ক'লে যে যোৱা কালি কিবা কাম এটাৰ বাবে তেওঁ ভতেৰীৰ ঘৰলৈ গৈছিল। এগিলাচ চাহ কুকুৰে পেলাই দিলে, সেই কথাটোতেই মহাভাৰত কৰি থৈছিল। দয়াকৌৰ জানকীৰ অনুৰোধত সৎসঙ্গ শুনিবলৈ গৈছিল আৰু দীক্ষা লৈছিল। জানকীয়ে কলে যে ভতেৰীক যেনেতেনে এবাৰ সৎসঙ্গ লৈ নিব লাগে। যেতিয়ালৈকে ব্যক্তিয়ে সন্তৰ বিচাৰ উপদেশ নুশুনে নিজেও মিছাতে উদ্বিগ্ন হৈ থাকে আৰু ঘৰৰ আন সদস্যকো চিন্তা গ্ৰস্ত কৰি ৰাখে। দয়াকৌৰ পিছদিনা নিজৰ বাইদেউৰ ঘৰলৈ গ'ল কিবা ছলেৰে ভতেৰীক নিজৰ ঘৰলৈ লৈ আহিল। তাত অন্য বহুতো তিৰোতা সৎসঙ্গলৈ যাবৰ বাবে ভতেৰীৰ ঘৰৰ সন্মুখত থিয় হৈ আছিল। তেওঁলোক দয়া কৌৰক সৎসঙ্গলৈ যাবলৈ কবৰ বাবে দয়া কৌৰৰ ঘৰলৈ গ'ল। তাত দয়া কৌৰৰ বাইদেউ ভতেৰীক দেখি তাইকো সন্মত কৰি লগত লৈ গ'ল। ভতেৰীয়ে জীৱনত প্ৰথমবাৰৰ বাবে সৎসঙ্গ শুনিলে আশ্ৰমলৈ কেনে ধৰণৰ পুৰুষ মহিলা আহে

নিজ চকুৰে দেখা পাই ভাল লাগিল। তাই শুনা দৰে কোনো বেয়া কথা আশ্ৰমত নেদেখিলে। সৎসঙ্গত কোৱা হৈছিল যে বহুতো মানুহে নিজৰ জীয়ৰী বোৱাৰী, ভনী আদি কৰি অন্য মহিলাকো সৎসঙ্গলৈ নপঠিয়ায় আৰু তেওঁলোক নিজেও নাযায়। তেওঁলোকে কয় যে আমি সৎসঙ্গলৈ গলে ঘৰৰ মান সন্মান নাশ হ'ব। আমাৰ জীয়ৰী বোৱাৰী বদনাম হ'ব। তেওঁলোকে চিন্তা কৰিব লাগে যে- সৎসঙ্গলৈ নগলে পৰমাত্মাৰ বিধানৰ জ্ঞান নহয়। জ্ঞান নোহোৱাকৈ ভক্তি নকৰে, ফলত স্ত্ৰী পুৰুষ দুয়ো পৰৱৰ্তী জন্মত বহু কষ্ট ভোগে।

মানৱ শৰীৰ প্ৰাপ্ত কৰি ভক্তি নকৰিলে হোৱা হানি সম্পৰ্কে সুক্ষ্মবেদত এনেদৰে কৈছে -

কবীৰ হৰিকে নাম বিনা, নাৰি কুতিয়া হোয়।
গলী গলী ভৌকত ফিৰৈ, টুকনা দালৈ কৌয়।

সন্ত গৰীবদাস দেৱৰ বাণীৰ পৰা ঃ-

বীবী পড়দৈ ৰহে থী, ড্যোড়ী লগতী বহৰ।
অৰ গাত উঘাড়ে ফিৰতী হৈ বন কুতিয়া বাজাৰ।
পড়দে সুন্দৰী, সুনো সন্দেশা মৌৰ।
গাত উঘাড়ে ফিৰতি হাঃ কৰে সৱায়ো শৌৰ।।
নক বেচৰ নক পৰ বনি পহৰে থী হাৰ হমেল।
সুন্দৰী সে কুতিয়া বনী সুন চাহেব। (প্ৰভু) কে খেল।

ভাৱাৰ্থ ঃ- মানৱ জীৱন প্ৰাপ্ত প্ৰাণীয়ে যদি ভক্তি নকৰে, মৃত্যুৰ পিছত পশু পক্ষী আদি যোনি প্ৰাপ্ত কৰিব। পৰমাত্মাৰ নাম জাপ নকৰিলে স্ত্ৰী পৰৱৰ্তী জনমত কুকুৰণী হ'ব। তেতিয়া নাঙঠ হৈয়ে গলিয়ে গলিয়ে, অনাই বনাই ফুৰিব, ভোকত বিহ্বল হ'ব, কোনেও ৰুটি এটুকুৰাও নিদিব। যি সময়ত সেই আত্মা স্ত্ৰী ৰূপত কোনো ৰজা বা উচ্ছ পদাধিকাৰীৰ পত্নী হৈ আছিল। সেয়া তাৰ পূৰ্ব জন্মৰ পুণ্যৰ ফল আছিল যাক সি কোনোবা জনমত ভক্তি ধৰ্ম আদি কৰি সংগ্ৰহ কৰিছিল। সেই সকলো ভক্তি তথা পুণ্যৰ ফল স্ত্ৰী ৰূপত ভোগ কৰিলে, যেতিয়া সেই আত্মা উচ্ছ বংশৰ ধনী ঘৰৰ জীয়ৰী বোৱাৰী আছিল। তেতিয়া আৰ কাপোৰত বাস কৰিছিল। কাজু-কিচমিচ দি চুজি পায়স খাইছিল তেওঁলোকে নোখোৱা জুঠা আহাৰ চাকৰণী সকলে খাইছিল। উচ্ছ কুলৰ জীয়ৰী বোৱাৰীক সৎসঙ্গলৈ যাবলৈ দিয়া হোৱা নাছিল। তালৈ যোৱাটো মান সন্মানৰ হানি কাৰক বুলি ভবা হৈছিল। উচ্ছ বংশৰ মান সন্মানৰ বাবে জীয়ৰী বোৱাৰী ঘৰৰ ভিতৰত পৰ্দাত থকাটো উচিত বুলি ভবা হৈছিল। সেই কাৰণে সেই পুণ্যাত্মা সকল সৎসঙ্গ নুশুনাৰ ফলত ভক্তিৰ পৰা বঞ্চিত হৈ পৰিছিল। সেই মানৱ শৰীৰত (স্ত্ৰী ৰূপত) থকা আত্মাই তেতিয়া ন লাখ টকাৰ হাৰ ডিঙিত পিন্ধিছিল নাকত সোনৰ নাক ফুলী পিন্ধিছিল। সেই শৃংগাৰ কৰাটোকেই নিজৰ জীৱনৰ লক্ষ্য বুলি ভাবি ধন্য মানিছিল। ভক্তি নকৰাৰ ফলত এতিয়া

কুকুৰণী হৈ নাঙঠ শৰীৰে গলিয়ে গলিয়ে খাদ্যৰ বাবে হাহাকাৰ কৰি ফুৰে। চহৰত আগতে ধৰ্মশালা আছিল। যাত্ৰী ৰাতি তাত থাকি, পূৰা ভোজন খাই প্ৰস্থান কৰিছিল। সেই পৰ্দাত থকা সুন্দৰ স্ত্ৰী কুকুৰণী হৈ ধৰ্মশালাত থকা যাত্ৰীৰ জুঠাখাবলৈ ভুঁকি ফুৰে। ৰুটি টুকুৰা মাটিত পেলোৱা হয়। সেই সুন্দৰী যি কাজু কিচমিচ দিয়া চুজি পায়স খাইছিল, ভক্তি নকৰাৰ ফলত বালি মাটি যুক্ত ৰুটি টুকুৰা খাই আছে। মনুষ্য জীৱন থাকোঁতেই পূৰ্ণ সন্তৰ পৰা নামদীক্ষা লৈ ভক্তি কৰা হলে আজি এই দশা নহলহেঁতেন।

## পুহলো বাইৰ শিক্ষা (উপদেশ)

এজন ৰজাই পুহলো বাইৰ জ্ঞান বিচাৰ শুনি বহুত প্ৰভাৱিত হ'ল। ৰজাৰ তিনিজনী ৰাণী আছিল। ৰজাই নিজৰ ৰাণী সকলক পুহলো বাইৰ বিষয়ে ক'লে। ৰজাই বহুবাৰ নিজৰ ৰাণী সকলৰ সন্মুখত পুহলো বাইৰ প্ৰশংসা কৰিলে। নিজৰ পতিৰ মুখত অন্য স্ত্ৰীৰ প্ৰশংসা শুনি ৰাণী সকলৰ ভাল নালাগিল। কিন্তু একো কবও নোৱাৰে। তেওঁলোকে ভক্তমতি পুহলো বাইক চোৱাৰ ইচ্ছা প্ৰকাশ কৰিলে। ৰজায়ে পুহলো বাইক নিজৰ ঘৰত সৎসঙ্গ কৰিবলৈ কওঁতে পুহলো বাইয়ে সৎসঙ্গৰ তিথি আৰু সময় ৰজাক ক'লে। ৰাণী সকলে সুন্দৰতা দেখুৱাবলৈ কোনো ক্ৰুটী নকৰিলে। ৰাণী সকলে ভাৱিছিল যে পুহলো বাই বৰ সুন্দৰী হ'ব। ভক্তমতি পুহলো ৰজাৰ ঘৰলৈ আহিল তেওঁ খদ্দৰৰ মলিন বস্ত্ৰ ধাৰণ কৰিছিল। হাতত মালা আছিল চেহেৰাও চাফা নাছিল। ভক্তমতি পুহলোক দেখি তিনিও ৰাণী খিলখিলাই হাঁহিব ধৰিলে আৰু ক'লে, "সেই জনী পুহলো এইজনীয়ে নেকি ? আমি ভাবিছিলো যে তাই বহুত সুন্দৰ হ'ব। তেওঁলোকৰ কথা শুনি ভক্তিমতি পুহলো বাইয়ে ক'লে ঃ-

বস্ত্ৰ - আভূষণ তন কী শোভা, য়হ তন কাচ্চো ভাণ্ডো।
ভক্তি বিনা বনোগী কুতিয়া ৰাম ভজো ন ৰাড়ো।।

ভাৱাৰ্থ ঃ- সুন্দৰ বস্ত্ৰ আৰু আভূষণে শৰীৰৰ শোভা বঢ়ায়। এই শৰীৰ কব নোৱাৰি কি কাৰণত, কিমান বয়সত আৰু কেতিয়া নষ্ট হব। যদি ভক্তি নকৰা পৰৱৰ্তী জনমত কুকুৰণী হৈ জন্ম লবা। আকৌ নাঙঠ হৈ ফুৰিবা। সেই কাৰণে কৈছো, "ৰাণ্ডৌ" অৰ্থাৎ তিৰোতাহঁত ভক্তি কৰা। ৰাণ্ডৌ শব্দ বিধৱাৰ বাবে প্ৰয়োগ কৰা হয়। কিন্তু সামান্য স্থিতিতো তিৰোতা সকল নিজৰ প্ৰিয় সখীক মৰমেৰে সম্বোধন কৰিবলৈ ব্যৱহাৰ কৰে। শিক্ষিত হোৱাৰ পাছত এই শব্দৰ প্ৰয়োগ নোহোৱা হৈছে - ভক্ত মতি পুহলো বাইয়ে সৎসঙ্গ শুনালে। কবীৰ পৰমেশ্বৰৰ 'সাখী' শুনালে ঃ-

কবীৰ হৰিকে নাম বিনা, নাৰী কুতিয়া হোয়।
গলি গলি ভৌকত ফিৰে, টুক না ডালে কোয়।।
কবীৰ ৰাম ৰটত কোঢ়ী ভলো, চুচু পড়ে জো চাম।
সুন্দৰ দেহি কিস কাম কী, জা মুখ নাহী নাম।।
কবীৰ নহী ভৰৌ সা দেহি কা বিনশ জায়ে ছিল মাহী।

শ্বাস উশ্বাস মে নাম জপো, ঔৰ যত্ন কুছ নাহী।।
কবীৰ শ্বাস উশ্বাস মে নাম জপো ব্যৰ্থা শ্বাস মত খোৱো।
না জানে ইস শ্বাস কা আৱন হো কে না হোয়।।
গৰীব সৰ্ব সৌনে কী লঙ্কা থী, ৰাৱণ সে ৰণধীৰম।
কংস, কেচি, চানুৰ সে, হিৰণা কুশ বলবীৰম।।
গৰীব তেৰী ক্যা বুনিয়াদ হৈ জীৱ জন্ম ধৰি লেত।
দাস গৰীব হৰি নাম বিন, খালী ৰহ জা খেত।।

শব্দাৰ্থ ঃ- কবীৰ পৰমেশ্বৰে অধ্যাত্ম বিধান কৈছে। যি স্ত্ৰীয়ে ভক্তি নকৰে, তেওঁ পিছৰ জন্ম কুকুৰণী হৈ অলিয়ে-গলিয়ে ভুকি ফুৰে, কোনেও তাইক এগৰাহ ভাতো নিদিয়ে। মানৱ জীৱনত সকলো খাদ্য সময়মতে খাবলৈ পাইছিল। ভক্তি নকৰাত এই দশা হ'ল।

পৰমেশ্বৰৰ ভক্তি কুষ্ঠ ৰোগীয়েও (যাৰ শৰীৰৰ ছাল ছিন্ন-ভিন্ন হৈ খহিব ধৰিছে আৰু তাৰ পৰা তেজ বৈ আছে) যদি কৰে, বহুত ভাল কথা। ভক্তি কৰিলে তাৰ কুষ্ঠ ৰোগো ভাল হৈ যাব আৰু তেওঁৰ ভৱিষ্যতো উজ্জ্বল হ'ব। ভক্তি নকৰাজনৰ শৰীৰ সুন্দৰ হ'লেও, তেওঁৰ এই সুন্দৰ শৰীৰ কোনো কামত নাহে।

এই মানৱ শৰীৰৰ একো ভৰষা নাই, ই কেতিয়া আৰু কি কাৰণত নষ্ট হৈ যাব, ক'বই নোৱাৰি। ইয়াক সুৰক্ষিত কৰি ৰাখিব নোৱাৰি, তাৰ বাবে মাত্ৰ এটাই উপায় আছে - ভক্তি কৰিব লাগে। ইমান বেছি নাম স্মৰণ কৰিব লাগে যাতে নাম জপ নকৰাকৈ এটা উশাহো লোৱা নহয়।

প্ৰতি উশাহ-নিশাহতে নাম জপ কৰিবা, নাম জপ নকৰাকৈ উশাহ-নিশাহ এনেয়ে নষ্ট নকৰিবা। শ্বাস ভিতৰলৈ গ'ল, কিন্তু বাহিৰ ওলাব নে নোলাব সেই শ্বাসে নাজানে। গতিকে হোঁহকা-পিছলা নকৰাকৈ ভক্তিত মগ্ন হোৱা।

আপোনাৰ লগত ধন, সা-সুবিধা থাকিলেও ভক্তি কৰিবলৈ নাপাহৰিবা। শ্ৰীলঙ্কাৰ ৰজা ৰাৱণৰ লগত অত্যধিক ধন আছিল। তেওঁ সোণৰ ঘৰ সাজি থৈছিল আৰু নিজে যোদ্ধা আছিল। কিন্তু ৰামচন্দ্ৰৰ লগত হোৱা যুদ্ধত মৰি থাকিল আৰু সোণো লুটি লৈ গ'ল বহুতে। ৰাজ্যও গ'ল, চকুৰ পচাৰতে এনে সৰ্বনাশ ঘটিল। যমদূতে অৰ্থাৎ মৃত্যু দেৱতাৰ চাকৰে আহি ৰাৱণক শিকলিৰে বান্ধি লৈ গ'ল, নৰকত পেলাই থলে।

ৰাৱণৰ দৰে বীৰ মাটিত মিলি গ'ল আৰু মথুৰাৰ ৰজা কংস, তেওঁৰ প্ৰসিদ্ধ মল্লবীৰ চাণুৰ, কংসৰ চাকৰ কেশী ৰূপধাৰী ৰাক্ষস লগতে হিৰণ্যকশিপুৰ দৰে বলৱানেও ভক্তিৰ অভাৱত জীৱন ব্যৰ্থ কৰি গুচি গ'ল। হে সাধাৰণ প্ৰাণী তুমি কিহৰ আধাৰত ৰক্ষা পাবা। তুমি কৰ্ম অনুসাৰে ভিন ভিন জীৱৰ শৰীৰ ধাৰণ কৰা। সন্ত গৰীবদাসদেৱে পৰমেশ্বৰ কবীৰদেৱে কোৱা জ্ঞানৰ ভিত্তিত কৈছে যে ভক্তি নকৰিলে প্ৰাণীৰ এনে হানি হ'ব যেনেকৈ পথাৰত শস্য

নিসিচিলে খেতিয়ক ভোকত মৰে। তাৰ কোনো লাভ নহ'ব।

ভক্তমতি পুহলো বাইয়ে এই সংসাৰৰ বাস্তৱিকতা ক'লে আৰু ভক্তিহীন হলে হ'ব পৰা কষ্টৰ বিষয়ে কলে। সৰু ৰাজ্য এটুকুৰা পাই ৰাণীসকলে বেছিকৈ গৰ্ব কৰি আছে। এইটো ব্যৰ্থ হয়। লংকাৰ ৰজা ৰাৱণে সোণৰ ঘৰ সাজিছিল। সত্য ভক্তি নকৰা বাবে ৰাজ্যও গল, সোন ইয়াত থাকিল, নৰকৰ অংশীদাৰ হল। পুহলো বাইৰ জ্ঞান আৰু ভক্তি চৰ্চা শুনি ৰজা ৰাণীয়ে উপদেশ লৈ ভক্তি কৰিলে আৰু জীৱন ধন্য কৰিলে।

কবীৰ হৰি কে নাম বিন, ৰাজা ৰষভ হোযঃ।
মিট্টী লদে কম্হাৰ কে, ঘাস ন নীৰে কোএ।।

ভগৱানৰ ভক্তি নকৰিলে ৰজাই গাধৰ শৰীৰ প্ৰাপ্ত কৰিব। কুমাৰৰ ঘৰত মাটি কঢ়িয়াব, জংগলত গৈ ঘাঁহ খাব।

ফিৰ পীছেতু পুশুআ কিজৈ, দীজৈ বেল বনায়।
চাৰ পহৰ জঙ্গল মে ডোলে তো নহী উদৰ ভৰায়।।
সিৰ পৰ সীগ দিত্ৰ মন বৌৰে, দুম সে মচ্ছৰ উড়ায়।
কাঁন্ধে জুৱা জৌতে কুৱা, কোদো কা ভুস খায়।।

ভাৱাৰ্থ ঃ- গাধৰ শৰীৰ সম্পূৰ্ণ কৰি সেই প্ৰাণীয়ে গৰুৰ যোনি পায়। মানৱ শৰীৰত জীৱই বহুতো সুবিধা প্ৰাপ্ত কৰিছিল। ভোক লাগিলেই আহাৰ খায়, গাখীৰ খায়, চাহ খায়, পিয়াহ লাগিলে পানী খাব। ভক্তি নকৰাত সেই প্ৰাণী গৰু হৈ পুৱাৰ পৰা গধুলি লৈকে ১২ ঘন্টাই জঙ্গলতে ঘুৰি ফুৰে, হাল মাৰে। দিনত মাত্ৰ দুবাৰ গৰুক খাদ্য দিয়া হয়, দুপৰীয়া বাৰ বজাত আৰু ৰাতি কিন্তু গৰুৰ অন্য সময়তো ভোক লাগে আৰু চাৰিওফালে খোৱা বস্তু পৰি থাকে, খাব নোৱাৰে। হলোৱাই তাক ঘাঁহ খাবলৈ নিদিয়ে। পানীও সময়ত দিনে দুই বা তিনি বাৰহে দিয়া হয়। মূৰত শিং পিছত এডাল নেজ থাকে। যেতিয়া মানৱ শৰীৰত আছিল তেতিয়া তেওঁ কুলাৰ, ফেন অথবা এ.চি. কোঠাত বাস কৰিছিল। এতিয়া এডাল নেজ আছে, ইয়াক কুলাৰৰ সলনি, ফেনৰ সলনি প্ৰয়োগ কৰিব। নেজে মহ খেদিব।

সৎসঙ্গত এইটোও কোৱা হয় পৰমাত্মাৰ বিধান বুজি নাপাই সংসাৰ ভাৱত বিভোৰ হলে ঘৰত কলহ হয়। ঘৰৰ কোনো সদস্যই ঘৰখনৰ হানি হোৱাটো নিবিচাৰে। কিবা কাৰণত হানি হ'লে সেই কথাৰ বাবে কলহ কৰিব নালাগে। যি হানি হ'ল, সেইটো আৰু ঠিক নহয়। ব্যৰ্থত কলহ কৰা জনা বুজা ব্যক্তিৰ কৰ্তব্য নহয়। ভূলতে যদি কাৰোবাৰ দ্বাৰা হানি হয়- লৰা-ছোৱালী, মা-দেউতা বা শাহু-বোৱাৰী যাৰ দ্বাৰাই নহওক কিয়, তেওঁক ক'ব লাগে যে নিজৰ ভাগ্যত নাই বাবে এনে হয়। আপুনি জানি বুজি হানি কৰা নাই। এনেকৈ কলে ঘৰত শান্তি বিৰাজ কৰিব। কলহত কালে বাস কৰে সেই ঘৰত ভূত প্ৰেত আদিয়ে থিতাপি লয়। কলহ নকৰা ব্যক্তি সুখেৰে থাকে। যি ঘৰত পৰমাত্মাৰ ভক্তি (আৰতি, স্তুতি, জ্যোতি যজ্ঞ) হয়, সেই ঘৰখনত দেৱতাই বাস কৰে।

সৎসঙ্গ শুনি সকলো নিজৰ নিজৰ ঘৰলৈ গল। সৎসঙ্গ দিনৰ ১২ বজাৰ পৰা ২ বজা লৈকে হৈছিল। পুত্ৰ বধুৱে গম পোৱা নাছিল যে শাহু আই সৎসঙ্গলৈ গৈছিল। পিছদিনা ৰাতিপূৱা গাখীৰ খীৰাই পুত্ৰবধুৱে গাখীৰ ভৰা বাল্টি চালৰ পৰা ওলমি থকা লোহাৰ হাকোঁটাত প্ৰতিদিনৰ দৰে ওলমাবলৈ ধৰিলে। তাই ভাবিলে বাল্টি ওলমিলে, কিন্তু হাঁকোটা ডালৰ বিপৰীত ফালে বাল্টিৰ নাল লাগিছিল। তাই বাল্টি এৰি দিয়াৰ লগে লগে বাল্টি পৰি গল আৰু গাখীৰো মাটিত পৰিল। শব্দ শুনি শাহু আই আহিল, আৰু পুত্ৰ বধুৱে গাখীৰৰ ফালে নাচাই নিৰাশ হৈ শাহু আইক চাই আছিল। কিবা কোৱাটো উচিত বুলি নেভাবিলে কাৰণ পুত্ৰ বধুৱে জানিছিল যে শাহু আইয়ে নিৰ্দোষিতাৰ কোনো ধৰণৰ প্ৰমাণ নুশুনে। চিন্তা কৰি আছিল আজি গোটেই দিনটো কাজিয়াতেই পাৰ হব। গধুলি পতি আহিব, তেওঁৰ দ্বাৰা মাৰ খুৱাব পৰমাত্মাক স্মৰণ কৰি মনে মনে কব ধৰিলে। হে পৰমাত্মা! বাল্টিটো কেনেকৈ পৰিল ? এনে ভূল কেতিয়াও হোৱা নাছিল, হে সৎগুৰু দয়া কৰক মই আপোনাৰ ভক্তি পাহৰি যোৱাকৈ ভয় আৰু চিন্তাত গ্ৰস্ত হৈ পৰিছো। মোৰ গোটেই দিনটো শাহু আইৰ শ্লোক (গালি শপনি) লৈ মনত পৰিব। ভতেৰীয়ে কলে, পুত্ৰী যি হব লগা আছিল হৈ গল। আজি আমাৰ ভাগ্যত গাখীৰ নাছিল, চিন্তা নকৰিবা ওপৰৰ গাখীৰখিনি হাতেৰে বাল্টিত ঢালি মহক দি দিয়া। এনেদৰে কৈ যি নাম দীক্ষা লৈ থৈছিল তাৰ জপ কৰিব ধৰিলে। পুত্ৰ বধুৱে নিজৰ কানকো বিশ্বাস কৰিব পৰা নাছিল। ভাবি আছিল শাহু আইয়ে আজিনো কোনটো ষ্টেচন (আকাশবাণী ৰেডিঅ) ধৰিলে। এনে শীতল পৰা বাক্য ভতেৰীৰ শব্দ কোষত নাছিল। তাত কু শব্দ ভৰি পৰিছিল। ওচৰেৰে গলেও যেন জুইৰ ফিৰিঙটিহে ওলাই যায়। পুত্ৰ বধুৰ নাম 'নিশা' আছিল। তাই ভাবি আছিল যে ঃ- নিশা আজি নিশা (ৰাতি) তোমাৰ অৱস্থা হ'ব দুৰ্দশা।

নিশাই চিন্তা কৰিলে যে পতিক কৈ দিব তেওঁ আইৰ কথা শুনাৰ পাছত মোৰ কথা একো নুশুনে। ভাল বেয়া শুনাব গোটেই দিনটো আৰু ৰাতিও কান্দি কান্দি পাৰ হ'ব। নিশাই গাখীৰ বাল্টিত ঢালি মহক খাবলৈ দি বাল্টি ধুই ৰাখিলে। ভতেৰী আহিল আৰু কলে, আইজনী ৰুটি খোৱা চিন্তা নকৰিবা মই যোৱা কালি মোৰ ভনী দয়া কৌৰৰ লগত সৎসঙ্গলৈ গৈছিলো। মোৰ জ্ঞানৰ চকু মেল খালে, মই বৰ দন্দুৰী হৈ পৰিছিলো। পুত্ৰী পাৰিলে ক্ষমা কৰি দিবা। আগত যি হ'ল হৈ গ'ল ভবিষ্যতে নিজৰ পুত্ৰ বোৱাৰীক চকুৰ মনি কৰি ৰাখিম। মোৰ আচল জীয়ৰী তুমি হয়। জন্ম দিয়া জীয়ৰী বেলেগৰ ঘৰত গুচি গ'ল। আমি দুখ সুখ ভগাই লম মাত্ৰ এদিনৰ সৎসঙ্গই মোৰ চকু মেল খুৱালে পুত্ৰী অহা দেওবাৰে তুমিও যাবা ময়ো যাম লাহে লাহে লৰাজনকো লৈ যাম। নিশাই নিজৰ গুৰুৰ ছবি (স্বৰূপ) কাপোৰত লুকুৱাই থৈছিল। ছবি উলিয়াই গুৰুৰ চৰণত (ছবিত) মূৰ থৈ কলে, হে গুৰুৱৰ আজি আপোনাৰ পুত্ৰীৰ প্ৰাৰ্থনা শুনিলা ঘৰখনক স্বৰ্গ কৰি দিলা। গধুলি চত্তৰ সিংহ (লৰাজন) আহিল। শাহুৱে গাখীৰ পৰি যোৱাৰ কথাই নকলে। কিছুদিন পিছত চত্তৰ সিংহকো নাম দিয়ালে অলপ দিন পিছত নিশাৰ গুৰু ভগৱান আহিল। নিশাই গুৰু জনাক কলে, যে তাইৰ শাহু আই বৰ ভাল তেওঁ আপোনাৰ

চৰনত দীক্ষা ল'লে। ভতেৰীয়ে কলে, মহাৰাজ নিশাই কেতিয়াও কোৱা নাই তাই দীক্ষা লৈ থৈছে। মই কাজিয়া কৰিম বুলি ভাবিছিল হবলা। মই নাম লোৱাৰ পিছতহে এতিয়া কৈছে। ভালেই কৰিলে, যদি প্ৰথমতেই কৈ দিয়া হলে মই তাইক আৰু কষ্ট দিলো হয় আৰু পাপৰ ভাগী হলো হয়। নিশাৰ গুৰুজনাই কলে, মাতৃ ভতেৰী আপুনি আধা ৰাস্তাতে ৰৈ আছে, কাৰণ আপোনাৰ দীক্ষা শাস্ত্ৰসন্মত নহয়। সত্য সাধনা নহ'লে মোক্ষ হব নোৱাৰে, যেনেকৈ বেমাৰত সঠিক ঔষধ খালেহে বেমাৰৰ পৰা আৰোগ্য পোৱা যায়। ঠিক সেইদৰে সত্য সাধনা কৰিলে জন্ম - মৃত্যুৰূপী বেমাৰৰ পৰা মোক্ষ হয়। নিশাই ভাবিলে যে শাহুয়ে খং নকৰিলেই ৰক্ষা। এই কাৰণে মাজতে মাত দিলে, গুৰুদেৱ! শুনিছো আপুনি নতুন কিতাপ লিখিছে, কিতাপ খন ভকত সমাজে ছপা কৰি উলিয়াইছে। কিতাপ খন আপোনাৰ লগত আছেনে ? গুৰুদেৱে কলে, হে পুত্ৰী, তোমাক দিবলৈকে আহিছোঁ। এনেদৰে কৈ গুৰুদেৱে নিজে থকা কোঠাটোলৈ গ'ল, তাত মোনা এটা ৰখা আছিল নিশাও লগে লগে গ'ল আৰু কলে, গুৰুদেৱ বৰলৰ বাহত হাত নিদিয়াই ভাল, বহু কষ্টৰে শান্ত হৈছে। গুৰুদেৱে কলে, হে পুত্ৰী, তোমাৰ শাহুৰ ভক্তিৰ বাবে সম্পূৰ্ণ ইচ্ছুক। এতিয়া তেওঁ মানি লব, গুৰুদেৱ তিনি দিন থাকিল। তত্বজ্ঞান বুজালে, ভতেৰীয়েও গুৰু সলনি কৰি ল'লে আৰু নিজৰ কল্যান সাধন কৰিলে।

সৎসঙ্গ দ্বাৰা ঘৰখন স্বৰ্গ হ'ল। চাৰিওফালে শান্তি হ'ল। যি ঘৰত গালি শপনিৰ গোলাবৰ্ষন হৈছিল, এতিয়া সেই ঘৰত জ্ঞানৰ গঙ্গা বব ধৰিলে।

ভক্তমতি নিশাৰ গুৰুদেৱ পৰমেশ্বৰ কবীৰ দেৱ আছিল। তেখেতে অন্য ৰূপ ধাৰণ কৰি ভক্তি প্ৰচাৰ কৰিবলৈ ঘুৰি ফুৰিছিল। কোন জনা প্ৰভুৰ ভক্তি কৰিব লাগে তেওঁ বুজাই কৈছিল।

পৰমেশ্বৰ কবীৰ দেৱে কৈছে যে ঃ-

মন নেকী কৰ লে দো দিন কা মেহমান ।।টেক।।
মাতা-পিতা তেৰে কুটুম কবীলা, কৌএ দিন কা ৰল মিল কা মেলা।
অন্ত সময় উঠ চলে অকেলা, তজ মায়া মণ্ডান।।
কহা সে আয়া, কহা জায়েগা, তন ছুটে তব কহাঁ সমাএগা।
আখিৰ তুঝকো কৌন কহেগা, গুৰু বিন আত্ম জ্ঞান।
কৌন তুমহাৰা সচ্চা সাঁই হাঃ ঝুঠী য়ে সকল সগাই।
চলনে সে পহলে সোচ ৰে ভাই কহাঁ কৰেগা বিশ্ৰাম।।
ৰহট মাল পনঘট জৌ ভৰিতা আৰত জাত ভৰৈ কৰৈ ৰীতা।
জুগন জুগন তুম ৰতা জীতা কৰৱা লে ৰে কল্যান।।
লখ চৌৰাসী কী সহ ত্ৰাসা ঊঁচ নীচ ঘৰ লেতা বাসা।
কহ কবীৰ সব মিটাঊ, কৰ মেৰী পহচান।।

ভাৱাৰ্থ ঃ- পৰমেশ্বৰ কবীৰদেৱে মনক সম্বোধি প্ৰাণী সকলক সতৰ্ক কৰিছে যে আমি এই সংসাৰত দুই দিনৰ অৰ্থাৎ অলপ সময়ৰ আলহী। প্ৰাণীয়ে এই অলপ সময়ৰ মানৱ জীৱনত


আত্মজ্ঞানৰ অভাৱত অনেক পাপ সংগ্ৰহ কৰি অমূল্য মানৱ জীৱন নষ্ট কৰি যায়। ধন উপাৰ্জনৰ উপায় সংসাৰত ব্যক্তি সকলে ক'ব পাৰে। কিন্তু আত্মজ্ঞান কি ? জীৱ ক'ৰ পৰা আহিল ? মনুষ্য জীৱৰ মূল উদ্দেশ্য কি ? সৎগুৰু ধাৰণ নকৰিলে অৰ্থাৎ দীক্ষা নহলে মানৱ জন্ম নষ্ট হয়। উপৰোক্ত সকলো জ্ঞান সৎগুৰুৰ অবিহনে কোনেও ক'ব নোৱাৰে। জন্ম মৃত্যুৰ চক্ৰ সমাপ্ত নোহোৱালৈকে জীৱৰ স্থিতি সম্পৰ্কে এনেদৰে কোৱা হৈছে -

*য়হ জীৱন হৰহট কা কুৱা লোই, য়া গল বন্ধা হৈ সব কোই।।*

*কীড়ী কুঞ্জৰ ঔৰ অৱতাৰা। হৰহট ডোৰ বন্ধে কই বাৰা।*

ভাৱাৰ্থ ঃ- গভীৰ কুৱাঁত পানী তুলিবৰ বাবে লোহাৰ চকৰি বন্ধা থাকে। সেই চকৰিক 'ৰহট' বোলা হৈছে। চকৰিৰ ওপৰত বাল্টি জালাই কৰা হয়। আগৰ দিনত গৰু বা উটৰ দ্বাৰা পানী তোলা হৈছিল। যেনেকৈ সৰিয়হৰ ঘানি গৰু বা উটৰ দ্বাৰা ঘুৰোৱা হৈছিল। (আগৰ দিনত এই ব্যৱস্থা অধিক আছিল) হৰহট বাল্টি কুঁৱাৰ তললৈ গৈ পানী উঠাই আনে। উপৰলৈ আহি খালী হৈ যায়। এই ক্ৰম সদায় চলি থাকে। এই ধৰণৰ পৃথিৱী ৰূপী কুৱাৰ পৰা প্ৰাণীয়ে পাপ আৰু পুণ্য বাল্টিয়ে ভৰাই লৈ উপৰৰ স্বৰ্গ, নৰকত খালী কৰে। এনেকৈ জন্ম মৃত্যুৰ চকৰিত জীৱ সদায় বন্ধা থাকে। ওপৰৰ উল্লেখত বুজোৱা হৈছে যে সংসাৰত, পৰিয়াল, ধন, সকলো ত্যাগ কৰি জীৱ এদিন অকলে গুচি যাব। আকৌ কৰৱাত জন্ম লৈ এই ক্ৰিয়াকে কৰি গুচি যাব। যদি আপুনি ঘৰৰ পৰা অন্য কোনো চহৰলৈ যায় যোৱাৰ আগতে নিশ্চিত কৰে ক'ত থাকিব। কিন্তু সংসাৰ এৰি গলে ক'ত থাকিব ক'ত জিৰাব বা সকাহ ল'ব চিন্তাই নকৰে। জীৱই চৌৰাশী লাখ প্ৰকাৰৰ প্ৰাণীৰ শৰীৰত প্ৰতাৰণা সহ্য কৰে। মৰে আকৌ জনম লয় (নতুন প্ৰাণীৰ জীৱন প্ৰাপ্ত কৰে) কেতিয়াবা ৰজা হৈ উচ্চ পদ প্ৰাপ্ত কৰে, কেতিয়াবা অতি দুখীয়া হৈ নীচ আখ্যা পায়। পৰমাত্মা কবীৰ দেৱে বুজায় যে অৱতাৰ গণ (ৰাম, কৃষ্ণ আদি)ও সত্য সাধনা নোপোৱাৰ বাবে জন্ম মৃত্যু চক্ৰত পৰি আছে। তুমি মোক জানি লোৱা, মই সমৰ্থ পৰমাত্মা হওঁ। মই তোমাৰ জন্ম-মৃত্যুৰ সকলো যন্ত্ৰনা সমাপ্ত কৰি দিম।

শব্দ নং ২)




ইয়হ হৰহট কা কুৱা লোই, ইয়া গল বন্ধা হ্যা সব কোই।
কীড়ী কুঞ্জৰ আওৰ অৱতাৰা, হৰহট ডোৰী বন্ধে কোই বাৰা।।

## কাল লোকত জন্ম-মৃত্যু ৰূপী চক্ৰ।

নাম সুমৰলে সুকৰ্ম কৰলে কৌন জানে কল কী।।
খবৰ নহী পল কী (টেক)
কোড়ি কোড়ি মায়া জোড়ি বাত কৰে ছল কী,
পাপ পুণ্য কী বাধী পোটৰিয়া কেসে হোৱে হল্কী।।
মাতা-পিতা পৰিবাৰ ভাই বন্ধু স্ত্রিৰিয়া মতলব কী,
চলতী বাৰিয়া কোই না সাথী, য়া মাটি জংগল কী।।
তাৰো বীচ চন্দ্ৰমা জ্যৌ ঝলকৈ তেৰী মহিমা ঝলা ঝল্কী।
বনে কুকুৰা বিষ্টা খাৱৈ অৰ বাত কৰৈ বল কী।।
য়ে সংসাৰ ৰৈন কা সপনা ওস বুদ জল কী,
সত নাম বিনা সবৈ সাধনা, গাৰা দল দল কী।।
অন্ত সময় জব চলৈ অকেলা, আসু নৈন ঢলকী,
কহ কবীৰ গহ শৰন মেৰী হা ৰক্ষা জল থল কী।।

ভাৱাৰ্থ ঃ- পৰমাত্মা কবীৰ দেৱে কৈছে, হে হোজা মানৱ (স্ত্রী/পুৰুষ) কব নোৱাৰি কালি অৰ্থাৎ ভৱিষ্যতে কি দৰ্ঘটনা ঘটিব। ক্ষণ মাত্ৰৰো জ্ঞান নাই।

ধন সংগ্ৰহ ছল চাতুৰী নকৰাকৈ কৰিব নোৱাৰি, তাৰ পৰাই ধন ধৰ্মৰ নামতো খৰছ কৰা হয়। এনেদৰে পাপ আৰু পুণ্যৰ দুটা বোজা কেনেকৈ পাতল হব। পাপ নৰকত আৰু পুণ্য স্বৰ্গত ভোগ কৰে। মা-দেউতা, ভাই, পত্নী ইত্যাদি সম্বন্ধীয় সকলে নিজৰ নিজৰ স্বাৰ্থৰ কথা ভাৱে। পূৰ্ব জন্মৰ কাৰণে পৰিয়াল হিচাবে লগ হৈছে। যাৰ সময় সংস্কাৰ শেষ হব। (লেন-দেন শেষ হব) তুৰন্তে পৰিয়াল এৰি গুচি যাব। যেনেকৈ ৰেলৰ ডবাত যাত্ৰী ভৰা থাকে। নিজৰ নিজৰ গন্তব্য স্থানৰ টিকট অনুসৰি যাত্ৰী নামি গৈ থাকে। এই পৰিয়ালৰ ৰেলৰ ডবাৰ দৰে মৃত্যুৰ পাছত এই শৰীৰ মাটিত মিলি যায়। সেই সময়ত পৰিয়ালৰ কোনো সদস্যই লগ নিদিয়ে।

এজন ব্যক্তিয়ে নিজৰ পত্নীক বহুত মৰম কৰিছিল। বুঢ়া হৈ অহাত তাৰ মৃত্যুও ওচৰ চাপিল। সি পত্নীক নিজৰ লগতে যাবলৈ (প্ৰাণ ত্যাগ কৰিবলৈ) কলে। তাই তৎক্ষনাত বাধা দি কলে, "নহয় মই আপোনাৰ লগত নমৰো। আপোনাতকৈ মই তিনি বছৰে সৰু," সেই দিনা বুঢ়াৰ অন্তৰত আঘাত লাগিল। তেওঁ তাইৰ লগত কথা বতৰাও বন্ধ কৰি দিলে। ওচৰলৈ আহিলেও নেদেখা ভাও জোৰে। কথাও একো নকয়। যাঠি বছৰে লগতে থাকি প্ৰথমবাৰলৈ বুঢ়াই গম পালে যে কোনো কাৰো নহয়। যদি সেই বৃদ্ধাৰ জ্ঞান বিবেক থাকিলহেঁতেন তেতিয়া কলে হয়, "হব মোকো লগতে লৈ যাব" বুঢ়াই কি লগত লৈ যাবনে ? বুঢ়াৰ মন ভাল লাগিলহেঁতেন, সহজে মৰিলহেঁতেন। সময়ৰ আগতে বৃদ্ধাক কোনে মাৰিব পাৰে ? ইয়াৰ পৰা প্ৰমাণ হয় বাস্তৱ প্ৰেমৰ কথা আকাশত চাং পতাৰ নিচিনা। সকলো স্বাৰ্থৰ বাবেহে একেলগ হৈছে। হে মানৱ পূৰ্ব জন্মৰ জপ তপ আৰু ধৰ্ম সংস্কাৰৰ দ্বাৰা বৰ্তমান মন্ত্ৰী, প্ৰধানমন্ত্ৰী, বা উচ্চ পদাধিকাৰী, হৈ এনেদৰে সুশোভিত হৈ আছে যেন ৰাতিৰ তৰাৰ মাজৰ জোন। যদি সৎসঙ্গ

নুশুনে আত্ম জ্ঞানহীন হৈ পৰমাত্মাৰ ভক্তি নকৰাৰ বাবে ভৱিষ্যত জন্মত কুকুৰ হৈ বিষ্ঠা খাব লাগিব। এতিয়া মানৱ জীৱনত নিজৰ বল অৰ্থাৎ শাৰীৰিক শক্তি, পদবীৰ, শক্তিৰ কথা কয়। পিছত পশু হৈ বহুত কষ্ট পাব।

নৰ সে ফিৰ পশুৱা কীজৈ গধা বেল বনাই।
ছপ্পন ভোগ কহাঁ মন বৌৰে কুৰড়ী চৰনে যাই।।

শব্দাৰ্থ ঃ- যি মানুহে (স্ত্ৰী/পুৰুষ) গুৰুৰ পৰা দীক্ষা লৈ শাস্ত্ৰৰ মতে ভক্তি নকৰে তেওঁ মৃত্যুৰ পিছত পশুৰ জীৱন প্ৰাপ্ত কৰে। গাধ বা গৰু ইত্যাদিৰ শৰীৰ প্ৰাপ্ত কৰে। মানৱ শৰীৰত থাকোঁতে বৰ মিঠা ভোজন খাইছিল। গাধ হোৱাত ভাল খাদ্য নাপালে। গাধৰ শৰীৰ ধাৰণ কৰি বনত ঘাঁহ খাই ফুৰে বা পেলনি যোৱা খাদ্য খাই ফুৰে। গতিকে ভক্তি কৰা।

হে মানৱ! সংসাৰত তোমাৰ জীৱন ঘাঁহৰ ওপৰত পৰা ৰাতিপুৱাৰ নিয়ৰ টোপালৰ দৰে, অলপ সময় চিকমিকাই থাকে আৰু পাছত সমাপ্ত হৈ যায়। গতিকে পূৰ্ণ সৎগুৰুৰ পৰা সত্যনাম অৰ্থাৎ ভগৱানৰ সত্যনাম মন্ত্ৰ লৈ ভক্তি কৰি জীৱৰ কল্যান সাধন কৰা। সত্য শাস্ত্ৰানুকুল ভক্তি মন্ত্ৰৰ বাদে সকলো শাস্ত্ৰ বিৰুদ্ধ সাধনা পিটনিত সহায়ক লাঠিৰ দৰে, ওলোৱাৰ সলনি দুগুন সোমাই যায়। সেই সাধনা পৰমেশ্বৰ কবীৰ দেৱৰ লগত আছিল আৰু অন্য কিছুমান সন্তক পৰমেশ্বৰ কবীৰদেৱে কৈ দিছিল কিন্তু আনক কবলৈ বাধা দিছিল। বৰ্তমানত ১৯৯৭ চনৰ পৰা সেই সত্য সাধনা এই দাস (ৰামপাল)ৰ লগত আছে। মোৰ বাহিৰে বৰ্তমান সময়ত কোনো সন্ত বা গুৰুৰ ওচৰত শাস্ত্ৰ প্ৰমানিত ভক্তি মন্ত্ৰ নাই। আহক দীক্ষা লৈ নিজৰ আৰু পৰিয়ালৰ জীৱন সফল কৰক, যদি আপুনি মোৰ (সন্তৰাম পাল) বাহিৰে কোনো অন্য পন্থৰ সন্ত বা গুৰুৰ পৰা দীক্ষা লয় তেতিয়া ভক্তি পথত এখোজো আগবাঢ়িব নোৱাৰে। মাজতে ওলমি থাকিব। মই (লেখক) প্ৰথম অৱস্থাত গাঁৱে গাঁৱে সৎসঙ্গ কৰিছিলো। মোৰ সৎসঙ্গ শুনিব, আপোনাৰ আত্মা জিকাৰ খাই উঠিব। মোৰ পৰা নাম দীক্ষা নলৈ অন্য সন্তৰ পৰা নাম দীক্ষা লৈ একো লাভ নহব। পিছে মোৰ পৰা দীক্ষা লৈ ইতিমধ্যো বহুতে সুখী হৈছে।

উপৰোক্ত সৎসঙ্গ বচন সমূহৰ পৰা কব পাৰি যে যদি সৎসঙ্গ শুনা সৌভাগ্য হয় ঘৰ স্বৰ্গ হৈ যায়। সেয়া নহলে নৰক সদৃশ জীৱন জীয়াই থাকিব লাগে। এই ধৰণে বিশ্বৰ উদ্ধাৰ সম্ভৱ হব। সকলোৰে মৰম - স্নেহৰে জীৱন যাপন কৰি মোক্ষ প্ৰাপ্তি কৰিব পাৰিব। এয়া অতি আৱশ্যকীয় ও অনিবাৰ্য্য।

## বৰ্তমানৰ সত্য কথা

* ভক্ত সুৰেশ দাসৰ থানবান হোৱা পৰিয়ালক সংস্থাপিত কৰা -

গাওঁ-দীঘল, চুবুৰী গঁজা, ভক্তৰ নাম-সুৰেশ অহলাৱত আৰু ভক্তমতিৰ নাম যশৱন্তী।

দীঘলা গাওঁ সাক্ষী হৈ আছে যে ভক্ত সুৰেশ মদ, চাদা, গাঞ্জা আদিৰ প্ৰতি বৰ আসক্ত আছিল, ঘৰখন ওলট পালট কৰি ৰাখিছিল। ভনী যশৱন্তী (সুৰেশৰ পত্নী) দূৰাৰোগ্য ৰোগত ভুগি আছিল। সৰু দুটা ল’ৰা আছিল, সিঁহত দেউতা ঘৰলৈ আহিলে ভয়ত লুকাইছিল। ঘৰত সদায় কাজিয়াৰ পৰিৱেশ। ভনী যশৱন্তীৰ এজন ভাই হাৰিয়ানা পুলিচত DSP আছিল, বৰ্তমান

অৱসৰ প্ৰাপ্ত হৈছে। তেওঁৰ নাম ভক্ত ৰাজেন্দ্ৰ সিংহ ৰাঠী, গাওঁ ভাপড়োদা। তেওঁ ভনীৰ চিকিৎসাৰ বাবে কোনো ক্ৰুটী কৰা নাছিল, কিন্তু অথলে গল। মোৰ এজন ভক্ত হাৰিয়ানা পুলিচত চাকৰি কৰি আছে, তেওঁ আৰ্য সমাজৰ মহান প্ৰচাৰক শ্ৰী জৌহৰি সিংহৰ লৰা হয়। গাওঁ - জচৰাণা জিলা সোনীপতৰ। তেওঁৰ লগত মোৰ সৰু ভাই মহেন্দ্ৰ সিংহও হাৰিয়ানা পুলিচত চাকৰি কৰি আছিল। ২০১৬ চনত অৱসৰ গ্ৰহণ কৰিব লগা আছিল। কিন্তু পৰমাৰ্থী মিচনৰ উদ্দেশ্য বুজি পাই ২০০৫ চনত অৱসৰ লৈ মোৰ লগত সহায় সহযোগ কৰি আছে। মোৰ ভাই S.P. (ৰোহতক জিলা)ৰ ড্ৰাইভাৰ আছিল। ভক্ত জয়বীৰ মলিক D.S.P. বাজ্জৰৰ ড্ৰাইভাৰ আছিল। দুয়ো লগ হলে মোৰ ভাইটিয়ে এই জ্ঞান সম্পৰ্কে চৰ্চা কৰিছিল। প্ৰথম অৱস্থাত আৰ্য্য-সমাজৰ হোৱা বাবে ভক্ত জয়বীৰ বৰ দুখী হ'ল। তেখেতৰ নিজৰ আচাৰ্য্য সকলক লগ ধৰিলে, কিন্তু শেহত নিজ চকুৰে সত্যক দেখি মানি ল'লে যে এই জ্ঞানেই সত্য। তেওঁ ১৯৯৪ চনত মোৰ (সন্ত ৰামপাল) পৰা দীক্ষা ল'লে। ১৯৯৫-১৯৯৬ চন লৈকে ভক্ত ৰাজেন্দ্ৰ সিংহ ৰাঠী ঝজ্জৰত চাকৰি কৰি আছিল আৰু জয়বীৰ তেওঁৰ ড্ৰাইভাৰ আছিল। ভনী যশৱন্তীৰ ৰোগ তেওঁৰো আছিল। সেইকাৰণে ১৯৯৫ চনত তেওঁৰ ঘৰলৈ গ'ল, অৱস্থাৰ বুজ ল'লে। ঘুৰি আহি এদিনাখন জয়বীৰে D.S.P. চাহেবক নিবেদন কৰিলে যে আপুনি নিজৰ পৰিয়ালক ৰক্ষা কৰিব বিচাৰে যদি সন্ত ৰামপালজীৰ পৰা দীক্ষা লৈ লওক। প্ৰথমতে সন্মত নহ'ল, কিন্তু পৰীক্ষা কৰিবৰ বাবে নিজৰ ভনী যশৱন্তীক নিজৰ সৰু ভাইটি সুখবীৰৰ লগত দীক্ষা ল'বলৈ পঠিয়ালে। এই দাস (ৰামপাল দাস) জলসিঞ্চন বিভাগত কনিষ্ঠ অভিযন্তাৰ পদত অধিষ্ঠিত আছিল। গুৰুদেৱৰ আদেশত দীক্ষা দিবলৈ আৰু প্ৰচাৰ কৰিবলৈ আৰম্ভ কৰি দিলোঁ। মিচনৰ উদ্দেশ্য বুজিপাই জনহিত আৰু জগতৰ হিতৰ বাব ১৯৯৫ চনত চাকৰিৰ পৰা ত্যাগ পত্ৰ দি প্ৰচাৰ - প্ৰসাৰৰ কামত আগবাঢ়িলোঁ। (ত্যাগপত্ৰ হাৰিয়ানা চৰকাৰৰ দ্বাৰা স্বীকৃতি হৈছে)। গাঁৱে গাঁৱে সন্ত গৰীব দাস জী মহাৰাজৰ বাণীৰ অখণ্ড পাঠ কৰিছিলোঁ এই অনুষ্ঠান তিনিদিন ধৰি চলিছিল। জ্ঞানৰ লগত পৰিচিত কৰাই লৈ বেয়া কৰ্ম এৰুৱাই দীক্ষা দিছিলোঁ। ফলত নাম দীক্ষা লোৱা ভকতৰ আচৰিত লাভ হৈছিল। এই ধৰণে আন এদিনা ১৯৯৬ চনত পঞ্জাৱ খোড় গাঁৱত (দিল্লী) ভক্ত জগদীশৰ ঘৰত পাঠ হৈ আছিল। ভক্ত জগদীশ এক নম্বৰৰ মদপী, দন্দুৰা (মদ খাই) আছিল। D.T.C. (দিল্লী)ত চাকৰি কৰে। তেওঁৰ পত্নীৰ দুৰাৰোগ্য বেমাৰ মোৰ (সন্ত ৰামপাল) দীক্ষা লোৱাৰ পাছত ভাল হৈ গ'ল। কাৰ্য্য সিদ্ধি পৰমাত্মাই কৰে, তেওঁৰ শক্তি সন্তৰ মাধ্যমেদি আহে। তাঁৰৰ মাজেৰে বিজুলী আহে, তাঁৰ কিন্ত বিজুলী নহয়। এই ৰূপেই সন্ত পৰমাত্মা নহলেও তাঁৰ অৱশ্যে হয়। সেই সময়ত ভগ্নী যশৱন্তীৰ জিভাই কাম কৰা বন্ধ কৰিছিল। তাই বোবা হৈ পৰিছিল। সুখবীৰ নিজৰ ভনীক লগত লৈ গধুলি সময়ত ভক্ত জগদীশৰ ঘৰলৈ আহিল। মোক সকলো সমস্যা কলে, তেওঁলোক দুয়ো ভাই-ভনী ৰাতি সৎসঙ্গ শুনি তাতেই বিশ্ৰাম কৰিলে। ভগ্নী যশৱন্তীক নাম দিয়া হ'ল, প্ৰসাদো খুওৱা হ'ল। ৰাতিপুৱা উঠি তাই নিজৰ ভায়েকক কলে, ভাই! মই মাতিব পৰা হলোঁ। মই ভাল হৈ গলোঁ, এই চমৎকাৰ দেখি দুয়ো ভাই-ভনীয়ে উপস্থিত ব্যক্তি (সৎসঙ্গ শুনিবলৈ আৰু ভোগ লগোৱাৰ সময়ত অহা) সকলক কৈ আছিল যে আচৰিত কাণ্ড হৈ গ'ল। তাৰ পিছত D.S.P. চাহাবৰ

সকলো পৰিয়াল তথা সম্পৰ্কীয়ই দীক্ষা ল'লে। আজি সকলো ভালে কুশলে আছে, ভক্তি কৰি আছে। ভক্ত সুৰেশ মহা মদাহী আছিল। নিজৰ পত্নীক ভাল হোৱা দেখি সৎসঙ্গলৈ আহিব ধৰিলে। মদ আৰু সকলো নিচা এৰি নাম লৈ ভাল হৈ গ'ল। সেই সময়লৈকে কোনো আশ্ৰম নাছিল, গাঁৱে-গাঁৱে প্ৰচাৰ কৰা হৈছিল। এতিয়া ভগ্নী যশৱন্তীৰ পৰিয়াল গোটেই গাওঁখনতেই উদাহৰণ হৈ পৰিল। সুৰেশ চৌধুৰি ভক্ত হ'ল আৰু দুয়ো সন্তানে চাকৰি পালে। মানুহে ভাবিলে টকা দি চাকৰি ল'লে। কিন্তু সত্য এয়াই যে এটকাও কাকো দিয়া হোৱা নাই। আপোনালোকে নিজেই অনুসন্ধান কৰিব পাৰে। দুয়োজন লৰাৰ বিয়াত এটকাৰ বেছি আন একো নল'লে। এইটোও অনুসন্ধানৰ বিষয়। এনেধৰণৰ বহুত উদাহৰণ আছে। এই কাহিনী কোৱাৰ মোৰ উদ্দেশ্য এয়াই যে গীতা অধ্যায় ১৬ শ্লোক ২৩-২৪ ত কোৱাৰ দৰে শাস্ত্ৰবিধি ত্যাগ কৰি নিজৰ খেয়াল মতে আচৰণ কৰা সকলে পৰমাত্মাৰ পৰা একো নাপায়। শাস্ত্ৰসন্মত ভক্তি কৰিলে পৰমাত্মাৰ শক্তিৰ দ্বাৰা সকলো অসম্ভৱ সম্ভৱ হৈ যায়, মোক্ষও লাভ হয়। ঋগবেদ মণ্ডল ১০ সুক্ত ১৬১ মন্ত্ৰ ২ ত প্ৰমাণ আছে যে পৰমাত্মাৰ ভক্তি কৰা সকলৰ অসাধ্য ৰোগ নষ্ট হৈ যায় যদি ৰোগীজন মৃত্যু ওচৰ চপা হলেও ভক্তি কৰা ব্যক্তিক সুস্থ কৰি পৰমাত্মাই ১০০ বছৰৰ আয়ু প্ৰদান কৰে অৰ্থাৎ ভক্ত সম্পূৰ্ণ আয়ুলৈকে জীৱিত থাকে।

আগৰ দিনত বিজুলীৰ বহল ব্যৱহাৰ নথকাত মা-ভনী সকলে হাতেৰে ঘূৰোৱা জাঁতত আটা গুৰি কৰিছিল। পুৰুষে নিজ হাতেৰে কাঁচিৰে পশুৰ ঘাঁহ আদি কাটিছিল। পাছত হাতেৰে চলোৱা মেচিনৰ আৱিষ্কাৰ হ'ল, সেয়াও টান কাম আছিল। বৰ্তমান বিজুলী শক্তিৰে আটাৰ জাঁত ঘূৰে, ঘাঁহ কটা মেচিন চলে তাৰ বাবে নিয়মানযায়ী বিজুলী বাতিৰ সংযোগ লব লাগে। তাৰ নীতি-নিয়ম সমূহক পালন কৰিব লাগে, নহ'লে সুখৰ কাৰক দুখৰ কাৰণ হৈ পৰিব। এইদৰেই পৰমাত্মাৰ সংযোগ ল'ব লাগিব। আৰু পৰমাত্মাৰ নীতি-নিয়ম পালন কৰিব লাগিব। তেতিয়া পৰমাত্মাই সকলো সুখ আৰু মোক্ষ প্ৰদান কৰিব। নীতি-নিয়ম ভঙ্গ কৰিলে পৰমাত্মাৰ শক্তি অহা বন্ধ হৈ যায়। সকলো সুবিধা পোৱাটো বন্ধ হয়। ডীঘল গাঁৱৰ মানুহে সেই মিছা আচাৰ্য্য সকলৰ কথা সত্য বুলি মানি লৈ কৰৌথা আশ্ৰমলৈ যোৱা নিজৰ গাওঁবাসীক বাধা প্ৰদান কৰিছিল। তেতিয়া ভক্ত সুৰেশ আৰু ভনী যশৱন্তীয়ে হাত জোৰ কৰি গাঁৱৰ সেই ব্যক্তি সকলক কৈছিল, গাঁৱৰ প্ৰভুসকল, মাৰিলেও মাৰক, ৰাখিলেও ৰাখক আশ্ৰমলৈ যোৱাটো এৰি নিদিওঁ। আমাৰ ঘৰখনৰ অৱস্থা তাত যোৱাৰ পৰাই ভাল হৈছে। নহ'লে আজিলৈকে আমি থানথিত হেৰুৱালোহেঁতেন। পৰমাত্মাই তেওঁলোকৰ আন্তৰিকতা ভৰা ভক্তিৰ ফলো সেই মতেই দি থৈছে।

**ভক্ত সুৰেশৰ মোবাইল নং ৯০৪০২৯৪৯৫ হয়।**

* **সৎসঙ্গ বাণী নুশুনাৰ ফলত সৰ্বনাশ হ'ল** -

কবীৰ, ৰামনাম কড়ৱা লাগৈ, মীঠৈ লাগে দাম।
দুবিধা মে দোনো গত্ৰ, মায়া মিলী ন ৰাম।।

**শব্দাৰ্থ** ঃ- সৎসঙ্গ নুশুনা মানুহৰ (স্ত্ৰী /পুৰুষৰ) পৰমেশ্বৰৰ বিধান সম্পৰ্কে একো জ্ঞান

নাথাকে। তাৰ ফলত তেওঁলোকে পৰমেশ্বৰ বিষয়ৰ চৰ্চা ভাল নাপায়। ধন সংগ্ৰহ কৰিবলৈহে তেওঁলোকে ভাল পায়। ফলস্বৰূপে তেওঁলোকৰ হানি দুগুণ হয়, অৰ্থাৎ জীয়াই থাকোঁতে পৰমেশ্বৰো নাপালে আৰু মৰাৰ পিছত ধনো ইয়াতে পৰি ৰ'ল।

পঞ্জাৱ ৰাজ্যত মোৰ (ৰামপাল দাসৰ) পুজনীয় গুৰুদেৱৰ আশ্ৰম "তলৱণ্ডী ভাই কী" নামৰ নগৰত আছে। তেওঁ সৎলোক যোৱাৰ পাছত তেওঁৰ দাস (ৰামপাল দাস) প্ৰতি মাহৰ দ্বিতীয় দেওবাৰে সৎসঙ্গ কৰিবলৈ গৈছিল। মোৰ গুৰুদেৱৰ কেইজনমান শিষ্য তলৱণ্ডী ভাই কী নগৰ নিবাসী লোক সকলো আছে। তেওঁৰ সম্পৰ্কীয় এজন শুক্ৰবাৰে এজনী বৃদ্ধাৰ মৃত্যুত শোক ব্যক্ত কৰিবলৈ সপৰিয়ালে আহিছিল। তেওঁ শনিবাৰে দুপৰীয়া দুটা বজাৰ পিছত নিজৰ ঘৰ চণ্ডীগড়লৈ যাবলৈ ওলোৱাত সৎসঙ্গী সম্পৰ্কীয় সকলে তেওঁক কলে যে সেইদিনা (শনিবাৰে) ৰাতিটো কটাই ৰাতিপুৱা (দেউবাৰে) ৮-১০ বজাত সৎসঙ্গ শুনি প্ৰসাদ লৈ যাব। সম্পৰ্কীয় জনে কলে যে ৰবিবাৰে তেওঁৰ তালৈ এটা পাৰ্টী আহিব। দুটা বজাত তেওঁলোকৰ লগত মোৰ চুক্তি হব লগা আছে য'ত মোৰ পাঁচ লাখৰ লাভ হব। এই ঘটনা ১৯৯৮ চনৰ হয়। সৎসঙ্গী সকলে অনুৰোধ কৰি কলে যে তেওঁ দেউবাৰে পুৱা এঘাৰটাত ওলালেও সময়মতে পাই যাব। ফোন কৰি কৈ দিব যে অলপ দেৰিকৈ আহি পাব। কিন্তু তেওঁ নামানিলে। তেওঁৰ পৰিয়ালত মুঠ চাৰিজন সদস্য আছিল। পত্নী আৰু লৰা ছোৱালী। চাৰিও নিজৰ মাৰুতি কাৰত উঠি চণ্ডীগড় যাবলৈ শনিবাৰে ৰাওনা হ'ল।

চণ্ডীগড় পোৱাৰ আগতেই অম্বালা চহৰৰ ওচৰত শিল ভৰা ট্ৰাক গাড়ী বেয়া লৈ থিয় হৈ আছিল। তাৰ পিছৰ চকা খুলি থোৱা আছিল। জেকৰ ওপৰত গাড়ীখন আছিল। মায়াৰ লোভীক অকল পাঁচ লাখত মাত্ৰ ধ্যান আছিল। তীব্ৰ গতিত কাৰ চলাই ট্ৰাকৰ তলত সোমাই জেক পৰি গ'ল। সম্পূৰ্ণ পৰিয়াল শেষ হ'ল। বৰ দুখেৰে কব লগা হয়, সৎসঙ্গ শুনিবলৈ ৰৈ যোৱা হলে জীৱন নাশ নহলহেঁতেন। মায়া (ধন) আবিহনেও জীৱন নিৰ্বাহ হয়, কিন্তু কায়া (শৰীৰ)ৰ অবিহনে একো সম্ভৱ নহয় কাৰণ শৰীৰ থাকিলেহে পৰমাত্মাৰ ভক্তি কৰি কল্যাণ কৰিব পাৰি। পৰমেশ্বৰ কবীৰ দেৱে সৰ্তক কৰি দিছে যে -

কবীৰ, ৰামনাম কড়ৱা লগৈ, মীঠে লাগে দাম।
দুবিধা মে দোনো গত্ৰ, মায়া মিলী না ৰাম।।

**শব্দাৰ্থ** ঃ- সৎসঙ্গ নুশুনা মানুহৰ (স্ত্ৰী /পুৰুষৰ) পৰমেশ্বৰৰ বিধান সম্পৰ্কে একো জ্ঞান নাথাকে। তাৰ ফলত তেওঁলোকে পৰমেশ্বৰ বিষয়ৰ চৰ্চা ভাল নাপায়। ধন সংগ্ৰহ কৰিবলৈহে তেওঁলোকে ভাল পায়। ফলস্বৰূপে তেওঁলোকৰ হানি দুগুণ হয়, অৰ্থাৎ জীয়াই থাকোঁতে পৰমেশ্বৰো নাপালে আৰু মৰাৰ পিছত ধনো ইয়াতে পৰি ৰ'ল।

এই কাৰণে হে ভাই ভনীসকল সৎসঙ্গৰ প্ৰতি ৰুচি বঢ়োৱা। আত্মা কল্যাণ কাৰক আৰু জীৱনৰ পথ সহজ সৰল কৰি তোলক।

* সৎসঙ্গলৈ গলে ডাঙৰ বিপদো আঁতৰ হয় -

কবীৰ, সন্ত শৰণ মে আনে সে আই টলৈ বলা

জৈ ভাগ্য মো সুলী হো, কাঁটে মে টল যায়।

**ভাৱাৰ্থ** ঃ- সমৰ্থ কবীৰ পৰমেশ্বৰৰ কৃপাপাত্ৰ সঁচাগুৰু (সদগুৰু)ৰ পৰা দীক্ষা লোৱা ভকত/ভকতনীৰ ৰক্ষা পৰমেশ্বৰে কৰে। পূৰ্বজন্মৰ পাপৰ কাৰণে সাধকৰ ভাগ্যত শূলত দিয়া মৃত্যু (যি অত্যধিক দুখপূৰ্ণ হয়) থাকিলেও পৰমেশ্বৰে কিছু সৰু সুৰা শাস্তি (যেনে - ভৰিত কাঁইটে বিন্ধা) দি সেই সাধকক তেনে মৃত্যুৰ পৰা ৰক্ষা কৰে। ভয়াবহ শাস্তিক নামমাত্ৰ শাস্তিলৈ সলনি কৰি পৰমেশ্বৰে সাধকক ৰক্ষা কৰে।

এখন গাঁৱত সন্তৰ আশ্ৰম আছিল। আশ্ৰমখন গাঁৱৰ পৰা প্ৰায় দুই কিঃমিঃ দূৰৈত আছিল। সেই গাঁৱৰ কেইবাটাও পৰিয়াল সন্তজনৰ শিষ্য আছিল। সন্তজন বছৰত মাত্ৰ দুবাৰহে আশ্ৰমলৈ আহিছিল। তেওঁৰ লগত কিছুমান স্থায়ী শিষ্যও আছিল সেই সন্ত নিজৰ মণ্ডলীৰ সৈতে দুমাহ সেই আশ্ৰমত বহিছিল। আকৌ আন্য আশ্ৰমলৈ গুচি গৈছিল। সন্তজনৰ নিজৰ কাৰ্যক্ৰম অনুসৰি দুমাহৰ বাবে ভোজনৰ ব্যৱস্থা গাঁওবাসীয়ে নিজৰ নিজৰ ঘৰত কৰিছিল। এদিনত এটা পৰিয়ালে ভক্তসকলৰ বাবে ভোজন ঘৰত ৰান্ধি আনি খুৱাইছিল। প্ৰত্যেক ভক্তই ইচ্ছা কৰিছিল যাতে তেওঁ নিজৰ গুৰু দেৱক উত্তম ভোজন পায়স আৰু ৰুটী-তৰকাৰী খুৱাব পাৰে। এটা পৰিয়ালৰ সেইদিনা গাখীৰ বেয়া হৈ গল। সেই পৰিয়ালৰ মানুহজনীৰ নাম কস্তুৰী আছিল। তেওঁৰ চুবুৰীত অকল মা আৰু পুত্ৰৰে এটা পৰিয়াল আছিল। কাৰণটো হল সেই ভগ্নী ৰামোৰ পতিৰ মৃত্যু তেওঁৰ লৰাজন দুবছৰৰ হওঁতে হৈছিল। সেই ভনীয়ে (ৰামো) ঘটনা এটা নিজ চকুৰে দেখিছিল যে এজনী বিধৱাই নিজৰ দেউৰৰ লগত বিবাহ কৰিলে দেৱৰেও বিবাহিত আছিল। দেওৰেকৰ ফালৰ পৰাও মহিলা জনীৰ এজন পুত্ৰ হ'ল। দেউৰে সেই মহিলা জনীক বনুৱাৰ দৰে ব্যৱহাৰ কৰিছিল। বাহী শুকান চুৱা সিহঁতক খাব দিয়ে, এনে দোষত লৰাটোৱে ডাঙৰ হৈ আত্মহত্যা কৰিলে। মহিলা জনীও পাগল হৈ কৰবালৈ গুচি গ'ল। (সকলো দেউৰ, জেঠাল অৱশ্যে বেয়া বুলি কোৱা হোৱা নাই) এই ঘটনা স্মৰণ কৰি সেই ৰামো ভগ্নীয়ে দেউৰৰ লগত বিবাহ নকৰিলে। নিজৰ লৰা কৰ্মপালক ডাঙৰ দীঘল কৰিলে। পৰিশ্ৰম কৰিলে, মাটিও অলপ আছিল সেই মাটিতেই পৰিশ্ৰম কৰি গৰু-মহ পালন কৰিছিল। নিজৰ লৰাক ভাল গাখীৰ, ঘিউ খুৱাইছিল। ভাবিছিল লৰা শীঘ্ৰেই ডেকা হ'ব ইয়াৰ বিয়া পাতি দিম। লৰাই নিজৰ কামত ধৰিব মই সুখৰ জীৱন যাপন কৰিম। কিন্তু সৎসঙ্গ অবিহনে জ্ঞান নহয়, জ্ঞান সৎগুৰুৱে দিয়ে। ভক্তি অবিহনে জীৱ সুখী হ'ব নোৱাৰে, তেওঁ যিমানেই ধনী নহওক। লৰাজনে দেউতাৰ মৰম-স্নেহ, উপদেশ পোৱা নাছিল। মাকে অতি মৰম সকলো সুখ যথাসম্ভৱ দিব বিচাৰে। কথাতেই কয় ৰাণ্ডীৰ (বিধৱা) লৰা আৰু ৰাণ্ডৰ (বিপত্নীক) ছোৱালী বেয়া হৈ যায়। কাৰণ দেউতাই নিজৰ কামৰ বাবে ছোৱালীৰ গতিবিধি ওপৰত চকু দিব নোৱাৰে। মায়ে লৰাৰ গতিবিধিৰ ওপৰত ধ্যান দিব নোৱাৰে। ছোৱালীক নিজৰ লগত ৰাখিব। এনেবোৰ কাৰণতে কৰ্মপালে নিচা সেৱন কৰিব ধৰিলে। মাকৰ লগত কাজিয়া কৰি হয় টকা পইচা নহয় কোনো শস্য-যৱ-বুট আদি লৈ যায়, সেইটো বিক্ৰী কৰি নিচা খায়। মাকে গোটেই দিন কান্দিছিল, চিন্তা কৰে-ভৰা কথা নহয়, সিদ্ধি বাটত আছে কনা বিধি। সকলো ওলট-পালট হৈ আছে। চিন্তাগ্ৰস্ত হৈ শৰীৰ দুৰ্বল হৈ

পৰিল। ভক্তমতি কস্তুৰি চুবুৰিৰ ৰামোৰ ঘৰলৈ গ'ল। প্ৰথমতে খা-খবৰ ললে, লগতে জানিব বিচাৰিলে ল'ৰাই কি কৰি আছে। মা পুতেক কেনে আছে। কথা শুনি ভগ্নী ৰামো কান্দিব ধৰিলে, ক'লে "খবৰ ভাল নহয়, ল'ৰাজন বেয়া হল। নিচা খাই ফুৰে। কলে নুশুনে। কাজিয়া কৰে, গালি শপনি ধমক দিয়ে, আপুনি জানেই পৰিয়াল আৰু গাঁৱৰ লোকে মোক জেঠালৰ লগত বিয়া সোমাবলৈ কিমান বাৰ কৈছিল। মই ৰাজবন্তীৰ অৱস্থালৈ চাই ভয়ত জেঠালৰ লগত বিয়া নোসোমালো। কাৰণ মই মোৰ লৰা সুখী হোৱাটো বিচাৰিছিলোঁ। কিন্তু আজি লৰাই তাতকৈ বেছি দুখ দিলে। ভাবো যে কৰবালৈ গুচিয়ে যাওঁ নে আত্মহত্যা কৰোঁ।" ভক্তমতি কস্তুৰিয়ে ক'লে, ভনী বেয়া চিন্তা কৰিব নাপায়। ডাঙৰ হলে ল'ৰাজন ভাললৈ আহিব। আপোনাৰ যদি মৃত্যু হয়, জানেই নহয় মাটি বাৰী সকলো দখল কৰি ল'ব। ল'ৰাজনকো বেছিকৈ নিচা খুৱাই মাৰি পেলাব। এনে বেয়া চিন্তা নকৰিব। এটা কাম কৰা, মোৰ লগত সৎসঙ্গলৈকে বলক। ইয়াতে অকলশৰে থাকি বেয়া চিন্তাহে মনত আহি থাকিব। শুকাই-খীনাই কাঁইট হৈ গৈছে। ৰামোয়ে ক'লে, "নহয়, মই নাযাওঁ। মোক নগৰৰ মানুহে এনেও সন্দেহৰ চকুৰে চায। কোনোবা মানুহ ঘৰলৈ আহিলে চালত উঠি চাই থাকে। আপোনাৰ লগত ধনী (পতি) আছে। মই সৎসঙ্গলৈ গ'লে জীয়াই থকাই টান হ'ব। তেতিয়া মই মৰিব লাগিব। বাৰু কওকচোন আজি ৰাতিপুৱাই কিয়বা আহিলে ? "কস্তুৰীয়ে ক'লে, ভনী, আপুনি জানেই আমাৰ গুৰুদেৱ আশ্ৰমত আছে। আজি ভোজন দিয়াৰ পাল মোৰ আছিল। ভনী পায়সৰ চিন্তা কৰিছিলোঁ, গাখীৰ বেয়া হৈ গ'ল। অলপ গাখীৰ ধাৰত দিয়া, কালি দিম। এই কথা শুনি ৰামোৰ গাত যেন বিজুলীয়ে গতি কৰিলে। গাখীৰ খীৰাই বাল্টিটো হাকোঁটাত ওলমাই থৈছিল। বহাৰ পৰা উঠি গৈ গোটেই গাখীৰখিনি কস্তুৰীৰ বাল্টিত ঢালি দিলে। কস্তুৰীয়ে ৰামোক অলপ গাখীৰ থবলৈ ক'লে। ৰামোয়ে উত্তৰ দিলে, কব নোৱাৰোঁ, কোনটো জন্মত পুণ্য কৰিছিলোঁ, মই ভাগ্যহীনাৰ গাখীৰ পুণ্য কৰ্মত ব্যৱহাৰ হ'ব। আপুনি গোটেইখিনি লৈ যাওক, সন্ত-ভক্ত সকলক ভোজন কৰাওক। কস্তুৰী ভনীয়ে আচৰিত মানিলে যে সতসঙ্গী হৈও তাই গোটেই গাখীৰ নিদিলে হয়। এক দুই লিটাৰ নিজৰ বাবে থলে হয়। ভগ্নী ৰামোক সৎসঙ্গৰ প্ৰেৰণাৰে আৱশ্যক আছিল। সেইদিনা কস্তুৰীয়ে সময় নেপালে। পিছদিনা ১১-১২ বজাত ৰামোৰ ঘৰলৈ গ'ল। গাঁৱত ১২ টাৰ পৰা ২ টা বজালৈকে দিনত মহিলাসকলৰ মেলমৰা সময় হয়। দুঘন্টা ধৰি সৎসঙ্গত গুৰুদেৱে কোৱা কথা ৰামোক ক'লে। কিন্তু লোকলাজ (সামাজিক ৰীতি নীতি) ৰ বাবে ৰামো সন্মত নহ'ল। কস্তুৰী ভনীয়ে ক'লে, শুনা ভনী, আপুনি মীৰা বাইৰ নাম শুনিছেনে ? ৰামোৱে ক'লে যে মীৰাবাই কৃষ্ণৰ ভক্ত আছিল। কস্তুৰীয়ে ক'লে যে মীৰাবাই মন্দিৰলৈ গৈছিল। ঠাকুৰ পৰিয়ালত জন্ম লৈছিল। মহিলাসকলৰ বাহিৰলৈ যোৱা প্ৰতিবন্ধিত আছিল। কিন্তু মীৰাবাইয়ে কালৈকো ভয় নকৰিলে। আকৌ তাইৰ বিয়া ৰজাৰ লগত হ'ল। ৰজা ধাৰ্মিক প্ৰকৃতিৰ আছিল, তেওঁ মীৰাক মন্দিৰলৈ যাবলৈ বাধা নিদিলে, অৱশ্যে পৰনিন্দাৰ পৰা হাত সাৰি থাকিবলৈ মীৰাৰ লগত তিনিচাৰিজনী চাকৰণী পঠিয়াব ধৰিলে। এনে ব্যৱস্থাত সকলো সুকলমে হৈ আছিল। কিছু বছৰ পিছত মীৰাৰ পতি ঢুকাল।

***     মীৰা বাইক বিষ খুৱাই মৰাৰ ব্যৰ্থ চেষ্টা -**

দেৱৰ ৰাজ সিংহাসনত বহিল, তেওঁ বংশৰ লোকে কোৱাত মীৰাক মন্দিৰলৈ যাবলৈ বাধা দিলে, কিন্তু মীৰাবাইয়ে কথা নুশুনিলে। সেইবাবে ৰজাই মীৰাক প্ৰাণেমৰা ষড়যন্ত্ৰ চিন্তা কৰিলে যে কামটো এনেকৈ কৰিব লাগিব যাতে মীৰা মৰিও যাব আৰু বদনামো হ'ব নালাগে। ৰজাই চিন্তা কৰিব ধৰিলে মীৰাক কিদৰে মৰা হ'ব। ৰজাই সাপ নচুওৱা ব্যক্তিক মাতি আনি হুকুম দিলে যে এনেকুৱা সাপ আনিব লাগে, যি সাপে বাকচটো খোলাৰ লগে লগে, খোলা ব্যক্তিজনক দংশন কৰিব আৰু ব্যক্তিজন মৰিব। এনেদৰেই সকলো কৰা হ'ল। ৰজাই নিজৰ লৰাৰ জন্মদিন পাতিলে, তালৈ সম্পৰ্কীয় আৰু অন্য গন্যমান্য ব্যক্তিক মাতিলে। ৰজাই মীৰাৰ বান্দী (চাকৰণী)ক সাপ থকা বাকচটো দি ক'লে, ইয়াত মূল্যবান হাৰ আছে, মোৰ লৰাৰ জন্মদিন পাতিছোঁ, বহুদূৰৰ পৰা সম্পৰ্কীয় সকল আহিছে। মীৰাক কবা যে সুন্দৰ কাপোৰ পিন্ধি এই হাৰ ডিঙত পিন্ধিব, অন্যথাই মানুহে ভাবিব যে নিজৰ নবৌৰ ভালদৰে চোৱা চিতা কৰা নাই আৰু ৰজাৰ আদেশো শুনাই দিলে। সেই বাকচটোত বিষাক্ত কলা-বগা ৰঙৰ সাপ আছিল। মীৰাই বান্দীৰ সন্মুখতে বাকচটো খুলিলে। তাত হীৰা ধাতুৰে নিৰ্মিত হাৰ আছিল। মীৰাবাইয়ে ভাবিলে যে যদি হাৰ নিপিন্ধে মিছাই কাজিয়া হ'ব। মোৰ বাবে এইটো মাটিৰ সমান। এনেকৈ ভাবি মীৰাই সেই হাৰ ডিঙিত আঁৰি ল'লে। ৰজাৰ উদ্দেশ্য আছিল যে সেইদিনা সৰ্প দংশনত মীৰাৰ মৃত্যু হ'ব আৰু সকলোৱে ভাবিব আমাৰ সন্মুখতে সাপে খুঁটি মীৰাৰ মৃত্যু হ'ল। অলপ সময় পিছত ৰজা মন্ত্ৰী আৰু সম্পৰ্কীয় ব্যক্তিৰ লগত মীৰাৰ মহললৈ গৈ মীৰাৰ ডিঙিত সুন্দৰ দামী হাৰ দেখি খঙত জ্বলি উঠিল। ৰজাই ক'লে, কুচৰিত্ৰা! এই হাৰ কোনজনা প্ৰেমীকৰ পৰা লৈ আহিছ ? মীৰাবাইৰ চকুৰেদি চকুলো ওলাল, ক'লে যে ৰজাই নিজেই বান্দীৰ হতুৱাই হাৰটো দিছিল। এইয়া সেই হাৰ। বান্দীক মতা হ'ল আৰু সুধিলে, "বাকচটো কত আছে" ? বান্দীয়ে পালেংৰ তলৰ পৰা উলিয়াই দেখুৱালে আৰু ক'লে যে ৰজাই দি পঠিওৱা বাকচ সেইটোৱেই। ৰজা ঘূৰি গ'ল। ৰজাই ভাবিলে অহাবাৰ মই নিজৰ সন্মুখত মীৰাক বিষপান কৰাম, যদি সন্মত নহয় শিৰচ্ছেদ কৰিম।

এজন সাপৰ ওজাক ৰজাই ভয়ংকৰ বিষ আনিবলৈ ক'লে যি বিষ জিভাত পৰিলেই মানুহৰ মৃত্যু হয়। তেনেকুৱা বিষ লৈ অনা হ'ল। ৰজাই মীৰাক ক'লে যে তাই সেই বিষ খাব লাগে নহ'লে ডিঙি কাটি দিয়া হ'ব। মীৰাই ভাবিলে যে ডিঙি কাঁটোতে বৰ দুখ পাব, বিষপান কৰি ল'ম। মীৰাই পৰমাত্মাক স্মৰণ কৰি বিহ পান কৰিলে ।কিন্তু তেওঁৰ একোৱেই নহ'ল। সাপৰ ওজাক মাতি ৰজাই ক'লে বিষ নকলী আছিল সাপৰ ওজাই বিষৰ কাপ খুজিলে। কাপ আনি দিয়া হ'ল। সাপৰ ওজাই সেই কাপত গাখীৰ ঢালি কুকুৰক খুৱাই দিলে। কুকুৰ এবাৰ চেলেকিয়েই মৰি থাকিল।

ৰজাই বুজি পালে যে মীৰা কোনো পথ্যেই নমৰে। তেতিয়া তেওঁক মন্দিৰলৈ যোৱাত বাধা নিদিলে। লগত কিছুমান চাকৰণী আৰু দেহৰক্ষক পঠিয়ালে যাতে লোকে মীৰাক লৈ কুৎসা ৰটনা কৰিব নোৱাৰে।

মীৰাই শ্ৰীকৃষ্ণৰ যিটো মন্দিৰলৈ পূজাৰ বাবে গৈছিল, সেই ৰাস্তাৰ কাষত এখন সৰু বাগিছা আছিল। তাত কিছুমান ঘন ছায়াঁ দিয়া গছ আছিল। সেই বাগিছাত পৰমেশ্বৰ কবীৰদেৱ

আৰু সন্ত ৰবিদাসে সৎসঙ্গ কৰি আছিল। ৰাতিপূৰা প্ৰায় দহ বাজিছিল। মীৰাই দেখিলে যে তাত পৰমাত্মা চৰ্চা বা কথা হৈ আছে। ভাবিলে অলপ সময় শুনি যাওঁ।

পৰমেশ্বৰ কবীৰদেৱে সৎসঙ্গত চমুকৈ সৃষ্টি ৰচনাৰ জ্ঞান শুনালে। ক'লে যে শ্ৰীকৃষ্ণৰ অৰ্থাৎ শ্ৰীবিষ্ণুৰ ওপৰত বেলেগ অন্য এজন সৰ্ব শক্তিমান পৰমাত্মা আছে। জন্ম মৃত্যু সমাপ্ত নহ'লে ভক্তি কৰা আৰু ভক্তি নকৰা একে সমান। শ্ৰীকৃষ্ণও (শ্ৰীবিষ্ণু) জন্ম-মৃত্যুৰ পৰা হাত সাৰিব পৰা নাই। শ্ৰীকৃষ্ণৰ পূজাৰী সকলৰ জন্ম-মৃত্যু কেনেকৈ সমাপ্ত হ'ব। হিন্দু সন্ত সকলে কয় যে শ্ৰীকৃষ্ণই অৰ্থাৎ শ্ৰীবিষ্ণুৱে গীতাৰ জ্ঞান দিছিল। গীতা জ্ঞান দাতাই গীতা অধ্যায় ২ শ্লোক ১২ অধ্যায় ৪ শ্লোক ৫ অধ্যায় ১০ শ্লোক ২ স্পষ্টকৈ কৈছে, হে অৰ্জুন তোমাৰ আৰু মোৰ বহুত জন্ম হৈ গৈছে। তুমি নাজানা, মই জানোঁ। ইয়াৰ পৰা স্বতঃসিদ্ধ হ'ল যে শ্ৰীকৃষ্ণৰও জন্ম মৃত্যু সমাপ্ত হোৱা নাই। তেওঁ অবিনাশী নহয়। এই কাৰণে গীতা অধ্যায় ১৮ শ্লোক ৬২ ত গীতা কোৱাজনে কৈছে, হে ভাৰত তুমি সেই পৰমেশ্বৰৰ শৰণ লৈ যোৱা যিজন পৰমেশ্বৰৰ কৃপাৰ বলতেই তুমি সনাতন পৰম ধাম আৰু পৰম শান্তি প্ৰাপ্তি কৰিবা।

পৰমাত্মা কবীৰদেৱৰ মুখ কমলৰ পৰা সেই কথা শুনি পৰমাত্মাক বিচাৰি হাবাথৰি খোৱা আত্মাই আশাৰ ৰেঙনি দেখিলে। সৎসঙ্গ শেষ হোৱাৰ পিছত মীৰাবাইয়ে পৰমাত্মা কবীৰ দেৱৰ পৰা অনুমতি বিচাৰি শংকা সমাধান কৰিব বিচাৰিলে। কবীৰ দেৱে প্ৰশ্ন সুধিবলৈ অনুমতি দিলে।

প্ৰশ্ন ঃ- হে মহাত্মা আজিলৈকে মই কাৰো মুখৰ পৰা শুনা নাই যে শ্ৰীকৃষ্ণৰ ওপৰত আৰু কোনো পৰমাত্মা আছে। আজি আপোনাৰ পৰা শুনি মই দোমোজাত পৰিছোঁ। মই সন্মত যে সন্তই মিছা নামাতে। পৰমেশ্বৰ কবীৰ দেৱে ক'লে যে আপোনাৰ ধাৰ্মিক অজ্ঞানী গুৰু সকলৰ দোষত এয়া হৈছে। তেওঁলোকে নিজেই নাজানে ধৰ্মীয় গ্ৰন্থসমূহে কি কয়। দেৱী পুৰাণৰ তৃতীয় স্কন্ধত শ্ৰীবিষ্ণু দেৱে স্বয়ং স্বীকাৰ কৰিছে, কৈছে, মই (বিষ্ণু) ব্ৰহ্মা তথা শংকৰ নাশ-বান হয়। আমাৰ আবিৰ্ভাৱ (জন্ম) আৰু তিৰোভাৱ (মৃত্যু) হৈ থাকে।

মীৰাবাইয়ে ক'লে, "হে মহাৰাজ ভগৱান শ্ৰীকৃষ্ণই মোক সাক্ষাত দৰ্শন দিয়ে। মই তেওঁৰ লগত কথা পাতোঁ।" কবীৰ দেৱে ক'লে, হে মীৰাবাই আপুনি কাম এটা কৰক। ভগৱান শ্ৰীকৃষ্ণক সুধি চাব যে তেওঁৰ ওপৰত আন কোনো প্ৰভু আছে নে নাই। তেখেতে দেৱতা হয়। কেতিয়াও মিছা কথা নক'ব। মীৰাবাইয়ে ভাবিলে যদিহে শ্ৰীকৃষ্ণৰ ওপৰত অইন কোনো প্ৰভূ আছে তেওঁ পাগল হৈ যাব। মীৰা বাইয়ে ভগৱান শ্ৰীকৃষ্ণক আহ্বান কৰিলে। ত্ৰিলোকীনাথ প্ৰকট হ'ল। মীৰাই নিজৰ শংকা সমাধান কৰিবলৈ বিনম্ৰভাৱে জানিব বিচাৰিলে, হে প্ৰভূ আপোনাৰ ওপৰত কোনো পৰমাত্মা আছে নেকি ? এজন সন্তই সৎসঙ্গত এই কথা ক'লে। শ্ৰীকৃষ্ণই ক'লে, মীৰা, পৰমাত্মা আছে কিন্তু তেওঁ কাকো দেখা নিদিয়ে। মই বহুত চেষ্টা কৰিলো সমাধিস্থ হৈ, কিন্তু দৰ্শন নহ'ল। কবীৰদেৱৰ পৰা এইটোও শুনিছিল যে তেওঁ সেই পূৰ্ণ পৰমাত্মাক প্ৰত্যক্ষ দেখুৱাই দিব। সত্য সাধনা কৰোৱাই তেওঁৰ ওচৰত সত্যলোকলৈ পঠিয়াই দিব। মীৰাবাইয়ে শ্ৰীকৃষ্ণক আকৌ সুধিলে, আপুনি জীৱৰ জন্ম মৃত্যু চিৰকালৰ বাবে

সমাপ্ত কৰিব পাৰে নে ? কৃষ্ণই ক'লে সেইয়া সম্ভৱ নহয়। মহাত্মা জনে এনে সাধনা দিব যাৰ দ্বাৰা জীৱই পৰমধাম প্ৰাপ্তি কৰিব যাৰ বিষয়ে গীতা অধ্যায় ১৫ শ্লোক ৪ ত কোৱা হৈছে যে তত্বজ্ঞান আৰু তত্বদৰ্শী সন্তক লগ পোৱাৰ পিছত পৰমাত্মাৰ সেই পৰমধামৰ সন্ধান ল'ব লাগিব যলৈ যোৱাৰ পিছত সাধক আকৌ উভতি সংসাৰলৈ কেতিয়াও নাহে। সেই একমাত্ৰ পৰমাত্মাৰ ভক্তি কৰিব লাগিব। মীৰাবাইয়ে ক'লে, হে ভগৱান শ্ৰীকৃষ্ণ সন্তজনে কৈ আছিল যে মই জন্ম-মৃত্যু সমাপ্ত কৰি দিম, এতিয়া মই কি কৰোঁ, মোৰ পূৰ্ণমোক্ষৰ বাবে ইচ্ছা আছে। শ্ৰীকৃষ্ণই ক'লে, শুনা মীৰা তুমি সেই সন্তৰ শৰণ গ্ৰহণ কৰা, নিজৰ কল্যাণ কৰোৱা। মই যিখিনি জানো কৈ দিলো। মীৰা পিছদিনা মন্দিৰলৈ নগ'ল। চাকৰণী সকলৰ সৈতে পোনেই সন্তজনাৰ ওচৰলৈ গ'ল আৰু দীক্ষা লোৱাৰ ইচ্ছা প্ৰকাশ কৰিলে। আৰু শ্ৰীকৃষ্ণৰ লগত হোৱা কথাখিনিও সন্ত কবীৰদেৱক জনালে। সেই সময়ত অস্পৃশ্যতাই চৰমসীমা পাইছিল। ঠাকুৰ সকলে নিজকে সৰ্বশ্ৰেষ্ঠ গণ্য কৰিছিল। অভিমানী প্ৰাণীয়ে কেতিয়াও পৰমাত্মা নাপায়। মীৰাবাইৰ পৰীক্ষা ল'বলৈ কবীৰদেৱে সন্ত ৰবিদাসক ক'লে যে তেওঁ মীৰা ৰাঠৌৰক প্ৰথম মন্ত্ৰ দিব। কবীৰদেৱে ক'লে যে এয়া ৰবিদাসৰ প্ৰতি তেওঁৰ আদেশ। সন্ত ৰবিদাসে আদেশ পালন কৰিলে। সন্ত কবীৰ পৰমাত্মাই মীৰাক ক'লে, ভগ্নী সেইজন সন্ত বহি আছে, তেওঁৰ ওচৰলৈ গৈ দীক্ষা লোৱা। মীৰাবাই তুৰন্তে সন্ত ৰবিদাসৰ ওচৰলৈ গ'ল আৰু ক'লে, "হে সন্ত দীক্ষা দি কল্যাণ কৰক।" সন্ত ৰবিদাসে ক'লে যে তেওঁ জাতিত চমাৰ (মুচি) মীৰাবাই ঠাকুৰৰ ছোৱালী। মীৰাৰ সমাজৰ লোকে মীৰাক ভাল-বেয়া শুনাব। জাতিচ্যুত কৰিব। মীৰাক চিন্তা কৰি দীক্ষা লবলৈ ক'লে। মীৰাবাই পৱিত্ৰ আত্মা আছিল। পৰমাত্মাৰ বাবে জীৱন উচৰ্গা কৰিবলৈ সদায় তৎপৰ আছিল। মীৰাই ক'লে, হে সন্ত আপুনি মোৰ দেউতা, মই আপোনাৰ ছোৱালী, মোক দীক্ষা দিয়ক, সমাজ ৰসাতলে যাওক। কাইলৈ কুকুৰণী হ'লে এই ঠাকুৰ সমাজে মোৰ কি ৰক্ষা কৰিব। সৎসঙ্গত ডাঙৰ গুৰুজী (কবীৰজী) য়ে কৈছে -

কবীৰ, কুল কৰণীকে, কাৰণে হংসা গয়া বিগোয়।
তব কুল ক্যা কৰ লেগা, জব চাৰ পাও কা হোয়।।

**ভাৱাৰ্থ** ঃ- যিসকল ভক্ত (স্ত্ৰী/পুৰুষ) ই বংশ পৰিয়ালৰ নিন্দাৰ ভয়ত বা লাজত ভক্তি নকৰে, যিসকলে ভাবে যে ঘৰখনে বা সমাজৰ মানুহে দীক্ষা লৈ দণ্ডৱত প্ৰণাম কৰা দেখিলে ঠাট্টা কৰিব, অন্য দেৱ-দেৱীৰ পূজা নকৰা দেখি বেয়া পাব, শ্ৰাদ্ধ সকাম-পিণ্ডদান নকৰা দেখি ককৰ্থনা কৰিব, লাজ নালাগে তহঁতক বুলি ক'ব, তেওঁলোকে নিজৰ মানৱ জীৱন নষ্ট কৰিলে বুলি কবীৰ পৰমেশ্বৰে ওপৰোক্ত বাণীৰ দ্বাৰা সতৰ্ক কৰি দিছে। ভক্তি নকৰা বাবে যেতিয়া চাৰিঠেঙীয়া পশু অৰ্থাৎ গাধ, কুকুৰ, গাহৰি, গৰু ইত্যাদি হ'ব তেতিয়া বংশ বা সংসাৰৰ ব্যক্তিয়ে কেনেকৈ ৰক্ষা কৰিব ? ভক্তিয়ে ৰক্ষা কৰিলেহেঁতেন - ভক্তি কৰাই নাই। সেইবাবে ভক্তি কৰক।

সন্ত ৰবিদাস উঠি গৈ সন্ত কবীৰ দেৱৰ ওচৰ পালে আৰু সকলো কথা ক'লে। পৰমাত্মাই ক'লে যে পলম নকৰাকৈ সেই আত্মাক গ্ৰহণ কৰিব লাগে। তেতিয়াই সন্ত ৰবিদাসে মীৰা ভনীক প্ৰথম মন্ত্ৰৰ কেৱল পাঁচটা নাম দিলে। এই পাঁচটা নামেৰে শৰীৰৰত থকা কমল (চক্ৰ)

মুকলি হয়। এইবোৰ ৰাধাস্বামী পন্থই দিয়া নাম নহয় বা দামাখেড়া মঠে দিয়া নামো নহয়। এই পাঁচটা নাম বেলেগ, মুক্তি লাভত সহায়ক এই পাঁচটা নাম। মীৰা বাইক ক'লে যে এইটো এওঁলোকৰ পূজা নহয়, এওঁলোকৰ সাধনাহে হয়। এওঁলোকৰ লগত (দেশত) থকাৰ বাবে, খোৱা-বোৱাৰ বাবে যি ভক্তি ধনৰ আৱশ্যক হয়, সেইটো এই মন্ত্ৰৰ দ্বাৰাই পোৱা যায়। এওঁলোকৰ ঋণ পৰিশোধ হৈ যায়। তেতিয়া মোক্ষ লাভৰ যোগ্যতা অৰ্জন হয়। পৰমাত্মা কবীৰদেৱ আৰু সন্ত ৰবিদাস তাত এমাহ থাকিল। মীৰাবাই প্ৰথম অৱস্থাত দিনৰ ভাগত হে ঘৰৰ পৰা বাহিৰলৈ গৈছিল। এতিয়া ৰাতিও সৎসঙ্গ লৈ যাব ধৰিলে কাৰণ সৎসঙ্গ দিনত কম ৰাতি বেছি সময় হৈছিল। কোনোবা দিনত আৰু আন কোনোবা ৰাতি সময় উলিয়াই আহিছিল। মীৰাৰ দেউৰ ৰাণা মীৰা ৰাতিও ঘৰৰ পৰা ওলোৱা দেখি খঙত জ্বলি উঠিল। কিন্তু মীৰাক বাধা দিয়া ধুমুহাক বাধা দিয়াৰ সমান আছিল। গতিকে ৰাণাই মীৰাৰ মাক মাতিলে আৰু মীৰাক বুজাবলৈ ক'লে। ৰাণাই ক'লে যে মীৰাই তেওঁলোকৰ মান-সন্মান ধূলিস্যাত কৰিলে। ছোৱালীয়ে মাকৰ কথা শুনে। মীৰাৰ মাতৃয়ে মীৰাক বুজনি দিলে। মীৰাই বুজনিৰ উত্তৰ তুৰন্তে দিলে।

।।শব্দ।।

*সৎসঙ্গ মেঁ জানা ঐ মীৰা ছোড়দে আএ ম্হাৰী লোগ কৰৈ তকৰাৰ।*
*সৎসঙ্গ মেঁ জানা মেৰা না ছুটৈ ৰী, চাহে জলকৈ মৰো সংসাৰ।। টেক ।।*
*থাৰে সৎসঙ্গ কে ৰাহে মৈ ঐ, আহে বঁহা পৈ ৰহতে হৈঁ কালে নাগ,*
*কোয়ে-কোয়ে নাগ তনৈ দস লেৱৈ। জৱ গুৰু মহাৰে মেহৰ কৰৈ ৰী,*
*আৰী ৰৈ তো সৰ্প গডেবে বন জাৱৈ।।১।।*
*থাৰে সৎসঙ্গ কে ৰাহে মে ঐ, আহে ৰহাঁ পৈ ৰহতে হৈ ববৰী শেৰ,*
*কোয়ে কৌয়ে শেৰ তনৈ খা লেৱৈ। জৱ গুৰুৱা কীমেহৰ ফিৰৈ ৰী*
*আৰী ৰ তো শেৰাঁকে গীদড় বন জাৱৈ ।।২।।*
*থাৰে সৎসঙ্গ কে বীচমে ঐ, আহে ৰহাঁ পৈ ৰহতে হৈ সাধু-সন্ত*
*কোএ-কোএ সন্ত তনৈ লে ৰমৈ এ। তেৰে ৰী মন মৈ মাতা পাপ হৈ ৰী,*
*সন্ত মেৰে মাঁ-বাপ হৈ ৰী, আ ৰী য়ে তো কৰ দেঁগে বেড়া পাৰ।।৩।।*
*ৰো তো জাত চমাৰ হৈ এ, ইসমৈ ম্হাৰী হাৰ হৈ এ।*
*তেৰে ৰী লেখৈ মাতা চমাৰ হৈ ৰী, মেৰা সিৰজন হাৰ হৈ ৰী।*
*আৰী ৰৈ তো মীৰা কে গুৰু ৰবিদাস।।৪।।*

শব্দাৰ্থ ঃ- মীৰা বাইৰ মাতৃয়ে কৈছে- মীৰা, তুমি সৎসঙ্গলৈ যোৱা বন্ধ কৰা। সংসাৰৰ লোকে আমাক বদনাম কৰে। মীৰাই ক'লে - মা, মই সৎসঙ্গলৈ যোৱা বন্ধ নকৰোঁ, সংসাৰখন ঈৰ্ষাৰ জুইত মৰিলেও চিন্তা নকৰোঁ। মাতৃয়ে মীৰাক ভয় খুৱাবলৈ ক'লে যে যি পথেৰে মীৰা ৰাতি সৎসঙ্গলৈ যায়, সেই ৰাস্তা সাপ, সিংহ আদিৰে পৰিপূৰ্ণ- তাইক মাৰি পেলাব। মীৰাই উত্তৰ দিলে - মোৰ গুৰুদেৱ ইমান সমৰ্থবান যে তেওঁ কৃপা কৰিলে সিংহই শিয়ালৰ দৰে ব্যৱহাৰ কৰিব আৰু সাপ এনেদৰে নিষ্ক্ৰিয় হ'ব যেন সেইটো কেঁচুহে। মীৰাৰ মাতৃয়ে আকৌ ক'লে- "সৎসঙ্গ স্থলত কিছুসংখ্যক যুৱকো থাকে। কোনোবাই তোমাক অকলশৰীয়া কৰি বেয়া

কৰ্ম কৰিব।” মীৰাই উত্তৰ দিলে- “হে আই, আপোনাৰ মন দূষিত, সেইকাৰণে আপোনাৰ মনত এনে বিচাৰে ঠাই লৈছে। হে আই, সেই সন্ত আৰু ভকতসকল মোৰ আই-বোপাইৰ দৰে। তেওঁলোকে এনে বেয়া কাম নকৰে।” মীৰাৰ মাতৃয়ে উচ্চ-নীচৰ কাৰণ দেখুৱাই মীৰাক বাধা দি ক'লে- ”তোমাৰ গুৰু ৰবিদাস নীচ জাতিৰ চমাৰ হয়- ইয়াৰ দ্বাৰা আমি ৰাজপুতসকলৰ মান হানি হৈ আছে। সৎসঙ্গত যোৱা বন্ধ কৰা।” মীৰাই ক'লে- “হে আই, আপোনাৰ মতে মোৰ গুৰু নীচ জাতিৰ- চমাৰ, কিন্তু মোৰ বাবে তেওঁ পৰমেশ্বৰ। মই তেওঁৰ জী, তেওঁ মোৰ দেউতা। সৎসঙ্গত যোৱা বন্ধ নহ'ব।

***     মীৰা বাইয়ে পূৰ্ণ গুৰুৰ শৰণ পালে -**

এই কাহিনী শুনি ৰামপ্যাৰী (ৰামোঁ)ৰ চকু মেল খালে। পিছদিনা কস্তুৰীৰ লগত সৎসঙ্গলৈ গ'ল আৰু এটা সৎসঙ্গ শুনাৰ পিছতেই দীক্ষা ল'লে। আকৌ এদিনৰ ভোজন-সেৱাৰ বাবে অনুমতি বিচাৰিলে। সকলো পৰিয়ালে ক'লে, “ভনী, আমি আমাৰ সেৱা এৰি নিদিওঁ। গুৰুজী আকৌ আহিব, তেতিয়া তোমাৰ পাল পৰিব।” ভক্তমতি ৰামোক এখন্তেকৰ বাবে শান্তি নাছিল, কান্দো কান্দো হ'ল। তেতিয়া কস্তুৰীয়ে ক'লে, “ভগ্নী, পিছলৈ মোৰ পাল পৰিলে মই ৰাতিপুৱাৰ ভোজন দিম। ৰাতিৰ ভোজন আপুনি দিব।” ৰামো আনন্দিত হৈ নাচি উঠিল। নিজৰ পাল পৰিল আৰু ভোজন তৈয়াৰ কৰিলে। পায়স চুজি তৰকাৰী ৰুটী আদি তৈয়াৰ কৰিলে। কিন্তু সৎগুৰুৱে লীলা কৰিলে- ৰামোৰ জ্বৰ উঠিল। শৰীৰৰ অৱস্থা বেয়া হৈ পৰিল। এক খোজও খোজ কঢ়াৰ সাহস নহ'ল। সেই সময়ত ৰামোৰ লৰা আহি পালে। ৰামোয়ে লৰাক ক'লে, পুত্ৰ আজি মোৰ এটা কাম কৰি দিয়া, মই জীৱন থকালৈকে পাহৰি নাযাওঁ। মই গুৰুৰ শৰণ লৈছোঁ। আজি ৰাতিৰ ভোজনৰ পাল তোমাৰ পেহীৰ পৰা খুজি লৈছো। পুত্ৰ চোৱা মোৰ দেহ ভীষণ জ্বলি উঠিছে। শৰীৰ জুইৰ দৰে গৰম হৈ আছে। খোজ কঢ়াৰো সাহস নাই। লৰাই ক'লে যে তাৰ সময় নাই, সি আশ্ৰমত গৈ ভোজন দিব নোৱাৰে। তুমিও সেই আশ্ৰমলৈ যোৱাটো এৰি দিয়া, ল'ৰাই ক'লে যে সি বহুত কথা শুনিব লগা হৈছে। এই কথা শুনি ভক্তমতি ৰামোঁ হুকহুকাই কান্দিব ধৰিলে। ল'ৰাজনৰ অন্তৰত দয়া উপজিল। কিন্তু খঙতে ক'লে, “ভোজন ক'ত আছে ? দি থৈ আহিম”। ৰামো তুৰন্তে উঠিল আৰু সকলো ভোজন দি দিলে। ল'ৰাজন ভোজনখিনি লৈ আশ্ৰমলৈ গ'ল। ৰামোয়ে গুৰুদেৱক বাৰে বাৰে কৈছিল যে ল'ৰাজনে নিচা খায় ঘৰৰ অৱস্থা নাইকিয়া কৰি ৰাখিছে। কথা নুশুনে ল'ৰাজনকো চৰণত ল'বলৈ অনুৰোধ কৰিলে। পিছদিনা ল'ৰাজনক আশ্ৰমত দেখা পাই অন্য ভক্ত আৰু ভক্তমতি সকলে ক'লে যে গুৰুদেৱে অসহায় ৰামোৰ নিবেদন শুনিলে ল'ৰা নিজে ভোজন লৈ আহিল। গুৰুদেৱে গম পোৱাত আনন্দ পালে যে পুত্ৰী ৰামোৰ ঘৰখন সুৰক্ষিত হৈছে। ভগৱানে প্ৰাৰ্থনা শুনিলে ল'ৰাজনে ক'লে, “মহাৰাজ মাৰ জ্বৰ, মোক পঠিয়াইছে, ভোজন কৰক”। সন্তজন ভোজনৰ বাবে বহিল আৰু ভাবিলে লৰাজন প্ৰথমবাৰলৈ আহিছে অলপ জ্ঞানৰ কথা শুনাই দিওঁ। সন্তজনে ক'বলৈ ধৰিলে, “পুত্ৰ মা-দেউতাৰো সেৱা কৰিব লাগিব তেওঁলোকৰ আদেশ পালন কৰিব লাগিব। মোক্ষ প্ৰাপ্তিৰ বাবে গুৰুৰ শৰণ লৈ সত্য ভক্তি কৰিব লাগিব। নিচা সেৱনে ডাঙৰ-ডাঙৰ ঘৰ ভাঙিছে ল'ৰাজন খঙত জ্বলি পকি আছিল। সি অনুভৱ কৰি আছিল

যে তাৰ দেৰি হৈ গৈ আছে, কাৰণ সেই ৰাতি সি লগৰ চোৰ কেইজনক লৈ ৰজাৰ ঘৰলৈ চুৰি কৰিবলৈ যোৱাৰ কথা আছিল। ৰাতি বাৰটা বজাত নগৰৰ বাহিৰত থকা মন্দিৰত লগ হৈ চুৰিৰ বাবে যোৱা কথা আছিল। সিহঁতে ভাবিছিল ৰাণীসকলৰ দামী-দামী হাৰ থাকে, চুৰি কৰি আনি ধনী হৈ যাব সেই কাৰণে ল'ৰাজনে ভিতৰত ক'লে যে মহাৰাজে সোনকালে ভোজন কৰিব লাগে, তেওঁৰ শিক্ষাৰ আৰশ্যকতা নাই। সন্তজনে ভাল নাপালে। মনতে ভাবিলে এই চয়তানে সঁচাকৈ ৰামোক দুখী কৰি থৈছে। ভোজন খোৱাৰ পিছতেই বাচন-বৰ্তন নোধোৱাকৈ সামৰি লৈ নগৰৰ ফালে গ'ল। আধা ৰাস্তাত গৈ অলপ আগত পাওঁতে তাৰ ভৰিত ডাঙৰ কাঁইট (কীকৰ গছৰ কাঁইট) সোমাল। ভৰিত বৰ দুখ পালে। খোজ কঢ়াতো কষ্ট পালে। যেনেতেনে ঘৰ পালেগৈ। চোতালত বাচন-বৰ্তন থৈয়েই নিজৰ মাক দোষাৰোপ কৰিব ধৰিলে "আজি আপোনাৰ গুৰুৰ দৰ্শন কৰিলোঁ আজিয়ে মোৰ ভাগ্যত শনি লাগিল, মোৰ ভৰিত কাঁইট সোমাল। মই খোজ কাঢ়িবও নোৱাৰা হলোঁ, আজিৰ পৰা আশ্ৰমৰ ফালে মুখ কৰিও নেচাওঁ।" ৰামোয়ে জ্বৰৰ অৱস্থাতেই তৎক্ষনাত উঠি গৈ কাঁইট সোমোৱা ভৰি ধূলে কাঁইটৰ ওপৰত তেলৰ তলত জমা হৈ থকা ডাঠ মলি দি কাপোৰেৰে বান্ধি দিলে আৰু ৰাতিপূৱা কাঁইট ওলোৱাৰ যো-জা চলায়। ল'ৰাই মাৰ লগত বহুত কাজিয়া কৰিলে বেয়া-বেয়া কথাও শুনালে কাৰণ পুতেক কৰ্মপালে ভাবিছিল যে চুৰি কাৰ্য্যত ল'গ দিব নোৱাৰাত তাৰ বহুত ডাঙৰ হানি হ'ল। যেনেতেনে ৰাতিপূৱাল লৰাৰ কাঁইট ওলোৱা হ'ল। মা (ৰামো) ঘৰৰ কামবনত ব্যস্ত হ'ল। অলপ সময় পাছত ঢোল বজাই বজাই ঘোষণা কৰা হ'ল। নগৰবাসীয়ে জানিছিল যে এই ধৰণৰ ঘোষণা (ঢোল বজাই বজাই) কাৰোবাক মৃত্যু দণ্ড দিলেহে কৰা হয়। এই কাৰণে প্ৰত্যেক ব্যক্তি নিজৰ নিজৰ ঘৰৰ পৰা ওলাই বাহিৰত থিয় হৈ জানি লৈছিল যে কোনজন ব্যক্তিক কি কাৰণত শূলত দিয়া হ'ব। ৰজাৰ চিপাহীয়ে সেই চাৰিজনক নিজৰ দোষৰ বিষয় ঘোষণা কৰিবলৈ বাধ্য কৰোৱাইছিল। সিহঁতে কৈ আছিল, "আমি ৰজাৰ ঘৰত চুৰি কৰিবলৈ গৈছিলোঁ। আমি ঘোৰ অপৰাধ কৰিছোঁ। আজি সন্ধিয়া আমাক শূলত দিয়া হ'ব। যদি কোনোবাই শুনিছে, এনে ভূল কেতিয়াও নকৰিব। কৰ্মপালে নিজৰ লগৰীয়া চোৰক চিনি পাবলৈ সময় নলগালে আৰু ঘটনাটো বুজি উঠিল। ৰামোয়ে ক'লে, "ভালেই হ'ল, আৰু চুৰি কৰ, তহঁতক এনে শাস্তিৰেই প্ৰয়োজন আছিল। কাম কৰি খাব নোৱাৰা। ৰামো ঘৰৰ ভিতৰলৈ সোমাই গ'ল। কৰ্মপাল দুৱাৰত ভয়ে ভয়ে থিয় দি ৰ'ল। আকৌ ভিতৰলৈ গৈ জোৰেৰে কান্দিব ধৰিলে। ৰামোৱে চিন্তা কৰিলে কৰ্মপাল কিয় কান্দি আছে। কন্দাৰ কাৰণ সুধিলে। কাঁইট হলে ওলাই গৈছে। এতিয়া আকৌ বেছিকৈ বিষাইছে নেকি ? কৰ্মপাল উঠি গ'ল আৰু মাকৰ বুকুৰ মাজত সোমাই পৰিল। ক'লে, "মাঁ আপোনাৰ গুৰুদেৱৰ জয় হওক। তেখেতে আপোনাৰ ল'ৰাক মৃত্যুৰ পৰা বচালে। শূলত দিয়াৰ পৰা ৰক্ষা কৰিবলৈ অকল কাঁইটে বিন্ধালে। ৰামো আচৰিত হৈ গ'ল, ক'লে, "কি পুত্ৰ চোৰ হয় ? কিয় শূলত দিয়াব ?" চোৰৰহে শাস্তি হয়। কৰ্মপালে ক'লে, "হয় মা, তোমাৰ পুত্ৰ চোৰ আছিল। আজিৰ পৰা তোৰে শপত মই নিচা সেৱন নকৰোঁ। আপোনাৰ লগত সৎসঙ্গলৈ যাম। ঘৰৰ কামত আপোনাক সহায় কৰিম। মই জীয়াই থকালৈকে তোমাক দুখ নিদিওঁ। ৰামোয়ে ক'লে, "হে দুষ্ট, তই চুৰ কৰিবলৈও লৈছিলি, ল'ৰাই স্বীকাৰ কৰিলে যে সি

মহাচোৰ হৈ পৰিল। ধন্য আপোনাৰ সৎগুৰু। ধন্য মোৰ মা, যি এনেহেন সৎগুৰু পাই থৈছে। মা আজিয়েই মোক দীক্ষা দিয়াৰ ব্যৱস্থা কৰক, বলক যাওঁ'', ল'ৰাজনে মাকক ক'লে। ৰামোয়ে লগে লগে ল'ৰাজনক ভক্তমতি কস্তুৰীৰ ওচৰলৈ লৈ গ'ল। সকলো কথা বিবৰি ক'লে। কস্তুৰীয়েও নিজৰ কামবন এৰি তেওঁলোকৰ লগত আশ্ৰমলৈ গল আৰু গুৰুদেৱক ধন্যবাদ জনালে। সকলো ঘটনা ক'লে, ল'ৰাজনক নাম দিয়ালে। অন্য এখন গাঁৱৰ সৎসঙ্গী পৰিয়ালৰ ছোৱালীৰ লগত কৰ্মপালৰ বিয়া হৈ গ'ল। গোটেই পৰিয়াল সৎসঙ্গলৈ আহিব ধৰিলে আৰু সেৱা কৰি সুখী জীৱন যাপন কৰিব ধৰিলে।

ৰামো সৎসঙ্গৰ প্ৰতি এনেদৰে সমৰ্পিত হ'ল যে যেতিয়াই সৎসঙ্গৰ মণ্ডলীৰে সৈতে আহি আশ্ৰমত শিবিৰ পাতি বহে, তাই ৰাতিপূৱাই আশ্ৰমলৈ যায়, সন্ধিয়া দেৰিকৈ আহে, গোটেই দিনটো সেৱা কৰে, বাচন ধোৱে, গুৰুদেৱৰ কাপোৰ ধোৱে। সৎসঙ্গ আৰম্ভ হ'ল। গুৰুদেৱে ৰামোক নদীৰ পৰা কাপোৰ ধুই আনিবলৈ ক'লে। ৰ'দ কম সময়ৰ বাবে থাকে। সৎসঙ্গৰ পিছত গ'লে নুশুকাব। ৰামোভনী বাল্টিত কাপোৰ ভৰাই ওলাল। কিছুদুৰত নদীখন আছিল। বাল্টিৰ পানীত কাপোৰ দি চ'ডা দি দিলে। ভাবিলে যিমান সময় কাপোৰ চ'ডা পানীত কোমল হৈ পৰিব, সেই সময়খিনিত গৈ সৎসঙ্গ শুনি আহিব। আশ্ৰমৰ বাহিৰত বেৰত কান দি সৎসঙ্গ শুনিব ধৰিলে। সৎসঙ্গ শেষ হোৱাত ''সৎ চাহেব'' ৰ ধ্বনি শুনাত হে ৰামোৰ কাপোৰলৈ মনত পৰিল। দৌৰি দৌৰি নদীৰ ফালে গ'ল আৰু ভয় কৰিছিল যে সেইদিনা ডাঙৰ ভুল কৰিলে। গুৰুদেৱৰ আজ্ঞা উলংঘন হ'ল মোক গালি দিব, গুৰুদেৱ অপ্ৰসন্ন হ'লে মোৰ সেৱা অথলে যাব। হে ভগৱান এয়া কি হ'ল ? এনে চিন্তাৰে নদী পালেগৈ আৰু দেখিলে যে বাল্টি খালী আছিল আৰু কাপোৰ ধুই জোপোহাৰ ওপৰত মেলি দিয়া আছিল। কাপোৰ শুকাই গৈছিল। ৰামোয়ে নদীত কাপোৰ ধুই থকা ভনী সকলক ক'লে, ''ভনী সকল, এই কাপোৰ আপোনালোকে ধুই শুকুৱাই দিলে নেকি ? ''সকলো ভনীয়ে ৰামোৰ ফালে চালে। এজনীয়ে ক'লে, ''ভনী, তোমাৰ মগজু বেয়া হোৱা নাইনে, নে ধেমালি কৰি আছা ? তুমি নিজেই খুব খৰধৰ কৰি কাপোৰ ধুই আছিলা। আমাৰ গালৈ পানীৰ ছিটিকনিও পৰিছিল তোমাক আমি কৈছিলো অলপ লাহে লাহে ধুৱা বুলি। তুমি নিজেই জোপোহা বিলাকৰ ওপৰত শুকুৱাই গৈছিলা। এতিয়া ভাং খাই আহিলা নেকি ?'' ৰামো কান্দিব ধৰিলে আৰু সকলো কাপোৰ বাল্টিত ভৰাই লৈ আশ্ৰমলৈ গ'ল। আশ্ৰমত কোনোবা স্বেচ্ছাসেৱকে ৰামোক আশ্ৰমৰ বাহিৰত বহি বহু সময়লৈকে সৎসঙ্গ শুনি থকা দেখিছিল। তেওঁ গুৰুদেৱক কৈছিল যে আজি তেখেতৰ কাপোৰ নুশুকাব কাৰণ সৎসঙ্গ শেষ হোৱালৈকে ৰামো বাহিৰৰ বেৰত কান দি সৎসঙ্গ শুনি আছিল। কাপোৰ ধুবলৈ এতিয়াহে গৈছে। এই সময়ত ৰামো আশ্ৰমৰ ভিতৰত সোমাল আৰু গুৰুদেৱৰ ওচৰত কাপোৰ থৈ উচুপি উচুপি কান্দিব ধৰিলে। সন্তজনে কাপোৰ হাতেৰে চুই দেখিলে যে কাপোৰ সম্পূৰ্ণৰূপে শুকান আছিল। ৰামোক কন্দাৰ কাৰণ সোধাত ক'লে ''গুৰুদেৱ আপুনি দুখত নিজে কাপোৰ ধুইছে। মই ভূল কৰিলোঁ। মই ভাবিছিলোঁ যে কিছুসময় সৎসঙ্গ শুনি কাপোৰ ধুম। কিন্তু পাহৰি গলোঁ। গুৰুদেৱে ক'লে যে পৰমাত্মা কবীৰদেৱ ৰামোৰ বেশত আহি কাপোৰ ধুই গ'ল।

*জ্যোঁ বচ্ছা গউ কী নজৰ মে, য়ুঁ সাঁই কো সন্ত।*

*ভক্তোঁ কে পীছে ফিৰে ভক্ত বৎসল ভগৱন্ত।।*

**শব্দাৰ্থ ঃ-** গাইগৰুৱে নিজৰ পোৱালিৰ ওপৰত একেৰাহে চকু দি থাকে যাতে কোনো পশু-পক্ষী বা মানুহে পোৱালিটোক কষ্ট দিব নোৱাৰে, এইদৰে পৰমেশ্বৰেও নিজৰ ভকত/ভকতনীৰ ওপৰত চোকা দৃষ্টি ৰাখে। পোৱালিটো দৌৰি আনফালে গ'লে গৰুজনীও সুৰক্ষাৰ বাবে পিছে পিছে লৰ মাৰে। এইদৰেই ভক্তবৎসল পৰমেশ্বৰ ভক্তৰ পিছে পিছে ফুৰে। তেওঁলোকক সুৰক্ষা প্ৰদান কৰিবলৈ সদায় লগত থাকে।

পৰমাত্মাই অব্ৰাহিম চুলতান অধমক নৰকৰ পৰা উদ্ধাৰ কৰাৰ বাবে বান্দীৰ ৰূপ ধৰি শৰীৰত চাবুকৰ কোব সহ্য কৰিছিল। সন্তজনে ৰামোক ক'লে, "পুত্ৰী দুখ নকৰিবা, তোমাৰ উদ্দেশ্য বেয়া নাছিল। পৰমাত্মা কেৱল, সঁচা মনোযোগ আৰু আন্তৰিকতাৰ পিপাসু। ৰামো শান্ত হল সৎসঙ্গৰ দ্বাৰা ৰামো পৰমাত্মাৰ ভক্তিত লীন হ'ল। মোক্ষও লাভ কৰিলে।

*কবীৰ সৎগুৰু শৰণ মে আনে সে, আই টলে বলা।*
*জে ভাগ্য মে' শূলী লিখি হৌ, কাঁটে মে' টল যায়।।*

ভাৱাৰ্থ ঃ- সমৰ্থ কবীৰ পৰমেশ্বৰৰ কৃপাপাত্ৰ সদ্‌গুৰুৰপৰা দীক্ষা লোৱা ভকত/ভকতনীৰ ৰক্ষা পৰমেশ্বৰে কৰে। পূৰ্ব জন্মৰ পাপৰ কাৰণে সাধকৰ ভাগ্যত শূলত দিয়া মৃত্যু যি অত্যধিক দুখপূৰ্ণ হয়) থাকিলেও পৰমেশ্বৰে কিছু সৰু-সুৰা শাস্তি (যেনে-কাঁইটে বিন্ধা) দি সেই সাধকক তেনে মৃত্যুৰ পৰা ৰক্ষা কৰে। ভয়াবহ শাস্তিক নামমাত্ৰ শাস্তিলৈ সলনি কৰি পৰমেশ্বৰে সাধকক ৰক্ষা কৰে।

* **চোৰ কেতিয়াও ধনী নহয়** -

কবীৰ পৰমেশ্বৰ নিজৰ বিধান অনুসৰি নগৰ এখনৰ বাহিৰত হাবিত আশ্ৰম সাজি বহিছিল। কিছুদিন আশ্ৰমত থাকি সৎসঙ্গ কৰিছিল। আকৌ ভ্ৰমণ কৰিবলৈ ওলাইছিল। তেওঁৰ এজন জাট কৃষক শিষ্য আছিল, শিষ্য হোৱা মাত্ৰ কিছু মাহ হৈছিল, কৃষক ধনহীন আছিল। তাৰ লগত এটা গৰু আছিল, সেই গৰুৰেই অন্য কৃষকৰ লগত মিলিজুলি খেতি কৰিছিল। দুই দিন আনৰ গৰু আনি দুটা গৰুৱে হাল মাৰিছিল। আকৌ অন্য দুদিন বেলেগ কৃষকে তাৰ গৰু লৈ জোৰা লগাই হাল মাৰিছিল। কৃষক জনে নিজৰ খেতি ঘৰৰ চোতালত গৰু বান্ধিছিল। এদিন ৰাতি চোৰে সেই কৃষকৰ গৰু চুৰ কৰিলে। গৰু চুৰি হোৱা গম পাই ৰাতিপূৱা কৃষক আশ্ৰমলৈ গ'ল। গুৰুদেৱক নিজৰ দুখৰ কথা ক'লে। গুৰুদেৱে ক'লে, "পুত্ৰ পৰমাত্মাৰ ওপৰত বিশ্বাস ৰাখিবা। দান, ধৰ্ম, ভক্তি কৰি থাকিবা। আপোনাক পৰমাত্মাই দুটা গৰু দিব। যি জনে চুৰি কৰি লৈ গল সি পাপৰ ভাগী হ'ব। পৰমেশ্বৰৰ দয়াত ভাল বৰষুণ হ'ল। কৃষক ভক্তৰ শস্য চাৰিগুণ হ'ল। ভক্ত কৃষকে দুটা গৰু কিনিলে আৰু ভালদৰে খুৱালে, ষাঁড় গৰুৰ দৰে শকত হ'ল। গাঁৱত তাৰ গৰু দুটাৰ বিষয়ে চৰ্চা আৰম্ভ হ'ল, এবছৰ পিছত সেই চুৰটো সেই গাঁৱলৈ চুৰি কৰিবলৈ আহিল। কতো সুবিধা নাপালে, সি ভাবিলে যিঘৰৰ পৰা যোৱাবাৰ গৰু চোৰ কৰিছিলোঁ তাত গৈ চাওঁ কিজানি কোনো গৰু আকৌ আনি থৈছে। গৈ দেখিলে ষাঁড় গৰুৰ দৰে দুটাকৈ গৰু বন্ধা আছে, চোৰে দুয়োটা লৈ গ'ল। কৃষকে সাৰ পাই দেখিলে যে গৰু দুটা চুৰি হৈ গ'ল। গুৰুদেৱক কওঁতে তেখেতে ক'লে, পুত্ৰ তোৰ ঘৰত ভগৱানে চাৰিটা গৰু আনি দিব।

চোৰ কেতিয়াও ধনী হ'ব নোৱাৰে। অকল পাপ হে সংগ্ৰহ কৰি আছে। পৰমাত্মাৰ ইচ্ছা, গুৰুদেৱৰ আশীৰ্বাদত বৰষুণ এনেদৰে হ'ল যে কৃষকৰ খেতি ভাল হ'ল, খুব শস্য চপালে। মাটিও যথেষ্ট আছিল। দুটা গৰু কিনি ল'লে, দুটা ধাৰত ল'লে। এজন হালোৱা ৰাখিলে। এবছৰত সম্পূৰ্ণ ঋণ পৰিশোধ কৰিলে। গৰু চাৰিটা নিজৰ হ'ল। চাৰিওটা ষাঁড়ৰ দৰে শকত আৱত। পকী ঘৰো সাজিলে। চোৰ দুবছৰৰ পিছত সেই ফালে গ'ল আৰু প্ৰথমতে সেই কৃষকৰ অৱস্থাৰ বুজ ল'লে। চোৰে দেখিলে যে ষাঁড়ৰ দৰে চাৰিটাকৈ গৰু বহি আছে, ইফালে চোৰৰ লগত দুদিনৰ বাবেহে আটা বাকী আছিল। বৰ নিৰ্ধন হৈ গৈছিল। চোৰে ৰাতি কৃষকক টোপনিৰ পৰা জগালে। কৃষকে সুধিলে, আপুনি কোন ? চোৰে ক'লে যে সিয়ে তাৰ তিনিটা গৰু চোৰ কৰিছিল। কৃষকে ক'লে, ভাই মোৰ টোপনি নাভাঙিবি, তই নিজৰ কাম কৰ। পৰমাত্মাই নিজৰ কাম কৰি আছে। মোক শুৱলৈ দে। চোৰে ভৰিত ধৰি কলে, "হে দেৱতা মই আৰু চোৰ কৰিব নোৱাৰোঁ। এটা কথা কৈ দিয়ক, আপোনাৰ চোৰ আপোনাৰ সন্মুখত থিয় হৈ আছে। আপুনি মোক ধৰাও নাই, আপোনাৰ গৰু এটা মই চুৰ কৰি লৈ যোৱাৰ এবছৰ পিছতে ঘৰত ষাঁড়ৰ গৰু দুটা বন্ধা আছিল, সেই দুটাও লৈ গলোঁ। আজি দুবছৰ পিছত আপোনাৰ চোতালত ষাঁড়ৰ গৰু চাৰিটা বহি আছে। মোৰ হ'লে সৰ্বনাশ হৈ গৈছে, ল'ৰা ছোৱালীও ভোকত থাকে মোক মাৰিবও পাৰে এৰিবও পাৰে, কিন্তু আপোনাৰ উন্নতিৰ কাৰণ মোক কৈ দিয়ক। ময়ো জাট কৃষক হওঁ, মাটিও আছে, অথচ ধনহীন হৈ পৰিছোঁ। ভক্ত কৃষকে তাক ক'লে, আপুনি গা-পা ধুই ভোজন কৰি লওক, চোৰে গা ধুলে, আহাৰ ল'লে। আকৌ ভক্ত জনে চোৰক আশ্ৰমলৈ লৈ গ'ল, গুৰুদেৱক সকলো কথা ক'লে গুৰুদেৱে চোৰক বুজনি দিলে। সাত-আঠ দিন ভক্ত কৃষকে নিজৰ ঘৰত ৰাখি প্ৰতিদিন গুৰুদেৱৰ তালৈ লৈ গৈ সৎসঙ্গ শুনালে। চোৰে দীক্ষা ল'লে, গুৰুদেৱে ক'লে, ভক্ত পুত্ৰ নতুন ভক্তক এটা গৰু ধাৰলৈ দিবা। খেতি কৰিব। তোমাৰ টকা ঘূৰাই দিব। ভক্তই ক'লে, হ'ব গুৰুদেৱ। ভক্ত কৃষকে নতুন ভক্তক গৰু এটা দিলে। নতুন ভক্ত প্ৰতিমাহে সৎসঙ্গলৈ আহিছিল। সম্পূৰ্ণ পৰিয়ালক নাম দিয়ালে। দুবছৰত বিত্তীয় পৰিস্থিতি ভাললৈ আহিল। এটা গৰু লগতে চুৰি কৰা তিনিটা গৰুৰ দাম লৈ চোৰ ভক্তই কৃষকৰ ঘৰলৈ গ'ল। তেওঁ ল'ৰা-ছোৱালীকো লগত লৈ গৈছিল। চোৰ ভক্তই কৃষক ভক্তক সকলো টকা দি তেওঁক ক্ষমা কৰি দিবলৈ ক'লে। আপোনাৰ উপকাৰৰ ধাৰ মোৰ সাত প্ৰজন্ময়ো পৰিশোধ কৰিব নোৱাৰিব। পুৰণা কৃষক ভক্তই ক'লে, ভাই এই সকলোবোৰ গুৰুদেৱক কৃপাৰ প্ৰসাদ। তেওঁৰ বচন সাৰ্থক হৈছে। আপুনি এই টকা গুৰুদেৱক দান হিচাপে দিয়ক। মোৰ গুৰুদেৱে প্ৰথমতে বহুগুণে গৰু পুঁজি হিচাপে দি থৈছে। এই টকা মোৰ কামৰ নহয়। দুয়োজন ভক্ত গুৰুদেৱৰ ওচৰলৈ গ'ল। সকলো দানৰ টকা গুৰু চৰণত অৰ্পন কৰিলে। গুৰু দেৱে ভোজনৰ আৰু সৎসঙ্গৰ বাবে খৰছ কৰিলে। এইদৰে চোৰৰ ধন লোপ পাই গৈ থাকে। ভক্তৰ অৱস্থা নদন-বদন হয়।

*      সংস্কাৰ সংক্ৰামক ৰোগৰ নিচিনাকৈ বিয়পি পৰে ঃ

ভাল আৰু বেয়া সংস্কাৰ সংক্ৰামক ৰোগৰ দৰে বিয়পি পৰে। ভক্তৰ হাতৰ দ্বাৰা সিঁচা বীজত ভক্তি সংস্কাৰ প্ৰৱেশ কৰে, যি সেই অন্ন খায়, তেওঁৰ আত্মাত ভক্তিৰ প্ৰেৰণা সঞ্চাৰিত

হয়।

যদি কোনো নিচা খাই বা অন্য কোনো প্ৰকাৰৰ কুচিন্তা কৰি কোনো খেতিয়কে বীজ সিঁচে, সেই বীজত সেই চিন্তা বা মনোভাৱ প্ৰৱেশ কৰে। যি ব্যক্তিয়ে সেই অন্ন খায় তেওঁ তাৰ দ্বাৰা প্ৰভাৱিত হয়।

উদাহৰণ ঃ- এজনী ভনীয়ে গুৰুদীক্ষা লৈ থৈছিল। তেওঁৰ ঘৰলৈ গুৰুদেৱ আহিল, লগত এজন শিষ্যও আছিল। ভণীজনীৰ অন্য ভণী এজনীও কিবা কামত সেইদিনাই আহিল।

তেওঁৰ জোৱাঁইৰ মৃত্যু হৈছিল। ছোৱালী জনীৰ সৰু সন্তান আছিল। তাই বহুত চিন্তাগ্ৰস্ত আছিল। বাৰে বাৰে ভাবিছিল জীয়েকৰ জীৱন নিৰ্বাহ কেনেকৈ হব ? ছোৱালীজনীৰ সৰ্বনাশ হৈছে। দেউৰ-জেঠাল কোনো নিজৰ নহয়। সন্তানক কোনে পোহপাল দিব ? হে ভগৱান এয়া কি হৈ গ'ল, কোন জন্মৰ পাপৰ ফলত এনে দশা হল ? ভক্ত জনীয়ে ভোজন তৈয়াৰ কৰিব ধৰাত তাইৰ ভনীয়েকেও সহায় কৰিলে। বেছিভাগ ভোজন সেইজনী ভনীয়ে ৰান্ধিলে যি জনীৰ জোৱাঁই ঢুকাইছে, সন্ত ভক্ত আহাৰ খাই শুলে। ৰাতিপুৱা ভক্তই গুৰুদেৱক ক'লে, যে সেই ৰাতি টোপনিৰ সময়ত মন বৰ দুখী আছিল, যেন জোঁৱাই ঢুকাইছে, জীয়েকৰ সৰু সৰু সন্তান আছে। সন্তানৰ চিন্তাই বৰকৈ আমনি দি আছিল ইহঁতৰ কি হ'ব ? কেনেকৈ নিৰ্বাহ হ'ব ? গুৰুদেৱে নিজৰ শিষ্যক সুধিলে, "পুত্ৰী ৰাতিৰ ভোজন কোনে ৰান্ধিছিল। তেওঁ উত্তৰ দিলে যে সৰু ভনীয়েক আহিছিল, তেওঁয়ে ৰান্ধিছিল। সন্তজনে সুধিলে তাইৰ কিবা কষ্ট হৈ আছে নেকি? শিষ্যই উত্তৰ দিলে, "গুৰুদেৱ কষ্ট হ'লে বহুত বেছি আছে। জীয়েকৰ সৰু সন্তান আছে। জোঁৱাইয়েকৰ মৃত্যু হৈছে। গোটেই দিন মোৰ ভনী সেই চিন্তাত থাকে। দিনত বাৰে বাৰে কৈ থাকে জীয়েকৰ কি হ'ব ? সন্তানক কেনেকৈ ডাঙৰ-দীঘল কৰিব।

গুৰুদেৱে ক'লে যে সেই পুত্ৰীৰ ভাৱ ভোজনত সোমাল আৰু খাওঁতাক প্ৰভাৱিত কৰিলে। তেওঁৰো গোটেই ৰাতি সেই চিন্তা, কষ্ট হৈছিল। এইদৰেই যদি নাম স্মৰণ কৰি বা আৰতি গুন গুণাই অথবা সাধু-সন্তৰ বাণী মন্থন কৰি ভোজন ৰন্ধা হয়, খাওঁতাৰ ভিতৰলৈ সেই সু-সংস্কাৰ প্ৰৱেশ কৰি প্ৰেৰণা যোগায়, ভক্তিৰ প্ৰতি ৰুচি ভাঢ়ে। কোনো খেতিয়কে গীত-ৰাগিনী গাই-গাই বীজ সিঁচে বা ৰান্ধনিয়ে গান-ৰাগিনী গাই আহাৰ ৰান্ধে তেন্তে সেই বীজত বা আহাৰত সেই সংস্কাৰ প্ৰৱেশ কৰে। সেই আহাৰ খোৱাজনৰ স্বভাৱত প্ৰভাৱিত হৈ তেনেধৰণেই অযথা অশ্লীল গীত মাত বা নাচ-গান আদি কৰিব ধৰে যাৰ পৰিনাম বৰ্তমানত (১৯৯৭ চনৰ আগে পিছে) দেখা গৈ আছে। ভাল কামত কম আৰু বেয়া কামত বেছি সংখ্যক মানুহ লাগি আছে।

যদি সাধু-সন্তৰ বাণী-পাঠ আৰতি স্মৰণ কৰা লোকৰ সংখ্যা অধিক হয়, পৰিৱেশ ভক্তিময় হৈ পৰিব। প্ৰত্যেক ব্যক্তিৰ মনত ভকতৰ ভাৱ জাগ্ৰত হ'ব। সেই পৰিৱেশ আনিবলৈ ঘৰে ঘৰে আৰতি, স্ততি গীত, আৰু নিত্য, পূজা অৰ্চনা হ'ব লাগে। গুৰুদেৱৰ পৰা দীক্ষা লৈ নাম স্মৰণ কৰিব লাগিব যাতে পৰিৱেশত ভক্তি ভাৱৰ তত্ব অধিক ভৰি পৰিব আৰু বেয়া ধৰণৰ চিন্তা-ভাৱনা নাইকিয়া হৈ যাব। ভক্তি সংস্কাৰ অক্সিজেনৰ দৰে আৰু বেয়া চিন্তা-ভাৱনা কাৰ্বন-ডাই-অক্সাইডৰ দৰে বুলি বুজি পাব লাগিব। অক্সিজেন ৰূপী ভক্তি সংস্কাৰৰ চিলিগুাৰ সমূহ খুলি যাব লাগিব অৰ্থাৎ সৎগ্ৰন্থ চাহিব, ধৰ্মপুথি সমূহৰ পঠন-পাঠন বাৰে বাৰে কৰিব

লাগিব। আৰু ত্ৰিসন্ধ্যা (তিনিও সময়ৰ নিত্য কৰ্ম) কৰিব লাগিব। নাম স্মৰণ কৰিব লাগিব। ভক্তি কৰা সকলৰ সংখ্যা বাঢ়িলে ভক্তিভাৱ ধাৰাও পৃথিৱীত বেছি বিস্তাৰিত হ'ব যাৰ ফলত প্ৰত্যেকৰ মনত শান্তিৰ আভাস হ'ব। সৎসঙ্গ কৰিবলৈ কাৰোবাৰ ঘৰলৈ গ'লে প্ৰথম দিনা মোৰ নিজৰ মন অশান্ত হৈ গৈছিল। যেতিয়া প্ৰত্যেক ভক্তই নিজৰ নিজৰ স্তুতি গীত (ৰমৈণী) ৰাতিপুৱাৰ নিত্যনিয়ম, সন্ধিয়াৰ আৰতি আৰু নামস্মৰণ কৰে, আকৌ সৎসঙ্গ শুনে, তেতিয়া সেই ঘৰৰ পৰা বেয়া ভাৱ (কু-সংস্কাৰ) ওলাই যায়। ভাল সংস্কাৰৰ মাত্ৰ বাঢ়ি যোৱাৰ লগে-লগে মন শান্ত হৈ পৰে। যেতিয়া আমি সৎসঙ্গ বা পাঠ কৰি বেলেগে গাঁৱলৈ যাবলৈ ধৰোঁ তেতিয়া সম্পূৰ্ণ পৰিয়াল কান্দবলৈ ধৰিছিল। তেওঁলোকে সন্ত আৰু ভক্তৰ সমাগমত বৰ শান্তি অনুভৱ কৰিছিল। সেই সংস্কাৰ প্ৰভাৱ কেইমাহ ধৰি চলিছিল। যদি নাম দীক্ষা লৈ প্ৰতিদিনৰ ত্ৰিসন্ধ্যা আৰু নামস্মৰণ পৰিয়ালৰ লোক সকলে কৰিবলৈ লয় তেতিয়া শান্তি চিৰকালৰ বাবে বৰ্তি থাকিব।

বিড়ী-হোঁকাত চাদা ভৰাই খোৱাজনে যদি বীজ সিঁচে তেতিয়া সেই শস্যত চাদাৰ সূক্ষ্মতত্ব প্ৰৱেশ কৰে। সেই শস্য খোৱা জনো চাদা খোৱাৰ বাবে প্ৰেৰিত হৈ যায়। সেই কাৰণে যুৱক-যুৱতীৰ মাজত নিচা সেৱন তীব্ৰ গতিত বাঢ়িব ধৰিছে। সৰু থকালৈকে মা-দেউতা, খুড়া, মামা আদিৰ ভয়ত চাদা সেৱন নকৰে, কিন্তু বয়স হোৱাৰ লগে লগে সংস্কাৰ প্ৰৱল হৈ যায় আৰু শীঘ্ৰে নিচা সেৱনৰ অভ্যাস গঢ় লৈ উঠে। মোৰ উদ্দেশ্য হল মানৱ সমাজৰ পৰা নিচা তথা অন্য সকলো বেয়া কৰ্ম শিপাৰে সৈতে উভালি পৃথিৱীত স্বৰ্গ ৰচনা কৰা হওক। পৰমাত্মা কবীৰদেৱে কোৱা কথা বাস্তৱত পৰিণত হোৱা বিচাৰোঁ। তেওঁৰ প্ৰেৰণা আৰু শক্তিৰ দ্বাৰাই এই মহৎ কাৰ্য সম্ভৱ হ'ব পাৰে। এই দাস আৰু মোৰ সমৰ্থকে আন্তৰিকতাৰে এই উদ্দেশ্যৰ সফলতাৰ বাবে চেষ্টা চলাই আছে। সফল হোৱাৰ সম্পূৰ্ণ আশা আছে।

*** সংসাৰৰ সমস্যাৰ মাজতে ভক্তি কৰিব লাগিব ঃ**

এজন আৰক্ষী বিষয়া ঘোঁৰাত উঠি কোনো কামৰ বাবে নিজৰ এলেকালৈ গৈ আছিল সময় জেঠ মাহ, দিনৰ এটা বজাৰ গৰম হাৰিয়ানা ৰাজ্য। এজন কৃষকে পুলি (চকৰি) লগোৱা কুঁৱাৰ দ্বাৰা শস্য ক্ষেত্ৰত পানী দি আছিল। গৰুৰ দ্বাৰা তেলৰ ঘানীৰ দৰে চকৰি লগোৱা কুঁৱাৰ পৰা পানী টনা হৈছিল। বাল্টিৰ ৰছী চকৰিৰ ওপৰেৰে গৈছিল যাৰ দ্বাৰা কুঁৱাৰ পানী ওলাই গৈ পথাৰলৈ যোৱা নলাত পৰিছিল। চকৰি ঘূৰোঁতে জোৰেৰে চিঁ-চিঁ কৰি শব্দ হৈ আছিল। দাৰোগা আৰু ঘোঁৰা দুয়ো পিয়াহত আকুল হৈ পৰিছিল। বিষয়াজনে নিজে পানী খাবৰ বাবে আৰু ঘোঁৰাকো খুৱাবৰ বাবে কুঁৱাৰ ফালে প্ৰস্থান কৰিলে। চকৰিৰ পৰা জোৰেৰে হোৱা চিঁ-চিঁ শব্দ শুনি ঘোঁৰা ভয়তে দূৰলৈ গ'ল। দাৰোগাই কৃষকক সেই শব্দ বন্ধ কৰিবলৈ ক'লে। কৃষকে গৰুহালক থিয় কৰালে। চকৰি ঘূৰা বন্ধ হ'ল, কুঁৱাৰ পৰা পানী ওলোৱাও বন্ধ হ'ল, আগতে ওলোৱা পানী মাটিয়ে শুহি ল'লে। দাৰোগাই ঘোঁৰাক ওচৰলৈ আনি দেখিলে যে নলাত পানী নাই, দাৰোগাই কৃষকক পানী উলিয়াবলৈ ক'লে। কৃষকে গৰুহালক যাব দিলে, চকৰিৰ পৰা চিঁ-চিঁ শব্দ আৰু পানী দুয়ো ওলাব ধৰিলে। ঘোঁৰা আকৌ দূৰলৈ গ'ল। ২০০ ফুট দূৰৈত গৈ থিয় হ'ল। দাৰোগা ঘোঁৰাৰ ওপৰতে আছিল। দাৰোগাই আকৌ কৃষকক হুলস্থুল বন্ধ কৰিবলৈ

ক’লে। কৃষকে গৰুহাল থিয় কৰালে। পানী নলাৰ পৰা গৈ থাকোঁতেই শুকাই গ’ল। ঘোঁৰাক ওচৰলৈ আনিলে, পানী নথকাত আকৌ পানী ওলাবলৈ ক’লে। চকৰি ঘূৰোতেই ঘোঁৰা দৌৰি পলাল। কৃষকে ক’লে, যে এই চকৰিৰ চিঁ-চিঁ শব্দৰ মাজতেই পানী খাব লাগিব, নহ’লে দুয়ো মৰিব। দাৰোগা ঘোঁৰাৰ পৰা নামিল, লেকামত ধৰি লাহে লাহে ঘোঁৰাক পানীৰ ওচৰলৈ আনিলে, চকৰি ঘূৰি থকাৰ মাজতে দুয়ো পানী খালে আৰু জীৱন ৰক্ষা কৰিলে। গতিকে সাংসাৰিক কাৰ্য্য কৰি থকাৰ মাজতেই ভক্তি, দান-ধৰ্ম, স্মৰণ কৰিব লাগিব। অৱশ্যে কৰক।

* এতিয়া ভক্তি কৰিলে কি হ’ব ? আয়ু অলপ হে বাকী আছে ঃ

জিন্দ জিলা গাঁও মনোৰপুৰৰ ভক্ত ৰামকুমাৰৰ ঘৰত তিনি দিনৰ পাঠ আৰু সৎসঙ্গ হৈ আছিল। গাঁৱত পুৰুষ সকলে সৎসঙ্গক পাষণ্ডৰ কাম বুলি ধৰি লৈছিল কাৰণ আগৰ দিনত সৎসঙ্গৰ আয়োজন বৃদ্ধা সকলে কৰিছিল। ৰাতি সৎসঙ্গ কৰিছিল, দিনত বোৱাৰী, ভাই-ভতিজা সকলক গালি পাৰি অভিশাপ দিছিল। কিছুমান বৃদ্ধাই লোকৰ গোহালিৰ পৰা জলাবলৈ শুকান কৰি ৰখা গোবৰ চুৰি কৰিছিল, ধৰা পৰিলে বদনাম হৈছিল। এই ধৰণৰ ঘটনাৰ বাবেই সৎসঙ্গৰ নাম শুনিলেই মানুহৰ এলাৰ্জি হৈছিল। ভক্ত ৰামকুমাৰৰ সম্পূৰ্ণ পৰিয়ালে দীক্ষা লৈছিল। তেওঁ জানিছিল এই সৎসঙ্গ বেলেগ ধৰণৰ হয়। যেতিয়া ৰাম কুমাৰৰ দেউতাই গম পালে যে বৰদেউতাই ঘৰত সৎসঙ্গৰ আয়োজন কৰিছে, তেতিয়া তেওঁ সন্মানৰ হানি কৰা বুলি ভাবিলে। মনতে ভাবিলে গাওঁখনে কি ক’ব ? সেই কাৰণে বুঢ়াজন তিনিদিনলৈকে নিজৰ ডাঙৰ লৰাৰ ঘৰলৈ নগ’ল। সৰুজন লৰাৰ ঘৰতে থাকিল। দিনত পথাৰলৈ গুচি যায়, ৰাতি হোক্কা খাই দুখ কৰে যে এয়া কেনে দিন তেওঁ দেখিবলৈ পাইছে।

ৰাতি দাসে (লেখক) সৎসঙ্গ কৰিলে। লাউড স্পীকাৰৰ ব্যৱস্থা কৰা হৈছিল। ৰাম কুমাৰৰ ল’ৰাই গম পাইছিল ককা দেউতা ক’ত থাকে। তেওঁ এটা স্পীকাৰৰ মুখ ককাদেউতা থকা ঘৰৰ ফালে ঘূৰাই দিলে। সৎসঙ্গৰ কথা শুনা বুঢ়াজনৰ বাবে বাধ্যবাধকতা হৈ পৰিল। দুই দিন সৎসঙ্গ শুনি বুঢ়ামানুহজন তৃতীয় দিনা পাঠৰ ভোগ লগোৱাৰ পিছত ৰাম কুমাৰৰ দেউতা মোৰ (গুৰুদেৱৰ) ওচৰত বহিল আৰু ক’বলৈ ধৰিলে যে তেওঁ এই সৎসঙ্গৰ প্ৰতি বৰ খং কৰিছিল। দুই দিন আপোনাৰ কথা শুনিলোঁ, আপোনাৰ কথাই মোক জোকাৰি গ’ল। মই মনুষ্য জীৱনৰ সৰ্বনাশ কৰি পেলালোঁ। মই আঠ একৰ মাটি আকৌ কিনি ললোঁ, দুয়োজন লৰাক ডাঙৰ দীঘল কৰিলোঁ। দিনে নিশাই খেতিৰ কামত ব্যস্ত হলো। আপোনাৰ চিন্তাধাৰাৰ পৰা গম পালোঁ যে মই জীৱনৰ নাশ কৰি পেলালোঁ। এতিয়া ৭৫ বছৰ বয়সৰ হলো। এতিয়া ভক্তি কৰি কি পাম ? এনেদৰে কৈ বুঢ়াজন কান্দিব ধৰিলে। হিঁকটি আহিল। মই (লেখক) তেওঁক বুজনি দি কলো যে এতিয়াও একো বেয়া হোৱা নাই। এটা উদাহৰণ গুৰুদেৱৰ পৰা এই দাসে (সন্ত ৰামপাল দাস) শুনিছিল। কলোঁ যে কুঁৱাত বাল্টি পৰি গ’ল আৰু তাৰ ৰছীও কুঁৱাৰ ভিতৰলৈ গৈ আছে, তথাপি দৌৰি গৈ ৰছী ধৰিবৰ চেষ্টা কৰোতে ৰছীৰ শেষভাগ হাতত আহিলে, একো হোৱা নাই ঃ বাল্টিও পালে আৰু পানীও পালে। যদি ভাৱে বাল্টি কুঁৱাত পৰিল, পৰি থাকক এয়া মূৰ্খতা হয়। এইদৰে আপোনাৰ (বুঢ়াজন) আয়ু ৰূপী ৰছীৰ শেষভাগ এতিয়াও বাকী আছে। এতিয়া দীক্ষালৈ, সকলো নিচা এৰি নীতি নিয়মত থাকি সাধনা কৰিলে মোক্ষ লাভ

হ'ব। তেতিয়াই সেই ভকত আত্মাই দীক্ষা ললে আৰু সম্পূৰ্ণ একাগ্ৰতাৰে ভক্তি কৰিলে, তেওঁ ৮৫ বছৰ বয়সত শৰীৰ ত্যাগ কৰি গ'ল। জীৱন সফল কৰিলে। তেওঁ হোঁক্কা টানিছিল। দীক্ষালোৱাৰ দিনাই এৰিলে আৰু জীৱন পৰ্যন্ত হোঁকাত হাত নলগালে। ৰামকুমাৰৰ সৰু ভাইৰ পৰিয়ালেও নাম ল'লে। বৃদ্ধ ভক্ত তেওঁক নিজৰ লগত লৈ সৎসঙ্গলৈ আহিছিল। ভক্তি কৰিবলৈ কৈছিল। মনোৰপুৰ গাঁৱৰ লোকে আচৰিত মানিছিল যে ইমান হোঁক্কা খোৱাজনে কেনেকৈ এৰিব পাৰিলে। হোঁক্কা খোৱা সকলৰ লগতো উঠা বহা নকৰে।

এৰৈ চোট সিধাৰিয়া জিন মিলন দা চাহ।

হাৰিয়ানী ফকৰা আছে যে - ঘাম কা ঔৰ জ্ঞান কা চমকা সা লাগ্যা কৰে। ভাৱাৰ্থ এই যে ভাদ মাহত ৰদৰ তাপ বেছি হয়। পথাৰত কাম কৰা সকলক ৰদে আধা মৰা কৰে। অৰ্থাৎ ৰদে শৰীৰৰ হানি কৰে, শৰীৰত গৰম বেছি হৈ জ্বৰ হয়। সেই ব্যক্তিয়ে বৈদ্যক কৈছিল যে কেতিয়া ৰদে আধা মৰা কৰিলে গমেই নেপালে। বৈদ্যই কৈছিল যে ৰদৰ প্ৰভাৱ কেতিয়া পৰে ক'ব নোৱাৰি। এইদৰেই যাক জ্ঞানৰ প্ৰভাৱ পৰিব লগা আছে, এক দুই বিন্দুতে জ্ঞান হৈ যায়। ভক্তি কৰিবলৈ আৰম্ভ কৰে।

***  চৌধুৰী জীতা জাটৰ জ্ঞান হ'ল ঃ**

চৌধুৰী জীতা জাটে জ্ঞান পালে। প্ৰায় দুশ পয়সত্তৰ বছৰ আগৰ কথা। উত্তৰ প্ৰদেশৰ বাগপত জিলাৰ খেখড়া গাঁৱত জীতা ৰাম জাট নামৰ মানুহ এজন আছিল। নশ বিঘা মাটি আছিল। গাঁৱৰ নম্বৰদাৰ (ব্ৰিটিছৰ দিনৰ পদবী) আছিল। সকলোতকৈ ধনী আৰু পঞ্চায়তৰ লোক আছিল। সত্যৰ পক্ষত কথা কৈছিল। মিছাক মহত্ব নিদিছিল। সেই গাঁৱত (খেখড়া) ঘিচা দাস সন্তই সেই সময়ত সৎসঙ্গ কৰিছিল। তেওঁ চমাৰ জাতিৰ আছিল। তেতিয়া অস্পৃশ্যতা তুঙ্গত আছিল। সন্ত ঘিচা দাসক পৰমেশ্বৰ কবীৰদেৱে প্ৰায় সাত-আঠ বছৰ বয়সত হাবিত লগ ধৰিছিল। তেওঁক যথাৰ্থ জ্ঞান আৰু দীক্ষা দি অন্তৰ্দ্ধান হৈছিল। ডাঙৰ হৈ শ্ৰীঘিচা দাস দেৱে সৎসঙ্গ কৰিব ধৰিলে। ওচৰ পাজৰৰ ব্যক্তি সকল সৎসঙ্গ শুনি দীক্ষা লৈ সংকট মুক্ত হ'ব ধৰিলে। দিনত নিজৰ জীৱন ধাৰণৰ বাবে কাম কৰিছিল, আৰু ৰাতি সৎসঙ্গ শুনিছিল। মাহত দুদিন সৎসঙ্গ কৰিছিল, ৰাতিৰ সৎসঙ্গত পুৰুষ তিৰোতা দুয়ো গৈছিল, গাঁৱত চৰ্চা হ'ল যে ৰাতি তিৰোতা সকল সৎসঙ্গলৈ যোৱা কথাটো উচিত নহয়। কোনো অপ্ৰিয় ঘটনা ঘটিব পাৰে, গতিকে সৎসঙ্গ বন্ধ কৰি দিব লাগে। খেখড়া গাঁৱত পঞ্চায়ত বহিল, পঞ্চায়তত সৎসঙ্গ বন্ধ কৰাৰ নিৰ্ণয় লোৱা হ'ল আৰু এই বাৰ্ত্তা পঞ্চায়ত প্ৰমুখ চৌধুৰী জীতা ৰামক কোৱা হ'ল। চৌধুৰী জীতা ৰাম সন্ত ঘিচাৰাম দাসৰ ঘৰলৈ গ'ল, সেই দিনা সৎসঙ্গ হৈ আছিল। গাঁৱৰ পঞ্চায়তৰ সিদ্ধান্তৰ কথা গোটেই গাঁৱত বিয়পি পৰিছিল। যেতিয়া চৌধুৰী জীতাৰাম গৈ পালে সৎসঙ্গৰ শ্ৰোতা সকলে ভাবিলে যে চৌধুৰী চাহাব জাট সমাজৰ মানুহ, সন্তৰ লগত কাজিয়া কৰিব। জীতাৰাম ঘৰৰ পৰা লাঠী লৈ ওলাইছিল আৰু ৰাস্তাত এটা গছত লাঠীটো থিয়কৈ থৈ আগবাঢ়িছিল। ভাবিলে ভক্তই কাজিয়া নকৰে, ভাল সমাগমত লাঠী লৈ যোৱাটো পঞ্চায়তৰ মানুহৰ বাবে অশোভনীয়। সৎসঙ্গ হৈ আছিল, চৌধুৰী চাহাবে চিন্তা কৰিলে অলপ মান এওঁৰ প্ৰবচন শুনো। পিছত নিজৰ কথাটো কম, সৎসঙ্গত সেই জ্ঞানৰ বিষয়ে কোৱা হ'ল যিটো

আপোনালোকে হৰলাল প্ৰকৰণত পঢ়ি আহিছে। চৌধুৰী চাহাব ভাবুক (চিন্তা শীল) হৈ পৰিল চকুৰ পৰা চকুলো ওলাল, উঠি গৈ সন্ত ঘিচাদাসৰ ভৰিত মূৰ থৈ ক'লে, "হে গুৰুদেৱ মই অপৰাধী হওঁ, মাৰা, বচোৱাটো আপোনাৰ কথা, বহুত ডাঙৰ ভূল কৰিছোঁ। মই তুচ্ছ জীৱই সৎসঙ্গ বন্ধ কৰাৰ আদেশ লৈ আহিছোঁ, প্ৰভূ ক্ষমা কৰক, আপুনি নিৰ্ভয়ে প্ৰসন্নচিত্তে সৎসঙ্গ কৰক, কোনেও বাধা নিদিব। "সন্ত ঘিচাদাসে কলে, যে তেওঁ যি কাম কৰিবলৈ আহিছিল সেইটো কৰিব লাগে। জীতা জাট আকৌ কান্দিব ধৰিলে আৰু কলে, "ক্ষমা কৰক, ক্ষমা কৰক, মোক দীক্ষা দিয়ক"। চৌধুৰী জীতা ৰাম জাট ভক্ত হ'ল, নিজেও ৰাতিৰ সৎসঙ্গ শুনিব ধৰিলে, খেখড়া গাঁৱৰ ঘৰে ঘৰে চৌধুৰী জীতাৰাম জাট ঘীচাৰামৰ শৰণলৈ যোৱা কথাটো নিন্দাৰ বিষয় হৈ পৰিল। কবলৈ ধৰিলে ঘিচাৰামে যাদুমন্ত্ৰ জানে, গাঁৱৰ চৌধুৰীৰ ওপৰত তন্ত্ৰ-মন্ত্ৰ কৰি নিজৰ অধীনত আনিলে, সন্মোহন তন্ত্ৰ-মন্ত্ৰ কৰে। আত্মীয় ব্যক্তি সকলো চৌধুৰী জীতাৰাম জাট আৰু ঘিচাৰাম দাস সন্তৰ বিৰোধী হ'ল। চৌধুৰী জীতাৰাম  জাটক ক'লে, "চৌধুৰী চাহাব বৃদ্ধাৱস্থাত আপোনাৰ মতিভ্ৰম হ'ল। "চৌধুৰী জীতাৰামক আধ্যাত্মিক ৰদৰ তাপে ভালকৈ দহিছিল। অৰ্থাৎ তেওঁৰ ওপৰত জ্ঞানৰ প্ৰৱল প্ৰভাৱ পৰিছিল। তেওঁ কৈছিল, "গাঁওবাসী সকল মোৰ ভাগ্য উদয় হ'ল, মই ভক্ত হলো। আপোনালোকৰ চকুত মই বেয়া হলো। ভগৱানে মোৰ দৰেই আপোনালোককো বেয়া কৰি দিয়ক। বেয়া নহলে কাম নিসিজে। কিছুদিনৰ পিছত গাঁৱত পঞ্চায়ত বহিল আৰু সন্ত ঘিচাদাস আৰু ভক্ত জীতাৰামক গাঁও এৰাৰ আদেশ দিলে। দুয়ো গুৰু শিষ্যই তুৰন্তে গাঁও এৰি দূৰৈৰ গাঁও এখনত সৎসঙ্গ কৰি ৰাইজক বুজাব ধৰিলে। বহুতো ব্যক্তি সমৰ্থক (অনুগামী) হল। সন্ত যোৱাৰ পিছত খেখড়া গাঁৱত অকাল মৃত্যু হ'ব ধৰিলে। পঞ্চায়তৰ সদস্যৰ ঘৰত পৰমাত্মাৰ প্ৰকোপ আৰম্ভ হ'ল। কাৰোবাৰ পশুখাদ্য জুইয়ে পুৰিলে, কাৰোবাৰ পশু মৰিব ধৰিলে। কোনোবা পৰিয়ালত ভূত লম্ভিলে, কাৰোবাৰ জীয়েক বিধৱা হ'ল। কাৰোবাৰ পক্ষাঘাত গাঁৱত পশুৰ সংক্ৰামক ৰোগ হ'ল। গাঁৱৰ দুই চাৰিজন লোক জ্যোতিষীৰ ওচৰত গৈ গাঁৱত হোৱা উপদ্ৰবৰ কাৰণ জানিব বিচাৰিলে। জ্যোতিষীয়ে ক'লে যে গাঁৱত দুজন সন্তভক্ত আছিল, তেঁওলোক গুচি গল, তেঁওলোক ঘূৰি আহিলে গাঁওখন ভাললৈ আহিব। অন্যথা গাঁওখন উঠি যাব। সেই লোক সকলে গাঁৱলৈ আহি পঞ্চায়ত মাতি সকলো কথা কলে। গাঁৱৰ গণ্যমান্য ব্যক্তি সন্ত-ভক্তক ঘূৰাই আনিবলৈ সেই গাঁওলৈ গল। ভক্ত জীতাদাসে গুৰুদেৱক কলে যে তাৰ পৰাও খেদি পঠাবলৈ গাঁওবাসী আহিছে যেন বোধ হৈছে। গাঁওবাসীক দেখি সন্ত ঘিচাদাসে কলে, "কান্ধত চাদৰ তুলি লোৱা, গুচি যাওঁ"। ইমানতেই গাঁৱৰ চৌধুৰী ওচৰ পালেহি আৰু নিজৰ নিজৰ মূৰৰ পাগুৰি সন্ত ঘিচাদাস আৰু ভক্ত জীতাদাসৰ ভৰিত থ'লে। সকলোৱে ক'ল, "মহাৰাজ ভূল ক্ষমা কৰক, আপোনালোক অহাৰ পাছত গাঁওৰ অৱস্থা দিনকদিনে বেয়া  হৈ আহিছে। পাৰে যদি ৰক্ষা কৰক। নহ'লে আমিও ইয়াতে আপোনাৰ লগত থাকিম। সেই গাঁওৰ ব্যক্তিও গোট খালে, সকলো ঘটনা বুজি পালে, এই গাঁওৰ ব্যক্তিয়ে কব ধৰিলে, "চৌধুৰী সকল আপোনালোকৰ ভাল হ'ব কিন্তু আমাৰ যে অৱস্থা বেয়া হ'ব। যেতিয়াৰ পৰা এই দুজন দেৱতা গাঁৱলৈ আহিছে, গাঁওত কোনো হাই কাজিয়া হোৱা নাই। দুবাৰ বৰষুণো হ'ল, চাওক শস্য পথাৰ লহপহ কৰি আছে। খেখড়া গাঁৱৰ লোকে টানি অনুৰোধ কৰাত মহাপুৰুষ সকলে উভতি

যাবলৈ সন্মত হ'ল। বৰ্তমানৰ গাঁওবাসীক ক'লে যে তেঁওলোক মাজে সময়ে আহি থাকিব। প্ৰতি পূৰ্ণিমা তিথিত খেখড়া গাঁওলৈ নিমন্ত্ৰণ কৰিলে। ক'লে যে পৰমাত্মা কবীৰ দেৱে সকলোকে কুশলে ৰাখিব দুইজনা মহাপুৰুষ আহি পাওঁতেই গাঁৱত পূৰ্ণশান্তি হ'ল। পশুধন সুস্থ হৈ গল পিছদিনা ধাৰাষাৰে বৰষুণ হ'ল। কৃষক সকল আনন্দত আত্মহাৰা হ'ল। ৩৬ টা সম্প্ৰদায় সুখী হল। সকলো উপদ্ৰব বন্ধ হ'ল। আজিও সেই গাঁৱত সন্ত ঘিচাদাস আৰু ভক্ত জীতাদাসৰ নামত মেলা বহে। সন্ত গৰীবদাসদেৱে কৈছে-

গৰীব, জিস মণ্ডল সাধু নহী, নদী নহী গুঞ্জাৰ।
তজ হংসা ৱহ দে শড়া, জম কী মোটী মাৰ।।

**শব্দাৰ্থ** ঃ- যি ঠাইত মহাত্মা, গুৰুজন নাথাকে আৰু নদ-নদীও নাথাকে ভকতসকলে সেই ঠাই এৰি গুচি যাব লাগে। তেনে ঠাইত কালৰ ভয়াবহ প্ৰকোপ থাকে।

গতিকে হে পাঠক সকল, যেতিয়াই যি বয়সত সৎগুৰুক পায় ভক্তি আৰম্ভ কৰি দিব। সন্ত গৰীবদাসদেৱে কৈছে যে ঃ-

গৰীব, চলী গই সো জান দে, লে ৰহতী কুঁ ৰাখ।
উতৰী লাৱ চঢ়াইয়ো, কৰো আপুঠী চাক।।

**ভাৱাৰ্থ** ঃ- হে মানৱ, সদ্গুৰু নোপোৱাকৈ পাৰ হৈ যোৱা দিনবোৰ ব্যৰ্থ, তাৰ চিন্তা এৰি বাকী থকা জীৱনত ভক্তি কৰি আত্মকল্যাণ কৰক। ভক্তি পথত খোজ দিলে সংসাৰৰ কাৰ্য্যও সহজ হৈ পৰে। কুঁৱাৰপৰা পানী উলিওৱাৰ সময়ত যদি বাল্টি বন্ধা ৰছীডাল চকৰিৰপৰা পিছলি নামি যায়, বাল্টি টনাটো কষ্টকৰ হয়। ৰছীডাল যেনেতেনে চকৰিৰ ওপৰত থলেহে বাল্টি টনা সহজ হৈ পৰিব। সদ্গুৰু শৰণ লোৱাৰ পূৰ্বৰ সময়ছোৱাত আপোনাৰ সংসাৰখনৰ ৰছীডাল পিছলি পৰাত বৰ কষ্ট পাইছিল। সকলো কাম-বন বৰ কষ্টেৰেহে কৰিব পাৰিছিল। ভক্তি আৰম্ভ কৰা মাত্ৰকে সকলো কাম সহজ হৈ পৰে, যেনেকৈ ৰছীডাল চকৰিৰ ওপৰত থাকিলে পানীটনা কাম সহজ হৈ পৰিছিল। এইটো নাভাবিব যে এতিয়া আয়ুস শেষ হ'ব ধৰিলে- এতিয়া আৰু কি ভক্তি কৰিম। যেতিয়াই সৎসঙ্গ শুনি জ্ঞান লাভ কৰিব তেতিয়াই- সেই বয়সতে দৃঢ়তাৰে ভক্তিত মগ্ন হ'ব লাগে।

পাৰ হৈ যোৱা আয়ুৰ চিন্তা এৰি বাকী থকা খিনিৰ ৰক্ষা কৰিব লাগে অৰ্থাৎ ইয়াক ভক্তি, দান-সেৱাত ব্যৱহাৰ কৰিব লাগে। আগৰ দিনত কুঁৱাৰ পৰা খেতি পথাৰত পানী যোগানৰ বাবে চমৰাৰে তৈয়াৰী ডাঙৰ মোনাৰ ব্যৱহাৰ হৈছিল যি দুই তিনি কুইন্টল পানী ধৰে। তাক কাঠৰ চকৰিৰ ওপৰত শকত ৰছী দি বান্ধি টনা হয়। যদি ৰছি চকৰিৰ পৰা পিছলি নামি যায় তাক টনাটো কষ্টকৰ হৈছিল। তাক যেনে তেনে আকৌ চকৰিৰ ওপৰত থৈ দিলেহে মোনাটো বাহিৰলৈ ওলাবলৈ সহজ হৈছিল এইটো উপায়ৰ দ্বাৰাই তাৰ পৰা লাভ পাব পাৰি। গতিকে হে মানৱ যদি গুৰু চৰণত শৰণ লোৱা নাই তেতিয়া আপোনাৰ ৰছীডাল পিছলি নামি গৈছে, জীৱনৰ সকলো কাম কষ্টকৰ হৈ পৰিছে। সেই জীৱন-ৰছী ডালক আকৌ চকৰিৰ ওপৰেদি যাব দিয়া আৰু জীৱনৰ কাম কাজ আৰম্ভ কৰক, সহজ হৈ পৰিব অৰ্থাৎ গুৰুৰ শৰণ লৈ নিজৰ জীৱনৰ পথ সুগম কৰি লওক।

* **বেশ্যাৰ উদ্ধাৰ ঃ**

সৎসঙ্গ শুনিলে জীৱন সফল হ'ব ঃ-

পৰমেশ্বৰ কবীৰ দেৱে ৰাতি ঘৰে ঘৰে সৎসঙ্গ কৰিছিল। দিনত নিজৰ জীৱন নিৰ্বাহৰ বাবে সকলো শ্ৰোতা আৰু কবীৰদেৱে কাম কৰিছিল।

এৰাতি সৎসঙ্গ হৈ আছিল। অলপ দূৰৈত কাশী চহৰৰ প্ৰসিদ্ধ বেশ্যা চম্পাকলীৰ প্ৰকাণ্ড ভৱন আছিল। সেই ৰাতি তাইৰ ওচৰলৈ গ্ৰাহক অহা নাছিল। গতিকে অপেক্ষা কৰি উজাগৰে আছিল। তাই পৰমাত্মা কবীৰ দেৱৰ মুখ কমলৰ পৰা প্ৰিয় অমৃত বাণী শুনি পালে। সৎসঙ্গত কোৱা হৈছিল যে মানৱ (স্ত্ৰী/পুৰুষ)ৰ জীৱন বহু পুণ্যৰ ফলতেই প্ৰাপ্ত হয়। যি সকল স্ত্ৰী-পুৰুষে ভক্তি নকৰে, দান সেৱা নকৰে, তেওঁলোক পৰমাত্মাৰ চোৰ। (গীতা অধ্যায় ৩ ৰ শ্লোক ১২ ত কোৱা আছে যি ব্যক্তিয়ে পৰমাত্মাৰ পৰা পোৱা ধনৰ কিছু অংশ দান ধৰ্মত খৰছ নকৰি অকল নিজৰ হে পেট ভৰায়, সি পৰমাত্মাৰ চোৰ হয়। যি মনুষ্যই চুৰ কৰে, ডকাইত কৰে, ঠগে, বেশ্যাগমন কৰে, তেওঁ মহাঅপৰাধী হয়। বেশ্যাৰ ব্যৱসায় কৰা স্ত্ৰীও মহাঅপৰাধী হয়। পৰমাত্মাৰ দৰবাৰত তেওঁলোকক ঘোৰ শাস্তি দিয়া হব। মানুহৰ জন্ম শুভ কৰ্ম আৰু ভক্তি কৰিবৰ বাবে প্ৰাপ্ত হয়।

কবীৰ, চোৰী জাৰী, বেশ্যাবৃত্তি কবহু না কৰা কোই।
পুন্য পাই নৰ দেহী, ওচ্ছী ঠোৰ না খোই।।

**ভাৱাৰ্থ** ঃ- হে মানৱ, পৰস্ত্ৰী গমন, বেশ্যাবৃত্তি অৰ্থাৎ ধনৰ লোভত পৰপুৰুষৰ লগত স্ত্ৰীৰ সম্ভোগৰ দৰে কাম কোনেও নকৰিব। এই মানৱ শৰীৰ (স্ত্ৰী/পুৰুষ) বহুত পুণ্যৰ বলতহে পাইছে। ইয়াক পাপ কৰ্ম কৰি অনুচিত ঠাইলৈ গৈ নষ্ট নকৰিব। শুভ কৰ্ম কৰক, গুৰুৰ শৰণ লৈ নিজৰ কল্যাণ কৰাওক।

মানৱ জীৱনত প্ৰাণীয়ে সৰ্বপ্ৰথমে সত্যপুৰুষৰ শৰণ লৈ দীক্ষাপ্ৰাপ্ত কৰিব লাগে। আকৌ আজীৱন গুৰুজনাৰ নীতি-নিয়ম মানিচলি সাধনা আৰু সেৱা দান ধৰ্ম কৰি থাকিব লাগে। নিজৰ নিজৰ দৈনন্দিন কাম কৰিবও লাগে। কিন্তু সকলোধৰণৰ বেয়া কাম এৰিব লাগে। তেওঁৰ কল্যাণ অৱশ্যে হ'ব। আধ্যাত্মিক জ্ঞানৰ অভাৱত (স্ত্ৰী/পুৰুষ) সকলোৱে কেৱল ধন উপাৰ্জনকে নিজৰ মুখ্য লক্ষ্য কৰি লৈ জীৱন যাত্ৰা নিৰ্ধাৰণ কৰে। আপোনাৰ লগত কোটি-কোটিৰ মাত্ৰাত ধন সম্পতি থাকিব পাৰে, যি সম্পত্তি আপুনি জীৱন কালত ছল-চাতুৰী কৰি, ঠগ-প্ৰৱঞ্চনা কৰি, জঘন্য অপৰাধ কৰি উপাৰ্জন কৰি লৈছে। হঠাতে এদিন আপোনাৰ মৃত্যু হৈ যাব। জীৱন জুৰি সংগ্ৰহ কৰা ধন ইয়াতে থাকি যাব, শৰীৰ পৰ্যন্ত লগত নাযায়, লগত যাব কেৱল সেই পাপ যি জীৱন কালত মায়া (ধন সম্পত্তি)ৰ সংগ্ৰহত আপুনি কৰিছিল।

কায়া তেৰী হৈ নহী, মায়া কহাঁসে হোয়।
গুৰু চৰনোঁ মেঁ ধ্যান ৰখ, ইন দোনোঁ কো খোয়।।
কবীৰ, সব জগ নিৰ্ধনা, ধনবন্তা না কোয়।
ধনবান ৱহ জানিয়ে, জাপে ৰাম নাম ধন হোয়।।

ভাৱাৰ্থ ঃ- যিটো শৰীৰক ৰোগমুক্ত কৰিবৰ বাবে মানুহে নিজৰ সম্পত্তি বিক্ৰী কৰি

চিকিৎসা কৰে, সেই শৰীৰো আপোনাৰ লগত নাযায়, ধন-সম্পত্তি নো আপোনাৰ লগত যায় কেনেকৈ। পূৰ্ণ গুৰুজনৰ পৰা দীক্ষা লৈ দিনে নিশাই ভক্তি কৰা। গুৰুদেৱে কোৱা জ্ঞানক ভিত্তি কৰি জীৱনৰ পথত আগবাঢ়িব লাগে। কায়া (শৰীৰ) আৰু মায়া (ধন-সম্পত্তি) দুয়োটাৰে মোহ এৰি ভক্তি ধন সংগ্ৰহ কৰিব লাগে।

হে মানৱ মানৱৰ আগৰ ইতিহাস চাই লোৱা ঃ-

সৰ্ব সোনে কী লংকা থী, ৰাৱন সে ৰনধীৰম।
এক পলক মেঁ ৰাজ নষ্ট হুৱা, জম কে পড়ে জঞ্জীৰম।।
গৰীব, ভক্তি বিনা ক্যা হোত হেয় ভ্ৰম ৰহা সংসাৰ।
ৰতি কঁচন পায়া নহী, ৰাৱন চলতী বাৰ।।

**ভাৱাৰ্থ ঃ** সন্ত গৰীবদাসেও এই কথা সমৰ্থন কৰিছে যে ভক্তি অবিহনে জীৱৰ কোনো লাভ নহয়। মায়া সংগ্ৰহৰ বাবে আজীৱন অনাই বনাই ফুৰে। শ্ৰীলংকাৰ ৰজা ৰাৱনৰ লগত যথেষ্ট ধন, সোণ ইত্যাদি আছিল কিন্ত সংসাৰ ত্যাগ কৰি যোৱা মূহুৰ্তত এক গ্ৰাম সোণ লগত লৈ যাব নোৱাৰিলে। সত্য পুৰুষৰ সত্যভক্তি নকৰাৰ বাবে যমদূতে হাতকেৰেয়া.লগাই ওপৰত যমৰাজৰ তালৈ লৈ যায়। নৰকত পেলোৱা হয়। গতিকে হে মানৱ বেয়া কৰ্ম কৰিবলৈ ভয় কৰা পূৰ্ণ গুৰুৰ শৰণ লৈ সত্য ভক্তি কৰা।

শংকা সমাধান কৰি পৰমেশ্বৰ কবীৰদেৱে সৎসঙ্গত কৈছে যে আধ্যাত্মিক জ্ঞান নোহোৱাৰ বাবে ভাল মানুহৰ দ্বাৰাও পাপ হৈ গৈছে। যেতিয়া তেওঁলোকে সৎসঙ্গ শুনিলে, সকলো অপৰাধ ত্যাগ কৰি, ভক্তি কৰি নিজৰ কল্যাণ সাধন কৰিলে। পৰমাত্মা কবীৰদেৱে কৈছে তেওঁৰ লগত সাধনাৰ এনে যথাৰ্থ মন্ত্ৰ আছে যি মন্ত্ৰই সকলো পাপ নষ্ট কৰি দিয়ে। পুণ্য সংৰক্ষিত হৈ থাকে। (যেনেকৈ আজি বৈজ্ঞানিকে এনে ঔষধ উলিয়াইছে যাৰ প্ৰয়োগ খেতিত কৰিলে ঘাঁহ আৰু অন্য অপতৃণ নষ্ট হৈ যায়, শস্য সুৰক্ষিত থাকে) এই মন্ত্ৰ কবীৰদেৱে নিজৰ স্থান সত্যলোকৰ পৰা লৈ আহিছে।

সো-হম শব্দ হম জগ মে লায়ে। সাৰ শব্দ হম গুপ্ত ছিপাও।।(ঋগবেদ মণ্ডল ৯ সুক্ত ৯৫ মন্ত্ৰ ২ ত প্ৰমাণ আছে যে, “পৰমাত্মা এই সংসাৰত প্ৰত্যক্ষ প্ৰকট হৈ নিজৰ অমৃতবাণীৰ দ্বাৰা মুক্তিৰ সত্যমাৰ্গ (সত্যপথ)ত অগ্ৰসৰ হবলৈ প্ৰেৰণা দিয়ে। সেই পৰমাত্মা সকলো দেৱতাৰ ওপৰত অৰ্থাৎ সকলোৰে প্ৰভূ, তেওঁ ভক্তিৰ গুপ্ত নামৰ আৱিষ্কাৰ কৰে।) যদি কোনো ব্যক্তি মহাপাপীও হয়, আৰু সত্য সাধনা কৰিবলৈ ধৰে আৰু ভৱিষ্যতে কোনো পাপ নকৰে, তেনেহলে তেওঁৰ সকলো পাপ সমাপ্ত হৈ যায়, ভক্তি কৰি নিজৰ কল্যাণ সাধন কৰিব পাৰে।

ওপৰোক্ত অমৃতবচন শুনি সেই বেশ্যাভনীয়ে যেন গভীৰ টোপনিৰ পৰা সাৰহে পালে। কপিব ধৰিলে। ঘৰত তলা বন্ধ কৰি সৎসঙ্গলৈ গ’ল। মহিলাসকলৰ পিছফালে বহিল। সৎসঙ্গ সমাপ্ত হোৱাৰ পিছত ঘোষণা কৰা হল যে যি সকলে দীক্ষা লব বিচাৰে, তেওঁলোক আগফালে গুৰুদেৱৰ ওচৰত আহিব লাগে। কিছুমান স্ত্ৰী, পুৰুষ উঠি আগফালে গ’ল। সেই বেশ্যাও আহিল আৰু গুৰুদেৱক নিজৰ পৰিচয় দি ক’লে যে তাই আজি ৪০ বছৰ বয়সত প্ৰথম বাৰলৈ এনে উপকাৰী বচন শুনিবলৈ পাইছে। তাই আকৌ ক’লে, “হে পৰমাত্মা মোৰ দৰে পাপিনীৰো

কল্যাণ সাধন সম্ভৱ হয় নে ? কওঁতে আপুনি সকলো সমাধান সৎসঙ্গত কৈ দিছে, কিন্তু যেতিয়া নিজৰ কলংকিত জীৱনলৈ উভতি চাওঁ, বৰ গ্লানি হয়। পৰমেশ্বৰ কবীৰদেৱে ক'লে যে -

*কবীৰ, জব হী সত্যনাম হৃদয় ধৰৌ, ভয়ো পাপকো নাশ।*
*জৈসে চিনগী অগ্নি কী পড়ে পুৰানি ঘাস।।*

ভাৱাৰ্থ ঃ- ধৰি লওক এক কোটি টন শুকান ঘাঁহৰ মেজি আছে। যদি তাত দিয়া চলাইৰ জ্বলন্ত কাঠি পেলাই দিয়া হয় সেই ঘাঁহক ছাই কৰি দিব। আকৌ বতাহ বলিব আৰু সেই ছাইকো উৰুৱাই লৈ যাব। সকলো শেষ হ'ল। এই ধৰণেই কোটি-কোটি জন্মৰ পাপ কিয় নহওক, কবীৰ দেৱৰ সঁচা মন্ত্ৰৰ জপ কৰিলে সেই পাপক জলাই ছাই কৰি দিব।

(যজুৰ্বেদৰ অধ্যায় ৮ মন্ত্ৰ ১৩ ত এই একেই প্ৰমাণ আছে যে পৰমাত্মাই নিজৰ ভক্ত (এনসঃ এনসঃ)ৰ ঘোৰ পাপকো নাশ কৰি দিয়ে। জীৱৰ কল্যাণ সাধন কৰে।)

সেই ভনীয়ে পাপ কৰ্ম (বেশ্যাবৃত্তি) এৰি দিলে। পৰমাত্মা কবীৰদেৱৰ পৰা দীক্ষা লৈ নীতি-নিয়ম পালন কৰি আজীৱন সাধনা কৰি চম্পাকলীয়ে মোক্ষ প্ৰাপ্তি কৰিলে।

* **ৰঙ্কা-বঙ্কাৰ কাহিনী ঃ**

পৰমেশ্বৰ কবীৰদেৱক চম্পাকলীয়ে সুধিলে, "হে ভগৱান এই পাপৰ সম্পত্তি আৰু টকাৰ কি হ'ব ? পৰমেশ্বৰ কবীৰদেৱে ক'লে যে সেই নৰকৰ ধন দান কৰি দিব লাগে। ঘৰলৈ গৈ চম্পাকলীয়ে ভাবিলে যদি সকলো ধন দানত দিয়ে, খাব কি ? কৰিবলৈ কোনো কাম নাই। চম্পাকলী সৎসঙ্গলৈ বাৰে-বাৰে যাব ধৰিলে। এদিনাখন সৎসঙ্গত কোৱা হ'ল যে -

ৰঙ্কা (পুৰুষ) আৰু বঙ্কা (স্ত্ৰী) পৰমাত্মাৰ পৰম ভক্ত আছিল। তত্বজ্ঞান ভালদৰে বুজি পাইছিল। তাৰ আধাৰ লৈয়েই নিজৰ জীৱন যাপন কৰিছিল। অবঙ্কা নামেৰে তেওঁলোকৰ এজনী কন্যা আছিল। এদিনাখন ভক্ত নামদেৱে নিজৰ গুৰুদেৱক কলে যে তেখেতৰ ভক্ত ৰঙ্কা বহুত নিৰ্ধন হৈছে। আপুনি তেওঁলোকক অলপ ধন দিলে তেওঁলোকে হাবিৰ পৰা খৰি আনি চহৰত বিক্ৰী কৰি জীৱন নিৰ্বাহ কৰিব নালাগিলেহেতেঁন। দুয়ো হাবিলৈ যায়। খৰি বিচাৰি আনে। খোৱা খৰছ কোনোমতে উলিয়াই লয়। গুৰুদেৱে ক'লে, "ভাই মই বহুবাৰ ধন দিয়াৰ চেষ্টা কৰিলোঁ। কিন্তু তেওঁলোকে সকলো দান কৰি দিয়ে। দুই তিনিবাৰ মই নিজেই বেশ সলনি কৰি খৰি কিনিবলৈ গলোঁ। তেওঁলোকৰ খৰিৰ দাম অন্যতকৈ এশ গুন বেছি দিছিলোঁ। তেওঁলোকে প্ৰতিদিনত খৰি বেচি দুই অনা পাইছিল। মই দহ টকাত কিনিলৈছিলোঁ। তেওঁলোকে চাৰি অনা লগত ৰাখি বাকী টকা সৎসঙ্গত মোক দান দিলে। এতিয়া আপুনিয়ে কওক কেনেকৈ ধন দিওঁ ? ভক্ত নামদেৱে আকৌ এবাৰ ধন দিবলৈ কলে। চাব, এইবাৰ অৱশ্যে লব বুলিও ক'লে। গুৰু আৰু নামদেৱ ৰঙ্কা-বঙ্কাই হাবিৰ পৰা খৰি অনা ৰাস্তাৰে গ'ল। গুৰুদেৱে লাখ লাখ টকাৰ সোণৰ অলংকাৰ ৰাস্তাত পেলাই থলে। নামদেৱ আৰু গুৰুদেৱ এটা জোপোহাৰ আঁৰত লুকাই থিয় হৈ থাকিল। ৰঙ্কা মূৰত খৰি লৈ আগত আহি আছিল আৰু পিছত দুশ ফুটৰ ব্যৱধানত বঙ্কাও খৰিলৈ আহি আছিল। ভক্ত ৰঙ্কাই দেখিলে যে সোণৰ অলঙ্কাৰ বেচদামী হয়, ভাবিলে বঙ্কা নাৰী জাতি, অলঙ্কাৰ দেখিলে লোভ সামৰিব নোৱাৰি নিজৰ ধৰ্ম-কৰ্ম বেয়া কৰি ল'ব। সেই কাৰণে ভৰিৰে অলংকাৰ বিলাকৰ ওপৰত মাটি দিব ধৰিলে। ভক্তমতী বঙ্কাও

প্ৰকৃত গুৰুৰ শিষ্য আছিল। তাই দেখিলে যে পতিদেৱে অলংকাৰৰ ওপৰত মাটি দি আছে। উচ্ছস্বৰে ক'লে, "বলক বলক ভকত, কিয়নো মাটিৰ ওপৰত মাটি দি আছে। ৰঙ্কাই বুজি পালে তেওঁৰ পত্নী প্ৰবল ইচ্ছা শক্তিৰ গৰাকী। দুয়ো সেই লাখ-লাখ টকাৰ ধন ভৰিৰে মোহাৰি নগৰলৈ গ'ল। গুৰুদেৱে ক'লে, "দেখিলে ভক্ত নামদেৱ ভক্ত এনেকুৱা হ'ব লাগে"।

এদিনাখন আবেলি ৪ বজাত গুৰুদেৱ সৎসঙ্গ কৰি আছিল। সৎসঙ্গৰ স্থান ৰঙ্কা ভক্তৰ জুপুৰিৰ পৰা চাৰি একৰ দূৰৈত আছিল। ৰঙ্কা-বঙ্কা দুয়ো সৎসঙ্গ শুনিবলৈ গ'ল। তেওঁলোকৰ কন্যা অবঙ্কা (১৯ বছৰ বয়স) জুপুৰিৰ বাহিৰত খাটত বহিছিল। জুপুৰিত জুই লাগিলে। সকলো বস্তু পুৰি ছাৰ খাৰ হ'ল। অবঙ্কা দৌৰি দৌৰি গৈ দেখিলে যে সৎসঙ্গ শুনাই আছিল। শ্ৰোতা সকল বিশেষ ধ্যান দি সৎসঙ্গ শুনাত মগ্ন আছিল। শান্তি বিৰাজ কৰি আছিল। অবঙ্কাই জোৰেৰে চিঞঁৰি ক'লে, "সিহঁতৰ জুপুৰিত জুই লাগিল। সকলো বস্তু জ্বলি গ'ল। মা বঙ্কা উঠিল আৰু ছোৱালীজনীক এফালে মাতি নি সুধিলে, "ঘৰত কিবা বস্তু নজলাকৈ আছে নে নাই ? "কন্যা অবঙ্কাই ক'লে যে বাহিৰত থকা খাটখন নজলা কৈ আছে। ভক্ত ৰঙ্কাও উঠি আহি পালে। দুয়ো ক'লে যে পুত্ৰী সেই খাট খনকো জুইত দি দিয়া আৰু আহি সৎসঙ্গ শুনা। জুপুৰি নথকা হ'লে, জুই নধৰিলে হয়, জুই নলগা হ'লে সৎসঙ্গৰ কথাৰ আনন্দ ভংগ নহ'ল হয়। অবঙ্কা গ'ল আৰু খাটখনকো জুপুৰিৰ জুইত জাপি দি সৎসঙ্গ শুনিবলৈ আহি সৎসঙ্গৰ পাছত ঘৰলৈ গ'ল, সেই সময়ৰ আহাৰ সৎসঙ্গৰ ভোজন ব্যৱস্থাত গ্ৰহণ কৰি লৈছিল। ৰাতি ছাই হৈ যোৱা জুপুৰিৰ কাষৰ গছ এটাৰ তলত একো নপৰাকৈ শুলে। ভক্তি কৰিবলৈ সময়মতে আকাশবাণী হ'ল, "ভক্ত পৰিয়াল এয়া পৰমাত্মাৰ দয়া বৰষিছে, আপোনালোক এই জুপুৰিতে থাকক, এয়া গুৰুদেৱৰ আজ্ঞা। তিনিও প্ৰাণীয়ে ক'লে "যি আজ্ঞা গুৰুদেৱ সূৰ্য উদয়ৰ পিছত চহৰৰ ব্যক্তিয়ে দেখি তবধ মানিলে। পুৰণা জুপুৰিৰ ছাই পৰি আছিল। নতুন জুপুৰি এসপ্তাহৰ আগতে সাজিবই নোৱাৰি। সকলোৱে কলে যে এয়াতো এওঁলোকৰ গুৰুৰ চমৎকাৰ। নগৰৰ লোক আহে, চায় আৰু গুৰুদেৱৰ পৰা দীক্ষা লোৱাৰ সংকল্প কৰিব ধৰিলে। হেজাৰ হেজাৰ নগৰবাসীয়ে দীক্ষা ল'লে। (এই সকলো লীলা পৰমেশ্বৰ কবীৰদেৱে কাশী চহৰত প্ৰকট হোৱাৰ প্ৰায় দুশ বছৰ আগতে কৰিছিল। সেই সময়তে ভক্ত নামদেৱক শৰণত লৈছিল।)

ওপৰৰ কথা প্ৰসঙ্গ শুনি ভক্তমতী চম্পাকলীৰ মনৰ সকলো ভয় সমাপ্ত হ'ল আৰু সকলো সম্পত্তি আৰু ধন পৰমাত্মা কবীৰ গুৰুদেৱক সমৰ্পণ কৰিলে। পৰমাত্মাই ক'লে, "পুত্ৰী তুমিয়ে যেতিয়া মোৰ হ'লা, সম্পত্তি এনেই মোৰ হৈ গ'ল। এই মোৰ সম্পত্তিৰ সিমানখিনি ৰাখি লোৱা যিমানখিনিৰে তোমাৰ নিৰ্বাহ হয়। বাকী থকা খিনিৰ পৰা দান কৰি থাকা। ভক্তমতী চম্পাকলীয়ে সেইটোৱে কৰিলে ঘৰটো ৰাখিলে আৰু বেছিভাগ টকা গুৰু আজ্ঞা অনুসৰি ভোজন ব্যৱস্থাত দান কৰিলে।

## কবীৰ দেৱৰ দ্বাৰা শিষ্যৰ পৰীক্ষা কৰা

মুক্তি দাতা কবীৰদেৱৰ দ্বাৰা অসংখ্য অসাধ্য লীলা কৰা দেখি প্ৰভাৱিত হৈ চৌষষ্ঠিলাখ শিষ্য হৈছিল। পৰমেশ্বৰে অতীত-ভৱিষ্যত আৰু বৰ্তমানৰ সকলো কথা জানে। তেওঁ জানিছিল যে এই সকলে তেওঁৰ চমৎকাৰ দেখি আৰু তেওঁৰ আশীৰ্বাদৰ ফলত হোৱা সাংসাৰিক লাভ

দেখিহে তেওঁৰ জয়গান গাই আছে। এওঁলোকে তেওঁৰ ওপৰত বিশ্বাস কৰা নাই যে কবীৰদেৱ, স্বয়ং পৰমাত্মা আহিছে। নিজৰ লাভৰ কথাও কৈ শুনাইছিল। এদিন পৰমেশ্বৰ কবীৰদেৱে শিষ্যসকলৰ পৰীক্ষা লব বিচাৰিলে, ভাবিলে শিষ্য সকলে কিমানখিনি জ্ঞান বুজি পাইছে। যদি এওঁলোক মোক্ষ লাভৰ যোগ্য নহয়। এওঁলোক ব্যৰ্থই মোৰ মূৰৰ বোজাহে। এই দৰে ভাবি এটা পৰিকল্পনা কৰিলে। নিজৰ পৰম শিষ্য ৰবিদাসক হাতী এটা ভাৰাত লৈ আহিবলৈ ক'লে।

কাশী নগৰত এজনী সুন্দৰী বেশ্যা আছিল। তাইৰ ঘৰৰ পৰা অলপ আঁতৰত কবীৰদেৱৰ কোনোবা ভক্ত এজনৰ ঘৰ আছিল। কবীৰদেৱ তেওঁৰ চোতালত ৰাতি সৎসঙ্গ কৰি আছিল। সেই দিনা সেই বেশ্যাৰ ওচৰলৈ কোনো গ্ৰাহক অহা নাছিল। সৎসঙ্গৰ কথা শুনিবলৈ তাই নিজৰ ঘৰৰ চালৰ ওপৰত চকী এখনলৈ বহিল। ৰাতিটো সৎসঙ্গ শুনিলে আৰু সৎসঙ্গ স্থানলৈ গৈ কবীৰদেৱক নিজৰ পৰিচয় দিলে আৰু কলে যে তাইৰ নিচিনা পাপী আত্মাৰো উদ্ধাৰ হব নে নহ'ব। তাই ক'লে, "মই জীৱনত প্ৰথম বাৰ আত্মকল্যাণৰ কথা শুনিছোঁ। এতিয়া মোৰ ওচৰত দুটা বিকল্প আছে, হয় মোৰ আত্ম কল্যাণ হ'ব লাগে, নহয় মই আত্মহত্যা কৰি পাপৰ প্ৰায়শ্চিত্ত কৰিম। পৰমাত্মা কবীৰদেৱে ক'লে, "পুত্ৰী আত্মহত্যা কৰাটো মহাপাপ। ভক্তি কৰিলে পৰমাত্মাই সকলো পাপ নষ্ট কৰি দিয়ে। তুমি মোৰ পৰা উপদেশ লৈ সাধনা কৰা আৰু ভৱিষ্যতত পাপৰ পৰা আঁতৰত থাকিবা। "সেই ভনী জনীয়ে প্ৰতিজ্ঞা কৰিলে আৰু পৰমাত্মা কবীৰদেৱৰ পৰা দীক্ষা লৈ ভক্তি কৰিব ধৰিলে আৰু প্ৰভূ কবীৰদেৱ যলৈকে সৎসঙ্গ কৰিবলৈ যায়, তালৈ যাব ধৰিলে। কবীৰদেৱৰ ভক্ত সকলক সেই ভনী জনী সৎসঙ্গলৈ অহাটো ভাল লগা নাছিল। তেওঁলোকে ছোৱালী জনীক কৈছিল যে তাইৰ বাবে গুৰুদেৱৰ বদনাম হৈছে। তাইক সৎসঙ্গলৈ যোৱা মানা কৰিছিল। আহিলেও সন্মুখত গৈ গুৰুদেৱৰ ওচৰত বহিবলৈ হাক দিছিল। ছোৱালীজনীয়ে এই সকলো কথা গুৰু কবীৰদেৱক কলে আৰু হুক হুকাই কান্দিব ধৰিলে। পৰমেশ্বৰ কবীৰদেৱে ছোৱালীজনীক সৎসঙ্গলৈ আহি থাকিবলৈ ক'লে। কবীৰদেৱে সৎসঙ্গৰ বাক্যৰ দ্বাৰা স্পষ্ট কৰি দিলে যে লেতেৰা কাপোৰ পানী আৰু চাবোনৰ পৰা দূৰত থৈ দিলে কেনেকৈ চাফা হ'ব পাৰে ? তেনেদৰেই পাপী ব্যক্তি সৎসঙ্গ আৰু গুৰুৰ পৰা আঁতৰত থাকি কেনেকৈ আত্ম কল্যাণ কৰিব ? ভক্ত সকলে বেশ্যা আৰু ৰোগীক ঘিন নকৰিব, সন্মান কৰক। তেওঁক জ্ঞান চৰ্চাৰ দ্বাৰা মোক্ষ প্ৰাপ্তিৰ বাবে প্ৰেৰণা যোগায়। পৰমাত্মা কবীৰদেৱে বাৰে-বাৰে বুজোৱাৰ পিছতো ভক্ত সকলে সেই ছোৱালীজনীক সৎসঙ্গলৈ আহিবলৈ মানা কৰিছিল আৰু কৈছিল যে তাইৰ বাবেই গুৰুদেৱ কাশীত বদনাম হৈ গল। ভক্ত সকলে ছোৱালীজনীক কৈছিল যে কাশীৰ বাসিন্দাসকলে তাইৰ কাৰণেই গুৰুদেৱক তিৰস্কাৰ কৰিব ধৰিছে, কাশীবাসী সকলে কয় যে গুৰুদেৱৰ ওচৰলৈ বেশ্যাও যায়। তেওঁ কিহৰ গুৰু ?

পৰমাত্মাই ছোৱালীজনীক কলে, "পুত্ৰী তুমি মোৰ লগত হাতীৰ পিঠিত বহিবা। ছোৱালী জনীয়ে কলে, "যি আজ্ঞা গুৰুদেৱ"। পিছদিনা পূৱা প্ৰায় ১০ বজাত তিনিওজন হাতীৰ ওপৰত উঠি কাশী নগৰৰ প্ৰধান বজাৰৰ মাজেদি যাব ধৰিলে। সন্ত ৰবিদাস হাতীৰ মাউত হৈ হাতী চলাব ধৰিলে। ছোৱালীজনী ৰবিদাসৰ পিছত আৰু কবীৰদেৱৰ আগত অৰ্থাৎ দুয়োৰে মাজত বহিছিল। কবীৰদেৱে এটা বটলত গংগানদীৰ পানী ভৰাই ল'লে। সেই বটল মুখত দি অলপ

অলপ কৰি পানী খাব ধৰিলে। মানুহে ভাবিলে কবীৰদেৱে মদ খাই আছে। মদৰ নিচাত বেশ্যাক লৈ মুকলি কৈ বজাৰত ফুৰি আছে। কাশীৰ মানুহে ইজনে সিজনক কৈ আছিল, “চোৱা, কবীৰ তাঁতীয়ে বৰ ডাঙৰ ডাঙৰ উপদেশ দিছিল। আজি ইয়াৰ আচল চেহেৰা ওলাই পৰিছে। ইহঁতে সৎসঙ্গৰ নামত এনেবোৰ কামকে কৰি থাকে। কাশীৰ মানুহে কবীৰদেৱৰ শিষ্য সকলক ধৰি আনি দেখুৱাই কৈছিল, “তহঁতৰ পৰমাত্মাৰ কাম চাই লোৱা মদ খাই আছে। বেশ্যাক লগত লৈ ৰাজহুৱাকৈ ফুৰি আছে”। এই লীলা প্ৰত্যক্ষ কৰি সেই চৌষষ্ঠি লাখ নকলী শিষ্যই কবীৰদেৱক ত্যাগ কৰিলে। আগৰ সাধনা কৰিব ধৰিলে। লোক লাজত বন্দী হৈ গুৰু বিমুখ হৈ গ’ল।

দিল্লীৰ সম্ৰাট চিকন্দৰ লোধী কাশীনগৰত অহা সময়ত পৰমাত্মা কবীৰদেৱে বিশেষকৈ এনে লীলা কৰিছিল। সেই সময়তো ৰজা চিকন্দৰ লোধী কাশীত উপস্থিত আছিল। কাজী-পণ্ডিত সকলে ৰজাক আপত্তি কৰিলে যে কবীৰ তাঁতীয়ে অতি ঘৃণনীয় কাম কৰিছে। লাজ মান কাতি কৰি থৈ ৰাজহুৱাকৈ বেশ্যাৰ লগত হাতীৰ ওপৰত বেয়া কাম কৰি আছিল, মদ খাইছে। ৰজাই তুৰন্তে ধৰি আনি গঙ্গাত ডুবাই মাৰিবলৈ আদেশ দিলে। নিজ হাতেৰে ৰজা চিকন্দৰে হাতত হাতকেঁৰেয়া, ভৰিত শিকলি আৰু ডিঙিত লোহাৰ বান্ধ লগালে। নাৱত বহুৱাই গঙ্গা নদীৰ মাজলৈ নি চিপাহীয়ে পেলাই দিলে। হাতকেঁৰেয়া, শিকলি আৰু ডিঙিৰ বান্ধ সুলকি পানীত পৰিল পৰমাত্মা পানীত পদ্মাসনত বহিলে। তলত গঙ্গাৰ পানী চক্ৰাকাৰে বৈ আছিল। পৰমাত্মা জলৰ ওপৰত আৰামেৰে বহি আছিল। চিপাহী সকলে স্বেখতকীৰ আদেশমৰ্মে কবীৰদেৱক ধৰি নাৱত বহুৱাই ভৰি আৰু ককাঁলত গধূৰ শিল বান্ধি হাত পিছফালে নি ৰছীৰে বান্ধি গঙ্গা নদীৰ মাজত পেলাই দিলে। ৰছী ছিঙি গ’ল। শিল পানীত বুৰিল পৰমেশ্বৰ কবীৰদেৱ পানীৰ ওপৰত বহি থাকিল। কবীৰ পৰমেশ্বৰ পানীত ডুবি নোযোৱাত খঙতে শ্বেখতকীয়ে ৰজাক কৈ তোপৰ দ্বাৰা গোলাবৰ্ষণ কৰিবলৈ আদেশ দিলে। প্ৰথমে কবীৰদেৱলৈ শিল দলিয়ালে, বন্দুকেৰে গুলি মাৰিলে, তীৰ মাৰিলে। শেহত তোপেৰে বাৰ ঘন্টা কবীৰদেৱৰ ওপৰত গোলাবৰ্ষণ কৰিলে। কিছুমান গোলা কাষতে পৰিছিল, কিছুমান সিপাৰে গৈ পৰিছিল। কিছুমান দূৰৈৰ পুখুৰীত গৈ পৰিছিল। এটাও গোলা, শিল বন্দুকৰ গুলী বা তীৰ পৰমেশ্বৰ কবীৰদেৱৰ আশে পাশেও নগ’ল। ইমানখিনি দেখিও কাশীৰ মানুহে পৰমেশ্বৰ চিনি নেপালে। তেতিয়া পৰমেশ্বৰ কবীৰদেৱে বুজিলে যে সেইবোৰ মানুহ জ্ঞানহীন হয়। জ্ঞানৰ অন্ধ। সেই সময়তে গঙ্গাৰ পানীত লীন হ’ল আৰু ভক্ত ৰবিদাসৰ ঘৰত ওলাল। দৰ্শকে বিশ্বাস কৰিলে যে কবীৰ তাঁতী গঙ্গাত ডুবি মৰিল। তাৰ ওপৰত বালিৰ চামনি পৰিল বুলি ভাবিলে। সকলো আনন্দত নাচি-বাগি নগৰলৈ গ’ল। শ্বেখতকী নিজৰ মণ্ডলীৰ লগত সন্ত ৰবিদাসৰ ঘৰলৈ খবৰ দিবলৈ গ’ল যে যিজন কবীৰক ৰবিদাসে পৰমাত্মা বুলি কৈছিল সি ডুবি মৰিল। সন্ত ৰবিদাসৰ ঘৰত গৈ দেখিলে যে কবীৰদেৱ একতাৰা বজাই শব্দ গাই আছিল। শ্বেখতকীয়ে দেখি তবধ মানিলে। ৰজা চিকন্দৰক গৈ ক’লে যে কবীৰদেৱ ছলনা কৰি পলাই গৈছিল। ৰবিদাসৰ ঘৰত গৈ বহি আছে) এই কথা শুনি বাদছাহ চিকন্দৰ লোডী সন্ত ৰবিদাসৰ জুপুৰিলৈ গ’ল। পৰমাত্মা কবীৰ তাৰ পৰা অন্তৰ্দ্ধান হৈ গঙ্গা নদীৰ মাজত পানীৰ ওপৰত সমাধিমুক্ত হৈ এনেদৰে বহিল

যেন মাটিৰ ওপৰত হে বহিছে। ৰজাই ৰবিদাসক কবীৰদেৱ ক'ত আছে বুলি সুধিলে। সন্ত ৰবিদাসে ক'লে, "তেওঁ পূৰ্ণ পৰমাত্মা হয়। তেওঁৱেঁই অলখ আল্লা হয়। আপুনি তেওঁক চিনি পাওক। তেওঁ ইচ্ছামতে চলে। যলৈ মন যায় গুচি যায়। মই নাজানোঁ কলৈ গ'ল। তেওঁ সকলোৰে লগত থাকে। সেই সময়তে কোনোবাই ক'লে যে কবীৰদেৱ গঙ্গাৰ মাজত বহি ভক্তি কৰি আছে। ৰজা, চিপাহী আৰু আন সকলো মানুহ আকৌ গঙ্গা নদীৰ পাৰলৈ গ'ল। নাৱৰীয়াৰ দ্বাৰা খবৰ পঠালে যে নদীৰ পাৰলৈ আহিব লাগে। নাৱৰীয়াই কবীৰদেৱৰ ওচৰলৈ নাও চপাই দি ৰজাৰ আদেশ শুনালে যে ৰজা চিকন্দৰে কবীৰদেৱক মাতিছে, আপুনি যাব লাগে। পৰমেশ্বৰ কবীৰদেৱ সেই জাহাজ (ডাঙৰ নাওঁতে)ত বহি পাৰলৈ আহিল।

ৰজা চিকন্দৰে আকৌ গ্ৰেপ্তাৰ কৰি হাত ভৰি বান্ধি খুনী হাতীৰ হতুৱাই মাৰিবলৈ আদেশ দিলে। চাৰিওফালে জনতা থিয় হৈ আছিল। চিকন্দৰ ওখ ঠাইত বহিছিল। পৰমাত্মাক বান্ধি মেলি মাটিত পেলাই থোৱা হৈছিল। মাউতে হাতীক মদ খুৱাই লৈ কবীৰদেৱক গচকি মাৰিবৰ বাবে কবীৰদেৱৰ ফালে হাতীক আগবঢ়াই দিলে। কবীৰদেৱে নিজৰ ওচৰত এটা সিংহ থিয় দি থকা দেখুৱাই দিলে। সিংহটোক হাতীয়ে দেখিলে। হাতিয়ে চিঞঁৰ মাৰি ভয়তে পিছলৈ দৌৰিলে। মাউত চাকৰি যাব বুলি ভয়ভীত হ'ল। হাতীক যাঠীৰে খুচি-খুচি কবীৰদেৱৰ ফালে লৈ যাব ধৰিলে, কিন্ত হাতী উভতি লৰ মাৰে। তেতিয়া মাউতেও সিংহ দেখাত ভয়তে হাতৰ অঙ্কুশ সুলকি পৰিল। হাতী পলাল। পৰমেশ্বৰ কবীৰদেৱৰ বান্ধ সুলকি পৰিল, ৰছী ছিঙিল। কবীৰদেৱ থিয় হল আৰু গা এঙামুৰি দিওঁতেই ওপৰলৈ বাঢ়ি গৈ থাকিল, মুৰে আকাশ স্পৰ্শ কৰা যেন লাগিল। শৰীৰৰ পৰা প্ৰকাশ (পোহৰ) বাজ হ'ল। চিকন্দৰ ৰজা ভয়ত কঁপি কঁপি কবীৰদেৱৰ ভৰিত পৰিল, ক্ষমা প্ৰাৰ্থনা কৰিলে আৰু ক'লে, "আপুনি পৰমেশ্বৰ হয়। মোক প্ৰাণ ভিক্ষা দিয়ক, মোৰ দ্বাৰা ডাঙৰ ভূল হ'ল, মই এতিয়া আপোনাক চিনি পালোঁ, আপুনি স্বয়ং আল্লা পৃথিৱীলৈ আহিছে।" তেতিয়া পৰমেশ্বৰ কবীৰদেৱ কাশী নগৰলৈ আহিল আৰু সেই গণিকাৰ ঘৰৰ চ'কত বহিল, ছোৱালীজনীয়ে পৰমাত্মাৰ ভৰি পিটিকি আছিল। পৰমেশ্বৰ কবীৰদেৱৰ ভৰি নিজৰ ঊৰুৰ ওপৰত থৈ ল'লে।

**টোকা ঃ** তলৰ বাণীসমূহৰ অৰ্থ ওপৰত সংক্ষেপে উল্লেখ কৰা হৈছে।

ফিৰ গনিকা কৈ সঙ্গ চলে, শীশী ভৰি শৰাব। গৰীবদাস উস পুৰী মে, জুলুহা ভয়া খৰাব।।৭২৬।।
তাৰী বাজী পুৰী মে, ভিষ্ট জুলহদী নীচ। গৰীবদাস গনিকা সজী, দহু সন্তৌ কৈ বীচ।।৭২৬।।
গাঁৱত বৈন বিলাসপদ, গঙ্গাজল পীৱত। গৰীব দাস বিহবল ভয়ে মতৱালে ঘূমত।।৭২৮।।
ভড়ুৱা-ভড়ুৱাসব কহৈ, কোই ন জানৈ খোজ। দাস গৰীব কবীৰ কৰম, বাটত শিৰকা বোঝ।।৭২৯।।
দেখো গনিকা সঙ্গি নই, কহতে কৌম ছতীশ। গৰীবদাস ইস জুলহদী কা দৰ্শন আন হদীস।।৭৩০।।
শাহ চিকন্দৰ কু সুনী, ভিষ্ট হোৱে দো সন্ত। গৰীবদাস চ্যাৰোঁ বৰণ, উঠি লাগে সব পন্থ।।৭৩১।।
চ্যাৰি বৰণ ষট আশ্ৰম, দোনৌ দীন খুশাল। গৰীবদাস হিন্দু তুৰক পড্যা চহৰ গলি জাল।।৭৩২।।
শাহ চিকন্দৰকৈ গয়ে, সুনি কবলে অৰদাস। গৰীবদাস তলবা হুই, পকৰে দোনোঁ দাস।।৭৩৩।।
কহৌ কবীৰ য়ৌহ ক্যা কিয়া গনিকা লিনহী সঙ্গ। গৰীবদাস ভূলে ভক্তি পৰয়া ভজন মে ভঙ্গ।।৭৩৪।। সুনৌ চিকন্দৰ বাদছাহ, হমাৰী অৰজ অৱাজ। গৰীবদাস ৰহ ৰাখিসী, জিন য়ৌহ

সাজ্যা সাজ।।৭৩৫।। জড়িয়াঁ তৌক জঞ্জীৰ গল, শাহ চিকন্দৰ আপ। গৰীবদাস পদলীন হৈ, তাৰী অজপা জাপ।।৭৩৬।। হাথৌ জড়ী হথকড়ী, পগবেড়ী পহিৰায়। গৰীবদাস বীচ গঙ্গ মেঁ তহাঁ দিনহা ছিটকায়।।৭৩৭।। ঝড়ি গয়ে তৌক জঞ্জীৰ সৱ লগৈ কিনাৰৈ আয়। গৰীবদাস দেখৌ খলক, স্যৌ কাজী বাদছাহ।।৭৩৮।। নীচৈ নীচৈ গঙ্গাজল, ঊপৰ আসন থীৰ। গৰীবদাস বুঢ়ে নহি বেইঠে অধৰ কবীৰ।।৭৩৯।।য়হ অচৰজ কৈসা ভয়া দেখে দৌনু দিন। গৰীবদাস কাজী কহৈ বাঁধি দিয়া জল সে।।৭৪০।। গল মেঁ ফাঁচী ডাৰি কৰি, বাধৌ শিলা সুধাৰি। গৰীব দাস য়ৌহ জুলাহদি জব বুড়ৈ গঙ্গাধাৰ।।৭৪১।। শিলা ধৰী জব নাও মে বাধী গলৈ কবীৰ। গৰীবদাস ফন্দ টুটী কৈ না ডুবৈ জলনীৰ।।৭৪২।। শিলা চলী শাহ ঔৰ কৌ, দেখত কাশী খ্যাল। গৰীবদাস কবীৰ কা আসন অধৰ হমাল।।৭৪৩।। তীৰ বাণ গুলী চলৈ, তোপ ৰহ কলৌ শোৰ। গৰীবদাস ওস জুলহদী কৈ গই এক নহী ওৰ।।৭৪৪।। অধৰ ধাৰ লে বহৈ জলকৈ বীছ গভাক। গৰীবদাস উস জুলহদী পৰ, শস্ত্ৰ ছুটৈ লাখ।।৭৪৫।। তোপ ৰহকলে সব চলৈ, তীৰ বাণ কমান। গৰীবদাস ৰহ জুলহদী জল পৰ ৰহৈ অমান।।৭৪৬।। অধৰি ধাৰ অপাৰ গতি, জল পৰি লগী সমাধি। গৰীবদাস নিজ ব্ৰহ্মপদ, খেলৈ আদি অনাদি।।৭৪৭।। জুলুমা হুৱা বুড়ৈ নহী, শস্ত্ৰ লগৈ ন বাণ। গৰীব দাস ইব কৌন গতি কৈসে লীজৈ প্ৰাণ।।৭৪৮।। লগী সমাধী অগাধ মে, বিচৰৈ কাশী গঙ্গা। গৰীবদাস কিলোল সৰ, ছুহৈ চৰণ তৰঙ্গ।।৭৪৯।। চাৰি পহৰ গোলে বগে, ধমী মুলক মৈদান। গৰীবদাস পোখৰ সুখৈ ৰহে কবীৰ অমান।।৭৫০।। অপনী কৰণী সব কৰী, থাকে দোনৌ দীন। গৰীব দাস সব জুলহদী পৈঠি গয়ে জল মীন।।৭৫১।। ডুক্কা ডুক্কা সব কঢ়ে হ গয়ে গাৰত গোৰ। গৰীবদাস কবলে ধনী, তুম আগৈ ক্যা জোৰ।।৭৫২।। আনন্দ মঙ্গল হোত হৈ বটৈ বধাই বেগ। গৰীবদাস উস জুলহদী পৰ ফিৰ গই ৰেতী ৰেঘ।।৭৫৩।। হস্তী ঘোড়ে চড়ত হৈ পান মিঠাই চীৰ। গৰীবদাস কাশী খুসী, বুড়ে গঙ্গা কবীৰ।।৭৫৪।। জাৰো ঘৰি ৰৈদাসকৈ হিলকাৰে হজুৰা। গৰীবদাস খুচিয়া কহো, কহিয়ো নহী কসুৰ।।৭৫৫।। ঝলৰি ঢোলক বজত হৈ, গাৰৈ শব্দ কবীৰ। গৰীব দাস ৰৈদাস সঙ্গি দোনৌ একহী তীৰ।।৭৫৬।। কাজী পণ্ডিত সব গয়ে, শাহ চিকন্দৰ উঠ। গৰীবদাস ৰৈদাসকৈ, ভেশ গয়ে জগজুট।।৭৫৭।। কোঠী কুঠালে সব ঝকে, বাচন টিগুৰ গোলী। গৰীবদাস ৰহদাস কহৈ সুনৌ কহাঁ গয়ে ৰহ বোল।।৭৫৮।। ৰে প্ৰগট পুৰণ পুৰুষ হে অবিনাশী অলখ অল্লাহ। গৰীবদাস ৰৈহদাস কহৈ সুনৌ চিকন্দৰ সাহ।।৭৫৯।। সুৰুজমুখী সুভান সৰ, খিলে ফুল গুলজাৰ। গৰীবদাস কাজী পণ্ডিত কৰতা শাহ পুকাৰ।।৭৬০।। শাহ চিকন্দৰ ফিৰ গয়ে, উস গঙ্গা কৈ তীৰ। দাস গৰীব কবীৰ হৰি, বৈঠে ঊপৰ নীৰ।।৭৬১।। বৈঠি মলাহ জিহাজ মে, গয়ে ধাৰ কে বীচ। গৰীবদাস হৰি হৰি কৰে, প্ৰেম ফুহাৰে সীচা।।৭৬২।। কৰী অৰজ মলাহ তহাঁ, দীন দুনী বাদছাহ। গৰীবদাস আসন উধৰ, লগী সমাধি জুলাহ।।৭৬৩।। ভঁৱৰ ফিৰত হৈ গঙ্গ জল, ফুল উগানে কোটি। গৰীবদাস তহাঁ বন্দগী, হৰিজন হৰি কী ওট।।৭৬৪।। চঞ্চল সীটী লাই কৰি, ওতৰে তহা মলাহ। গৰীবদাস হম বন্দগী, য়াদ কিয়ে বাদসাহ।।৭৬৫।। বৈঠ কবীৰ জহাজ মেঁ আয়ে গঙ্গা ঘাট। গৰীবদাস কাশী থকী, হাঁড়ে বৌহ বিধি বাট।।৭৬৬।।

**শব্দাৰ্থ ঃ** বাণী নং ৭২৬-৭৩০ ঃ পৰমেশ্বৰ কবীৰদেৱে শিষ্যসকলৰ পৰীক্ষা লোৱাৰ

উদ্দেশ্য এটা বটলত গঙ্গা নদীৰ পানী ভৰাই ল'লে। কাশী চহৰৰ কুখ্যাত বেশ্যা আৰু সন্ত ৰবিদাসৰ লগত ভাড়াৰ হাতীৰ ওপৰত উঠি কাশী চহৰৰ মুখ্য বজাৰৰ গলিয়ে গলিয়ে ফুৰিব ধৰিলে। বটলটোৰ পৰা এনেদৰে পানী খাই গৈ আছিল যেন মদাহীয়ে মদহে খাই আছে. ৰবিদাসদেৱ মাউতৰ ভূমিকাত আছিল। তেওঁৰ পিছত বেশ্যাজনী আৰু তাইৰ পিছতেই কবিৰদেৱ বহিছিল, তেওঁ বেশ্যাজনীৰ ডিঙি কান্ধত হাত দি প্ৰেমিকাৰ দৰে অভিনয় কৰি আছিল। কাশী চহৰৰ মানুহে এই দৃশ্য দেখি হাত চাপৰি মাৰি কৈছিল- "চোৱাহি, নীচ কবীৰ তাঁতীয়ে বেশ্যাক লগত লৈ মদৰ নিচাত বেশ্যাৰ ডিঙিত হাত দি মত্ত হৈ ঘূৰি ফুৰিছে।" পৰমেশ্বৰ কবীৰদেৱ ভক্তিৰ কবিতা গোৱাত মগ্ন হৈ আছিল আৰু জনতাই ভাবিছিল অভদ্ৰতাৰে বেশ্যাক সাৰটি ধৰি গান গাই আছে, মান-মৰ্য্যাদা মষিমূৰ কৰি পেলাইছে। কাশী নগৰৰ সকলো নাগৰিকে কবীৰদেৱক ব্যভিচাৰী ক'ব ধৰিলে। কিন্তু আচল ৰহস্যও উদ্দেশ্য কোনেও বুজি পোৱা নাছিল। পৰমেশ্বৰ কবীৰদেৱে সদ্গুৰু ৰূপত বহুতো শিষ্যক দীক্ষা দিছিল। শিষ্যৰ পাপৰ ভাৰ নিজৰ মূৰৰ ওপৰত লৈ থৈছিল। শিষ্যসকলে গুৰু আজ্ঞা পালন কৰিবলৈ এৰি দিছিল। কবীৰদেৱে এই পাপৰ ভাৰৰপৰা নিজকে মুক্ত কৰি আছিল। শিষ্যসকল এই লীলা দেখি নামদীক্ষা ত্যাগ কৰি কবীৰদেৱৰ পৰা দূৰ হৈ গ'ল। তেওঁৰ সৎসঙ্গ বিচাৰ শুনিবলৈকো সৎসঙ্গলৈ যাব এৰিলে। যিমান শিষ্যই নামদীক্ষা এৰিলে সেইসকলৰ ভাৰ কবীৰদেৱৰ মূৰৰপৰা আঁতৰিল- ভাৰমুক্ত হ'ল। কাশী চহৰৰ সকলো সম্প্ৰদায়ৰ মানুহে কৈছিল যে কবীৰদেৱ বেশ্যাৰ লগত ঘূৰি ফুৰিছে, এই কবীৰ তাঁতীক দেখিলেই পাপে চুব।

**বাণী নং ৭৩১-৭৫৪ ৰ শব্দাৰ্থ** ঃ- সেই সময়ত দিল্লীৰ ৰজা চিকন্দৰ লোধী কাশীত শিবিৰ পাতি আছিল, কোৱা বাহুল্য যে তেওঁ সম্পূৰ্ণ ভাৰতবৰ্ষৰ সম্ৰাট আছিল। সৰু সৰু ৰাজ্যবোৰ তেওঁৰ অধীনত আছিল। কাশীৰাজ বীৰদেৱ সিং বঘেলও চিকন্দৰৰ তলতীয়া আছিল। পৰমেশ্বৰ কবীৰদেৱেও আচৰিত লীলাবোৰ তেতিয়াহে কৰিছিল যেতিয়া দিল্লীৰ ৰজা চিকন্দৰে কাশীত শিবিৰ পাতি বহিছিল। পৰমেশ্বৰে জানে যে সকলো ধৰ্মৰ মানুহ লগতে অন্য সকলো জীৱ তেওঁৰেই নিজৰ সন্তান, তেওঁৰ শব্দ শক্তিৰ দ্বাৰাই উৎপন্ন হৈছে। এজন পিতৃ হিচাপে পৰমেশ্বৰ কবীৰদেৱে নিজৰ সন্তানক কাল ব্ৰহ্মৰ জালৰ পৰা উলিয়াই অনাৰ প্ৰচেষ্টা কৰিয়েই থাকে। পৰমেশ্বৰ কবীৰদেৱে বিচাৰিছিল যে কিবা প্ৰকাৰে চিকন্দৰে তেওঁৰ সামৰ্থ্যৰ কথা গম পাওক আৰু নিজৰ ৰাজ্যত এই সত্যজ্ঞানৰ প্ৰচাৰত সহযোগ কৰক আৰু নিজৰে কল্যাণ কৰাওক।

ভাৰতবৰ্ষত হিন্দু গুৰু-ব্ৰাহ্মণ আৰু মুছলমান কাজী-মোল্লাৰ মাজত কেতিয়াও মিল নাছিল। ধৰ্মৰ নামত কাজিয়াৰ সৃষ্টি কৰিছিল। কিন্তু কবীৰদেৱৰ কোনো ভূল তেওঁলোকে পোৱা মাত্ৰকে সকলোৱে এক হৈ কবীৰদেৱৰ প্ৰবল বিৰোধ কৰিছিল। কাৰণ পৰমেশ্বৰ কবীৰদেৱে দুয়ো ধৰ্মৰ প্ৰচাৰকৰ জ্ঞান ভূল বুলি প্ৰমাণিত কৰিছিল। তেওঁ কৈছিল যে এই ধৰ্ম প্ৰচাৰক সকলৰ নিজৰ নিজৰ ধৰ্মগ্ৰন্থৰো জ্ঞান নাই, সকলোৱে শাস্ত্ৰবিৰুদ্ধ জ্ঞান আৰু ভক্তি কৈ ফুৰে, ফলস্বৰূপে সাধক বা ভকতসকলে পৰমেশ্বৰৰপৰা কোনো আধ্যাত্মিক লাভ নাপায়।

কবীৰদেৱৰপৰা দীক্ষা লোৱাসকলে তুৰন্তে লাভ পাইছিল। সেইকাৰণে তেতিয়া পৰমেশ্বৰ

কবীৰদেৱৰ চৌষষ্ঠি লাখ শিষ্য হৈছিল। প্ৰথমতে সকলো মহাদুখী আছিল, কিন্তু দীক্ষা আৰু আশীৰ্বাদৰ ফলত সকলোৰে কষ্ট নষ্ট হোৱাত সকলো সুখী হৈছিল। হিন্দু আৰু মুছলমানৰ বহুসংখ্যক লোক কবীৰদেৱৰ অনুগামী হৈছিল। এইবাবেই ধৰ্মপ্ৰচাৰক (ধৰ্মগুৰু) সকলে কবীৰদেৱৰ ঘোৰ ঈৰ্ষা কৰিছিল। তেওঁলোকে এই ঘটনাক কবীৰদেৱৰ বিৰুদ্ধে অমোঘ অস্ত্ৰ বুলি ভাবিছিল। তেওঁলোকে ভাবিলে যে দিল্লীৰ সম্ৰাটো উপস্থিত আছে যেতিয়া আজিয়েই এই তাঁতীক মৃত্যুদণ্ড দিয়াব লাগিব। এনেদৰে চিন্তা-চৰ্চা কৰি দুয়ো ধৰ্মৰ হাজাৰ হাজাৰ লোক চিকন্দৰ ৰজাৰ বিশ্ৰাম গৃহত গ'ল। ৰজাই কথাৰ বুজ লৈ জনতাক প্ৰসন্ন কৰিবলৈ ক'লে যে এতিয়াই সেই কবীৰ তাঁতীক ধৰি আনি মৃত্যুদণ্ড দিয়াৰ ব্যৱস্থা কৰিম। সন্ত ৰবিদাস আৰু পৰমেশ্বৰ কবীৰদেৱক পুলিচে ধৰি-বান্ধি আনিলে। সন্ত ৰবিদাসক এৰি দিলে কাৰণ কবীৰদেৱে সকলো দোষ নিজে গাত ল'লে, ক'লে যে গণিকা বা ৰবিদাসৰ কোনো দোষ নাই তেওঁহে সকলো কৰিছে।

চিকন্দৰ লোধীৰ দূৰাৰোগ্য ৰোগ পৰমেশ্বৰ কবীৰদেৱৰ আশীৰ্বাদত সমাপ্ত হৈছিল। কমাল নামৰ ল'ৰা আৰু কমালী নামৰ ছোৱালীৰ মৰা শৰ লগতে ৰজা চিকন্দৰ লোধীয়ে হত্যা কৰা স্বামী ৰামানন্দৰ মৰা শৰ কবীৰদেৱে ৰজা চিকন্দৰৰ সন্মুখতে জীয়াই তুলিছিল। ৰজা চিকন্দৰেও কবীৰদেৱক গুৰু মানিছিল। কিন্তু অসংখ্য জনতাক দেখি আৰু ঘটনাটো (বেশ্যা প্ৰকৰণ) অক্ষমণীয় অপৰাধ মানি ৰাজ্যত আইনী ব্যৱস্থা অক্ষুন্ন ৰখাৰ উদ্দেশ্যে চিকন্দৰে কবীৰদেৱক গ্ৰেপ্তাৰ কৰাইছিল। আকৌ গুৰু মৰ্য্যদাৰ প্ৰতি লক্ষ্য ৰাখি ৰজাই কবীৰদেৱক সুধিছিল- "হে কবীৰদেৱ, আপুনি ইমান উচিত বিচাৰধাৰাত চলিছিল, এনে কাম কিয় কৰিলে ? আপুনি বেশ্যাক লগত ল'লে। আপুনি ভক্তিও পাহৰিলে। আপোনাৰ ভজন অৰ্থাৎ নাম খণ্ড হ'ল, ভক্তি নাশ কৰিলে।" কবীৰদেৱে উত্তৰত ক'লে,- "হে চিকন্দৰ বাদছাহ, আপোনাৰ প্ৰশ্নৰ উত্তৰ শুনক। যিজন পৰমেশ্বৰে সকলো ব্ৰহ্মাণ্ড নিৰ্মাণ কৰি সুৰক্ষিত থৈছে, তেওঁ মোৰো ৰক্ষা কৰিব।" ৰজা চিকন্দৰ লোধীয়ে জনতাক শান্ত কৰাৰ উদ্দেশ্যে নিজ হাতেৰে কবীৰ পৰমেশ্বৰক হাতকেৰেয়া মাৰিলে, ভৰিত শিকলিৰে বান্ধিলে আৰু ডিঙিত লোহাৰ খাৰু পিন্ধাই গঙ্গা নদীৰ মাজত পেলাই মৰাৰ আদেশ শুনালে। ৰজাৰ আদেশমতে কবীৰদেৱক নাৱেৰে গঙ্গা নদীৰ মাজভাগত নি পানীত পেলাই দিলে। পৰমেশ্বৰ কবীৰদেৱৰ হাত, ভৰি আৰু ডিঙিৰ সকলো বন্ধন এৰাই পানীত পৰিল আৰু পৰমেশ্বৰ কবীৰদেৱ পানীৰ ওপৰত বহি থাকিল। ইয়াক দেখি কাজীসকলে ক'লে যে কবীৰে যাদু-মন্ত্ৰকৰি পানী বান্ধিলে কাৰণে ডুব যোৱা নাই। কিছুসময় বহি থকাৰ পাছত আকৌ গঙ্গা নদীৰ পাৰলৈ সেই ঠাইত আহিল য'ৰপৰা নাৱত বহুৱাই লৈ যোৱা হৈছিল। তাত অৰ্থাৎ গঙ্গাৰ পাৰত হাজাৰ হাজাৰ লোক ঘটনাটো চাবলৈ উপস্থিত হৈছিল। কাজী, মোল্লা আৰু ব্ৰহ্মণসকলে চিন্তা কৰি ৰজাক ক'লে যে কবীৰৰ ডিঙিত শিলৰ গধুৰ বোজা বান্ধি নদীৰ মাজত পেলালেহে কবীৰ ডুবিব। লগে লগে নাৱত কবীৰদেৱক বহুৱাই ডিঙিত লোহাৰ শকত শিকলিৰে গধুৰ শিলৰ বোজা বান্ধি নদীৰ মাজত নি পানীত পেলাই দিলে। শিকলি ছিঙি পৰিল, গধুৰ শিলাখণ্ড পানীত ওপঙি বেগেৰে ৰজা চিকন্দৰৰ পিনে আহিল। কবীৰদেৱ পানীৰ ওপৰত সুখাসনত বহি থাকিল, তলেৰে গভীৰ সোঁত বৈ গৈছিল। পৰমেশ্বৰ কবীৰদেৱ পানীত নুডুবিল। পানীৰ ঢৌৱে যেন পৰমেশ্বৰৰ চৰণ চুই নাচি-বাগি

কলকল কৰে বৈ গৈছিল। ৰজাই আদেশ দিলে যে শৰ মাৰি কবীৰক শেষ কৰিব লাগে। বহু সময়লৈকে শৰ মাৰিও কবীৰদেৱ নমৰাত তোপ অনা হ'ল। তোপৰ গোলা আৰু শৰ সমানে নিক্ষেপ কৰা হ'ল। কিন্তু এটাও কবীৰদেৱৰ ফালে নগ'ল। কিছুমান গোলা নদীপাৰৰ নিচেই ওচৰত পানীত পৰিল, কিছুমান দূৰত পৰিল। তোপৰ কিছুমান গোলা দূৰৰ শুকান পুখুৰীত গৈ পৰিল। কিছুমান গোলা সোঁৰে-বাঁৱেও পৰিছিল। পৰমেশ্বৰ কবীৰদেৱৰ ওচৰলৈ এটাও গোলা বা শৰ নগ'ল। এই কুচেষ্টা চাৰি প্ৰহৰ অৰ্থাৎ বাৰ ঘন্টা ধৰি চলিল, কিন্তু কবীৰদেৱ নমৰিল। পূৰ্ণ পৰমাত্মা কবীৰদেৱ অবিনাশী হয়, অবিনাশীক কোনেনো মাৰিব পাৰে ? তেওঁ লীলাৰ মাধ্যমেদি জনতাক নিজৰ সামৰ্থ্য দেখুৱাই আছিল। কিন্তু কাল ব্ৰহ্মই বুদ্ধি হৰণ কৰি লোৱা বাবে কোনোৱে এই কথা ভাবি নাচালে যে এইজন কোনো সামান্য ব্যক্তি নহয়। ৰজা প্ৰজা মিলি সকলোখিনি কৰাৰ পাচত কোৱা কুই কৰিলে যে কবীৰদেৱক কেনেকৈ মৰা হ'ব। যেতিয়া তেওঁলোকে হাৰ মানিলে, তেতিয়া পৰমেশ্বৰ কবীৰদেৱ গঙ্গা নদীত জাঁপ মাৰি অন্তৰ্ধান হ'ল। উপস্থিত জনতা আৰু ৰজাই মানি ল'লে যে কবীৰদেৱ পানীত ডুবি মৰিল। মৰাশ নিশ্চয় শিল-বালিত পোত খালে। কবীৰদেৱ মৰাৰ আনন্দত মানুহে ঢোল বজালে, গান গাই নাচিলে, মিঠাই বিতৰণ কৰিলে। ৰজাও বিশ্ৰাম গৃহলৈ ৰাওনা হ'ল। কাজী, মোল্লা, পণ্ডিত মিলিজুলি সন্ত ৰবিদাসৰ ঘৰলৈ গ'ল। তাত তেওঁলোকে ভিতৰৰপৰা কবীৰদেৱৰ মাত শুনি পালে। তেওঁ পৰমেশ্বৰৰ মহিমা কবিতা ৰূপত গাই আছিল। দুষ্টসকল ৰবিদাসক ক'বলৈ গৈছিল যে যাক তেওঁ অবিনাশী মানি আহিছে, সেই কবীৰ মৰি গ'ল। কিন্তু ঘৰৰ ভিতৰত কবীৰদেৱ ৰবিদাসৰ ওচৰতে বহি আছিল। দুয়ো কবিতা পাঠ কৰি আছিল । তুৰন্তে উভতি গৈ কাজী-পণ্ডিতে চিকন্দৰক ক'লে কবীৰ মৰা নাই, তেওঁ ৰবিদাসৰ ঘৰত বহি আছে। তাকে শুনি কাশীৰ কাজী-মোল্লা, পণ্ডিত আৰু অগণন জনতা ৰবিদাসৰ ঘৰত গ'ল। তাত কবীৰদেৱৰ কথা সুধিলে। তেওঁ ক'লে যে অলপতে তেওঁৰ ঘৰৰপৰা ওলাই গৈছে। ৰজা প্ৰজা সকলো গঙ্গাৰ পাৰলৈ গৈ দেখে যে কবীৰদেৱ আগৰগদৱেই পানীৰ ওপৰত বহি আছে, নদীৰ একেবাৰে মাজত বহি আছে। পানী জাহাজত চালক আৰু দুই-চাৰিজন লোক নদীৰ মাজলৈ গৈ কবীৰদেৱক ক'লে যে ৰজা চিকন্দৰে তেওঁক মাতি পঠাইছে। জাহাজৰ পৰা জখলা শিকলিৰে বান্ধি পানীত ওলমালে। কবীৰদেৱ জখলা বগাই জাহাজত বহি গঙ্গা নদীৰ পাৰলৈ আহিল, লগে লগে তেওঁক গ্ৰেপ্তাৰ কৰা হল।

* **খুনী হাতীৰ দ্বাৰা কবীৰ পৰমেশ্বৰক মৰাৰ ব্যৰ্থ চেষ্টা ঃ**

খুনী হাথী মস্ত হৈ, পগ বন্ধে জঞ্জীৰ। গৰীবদাস জহাঁ ডাৰিয়া, মসক বাঁধি কবীৰ।।৭৬৭।। সিংহ ৰূপ মাহিব ধৰয়া, ভাগে উল্টে ফিল। গৰীবদাস নহী সমঝতী, য়াহ দুনিয়া খলীল।।৭৬৮।। বনে কেহৰী সিংহ জিত, চৌ শিখৰ অসমান। গৰীবদাস হস্তী লখ্যা, দিখে নাহি জিহান।।৭৬৯।। কুটৈ চীচ মহাবত বনে, অঙ্কুচ চীৰ গৰগাপ। গৰীবদাস উল্টা ভগৈ, তাৰী দিজৈ থাপ।।৭৭০।। ভালে কোখৌ মাৰিয়ে চৰখী ছুটৈ পাখ। গৰীবদাস নহী নিকট জায়, কিলকী দেৱৈ লাখ।।৭৭১।। জৈসী ভক্তি কবীৰ কী, ঐসী কৰৈ ন কোয়। গৰীবদাস কুঞ্জৰ থকে, উল্টে ভাগে ৰোয়।।৭৭২।। দুম গোৰৈ মুণ্ডী ধুনৈ, সৈন ন সমঝৈ এক। গৰীবদাস দিখৈ নহী, আগৈ

খড়া অলেখ।।৭৭৩।। পীলৱান দেখ্যা তবৈ, খড়া কেহৰী সিংখ গৰীবদাস আয়ে তহাঁ, ধৰি মৌলা বহু ৰঙ্গ।।৭৭৪।। উত্তৰে মৌলা অৰস তৈ, ভাৱ ভক্তি কৈ হেত। গৰীবদাস তব শাহ লখে, কবীৰ পুৰুষ সহেত।।৭৭৫।। লীলা কী কবীৰ নে, দো ৰূপ মে ৰহে দীশ। দাসগৰীব কবীৰ কৈ, পাস খড়ে জগদীশ।।৭৭৬।। জমভাই অঙ্গড়াইয়া, লম্বে ভয়ে দয়াল। গৰীবদাস উস শাহ কুঁ, মানৌ দৰ্শ্যা কাল।।৭৭৭।। কোটি চন্দ্ৰ শশী ভান মুখ, গিৰদ কুণ্ড দুম লীলা। গৰীবদাস তহাঁ না টিকে, ভাগি গয়ে ৰণফিল।।৭৭৮।। নয়ন লাল ভৌহঁ পীত হৈ, ডুঙ্গৰ নক পহাৰ। গৰীবদাস উস শাহ কো, সিংহ ৰূপ দীদাৰ।।৭৭৯।। মস্তক শিখৰ স্বৰ্গ লগ, দীৰঘ দেহ বিলন্দ। গৰীবদাস হৰি উত্তৰে, কাটন জম কে ফন্দ।।৭৮০।। গিৰদ নাভি নিৰভৈ কলা, দুদকাৰৈ নহী কোয়। গৰীবদাস ত্ৰিলোকী মেঁ, গাজ তাস কী হোয়।।৭৮১।। জ্যুঁ নৰসিংহ প্ৰহ্লাদকৈ, য়ুঁ ৱহ নৰসিংহ এক। গৰীবদাস হৰি আইয়া, ৰাখন জনকী টেক।।৭৮২।। বাৰ-বাৰ সতায় কৰ, মস্তক লীনা ভাৰ। গৰীবদাস শাহ য়ৌ কহৈ, বকসৌ ইবকী বাৰ।।৭৮৩।। তহাঁ সিংহ ল্যৌলীন হুৱা, পৰচা ইবকী বাৰ। গৰীবদাস শাহ য়ৌ কহৈ, অল্লহ দিয়া দীদাৰ।।৭৮৪।। সুন কাশী কে পণ্ডিতৌ, কাজী মুল্লাঁ পীৰ। গৰীবদাস ইসকে চৰণ ল্যৌহ, অলহ অলেখ কবীৰ।।৭৮৫।। য়ৌহ কবীৰ অল্লাহ হৈ, উতৰে কাশী ধাম। গৰীবদাস শাহ য়ৌ কহৈ, ঋগৰ মুয়ে ৰে কাম।।৭৮৬।। কাজী পণ্ডিত ৰুঠিয়া হম ত্যাগ্যা য়োহ দেশ। গৰীবদাস ষটদল কহৈ, যাদু সিহৰ হমেশ।।৭৮৭।। ইন যাদু জন্তৰ কিয়া, হস্তী দিয়া ভগায়। গৰীবদাস ইত না ৰহৈ, কাশী বিডৰী জায়।।৭৮৮।। কাশী বিডৰী চহৌ দিশা, থাঁভন হাৰা এক। গৰীবদাস কৈসে থঁভে বিডৰে বৌহত অনেক।।৭৮৯।।

**শব্দাৰ্থ ঃ** বাণী নং ৭৬৭-৭৮৯ ঃ পৰমেশ্বৰ কবীৰদেৱক হাত-ভৰি বান্ধি ঘোৰ অপৰাধীক শাস্তি দিয়া পথাৰৰ মাজত পেলাই থ'লে। সেই পথাৰখন বৰ্তমানৰ ষ্টেডিয়ামৰ দৰে আছিল। ৰজা আৰু পদাধিকাৰী ষ্টেজত বহিছিল। দৰ্শক চাৰিওফালে থিয় হৈছিল। মানুহক মাৰিবলৈ হাতীক প্ৰশিক্ষণ দিয়া হৈছিল, তাক মদ আৰু তেজ খোৱাত অভ্যস্ত কৰা হৈছিল। এনে হাতীক খুনী হাতী বোলা হৈছিল। ৰজা চিকন্দৰ আৰু-অন্য মন্ত্ৰীসকল বহি আছিল। চাৰিওফালে প্ৰজাসকল থিয় হৈ আছিল। মাউতে কবীৰদেৱক মাৰিবলৈ খুনী হাতীক সেইফালে নিয়াত পৰমেশ্বৰ কবীৰদেৱে এটা সিংহৰ ৰূপ দেখুৱালে, মাত্ৰ হাতীটোৱেহে এইৰূপ দেখা পাইছিল। হাতীয়ে মদ খাইছিল, সিংহক দেখি ভয়তে পিচ হুঁহকিল। মাউতে হাতীক যাঠিৰে খুঁচিলে কিন্তু হাতীটো কবীৰদেৱৰ ফালে নগ'ল। পৰমেশ্বৰ কবীৰদেৱে মাউতকো সিংহ থিয় হৈ থকা দেখুৱালে। মাউত ভয়তে হাতীৰ পিঠিৰ পৰা পৰিল, হাতী পলাল। পৰমেশ্বৰ কবীৰদেৱৰ বন্ধন ছিঙি গ'ল, তেওঁ থিয় হ'ল, হাত-ভৰি মেলিলে আৰু হামিয়ালে। তেওঁ বৰ ওখ হ'ল, মূৰে আকাশ চুলে, শৰীৰৰ পৰা অসংখ্য সূৰ্যৰ প্ৰকাশ ওলাই আছিল - এইটো মাত্ৰ ৰজা চিকন্দৰেহে দেখা পালে। ৰজা ভয়ভীত হৈ থিয় হ'ল, আৰু পথাৰৰ মাজলৈ আহি ক'লে- মোৰ প্ৰাণ ৰক্ষা কৰক, মই ডাঙৰ ভূল কৰিলোঁ। মই পৰমেশ্বৰৰ দৰ্শন পালোঁ।" জনতাক ৰজাই ক'লে যে কবীৰদেৱ আল্লাহু আকবৰ হয়, কবীৰ ৰূপত পৃথিৱীত আহিছে, তেওঁৰ চৰণ চুই নিজৰ কল্যাণ কৰাওক। কিন্তু কৰ্মহীন কাজী-মোল্লা-পণ্ডিতে ক'বলৈ ধৰিলে যে কবীৰদেৱে যাদু-মন্ত্ৰ কৰি হাতীক খেদিলে। আমিও গ'লো বুলি কৈ সেই পাপাত্মাসকলো গুচি গ'ল। পৰমেশ্বৰে নিজৰ

শৰীৰ সাধাৰণ কৰিলে আৰু সিংহকো অদৃশ্য কৰিলে আৰু নিজৰ জুপুৰিলৈ গ'ল।

## দীক্ষা লোৱা পাছত

পূৰ্ণ গুৰুদেৱৰ পৰা দীক্ষা লৈ সম্পূৰ্ণ বিশ্বাসেৰে গুৰুদেৱৰ দ্বাৰা কোৱা সাধনা সম্পূৰ্ণ নিষ্ঠাৰে কৰিব। ১. কবীৰদেৱে কৈছে যে ঃ ধৈৰ্য্য ধৰিব

কবীৰ ধীৰে-ধীৰে ৰে মনা, ধীৰে সব কুছ হোয়।
মালী সীচেঁ সৌ ঘড়া, সময় আয় ফল হোয়।।

ভাৱাৰ্থ ঃ- উদাহৰণস্বৰূপে মালীয়ে আমৰ বীজ সিঁচে। তাত পানী দিয়ে। কিছুদিন পিছত বীজ আংকুৰিত হোৱা দেখা যায়। তেতিয়াও মাজে সময়ে পানী দি থাকে। ৰক্ষণাবেক্ষণৰ বাবে কাঁইটিয়া জোপোহাৰে বেৰ দিয়ে। এটা আমপুলিৰ পৰা ৰক্ষা গছ হবলৈ ৮-১০ বছৰ লাগে। তেতিয়ালৈকে মালীয়ে পুলিত পানী দিয়েই থাকে। আমৰ গছ পুৰঠ হোৱাৰ পাছত হে আম (ফল) ধৰে। ইমান বেছিকৈ ফল ধৰে যে পৰিয়ালে খোৱাৰ উপৰিও বিক্ৰী কৰি খৰছ পাতি আদিও চলায়। এইদৰেই ভক্তিনাম ৰূপী বীজ সিঁচি, দীক্ষা লৈ তাৰ স্মৰণ দান ৰূপী পানী যোগান ধৰি থাকিব লাগে। আমৰ পুলিৰ দৰে লাহে-লাহে ভক্তি ৰূপী গছ হোৱাৰ পিছত সুখেই সুখ হ'ব। যেনেকৈ আমৰ গছত বহুত আম লাগিলে, খালে বেছিলে, ধন উপাৰ্জন কৰিলে। তেনেদৰে ভক্তই ধৈৰ্য্য ধৰিব লাগিব। লাহে-লাহে ভক্তিৰ পৰিনাম দেখা পোৱা যাব।

২. বিশ্বাস ঃ পৰমাত্মাৰ ভক্তিৰ লাভ, সেইজনে পাব যিজনে পৰমাত্মাৰ মহিমাত সম্পূৰ্ণৰূপে বিশ্বাস কৰে।

## পৰমাত্মাৰ বাবে একো আসম্ভৱ নহয়

নগৰৰ পৰা দূৰত এখন হাবিত দুজন মহাত্মাই সাধনা কৰি আছিল। এজনে চল্লিশ বছৰ ধৰি সাধনা কৰি আছিল। আনজন যোৱা দুবছৰ ধৰি সাধনা কৰি আছিল। পৰমাত্মাৰ দৰবাৰৰ এজন দেৱদূত প্ৰতিদিনে কিছু সময় সেই দুজন সাধকৰ ওচৰত বহিছিল। দুজনৰ ভিতৰত এজনৰ আশ্ৰম গাঁৱৰ পূৱে আৰু আনজনৰ পশ্চিমে আছিল। ডাঙৰজনৰ আশ্ৰম পশ্চিমত আৰু সৰু জনাৰ পূৱৰ হাবিত আছিল।

দেৱদূত প্ৰতিদিন এঘন্টাকৈ দুয়োজনৰ লগত বহিছিল। পৰমাত্মাৰ চৰ্চা হৈছিল। দুয়ো সাধকৰ ভাল সময় অতিবাহিত হৈছিল। এদিন দেৱদূতে ভগৱান বিষ্ণুক ক'লে, "ভগৱান কপিলা নগৰৰ বাহিৰত আপোনাৰ পৰম ভক্ত দুজন আছে। শ্ৰীবিষ্ণুৱে কলে যে এজন হলে পৰমভক্ত হয়, অন্যজন কিন্তু দৃঢ় ভক্ত নহয়, দেখাত হে ভক্ত। দেৱদূতে ভাবিলে যে চল্লিছ বছৰ ধৰি সাধনা কৰি থকাজন দৃঢ়ভক্ত হ'ব, কাৰণ দীঘল দীঘল দাড়ি মূৰত দীঘল জঁটা আৰু সময়ো চল্লিশ বছৰ কম নহয়। দেৱদূতে ক'লে, "হে প্ৰভু! চল্লিশ বছৰ ধৰি সাধনা কৰি থকাজন আপোনাৰ পৰমভক্ত হ'ব নিশ্চয়।" প্ৰভুৱে ক'লে, "নহয়, অন্যজন পৰমভক্ত, যি দুবছৰ ধৰি সাধনাৰত। দেৱদূত মোৰ কথা বিশ্বাস হোৱা নাই, নহয়নে ? দেৱদূতে ক'লে, "প্ৰভু বিশ্বাস নোহোৱা নহয়, কিন্তু মোৰ তুচ্ছ জ্ঞানে কৈছে যে বেছি বয়সস্থ জনেই ভাল ভক্ত হব। শ্ৰীবিষ্ণুৱে ক'লে, "অহাকালি আপুনি পলমকৈ পৃথিৱীলৈ যাব। দুয়ো পলম হোৱাৰ কাৰণ সুধিব। আপুনি ক'ব যে আজি প্ৰভুৱে বেজীৰ জলঙাৰে হাতী পাৰ কৰা কথা আছিল। সেই

লীলা চাইহে আহিলোঁ। সেই কাৰণে পলম হ'ল। যি উত্তৰ পাব, তাৰ পৰাই আপুনি জানিব পাৰিব পৰম ভক্ত কোনজন হয়।" আগতে প্ৰতিদিন দেৱদূত প্ৰায় ৮ বজাত (ৰাতিপূৱা) ডাঙৰ জন সাধকৰ ওচৰলৈ গৈছিল আৰু প্ৰায় ১০ বজাত সৰু জনাৰ ওচৰলৈ গৈছিল। পিছদিনা ডাঙৰজনৰ ওচৰলৈ দিনৰ ১২ বজাত গৈ পালে। পলমকৈ আহাৰ কাৰণ সোধাত ক'লে যে আজি দিনৰ ১১-৩০ বজাত পৰমাত্মাই লীলা কৰিব লগা আছিল, সেইটো চাই আহিলোঁ। চল্লিশ বছৰ সাধনা কৰা জনে সুধিলে যে প্ৰভূৱে কি লীলা কৰিলে ? কওকচোন বুলি ক'লে। দেৱদূতে ক'লে যে শ্ৰীবিষ্ণুৱে অদ্ভূত কাৰ্য্য কৰিলে। হাতীক বেজীৰ বিন্ধাৰে পাৰ কৰি দিলে। এইটো শুনি ভক্তই ক'লে, "দেৱদূত এনেকুৱা মিছা মাতিব লাগে যে শুনা জনেও বিশ্বাস কৰক। এইটো কেনেকৈ সম্ভৱ যে হাতী বেজীৰ জলঙাৰে পাৰ হ'ব পাৰিব। মোৰ সন্মুখত পাৰ কৰি দেখাওক। দেৱদূতে বুজি পালে যে ভগৱানে সত্য কথা কৈছিল। এইজন পশু হয়, ভক্ত নহয়। পৰমাত্মাৰ ওপৰত বিশ্বাস নাই যে তেওঁ সক্ষম, সমৰ্থৱান। যি কাম মানুহে কৰিব নোৱাৰে, সেই কাম পৰমাত্মাই কৰিব পাৰে। সেই ভক্তৰ ভক্তি ব্যৰ্থ আৰু কৃত্ৰিম। দেৱদূতে নমস্কাৰ কৰি গুচি গ'ল আৰু সৰু ভক্তৰ ওচৰলৈ আহিল। ভক্তই পলমকৈ অহাৰ কাৰণ সোধাত দেৱদূতে সংকোচ কৰি উত্তৰ দিছিল এইটো ভাবি যে এওঁ বা আকৌ কি ভূল কথা ক'ব। দেৱদূতে ক'লে "ভক্ত কিনো কওঁ ? পৰমাত্মাই আচৰিত অদ্ভূত কাম কৰিলে। দেখিয়েই চকু লাগি ৰ'ল। পৰমাত্মাই হাতীক বেজীৰ বিন্ধাইদি পাৰ কৰি দিলে। কথা শুনি ভক্তই ক'লে, "হে দেৱদূত ইয়াত নো আচৰিত হবলগীয়া কিটো আছে ? পৰমাত্মাই সম্পূৰ্ণ পৃথিৱীক বেজীৰ জলঙাৰে পাৰ কৰি দিব। হাতী পাৰ কৰাটো নো কি ডাঙৰ কথা ? দেৱদূতে ভক্তক বুকুত সাৱটি ধৰিলে আৰু ক'লে, "ধন্য আপোনাৰ মা-দেউতা যি আপোনাক জন্ম দিলে। পৰমাত্মাৰ প্ৰতি থকা আপোনাৰ অটল বিশ্বাসক মই মানিছোঁ।

পাঠকসকল এইবোৰ মাত্ৰ উদাহৰণহে। আচলতে ভক্তৰ পৰমাত্মাৰ প্ৰতি পূৰ্ণ বিশ্বাস হ'ব লাগিব যে ভগৱানে যি ইচ্ছা তাকে কৰিব পাৰে। যদি কোনোবাই ভগৱানে এইটো কৰিব নোৱাৰে, সেইটো কৰিব নোৱাৰে বুলি কয়, তেতিয়া তেওঁৰ ভক্তি কৰাৰ অধিকাৰ নাই। ভক্তিৰ নাটক কৰি নিজৰ সময় কিয় মিছাতে নষ্ট কৰে। পৰমাত্মাৰ ওপৰত ভক্তি কৰি ভক্তি পথত আগবাঢ়িলে লক্ষত উপস্থিত হ'ব।

৩. পৰমাত্মাই যি কৰে ভালেই কৰে ঃ দীক্ষা লোৱাৰ পিছত ভক্তৰ ভক্তি পথত যিমানেই কষ্ট আহিলেও, এইটোৱে ভাবিব লাগে যে পৰমাত্মাই যি কৰিছে, ভক্তৰ ভালৰ বাবেই কৰিছে।

কথা ঃ এজন ৰজা আৰু তেওঁৰ মহামন্ত্ৰী একে জন গুৰুৰ শিষ্য আছিল। মহামন্ত্ৰীক পূৰ্ণ বিশ্বাস পৰমাত্মাৰ ওপৰত আছিল, কিন্তু ৰজাই সৎসঙ্গ শুনাৰ বাবে কম সময় পাইছিল। সেইকাৰণে তেওঁ পৰমাত্মাৰ বিধানৰ লগত সম্পূৰ্ণৰূপে পৰিচিত নাছিল। কিন্তু শ্ৰদ্ধাৰে ভক্তি কৰিছিল। মহামন্ত্ৰীক ৰজাই সদায় নিজৰ লগত ৰাখিছিল। আনৰ তুলনাত তেওঁক বেছি সন্মান কৰিছিল। এই কথাৰ বাবেই এজন মন্ত্ৰীয়ে মহামন্ত্ৰীক ঈৰ্ষা কৰিছিল। তেওঁ মহামন্ত্ৰীক ৰজাৰ চকুত হীন প্ৰতিপন্ন কৰিবৰ বাবে মহামন্ত্ৰীৰ পদবী দিয়াটো বিচাৰিছিল। তাৰ বাবে ৰজাক বাৰে বাৰে কৈছিল, "মহাৰাজ এই মহামন্ত্ৰী জন বিশ্বাসপাত্ৰ নহয়।" এওঁ আপোনাক যিকোনো

সময়তে বিশ্বাসঘাতক কৰিব পাৰে।” এদিন ৰজা, মহামন্ত্ৰী, সেই তোষামোদকাৰী মন্ত্ৰী আৰু অন্য মন্ত্ৰীসকল কোনো অন্য চহৰলৈ যোৱাৰ বাবে ৰাজমহলৰ ভিতৰ চৰাত থিয় হৈ আছিল। ৰজাই নিজৰ তৰোৱাল উলিয়াই লৈ তাৰ ধাৰ পৰীক্ষা কৰিব ধৰিলে, লগতে অন্যমন্ত্ৰী সকলৰ লগত কথাও পাতি আছিল। অন্যমনস্ক হোৱাৰ ফলত ৰজাৰ আঙুলি এটা খহি পৰিল। তোষামোদ কাৰীয়ে কলে, “মহাৰাজ এয়া কি হ’ল ? আমাৰ ৰজা কিমান সুন্দৰ আছিল। আজি আমাৰ দুৰ্ভাগ্য, হায় এয়া কি হৈ গ’ল ? প্ৰজাৰ কোনটো বোজা নিজে মূৰ পাতি ল’লে ? “মহামন্ত্ৰীয়ে কলে, “ভালেই হল। পৰমাত্মাই যি কৰে ভালেই কৰে।” ৰজা বেদনাত ব্যাকুল হৈছিল, তাতে মহামন্ত্ৰীৰ এনে শব্দ শুনাত খং কৰি তেওঁক জেলত দিবলৈ সৈনিকক আদেশ দিলে। আদেশ পালন কৰা হ’ল। তোষামোদ কৰা জনক মহামন্ত্ৰী নিযুক্তি দিলে। আঙুলিৰ চিকিৎসা কৰালে। ছয়মাহত আঙুলিৰ ঘা শুকাই ভাল হ’ল। কোনো বিষ নাথাকিল। এতিয়া ৰজাৰ সোঁ হাতত তিনিটা আঙুলি আৰু বুঢ়া আঙুলিটো আছিল। ৰজা নিজৰ নতুন মহামন্ত্ৰীৰ প্ৰতি অতি প্ৰসন্ন আছিল। কাৰণ তেওঁ বৰ তোষামোদ কৰিছিল। তেওঁ ৰজাক কৈছিল, “মহাৰাজ মই আপোনাক বহুবাৰ কৈছিলোঁ যে সেইজনে আপোনাক বিশ্বাসঘাতক কৰিব। আপুনি নিজ কানেৰে তেওঁক কোৱা শুনিলে যে আঙুলি কটাত ভালেই হ’ল। তেওঁ আপুনি মৰিলে সুখী হ’ব। কেতিয়াবা আপোনাক মৰাব। ৰজাই সেই তোষামোদ কৰা জনৰ প্ৰত্যেক কথা সত্য বুলি মানিব ধৰিলে। এদিন ৰজা সেই নতুন মহামন্ত্ৰীৰ লগত হাবিলৈ চিকাৰ কৰিবলৈ গল। দুয়ো হাবিৰ বহুত ভিতৰলৈ সোমাই গ’ল। অৰণ্যত জংগলী মানুহ আছিল। তেওঁলোকে দুয়োকে ধৰি নিজৰ পুৰোহিতৰ ওচৰলৈ লৈ গ’ল। সেই দিনা জঙ্গলী মানুহৰ কিবা উৎসৱ আছিল। এজন মানুহক কাটি দেৱীক উচৰ্গা কৰিব লগা আছিল। তেওঁলোকে দুজন পালে। পুৰোহিতে ক’লে যে দুজন লৈ আহিছা যেতিয়া দুয়োজনকে বলি দিম। দেৱী বেছি প্ৰসন্ন হ’ব। কিন্তু প্ৰথমতে এওঁলোকৰ পৰীক্ষা কৰা যাতে কোনো অঙ্গক্ষত হোৱা নাই অৰ্থাৎ অন্ধ, কণা, আঙুলি কটা হোৱা নাই। পৰীক্ষাত দেখা গ’ল এজনৰ হাতৰ আঙুলি এটা কটা আছে। পুৰোহিতে কলে যে এইজনক এৰি দিয়া, আনজন ভাল আছে যদি বলি দিয়া। সেই সময়তে ৰজাক এৰি দিলে আৰু তোষামোদকাৰী মহামন্ত্ৰীৰ ৰজাৰ সন্মুখতে ডিঙি কাটি দেৱীক উচৰ্গা কৰি দিলে। ৰজা নিজৰ মহললৈ আহিল। পোনেই জেললৈ গ’ল আৰু মহামন্ত্ৰীক মুকলি কৰিলে। ৰজাই মহামন্ত্ৰীক বুকুত সাৱটি ধৰিলে আৰু ক’লে যে তেওঁৰ আঙুলি কটা দেখি মহামন্ত্ৰীয়ে কৈছিল যে ভগৱানে যি কৰে ভালেই কৰে। সেই কথা শুদ্ধ আছিল। যদি সিদিনা তেওঁৰ আঙুলি কটা নগল হয় আজি তেওঁৰ জীৱন গলহেঁতেন। ভগৱানে ভালেই কৰিলে। ৰজাই আকৌ কলে যে তেওঁৰ নিজৰ কাৰণে ভালেই হল কিন্তু মহামন্ত্ৰীয়ে বিনা দোষত ছমাহ জেল খাটিব লগা হ’ল। ৰজাই মহামন্ত্ৰীক সুধিলে যে মহামন্ত্ৰীৰ বাবে কিটো ভাল হ’ল। মহামন্ত্ৰীয়ে ক’লে যে আজি তেওঁ জেলত নথকাহেতেঁন তেওঁ ৰজাৰ লগত গ’লে হয়। হাবিত তেওঁৰ ডিঙি কটা গ’লহেতেঁন। ছয়মাহ জেল খটাৰ বাবদ মোৰ প্ৰাণ ৰক্ষা পৰিল। তেওঁৰ কাৰণে এইটো ভাল হৈছে বুলি মহামন্ত্ৰীয়ে ক’লে।

এনেদৰে ভক্তই পৰমাত্মাৰ ওপৰত বিশ্বাস কৰি নিজৰ জীৱন যাত্ৰাত আগবাঢ়িব লাগিব-

এক লেৱা এক দেৱা দুতম।
কোই কিসীকা পিতা ন পুতম।।

এজন কৃষকৰ ঘৰত এজন পুত্ৰ জন্ম হল। পুত্ৰ আঠবছৰৰ হওঁতে পত্নীৰ মৃত্যু হ'ল। কৃষকৰ ষোল্ল একৰ মাটি আছিল। কিছু বছৰ পিছত তেওঁ দ্বিতীয় বিবাহ কৰিলে। সেই পত্নীৰ ফালৰ পৰাও এজন পুত্ৰ হল। কিছু বছৰ পিছত সেই পত্নীৰো মৃত্যু হল। কৃষকৰ প্ৰথম পত্নীৰ পুত্ৰ ষোল্ল বছৰৰ হল। তেওঁৰ বিয়া পাতি দিলে। কৃষক জনৰো মৃত্যু হ'ল। সৰুজন পুত্ৰ ১০-১২ বছৰ বয়সৰ পৰা ৰুগীয়া হৈ পৰিল। অলপ দিন চিকিৎসা কৰালে। আকৌ ককায়েক (মাহী আইৰ ল'ৰা) আৰু তেওঁৰ পত্নীয়ে চিন্তা কৰিলে চিকিৎসাত কিয়নো খৰচ কৰিব লাগে। যদি মৃত্যু হয় তাৰ ভাগৰ আঠ একৰ মাটিও নিজৰ হ'ব। এই ভাৱি যিজন বৈদ্য ওচৰৰ গাওঁৰ পৰা চিকিৎসাৰ বাবে আহিছিল, তেওঁক লৰাজনৰ ঔষধত বিহ মিহলি কৰি দিবলৈ ক'লে। বিনিময়ত ধন দিম বুলিও ক'লে। পাঁচশ টকাৰ লোভত বৈদ্যই ঔষধত বিহ মিহলি কৰি দি সেইজন ল'ৰাক মাৰিলে। গাঁৱৰ মানুহক কৈ দিয়া হল যে বেমাৰত মৰিল। কোনেও সন্দেহ নকৰিলে। ল'ৰাজন বেমাৰত মৰিল বুলি সকলোৰে ভাবিলে।

সেই মাহী আইৰ ল'ৰাৰ মৃত্যুৰ এবছৰ পিছত ককায়েকৰ এজন পুত্ৰ হ'ল। আনন্দত আত্মহাৰা হ'ল। ল'ৰা জন্ম হোৱাৰ আনন্দত ভোজ খুৱালে। গোটেই গাঁৱত মিঠাই বিলালে। তাৰ পিছত কোনো সন্তান নহ'ল। একমাত্ৰ লৰাক অতি আদৰেৰে পোহপাল দিলে। ভালদৰে ঘিঁউ, গাখীৰ, দৈ খুৱাই বুৱাই হৃষ্ট-পুষ্ট কৰি তুলিলে। ষোল্ল বছৰ বয়সত বিয়া পাতি দিলে। সেই সময়ত বাল্য বিবাহ সন্মানৰ কথা আছিল। সেই ল'ৰাজন ৰুগীয়া হল। বেজৰ ওপৰত বেজ মাতিলে। দামী দামী ঔষধ খুৱালে কিন্তু ব্যৰ্থ হল। সেই সময়ৰ কথা, এমাহত এক হাজাৰৰ ঔষধ খুৱালে। হীৰা ভষ্ম, মোতী ভষ্ম আদিও ঔষধত মিহলাই খুৱালে। ফলত আঠ একৰ মাটি বেচিব লগা হ'ল। কিন্তু ৰোগ নকমিল, বৰঞ্চ বাঢ়িহে গ'ল। ল'ৰাৰ মৃত্যুৰ ক্ষণ ওচৰ চাপিল। ল'ৰাৰ দেউতা চিন্তিত মনেৰে পুত্ৰৰ ওচৰত বহি আছিল। সেই সময়তে লৰাই ক'লে "দাদা, এটা কাম কৰক।" দেউতাই কলে, "পুত্ৰ মই তোৰ দেউতাহে।" ল'ৰাই আকৌ ক'লে যে সি তাৰ ভাই হয়, যাক বিহ দি মাৰি দয়া হৈছিল। মই নিজৰ প্ৰতিশোধ লববৈ আপোনাৰ পুত্ৰৰূপত জন্ম লৈছো। ল'ৰাজনৰ মা তাতেই আছিল। ল'ৰাজনে ক'লে যে আঠ একৰ মাটি মোৰ অংশৰ আছিল। সেইটো মই লৈ ললোঁ। এতিয়া মাত্ৰ শৰত দিয়া কাপোৰ আৰু খৰিৰ হিচাব বাকী আছে। তাৰ ব্যৱস্থা কৰক। এই কথা শুনি দেউতা ওৰফে ককায়েকৰ মুখ মেল খাই থাকিল। নিজৰ কুকৰ্মৰ বাবে দুয়ো (পতি-পত্নী) অনুশোচনা কৰিলে। পৰমাত্মাৰ বিধান অটল। ককায়েকে পুত্ৰ ৰূপত জন্মা ভায়েকক সুধিলে, "আমি লোভত পৰি যি পাপ কৰিলোঁ, তাৰ ফল পৰমাত্মাই আমাক দিছে, যি উদ্দেশ্যৰ বাবে আপোনাৰ প্ৰাণ নাশ কৰিলোঁ, সেই আঠ একৰ মাটি গ'ল আৰু অন্য সন্তানো নাই। এই বাকী থকা মাটিও অন্য কোনোবাই ল'ব। আমাৰ সৰ্বনাশ হ'ল, এয়া হোৱাই ভাল। পৰমাত্মাই ন্যায় কৰিছে। কিন্তু যিজনী ছোৱালী আপোনাৰ পত্নী ৰূপত আছে, তেওঁ কি অপৰাধ কৰিছিল ? তাইকো সতী প্ৰথা অনুসৰি আপোনাৰ লগত জীয়াই জীয়াই পুৰি মৰা হ'ব। এইৰ লগত ভগৱানে অন্যায় কৰিছে। "ভায়েক ওৰফে পুত্ৰই কলে,

“মোৰ মৃত্যুৰ দুই বছৰ পিছত সেই বৈদ্য মৰিছিল যিজনে পাঁচশ টকাৰ লোভত পৰি মোক বিহ দি মাৰিছিল, এই পত্নী সেই বৈদ্যৰ আত্মা হয়। এইক সেই ফল দিয়া হব। জীয়াই পুৰি মৰা হ’ব। সেই সময়ত সতী প্ৰথা জোৰেৰে প্ৰচলিত আছিল। পতিৰ মৃত্যুৰ পিছত পত্নীক একেখন চিতাতে পুৰি মৰা হৈছিল।

প্ৰিয় পাঠক সকল, ভাবি চাওক, পৰমাত্মাৰ দৃষ্টিৰ পৰা একো লুকাই থাকিব নোৱাৰে। যেনে কৰ্ম তেনে ফল হ’ব। প্ৰত্যেক পৰিয়াল এইদৰে সংস্কাৰ বশতঃ লগ লাগিছে। কোনোবা পূৰ্বজন্মৰ ধাৰ মাৰিবলৈ আহিছে, কোনোবা পূৰ্বজন্মৰ দিয়া ধাৰ লবলৈ আহিছে। উদাহৰণৰ বাবে -

১) দেউতাই লৰাক পঢ়াই-শুনাই ডাঙৰ কৰিলে। বিবাহৰ দুদিন আগত দুৰ্ঘটনাত পতিত হৈ ল’ৰা মৰিল। তেওঁ নিজৰ ধাৰ দেউতাৰ পৰা ল’বলৈ আহিছিল। ২) পুত্ৰ ডাঙৰ হল। কাম কৰি খৰছ পাতি চলাব পৰা হল। দেউতা ৰুগীয়া হ’ল, লাখ টকা খৰছ কৰিলে, মিছা হল, মৰি থাকিল। এইজন দেউতা আগৰ জন্মৰ ধাৰ লবলৈ আহিছিল। কিবা, কাৰোবাক দিবলৈও আহিছিল। ছোৱালীজনীৰ বিয়া পাতি দিলে। দুবছৰ পিছত ছোৱালীৰ মৃত্যু হ’ল। বহুত যৌতুক দি থৈছিল। সেই জোঁৱায়েকে পূৰ্ব জন্মৰ ঋণৰ বাবদ ছোৱালীও লৈ গ’ল আৰু ধনো লৈ গ’ল। বৰ্তমানত কোনোবাই কাৰোবাৰ পৰা প্ৰৱঞ্চনা কৰি ধন ল’লে, আগন্তক জনমত সেই ধন জোঁৱাই হৈ লৈ লব। পৰমাত্মাৰ বিধান অটল থাকে। বুদ্ধিমানৰ বাবে সংকেত যথেষ্ট। ওপৰত কোৱা কথা কোনো কাহিনী নহয়। এয়া সত্য। কোনোবাই হয়তো ক’ব পাৰে ভয় খুৱাবৰ বাবে কাহিনী গঢ়ি লৈছে। কি হ’ব, কোনেনো দেখিছে। কথাটো এনে ধৰণৰ হয়। চোৰ এটাক ভদ্ৰপুৰুষ এজনে বুজনি দি কলে যে চুৰি নকৰিবা, ধৰা পৰিলে প্ৰথমতে ৰাইজে মাৰপিট কৰিব, আকৌ পুলিচে মাৰিব আৰু জেলত কষ্ট পাব লাগিব। যদি কোনোবাই কয়, বোলে এয়াতো চোৰক ভয় খুৱাবলৈ কোৱা হৈছে, কোনে জানে আগলৈ কি হব ? বিচাৰ কৰি চাওক সঁচা অৱগত কৰাই ভয়, খুওৱা হ’ল, এইটো সত্যও হয়। যদি চোৰে সঁচা কথাক ভয় কৰি চুৰি কৰিবলৈ এৰি দিয়ে, এইটো তাৰ বাবে মঙ্গলদায়ক। যদি কয় বোলে কোনেনো দেখিছে, আগলৈ কি হ’ব, তাৰ লগত সেই সকলো কথা হ’ব, যাৰ বিষয় ওপৰত উল্লেখ কৰা হৈছে। এইদৰেই ওপৰৰ উদাহৰণ কোনোবাই যদি ভয় খুৱাবৰ বাবে প্ৰস্তুত কৰা হৈছে বুলি ভাৱে, সেয়া তেওঁৰ দুৰ্ভাগ্য। এইটো সিমানেই সত্য বুজনি, যিমান সত্য বুজনি চোৰক দিয়া হৈছিল। সতৰ্ক কৰি দিয়া হৈছে।

ওপৰৰ কৃষকৰ পুত্ৰ দুজনৰ কাহিনী লেখকে ১৯৭৮ চনত এজন পশু চিকিৎসকৰ পৰা শুনিছিল। তেওঁ এই কাহিনী নিজৰ লগত উঠা-বহা সকলক অৱশ্যে শুনাইছিল, কিন্তু তাৰ পৰা শিক্ষা গ্ৰহণ কৰা নাছিল। দহ টকাৰ ঔষধ দি চাৰিটা Distilled water ৰ বেজী মাৰি ২০০-৩০০ টকা খুজি লৈছিল। আকৌ সন্ধিয়া হলে, লগ ধৰি নিজৰ বিষয়ে কৈছিল যে কমকৈ টকা ললে গৰু মহৰ গৰাকীয়ে ভাবিব যে ভাল ঔষধ নিদিলে। দহ টকাৰ ঔষধতেই মহ ভাল হব। বিচাৰ কৰক এনে ব্যক্তিৰ কাম আৰু কথাৰ অমিল দেখি শুনি কোনেনো তেওঁৰ কাহিনী বা উপদেশ মানি চলিব। সন্ত গৰীবদাসে কৈছে যে এইবিলাক কথা অকল কোৱাৰ বা শুনাৰ

বাবে নহয় এই উপদেশ কথা নিজৰ জীৱনত মানি চলিব লাগিব। পৰমাত্মাৰ বিধান বুজি লৈ নির্মল জীৱন-যাপন কৰক। জীৱনৰ পথক কাঁইট মুক্ত কৰক।

## সংসাৰত এজন লবলৈ আহিছে, আন্যজন দিবলৈ আহিছে

যি সময়ত শ্রীশিৱই নিজৰ পত্নী পার্বতীক অমৰনাথ নামৰ ঠাইত এজোপা শুকান গছৰ তলত বহি নাম দীক্ষা (অমৰ মন্ত্র) দিছিল, তেতিয়া সেই গছৰ খোৰোংত মাইকী ভাটৌৱে কণী পাৰি থৈছিল। এটা কণী ঘোলা আছিল। তাৰ জীৱ হ'লে ভিতৰতেই আছিল। যেতিয়া শ্রীশিৱই পার্বতীক দীক্ষামন্ত্র শুনালে সেই দীক্ষা মন্ত্র শুনি ঘোলা কণীৰ জীৱ সুস্থ হ'ল আৰু ভাটৌ পোৱালিৰ ৰূপ ল'লে। পাখি গজিল, উৰিব পৰা হল, পার্বতী সমাধিস্থ হ'ল। তেওঁ 'হয়', হয় বুলি শলাগিছিল, শিৱই দেখা পালে পার্বতী সমাধিস্থ হৈ আছে, একো কোৱা নাই, তেন্তে হয়, হয় শব্দ কাৰ হয় ? দেখা পালে যে গছৰ খোৰোংত ভাটৌৱে মাতি আছে। শ্রীশিৱই তাক মাৰিবলৈ বিচৰাত উৰি গুচি গ'ল। পিছে-পিছে শ্রীশিৱও নিজৰ সিদ্ধিৰে উৰা মাৰি গ'ল। ঋষি বেদব্যাসৰ পত্নীয়ে হামি মাৰিবলৈ মুখ মেলোতেই ভাটৌৱে শৰীৰ ত্যাগ কৰি জীৱ ব্যাস পত্নীৰ গর্ভত মুখেদি সোমাই গ'ল। শ্রীশিৱই ব্যাস পত্নীক ক'লে যে তেওঁৰ জ্ঞান চুৰ কৰি জীৱই ভাটৌৰ শৰীৰ এৰি ব্যাস-পত্নীৰ গর্ভত সোমাইছে, এইটো তেওঁৰ চোৰ। তেওঁ তাক মাৰিব বুলি শিৱই কলে। সেই সময়তে ঋষি বেদব্যাসো আহি পালে, সকলো কথা শুনি আছিল। ব্যাসদেৱে সুধিলে "হে ভগৱান কোন কেনেকুৱা চোৰ ? শ্রীশিৱই কলে যে তেওঁ পার্বতীক দীক্ষা দি আছিল। শৰীৰৰ ভিতৰৰ কমল (চক্র) বিলাকৰ ৰহস্য কৈ থাকোঁতে এই ভাটৌৱে শুনি ললে। ভাটৌৱে কোনো অযোগ্য জীৱক এই মন্ত্র কৈ দিলে সি অমৰ হৈ জনতাক অত্যাচাৰ কৰিব, ভাটৌ অমৰ হৈ গ'ল। মই এই জীৱক মৃত্যুদণ্ড দিম।" ব্যাসদেৱে ক'লে, "হে ভগৱান যদিহে ই অমৰ হৈ গ'ল, আপুনি মাৰিব কেনেকৈ ? কথা শুনি শ্রীশংকৰ পার্বতীৰ ওচৰলৈ উভতি গ'ল। পার্বতীক সকলো কথা কলে। শ্রী বেদব্যাসদেৱে নিজৰ দিব্য দৃষ্টিৰে চাই দেখিলে যে পত্নীৰ গর্ভত পুত্র আছে। বাৰ বছৰ পিছত পুত্র উৎপন্ন হ'ল। মাকে কৈছিল যে পুত্ৰৰ নাম "সুখদেৱ" ৰাখিব লাগিব। ই গর্ভত থকা সময়ত মোৰ কোনো কষ্ট নহল। মন সদায় আনন্দিত আছিল। সুখৰ আভাষ সদায় হৈছিল। সেইকাৰণে গর্ভতেই কেঁচুৱাৰ নাম সুখদেৱ থৈছিল। ভাটৌৰ কণীত থকা আৰু তুৰন্তে মানৱ শৰীৰ প্রাপ্ত কৰাৰ কাৰণে ব্রাহ্মণ সকলে তেওঁক শূকদেৱে (শূক মানে ভাটৌ)ও কৈছিল। ঋষি শূকদেৱে জন্ম লওঁতেই বাৰ বছৰ বয়সৰ শৰীৰ হল আৰু উঠি যাব ধৰোঁতে ঋষি বেদব্যাসে ক'লে, "হে পুত্র কলৈ যোৱা ?" শুকদেৱ নিজৰ মা-দেউতাৰ ফালে পিঠি দিয়েই ক'লে, "আপোনাৰ আৰু মোৰ লগ ইমানেই। সংস্কাৰ ইমানেই। ঋষি ব্যাসদেৱে ক'লে, "হে পুত্র শুকদেৱ, আমি তোমাৰ জন্ম হ'ব বুলি বাৰ বছৰ অপেক্ষা কৰিলোঁ আৰু আজি তুমি আমাক এৰি গৈ আছা। এবাৰলৈ মুখখন দেখুৱাই দিয়া।" সুখদেৱ ঋষিয়ে কলে, "হে ঋষিদেৱ বহুবাৰ আপুনি মোৰ দেউতা হল, বহুবাৰ মই আপোনাৰ দেউতা হলোঁ। এয়া বৰ ডাঙৰ বেমেজালি। মই ভক্তি কৰি জন্ম-মৃত্যুৰ পৰা মুক্ত হম। মই এই কাৰণে আপোনাৰ ফালে চোৱা নাই, জানোচা আপোনাৰ প্রতি মোৰ মোহ উৎপন্ন হৈ যায়। এই কথা সন্ত গৰীবদাস দেৱে বাণীৰে কৈছে ঃ

এক লেৱা এক দেৱা দুতম, কোই কাহু কা পিতা ন পুতম।
ঋণ সম্বন্ধ জুড়া এক ঠাঠা, অন্ত সময় সব বাৰা বাটা।।

ভাৱাৰ্থ ঃ- সুকদেৱে কৈছে যে পৰিয়ালৰ সদস্য যি আজি পুত্ৰ-পিতা আদি বিভিন্ন সম্বন্ধত আছে, তেওঁলোক সকলো পুৰ্ব জন্মৰ ঋণৰ লেন-দেনৰ বাবে লগ লাগিছে। আচলতে কোনো কাৰো পিতা-পুত্ৰ নহয়। মৃত্যুৰ পিছত সকলোৱে নিজৰ নিজৰ সংস্কাৰ অনুসাৰে বিভিন্ন স্থানলৈ গৈ অন্য শৰীৰ ধাৰণ কৰে। গতিকে কোনো কাৰো পিতা-পুত্ৰ নহয়।

পাঠক সকলে ওপৰত কৃষকৰ পুত্ৰ বিষয়ৰে কাহিনীত পঢ়িছে যে ককায়েকে মাহী আইৰ ল'ৰাক আঠ একৰ মাটিৰ লোভত হত্যা কৰোৱাত সেই জীৱই ককায়েকৰ পুত্ৰ হৈ নিজৰ ঋণ ল'বলৈ জন্ম গ্ৰহণ কৰিলে আৰু নিজৰ লেন-দেনৰ হিচাব শেষ কৰি মৰিল। এই কাৰণে কৈছে যে -

এক লেৱা (ঋণ লবলৈ অহাজন) এক দেৱা (ঋণ পৰিশোধ কৰা জন) দুতম। "কোই কাহু কা পিতা ন পুতম"। ঋণ সম্বন্ধ জুড়া এক ঠাঠা অৰ্থাৎ পৰিয়াল ৰূপত আৰামেৰে থকা যেন লাগে, হঠাৎ মৃত্যু হৈ যায় ? অন্ত সময় মে বাৰ বাটা অৰ্থাৎ মৃত্যুৰ পিছত কোন কত জন্ম লব অৰ্থাৎ বাৰা (১২) বাট (ৰাস্তা)ত গুচি যায়। দেউতাৰ লগত এইখিনি কথা পাতি সুকদেৱ আকাশলৈ উৰি অন্য ঠাইলৈ গুচি গ'ল। প্ৰিয় পাঠক সকল। এই কাৰণে ভক্তি কৰক আৰু জীৱৰ কল্যাণ কৰাওক। মাত্ৰ পৰিয়ালৰ লগত থাকি নিজৰ জীৱন নষ্ট নকৰিব। পৰমাত্মাৰ ভক্তিৰ দ্বাৰা আপোনাৰ ঋণ সহজে পৰিশোধ হৈ যাব।

**কথা আৰু কামৰ অমিল হলে পৰিণাম ভয়ংকৰ**

এজন ব্যক্তি প্ৰসিদ্ধ পাঠক আছিল আৰু প্ৰতিদিনে ৰামায়ণৰ পাঠ কৰিছিল। এদিন কোনো কামৰ বাবে পাঠকজন চহৰলৈ যাব লগা হ'ল। তেওঁৰ লগত লগৰীয়াজনো আছিল। গাঁৱৰ পৰা তিনি কিঃমিঃ দূৰত ৰেল ষ্টেচন আছিল। পূৱাই পাঁচ বজাত বেলগাড়ীত উঠিব লগা আছিল। গতিকে গা-পা ধূই ষ্টেচন গৈ পালে। ভাবিলে গাড়ীতেই পাঠ কৰি লম। গাড়ীত উঠিল। তেওঁলোক উঠা ডবাখন মানুহেৰে ভৰি পৰিছিল। এটাও আসন খালী নাছিল। কিছুমান ব্যক্তি থিয় হৈ আছিল, গাড়ী এৰিলে। অলপ সময়ৰ পিছত পাঠকজনে বহি থকা দুজন ব্যক্তিক ক'লে, "ভাই চাহাব অনুগ্ৰহ কৰি মোক বহিবলৈ দিয়ক। মই ৰামায়ণ পাঠ কৰিব লাগে। আজি গাড়ী ধৰিবলৈ খৰধৰ হোৱা বাবে ঘৰত পাঠ কৰিব নোৱাৰিলোঁ।" ভদ্ৰপুৰুষ সকলে সম্পূৰ্ণ আসন এৰি দিলে। তেওঁলোক থিয় হৈ ক'লে, "হে বিপ্ৰ আমি সৌভাগ্যবান যে আজি আমিও পবিত্ৰ গ্ৰন্থ ৰামায়ণৰ অমৃতজ্ঞান শুনিবলৈ পাম।" পণ্ডিতে জোৰেৰে কবলৈ ধৰিলে। প্ৰসঙ্গ আছিল - ভৰতে নিজৰ ডাঙৰ ককায়েকৰ অধিকাৰত থকা ৰাজ্য স্বীকাৰ নকৰিলে। যেতিয়ালৈকে শ্ৰীৰামচন্দ্ৰ বনবাসৰ পৰা ঘূৰি নাহিল তেতিয়ালৈকে জোতাযোৰ সিংহাসনত থ'লে, আৰু নিজে মাটিত বহিল আৰু চাকৰ হৈ ৰাজ্যৰ কাম কাজ চোৱাচিতা কৰিলে। যেতিয়া ককায়েক ৰামচন্দ্ৰ অযোধ্যালৈ ঘূৰি আহিল, তেখেতক ৰাজ্যভাৰ ঘূৰাই দিলে। ভায়েক এনেকুৱা হ'ব লাগে। পাঠ সম্পূৰ্ণ হোৱাত সকলোৱে পণ্ডিতৰ প্ৰশংসা কৰিলে। সেই ডবাতে এনে এজন ব্যক্তি আছিল যি জনে নিজৰ দেউতাৰ বছৰেকীয়াত এদিনৰ পাঠ কৰাৰ কথা আছিল। পাঠক বিচাৰি পোৱা

নাছিল। বছৰেকীয়া পিছদিনাখনেই আছিল। তেওঁ পণ্ডিতক পিছদিনা দেউতাৰ বছৰেকীয়াৰ উপলক্ষত পাঠ কৰি দিবলৈ কলে। পণ্ডিতে সেইদিনা পাঠ কৰিব নোৱাৰোঁ বুলি ক'লে। সকলো উপস্থিত যাত্রীয়ে পণ্ডিতক ক'লে যে তেওঁৰ কামেই পাঠ কৰা ।এই ব্যক্তিজন বৰ বিমোৰত পৰিছে। পাঠক বিচাৰি পোৱা নাই। কিন্তু পণ্ডিতে সম্পূর্ণ মানা কৰি দিলে। সকলোৱে জানিব বিচাৰিলে যে পিছদিনাখন কি অত্যাৱশ্যকীয় কামৰ বাবে পণ্ডিতে পাঠ কৰিব নোৱাৰা হৈছে। পণ্ডিতে এনেই নোৱাৰো বুলি কৈ ফালৰি কাটিব বিচাৰিলে। পণ্ডিতৰ লগৰীয়াজনে ক'লে যে পণ্ডিতে পিছদিনা পাঠ কৰিব নোৱাৰাৰ আচল কাৰণটো তেওঁ কৈ দিব। এওঁ নিজৰ ভায়েকৰ ওপৰত পঞ্চাঁশ গজৰ আৱৰ্জনা পেলোৱা খালৰ বাবে মোকৰ্দমা কৰিছে। মই এওঁৰ সাক্ষী, কালিৰ তাৰিখ আছে। উপস্থিত ব্যক্তি সকলে ক'লে, “পণ্ডিত, আপুনি কথা হ'লে অন্তৰস্পৰ্শ কৰাকৈ কলে কিন্তু নিজেই বাস্তৱত জীৱনত সেই কথা সাৰ পালন নকৰে”। এনে ব্যক্তিৰ দ্বাৰা পাঠ কৰালে বা এনে ব্যক্তিয়ে উপদেশ দিলে শ্রোতাৰ উপৰত কি প্ৰভাৱ পৰিব ?

কবীৰদেৱে কৈছে যে ঃ

কবীৰ, কৰণী তজ কথনী কথৈ, অজ্ঞানী দিন ৰাত।
কুকৰ(কুকুৰ) জ্যোঁ ভৌকত ফিৰৈ, সুনী সুনাই বাত।।(১)

গৰীবদাসদেৱেও কৈছে যে ঃ-

গৰীব, বীজক কী বাতা কহে, বীজক নাহী হাথ।
পৃথিৱী ডোবন উতৰে, য়ে কহ কহ মিঠি বাত।।(২)

**শব্দাৰ্থ** ঃ কিছুমান মানুহে জ্ঞানৰ কথা গাই ফুৰে, আনক শিক্ষা দিয়ে যে কাৰো অহিত নকৰিবা, কিন্তু নিজেই ভূল কৰে। এনে আধ্যাত্মিক গুৰু মিছাতে ভূকি ফুৰা কুকুৰৰ দৰে। আজিৰ ধৰ্মগুৰু সকলেও ইজনে সিজনৰ পৰা শুনি শিষ্যসকলক জ্ঞান শুনায়, কিন্তু নিজে সেই জ্ঞান মতে নচলে।

অজ্ঞানী ধৰ্মগুৰুসকলে তত্ত্বজ্ঞানৰ নামত সম্পূৰ্ণৰূপে অজ্ঞানৰ প্ৰচাৰ কৰে, কাৰণ তেওঁলোকে তত্ত্বজ্ঞান নাজানে। এনে মিছলীয়া ব্যক্তি মানৱৰ অমূল্য জীৱন নাশ কৰিবলৈহে পৃথিৱীত জন্ম গ্ৰহণ কৰে।

## সৎসঙ্গত বিচাৰি পালে ভক্তিৰ পথ

সন্ত নিত্যানন্দ দেৱৰ বাল্যকালৰ নাম নন্দলাল আছিল। তেওঁ ব্ৰাহ্মণ কুলত জন্ম লৈছিল। সন্ত গৰীবদাস (গাওঁ চুড়ানী, জিলা ঝজ্জৰ) দেৱৰ কিছু সময়ৰ বাবে সমকালিন আছিল। সন্ত গৰীবদাস দেৱৰ জীৱনকাল ১৭১৭-১৭৭৮ লৈকে আছিল। তেতিয়া ব্ৰাহ্মণ সকলক বিশেষ সন্মান কৰা হৈছিল। সৰ্বোচ্চ জাতি বুলি গণ্য কৰা হৈছিল। সেই কাৰণে গৰ্ব কৰা স্বাভাৱিক আছিল। নন্দলাল দেৱৰ মা-দেউতা ঢুকাইছিল। সেই সময়ত তেওঁ ৭-৮ বছৰ বয়সৰ আছিল। তেখেতৰ ককা নাৰনৌলৰ নবাবৰ কাৰ্য্যলয়ত উচ্চ পদস্থ বিষয়া আছিল। তেখেতক পোহপাল দি ককা-আইতাই ডাঙৰ-দীঘল কৰিছিল। শিক্ষা লাভৰ অন্তত ককায়ে নন্দলালক নাৰনৌলত তহচীলদাৰৰ পদবীত নিযুক্তি দিয়ালে। সেই কাৰণে অহঙ্কাৰ হোৱাটো সামান্য কথা আছিল। তহচীলদাৰৰ বিয়াও ককা-আইতাই পাতি দিছিল। তহচীলদাৰৰ মহলৰ পৰা অলপ দূৰত এজন

বৈষ্ণৱ সন্ত শ্ৰী গুমানী দাস দেৱ নিজৰ কোনোবা ভক্ত এজনৰ ঘৰত সৎসঙ্গ কৰি আছিল। তেখেত শ্ৰী বিষ্ণু ভগৱানৰ ভক্ত আছিল। সকলো সন্তই নিজৰ সৎসঙ্গত পৰমাত্মা কবীৰ দেৱৰ বাণীৰ সহায় অৱশ্যে লৈছিল। সৎসঙ্গত মানৱ জীৱনৰ লক্ষ আৰু উদ্দেশ্য সম্পৰ্কে জ্ঞান দিয়া হয়। কিন্তু সৎসঙ্গ নুশুনাৰ বাবে সাংসাৰিক চাকনৈয়াত পৰি নিজৰ অমূল্য মানৱ জীৱন নষ্ট কৰি যায়। অজ্ঞানতাৰ বাবে জীৱই ধন, পদ তথা জাতিক লৈ অভিমান কৰে। ভক্তি নকৰা প্ৰাণী আগন্তক জনমত গাধ, কুকুৰ, গৰু, আদি পশু-পক্ষীৰ শৰীৰত থাকি কষ্টত পৰিবলীয়া হয়। গতিকে অভিমান এৰি পূৰ্ণ সন্তৰ পৰা দীক্ষা লৈ নিজৰ কল্যাণৰ উপায় কৰিব লাগিব। নহলে পৰ্বততকৈও বেছি কষ্ট ভূগিব লাগিব।

স্বামী গুমানী দাস দেৱৰ আশ্ৰম নাৰনৌল চহৰৰ পৰা ১.৫ (দেৰ) কিঃমিঃ আতঁৰত আছিল। সৎসঙ্গৰ মাত শুনি তহচীলদাৰ ঘৰৰ চালত চকী লৈ বহিল। সম্পূৰ্ণ সৎসঙ্গ শুনিলে। দীক্ষা লবৰ বাবে প্ৰৱল ভাৱে প্ৰেৰিত হল। কিন্তু জাতি আৰু পদবীৰ অহঙ্কাৰ বাধাস্বৰূপ হল। সমাজত ব্ৰাহ্মণ সকলৰ সন্মান উচ্চ স্তৰত আছে। আকৌ নিজেই তহচীলদাৰ। সৎসঙ্গলৈ সাধাৰণ বৰ্গৰ লোকসকল হে যায়, যাবলৈকে লাজ হ'ব। আশ্ৰমলৈ কেনেকৈনো যাওঁ- ইত্যাদিভাৱ তহচীলদাৰৰ মনলৈ আহিল। শেষত এদিন নিৰ্ণয় ল'লে যে ৰাতিপূৱা সোনকালে আশ্ৰমলৈ যাব। অন্য ব্যক্তি সকল যোৱা সময়ত দীক্ষা লৈ উভতিও আহিব। সৎসঙ্গ কৰি সন্তজন আশ্ৰমলৈ গ'ল। ৰাতিপূৱা উঠি অলপ সময় ফুৰিবলৈ গৈছিল। এক দিন নন্দলাল ঘোঁৰাত উঠি ৰাতিপূৱা আশ্ৰমৰ ফালে গৈ আছিল। সন্ত গুমানী দাসো ফুৰিবলৈ সেই ৰাস্তাৰে গৈ আছিল। সন্তজনে মূৰৰ চুলি কটাইছিল, খুৰেৰে চাঁচি থৈছিল। মূৰত কোনো কাপোৰ নাছিল। নন্দলাল ব্ৰাহ্মণ হোৱা বাবে লক্ষণ কুলক্ষণৰ ওপৰত বিশ্বাস কৰিছিল। কোনো শুভ কাৰ্যৰ বাবে যোৱা পথত খুৰেৰে মূৰৰ চুলি চঁচা দেখিলে যাত্ৰা স্থগিত ৰাখিছিল। আশ্ৰমত দীক্ষা লবৰ বাবে গৈ আছিল, জীৱনৰ সৰ্বোত্তম দিন আছিল। সন্মুখত খুৰেৰে চুলি চঁচা মানুহ এজনক লগ পালে। নন্দলালৰ মূৰ ঘমালে, খং উঠিলে। ভাবিলে আজি দীক্ষা লৈহে এৰিব, কিন্তু এই কুলক্ষণৰ ক্ৰিয়াকো মষিমূৰ কৰিব লাগিব। সেই কাৰণে নিজেই সমাধান উলিয়াই ল'লে যে এই দুৰ্ভগীয়া জনৰ মূৰত টোকৰ মাৰিলে কুলক্ষণ শেষ হৈ যাব। এই উদ্দেশ্যেৰে ঘোঁৰা সেই ব্যক্তি (সন্ত গুমানী দাস) জনৰ ওচৰত লৈ গৈ ৰাখিলে আৰু ক'লে, "হে নীচ তই আজিয়েই মূৰ খুৰাই মোৰ সন্মুখত আহিব লাগিছিল। আজি মই জীৱনৰ সকলোতকৈ উত্তম কাৰ্য্যৰ বাবে আশ্ৰমলৈ গৈ আছিলোঁ।" এইবুলি কৈ গুমানি দাসৰ মূৰত টোকৰ মাৰি ঘোঁৰা আশ্ৰমৰ ফালে দৌৰালে। সন্তৰ লগত এনে ঘটনা সাধাৰণ কথা। তেওঁলোকে বিশেষ ধ্যান নিদিয়ে। ভাবিলে মানুহজন সত্য আৰু কোনো উচ্চ অধিকাৰীও উচ্চকুলৰ যেন বোধ হৈছে কিন্তু কাম হলে চকীদাৰৰ কৰি গ'ল। নন্দলাল আশ্ৰম পালে গৈ। তাত সন্তৰ শিষ্যৰ লগত লগ হ'ল, নমস্কাৰ আদান প্ৰদান হ'ল। অহাৰ কাৰণ ক'লে, ঘোঁৰা গছত বান্ধিলে আৰু সন্তৰ আসনৰ পিছফালে পাৰি থোৱা বস্তাত বহিল। সন্ত গুমানী দাস ফুৰি আহি গা-পা ধুই আসনত বহোঁতে ঘোঁৰা দেখা পালে। তেতিয়া বুজিবলৈ সময় নালাগিল। নন্দলাল তহচীলদাৰে দেখি লাজতে মুৰ কোঁচালে। গুমানী দাসক আশ্ৰমৰ ভক্ত সকলে ক'লে যে এই তহচীলদাৰজন দীক্ষা লবলৈ আহিছে। নন্দলাল

সন্তৰ চৰণত পৰিল আৰু টোকৰ মৰা কাৰণ ক'লে। সন্ত গুমানী দাসে ক'লে, "হে ভক্ত আমি কুমাৰৰ তাত এক অনাৰ ঘট (কলহ) আনিবলৈ গ'লে তাক টোকৰ মাৰি চাই লওঁ ভঙা আছে নে নাই। আপুনি জীৱনৰ বেপাৰ কৰিবলৈ আহিছে, আপুনি গুৰুদেৱক বজাই চাওঁতে একো পাপ কৰা নাই"। নিত্যানন্দদেৱ সন্তৰ শান্ত স্বভাৱ দেখি দীক্ষা ল'লে, গুৰু জনাই তেওঁৰ নাম সলাই নিত্যানন্দ ৰাখিলে। যেতিয়া সৎসঙ্গৰ পৰা জীৱনৰ পথ বিচাৰি পালে নিত্যানন্দদেৱে এই বাণী ক'লে।

*ব্ৰাহ্মণ কুল মে জন্ম থা, মই কৰতা বহুত মৰোড়,*
*গুৰু গুমানী দাস নে দিয়া কুবুদ্ধি গড় তোড়।।(১)*

আকৌ কিমান অধীন হল, সেয়া এই বাণীৰ পৰা গম পোৱা যায় -

*সিৰ সৌপা গুৰুদেৱকো, সফল হুৱা য়হ শীশ।*
*নিত্যানন্দ ইস শীশ পৰ, আপ বসে জগদীশ।।(২)*

বাণী নং ১ ৰ ভাৱাৰ্থ ঃ- যেতিয়ালৈকে সৎসঙ্গ বিচাৰ শুনিবলৈ পোৱা নাযায়, ভুলতে মানৱ অহঙ্কাৰত গেলি থাকে। যেতিয়া জ্ঞান হয় যে আজি ৰজা হৈ আছে, মৃত্যুৰ পিছত গাধ, কুকুৰ আদি হ'ব, তেতিয়া সেই অহঙ্কাৰৰ কি হ'ব ? সেই কাৰণে ভক্তই নিজৰ সেই অভিমান ভাৱক জ্ঞানেৰে চাফা কৰি ভক্তি পথত আগবাঢ়ে আৰু সফলতা প্ৰাপ্ত কৰে। শ্ৰীলঙ্কাৰ ৰজা, ৰাৱণে ভক্তি বহুত কৰিলে, কিন্তু অহঙ্কাৰ নগ'ল, সেই কাৰণে সৰ্বনাশ হ'ল। ৰাৱনো ব্ৰাহ্মণ আছিল, নিত্যানন্দও ব্ৰাহ্মণ আছিল, সৎসঙ্গ শুনি নিৰ্মল হৈ পৰিল। ৰাৱণে সৎসঙ্গ শুনিবলৈ নাপালে, ফলত জীৱন ব্যৰ্থ হ'ল আৰু চিৰকালৰ বাবে কলংকিত হ'ল। নিত্যানন্দদেৱে ক'লে যে তেওঁৰ জন্ম ব্ৰাহ্মণ কুলত হোৱা বাবে জাতি অভিমানৰ কাৰণে বেছি অহঙ্কাৰ কৰিছিল। যেতিয়া গুৰু গুমানী দাসৰ সৎসঙ্গ বচন শুনিলে তেতিয়া জাতিৰ অহঙ্কাৰ ৰূপী কুবুদ্ধিৰ গড় খহি পৰিল। জীৱন সফল হ'ল। (১)

বাণী নং ২ ৰ ভাৱাৰ্থ ঃ সৎসঙ্গ শুনি নিত্যানন্দ অতিশয় অধীন হ'ল, অহঙ্কাৰ ত্যাগ কৰিলে। তেওঁ ক'লে - "মই নিজৰ শিৰ দান কৰিলোঁ অৰ্থাৎ এতিয়া গুৰুদেৱৰ কথামতেহে চলিম। মোৰ এই মানৱ জীৱন সফল হ'ল, অন্যথা কোনো ৰোগত পৰি জীৱন ব্যৰ্থ হ'লহেঁতেন এতিয়া মোৰ শিৰত পৰমেশ্বৰ বাস কৰে, পৰমেশ্বৰে মোৰ ৰক্ষা কৰিব। মোৰ কোনো চিন্তা নাই।

নিত্যানন্দদেৱৰ শব্দ ঃ-

ঔৰ বাত তেৰে কাম না আৱে সন্তোঁ শৰণৈ লাগ ৰে।
ক্যা সৌৱে গফলত মে বন্দে জাগ-জাগ নৰ জাগ ৰে।।
তন সৰায় মে জীৱ মুসাফিৰ কৰতা ৰহে দিমাগ ৰে।
ৰাত বসেৰা কৰ লে ডেৰা চলে সবেৰা ত্যাগ ৰে। ঔৰ বাত
উমদা চোলা বনা অনমোলা লগে দাগ পৰ দাগ ৰে
দো দিন কা গুজৰান জগত মে জলৈ বিৰানী আগৰে।। ঔৰ বাত
কুবদ্ধ কাঁহা চলী চঢ় ৰহী চিত্তপৰ তু হুৱা মনুষ সে নাগৰে।

সুকৈ নহী সজন সুখ সাগৰ বিনা প্ৰেম বৈৰাগ ৰে। ঔৰ বাত
হৰ সুমৰৈ সো হংস কহাৱৈ কামী, ক্ৰোধী কাগৰে।
ভঁৱৰা না ভৰমৈ বিষ কে বন মে চল বেগমপুৰ বাগৰে। ঔৰ বাত
শব্দ সৈন সৎগুৰু কী পহচানী পায়া অটল সুহাগ ৰে
নিত্যানন্দ মহবুব গুমাণী প্ৰকটে পূৰ্ণ ভাগৰে। ঔৰ বাত

আচলতে ওপৰত লিখা শব্দ কবীৰ চাহাবৰ হয়। ইয়াৰপৰা আমি জ্ঞান লাভ কৰিব লাগে।

**শব্দাৰ্থ ঃ** হে মানৱ (স্ত্ৰী/পুৰুষ), পৰমেশ্বৰৰ চৰ্চা আৰু ভক্তিৰ বাদে অন্য কোনো কথা অৰ্থাৎ চৰ্চা তোমাৰ কামত নাহে। তত্ত্বজ্ঞান নাজানি মায়ামোহ আৰু অজ্ঞানতাৰ টোপনিত পৰি মানুহে পৰমেশ্বৰক পাহৰি পেলাইছে। জাগা জাগা অৰ্থাৎ সাৱধান হোৱা আৰু সাধু-সন্তৰপৰা সৎসঙ্গ শুনি আত্মকল্যাণ কৰোৱা। এই মানৱ শৰীৰত জীৱৰ স্থিতি এজন বাটৰুৱাৰ দৰে যি হোটেলত কোঠা ভাৰাত লৈ ৰাতিটো পাৰ কৰে আৰু পুৱা হ'লেই সেইটো এৰি নিজৰ কামত গুচি যায়। এইদৰে এই শৰীৰৰূপী হোটেলত জীৱ যাত্ৰী স্বৰূপ। যেতিয়া মৃত্যুৰ সময় আহিব, তেতিয়া ৰাতিপূৱা হ'ব অৰ্থাৎ শৰীৰৰূপী হোটেল এৰাৰ সময় হ'ল। আপুনি ভক্তি নকৰিলে শৰীৰ ত্যাগ কৰি খালীহাতে যাব।

এই মানৱ শৰীৰৰূপী বস্ত্ৰ অতি অমূল্য। মানুহে তত্ত্বজ্ঞানৰ অভাৱত ভক্তি নকৰি, পাপৰ উপৰি পাপ কৰি ইয়াক লেতেৰা কৰিছে। এই সংসাৰত জীৱনটো দীঘলীয়া নহয়। নিজৰ পৰিয়ালৰ প্ৰতিপালন আৰু ধন সংগ্ৰহ কৰাত মানুহে বহুত কষ্ট কৰে, পাপ কৰি হ'লেও ধন সংগ্ৰহ কৰে। মৃত্যুৰ পাছত পৰিয়াল আৰু ধন-সম্পত্তি অচিনাকী হৈ পৰিব, পৰিয়াল আৰু ধন সংগ্ৰহৰ বাবে কৰা পাপে তোমাক নৰকত জ্বলা জুইত পেলাব। পাপ কৰি নৰকৰ জুইত কিয় জ্বলি মৰা ?

সৎসঙ্গ নুশুনিলে পাপ-পূণ্য আৰু শিষ্টাচাৰ সম্পৰ্কে জ্ঞান নহয়। মানুহ দুষ্ট বুদ্ধিৰ হৈ যায়। মানৱতাক পাহৰি নিজৰ শক্তিৰ দ্বাৰা নিঃকিনক কষ্ট দি মানুহে সৰ্পৰ কাম কৰিছে - ইয়ে তোমাৰ সৰ্বনাশ কৰিব। হে ভদ্ৰ পুৰুষ, শ্ৰদ্ধা, ভক্তি আৰু একাগ্ৰতাৰে সৎসঙ্গ নুশুনিলে এনে জ্ঞান লাভ কৰিব নোৱাৰিব।

ভক্তি কৰা ব্যক্তিক ভক্ত বোলে অৰ্থাৎ তেওঁ হংস পক্ষীৰ দৰে অহিংসাবাদী অৰ্থাৎ ভক্তই কাকো কষ্ট নিদিয়ে। হংস পক্ষীয়েও সৰোবৰত থকা মাছ বা অন্য কীট-পতঙ্গ নাখায়। মাত্ৰ মুকুতা হে খায়। কাউৰীয়ে নিজ স্বাৰ্থ পুৰণৰ বাবে জীৱিত পশু-পক্ষীৰ মাংস টানি-আঁজুৰি খায়, কষ্ট দিয়ে। এই ধৰণে সৎসঙ্গ নুশুনা ব্যক্তিয়ে আধ্যাত্মিক জ্ঞানৰ অভাৱত স্বাৰ্থৰ বাবে অন্যৰ ধন কাঢ়ি লয়, চুৰি কৰে বা অন্য ধৰণে কষ্ট দিয়ে - এই সকলোবোৰেই পাপ। হে জীৱৰূপী ভোমোৰা, বিষয়-বিকাৰ, কাম-ক্ৰোধ, মোহ, লোভৰূপী বৰবিহৰ বনত ঘূৰি নুফুৰিবা। এই কাললোক কষ্টৰ ঠাই। সেই কষ্টবিহীন সত্যলোকলৈ ব'লা, সেইটো সুখালয় হয়।

নিত্যানন্দদেৱে কৈছে যে তেওঁ নিজৰ গুৰুদেৱৰ সৎসঙ্গ শুনিলে আৰু ওপৰত কোৱাৰ দৰে গুৰুদেৱৰ ইঙ্গিত বুজি পালে, তেওঁ নিজৰ জীৱন ধন্য কৰিলে। তেওঁ নিজৰ অতি প্ৰিয় গুৰু

গুমাণীদাসক পালে। এইটো তেওঁৰ কোনো পূৰ্বজন্মৰ সৌভাগ্য আছিল বুলি তেওঁ নিশ্চিত।

**শব্দ**

তনমন শীশ ঈশ অপনেপৈ, পহলম চোট চঢ়াৱৈ।
জব কোই ৰাম ভক্ত গতি পাৱৈ হো জী ।।টেক।।
সত গুৰু তিলক অজপা মালা, যুক্ত জটা ৰখৱাৱৈ
জত কোপীন সৎ কা চোলা, ভীতৰ ভেখ বনাৱৈ।।১।।
লোক লাজ, মৰ্য্যদা জগত কী, তৃণ জ্যোঁ তোড় বগাৱৈ।
কামনি কনক জহৰ কৰ জানৈ, শহৰ অগমপুৰ জাৱৈ।।২।।
জ্যোঁ পতি ভ্ৰতা পতি সে ৰাতী আন পুৰুষ না ভাৱৈ।।
বসৈ পীহৰ মে, প্ৰীত প্ৰীতম মে, ন্যুঁ কোত্ৰ ধ্যান লগাৱৈ।।৩।।
নিন্দা, স্তুতি মান বঢ়াই মন সে মাৰ গিৰাৱৈ।।
অষ্ট সিদ্ধি কী অটকন মানৈ, আগৈ কদম বঢ়াৱৈ।।৪।।
আশা নদী উল্ট কৰ জাটৈ, আঢা বন্ধ লগাৱৈ।।
ভৱজল খাৰ সমূদ্ৰমে বহুৰ না খোড় মিলাৱৈ।।৫।।
গগণ মহল গোবিন্দ গুমানী, পলক মাহী পহুচাৱৈ।।
নিতানন্দ মাটি কা মন্দিৰ, নুৰ তেজ হো জাৱৈ।।৬।।

(আচলতে এই ওপৰত লিখা শব্দ কবীৰদেৱৰ হয়। তথাপি জ্ঞান প্ৰাপ্ত কৰাটো আমাৰ উদ্দেশ্য)।

**শব্দাৰ্থ ঃ-** সন্ত নিত্যানন্দদেৱে ভক্তি সফল কৰাৰ বিধি বৰ্ণনা কৰি কৈছে যে গুৰুদেৱৰপৰা দীক্ষা লোৱাৰ পাছত পৰমেশ্বৰৰ প্ৰতি সম্পূৰ্ণৰূপে সমৰ্পিত হ'ব লাগিব আৰু তন-মন-ধনেৰে নিজৰ পৰমেশ্বৰৰৰ প্ৰতি বলিদানৰ ভাবনা থাকিব লাগিব। তেতিয়াহে ভক্তিৰ দ্বাৰা গতি অৰ্থাৎ মুক্তি হ'ব।

বাণী নং ১ ঃ- কিছুমান সাধকে বাহিৰা বেশত সাজিকাচি থাকে। তেওঁলোকে কপালত তিলক লয়, মালা লৈ মন্ত্ৰ জপ কৰে। মূৰত চুলিৰ জঁট ৰাখে, অন্তৰ্বাসৰ সলনি নামমাত্ৰ লেংটি বান্ধে আৰু শৰীৰত আঁঠু পাৰ হোৱা দীঘলীয়া চোলা পিন্ধে। এনেকুৱা বাহিৰা প্ৰদৰ্শন নকৰি নিজৰ সদগুৰুক সন্মান কৰা উচিত। তেওঁক (সদ্গুৰুক) মূৰত থ'বা অৰ্থাৎ গুৰুৰ ভকত হৈ প্ৰত্যেক মৰ্যাদা আৰু আদেশ পালন কৰি সমাজত প্ৰকৃত ভকতৰ আৰ্হি হোৱা যাতে গুৰুদেৱৰ শিক্ষা-দীক্ষাৰ পৰিণাম দূৰৰ পৰাই পৰিলক্ষিত হয়, যেনেদৰে কপালৰ তিলক (ভকতৰ চিন) দূৰৰ পৰাই জিলিকি উঠে। ভকতৰ পৰিচয় বাহিৰা প্ৰদৰ্শনৰ দ্বাৰা নহয়, আচাৰ-ব্যৱহাৰৰ দ্বাৰা হোৱা উচিত। শুভ কৰ্ম কৰিব, বেয়াৰপৰা আঁতৰি থাকিব। শ্বাস্বৰ জপমালাৰে শ্বাস-প্ৰশ্বাসৰ অজপা জপ কৰিব। মূৰত জট লগা চুলি ৰখাৰ সলনি সদ্গুৰুৱে দিয়া ভক্তিৰ যুক্তিক দৃঢ়তাৰে পালন কৰিব। গুপ্তাঙ্গত লেংটি পিন্ধিলে সংযম নাহে। সংযম আহে যতি (ইন্দ্ৰিয় দমন) ভাব গ্ৰহণ কৰিলে- সেইটো গ্ৰহণ কৰক। যুৱতীক দেখি মনলৈ দোষ নানিব। সত্যকথা ক'ব- এইয়া ভাল ভকতৰ আচল চোলা অৰ্থাৎ ভকত বুলি পৰিচয় দিয়া বস্ত্ৰ। সত্যজ্ঞানৰ দ্বাৰা গম পোৱা

যায় যে ব্যক্তি এজনে সত্যভক্তি কৰি আছেনে নিজৰ জীৱন ভুল সাধনাত নষ্ট কৰি আছে। (১)

বাণী নং ২ ঃ- সংসাৰৰ ব্যংগ অথবা লাজৰ বাবে ভক্তিত বাধা উৎপন্ন হ'বলৈ নিদিব। পৰম্পৰাগত ভক্তি ত্যাগ কৰি সৎসঙ্গলৈ যোৱা, দণ্ডৱৎ প্ৰণাম কৰা আদি কাৰ্য্যত লোক-লাজৰ পৰা ভয় নকৰিব। এই লোক-লাজক কাঠী সম ভাবি ভাঙি পেলাব অৰ্থাৎ তাক ভক্তি পথত বাধা হ'বলৈ নিদিব। কনক অৰ্থাৎ সোণ আৰু কামিনী অৰ্থাৎ সুন্দৰ যুৱতীক দেখি নিজৰ ভাবত দোষ নানিব। সেইবোৰ বিষতুল্য জ্ঞান কৰিব। তেতিয়াহে সাধক অমৰলোকত যাব পাৰিব।(২)

বাণী নং ৩ ঃ- নিজৰ ইষ্ট দেৱৰ প্ৰতি পতিব্ৰতা নাৰীৰ দৰে সমৰ্পিত হ'ব। পতিব্ৰতাই নিজৰ পতিৰ বাহিৰে অন্য কোনো পুৰুষক পতিৰূপত ইচ্ছা নকৰে, সেই পুৰুষ যিমানেই সুন্দৰ বা ধনবান নহওক কিয়, নিজৰ পৰমাত্মাৰ ভক্তি কেতিয়াও নাপাহৰিব। আনক দেখুৱাই নহয়, হৃদয়েৰে, মনে মনে, প্ৰতিটো উশাহ-নিশাহেৰে পৰমাত্মাৰ নাম স্মৰণ কৰিব। (ভকত শব্দই ভকতনীকো বুজোৱা হৈছে) পতিব্ৰতা নাৰীয়ে আই ঘৰলৈ গ'লেও অনবৰত নিজৰ পতিৰ কথাই ভাবি থাকে, কিন্তু আনে গম নাপায়। এনেদৰেই সাধকৰ নিজৰ ধ্যান প্ৰভূ চিন্তাত লাগি থাকিব লাগে। (৩)

বাণী নং ৪ ঃ- পূৰ্ণ সদ্গুৰুৰপৰা সত্যভক্তি প্ৰাপ্ত কৰাৰ পাছত কোনোৱে ভকতৰ নিন্দা কৰিলে বেয়া নাপাব। কোনোবাই প্ৰশংসা কৰিলেও তাৰ পৰা প্ৰভাৱিত নহ'ব। শাস্ত্ৰবিধি মানি সত্যভক্তি কৰিলে সাধকে কিছুমান সিদ্ধি প্ৰাপ্ত কৰে- এইবোৰ কিন্তু মোক্ষ লাভৰ সহায়ক নহয়। এনে সিদ্ধি সংখ্যাত আঁঠটা। সিদ্ধিৰ দ্বাৰা সাধকে কাৰোবাক হানি বা লাভ দি নিজৰ ভক্তি নষ্ট কৰে। তেওঁ চমৎকাৰ দেখুৱাই প্ৰসিদ্ধ হ'ব. কিন্তু তেওঁৰ ভৱিষ্যৎ নৰক হৈ পৰে। পশু-পক্ষীৰ যোনি লাভ কৰিব। সেইকাৰণে মোক্ষ লাভৰ ইচ্ছা কৰা সাধকে এই অষ্ট সিদ্ধিৰ দ্বাৰা হোৱা প্ৰভূত্বত ভোল যাব নালাগে। এইবোৰ ত্যাগ কৰি মোক্ষ প্ৰাপ্তিৰ উদ্দেশ্যেৰে ইয়াৰ পৰা আগবাঢ়ি গৈ পৰৱৰ্তী ফল (মোক্ষ লাভ)ৰ আশা কৰিব লাগে।(৪)

বাণী নং ৫ ঃ- এই পৃথিৱীৰ ধন বৈভৱ, ৰাজপাটৰ অগনন ইচ্ছাৰূপী নদীৰ বাধা প্ৰদান কৰক। দৃঢ় নিশ্চয়ৰূপী মজবুত বাধা প্ৰদান কৰক। সংসাৰৰূপী দুখৰ সাগৰত আকৌ জন্ম নল'ব। (৫)

বাণী নং ৬ ঃ- গুৰুদেৱে নিজৰ অনুগামীক যিজন ইষ্টৰ ভক্তি কৰিবলৈ কয়, সেই ইষ্টৰ ধামত, যি আকাশত আছে, গৈ পাবলৈ পুৰা সহযোগ কৰে। নিত্যানন্দৰ গুৰুদেৱ শ্ৰী গুমাণী দাসদেৱ শ্ৰীবিষ্ণুৰ ভক্ত আছিল। নিত্যানন্দদেৱে শ্ৰীবিষ্ণুক পোৱাৰ মহিমা বখানি কৈছে যে নিজৰ সাধনা শক্তিক সুৰক্ষিত ৰাখিলে স্থুল শৰীৰৰ ভিতৰত থকা সুক্ষ্ম শৰীৰ ভক্তিৰ শক্তিৰে তেজোময় হয়। ভক্তি নকৰা হ'লে সেই শৰীৰ মাটিৰ দৰে আছিল। এই শব্দৰে প্ৰমাণিত হ'ল যে আন্তঃজিলা স্তৰৰ খেলৰ খেলুৱৈৰ বাবে যি নিয়ম থাকে আন্তঃৰাষ্ট্ৰীয় স্তৰৰ খেলৰ খেলুৱৈৰ বাবেও সেই নিয়ম প্ৰযোজ্য হয়। নিত্যানন্দদেৱে ৰাজ্যিক স্তৰত খেলিছিল, তাত তেওঁ সফল হ'ল। আমি পৰমাত্মা কবীৰদেৱক ইষ্ট মানি ভক্তি কৰোঁ, নিয়ম একেই। আমি আন্তঃৰাষ্ট্ৰীয় স্তৰৰ খেলুৱৈ।(৬)

সন্ত নিত্যানন্দদেৱে জীৱনৰ শেষ ছোৱা জটৈলা পুখুৰীৰ পাৰত ভক্তি কৰি অতিবাহিত

কৰিলে। জটৈলা পুখুৰী ভিৱানী জিলাৰ দাদৰী তহচিলত কেইবাটাও গাওঁৰ সীমাত অৱস্থিত। (গাওঁ-মাজৰা, বিগোৱা, বাস ইত্যাদিৰ সীমাত পুখুৰীটো আছে।) সন্ত নিত্যানন্দ জীয়ে শ্ৰীবিষ্ণু (শ্ৰীবিষ্ণু)ৰ ভক্তি কৰিছিল। তেখেতৰ গুৰু শ্ৰীগুমানী দাস দিল্লীৰ সন্ত শ্ৰীচৰণ দাস বৈষ্ণৱৰ শিষ্য আছিল। এই পুথিৰ পৃষ্ঠা ২৪৬ত পাঠক সকলে "সৃষ্টি ৰচনা" পঢ়িব। আপুনি জানিব পাৰিব সন্ত নিত্যানন্দদেৱে কোনটো শ্ৰেণীৰ মোক্ষ প্ৰাপ্ত কৰিলে। সন্ত গৰীবদাস দেৱক পৰমাত্মা কবীৰদেৱে লগ ধৰিছিল। তেখেতে সন্ত গৰীবদাসক কৈছিল যে সন্ত-ভক্ত সকলে যি কোনো স্তৰৰ ভক্তি কৰিলে, সেয়া আদৰণীয় হয়। কিন্তু যেতিয়ালৈকে পৰম সৎগুৰু (পূৰ্ণ গুৰু) পোৱা নাযায় যিজনে দুটা আখৰৰ সত্য নাম দীক্ষা লওঁতে দিয়ে, তেতিয়ালৈকে সেই গুৰু আৰু তেওঁৰ শিষ্য দুয়োৰে মুক্তি নহয়।

গৰীব, সাধ-সাধ নেক হৈ, আপ আপনী ঠৌৰ।
জো নিজ ধাম পহুঁচাৱহী, সো সাধু কোই ঔৰ।।
গৰীব, সাধ হমাৰে সগে হৈ, না কাহু কো দোষ।
জো সাৰনাম বতাৱহী, সো সাধু সিৰ পোষ।।

**শব্দাৰ্থ** ঃ- সন্ত গৰীবদাসদেৱে কৈছে যে যি পৰমেশ্বৰৰ সত্য মাৰ্গৰ বিষয়ে কয় তেওঁ ভাল আত্মা হয়। তেওঁৰ উদ্দেশ্য বেয়া নহয়। যি যিমান জানে তেওঁ সেই স্তৰৰ জ্ঞান দিয়ে - এইটো ভাল কথা। যেনে - কোনোৱে বিষ্ণুৰ সাধনা কৰিবলৈ কয়, কোনোৱে শিৱৰ আৰু কোনোৱে আকৌ ব্ৰহ্মাক সাধনা কৰে আৰু কৰোৱায়। সেই পৰ্যায়ৰ জ্ঞান ঠিক আছে। কিন্তু সেই সাধনাৰে নিজ ধাম অৰ্থাৎ সনাতন পৰমধাম (সত্যলোক) প্ৰাপ্ত হ'ব নোৱাৰে। যি সন্তই সত্যলোক প্ৰাপ্তিৰ মাৰ্গদৰ্শন কৰে, সেইজন সন্ত উপৰোক্ত সন্ত সকলতকৈ ভিন্ন হয়।

যিসকল সন্ত পৰমেশ্বৰৰ বাবে প্ৰযত্নশীল, সেই সকলো আমাৰ নিজৰ অৰ্থাৎ সম্পৰ্কীয়, আমাৰ আচল বন্ধু হয়। তেওঁলোকক মই দোষাৰোপ নকৰোঁ কাৰণ তেওঁলোকৰ লগত পূৰ্ণ মোক্ষ মন্ত্ৰ "সাৰনাম" ৰ জ্ঞান নাই। এনে সন্তৰ শিষ্য হ'লে জীৱৰ পূৰ্ণ মোক্ষ নহয়, জন্ম-মৃত্যু হৈ থাকে। যিজন সন্তই "সাৰনাম" ৰ দীক্ষা দীয়ে তেওঁ আমাৰ মূৰৰ মুকুট। তেওঁ মূৰত তুলি লোৱাৰ যোগ্য অৰ্থাৎ তেওঁ বিশেষ আদৰণীয় হয়।

শ্ৰীবিষ্ণুদেৱৰ নিজৰেই জন্ম-মৃত্যু হয়, গতিকে তেওঁৰ উপাসকৰ সেই মোক্ষ লাভ নহয় যাৰ বিষয় গীতা অধ্যায় ১৫ শ্লোক ৪ ত কৈছে "তত্বদৰ্শী সন্তৰ পৰা তত্বজ্ঞান লাভ কৰাৰ পিছত পৰমেশ্বৰৰ সেই পৰম পদৰ অনুসন্ধান কৰিব লাগিব যলৈ যোৱাৰ পিছত সাধক আকৌ উভতি সংসাৰলৈ কেতিয়াও নাহে।" মাত্ৰ সেই পৰমেশ্বৰৰ ভক্তি কৰিব যিজনে সংসাৰ ৰূপী বৃক্ষৰ ৰচনা কৰিছে, যাৰ দ্বাৰা সংসাৰৰ বিস্তাৰ হৈছে।

হিন্দু সমাজৰ গুৰুসকলে কয় যে গীতাৰ জ্ঞান শ্ৰীকৃষ্ণই অৰ্জুনক শুনাইছিল। শ্ৰীকৃষ্ণক শ্ৰীবিষ্ণুৰ অৱতাৰ অৰ্থাৎ স্বয়ং শ্ৰীবিষ্ণুদেৱ বুলি মানি লোৱা হৈছে। শ্ৰীমদভাগৱত গীতা অধ্যায় ৪ শ্লোক ৫ ত গীতা জ্ঞান দাতাই কৈছে যে হে অৰ্জুন তোমাৰ আৰু মোৰ বহুতো জন্ম হৈ গৈছে, তুমি নাজানা, মই জানোঁ" (ইয়াৰ দ্বাৰা স্পষ্ট হল যে শ্ৰীবিষ্ণুদেৱ নাশবান হয়, জন্ম মৃত্যু হৈয়ে থাকে।) শ্ৰীদেৱী পুৰাণৰ তৃতীয় স্কন্ধত স্বয়ং শ্ৰীবিষ্ণুদেৱে কৈছে যে "মই (বিষ্ণু) ব্ৰহ্মা

আৰু শঙ্কৰ জন্ম লওঁ আৰু মৰোঁ। আমাৰ আৱিৰ্ভাৱ (জন্ম) আৰু তিৰোভাৱ (মৃত্যু) হৈ থাকে। (ইয়াৰ পৰা স্পষ্ট হল যে শ্ৰীবিষ্ণুদেৱ অবিনাশী নহয়। গীতা অধ্যায় ২ শ্লোক ১৭ আৰু অধ্যায় ১৫ শ্লোক ১৭ ত অবিনাশী পৰমাত্মা গীতা জ্ঞান দাতাত কৈ অন্য আছে বুলি কয় - গীতা অধ্যায় ১৮ শ্লোক ৬২ ত গীতা জ্ঞান দাতাই কয় “হে ভাৰত সৰ্বভাৱেৰে (সৰ্বতো প্ৰকাৰে) তুমি সেই পৰমেশ্বৰৰ শৰণলৈ যোৱা। সেই পৰমেশ্বৰৰ কৃপাত হে তুমি পৰম শান্তি আৰু সনাতন পৰম ধাম প্ৰাপ্ত কৰিব।)

এই প্ৰমাণৰ দ্বাৰা সহজে গম পোৱা যায় যে শ্ৰী নিত্যানন্দদেৱক গীতাত উল্লেখিত পূৰ্ণ মোক্ষ প্ৰাপ্ত নহল। কবীৰদেৱে কৈছে যে -

*জো জাকি শৰণ বসৈ, তাকো তাকী লাজ।*
*জল সাঁহী মছলী চঢ়ে, বহ জাতে গজৰাজ।।*

ভাৱাৰ্থ ঃ- যি ভক্তই যি দেৱ-দেৱীৰ ভক্তি কৰে, সেই ইষ্ট দেৱতাই নিজৰ ভক্তক অৱশ্য সকাহ দিয়ে যিটো কথা সাধাৰণ মানুহৰ বাবে অসম্ভৱ যেন লাগে। উদাহৰণ স্বৰূপে যদি কোনো ব্যক্তিয়ে থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ সেৱা কৰে অৰ্থাৎ তেওঁৰ লগত মিত্ৰতা কৰে তেন্তে বিষয়া জনে নিজৰ মিত্ৰ থানালৈ আহিলে চকীত বহিবলৈ দিয়ে। চাহ-জলপানো খুৱায় যিটো সাধাৰণ ব্যক্তি সকলৰ বাবে সম্ভৱ নহয়। এনে ঘটনা সামান্য ব্যক্তিৰ বাবে সম্পূৰ্ণ অসম্ভৱ। যদি কোনোবাই পুলিচ অধীক্ষকৰ (S.P.) লগত পৰিচয় কৰি থৈছে তেওঁ আৰু অধিক লাভ পাব। এইদৰে আমি ওপৰলৈ গৈ ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ লগত চিনাকি হোৱাৰ পিছত যি লাভ পাওঁ সেৱা তলৰ শ্ৰেণীৰ মানুহৰ বাবে অসম্ভৱ কথা গণ্য হ’ব। তেনেদৰে দেশৰ প্ৰধানমন্ত্ৰী জন যদি আমাৰ লগৰ হয় অৰ্থাৎ তেওঁৰ লগত বন্ধুত্বপূৰ্ণ সম্পৰ্ক থাকে তেতিয়া হলে লাভৰ কোনো সীমা নাথাকে।

লেখকে ক’ব বিচাৰিছে যে যদি কোনো ব্যক্তিয়ে দেৱ-দেৱীৰ ভক্তি কৰে, লাভ তেওঁ পাব, কিন্তু যি লাভ পূৰ্ণ পৰমাত্মাৰ ভক্তি কৰিলে পোৱা যাব তাৰ কোনো সীমা নাই, সেই লাভৰ তুলনা নাই। যদি ব্যক্তিজন প্ৰধানমন্ত্ৰীৰ সম্পৰ্কৰ হয়, তেওঁৰ লগত দেশৰ সকলো মুখ্যমন্ত্ৰী, মন্ত্ৰী আৰু অন্য বিষয়া কৰ্মচাৰীৰ সহযোগ থাকে। কোনেও বিৰোধ কৰিব নোৱাৰে। এইদৰে পূৰ্ণ পৰমাত্মাৰ ভক্তি কৰা ভক্তজনৰ লগত বিশ্বৰ সকলো দেৱ-দেৱীৰ সহায় সহযোগ থাকে। তেওঁলোকে সেই ভক্ত জনক যথাসম্ভৱ সহায় কৰে। বিৰোধ কেতিয়াও নকৰে। যদি কোনো ভূত, পিতৰ, প্ৰেত, ভৈৰৱ, বেতাল আদিয়ে পূৰ্ণ পৰমাত্মাৰ ভক্তক কষ্ট দিয়াৰ কথা চিন্তাও কৰে, তেন্তে অন্য দেৱ-দেৱীয়ে সেই কষ্ট দূৰ কৰি দিয়ে আৰু সিহঁতক সোঁৱৰাই দিয়ে যে সেই ভক্ত জন পূৰ্ণ পৰমাত্মাৰ শৰণত আছে। আকৌ সেই অপদেৱতা বোৰে ভয়তে কোনো হানি বা অপকাৰ কৰিবলৈ সাহস নকৰে। যদি ভূলতো কোনো ভূত-প্ৰেত আদিয়ে পৰমেশ্বৰৰ ভক্তক কোনো কষ্ট দিয়ে সেই ভূত-প্ৰেতক পৰমেশ্বৰৰ গণ (অনুচৰ/লগুৱা) বিলাকে ধৰি বান্ধি নি মাৰপিট কৰি জেলত ভৰাই থয়। পৰমাত্মা কবীৰদেৱে কৈছে যে -

একে সাধৈ সব সধৈ, সব সাধে সব জায়ে।
মালী সীচৈ মূল কো, ফুলৈ-ফলৈ অঘায়।।

ভাৱাৰ্থ ঃ- আম বা আন গছপুলিৰ শিপা মাটিত গাঁত খান্দি ৰুৱে। শিপাত পানী দিয়ে। একমাত্ৰ শিপাৰ সাধনা অৰ্থাৎ পূজা কৰিলেই পুলিৰ সকলো অংশ বিকশিত হয়, পুলি লহপহীয়া হয়। পুলিটো গছ হৈ ছাঁ, কাঠ আৰু ফল দিয়ে। যদি সেই পুলিৰ ডালবোৰক গাঁতত ৰুই পানীদিওঁ আৰু শিপাত পানী নিদিওঁ তেতিয়া সকলো নষ্ট হ'ব। মালীয়ে অৰ্থাৎ বাগিছাৰ দক্ষতা থকাজনে পুলিৰ শিপা মাটিত ৰুৱে আৰু সাৰপানী দিয়ে আৰু লাভ অৰ্জন কৰে। তেনেদৰে তত্ত্বদৰ্শী সন্তই সংসাৰৰূপী গছপুলিৰ শিপা অৰ্থাৎ পৰম অক্ষৰ ব্ৰহ্মক ইষ্ট মানি পূজা কৰে আৰু কৰোৱায়। তেওঁ সেই এজনৰ পূজা কৰি সকলো দেৱতাক সাধন কৰে। সকলো দেৱতা সেই সৎপুৰুষৰ আদেশত চলে, সাধকৰ কাৰ্য্য সিদ্ধ কৰে। যদি সকলো দেৱতাৰ পূজা কৰা হয় তেতিয়া সৎপুৰুষ ৰুষ্ট (অসন্তুষ্ট) হ'ব। তেওঁৰ আদেশ অবিহনে দেৱতাসকলে একো কৰিব নোৱাৰে অৰ্থাৎ সাধকৰ সাধনা শাস্ত্ৰৰ বিপৰীতে হোৱা বাবে একো লাভ নহয়।

সেইকাৰণে পূৰ্ণ পৰমাত্মাৰ ভক্তি কৰক। বৰ্তমানত মোৰ (সন্ত ৰামপাল দাস) অতিৰিক্ত বিশ্বত কাৰো এই সত্য জ্ঞান নাই। আপোনালোক আহক আৰু দীক্ষা লৈ নিজৰ আৰু পৰিয়ালৰ কল্যাণ কৰাওক।

## পণ্ডিত মনিৰাম পাঠকৰ কাম-কাজৰ কাহিনী

মনিৰাম নামৰ ধৰ্মগ্ৰন্থ পাঠ কৰা এজন প্ৰসিদ্ধ পণ্ডিত আছিল। হাৰিয়ানাৰ এখন গাঁৱত 'ৰামায়ণ' পাঠৰ আয়োজন কৰিলে। ৰামায়ণৰ কথা খুব বেছি এঘাৰ দিনত শেষ হয়। মনিৰাম পণ্ডিতে ত্ৰিশ দিনত শেষ কৰিলে। ভাবিলে বেছি দিন পাঠ হৈ থাকিলে প্ৰতিদিন দান পোৱা যাব। এইদৰে দক্ষিণাৰ পৰিমাণ বাঢ়িব। ত্ৰিশদিনত মনিৰাম পণ্ডিতে ত্ৰিশ টকাহে পালে। গাঁৱৰ কিছুমান ব্যক্তিয়ে যিদিনা মনিৰামে পাঠ সমাপ্ত কৰিব লগা আছিল, সেইদিনা সেইসময়তে দিল্লীৰ প্ৰসিদ্ধ নৰ্তকী চম্পাকলীৰ নাচ-গানৰ কাৰ্য্যক্ৰম স্থিৰ কৰিলে। সম্পূৰ্ণ গাওঁ নাচ-গান উপভোগ কৰিবলৈ আহিছিল। দুঘন্টাত চম্পাকলীয়ে পাঁচশ টকা পালে। মনিৰামে ত্ৰিশ দিনত মুঠেই ত্ৰিশ টকা পালে। পণ্ডিত জনৰ দুখে কুলাই-পাচিয়ে নধৰা অৱস্থা হ'ল। চুড়ানী গাওঁ ৰাস্তাৰ দাঁতিতে আছিল। মনিৰামে জানিছিল যে তাত পৰম সন্ত গৰীবদাস দেৱ বাস কৰে, তেওঁক লগ ধৰি যাওঁ বুলি ভাবিলে। সন্ত গৰীবদাস দেৱৰ লগত সেই গাওঁৰ আৰু আশে-পাশে থকা গাঁৱৰ দহ-বাৰজন ভক্ত বহি আছিল। সেই সময়তে মনিৰাম উপস্থিত হ'ল। সন্ত গৰীবদাস দেৱক ৰাম-ৰাম বুলি সম্বোধন কৰিলে। সন্ত গৰীবদাস দেৱেও ৰামৰাম ক'লে আৰু যোগ্য আসনত বহুৱালে। ভাল-বেয়াৰ খবৰ সোধাত মনিৰামে ক'লে, "হে মহাৰাজ কলিযুগৰ সময় আহিছে, ধৰ্মৰ নাশ হৈ গৈছে। মানুহৰ মাজত ধৰ্মৰ প্ৰতি আস্থা নোহোৱা হৈছে। আকাশ-পাতাল উলট পালট হলেও আচৰিত মানিব লগীয়া একো নাই।" তাত থকা ভক্ত বিলাকে সুধিলে, "হে পণ্ডিত তেনেকুৱা কি ঘটনা হ'ল ? "মনিৰামে কলে, "কিনো কওঁ ? সন্ত গৰীবদাসদেৱে সকলো জানেই। ভক্ত সকলে সুধিলে, "মহাৰাজ এনেকুৱা কি হ'ল যে পণ্ডিতে ইমান কষ্ট পালে ?" সন্ত গৰীবদাস দেৱে কৈছে যে -

গৰীব, ফুটি আঁখ বিবেক কী, অন্ধা হৈ জগদীশ।
চম্পাকলী কো পাঁচ সৌ, মনিৰাম কো তীস।।

ভাৱাৰ্থ ঃ যি জন জগদীশ নামৰ ব্যক্তিয়ে জানি শুনি অসভ্যালি কৰি মনিৰামৰ কথা (পাঠ) সমাপ্ত হোৱা দিনত নাচ-গান কৰা চম্পাকলীৰ কাৰ্য্যক্ৰম ৰাখিছিল, তেওঁ জ্ঞান নেত্ৰহীন অন্ধ হয়। গাঁৱৰ ব্যক্তিসকলৰো বিবেকৰ (চিন্তা শক্তি) চকু ফুটিল অৰ্থাৎ তেওঁ লোকেও চিন্তা কৰি নাচালে যে ধৰ্ম কথা পাঠ হৈ আছে। মনিৰামৰ বিৰোধ এনে অভদ্ৰতাৰে কৰিব নালাগিছিল। হে ভক্ত সকল, এঘাৰ দিনীয়া পাঠ অধিক দক্ষিণাৰ লোভত মনিৰামে ত্ৰিশ দিনতহে শেষ কৰিলে। গাঁৱৰ কিছুমান দুষ্ট ব্যক্তিয়ে মনিৰামৰ উদ্দেশ্য বুজি পাইছিল। সেইকাৰণে তেওঁলোকে পণ্ডিতক এই শিকনি দিবলৈ নৰ্তকী মাতি মহাপাপ কৰিলে। এই সত্য সন্ত গৰীবদাস দেৱৰ মুখেৰে শুনি মনিৰামৰ আশৰ্য্য হৈ পাৰ নাপালে। তেওঁ ভাবি আছিল "আজি পূৰা পাঠ সমাপ্ত কৰি (১১.৩০ বজাত) মই পোনে-পোনে ইয়াত উপস্থিত হৈছোঁ। সন্ত গৰীবদাস দেৱে কেনেকৈ গম পালে ? এওঁ পৰমাত্মা হয়, সকলো জানে। মনিৰাম বহাৰ পৰা উঠি গৈ সন্ত গৰীবদাস দেৱৰ চৰণত পৰিল আৰু ক'লে, "প্ৰভূ আপুনি সত্য কৈছে যে মই লোভত পৰি কথা দীঘলীয়া কৰিছিলোঁ। আপুনি সৰ্বজান। হে প্ৰভূ ধৰ্ম-কৰ্ম আৰু জীৱনৰ সত্য পথ দেখুৱাই দিয়ক।" তেতিয়া সন্ত গৰীবদাস দেৱে সৎসঙ্গ কৰি সেই পুণ্যত্মা মনিৰামক কলে যে -

হে মনিৰাম আপুনি পাঠ কৰি জনতাৰ পৰা ধন লয়। এই ধন আপোনাৰ ওপৰত ঋণৰ বোজা হৈ পৰিব। ইয়াক সুতেৰে সৈতে পৰিশোধ কৰিব লাগিব। আপোনাৰ যথাৰ্থ আধ্যাত্মিক জ্ঞান নাই। আপুনি কথা-পাঠ আৰু সৎসঙ্গ কৰিবৰ বাবে অধিকাৰীও নহয়। আপুনি মানুহক আকৰ্ষিত কৰিবলৈ ডিঙিত কণ্ঠী (তুলসী কাঠৰ মালা - বৈষ্ণৱ পন্থৰ পৰিচয়) পিন্ধি থৈছে। এটা মালা ১০৮ ৰুদ্ৰাক্ষ গুটিৰ পিন্ধিছে যিটো মন্ত্ৰ জপৰ বাবে ব্যৱহৃত হয় যাক সন্ত সকলে সুমৰণী বুলি কয়। কপালত তিলক দিছে, হালধীয়া বস্ত্ৰ ধাৰণ কৰিছে। সন্ত গৰীবদাস দেৱে বাণীৰে বুজালে যে ঃ "কণ্ঠী মালা সুমৰণী, পহৰে সে ক্যা হোয়। উপৰ ডুঁড়া সাধ কা, অন্তৰ ৰাখা খোয়।।

ভাৱাৰ্থ ঃ- হে মনিৰাম, ওপৰে-ওপৰে চালে আপোনাক সাধু যেন লাগে অৰ্থাৎ কাপোৰে কাণিয়ে আপুনি সম্পূৰ্ণ সাধু। আপোনাৰ বেশভূষা দেখি সন্ত-সমাজ আপোনাৰ নামত বলি যাবলৈ তৎপৰ। কিন্ত ভিতৰত সাধুৰ গুণ অকণো নাই। বাহিৰে ৰংচং ভিতৰে কোৱা ভাতুৰী। লোভৰ বাবে অন্তৰখন মলিন হৈ পৰিছে। সাধুতা হেৰুৱাই পেলাইছে অৰ্থাৎ সন্তভাৱ নাইকিয়া হৈছে। গতিকে কণ্ঠী মালা-সুমৰণী ডিঙিত আঁৰি ললেই সাধু হোৱা নাযায়। আত্ম কল্যাণৰ বাবে পূৰ্ণ সন্তৰ পৰা দীক্ষা লৈ আজীৱন নীতি নিয়মত থাকি ভক্তি কৰিলে কল্যাণ হব। আপুনি পাঠ কৰাৰ অধিকাৰী নহয়। অধিকাৰী নোহোৱাকৈ পাঠ কৰাটো যজমানক প্ৰৱঞ্চনা কৰা হয়। আপোনাৰ পূৰ্বপুৰুষ ঋষিসকল বাস্তৱত পণ্ডিত আছিল। বিদ্বান পুৰুষ আছিল। তেওঁলোকে এনে ভূল কৰা নাছিল। সন্ত গৰীবদাসে উদাহৰণেৰে বুজাইছে যে ঃ-

## ৰজা পৰীক্ষিতৰ উদ্ধাৰ

যি সময়ত ৰজা পৰীক্ষিতক ঋষিৰ শাপৰ বাবে সাপে খুটিব লগা আছিল, তেতিয়া ৰজা পৰীক্ষিতৰ উদ্ধাৰৰ বাবে শ্ৰীমদভাগৱত (সুধা সাগৰ)ৰ সাতদিনৰ পাঠ কৰিব লগীয়া আছিল। পৃথিৱীৰ সকলো ঋষি আৰু পণ্ডিতক শ্ৰীমদভাগৱতৰ কথা পৰীক্ষিতক শুনোৱাৰ বাবে অনুৰোধ

কৰা হ’ল। তেওঁলোক আচল পণ্ডিত আছিল। তেওঁলোকে পৰমাত্মাৰ বিধান জানিছিল। তেওঁলোকে এইটোও জানিছিল যে সপ্তম দিনা পৰিনাম দেখা যাব। বিশ্বৰ বুদ্ধিজীৱি ব্যক্তি সকলৰ দৃষ্টি সপ্তম দিনা পৰীক্ষিতৰ কি হ’ব, ইয়াক লৈ তীক্ষ্ণ হৈ পৰিছিল। পৃথিৱীৰ সকলো পণ্ডিতে শ্ৰীমদভাগৱত কথা শুনাবলৈ অস্বীকাৰ কৰিলে। সকলো ঋষিয়ে ক’লে যে স্বৰ্গৰ পৰা ঋষি সুখদেৱক এই কাৰ্য্যৰ বাবে মাতিব লাগিব। তেখেতে কথা শুনোৱাৰ অধিকাৰী হয়। ৰজা পৰীক্ষিতৰ বাবে স্বৰ্গৰ পৰা সুখদেৱ ঋষিক মতা হ’ল। কিছুদিন নৰক ভোগ কৰি যুধিষ্ঠিৰ স্বৰ্গত পুন্যফল ভোগ কৰি আছিল। তেওঁ বংশৰ মোহত পৰি অৰ্জুনৰ নাতি পৰীক্ষিতৰ উদ্ধাৰৰ বাবে নিজৰ কিছু পুণ্য শুকদেৱ ঋষিক দান কৰিলে। সেই পুণ্যৰ বলত শ্ৰীসুকদেৱ ঋষি বিমানত বহি পৃথিৱীলৈ পৰীক্ষিত ৰজাক শ্ৰীমদভাগৱত কথা শুনাবলৈ, আহিল। সাতদিন কথা শুনাই ৰাজ্য আৰু পৰিয়ালৰ পৰা পৰীক্ষিতৰ মোহভঙ্গ কৰিলে। তক্ষৎ সাপে পৰীক্ষিতক কথা শুনি থাকোঁতেই খুটিলে। লগে লগে ৰজাৰ মৃত্যু হল। কিন্তু কথা শুনি পৰীক্ষিতৰ ধ্যান সংসাৰৰ পৰা আঁতৰি স্বৰ্গৰ সুখত লীন হৈ গৈছিল। ৰজা হৈ থাকোঁতে পৰীক্ষিতে ডাঙৰ ডাঙৰ ধৰ্মযজ্ঞ কৰিছিল। ফলত তেওঁ বহুতো পুন্যৰ গৰাকী আছিল। বাণীত পৰমাত্মাৰ বিধান সম্পৰ্কে কৈছে যে -

কবীৰ, জহাঁ আশা তহাঁ বাসা হোই। মন কৰ্ম বচন সুমৰিয়ো সোই।।

গীতা অধ্যায় ৮ শ্লোক ৬ ত এইটোৰে প্ৰমাণ আছে যে ঃ “হে ভাৰত পৰমাত্মাৰ বিধান আছে যে অন্তিম মুহুৰ্ত্তত য’ত ভাৱ অৰ্থাৎ আস্থা ৰাখি স্মৰণ কৰা হয়, সেই জীৱই তাকেই প্ৰাপ্ত কৰিব।” এই বিধান মতে পৰীক্ষিতৰ জীৱ স্থুল শৰীৰ ত্যাগ কৰি (যি সাপৰ বিষত মৰিছিল) সুক্ষ্ম শৰীৰ যুক্ত সুকদেৱ ঋষিৰ লগত বিমানত বহি স্বৰ্গলৈ গ’ল।

সন্ত গৰীবদাসদেৱে (গাওঁ-ছুড়ানী, জিলা ঝজ্জৰ) মনিৰামক কলে যে সুকদেৱ ঋষিৰ দ্বাৰা কথা শুনি ৰজা পৰীক্ষিতৰ মন সংসাৰৰ পৰা আঁতৰি স্বৰ্গ প্ৰাপ্তিৰ বাবে প্ৰেৰিত হৈছিল। সেইকাৰণে মৃত্যুৰ পাছত সেই জন্মত ৰজা হৈ থাকোঁতে কৰা পুণ্য কৰ্মৰ ফলস্বৰূপে স্বৰ্গ লৈ যায়। জন্ম-মৃত্যুৰ চক্ৰ এতিয়াও বাকী আছে। কাল ব্ৰহ্মৰ লোকত (স্থানত) স্বৰ্গ-মহাস্বৰ্গৰ প্ৰাপ্তিকেই উদ্ধাৰ হোৱা বুলি মানি লয়, এইটো সম্পূৰ্ণ আধ্যাত্মিক জ্ঞানৰ অভাৱৰ পৰিণাম হয়। কাল ব্ৰহ্মৰ লোকত যাক উদ্ধাৰ হোৱা বুলি কোৱা হয়, সেই শ্ৰেণীৰ উদ্ধাৰ কৰাও পৃথিৱীৰ কোনো ঋষি-পণ্ডিতৰ শক্তিৰ বাহিৰত। কাৰণ এওঁলোকৰ পাঠ আৰু কথা অৰ্থাৎ সৎসঙ্গ কৰোঁতেওঁ মূল উদ্দেশ্য মান সন্মান হৈ থাকে। অন্যতকৈ বেছি প্ৰসিদ্ধ হোৱাৰ ইচ্ছা কৰাৰ বাবে এওঁলোক ঈৰ্ষা ৰোগৰ দ্বাৰাও আক্ৰান্ত হৈ থাকে। সুকদেৱ ঋষি জনক নামেৰে এজন সন্তৰ শিষ্য আছিল। ৰজা জনকক পূৰ্ণ পৰমাত্মা কবীৰদেৱে লগ ধৰিছিল। তেওঁক সো-হম নাম জপ কৰিবলৈ দিছিল। ৰজা জনকৰ প্ৰমূখ আৰু প্ৰিয় শিষ্য শুকদেৱ ঋষি আছিল। জনকে এই মন্ত্ৰ মাত্ৰ শুকদেৱক দিছিল। সেই কাৰণে শুকদেৱৰ স্বৰ্গৰ সময় বেছি। ৰজা জনকৰ লগত কালে প্ৰৱঞ্চনা কৰিছিল। তেওঁ নিজৰ পুণ্যৰ আধাখিনি বাৰ কোটি নৰক ভোগ কৰি থকা জীৱক দান কৰি দিছিল। তাৰ কাৰণে তেওঁৰ স্বৰ্গ সময় কম হৈ পৰিল আৰু তেওঁ ১৪৬৯ চনত পঞ্জাৱত (ভাৰত) শ্ৰী কালুৰাম মেহতা (খত্ৰী-অৰোৰা)ৰ ঘৰত শ্ৰীনানক নাম লৈ জন্ম লৈছিল। (বৰ্তমান

এই ঠাই পাকিস্তানত) শুকদেৱৰ পৃথিৱীত কাৰো প্ৰতি কোনো দ্বেষ, ঈৰ্ষা নাছিল বা মান-সন্মানৰ আশাও নাছিল। তেওঁৰ দ্বাৰা শুনোৱা কথাৰ প্ৰভাৱ পৰীক্ষিতৰ মনৰ ওপৰত পৰিল। সেইকাৰণে তেওঁৰ স্বৰ্গত বাস হ'ল। যদি অন্য ঋষিয়ে কথা পাঠ কৰিলেহেঁতেন ৰজাৰ মন ৰাজ্য আৰু পৰিয়ালতে থাকিল হয়। তেওঁ পুনৰ জন্ম পৃথিৱীত হলহেতেঁন। ৰজা হৈ পুণ্য নষ্ট কৰিলে হয়।

সন্ত গৰীবদাসদেৱে মনিৰামক কলে যে যেতিয়ালৈকে জীৱৰ জন্ম-মৃত্যু সমাপ্ত নহয় সি পৰম শান্তি নাপায়। আকৌ ৰজা হৈ ৰাজ্যৰ লাভ-হানিৰ জুইত জলিব। নিৰ্ধন হৈ কষ্ট ভুগিব। আকৌ পশু-পক্ষী ইত্যাদিৰ শৰীৰত কষ্ট ভূগিব। সন্ত গৰীবদাসদেৱে ক'লে, "আপুনি শ্ৰীবিষ্ণু ওৰফে শ্ৰীকৃষ্ণৰ ভক্ত (বৈষ্ণৱ সাধুৱে শ্ৰীবিষ্ণুক ইষ্ট ৰূপত মানি লয়) আপুনি এইটোও মানি লয় যে শ্ৰীকৃষ্ণ অৰ্থাৎ শ্ৰীবিষ্ণুৱে শ্ৰীমদভাগৱত গীতাৰ জ্ঞান অৰ্জুনক শুনাইছিল।" গীতা জ্ঞান শুনোৱাজনে গীতা অধ্যায় ১৮ শ্লোক ৬২ ত স্পষ্ট কৰি দিছে যে তেওঁক এৰি অন্য কোনোবা পৰম ঈশ্বৰ আছে। গীতা জ্ঞান দাতাই কৈছে, "হে ভাৰত তুমি সৰ্বতোভাৱে সেই পৰমেশ্বৰৰ শৰণ লৈ যোৱা। সেই পৰমেশ্বৰৰ কৃপাতহে তুমি পৰম শান্তি আৰু সনাতন পৰম ধাম (সত্যলোক) প্ৰাপ্ত কৰিবা"।

গীতা অধ্যায় ৭ শ্লোক ২৯ ত গীতা জ্ঞান দাতাই কৈছে, "যিজন সাধকে জৰা (বৃদ্ধাৱস্থা) তথা মৰণ (মৃত্যু)ৰ পৰা হাত সাৰিবলৈ অৰ্থাৎ মোক্ষ প্ৰাপ্তিৰ বাবে চেষ্টা কৰে, (কাললোকৰ ৰাজ্য আৰু স্বৰ্গ মহা-স্বৰ্গৰ ইচ্ছা নকৰে) তেওঁ তত্ ব্ৰহ্মৰ লগত সম্পূৰ্ণ আধ্যাত্মৰ লগত আৰু সকলো কৰ্মৰ লগত পৰিচিত।"

গীতা অধ্যায় ৮ শ্লোক ১ ত অৰ্জুনে গীতা জ্ঞান দাতাক প্ৰশ্ন কৰিলে যে যি তৎ ব্ৰহ্মৰ বিষয় অধ্যায় ৭ শ্লোক ২৯ ত কৈছে, সেই তৎ ব্ৰহ্ম কোন ? ইয়াৰ উত্তৰ গীতা জ্ঞান দাতাই অধ্যায় ৮ শ্লোক ৩ দিছে, কৈছে যে তেওঁ পৰম অক্ষৰ ব্ৰহ্ম হয়।

গীতা অধ্যায় ৮ শ্লোক ৫ আৰু ৭ ত গীতা জ্ঞান দাতাই তেওঁৰ নিজৰ ভক্তি কৰিবলৈ কৈছে যাৰ দ্বাৰা তেওঁক পোৱা যাব আৰু গীতাৰ অধ্যায় ৮ ৰ শ্লোক ৮, ৯, ১০ ত সেই, নিজত কৈ বেলেগ অন্য পৰম অক্ষৰ ব্ৰহ্মৰ ভক্তি কৰিবলৈ কৈছে যাৰ দ্বাৰা সেই পৰম অক্ষৰ ব্ৰহ্মৰ প্ৰাপ্তি হয়।

গীতা অধ্যায় ২ শ্লোক ১২, অধ্যায় ৪ শ্লোক ৫ অধ্যায় ১০ শ্লোক ২ ত গীতা জ্ঞান দাতাই কৈছে যে, "হে অৰ্জুন তোমাৰ আৰু মোৰ বহুতো জন্ম হৈ গৈছে। আগলৈও হৈ থাকিব।"

গীতা অধ্যায় ২ শ্লোক ১৭ ত অবিনাশী পৰমাত্মাৰ উল্লেখ আছে। অধ্যায় ১৫ শ্লোক ১৬-১৭ ত তিনিজন পুৰুষ (প্ৰভু) ৰ উল্লেখ আছে। শ্লোক ১৬ত ক্ষৰ পুৰুষ আৰু অক্ষৰ পুৰুষৰ বৰ্ণনা আছে। দুয়োকে নাশবান কোৱা হৈছে। আকৌ অধ্যায় ১৫ শ্লোক ১৭ ত অবিনাশী পৰম অক্ষৰ ব্ৰহ্মৰ বিষয় উল্লেখ আছে। তেওঁক উত্তম পুৰুষ অৰ্থাৎ সৰ্বশ্ৰেষ্ঠ পৰমাত্মা কোৱা হৈছে। তেওঁ তিনিও লোকৰ পালন-পোষণ কৰে, বাস্তৱতে অবিনাশী হয়। গীতা অধ্যায় ১৫ শ্লোক ৪ ত গীতাৰ জ্ঞান দিয়াজনে স্পষ্ট কৰিছে যে তত্বদৰ্শী সন্তক লগ পোৱাৰ পিছত পৰমেশ্বৰৰ সেই পৰম পদৰ অনুসন্ধান কৰিব লাগিব যলৈ যোৱাৰ পিছত

আকৌ উভতি সাধক সংসাৰলৈ কেতিয়াও নাহে। সেই পৰমাত্মাৰ হে ভক্তি কৰিব লাগিব, যাৰ দ্বাৰা সংসাৰ ৰূপী বৃক্ষৰ প্ৰবৃত্তি বিস্তাৰিত হৈছে অৰ্থাৎ যি পৰমাত্মাই বিশ্বৰ ৰচনা কিৰছে। (গীতাৰ উল্লেখ সমাপ্ত হৈছে)

সন্ত গৰীবদাসদেৱে মনিৰামক ক'লে যে পৰম অক্ষৰ ব্ৰহ্ম অৰ্থাৎ তৎ ব্ৰহ্মৰ ভক্তি তেওঁৰ (সন্ত গৰীবদাসৰ) লগত আছে। "যদি আপুনি পূৰ্ণ মোক্ষ বিচাৰে, তেন্তে দীক্ষা লওক আৰু নিজৰ কল্যাণ কৰক" বুলি কলে।

মনিৰামৰ গীতাৰ সকলো শ্লোক মনত আছিল তুৰন্তে বুজি পালে আৰু দীক্ষা লৈ পাষণ্ডৰ স্বভাৱ এৰি নিজৰ কল্যাণ সাধন কৰালে।

## পণ্ডিতৰ পৰিভাষা

বিদ্বান জনক পণ্ডিত বুলি কয়। মোৰ (লেখকৰ) গুৰুদেৱ ব্ৰাহ্মণ জাতিত (গাঁও-বড়া পৈতাঁৱাস, তহচীল-চৰখী দাদৰী, জিলা ভিৱানী, হাৰিয়াণা) জন্ম লৈছিল। তেওঁ নিজকে কেতিয়াও পণ্ডিত বুলি কোৱা নাছিল।

মোৰ ককা গুৰুদেৱ (মোৰ গুৰুৰো গুৰু) গাঁও ছাৱলা (দিল্লীত নজফ গড়ৰ ওচৰত)ৰ জাট আছিল। তেওঁ কম বয়সতে সন্ত গঙ্গেশ্বৰ নন্দৰ সৎসঙ্গৰ দ্বাৰা প্ৰভাৱিত হৈ তেওঁৰ লগত হৰিদ্বাৰ গৈছিল। সন্ত গঙ্গেশ্বৰ নন্দদেৱে তেওঁক কাশী বিদ্যাপিঠত পঢ়িবৰ বাবে এৰি দিলে। তেওঁ তীক্ষ্ণ বুদ্ধিৰ গৰাকী আছিল। চাৰিটা বিষয়ত আচাৰ্য্যৰ ডিগ্ৰী ল'লে। সেই কাৰণে জাট হলেও তেওঁক পণ্ডিত চিদানন্দ দেৱ বুলি মতা হৈছিল। গাঁও গোপালপুৰ (তহচিল খৰখোদা, জিলা-সোণীপত, হাৰিয়াণা) ত তেওঁৰ আশ্ৰম আছে। তাত ফলক আঁৰি থোৱা আছে, লিখা আছে- "পণ্ডিত চিদানন্দদেৱ (গৰীব দাসী) আশ্ৰম, গোপালপুৰ।" তেওঁৰ নাম চিদানন্দদেৱ আছিল। কোনো ব্ৰাহ্মণে দুখ কৰিব নালাগে, পণ্ডিতৰ পৰিভাষা দিয়া অনিবাৰ্য্য হৈ পৰিছে। সেই কাৰণে কৈছোঁ।

## সুদামা প্ৰকৃত পণ্ডিত আছিল

সুদামাৰ জন্ম ব্ৰাহ্মণ বংশত হৈছিল। সম্পূৰ্ণ ধনহীন আছিল। বহুবাৰ সন্তানো খালী পেটে শুইছিল। সুদামাৰ পত্নীয়ে জানিছিল যে দ্বাৰিকাৰ ৰজা শ্ৰীকৃষ্ণৰ লগত সুদামাৰ ভাল মিত্ৰতা আছিল। পত্নীয়ে প্ৰায়ে কৈছিল যে সুদামাই নিজৰ মিত্ৰ, ৰজা শ্ৰীকৃষ্ণৰ পৰা কিছু ধন খুজি আনিব লাগে। সুদামাই কৈছিল যে পণ্ডিতৰ কাম ভিক্ষা খোজা নহয়। পৰমাত্মাৰ বিধান বুজি লৈ তাৰ অনুকুলে জীৱন-যাপন কৰিব লাগিব। গৰীবদাস দেৱেও কৈছে যে -

গৰীব, নট, প্ৰেৰণা কাঁজৰ সাসী, মাঙ্গত হৈ ভঠিয়াৰে।
জিনকী ভক্তিমে লৌ লাগী, ৱো মোতী দেত উধাৰে।।
গৰীব, জো মাঙ্গৈ সো ভড়ুৱা কহিএ, দৰ-দৰ ফিৰৈ অজ্ঞানী।
জোগী জোগ সম্পূৰ্ণ জাকা, মাঙ্গ না পীৱৈ পানী।।

শব্দাৰ্থ ঃ- "নট" সকলে দৰ্শকক বিভিন্ন খেল দেখুৱায়। যেনে- দীঘল বাঁহ থিয় কৰি (মাটিত নোপোতাকৈ) তাৰ ওপৰত উঠে আৰু খেল শেষ হ'লে হাতত বাটি লৈ উপস্থিত দৰ্শকৰ পৰা টকা পইচা বিচাৰে। এইদৰে বান্দৰ, ভালুক, সাপ আদি নচুৱাসকলে নিজৰ নিজৰ

কলা প্ৰদৰ্শন কৰি টকা বা খাদ্য শস্য (চাউল, মাকৈ) খুজি ফুৰে। যদি যোগী অৰ্থাৎ সাধকেও এনে সিদ্ধি প্ৰদৰ্শন কৰি টকা বা শস্য সংগ্ৰ কৰে তেন্তে তেওঁৰ সাধনা সত্য সাধনা নহয়। যদি সত্য সাধক হ'লহেঁতেন শিষ্যক আশীৰ্বাদ ৰূপী মুকুতা দি ধনী কৰিলেহেঁতেন, শিষ্যৰ ভাগ্যত নাথাকিলেও সত্য সাধকে নিজৰ ফালৰ পৰা ঋণ হিচাপে দিয়ে। সন্তই যদি য'তে-ত'তে মাগি ফুৰে- তেওঁ অজ্ঞানী, তেওঁৰ লগত শাস্ত্ৰানুকুল সাধনা নাই, তেওঁ সন্ত নহয়, নিলাজ ঠগ হয়। যোগী অৰ্থাৎ সাধকৰ ভক্তি যদি সম্পূৰ্ণ হয় তেওঁ আনৰ পৰা একো নামাগে। উদাহৰণস্বৰূপে কোৱা হৈছে যে আন বস্তু বাদেই তেনে সম্পূৰ্ণ সাধকে পানীও খুজি নাখায়।

কিন্তু পত্নীয়ে বাৰে বাৰে আগ্ৰহ কৰাত বিপ্ৰ সুদামা নিজৰ মিত্ৰ শ্ৰীকৃষ্ণৰ ওচৰলৈ গ'ল। শ্ৰীকৃষ্ণই তেওঁৰ বিশেষ সন্মান কৰিলে। সুদামাই লৈ যোৱা এমুঠি চাউল শ্ৰীকৃষ্ণই বৰ সোৱাদেৰে খালে। সুদামাৰ ভৰি ধুই কুশল-মঙ্গল সোধাত পণ্ডিত সুদামাই ক'লে, "হে ভগৱান মোৰ কোনো বস্তুৰ প্ৰয়োজন নাই। আপোনাৰ কৃপাত জীৱন ভালেই চলি আছে। এসপ্তাহ শ্ৰীকৃষ্ণৰ লগত থাকি সুদামা নিজ ঘৰলৈ যাবলৈ ওলাল। এবাৰো নকলে যে কিছু ধন দিব লাগে। তেওঁ জানিছিল যে -

কবীৰ, বিন মাঙ্গে মোতী মিলে, মাংগে, মিলে ন ভীখ।
মাঁগন সে মৰণা ভলা, য়হ সৎগুৰু কী সীখ।।

শব্দাৰ্থ ঃ কবীৰ পৰমেশ্বৰেও কৈছে যে যি পূৰ্ণ পৰমাত্মাৰ সত্য সাধনা কৰে তেওঁ মাগিব নালাগে। মাগিলে পৰমেশ্বৰ ৰুষ্ট (অসন্তুষ্ট) হয়, তেওঁ মাগিলেও নাপায়। পৰমাত্মাৰ ওপৰত বিশ্বাস কৰি মাগি নুফুৰিলে পৰমাত্মাই ইচ্ছা পূৰণ কৰিব অৰ্থাৎ মুকুতাৰ দৰে বহুমূল্য বস্তুও দিব। পূৰ্ণ সদ্‌গুৰুৱে এই শিক্ষা দিয়ে যে মাগি ফুৰা মানে জীৱন্তে মৰা। মাগি ফুৰাতকৈ মৰাই ভাল। ইয়াৰ অৰ্থ আত্মহত্যা নহয়-ইয়াত নিজৰ ইচ্ছা দমন কৰি মৃতকৰ দৰে ব্যৱহাৰ কৰিবলৈ শিক্ষা দিছে।

শ্ৰীকৃষ্ণ ৰজা আছিল। নিজৰ বন্ধুৰ অৱস্থা বুজি পাই বিশ্বকৰ্মাক আদেশ দি এসপ্তাহত সুদামাৰ মহল তৈয়াৰ কৰি উলিয়ালে আৰু বহুতো ধনও দিলে। পণ্ডিত সুদামা নিজৰ ধৰ্ম কৰ্মৰ প্ৰতি উৎচৰ্গিত হৈ ৰ'ল। সেইকাৰণে তেওঁৰ লাভ হ'ল। এনে ব্যক্তিক পণ্ডিত বুলি কয়। যিজনে খোজে তেওঁ মগনীয়া, পণ্ডিতৰ পৰিভাষা এনেধৰণৰ হয়।

প্ৰসঙ্গ চলি আছে ঃ দীক্ষা (নাম লোৱা) ৰ পাছত ভক্তৰ আস্থা সংসাৰ আৰু পৰমাত্মাৰ প্ৰতি কেনেকুৱা হব লাগে। সেই প্ৰসঙ্গত পৱিত্ৰ "কবীৰ সাগৰ" গ্ৰন্থৰ অধ্যায় "অনুৰাগ সাগৰ" ত পৰমেশ্বৰ কবীৰদেৱে নিজৰ প্ৰিয় আত্মা ধৰ্মদাসদেৱক এইদৰে কৈছে যে ঃ-

*** অধ্যায় "অনুৰাগৰ সাগৰ" ৰ সাৰাংশ**

"অনুৰাগ সাগৰ" পৃষ্ঠা ৩ৰ পৰা ৫ লৈকে সাৰাংশ ঃ

পৃষ্ঠা ৩ ৰ পৰা ঃ ধৰ্মদাসে পৰমেশ্বৰ কবীৰদেৱক প্ৰশ্ন কৰিলে ঃ

প্ৰশ্ন ঃ প্ৰভু দীক্ষা প্ৰাপ্তিৰ পাছত পৰমেশ্বৰৰ প্ৰতি কেনেকুৱা আস্থা হ'ব লাগে ?

উত্তৰ ঃ- পৰমেশ্বৰ কবীৰদেৱে কৈছে যে যেনেকৈ মৃগ (হৰিণা) শব্দৰ প্ৰতি আসক্ত হয়, তেনেকৈ সাধকে পৰমাত্মাৰ প্ৰতি মনোযোগ দিব লাগে।

ঃঃ হৰিণা (মৃগ) ধৰোতাজনে এটা যন্ত্ৰেৰে বিশেষ শব্দ উলিয়ায় যি শব্দ হৰিণাৰ অত্যন্ত পছন্দৰ হয়। যেতিয়া সেই শব্দ বজোৱা হয়, তেতিয়া হৰিণা সেইফালে যাব ধৰে আৰু শব্দ বজাই থকা চিকাৰীজনৰ সন্মুখত বহি মুখ মাটিত থৈ সমৰ্পিত হৈ যায়। নিজৰ জীৱনটোৰ বাজি মাৰে। এইদৰেই দীক্ষা লোৱা জনেও পৰমাত্মাৰ প্ৰতি সমৰ্পিত হ'ব লাগিব। নিজৰ জীৱনটো উচৰ্গা কৰি দিব লাগিব।

**ঃ দ্বিতীয় উদাহৰণ ঃ**

পতঙ্গ (পাখি থকা পোক) ৰ পোহৰ বহুত প্ৰিয় বস্তু। নিজৰ প্ৰিয় বস্তু প্ৰাপ্ত কৰিবৰ বাবে পতঙ্গ চাকি, মমবাতি, বিজুলীৰ গৰম বাল্ব ইত্যাদিৰ ওপৰত আসক্ত হৈ তাক পোৱাৰ উদ্দেশ্যৰে তাৰ ওপৰত পৰি যায় আৰু তাৰ মৃত্যু হয়। এইদৰে ভক্তইও পৰমাত্মা পাবৰ বাবে মৰণত শৰণ ল'ব লাগে। সমাজৰ পৰম্পৰাগত সাধনা আৰু অন্য শাস্ত্ৰ বিৰুদ্ধ ৰীতি-নীতি ত্যাগ কৰোঁতে আৰু সত্য সাধনা কৰোঁতে কঠিনতা আহে। তাক প্ৰত্যাহ্বান জনাব লাগিব। যিকোনো পৰিস্থিতিৰ সন্মুখীন হবলগীয়া হলেও, পিছ হুঁহকিব নালাগে। প্ৰাণ গলেও ভয় কৰিব নালাগে।

**ঃ তৃতীয় উদাহৰণ ঃ**

আগৰ দিনত পত্নীৰ আগতে যদি পতিৰ মৃত্যু হয়, তেতিয়া পত্নীয়ে নিজৰ পতিক ইমান বেছি প্ৰেম কৰিছিল যে তাই নিজৰ মৃত পতিৰ লগত সেই চিতাতে জ্বলি মৰিছিল। তেতিয়া পৰিয়ালৰ আৰু বংশৰ লোকে বুজাইছিল যে তাইৰ সৰু সৰু সন্তান আছে, তাই নাথাকিলে সিহঁতক কোনে ডাঙৰ দীঘল কৰিব ? খুড়া, ককাদেউতাই আনৰ সন্তানক নিজৰ দৰে তুলি নলয়। যেতিয়ালৈকে মা-দেউতা থাকে, তেতিয়ালৈকে বংশৰ মানুহে মৰম কৰি দেখুৱায় বাস্তৱত প্ৰেম নিজৰ মাজত হে হয়। এই সৰু সৰু ল'ৰা ছোৱালীৰ মুখলৈ চোৱা। সন্তান দেউতাৰ মৃত্যুত কান্দি থাকে। মাৰ আঁচলত ধৰি টানে, যাব নিদিয়ে। সেই পত্নী গৰাকীক তাইৰ সোণৰ অলঙ্কাৰো দেখুৱা হয়। এই অলঙ্কাৰ কোনে পিন্ধিব ? কিমান সুন্দৰ হৈ আছে। তুমি সন্তানৰ লগত থাকা। কিন্তু সেই পত্নী প্ৰেমবিহ্বল হৈ সেই চিতাতে জীয়াই জ্বলি মৰিছিল পিছলৈ খোজ নিদিছিল। প্ৰথমে এই ধৰণে সতী হৈছিল। মাত্ৰ দুই এজনীহে সতী হৈছিল। পিছলৈ ই পৰম্পৰা বংশ মৰ্য্যদাৰ স্বৰূপ হৈ পৰিল। পতিৰ মৃত্যুৰ পাছত পত্নীক বলেৰে সেই চিতাতে পুৰি মৰা হৈছিল। এয়াই সতী প্ৰথাৰ আৰম্ভণি। পিছত বহু সংঘৰ্ষৰ ফলত এই প্ৰথা সমাপ্ত হ'ল।

এই কথাৰ সাৰাংশ হল যেনেকৈ পত্নী নিজৰ পতিৰ বৈৰাগ্যত জীয়াই জীয়াই মৰি গৈছিল। মুখেৰে ৰাম ৰাম কৈ চিতাত জলি গৈছিল।

জগত মে জীৱন দিন-চাৰ কা, কোই সদা নহী ৰহে।
য়হ বিচাৰ পতি সঙ্গ চালি, কোই কুছ কহৈ।।

শব্দাৰ্থ ঃ-পুৰণি কালত পত্নী নিজৰ পতিৰ লগত চিতাত জ্বলি মৰিছিল। তেতিয়া তেওঁৰ আস্থা নিজৰ পতিৰ বাহিৰে কোনো ধন সম্পত্তি, সন্তান বা আ-অলঙ্কাৰৰ প্ৰতি নাছিল। তেওঁ ভাবিছিল আজি নহ'লেও কিছুদিনৰ পাছত মৃত্যু হ'বই, গতিকে মানুহে কি ক'ব তালৈ গুৰুত্ব

দিব নালাগে। এই কথা চিন্তা কৰি সেই পত্নী পতিৰ লগত জ্বলি মৰিছিল। এইটো কু-ৰীতি আছিল, কিন্তু সেই সময়ত অতি মহত্বপূৰ্ণ বুলি ভবা হৈছিল। এতিয়া শিক্ষিত সমাজে এই কু-ৰীতি আৰু উৎপীড়ণৰ অন্ত পেলালে। ভক্তিত দৃঢ়তা আনিবলৈ এই উদাহৰণ উপযুক্ত। ভক্তৰো পৰমেশ্বৰ প্ৰাপ্তিৰ বাবে এনে আস্থা থকাটো বাঞ্চনীয়। সংসাৰৰ মানুহৰ সাংসাৰিক কথা৲ৈ ধ্যান নিদি নিজৰ উদ্দেশ্যৰ সফলতাৰ বাবে দৃঢ়তাৰে ভক্তি কৰিব লাগে। মৰ্য্যদা পালন কৰিব লাগে। তলৰ বাণীত বুজোৱা হৈছে যে ভকতে সত্যপুৰুষক পাবৰ বাবে এনেদৰে একাগ্ৰচিত্ত হ'ব লাগে। সাংসাৰিক সম্বন্ধ, সম্পত্তি সকলো পাহৰি কেৱল পৰমাত্মাত ধ্যান দিব লাগে।

হে ধৰ্মদাস ভক্তৰ বিচাৰ সেই প্ৰকাৰৰ হ'ব লাগে।

ঐসেহী সৎপুৰুষ লৌ লাৱৈ। কুল পৰিবাৰ সব বিসৰাৱৈ।।১।।
নাৰি সুত কা মোহ ন আনে। জগত ৰু জীৱন স্বপন কৰ জানৈ।।২।।
জগ মে জীৱন থোড়া ভাই। অন্ত সময় কোই নহী সহাই।।৩।।
বহুত প্যাৰী নাৰি জগ মাহী। মাতা-পিতা জাকে সম নাহী।।৪।।
চাহে কোই জলৈ পতি সঙ্গ। ফিৰ দোনো বনৈ কীট পতঙ্গ।।৬।।
ফিৰ পশু-পক্ষী জন্ম পাৱৈ। বিন সৎগুৰু দুখ কৌন মিটাৱৈ।।৭।।
ঐসী নাৰি বহুতেৰী ভাই। পতি মৰৈ তব ৰুধন মচাই।।৮।।
কাম পুৰ্ত্তি কী হানি বিচাৰৈ। দিন তেৰব ঐসে পুকাৰৈ।।৯।।
নিজ স্বাৰ্থ কো ৰোদন কৰহী। তুৰন্ত হী খসম দুসৰো কৰহী।।১০।।
সুত পৰিজন ধন স্বপন স্নেহী। সত্যনাম গহু নিজ মতি ঐহী।।১১।।
স্ব তন সম প্ৰিয় ঐৰন আনা। সোভী সঙ্গ নহী চলত নিদানা।।১২।।
ঐসা কোই না দিখ ভাই অন্ত সময় মে হোয় সহাই।।১৩।।
আদি অন্ত কা সখা ভুলায়। ঝুঠে জগ নাতো মে ফিৰৈ উমাহয়া।।১৪।।
অন্ত সময়া জম দুত গলা দবাৱৈ। তা সময় কহো কৌন ছুড়াৱৈ।।১৫।।
সৎগুৰু হৈ এক ছুড়াৱন হাৰা। নিশ্চয় কৰ মানহু কহা হমাৰা।।১৬।।
কাল কো জীত হংস লে জাহী। অবিচল দেশ জহাঁ পুৰুষ ৰহাহী।।১৭।।
জহাঁ জায় সুখ হোয় অপাৰা। বহুৰ ন আৱৈ ইস সংসাৰা।।১৮।।
ঐসা দৃঢ় মতা কৰাহী। জৈসে সুৰা লেত লড়াই।।১৯।।
টুক-টুক হো মৰৈ ৰণ কে মাহীষ পুঠা কদম কবহু হটাৱৈ নাহী।।২০।।
জৈসে সতী পতি সঙ্গ জৰহী। ঐসা দৃঢ় নিশ্চয় জো কৰহী।।২১।।
সাহেব মিলৈ জগ কীৰ্তি হোই। বিশ্বাস কৰ দেখো কোই।।২২।।
হমহৈ ৰাহ বতাৱন হাৰা। মানৈ বচন ভৱ উতৰৈ পাৰা।।২৩।।
ছল কপট হম নহী কৰাহী। নিস্বাৰ্থ পৰমাৰ্থ কৰৈ ভাই।।২৪।।
জীৱ এক জো শৰণ পুৰুষ কী জাৱৈ। প্ৰচাৰক কো ঘনা পূণ্য পাৱৈ।।২৫।।
কোটি ধেনু জো কটত বচাঈ। এতা ধৰ্ম মিলৈ প্ৰচাৰক তাহী।।২৬।।
লাৱৈ গুৰু শৰণ দীক্ষা দিলাৱৈ। আপোনা থাপৈ সব কুছ গুৰু কো বতাৱৈ।।২৭।।

জো কোই প্ৰচাৰক গুৰু বনি বৈঠে। পৰমাত্মা ৰুঠৈ কাল কান ঐঠে।।২৮।।
লাখ আঠাইস ঝুঠে গুৰু ৰোৱৈ। পড়ে নৰক মে না সুখ সোৱৈ।।৩০।।
ৰোএ ববুল আম কহাঁ খাই। কোটি জীৱন কো নৰক পঠাই।।৩১।।
ঐসী গলতী না কৰহু সুজানা। সত্য বচন মানো প্ৰমানা।।৩২।।

উপৰোক্ত বাণীৰ ভাৱাৰ্থ ঃ- যেতিয়া ল'ৰা ডেকা হয় তাৰ বিবাহ হয়। বিয়াৰ পাছত মা-দেউতাতকৈও বেছি আসক্তি পত্নীৰ প্ৰতি হয়। আকৌ সন্তানৰ মৰম স্নেহত বান্ধ খায়। যদি পতিৰ মৃত্যু হৈ যায়, পত্নী লগত নাযায়। কিছু সময়ৰ পাছত কাৰোবাৰ লগত বা পতিৰ ভাই-ককাইৰ লগত বিবাহ কৰে। গতিকে সম্পূৰ্ণ কৈ পাহৰি যায়। যদি কোনো পত্নী পতিৰ লগত জ্বলি মৰে আগন্তক জন্মত দুয়ো পশু বা পক্ষী হৈ ঘূৰি ফুৰে।

যিজনী পত্নীৰ বাবে পুৰুষে নিজৰ ডিঙি পৰ্যন্ত কটাব পাৰে, নিজৰ পত্নীক বেয়া চকুৰে চালে, যদি বাধা দিওতেও নামানে, সেই পতিয়ে পত্নীৰ বাবে কাজিয়া কৰি মৰে। আকৌ সেই পত্নীয়ে পতিৰ মৃত্যুৰ পাছত অন্য পুৰুষ লৈ যায়। এয়া অৱশ্যে সময়ৰ আৱশ্যকতা, কিন্ত ভক্তৰ বাবে উপযুক্ত শিক্ষা হয়।

ভাৱাৰ্থ ঃ- এই যে সকলো সম্বন্ধৰ মূলতে স্বাৰ্থ আছে। সেইকাৰণে সত্য ভক্তি কৰি সেই সত্যলোকলৈ যাওঁ বলা যত জৰা (বৃদ্ধাৱস্থা) আৰু মৃত্যু নাই।

আকৌ সাৱধান কৰি দিছে যে, হে ভক্ত সকল, নিজৰ শৰীৰৰ সমান মানুহৰ বাবে প্ৰিয় একো নহয়। নিজৰ শৰীৰ ৰক্ষাৰ বাবে লাখ-লাখ টকা চিকিৎসা খৰচ কৰিম। যদি টকা নাথাকে, সা-সম্পত্তি (মাটি বাৰী, পশুধন আদি) ও এই বুলি ভাবিয়ে বিক্ৰী কৰি নিজৰ শৰীৰ ৰক্ষা কৰে। পৰমেশ্বৰ কবীৰদেৱে বুজাইছে যে হে ধৰ্মদাস -

স্বতনু সম প্ৰিয় ঔৰ ন আনা। সোভী সঙ্গ ন চলত নিদানা।।

শব্দাৰ্থ - নিজৰ শৰীৰতকৈ প্ৰিয় বস্ত ওকো নাই, সেই শৰীৰো নিজৰ লগত নাযায়। আকৌ অন্য কোনটো বস্তক নিজৰ বুলি আনন্দিত হৈ ভগৱানক পাহৰি ঘূৰি ফুৰিছে, সকলো সম্পত্তি আৰু পৰিয়াল বৰ্গ এটা সপোনৰ সমানেই লগত আছে। কবীৰ পৰমেশ্বৰ দেৱে কৈছে, "মোৰ নিজৰ মত এই যে পূৰ্ণ সন্তৰ পৰা নাম (সত্য সাধনাৰ মন্ত্ৰ) লৈ নিজৰ জীৱৰ কল্যাণ কৰোৱা আৰু যেতিয়ালৈকে সপোন চাই-চাই পূৰ্ণ সন্তৰ শৰণ লৈ সত্য নাম প্ৰাপ্ত কৰি নিজৰ মোক্ষ কৰোৱা। যিটো ডবাত বহিছে সেইটো আপোনাৰ নগৰ। যিটো আসনত বহিছে সেইটো আপোনাৰ পৰিয়াল। যাৰ-যাৰ যাত্ৰা সম্পূৰ্ণ হয়, তেওঁলোক নিজৰ নিজৰ ষ্টেচনত নামি যায়। একেই দশা এই সংসাৰৰ। যেনেকৈ যাত্ৰী সকলে জানে যে তেওঁলোক অলপ সময়ৰ বাবে লগ হৈছে। ভদ্ৰপুৰুষ সেই যাত্ৰাত মৰম স্নেহৰ মাজত থাকে, এজনে সিজনক সহায় কৰে। এইদৰে আমি নিজৰ সপোনৰ নিচিনা মানৱ জীৱনৰ সময় আতিবাহিত কৰিব লাগে। সপোন ভাগিলে অৰ্থাৎ শৰীৰ এৰিলে গম পোৱা যায় সেয়া কি আছিল। সেই পৰিয়াল আৰু সম্পত্তি কলৈ গল, যাক সংগ্ৰহ কৰি থাকোঁতেই অমূল্য মানৱ জীৱন নষ্ট কৰিলে। সংসাৰত পৰমাত্মাৰ বাহিৰে এনে কোনো নাই যি মৃত্যুৰ সময়ত যমদূতে ডিঙি চেপি ধৰোঁতে আপোনাৰ সহায় কৰিব পাৰে। পৰমেশ্বৰ সেই সৎগুৰু ৰূপত আহি ভক্তক সহায় কৰে। সেই কাৰণে সৎ-গুৰুৰ শৰণ লোৱাৰ

পাছত জ্ঞানী সাধক পৰমেশ্বৰৰ প্ৰতি এনেকৈ আসক্ত হ’ব লাগে যেনেকৈ ১। মৃগ, ২। পতঙ্গ, ৩। সতী, ৪। বীৰপুৰুষ নিজৰ নিজৰ ধ্যায়মান বস্তুত আসক্ত হয়। নিজৰ উদ্দেশ্যৰ পৰা ফালৰি নাকাটে। পুৰাণ সমূহত আৰু শ্ৰীমদ ভাগৱত গীতা অধ্যায় ২ শ্লোক ৩৮ ত কোৱা আছে যে যদি সৈনিকৰ যুদ্ধত মৃত্যু হয়, স্বৰ্গ সুখ লাভ কৰিব। ভক্তই ভক্তি পথত থাকি সংঘৰ্ষ কৰি ভক্তি কৰি থাকোঁতে যদি শৰীৰ ত্যাগ কৰে তেতিয়া সৎলোক সুখ সাগৰত চিৰদিনৰ বাবে সুখী হৈ থাকিব। জন্ম-মৃত্যুৰ সংকট চিৰকালৰ বাবে সমাপ্ত হৈ যাব। যেনেকৈ আমাৰ জন্ম পৃথিৱীত হৈছে। আমাৰ জ্ঞান নাছিল যে আমি কাৰ ঘৰত পুত্ৰ বা পুত্ৰী ৰূপত জন্ম লম। আকৌ আমি এইটোও নাজানিছিলো যে আমাৰ বিবাহ সংযোগ কাৰ লগত হ’ব। এইটো জ্ঞানো নাছিল আমাৰ ল’ৰা হ’ব নে ছোৱালী হ’ব। এই সকলো পূৰ্ব জন্মৰ সংস্কাৰ আনুসৰি হৈ গৈ থাকে। আমাৰ মাজত ইমান মৰম আৰু নিজস্বতা আহিল। সদায় লগত থাকিবৰ ইচ্ছা হয়। কোনোও যাতে মৰি নাযায়, এনে ইচ্ছা কৰোঁ। এই কাল ব্ৰহ্মৰ লোকত কোনো চিৰকালৰ বাবে নাথাকে। এজন এজনকৈ আগত বা পিছত মৰি গৈ থাকিব। গোটেই জীৱনত যি সম্পত্তি সংগ্ৰহ কৰিছিলোঁ, সেইটো ইয়াতে থাকি যাব। জীৱ খালী হাতেৰে যাব। কিন্তু যিজনে পূৰ্ণসন্তৰ পৰা সত্য নামৰ দীক্ষা লৈ সাধনা কৰিব, তেওঁ সত্যলোকলৈ যাব। তাত পৃথিৱীত হোৱাৰ দৰেই জন্ম হব। তেনেদৰেই পৰিয়াল লগ হৈ থাকিব। তাত কোনো কাম কৰিব লগা নহব। সকলো খাদ্য পদাৰ্থ প্ৰচুৰ পৰিমানে সত্যলোকত আছে। চিৰসেউজীয়া গছ-গছনি, ফুলনী, মেৱা (কাজু, কিসমিস, মুনক্কা, দাখ) ইত্যাদি, গাখীৰৰ সমুদ্ৰ (ক্ষীৰ সমুদ্ৰ) আছে। সত্যলোকত বৃদ্ধবস্থা নাই, মৃত্যুও নাই। ইয়াক অক্ষয় মোক্ষ বুলি কয়। ইয়াক পূৰ্ণ মুক্তিও কয়, যিটো গীতা অধ্যায় ১৮ শ্লোক ৬২ আৰু অধ্যায় ১৫ শ্লোক ৪ ত বৰ্ণনা কৰা হৈছে আৰু যি সিদ্ধি মোক্ষ শক্তিক “নৈস্কৰ্ম্য” সিদ্ধি কোৱা হৈছে তাৰ বৰ্ণনা গীতা অধ্যায় ৩ শ্লোক ৪ অধ্যায় ১৮ শ্লোক ৪৯ ৰ পৰা ৬২ লৈ আছে। এই কাল ব্ৰহ্ম অৰ্থাৎ জ্যোতি নিৰঞ্জনৰ একৈশ ব্ৰহ্মাণ্ডত সকলো প্ৰাণীয়ে কৰ্মৰ দ্বাৰাই আহাৰ প্ৰাপ্তি কৰে। সত্যলোকত তেনেকুৱা নহয়। তাত কোনো কাম নকৰাকৈ সকলো সুখদায়ী বস্তু পোৱা যায়। যেনে বাগিছাত ফলেৰে ভৰা গছ আৰু লতা থাকে। ফল ছিঙিলে আৰু খালে। সকলো প্ৰকাৰৰ শস্যও আছে। সদায় বৰ্ত্তমান হৈ থাকে। যি ইচ্ছা তাকে খাওক। তাত আহাৰ তৈয়াৰ কৰিব নালাগে। ৰান্ধনি ঘৰত খাদ্য বস্তু (কেঁচামাল) থৈ দিয়ক, যি খাবলৈ ইচ্ছা কৰে, নিজে নিজেই প্ৰস্তুত হৈ থাকিব। এই সকলো কাম পৰমেশ্বৰৰ শক্তি দ্বাৰা হয়। সেই সৎলোক (শাশ্বত স্থান) পাবৰ বাবে আপুনি সতী বা বীৰৰ দৰে প্ৰাণ আহুতি দিবই লাগিব। কোৱাৰ অৰ্থ এই যে নিজৰ উদ্দেশ্য অৰ্থাৎ পূৰ্ণ মোক্ষ প্ৰাপ্তিৰ লক্ষ্যত উপনীত হবলৈ সংসাৰৰ সকলো লাভ হানি ইত্যাদি ত্যাগ কৰিব লগা হলেও চিন্তা কৰিব নালাগে। সংসাৰৰ সকলো (অলাগতিয়াল) কাম তুৰন্তে এৰি নিজৰ স্মৰণ ধ্যানত মগ্ন হওক। যদি সৎ গুৰুৰ শৰণ লোৱা নাই, তেন্তে যেতিয়া অন্তিম সময় আহিব তেতিয়া ভক্তিহীন প্ৰাণীৰ ডিঙি যমদূতে চেপি ধৰি বন্ধ কৰিব। সেই যমদূতৰ পৰা পৰিয়ালৰ কোনেও এৰাব নোৱাৰে। কেৱল সৎগুৰুদেৱে সেই আপদ কালত সহায় কৰে। সেই কাৰণে কবীৰ পৰমেশ্বৰে কৈছে ঃ-

অন্ত সময় যমদূত গলা দবাৱৈ। তা সময় কহো কৌন ছুড়াৱৈ।।

সৎগুৰু এক ছুড়াৱন হাৰা। নিশ্চয় কৰ মানহু কহা হমাৰা।।

**শব্দাৰ্থ ঃ-** উপৰোক্ত বাণীৰ শব্দাৰ্থ বাণীৰ ওপৰ অংশত দিয়া আছে। যদি কোনো ভক্তই জ্ঞান বুজি পাই দীক্ষিত হৈ অন্য সহজ সৰল বিপথে যোৱা জীৱক জ্ঞান চৰ্চা কৰি সত্য জ্ঞান প্ৰচাৰ দ্বাৰা সৎগুৰু শৰণত লৈ গৈ দীক্ষা দিয়ায়, তেতিয়া তেওঁৰ এটা জীৱক সত্য পথৰ সন্ধান দি দীক্ষা দিয়া ব্যৱস্থা কৰাৰ ইমান পুন্য হয়, যিমান পুন্য এক কোটি গাইক কচাইৰ হাতৰ পৰা ৰক্ষা কৰোঁতে হয়। এটা মানৱ জীৱন ইমান বহুমূল্য আৰু ইমান বেছি পুন্যৰ বলতহে প্ৰাপ্ত হয়। যদি কোনো মূৰ্খ প্ৰচাৰকে মান-সন্মানৰ বশৱৰ্ত্তী হৈ নিজে দীক্ষা দিয়ে, স্বয়ং গুৰু হৈ বহে, তেতিয়া সি মহা অপৰাধী হয়। তেওঁৰ লগত পৰমাত্মা ৰুষ্ট হৈ যাব। কালে আহি তাক কাণত ধৰি টানি লৈ যাব। যেনেকৈ কচাইয়ে ছাগলী লৈ যায়। কবীৰ সাগৰৰ অধ্যায় ‘‘অম্বুসাগৰ’’ ৪৮ পৃষ্ঠাত প্ৰমাণ আছে যে -

তব দেখা দুতন কহ জাই। চৌৰাশী তহাঁ কুণ্ড বনাই।।
কুণ্ড্-কুণ্ড বৈঠে যমদূতা। দেত জীৱন কহ কষ্ট বহুতা।।
তহাঁ জায় ম ঠাড় (থিয়) ৰ ৰহায়। দেখত জীৱ বিনয় বহুত লাৱা।।

**মিথ্যা (নকলী সৎগুৰুৰ) দশা**

পড়ে মাৰ জীৱ কৰে বহু শোৰা। বাঁধ-বাঁধ কুণ্ডণ মে বোৰা।।
লাখ অঠাইস পড়ে কড়ি হাৰা। বহুত কষ্ট তহাঁ কৰত পুকাৰা।।
হম ভূলে স্বাৰ্থ সঙ্গী। অব হমাৰা নাহী অৰ্দ্ধাংগী।।
হমতো জৰত হৈ অগ্নি মঝাৰা। অঙ্গ-অঙ্গ সব জৰত হমাৰা।।
কৌন পুৰুষ অব ৰাখে ভাই। কৰত গুহাৰ চক্ষু ঢল জাই।।

**জ্ঞানী (কবীৰদেৱ) বচন**

কৰুণা দেখ দয়া দিল আৱা। অৰে দূত ত্ৰাস ভাস দিখাৱা।।

এই বাণী মনে সজা হয়, আচল বাণী তলত দিয়া হল।

দুৰ্দশা দেখ দয়া দিল আৱা। অৰে দূত তুম জীৱন ভ্ৰমাৱা।।
জীৱ তো অচেত অজ্ঞানা। বাকো কাল জাল তুম বন্ধানা।।
চৌৰাশী দুতন কহ বান্ধা। শক ডোৰ চৌদহ যম সান্ধা।।
তব হম সবহল কঁহ মাৰা। তুম হো জালিম বটপাৰা।।
হমৰে ভগতন কো তুম ভ্ৰমাৱা। পলপল সুৰতি জীৱন ডিগাৱা।।
গহি চোটি দুত ঘচিয়াএ। যম ৰু দুত বিনয় তব লাএ।।

**দূত (নকলী গুৰু) বচন**

চুক হমাৰী ছমা কৰ দীজৈ। মন মানে তস আজ্ঞা কীজৈ।।
হম তো ধনী (কাল) কহয়ো জস কীনহা। সো বচন মান হম লীনহা।।
অব নহী জীৱ তুমাহাৰা ভ্ৰমাৰৈ। হম নহী কবহু গুৰু কহাৰৈ।।

**জ্ঞানী (কবীৰদেৱ) বচন**

সুন জ্ঞানী বহুতে হসাঁই। দুতন দুষ্ট বন্ধ ন ছোড়ে জাই।।

পল ইক জীৱন সুখ দীনা। তব সংসাৰ গমন হম কীনহা।।

ভাৱাৰ্থ ঃ- কবীৰ পৰমেশ্বৰে কৈছে যে যি নকলী সৎগুৰু সাজি মান সন্মানৰ বশৱৰ্তী হৈ, কালৰ দ্বাৰা প্ৰেৰিত হৈ সহজ সৰল জীৱক ভ্ৰমিত কৰিছিল, তেওঁলোকৰ শাস্তি হ'ব। তেওঁলোকক নৰকত পেলাই দিয়া হয়। মই (পৰমেশ্বৰ কবীৰদেৱ) সেই নৰকৰ ওৰচলৈ গলোঁ, তাত মান সন্মানৰ ভোকাতুৰ নকলী গুৰুসকল আছিল। লাখ লাখ জীৱক শিষ্য কৰি নিজৰ লগত নৰকলৈ লৈ গ'ল। গুৰু-শিষ্য সকলো পৰমেশ্বৰৰ বিধান অনুসৰি অপৰাধী হোৱাৰ বাবে নৰকত আছিল। সেই নৰক ক্ষেত্ৰত কুণ্ড তৈয়াৰ কৰা আছে। প্ৰত্যেক কুণ্ডত জীৱ ভৰি আছে আৰু যমদূতে যাতনা দি আছে। সেই আঠাইশ লাখ-নকলী সৎগুৰুৱে মোক দেখি আৰ্জি লগালে যে তেওঁলোককো ৰক্ষা কৰিব লাগে, কাৰণ সিহঁতক কষ্ট দিয়া যম দূত বিলাকে কবীৰ ভগৱানক দেখি ভয়ত কঁপিব ধৰিলে। সেই কাৰণে নকলী সৎগুৰু সকলে ভাবিলে যে এওঁ নিশ্চয় কোনো শক্তিশালী দেৱতা হয়। পৰমেশ্বৰ কবীৰদেৱে ক'লে, "তোমালোকে জানিছিলা যে তোমালোকৰ লগত নাম দীক্ষা দিয়া অধিকাৰ নাই। তোমালোকৰ পূৰ্ণ মোক্ষ বিষয়ত একো জ্ঞান নাই। নিজৰ স্বাৰ্থসিদ্ধিৰ বাবে লাখ-লাখ মানুহৰ অমূল্য জীৱন নাশ কৰিছিলা। মানুহবোৰ কালৰ জালত বন্দী হৈ ৰ'ল।" আকৌ মই সেই দূত বোৰক (কালে তৈয়াৰ কৰা নকলী সৎগুৰু) আৰু অন্য যমদূতবোৰক মাৰিলো, টিকনিত ধৰি টানিলোঁ। তেতিয়া নকলী সৎগুৰু সকলে ক'লে যে তেওঁলোকে নিজৰ ধনী অৰ্থাৎ মালিক কাল ব্ৰহ্মৰ আদেশ পালন কৰিছে। এতিয়া আপুনি যি আদেশ দিব তাকে পালন কৰিম বুলিও ক'লে। মই কলোঁ যে এতিয়া তোমালোকক এৰি নিদিয়ে। নকলী সৎগুৰুৰ শিষ্য হৈ জীৱন নাশ কৰা জীৱ সমূহো তেওঁলোকৰ গুৰুৰ লগতে একেখন নৰকত পৰি আছিল। যেতিয়ালৈকে মই (কবীৰ পৰমেশ্বৰ) তাত আছিলো, সেই জীৱ সমূহক নৰকৰ কষ্ট হোৱা নাছিল। এনেদৰে তেওঁলোকক খন্তেকীয়া  সুখ দি তাৰ পৰা ওলাই সংসাৰলৈ আহিলোঁ। মই অহাৰ পাছতে সেই নকলী সৎগুৰু আৰু সিহঁতৰ মুৰ্খ শিষ্য সকলক যাতনা দিয়া আৰম্ভ হ'ল। সেইকাৰণে উপৰোক্ত বাণীত কোৱা হৈছে যে যদি কোনো প্ৰচাৰকে নিজে গুৰুৰ আসন লয় তেতিয়া পৰমেশ্বৰ ৰুষ্ট হ'ব আৰু কালে কাণত ধৰিব অৰ্থাৎ কষ্ট দিব। সেইকাৰণে হে ভদ্ৰপুৰুষ সকল কেতিয়াও এনেভূল নকৰিবা। মোৰ বচন প্ৰমাণিত বুলি মানি ল'বা।

***  ভক্তৰ স্বভাৱ কেনে হ'ব লাগে**

(অনুৰাগ সাগৰৰ পৃষ্ঠা ৬ ৰ বাণী সংখ্যা ৭ ৰ পৰা ১৭ লৈকে।)

**ধৰ্মদাস বচন**

মৃতক ভাৱ প্ৰভূ কহো বুঝাই। জাতে মনকী তপনি নসাই।।
কেহি বিধি মৃতক হো য়হ জীৱন। কহো বিলোয় নাথ অমৃতধন।।

**কবীৰ বচন-মৃতকৰ দৃষ্টান্ত (উদাহৰণ)**

ধৰ্মদাস য়হ কঠিন কহানী। গুৰু গম তে কোই বিৰলে জানী।

**ভংগৰ উদাহৰণ**

মৃতক হোয় কে খোজহি সতা। শব্দ বিচাৰি সহৈ মগু অন্তা।।

জৈসে ভৃংগ কীট কে পাসা। কীট গহো ভৃংগ শব্দ কী আশা।।
শব্দ ঘাতকৰ তেহী মহৈ ডাৰে। ভৃংগী শব্দ কীট জো ধাৰে।।
তব লৈ গৌ ভৃংগী নিজ গেহা। স্বাতী দেহ কীনহো সমদেহা।।
ভৃংগী শব্দ কীট জো মানা। বৰণ ফেৰ আপন কৰ জানা।।
বিৰলা কীট জো হোয় সুখদাই। প্ৰথম অৱাজ গহে চিতলাই।।
কোই দুজে কোই তীজে মানৈ। তন মন ৰহিত শব্দ হিত জানৈ।।
ভৃংগী শব্দ কীটনা গহই। তৌ পুনি কীট আসৰে ৰহই।।
একদিন কীট গহেসী ভৃংগ ভাষা। বৰণ বদলৈ পুৰৱৈ আশা।।

**মৃতকৰ আৰু দৃষ্টান্ত**

(অনুৰাগ সাগৰৰ পৃষ্ঠা ৭ ৰ বাণী সংখ্যা ৭ ৰ পৰা ২০ লৈ)
সুনহু সন্ত য়হ মৃতক সুভাউ। বিৰলা জীৱ পীৰ মগ ধাউ।।
ঔৰে সুনহু মৃতককা ভেৱা। মৃতক হোয় সৎগুৰু পদ সেৱা।।
মৃতক ছোহ তজৈ শব্দ উৰধাৰে। ছোহ তজৈ তো জীৱ উপৰে।।

**পৃথিৱীৰ দৃষ্টান্ত**

জিস পৃথিৱীকৈ গঞ্জন হোই। চিত অনুমান গহে গুন সোই।।
কোই চন্দন কোই বিষ্ঠা ডাৰে। কোই-কোই কৃষি অনুসাৰে।।
গুন ঔগুন তিন সমকৰ জানা। তজ বিৰোধ অধিক সুখ মানা।।

**কুঁহিয়াৰৰ দৃষ্টান্ত**

ঔৰো মৃতক ভাৱ সুনি লেহু। নিৰখি পৰখি গুৰু মগু পগু দেহু।।
জৈসে ঈখ কিষাণ উগাৱৈ। ৰতী-ৰতী কৰ দেহ কটাৱে।।
কোলস্থ মঁহ পুনি তাহী পিৰাৱৈ। পুনি কড়াহ মে খুব উটাৱে।।
নিজ তনু দাহে গুড় তব হোই। বহুৰি তাৱ দে খাঁড় বিলোই।।
তাহু মহি তাৱ পুনি দীনহা। চীনী তৱৈ কহাৱন লীনহা।।
চীনী হোয় বহুৰিত তন জাৰা। তাতে মিচৰী হৈ অনুসাৰা।।
মিস ৰীতে জব কন্দ কহাৱা। কহে কবীৰ সবকে মনভাৱা।।
য়হী বিধিতে জো শিষ্য কৰহী। গুৰু কৃপা সহজে ভৱ তৰঈ।।

ভাৱাৰ্থ ঃ- অনুৰাগ সাগৰৰ পৃষ্ঠা ৬ ত লিখিত শাৰী সংখ্যা ৭ পৰা ১৭ ৰ ভাৱাৰ্থ এই যে ধনী ধৰ্মদাসদেৱে পৰমেশ্বৰ কবীৰদেৱক নম্ৰতাপূৰ্বক প্ৰশ্ন কৰিলে। “হে প্ৰভূ মৃতকৰ স্বভাৱ কেনেকুৱা হয় মোক বুজাই দিয়ক। কেনেকৈ জীৱিত হৈ মৰিব পাৰি। হে অমৰ পৰমাত্মা হে স্বামী অনুগ্ৰহ কৰি সেই অমৃত ধন অৰ্থাৎ অমৰ হোৱাৰ পথৰ বিষয় মোক উদাহৰণেৰে সৈতে নিৰ্ণায়ক জ্ঞান দিয়ক।

**পৰমেশ্বৰ কবীৰ বচন - মৃতকৰ দৃষ্টান্ত**

পৰমেশ্বৰ কবীৰদেৱে কলে, “হে ধৰ্মদাস আপুনি যি প্ৰশ্ন কৰিলে, সেইটো অতি জটিল প্ৰসংগ হয়। সৎগুৰুৰ শৰণত থাকি জ্ঞান পিপাসু ব্যক্তিয়েহে এইটো বুজি লৈ সেই পথত

(অমৰ হোৱা পথত) আগবাঢ়িব পাৰে।

## ভৃংগৰ দৃষ্টান্ত

সন্ত সাধক সকলে জীৱিত মৃতক হৈ পৰমাত্মাক বিচাৰে। শব্দ বিচাৰ কৰি অৰ্থাৎ যথাৰ্থ নাম মন্ত্ৰ সমূহৰ বুজ লৈ সেই পথৰ অন্তিম পৰ্য্যায়ত উপস্থিত হয়, অৰ্থাৎ পূৰ্ণ মোক্ষ প্ৰাপ্ত কৰে।

উদাহৰণস্বৰূপে এটা ভৃংগ (পাখি থকা নীলা ৰঙৰ পোক) থাকে, যাক কোমাৰণি বুলিও কয় অথবা অন্যান্য নামেৰেও জনা যায়। পোকটোৱে ভী-ভী শব্দ কৰি থাকে। সেই পোকে প্ৰজনন বিধিৰে (মতা মাইকীৰ মিলন হৈ) নিজৰ পৰিয়াল উৎপন্ন নকৰে। সি কোনো কীট বিশেষৰ ওচৰলৈ যায়। তাৰ ওচৰত গৈ নিজৰ ভী-ভী শব্দ কৰে, সেই কীটটো সেই শব্দৰ দ্বাৰা প্ৰভাৱিত হয়। কীটক লৈ আগৰে পৰা তৈয়াৰী মাটিৰ ঘৰত থৈ দিয়ে। ঘৰটো গোলাকাৰ, দুই ইঞ্চি পৰিধিৰ এটা বা দুটা মুখৰ হয়। আকৌ দ্বিতীয়টো, তৃতীয়টো কীট লৈ যায়। তেতিয়া কীট বিলাকৰ ওপৰত নিজৰ ভী ভী শব্দ কৰি থাকে। আকৌ নিয়ৰৰ টোপাল নিজৰ মুখেৰে আনি সেই কীটৰ মুখত দিয়ে। বাৰে বাৰে সেই ভৃংগৰ শব্দ শুনি সেই কীট ভৃংগৰ ৰঙৰ হৈ যায় আৰু তাৰ ভৃংগৰ দৰেই পাখি গজে। কীটে ভৃংগৰ দৰেই ভী-ভী শব্দ কৰিব ধৰে। শেহত ভৃংগ হৈ যায়। এইদৰেই পূৰ্ণ সন্তই নিজৰ জ্ঞান ভৃংগৰ দৰে বাৰে বাৰে কৈ সাধাৰণ মানুহক ভক্ত কৰি লয়। আকৌ ভক্ত জনেও সৎগুৰুৰ পৰা শুনা জ্ঞান অন্য ব্যক্তিক শুনাবলৈ লয়। সংসাৰৰ ৰীতি-নীতি ত্যাগ কৰা দেখি অন্য ব্যক্তিয়ে কয় যে ইহঁতৰ ৰংৰূপ সলনি হৈ গৈছে। এওঁলোক ভক্ত হৈ গল। যেনেকৈ ভৃংগই কীটক নিজৰ শব্দ শুনাওতে কোনো কীট সোনকালেই সক্ৰিয় হৈ যায়, কোনোটো দুবাৰ, তিনিবাৰ চেষ্টা কৰাত হে সক্ৰিয় হয় - সলনি হবলৈ মানে। এইদৰেই যেতিয়া সৎগুৰুৱে কিছুমান ব্যক্তিক নিজৰ সৎসঙ্গ শুনাব ধৰে, কোনো সংস্কাৰ থকা ব্যক্তিজনে শীঘ্ৰে মানি লয়, কোনোবাই আৰু এক দুইবাৰ সৎসঙ্গ শুনি হে ভক্তি মাৰ্গ গ্ৰহণ কৰে, দীক্ষা লয়। কিছুমান কীট এনেকুৱাও থাকে যি বহুত দিনৰ পিছতহে নিজৰ স্বভাৱ সলনি কৰে। যদি কোনো কীট শব্দ শুনি ভৃংগ হৈ যোৱা নাই কিন্তু ভৃংগৰ শৰণত আছে হে ধৰ্মদাস শিষ্য এইদৰেই গুৰুদেৱৰ শৰণত থাকি তেওঁৰ বিচাৰ জ্ঞান শুনি থাকে, তেন্তে সেই ভৃংগ কীটৰ দৰে প্ৰভাৱিত হৈ সাংসাৰিক ভাৱ সলনি কৰি ভক্তি হৈ হংস দশা প্ৰাপ্ত কৰিব।

পৃষ্ঠা ৭ ৰ বাণী সংখ্যা ৭ ৰ পৰা ২০ ৰ ভাৱাৰ্থ ঃ- কবীৰদেৱে কৈছে যে হে সন্তসকল মৃতকৰ স্বভাৱ সম্পৰ্কেও শুনি লোৱা এইদৰে কোনো বিৰল জীৱইহে অনুসৰণ কৰে। সেই জীৱই পীৱ অৰ্থাৎ পৰমাত্মাক প্ৰাপ্ত কৰা মগ অৰ্থাৎ মাৰ্গ (পথ) প্ৰাপ্তি কৰে। উপৰোক্ত অৰ্থাৎ ভৃংগৰ উদাহৰণৰ অতিৰিক্ত আৰু শুনা, মৃতকৰ ভাৱ যাৰদ্বাৰা মৃতক অৰ্থাৎ জীৱিত মৃতক হৈ সৎগুৰুৰ পদ (পদ্ধতি) অনুসৰি সেই বিৰল জীৱই সাধনা কৰে।

## পৃথিৱীৰ উদাহৰণ

পৃথিৱীত সহণশীলতা থাকে। পৃথিৱীৰ এই সহিষ্ণুতা গুণ যি আয়ত্ব কৰে অৰ্থাৎ গ্ৰহণ কৰে তেওঁ জীৱিত মৃতক হয় আৰু তেওঁহে সফল হয়। পৃথিৱীৰ ওপৰত কোনোৱে হাগে, খেতিৰ বাবে হালমাৰি মাটি তল-ওপৰ কৰে, কোনোৱে আকৌ পূজাকৰে। পৃথিৱীয়ে ভাল

ব্যৱহাৰ কৰিছেনে, বেয়া ব্যৱহাৰ কৰিছে তালৈ মন কান নিদিয়ে। যাৰ যেনেকুৱা ভাৱ, সি তেনেকুৱাই কৰে। এনেদৰে ভাবি পৃথিৱীয়ে বিৰোধ নকৰি সুখেৰে থাকে।

ভাৱাৰ্থ ঃ এই যে যেনেকৈ পৃথিৱী সহনশীল হয়, তেনেকৈয়ে ভক্ত সন্তও সহণশীল হব লাগে। কোনোবাই কব এইটো ঠিক কৰিছে, কিয় কৰিছে আৰ্থাৎ অপমান কৰিব পাৰে, আৰু কোনোবাই আকৌ সন্মান কৰিব পাৰে, যি কোনো পৰিস্থিতিতে নিজৰ উদ্দেশ্যত দৃঢ় হৈ ভক্তই সফলতা প্ৰাপ্ত কৰে।

## কুঁহিয়াৰৰ উদাহৰণ

কৃষকে কুঁহিয়াৰ খেতি কৰোঁতে কুঁহিয়াৰৰ এক এক ফুটৰ টুকুৰা মাটিত পুতি দিয়ে। কুঁহিয়াৰ পুৰঠ হলে শালত পেৰা হয়। আকৌ সেই ৰস কেৰাহীত ঢালি জুইত উতলোৱা হয়। তেতিয়া গুৰ হয়। যদি বেছিকৈ তাপ দিয়া হয় সেই ৰস খাণ্ড হৈ যায় যিটো গুৰত কৈ সোৱাদ ভৰা হয় আৰু বেছি তাপ দিলে চেনি হৈ যায়। আৰু অধিক তাপ দিলে মিছিৰী হয়। আকৌ মিছিৰীৰ পৰা উন্নত স্তৰলৈ নিবলৈ আকৌ অধিক তাপ দিব লাগে। পৰমেশ্বৰ কবীৰদেৱে ধৰ্মদাসক কৈছে যে এইদৰে যদি শিষ্যই ভক্তি মাৰ্গ স্বীকাৰ কৰি আগবাঢ়ি যায় তেতিয়া সেই ভক্ত পৰমাত্মাৰ প্ৰিয়, বহু মূল্য হৈ গৈ থাকে। ১৩২/১৩৩

অনুৰাগ সাগৰ ১৩৩

শীশ বশীকৰণ

ইন্দ্ৰ দৃষ্ট মহা অপৰাধী। কুটিল কাম হোঈ বিৰলে সাধী

কামিনি ৰূপ কাল কি খানী। তজহ অসু সঙ্গ গে গুৰু জ্ঞানী

কাম বশীকৰণ

জবহি কাম উসঙ্গ ও আৱৈ। তাহি সময় যো আপ জুগাৱৈ।।

শব্দ বিদেহ সুৰত লে ৰাখে। গহিমন মৌন নামৰস চাখে।।

জব নিহতত্বমে জায় সমাঈ। তবহী কাম ৰহৈ মুৰঝাই।।

কাম দেৱ লটেৰা হাঃ ছন্দ

কাম পৰবল অতি ভয়ংকৰ, মগ দাৰোণ কাল হো।।

সুৰ দেৱ মুণিগণ যক্ষ গন্ধৰ্ব, সবহি কীহ্ন বিলাস হাঃ।।

সবহি লুটে বিৰল ছুটে, জ্ঞান গুণ নিজ দৃঢ় গহে।।

গুৰু জ্ঞান দীপ সমীপ সৎগুৰু, ভেদ মাৰগতিন লহে।।

চক্ষু বশীকৰণ (চকু বশীকৰণ)

প্ৰথম হি ইন্দ্ৰী কহে সাধে, গুৰু গম পন্থ নাম অৰৰাধে

সুন্দৰ ৰূপ চক্ষু কি পূজা। ৰূপ কু-ৰূপ ন ভাৱে দুজা।।

ৰূপ কুৰূপহি সম কৰ জানে। দৰস বিদেহ সদা সুখ মানে।।

কাম লুটেৰা পৰা বছা উপায়

সোৰথা-দীপক জ্ঞান প্ৰকাশ, ভৱন উজেৰা কৰি বহো।।

সৎগুৰু শব্দ বিলাশ ভাজ চোৰ অজোৰা জব।।

অনুৰাগ সাগৰ ১৩২

মৃতক ভাৱত কোন থাকিব পাৰে

মৃতক ভা হে কঠিন ধমনি, লহে বিৰল শুৰহে।।

কাদৰ সুনতেহি তনমন দহৈ পাছে ন চিতবত কৰহো।।

ঐসে শিষ্য আপ সমহাৰে, নাব সহি গুৰজ্ঞান কো।।

লহৈ ভেদি ভেদ নিশ্চয়, জায় দীপ অমান কো।।

মৃতক হি সাধু হৌতা হাঃ

সোৰঠা-মৃতক হো সো সাধু সো সৎগুৰুকো পাৱই??

মেটে সকল উপাধ তাসু দেৱ আশা কৰে।।৬

সাধু কাক কোৱা হয়

সাধু মাৰ্গ কঠিন ধৰ্মদাস। ৰহনী ৰহে সো সাধু সুবাসা।।

পাচো ইন্দ্ৰীয় সম কৰি ৰাখে। নাম অমিৰস নিশিদিন চাখে।।

চক্ষু বশীকৰণ (চকু বশীকৰণ)

প্ৰথম হি হন্দ্ৰী কহে সাধে, গুৰু গম পন্থ নাম অৰৰাধে।

সুন্দৰ ৰূপ চক্ষু কি পূজা। ৰূপ কু-ৰূপ ন ভাৱে দুজা।।

ৰূপ কুৰূপহি সম কৰ জানে। দৰস বিদেহ সদা সুখ মানে।।

শ্ৰৱণ বশী কৰণ

ইন্দ্ৰী শ্ৰৱন বচন শুভ চাহৈ। উৎসক বচন চৰণত চিত্ৰ দাহে।।

বুল কুবুল গোউ সহ লেখৈ। হৃদয় শুদ্ধ গুৰু জ্ঞান বিৰোখৈ।।

নাসিকা বশীকৰণ

অনল পক্ষীৰ দৃষ্টান্ত

গুৰু কৃপাসো সাধু কহাৱৈ। অনল পাছহৈ লোক সিধাৱৈ।।

ধৰ্মদাস য়হ পৰখো বাণী। অনল পাছ গম কহো বখানী।।

অনল পক্ষী জো ৰহৈ আকাশ। নিশিদিন ৰহৈ পৱন কী আশা।।

সৃষ্টি ভাৱ তিন ৰতি বিধি ঠানী। য়হ বিধি গৰভ ৰহে তিহিজানী।।

সত্ত প্ৰকাশ কীহ্ন পুনি তহবা। নিৰাধাৰ আলম্বহি জহাঁবা।।

মাৰগ মাহি পুষ্ট ভো অণ্ডা। মাৰগ মাহি বিৰহি নৌখণ্ডা।।

মাৰগ মাহী চক্ষু তিন পাৱা। মাৰগ মহি পংখ পৰ ভাৱা।।

মহি টিগ আৱা সুধি ভই তাহী। ইহ মোৰ আশ্ৰম নহি আহী।।

সুৰহি সমহাৰ চলে পুনি তহবা। মাতা পিতাকো আশ্ৰম জহবা।।

নাসিকা ইন্দ্ৰী বাস অধিনা। যহি সং ৰাখৈ সন্ত প্ৰবিনা।।

জিহবা বশীকৰণ

জিহবা ইন্দ্ৰী চাহৈ স্বাদা, খট্টা মিঠা মধুৰ সুৱাদা।।

সহজ ভাৱমে জো কছু আৱৈ। ৰুখা ফিকা নহী বিলগাৱৈ।।

জোকৈই পঞ্চামৃত লৈ আৱৈ। তাহি দেখ নহী হৰষ চঢ়াৱৈ।।

তজে ন ৰুখা সাগ অলুনা। অধিক প্ৰেম সৌ পাৱৈ দুনা।।

অনুৰাগ সাগৰৰ ৮ আৰু ৯ পৃষ্ঠাৰ সাৰাংশ হ'ল, সাধক সেইজন হয় যিজনে নিজৰ সকলো ইন্দ্ৰিয় সংযম কৰি ৰাখে। যি পায় তাতেই সন্তুষ্ট হৈ যায়। ৰূপ দেখি তাৰ প্ৰতি আকৰ্ষিত নহয়। কুৰূপ দেখি ঘৃণা নকৰে। দুয়োকে দিব্য জ্ঞান দৃষ্টিৰে চাব যে ওপৰৰ ছাল ক'লা বগা আছে, শৰীৰৰ হাড়-মাংস সকলো একেই আৰু অলপ ৰুগীয়া হৈ গলেই বেয়া হৈ যায়, দুৰ্গন্ধ ওলায়। এইদৰে বিবেকৰ সৈতে ভক্তি কৰিব লাগে। যদি কোনোবাই সন্মান যাচে, মৰমেৰে মাতে তেতিয়াও আনন্দিত হব নালাগে। তেওঁলোকৰ (মানুহৰ) বুদ্ধিৰ স্তৰ বুজি লৈ শান্ত হৈ থাকিব। যদি কোনোবাই ভাল আহাৰ পায়স, চুজি, পুৰী খুৱায়, তাৰ দ্বাৰা প্ৰভাৱিত হ'ব নালাগে। তেওঁ নিজৰ কৰ্মৰ ফল পাব। যদি কোনোবাই নিম্ন মানৰ আহাৰ দিয়ে তাক ভালভাৱে, প্ৰেম সহকাৰে গ্ৰহণ কৰিব লাগে। কাম-বাসনাৰ প্ৰতি গুৰুত্ব দিব নেলাগে। এনে ভক্তইহে আচলতে পৰমেশ্বৰ প্ৰাপ্তি কৰিব পাৰে। যদি কাম-বাসনাই আমনি কৰিলে তাক ভক্তি নাম স্মৰণৰ ফালে ঢাল খুৱাই আনন্দ ল'ব লাগে। সেই সময়তে কাম-বাসনা দুৰ্বল হৈ পৰে। কাম-বাসনা নাশ কৰাৰ উপায় -

কবীৰ, পৰনাৰী কো দেখিয়ে, বহন বেটী কা ভাৱ।
কহ কবীৰ কাম নাশ কা, য়হী সহজ উপায়।।

**মোক্ষ প্ৰাপ্তিৰ অন্যভাৱ অনল (অলল) পক্ষীৰ দৰে ভাৱ**

এবিধ অনল পক্ষী (অলল পঙ্খ) আকাশত বাস কৰিছিল। এই পক্ষী এতিয়া লোপ পাইছে। ইয়াৰ চাৰিটা ঠেং আছিল। আগ ঠেং চুটি, পিছ ঠেং দীঘল। আকাৰত এই পক্ষী বৰ ডাঙৰ আছিল। দীঘল-দীঘল ডেউকা আছিল। ডাঙৰ পক্ষী এটাই চাৰিটা হাতীক একেলগে উঠাই আকাশত নিজৰ পৰিয়ালৰ ওচৰলৈ লৈ গৈছিল।

অনল পক্ষী উপৰত বায়ুত বাস কৰিছিল। তাতেই মাইকী অনলে কণী দিছিল। কণী সেই স্থানত এৰি দিছিল য'ত ক'লৰ গছ-গছনিৰে ভৰি থাকে। বহু কলগছ একেলগ হৈ ঘন হাবিত পৰিণত হৈছিল। হাতীৰ জাক সমূহো কল গছৰ হাবিত বাস কৰিছিল। কাৰণ হাতীয়ে ক'ল খাইছিল আৰু তাতেই শুই পৰি আৰাম কৰিছিল। অনল পক্ষীৰ কণী বায়ুমণ্ডলৰ মাজেদি পৃথিৱীলৈ আহোঁতে বায়ুত ঘৰ্ষণ হোৱাৰ ফলত পূৰঠ হৈ পোৱালি তৈয়াৰ হৈ গৈছিল। সেই

কণী কলগছ বিলাকৰ ওপৰত পৰিছিল। ঘনকৈ কলগছ থকা বাবে সেই কণীৰ একো ক্ষতি হোৱা নাছিল। মাত্র যিমানখিনি গতিৰে কলগছৰ ওপৰত পৰি গছ আঁতৰাই পৃথিৱীত পৰিছিল যাতে কণী ফাটি পোৱালি ওলায়। কণী বৰ ডাঙৰ আছিল। তাৰ আৱৰণো টান, মজবুত আছিল। পোৱালিৰ ৰক্ষণাবেক্ষণৰ বাবে আৱৰণ আৰু পোৱালিৰ মাজত তুলী সদৃশ পদাৰ্থ থাকে যি পৃথিৱীত পৰোতে পোৱালিক আঘাত প্ৰাপ্ত হোৱাৰ পৰা ৰক্ষা কৰে। অনল পক্ষীৰ পোৱালি পৃথিৱীত অন্য পক্ষীৰ পোৱালিৰ লগত বাস কৰিছিল। সিহঁতৰ লগতে মিলিজুলি উৰিছিল। কিন্তু তাৰ অন্তৰাত্মাই কৈছিল যে সেয়া তাৰ ঘৰ-পৰিয়াল নহয় তাৰ পৰিয়াল উপৰত আছে। সি উপৰলৈ নিজৰ পৰিয়াল থকা ঠাইলৈ যাব লাগে। পৃথিৱীৰ বৰ্তমান সংসাৰ তাৰ নহয়। সি যেতিয়া ডাঙৰ হৈ যায় হাতীৰ জাকৰ ওপৰত জপিঁয়াই পৰিছিল। চাৰিটা হাতীক চাৰিটা ঠেঙেৰে উঠাইছিল আৰু এটা হাতীক ঠোটেৰে ধৰি উৰি গৈছিল। নিজৰ পৰিয়ালৰ ওচৰলৈ গৈছিল। যাওঁতে পৰিয়ালৰ বাবে আহাৰ লৈ গৈছিল।

কবীৰ পৰমেশ্বৰে সঠিক উদাহৰণ দি ভক্ত সকলক পথ প্ৰদৰ্শন কৰি কৈছে যে এই সংসাৰ খনৰ তেওঁলোক স্থায়ী বাসিন্দা নহয়। আমি সংসাৰ খনক এৰি যাব লাগিব। আমাৰ পৰিয়াল উপৰত সত্যলোকত আছে। আমি এই পৃথিৱীৰ ওপৰত পৰি গৈছিলোঁ। তত্ত্বজ্ঞান প্ৰাপ্ত ভক্তৰ মনৰ অৱস্থা সেই অনল (অলল) পক্ষীৰ পোৱালিৰ মনৰ অৱস্থাৰ দৰে হ'ব লাগিব। যেতিয়ালৈকে সত্যলোকলৈ যোৱাৰ সময় উপস্থিত নহয়, সাংসাৰিক ব্যক্তিৰ লগত মিলিজুলি শিষ্টাচাৰ পালন কৰি থাকিব লাগে। যোৱাৰ সময়ত সংসাৰত থকা ব্যক্তিৰ প্ৰতি আসক্তি থাকিব নালাগে। নিজৰ নাম স্মৰণৰ ফল আৰু পুন্য ধৰ্মৰ ফল লগত লৈ উৰি যাব লাগিব। নিজৰ পৰিয়ালৰ ওচৰলৈ, নিজৰ ঘৰ সত্যলোকলৈ যাব লাগিব।

অনুৰাগ সাগৰৰ ১৫২ পৃষ্ঠাৰ সাৰাংশ ঃ- এই পৃষ্ঠাত পৰমেশ্বৰে শৰীৰৰ ভিতৰৰ গোপন ৰহস্যৰ বিষয়ে কৈছে। এই মানৱ শৰীৰত ৭২ নাড়ী আছে। তাৰ ভিতৰত তিনিটা (ইঙ্গলা, পিঙ্গলা, সুষুম্না) প্ৰধান হয়। আকৌ এটা বিশেষ নাড়ী আছে - "ব্ৰহ্মৰন্ধ্ৰ"।

পৰমেশ্বৰ কবীৰদেৱে কৈছে যে, ধৰ্মদাস, মন কাল নিৰঞ্জন হয়। কালে জীৱক এনেদৰে নচুৱাই আছে যেনেকৈ বাজিকৰে বান্দৰক নচুৱায়। এই শৰীৰত পাঁচ তত্ব, পঁচিশ প্ৰকৃতি আৰু তিনি গুণ কালৰ প্ৰতিনিধি (agent) হয়। জীৱক টোপ দি ভুলাই আওবাটে নিয়ে। এই শৰীৰত কাল নিৰঞ্জন আৰু জীৱ দুয়োৰে মুখ্য ভূমিকা আছে। কাল নিৰঞ্জনে মন ৰূপত বাস কৰি সকলো পাপ কৰিবলৈ দিয়ে। পাপক জীৱৰ মুৰত তুলি দিয়ে।

অনুৰাগ সাগৰৰ ১৫৩ পৃষ্ঠাৰ সাৰাংশ ঃ-

কালে এনেকৈ টোপ দি ভুলাই থৈছে যে জীৱই পৰমেশ্বৰক পাহৰি গৈছে।

## মনে কেনেকৈ পাপ-পুণ্য কৰিবলৈ দিয়ে

মনেই হৈছে কালৰ বিকৰাল ৰূপ অৰ্থাৎ কালৰ বিকট (ভয় লগা) ৰূপ হয়। মনে জীৱক নচুৱাই ফুৰে। সুন্দৰ স্ত্ৰী দেখিলে তাইৰ লগত ভোগ-বিলাস কৰাৰ আনন্দ মনলৈ আনি দিয়ে। স্ত্ৰী ভোগ কৰি আনন্দ মনে (কাল নিৰঞ্জনে) ললে, পাপ জীৱৰ ভাগত থাকি যায়।

বৰ্তমান সময়ত চৰকাৰে কঠোৰ আইন প্ৰণয়ন কৰিছে। যদি কোনো পুৰুষে কোনো স্ত্ৰী

লগত বলৎকাৰ কৰে, তেন্তে তাৰ দহ বছৰৰ শাস্তি হয়। যদি নাবালিকাৰ লগত বলৎকাৰ কৰে তাৰ আজীৱন কাৰাবাস হ'ব। মনৰ দ্বাৰা প্ৰেৰিত হৈ দুই মিনিটৰ আনন্দৰ বাবে পৰ্বত সম দুখ ভুগে। গতিকে প্ৰথমতেই মনক জ্ঞানৰ লেকাম লগাই ধৰি ৰাখিব লাগে। এইটোহে হিতকাৰী।

অনুৰাগ সাগৰৰ ১৫৪ পৃষ্ঠাৰ সাৰাংশ ঃ-

আনৰ ধন দেখিলে মনে তাক কাঢ়ি আনিবলৈ প্ৰেৰণা দিয়ে। চুৰি কৰি জীৱই দণ্ড ভোগ কৰে অকল মনটোৰ কাৰণেই। পৰনিন্দা, লোকৰ ধন আত্মসাৎ কৰাটো পাপ। কালে এনে ধৰণেৰে জীৱক কৰ্মবন্ধনেৰে বান্ধি ৰাখে। সাধু সন্তৰ বিৰোধ আৰু গুৰুদ্ৰোহ এই মন ৰূপী কালৰ দ্বাৰাই কৰা হয়। এয়া ঘোৰ অপৰাধ।

## নিৰঞ্জন চৰিত্ৰ = কালৰ জাল

পৰমেশ্বৰ কবীৰদেৱে ধৰ্মদাসক কলে যে তেওঁ ধৰ্মদাসক ধৰ্ম (ধৰ্মৰায় কাল) ৰ জাল বিষয়টো বুজাই ক'ব। কাল নিৰঞ্জন শ্ৰীকৃষ্ণত প্ৰৱেশ কৰি গীতাৰ জ্ঞান দিলে। তেওঁক কৰ্মযোগ উত্তম বুলি কৈ যুদ্ধ লগালে। জ্ঞান যোগৰ দ্বাৰা তাক ভ্ৰমিত কৰিলে। অৰ্জুনে প্ৰথমৰ পৰাই উচিত কথা কৈ আছিল সেয়া জ্ঞান আছিল। কৈছিলে যে যুদ্ধ কৰি নিজ কুলৰ ভতিজা, ভাই, খুলখালী, শহুৰ, খুড়া সকলক মৰাতকৈ ভিক্ষা কৰি খোৱা ভাল। পাপৰ দ্বাৰা প্ৰাপ্ত হোৱা ৰাজ্য মোক নালাগে। অৰ্জুণক ভয় খুৱাই, তিৰষ্কাৰ কৰি যুদ্ধ কৰালে আৰু নৰকৰ ভাগী কৰিলে। জ্ঞান যোগৰ আহিলা লৈ কৰ্ম যোগৰ ওপৰত জোৰ দি মহাপাপ কৰালে।

**অনুৰাগ সাগৰৰ ১৫৫ পৃষ্ঠাৰ সাৰাংশ ঃ-**

ধৰ্মদাসদেৱে সুধিলে, "হে প্ৰভূ আপুনি কালৰ জাল বুজাই ক'লে। এতিয়া কৃপা কৰি কৈ দিয়ক আপোনাক পাবৰ বাবে জীৱই কি কৰা উচিত ?

সৎগুৰু (কবীৰদেৱ) বচন

## ভক্তৰ ১৬ টা গুণ (আভূষণ)

পৰমেশ্বৰ কবীৰদেৱে ধৰ্মদাসক ক'লে যে ভৱসাগৰ অৰ্থাৎ কাললোকৰ পৰা ওলাই যাবলৈ ভক্তিৰ শক্তিৰ আৱশ্যকতা আছে। পৰমাত্মা প্ৰাপ্তিৰ বাবে জীৱৰ ষোল্লটা লক্ষণ হোৱাটো অনিবাৰ্য্য। এই লক্ষণ সমূহক আত্মাৰ ষোল্ল শৃঙ্গাৰ (আভূষণ) কোৱা হয়।

১। জ্ঞান, ২। বিবেক, ৩। সত্য, ৪। সন্তোষ, ৫। প্ৰেমভাৱ, ৬। ধৈৰ্য্য, ৭। বিশ্বস্বতা (বিশ্বাস কৰিবপৰা গুণ), ৮। দয়া, ৯। ক্ষমা, ১০। শীল, ভাল চৰিত্ৰ, ১১। নিস্কৰ্মা, ১২। ত্যাগ, ১৩। বৈৰাগ্য, ১৪। শান্তি, ১৫। ভক্তি কৰি নিজৰ জীৱ উদ্ধাৰ, ১৬। সকলোকে মিত্ৰবৎ ভৱা।

ভাৱাৰ্থ ঃ- পৰমাত্মা প্ৰাপ্তিৰ বাবে ভক্তৰ কিছুমান বিশেষ লক্ষণ থাকিব লাগে। এই ষোল্ল আভূষণ অনিবাৰ্য্য হয়।

১। তত্বজ্ঞান, ২। বিবেক, ৩। সত্য ভাষণ, ৪। পৰমেশ্বৰে দিয়া খিনিৰ ওপৰত সন্তুষ্ট হব লাগে আৰু তাক পৰমেশ্বৰৰ ইচ্ছা বুলি জানি লব লাগে, ৫। প্ৰেম ভাৱেৰে ভক্তি কৰিব, অন্যৰ লগতো মৃদু ভাষাৰে কথা কব, ৬। ধৈৰ্য্য ধৰিব, খৰধৰ নকৰিব, ৭। কাৰো লগত বিশ্বাস ঘাতকতা নকৰিব, ৮। দয়াভাৱ ৰাখিব, ৯। ভক্ত আৰু সন্তৰ এটা আভূষণ ক্ষমাও হয়। শত্ৰুকো ক্ষমা কৰা উচিত, ১০। শীলস্বভাৱ হব লাগে, ১১। নিস্কাম ভাৱেৰে ভক্তি কৰিব। সাংসাৰিক

লাভ প্ৰাপ্তিৰ বাবে ভক্তি নকৰিব, ১২। ত্যাগৰ ভাৱনা বহুত অনিবাৰ্য্য হয়, ১৩। বৈৰাগ্য থাকিব লাগিব। সংসাৰক অসাৰ আৰু নিজৰ জীৱনক অস্থায়ী জানি পৰমাত্মাৰ প্ৰতি বিশেষভাৱে আসক্তহে পৰাটো মোক্ষৰ বাবে অত্যাৱশ্যকীয় চৰ্ত, ১৪। ভক্তৰ বিশেষ গুণ শান্তি, ইও অনিবাৰ্য্য, ১৫। ভক্তি কৰা অৰ্থাৎ ভক্তি কৰি নিজৰ জীৱৰ কল্যাণ কৰা, ১৬। প্ৰতিজন ব্যক্তিৰ লগত বন্ধুৰ দৰে ব্যৱহাৰ কৰিব লাগে।

এই উপৰোক্ত গুণ আয়ত্ব কৰাৰ পাছতহে সত্যলোকলৈ যোৱা যায়। ইয়াৰ বাহিৰেও গুৰুসেৱা আৰু গুৰু পদ্ধতিত বিশ্বাস কৰিব লাগে। পৰমাত্মাৰ ভক্তি আৰু সন্ত সমাগম কৰা অনিবাৰ্য্য।

অনুৰাগ সাগৰৰ পৃষ্ঠা ১৫৮-১৫৯ ৰ সাৰাংশ ঃ-

পৰমেশ্বৰে কৈছে যে ভক্ত সকলে প্ৰতি পষেকত কোনো ধাৰ্মিক অনুষ্ঠান অৰ্থাৎ পাঠ কৰাব লাগে। পষেকত নোৱাৰিলেও মাহত এবাৰ অৱশ্য কৰাব লাগে। ধনহীন সকলৰ বাবে কৈছে যে কোনো অসুবিধা হ'লে বছৰত দুবাৰ অথবা এবাৰ হলেও অৱশ্য কৰাব লাগে। যদি বছৰত এবাৰো নকৰে তেতিয়া ভক্তক ভক্তি ভাৱহীন (নাস্তিক) বুলি কোৱা হ'ব। বছৰত এবাৰ পাঠ কৰালেও তাৰ জীৱৰ মোক্ষত কোনো সন্দেহ নাই।

কবীৰৰ নাম শ্ৰদ্ধাৰে জপ কৰিব অৰ্থাৎ গৰ্বেৰে কবীৰৰ নাম লব লাগে। এইটোও পৰমাত্মাৰ নাম হয় জানো বুলি লাজ কৰিব নালাগে। এনেকৈ কোৱা ব্যক্তি সকললৈ ভয় নকৰিব। লাজ নকৰিব আৰু ইয়াৰ লগতে তোমাৰ (ধৰ্মদাসৰ) নামো আদৰেৰে উচ্চাৰণ কৰিব।

ভাৱাৰ্থ এই যে আদৰণীয় ধৰ্মদাসৰ লগত পৰমাত্মা আছিল, তেওঁক সত্যলোকলৈ লৈ গ'ল, নিজৰ যথাৰ্থ পৰিচয় দিলে। ধৰ্মদাসে কবীৰ সাগৰ, কবীৰ বাণী, কবীৰ বীজক, কবীৰ শব্দাৱলী আদিত লিপিবদ্ধ কৰি মানৱ সমাজৰ মহান উপকাৰ সাধন কৰিছে। সেই কাৰণে ধৰ্মদাসদেৱৰো গুণ-গান কৰিব লাগে।

ভক্তই ভক্তি সাধনা আৰু নীতি-নিয়মৰ পালন অন্তিম শ্বাসলৈকে কৰিব লাগে। যেনেকৈ বীৰে যুদ্ধস্থলীত হয় শত্ৰুপক্ষক মাৰিব নহয় নিজে বীৰগতি প্ৰাপ্ত কৰিব। বীৰে কেতিয়াও পিছফালে নাচায়। সন্ত আৰু ভক্তৰ ৰণক্ষেত্ৰত ভক্তি মন্ত্ৰ জপ আৰু নীতি-নিয়ম পালন কৰিব লাগে। গুৰু বিমুখ হলে শিষ্যৰ নাম খণ্ডিত হয়, তেতিয়া স্বাভাৱিকতে তেনে শিষ্যই গুৰুৰ কোনো দোষ উলিয়াব। ফলত তেনে শিষ্য নৰকত অগ্নি কুণ্ডত পৰিব। যদি গুৰু বিমুখ হৈ ভক্তি এৰি দিয়ে তাৰ বহুত হানি হ'ব।

উদাহৰণ ঃ ইনভাৰটাৰ (Inverter) এটা চাৰ্জাৰত সংযোগ কৰা হৈছে। সেইটো চাৰ্জ হৈ আছে। যদি মাজতে চাৰ্জাৰ উলিয়াই দিয়ে সেই ইনভাৰটাৰ যিমানখিনি চাৰ্জ হৈ গৈছিল, সিমান সময়লৈকে হে লাভ দিব। আকৌ হঠাতে সকলো সুবিধা বন্ধ হৈ যাব। সেই গুৰু বিমুখ শিষ্যৰ অৱস্থাও এনেধৰণৰ হব। গুৰুৰ শৰণত থাকি, নীতি-নিয়ম পালন কৰি যিমান দিন ভক্তি কৰিলে, তাৰ শক্তি আত্মাত জমা হ'ল। আত্মা সেইখিনি চাৰ্জ হৈ গ'ল। যিদিনা গুৰু বিমুখ হল সেইদিনাই ভক্তিৰ শক্তি অহাটো বন্ধ হৈ যাব। যদি গুৰু বিমুখ (গুৰু বিৰোধ কৰি ত্যাগ কৰা) হৈ গুৰুৱে কোৱা সাধনা মন্ত্ৰ আদি পালন কৰি থাকে, একো লাভ নহব। যিদৰে বিজুলীৰ

সংযোগ বিছিন্ন হোৱাৰ পাছত ফেন, মটৰ, বাল্ব আদিৰ চুইচ টিপি থাকিলেও এইবোৰৰ কোনোটো সক্রিয় নহয়, কাম নকৰিব। এনে অৱস্থাই গুৰু বিমুখ সাধকৰ হ'ব আকৌ নৰকৰ ভাগীও হ'ব কবীৰ পৰমেশ্বৰে কৈছে যে -

কবীৰ, মানুষ জন্ম পাকৰ খোৱৈ। সৎগুৰু বিমুখা যুগ-যুগ ৰোৱৈ।।
কবীৰ গুৰু বিমুখ জীৱ কতহুণ বচৈ। অগ্নি কুণ্ডমে জৰ-জৰ নাচৈ।।
কোটি জন্ম বিষধৰ কো পাৱৈ। বিষ জ্বালা সহী জন্ম গমাৱৈ।।
বিষ্টা (টট্টী) মাহী ক্ৰমি জন্ম ধৰঈ। কোটি জন্ম নৰকহী পৰহি।।

ভাৱাৰ্থ ঃ- গুৰুক ত্যাগ কৰা জীৱ মুঠেই ৰক্ষা নপৰে। নৰকৰ অগ্নি কুণ্ডত উতলি-উতলি কষ্ট পাব। তাত অগ্নিৰ কষ্টত নাচিব অৰ্থাৎ জপিঁয়াই জপিঁয়াই জুইত পৰিব।

আকৌ কোটি-কোটি বাৰ বিষধৰ (সৰ্প)ৰ যোনি (শৰীৰ) প্ৰাপ্ত কৰিব। সাপক নিজৰ ভিতৰৰ বিষৰ গৰমে বহুত কষ্ট দিয়ে। গৰমৰ দিনত সাপবোৰ বিষৰ উষ্ণতাৰ পৰা ৰক্ষা পাবলৈ ঠাণ্ডা হবৰ বাবে চন্দন গছত মেৰ খাই থাকে। আকৌ সেই গুৰুদ্ৰোহী-গুৰু বিমুখ জীৱই বিষ্ঠা (গু) ত পোকৰ জন্ম পায়। এইদৰে গুৰুৰ পৰা আঁতৰি যোৱা প্ৰাণীয়ে মহাকষ্ট ভোগ কৰে। যদি গুৰু নকলী হয় তেওঁক ত্যাগ কৰি পূৰ্ণ গুৰুৰ শৰণলৈ গ'লে কোনো পাপ নহয়।

কবীৰ গুৰু দয়ালতো পুৰুষ দয়াল। জেহি গুৰুব্ৰত ছুএ নহী কাল।।

ভাৱাৰ্থ ঃ- হে ধৰ্মদাস যদি গুৰু শিষ্যৰ প্ৰতি দয়ালু হয় অৰ্থাৎ গুৰুৰ অন্তৰত শিষ্যৰ ভাল ছবি থাকে, শিষ্য যদি নীতি-নিয়ম মানি চলা হয় তেতিয়া পৰমাত্মাও সেই ভক্তৰ প্ৰতি প্ৰসন্ন হয়। অন্যথা উপৰোক্ত কষ্ট শিষ্যই ভুগিব লাগিব।

**পৃষ্ঠা ১৬০ ৰ সাৰাংশ ঃ**

এই পৃষ্ঠাত কিছু গুৰু মহিমাৰ বৰ্ণনা আছে, আৰু কুলি চৰাইৰ চানক্য নীতিৰ জ্ঞান আছে।

## কালৰ জীৱই পূৰ্ণ গুৰুৰ জ্ঞান নামানে

কুলি আৰু কাউৰীৰ উদাহৰণ ঃ কুলিয়ে কেতিয়াও নিজে বাহ সাজি কণী পাৰি পোৱালি নজগায়। কাৰণটো হল কুলিৰ কণী কাউৰীয়ে খায়। এইকাৰণে কুলিয়ে এনে নীতি ভাবিলে যাৰ দ্বাৰা তাৰ কণীৰ কোনো হানি নহয়। কুলিয়ে কণী দিয়াৰ আগতে কণী থকা কাউৰীৰ বাহ বিচাৰি লয়। যি সময়ত মাইকী কাউৰী আহাৰ বিচাৰি দুৰলৈ যায়, মাইকী কুলিয়ে কাউৰীৰ বাহত কণী পাৰে। তাৰ পাছত দুৰৰ গছত বহে বা আশে পাশে থাকে। কাউৰী ঘূৰি আহি দুটাৰ ঠাইত চাৰিটা কণী দেখা পায়। কিন্তু কোনটো কাৰ কণী চিনি নাপায়। সেই কাৰণে চাৰিওটা কণী উমনি দি পোৱালি জগায়। কুলিও আশে-পাশে থাকে। এতিয়া কুলিয়েও নিজৰ পোৱালি চিনি নাপায় কাৰণ গোটেইবোৰ পোৱালিয়েই কলা ৰঙৰ। যেতিয়া পোৱালি উৰিব ধৰে, কুলি ওচৰৰ গছত পৰি কুউ কুউ কৰি মাতে। কুলিৰ মাতে কুলিৰ পোৱালিক প্ৰভাৱিত কৰে। কুলিৰ পোৱালি কুলিৰ ফালে উৰি গুচি যায়। কুলিয়ে কুউ-কুউ কৰি দুৰলৈ গৈ থাকে, লগে লগে পোৱালি বিলাকো সেই মাতৰ পিছে পিছে উৰি গৈ থাকে। কাউৰীয়ে কিছু দূৰ খেদি গৈ ভাৱে যি উৰি গ'ল যাব দিয়া, বাহত থকা বিলাকক যাতে অন্য কোনো চৰাইয়ে কষ্ট নিদিয়ে তাৰ

ব্যৱস্থা কৰিব লাগে। এই চিন্তা কৰি কাউৰী ঘুৰি আহে। এইদৰে কুলিৰ পোৱালি নিজৰ বংশ পৰিয়ালৰ লগ হয়।

পৰমেশ্বৰ কবীৰদেৱে ধৰ্মদাসক বুজালে যে তেওঁৰ পুতেক নাৰায়ণ দাস কাউৰী অৰ্থাৎ কালৰ সন্তান হয়। তেওঁৰ ওপৰত মোৰ প্ৰবচনৰ প্ৰভাৱ নপৰিল। আপুনি দয়ালু (কৰুণাময় সৎপুৰুষ)ৰ অংশ হয়। আপোনাৰ ওপৰত মোৰ প্ৰত্যেক বাণীয়ে প্ৰভাৱ পেলালে আৰু আপুনি দৌৰি আহিল। কালৰ অংশ নাৰায়ণ দাসৰ ওপৰত কোনো প্ৰভাৱ নপৰিল। এই কাহিনীটোৱে প্ৰতিটো পৰিয়ালত প্ৰতিফলিত হোৱা দেখা যায়। যি অংকুৰিত হংস অৰ্থাৎ পূৰ্ব জন্মৰ ভক্তি সংস্কাৰ সম্পন্ন হংস কোনোবা জনমত সৎগুৰু কবীৰ দেৱৰ সত্য কবীৰ পন্থাত দীক্ষিত হৈছিল, সেই বিলাক কবীৰদেৱৰ বাণী শুনিলেই থাকিব নোৱাৰা হৈ পৰে। এনে বাণী শুনিবলৈ প্ৰৱলভাৱে প্ৰেৰিত হয় আৰু আকৰ্ষিত হৈ দীক্ষা লৈ শিষ্য হৈ নিজৰ কল্যাণ কৰে। সেই পৰিয়ালতে কিছুমান এনে ব্যক্তিও থাকে যি একেবাৰেই নামানে। পৰিয়ালত দীক্ষিত সদস্য সকলকো বিৰোধ আৰু ঠাট্টা কৰে। এইবোৰ কালৰ অংশ। তেওঁলোকেও নাৰায়ণ দাসৰ দৰে কালৰ দূতৰ দ্বাৰা প্ৰচলিত সাধন কৰে।

***    অনুৰাগ সাগৰৰ ১৬১ পৃষ্ঠাৰ সাৰাংশ -**

কবীৰ পৰমাত্মাই কৈছে যে হে ধৰ্মদাস যেনেকৈ বীৰসকলে আৰু কুলিৰ পোৱালি বিলাক এবাৰ আগবঢ়াৰ পিছত পিছলৈ খোজ নিদিয়ে, সেইদৰেই যদি কোনো ব্যক্তি, সকলো বাধা বিঘিনি নেওচি পৰিয়ালৰ মোহ এৰি দৌৰি আহি মোৰ লগ হয়, মই তেওঁৰ এশ এক প্ৰজন্মক পাৰ কৰি দিম।

কবীৰ, ভক্ত বীজ হোয় জে হংসা। তাকঁু তাস কে একোতৰ বংশা।।
কবীৰ, কোয়ল সুত জৈসে শুৰা হোই। য়হী বিধি ধায় মিলৈ মোহে কোই।।
নিজ ঘৰ কী সুৰতি কৰৈ জো হংসা। তাৰোঁ তাস কে একোতৰ বংশা।।

**হংস (ভক্ত) লক্ষণ**

কাউৰীৰ নিচিনা বেয়া স্বভাৱ ত্যাগ কৰি দিলে প্ৰাণী হংস অৰ্থাৎ ভক্ত হয়। কাউৰীয়ে নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে আনৰ অনিষ্ট কৰে। কোনো জন্তুৰ শৰীৰত ঘা হ'লে কাউৰীয়ে সেই ঘাৰ পৰা খুঁটিয়াই-খুঁটিয়াই মাংস খায়, জন্তুৰ চকুৰ পৰা চকুলো বৈ যায়। কাউৰীৰ মাতো হুঁটা, কৰ্কশ। হংস (ভক্ত) ই নিজৰ কাউৰীৰ নিচিনা স্বভাৱ ত্যাগ কৰিব লাগে। নিজৰ স্বাৰ্থৰ বাবে লোকক কষ্ট দিব নালাগে। কুলিৰ দৰে মধুৰ মাত মাতিব লাগে। এনে লক্ষণ ভক্তৰ হয়।

**জ্ঞানী অৰ্থাৎ সৎসঙ্গীৰ লক্ষণ**

সৎগুৰুৰ জ্ঞান আৰু দীক্ষা লৈ যদি শিষ্যই জগতৰ ভাৱধাৰাৰ মতে ব্যৱহাৰ কৰে, সেই শিষ্য মূৰ্খ। তেওঁ ভক্তিৰ লাভৰ পৰা বঞ্চিত হয়। তেওঁ ভক্তি পথত আগবাঢ়িব নোৱাৰে। তেওঁ সাৰ শব্দ প্ৰাপ্তিৰ যোগ্য হ'ব নোৱাৰে যদি অন্ধৰ ভৰি পায়খানা বা গোৱৰত পৰে, তাক কোনেও ঠাট্টা নকৰে, কোনেও তাক নাহাঁহে। যদি চকুথকা জনে অৰ্থাৎ ভক্ত বেয়া ঠাইলৈ যায় (পৰনাৰী গমন, চুৰি, নীতি নিয়ম মানি নচলা, বৰ্জিত বস্তু আৰু সাধনাৰ প্ৰয়োগ কৰা অনুচিত বুলি কৈছে) তেতিয়া নিন্দাৰ পাত্ৰ হয়।

অনুৰাগ সাগৰৰ ১৬২ আৰু ১৬৩ পৃষ্ঠাৰ সাৰাংশ -

**ভক্ত পৰমাৰ্থী হব লাগিব**

গাই নিজে হাবিলৈ, পথাৰলৈ গৈ ঘাঁহ খাই আহে। নিজেই পানী খায়। মানুহক অমৃত সম গাখীৰ দিয়ে। তাৰ পৰা ঘিঁ হয়। গাইৰ দমৰা গৰুৰ দ্বাৰা হাল চলোৱা হয়। মানুহৰ পালন পোষণ কৰে। গাইৰ গোবৰো মানুহৰ কামত আহে। মৰাৰ পিছত তাৰ চমৰাৰে জোতা তৈয়াৰ কৰা হয় যি মানুহৰ ভৰিক কাঁইটৰ পৰা, শিলৰ পৰা ৰক্ষা কৰে। মানৱ জন্ম প্ৰাপ্ত প্ৰাণী পৰমাৰ্থ পথত নোযোৱাত ভক্তিৰ পৰা বঞ্চিত হৈ পাপ কৰ্ম কৰাত নিজৰ অমূল্য জীৱন নষ্ট কৰে। মাংসহাৰী নৰ ৰাক্ষসৰ দৰে গাই মাৰি তাৰ মাংস খায়। মহাপাপৰ ভাগী হয়। এই সম্পূৰ্কে পৰমেশ্বৰ কবীৰ দেৱৰ তলত দিয়া বাণী পঢ়িব।

**পৰমাৰ্থী গাইৰ উদাহৰণ**

গঊকো জানু পৰমাৰ্থী খানী। গঊ চাল গুণ পৰখহু জ্ঞানী।।
আপন চৰে তৃণ উদ্যানা। অঁচৰে জল দে ক্ষীৰ নিদানা।।
তাসু ক্ষীৰ ঘৃত দেৱ অঘাহী। গৌ সুত নৰ কে পোষক আহী।।
বিষ্ঠা তাসু কাজ নৰ আকে। নৰ অঘ কৰ্মী জন্ম গমাৰে।।
টিকা পুৰে তব গৌ তন নাসা। নৰ ৰাক্ষস গোতন লেত গ্ৰাসা।।
চাম তাসুতন অতি সুখদাই। এতিক গুণ ইক গোতন ভাই।।

**পৰমাৰ্থী সন্ত লক্ষণ**

গৌ সম সন্ত গহৈ য়হ বাণী। তো নহী কাল কৰৈ জিৱহানী।।
নৰতন লহি অস বুদ্ধি হোই। সৎগুৰু মিলে অমৰ হৈ সোই।।
সুনি ধৰ্মনি পৰমাৰহ বাণী। পৰমাৰথতে হোয়ন হানী।।
পদ পৰমাৰথ সন্ত অদাৰা। গুৰু সম লেই সো উতৰে পাৰা।।
সত্য শব্দকো পৰিচয় পাৱৈ। পৰমাৰথ পদলোক সিধাৱৈ।।
সেৱা কৰে বিচাৰে আপা। আপা থাপ অধিক সন্তাপা।।
য়হনৰ অস চাতুৰ বুদ্ধিমানা। গুণ শুভ কৰ্ম পৰ সিৰ দীনহা।।
তাত হোয় শুভকৰ্ম বিনাশ। ধৰ্মদাস পদ গহো বিশ্বাসা।।
আশা এক নামকী ৰাখে। নিজ শুভকৰ্ম প্ৰগট নহি ভাষে।।
গুৰুপদ ৰহে সদা লৌ লীনা। জৈসে জলহি ন বিসৰত মীনা।।
গুৰুকে শব্দ সদা লৌ লাৱে। সত্যনাম নিশদিন গুনগাৱে।।
জৈসে জলহি ন বিসৰে মীনা। ঐসে শব্দ গহে পৰবীনা।।
পুৰুষ নামকো অস পৰভাউ। হংসা বহুৰিণ জগমহ আউ।।
নিশ্চয় জায় পুৰুষ কে পাসা। কুৰ্ম কলা পৰখহু ধৰ্মাদাসা।।

ভাৱাৰ্থ ঃ- পৰমেশ্বৰ কবীৰদেৱে ধৰ্মদাসদেৱৰ মাধ্যমেদি সম্পূৰ্ণ মানৱক নিৰ্দেশ বা বাৰ্তা দিছে। কৈছে যে মানুহ গাইৰ দৰে পৰমাৰ্থী হব লাগে। সৎগুৰু প্ৰাপ্ত কৰা সকল অমৰ হৈ যাব। ঘোৰ পাপৰ পৰা ৰক্ষা পৰিব। সেৱা কৰিব, কিন্তু নিজৰ গুনানুকীৰ্ত্তনৰ আশা নকৰিব।

যদি মান সন্মানৰ বাবে নিজকে নিজেই ডাঙৰ বোলায় বেছি কষ্ট পাব। শুভ কর্ম (পুণ্য কর্ম) নষ্ট হৈ যাব।

ভক্তই মাত্র নামৰ আশা কৰিব, নামত ভৰসা ৰাখিব। মান-সন্মানৰ ইচ্ছা অন্তৰৰ পৰা ত্যাগ কৰিব। নিজৰ শুভ কর্ম (দান বা অন্য সেৱা) কাৰো সন্মুখত নকৰ। গুৰুদেৱৰ পদ (চৰণ)ত এনেদৰে থাকিব যি দৰে পানীত মাছ থাকে। পানী নহলে তুৰন্তে মৰি যায়। এনেদৰে গুৰুদেৱৰ চৰণত মহত্ব দিব। গুৰুৰ দ্বাৰা দিয়া শব্দ অর্থাৎ জপ মন্ত্র (সৎগুৰু শব্দ) সত্য নামৰ ভক্তি মন্ত্র হয়, ইয়াৰ প্ৰভাৱ এনেকুৱা হয়, তাত ইমান শক্তি আছে যে সাধক পুনৰ সংসাৰত জন্ম-মৃত্যুৰ চক্ৰত নাহে। তেওঁ তালৈ গুচি যায় যাক সনাতন পৰম ধাম বুলি কোৱা হয়, য'ত পৰম শান্তি আছে। যলৈ যোৱাৰ পাছত সাধক কেতিয়াও উভতি সংসাৰলৈ নাহে।

এই প্ৰমাণ শ্ৰীমদভাগৱত গীতা অধ্যায় ১৮ শ্লোক ৬২ ত আছে। গীতা জ্ঞান দাতাই কৈছে, হে অর্জুন তুমি সর্বতোভাৱে সেই পৰমেশ্বৰৰ চৰণত যোৱা, সেই পৰমেশ্বৰৰ কৃপাতহে তুমি পৰম শান্তি আৰু সনাতন পৰম ধাম (শাশ্বতম স্থানম) প্ৰাপ্ত কৰিবা। (অধ্যায় ১৮ শ্লোক ৬২ ত) তত্বজ্ঞান পোৱাৰ পাছত পৰমেশ্বৰৰ সেই পৰম পদ বিচাৰি উলিয়াব লাগিব, যলৈ যোৱাৰ পিছত সাধক উভতি কেতিয়াও সংসাৰলৈ নাহে। যি পৰমাত্মাই সংসাৰ ৰূপী বৃক্ষৰ ৰচনা কৰিলে তেওঁৰ ভক্তি কৰা। (গীতা অধ্যায় ১৫, শ্লোক ৪)

গীতা জ্ঞান দাতাই নিজৰ নাশবান অর্থাৎ জন্ম-মৃত্যুৰ স্থিতি গীতা অধ্যায় ২ শ্লোক ১২, অধ্যায় ৪ শ্লোক ৫, ৯ আৰু অধ্যায় ১০ শ্লোক ২ ত স্পষ্ট কৰি কৈছে, “হে অর্জুন তোমাৰ আৰু মোৰ বহুতো জন্ম হ'ল, তুমি নাজানা মই জানো”। পাঠক সকল গীতাৰ দ্বাৰা স্পষ্ট হল যে গীতা জ্ঞান দাতা (কাল ব্ৰহ্ম হয় যি শ্ৰীকৃষ্ণৰ শৰীৰত প্ৰৱেশ কৰি কথা কৈ আছিল) নাশবান হয়, জন্ম-মৃত্যুৰ চক্ৰত ঘূৰি আছে, তেতিয়া হলে তেওঁৰ উপাসকৰো সেই স্থিতিয়ে হব। সেই কাৰণে গীতা অধ্যায় ১৮ শ্লোক ৬২ আৰু অধ্যায় ১৫ শ্লোক ৪ ত বর্ণনা কৰা লাভ পাব নোৱাৰে। আন এটা কথাও প্ৰমাণিত হল যে গীতা জ্ঞান দাতাৰ পৰা বেলেগ অন্য সমর্থবান আৰু সকলো লাভ দিব পৰা পৰমেশ্বৰ আছে যাৰ শৰণত যাবলৈ গীতা জ্ঞান দাতা অর্থাৎ কাল ব্ৰহ্মই কৈছে। সেই পৰমেশ্বৰ কবীৰ বন্দীছোড় (মুক্তিদাতা) হয়। তেখেতে নিজৰ মহিমা নিজেই কৈছে যি বিষয় আপোনালোকে “কবীৰ সাগৰ” ত পঢ়ি আছে। পৰমেশ্বৰ কবীৰদেৱে “অনুৰাগ সাগৰৰ” ১৩ পৃষ্ঠাত কৈছে যে সত্য পুৰুষৰ দ্বাৰা ৰচনা কৰা সৃষ্টি বিষয়ৰ কাহিনীৰ সাক্ষী কোন হব কাৰণ সকলোৰে উৎপত্তি পিছত হৈছে। প্ৰথমতে অকলে সৎপুৰুষ আছিল। ইয়াত বিবেকৰ দ্বাৰা ঠাৱৰ কৰিবলগীয়া কথা এই যে কবীৰদেৱক এই জ্ঞান কৰ পৰা হ'ল? সৃষ্টি ৰচনাৰ সময়ত কোনো নাছিল। ইয়াৰ দ্বাৰা স্বতঃ সিদ্ধ হ'ল যে কবীৰদেৱ স্বয়ং পূর্ণ পৰমাত্মা সৃষ্টিৰ সৃষ্টিকর্তা হয়। যি সকল মহান আত্মাক কবীৰদেৱে লগ ধৰিছিল, তেওঁলোকেও এই সাক্ষী দিছে যে -

গৰীব, অনন্ত কোটি ব্ৰহ্মাণ্ড কা, একৰতি নহী ভাৰ।
সৎগুৰু পুৰুষ কবীৰ হৈ, কুল কে সৃজনহাৰ।।

ভাৱার্থ বাণীৰ দ্বাৰাই স্পষ্ট হৈছে।

“কুৰ্ম কলা পৰখো ধৰ্মদাস” ৰ ভাৱাৰ্থ এই যে যেনেকৈ কুৰ্ম অৰ্থাৎ কাছই বিপদৰ সময়ত নিজৰ মুখ আৰু ভৰি নিজৰ ভিতৰলৈ নি লুকুৱাই নিস্ক্রিয় হৈ যায় আৰু বিপদ আতৰি গলে নিজৰ পথত অগ্রসৰ হয় তেনেকৈয়ে ভক্তইও সাংসাৰিক ব্যক্তিয়ে ভক্তি পথত বাধা উৎপন্ন কৰিলে তেওঁলোকক উভতি নধৰি নিজৰ ভক্তিক লুকুৱাই সুৰক্ষিত কৰিব লাগে। পৰিস্থিতি ভাললৈ আহিলে আকৌ আগৰ দৰেই সাধনা কৰিব লাগে। এনে কৰিলে “নিশ্চয় জায় পুৰুষ কে পাসা” সেই সাধক পৰমাত্মাৰ ওচৰলৈ অৱশ্য যাব।

অনুৰাগ সাগৰৰ ১৬৩ (২৮১) পৃষ্ঠাত আছে ঃ-

সোৰঠা ঃ হংস তহাঁ সুখ বিলাসহী, আনন্দ ধাম অমোল।
পুৰুষ তনু ছবি নিৰখহি, হংস কৰে কিল্লোল।।

ভাৱাৰ্থ ঃ উপৰোক্ত জ্ঞানৰ আধাৰত সাধনা কৰি সাধক অমৰ ধামলৈ গুচি যায়। তাত আনন্দ উপভোগ কৰে। সেই সত্যলোক বহুমূল্যৱান। তাত সত্য পুৰুষৰ শৰীৰৰ শোভা চাই আনন্দ উপভোগ কৰে।

## দীক্ষা লৈ নাম স্মৰণ কৰা অনিবাৰ্য্য

অধ্যায় “বীৰ সিংহ বোধ” পৃষ্ঠা ১২৩

ৰজা বীৰ সিংহৰ সৰু ৰাণীৰ নাম সুন্দৰদেই আছিল। ৰাণীয়েও পৰমেশ্বৰ কবীৰদেৱৰ পৰা দীক্ষা লৈছিল। তেওঁ বহুতো সৎসঙ্গ শুনিছিল। নামৰ দ্বাৰা উপাৰ্জন অৰ্থাৎ সাধনা কৰা নাছিল। ৰাণীৰ অন্তিম সময় হোৱাত যমৰ দূত ৰাজভৱনত সোমাল। আকৌ যমদূত ৰাণীৰ দেহত প্ৰৱেশ কৰিলে আৰু শেষ নিশ্বাসৰ অপেক্ষা কৰিব ধৰিলে। তেতিয়া ৰাণী সুন্দৰদেইৰ শৰীৰে অস্বস্তি বোধ কৰিলে। তেওঁ যমদূত দেখিব ধৰিলে। ৰজাই ৰাণীৰ খবৰলৈ ক'লে যে কেনেকুৱা লাগি আছে। ৰাণীয়ে ক'লে যে সাধু ভক্ত সকলক মাতি আনি পৰমাত্মাৰ চৰ্চা কৰাব লাগে। সাধু, ভক্ত সকল আহি পৰমাত্মাৰ চৰ্চা তথা ভক্তি কৰিব ধৰিলে। তাৰ পৰা একো লাভ নহল। ৰাণীৰ শৰীৰত কষ্ট আৰু বাঢ়িল। উশাহ চুটি হ'ল। বলেৰে উশাহ-নিশাহ লব ধৰিলে। হৃদয় কমল এৰি জীৱ ভয়তে ত্রিকুটী কমললৈ গতি কৰিলে। যমদূতে চাৰিওফালৰ পৰা বেৰি ধৰিলে। চাৰিওজন যমদূতে জীৱক আগুৰি ধৰি ক'লে, “আপুনি ব'লক। হৰি (প্ৰভূ) য়ে আপোনাক মাতিছে।” তেতিয়া ৰাণীৰ সৎসঙ্গৰ কথা মনত পৰিল। তেওঁ যমদূতক ক'লে, “হে ঠগ হে দুষ্ট তহঁত ইয়ালৈকে কেনেকৈ আহিলি ? মোৰ সৎগুৰু মোৰ মালিক হয়। তহঁতে মোক নিব নোৱাৰা। মোৰ সৎগুৰু ধনী (মালিক) য়ে মোক নাম দিছে। মোৰ গুৰুদেৱ আহিলে মই যাম।” তেওঁক মাতক, নহ'লে আমাৰ লগত পৰমাত্মাৰ দৰবাৰলৈ ব'লক। জীৱই ক'লে ঃ

ধৰণী (পৃথিৱী) আকাশ সে নগৰ নিয়াৰা।
তহাঁ নিবাজৈ ধনী হমাৰা অগম শব্দ জব ভাখৈ নাঊ।
তব যম জীৱ কে নিকট নহী আঊ।।

ভাৱাৰ্থ ঃ- আগতে ৰাণীৰ বিশ্বাস হোৱা নাছিল যে সৎগুৰুৱে সৎসঙ্গত শুনোৱা জ্ঞান সত্য হয়। তেওঁ ভাবিছিল যে এই সকলোবোৰ কাহিনী হয়, সকলো চাকৰ-চাকৰণী মাত দিলেই দৌৰি উপস্থিত হৈছিল। মনে বিচৰা আহাৰ খাইছিল। সুন্দৰ বস্ত্ৰ আভূষণ পিন্ধিছিল। তেওঁ

ভাবিছিল এই আনন্দ সদায় একেদৰেই থাকিব। এই সুবিধাৰ উৎস আছিল পূৰ্ব জন্মৰ চাৰ্জ হৈ থকা বেটাৰি (আত্মা)। বৰ্তমানত চাৰ্জাৰ পালে (নাম পালে) কিন্তু সংযোগ নকৰিলে অৰ্থাৎ সাধনা নকৰিলে। যেতিয়া বেটাৰিৰ চাৰ্জিং শেষ হৈ যায়, বেটাৰি ডাউন হৈ যায় আৰু সকলো সুবিধা বন্ধ হৈ যায়, তেতিয়া ফেনো নচলে, বাল্বও নজলে। চুইচ টিপি থাকিলেও একো কামত নাহে। এইদৰে জীৱৰ পূৰ্বজন্মৰ ভক্তিৰ ধন অৰ্থাৎ চাৰ্জিং সমাপ্ত হৈ গলে, সকলো সুবিধা কাঢ়ি লোৱা হয়। জীৱক নৰকত পেলোৱা হয়। তেতিয়া জীৱৰ জ্ঞান হয়। তেতিয়া সময় পাৰ হৈ যায়। ৰাণী সুন্দৰদেইয়ে সৎসঙ্গ শুনি থৈছিল। পূৰ্ণ সৎগুৰুৰ পৰা দীক্ষা লৈ থৈছিল। নাম জপ কৰি ভক্তিৰ ধন উপাৰ্জন কৰা নাছিল। তেওঁ গুৰু দ্ৰোহী হোৱা নাছিল। গুৰু নিন্দা কৰা নাছিল। ৰাণীয়ে সৎগুৰুক স্মৰণ কৰিলে, "হে মোৰ মালিক মোক যমদূতে বেৰি থৈছে। এই দাসীক ৰক্ষা কৰক। মই আপোনাৰ দীক্ষা লৈ থৈছোঁ আজি মই গম পালোঁ যে এনে বিপদৰ সময়ত, পতি, পত্নী, ল'ৰা-ছোৱালী, ভাই-ভনী, ৰজা-প্ৰজা কোনেও সহায় কৰিব নোৱাৰে। ৰাণীৰ জীৱই হৃদয়ৰে সৎগুৰুক মাতিলে। তুৰন্তে সৎগুৰু কবীৰদেৱ আহি উপস্থিত হ'ল। ৰাণীয়ে দৌৰি গৈ সৎগুৰুৰ চৰণত ধৰিলে। সেই সময়তে যমদূতে দৌৰি দৌৰি আতৰি ধৰ্মৰাজৰ ওচৰলৈ গ'ল আৰু ক'লে যে ৰাণীৰ সৎগুৰু অহাত তাত পোহৰ হ'ল। জীৱই সৎ সুকৃত নাম জপ কৰিছিল। মাত্ৰ সেই নামেই জীৱৰ মনত আছিল সেই কাৰণে তাক যমদূতৰ পৰা এৰুৱাই পুনৰ জীৱন বঢ়াই দিলে। তাপ পাছত ৰাণীয়ে হৃদয়েৰে সৈতে ভক্তি কৰিলে, তেতিয়া সৎগুৰু কবীৰ দেৱে আকৌ সৎনাম, সাৰনাম দিলে। সেই নাম জপ কৰি ভক্তি ধন উপাৰ্জন কৰিলে, সংসাৰখনক অসাৰ বোধ কৰিব ধৰিলে। ৰাজ্য, ধন, পৰিয়াল সকলো নিজৰ নহয় যেন বোধ হ'ল, যোৱাৰ সময় ওচৰ চপা যেন লাগিছিল। সেই কাৰণে ৰাণীয়ে তন-মন-ধন সহকাৰে সৎগুৰু চৰণত সমৰ্পিত হৈ ভক্তি কৰিলে, ফলত সত্য লোকলৈ গ'ল। তাত (সত্যলোকত) পৰমেশ্বৰে (সত্যপুৰুষে) ৰাণীৰ জীৱৰ সন্মুখতে নিজৰেই অন্য ৰূপ সৎগুৰুক প্ৰশ্ন কৰিলে, "হে ত্ৰাণ কৰ্ত্তা! মোৰ জীৱক যমদূতে কেনেকৈ বাধা দিলে ?" সৎগুৰু ৰূপত কবীৰদেৱে ক'লে, "হে পৰমেশ্বৰ এই জীৱই দীক্ষা লৈ ভক্তি নকৰিলে। সেই কাৰণে ইয়াক যমদূতে বেৰি ধৰিছিল। মই এৰুৱালোঁ। পৰমেশ্বৰ কবীৰদেৱে জীৱক ক'লে, তুমি কিয় ভক্তি নকৰিলা ? সত্যলোকলৈ কেনেকৈ আহিলা ?

জীৱই নতশিৰে ক'লে, আগতে মোৰ বিশ্বাস হোৱা নাছিল। আকৌ যমদূতৰ যাতনা দেখি মোৰ আপোনালৈ মনত পৰিল। আপোনাৰ জ্ঞান সত্য বুলি মানি ললোঁ। আপোনাক মাতিলোঁ। আপুনি মোৰ ৰক্ষা কৰিলে। তেতিয়া মোৰ জীৱন বঢ়াই দিয়া হ'ল। তেতিয়া মই কায়োমনবাক্যে আপোনাৰ ভক্তি কৰিলোঁ। পূৰ্ণ দীক্ষা প্ৰাপ্ত কৰি আপোনাৰ কৃপাতেই গুৰুদেৱৰ সহযোগত মই আপোনাৰ চৰণত আহি পাইছোঁ। সত্যলোক যোৱাৰ পিছত ভক্তক অন্য ভক্তৰ লগত পঠিয়াই দিয়া হয়। সুন্দৰ অমৰ শৰীৰ পোৱা যায়। বহুত ডাঙৰ মহল বাস কৰিবৰ বাবে পোৱা যায়। চোতালত বিমান পৰি থাকে। সিদ্ধি বিলাকে আদেশৰ অপেক্ষা কৰি থাকে। তুৰন্তে বিদ্যুতৰ দৰে সক্ৰিয় হৈ পৰে, যেনেকৈ বিজুলীৰ চুইচ টিপিলেই বিজুলীৰে চলা যন্ত্ৰই তুৰন্তে কাম কৰিব ধৰে, তেনেকৈ তাত বচনৰ (বাক্যৰ) চুইচ থাকে। যি লাগে কলেই হ'ল। মনে বিচৰা বস্তু

আপোনাৰ সন্মুখত তুৰন্তে আহি পাব। আহাৰ খোৱাৰ ইচ্ছা কৰোঁতেই আপোনাৰ ভোজনস্থলত গতিবিধি আৰম্ভ হয়, থালী, গিলাচ থোৱা হ'ব। অলপ পিছতে খাওঁ বুলি কওঁতেই সিদ্ধিৰ দ্বাৰা আহি ৰান্ধনিশালত ভোজন বঢ়া হ'ব। সিদ্ধিৰ গতি ইমান তীব্র যে এক মিনিটতে সকলো ব্যৱস্থা হৈ যাব।

ফুৰিবৰ ইচ্ছা হওঁতেই বিমানত গতিবিধি হোৱা পৰিলক্ষিত হব। বিমানৰ ওচৰলৈ যাওঁতেই দুৱাৰ খোল খাব। বিমান সক্রিয় হৈ পৰিব। যলৈ, যি দ্বীপলৈ (ঠাইলৈ) যোৱাৰ ইচ্ছা হ'ব, ভাবোঁতেই বিমান সেইফালে উৰা মাৰিব। ইচ্ছা কৰোঁতেই সতেজ ফল গছৰ পৰা ছিঙি আনি আপোনাৰ সন্মুখত থৈ দিয়া হ'ব। এই কাল লোক সত্য লোকৰ নকল হয়। ইয়াত থকা দৰেই স্ত্রী পুৰুষ, পৰিয়াল আছে। সত্যলোকত দুই ধৰণে সন্তানৰ উৎপত্তি হয়। শব্দৰ দ্বাৰা আৰু মৈথুনৰ দ্বাৰা। এইটো নিৰ্ভৰ কৰিব হংসৰ ওপৰত। শব্দৰ দ্বাৰা সন্তান উৎপত্তি হোৱা ক্ষেত্ৰ সত্য পুৰুষৰ সিংহাসনৰ চাৰিওফালে আছে। নৰ-নাৰীৰ পৰা সন্তান উৎপত্তি হোৱা স্থান তাৰ পাচত আছে। শব্দৰ দ্বাৰা উৎপন্ন কৰা সকলে কেৱল নৰহে উৎপন্ন কৰে। সত্যলোকত বৃদ্ধাৱস্থা নাই। নৰ-নাৰী থকা ক্ষেত্ৰত ল'ৰা-ছোৱালী দুয়ো উৎপন্ন কৰা হয়। বিবাহ হৈ যায় কেৱল বচনৰ দ্বাৰা। যি সন্তান তাত উৎপন্ন হয় তেওঁলোক কালৰ লোকৰ পৰা মুক্ত হৈ যোৱা জীৱ। আকৌ কেতিয়াও মৃত্যু নহয়, বুঢ়াও নহয়। মুক্ত হৈ যি সকল সত্যলোকলৈ যায়, তেওঁলোকক সৰ্বপ্ৰথমে সত্যপুৰুষৰ দৰ্শন কৰিবলৈ দিয়া হয়। তেতিয়া সেই জীৱৰ স্বৰূপ পৃথিৱীত থাকোতে যেনেকুৱা আছিল, তেনেকুৱা হয়। বৃদ্ধ অৱস্থাত তলৰ পৰা (পৃথিৱীৰ পৰা) যদি যায় তাত সৎপুৰুষৰ সন্মুখত সেই অৱস্থাতে, সেই স্বৰূপতে যাব। কিন্তু তাৰ প্ৰকাশ (পোহৰ) যোল্লটা সূৰ্য্যৰ প্ৰকাশৰ সমান হব। তাৰ পাছত তাক সেই স্থানলৈ পঠিওৱা হ'ব যি স্থান সকলোতকৈ ভিন্ন হয়। তাত গৈ পোৱা মাত্ৰেই তাৰস্বৰূপ তেনেকুৱাই থাকে কিন্তু তেওঁ শৰীৰৰ প্ৰকাশ যোল্লটা সূৰ্য্যৰ দৰে হয়। কিন্তু বুঢ়া হৈ যোৱা জন ডেকা হৈ যাব। ডেকা জন ডেকা অৱস্থাতেই থাকিব। বালক বালকেই হৈ থাকিব। তাত কিছুমান জীৱই সত্য পুৰুষৰ বচনৰ দ্বাৰা স্ত্রী-পুৰুষৰ শৰীৰ লাভ কৰে। কিছুমানক বীজ ৰূপত সৎপুৰুষৰ দ্বাৰা তৈয়াৰ কৰা হয় যি আকৌ এবাৰ কাৰোবাৰ ঘৰত, সত্যলোকত, জন্ম ল'ব, পৰিয়াল হ'ব। সেই স্থানত অকল সেই হংস বিলাকে এবাৰ জন্ম ল'ব, যি কাল লোক আৰু অক্ষৰ লোকৰ পৰা মুক্ত হৈ গৈছে। একান্ত স্থানত তেওঁলোকক থোৱা হয়, তেওঁলোকে দুয়োটা ক্ষেত্ৰত জন্ম লয় (শব্দৰ দ্বাৰা জন্ম লোৱা আৰু স্ত্রী-পুৰুষৰ দ্বাৰা জন্ম লোৱা ক্ষেত্ৰ)। স্ত্রী-পুৰুষৰ দ্বাৰা উৎপন্ন হোৱা হংসৰ সংখ্যা বেছি থাকে। এই পৰিমাণ ১০/৯০ হয়। এই ১০% শব্দ শক্তিৰ দ্বাৰা আৰু ৯০% বিবাহ প্ৰথাৰে উৎপত্তি হয়।

সত্যলোকত স্ত্রী আৰু নৰ শৰীৰৰ প্ৰকাশ যোল্লটা সূৰ্য্যৰ প্ৰকাশৰ সমান হয়। মীনী (আকাৰত সৰু) সত্যলোক, মানসৰোৱৰৰ প্ৰথমতেই আছে। তাত দুয়োৰে শৰীৰৰ প্ৰকাশ চাৰিটা সূৰ্য্যৰ প্ৰকাশৰ সমান হয়। আগলৈ গৈ পৰব্ৰহ্মৰ লোকত থকা অষ্ট কমলৰ ওচৰ পাওঁতে হংস আৰু হংসিনী অৰ্থাৎ নৰ-নাৰীৰ শৰীৰৰ প্ৰকাশ বাৰটা সূৰ্য্যৰ প্ৰকাশৰ সমান হৈ যায়। আকৌ সত্যলোকত থকা 'ভঁৱৰ গুফা' ত প্ৰত্যেক শৰীৰৰ প্ৰকাশ যোল্লটা সূৰ্য্যৰ সমান হয়।

প্ৰমাণ কবীৰ সাগৰ অধ্যায় “মোহম্মদ বোধ” পৃষ্ঠা ২০, ২১ আৰু ২২ ত “দশ মুকামী ৰেখতা” ঃ

* **দহ মুকামী ৰেখতা** - (দহটা ঠাইৰ বিৱৰণ)

পৃষ্ঠা ২১ ৰ পৰা কিছু অংশ লিখিছোঁ ঃ

ভয়া আনন্দ ফন্দ সব ছোড়িয়া পহুঁচা জহাঁ সত্যলোক মেৰা।।
হৈংসনী (নাৰী ৰূপ পুণ্যত্মা) হংস (নৰৰূপ পুণ্যত্মা)
হংসনী হংস সব গায় বজায় কে সাজি কে কলশ মোহে লেন আএ।।
যুগন যুগন কে বিছুড়ে মিলে তুম আয় কৈ প্ৰেম কৰি অঙ্গ সে অঙ্গ লাএ।।
পুৰুষ দৰ্শ জব দীনহা হংস কো তপত বহু জন্ম কী তব নশায়ে।।
পলিট কৰ ৰূপ জব এক সা কীনহা মানো তব ভানু যোড়শ (১৬) উগায়ে।।
পহুপ কে দীপ পয়ুষ (অমৃত) ভোজন কৰে শব্দ কী দেহ সব হংস পাই।।
পুস্প কা সেহৰা হংস ঔৰ হংসনী সচিদানন্দ সিৰ ছত্ৰ ছায়ে।।
দীপৈ বহু দামিনী দমক বহু ভাতি কী জঁহা ঘন শব্দকো ঘমোড় লাই।।
লগে জহাঁ বৰসনে ঘন ঘোৰ কৈ উঠত তহাঁ শব্দ ধুনি অতি সোহাই।।
সুন্ন সোহৈ হংস-হংসনী য়ুৎথ (জোৰা/জাক) হৈ এক হীনুৰ এক ৰঙ্গ ৰাগৈ।।
কৰত বিহাৰ (সৈৰ) মন ভাৱনী মুক্তি মে কৰ্ম ঔৰ ভ্ৰম সব দূৰ ভাগে।।
ৰংক ঔৰ ভূপ (ৰাজা) কোই পৰখ আৱৈ নহী কৰত কোলাহল বহুত পাগে।।
কাম ঔৰ ক্ৰোধ মদলোভ অভিমান সব ছাড়ি পাষণ্ড সত শব্দ লাগে।
পুৰুষ কে বদন (শৰীৰ) কৌন মহিমা কহুঁ জগত মে উপমা কছু নাহী পায়ী।।
চন্দ ঔৰ সুৰ (সূৰ্য) গণ জ্যোতি লাগৈ নহী একহী নখ (নাখুন) প্ৰকাশ ভাই।।
পৰৱানা জিন নাদ বংশ কা পাইয়া পহুঁচিয়া পুৰুষ কে লোক যায়ী।।
কহ কবীৰ য়হী ভাঁতি সো পাইহো সত্য পুৰুষ কী ৰাহ সো প্ৰকট গায়ী।।

ভাৱাৰ্থ ঃ- এই অমৃত বাণীত স্পষ্ট হৈছে যে পৰমেশ্বৰ কবীৰদেৱ সৎগুৰুৰ ৰূপত পৃথিৱীৰ পৰা ধৰ্ম দাসক লৈ সত্যলোক যাওঁতে ৰাস্তাত ৯ টা স্থান পাৰ হৈ গ’ল যেনে নাসুত, মলকুত ইত্যাদি। (এই বিলাক ফৰাচী শব্দ) এই সাতোটা আকাশৰ সিপাৰে অচিন্ত, বিষ্ণুলোক ইত্যাদিৰ সিপাৰে যেতিয়া সত্যলোক পালে তেতিয়া ধৰ্মদাসে কৈছে যে, তেওঁক স-সন্মানে লৈ যাবলৈ সত্যলোকৰ হংস (নৰ) হংসনী (নাৰী) গীত গাই নাচি, ঢোল আদি বাদ্যযন্ত্ৰ বজাই স্ত্ৰী সকলে মূৰৰ ওপৰত কলহ লৈ আহিল। তেওঁলোকৰ শৰীৰৰ প্ৰকাশ যোল্লটা সূৰ্য্যৰ সমান আছিল। মোৰ শৰীৰৰ প্ৰকাশও তেওঁলোকৰ শৰীৰ সমান হৈ গ’ল।

পৃথিৱীৰ পৰা মোক্ষ প্ৰাপ্ত কৰি যোৱা হংসক “পুহপ” দ্বীপলৈ লৈ যোৱা হয়। তাত সকলো সুখ আছে, সত্যলোকৰ এটা ভাগ হয়। কিন্তু সৰ্বপ্ৰথমে তলৰ পৰা যোৱা মোক্ষপ্ৰাপ্ত জীৱক (“পোহপ” দ্বীপত ৰখা হয়। ইয়াৰ দৃশ্যৰ বৰ্ণনা কৰা হৈছে। ইয়াৰ পৰা হংসৰ জন্ম অন্য স্থানৰ পৰিয়ালত হয়। ইয়াৰ পাছত সেই স্থানৰ বৰ্ণনা আছে য’ত নৰ-নাৰীৰ পৰা উৎপত্তি হৈ পৰিয়াল গঠন হয়। যত নৰ-নাৰীৰ দম্পতী জাকে-জাকে সুখেৰে বহি কথা পাতে, মেঘ গৰ্জি

উঠে। এই ভিন্ন স্থানত সৎলোক নিবাসী সকল পিকনিকলৈ আহে। কিছুমান স্থানত মেঘ দেখা নাযায় কিন্তু বৰষুণ হৈ থাকে। দীক্ষা লোৱাৰ পিচত সাধকে কি কৰিব লাগে ? "কবীৰ সাগৰৰ" ধৰ্মবোধ অধ্যায়ত ইয়াৰ বিষয়ে দিয়া আছে।

অনুগ্ৰহ কৰি "ধৰ্মবোধ" অধ্যায়ৰ সাৰাংশ পঢ়ক।।

কবীৰ সাগৰত ৩৩ নং অধ্যায় "ধৰ্মবোধ" ১৭৭ (১৫২১) পৃষ্ঠাত আছে। এই অধ্যায়ত পৰমেশ্বৰ কবীৰদেৱে ধৰ্ম কৰাৰ বিশেষ জ্ঞান দিছে। এইটোও স্পষ্ট কৰিছে যে কবীৰ পৰমেশ্বৰৰ সত্য পন্থাত দিনত তিনিবাৰ সন্ধ্যা কৰা হয়। সন্ধ্যাৰ অৰ্থ হ'ল দুটা সময়ৰ মিলন। এটা সন্ধ্যা ৰাতিপুৱা, ইয়াত দিন আৰু ৰাতিৰ মিলন হয়, ৰাতি শেষ হয়, দিনৰ শুভাৰম্ভ হয়। আনটো সন্ধ্যা দিনৰ বাৰ বজাত হয়, ইয়াত পূৰ্বাহ্ন আৰু অপৰাহ্নৰ মিলন হয়। এয়া মধ্য দিনৰ সন্ধ্যা। তৃতীয়টো সন্ধ্যা গধূলি সময়ৰ হয়। সেই সময়ত দিন আৰু ৰাতিৰ মিলন হয়। সাধাৰণ লোক সকলে গধুলি সময়ক সন্ধ্যা কয়। সন্ধ্যাৰ অৰ্থ পৰমাত্মাৰ ভক্তি কৰাও হয়।

বেদত প্ৰমাণ আছে যে জগতৰ তাৰণ হাৰ (ত্ৰাণ কৰ্ত্তা) জনে তিনিবাৰ সন্ধ্যা কৰে আৰু কৰিবলৈ কয়। ৰাতিপুৱা আৰু গধূলি পূৰ্ণ পৰমাত্মাৰ স্তুতি-আৰতী আৰু মধ্যাহ্নত বিশ্বৰ সকলো দেৱতাৰ স্তুতি কৰিবলৈ কয়।

প্ৰমাণ ঃ ঋগবেদ মণ্ডল নং ৮ সুক্ত ১ মন্ত্ৰ ২৯ ত আৰু যজুৰ্বেদ অধ্যায় ১৯ মন্ত্ৰ ২৬ ত আছে।

কবীৰ সাগৰত "ধৰ্মবোধ" অধ্যায়ৰ পৃষ্ঠা ১৭৭ ত এই প্ৰমাণ আছে।

সাঁঝ সকাৰ মধ্যাহ্ন সন্ধ্যা তীনো কাল।
ধৰ্ম-কৰ্ম তৎপৰ সদা কীজৈ সুৰতি সম্ভাল।।

ভাৱাৰ্থ ঃ ভক্ত সকলে তিনিও সময়ৰ সন্ধ্যা কৰা উচিত। সাঁঝ অৰ্থাৎ গধূলি, সকাৰ অৰ্থাৎ ৰাতিপূৱা আৰু মধ্যাহ্ন অৰ্থাৎ দূপৰীয়া সন্ধ্যা কৰা সময়ত সুৰতি অৰ্থাৎ ধ্যান আৰতীত কৈ যোৱা বাণীত থাকিব লাগে আৰু ধৰ্মকাৰ্য্যত সদায় তৈয়াৰ হৈ থাকিব লাগে। এলাহ কৰিব নালাগে।

"ধৰ্মবোধ" পৃষ্ঠা ১৭৮ (১৫২২) ত ঃ

কবীৰ কোটিন কন্টক ঘেৰি জ্যোঁ নিতা ক্ৰিয়া নিজ কীনহা।
সুমিৰণ ভজন একান্ত মে মন চঞ্চল গহ লীন।।

ভাৱাৰ্থ ঃ- ভক্তৰ ওপৰত কোটি-কোটি কষ্ট আহি পৰিলেও, নিজৰ নিত্য কৰ্ম (তিনিও সময়ৰ সন্ধ্যা) অৱশ্যে কৰিব লাগিব আৰু চঞ্চল মনক বাধা দি একান্ত স্থানত পৰমাত্মাই দীক্ষাত দিয়া নামৰ জাপ কৰিব লাগে।

কবীৰ ভক্তোঁ অৰু গুৰু কী সেৱা কৰ শ্ৰদ্ধা প্ৰেম সহিত।
পৰম প্ৰভূ (সত্য পুৰুষ) ধ্যাৱহী কৰি অতিশ্য মনপ্ৰীত।।

ভাৱাৰ্থ ঃ নিজৰ গুৰুদেৱৰ আৰু সৎসঙ্গত বা ঘৰলৈ অহা ভক্ত সকলৰ সদায় আদৰ সহকাৰে সেৱা কৰিব লাগিব। পৰম প্ৰভূ অৰ্থাৎ পৰম অক্ষৰ পুৰুষৰ ভক্তি আৰু অধিক প্ৰেম কৰিব লাগে।

* **ভকত যতী আৰু সতী হব লাগে -**

**-- যতীৰ লক্ষণ --**

পুৰুষ য়ি (যতি) সো জানিয়ে, নিজ ত্ৰিয়া তক বিচাৰ।
মাতা বহন পুত্ৰী সকল ঔৰ জগ কী নাৰ।।

ভাৱাৰ্থ ঃ- যতী পুৰুষ তেওঁক কোৱা হয় যি নিজৰ স্ত্ৰীৰ বাহিৰে অন্য স্ত্ৰীত পতি-পত্নীৰ ভাৱ নেৰাখে। পৰস্ত্ৰীক বয়স অনুসৰি মা, ভণী, বা পুত্ৰীৰ ভাৱেৰে চাব লাগে।

**সতী স্ত্ৰীৰ লক্ষণ**

স্ত্ৰী সো জো পতিব্ৰত ধৰ্ম ধৰৈ, নিজ পতি সেৱত জোয়।
অন্য পুৰুষ সব জগত মে পিতা, ভ্ৰাত সুত হোয়।
অপনে পতি কী আজ্ঞা মে ৰহে, নিজ তন মন সে লাগ।।

ভাৱাৰ্থ ঃ- সতী স্ত্ৰী সেই জনীক কোৱা হয় যি মাত্ৰ নিজৰ পতিৰ প্ৰতি আসক্ত হয়। নিজৰ পতিৰ বাহিৰে সংসাৰৰ অন্য পুৰুষক আয়ু অনুসৰি পিতা ভাই আৰু পুত্ৰ ভাৱেৰে চায় অৰ্থাৎ ব্যৱহাৰ কৰে। নিজৰ পতিৰ আজ্ঞা পালন কৰে। তন-মন দি সেৱা কৰে। কোনো কাম পতিৰ বিপৰীতে নকৰে।

দান কৰা কিমান অনিবাৰ্য্য -

কবীৰ মনোকামনা বিহায় কে হৰ্ষ সহিতে কৰে দান।
পকা তন মন নিৰ্মল হোয়, হোয় পাপ কী হান।।
কবীৰ যজ্ঞ দান বিন গুৰু কে নিশ দিন মালা ফেৰ।
নিস্ফল ৱহ কৰণী সকল, সৎগুৰু ভাখৈ টেৰ।।
প্ৰথম গুৰুসে পুছিয়ে, কীজৈ কাজ বহোৰ।
সো সুখদায়ক হোতহৈ, মিটে জীৱ কা খোৰ।।

ভাৱাৰ্থ ঃ- কবীৰ পৰমেশ্বৰে কৈছে যে মনোকামনা ৰহিত হৈ কৰা দানৰ দ্বাৰা দুটাকৈ ফল প্ৰাপ্ত হয়। বৰ্তমান জীৱনত কাৰ্য্য সিদ্ধিও হ'ব আৰু ভৱিষ্যতৰ বাবে পুণ্য জমা হ'ব। কিন্তু মনোকামনাহীন দানে আত্মাক নিৰ্মল কৰে, পাপ নাশ কৰে।

ঃঃ প্ৰথমতে গুৰু ধাৰণ কৰিব লাগে। তেতিয়া গুৰুদেৱৰ নিৰ্দেশ মতে দান কৰিব লাগে। বিনা গুৰুৰে যিমানেই দান কৰক, যিমানেই নাম স্মৰণৰ মালা জপ কৰক সকলো ব্যৰ্থ চেষ্টা হয়। এই কথা সৎগুৰুৱে চিঞৰি চিঞৰি কয়।

ঃঃ প্ৰথমতে গুৰুদেৱৰ আজ্ঞা ল'ব লাগে। তেতিয়াহে নিজৰ নতুন কাৰ্য্য কৰিব লাগে। সেই কাৰ্য্য সুখদায়ক হ'ব আৰু মনৰ সকলো চিন্তা মুচি দিব।

কবীৰ, অভ্যাসগত আগম নিৰখি, আদৰ মান সমেত।
ভোজন ছাজন, বিত য়থা, সদা কাল জো দেত।।

ভাৱাৰ্থ ঃ আপোনাৰ ঘৰলৈ কোনো অতিথি আহিলে আদৰেৰে আহাৰ তথা বিছনা নিজৰ বিত্তীয় স্থিতি অনুসৰি সদায় দিব লাগে।

সোই ম্লেচ্ছ সম জানিয়ে, গৃহী জো দান বিহীন।

য়হী কাৰণ নিত দান কৰে, জো নৰ চতুৰ প্ৰবিন।।

ভাৱাৰ্থ ঃ- যি গৃহস্থই দান নকৰে তেওঁ ম্লেচ্ছ অৰ্থাৎ দুষ্ট ব্যক্তিৰ সমান। সেই কাৰণে হে বুদ্ধিমান সকলে সদায় দান কৰে।

পাত্ৰ কুপাত্ৰ বিচাৰ কে তব দীজৈ তাহি দান।

দেতা লেতা সুখ লহ অন্ত হোৱে নাহি হান।।

কুপাত্ৰত দান দিব নাপায়। সুপাত্ৰক হৰ্ষ পূৰ্বক দান দিব লাগে। সুপাত্ৰ হ'ল গুৰুদেৱ নিজেই। আকৌ ভোকাতুৰক ভোজন দিব লাগে। ৰুগীয়া ব্যক্তিৰ চিকিৎসা কৰোৱা, বানপানী পীড়িত সকল, ভূমিকম্পত পীড়িত সকলক গোট বা দল হিচাবে ভোজন, কাপোৰ নিজ হাতে দিয়া আদি সুপাত্ৰত দিয়া দান হয়। ইয়াৰ পৰা কোনো হানি নহয়।

**"ধৰ্মবোধ" ১৭৯ পৃষ্ঠাৰ সাৰাংশ**

কবীৰ ফল কাৰণ সেৱা কৰৈ, নিশদিন য়াচৈ ৰাম।।

কহ কবীৰ সেৱা নহী, জো চাহৈ চৌগুনে দাম।।

ভাৱাৰ্থ ঃ- যিজনে কোনো কাৰ্য সিদ্ধিৰ বাবে (পূজা) কৰে, দিনে ৰাতিয়ে পৰমাত্মাৰ পৰা খুজি থাকে, পৰমাত্মা কবীৰদেৱে কৈছে যে সেই সেৱা সেৱা হৈ নাথাকে যদি সেৱাৰ বিনিময়ত চাৰিগুণ ধন বিচাৰে।

কবীৰ, সজ্জন সগে কুটুম্ব হিতু, জো কোই দ্বাৰৈ আৱ।

কবহু নিৰাদৰ ন কীজিয়ে, ৰাখৈ সব কা ভাৱ।।

ভাৱাৰ্থ ঃ- ভদ্ৰ পুৰুষ সম্পৰ্কীয় ব্যক্তি, পৰিয়ালৰ (বংশ) লোক আৰু আপোনাৰ হিতৈষী সকল ঘৰলৈ আহিলে কেতিয়াও অনাদৰ নকৰিব। সকলোৰে আদৰ কৰিব লাগে।

কবীৰ, কোড়ী-কোড়ী জোড়ী কৰ কীনে লাখ কৰোৰ।

পৈচা এক না সঙ্গ চলৈ, কেতে দাম বটোৰ।।

ভাৱাৰ্থ ঃ- দান ধৰ্মৰ বাবে টকা খৰছ নকৰি লাখ কোটি টকা মানুহে জমা কৰে যিমানেই ধন সংগ্ৰহ নকৰক, সংসাৰ এৰি যোৱাৰ সময়ত এটা পইচাও লগত নাযায়।

জো ধন হৰিকে হে, ধৰ্ম ৰাহ নহী লগাত।

সো ধন চোৰ লবাৰ গহ, ধৰ ছাতী পৰ লাত।।

ভাৱাৰ্থ ঃ- যিজনে পৰমাত্মাৰ বাবে ধন খৰছ নকৰে কেতিয়াও ধন ধৰ্ম কৰ্মত ব্যৱহাৰ নকৰে, তেওঁৰ ধন ডকাইত, চোৰ আৰু লুণ্ঠকে বুকুত গুৰিয়াই অৰ্থাৎ ডাবি-ধমকি দি কাঢ়ি লৈ যায়।

সতকা সৌদা জো কৰৈ, দম্ভ ছল ছিদ্ৰ ত্যাগৈ।

অপনে ভাগকা ধন লহৈ, পৰধন বিষ সম লাগৈ।।

ভাৱাৰ্থ ঃ- নিজৰ জীৱনত পৰমাত্মাক ভয় কৰি সত্যৰ আধাৰত সকলো কৰ্ম কৰিব লাগে। নিজৰ ভাগ্যত লিখা ধন খিনিতেই সন্তোষ কৰিব লাগে। লোকৰ ধনক বিষৰ সমান জ্ঞান কৰিব লাগে।

ভুখা জহি ঘৰতে ফিৰৈ, তাকো লাগৈ পাপ।

ভুখোঁ ভোজন জো দেত হৈ কটৈ কোটি সন্তাপ।।

ভাৱাৰ্থ ঃ- ঘৰৰ পৰা ভোকাতুৰ জন নোখোৱাকৈ গুচি গলে গৃহস্থক পাপ লাগে। ভোকাতুৰ মানুহক ভোজন দিওঁতা জনৰ কোটি কোটি বিঘিনি দূৰ হয়।

প্ৰথম সন্তকো জীমাইয়ে। পীছে ভোজন ভোগ।
ঐসে পাপকো টালিয়ে, কটৈ নিত্য কা ৰোগ।।

ভাৱাৰ্থ ঃ- আপোনাৰ ঘৰলৈ কোনো সন্ত-ভক্ত আহিলে প্ৰথমে তেওঁক ভোজন খুৱাব, তাৰ পিছত আপুনি খাব। এইদৰে নিজৰ ওপৰত সদায় আহিব পৰা পাপৰ দ্বাৰা হোৱা কষ্টক আঁতৰাব লাগে।

**ধৰ্মবোধ ১৮০ পৃষ্ঠাৰ সাৰাংশ -**

কবীৰ য়দ্যপি উত্তম কৰ্ম কৰি, ৰহৈ ৰহিত অভিমান।
সাধু দেখি সিৰ নাৱতে, কৰতে আদৰ মান।।

ভাৱাৰ্থ ঃ- অভিমান এৰি উত্তম কৰ্ম কৰিব লাগে। সন্ত-ভক্ত অহা দেখিলে মূৰ দোঁৱাই প্ৰণাম আৰু সন্মান কৰিব লাগে।

কবীৰ, বাৰ-বাৰ নিজ শ্ৰৱণতে সুনে জো ধৰ্ম পুৰাণ।
কোমল চিত্ত উদাৰ নিত, হিংসা ৰহিত বখান।।

ভাৱাৰ্থ ঃ- ভক্তই বাৰে বাৰে ধৰ্ম কৰ্ম বিষয়ত সৎসঙ্গ জ্ঞান শুনিব লাগে আৰু নিজৰ হৃদয় কোমল কৰি ৰাখিব লাগে। অহিংসা পৰম ধৰ্ম হয়। এনে অহিংসা বিষয়ৰ প্ৰবচন শুনিব লাগে।

কবীৰ, ন্যায় ধৰ্মযুক্ত কৰ্ম সব কৰৈ, ন কৰনা কবহু অন্যায়।
জো অন্যায়ী পুৰুষহৈ বন্ধে যমপুৰ জায়ে।।

ভাৱাৰ্থ ঃ- সদায় ন্যায়যুক্ত কৰ্ম কৰিব লাগে, কেতিয়াও অন্যায় কৰিব নালাগে অন্যায় কৰাজন যমলোকত নৰকত পৰিব।

**"ধৰ্মবোধ" ১৮১ পৃষ্ঠাৰ সাৰাংশ**

কবীৰ, গৃহ কাৰণ মে পাপ বহু, নিত লাগৈ সুন লোয়।
তাহিতে দান অৱশ্য হৈ দূৰ তাহিতে হোয়।।
কবীৰ, চক্কী চৌকে চুল্হ মে, ঝাড়ু আৰু জলপান।
গৃহ আশ্ৰমী কো নিত্য য়হ, পাপ পাচৈ বিধি জান।।

ভাৱাৰ্থ ঃ- গৃহস্থী সকলক নিত্য পাচোঁটা পাপ লাগে। জাঁতত গেহুঁ পিহোতে, ৰন্ধা বঢ়াৰ বাবে জুই ধৰোঁতে, ঠাই লিপোতে ঠাই সাৰোতে আৰু খাওঁতে পান কৰোঁতে। হে সংসাৰী ব্যক্তি সকল, শুনা এইবোৰ কাৰ্য্যত আপোনালোকৰ সদায় পাপ লাগে। সেই কাৰণে দান কৰা আৱশ্যক। এই পাপবোৰ দান কৰিলেহে নাশ হয়।

কবীৰ, কছু কটে সৎসঙ্গতে, কছু নাম কে জাপ।
কছু সন্ত কে দৰ্শতে, কছু দান প্ৰতাপ।।

ভাৱাৰ্থ ঃ- ভক্তৰ পাপ কেইবাটাও ধাৰ্মিক ক্ৰিয়াৰ দ্বাৰা সমাপ্ত হয়। কিছুমান সৎসঙ্গ শুনিলে (জ্ঞান যজ্ঞৰ দ্বাৰা) কিছুমান জপ কৰোঁতে, কিছুমান সন্তৰ দৰ্শন কৰোঁতে আৰু কিছুমান

পাপ দানৰ প্ৰভাৱত সমাপ্ত হয়।

আমি কাপোৰ পিন্ধো। মাটি-ধুলি লাগি মলিয়ন হয়। তাক চাবোন-পানীৰে ধোৱা হয়। এইদৰেই নিত্য কৰ্ম কৰিবও লাগে, কৰোতে পাপো হয়। এয়া স্বাভাৱিক। সৎসঙ্গ বচন, নাম স্মৰণ, দান আৰু সন্ত দৰ্শন ৰূপী চাবোন পানীৰে সদায় ধূলে আত্মা নিৰ্মল হৈ থাকে। ভক্তিত মন স্থিৰ হয়।

কবীৰ জো ধন পায় ন ধৰ্ম কৰত, নাহী সদ ব্যৌহাৰ।
সো প্ৰভূকে চোৰ ফিৰতে মাৰো মাৰ।।

ভাৱাৰ্থ ঃ- যি ধন পৰমাত্মাই মানৱক দিছে, তাৰ পৰাই দান নকৰিলে আৰু সেই ধনৰ সৎব্যৱহাৰ নকৰিলে, সেই ব্যক্তিজন পৰমাত্মাৰ চোৰ হয়। তেওঁলোকে মায়া (ধন) সংগ্ৰহ কৰাৰ বাবে প্ৰাণ পনে চেষ্টা কৰে।

জিন হৰ কী চোৰী কৰী ঔৰ গয়ে ৰাম গুন ভূল।
তে বিধনা বাগুল কিয়ে, ৰহে উৰ্ধ মুখ ঝুল।।

এই প্ৰমাণ গীতা অধ্যায় ৩ (তিনি) শ্লোক ১০ ৰ পৰা ১৩ কৈছে যে যি ধৰ্ম কৰ্ম নকৰে, যি পৰমাত্মাৰ দ্বাৰা দিয়াধনৰ পৰা দান আদি ধৰ্ম কাৰ্য্য নকৰে, তেওঁ চোৰ হয়। তেওঁলোকে নিজৰ শৰীৰ পোষণৰ বাবেহে অন্ন ৰান্ধে। ধৰ্মৰ বাবে ব্যৱহাৰ নকৰে। তেওঁলোকে পাপকে খায।

"সন্তানৰ শিক্ষাৰ ব্যৱস্থা অৱশ্যে কৰিব লাগিব"

কবীৰ মাতা পিতা সো শত্ৰু হৈ, বাল পঢ়াৱৈ নাহি।
হংসন মে বগুলা যথা, তথা অনপঢ় সো পণ্ডিত মাহী।।

ভাৱাৰ্থ ঃ- যি মা-দেউতাই সন্তানক নপঢ়ায়, তেওঁলোক নিজৰ সন্তানৰ শত্ৰু হয়। অশিক্ষিত ব্যক্তি শিক্ষিতৰ মাজত এনেকুৱা হয় যেনেকুৱা হংস পক্ষীৰ মাজত বগলী। ইয়াত পঢ়োৱাৰ অৰ্থ হল ধাৰ্মিক জ্ঞান দিয়া সৎসঙ্গ আদি শুনাৰ ব্যৱস্থা কৰি দিয়া।

যদি কোনো ব্যক্তিৰ আধ্যাত্মিক জ্ঞান নাথাকে, তেওঁ শুভ আৰু অশুভ কৰ্মৰ মাজত পাৰ্থক্য কৰিব নোৱাৰে। ফলত তেওঁ পাপ কৰি গৈ থাকে। সৎসঙ্গ শুনা সকলৰ সম্পূৰ্ণ কৰ্ম আৰু অধ্যাত্মক জ্ঞান হৈ যায়। তেওঁ কেতিয়াও পাপ নকৰে। সেই ব্যক্তি হংস পক্ষীৰ দৰে যি সৰোবৰৰ পৰা কেৱল মানিক বিচাৰি খায়, জীৱ-জন্তু, মাছ আদি নাখায়। ইয়াৰ বিপৰীতে অধ্যাত্ম জ্ঞানহীন ব্যক্তি বগলীৰ দৰে স্বভাৱৰ হয়। বগলীয়ে মাছ, কীট-পতঙ্গ আদি জলৰ জীৱক খায়। শৰীৰৰ ফালৰ পৰা দুয়ো (হংস আৰু বগলী) একে আকাৰৰ অৰ্থাৎ বগা হয়। সিহঁতক চালে চিনিব নোৱাৰি। সিহঁতৰ কৰ্মৰ পৰাহে গম পোৱা যায়। এইদৰে তত্বজ্ঞানযুক্ত ব্যক্তি শুভ কৰ্মৰ দ্বাৰা আৰু তত্বজ্ঞানহীন ব্যক্তি অশুভ কৰ্মৰ দ্বাৰা চিনিব পাৰি।

কবীৰ, পহলে অপনে ধৰ্ম কো ভলী ভাঁতি সিখলায়।
অন্য ধৰ্ম কী সীখ শুনি, ভটকী বাল বুদ্ধি জায়।।

ভাৱাৰ্থ ঃ- সন্তানক অথবা পৰিয়ালৰ অন্য সদস্যক নিজৰ ধৰ্মৰ জ্ঞান সম্পূৰ্ণ ৰূপে দিব লাগে। নিজৰ ধৰ্মৰ অৰ্থাৎ ধাৰ্মিক ক্ৰিয়াৰ জ্ঞান নথকাজন বালক বুদ্ধিৰ হয়। তেওঁলোক অন্য ধৰ্ম-পন্থৰ শিক্ষা শুনি বিপথে যায়। যাৰ নিজৰ ধৰ্মৰ (পন্থৰ) সম্পূৰ্ণ জ্ঞান থাকে তেওঁ ভ্ৰমিত

নহয়।

**ধৰ্মবোধ ১৮২ পৃষ্ঠাৰ সাৰাংশ**

কবীৰ, জো কছু ধন কা লাভ হো শুদ্ধ কমাই কীন।
তা ধনকে দশৱেঁ অংশ কো, অপনে গুৰু কো দীন।।
দশৱাঁ অংশ গুৰু কো দীজৈ। অপনা জন্ম সফল কৰ লীজৈ।।

ভাৱাৰ্থ ঃ- শুদ্ধ পৱিত্ৰ উপাৰ্জনৰ পৰা যি লাভ হয়, তাৰ দহভাগৰ এভাগ নিজৰ গুৰুদেৱক দান কৰিব লাগে।

কবীৰ, জে গুৰু নিকট নিবাস কৰৈ, তো সেৱা কৰ নিত্য।
জো কছু দূৰ বসৈ, পল-পল ধ্যান সে হিত।।

ভাৱাৰ্থ ঃ- যদি গুৰুদেৱৰ স্থান আপোনাৰ ঘৰৰ পৰা ওচৰ হয়, প্ৰতিদিন সেৱাৰ বাবে যাব। যদি দূৰ হয়, তেতিয়া গুৰুদেৱৰ স্মৰণ প্ৰতি মূহুৰ্তে কৰিব লাগিব। ইয়াৰ দ্বাৰা সাধকৰ হিত হয় অৰ্থাৎ লাভ হয়।

কবীৰ, ছঠৈ মাছ গুৰু দৰ্শ কৰণ তে, কবহু না চুকো হংস।
গুৰু দৰ্শ আৰু সৎসঙ্গ, বিচাৰ সো উধৰে জাত হৈ বংশ।।
কবীৰ, ছঠৈ মাসনা কৰি সকে, বৰ্ষ মে কৰো ধায়।
বৰ্ষ মে দৰ্শ নহি কৰে, সো ভক্ত সাকিট ঠহৰায়।।
কবীৰ, জৈ গুৰু পৰলোক গমন কৰে সীশ মানিয়ো শীশ।
কবীৰ, গুৰু কো সাথ জানি, সুমৰো নিত জগদীশ।।
হৰদম গুৰুকো সাথ জানি, সুমৰো নিত জগদীশ।।
কবীৰ, গুৰু মৰা মত জানিয়ো, বস্ত্ৰ ত্যাগা স্থুল।
সুক্ষা দেহী গমন কৰি, খিলা অমৰ ৱহ ফুল।।
কবীৰ, সত্যলোক মে বৈঠী কৰ, গুৰু নিৰখৈ তোহে।
গুৰু তজ না ঔৰ মানিয়ো, আধ্যাত্ম হানি হোয়।।
কবীৰ, গুৰু কে শিষ্য কী জগদীশ কৰৈ সহায়।
নাম জপৈ অৰু দান ধৰ্ম মে কবহু ন অলসায়।।
কবীৰ জৈসে ৰবি আৰা, সে, সবকে সাথ ৰহায়।
উষ্ণতা আৰু প্ৰকাশ কো দুৰহী তে পহুঁচায়ে।।
কবীৰ ঐসে গুৰু জহাঁ বসে সবপৰ কৰে ৰজা।
গুৰু সমীপ জানকৰ সকল বিকাৰ কৰত লজা।।

ভাৱাৰ্থ ঃ- গুৰুদেৱৰ দৰ্শন ছয়মাহত এবাৰ নিশ্চয় কৰিব। সৎসঙ্গ আৰু গুৰু দৰ্শনৰ দ্বাৰা সম্পূৰ্ণ বংশ মূক্ত হৈ যাব। যদি ছয়মাহত নোৱাৰে, তেতিয়া বছৰত এবাৰ আগ্ৰহেৰে অৰ্থাৎ অতি উৎসাহেৰে দৰ্শন কৰিবলৈ যাব। যদি এবছৰত গুৰু দৰ্শন নকৰে, সেই শিষ্যক ভক্তিহীন গণ্য কৰা হয়।

যদি গুৰুদেৱ সৎলোকলৈ গমন কৰে, তেতিয়া তেখেতৰ শিক্ষাক ভিত্তি কৰি নিজৰ ধৰ্ম

কৰ্ম কৰি থাকিব লাগে। নিজৰ গুৰুদেৱক লগতে থকা বুলি জানি ভাবি পৰমেশ্বৰৰ ভজন কৰিব লাগে। গুৰুদেৱে যি দীক্ষা মন্ত্ৰ দিছে, তাৰ জপ কৰি থাকিব লাগে।

গুৰুদেৱৰ মৃত্যু হল বুলি নাভাবিব। তেওঁ স্থুল শৰীৰ হে ত্যাগ কৰিছে যেনেকৈ কাপোৰ সলোৱা হয়। কাপোৰ সলাওতে শৰীৰ সুৰক্ষিত থাকে। এইদৰেই স্থুল শৰীৰৰূপী বস্ত্ৰ ত্যাগ কৰিছে। আত্মা প্ৰকাশ পুঞ্জৰ শৰীৰেৰে সৎলোক গৈছে। তাত অমৰত্ব লাভ কৰিছে। আপোনাৰ অপেক্ষা কৰি আছে। আপুনিও যাব লাগিব। নমৰাকৈ (স্থুল শৰীৰ ত্যাগ নকৰাকৈ) সত্যলোক যাব নোৱাৰি। এই শৰীৰক শিষ্য সকলেও এৰিব লাগিব। তেতিয়াহলে গুৰুদেৱৰ শৰীৰ ত্যাগ কৰা কথাৰ চিন্তা নকৰি তেওঁ কোৱা ধৰণে সাধনা কৰি নীতি-নিয়ম পালন কৰি নিজৰ জীৱন সফল কৰক।

গুৰুদেৱ সত্যলোকত বহি আপোনালৈ চাই আছে। গুৰুদেৱে সংসাৰ এৰি যোৱাৰ পিছত অন্যক গুৰুৰূপত নাচাব, নহ'লে ভক্তিৰ হানি হ'ব।

গুৰুদেৱৰ পৰা উপদেশ লোৱা ভক্তক পৰমেশ্বৰে সহায় কৰে। শিষ্যই গুৰুদেৱে কোৱা নাম জপ আৰু দান ধৰ্ম কৰাৰ ক্ষেত্ৰত কেতিয়াও এলাহ কৰিব নালাগে।

যেনেকৈ সূৰ্য্যই দূৰ আকাশৰ পৰা তাপ আৰু পোহৰ দি থাকে, সূৰ্য্যক সকলোৱে নিজৰ লগত থকা বুলি ভাৱে এইদৰেই গুৰুদেৱ ওচৰতে আছে আৰু সকলো দেখি আছে বুলি জানি সকলো বিষয়-বিকাৰ কৰিবলৈ লাজ কৰি সেই বিষয় বিকাৰ ত্যাগ কৰক।

**"ধৰ্মবোধ" ১৮৩ পৃষ্ঠাৰ সাৰাংশ ঃ**

কবীৰ, কেতে জনকাদিত গৃহী জোনিজ ধৰ্ম প্ৰবীণ।
পায়ো শুভগতি আপহী ঔৰনহু মতি দীন।।

ভাৱাৰ্থ ঃ- ৰজা জনকৰ দৰে গৃহস্থ ব্যক্তিও নিজৰ ধৰ্মৰ বিদ্বান আছিল অৰ্থাৎ মানৱকৰ্ম বিষয়ৰ জ্ঞানী আছিল। সেইবাবেই নিজেও শুভগতি প্ৰাপ্ত কৰিলে অৰ্থাৎ স্বৰ্গ প্ৰাপ্ত কৰিলে আৰু আনকো স্বৰ্গ প্ৰাপ্তিৰ পথ দুখুৱালে।

কবীৰ, হৰি কে হেত ন দেত, ধন দেত কুমাৰ্গ মাহী।
ঐসে অন্যায়ী অধম, বান্ধে যমপুৰী জাহী।।

ভাৱাৰ্থ ঃ- যি ব্যক্তিয়ে ধৰ্ম নকৰে আৰু টকাৰ ব্যৱহাৰ বেয়া কামত কৰে-মদ খায়, মাংস খায়, চাদা খায় বা আড়ম্বৰৰ বাবে খৰছ কৰে, তেনে ব্যক্তি অন্যায়ী নীচ হয়, তেওঁলোকক যমলোক অৰ্থাৎ নৰকলৈ বান্ধি নিয়া হয়।

**ভক্তৰ ব্যৱহাৰ কেনেকুৱা হব লাগে**

নিজ ধন ভাগী জেতে সগে বন্ধু পৰিবাৰ। জৈছা জাকো ভাগ হৈ দীজৈ ধৰ্ম সম্ভাৰ।।

ভাৱাৰ্থ ঃ- পৰমেশ্বৰ কবীৰদেৱে কৈছে যে, নিজৰ ধৰ্ম কৰ্মৰ প্ৰতি ধ্যান ৰাখি সম্পতিৰ যি সকল যিমান অংশৰ আইনগত অধিকাৰী তেওঁলোকক নিজৰ নিজৰ সম্পূৰ্ণ অংশ দিব লাগিব অৰ্থাৎ যি যিমান অংশ পায়-পৰমাত্মাক ভয় কৰি সম্পূৰ্ণ অংশ ভগাই দিব লাগে।

"ধৰ্মবোধ" ১৮৪ পৃষ্ঠাৰ সাৰাংশ -

কবীৰ খাট পৰৈড়তব ঝখই নয়নন আবৈ নীৰ।

য়তন তব কছু বনৈ নহী, তনু ব্যাপ মৃত্যু পীৰ।।

ভাৱাৰ্থ ঃ বৃদ্ধ হৈ বা ৰুগীয়া হৈ যেতিয়া মানৱ বিছনাত পৰি থাকে আৰু চকুয়েদি চকুলো বৈ থাকে, সেই সময়ত কোনেও ৰক্ষা কৰিব নোৱাৰে, মৃত্যুৰ সময়ত হোৱা যন্ত্ৰনা হৈয়ে থাকে। কোৱা হৈছে যে ভক্তি নকৰা সকলৰ অন্তসময় মহা কষ্টকৰ হয়। তেওঁৰ প্ৰাণ সহজে নোলায়, তেওঁৰ ইমান কষ্ট হয় যেনে এক লাখ বৃশ্চিকে ডাঙ্ক মাৰি আছে। সেই সময়ত যমদূতে তেওঁৰ ডিঙি চেপি ধৰে। মানুহে কথাও ক'ব নোৱাৰে, সম্পূৰ্ণ উশাহো ল'ব নোৱাৰে। কেৱল চকুৰে চকুলো বৈ থাকে। গতিকে উপৰত বৰ্ণনা কৰা ভক্তি আৰু শুভকৰ্ম মানুহে অৱশ্যে কৰিব লাগিব।

কবীৰ, দেখে জব যম দুতন কো, ইত উত জীৱ লুকায়।
মহা ভয়ঙ্কৰ ভেশ লখী, ভয়ভীত হো জায়।।

ভাৱাৰ্থ ঃ- যমদূতৰ ভয়ঙ্কৰ চেহেৰা থাকে। মৃত্যুৰ সময়ত যমদূতে অকল ধৰ্মহীন বা ভক্তিহীন ব্যক্তিক হে দেখা দিয়ে। যমদূতক দেখি সেই প্ৰাণী ভয়তে শৰীৰতে ইফালে-সিফালে লুকাই থাকিবলৈ চষ্টা কৰে।

কবীৰ, ভক্তিদান কিয়া নহী, অব ৰহ কাস কী ওট।
মাৰ পিট প্ৰাণ নিকালহী, যম তোড়েগে হোঠ।।

ভাৱাৰ্থ ঃ- গুৰু শৰণো লোৱা নাই, ভক্তিও কৰা নাই, দান ধৰ্মও কৰা নাই, এতিয়া কাৰ আশ্ৰয় লব ? যমদূতে মাৰপিট কৰি প্ৰাণ উলিয়াই নিব আৰু আগপাছ নেচাই নিৰ্দয় হৈ মাৰপিট কৰি জীৱৰ ওঁঠ ফালিব। কোৱাৰ অৰ্থ এই যে নিৰ্দয়ভাৱে মাৰিব।

''ধৰ্মবোধ'' ১৮৫-১৮৬ পৃষ্ঠাত সাধাৰণ জ্ঞান আছে।

''ধৰ্মবোধ'' ১৮৭ পৃষ্ঠাৰ সাৰাংশ ঃ

কবীৰ, মান অপমান সমকৰ জানৈ, তজৈ জগত কী আশ।
চাহ ৰহিত সংশয় ৰহিত হৰ্ষ শোক নহী তাস।।

ভাৱাৰ্থ ঃ- লোকে অপমান কৰিলেও ভক্তই তাৰ প্ৰতি ধ্যান দিব নালাগে। অপমান কৰা জনৰ বুদ্ধিৰ প্ৰতি দয়াভাৱ ৰাখিব লাগে। কোনোবাই সন্মান কৰিলে তাৰ প্ৰতিও ধ্যান দিব নালাগে অৰ্থাৎ কাৰোবাৰ সন্মানৰ বশবৰ্ত্তী হৈ নিজৰ ধৰ্মৰ হানি কৰিব নালাগে। লাভ-হানি দুয়ো পৰমাত্মাৰ ইচ্ছাত হোৱা ভাবি সন্তোষ কৰিব লাগে।

কবীৰ মাৰ্গ চলৈ অধো গতি, চাৰ হাথ-মাহী দেখ।
পৰ তৰিয়া, পৰধন না চাহৈ সমঝ ধৰ্ম কে লেখ।।

ভাৱাৰ্থ ঃ- ভক্ত ৰাস্তাৰে যোৱা সময়ত তললৈ চাই যাব। ভক্তৰ দৃষ্টি যোৱাৰ সময়ত চাৰি হাত অৰ্থাৎ ছয় ফুট আঁতৰত সন্মুখৰ ফালে থাকিব লাগে। ধৰ্ম কৰ্মৰ জ্ঞানৰ প্ৰতি লক্ষ্য ৰাখি পৰস্ত্ৰী আৰু পৰধন দেখি দৃষ্টি দোষ নকৰিব।

কবীৰ পাত্ৰ কুপাত্ৰ বিচাৰ কৰ, ভিক্ষা দান জো লেত।
নীচ অকৰ্মী সূম কা, দান মহাদুখ দেত।।

ভাৱাৰ্থ ঃ- সন্ত অৰ্থাৎ গুৰুয়ে নিজৰ শিষ্যৰ অতিৰিক্ত আনৰ পৰা দান ভিক্ষা ল'ব

নালাগে। কুকৰ্মী আৰু অধৰ্মীৰ ধন বহু দুখদায়ী হয়।

পৃষ্ঠা ১৮৮ ত সাধাৰণ জ্ঞান আছে।

“ধৰ্মবোধ” পৃষ্ঠা ১৮৯ ৰ সাৰাংশ ঃ-

কবীৰ ইন্দ্ৰীতত্ব প্ৰকৃতি সে আত্ম জান পাৰ।
জাপ এক পল নহী ছুটে টুট ন পাৰৈ তাৰ।।

ভাৱাৰ্থ ঃ- আত্মা পঞ্চতত্বৰ পৰা বেলেগ হয়। শৰীৰ আত্মা নহয়। একেৰাহে সত্যনামৰ জপ কৰিব।

কবীৰ জৱ জাপ কৰিকে থক গএ, হৰি য্শ গাৱে সন্ত।
কৈ জিন ধৰ্ম পুৰাণ পঢ়ে, ঐসো ধৰ্ম সিদ্ধান্ত।।

ভাৱাৰ্থ ঃ- যদি ভক্ত জপ কৰি কৰি ভাগৰি যায়, তেতিয়া পৰমাত্মাৰ মহিমাৰ বাণী পাঠ কৰিব, মনত থাকিলে গাব এয়া ধৰ্মৰ সিদ্ধান্ত।

“ধৰ্মবোধ” পৃষ্ঠাৰ ১৯০ ৰ সাৰাংশ ঃ-

কবীৰ, জ্ঞানী ৰোগী অৰ্থাথী জিজ্ঞাসু য়ে চাৰ।
সো সবহী হৰি ধ্যাৱতে, জ্ঞানী উতৰে পাৰ।।

ভাৱাৰ্থ ঃ- পৰমাত্মা ভক্তি চাৰি প্ৰকাৰৰ ব্যক্তিয়ে কৰে।

১) জ্ঞানী ঃ- জ্ঞানীয়ে বিশ্বাস কৰে যে মানৱ জীৱন কেৱল পৰমাত্মাৰ ভক্তি কৰি জীৱৰ কল্যান সাধনৰ বাবে প্ৰাপ্ত হয়। তেওঁ এইটোও বুজি পায় যে কেৱল এজন পুৰ্ণ পৰমাত্মাৰ ভক্তিৰ দ্বাৰা মোক্ষ হব, অন্য দেৱ - দেৱীৰ ভক্তি কৰিলে জন্ম মৃত্যুৰ কষ্ট শেষ নহ’ব। পূৰ্ণ সৎগুৰুৰ পৰা দীক্ষা ললেহে কামত আহিব, গতিকে জ্ঞানী ভক্ত পাৰ হৈ যায়।

২) অৰ্থাথী ঃ- সেইজন যি কেৱল ধন লাভৰ বাবেহে ভক্তি কৰে।

৩) আৰ্ত অৰ্থাৎ সংকট গ্ৰস্ত ঃ- এওঁলোকে নিজৰ সংকট নিৰাময়ৰ বাবেহে ভক্তি কৰে। কোনো মহান ৰোগ, কষ্টৰ পৰা পৰিত্ৰাণৰ বাবেহে ভক্তি কৰে।

৪) জীজ্ঞাসু ঃ- জিজ্ঞাসুয়ে পৰমাত্মাই কোৱা জ্ঞান সম্পূৰ্ণ নহয় বুলি ভাবে। নিজে বক্তাহৈ মান-সন্মানৰ ভোকত জীৱন নাশ কৰে। এই প্ৰমাণ গীতাৰ অধ্যায় ৭ শ্লোক ১৬-১৭ ত আছে।

“ধৰ্মবোধ” ১৯১ পৃষ্ঠাৰ সাৰাংশ ঃ-

কবীৰ, ক্ষমা সমান ন তপ, সুখ নহী সন্তোষ সমান।
তৃষ্ণা সমান নহী ব্যাধি কোই, ধৰ্ম ন দয়া সমান।।

ভাৱাৰ্থ ঃ- পৰমাত্মা কবীৰদেৱে কৈছে যে ক্ষমা কৰা বহুত ডাঙৰ তপ। ইয়াৰ সমান তপ নাই। সন্তোষৰ তুল্য কোনো সুখ নাই। কোনো বস্তুৰ প্ৰাপ্তিৰ ইচ্ছাৰ সমান কোনো বিপদ নাই আৰু দয়াৰ সমান ধৰ্ম নাই।

কবীৰ, যোগ (ভক্তি) কে অঙ্গ পাঁচ হৈ, সংযম, মনন, একান্ত।
বিষয় ত্যাগ নাম ৰটন হোয়ে মোক্ষ নিশ্চিত।।

ভাৱাৰ্থ ঃ- ভক্তিৰ চাৰিটা আৱশ্যকীয় দিশ আছে। সংযম অৰ্থাৎ- প্ৰত্যেক কাৰ্য্যতে সংযমী হ’ব লাগে। ধন সংগ্ৰহ কৰোঁতে, কথা কওঁতে, খোৱা বোৱা কৰোঁতে, বিষয় ভোগ কৰোঁতে

সংযমী হ'ব লাগে। অৰ্থাৎ ভক্তই কথা কম ক'ব লাগে, বিষয় বিকাৰ ত্যাগ কৰিব লাগে। পৰমাত্মাৰ বাণী আৰু মনন চিন্তন কৰা অনিবৰ্য্য, এনেকৈ সাধনা আৰু নীতি নিয়ম পালন কৰিলে মোক্ষ নিশ্চয় প্ৰাপ্ত হ'ব। পূৰ্ণ পৰমাত্মাই ভক্তৰ আয়ু বঢ়াই দিয়ে।

ঋগবেদ মণ্ডল ১০ সুক্ত ১৬১ মন্ত্ৰ ২ ত কোৱা আছে যে, পৰমেশ্বৰে নিজৰ ভক্তৰ ৰোগ সমাপ্ত কৰি দিয়ে। ৰোগী জনৰ আয়ু শেষ হলেও, তেওঁ মৃত্যু-দেৱতাৰ ওচৰলৈ যোৱা সময় উপস্থিত হলেও পৰমাত্মাই তেওঁক সুস্থ কৰি শতবৰ্ষ অৰ্থাৎ এশ বছৰৰ জীৱন দান দিয়ে। তেওঁৰ আয়ু বৃদ্ধি কৰি দিয়ে। এই প্ৰমাণ "কবীৰ সাগৰ"ৰ অধ্যায় "গৰুড়বোধ"ৰ পৰা পঢ়ক।

**অধ্যায় "গৰুড়বোধ"ৰ সাৰাংশ**

"কবীৰ সাগৰ"ৰ একাদশ অধ্যায়ত "গৰুৰবোধ" ৬৫ (৬২৫) পৃষ্ঠাত আছে ঃ- পৰমেশ্বৰ কবীৰদেৱে ধৰ্মদাসক কলে যে, তেখেতে শ্ৰী বিষ্ণুৰ বাহন পক্ষীৰাজ গৰুড়ক উপদেশ দিছিল, তেওঁক সৃষ্টি ৰচনা শুনাইছিল। অমৰলোকৰ কথা, সত্য পুৰুষৰ মহিমা শুনি গৰুড় আচৰিত হ'ল। নিজৰ কান দুখনকো বিশ্বাস কৰিব পৰা নাছিল। মনে মনে ভাবিছিল যে, আজি তেওঁ (গৰুড়) এয়া কি শুনি আছে ? তেওঁ সপোন দেখি থকা নাইতো। তেওঁ অন্য কোনোবা দেশত থকা নাইতো ? যিখন স্থানৰ পৰমেশ্বৰৰ পবিত্ৰ গুণ গান তেওঁ শুনি আছে- সেয়া গোটেই কথা যেন চলচিত্ৰৰ দৰে তেওঁৰ আগত ভাহি আছে, যেতিয়া গৰুড় এনে ভাৱত বিভোৰ হৈ গৈছিল তেতিয়া কবীৰ পৰমেশ্বৰে ক'লে, হে পক্ষীৰাজ, মোৰ কথা মিছা বুলি ভাবিছে নেকি ? মনে মনে আছা যে, সোধা যদি কোনো সন্দেহ আছে সমাধান কৰা। যদি মোৰ কথা শুনি দুখ পাইছা, ক্ষমা কৰা। মোৰ এনে কথা শুনি গৰুড়ৰ চকু চলচলীয়া হ'ল আৰু ক'লে, হে দেৱ- আপুনি কোন ? আপোনাৰ উদ্দেশ্য কি ? ইমান কটু সত্য কথা ক'লে যে বিশ্বাস কৰিবলৈ টান পাইছোঁ। যদি আপুনি কোৱাৰ দৰে অমৰলোকত অমৰ পুৰুষ পৰমেশ্বৰ থকাটো সত্য হয়, তেতিয়া মোক ভ্ৰমিত কৰি ৰখা হৈছে। যদি এই কথা অসত্য তেতিয়া আপুনি নিন্দাৰ যোগ্য হয়। আপুনি অপৰাধী হব, যদি সত্য হয় মই (গৰুড়) আপোনাৰ প্ৰকৃত দাস হৈ থাকিম। পৰমেশ্বৰ কবীৰদেৱে ধৰ্মদাসক ক'লে যে, তেওঁ (কবীৰদেৱ) গৰুড়ক আকৌ কলে, হে গৰুড়দেৱ আপোনাৰ সন্দেহ হোৱাটো স্বাভাৱিক কথা, আপুনি ধৈৰ্য্য ধৰিছে, আপুনি মহান কিন্তু মই আপোনাক অমৰ পুৰুষ আৰু সত্যলোকৰ যি তথ্য দিছোঁ সেইটো পৰম সত্য। মোৰ নাম কবীৰ, মই সেই অমৰলোকৰ বাসিন্দা। আপোনাক কাল ব্ৰহ্মই ভ্ৰমিত কৰি থৈছে। ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰো এই জ্ঞান নাই হোৱা। আপুনি চিন্তা কৰি চাওঁক গৰুড় দেৱ জীৱৰ জন্ম হয়। আনন্দত দিন অতিবাহিত কৰে। পৰিয়াল ডাঙৰ হব ধৰে। পৰিয়ালৰ পালন পোষন কৰি সাংসাৰিক পৰম্পৰাৰ নিৰ্বাহ কৰি থাকোতেই বৃদ্ধাবস্থা হয়। যি পৰিয়ালক চাই নিজকে ধন্য ভাৱে, সেই পৰিয়ালক এৰি সংসাৰ এৰি বাধ্য হৈ যাব লগাত পৰে। নিজেও কান্দি-কান্দি শেষ উশাহলৈ বাট চাই থাকে, পৰিয়ালো দুখী হয়, এইটো কেনে নিয়ম ? এইটো উচিত হৈছেনে ? গৰুড়দেৱে কলে, "হে কবীৰ দেৱ এইটো সংসাৰৰ নিয়ম জন্ম হলে মৃত্যু হ'বই।" পৰমেশ্বৰে ক'লে যে, কোনোবাই মৰিব বিচাৰেনে, কোনোবাই বৃদ্ধাৱস্থা ভাল পায়নে ? গৰুড়দেৱৰ উত্তৰ আছিল নাপায়। পৰমেশ্বৰ কবীৰদেৱে ক'লে যে, যদি এনেকুৱা হয় যে, কোনো বুঢ়াও নহয়,

নমৰেও, তেতিয়া কেনে লাগিব, গৰুড়দেৱে ক'লে যে তেনেকুৱা হলেতো কবই নালাগে, আনন্দই আনন্দ হ'ব। কিন্তু এইয়া যে আকাশত চাংপতা কথা, এক সপোন মাত্ৰ, কবীৰ দেৱে ধৰ্মদাসক ক'লে যে, তেওঁ (কবীৰদেৱে) গৰুড়দেৱক সুধিলে যে গৰুড়ে বেদ আৰু পুৰাণ সমূহক কিদৰে মানিলয়- সত্য নে অসত্য। গৰুড়ে ক'লে যে, তেওঁ বেদ আৰু পুৰাণক পৰম সত্য বুলি মানি লয়।

দেৱী পুৰাণৰ তৃতীয় স্কন্ধত স্বয়ং বিষ্ণুদেৱে কৈছে যে, “হে মাতা আপুনি শুদ্ধ স্বৰূপা এই সম্পূৰ্ণ সংসাৰ আপোনাৰ দ্বাৰা উদ্ভাসিত হৈ আছে। মই, ব্ৰহ্মা আৰু শংকৰ আপোনাৰ কৃপাতে বিদ্যমান (জীয়াই) আছোঁ। আমাৰ আবিৰ্ভাৱ (জন্ম) আৰু তিৰোভাৱ (মৃত্যু) হয়।

পৰমেশ্বৰ কবীৰদেৱৰ মুখ কমলৰ পৰা এনে সঠিক প্ৰমাণ শুনি গৰুড়দেৱ চৰণত পৰিল। নিজকে ভাগ্যৱান মানিলে আৰু কলে যে, যিজনে সৃষ্টিৰ ৰচনা ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ আৰু দুৰ্গাদেৱী, লগতে নিৰঞ্জন, লৈকে সকলোৰে উৎপত্তি বৃতান্ত জানে তেৱেঁই সৃষ্টি কৰ্তা পৰমেশ্বৰ হয়। আজিলৈকে কোনেও এনেকুৱা জ্ঞান কোৱা নাছিল। যদি কোনো জীৱই জানিলেহেঁতেন, তেওঁ ঋষি, মহৰ্ষি আদিও হ'ব পাৰে, অৱশ্যে কৈ শুনালে হয়। গৰুড়ে আকৌ ক'লে, মই ডাঙৰ ডাঙৰ মণ্ডলেশ্বৰৰ প্ৰবচন শুনিছোঁ। কাৰো লগত এই জ্ঞান নাই। তেওঁলোকে বেদ আৰু গীতাৰ জ্ঞানো নাজানে। আপুনি নিজকে লুকুৱাই ৰাখিছে। মই আপোনাক চিনি পাইছোঁ। কৃপা কৰি মোক শৰণত লৈ লওক, পৰমেশ্বৰ।

পৰমেশ্বৰ কবীৰদেৱে গৰুড়ক ক'লে যে, তেওঁ (গৰুড়) প্ৰথমতে নিজৰ স্বামী শ্ৰী বিষ্ণুদেৱৰ পৰা নিজৰ কল্যাণ কৰাব বিচাৰোঁ বুলি আজ্ঞা ল'ব লাগে। এজন মহান সন্ত তেওঁ লগ পাইছে বুলি ক'ব। তেওঁ সন্ত জনৰ জ্ঞান শুনা বুলিও ক'ব, যদি আদেশ দিয়ে তেওঁ নিজৰ কল্যাণ কৰাব বুলি বিষ্ণুক ক'ব। আকৌ তেওঁ (গৰুড়) শ্ৰী বিষ্ণুৰ দাস, চাকৰ আৰু শ্ৰী বিষ্ণু মালিক হয়, দুয়ো সকলো সময়তে লগতে থাকিবা, শ্ৰী বিষ্ণুৱে দুখ পাব। গৰুড়ে এনেদৰে সকলো কথা বিষ্ণুক জনালে। শ্ৰীবিষ্ণুৱে ক'লে যে তেওঁ গৰুড়ক বাধা নিদিয়ে, এই বিষয়ত স্বতন্ত্ৰ কথা কৈ গৰুড়ে ভালেই কৰিছে বুলি বিষ্ণুৱে ক'লে। বিষ্ণুৰ কোনো আপত্তি নাই বুলিও জনালে।

“হে ধৰ্মদাস” কবীৰদেৱে ক'লে, “মই গৰুড়ক প্ৰথম মন্ত্ৰ দীক্ষা পাঁচ নামৰ (কমল (চক্ৰ) বোৰক মেলি দিয়া প্ৰত্যেক দেৱতাৰ সাধনাৰ নাম) দিলোঁ”। গৰুড় দেৱে ক'লে, “হে গুৰুদেৱ এই মন্ত্ৰ বিলাক এই দেৱতা সকলৰ হয়। অমৰ পুৰুষৰ মন্ত্ৰ হ'লে ইয়াত নাই।” পৰমেশ্বৰ কবীৰদেৱে ক'লে, “এইটো এই দেৱতা সকলৰ পূজাৰ মন্ত্ৰ নহয়। এইটো এই দেৱতা সকলক নিজৰ অনুকুল কৰি তেওঁলোকৰ জালৰ পৰা মুক্ত হোৱাৰ চাবি-কাঠি, এওঁলোকৰ বশীকৰণ মন্ত্ৰ হয়। যেনেকৈ ম'হক আকৰ্ষিত কৰিবলৈ যদি তাক ম'হ-ম'হ বুলি মাতে সি মাতোঁতা জনৰ ফালেও নাচায়। যেতিয়া তাৰ নাম (বশীকৰণ নাম বা শব্দ) ধৰি মতা হয় হুৰৰ সি তুৰন্তে সক্ৰিয় হৈ পৰে আৰু মাতোঁতা জনৰ ফালে দৌৰি আহে। মাতোঁতাজনে সেইদৰে মাতি লৈ তাৰ দ্বাৰা নিজৰ মাইকী ম'হৰ গৰ্ভধাৰণ কৰোৱাই লয়। এইদৰেই আপুনি শ্ৰীবিষ্ণুদেৱৰ অন্য কোনো নামৰ জপ কৰি থাকিলে, তেওঁ ধ্যান নিদিয়ে। আপুনি যেতিয়া এই মন্ত্ৰৰ জাপ কৰিব তেতিয়া

বিষ্ণুদেৱ তুৰন্তে প্ৰভাৱিত হৈ সাধকৰ সহায় কৰিব। এই দেৱতা সকল তিনিওলোকৰ (পৃথিৱী, স্বৰ্গ, পাতাল) প্ৰধান দেৱতা হয়। এওঁলোকে কেৱল লিখিত সংস্কাৰ কৰ্ম হে দিব পাৰে। এই মন্ত্ৰ জপৰ দ্বাৰা আমাৰ অধিক পূণ্য আৰু অধিক ভক্তি ধন সংগ্ৰহ হয়। তাৰ প্ৰতিফল দি দেৱতাই সাধকক সহায় কৰে। এই ধৰণে এওঁ লোকৰ পূজা-সাধনাৰ পাৰ্থক্য বুজিব লাগিব। যেনেকৈ আপুনি আম খাব বিছাৰিছে, তেতিয়াহলে প্ৰথমে পৰিশ্ৰম কৰক, চাকৰি কৰক, আকৌ ধন পাব আৰু আম খাবলৈ পাব। চাকৰি পূজা নহয়। সেই সময়ত আমাৰ পূজনীয় আম হয়। পূজনীয়ৰ প্ৰাপ্তিৰ বাবে কৰা চেষ্টা চাকৰি হয়। এইদৰে আমাৰ পূজনীয় পৰমেশ্বৰ কবীৰদেৱ আৰু আম হয়। তাৰ বাবে আমি শ্ৰীব্ৰহ্মা, শ্ৰীবিষ্ণু, শ্ৰীশিৱ, শ্ৰীগণেশ আৰু শ্ৰীদূৰ্গাৰ মজদুৰী (খাটনি/শ্ৰম) কৰোঁ, সাধনা কৰোঁ। পূজা পৰমেশ্বৰ কৰোঁ। গৰুড়দেৱ বৰ প্ৰসন্ন হ'ল আৰু এই অমৃত জ্ঞানৰ চৰ্চাৰ বাবে শ্ৰীব্ৰহ্মাক লগ ধৰিলে। শ্ৰীব্ৰহ্মাক ক'লে যে তেওঁ এজন মহৰ্ষিৰ পৰা অদ্ভূত জ্ঞান শুনিছে। তেওঁক (গৰুড়ক) তেওঁৰ (কবীৰদেৱৰ) জ্ঞান সত্য বুলি বিশ্বাস হৈছে। তেওঁ ক'লে যে, আপুনি (ব্ৰহ্মা), বিষ্ণু আৰু শিৱ নাশৱান হয়, পূৰ্ণ কৰ্তা নহয়। আপোনালোকে ভাগ্যত লিখা খিনিহে দিব পাৰে। আপোনালোকে কোনো ব্যক্তিৰ আয়ুস বঢ়াব নোৱাৰে, পূৰ্ণ পৰমাত্মা বেলেগ আছে। অমৰ লোকত থাকে। তেওঁ পাপ কৰ্ম কাটি দিয়ে। তেওঁ মৃত্যুক পিছুৱাই দিয়ে আয়ুস বঢ়াই দিয়ে। বেদত প্ৰমাণো আছে, ঋগবেদ মণ্ডল ১০ সুক্ত ১৬১ মন্ত্ৰ ২ ত কোৱা আছে যে ৰোগীৰ ৰোগ বাঢ়ি মৃত্যু প্ৰাপ্ত হব লগীয়া হলেও কবীৰ পৰমেশ্বৰে সেই ভক্তক মৃত্যু দেৱতাৰ পৰা কাঢ়ি আনিব। তেওঁক নতুন জীৱন দান দিব। তেওঁক পূৰ্ণ আয়ু জীয়াই থাকিবলৈ দিব।

ঋগবেদ মণ্ডল ১০ সুক্ত ১৬১ মন্ত্ৰ ৫ ত কোৱা আছে যে হে পুনৰ জন্ম প্ৰাপ্ত প্ৰাণী! তই মোৰ ভক্তি কৰি থাকিবি। যদি তোৰ চকু সম্পূৰ্ণ বেয়া হৈ যায়, তেতিয়াও তোৰ চকু সুস্থ কৰি দিম, তোক লগ ধৰিম অৰ্থাৎ তই মোক লগ পাবি।

ব্ৰহ্মাদেৱৰ বেদমন্ত্ৰ কণ্ঠস্থ আছে। তুৰন্তে বুজি পালে, কিন্তু সংসাৰত লোকবেদ অনুসৰি শ্ৰীব্ৰহ্মাই নিজকে প্ৰজাপতি অৰ্থাৎ সকলোৰে উৎপত্তি কৰ্তা মানি লৈছিল। বেদ কণ্ঠস্থ কৰা বেলেগ কথা। বেদমন্ত্ৰক বুজি পোৱা হে বিশেষ জ্ঞান হয়। মান সন্মানৰ বশীভূত হৈ ব্ৰহ্মাই ক'লে যে বেদৰ জ্ঞান তেওঁৰ বাহিৰে বিশ্বত কাৰো নাই। এই মন্ত্ৰৰ ভূল অৰ্থ কৰিছে। কবীৰ পৰমেশ্বৰে এনে ব্যক্তি সম্পৰ্কে কৈছে -

কবীৰ, জান বুঝ সাচ্চী তজৈ কৰৈ ঝুঠ সে নেহ।
তাকি সংগত হে প্ৰভূ, সপ্ন মে ভী না দেয়।।

শব্দাৰ্থ ঃ- কবীৰ পৰমেশ্বৰে কৈছে যে যি মানুহে নিজ চকুৰে প্ৰমাণ দেখাৰ পাছতো মিছা জ্ঞানক আধাৰ মানি চলে সেই ব্যক্তিৰ লগত, হে পৰমাত্মা, সপোনতো যেন সাক্ষাত নহয়। তেনে ব্যক্তিৰ লগত জ্ঞান চৰ্চা কৰা ব্যৰ্থ।

ব্ৰহ্মাদেৱ গৰুড়ৰ কথা শুনি অতি ক্ৰোধিত হ'ল আৰু গৰুড়ক ক'লে যে তাৰ বুদ্ধি চৰাইৰ নিচিনা। গৰুড়ক কোনো ব্যক্তিয়ে কোনো কথা ক'লে তাকে বিশ্বাস কৰি লয়, ক'লে যে গৰুড়ৰ নিজৰ বিবেক নাই। ব্ৰহ্মাই তুৰন্তে বিষ্ণু, মহেশ, ইন্দ্ৰ আৰু সকলো দেৱতাক লগতে

ঋষি সকলক মাতিলে। সভা বহিল, ব্ৰহ্মাই তেওঁলোকক মতাৰ কাৰণ ব্যাখ্যা কৰি ক'লে গৰুড়ে আজি নতুন কথা ক'লে যে ব্ৰহ্মা, বিষ্ণু মহেশ নাশৱান হয়। পূৰ্ণ পৰমাত্মা অন্য কোনোবা আছে, তেওঁ অমৰ লোকত থাকে, আপোনালোক কৰ্তা নহয়, এই কথা শুনি শ্ৰীবিষ্ণু আৰু শ্ৰীশিৱ বহুত ক্ৰোধিত হ'ল আৰু গৰুড়ক ব্ৰহ্মাৰ দৰেই গৰুড়ৰ দোষ দেখুৱাই তিৰস্কাৰ কৰিলে। আকৌ সকলো একমত হ'ল যে মাতা (দুৰ্গা)ৰ পৰা সত্য জানি লব। সকলো একেলগে মাতাৰ ওচৰলৈ গ'ল। দুৰ্গাক সুধিলে যে তেওঁলোকৰ (ব্ৰহ্মা, বিষ্ণু, মহেশ) অতিৰিক্ত অন্য কোনো পূৰ্ণ প্ৰভূ আছে নে নাই। তেওঁলোক নাশবান নেকি ? মাতাই চমুকৈ কৈ দিলে যে তোমালোকৰ এনে ভ্ৰম কেতিয়াৰ পৰা হ'ল যে তোমালোক অবিনাশী আৰু জগতৰ কৰ্তা। যদি সেয়া হয়, তেন্তে তোমালোক মোৰো কৰ্তা (পিতা) হোৱা, কিন্তু তোমোলোকৰ জন্ম মোৰ কোষৰ পৰা হৈছে। আচলতে পৰমেশ্বৰ বেলেগ আছে, তেৱেঁই অবিনাশী হয়। তেওঁ সকলোৰে কৰ্তা হয়। এই কথা শুনি সভাভঙ্গ হ'ল। সকলো গুচি গ'ল। কিন্তু ব্ৰহ্মা, বিষ্ণু আৰু শিৱই এই কথা মানি লব পৰা নাছিল তেওঁলোকে গৰুড়ক মাতিলে। গৰুড়ে আহি প্ৰণাম কৰিলে। আদেশ হোৱাত বহিল। তিনিও দেৱতাই ক'লে, 'হে পক্ষীৰাজ আপুনি কেনেকৈ বিশ্বাস কৰিলে যে আমি জগতৰ কৰ্তা নহয়। আপুনি যেনেকৈ বিচাৰে, পৰীক্ষা কৰক।' গৰুড় উৰি আহি কবীৰ দেৱৰ ওচৰ পালে আৰু সকলো কথা ক'লে। তেতিয়া কবীৰ দেৱে ক'লে যে বঙ্গ দেশত (বৰ্তমান বাংলাদেশ) এজন বামুণৰ বাৰ বছৰ বয়সৰ ল'ৰা এজন আছে। তাৰ আয়ু শেষ হব লগা আছে সি কেইদিন মানৰ হে অতিথি। কবীৰ দেৱে গৰুড়ক আকৌ ক'লে, "মই সেই বালকক শৰণত লবলৈ ব্ৰহ্মা, বিষ্ণু, শিৱৰ স্থিতি, তোমাক কোৱাৰ দৰে কৈছিলোঁ। সেই বালকে বহুত তৰ্ক কৰিলে আৰু মোৰ জ্ঞান নামানিলে। তেতিয়া মই তাক কলোঁ যে তাৰ আয়ু তিনিদিনহে বাকী আছে। যদি তোৰ ব্ৰহ্মা, বিষ্ণু, শিৱ সমৰ্থ হয়, নিজৰ ৰক্ষা কৰাই লবি। মই এইখিনি কৈ অন্তৰ্দ্ধান হলোঁ। বালক উদ্বিগ্ন হৈ আছে, সেই বালকককলৈ দেৱতা সকলৰ ওচৰলৈ যোৱা, দেৱতাসকলৰ পৰা একো লাভ নহ'ব। তেতিয়া আপুনি মোৰ লগত ধ্যানস্থ কৰি কথা পাতিব আগলৈ কি কৰিব লাগে মই কৈ দিম।" গৰুড় সেই বালকক লৈ ব্ৰহ্মা, বিষ্ণু, শিৱৰ ওচৰলৈ গ'ল। গৰুড়ে বালকক বুজালে যে তেওঁ (বালকে) সেই দেৱতা সকলক কব যে তেওঁ দেৱতাসকলৰ ভক্ত, তেওঁৰ ককা, আজোককা, দেউতা আৰু নিজে সেই দেৱতা সকলৰ পূজা কৰে। তেওঁৰ জীৱনৰ দুদিন হে বাকী আছে, তেওঁৰ বয়স নিচেই কম, অনুগ্ৰহ কৰি তেওঁৰ আয়ুস বঢ়াই দিব লাগে। বালকে এনে দৰে প্ৰাৰ্থনা জনালে, তিনিও দেৱতাই চেষ্টা কৰিলে, কিন্তু ব্যৰ্থ হ'ল, তেতিয়া ভাবিলে যে, ধৰ্মৰাজৰ (ন্যায়ধীশ) ওচৰলৈ যোৱা ভাল হব। সকলোৰে হিচাপ তেওঁৰ লগতে আছে। তেওঁৰ দ্বাৰা আয়ুস বৃদ্ধি কৰি দিম, এই ভাবি সকলো ধৰ্মৰাজৰ ওচৰলৈ গ'ল। প্ৰথমতে সেই বালকৰ আয়ু কিমান বাকী আছে সুধিলে, ধৰ্মৰাজে নথি চাই ক'লে যে, ল'ৰাজন কালি মৰিব। তিনিও দেৱতাই ধৰ্মৰাজক ল'ৰাজনৰ আয়ুস বৃদ্ধি কৰিবলৈ ক'লে। ধৰ্মৰাজে ক'লে যে, সেয়া অসম্ভৱ কথা। দেৱতাসকলে ক'লে যে, তেওঁলোক ধৰ্মৰাজৰ ওচৰলৈ বাৰে বাৰে নাহে, আজি মান সন্মানৰ প্ৰশ্ন আহিছে। আমি অহাসকলৰ মান-সন্মান ৰক্ষা কৰক। ধৰ্মৰাজে ক'লে যে এক ক্ষনো বঢ়াব নোৱাৰি। যদি আপোনালোকে নিজৰ আয়ু

ল'ৰাজনক দিয়ে তেতিয়া বৃদ্ধি কৰি দিব পাৰিম। এই কথা শুনি সকলো হতাশ। তেতিয়া ক'বলৈ ধৰিলে যে, পৰমেশ্বৰেহে এইটো কৰিব পাৰে। তাৰ পৰা তুৰন্তে গুচি গ'ল আৰু গৰুড়ক ক'লে যে, অন্য কোনো সমৰ্থ শক্তি আছে যদি গৰুড়ে ল'ৰাজনৰ আয়ু বঢ়াই দিয়ক। গৰুড়ে কবীৰদেৱৰ লগত ধ্যানৰ দ্বাৰা সম্পৰ্ক কৰিলে। পৰমেশ্বৰ কবীৰ দেৱে ধ্যানৰ দ্বাৰাই গৰুড়ক ক'লে যে, সেই কামৰ বাবে গৰুড়ে মান সৰোবৰৰ পৰা পানী লৈ আহিব লাগে। তাত এজন শ্ৰৱন নামৰ ভক্তক লগ পাব। তেওঁক কবীৰদেৱে সকলো কথা বুজাই থৈছে, তাৰ পৰা অমৃত লৈ আহিব লাগে। গৰুড়ে আদেশ মতে কাম কৰিলে। অমৃত আনি সেই ল'ৰাক পান কৰাই দিলে। কবীৰ দেৱ সেই লৰা জনৰ ওচৰলৈ গ'ল। গৰুড়ে ল'ৰাজনক বুজাই ক'লে যে, অমৃত মাত্ৰ অজুহাতহে, এওঁ স্বয়ং পৰমেশ্বৰ হয়। এওঁ জল মন্ত্ৰ কৰি দিছিল। ল'ৰাজনক দীক্ষা ল'বলৈ ক'লে আৰু ক'লে যে, এই অমৃতৰ দ্বাৰা দহ দিন হে জীয়াই থাকিব। এই কথা শুনি ল'ৰাজনে দীক্ষা ল'লে। যেতিয়া ল'ৰাজন ১৫ দিনলৈকে নমৰিল তেতিয়া গৰুড়ে তিনিও দেৱতাক ক'লে যে সেই ল'ৰাজন জীয়াই আছে। মোৰ গুৰুৰ পৰা দীক্ষা লৈছে। গুৰুদেৱে সেই ল'ৰাক সম্পূৰ্ণ আয়ু জীয়াই থকাৰ বাবে আশীৰ্বাদ দিছে। ব্ৰহ্মা, বিষ্ণু, মহেশ তিনিও আকৌ ধৰ্মৰাজৰ ওচৰলৈ গ'ল, লগতে গৰুড়ো গ'ল। তিনিও দেৱতাই ধৰ্মৰাজক সুধিলে যে, ল'ৰাজন কেনেকৈ জীয়াই আছে, সি মৰি যাব লাগিছিল। ধৰ্মৰাজে নথি চাওতে দেখিলে যে এই কাম উপৰৰ পৰা হয়, এনেকুৱা কেতিয়াবাহে হয়। সেই পৰমেশ্বৰৰ লীলাক কোনেনো জানিছে ? তিনিও দেৱতা আচৰিত হ'ল, কিন্তু মান-সন্মানৰ বাবে প্ৰত্যক্ষ প্ৰমাণ দেখিও সত্যক অস্বীকাৰ কৰিলে। নিজৰ অহঙ্কাৰ ত্যাগ নকৰিলে। গৰুড়ৰ পৰমাত্মাৰ প্ৰতি অটল বিশ্বাস হ'ল।

কবীৰ, ৰাজ তজনা সহজ হৈ, সহজ ত্ৰিয়া কা নেহ।
মান বঢ়াই ইৰ্ষা, দুৰ্লভ তজনা য়েহ।।

শব্দাৰ্থ ঃ- অধ্যাত্ম জ্ঞানৰ অভাৱত মানুহক নিজকে ডাঙৰ বোলোৱা, ঈৰ্ষা আদিৰ দৰে অতি বেয়া স্বভাৱে আক্ৰান্ত কৰে। ডাঙৰ বোলোৱা মানে ধন বা পদৰ অহঙ্কাৰ থকা ব্যক্তি। এই দুটা (ধন আৰু পদৰ অহঙ্কাৰ) এনে বেয়া বস্তু যে মানুহে ইয়াৰ অভিমানত অন্ধ হৈ ইয়াক এৰিবই নোৱাৰে। ৰাজপাট ত্যাগ কৰিব পাৰে, পত্নী ত্যাগ কৰিব পাৰে কিন্তু ধন আৰু পদৰ অভিমান ত্যাগ কৰা কঠিন হৈ পৰে।

এই "গৰুড়বোধ"ৰ শেষৰ ফালে "বাসুকীনাগ কন্যা" প্ৰকৰণ ভূলকৈ লিখা আছে। তাত গৰুড়ক গুৰু পদত চিত্ৰিত কৰা হৈছে। কথা সেইটো নহয়, যি কৰিলে পৰমেশ্বৰ কবীৰ দেৱে কৰিলে।

এতিয়া "গৰুড়বোধ"ৰ কিছুমান অমৃতবাণী পঢ়ক

**ধৰ্মদাস বচন**

ধৰ্মদাসবিতনি কৰৈ, সুনহু জগত আধাৰ
গৰুড়বোধ ভেদ সৰ, অব কহো তত্ব বিচাৰ।।

শব্দাৰ্থ ঃ- ধৰ্মদাসে পৰমেশ্বৰ কবীৰদেৱৰ পৰা গৰুড়ৰ বিষয়ে জানিবলৈ ইচ্ছা কৰি নিবেদন কৰিলে- "হে সংসাৰ প্ৰতিপালক পৰমেশ্বৰ মোক অনুগ্ৰহ কৰি গৰুড় পক্ষীৰ বিষয়ে

যথাৰ্থ জ্ঞান কৈ দিয়ক।”

সৎগুৰু বচন (কবীৰ বচন)

প্ৰথম গৰুড় সোঁ ভৈট জব ভয়ঊ সত সাহাব মই বোল সুনাঊ।
ধৰ্মদাস সুনো কহু বুঝাই জেহী বিধি গৰুড় কো সমঝাই।।

শব্দাৰ্থ ঃ- কবীৰ পৰমেশ্বৰে ধৰ্মদাসক ক'লে- “প্ৰথমবাৰ মই গৰুড়ক দেখা পাই “সৎ চাহেব” কলোঁ, হে ধৰ্মদাস, গৰুড়ক মই যিদৰে বুজনি দিলোঁ- সেইটো আকৌ কৈছোঁ শুনা।”
গৰুড় বচন

সুনা বচন সৎ সাহাব জবহী গৰুড় প্ৰণাম কিয়া তবহী।
শীশ নীবায় তিন পুছা চাহয়ে হো তুম কৌন কহাঁ চে আয়ে।।

শব্দাৰ্থ ঃ- গৰুড় পক্ষীয়ে “সৎ চাহাব” বচন শুনি মূৰ দোঁৱাই প্ৰণাম কৰি সুধিলে যে আপুনি (কবীৰদেৱ) কোন ? ক'ৰ পৰা আহিছে ?

জ্ঞানী (কবীৰ) বচন

কহা কবীৰ হৈ নাম হমাৰা তত্বজ্ঞান দেনে আএ সংসাৰা।
সত্যলোক সে হম চলি আয়ে জীৱ ছুড়াৱন জগ মে প্ৰকটাএ।।

শব্দাৰ্থ ঃ- কবীৰদেৱে গৰুড়ক ক'লে যে তেওঁৰ নাম কবীৰ। সম্পূৰ্ণ বিশ্বক তত্বজ্ঞান অৰ্থাৎ যথাৰ্থ অধ্যাত্ম জ্ঞান দিবলৈ তেওঁ আহিছে। তেওঁ (কবীৰদেৱ) সত্যলোক অৰ্থাৎ সনাতন পৰম ধামৰপৰা আহিছে। কালজাল (কৰ্মবন্ধন)ৰ পৰা জীৱক মুক্ত কৰাবলৈ জগতত প্ৰকট হৈছে। সত্যপুৰুষ জীৱ কুলৰ মালিক, সকলোৰে প্ৰতি পালক, সকলোৰে দাতা। কবীৰদেৱে ক'লে যে তেওঁ সত্যপুৰুষৰ সকলো ৰহস্য ক'ব।

গৰুড় বচন

সুনত বচন অচম্ভো মানা। সত্য পুৰুষ হৈ কৌন ভগৱান।।
প্ৰত্যক্ষ দেৱ শ্ৰী বিষ্ণু কহাৱৈ। দশ অৱতাৰ ধৰি ধৰি জাৱৈ।।

শব্দাৰ্থ ঃ- কবীৰদেৱে ক'লে যে “সৎ চাহেব” শুনি আচৰিত হৈ গৰুড়ে সুধিলে যে এইজন কোন পৰমাত্মা ? অধ্যাত্ম জ্ঞানত স্পষ্ট আছে যে শ্ৰীবিষ্ণু পৰমাত্মা হয়। তেওঁৰেই দশ অৱতাৰ লৈ পৃথিৱীত আহে।

জ্ঞানী (কবীৰ) বচন

তব হম কহায়া সুনো গৰুড় সুজানা। পৰম পুৰুষ হৈ পুৰুষ পুৰাণা।। (প্ৰাচীন)
বহ কবহু ন মৰতা ভাই, বহ গৰ্ভ সে দেহ ধৰতা নাহী।।
কোটি মৰে বিষ্ণু ভগৱানা। ক্যা গৰুড় তুম নহী জানা।।
জাকা জ্ঞান বেদ বতলাৱৈ। বেদ জ্ঞান কোই ছমঝ ন পাৱৈ।।
জিসনে কীনহা সকল বিস্তাৰা। ব্ৰহ্মা, বিষ্ণু, মহাদেৱ কা সিৰজন হাৰা।।
জুনী সংকট ৱহ নহী আৱে। বহতো সাহেব অক্ষয় কহাৱৈ।।

শব্দাৰ্থ ঃ- কবীৰদেৱে ক'লে- হে সজ্জন গৰুড় শুনা, এইজন সত্যপুৰুষ অৰ্থাৎ পৰম পুৰুষ আদি পৰমাত্মা হয় অৰ্থাৎ চিৰস্থায়ী ভগৱান হয়। তেওঁ কেতিয়াও নমৰে আৰু গৰ্ভৰ পৰা

জন্মও নলয়। হে গৰুড় আপুনি গম নাপায় নেকি যে কোটি কোটি বিষ্ণু মৰি গ'ল। সেই পৰম অক্ষৰ পুৰুষৰ জ্ঞান বেদত কোৱা আছে, কিন্তু বেদৰ সেই জ্ঞান ভালদৰে কোনেও বুজি নাপালে। যিজনে সকলো ব্ৰহ্মাণ্ড বিস্তাৰ কৰিছে, যি ব্ৰহ্মা, বিষ্ণু, শিৱৰ উৎপত্তি কৰিছে, সেই পৰমাত্মা চৌৰাশী লাখ যোনিৰ সংকটত নপৰে। তেওঁক অবিনাশী বোলা হয়।

গৰুড় বচন

ৰাম ৰূপ ধৰি বিষ্ণু আয়া, জিন লংকা কা মাৰা ৰায়া।।
পূৰ্ণ ব্ৰহ্ম হৈ বিষ্ণু অবিনাসী। হৈ বন্দী ছোড় ছব সুখ ৰাশী।।
তেত্ৰিশ কোটি দেৱতন কী বন্দ ছুড়াই। পূৰ্ণ প্ৰভূ হৈ ৰাম ৰাই।।

শব্দাৰ্থ ঃ- গৰুড়ে ক'লে যে শ্ৰীবিষ্ণুৱে ৰাম অৱতাৰ লৈ শ্ৰীলঙ্কাৰ ৰজা ৰাৱনক মাৰিছিল। শ্ৰীবিষ্ণু অবিনাশী পূৰ্ণব্ৰহ্ম হয়। তেত্ৰিশ কোটি দেৱতাক ৰজা ৰাৱনৰ বন্দীশালৰ পৰা মুক্ত কৰিছিল। তেওঁ সকলো সুখৰ খনি আৰু মুক্তিদাতাও। শ্ৰীৰাম ৰজা পূৰ্ণ পৰমাত্মা হয়।

জ্ঞানী (কবীৰ) বচন

তুম গৰুড় কৈসে কহো অবিনাসী। সত্য পুৰুষ বিন কটৈ না কাল কী ফাঁচী।।
জা দিন লঙ্ক মে কৰী চড়াই। নাগ ফাঁচ মে বন্ধে ৰ ঘূৰাই।।
সেনা সহিত ৰাম বন্ধাই। তব তুম নাগ জা মাৰে ভাই।।
তব তেৰে বিষ্ণু বন্ধন সে ছুটৈ। য়াকু পুজৈ ভাগ জাকে ফুটে।।
কবীৰ ঐসী মায়া অটপটী, সব ঘট আন অড়ী।
কিস-কিস কু সমঝাউ, কুৱে ভাংগ পড়ী।।

শব্দাৰ্থ ঃ- কবীৰদেৱে ক'লে- হে গৰুড়দেৱ, আপুনি শ্ৰীবিষ্ণুক কেনেকৈ অবিনাশী ক'লে ? সত্যপুৰুষ অবিহনে কালৰ ফাঁচ অৰ্থাৎ কৰ্মবন্ধন সমাপ্ত নহয়। হে গৰুড় স্মৰণ কৰা, শ্ৰীৰামচন্দ্ৰই লঙ্কা আক্ৰমণ কৰা সময়ত শ্ৰীৰাম আৰু তেওঁৰ সকলো সেনা নাগপাশত বন্দী হৈছিল। আপুনি নাগপাশ ছিঙি শ্ৰীৰাম আৰু সকলো সেনাক মুক্ত কৰিছিল। তেতিয়া আপোনাৰ বিষ্ণু বন্ধন মুক্ত হৈছিল। শ্ৰীৰাম আৰু সেনাৰ বাবে আপুনিহে মুক্তিদাতা হ'ল। যিজনে শ্ৰীবিষ্ণুদেৱৰ পূজা ইষ্টৰূপত কৰে তেওঁ ভাগ্যহীন অৰ্থাৎ তেওঁৰ ভাগ্য বেয়া। কবীৰদেৱে দুঃখ মনেৰে ক'লে যে কাল ব্ৰহ্মই নিজৰ মায়াজালেৰে সকলো প্ৰাণীৰ “ঘট” অৰ্থাৎ হৃদয় অজ্ঞানতাৰে পৰিপূৰ্ণ কৰিছে। কিমানক বুজাওঁ ? এই সমস্যা এনেকুৱা যেন কোনোবাই কুঁৱাৰ পানীত এশ কুইন্টল ভাং খুন্দি গুড়ি কৰি মিলাইছে, যিজনে সেই কুঁৱাৰ পানী খাব তেওঁৱেই নিচাগ্ৰস্ত হ'ব, মাত-কথা অস্পষ্ট হ'ব। কাল ব্ৰহ্মৰ দ্বাৰা ভ্ৰমিত প্ৰাণীৰ দশাও এনেধৰণৰ হয়। এওঁলোক সকলোৱে কয় যে শ্ৰীব্ৰহ্মা, শ্ৰীবিষ্ণু আৰু শ্ৰীশিৱ অবিনাশী প্ৰভূ হয়, সকলোৰে উৎপত্তি, পালন আৰু সংহাৰকৰ্তা হয়। এই তিনিক বাদ দি অন্য কোনো পৰমাত্মা নাই।

গৰুড় বচন

জ্ঞানী গৰুড় হৈ দাস তুমহাৰা। তুমবিন নহী জীব নিস্তাৰা।।
ইতনা কহ গৰুড় চৰণ লিপটায়। শৰণ লেদোঁ অবিগত ৰায়া।।
কবহু না ছোড়ুঁ তুম্হাৰা শৰণা। তুম সাহব হো তাৰণ তৰণা ?

পথৰ বুদ্ধিপৰ পড়ে হৈ জ্ঞানী। হো তুম পূৰ্ণ ব্ৰহ্ম লিয়া হম জানী।।

শব্দাৰ্থ ঃ- গৰুড়ে কবীৰদেৱক ক'লে- "হে বিদ্বান কবীৰদেৱ মই গৰুড় আপোনাৰ দাস আপোনাৰ অবিহনে জীৱৰ কল্যাণ সম্ভৱ নহয়।" কবীৰদেৱে ধৰ্মদাসক ক'লে যে এনেদৰে কৈয়েই গৰুড় কবীৰদেৱৰ ভৰিত পৰিল আৰু ক'লে- 'হে পৰমেশ্বৰ মোক শৰণত ল'ব লাগে, মই আপোনাৰ শৰণ কেতিয়াও নেৰোঁ। আপুনি প্ৰকৃতাৰ্থত ত্ৰাণকৰ্তা অৰ্থাৎ পূৰ্ণমোক্ষকাৰী। হে জ্ঞানী কবীৰদেৱ আমি জীৱবোৰৰ বুদ্ধি অজ্ঞানে ঢাকি পেলাইছে। এতিয়া মোৰ জ্ঞান হ'ল যে আপুনিয়ে পূৰ্ণব্ৰহ্ম হয়।"

জ্ঞানী (কবীৰ) বচন

তব হম গৰুড় কু পাঁচ নাম সুনায়া। তব ৱাকু সংশয় আয়া।।
য়হ তো পুজা দেৱতন কী দাতা। য়া চে কৈসে মোক্ষ বিধাতা।।
তুমতো কহো দুসৰা অবিনাশী। ৱা সে কটে কাল কী ফাঁচী।।
নায়ব সে কৈসে সাহেব ডৰহী। কৈসে মই ভৱসাগৰ তিৰহী।।

শব্দাৰ্থ ঃ- কবীৰ পৰমেশ্বৰে ধৰ্মদাসক ক'লে যে গৰুড়ে প্ৰাৰ্থনা কৰাত তেওঁ গৰুড়ক পাঁচ নামৰ দীক্ষামন্ত্ৰ দিলে যি শৰীৰৰ কমলত থকা দেৱতা আৰু দূৰ্গাদেৱীৰ সাধনাৰ মন্ত্ৰ হয়। তেতিয়া গৰুড়ে সন্দেহ প্ৰকাশ কৰি ক'লে যে- হে প্ৰভূ আপুনি দিয়া এই মন্ত্ৰ দেৱতাৰ পূজাৰ মন্ত্ৰ্। আকৌ আপুনিয়ে কৈছিল যে এওঁলোকৰ পৰা ভিন্ন অন্য প্ৰকৃত অবিনাশী সত্যপুৰুষ আছে যি কালৰ বন্ধন ছিঙি দিয়ে। এই দেৱতাসকলৰ পূজাৰ দ্বাৰা পূৰ্ণ মোক্ষ কেনেকৈ হ'ব পাৰে ? এওঁলোকৰ চাহাব অৰ্থাৎ মালিক কাল প্ৰভূ হয়। প্ৰতিনিধি অৰ্থাৎ নিম্ন খাপৰ দেৱতাক মালিকে কিয় ভয় কৰিব অৰ্থাৎ দেৱতাৰ ভক্তিৰ দ্বাৰা কালৰ বন্ধনৰ পৰা কেনেকৈ মুক্ত হ'ম?

জ্ঞানী (কবীৰ) বচন

সাধনা কো পূজা মত জানো। সাধনা কু মজদুৰী মানো।।
জো কোউ আম্ৰফল খানো চাহৈ। পহলে বহুতে মেহনত কৰাৱৈ।।
ধন হোৱৈ ফল আম্ৰ খাৱৈ। আম্ৰফল ইষ্ট কহাৱৈ।।
পূজা ইষ্ট পূজ্য কী কহিয়ে। ঐসে মেহনত সাধনা লহিএ।।
য়হ সুন গৰুড় ভয়ো আনন্দা। সংশয় সুল কিয়ো নিকন্দা।।

ভাৱাৰ্থ্ ঃ- পৰমেশ্বৰ কবীৰদেৱক গৰুড়দেৱে ক'লে, হে পৰমেশ্বৰ আপুনি দেখোন এই দেৱতাসকলৰ নাম মন্ত্ৰ দিলে। এয়া এওঁলোকৰ পূজা হ'ল। আপুনি কয় যে এওঁলোক মাত্ৰ ১৬ কলাযুক্ত প্ৰভূ হয়। কাল ১০০০ কলাযুক্ত প্ৰভূ হয়। পূৰ্ণ ব্ৰহ্ম অসংখ্য কলাৰ পৰমেশ্বৰ হয়। আপুনি সৃষ্টি ৰচনাত এইটোও ক'লে যে কালে আপোনাক বাধা দি থৈছে। কাল ব্ৰহ্মাৰ অধীনত তিনিও দেৱতা ব্ৰহ্মা, বিষ্ণু, আৰু শিৱ আছে। হে পৰমেশ্বৰ নায়ব (সৰু) ৰ লগত চাহেবে (স্বামী/মালিক) কেনেকৈ ভয়ভীত হ'ব ? অৰ্থাৎ ব্ৰহ্মা বিষ্ণু শিৱ কাল ব্ৰহ্মৰ তলতীয়া সহায়ক। যেনেকৈ নায়ব তহচিলদাৰ অৰ্থাৎ সহায়ক (সৰু) তহচিলদাৰ হয় তেনেহলে সৰুক ডাঙৰে কিয় ভয় কৰিব ? ভাৱাৰ্থ এই যে তিনিও দেৱতা কালব্ৰহ্মাৰ তলতীয়া। আপুনি এওঁ লোকৰ ভক্তি কৰিবলৈ ক'লে, এওঁলোকৰ মন্ত্ৰজাপ দিছে। এই অধীনস্থ সকলে নিজৰ চাহেব

(কাল ব্ৰহ্মৰ) ৰ পৰা মোক কেনেকৈ মুক্ত কৰিব ? তেতিয়া পৰমেশ্বৰ কবীৰদেৱে পূজা আৰু সাধনাৰ মাজত পাৰ্থক্য বুজাই ক'লে যদি কোনোবাই আম খাব বিচাৰে তেতিয়া আম হ'ল তেওঁৰ পূজ্য ফল। সেই পুজ্য বস্তুক পাবৰ বাবে কৰা চেষ্টাক সাধনা বোলা হয়। যেনেকৈ ধন আৰ্জিবলৈ পৰিশ্ৰম কৰিব লাগিব। সেই ধনেৰে আম কিনি খোৱা হয়। এইদৰে পূৰ্ণ পৰমাত্মা আমাৰ ইষ্ট দেৱ অৰ্থাৎ পুজ্য দেৱ হয়। দেৱতা সকলৰ মন্ত্ৰ জাপ পৰিশ্ৰম বুলি জানিব। নাম জপ কৰি যি উপাৰ্জন হয় সেয়া হ'ল ভক্তিধন, এই ভক্তি ধন কাল ব্ৰহ্মক এৰি দি কৰ্মমুক্ত হৈ নিজৰ ইষ্ট অৰ্থাৎ পুজ্যদেৱ, কবীৰ পৰমেশ্বৰ (কবিৰ্দেৱ)ক প্ৰাপ্ত কৰিম। এই কথা শুনি গৰুড় অতি প্ৰসন্ন হ'ল আৰু তেওঁৰ গুৰুদেৱ যে পূৰ্ণ গুৰু হয় তাৰো প্ৰমাণ পালে যে পূৰ্ণ গুৰুয়েহে শংকাৰ সমাধান কৰিব পাৰে। তাৰ পিছত দীক্ষা ল'লে গৰুড়ক ত্ৰেতা যুগত শৰণত লৈছিল। শ্ৰীবিষ্ণুৰ বাহন হোৱা বাবে আৰু সঘনে তেওঁৰ মহিমা শুনাৰ কাৰণে, লগতে শ্ৰীবিষ্ণুৰ কিছুমান চমৎকাৰ দেখি গৰুড়ৰ আস্থা গুৰুদেৱৰ প্ৰতি কম হ'ল। কিন্তু গুৰু দ্ৰোহী হোৱা নাছিল। আকৌ কোনোবা জন্মত মানৱ শৰীৰ প্ৰাপ্ত কৰিব, তেতিয়া পৰমেশ্বৰ কবীৰদেৱে গৰুড়ৰ আত্মাক শৰণত লৈ মুক্ত কৰিব। দীক্ষা লোৱাৰ পিছত গৰুড়ে ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ লগত জ্ঞান চৰ্চা কৰাৰ কথা ভাবিলে। গৰুড়দেৱ ব্ৰহ্মাৰ ওচৰলৈ গ'ল। তেওঁৰ লগত জ্ঞান চৰ্চা কৰিলে।

**ব্ৰহ্মাৰ প্ৰতি গৰুড় বচন**

ব্ৰহ্মা কহা তুম কৈসে আয়ে। কহো গৰুড় মোহে অৰ্থাএ।।
তব হম কহা সুনো নিৰঞ্জন পুতা। আয়া তুম হে জগাৱন সুতা।।
জন্ম-মৰণ এক ঝন্‌ঝট ভাৰী। পূৰ্ণ মোক্ষ কৰাও ত্ৰিপুৰাৰী।।

শব্দাৰ্থ ঃ- পৰমেশ্বৰ কবীৰদেৱৰ পৰা দীক্ষা লৈ সংসাৰৰ উৎপত্তি কথা শুনি গৰুড়ৰ পূৰ্ণ বিশ্বাস হ'ল যে কবীৰদেৱৰ এই জ্ঞান পুৰাণ আৰু বেদৰ লগত মিলে যেতিয়া তেওঁৰ অন্য জ্ঞানো ভুল হ'ব নোৱাৰে। সৃষ্টিৰ উৎপত্তিৰ জ্ঞান উৎপত্তি কৰ্তা অৰ্থাৎ পৰমেশ্বৰৰ অবিহনে কোনেও ক'ব নোৱাৰে, গতিকে এইজন ঋষি নহয় পৰমেশ্বৰ হয়। এই বিচাৰ কৰি গৰুড় শ্ৰীব্ৰহ্মাৰ লোকত গ'ল, কাৰণ ব্ৰহ্মাক সকলো বেদৰ জ্ঞাতা বোলা হয়। ব্ৰহ্মাই গৰুড়ক অহাৰ কাৰণ সোধাত গৰুড়ে ক'লে - হে জ্যোতি নিৰঞ্জনৰ পুত্ৰ মই অহাৰ কাৰণ শুনক, মই অজ্ঞান অন্ধকাৰত নিদ্ৰামগ্ন আপোনাক তত্ত্বজ্ঞানৰ দ্বাৰা জগাবলৈ অৰ্থাৎ সতৰ্ক কৰিবলৈ আহিছোঁ। জন্ম-মৃত্যুৰ সংকট অতি ভয়াবহ, নিজৰ পূৰ্ণ মোক্ষ কৰাওক।

**ব্ৰহ্ম বচন**

হমৰা কোই নহী জন্ম দাতা। কেৱল এক হমাৰী মাতা।।
পিতা হমাৰা নিৰাকাৰ জানী। হম হৈ পূৰ্ণ সাৰংগ পানি।।
হমৰা মৰণ কবহু নহী হোৱৈ। কৌন অজ্ঞান মে পক্ষী সোৱৈ।।
তবহী ব্ৰহ্মা বিমান মগাৱা। বিষ্ণু, ব্ৰহ্মা কো তুৰন্ত বুলাৱা।।
গএ বিমান দোনো পাসা। পল মে আন বিৰাজে পাসা।।
ইন্দ্ৰ, কুবেৰ বৰুণ বুলাও। তেত্ৰিশ কোটি দেৱতা আও।।

আও ঋষি মুনি ঔৰ নাথা। সিদ্ধ সাধক সব আ জাতা।।
ব্ৰহ্মা কহা গৰুড় নিন্দ মৈ বোলৈ। কোৰী ঝুঠ কুফৰ বহু তোলৈ।।
কহ কোই ঔৰ হৈ সিৰজন হাৰা। জন্ম-মৰণ বতাৱৈ হমাৰা।।
তাতে মই য়হ মজলিস জোড়ী। গৰুড়কে মন ক্যা বাতা দৌড়ি।।
ঋষি মুনি অনুভৱ বতাতা। ব্ৰহ্মা, বিষ্ণু, শিৱ বিধাতা।।
নিৰ্গুণ সাৰগুণ য়েহী বন জাৱৈ। কবহু নহী মৰন মে আৱৈ।।

শব্দাৰ্থ ঃ- শ্ৰীব্ৰহ্মাই ক'লে- হে গৰুড় আমাৰ মা-দেউতা বুলিবলৈ তেনেকৈ কোনো নাই। অকল মাতা হে আছে। আমাৰ পিতা নিৰাকাৰ। আমি পূৰ্ণ পৰমাত্মা (সাৰঙ্গ = ধনু, পাণী = হাত = হাতত ধনু লোৱা জনক কাল লোকৰ প্ৰাণীয়ে পৰমাত্মা বোলে) হে গৰুড় পক্ষী তুমি অজ্ঞান নিদ্ৰাত মগ্ন, শুনা- আমাৰ জন্ম-মৃত্যু কেতিয়াও নহয়। তেতিয়া ব্ৰহ্মাই শ্ৰীবিষ্ণু আৰু শ্ৰীশিৱক আনিবলৈ বিমানৰ ব্যৱস্থা কৰি চালকক আদেশ দিলে। মুহূৰ্ততে দুয়োজনক লৈ বিমান আহি পালে। লগে লগে তেত্ৰিশ কোটি দেৱতা আৰু দেৱৰাজ ইন্দ্ৰ লগতে ধনৰ দেৱতা কুবেৰ, জল দেৱতা বৰুণকো মাতি আনিলে। আঠাশী হাজাৰ ঋষি, নজন নাথ, চৌৰাশী সিদ্ধ সকলকো মাতি পঠিয়ালে। সভা আৰম্ভ হ'ল। ব্ৰহ্মাই ক'লে যে আজি গৰুড়ে টোপনি জালত থকা মানুহৰ দৰে বেবেৰিবাং বকি আছে, মিছা কথা কৈ আছে। কৈছে যে আমি ব্ৰহ্মা, বিষ্ণু, শিৱৰ জন্ম-মৃত্যু হয়, সৃষ্টি ৰচনা কৰা পৰমাত্মা আমাতকৈ বেলেগ। গতিকে মই সভা আৰম্ভ কৰি জনাইছোঁ যে গৰুড়ৰ মনত এনে কথা কেনেকৈ আহিল।

শ্ৰীব্ৰহ্মাই আকৌ ক'লে যে সকলো ঋষি-মুনি (সাধক) সকলে নিজৰ অনুভৱ ব্যক্ত কৰে যে ব্ৰহ্মা, বিষ্ণু আৰু শিৱ জগতৰ উৎপত্তি কৰ্তা পৰমাত্মা হয়। এই তিনিয়ে নিৰ্গুণ আৰু সগুণ হৈ লীলা কৰে, এওঁলোকৰ কেতিয়াও মৃত্যু নহয়।

**বিষ্ণু বচন**

পক্ষী ৰাজ য়হ ক্যা মন মে আই। পাপ লগৈ বনা আলোচক ভাই।।
হম সে ঔৰ কৌন বডেৰা দাতা। হমহৈ কৰ্ত্তা ঔৰ চৌথী মাতা।।
তুমৰি মতি অজ্ঞান হৰলিনি। হম হৈ পূৰ্ণ কৰতাৰ তিনি।।

শব্দাৰ্থ ঃ শ্ৰীবিষ্ণুৱে ক'লে- হে পক্ষীৰাজ গৰুড় তোমাৰ মনত এই ভূল ধাৰণা কেনেকৈ আহিল যে আমাৰ জন্ম-মৃত্যু হয়। তুমি নিন্দাৰ পাত্ৰ হৈছা। আমাতকৈ শ্ৰেষ্ঠ পৰমাত্মা কোন আছে ? আমি তিনিজন আৰু চতুৰ্থতে মাতা দুৰ্গা এই সংসাৰৰ কৰ্তা। তোমাৰ বুদ্ধি অজ্ঞানতাই সমাপ্ত কৰিলে। সেয়েহে আমাতকৈ বেলেগ সৃষ্টিৰ উৎপত্তি কৰ্তা আছে বুলি কৈ আছা। আমি তিনিয়েই সম্পূৰ্ণ কৰ্তা আৰ্থাৎ পূৰ্ণ পৰমাত্মা, সৃষ্টিৰ উৎপত্তি কৰ্তা।

**মহাদেৱ বচন**

কহ মহাদেৱ পক্ষী হৈ ভোলা। হৃদয় জ্ঞান ইন নহী তোলা।।
ব্ৰহ্মা বনাৱৈ বিষ্ণু পালৈ। হম সবকা কা কৰতে কালৈ।।
ঔৰ বতা গৰুড় অজ্ঞানী। ঋষি বতাৱৈ তুম নহী মানী।।
চলো মাতা সে পুছৈ বাতা। নিৰ্ণয় কৰো কৌন হৈ বিধাতা।।

সবনে কহা সহী হৈ বাণী। নিৰ্ণয় কৰেগী মাতা ৰাণী।।
সব উঠ গএ মাতা পাসা। আপন সমস্যা কৰি প্ৰকাসা।।

শব্দাৰ্থ ঃ- মহাদেৱ অৰ্থাৎ শিৱই ক'লে- এই পক্ষী বৰ হোজা। এওঁ নিজৰ জ্ঞান পৰীক্ষা নকৰাকৈ কৈ আছে। ব্ৰহ্মা জীৱৰ উৎপত্তি কৰ্তা, বিষ্ণু পালন কৰ্তা আৰু মই সংহাৰ কৰ্তা। হে অজ্ঞানী গৰুড় কোৱাচোন অন্য সমৰ্থ প্ৰভু কোনজন ? শ্ৰী শিৱই সভাসদ সকলক ক'লে যে মা দুৰ্গাৰ পৰা- পূৰ্ণ পৰমাত্মা কোন- এই বিষয়ে নিৰ্ণায়ক জ্ঞান জনা উচিত। শিৱৰ কথা উচিত বিবেচনা কৰি সকলোৱে হয়ভৰ দিলে। সভাত উপস্থিত সকলো মা দুৰ্গাৰ ওচৰ পালে আৰু নিজৰ সমস্যা জনালে।

**মাতা বচন**

কহা মাতা গৰুড় বতাও। ঔৰ কৰ্ত্তা হৈ কৌন সমঝাও।।

শব্দাৰ্থ ঃ- মা দুৰ্গা দেৱীয়ে গৰুড়ক ক'লে - তুমিয়ে কোৱাচোন সংসাৰৰ বিধাতা অৰ্থাৎ উৎপত্তি কৰ্তা এই তিনিজনক বাদ দি অন্য কোন আছে ?

**গৰুড় বচন**

মাতা তুম জানত হো সাৰী। সচ্চ বতা কহে ন্যাকাৰী।।
সবা মে ঝুঠী বাত বনাৱৈ। ৱাকা বংশ সমুলা জাৱৈ।।
মই সুনা ঔৰ আঁখো দেখা। কৰতা অবিগত অলগ বিশেষা।।
জহাঁ সে জন্ম হুৱা তুমহাৰা। ৱহ হৈ সবকা সৰজনহাৰা।।
বেদ জাকা নিত গুন গাৱৈ। কেৱল ৱহী এক অমৰ বতাৱৈ।।
মৰহে ব্ৰহ্মা, বিষ্ণু নৰেশা। মৰ হৈ সব শঙ্কৰ শেষা।।
অমৰ পুৰুষ সৎ পুৰ ৰহতা। অপনে মুখ সত্যজ্ঞান ৱহ কহতা।।
বেদ কহে ৱহ পৃথিৱী পৰ আৱৈ। ভুলে জীৱন কো জ্ঞান ৱতলাৱৈ।।
ক্যা য়ে ঝুঠে শাস্ত্ৰ সাৰে। তুম ব্যৰ্থ বন বৈঠে সিৰজন হাৰে।।
মানবড়াই ছোড়ো ভাই। তাকি ভক্তি কৰে অমৰাপুৰ জাই।।
মাতা কহনা সাচী বাতা। বতাও দেৱী হৈ কৌন বিধাতা।।

শব্দাৰ্থ ঃ- গৰুড়ে ক'লে- হে মাতা আপুনি সকলো জানে। ন্যায়ধীশে সত্য কথা কোৱা উচিৎ। সভাত ন্যায়কৰ্তাজনে মিছা কথা ক'লে পৰমেশ্বৰৰ বিধানমতে তেওঁৰ বংশ নাশ হয়। গৰুড়ে আকৌ ক'লে - হে মাতা যি পৰমেশ্বৰে আপোনাৰ উৎপত্তি কৰিলে, তেওঁ সকলোৰে উৎপত্তি কৰ্তা হয়। মই চকুৰে দেখিছোঁ আৰু তত্ত্বদৰ্শীৰ পৰা শুনিছোঁ। সেই কৰ্তাজন দিব্য, অবিগত বিশেষ। তেওঁ ভিন্ন। (অবিগত = যাৰ ৰহস্য গোপনীয়) বেদত তেওঁৰ মহিমা বিশেষকৈ বৰ্ণনা কৰা আছে। বেদত কেৱল সেই এজনকহে অবিনাশী বোলা হৈছে। ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ মৃত্যু হয়। অবিনাশী পৰমেশ্বৰ সত্যলোকত (ঋতধামা) থাকে। তেওঁ পৃথিৱীত প্ৰকট হৈ নিজ মুখ বাণীৰে যথাৰ্থ আধ্যাত্মিক জ্ঞান দিয়ে। অজ্ঞানতাৰ বাবে সত্যভক্তি মাৰ্গৰ পৰা বিচলিত পবিত্ৰ সাধকক সত্যপথৰ জ্ঞান দিয়ে। এই সকলো প্ৰমাণ বেদত আছে। কি এই সকলো শাস্ত্ৰ মিছা নেকি ? হে ত্ৰিদেৱ আপোনালোকে মিছাতে নিজকে সৃষ্টিকৰ্তা সাজিছে। হে

ভাই, (ব্ৰহ্মা, বিষ্ণু, শিৱ) অভিমান এৰি নিজৰ জীৱন কল্যাণ কৰাওক। সেই পূৰ্ণ পৰমাত্মাৰ ভক্তি কৰা। গৰুড়ে মা দূৰ্গাৰ ফালে চাই প্ৰাৰ্থনা কৰিলে - হে মাতা সঁচা কথা কওক, সংসাৰৰ উৎপত্তি কৰ্তা কোন ?

**মাতা (দূৰ্গা) বচন**

মাতা কহ সুনো ৰে পুতা তুম। তুম যোগী তিনো অৱধুতা।।
ভক্তি কৰী না মালিক পাএ। অপনে কো তুম অমৰ বতাএ।।
বহ কৰ্ত্তা হৈ সবসে ন্যাৰা। হম তুম সবকা সিৰজন হাৰা।।
গৰুড় কহত হৈ সচ্চী বাণী। ঐসে বচন কহা মাতা ৰাণী।।
সব উঠ গএ অপনে অস্থানা। সাচ বচন কাহু নহী মানা।।

শব্দাৰ্থ ঃ- মা দূৰ্গাই ব্ৰহ্মা-বিষ্ণু-শিৱক ক'লে - হে পুত্ৰ শুনা, তোমালোক সাধক মাত্ৰ। সত্যভক্তি নকৰা বাবে নিজকে অমৰ বুলি ভাবিছা, কাৰণ তোমালোকে পৰমেশ্বৰ পোৱাই নাই। সেইজন সৃষ্টিৰ উৎপত্তি কৰ্তা সকলোতকৈ ভিন্ন। তেওঁৰেই তোমালোকৰ আৰু আমাৰো জীৱৰ আত্মা উৎপত্তি কৰিছে। মা দূৰ্গাই এই কথা সদৰী কৰাত সভাসদসকল, ব্ৰহ্মা, বিষ্ণু, মহেশো উঠি ঘৰাঘৰি গ'ল, কিন্তু মা দূৰ্গাৰ কথা সত্য বুলি স্বীকাৰ নকৰিলে।

**গৰুড় বচন**

ব্ৰহ্মা বিষ্ণু মোহে বুলায়া। মহাদেৱ ভী ৰঁহা বৈঠ পায়া।।
তীনো কহে কোই দো প্ৰমাণ। তব হম তাহে সাচা জানা।।
মই কহা গুঙ্গা গুড় খাৱৈ। দুজে কো স্বাদ ক্যা বতলাৱৈ।।
মই জাত হুঁ সৎপুৰুষ পাসা। লা প্ৰমাণ কৰু ভ্ৰম বিনাশা।।
ত্ৰিদেৱ কহে লো পৰীক্ষা হমাৰী। পুৰ্ণ কৰে তেৰী আশা সাৰী।।
হমহী মাৰে হমহী বচাৱৈ। হম ৰহত সদা নিৰ্দাৱৈ ?
গৰুড় কহা হম কৰে পৰীক্ষা। তুম পূৰ্ণ তো লুঁ তুমহাৰী দীক্ষা।।
উড়া ৱহাঁ সে গুৰু পাসে আয়া। সব বৃত্তান্ত কহ সুনায়া।।

শব্দাৰ্থ ঃ- শ্ৰীব্ৰহ্মা, শ্ৰীবিষ্ণু আৰু শ্ৰীশিৱই মিলি গৰুড়ক বিষ্ণু লোকত মাতি ক'লে- হে গৰুড়, তুমি প্ৰমাণ কৰা যে আমাতকৈ শ্ৰেষ্ঠ অন্য সমৰ্থ শক্তি আছে। নিজৰ অভিজ্ঞতাও কোৱা, তেতিয়া আমি তোমাৰ কথা সত্য মানিম। তেতিয়া গৰুড়ে উত্তৰ দিলে যে বোবাই গুড় খালে আনক তাৰ সোৱাদ ক'ব নোৱাৰে, নিজে কিন্তু তাৰ আনন্দ অনুভৱ কৰে, প্ৰসন্নচিত্ত থাকে। মোৰো অৱস্থা তেনেকুৱাই। মই নিজৰ অনুভৱ আপোনালোকৰ লগত ভাগ কৰিব নোৱাৰোঁ। মই সদ্গুৰুৰ পৰা সত্য আধ্যাত্মিক জ্ঞান শুনিছোঁ আৰু পূৰ্ণপৰমেশ্বৰক চকুৰে দেখিছোঁ। আপোনাক সদ্গুৰুদেৱেহে পৰমেশ্বৰৰ দৰ্শন কৰাব পাৰে। এতিয়া মই মোৰ সদ্গুৰুৰ ওচৰলৈ যাম আৰু আপোনালোকৰ বিশ্বাসৰ বাবে কোনো প্ৰমাণ আনিম যাতে আপোনালোকৰ সন্দেহ মাৰ যায়। তিনিও দেৱতাই ক'লে যে তুমি আমাৰ পৰীক্ষা ল'ব পাৰা। আমি তোমাৰ সকলো মনোবাঞ্চা পূৰ্ণ কৰি দিম। আমিয়েই উৎপন্ন কৰোঁ, আৰু মাৰোঁ আৰু আমিয়েই মৃত্যুৰ পৰাও ৰক্ষা কৰোঁ। আমি তিনিজন সম্পূৰ্ণ স্বতন্ত্ৰ, যি বিচাৰোঁ তাকেই কৰিব পাৰোঁ। গৰুড়ে ক'লে - মই

আপোনালোকৰ পৰীক্ষা ল'ম। যদি আপোনালোক পূৰ্ণপৰমেশ্বৰ প্ৰমাণিত হয়, মই আপোনালোকৰ শিষ্য হ'ম। গৰুড় উৰি গৈ সদ্‌গুৰু কবীৰদেৱৰ ওচৰ পালে। কবীৰদেৱ সেই সময়ত যোগজীত নামেৰে প্ৰকট হৈছিল। যোগজীতক গৰুড়ে সকলো কথা ব্যাখ্যা কৰিলে।

**সৎগুৰু (কবীৰ) বচন**

গৰুড় সুনো বঙ্গ দেশ কো জাও। বালক মৰেগা কহো উসে বচাও।।
দিন তীন কী আয়ু শেষা। কৰো জীৱিত ব্ৰহ্মা, বিষ্ণু, মহেশা।।
ফিৰ হম পাস আনা ভাই। হম বালক কো দেৱৈ জিৱাই।।
বঙ্গ দেশ মে গৰুড় গয়ো, বালক লিয়া সাথ।
ত্ৰিদেৱা সে অৰ্জ কৰী, জীৱন দে বালক কৰো সুনাথ।।

শব্দাৰ্থ ঃ কবীৰদেৱে ক'লে- হে গৰুড় তুমি বঙ্গদেশ (বাংলাদেশ) লৈ যোৱা। তাত ল'ৰা এজনৰ আয়ুস তিনিদিন বাকী আছে, সি মৰিব। সেই ল'ৰাক ব্ৰহ্মা-বিষ্ণু-মহেশৰ ওচৰলৈ লৈ যাবা আৰু ক'বা ল'ৰাজনক জীয়াই তুলিব লাগে। তেওঁলোকৰ পৰা ল'ৰাজন জীৱিত নহ'ব। আকৌ ল'ৰাজনক মোৰ ওচৰত আনিবা, মই জীৱিত কৰি দিম।" গৰুড় নিজ সদ্‌গুৰুৰ আদেশ মানি বঙ্গদেশৰ পৰা ল'ৰাজনক লৈ তিনি দেৱতাৰ ওচৰত গ'ল আৰু অনুৰোধ কৰিলে যে এই ল'ৰাজনৰ আয়ু বঢ়াই জীৱিত কৰি দিলে গৰুড়ে তেওঁলোকক পূৰ্ণ সমৰ্থ পৰমাত্মা মানি ল'ব।

**ত্ৰিদেৱ বচন**

ধৰ্মৰাজ পৰ হৈ লেখা সাৰা। বাসে জানে সব বিচাৰা।।
গৰুড় ঔৰ বালক সাৰে। গএ ধৰ্মৰাজ দৰবাৰে।।
ধৰ্মৰাজ সে আয়ু জানী। দিন তিন শেষ বখানী।।
য়াকী আয়ু বঢ়ে নাহী। মৃত্যু অতি নিয়ড়ে আয়ী।।
ত্ৰিদেৱ কঁহ আয়ে ৰাখো নাজা। হম ক্যা মুখ দিখাৱৈ ধৰ্মৰাজা।।
ধৰ্ম কহ আপন আয়ু দেভাই। তো বালক কী আয়ু বঢ় জাই।।
চলে তিনোঁ নহী পাৰ বসাই। বনে বৈঠে থে সমৰ্থ ৰাই।।
সুন গৰুড় হয় সত্য হৈ ভাই। আই মৃত্যু ন টলী জাই।।

শব্দাৰ্থ ঃ- তিনিও দেৱতাই ক'লে যে ধৰ্মৰাজৰ লগত সকলো জীৱৰ জন্ম-মৃত্যুৰ হিচাপ আছে, তেওঁৰ লগত কথা পাতিব লাগে। গৰুড়, ল'ৰাজন আৰু তিনিও দেৱতা ধৰ্মৰাজ (কাল ব্ৰহ্মৰ ন্যায়াধীশ)ৰ কাৰ্য্যালয়ত গ'ল আৰু ল'ৰাজনৰ আয়ুস কিমান বাকী আছে চালে, আৰু দেখিলে যে মাত্ৰ তিনিদিনৰ আয়ুস বাকী আছে। ধৰ্মৰাজে ক'লে যে তাৰ মৃত্যু অতি ওচৰ চাপিছে, আয়ু বঢ়াব নোৱাৰি। তিনিও দেৱতাই ধৰ্মৰাজক ক'লে- "হে ধৰ্মৰাজ, আমি আপোনাৰ দৰবাৰত আহিছোঁ, আমাৰ ইজ্জৎ ৰক্ষা কৰক, এই বালকৰ আয়ু বঢ়াই দিয়ক, নহ'লে আমি সংসাৰত কেনেকৈ মান-সন্মান পাম ?" ধৰ্মৰাজে ক'লে- "আপোনালোক তিনিজনৰ এজনে নিজৰ আয়ু দিলে দিওঁতাজনৰ মৃত্যু হ'ব আৰু বালকৰ আয়ু বাঢ়িব।" তেতিয়া গৰুড়ে ক'লে যে ধৰ্মৰাজৰ কথা শুনি নিজকে স্বয়ম্ভু পৰমাত্মা সাজিফুৰা তিনিও দেৱতা উঠি গ'ল, যাওঁতে গৰুড়ক কৈ গ'ল যে এই কথা সত্য যে যাৰ মৃত্যু আহিছে তাৰ মৃত্যুক আঁতৰাব নোৱাৰি।

**গৰুড় বচন**

সমৰ্থ মে গুন ঐসা বতায়া। আয়ু বঢ়াৱৈ ঔৰ অমৰ কৰবায়া।।
অব মই জাউ সমৰ্থ পাসা। বালক বচনে কী পুৰী আশা।।
গয়া গৰুড় কবীৰ কী শৰণা। দয়া কৰো হো সাহব জৰণা। (বিশ্বাস)

শব্দাৰ্থ ঃ- গৰুড়ে ক'লে যে সমৰ্থবানৰ এনে শক্তি থাকে যে সাধকৰ আয়ু বৃদ্ধি কৰে আৰু জন্ম-মৃত্যু চিৰদিনৰ বাবে সমাপ্ত কৰি অমৰ কৰি দিয়ে। এতিয়া মই সমৰ্থ পৰমেশ্বৰৰ ওচৰত যাওঁ, লৰাজনৰ মৃত্যু শামকটাৰ সম্পূৰ্ণ আশা আছে। এইবুলি কৈ গৰুড়ে ল'ৰাজনক তাৰ ঘৰত থ'লে আৰু কবীৰ পৰমেশ্বৰৰ ওচৰত গৈ ক'লে- “হে পৰমাত্মা, ল'ৰাজনক জীয়াই থাকিবলৈ দয়া কৰক যাতে জনতাই আপোনাৰ সামৰ্থ্যৰ ওপৰত বিশ্বাস কৰে।”

**কবীৰ চাহেব বচন**

সুনো গৰীব এক অমৰ বাণী। য়হ অমৃত লে বালক পিলানী।।
জীৱৈ বালক উমৰ বঢ় জাৱৈ। জগ বিচৰে বালক নিৰ্দাৱৈ।।
বালক লানা মেৰে পাসা। নাম দান কৰ কাল বিনাশা।।
জৈসা কহা গৰুড় নে কীনহা। বালক কু জা অমৃত দীনা।।
লে বালক তুৰন্ত হী আএ। সৎগুৰু সে দীক্ষা পায়।।
আশীৰ্বাদ দিয়া সৎগুৰু স্বামী। দয়া কৰি প্ৰভূ অন্তৰ্যামী।।
বদলা ধৰ্মৰাজ জব খাতা খোলা। অচৰ্য দেখ মুখ সে বোলা।।
পৰমেশ্বৰ কা য়হ খেল নিৰালা। উসকা ক্যা কৰত হৈ কালা।।
ৱো সমৰ্থ ৰাখন হাৰা। ৱানে লেখ বদল দিয়া সাৰা।।
সৌ বৰ্ষ য়হ বালক জীৱৈ। ভক্তি জ্ঞান সুধা ৰস পীৱৈ।।
য়হ ভী লেখ ইসী কে মাহী। আঁখো দেখো ঝুঠী নাহী।।
দেখা লেখা তিনো দেৱা। অচৰ্য্য হুৱা কহুঁ ক্যা ভেৱা।।
বোলে ব্ৰহ্মা বিষ্ণু মহেশা। পৰম পুৰুষ হৈ কোই বিশেষা।।
জো চাহে ৱহ মালিক কৰসী। ৱাকী শৰণ ফিৰ কৈসে মৰসী।।
পক্ষীৰাজ তুম সাচে পায়ে। নাহক হম মগজ পচায়ে।।
কৰো তুম জো মান মন তেৰা। তুম্হাৰা গৰুড় ভাগ বডেৰা।।
পূৰ্ণ ব্ৰহ্ম অবিনাশী দাতা। সচ্চ মে হৈ কোই ঔৰ বিধাতা।।
ইতনা কহ গএ অপনে ধামা। গৰুড় ঔৰ বালক কৰি প্ৰণামা।।
ভক্তি কৰি বালক চিত্ত লাই। গৰুড় আৰু বালক ভয়ে গুৰু ভাই।।
ধৰ্মদাস য়হ গৰুড় কো বোধা। এক এক বচন কহা মই সোধা।।

শব্দাৰ্থ ঃ- কবীৰ পৰমেশ্বৰে নিজৰ কমণ্ডুলু (ঘটী)ৰ পৰা অলপ পানী গৰুড়ক দিলে আৰু ক'লে যে এই অমৃতজল ল'ৰাজনক খুৱাই দিবা। এইটো খালে তাৰ দীক্ষা লোৱাৰ ইচ্ছা হ'ব, কালৰ হেঁচা দূৰ হ'ব। তেতিয়া ল'ৰাজনক মোৰ ওচৰলৈ আনি দীক্ষা দিয়াবা। তাৰ আহিব লগীয়া কাল (মৃত্যু) সমাপ্ত হ'ব। গৰুড়ে সদ্গুৰুৰ আদেশ পালন কৰিলে। ল'ৰাজনক অমৃত

খুৱালে আৰু ফলস্বৰূপে সি দীক্ষা লোৱাৰ প্ৰৱল ইচ্ছা প্ৰকাশ কৰিলে। গৰুড়ে ল'ৰাজনক সদ্‌গুৰু ওচৰলৈ লৈ গ'ল আৰু দীক্ষা দিয়ালে। পৰমেশ্বৰে বালকক আশীৰ্বাদ দি কৃতাৰ্থ (প্ৰসংসাৰ যোগ্য) কৰিলে। তৎক্ষনাৎ ধৰ্মৰাজৰ হিচাপ সলনি হ'ল। তিনিও দেৱতাই ধৰ্মৰাজৰ দৰবাৰত গৈ ঘটনাটো প্ৰত্যক্ষ কৰিলে। তেওঁলোক আচৰিত হ'ল যে এইটো কেনেকৈ সম্ভৱ হ'ল। ধৰ্মৰাজেও দেখি আচৰিত মানিলে আৰু ক'লে যে এইটো পৰমেশ্বৰৰ অদ্ভূত লীলা, ইয়াত কাল অৰ্থাৎ কালব্ৰহ্মই কিনো কৰিব পাৰে ? কালব্ৰহ্মাৰ দ্বাৰা নিৰ্দ্ধাৰিত মৃত্যুৰ সময় পৰমেশ্বৰৰ আদেশত সমাপ্ত হৈ যায়। সেই পূৰ্ণ সমৰ্থবান সকলো জীৱৰ ৰক্ষক, তেওঁ মোৰ (ধৰ্মৰাজৰ) বহীত থকা পুৰণা হিচাপ সলনি কৰি দিলে। এতিয়া এই ল'ৰাজন ১০০ বছৰ জীয়াই থাকিব আৰু ভক্তিও কৰিব, এই কথাও ইয়াত লিখা আছে। মই মিছা কোৱা নাই, আপোনালোকে নিজে চাওক। এই ঘটনা চকুৰে দেখি ব্ৰহ্মা, বিষ্ণু, শিৱই ইয়াক আচৰিত ঘটনা বুলি ক'লে। আচলতে পৰম পুৰুষ আন কোনোবা আছে, তেওঁ যি বিচাৰে সেইটো কৰিব পাৰে। যি তেওঁৰ শৰণ ল'লে সেইজন কেনেকৈ মৰিব পাৰে। হে পক্ষীৰাজ গৰুড় তোমাৰ কথা সত্য প্ৰমাণিত হ'ল। আমি মিছাতে তোমাৰ লগত বাদবিবাদ কৰিলোঁ। তোমাৰ মনে যি মানে তাকে কৰা, হে গৰুড় তোমাৰ ভাগ্য ভাল। এইদৰে কৈ তিনিও নিজৰ নিজৰ ধামলৈ গুচি গ'ল। গৰুড় আৰু ল'ৰাজনে তিনিও দেৱতাক আৰু ধৰ্মৰাজক প্ৰণাম কৰিলে। কবীৰদেৱে ধৰ্মদাসক ক'লে যে এইদৰে সেই ল'ৰাজন আৰু গৰুড় দুয়ো গুৰুভাই হ'ল। হে ধৰ্মদাস, এয়া হ'ল গৰুড়ক শৰণত লোৱাৰ কথা অৰ্থাৎ গৰুড়বোধ।

শ্ৰী হনুমানৰ গুৰু কোন আছিল ? আপুনি "কবীৰ সাগৰ"ৰ "হনুমান বোধ" অধ্যায়ৰ সাৰাংশ পঢ়ক।

## অধ্যায় হনুমান বোধৰ সাৰাংশ

"কবীৰ সাগৰ"ৰ ১১৩ পৃষ্ঠাত দ্বাদশ অধ্যায় "হনুমান বোধ" আছে। "কবীৰ সাগৰ" ৰ এই অধ্যায়ত পৱন পুত্ৰ হনুমানক শৰণত লোৱা প্ৰকৰণ আছে। ধৰ্ম দাসে প্ৰশ্ন কৰিলে, "হে মুক্তি দাতা পৰমেশ্বৰ কবীৰদেৱ আপুনি পৱিত্ৰ আত্মা পৱন পুত্ৰ হনুমানকো লগ ধৰিছিল নেকি ? পৰমেশ্বৰ কবীৰদেৱৰ উত্তৰ ঃ হয়, লগ ধৰিছিলো। ধৰ্মদাসে প্ৰশ্ন কৰিলে ঃ হে প্ৰভূ তেওঁ আপোনাৰ জ্ঞান স্বীকাৰ কৰিছিল নে ? তেওঁৰ মোৰ দৰেই শ্ৰীৰাম ওৰফে শ্ৰী বিষ্ণুৰ প্ৰতি অটুট শ্ৰদ্ধা আছিল। তেওঁক আপোনাৰ শৰণত লোৱা আৰু সূৰ্য্য পশ্চিমে উদয় হোৱা একে সমান কথা হয়।

পৰমেশ্বৰ কবীৰদেৱৰ উত্তৰ ঃ পৰমেশ্বৰ কবীৰদেৱে ধৰ্মদাসক পৱনপুত্ৰ হনুমানক শৰণত লোৱা বিষয় বিস্তাৰিত ভাৱে ক'লে। সৰলাৰ্থ কৰ্ত্তাৰ (ৰামপাল দাসৰ) দ্বাৰা বৰ্ণিত হনুমানক পৰমেশ্বৰ কবীৰদেৱে শৰণ লোৱা প্ৰকৰণ তথা ৰামায়ণৰ সংক্ষিপ্ত বৰ্ণনা।

ৰামায়ণৰ এটা প্ৰকৰণত ৰজা বালীৰ উল্লেখ আছে। তেওঁৰ সুগ্ৰীৱ নামেৰে এজন ভাই আছিল। কিবা কাৰণত বালীয়ে নিজৰ ভাই সুগ্ৰীৱক নিজৰ ৰাজ্যৰ পৰা বহিষ্কাৰ কৰি দিলে। তেওঁৰ পত্নীক বলেৰে নিজৰ পত্নী কৰি থলে। সুগ্ৰীৱ দূৰ দেশত দুখ মনেৰে ভ্ৰমণ কৰি আছিল। হনুমানক ৰাম-ৰাম কৰি এটা পাহাৰৰ ওপৰত বহি থকা দেখা গ'ল। দুয়োৰে মাজত বন্ধুত্ব

হ'ল। সুগ্ৰীৱে নিজৰ দুখৰ কথা হনুমানক ক'লে। হনুমানে শৰণাৰ্থী সুগ্ৰীৱক সহায় কৰাৰ কথা দিলে। সুগ্ৰীৱে হনুমানক ক'লে যে বালীয়ে এনে সিদ্ধি প্ৰাপ্ত কৰিছে যে তেওঁৰ লগত যুদ্ধ কৰোঁতা জনৰ আধা শক্তি বালীত প্ৰৱেশ কৰে। এই কথা জনাত হনুমানো শান্ত হ'ল। যুদ্ধ কৰাৰ ভাৱ এৰি দিলে। সেই সময়ত দশৰথৰ পুত্ৰ ৰামচন্দ্ৰৰ বনবাস হৈছিল। তেওঁৰ পত্নী সীতা আৰু ভাই লক্ষ্মণ বনলৈ লগতে গৈছিল। শ্ৰী লঙ্কাৰ ৰজা ৰাৱণৰ ভনী শূৰ্পনখাই লক্ষ্মনৰ প্ৰতি আকৰ্ষিত হৈ বিয়াৰ প্ৰস্তাৱ দিলে। লক্ষ্মনে কলে যে তেওঁ বিবাহিত। (লক্ষ্মণৰ পত্নীৰ নাম উৰ্মিলা আছিল) শূৰ্পনখাই বাৰে বাৰে বিবাহ কৰিবলৈ অনুৰোধ কৰাত শেষ নাগ অৱতাৰ লক্ষ্মণে খঙত তাইৰ নাক কাটি দিলে। শূৰ্পনখাই নিজৰ দুৰ্দশাৰ কাহিনী ককায়েক ৰাৱণক শুনালে আৰু ঠিকনাও কলে। প্ৰতিশোধ ল'বৰ বাবে ৰাৱণে ৰামৰ পত্নী সীতাক অপহৰণ কৰাৰ পৰিকল্পনা কৰিলে। সাধু বেশত নিজৰ মামা মাৰিচৰ সহযোগত ৰাৱণে সীতাক অপহৰণ কৰিলে।

সীতাক বিচাৰি শ্ৰীৰাম আৰু লক্ষ্মণ বনে-বনে ঘূৰি ফুৰিছিল। সেই সময়ত তেওঁলোকে শ্ৰী হনুমান আৰু সুগ্ৰীৱক লগ পালে। তেওঁলোকৰ মাজত পৰিচয়ৰ আদান প্ৰদান হ'ল। সুগ্ৰীৱে ৰামক নিজৰ কষ্টৰ কথা ক'লে। ৰামচন্দ্ৰই চৰ্ত থ'লে যে যদি তেওঁ সুগ্ৰীৱক হেৰোৱা ৰাজ্য ঘূৰাই দিয়ে তেন্তে সুগ্ৰীৱে সীতাক বিচৰা আৰু ঘূৰাই অনা কাৰ্য্যত সহায় কৰিব লাগিব। চৰ্ত্তটো সুগ্ৰীৱে মানি লোৱাত সেই মতে দুয়ো কাম কৰিবলৈ সন্মত হল। শ্ৰীৰামচন্দ্ৰই গছৰ আঁৰত থাকি যুদ্ধ কৰি বালীক বধ কৰি সুগ্ৰীৱৰ ৰাজ তিলক কৰিলে। সুগ্ৰীৱে নিজৰ প্ৰতিজ্ঞা মতে সীতাক বিচাৰি চাৰিও দিশত চোৰাং চোৱা পঠিয়ালে। জটায়ু পক্ষীয়ে শ্ৰীৰামচন্দ্ৰক কলে যে সীতা মাতাক লঙ্কেশ্বৰ ৰাৱণে লৈ গ'ল। তেওঁ সীতা মাতাক ৰাৱণৰ হাতৰ পৰা এৰুৱাবৰ চেষ্টা কৰোঁতে তেওঁৰ ডেউকা কাটি দিলে। ৰাৱনৰ লগত কথা পাতি সীতাক ঘূৰাই অনাৰ বাবে শ্ৰীৰামচন্দ্ৰই হনুমানক ৰাজদূত নিযুক্ত কৰিলে। শ্ৰীৰামচন্দ্ৰই শ্ৰীহনুমানক সীতাক বিশ্বাস নিয়াবৰ বাবে নিজৰ আঙঠি, যত শ্ৰীৰাম লিখা আছিল, দিলে। সীতাই সেই আঙঠিৰ দ্বাৰা হনুমানক বিশ্বাস কৰিব পাৰিছিল এই বাবেই যে তেওঁক লগ ধৰিবলৈ যিজন আহিছে তেওঁ শ্ৰী ৰামচন্দ্ৰই পঠিওৱা ব্যক্তি হ'ব। হনুমান শ্ৰী ৰামচন্দ্ৰৰ আঙঠি লৈ আকাশ মাৰ্গেৰে উৰি শ্ৰীলঙ্কালৈ গ'ল। ৰাৱনৰ এটা নৌলখা বাগিছা আছিল। তাত ৰাৱণ ৰাক্ষসে সীতাদেৱীক বন্দী কৰি থৈছিল। হনুমানে আঙঠি দি সীতাদেৱীক বিশ্বাসত ল'লে। সীতাদেৱীয়ে ৰাৱনে দিয়া সকলো কষ্টৰ বিষয়ে হনুমানক ক'লে। সীতাই বিয়াত পিন্ধা নিজৰ খাৰু হনুমানক দিলে আৰু ক'লে যে সেই খাৰু দেখিলে ৰামে বিশ্বাস কৰিব যে হনুমানে সীতাক লগ পাই আহিছে। হনুমানৰ লগত যাবলৈ সীতাই অস্বীকাৰ কৰি ক'লে যে তেওঁ হনুমানৰ লগত নাযায়। হনুমানে ফল খাবলৈ ইচ্ছা কৰাত সীতাই হনুমানক ক'লে যে তলত সৰি পৰা ফলহে তেওঁ খাব পাৰিব, পাৰি খাব নোৱাৰিব। সীতাই নিজেও ফল ছিঙি খাব নোৱাৰে বুলি ক'লে এই কথাত অতিপাত খং কৰি হনুমানে প্ৰথমে গছ বগৰালে আৰু পকা ফল খালে আকৌ সেই গছক সমুদ্ৰত পেলাই দিলে। এনেদৰে হনুমানে ৰাৱনৰ নৌ-লখা বাগিছা লণ্ড-ভণ্ড কৰি পেলালে। সকলো গছ সমুদ্ৰত পেলালে লঙ্কাৰ ৰজা ৰাৱণে হনুমানৰ নেজত কাপোৰ-কপাহ-বান্ধি জুই লগাই দিলে। হনুমানে

নিজৰ নেজৰ জুইৰে ৰাৱনৰ লঙ্কা ছাৰ-খাৰ কৰিলে।

ইয়াৰ পিছত আকাশ মাৰ্গেৰে উৰি সাগৰ পাৰ কৰি এটা পাহাৰত নামিল। ৰাতিপূৱাৰ সময় আছিল, পাহাৰৰ জনাশয় পবিত্ৰ জলেৰে উপচি আছিল ওচৰতে ফলধৰা বৃক্ষও আছিল হনুমানৰ ভোক লাগিছিল। গাধুবৰ মন গল এটা শিলৰ ওপৰত খাৰুপাত থ'লে। গা-ধুই থাকোঁতেও হনুমানৰ এটা চকু খাৰুৰ ওপৰত আছিল বান্দৰ এটা আহি খাৰু লৈ দৌৰ মাৰিলে। হনুমানৰ চিন্তা হল জানোচা বান্দৰে খাৰুটো সাগৰত পেলাই দিয়ে। তেওঁৰ পৰিশ্ৰম অথলে যাব ভাবি ভয় কৰিলে। এতিয়া লঙ্কালৈ যোৱা ৰাস্তাও বন্ধ হৈ পৰিব। বৰ দুখেৰে হনুমান বান্দৰৰ পিচে-পিচে যাব ধৰিলে। চাওঁতে চাওঁতে বান্দৰে সেই খাৰু এজন ঋষিৰ কুটীৰৰ বাহিৰত ৰখা কলহত পেলাই দিলে আৰু দৌৰি গুচি গ'ল। হনুমানে স্বস্তিৰ নিশ্বাস পেলালে।

কলহত জুমি চাই খাৰু ওলোৱাৰ চেষ্টা কৰোঁতে দেখিলে যে কলহত একেধৰণৰ বহুতো খাৰু আছিল। হনুমানৰ আকৌ সমস্যা হ'ল, খাৰু উলিয়াই উলিয়াই চালে, একো পাৰ্থক্য দেখা নাপালে, নিজৰ খাৰু কোনটো ? বেলেগ খাৰু লৈ গলেও শ্ৰীৰামে সেইটো সীতাৰ নহয় বুলি ক'লে মোৰ চেষ্টা অথলে যাব। সন্মুখত এজন ঋষি হনুমানৰ কষ্ট দেখি মিচিকাই হাঁহি কুটীৰৰ বাহিৰত বহি আছিল। ঋষিয়ে ক'লে, আহা পৱন পুত্ৰ কি সমস্যাত পৰিলা ? হনুমানে কলে, শ্ৰী ৰামচন্দ্ৰৰ পত্নীক লঙ্কাৰ ৰজা ৰাৱণে অপহৰণ কৰি লৈ গৈছে। মই খবৰ লৈ আহিছোঁ, ঋষিয়ে ক'লে যে কোনজনা ৰামচন্দ্ৰৰ কথা কৈ আছা ? ঋষিৰ কথা শুনি হনুমান আচৰিত হৈ ভাবিলে ঋষি সজ্ঞানে সুস্থভাৱে আছেনে নাই, নে ভাংখাই থৈছে ? হনুমানে সুধিলে ঃ হে ঋষিবৰ ৰাম কেইবাজনো আছে নেকি ? ঋষিয়ে ক'লে, হয়, বহুতো ৰাম হৈ গল আৰু আগলৈও হৈ থাকিব। হনুমানক ঋষিৰ ব্যৱহাৰ ভাল নালাগিলে। কিন্তু ঋষিৰ লগত তৰ্ক কৰাও ভাল নহ'ব বুলি ভাবিলে। ঋষিয়ে ক'লে, ফল খাই লোৱা। ভোজন তৈয়াৰ কৰিম। ভোজনো খাবা। ভাগৰি পৰিছা, আৰাম কৰা।

হনুমানে ক'লে, ঋষিবৰ মোৰ মন শান্ত নোহোৱা হৈছে মোক সীতা মাতাই খাৰু দিছিল। খাৰুপাত নহলে শ্ৰী ৰামচন্দ্ৰই বিশ্বাস নকৰিব যে সীতাদেৱীক বিচাৰি পোৱা গৈছে। সেই খাৰুটো শিলৰ ওপৰত থৈ মই গা ধুই আছিলো। বান্দৰে আনি কলহত পেলাই দিলে। মই চিনিব পৰা নাই আচল খাৰু কোনটো ? সকলো খাৰু একে নিচিনা বোধ হয় ?

ঋষি ৰূপত বহা পৰমেশ্বৰ কবীৰদেৱে ক'লে, হে পৱনৰ আলাসৰ লাড়ু যিকোনো এটা খাৰু লৈ যোৱা একো পাৰ্থক্য নাই। কলহত যিমানটা খাৰু আছে সিমান বাৰ দশৰথ পুত্ৰ শ্ৰীৰামৰ বনবাস সীতাৰ অপহৰণ আৰু হনুমানৰ দ্বাৰা অনুসন্ধান হৈ গৈছে। হনুমানে ক'লে, হে ঋষিবৰ, এটা কথা কওক, আপোনাৰ কথা মই মানি লৈছোঁ। মই জানিব বিচাৰোঁ, প্ৰত্যেক বাৰ সীতা হৰণ হনুমানৰ দ্বাৰা অনুসন্ধান কৰি খাৰু লৈ অহা আৰু বান্দৰৰ দ্বাৰা কলহত পেলোৱা যদি হয়, খাৰু ইয়াতে থাকি গ'ল, হনুমানে কি লৈ যাব ? ঋষি মুনিন্দ্ৰই ক'লে, মই এই কলহক আশীৰ্বাদ দি থৈছোঁ যে যি বস্তু ইয়াৰ ভিতৰত থোৱা হয় সেইটো একে ধৰণৰ দুটা হৈ পৰিব। এনেদৰে কৈয়ে ঋষিয়ে এটা মাটিৰ বাটি কলহত দিওঁতেই আৰু এটা বাটি ঠিক তেনেকুৱাই হৈ গ'ল। ঋষি মুনিন্দ্ৰদেৱে ক'লে, হে হনুমান, আপুনি এটা খাৰু লৈ যোৱা কোনো সমস্যা নহ'ব

হনুমানৰ ওচৰত আন একো বিকল্প নাছিল। সেই কলহৰ পৰা এটা খাৰু লৈ উৰা মাৰিলে।

হনুমানে শ্ৰীৰামচন্দ্ৰক সীতাদেৱীৰ চিন-খাৰু দিলে আৰু সীতাই কোৱা সকলো কথা বিবৰি কলে। শ্ৰীৰামচন্দ্ৰ খাৰুপাত চাই আবেগিক হৈ পৰিল। হনুমানক বুকুত সাবটি ল'লে। ক'লে, হে সন্তজন মই আপোনাৰ এই ঋণ কেনেকৈ পৰিশোধ কৰিম ? আপুনি নিজৰ জীৱনৰ চিন্তা নকৰাকৈ মোৰ অতি কঠিন কাম কৰি দিলে এই খাৰু সীতাদেৱীৰ হয়। এতিয়া সভা মাতিম পৰৱৰ্তী কাৰ্য্যক্ৰম নিৰ্দ্ধাৰণ কৰিব লাগে। সমুদ্ৰত দলং দিয়াৰ কথা ভৰা হ'ল, ঋষি মুনিন্দ্ৰৰ আশীৰ্বাদত নল-নীলে পানীত থোৱা বস্তু কেতিয়াও ডুব নগৈছিল। শিল, কাহঁৰ বাচন যিকোনো বস্তু তেওঁলোকে পানীত থলে ডুব যোৱা নাছিল, ওপঙিছিল, সেই সময়ত নল-নীলে অভিমান কৰি নিজৰ মহিমাৰ ইচ্ছা কৰি গুৰু ঋষি মুনীনন্দ্ৰৰ নাম নল'লে। ফলত তেওঁলোকৰ সেই শক্তি সমাপ্ত হ'ল। ৰামচন্দ্ৰ, উপস্থিত সকলো যোদ্ধা লগতে হনুমান সকলোৱে বৰ দুখ কৰিলে, তিনি দিন ধৰি শ্ৰীৰাম একাঁঠু পানীত থিয় দিলে। ৰাস্তা দিবলৈ প্ৰাৰ্থনা কৰিলে, কিন্ত সমুদ্ৰই কেৰেপ নকৰিলে, তেতিয়া ৰামে লক্ষ্মণক তেওঁৰ অগ্নিবাণ উলিয়াবলৈ ক'লে, উদ্দেশ্য সাগৰক শুকাই পেলোৱা। পোন আঙুলিৰে ঘিউ নোলায়, তৎঙণাত সমুদ্ৰই বামুণ বেশ ধৰি শ্ৰী ৰামৰ সন্মুখত হাতযোৰ কৰি থিয় হৈ ক'লে, হে ভগৱান মোৰ ভিতৰত সংসাৰ এখন আছে, আপুনি পাপৰ ভাগী নহ'ব, আপুনি এটা কাম কৰক যাতে সাপো মৰে লাঠীও নাভাঙে।

আপোনাৰ সেনাত নল-নীল নামৰ দুজন সৈনিক আছে, তেওঁলোকে তেওঁলোকৰ গুৰুদেৱৰ পৰা আশীৰ্বাদ পাইছে। তেওঁলোকৰ হাতেৰে থোৱা শিল গুটিও মোৰ (সাগৰ) ওপৰত ওপঙি থাকে, তেতিয়া নল-নীলক শিল গুটি থবলৈ কওঁতে নিজৰ মহিমা বিচৰাত গুৰুদেৱক স্মৰণ নকৰিলে। সেই কাৰণে ঋষি মুনীন্দ্ৰই তেওঁলোকৰ শক্তি কাঢ়ি ল'লে, শিল ডুবিল, সমুদ্ৰই তেওঁলোকৰ ভুল দেখুৱাই দিলে তেতিয়া নল-নীলে গুৰুদেৱক স্মৰণ কৰিলে।

শ্ৰীৰামচন্দ্ৰই বুজি পালে যে যেতিয়া গুৰুৱে নিজৰ শিষ্যক শক্তি দিব পাৰে, তেতিয়াহলে মোৰ কামৰও সমাধান কৰিব পাৰে। শ্ৰীৰামচন্দ্ৰ শ্ৰীবিষ্ণুৰ অৱতাৰ আছিল, শ্ৰী বিষ্ণু কাল নিৰঞ্জনৰ পুত্ৰ হয়। যি সময়ত পৰমেশ্বৰ কবীৰদেৱ প্ৰথমবাৰ কাললোকলৈ আহিছিল, তেতিয়া জ্যোতি নিৰঞ্জনে প্ৰথম অৱস্থাত পৰমেশ্বৰৰ লগত কাজিয়া কৰিছিল, যেতিয়া বলে নোৱাৰিলে ভৰিত ধৰি ক্ষমা খুজিলে আৰু কিছু আশীৰ্বাদ ল'লে। কালে কবীৰদেৱক অনুৰোধ কৰি ক'লে, মোৰ অংশ বিষ্ণু ত্ৰেতাযুগত ৰামচন্দ্ৰ নাম লৈ ৰজা দশৰথৰ ঘৰত জন্ম ল'ব, তেওঁৰ বনবাস হ'ব, লগত পত্নী সীতাও থাকিব, সীতাক ৰাক্ষসে লঙ্কা নগৰলৈ বল প্ৰয়োগ কৰি নিব। তেতিয়া ৰামচন্দ্ৰই সমুদ্ৰৰ ওপৰত দলং সাজিবলৈ বিচাৰিব। তেওঁ সাজিব নোৱাৰে। আপুনি সেই দলং সাজি দিব। দ্বিতীয়টো আশীৰ্বাদ ল'লে যে দ্বাপৰ যুগত তেওঁ কৃষ্ণ ৰূপত জন্ম ল'ব মৃত্যুৰ পিছত তেওঁ "জগন্নাথ" নামেৰে পুৰী নগৰত সাগৰৰ পাৰত মন্দিৰ সাজিব। সমুদ্ৰই মন্দিৰ সাজিবলৈ নিদিব। আপুনি সমুদ্ৰৰ পৰা সেই মন্দিৰৰ ৰক্ষা কৰিব। পৰমেশ্বৰ কবীৰদেৱে এই কামবোৰ কৰিম বুলি কৈছিল। সেই বচন পালন কৰিবলৈ ঋষি মুনীন্দ্ৰ ৰূপত পৰমেশ্বৰ কবীৰদেৱ সেতু বন্ধাত প্ৰকট (উপস্থিত) হল। আহি থাকোঁতেই পৰ্বতৰ চাৰিওফালে নিজৰ লাঠীৰে ৰেখা টানি আহিলে।

নল-নীলে দুৰৰে পৰা নিজৰ গুৰুদেৱক চিনি পালে আৰু ক'লে যে তেওঁলোকৰ গুৰুদেৱ আহিছে। শ্ৰীৰামচন্দ্ৰই নিজৰ সমস্যাৰ কথা ক'লে আৰু বিনম্ৰ হৈ নিজৰ কাৰ্য সিদ্ধিৰ বাবে আশীৰ্বাদ খুজিলে। পৰমেশ্বৰে ক'লে যে নল-নীলে ভুল কৰিলে। ফলত ইহঁতৰ শক্তি কম হ'ল। আকৌ ক'লে, মই সন্মুখৰ পৰ্বতৰ চাৰিওফালে ৰেখা টানি আহিছোঁ। ৰেখাৰ ভিতৰৰ শিলবোৰ কাঠত কৈও পাতল হৈ গৈছে, ডুবি নাযায়। হনুমান ৰামভক্ত আছিল। তেওঁ সেই শিলবোৰত ৰাম, ৰাম, লিখি শিল লৈ আনি সমুদ্ৰত থওঁতে শিল নুডুবিল। নল-নীল শিল্পকাৰ অৰ্থাৎ কাৰিকৰ ৰাজমিস্ত্ৰীও আছিল, সেই কাৰণে নল-নীলে শিল কাটি এটা আনটোৰ লগত খাপ খুৱাই জোৰা লগালে। প্ৰথমতে ৰামচন্দ্ৰৰ দ্বাৰা শিল ওপঙা নাছিল, নল-নীল দুয়ো সফল হোৱা নাছিল। হনুমানে থিয় হৈ অকল ৰাম-ৰাম কৈ আছিল, শিল ওপঙাটো বিচাৰিছিল কিন্তু ইচ্ছা পূৰ্ণ নহল, ব্যৰ্থ হ'ল। ঋষি মুনিন্দ্ৰই (কবীৰদেৱ) শিল পাতল কৰি দিছিল, সেই কাৰণেহে সাগৰত ডুব যোৱা নাছিল, হনুমানে নিজৰ ৰাম নামৰ পাঠ কৰিবৰ বাবে শ্ৰদ্ধাৰে শিলত ৰাম-ৰাম লিখি গৈছিল। যেতিয়া হনুমানে দশৰথ পুত্ৰ শ্ৰীৰামচন্দ্ৰক জনাও নাছিল তেতিয়াৰ পৰাই তেওঁ শ্ৰীৰাম, ৰাম কৈ জপ কৰিছিল। আমি লোকবেদ (মানুহৰ মুখে মুখে বাগৰি অহা কথা বা কাহিনী আৰু তাৰ পৰা গঢ় লোৱা নীতি নিয়ম) শুনিছিলোঁ যে নল-নীলে শিল ওপঙাইছিল, তেতিয়া দলং সজা হৈছিল। আকৌ কোনোৱে কৈছিল যে হনুমানে শিলত ৰাম ৰাম লিখা বাবেহে শিল ওপঙিছিল। আচল কথাটো হ'ল শিল ওপঙাই দলং সাজিবৰ বাবে মুনীন্দ্ৰ ঋষিয়ে পৰ্বত এটাৰ শিলবোৰক পাতল কৰি দিছিল। উপৰত বৰ্ণনা কৰা কথা ২০-৩০ জন ব্যক্তিৰ উপস্থিতিত হৈছিল। বাকী কোটি কোটি ব্যক্তি যি সকল যুদ্ধৰ বাবে আহিছিল, তেওঁলোকে মাত্ৰ আদেশ হোৱাৰ পিছত শিল কঢ়িওৱাত লাগি গৈছিল। তেওঁলোকে হনুমানে শিলত ৰাম-ৰাম লিখাটোহে দেখিছিল আৰু আন কিছুমানে সেই ৰাম-ৰাম লিখা শিলাখণ্ড আনি নল-নীলক দিছিল। নল-নীলে শিলেৰে দলং সাজিছিল। শ্ৰীৰামচন্দ্ৰই নল-নীলক প্ৰশংসা কৰি আছিল। অন্য উপস্থিত ব্যক্তি সকলৰ মাজত কোৱা মেলা হৈ আছিল যে হনুমানে শিলত ৰাম-ৰাম লিখাৰ বাবে শিলবোৰ ওপঙি আছে। কিছুমানে ভাবিলে নল-নীলৰ হাতত বিশেষ কৌশল থকাৰ বাবেহে শিল ওপঙিছিল। এই ধৰণে এই ভুল ধাৰণা বিয়পি পৰিল। দলং সজাৰ পিছত যুদ্ধত ব্যস্ত হ'ল, বেছি ভাগেই মৰিল, জীয়াই থকা সকল নিজৰ নিজৰ ঘৰলৈ গ'ল। তেওঁলোকে নিজৰ নিজৰ গাঁও, চহৰত এই ভূল বাতৰি প্ৰচাৰ কৰি দিলে যি আজিলৈকে নিৰ্বিবাদে চলি আহিছে। সত্য এইটোৱেই হয় যিটো এই দাসে (ৰামপাল দাস) কৈছে। যুদ্ধ হল, শ্ৰীৰামৰ সেনাৰ ওপৰত নাগ পাশ অস্ত্ৰ প্ৰয়োগ কৰা হ'ল। ফলত শ্ৰীৰাম হনুমান জম্বৱন্ত, সুগ্ৰীৱ, অংগদ লগতে সকলো সেনাক সাপৰ দ্বাৰা বান্ধি দিয়া হ'ল, অৰ্থাৎ সাপে মেৰিয়াই ধৰিলে। হাত বিলাকো শৰীৰৰ লগতে বান্ধি দিলে, যেন খেতিয়কে কুঁহিয়াৰৰ মুঠা বান্ধিছে। এনেকৈ সকলো নিষ্ক্ৰিয় হৈ গ'ল, তেতিয়া গৰুড়ক মতা হ'ল, গৰুড়ে সাপবিলাক কাটি দিলে। তেতিয়া সকলো সেনা লগতে শ্ৰীৰাম বন্ধন মুক্ত হ'ল।

লক্ষ্মণক বাণ লগাৰ বাবে অচেতন হৈ পৰিল। (ক'মাত গুচি গ'ল) তেতিয়া হনুমানে লংকাৰ পৰা বেজক আনিলে। বেজে ক'লে যে দ্ৰোণগিৰি পৰ্বতত থকা সঞ্জীৱনী ঔষধৰ দ্বাৰাহে

প্ৰাণ বাচিব। তাৰ চিহ্ন হল, ৰাতি জোনাকী পৰুৱাৰ দৰে উজ্বলি উঠে। সুৰ্যোদয়ৰ আগে আগে সেই উদ্ভিদ আনিলে লক্ষ্মণ জীৱিত হ'ব পাৰে, দেৰি হ'লে মৃত্যু নিশ্চিত। হনুমানক ৰামে এই কাৰ্য্যভাৰ দি ক'লে, হে বজৰঙ্গবলী, তোমাৰ অবিহনে এই কাম সম্ভৱ নহয়। আদেশ পোৱা মাত্ৰকে হনুমান আকাশ মাৰ্গেৰে উৰি গুচি গ'ল। দ্ৰোণগিৰি পৰ্বতৰ অন্য সকলো কৃত্ৰিম বনৌষধিও ৰাক্ষস সকলৰ নিজৰ মায়াৰ বলত চমকি উঠিল। বেজে কৈছিল যে সেই বনৌষধি বহুত কম সংখ্যাত পোৱা যায়। দিনত চিনিব নোৱাৰি কাৰণ তাৰ ওচৰে পাজৰে তেনেকুৱা ধৰণৰ ঔষধ জাতীয় উদ্ভিদ বহুত থাকে। হনুমানে ৰাক্ষসৰ মায়াৰ কথা সোনকালে বুজি পালে। গতিকে দ্ৰোণগিৰি পৰ্বতক উঠাই লৈ আকাশ মাৰ্গেৰে উৰা মাৰিলে। হনুমানক লক্ষ্মণ আৰু শ্ৰীৰামে নিজৰ ভাই ভৰতৰ শক্তিৰ বিষয়ে কোৱাৰ কথাই মনত বিন্ধি আছিল। ৰাম-লক্ষ্মণে কৈছিল যে যদি ভৰত লগত থাকিল হেঁতেন অকলে ৰাৱণৰ এক লাখ পুত্ৰ, এক লাখ পঁচিশ হাজাৰ নাতিক যমলোকলৈ পঠিয়ালে হেঁতেন। হনুমানে ভাবিলে যাঁওতে ভৰতৰ পৰীক্ষাও লৈ যাওঁ। ৰাম-ৰাৱণৰ যুদ্ধ চলি থকা কথা ভৰতে গম পাইছিল। আকাশ মাৰ্গেৰে পৰ্বতৰ সৈতে হনুমানক যোৱা দেখি ভৰতে ভাবিলে যে কোনোবা ৰাক্ষস গৈ আছে। এই ৰাক্ষসে বহুত হানি কৰিব পাৰে। ভৰতে ৰাক্ষসলৈ বাণ মাৰিলে। হনুমানে বাণ লগাৰ ভাও জুৰি হে ৰাম, হে ৰাম শব্দ মুখেৰে উচ্চাৰণ কৰি মাটিত পৰিল। পৰ্বতকো মাটিৰ ওপৰত থৈ দিলে, ৰাম শব্দ শুনি ভৰতৰ বুজিবলৈ বাকী নাথাকিল যে এইজন নিজৰ পক্ষৰ হয়। ওচৰলৈ গৈ কোন হয় বুলি সুধিলে, লগতে সুধিলে যে কলৈ গৈ আছে ? পৰ্বত কিয় লৈ আহিছে ? ভৰতে লগতে নিজৰ পৰিচয় দিলে। যে তেওঁ ৰাম-লক্ষ্মণৰ ভাই ভৰত হয়, হনুমানে কলে যে তেওঁৰ নাম হনুমান। ৰাম-ৰাৱনৰ যুদ্ধ হৈ আছে, আপোনাৰ ভাই লক্ষ্মণক বাণ লগাত তেওঁ অচেতন হৈ পৰিছে। বেজে দ্ৰোণ গিৰিত চিকিৎসাৰ বাবে ঔষধ থকাৰ কথা ক'লে। মই চিনি নোপোৱাত পৰ্বতটোকে উঠাই লৈ আহিলো। সূৰ্যোদয়ৰ আগে আগে তাত উপস্থিত হ'ব লাগে। নহ'লে লক্ষ্মণৰ মৃত্যু হ'ব। আপুনি নভৱা নিচিন্তাকৈ বাণ মাৰিলে। এতিয়া মই কেনেকৈ সময়তে গৈ পাম ? সূৰ্যোদয়ৰ পাছত লক্ষণ সংসাৰত নাথাকিব। ভৰতে বাণ মৰাৰ কাৰণ ক'লে আৰু নিশ্চিত হ'বলৈ ক'লে। আপুনি দ্ৰোণগিৰিক উঠাই লওক আৰু বাণৰ আগ ভাগত বহক। নিজৰ দুয়ো ভৰি অগা-পিচা কৰি থিয় হওঁক। মই বাণৰ দ্বাৰা আপোনাক পৰ্বতৰে সৈতে আপোনাৰ গতি বেগতকৈ আগতেই লংকালৈ পঠিয়াই দিম। ভৰতে হনুমানক এইদৰে ক'লে, হনুমানে নিজৰ শক্তিক লৈ বৰ গৰ্ব অনুভৱ কৰিছিল। মাটিত থোৱা বাণৰ ওপৰত দুই ভৰিৰে ভালদৰে গছকি পৰ্বত হাতত উঠাই হনুমান থিয় হ'ল। ভৰতে হনুমান আৰু পৰ্বতৰে সৈতে বাণ উঠাই ধেনুত লগালে, হনুমান আচৰিত হ'ল যে তেওঁৰ আৰু দ্ৰোণগিৰিৰ ভাৰক এনেদৰে উঠালে যেন অকল বাণহে উঠাইছে। হনুমানে ক'লে, হে দশৰথৰ আলসৰ লাডু, মই আপোনাৰ পৰীক্ষা লবলৈ আহিছিলো। মই সম্পুৰ্ণ সুস্থ। মই নিজেই উৰি গৈ  সময়ৰ আগতে পাম। আপোনাৰ দুয়ো ককায়েকে আপোনাৰ প্ৰশংসা কৰি থাকে। কয় যে ভৰত হোৱা হলে অকলেই ৰাৱণৰ সেনাৰ বাবে যথেষ্ট আছিল। মই তেওঁলোকৰ কথা বিশ্বাস কৰিব পৰা নাছিলো আজি নিজ চকুৰে চাই আছোঁ। আপুনি সচাঁকৈ বীৰ আৰু বলৱান, আপুনি মোৰ অভিমানো ভাঙি চুৰ মাৰ কৰি দিলে।

এই বুলি কৈ হনুমান সেই বাণৰ পৰাই জাপ মাৰি উৰি গল। সেই সময়ত বাণটো অকণো লৰ-চৰ নকৰিলে।

অলপ চিন্তা কৰি চাওঁ আহক। যদি কোনোবাই ভাৰ উঠায় তেতিয়া দুয়ো হাতেৰে বা এটা হাতেৰে ধৰি উঠায়, কিন্তু সেই ভাৰ এটা লাঠিৰে উঠাব বিচাৰিলে কেতিয়াওঁ নুঠে। কম ভাৰ থাকিলেহে লাঠিৰে উঠাব পাৰি। ভৰতে মহাবলী হনুমান আৰু দ্ৰোণগিৰি পৰ্বতক মাটিৰ পৰা ৫০ ফুট ওপৰলৈ উঠালে। ত্ৰেতা যুগত মানুহৰ উচ্চতা প্ৰায় ৬০-৮০ ফুট আছিল। এইটো সাধাৰন কথা নহয়। কোনোবাই কাৰোৱাক লাঠিৰে উঠাই চাওক, কেনেকুৱা লাগিব।

বেজে লক্ষ্মণক সঞ্জীৱণী ঔষধি খুৱাই সুস্থ কৰি তুলিলে। আকৌ তয়াময়া যুদ্ধ হ'ল, যুদ্ধত ৰাৱণৰ মৃত্যু হ'ল। ৰাৱণে প্ৰভূ, শিৱৰ ভক্তি কৰিছিল। নিজৰ মাথা (মূৰ) দহ বাৰ কাটি শিৱক উচৰ্গা কৰিছিল। শিৱই দহবাৰ ৰাৱণৰ মূৰ ঘূৰাই দিছিল আৰু আশীৰ্বাদ দিছিল যে, দহ বাৰ মূৰ কটা যোৱাৰ পাছতহে ৰাৱণৰ মৃত্যু হ'ব। ৰাৱণৰ মূৰ দহ বাৰ কটা হৈছিল। তাৰ পাছত নাভিত বাণ লাগি নাভিৰ অমৃত নষ্ট হোৱাৰ কাৰণে ৰাৱণৰ মৃত্যু হৈছিল। দহ বাৰ মূৰ কটা গল, দহ বাৰ মূৰ কান্ধৰ ওপৰত জোৰা লাগিল। আকৌ বিভিষণে ৰাৱণৰ নাভিত অমৃত আছে বুলি কোৱাত ৰাম চন্দ্ৰই ৰাৱণৰ নাভিত বাণ মাৰিবলৈ অশেষ চেষ্টা কৰিছিল, কিন্তু ৰাৱণেও নিজৰ ধ্যান নাভিত কেন্দ্ৰিত কৰিছিল যাতে নাভিত বাণ নেলাগে। ৰাম-চন্দ্ৰই পৰমেশ্বৰক স্মৰণ কৰিলে, ৰাৱণ ৰাক্ষসক মাৰিবলৈ খাটিলে, তাৰ বাবে সহায় কৰিবলৈ ক'লে। হে মহাদেৱ হে দেৱৰো দেৱ হে মহাপ্ৰভূ মোৰ সহায় কৰক। আপোনাৰ পুত্ৰী (সীতা) মহাকষ্টত আছে। আপোনাৰ সন্তান তেত্ৰিশ কোটি দেৱতাকো এই ৰাক্ষসে কাৰাগাৰত বন্দী কৰি থৈছে। পৰমেশ্বৰ কবীৰদেৱে সেই সময়তে গোপন ভাৱে ৰামচন্দ্ৰৰ হাতত নিজৰ সুক্ষ্ম হাত থলে আৰু ৰাৱণৰ নাভিত বাণ মাৰিলে। তেতিয়া ৰাৱণ মৰিল।

পৰমাত্মা কবীৰদেৱক লগ পোৱাৰ পিছত সন্ত গৰীব দাসদেৱে (গাওঁ-ছুড়ানী, জিলা ঝজ্জৰ, ৰাজ্য-হাৰিয়ানা) পৰমেশ্বৰ কবীৰদেৱৰ মহিমা কৈছে।

কবীৰদেৱে কৈছে যে ঃ

কবীৰ, কহ মেৰে হংস কো, দুখ না দিজে কোয়।
সন্ত দুখায় মই দুখী, মেৰা আপা ভী দুখী হোয়।।
পহু চুংগা ছন একমে, জন অপনে কে হেত।
তেত্ৰিশ কোটি কী বন্ধ ছুটাই, ৰাৱণ মাৰা খেত।।
জো মেৰে সন্ত কো দুখী কৰৈ, ৱাকা খোউ বংশ।
হিৰণা কুশ উদৰ বিদাৰিয়া, মইহী মাৰা কংস।।
ৰাম-কৃষ্ণ কবীৰ কে শহজাদে, ভক্তি হেত ভয়ে প্যাদে।।

শব্দাৰ্থ ঃ- সন্ত গৰীবদাস দেৱে কৈছে যে শ্ৰীৰামচন্দ্ৰ আৰু শ্ৰীকৃষ্ণৰ শুভ কৰ্মৰ পৰিণামৰূপে কবীৰদেৱে তেওঁলোকক সহায় কৰিছিল কাৰণ শ্ৰীৰাম আৰু শ্ৰীকৃষ্ণও সেই সম্ৰাট কবীৰৰ ৰাজকুমাৰ হয় অৰ্থাৎ সকলো জীৱই পৰমেশ্বৰ কবীৰদেৱৰ হয় আৰু ৰাম, কৃষ্ণ- মানে বিষ্ণু হ'ল ভাল আত্মা। তেওঁৰ ৰক্ষাও সেই পৰমেশ্বৰ কবীৰদেৱেই কৰে। তেওঁ মানুহক একো কষ্ট

নিদিয়ে। কবীৰদেৱে কৈছে যে ভক্তৰ কষ্টত তেওঁ দুঃখী হয়। নিজৰ ভক্তক ৰক্ষা কৰিবলৈ তেওঁ মুহূৰ্ততে মানে চেকেণ্ডতে উপস্থিত হয়। এই কাৰণে যেতিয়া ৰামৰ দ্বাৰা ৰাৱণ মৰা নাছিল তেতিয়া কবীৰদেৱে গোপনে ৰামৰ হাতত ধৰি ৰাৱণৰ নাভিত শৰ মাৰিছিল, তাৰফলত ৰাৱণৰ মৃত্যু হৈছিল, ৰামৰ সেনাক বল দিলে, উৎসাহ যোগালে। এইদৰেই কৃষ্ণক সহায় কৰি কবীৰদেৱে কংসক মাৰিছিল। যি মোৰ (কবীৰদেৱৰ) ভকতক অত্যাচাৰ কৰিব তাৰ বংশ শেষ কৰি দিম বুলি কবীৰদেৱে কৈছে।

লঙ্কাৰ ৰাজ্য ৰাৱণৰ সৰু ভাই বিভীষণক দিয়া হল। শ্ৰীৰামে সীতাৰ অগ্নি পৰীক্ষা ললে। যদি ৰাৱণে সীতাৰ লগত মিলন কৰিছে সীতা অগ্নিত জলিব আৰু যদি নাই কৰা তেন্তে নজলে। পৰীক্ষাত সীতাক অগ্নিয়ে নজ্বলালে উপস্থিত লাখ-লাখ ব্যক্তিয়ে সীতা মাতাৰ জয় গান গালে সীতাই সতী পদবী পালে। ৰাৱণৰ বধ আহিন মাহৰ শুক্ল পক্ষৰ দশমী তিথিত হৈছিল।

ৰাৱণ বধৰ ২০ দিন পিছত চৈধ্য বছৰৰ বনবাস সম্পূৰ্ণ কৰি শ্ৰীৰাম, লক্ষ্মণ আৰু সীতা পুস্পক বিমানত বহি অযোধ্যা নগৰলৈ আহিল। সেইদিনা কাতিমাহৰ অমাৱস্যা আছিল। সেই আন্ধাৰ অমাৱস্যাত নিজৰ নিজৰ ঘৰৰ ভিতৰত আৰু ওখ স্থানত গাইৰ ঘিউ ব্যৱহাৰ কৰি বন্তি জ্বলাই শ্ৰীৰাম, সীতা আৰু লক্ষ্মণৰ আগমনৰ আনন্দ উপভোগ কৰিলে। ভৰতে নিজৰ ককায়েক শ্ৰী ৰামক ৰাজ্য ঘূৰাই দিলে। এদিন সীতা দেৱীয়ে শ্ৰীৰামচন্দ্ৰক ক'লে যে তেওঁ যুদ্ধ কৰা যোদ্ধা সকলক কিছু পুৰস্কাৰ দিব বিচাৰে। পুৰস্কাৰ হিচাবে সীতাই হনুমানক নিজৰ ডিঙিৰ আচল মানিকৰ মালা খুলি দিলে আৰু ক'লে, হে হনুমান এই অমূল্য উপহাৰ মই আপোনাক দিছোঁ যত্ন কৰি ৰাখিব। হনুমানে সেই মালাৰ পৰা মানিক উলিয়ালে আৰু ভাঙিলে। এটা দুটা কৈ সকলো মানিক ভাঙি মাটিত পেলালে। সীতাক হনুমানৰ এনে আচৰণ ভাল নালাগিল। খঙত ক'লে, হে মুৰ্খ, এয়া কিয় কৰিলে ? এনে অমূল্য মালাৰ সৰ্বনাশ কৰি দিলে বান্দৰ বান্দৰেই হয় ।মোৰ চকুৰ পৰা আঁতৰ হোৱা সেই সময়ত শ্ৰীৰামচন্দ্ৰও সীতাৰ লগতে সিংহাসনত বহি আছিল। তেওঁ নিজেও হনুমানৰ এই ব্যৱহাৰ ভাল পোৱা নাছিল আৰু মনে মনে থাকিল। হনুমানে কলে, মাতা যি বস্তুত ৰাম নাম চিত্ৰিত হোৱা নাই, সেই বস্তু মোৰ কোনো কামৰ নহয়। মই মানিক ভাঙি চাঁলো, ভিতৰত ৰাম-নাম দেখা নাপালোঁ। গতিকে মোৰ প্ৰয়োজনৰ নহয়। সীতাই কলে, কি তোমাৰ শৰীৰত ৰাম নাম লিখা আছে। এই শৰীৰক কিয় লৈ ফুৰিছা ? ইয়াক ফালি পেলাই দিয়া। লগে লগে হনুমানে বুকুফালি দেখুৱালে তাত ৰাম নাম লিখা আছিল। সেই সময়তে হনুমান অযোধ্যা ত্যাগ কৰি বহু দূৰলৈ গুচি গ'ল।

শ্ৰীৰামচন্দ্ৰ নিজৰ অযোধ্যা নগৰ প্ৰজাৰ দুখ-কষ্টৰ বুজ লবলৈ গোপনে ৰাতি ছদ্মবেশত ঘূৰি ফুৰিছিল। কিছু বছৰ পিছত এনেদৰে বিচৰণ কৰোতে এটা ঘৰৰ পৰা জোৰেৰে কোনো শব্দ ওলোৱা শুনিলে । ৰজা ৰামচন্দ্ৰই ওচৰলৈ গৈ কথা বতৰা শুনিলে। এজন ধোবাৰ পত্নী কাজিয়া কৰি ঘৰৰ পৰা ওলাই গৈছিল। দুই তিনি দিন বাহিৰত থাকি আহিছে। মই তোমাক ঘৰত নাৰাখোঁ, তুমি কলংকিত হলা। ধুবুনীয়ে ভগৱানৰ নাম লৈ, ৰজা ৰামৰ নাম লৈ শপত খাই কৈ আছিল যে তাই পবিত্ৰ হৈ আছে। আপুনি মাৰপিট কৰাত মই নিজৰ ভণীৰ ঘৰলৈ গৈছিলোঁ, মই নিৰ্দোষী ধোবাই ক'লে, মই দশৰথ পুত্ৰ ৰামচন্দ্ৰ নহওঁ যে বছৰ বছৰ ধৰি ৰাৱণৰ

লগত থকা নিজৰ কলঙ্কিত পত্নীক ঘৰলৈ লৈ আহিম। অযোধ্যা নগৰত সকলোৱে কোৱা মেলা কৰি আছে। এনে ব্যক্তি কেনেকৈ জীয়াই আছে যাৰ পত্নী অপবিত্ৰ হৈছে। ৰজা ৰামে ধোবাৰ মুখেদি এই কথা শুনি এনে অনুভৱ কৰিলে যেন কাণত গৰম তেল হে পৰিছে।

পিছদিনা ৰামে সভা মাতিলে আৰু নগৰত চৰ্চা হৈ থকা বিষয়টো সভাত দাঙি ধৰিলে আৰু ক'লে যে সেই চৰ্চা তেতিয়াহে বন্ধ হব যেতিয়া তেওঁ সীতাক ঘৰৰ পৰা উলিয়াই দিব। তুৰন্তে সীতাক মাতি অনা হ'ল আৰু ঘৰৰ পৰা ওলাই দিয়াৰ আদেশ দিয়া হ'ল। কাৰণো জনোৱা হ'ল। সীতাই বিনয়ৰ সুৰত ক'লে, হে স্বামী আপুনি মোৰ অগ্নি পৰীক্ষা লৈছিল। মই আত্মাৰে কওঁ ৰাৱণে মোৰ লগত মিলন কৰা নাই। কাৰণ এজন ঋষিয়ে ৰাৱনক অভিশাপ দিছিল যে যদি তেওঁ কোনো পৰস্ত্ৰীৰ লগত বলৎকাৰ কৰে, তেওঁৰ মৃত্যু হ'ব। যদি পৰস্ত্ৰীৰ সন্মতি লৈ মিলন কৰে, তেনেকুৱা নহ'ব, মৃত্যু নহ'ব। যি কাৰণে ৰাৱণে মোক সেই উদ্দেশ্যৰে স্পৰ্শও কৰিব নোৱাৰিলে। হে প্ৰভূ! মই এতিয়া গৰ্ভৱতী এনে অৱস্থাত মই কলৈ যাওঁ ? ৰাৱনৰ দৰে ব্যক্তিৰ অভাৱ নাই। ৰামচন্দ্ৰ আদেশ দি সভা এৰি গ'ল। যাওঁতে কৈ গ'ল যে তেওঁ নিন্দাৰ পাত্ৰ হ'ব নোৱাৰে। তেওঁৰ বংশ কলংকিত হ'ব। সীতা দেৱীৰ এনে অনুভৱ হ'ল যে ভৰিৰ তলৰ মাটি খহি পৰিল। চকুৰ আগত অন্ধকাৰ দেখিলে। সংসাৰত নিজৰ জীৱন চুটি হৈ অহা যেন বোধ হ'ল।

সীতা অযোধ্যা এৰি গুচি গ'ল। ঘূৰি-ঘূৰি নিজৰ ৰামক আৰু তেওঁৰ মহলবোৰ চোৱাৰ চেষ্টা কৰিলে আৰু দূৰ জঙ্গলত ঋষি বাল্মীকিৰ জুপুৰিৰ ওচৰত ভাগৰি পৰাত মাটিত ঢলি পৰিল, অচেতন হ'ল। ঋষি বাল্মীকি গা-ধূবলৈ বুলি আশ্ৰমৰ পৰা ওলাল। সন্মুখত গৰ্ভৱতী অৱস্থাৰ যুৱতী এগৰাকী পৰি থকা দেখি ওচৰলৈ গ'ল। নিজৰ আশ্ৰমৰ পৰা ঔষধ আনিলে। সীতাৰ মুখত দিলে, গৰমৰ দিন আছিল। চেঁচা পানী মুখমণ্ডলত ছটিয়াই দিলে। লগে-লগে সীতাই সজ্ঞান ঘূৰাই পালে আৰু উঠি বহিল। ঋষিয়ে নাম আৰু গাওঁ সোধাত কলে যে ওপৰত আকাশ আৰু তলত পৃথিৱী আছে। ইয়াৰ বেছি একোকে কব নিবিছাৰিলে। ঋষি সকল দয়ালু হয়। তেখেতে ক'লে, সংসাৰত স্বাৰ্থৰ বাহিৰে একো নাই। পৰমাত্মাক ধন্যবাদ কৰা, তুমি মোৰ আশ্ৰমলৈ আহিছা। পুত্ৰী, মোক নিজৰ পিতা বুলি ভাৱি মোৰ লগতে থাঁকা। সীতা ঋষি বাল্মীকিৰ আশ্ৰমত থাকিবলৈ ধৰিলে। ঋষিয়েও আৰু বেছি একো সোধ পোছ নকৰিলে।

পৰমেশ্বৰ কবীৰদেৱ ত্ৰেতা যুগত ঋষি মুনীন্দ্ৰৰ ৰূপ ধৰি লীলা কৰিবলৈ আহিছিল। তেখেতে হনুমানক লগ ধৰিলে। "সৎ সাহেব" বুলি সম্বোধন কৰিলে। হনুমানে ৰাম ৰাম বুলি কৈ ঋষিদেৱৰ সৎকাৰ কৰি বহিবলৈ অনুৰোধ কৰিলে। দুয়ো আসন গ্ৰহণ কৰিলে। হনুমানে ঋষিক চিনি পাবলৈ চেষ্টা কৰিব ধৰিলে। ঋষিয়ে কলে, কি ভাবি আছা, হনুমান ? মই সেইজন ঋষি হওঁ মোৰ আশ্ৰমত বান্দৰে সীতাৰ খাৰু কলহত ভৰাইছিল। তাত অন্য খাৰু বোৰো আছিল যি সীতাৰ খাৰুৰ সৈতে সাইলাখ(হুবহু) একেই। হে হনুমান, সেই খাৰু কেনে আছিল ? হনুমানে লগে লগে চিনি পালে প্ৰণাম কৰিলে। হনুমানে ঋষিদেৱ অহাৰ কাৰণ সুধিলে। পৰমেশ্বৰ কবীৰদেৱে (মুনীন্দ্ৰ ঋষিৰ বেশত) কলে, হে পৱন পুত্ৰ! মই আপোনাক ভক্তি জ্ঞান দিবলৈ আহিছো। আপুনি দশৰথ পুত্ৰ শ্ৰীৰামচন্দ্ৰৰ পূজা পূৰ্ণ পৰমাত্মাৰ ৰূপত কৰি আছে।

আপুনি ভ্ৰমিত হৈছে, যি জনৰ জন্ম-মৃত্যু হয়, তেওঁ পূৰ্ণ পৰমাত্মা হ’ব নোৱাৰে। পূৰ্ণ পৰমাত্মা অবিনাশী হয়, হনুমানে ক’লে, হে ঋষিবৰ মই আপোনাৰ কথাত আহত হওঁ মোৰ ভাৱ আঘাত প্ৰাপ্ত হয়, আপুনি অন্য বিষয়ৰ চৰ্চা কৰক। পৰমেশ্বৰ কবীৰদেৱে কলে যে যদি কোনো ব্যক্তি ভূল পথেৰে গৈ আছে, তেওঁ সেই পথক সঠিক বুলি গৈ আছে, যিটো পথ ডকাইতৰ আড্ডালৈ যায় আৰু কোনো ভদ্ৰ পুৰুষে কয় যে আপুনি গৈ থকা পথত ডকাইতিৰ ভয় আছে, আগলৈ ডকাইতৰ আড্ডা আছে, মাৰপিট কৰি, লুটি নিব আকৌ সেই পথিকে যদি কয় বোলে আপুনি মোৰ ভাৱত আঘাত হানিছে তেতিয়া তেওঁ কিমানখিনি সত্য কৈছে। হনুমানে মনে মনে থাকিল। কিন্ত মিচিকিয়া হাঁহি মাৰিলে, যেন কব বিচাৰিছে আপুনি সত্য কৈ আছে। হনুমানৰ চেহেৰাত শান্তিৰ চাপ দেখি পৰমেশ্বৰে ক’লে যে শ্ৰীৰামচন্দ্ৰ, শ্ৰীবিষ্ণুৰ অৱতাৰ হয়। শ্ৰীবিষ্ণু, শ্ৰীব্ৰহ্মা আৰু শ্ৰীশিৱৰ পিতা কাল ব্ৰহ্ম হয়। এওঁক জ্যোতি নিৰঞ্জনো কয়। নিজৰ ভূলৰ কাৰণে কালে অভিশাপ পাই থৈছে যে তেওঁ প্ৰতিদিনে এক লাখ মানৱ শৰীৰ ধাৰী প্ৰাণী খাব লাগিব। এক লাখ পঁচিশ হাজাৰ দিনে উৎপন্ন কৰিব। সেই বাবে কালে নিজৰ তিনি পুত্ৰক এটা এটা বিভাগৰ স্বামী কৰি থৈছে। শ্ৰী ব্ৰহ্মাজী ৰজগুণ হয় যাৰ প্ৰভাৱত সকলো প্ৰাণী প্ৰেৰিত হৈ সন্তান উৎপত্তি কৰে। এই কাৰণতে ভূলতে ব্ৰহ্মাক উৎপত্তি কৰ্তা বুলি মানি লোৱা হৈছে। উৎপত্তি কৰ্তা পূৰ্ণ পৰমাত্মা নিজেই।

কালে নিজৰ দ্বিতীয় পুত্ৰ বিষ্ণুক কৰ্ম অনুসাৰে পালন কৰাৰ বিভাগ দি থৈছে। বিষ্ণু সৎগুণ হয়। কালে তৃতীয় পুত্ৰ তমোগুণী শিৱক সেই এক লাখ মানৱ শৰীৰ ধাৰী প্ৰণীক মাৰি তেওঁৰ ওচৰলৈ পঠিওৱাৰ বিভাগ দি থৈছে, কালে নিজে অব্যক্ত (গুপ্ত) হৈ থাকে। আপুনি দেখি আছে, ইয়াত কোনো জীৱ অমৰ নহয়, দেৱতাৰো মৃত্যু হয়। ব্ৰহ্মা, বিষ্ণু, শিৱও জন্ম লৈ মৰি যায়, এওঁলোকে সম্পূৰ্ণ আয়ু জীয়াই থাকি, সকলোৰে বৃদ্ধ অৱস্থাও হয়। অন্য এটা লোক আছে য’ত বৃদ্ধাৱস্থাও নাই মৰণো নাই, তাত কোনো ৰাৱণে কাৰো পত্নীৰ অপহৰণ নকৰে হনুমানৰ চকুৰ আগতে লঙ্কাত হোৱা ৰাম ৰাৱণৰ যুদ্ধত অসংখ্য ব্যক্তি আৰু অন্য প্ৰাণী মৰিছিল। এই সকলো ধ্বংস লীলা এজনী সীতাক ৰাৱণৰ হাতৰ পৰা এৰুৱাবলৈ কৰা হ’ল, হনুমানে নিজৰ প্ৰাণকো নেওচি শ্ৰী ৰামচন্দ্ৰৰ কাৰণে লঙ্কা জ্বলালে। ৰাৱণৰ ভাই অহিৰাৱণ পাতালৰ ৰজা আছিল। তেওঁ ৰাম-লক্ষ্মণক অপহৰণ কৰি বলি দিবলৈ উদ্যত হৈছিল। হনুমান তালৈ গল আৰু দুয়োকে জীৱিত আনিলে। এনেদৰে ৰামৰ সামৰ্থৰ বৰ্ণনা কৰি কবীৰদেৱে (মুনীন্দ্ৰ ঋষি) হনুমানক প্ৰশ্ন কৰিলে, এতিয়া আপুনিয়ে কওক তেওঁ পৰমাত্মা হয়নে ? এবাৰ নাগপাশ অস্ত্ৰ প্ৰয়োগ কৰি সাপে শ্ৰীৰাম আৰু আপোনালোক সমস্ত সেনা আৰু লক্ষ্মণক পৰ্যন্ত বান্ধি পেলোৱাত আপোনালোক বিবশ হৈ পৰিছিল। কিছু সময়ৰ পিচতে ৰাৱণৰ সেনাই আপোনালোকক সহজে কাটি পেলালে হয়। সেই সময়ত গৰুড়ক মতা হ’ল। তেওঁ নাগ (সাপ) ক কামুৰি ছিঙিলে। আপোনালোক আৰু ৰাম বন্ধন মুক্ত হ’ল। যদি পৰমাত্মা ইমানেই বিবশ হয় যে নিজৰ বান্ধ পৰ্যন্ত খুলিব নোৱাৰে তেতিয়া তেওঁৰ পূজাৰী সকলৰ কি হ’ব ? চিন্তা কৰি চাওক।

কাটে বন্ধত বিপত মে, কঠিন কিয়ো সংগ্ৰাম।

চিহ্নোৰে নৰ প্ৰাণীয়ো, গৰুড় বড়ো কে ৰাম।।

শব্দাৰ্থ ঃ এই বাণীৰ শব্দাৰ্থ ওপৰত দিয়া আছে।

হনুমানে ক'লে, হে ঋষি সাগৰত সাকোঁ দিয়া কাম সাধাৰণ ব্যক্তিয়ে কৰিব পাৰেনে ? পৰমাত্মা অবিহনে এই কাম কৰা অসম্ভৱ।

সমুন্দৰ পাটি লংকা গয়ো সীতা কো ভৰতাৰ।
অগস্ত ঋষি সাতোঁ পীয়ে, ইনমে কৌন কৰতাৰ।।

শব্দাৰ্থ ঃ যদি আপুনি সাগৰত সাকোঁ দিওঁতে শ্ৰীৰামচন্দ্ৰক পৰমাত্মা বুলি ভাৱে তেতিয়াহলে অগস্ত্য ঋষিয়ে সাতোটা সাগৰৰ পানী খাই শেষ কৰিছিল। এতিয়া এই দুজনৰ মাজত পৰমাত্মা কোন ?

মুনীন্দ্ৰ ঋষিয়ে ক'লে, আপুনি পাহৰি গ'ল নেকি ? এজন ঋষি আহিছিল। তেওঁ পৰ্বত এটাৰ শিলবোৰক নিজৰ লাঠীৰে ৰেখা টানি ওজন নোহোৱা কৰি দিছিল। তেতিয়া শিল ওপঙিছিল আৰু সাকোঁ তৈয়াৰ হৈছিল। ৰামচন্দ্ৰই তিনি দিন ধৰি ৰাস্তাৰ বাবে সমুদ্ৰক প্ৰাৰ্থনা কৰি আছিল। নল-নীলৰ কথাও সাগৰে কৈ দিছিল। হনুমানে ক'লে, তেওঁ বিশ্বকৰ্মা আছিল ৰামচন্দ্ৰই মতাত ছদ্মবেশ ধৰি আহিছিল। পৰমেশ্বৰ কবীৰদেৱে কলে যে বিশ্বকৰ্মাই সাকোঁ নিৰ্মাণ কৰিব পাৰে, পানীত শিল ওপঙাব নোৱাৰে। নল-নীলৰ হাতত শক্তি আছিল। তেওঁলোকৰ হাতেৰে থোৱা বস্তু পানীৰ ওপৰত ওপঙিছিল। সেই দিনা তেওঁলোকৰ অভিমান হ'ল শক্তি শেষ হল। সেই আশীৰ্বাদ মই দিছিলোঁ। হনুমানে ক'লে, আপুনি ঋষি মুনীন্দ্ৰ নে? পৰমেশ্বৰে ক'লে, হয়। আপুনি নিজৰ প্ৰাণলৈ ভয় নকৰি ৰামচন্দ্ৰৰ বাবে কি কৰা নাছিল ? যেতিয়া সীতাই আপোনাক অপশব্দ ক'লে আৰু ঘৰ এৰি যাবলৈ ক'লে তেতিয়া শ্ৰীৰাম তাতেই বহি আছিল। এবাৰো সীতাক নক'লে যে তেনেকুৱা কৰিব নালাগে। পৱন পুত্ৰই অন্তৰৰ পৰা এই কথা স্বীকাৰ কৰিছিল। কিন্ত ওপৰে ওপৰে কলে যে লোকৰ আলোচনা কৰিব নাপায়, মুনীন্দ্ৰই কলে সত্য কলে আলোচনা কৰা নহয়। যদি শ্ৰীৰামচন্দ্ৰ আৰু সীতাৰ কোনো ভাল গুণ থাকিলে হয়, তেতিয়া আজীৱন আপোনাৰ সহায়-সহযোগ নেপাহৰিলে হয় আৰু নিজৰ চৰণত থলে হয়। আপুনি তেওঁলোকৰ অবিহনে জীয়াই থাকিবও নিবিচাৰে আৰু শুনক, আপোনাৰ প্ৰতি কৰা ব্যৱহাৰৰ উচিত ফল সীতা আৰু ৰামচন্দ্ৰই পালে। কিছুবছৰ পিছত ৰামে সীতাক ঘৰৰ পৰা উলিয়াই দিলে। সেই সময়ত সীতা গৰ্ভৱতী আছিল। এই কথা শুনি হনুমানৰ চকুৰ পৰা চকুলো বৈ পৰিল আৰু ঋষিৰ চৰণত ঢলি পৰিল। মুখেৰে একো নামাতিলে। অযোধ্যাবাসী সকলে দুবছৰ দীপান্বিতা আৰু দূৰ্গা পূজা পালন কৰিছিল। তাৰ পিছত পালন কৰিবলৈ এৰি দিছিল। কাৰণ যিজনী দেৱী (সীতা) ৰ বাবে ৰাৱণক মৰা হল, আকৌ সেইজনীয়ে কিমান ৰাৱণৰ পৰা কষ্ট পাই আছে, কোনে জানে ? দীপান্বিতা আনন্দৰ প্ৰতীক। যেতিয়া ৰজা ৰাণী বেলেগ বেলেগ হ'ল, তেতিয়া দীপান্বিতা ৰজায়ো ভাল নাপালে, প্ৰজায়ো ভাল পোৱা নাছিল। সেইকাৰণে দীপান্বিতাৰ উৎসৱ সেই সময়ৰ পৰাই বন্ধ হৈ পৰিছিল। যি দুবছৰ পালন কৰা হৈছিল, তাৰ ভিত্তিতেই সহজ-সৰল জনতাই এই উৎসৱ পালন কৰি আছে।

এই দৰেই "দশহৰা" আৰু "ৰাৱন দহন" ৰ পৰম্পৰা প্ৰচলিত হৈ আহিছে। যদি

কাৰোবাৰ ঘৰত কোনো ব্যক্তিৰ মৃত্যু হয় তেতিয়া সেই পৰিয়ালে আৰু সম্পৰ্কীয় সকলে কোনো উৎসৱ পালন নকৰে।

হনুমানে ক'লে, “প্ৰভূ পৰমেশ্বৰৰ চৰ্চা কৰক”। কবীৰ পৰমেশ্বৰে সৃষ্টি ৰচনা শুনালে। সত্য কথা শুনি হনুমান গদ গদ হ'ল। সত্যলোক চাবৰ বাবে প্ৰাৰ্থনা জনালে। পৰমেশ্বৰ আকাশলৈ উৰা মাৰিলে, হনুমানে চাই আছিল। পৰমাত্মা অলপ সময় অন্তৰ্দ্ধান হ'ল। হনুমান চিন্তিত হ'ল যে এতিয়া এই ঋষিক ক'ত লগ পাব। সিমানতেই আকাশত পোহৰ দেখা গল। হনুমানক দিব্য দৃষ্টি প্ৰদান কৰি সত্যলোক দেখুৱালে। ঋষি মুনীন্দ্ৰক সিংহাসনত বহি থকা দেখা পোৱা গ'ল। তেওঁৰ শৰীৰৰ প্ৰকাশ (আভা) অত্যাধিক আছিল। মূৰত মুকুট আৰু ৰজাৰ দৰে ছত্ৰ আছিল। কিছু সময় সেই দৃশ্য দেখুৱাই দিব্য দৃষ্টি সমাপ্ত কৰি দিলে, মুনীন্দ্ৰদেৱ তললৈ আহিল। হনুমানে বিশ্বাস কৰিলে তেওঁ পৰমাত্মা হয়। সত্যলোক সুখৰ ঠাই হয়, পৰমেশ্বৰ কবীৰদেৱৰ পৰা দীক্ষা ল'লে। নিজৰ জীৱন ধন্য (কৃতাৰ্থ) কৰিলে। মুক্তিৰ অধিকাৰী (যোগ্য) হৈ পৰিল। এইদৰে পৱিত্ৰ আত্মা, পৰমাৰ্থী আত্মাক সংসাৰ আৰু কালৰ স্বামী সকলে পৰোপকাৰৰ ফল নিদিলেও পৰমেশ্বৰে এনে আত্মাক শৰণত অৱশ্য লয় কিয়নো এনে আত্মাইহে পৰম ভক্ত হৈ ভক্তি কৰি মোক্ষ প্ৰাপ্ত কৰে। যি সাংসাৰিক ব্যক্তিয়ে পৰমাৰ্থীক বিশ্বাস ঘাতকতা কৰে, সেই সকলে আজীৱন কষ্টময় জীৱন অতিবাহিত কৰিব লাগিব।

শ্ৰীৰামচন্দ্ৰ অন্তিম সময়ত নিজৰেই পুত্ৰ লব আৰু কুশৰ হাতত পৰাজিত হ'ল। সীতাই তেওঁক চাবলৈও উচিত নাভাবিলে। চাই থাকোঁতেই পৃথিৱীৰ ভিতৰত সোমাই গল। এনে গ্লানি (অপমান/অপযথ) সহিব নোৱাৰি শ্ৰীৰাম চন্দ্ৰই অযোধ্যাৰ কাষেৰে বৈ যোৱা সৰযু নদীত জাপ মাৰি নিজৰ জীৱন লীলা জল সমাধি লৈ সমাপ্ত কৰিলে। পৰমাৰ্থী হনুমানে, নিস্বাৰ্থভেৱে দুখত, কষ্টত থকা লোক সকলক কৰা সহায়ৰ ফল পালে। পৰমাত্মা নিজেই আহি মোক্ষৰ পথ দেখুৱালে। জীৱৰ কল্যাণ হল। হনুমানে আকৌ মানৱ জীৱন প্ৰাপ্ত কৰিব। তেতিয়া পৰমেশ্বৰ কবীৰদেৱে তেখেতক শৰণত লৈ মুক্ত কৰিব। সেই আত্মাত সত্য ভক্তিৰ বীজ সিঁচা হৈছে।

### আমি কালৰ জালত কেনেকৈ বন্দী হলোঁ।

ইয়াৰ উত্তৰ এই পুথিৰ ২৪৬ ৰ পৰা ২৯৭ পৃষ্ঠাত “সৃষ্টি ৰচনা” অধ্যায়ত অনুগ্ৰহ কৰি পঢ়িব।

### কবীৰ পৰমেশ্বৰৰ কালৰ লগত বাৰ্ত্তা

এতিয়া আমি কাল ব্ৰহ্মৰ লোকত বাস কৰি আছোঁ। আত্মাৰ ওপৰত স্থুল শৰীৰ মেৰিয়াই কালে জীৱ তৈয়াৰ কৰিলে, কালে জীৱক ভ্ৰমিত কৰি ৰাখিছে। আত্মাৰ জনক পূৰ্ণ পৰমাত্মাক জীৱই পাহৰি গৈছে। কালে নিজকে পৰমাত্মা প্ৰমাণিত কৰিছে, কালে পৰমাত্মাৰ অংশ জীৱাত্মাক কষ্ট দিয়ে যাতে পৰমাত্মাই দুখ পাওক। কাল মন ৰূপত প্ৰত্যেক আত্মাৰ লগত থাকে, ভুল কৰিবলৈ দিয়ে, জীৱআত্মাই শাস্তি ভোগ কৰে। যেনে মদ আদি নিচাজাতীয় বস্তুৰ সেৱন কৰাটো অভ্যাসত পৰিণত কৰি দিয়ে। বলৎকাৰ কৰিবলৈ বাধ্য কৰে আৰু অন্য পাপ ও কৰিবলৈ দিয়ে। এইবিলাক কাম মনক প্ৰেৰিত কৰি কালে কৰিবলৈ বাধ্য কৰে। যেতিয়া আপুনি লেখক (সন্ত ৰামপাল) ৰ পৰা দীক্ষা লব, তেতিয়া কাল পোন (সৰল) হ'ব। কিয়নো

জীৱআত্মাৰ লগত পৰমাত্মাৰ শক্তি থাকিব। আত্মাৰ তত্বজ্ঞানৰ দ্বাৰা বিবেক হ'ব। পৰমাত্মাৰ শক্তিৰ বাবে আত্মা দৃঢ় হৈ যায়। কাল ব্ৰহ্মই কেৱল কবীৰ পৰমাত্মাক হে ভয় কৰে। সন্ত গৰীবদাস দেৱে কৈছে ঃ

কাল ডৰৈ কৰতাৰ সে, জয় জয় জগদীশ।
জৌৰা জোড়ী ঝাড়তা, পগ ৰজ ডাৰে শীশ।।
গৰীব, কাল জো পীসে পীসনা, জৌৰা হৈ পনিহাৰ।
য়ে দো অসল মজদূৰ হৈ, সৎগুৰু কবীৰ কে দৰবাৰ।।

ভাৱাৰ্থ স্পষ্ট হৈ আছে। পৰমাত্মা কবীৰদেৱে আমাৰ আত্মাক কালৰ জালৰ পৰা উলিয়াই নিবলৈ চেষ্টা কৰি আছে। কালব্ৰহ্মই আমাক ফান্দত পেলোৱাৰ চেষ্টা কৰে। আগৰ প্ৰকৰণত ইয়াৰ প্ৰত্যক্ষ প্ৰমাণ আছে।

যেতিয়া পৰমেশ্বৰে সৰ্বব্ৰহ্মাণ্ডৰ ৰচনা কৰি নিজৰ লোকত বিশ্ৰাম কৰিবলৈ ধৰিলে তেতিয়া আমি সকলোৱে কাল ব্ৰহ্মাণ্ডৰ লোকত বসবাস কৰি নিজৰ কৰ্মফলৰ কৰ্মদণ্ড ভোগ কৰিবলৈ ধৰিলোঁ আৰু বহুতো দুখ-কষ্ট সহিব লগীয়াত পৰিলোঁ। সুখ-সান্তি বিচাৰি হাবাথুৰি খাব ধৰিলোঁ আৰু নিজৰ ঘৰ সত্যলোকৰ কথা মনত আহিব ধৰিলে আৰু তাত যাবলৈ ভক্তি সাধনা আৰম্ভ কৰি দিলোঁ। কোনোবাই চাৰিবেদ কণ্ঠস্থ, কৰিলে কোনোবাই তপ কৰিবলৈ ধৰিলে। লগতে হোম, যজ্ঞ, ধ্যান সমাধি আদি ক্ৰিয়া আৰম্ভ কৰিলে কিন্তু নিজৰ ঘৰ সত্যলোক যাব নোৱাৰিলে। কিয়নো ওপৰোক্ত ক্ৰিয়াবোৰ কৰা কাৰণে পৰৱৰ্ত্তী জনমত ভাল সমৃদ্ধ জীৱন প্ৰাপ্ত কৰি (যেনে ৰজা, মহাৰজা, ডাঙৰ বেপাৰী, ডাঙৰ বিষয়া, দেৱ-মহাদেৱ, স্বৰ্গ-মহাস্বৰ্গ আদি) আকৌ চৌৰাশী লাখ যোনি চক্ৰত ভ্ৰমিবলৈ ধৰিলোঁ। বহুত অশান্তিত থাকিবলৈ ধৰিলো আৰু পৰমপিতা পৰমেশ্বৰক প্ৰাৰ্থনা কৰিবলৈ ধৰিলোঁ যে হে দয়ালু আমাক নিজ ঘৰৰ ৰাস্তা দেখুওৱা। আমি হৃদয়েৰে আপোনাৰ ভক্তি কৰোঁ, আপুনি আমাক কিয় দৰ্শন নিদিয়ে ?

এই বৃত্তান্ত কবীৰ চাহেবে ধৰ্মদাসক বৰ্ণাই কৈছে যে এই জীৱৰ কাতৰ আহ্বান শুনি কবীৰ চাহেব সত্যলোকৰ পৰা যোগজীতৰ ৰূপত কাল লোকলৈ আহিল। তেতিয়া একৈশ ব্ৰহ্মাণ্ডত যত কালৰ নিজৰ ঘৰ আছে, গৰম শিলাখণ্ডৰ (তপতশীলা) ওপৰত মানুহৰ সুক্ষ্ম শৰীৰক সেক দি দুৰ্গন্ধ বাহিৰ কৰি আছিল। কবীৰ চাহেব আহি পোৱাত সেই প্ৰাণী সকলৰ জ্বলন বন্ধ হ'ল। তেওঁলোকে মোক (যোগজীত ৰূপত কবীৰ চাহেব) দেখি আপুনি কোন হয় বুলি সুধিলে। আপোনাৰ দৰ্শন হোৱা মাত্ৰকে আমি বৰ সুখ আৰু শান্তি অনুভৱ কৰি আছোঁ। তেতিয়া মই ক'লো যে মই পৰম ব্ৰহ্ম কবীৰ হওঁ। তোমালোক সকলো জীৱ কালব্ৰহ্মৰ লোকত আহি আৱদ্ধ হৈ আছা, এই কাল ব্ৰহ্মই প্ৰতিদিনে এক লাখ মানুহৰ সুক্ষ্ম শৰীৰৰ পৰা মল সদৃশ দুৰ্গন্ধযুক্ত পদাৰ্থ উলিয়াই খায় আৰু শেষত নানা প্ৰকাৰৰ যোনিত শাস্তি ভোগ কৰিবলৈ জীৱবোৰক জন্ম দিয়ে। তেতিয়া সেই জীৱআত্মবোৰে কবলৈ ধৰিলে, হে দয়ালু পৰমেশ্বৰ আমাক এই কাল ব্ৰহ্মৰ জেলৰ পৰা মুক্ত কৰি দিয়ক। যোগজীত ৰূপত কবীৰদেৱে ক'লে যে এই ব্ৰহ্মাণ্ড কাল ব্ৰহ্মই তিনিবাৰ তপস্যা কৰি তেওঁৰ পৰা প্ৰাপ্ত কৰিছে আৰু জীৱবোৰে যিবোৰ বস্তু ইয়াত ব্যৱহাৰ কৰি আছে এই সকলো কালৰ হয় আৰু সকলো জীৱ নিজ ইচ্ছা

অনুসৰি ইয়াত ফুৰিবলৈ আহিছে। এই বাবে জীৱৰ ওপৰত কাল ব্ৰহ্মৰ বহুত ঋণ হৈছে আৰু সেই ঋণ কবীৰদেৱৰ সত্য নামৰ জাপ নকৰাকৈ পৰিশোধ কৰিব নোৱাৰে।

যোগজীত ৰূপী কবীৰদেৱে আকৌ কলে, যেতিয়ালৈকে তোমালোক ঋণ মুক্ত নোহোৱা তেতিয়ালৈকে কালব্ৰহ্মৰ জেলৰ পৰা ওলাই যাব নোৱাৰা। ইয়াৰ বাবে তোমালোকে মোৰ পৰা নাম দীক্ষা লৈ ভক্তি কৰিব লাগিব। তেতিয়া মই তোমালোকক মুক্ত কৰি লৈ যাম। আমি এনেদৰে কথা বতৰা পাতি থাকোঁতেই তাত কাল ব্ৰহ্ম প্ৰকট (উপস্থিত) হ'ল আৰু খংত মোৰ ওপৰত আক্ৰমণ কৰিলে। মই মোৰ বাক শক্তিৰে তাক অচেতন কৰি দিলোঁ। কিছু সময় পিছত চেতনা ঘূৰাই পালে। মোৰ ভৰিত পৰি ক্ষমা খুজি ক'লে যে তাৰ তুলনাত মই বয়সত ডাঙৰ, মই তাক দয়া কৰিব লাগে। কাল ব্ৰহ্মক মই কলো কিছুমান জীৱাত্মা ভক্তি কৰি নিজৰ ঘৰ সত্যলোকলৈ উভতি যাব খোজে। তেওঁলোকে সত্যভক্তিৰ পথ বিচাৰি পোৱা নাই। সেই কাৰণে তেওঁলোক ভক্তি কৰাৰ পিছতো এই লোকতে (কালৰ লোক) ৰৈ যায়। তুমি কাল হোৱা প্ৰতিদিনে এক লাখ জীৱৰ আহাৰ কৰা আৰু এক লাখ পঁচিশ হাজাৰ জীৱ উৎপন্ন কৰা আৰু স্বয়ম্ভূ ভগৱান হৈছা। এই কথা শুনি কালে ক'লে, যদি সকলো জীৱ সত্যলোকলৈ যায় তেতিয়া মোৰ ভোজনৰ ব্যৱস্থা ক'ৰ পৰা হব মই অনাহাৰে মৰিম। আপোনাক মই প্ৰাৰ্থনা কৰিছো যে তিনিটা যুগত জীৱ কম সংখ্যাত লৈ যাব। সকলোকে মোৰ ৰহস্যৰ বিষয়ে সদৰি নকৰিব যে ময়েই কাল, মই সকলোকে খাঁও। কলি যুগত যিমান পাৰে জীৱ লৈ যাব। উপৰোক্ত বচন কালে মোৰ (কবীৰদেৱৰ) পৰা প্ৰাপ্ত কৰিলে। কবীৰ চাহেবে ধৰ্মদাসক আকৌ কলে যে সত্য, ত্ৰেতা, দ্বাপৰ যুগতে তেওঁ আহিছিল আৰু বহুতো জীৱক সত্যলোক লৈ গলো কিন্তু কালৰ ৰহস্য কাকো কোৱা নাছিলো। এতিয়া কলি যুগত আহিছো কালৰ লগত বাৰ্তা হৈছে কাল ব্ৰহ্মই মোক ক'লে যে এতিয়া আপুনি যিমান বলেৰে পাৰে সিমান জীৱ লৈ যাওক, এতিয়া আপোনাৰ কথা কোনেও নুশুনে। কালে ক'লে যে প্ৰথম কথা হ'ল কালে জীৱক ভক্তিৰ যোগ্যই কৰি থোৱা নাই। বিড়ি, চিগাৰেট, মদ, মাংস আদি অখাদ্যৰ অভ্যাস কৰাই জীৱৰ স্বভাৱ নষ্ট কৰি থৈছে। নানা প্ৰকাৰৰ পাষণ্ড পুজাত জীৱাত্মা সকলক অভ্যস্ত কৰি থৈছে। কালে কয়, দ্বিতীয় কথা এইটো হব যে যেতিয়া আপুনি আপোনাৰ সত্য জ্ঞান প্ৰদান কৰি নিজ লোকলৈ উভতি যাব তেতিয়া মই (কাল ব্ৰহ্ম) নিজৰ দূতক পঠাই আপোনাৰ পন্থৰ লগত সাদৃশ্য থকা বাৰটা পন্থ প্ৰচলন কৰি জীৱক ভ্ৰমিত কৰি দিম। সত্যলোকৰ মহিমা বৰ্ণনা কৰিম, প্ৰবচনত আপোনাৰ জ্ঞানৰ কথা কম, কিন্তু নাম জপ মোৰহে কৰিব, পৰিণাম স্বৰূপে মোৰে ভোজন হব। এই কথা শুনি কবীৰদেৱে কলে, তুমি তোমাৰ চেষ্টা চলাই যাবা, মই মোৰ সত্য মাৰ্গৰ বিষয় জ্ঞান দিয়াৰ পিছতহে উভতি যাম আৰু যি মোৰ সত্য জ্ঞান শুনিব তেওঁ তোৰ প্ৰলোভনত কেতিয়াও নপৰে। সৎগুৰু কবীৰ চাহাবে কয় হে নিৰঞ্জন মই ইচ্ছা কৰিলে তোমাৰ সকলো নাটক মুহুৰ্ততে শেষ কৰিব পাৰো। কিন্তু তেনে কৰিলে মই নিজৰ বচন ভংগ কৰা হব। এনে ভাবি নিজৰ মৰমৰ হংসাত্মক যথাৰ্থ জ্ঞান দি বচন শক্তি প্ৰদান কৰি সত্য লোকলৈ লৈ যাম।

কহো কবীৰ সুনো ধৰ্মৰায়া হম শঙ্খো হংসা পদ পৰসায়া।

জিন লীনহা হমাৰা প্ৰবানা, সো হংসা হম কএ অমাণা।।

(পবিত্ৰ কবীৰ সাগৰত জীৱক ভ্ৰম, ভ্ৰান্তিত পেলাবৰ বাবে আৰু নিজৰ ভোক গুচাবলৈ কাল ব্ৰহ্মই কৰা নানা ধৰণৰ ছল চাতুৰীৰ বৰ্ণনা।

দ্বাদশ পন্থ কৰু মই সাজা, নাম তুমহাৰা লে কৰু অৱাজা।
দ্বাদশ যম সংসাৰ পঠহো, নাম তুমহাৰে পন্থ চলৈহো।।
প্ৰথম দূত মম প্ৰগটে জাই, পীছে অংশ তুমহাৰা আই।।
য়হী বিধি জীৱনকো ভ্ৰমাঊ, পুৰুষ নাম জীৱন সমঝাউ।।
দ্বাদশ পন্থ নাম জো লৈহে, সো হমৰে মুখ আন সমৈ হৈ।।
কহা তুমহাৰা জীৱ নহী মানে, হমাৰী ওৰ হোয় বাত বখানৈ।।
মই দৃঢ় ফন্দান ৰচী বনাই, জামে জীৱ ৰহে উৰঝাই।।
দেৱল দেৱ পাষাণ পুজাই, তীৰ্থ ব্ৰত জপ-তপ মন লাই।।
যজ্ঞ হোম আৰু নেম অছাৰা, ঔৰ অনেক ফন্দ মে ডাৰা।।
যো জ্ঞানী জাও সংসাৰা, জীৱ ন মানৈ কহা তুম্হাৰা।।

(সত্‌গুৰু বচন)

জ্ঞানী কহে সুনো অন্যাই, কাটো ফন্দ জীৱ লে জাই।।
জেতিক ফন্দ তুম ৰচে বিচাৰি, সত্য শব্দ তৈ সবৈ বিডাৰী।।
জৌন জীৱ হম শব্দ দৃঢ়াৱৈ ফন্দ তুমহাৰ সকল মুকাৱৈ।।
চৌকা কৰ প্ৰৱাণা পাই, পুৰুষ নাম তিহি দেউ চিহ্নাই।।
তাকে নিকট কাল নহী আৱৈ, সন্ধি দেখি তাকহ সিৰ নাৱৈ।।

ওপৰোক্ত বিৱৰণৰ পৰা প্ৰমাণ হল যে যি অনেক পন্থা বা ভক্তি মাৰ্গ চলি আছে সেইবোৰ কাল ব্ৰহ্মৰ দ্বাৰা প্ৰেৰিত আৰু প্ৰচাৰিত মাৰ্গ। এইবোৰ পন্থাত পৰমেশ্বৰ কবীৰদেৱৰ দ্বাৰা দিয়া সত্য ভক্তি সাধনা নাই। গতিকে বুদ্ধিমান জীৱই ভাবি চিন্তি ভক্তি পথ বিচাৰি লব লাগে কাৰণ মনুষ্য জন্ম অমূল্য হয় বাৰে বাৰে পোৱা নাযায়। কবীৰ চাহেবে কৈছে যে ঃ

*কবীৰ, মানুষ জন্ম দুৰ্লভ হৈ, মিলে ন বাৰম্বাৰ।*
*তৰুবৰ সে পত্তা টুট গিৰে বহুৰ ন লগতা ডাৰ।।*

**কাল নিৰঞ্জনে কবীৰ চাহেবক তিনিও যুগত কম জীৱক উদ্ধাৰ কৰি নিবৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ কৰিছিল।**

(তাৰে সম্পূৰ্ণ বিৱৰণ)

প্ৰশ্ন ঃ কবীৰ চাহেবৰ নামত চলা ১২ পন্থৰ মুৰব্বী কোন আৰু তেৰ নং (১৩) পন্থক কোনে পৰিচালনা কৰিব ?

উত্তৰ ঃ "কবীৰ সাগৰ" সংশোধন কৰ্ত্তা স্বামী যোগলানন্দ (বিহাৰী) দেৱে দুখ ব্যক্ত কৰি কয় যে সময়ে সময়ে কবীৰ সাগৰ গ্ৰন্থ খনক মনোমত ভাৱে সাল সলনি কৰি গ্ৰন্থখনৰ মূল জ্ঞানৰ পৰা আঁতৰাই ৰাখিছে।

উদাহৰণস্বৰূপে পৰমেশ্বৰ কবীৰ চাহেবৰ যৌগজীতৰ ৰূপত কাল ব্ৰহ্মৰ লগত বাদ-বিবাদ

হৈছিল। সুক্ষ্ম বেদবোধ পৃষ্ঠা ১১৭ ৰ পৰা ১২২ ত আৰু অনুৰাগ সাগৰ পৃষ্ঠা ৬০ ৰ পৰা ৬৭ ত তাৰ উল্লেখ আছে।

পৰমেশ্বৰ কবীৰ চাহেবে নিজৰ পুত্ৰ যৌগজীতৰ ৰূপত কাল ব্ৰহ্মৰ ২১ ব্ৰহ্মাণ্ডৰ প্ৰথম ব্ৰহ্মাণ্ডত তপত শিলা থকা ঠাইত প্ৰকট হৈছিল। কাল ব্ৰহ্মই যৌগজীত ৰ লগত বাদ বিবাদ কৰিলে। পিছত বাধ্য হৈ যৌগজীতৰ চৰণত পৰি ক্ষমা ভিক্ষা কৰি তেখেতৰ পৰা কিছু সুবিধা আদায় কৰিলে।

১. তিনিও যুগত (সত্য, ত্ৰেতা আৰু দ্বাপৰ) কম জীৱক উদ্ধাৰ কৰিব।

২. জীৱক বলপূৰ্বক উদ্ধাৰ নকৰা।

৩. জীৱক নিজৰ জ্ঞানৰ দ্বাৰা বুজাব যিয়ে আপোনাৰ জ্ঞান গ্ৰহণ কৰে সেই জীৱ আপোনাৰ আৰু যিয়ে আপোনাৰ জ্ঞানক গ্ৰহণ নকৰে সিহঁত মোৰ।

৪. কলি যুগত প্ৰথমে মোৰ বাৰ্ত্তাবাহক (গুৰু বিলাক) সংসাৰলৈ যাব আৰু পিছত হে আপোনাৰ (পৰমেশ্বৰৰ) বাৰ্ত্তাবাহক তত্বদৰ্শী সন্ত / শাস্ত্ৰগুৰু সংসাৰত আপোনাৰ জ্ঞান প্ৰচাৰ কৰিব।

৫. ত্ৰেতা যুগত মোৰ পুত্ৰ বিষ্ণু ৰাম অৱতাৰ লৈ সংসাৰলৈ যাব আৰু ৰাৱণৰ লগত যুদ্ধ হ’ব। যুদ্ধৰ সময়ত সাগৰে ৰামক লংকালৈ যাবলৈ পথ নিদিব। গতিকে আপুনি তেতিয়া সমুদ্ৰৰ ওপৰত সেতু বান্ধি দিব।

৬. দ্বাপৰ যুগত বৌদ্ধ শৰীৰ ত্যাগ কৰি যাম। ৰজা ইন্দ্ৰদমনে মোৰ (জগন্নাথ) নামেৰে সাগৰৰ পাৰত মন্দিৰ সাজিবলৈ যত্ন কৰিব আৰু সাগৰে তাক বাধা দিব আপুনি জগন্নাথ মন্দিৰক ৰক্ষা কৰিব তেতিয়া পৰমেশ্বৰ কবীৰ চাহেবে কাল ব্ৰহ্মৰ সকলো প্ৰাৰ্থনা স্বীকাৰ কৰিছিল। তৎক্ষণাতে কাল ভগৱানে হাঁহি হাঁহি ক’লে -

যৌগজীত আপুনি সংসাৰলৈ যাওঁক যি সময়ত কলিযুগৰ ৫৫০৫ বৰ্ষ সম্পূৰ্ণ হব সেইসময়ত মই নিজৰ বৰ্ত্তাবাহক ১২ জন অজ্ঞানী সন্ত সাধকক সংসাৰলৈ পঠিয়াম আৰু আপোনাৰ কবীৰ পন্থাৰ নামত ১২ টা পন্থা চলাই সমস্ত জীৱক অজ্ঞানেৰে ভ্ৰমিত কৰিম। পৰমেশ্বৰে যৌগজীত ৰূপত কাল ব্ৰহ্মক কৈছিল যে কলিযুগত মোৰ নাম কবীৰ হব আৰু মই কবীৰ পন্থা নামেৰে সত্যজ্ঞান প্ৰচাৰ কৰিম। সেইবাবে কাল ভগৱানে কলিযুগত কবীৰ পন্থা নামেৰে ১২ টা পন্থা চলালে। ইয়াৰ বাহিৰেও অনেক পন্থ চলাই সমস্ত জীৱক সৎলোক, সৎখণ্ড/পৰমধামৰ নামত অসৎ সাধনা পূজাত লগাই তেওঁৰ জালতে আৱদ্ধ ৰাখিছে। কাল ভগৱানে কবীৰ চাহেবৰ পৰা তেখেতে কলিযুগৰ কোন সময়ৰ পৰা সত্য প্ৰচাৰ কৰিব বুলি জানিব বিচৰাত কবীৰ চাহেবে ক’লে যে কলিযুগ যেতিয়া ৫৫০৫ বছৰ সম্পূৰ্ণ হ’ব তেতিয়া কবীৰ পন্থা চলাম। কাল ভগৱানে কবীৰ চাহেবক কয় যে আপোনাৰ সত্য ভক্তি প্ৰচাৰ হোৱাৰ আগতেই মই সংসাৰৰ সকলো প্ৰাণীকে শাস্ত্ৰ বিৰুদ্ধ আৰু মনোময় ভক্তি সাধনাৰ মিছা নামেৰে অভ্যস্ত কৰিম। যেতিয়া আপোনাৰ যথাৰ্থ সত্য ভক্তি ১৩ নং কবীৰ পন্থাত জ্ঞান প্ৰচাৰ কৰিব সেই সত্য জ্ঞানৰ ভক্তি সাধনাক কোনেও গ্ৰহণ নকৰিব। তেতিয়া আপোনাৰ প্ৰতিনিধি (শাস্ত্ৰ গুৰুক) ক উভতাই বাদ-বিবাদ কৰিব। কবীৰ চাহেবে জানিছিল যে বিনা শিক্ষাৰে পৱিত্ৰ গ্ৰন্থত

থকা তত্ব জ্ঞানক মানৱে বুজিব নোৱাৰে। সেই বাবে তেখেতৰ প্ৰতিনিধি জ্ঞান প্ৰচাৰ কৰাৰ পূৰ্বেই কলি যুগৰ ৫৫০৫ বছৰ সম্পূৰ্ণ হোৱা সময়ত সকলোকে শিক্ষিত কৰি তুলিবলৈ অনুপ্ৰাণিত কৰিছে। ফলস্বৰূপে আজি সমাজত শিক্ষাৰ ক্ৰান্তি আহিছে, সকলো মানব সমাজ শিক্ষিত হৈছে। এই শিক্ষাৰ বলতে সমাজে আজি কবীৰ চাহেবৰ প্ৰতিনিধি তত্বদৰ্শী সন্তই শাস্ত্ৰ ত থকা গভীৰ ৰহস্য বিলাকক বুজাই দিয়া জ্ঞানখিনি বিচাৰ বিবেচনাৰে অতি সহজে বুজি পাব। শিক্ষিত সমাজে শাস্ত্ৰত থকা প্ৰমাণিত জ্ঞানক বুজি সকলোৱে তেখেতৰ ১৩ নং কবীৰ পন্থাত যোগদান কৰিব। এই সত্য জ্ঞানক গ্ৰহণ কৰাৰ পিছত কলিযুগতো পুনৰ এবাৰ সত্যযুগৰ পৰিৱেশ সৃষ্টি হব। খং, ৰাগ, মোহ আদি বেয়া প্ৰবৃতি হেৰাই যাব। কোনো ব্যক্তিয়ে ধন সংগ্ৰহত সময় নষ্ট নকৰে। অধিক সময় ভক্তিত হে গুৰুত্ব দিব। বৰ্ত্তমানে যি সম্ভ্ৰান্তলোকক সমাজে গুৰুত্ব দিয়ে এই সত্য জ্ঞান বুজাৰ পিছত সেই ভৌতিকবাদৰ সম্ভ্ৰান্ত লোকসকলক অতিনিম্ন খাপৰ ব্যক্তি বুলিহে অভিহিত কৰিব। যিসকলে সত্য ভক্তি জানি পৰমাৰ্থৰ পথত আগুৱাই যায় তেওঁলোককহে মহান পৰিগণিত কৰিব।

**প্ৰমাণৰ কাৰণে পৱিত্ৰ কবীৰ সাগৰৰ বিভিন্ন অধ্যায়ত থকা অমৃত বাণী সমূহ**

**কবীৰ চাহেব আৰু জ্যোতিনিৰঞ্জন মাজত হোৱা বাৰ্ত্তা**

*অনুৰাগ সাগৰত পৃষ্ঠা ৬২ ৰ পৰা ঃ-*

ধৰ্মৰাজ অচ বিনতী ঠানি। মে সেৱক দ্বিতীয়া ন জানি।১
জ্ঞানী বিনতী এক হামাৰা। চৌন কৰহো জীহ চেহৌ মোৰ বিগাৰা।।২
পুৰুষ দীনহ জচ মৌকহ ৰাজু। তুমভী দেহহো তো হোৱে বিগাৰা মম কাজু।।৩
অৱ মই বচন তোমৰৌ মানি লিজীয়ে হঁসা হম সো জ্ঞানী।।৪

*পৃষ্ঠা ৬৩ ৰ পৰা অনুৰাগ সাগৰৰ বাণী ঃ-*

দয়াবন্ত তুম চাহেব দাতা। প্ৰতিক কৃপা কৰো হো তাতা।।৫
পুৰুষ শ্বাৰ্প মোকহ দীনাহ। লখ জীৱ নিত গ্ৰাসন কীনাহ।।৬

*পৃষ্ঠা ৬৪ ৰ পৰা অনুৰাগ সাগৰ বাণী ঃ-*

জৌ জীৱ সকল লোক তৱ আৱো। কৈসে ক্ষুধা মৌৰ মিটাৱে।।৭
জেসে পুৰুষ কৃপা মৌপে কীনহা। তৌসাগৰ কা ৰাজ মৌহে দীনহা।।৮
তুম ভি কৃপা মৌপৰ কৰহ। জৌ মাঁগে সৌ মৌহে দেহী বৰহু।।৯
সত্য যুগ, ত্ৰেতা দ্বাপৰ মাঁহী। তিনো যুগ জীৱ থৌড়ে জাহী।।১০
চৌথা যুগ জৱ কলযুগ আৱে। তব তৱ ছণ জীৱ বহু জাৱে।।১১

*পৃষ্ঠা ৬৫ ৰ অনুৰাগ সাগৰ বাণী ওপৰ পৰা বাণী পক্তি নং ৩ ৰ পৰা ঃ-*

প্ৰথম দূত মম প্ৰকটে জাই। পীছে অংগ তুমহাৰা আই।।১২

*পৃষ্ঠা ৬৪ ৰ অনুৰাগ সাগৰ বাণী ওপৰ পৰা বাণী পক্তি নং ৬ ঃ-*

এইসা বচন হৰি মৌহে দীজে। তব সংসাৰ গবন তব কীজে।।১৩
জগজীত বচন = জ্ঞানী বচন

*পৃষ্ঠা ৬৪ ৰ অনুৰাগ সাগৰ বাণী ওপৰ পৰা বাণী পক্তি নং ৭ ঃ-*

অৰে কাল তুম পৰপচ পসাৰ। তিনো যুগ জীৱন দুখ ডাৰা।।১৪
বীনতী তৌৰী লীনহা মে জানি। মোকহ ঠগা কাল অভিমানী।।১৫
জস ৰীনতী তু মৌসন কিনহী। সৌ অৱ বক্স তৌহে দীনহী।।১৬
চৌথা যুগ জব কল যুগ আৱে। তব হম অপনা অংশ পঠাৱে।।১৭

ধৰ্মৰায় (কাল) বচন

*পৃষ্ঠা ৬৪ ৰ পৰা অনুৰাগ সাগৰ বাণী ওপৰৰ পৰা বাণী পক্তি নেং ১৭*

হে চাহিব তুম পন্থ চলাওঁ। জীৱ ওবাৰ লোক লে জাও।।১৮

পৃষ্ঠা ৬৬ ৰ পৰা অনুৰাগ সাগৰ বাণী ওপৰৰ পৰা বাণী পক্তি নং ৮,৯,১৬,২১ ঃ-

সন্ধি ছাপ (সাৰ শব্দ) মোহে দিজে জ্ঞানী। জেসে দেৱোংগে হংস সহদানী।।১৯
জৌ জন মৌকু সংধি (সাৰ শব্দ) বতাও। তাকে নিকট কাল নাহী আৱে।।২০
কহে ধৰ্মৰায় জাও সংসাৰা। আনহু জীৱ নাম আধাৰ।।২১
জোহংসা তুমহাৰে গুণ গৱে। তাহি নিকট হম নাহী জাৱে।।২২
জৌ কোই লৈহ শৰণ তুমহাৰী। মম সিৰ পগ দে হৌৱে পাৰী।।২৩
হম তো তুম সংগ কীনহ দিঠাই। তাত জান কিনহী লড়কাই।।২৪
কৌটিন অবগুণ বালক কৰহী। পিতা এক চিত নহী ঘৰহী।।২৫
জো পিতা বালক কু দেহৈ নিকাৰী। তব কো ৰক্ষা কৰৈ হমাৰী।।২৬
সাৰ নাম দেখো জেহি সাথা। তাহী হংস মে নীবাওঁ মাথা।।২৭

**জ্ঞানী (কবীৰ) বচন**

*অনুৰাগ সাগৰ পৃষ্ঠা ৬৬*

জৌ তৌহি দেহ সংধি বতাই। তৌ তু জীৱন কো হইহো দুখ দাই।।২৮
তুম পৰপচ জান হম পাৱা। কাল চলে নহী তুমহাৰা দাবা।।২৯
ধৰ্মৰায় তোহি প্ৰকট ভাষা। গুপ্ত অংক বীৰা হম ৰাখা।।৩০
জৌ কোই লে নাম হামাৰা। তাহি ছৌড় তোম হৌ জানা নিয়াৰা।।৩১
জৌ তুম মৌৰ হংস কৌ ৰুকে ভাই। তৌ তুম কাল ৰহন নহি পাই।।৩২

**ধৰ্মৰায় (কাল নিৰঞ্জন) বচন**

*পৃষ্ঠা ৬২ আৰু ৬৩ ৰ পৰা অনুৰাগ সাগৰৰ বাণী ঃ-*

বেচক জাওঁ জ্ঞানী সংসাৰ। জীৱ ন মানে কাহা তুম্হাৰা।।৩৩
কহা তুমৰা জীৱ ন মানে। হামৰি ঔৰ হোয়ে বাত বখানে।।৩৪
দৃঢ় ফন্দা মে ৰচা বনাই। জামে সকল জীৱ ওৰযায়ী।।৩৫
বেদ শাস্ত্ৰ সমতি গুণগানা। পুত্ৰ মোৰে তিন প্ৰধানা।।৩৬
তিনহো বহু বাজি ৰচি ৰাখা। হামাৰি মহিমা জ্ঞান মুখ ভাষা।।৩৭
দেৱল দেৱ পাষাণ পূজাই। তীৰ্থ ব্ৰত জপ তপ মন লাই।।৩৮
পূজা বিশ্ব দেৱ অৰাধী। য়হ মতি জীয়কো ৰাখা বান্ধি।।৩৯
জগ (যজ্ঞ) হোম ঔৰ নেম আচাৰ। ঔৰ অনেক ফন্দ মে ডাৰা।।৪০

**জ্ঞানী (কবীৰ) বচন**

হমনে কাহা সুনৌ অন্যাই। কাটৌ ফন্দ জীৱ লে জাই।।৪১
জেতে ফন্দ তুম ৰচে বিচাৰি। সত্য শব্দতে সবে বিডাৰী।।৪২
জৌন জীৱ হম শব্দ দৃড়াবো। ফন্দ তোমহাৰা সকল মুকতাৱে।।৪৩
জৱহী জীৱ চিনিহী জ্ঞান হামাৰা। তজহী ভ্ৰম সব তৌৰ পসাৰা।।৪৪
সত্যনাম জীৱন চমঝাৱে। হংস ওভাৰ লোক লে জাৱে।।৪৫
পুৰুষ সুমিৰণ সাৰ বীৰা, নাম অবিচল জনাবহোঁ।
শীশ তুমাৰে পাওঁ দেকে, হংস লোক পঠাওঁ।।৪৬
তাকে নিকট কাল নাহী আৱে। সন্ধি দেখ তাকৌ শিৰ নাৱে।।৪৮
**(সন্ধি = সত্যনাম + সাৰনাম)**

**ধৰ্মৰায় (কাল) বচন**

পন্থ এক তোম আপ চলাওঁ। জীৱ কৌ সৎলোক লে জাওঁ।।৪৯
দ্বাদশ পন্থ কৰু মই সাজা। নাম তুমহাৰা লে কৰো আৱাজা।।৫০
দ্বাদশ য়ম সংসাৰ পঠাওঁ। নাম কবীৰ লে পন্থ চলাওঁ।।৫১
প্ৰথম দূত মেৰে প্ৰগটে জাই। পীছে অংশ তুমহাৰা আই।।৫২
য়হি বিধি জীৱ কৌ ভ্ৰমাও। আপন নাম পুৰুষ কা বতাওঁ।।৫৩
দ্বাদশ পন্থ নাম জৌ লেহী হমাৰে মুখমে আন চমোহি।।৫৪

শব্দাৰ্থ ঃ- বাণী নং ১ ৰপৰা ৫৪ ৰ শব্দাৰ্থ ওপৰত দিয়া আছে।

**জ্ঞানী (কবীৰ) বচন ঃ চৌপাই**

*অধ্যায় সুক্ষ্মবেদ বোধ পৃষ্ঠা* ১২১ *ঃ*

অৱে কাল পৰপংচ পচাৰা। তিনো যুগ জীৱ দুখ আধাৰা।।৫৫
বিনতী তৌৰী লীন মে মানি। মৌকহ ঠগে কাল অভিমানী।।৫৬
চৌথা যুগ জৱ কলযুগ আই। তব হম অপনা অংশ পঠাই।।৫৭
কাল ফন্দ ছোটে নৰলোহি। সকল সৃষ্টি পৰবানিক (দীক্ষিত) হোই।।৫৮
ঘৰ ঘৰ দেখৌ বৌদ্ধ (জ্ঞান) বিচাৰা (চৰ্চা)। সত্যনাম সব ঠৌৰ ওচাৰা।।৫৯
পাঁচ হেজাৰ পাঁচচৌ পাঁচা। তব য়হ বচন হৌয়েগা সাঁচা।।৬০
কলযুগ বিত জায়ে জব এতা। সব জীৱ পৰম পুৰুষ পদ চেতা।।৬১

ভাৱাৰ্থ ঃ-(বাণী সংখ্যা ৫৫ প পৰা ৬১ লৈকে) পৰমেশ্বৰ কবীৰ চাহেবে কয় যে কাল তুমি বিশাল প্ৰৱঞ্চনাৰ জাল ৰচনা কৰি তিনিওযুগত (সত্য, ত্ৰেতা আৰু দ্বাপৰ) জীৱক অনেক কষ্ট দিবা, তেনেহলে তুমি মোক প্ৰাৰ্থনা কৰাৰ আগত দিয়া প্ৰতিশ্ৰুতিৰ সমূলি বিশ্বাসঘাত কৰিলা। যেতিয়া চতুৰ্থ যুগ, কলিযুগ আহিব তেতিয়া মই নিজৰ প্ৰতিনিধি (তত্বদৰ্শী সন্ত) সংসাৰলৈ পঠাম আৰু তোমাৰ দ্বাৰা ৰচনা কৰা প্ৰপঞ্চ (প্ৰপঞ্চনাৰ জালক) সত্য জ্ঞানৰ আধাৰত অজ্ঞান আন্ধাৰৰ প্ৰৱঞ্চনাৰ জালসমূহ তেওঁ জনাজাত কৰিব। তোমাৰ প্ৰৱঞ্চনা জাল

সমূহ জনাজাত হোৱাৰ পিছত সকলো মানৱ এই সত্য জ্ঞানত দীক্ষিত হ'ব। যেতিয়া কলি যুগ ৫৫০৫ বছৰ পাৰ নহয় তেতিয়া লৈকে সত্য নাম আৰু (সাৰ শব্দ) মূল মন্ত্ৰ (তত্বজ্ঞান) জনাজাত কৰা নহয়। যেতিয়া কলিযুগ ৫৫০৫ বছৰ সম্পূৰ্ণ হব তেতিয়া ঘৰে ঘৰে এই সত্য জ্ঞানৰ চৰ্চা হ'ব। সত্য নাম আৰু সাৰ শব্দ সকলো শিষ্যকে প্ৰদান কৰা হ'ব। এই বচন কলিযুগ ৫৫০৫ বছৰ পাৰ হোৱাৰ পিছতহে প্ৰতিফলিত হ'ব। সংসাৰৰ সমস্ত মানৱে যুগ যুগান্তৰৰ পৰা সন্ধান কৰি অহা সেই পৰম পুৰুষ পৰমেশ্বৰৰ সনাতন পৰম ধাম গীতা অধ্যায় ১৫ শ্লোক নং ৪ ত উল্লেখ কৰা আছে। তত্বদৰ্শী সন্তৰ প্ৰাপ্তিৰ পিছত তাক লাভ কৰি সেই সাধক সংসাৰলৈ পুনৰ ঘূৰি নাহে। যাক আধ্যাত্মিকতাত মোক্ষ বুলি কোৱা হয়। যি পৰমেশ্বৰে বিশ্ব ব্ৰহ্মাণ্ডৰ ৰচনা কৰিলে তেখেতৰ ভক্তি সাধনা কৰি মোক্ষ প্ৰাপ্তি কৰিব লাগে।

ওপৰৰ বাণীৰ ভাৱাৰ্থ হ'ল পৰম পদ সনাতন ধামৰ জ্ঞান সকলো মানৱে জানিব পাৰিব।

*সুক্ষ্মবেদ বোধ পৃষ্ঠা ১৭০ ঃ-*

**অৰ্থ সুক্ষ্মবেদৰ স্ফুট বাৰ্তা ঃ চৌপাহি**

এক লাখ ঔৰ আশি হাজাৰ। পিৰ পৈগামবৰ ঔৰ অৱতাৰ।।৬২
সৌ সব আহি নিৰঞ্জন বংশ। তন ধৰী-ধৰী কৰে নিজ পিতা প্ৰশংসা।।৬৩
দশ অৱতাৰ নিৰঞ্জন কে ৰে। ৰামকৃষ্ণ সব মাঁহী বডেৰে।।৬৪
ইনচে বড়া জ্যোতি নিৰঞ্জন সৌই য়ামে ফেৰ বদন নহী কৌই।।৬৫

ভাৱাৰ্থ ঃ- বাবা আদমৰ পৰা আৰম্ভ কৰি হজৰত মহম্মদলৈকে মুঠ এক লাখ আশী হাজাৰ সংবাদ দাতা আৰু দশ অৱতাৰ, যি হিন্দু মান্যতাৰে, এই সকলোৱে কাল ভগৱানৰ মহিমা বৰ্ণনা কৰি সকলো মানৱকে ভ্ৰমিত কৰি কাল সাধনাত লিপ্ত কৰিলে। ইয়াৰ মূলতে আছে কাল (নিৰঞ্জন) ব্ৰহ্ম।

*সুক্ষ্মবেদ বৌধ পৃষ্ঠা ১৭১ (১৫১৫) ঃ-*

**সত্য কবীৰ বচন**

দোহে ঃ পাঁচহাজাৰ আৰু পাঁচশ পাঁচ জব কলযুগ বিত জায়ে।
মহাপুৰুষ ফৰমাণ তব জগ তাৰণ কৌ আয়। ৬৬
হিন্দু তুৰ্ক আদি সবে, জেতে জীৱ জাহান।
সত্য নাম কী সাখ গহি পায়ে পদ নিৰ্বাণ।।৬৭
যথা সৰিতগণ আপ হি, মিলে সিন্ধুমে ধায়।
সত্য সুকৃত কে মধ্য তিমি সৰ্বহি পন্থ সমায়।।৬৮
জব লগ পূৰ্ণ হোয়ে নহী, ঠিক বা তিথিবাৰ।
কপট চাতুৰী তবহি লৌ সুক্ষ্মবেদ নিৰাধাৰ।।৬৯
সবহী নাৰী নৰ শুদ্ধ তব, জব ঠিককা দিন আৱন্ত।
কপট চাতুৰী ছোড়িকে, চৰণ কবীৰ গহন্ত।।৭০
এক অনেক হোগয়ে পুনঃ অনেক হৌ এক।
হংস চলে সৎলোক সব, সত্যনামকে টেক।।৭১

ঘৰ ঘৰ বোধ বিচাৰ হৌ, দূৰমতি দূৰ বহায়।
কলযুগমে সব এক হৌই, বৰ্ত্তে সহজ সূভায়।।৭২
কাহা উগ্ৰ কাহা শুদ্ৰ হৌ হৰে সবকি ভৱ পিৰ।।৭৩
সৌ সমান সমদৃষ্টি হে, সমৰ্থ সত্য কবীৰ।।৭৪

ভাৱাৰ্থ ঃ- পূৰ্বতে কবীৰ চাহেবৰ লগত ব্ৰহ্মাই বাৰ্ত্তালাপ কৰিছিল সেই সকলোবিলাক ধৰ্মদাস মই তোমাক অৱগত কৰি আছোঁ।

সূক্ষ্ম বেদৰ বোধবাণী সংখ্যা ৬৬ৰ পৰা ৭৪ লৈকে সৰল অৰ্থ ঃ-

কলিযুগৰ যেতিয়া ৫৫০৫ বছৰ সম্পূৰ্ণ হ'ব তেতিয়া এজন মহাপুৰুষ বিশ্বৰ মানৱক উদ্ধাৰ কৰিবলৈ অৱতীৰ্ণ হ'ব। বিশ্বত থকা সকলোবোৰ ধৰ্ম অৱলম্বন কৰা লোক সকলে এই জনা অৱতাৰিত মহাপুৰুষৰ পৰা সত্যনাম আৰু সাৰনাম গ্ৰহণ কৰি মোক্ষ প্ৰাপ্তি কৰিব। সেই মহাপুৰুষজনে যি সত্য কবীৰ নামক ত্ৰয়োদশ (তেৰ) পন্থাত জ্ঞান প্ৰচাৰ কৰিব, সেই পন্থাত বৰ্তমানলৈকে চলি অহা অন্য সকলো পন্থাসমূহ এনেদৰে মিলি যাব যেনেকৈ সকলো নদ-নদী সমূহ সাগৰত গৈ মিলি যায়। তেখেতৰ এই দিব্য জ্ঞানৰ প্ৰচাৰক কোনেও বাধা দি ৰাখিব নোৱাৰে। সুক্ষ্মবেদৰ এই বাণীসমূহ তেতিয়ালৈকে অসত্য যেন লাগিব যেতিয়ালৈকে কলিযুগৰ ৫৫০৫ বছৰ সম্পূৰ্ণ নহয়।

কলিযুগৰ এই নিৰ্ধাৰিত সময় অহাৰ লগে লগে সকলো নৰ-নাৰীয়ে উচ্চ বিচাৰ ধাৰা আৰু শুদ্ধ আচৰণে কপট চতুৰালি ত্যাগ কৰি পৰমেশ্বৰৰ শৰণ গ্ৰহণ কৰিব। পৰমেশ্বৰৰ পৰা সুফল পোৱাৰ কাৰণে মানুহৰ মাজত একৰ পৰা অনেক ধৰ্ম পন্থা গঢ়ি উঠিছিল আৰু এই সকলো পন্থসমূহ পুনৰ সত্য জ্ঞানৰ আধাৰত এক হৈ যাব। নিৰ্বিকাৰ সকলো ভক্ত আত্মাই সত্যনামৰ শক্তিৰে সনাতন পৰম ধামলৈ গতি কৰিব।

মোৰ এই আধ্যাত্মিক জ্ঞানৰ সকলো ঘৰতে চিন্তা চৰ্চা হব যাৰ বাবে সমাজৰ পৰা কুমতি সমাপ্ত হব। সকলো মানৱে সহজ সৰল বিচাৰ ধাৰাৰে শান্তিপূৰ্বক জীৱন-যাপন কৰিব। যিমানেই বেয়া প্ৰবৃত্তিৰ লোক নহওঁক (চোৰ, ডকাইত, কচাই শুদ্ৰ) যিজনে এই জ্ঞান গ্ৰহণ কৰিব তেওঁলোকক পৰমেশ্বৰে ভৱসাগৰ আৰু সাংসাৰিক দুখ কষ্টৰ পৰা ৰক্ষা কৰিব। তেৰ নম্বৰৰ কবীৰ পন্থাৰ প্ৰৱৰ্ত্তকে (পৰমেশ্বৰৰ প্ৰতিনিধি) সকলোকে এক সমান দৃষ্টিৰে চাব। সেইজন সমৰ্থবান সত্য কবীৰদেৱেই হব। **(মম সন্ত মুঝে জান মেৰা হী স্বৰূপম)**

প্ৰশ্ন ঃ- সেই ত্ৰয়োদশ পন্থা কোনটো হ'ব ? তাৰ প্ৰৱৰ্ত্তক জনৰ নাম কি ?

উত্তৰ ঃ- সেই ত্ৰয়োদশ পন্থটো হব যথাৰ্থ সৎকবীৰ পন্থ। এই পন্থাৰ প্ৰৱৰ্ত্তক জন পৰমেশ্বৰ কবীৰ চাহেব নিজেই। বৰ্তমানত এই পন্থাৰ সঞ্চালকজন কবীৰ চাহেবৰ (দাস) প্ৰতিনিধি তত্বদৰ্শী সন্ত ৰামপাল দাস পুত্ৰ, স্বামী ৰাম দেৱানন্দ মহাৰাজ। (আধ্যাত্মিক দৃষ্টিত গুৰুদেৱক পিতৃতুল্য গণ্য কৰা হয় যিজনে আত্মাক অহৰহ ভাৱে ভৰণ পোষণ কৰে।)

প্ৰমাণ ঃ- দেখা যায় যে সন্ত ধৰ্মদাসৰ বংশত পৰম্পৰাৰ মহন্ত সকলৰ লগত জড়িত শ্ৰদ্ধাৱান সকলে অজ্ঞান বংশত ঃ ১৩ নং পন্থ আৰু পৰিচালক ধৰ্মদাসৰ পৰিবাৰৰ ধাৰাত থকা সকলক ১৩ নং পন্থৰ প্ৰৱৰ্তক প্ৰমাণিত কৰাৰ অপচেষ্টা কৰিছে। কিন্তু হাতীৰ বস্ত্ৰ ম'হৰ

দেহত পিন্ধালে বুদ্ধিমান ব্যক্তিয়ে দেখি সোনকালে বুজিব পাৰে যে সেই বস্ত্ৰ ম'হৰ নহয়। কাৰণ হাতীৰ বস্ত্ৰ মহৰ বাবে নহয়, উদাহৰণ পবিত্ৰ কবীৰ সাগৰ অধ্যায় "কবীৰ চৰিত্ৰ বোধ" পৃষ্ঠা ১৮৩৪-১৮৩৫ লিখা আছে।

## তেৰ গাড়ী কাগজত লিখা

দীল্লীৰ বাদশাহে কবীৰ পৰমেশ্বৰক ক'লে যে আপুনি ১৩ গাড়ী কাগজত আঢ়ৈ দিনত (৬০ ঘন্টাত) লিখি দিলে মই আপোনাক পৰমাত্মা (পৰমেশ্বৰ) বুলি মানি লম। পৰমেশ্বৰ কবীৰ চাহেবে নিজৰ হাতৰ মাৰি ১৩ টা গাড়ীত ৰখা কাগজৰ ওপৰত ঘুৰাই দিলে, সেই সময়তে সকলো কাগজ অমৃত বাণী, সম্পূৰ্ণ আধ্যাত্মিক জ্ঞানে ভৰি পৰিল। ৰজাই বিশ্বাস কৰিলে যদিও তেওঁ নিজৰ ধৰ্মৰ (মুচলমানৰ) ব্যক্তি সকলৰ ভয়ত সেই পৱিত্ৰ গ্ৰন্থক দিল্লীত মাটিত পুতি পেলালে।

কবীৰ সাগৰ অধ্যায় কবীৰ চৰিত্ৰ বোধ গ্ৰন্থত ১৮৩৪-১৮৩৫ পৃষ্ঠাত ভূল লিখা আছে যে যেতিয়া মুক্তামনি সাহেবৰ সময় আহিব আৰু তেওঁৰ পতাকা দিল্লী নগৰত উৰিব তেতিয়া মাটিত পুতি ৰখা পৱিত্ৰ শাস্ত্ৰ গাতৰ পৰা উদ্ধাৰ কৰা হব। সেই মুক্তা মণি অৱতাৰ (ধৰ্ম দাসৰ) বংশৰ ১৩ নং পুৰুষ হ'ব। বিবেচনা - ওপৰত লিখা কথা সত্য যে নহয় তাৰ প্ৰমাণঃ এনেদৰে বৰ্তমান ধৰ্মদাসৰ বংশ গাদী (পন্থ) দামা খেড়া জিলা ৰায়গডু প্ৰান্ত ছতীশ গড়ত আছে। এই গাদীত (পন্থা) ১৪ নং বংশ গুৰু শ্ৰীপ্ৰকাশ মুনি নাম সাহেব অধিষ্ঠিত আছে। ১৩ নং বংশ গুৰু শ্ৰী উদিত নাম চাহেবে বৰ্তমান (২০১৩ চন) ৰ পৰা ১৫ বছৰ আগতে ১৯৯৮ চনত শৰীৰ ত্যাগ কৰিছিল। যদি ১৩ নং গাদীৰ বংশ গুৰুৰ বিষয়ে এইটো লিখা হ'লে তেওঁ উলিয়ালে হেঁতেন আৰু দিল্লীত পতাকা উৰুৱালে হেঁতেন। সেইটো নহল যেতিয়া এই ১৩ নং পন্থ ধৰ্মদাসৰ বংশ পৰম্পৰাৰ লগত জড়িত নহয়।

"কবীৰ চৰিত্ৰ বোধ" পৃষ্ঠা ১৮৭০ ত কবীৰ সাগৰত ১২ (বাৰহ) পন্থৰ নাম লিখা আছে, কাল ব্ৰহ্মই কবীৰ চাহেবৰ নামত নকলী পন্থ চলোৱা কথা উল্লেখ কৰিছে। সেই সকলৰ ভিতৰত প্ৰথমে 'নাৰায়ন দাস' লিখা হয়। ১২ নং পন্থ গৰীব দাসৰ লিখা আছে। প্ৰকৃততে প্ৰথম চুড়ামনি হব লাগে, জানি বুজি ভূল কৰা হৈছে।

সকলোৱে জানে পৰমেশ্বৰ কবীৰ দেৱে নাৰায়ণ দাসক শিষ্য নবনালে। নাৰায়ণ দাস শ্ৰীকৃষ্ণৰ পূজাৰী আছিল। তেওঁ ভায়েক চুড়ামনিৰ ঘোৰ বিৰোধী আছিল। তাৰ কাৰণে চুড়ামনী কুদুৰ্মাল স্থানলৈ গুছি গ'ল। পিছত বান্ধঁগড় নগৰ নষ্ট হল। "কবীৰ চৰিত্ৰ বোধ" পৃষ্ঠা ১৮৭০ ত বাৰহ পন্থ প্ৰৱৰ্তকৰ নাম লিখা আছে। প্ৰথম প্ৰৱৰ্তকৰ নাম ভুল কৈ লিখা আছে। ১) নাৰায়ণ দাসৰ পন্থ, ২) যাগো দাস পন্থ, ৩) সুৰত গোপাল পন্থ, ৪) মূল নিৰঞ্জন পন্থ, ৫) টকসাৰী পন্থ, ৬) ভগৱান দাস পন্থ, ৭) সৎনামী পন্থ, ৮) কমালৰ পন্থ, ৯) ৰাম কবীৰ পন্থ, ১০) প্ৰেমধাম পন্থ, ১১) জীৱা দাস পন্থ, ১২) গৰীব দাস পন্থ।

কবীৰ বাণী অধ্যায় পৃষ্ঠা ১৩৪ কবীৰ সাগৰত লিখা আছে ঃ

বংশ প্ৰকাৰ -

প্ৰথম বংশ উত্তম (চুড়ামণি)

দ্বিতীয় বংশ অহংকাৰী - (জাগো দাসৰ)

তৃতীয় বংশ প্ৰচণ্ড (চুৰত গোপাল)

চতুৰ্থ বংশ বীৰহে (মূল নিৰঞ্জন পন্থ)

পঞ্চম বংশ নিন্দা (টকসাৰি পন্থ)

যষ্ঠ বংশ উদাস (ভগৱান দাসৰ)

সপ্তম বংশ জ্ঞান চতুৰাই (সৎনামী পন্থ)

অষ্টম বংশ দ্বাদশ বংশ বিৰোধ (কমালৰ পন্থ)

নৱম বংশ পন্থ পূজা (ৰাম কবীৰ পন্থ)

দশম বংশ প্ৰকাশ (পৰম ধামৰ বাণী পন্থ)

একাদশ বংশ প্ৰকট পসাৰা (জীৱা পন্থ)

দ্বাদশ বংশ প্ৰকট হোয় ওজিয়াৰা

(এইটো সন্ত গৰীব দাস, গাঁৱ ছুড়ানী জিল্লা ঝজ্জৰ, ৰাজ্য হাৰিয়ানাৰ পন্থ হয়, যিজনে পৰমেশ্বৰ কবীৰ চাহেবক সাক্ষাৎ কৰাৰ পিছত তেওঁৰ গুণ মহিমাৰ যথাৰ্থ জ্ঞান সমাজক জনালে। এই জ্ঞানৰ দ্বাৰা পৰমেশ্বৰৰ বিষয়ে বহু কথা প্ৰকাশ পায়।)

"তেৰয়ে বংশ মিটে সকল অন্ধিয়াৰা" যথাৰ্থ কবীৰ পন্থটো ১৯৯৪ চনৰ পৰা আৰম্ভ হয় যিটো পন্থা মোৰ দ্বাৰা (ৰামপাল দাস) পৰিচালনা হৈ আছে। ধৰ্মদাসৰ বংশৰ দামোখেড়া পন্থাই বাস্তৱিক সত্যতা লুকুৱাবলৈ চেষ্টা কৰিছে। কিন্তু সত্যক লুকাব নোৱাৰে।

কবীৰ সাগৰৰ অধ্যায় কবীৰ বাণী ৰ পৃষ্ঠা ১৩৬ ঃ দ্বাদশ পন্থ চলৌ চৌ ভেদ।

*দ্বাদশ পন্থ কাল ফুৰমানা। ভূল জীৱ ন যায়ে ঠিকনা।।*

*তাতে আগম কহ হমৰাখা। বংশ হামাৰা চুড়ামণী শাখা।।*

*প্ৰথম জগমে জাগো ভ্ৰমাৰে। বিনা ভেদ ৱহ গ্ৰন্থ চুৰাবো।।*

*দূচৰ শ্ৰুতি গোপাল হোই। অক্ষৰ জৌ জৌগ দৃঢ়াৰে সৌই।।*

বিবেচনা ঃ- ইয়াত প্ৰথমে জাগো দাসক আনিছে যত নেকি ওপৰৰ বাণীয়ে স্পষ্ট কৰে চুড়ামণী শাখাটোহে প্ৰথম। দ্বিতীয়তহে জাগোদাস। এই প্ৰমাণ "কবীৰ চৰিত্ৰ বৌধ" পৃষ্ঠা ১৮৭০ ত আছে। "সুক্ষ্মবেদ বৌধ" পৃষ্ঠা ১৫৫ (১৪৯৯) জাগোদাস দ্বিতীয়ত বুলি লিখা আছে। ইয়াত চুড়ামণি প্ৰথম বুলি লিখিব লাগিছিল।)

*তিসৰা মূল নিৰঞ্জন বাণী। লোক ৱেদ কী নিৰ্ণয় ঠানি।।*

*পন্থটো চতুৰ্থত হয়।।*

*চৌথে পন্থ টকসাৰা ভেদ লৌ আৱে। নীৰ পৱন কৌ সন্ধি বতাৱে।।*

(ইয়াত পঞ্চম হব)

পাঁচৱা পন্থ বীজ ক লেখা। লোক পৰলোক কহে হম মে দেখা।।

এই ভগৱান দাসৰ পন্থটো যষ্ঠ (৬ নং) পন্থ হ'ব লাগে।

ছটা পন্থ সত্যনামী প্ৰকাশ। ঘটকে মাহি মাৰ্গ নিবাসা।।

(এই সৎনামী পন্থটো সপ্তম পন্থ হ'ব লাগে।)

সাতৱা জীৱ পন্থলে বোলে বাণী। ভয়ো প্রতি মর্ম নাঁহি জানি।।
এই জীৱ পন্থটো অষ্টম পন্থ হ'ব লাগে কমালৰ।।
আঠৱা ৰাম কবীৰ কাহৱে। সৎগুৰু ভ্ৰম লে জীৱ দৃঢ়াৱে।।
(প্রকৃততে এইটো নৰম পন্থ হব।)
এই ৰাম কবীৰ পন্থটো নৰম পন্থ হয়।
নৌমে জ্ঞান কি কলা দিখাৱে। ভই প্রতিত জীৱ সুখ পাৱে।।
(প্রকৃততে এয়া একাদশ জীৱা পন্থ ভুলকৈ নৰম লিখিছে)
দসৱেঁ ভেদ পৰম ধাম কী বাণী। সাখ হমাৰী নির্ণয় ঠানী।।
(দশম পন্থ শুদ্ধকৈ লিখা আছে। কিন্তু একাদশ পন্থটো উল্লেখ কৰা নাই।
যদি প্রথমে চুড়ামণি শাখাক অন্তর্ভুক্ত কৰে তেনেহলে
পন্থসমূহ শাস্ত্র অনুসাৰে একাদি ক্রমে মিলি যায়।
বাস্তৱত চুড়ামণি শাখাটো প্রথম পন্থ হয়। ইয়াৰ পিছত দ্বাদশ পন্থত
গৰীবদাস মহাৰজাৰ জন্ম ১৭৭৪ চনত হয়।
ভূল ক্রমে তেখেতৰ জন্ম তিথি বাণী ত ১৭৭৫ বুলি লিখা আছে।)
সম্বত স্বতৰশ পচশত্বৰ (১৭৭৫) হৌই। তা দিন প্রেম প্রকটে জগ সৌই।।
আজ্ঞা ৰহে ব্রহ্ম বৌধ লাৱে। কৌলি চমাৰ সবকে ঘৰ খাৱে।।
সাক্ষী হামাৰি লে জীৱ সমঝাৱে। অসংখ্য জনম ঠৌৰ নহি পাৱে।।
বাৰৱে পন্থ প্রগট হোৱে বাণী। শব্দ হামাৰেকী নির্ণয় ঠানী।।
অস্থিৰ ঘৰকা মর্ম নহি পাৱে। যে বাৰ (১২) পন্থ হমিকৌ ধাৱে।।
বাৰৱে পন্থ হামি (কবীৰ জী) চলি আৱে। সব পন্থ মিটা এক পন্থ চলাৱে।।
প্রথম চৰণ কলযুগ নিৰয়ানা (নির্বাণ)। তব মগহৰ মাণ্ডু মইদানা।।

ভাৱাৰ্থ ঃ- দ্বাদশ পন্থটো গৰীবদাস মহাৰাজৰ বুলি প্রমাণিত হয়, যিহেতু তেওঁক পৰমেশ্বৰ কবীৰ চাহেবে সাক্ষ্যাৎ কৰি তেখেতৰ জ্ঞান যোগ খুলি দিলে। পৰিণতি স্বৰূপে গৰীবদাস মহাৰাজে পৰমেশ্বৰ কবীৰ চাহেবৰ গুণানু কীর্ত্তন কৰিলে। এই পৱিত্ৰ বাণীক বর্তমান গ্রন্থ ৰূপত প্রকাশ কৰা হল। সন্ত গৰীবদাস অহাৰ আগতেই ১২ পন্থ কবীৰ চাহেবৰ নামত চলিলে। এইটোও লিখা আছে যে সন্ত গৰীব দাস মহাৰাজে মোৰ (কবীৰ পৰমেশ্বৰৰ) গুণানু কীর্ত্তন কৰি "সাখী- শব্দ চতুস্পদী" লিখিছে যদিও ১২ নং পন্থৰে অনুগামী সকলে ব্যক্তিগত ভাৱে সেই বাণীৰ অর্থ উলিয়াব, কিন্তু ভালদৰে বুজি নোপোৱাত সন্ত গৰীবদাসকে ধৰি সকলো পন্থৰ অর্থাৎ ১২ টা পন্থৰ অনুগামী সকলে মোৰ বাণী ভালদৰে বুজি নাপাব। ফলস্বৰূপে অসংখ্য জন্মলৈকে সত্যলোকৰ অমৰ ধামৰ ঠিকনা নাপাব। এই ১২ টা পন্থৰ লোকে কবীৰৰ নামত পন্থ চলাব আৰু মোৰ নামৰ দ্বাৰা মহিমা লাভ কৰিব, কিন্তু এই সকলো ১২ টা পন্থৰ অনুগামী সকলে স্থিৰ অর্থাৎ স্থায়ী ঘৰ (সত্যলোক) প্রাপ্তি কৰিব নোৱাৰিব। আকৌ উল্লেখ আছে যে ভৱিষ্যতে ১২ নং পন্থ (সন্ত গৰীব দাসৰ পন্থ)ত মই অর্থাৎ স্বয়ং কবীৰ পৰমেশ্বৰ আহিম, তেতিয়া সকলো পন্থৰ অৱসান ঘটাই মাত্র এটা পন্থ চলাম। যেতিয়া মই (কবীৰ পৰমেশ্বৰ)

সম্বত ১৫৫৭ (১৫১৮ চন)ত উত্তৰ প্ৰদেশৰ মগহৰ নগৰৰ পৰা নিৰ্বাণ প্ৰাপ্তি কৰিম অৰ্থাৎ লীলা কৰি সত্যলোকলৈ যাম তেতিয়া কলিযুগৰ প্ৰথম ভাগ চলি থাকিব।

পৰমেশ্বৰে কলিযুগক তিনি ভাগত ভাগ কৰিছে। প্ৰথম ভাগত তেওঁ লীলা কৰি পৰম ধামলৈ স্বশৰীৰে গমন কৰিলে। মধ্য ভাগ হ'ল যেতিয়া কলিযুগৰ ৫৫০৫ বছৰ পাৰ হ'ব আৰু অন্তিম ভাগ হ'ব যি সময়ত ভগৱানৰ ভক্তিৰ পৰা সকলো বিৰত হ'ব।

মই দাস (ৰামপাল দাস)ৰ আগমন (পন্থৰ আৱিৰ্ভাৱ) সন্ত গৰীব দাসৰ ১২ নং পন্থাৰ পৰা হৈছে। সেই ১৩ নং কবীৰ পন্থ এতিয়া চলি আছে। পৰমেশ্বৰ কবীৰ চাহাবে পৰিচলনা কৰিছে। গুৰু মহাৰাজ স্বামী ৰাম দেবানন্দৰ আশীৰ্বাদ সফল হব আৰু বিশ্বৰ মানৱে পৰমেশ্বৰ কবীৰ দেৱৰ সত্য ভক্তি কৰিব।

সন্ত গৰীব দাসক সৎগুৰু ৰূপে পৰমেশ্বৰ কবীৰ দেৱে সাক্ষাৎ দেখা দিছিল। কবীৰ চাহেবেই পৰমাত্মা হয়। তেখেত নিজৰ পৰমধামৰ সত্য জ্ঞানৰ কথা অৱগত কৰিবলৈ নিজে পৃথিৱীত আৰু অন্য লোকত প্ৰকট হয়। সন্ত গৰীবদাসে "অসুৰ নিকন্দন ৰমেণীত" কৈছে যে, "সৎগুৰু দিল্লী মণ্ডল আইছি। সুতী ধৰতী সুম জগায়সি। দিল্লী কে তখত ছত্ৰ ফেৰ ভী ফিৰায়েসী। চৌসঠ যোগনী মঙ্গল গায়সী।" পৰমেশ্বৰ বন্দী ছোৰ় কবীৰ চাহেবেই সন্ত গৰীবদাস মহাৰাজৰ সৎগুৰু আছিল।

পৰমেশ্বৰ কবীৰ দেৱে কবীৰ সাগৰৰ "কবীৰ বাণী" পৃষ্ঠা ১৩৬ আৰু ১৩৭ ত কৈছে *যে - কবীৰ পন্থাৰ দ্বাদশ পন্থাটো সন্ত গৰীবদাস দেৱে পৰিৱৰ্তন কৰিব।*

*সম্বত সতৰহ সৌ পছশতৰ (১৭৭৫) হৌই। জা দিন প্ৰেম প্ৰকটে জগ সৌই।।*
*সাখি হামাৰী লে জীৱ সমঝাৱে। অসংখ্য জন্ম ঠৌৰ নহি পাৱে।।*
*বাৰৱে পন্থ প্ৰগট হৌ বাণী। শব্দ হামাৰে কী নিৰ্ণয় ঠানী।।*
*অস্থীৰ ঘৰ কা মৰ্ম না পাৱে। য়ে বাৰ (১২) পন্থা হমহিকো ধাৱে।*
*বাৰৱে পন্থ হমহি চলি আৱে। সব পন্থ মিটা এক পন্থ চলাৱে।।*

ভাৱাৰ্থ ঃ এই বাৰ পন্থাৰ সকলো অনুগামীয়ে পৰমেশ্বৰ কবীৰ দেৱে স্বয়ং আহি মূখকমলৰ পবিত্ৰ বাণীৰ যি গ্ৰন্থ লিখালে ঃ কবীৰ সাগৰ, কবীৰ সাখি, কবীৰ বীজক কবীৰ শব্দাৱালী আদি লিখা আছে সেই সকলো পবিত্ৰ বাণী পৰমেশ্বৰৰ কৃপা পাত্ৰ সন্ত গৰীবদাসৰ দ্বাৰা প্ৰচাৰ কৰিলে। তেখেতৰ অনুযায়ী সকলে সত্য জ্ঞানক সঠিক ভাৱে নুবুজি আগলৈ সেই জ্ঞানক ভূল হিচাবেই সমাজত প্ৰচাৰ কৰিলে। গতিকে সেই দিব্য সত্য জ্ঞানৰ লগত পৰিচিত নহৈ তেওঁলোকে অসংখ্য জন্ম পৰম সনাতন ধামলৈ যাব নোৱাৰিব। পুনৰ এই জ্ঞানক সঠিক ভাৱে অৱগত কৰাই মানৱক উদ্ধাৰ কৰিবলৈ গৰীবদাসৰ পন্থাতে পৰমেশ্বৰ কবীৰ চাহেব আহিব বুলি কৈছিল। কলিযুগৰ ৫৫০৫ বছৰ সম্পূৰ্ণ হলে এই জ্ঞান যথাৰ্থ সত্য বুলি কবীৰ পন্থাৰ নামত প্ৰচাৰ হ'ব। এই তত্বজ্ঞান সেই সময়ত সকলো ঘৰত চৰ্চা হ'ব। তত্বজ্ঞানক বুজি সমাজে এক পৰমেশ্বৰৰ ভক্তি কৰিব, সকলো অনুযায়ীয়ে নিজৰ আচৰণ শুদ্ধ কৰি শান্তি আৰু সুখী জীৱন যাপন কৰিব। ইয়াৰ দ্বাৰা প্ৰমাণ হয় যে তেৰ নং সত্য কবীৰ পন্থ মোৰ দ্বাৰা (ৰামপাল দাস) পৰিচালনা হৈ আছে। কিন্তু কৃপা আৰু আশীৰ্বাদ পৰমেশ্বৰ কবীৰদেৱৰ।

যেনেকৈ “তোতাদ্রি” স্থানত ব্রাহ্মণ সকলৰ ভোজন স্থলত ম’হৰ দ্বাৰা বেদৰ মন্ত্র কোৱাইছিল আৰু তেওঁ নিজেই কব পাৰিলে হয়। দক্ষতা প্রমাণৰ সমর্থতা ইয়াতে যি কোনো প্ৰকাৰে নিজৰ চিনাকী দীব পাৰে। সেয়ে পৰমেশ্বৰ কবীৰ চাহেবে নিজৰ কৃপা পাত্র (ৰামপাল দাস)ৰ দ্বাৰা ১৩ নং কবীৰ পন্থা পৰিচালনা কৰাইছে।

## কলিযুগ বর্তমান কিমান অতিক্রম কৰিলে ?

আদি শংকৰাচাৰ্য্যৰ হিন্দু সমাজত বিশেষ স্থান আছে। দ্বিতীয়তে হিন্দু ধর্মৰ সংৰক্ষক আৰু সঞ্জীৱন দাতা বুলি জনা যায়। তেওঁৰ অনুযায়ী সকলৰ প্রচাৰৰ ফলত হিন্দু সমাজত দেৱতাক পূজা কৰা ক্রান্তি আহিলে। তেওঁ লোকৰ ইষ্ট দেৱ শ্রী শঙ্কৰ ভগৱান তথা পূজ্য দেৱী পাৰ্বতী। ইয়াৰ লগতে শ্রীবিষ্ণু আৰু আন দেৱতা সকলকো পূজা কৰা হয়। বিশেষ পঞ্চ দেৱৰ পূজা বিধান আছে। ১) শ্রী ব্রহ্মা, ২) শ্রীবিষ্ণু দেৱ, ৩) শ্রী শংকৰ (শিৱ) দেৱ, ৪) শ্রী পৰাসৰ ঋষি, ৫) শ্রীকৃষ্ণ দ্বৈপায়ন ওৰফে শ্রী বেদ ব্যাস পূজা হয়। “জীৱনী আদি শংকৰাচাৰ্য্য” পুথিত লিখা আছে এনেদৰে শংকৰাচাৰ্য্য জন্মৰ ৫০৮ বছৰ পাছত (ইশা) যীচু খৃষ্ট জন্ম হয়।

“পুথি হিমালয় তীর্থ” ত ভৱিষ্যত বাণী আদি শংকৰাচাৰ্য্যৰ জন্ম কলিযুগ তিনি হেজাৰ বছৰ পাৰ হোৱাৰ পাছত হ’ব। তেন্তে গণিতৰ নিয়ম মতে বিচাৰ কৰিলে, বর্তমান ২০১২ ত কলিযুগ কিমান হ’ল ?

আদি শংকৰাচাৰ্য্যৰ জন্ম যীশু খৃষ্টৰ জন্মৰ ৫০৮ বছৰ আগতে হয়। ইশা (যীচু খৃষ্ট) জন্ম বয়স হ’ল ২০১২ বছৰ। শংকৰাচাৰ্য্যৰ বয়স হল ২০১২+৫০৮=২৫২০ বছৰ। ওপৰত উল্লেখ কৰা হিচাবত শংকৰাচাৰ্য্যৰ জন্ম কলিযুগৰ ৩০০০ হেজাৰ বছৰ পাৰ হোৱা পাছত হৈছিল। মুঠ বয়স কলিযুগৰ ২০১২ ত কিমান হ’ল ৩০০০+২৫২০ বছৰ =৫৫২০ বছৰ। কলিযুগৰ ৫৫০৫ বছৰ কোন চনত সম্পূর্ণ হয় =৫৫২০-৫৫০৫ = ১৫ বছৰ ২০১২ চনৰ আগত। ২০১২-১৫=১৯৯৭ চনত কলিযুগৰ ৫৫০৫ বছৰ সম্পূর্ণ হয়। স্বদেশী হিচাবত পুৰণা বছৰ ফাগুণ মাহতে শেষ হয়। যি সকল সন্তই মানি আহিছে শ্রীমদ ভগৱত গীতা ৫১৫১ বছৰ আগতে কোৱা হৈছিল সেয়া ভূল।

## গুৰু অবিহনে, মোক্ষ নহয়

প্রশ্ন ঃ গুৰু বিনা ভক্তি কৰিব নোৱাৰে নেকি ?

উত্তৰ ঃ ভক্তি কৰিব পাৰে কিন্তু সকলো ব্যর্থ (অসাৰ)

প্রশ্ন ঃ কাৰণ কি ?

উত্তৰ ঃ পৰমেশ্বৰৰ বিধানত (সূক্ষ্ম বেদত) কয় ঃ

কবীৰ, গুৰু বিন মালা ফেৰতে, গুৰু বিন দেতে দান।
গুৰু বিন দুনো নিস্ফল হাঃ পুচৌ বেদ পুৰাণ।।
কবীৰ ৰাম কৃষ্ণ সে কৌন বড়া, ওনহোনে ভী গুৰু কিনহা।
তিন লোক কে ৱে ধনী, গুৰু আগে আধীন।।
কবীৰ ৰাম কৃষ্ণ বড়ে তিনহঃ পুৰ ৰাজা। তিন গুৰু বন্দ কিনহঃ নিজ কাজা।

ভাৱাৰ্থ ঃ গুৰু অবিহনে নাম-জপ, মালা ফেৰা আৰু দান, ধর্ম কৰা সকলো ব্যর্থ। এই

কথাত যদি কাৰোবাৰ সন্দেহ হয় তেন্তে বেদ আৰু পুৰাণত প্ৰমাণ চাব পাৰে।

শ্ৰীমদ ভগৱত গীতা চাৰিও বেদৰ সাৰাংশ। গীতা অধ্যায় ২ শ্লোক ৭ ত অৰ্জুনে কয় হে কৃষ্ণ দেৱ, মই আপোনাৰ শিষ্য আৰু আপোনাৰ শৰণত। গীতা অধ্যায় ৪ শ্লোক নং ৩ ত শ্ৰীকৃষ্ণৰ দেহত কাল ভগৱান প্ৰৱেশ কৰি অৰ্জুনক কয় তুমি মোৰ ভক্ত হয়। পুৰাণত প্ৰমাণ আছে শ্ৰীৰামচন্দ্ৰই ঋষি বশিষ্ঠ দেৱৰ পৰা নাম দীক্ষা গ্ৰহণ কৰি ঘৰত ৰাজকাৰ্য্যত গুৰু দেৱৰ আজ্ঞাতে কাৰ্য্য কৰিছিল। শ্ৰীকৃষ্ণ দেৱে ঋষি সন্দীপনিৰ পৰা আখৰ জ্ঞান লাভ কৰিছিলে।

শ্ৰীকৃষ্ণ দেৱৰ আধ্যাত্মিক গুৰু শ্ৰী দুৰ্বাসা ঋষি আছিল।

পৰমেশ্বৰ কবীৰ দেৱে আমাক বুজাব বিচাৰে যে তোমালোকে শ্ৰীৰাম, শ্ৰীকৃষ্ণ ভগৱানত কৈ কোনো ডাঙৰ ভগৱান নাই বুলি মান্যতা কৰা। তেওঁ লোকেই তিনি লোকৰ গৰাকী বুলি জানিব। তেওঁ লোকেও নিজৰ গুৰু ধাৰণ কৰি ভক্তি কৰিলে। নিজৰ মানৱ জীৱন সাৰ্থক কৰিলে। ইয়াৰ দ্বাৰা সহজে জানিব পাৰি যি সকলে গুৰু অবিহনে ভক্তি কৰিছে তেওঁলোকে কিমান সত্য মাৰ্গ অৱলম্বন কৰিছে। কবলৈ হলে সম্পূৰ্ণ জীৱন ব্যৰ্থ।

গুৰু অবিহনে দেখা শুনা কোনো দন্তকথা আধাৰিত ভক্তি সাধনাক লোকবেদ অনুসৰি কৰা ভক্তি বোলে। কোনো এটা ক্ষেত্ৰত তত্বজ্ঞানৰ (শাস্ত্ৰজ্ঞানৰ) বিপৰীতে প্ৰচলিত ভক্তিৰ জ্ঞানক লোকবেদ (লোকশাস্ত্ৰ) বুলি কোৱা হয়। লোক শাস্ত্ৰৰ (মুখে মুখে চলি অহা) আধাৰত মই দাসে (সন্ত ৰামপাল দাস) হনুমান, বাবা শ্যাম জী, শ্ৰীৰাম, শ্ৰীকৃষ্ণ, শ্ৰীশিৱ দেৱ তথা অন্য দেৱ, দেৱীক ভক্তি কৰিছিলোঁ। হনুমান ভক্তিত মঙ্গলবাৰে ব্ৰত, বুনিয়া প্ৰসাদ খুওৱা, নিজে দেশী ঘিউ, চুৰমা, খাইছিলো। বাবা হনুমানক ডালদাৰে বনোৱা বুনিয়া প্ৰসাদ হিচাবে অৰ্পণ কৰিছিলোঁ। হৰে ৰাম, হৰে কৃষ্ণ, কৃষ্ণ, হৰে, হৰে, নাম মন্ত্ৰজাপ কৰিছিলোঁ।

কোনোৱে কয় ঃ

*ওঁ নাম সবসে বড়া, ইসচে বড়া ন কৌয়ঃ*

*ওঁ নাম কা জাপ কৰে, তৌ শুদ্ধ আতমা হৌয়েঃ*

তাৰ কাৰণে ওঁ (উত্তম) নাম জপ কৰিব লাগিলো। ওঁ নমো শিবায়, শিৱ দেৱৰ মন্ত্ৰ জপ কৰো। ওঁ ভাগৱতে বাসুদেৱায় নমঃ বিষ্ণু দেৱৰ মন্ত্ৰ। তীৰ্থ লৈ যোৱা দান কৰা, স্নান কৰা, এই সকলো লোক শাস্ত্ৰৰ আধাৰত সাধনা কৰিছিলোঁ।

ঘৰত যেতিয়া সুখৰ সময় আহে তাৰ কাৰণ আমি দন্তকথাৰ আধাৰত আমাৰ দেৱ দেৱী সাধনাৰ ফল বুলি ধৰিছিলো। যি দৰে পৰীক্ষাত উত্তীৰ্ণ হোৱা, বিবাহ হোৱা, সতী সন্তান জন্ম হোৱা চাকৰী মকৰল হোৱা, এই সকলো সুখ উপৰোক্ত ভক্তি সাধনাৰ পৰা লাভ হোৱা বুলি জনা হয়। কবীৰ পৰমেশ্বৰে সুক্ষ্ম বেদত কয় ঃ-

*কবীৰ পীছে লাগয়া জাওঁ থা, মে লৌকঃ বেদ কে সাথ।*

*ৰাস্তে মে সৎগুৰু মিলে, দীপক দিনহা হাথ।।*

ভাৱাৰ্থ ঃ- সাধক লোক শাস্ত্ৰৰ (মুখে মুখে, দেখা, দেখি, চলাই অহা পৰম্পৰা) আধাৰত ভক্তি সাধনা পথত অৱতীৰ্ণ আছিল। ভক্তি মাৰ্গৰ জীৱনত তত্বদৰ্শী সন্তই শাস্ত্ৰ অনুকুল সত্য সাধনা বিধি শিকাই সেই দিব্য জ্ঞানৰ দীপক প্ৰদান কৰিলে। যাৰ ফল স্বৰূপে সাধকে সত্য

ভক্তি সাধনাৰে মানৱ জীৱনৰ মুল উদ্দেশ্যত উপনীত হল। জীৱনৰ ব্যৰ্থতাৰ পৰা ৰক্ষা পৰিল। তত্বদৰ্শী সন্তৰ (সৎগুৰু) দ্বাৰা প্ৰাপ্ত সত্য জ্ঞানৰ পোহৰত হে মানৱে ভালদৰে বুজি পায় তেওঁ কিমান ভূল সাধনাৰে অমূল্য মানৱ জীৱন নষ্ট কৰি আছিল। শ্ৰীমদ ভাগৱত গীতা অধ্যায় ১৬ শ্লোক নং ২৩-২৪ ত গীতা জ্ঞানদাতায়ে অৰ্জুনক কয় শাস্ত্ৰ মত এৰি যি সাধকে মনমনা (মনোময়) আচৰণে ভক্তি সাধনা কৰে তেওঁ কেতিয়াও সুখ, সিদ্ধি আৰু গতি (মোক্ষ) লাভ কৰিব নোৱাৰে। পুনৰ গীতাৰ একে অধ্যায়ৰ ২৪ শ্লোকত কয় অৰ্জুন তোমাৰ বাবে কি কৰ্তব্য (কৰিব লগীয়া) আৰু অকৰ্তব্য (নকৰিবলগীয়া) ব্যৱস্থাত পবিত্ৰ শাস্ত্ৰই প্ৰমাণ।

উপৰোক্ত যি সাধনা মই দাসে (সন্ত ৰামপাল দাস) কৰিছিলোঁ আৰু সম্পূৰ্ণ হিন্দু সমাজে কৰি আছে, এই ভক্তি, সাধনা, পবিত্ৰ শাস্ত্ৰত, গীতা, বেদত, নিলিখা বাবে ব্যৰ্থ।

কবীৰ গুৰু বিনা কাহু ন পায়া জ্ঞান। জ্যোঁ থোথা ভুস ছড়ে মূঢ় কিসান।

কবীৰ, গুৰু বিনে বেদ পঢ়ে জো প্ৰাণী, সমঝে ন সাৰ ৰহে অজ্ঞানী।।

গতিকে তত্বদৰ্শী, সৎগুৰুৰ পৰা পবিত্ৰ শাস্ত্ৰ জ্ঞান গ্ৰহণ কৰি অধ্যয়ন কৰা অতি আৱশ্যক, সত্য ভক্তি শাস্ত্ৰানুকুল সাধনাৰে মানৱ জীৱন ধন্য হয়।

## পূৰ্ণ গুৰুৰ বচন শক্তি দ্বাৰা হে ভক্তি হয়

উদাহৰণ ঃ সৎগুৰুৰ পৰা দীক্ষা প্ৰাপ্ত কৰিহে ভক্তি লাভ হয়। গুৰু বিনা ভক্তি কৰা সকলৰ একো লাভ নহয়।

উদাহৰণ ঃ এজন ৰজাৰ ৰাণী বৰ ধাৰ্মিক প্ৰবৃত্তিৰ আছিল। তেওঁ পৰমেশ্বৰ কবীৰ দেৱৰ দীক্ষা লৈ ভক্তি কৰিছিল। ৰাণী প্ৰতি দিন গুৰু দেৱৰ দৰ্শনৰ বাবে গৈছিল। ৰজাই এই কথা সহজ ভাৱে লব নোৱাৰিছিল। পত্নী (ৰাণী)ক গুৰু দেৱৰ দৰ্শনৰ বাবে যোৱাত বাধা কৰিব নোৱাৰিছিল। কাৰণ ৰাণী কোনো শক্তিশালী ৰজাৰ জীয়াৰী আছিল। দ্বিতীয়তে তেওঁ পত্নী সদায় সুখী থকাটো বিচাৰিছিল।

এদিন ৰজাই ৰাণীক কলে তুমি যদি বেয়া নোপোৱা এটা কথা কওঁ। ৰাণীয়ে ৰজাক কবলৈ কলে। তুমি যে সদায়ে গুৰু দেৱৰ ওচৰলৈ যোৱা বিনা গুৰু ভক্তি কৰিব নোৱাৰি নেকি ? ৰাণীয়ে ক'লে গুৰুদেৱে কয় গুৰু অবিহনে ভক্তি সাধনা কৰা সকলো ব্যৰ্থ। তেতিয়া ৰজাই ক'লে কালিলৈ তোমাৰ লগত গুৰুদেৱৰ ওচৰত গৈ এই কথা স্পষ্ট কৰিম।

ৰজাই সন্তৰ ওচৰত গৈ গুৰুদেৱক প্ৰশ্ন কৰিলে আপুনি সমাজক মূৰ্খ বনাইছে। গুৰু অবিহনে ভক্তি সাফল্য অৰ্জন কৰিব নোৱাৰি নেকি ? নাম মন্ত্ৰহে জপ কৰিব লাগে। এজনে আনজনক সুধিও ভক্তি কৰিব পাৰে। তেতিয়া গুৰুদেৱে কলে ৰজা আপোনাৰ কথাত গাম্ভীৰ্য আছে। মই তোমাৰ ৰাজসভালৈ গৈ এই প্ৰশ্নৰ উত্তৰ দিম। নিশ্চিত দিনত গুৰুদেৱ ৰাজসভাত উপস্থিত হল। ৰজা সিংহাসনত বিৰাজমান আছিল। চিপাহী সকল নিজৰ নিজৰ কৰ্তব্যত আছিল। সাধুজনক বহিবৰ বাবে বেলেগকৈ আসন প্ৰদান কৰিছিল। সাধুজনে গৈয়ে কৰ্তব্যত থকা চিপাহী সকলক ৰজাক বন্দী বনাবলৈ আদেশ দিলে। সাধুজনৰ আদেশক চিপাহীয়ে কোনো কাণসাৰ নকৰিলে। সাধুজনে ৰজাক বন্দী কৰাৰ আদেশ তিনিবাৰলৈ দিলে। কিন্তু ৰজাৰ চিপাহী সকলে কোনো গুৰুত্ব নিদিলে। (ৰজাক বন্দী নকৰিলে) সাধুজনৰ এই কাণ্ড দেখি

ৰজাৰ খং উঠিল আৰু ভাবিলে যে এই ধূৰ্ত্ত ব্যক্তিয়ে মোৰ ৰাজ্যক পাৰৰ বাবে মোৰ ৰাণীক ভূল পথে পৰিচলনা কৰিছে। সেইকাৰণে ৰজাই চিপাহী সকলক সাধুজনক গ্ৰেপ্তাৰ কৰিবলৈ আদেশ দিলে। তৎক্ষণাত চিপাহীসকলে সাধুজনক বন্দী কৰিলে।

সাধুজনে ৰজাক কলে যে ঘৰলৈ আমন্ত্ৰণ কৰা সন্তক অনাদৰ কৰাটো অনুচিত। ৰজাই ক'লে আপুনি এইবিলাক কি বক্‌বকাই আছে। মোক বন্দী কৰাৰ আদেশ দিছে। সাধুজনে ৰজাক তেখেতৰ সেই গুৰু দীক্ষা লৈ ভক্তি কৰিলে কি লাভ হ'ব তাৰে উত্তৰ দি আছিল। মোক তুমি মুকলি কৰি দিয়া মই তোমাৰ সেই প্ৰশ্নৰ সম্পুৰ্ণ উত্তৰ দিম। ৰজাৰ আদেশত চিপাহীসকলে সাধুজনক মুকলি কৰি দিয়ে। সাধুজনে ৰজাক বুজাবলৈ ধৰিলে। মইও সেই একে আদেশ দি আপোনাক বন্দী বনাবলৈ কৈছিলো। কিন্তু চিপাহীসকলে কোনো কাণসাৰ নকৰিলে। সেই একে আদেশ ৰজাৰ পাই মোক চিপাহীয়ে লগে লগে গ্ৰেপ্তাৰ কৰিলে। আপোনাৰ বচনত ৰাজশক্তি আছে ঠিক তেনেকৈ মোৰ বচনত আধ্যাত্মিক শক্তি আছে। সেইকাৰণে গুৰুৰ পৰা দীক্ষা লৈ নাম জপ কৰিলেহে অধ্যাত্মিক লাভ হয়। অন্যথা আনৰ পৰা লোৱা নামেৰে কোনো লাভ নহয়। মই যি নাম জপ কৰিবলৈ দিওঁ সেইটো অতি সোনকালে প্ৰভাৱিত হয়। সেই কাৰণে পূৰ্ণ সন্তৰ পৰা নাম দীক্ষা লৈ সাধকে সাধনা আৰম্ভ কৰিব লাগে।

**সুক্ষ্মবেদত কোৱা আছে**

*সৎগুৰু পশু মানুষ কৰি ডাৰে, সিদ্ধি দেয় কৰ ব্ৰহ্ম বিচাৰে।*

ভাৱাৰ্থ ঃ সৎগুৰুৱে প্ৰথমে সৎসঙ্গৰ কথা শুনাই মানুহক সৎ চৰিত্ৰৱান বনায়। পিছত তেখেতৰ সিদ্ধি শক্তি নাম দীক্ষাৰে সাধকৰ অন্তকৰণত শব্দৰূপে প্ৰৱেশ কৰায় আৰু এক পৰমেশ্বৰৰ ভক্তি কৰিবলৈ প্ৰৱল প্ৰেৰণা কৰে। ফলস্বৰূপে সাধকৰ আগ্ৰহ দিনক দিনে বাঢ়ি গৈ তেওঁ দেৱতা তুল্য হয়।

**কবীৰদেৱে কৈছে যে**

*কবীৰ বলিহাৰী গুৰু আপনা ঘড়ী ঘড়ী সৌ সৌ বাৰ।*
*মানুষ সে দেৱতা কিয়া, কৰত না লাই বাৰ।।*

এইবাবে কৈছে যে ঃ

*কবীৰ গুৰু বিনা মালা ফেৰতে, গুৰু বিন দেতে দান।*
*গুৰু বিন দুনো নিস্ফল হায়, চাহে পুছৌ বেদ পুৰাণ।।*
*যোগ যজ্ঞ তপ দান কৰাৱে, গুৰু বিমূখ ফল কভী নাহীঁ পাৱে।।*

ভাৱাৰ্থ ঃ গুৰু অবিহনে যিয়ে মালা জপ নাম জপ আৰু দান ধৰ্ম কৰে সকলো ব্যৰ্থ হয়। এই প্ৰমাণ বেদ, পুৰাণত আছে। শেষৰ পদ ফাকিৰ অৰ্থ এই যে গুৰুদেৱৰ পৰা দীক্ষা লৈ পাছত গুৰুক এৰি সেই নাম মন্ত্ৰ জপ যজ্ঞ, হৱন, দান আদি যিমানে কৰা হয় সকলো ব্যৰ্থ হয় কোনো ফল নেপায়।

*কবীৰ, তাতে সৎগুৰু শৰণা লীজে, কপট ভাৱ সব দূৰ কৰিজে।*

অন্য প্ৰমাণ ঃ

*কবীৰ গৰ্ভ য়োগেশ্বৰ গুৰু বিনা কৰতে হৰি কী সেৱ।*

*কহে কবীৰ বৈকুন্ঠ সে, ফেৰ দিয়া সুখদেৱ।।*

*ৰাজা জনক গুৰু কিয়া ফিৰ কিনহী হৰ কী সেৱ।*

*কহে কবীৰ বৈকুন্ঠ মে, চলে গয়ে সুখদেৱ।।*

ভাৱাৰ্থ ঃ বেদ ব্যাস ঋষিৰ পুত্ৰ সুখদেৱ নিজৰ পূৰ্ব জন্মৰ ভক্তি শক্তিৰে স্বৰ্গত যায়। এবাৰ সুখদেৱ বিষ্ণু দেৱৰ স্বৰ্গত প্ৰৱেশ কৰিব বিচৰাত তাৰ প্ৰহৰী সকলে সুখদেৱ ঋষিক সুধিলে যে আপোনাৰ পূজ্য গুৰুদেৱৰ নাম কি ? সুখদেৱে কলে অন্য ব্যক্তি গুৰু ধাৰণ কৰি স্বৰ্গলৈ আহিব পাৰিছে, মোৰ ওচৰত ইমান ভক্তি শক্তি আছে গুৰু বিনা মই ইয়ালৈ আহিছো। দ্বাৰ পালে ঋষিক কলে এই পূৰ্ব ভক্তি শক্তি কম সময়তে সমাপ্ত হব। যদি পুনৰ গুৰু ধাৰণ কৰি ভক্তি নকৰা তেন্তে তোমাৰ মানৱ জীৱন নষ্ট হব।

উদাহৰণস্বৰূপে, ইনভাৰটাৰৰ বেটাৰীক সম্পূৰ্ণ চাৰ্জ কৰি চাৰ্জাৰ আঁতৰাই ৰাখিলেও বেটাৰীয়ে নিজৰ কাম কৰিব, কাৰণ বেটাৰি পুৰা চাৰ্জ হৈ আছে। কিছু সময়ৰ পাছত বেটাৰীয়ে নিজৰ কাম কৰিব নোৱাৰা হয়, যেনে ঃ বাল্ব নজলে, পাংখা নচলে তাৰ পূৰ্বৰ চাৰ্জৰ সংগ্ৰহ শক্তি শেষ হল। গতিকে বেটাৰীক ইনভাৰ্টাৰৰ লগত চাৰ্জত সংযোগ কৰা দৰে পুনৰ গুৰু চৰণত শৰণাগত হব লাগে। চাৰ্জাৰ গুৰু দেৱ বুলি আৰু বিজুলী পৰমেশ্বৰ বুলি লওঁক।

সুখদেৱ ঋষিয়ে নিজৰ সিদ্ধি শক্তিৰ অভিমানত দ্বাৰ পালৰ কথা মানি নোলোৱাত এই বাৰ্তা ভগৱান বিষ্ণু দেৱৰ ওচৰত পালে। ভগৱান বিষ্ণুৱে ঋষিক পৰামৰ্শ দিলে যে প্ৰথমে গুৰু ধাৰণ কৰা পাছত ইয়ালৈ আহিবা। সুখদেৱে বিষ্ণু ভগৱানক কলে পৃথিৱী লোকত মোৰ সমান কোনো নাই। দয়া কৰি আপুনিয়ে কওঁক কাক গুৰু বনাওঁ। বিষ্ণুদেৱে কলে তুমি ৰজা জনকক গুৰু ধাৰণ কৰা। বিষ্ণুদেৱ এই কথা কৈ গুছি গ'ল। সুখদেৱ ঋষি পুনৰ ঘূৰি পথিৱীলৈ আহিল। ৰজা জনকৰ পৰা দীক্ষা লৈ ভক্তি মন্ত্ৰৰ সাধনা কৰি স্বৰ্গ প্ৰাপ্তি কৰিলে। সেয়ে গুৰু ধাৰণ কৰি ভক্তি কৰিলে, সফল হ'ল। গুৰু অবিহনে ভক্তি, দান কৰাটো সকলো ব্যৰ্থ হয়।

*গুৰু সম্পূৰ্ণ হ'ব লাগে। নকলী গুৰুৰপৰা কোনো লাভ নহয়।।*

প্ৰশ্ন ঃ পূৰ্ণ গুৰু কেনেকৈ চিনিব পাৰি ? আমি যি সন্তৰ জ্ঞান শুনো, তেওঁৱে পূৰ্ণ গুৰু নিচিনা লাগে।

উত্তৰ ঃ সুক্ষ্ম বেদত গুৰুৰ লক্ষণৰ বিষয়ে লিখা আছে ঃ

*গৰীব সৎগুৰু কে লক্ষণ কহুঁ মধুৰে বেন বিনোদ।*

*চাৰ বেদ ছয় শাস্ত্ৰ কহ অঠাৰহ বোধ।।*

পৰমেশ্বৰ কবীৰে, সন্ত গৰীব দাসক (গাঁৱ ছুড়ানী জিলা ঝজ্জৰ, হাৰিয়ানা) এই সংসাৰত সাক্ষাৎ কৰি তেওঁৰ আত্মাক নিজৰ লগত সত্যলোক (সনাতন পৰম ধামক) দেখুৱাই সকলো অৱগত কৰাই পুনৰ পৃথিৱীত লৈ আনিলে। তেওঁক সকলো অধ্যাত্ম, তত্বজ্ঞান বুজালে, তেওঁৰ জ্ঞান যোগ খুলি দিলে কবীৰ পৰমেশ্বৰে। সেই জ্ঞানৰ আধাৰত সৎগুৰুৰ পৰিচয় কয় যে প্ৰকৃত সৎগুৰু হ'লে তেখেতৰ জ্ঞান, বিচাৰে আত্মাক সুখী কৰে, তেখেতৰ প্ৰতিটো বাণী সত্যৰ আধাৰত আৰু মধুৰ। সৎ গুৰুদেৱে পবিত্ৰ শাস্ত্ৰৰ আধাৰত জ্ঞান প্ৰচাৰ কৰাত তেওঁৰ কাৰ্য্য সহজ সৰল মধুৰ বাণীয়ে শিষ্য সকলৰ সংশয় দূৰ কৰে।

এই প্ৰমাণ পৰমেশ্বৰ কবীৰ চাহেবে সুক্ষ্ম বেদত কবীৰ সাগৰৰ অধ্যায় জীৱ ধৰ্ম বোধত পৃষ্ঠা ১৯৬০ ত কয়।

*গুৰু কে লক্ষণ চাৰ বখানা, প্ৰথম বেদ শাস্ত্ৰ কৌ জ্ঞানা।।*
*দুজে হৰি ভক্তি মন কৰ্মবাণী, তীজে সমদৃষ্টি কৰি জানি।।*
*চৌথে বেদ বিধি সব কৰ্ম যে চাৰ গুণ গুৰু জানো মৰ্মা।।*

সৰলাৰ্থ ঃ পৰমেশ্বৰ কবীৰ চাহেবে কয় যি জন সৎগুৰু তত্বদৰ্শী সন্ত, শাস্ত্ৰ গুৰু তেওঁৰ চাৰিটা মুখ্য লক্ষণ থাকে।

১) সকলো পবিত্ৰ শাস্ত্ৰৰ গূঢ় তত্ব ভালদৰে জানে।

২) তেখেতে নিজে সত্য ভক্তি মন, কৰ্ম বচনৰ দ্বাৰা কৰে। উপদেশ আৰু আহিঁ দুয়োটাই তেওঁৰ ওচৰত বিদ্যমান।

৩) সৎগুৰুৱে তেওঁৰ শিষ্য সকলৰ মাজত ভেদভাৱ নাৰাখে, সকলোকে সমান দৃষ্টিৰে চায়।

৪) সৎগুৰুৱে নিজে কৰা ভক্তি আৰু সাধনা শিষ্য সকলক প্ৰদান কৰে দীক্ষাত তেওঁ দিয়া ভক্তি সাধনা সকলো পবিত্ৰ শাস্ত্ৰ (চাৰিখন বেদ, ১) ঋকবেদ, ২) যজুৰ্বেদ, ৩) সামবেদ, ৪) অথৰ্ববেদ, ৫) সুক্ষ্মবেদ সন্মত।

চাৰিবেদত মাত্ৰ ওঁ নামৰ জপ কৰা কথা হে উল্লেখ আছে।

প্ৰমাণ ঃ যজুৰ্বেদ অধ্যায় নং ৪০ মন্ত্ৰ ১৫ আৰু ১৭ ত মন্ত্ৰ আছে। মন্ত্ৰ ১৫ ত কৈছে হে মানৱ ওঁ নামৰ স্মৰণ কাম কৰি থাকোঁতে কৰা, বিশেষ ভাৱে কৰা, আৰু মানৱ জীৱনৰ পৰম কৰ্তব্য বুলি জানি কৰা। ওঁ নামৰ স্মৰণ যি লোকে মৃত্যু সময়লৈকে কৰে তেওঁৰ সিমানেই অমৰত্ব লাভ হয় যিখিনি ওঁ নামৰ স্মৰণৰ পৰা হব পাৰে। (যজুৰ্বেদ ৪০/১৫)

যজুৰ্বেদ অধ্যায় ৪০ মন্ত্ৰ ১৭ ত বেদ কওঁতা ব্ৰহ্মই কয় যে যি জন পূৰ্ণ পৰমেশ্বৰ (পৰমাত্মা) তেওঁ পৰোক্ষ ভাৱে (লুকাই বা অব্যক্ত) আছে। পৰমেশ্বৰ আমাৰ দৃষ্টি গোচৰ নহয়। (তেখেতৰ বিষয় যজুৰ্বেদ অধ্যায় ৪০ মন্ত্ৰ নং ১০ ত আছে। কৈছে যে পূৰ্ণ পৰমেশ্বৰৰ বিষয়ে সকলো জ্ঞানৰ কথা তত্বদৰ্শী সন্তই হে জানে তেওঁৰ পৰা জানি লোৱা)। বেদ কওঁতা ব্ৰহ্মই কয় (অহম খম ব্ৰহ্ম) অৰ্থাৎ মই ব্ৰহ্ম, মোৰ এটাই নাম ওঁ (ওম), দিব্য আকাশ ৰূপী ব্ৰহ্ম লোকত থাকে।

শ্ৰীদেৱী মহাপুৰাণ (গীতা প্ৰেচ গোৰখপুৰৰ পৰা প্ৰকাশ অকল হিন্দী) সাত (৭) নং স্কন্ধত পৃষ্ঠা ৫৬২-৫৬৩ শ্ৰীদেৱী (দুৰ্গাই) হিমালয় ৰজাক উপদেশ দি কয় ৰাজন যদি তুমি নিজৰ আত্ম কল্যাণ কৰিব বিচৰা তেন্তে মোৰ ভক্তি লগতে সকলো কথা ত্যাগ কৰি মাত্ৰ এক ওঁ নামৰ জপ (স্মৰণ) কৰা, আপোনাৰ উদ্দেশ্য হ'ব ব্ৰহ্ম প্ৰাপ্তি কৰা, ইয়াৰ দ্বাৰা আপুনি ব্ৰহ্মলোক ৰূপী দিব্য আকাশত থকা ব্ৰহ্মক প্ৰাপ্তি কৰিব। ইয়াৰ পৰা প্ৰমাণ হয় বেদত মাত্ৰ ওঁ নামৰ জপ উল্লেখ আছে। শ্ৰীমদ ভাগৱত গীতা সকলো বেদৰ সাৰ। গীতা অধ্যায় ৮ শ্লোক নং ১৩ ত কয়।

*ওম ইতি একাক্ষৰম্ ব্ৰহ্ম ব্যাহৰণ মাম্ অনুস্মৰণ।*

*য় প্ৰয়াতি ত্বাজন দেহম স, য়াতি পৰমাম্ গতিম্।.*

অনুবাদ ঃ গীতা জ্ঞানদাতা, ব্ৰহ্মই কয় মোৰ ভক্তি, সাধনা কৰাৰ বাবে মাত্ৰ এক ওঁ আখৰ আছে। এই ওঁ নামৰ উচ্চাৰণ-স্মৰণ কৰি সাধকে শৰীৰ ত্যাগ কৰিলে, মৃত্যুৰ পাচত তেওঁ ইয়াৰ দ্বাৰা পাব পৰা পৰম গতি অৰ্থাৎ ব্ৰহ্মলোক প্ৰাপ্তি কৰে।

শ্ৰীমদ্‌ভাগৱত গীতা আৰু বেদত ব্ৰহ্ম সাধনাৰ বাবে ওঁ ৰ বাদে অন্য কোনো নাম নাই। প্ৰমাণিত হ'ল যে ওঁ নামৰ জপ (স্মৰণ) শাস্ত্ৰ সন্মত। গীতা জ্ঞান দাতায়ে অৰ্জুনক স্পষ্ট কৈ কয় মোৰ আৰু তোমাৰ আগতেও বহুত জনম হৈছে আৰু আগলৈও হব। মোৰ জন্ম কথা ঋষি আৰু দেৱতাই নেজানে (গীতা অধ্যায়/শ্লোক ২/১২,৪/৫,১০/২)

ইয়াৰ পৰা প্ৰমাণ হয় যে গীতা জ্ঞান দাতা ব্ৰহ্ম নাশবান (বিনাশী) আৰু জন্ম, মৃত্যু হয়। তেন্তে ব্ৰহ্ম সাধক সকল জন্ম মৃত্যুতে থাকিব। গতিকে গীতা অধ্যায় ৮ ৰ শ্লোক ১৬ ত কৈছে যে ব্ৰহ্মলোকত যোৱা সাধকো জন্ম-মৃত্যুৰ চক্ৰত পৰে। সেই কাৰণে গীতা জ্ঞান দাতায়ে ১৮ অধ্যায় শ্লোক নং ৬২ ত কয়, হে অৰ্জুন, তুমি সকলো ভাৱেৰে পূৰ্ণ পৰমেশ্বৰৰ (পৰমাত্মা) শৰণত যোৱা, তেওঁৰ কৃপাত হে তুমি পৰম শান্তি আৰু পৰম সনাতন ধাম (সত্যলোক) প্ৰাপ্ত কৰিবা।

গীতা অধ্যায় ১৫ শ্লোক ৪ ত কয়, অৰ্জুন যেতিয়া তত্বদৰ্শী সন্ত প্ৰাপ্ত হব তেওঁ নিৰ্দেশ কৰা অনুসৰি ভক্তি, সাধনা কৰি পৰমেশ্বৰৰ সেই অমৰ পদ (পৰম সনাতন ধাম) সন্ধান কৰিব লাগে যাক প্ৰাপ্ত কৰা পাছত সাধক কেতিয়াও এই মৃত্যু লোকলৈ (পৃথিৱী) ঘূৰি আহিব নালাগে, পৰম শান্তি লাভ কৰে মাত্ৰ সেইজন পৰমেশ্বৰক ভক্তি পূজা কৰা।

গীতা অধ্যায় ৭ শ্লোক নং ২৯ ত গীতা জ্ঞান দাতায়ে কয় ঃ

*জৰা মৰণ মৌক্ষায় মাম্ অশ্ৰিত্য য়তন্তি য়ে।*
*তে তত্ ব্ৰহ্ম বিদুঃ কৃত স্নম্ আধ্যাত্মম্ কৰ্ম চ অখিলম।।*

ভাৱাৰ্থ ঃ গীতা কওতায়ে অৰ্জুনক কয় যিয়ে মোৰ এই জ্ঞানত আশ্ৰয় লয় অৰ্থাৎ মই কোৱা দৰে তত্বদৰ্শী সন্তৰ চৰণত গৈ তত্ব জ্ঞান বুজি বৃদ্ধ অৱস্থা আৰু মৃত্যুৰ মহা কষ্টৰ পৰা মোক্ষ পাবলৈ যত্ন কৰে, সংসাৰৰ কোনো মূল্যৱান বস্তুক ভক্তি কৰি নিবিচাৰে, তেওঁ (তত্ ব্ৰহ্ম বিদুঃ) সেই ব্ৰহ্মক, অধ্যাত্মক আৰু সকলো কৰ্মক জানে।

অৰ্জুনে গীতা অধ্যায় ৮ শ্লোক ১ ত সোধে 'তত্ ব্ৰহ্ম' কি ? ইয়াৰ উত্তৰত গীতা জ্ঞান দাতায়ে অধ্যায় ৮ শ্লোক নং ৩ ত কয় তেওঁ 'পৰম অক্ষৰ ব্ৰহ্ম'।

গীতা অধ্যায় ৮ শ্লোক নং ৫ আৰু ৭ ত গীতা জ্ঞান দাতায়ে নিজৰ ভক্তি কৰাৰ বাবে বিশ্বাস দি কয় মোৰ ভক্তি কৰিলে মোকে প্ৰাপ্তি কৰিবা। কিন্ত ইয়াৰ পৰা জন্ম, মৃত্যু, কৰ্ম চক্ৰ চলি থাকিব আৰু যুদ্ধ কৰিব লাগিব পৰম শান্তি নহব।

গীতা জ্ঞান দাতাই লগতে অধ্যায় ৮ শ্লোক নং ৮, ৯, ১০ ত কয় 'তত্ ব্ৰহ্ম' অৰ্থাৎ পৰম অক্ষৰ ব্ৰহ্মৰ ভক্তি কৰা সাধকে সেই সচ্চিদানন্দ ঘন ব্ৰহ্মক (মোক নহয় অন্য দিব্য পৰমেশ্বৰক) প্ৰাপ্ত হয়।

গীতা অধ্যায় ১৫ শ্লোক নং ১৭ ত পৰম অক্ষৰ ব্ৰহ্ম বিষয়ে কৈছে। একে অধ্যায়ৰ ১৬

নং শ্লোকত দুজন পুৰুষ (ভগৱান) ক্ষৰ পুৰুষ আৰু অক্ষৰ পুৰুষৰ কথা আছে। ক্ষৰ পুৰুষ গীতা জ্ঞান দাতা যি ২১ খন ব্ৰহ্মাণ্ডৰ অধিকাৰী, তেওঁক ব্ৰহ্ম বুলিও কয়।

দ্বিতীয় অক্ষৰ পুৰুষ যাৰ ৭ (সাত) সংখ ব্ৰহ্মাণ্ড আছে। এই দুয়ো পুৰুষ (ব্ৰহ্ম) বিনাশী। এওঁ লোকৰ লোকত বাস কৰা সকলো প্ৰাণীও বিনাশী বুলি কয়।

গীতা অধ্যায় ১৫ শ্লোক ১৭ ত কয় ঃ

*উত্তম পুৰুষ ঃ তু অন্যঃ পৰমাত্মা ইতি উদাহৃতঃ।*
*য়ঃ লোক ত্ৰয়ম আবিশ্য বিভতি অব্যয় ঈশ্বৰঃ।।*

অনুবাদ ঃ উত্তম পুৰুষ, পুৰুষোত্তম অৰ্থাৎ পৰম অক্ষৰ ব্ৰহ্ম ওপৰত উল্লেখিত ক্ষৰ পুৰুষ আৰু অক্ষৰ পুৰুষ বাদে অন্য পৰমাত্মাক কোৱা হয় যি তিনিও লোক (ক্ষৰ পুৰুষৰ ২১ ব্ৰহ্মাণ্ড লোক দ্বিতীয়তে অক্ষৰ পুৰুষৰ সাত (৭) শংখ ব্ৰহ্মাণ্ড লোক, তৃতীয়তে ওপৰৰ চাৰি লোক (সত্য লোক, অলখ লোক, অগম লোক আৰু অনামী লোক) এনে প্ৰকাৰে গঢ়া তিনিওঁ লোক) ত আহি সকলোৰে ধাৰণ পোষণ কৰে। তেওঁ হে প্ৰকৃত অবিনাশী পৰমেশ্বৰ।

গীতা অধ্যায় ১৭ শ্লোক নং ২৩ ত পৰম অক্ষৰ ব্ৰহ্মক প্ৰাপ্তি কাৰণে মন্ত্ৰ কথা উল্লেখ কৰে।

*ওঁ, তত্, সত্, ইতি নিৰ্দেশঃ ব্ৰহ্মণঃ ত্ৰিবিধঃ স্মৃতঃ।*
*ব্ৰাহ্মণঃ তেনে বেদাঃ যজ্ঞাঃ চ বিহিতা পুৰা।*

ব্ৰহ্মণ ঃ সচ্চিদানন্দ ঘন ব্ৰহ্মাৰ অৰ্থাৎ পৰম অক্ষৰ ব্ৰহ্মৰ ভক্তি সাধনাৰ অৰ্থাৎ পৰমেশ্বৰৰ সেই পৰম পদ প্ৰাপ্তিৰ বাবে মন্ত্ৰৰ কথা কয়, যলৈ যোৱাৰ পাছত সাধক কেতিয়াও পুনৰ এই সংসাৰলৈ নাহে, যত পৰম শান্তি, (চিৰস্থায়ী শান্তি) লাভ কৰে, যি সনাতন পৰম ধাম নামে জনাজাত।

ওঁ "ব্ৰহ্ম" অৰ্থাৎ "ক্ষৰ পুৰুষ" ৰ মন্ত্ৰ যি প্ৰত্যক্ষ আছে।

তত্ "অক্ষৰ পুৰুষৰ" জপ মন্ত্ৰ, ই সংকেতত হে আছে।

প্ৰকৃত মন্ত্ৰ সুক্ষ্ম বেদত হে সৰল ভাৱে আছে। দীক্ষা লোৱা সময়ত শিষ্যক অৱগত কৰা হয়। অন্যক কোৱা নহয়।

সত ঃ পৰম অক্ষৰ ব্ৰহ্মাৰ সাধনা মন্ত্ৰ হয়। সাংকেতিক হয়। দীক্ষাৰ্থীক দীক্ষা সময়তে কোৱা হয়। যথাৰ্থ মন্ত্ৰ সুক্ষ্ম বেদত আছে। সাম বেদ মন্ত্ৰ নং ৮২২ ত তিনি নাম মন্ত্ৰ জপৰ দ্বাৰা হে পূৰ্ণ মোক্ষ হয় বুলি প্ৰমাণ আছে।

সংখ্যা নং ৮২২ সামবেদ উতাচিক অধ্যায় ৩ খণ্ড নং ৫ শ্লোক ৮ (সন্ত ৰামপাল দাসৰ দ্বাৰা ভাষা ভাষ্য)

মনিষিভি ঃ পৱতে পুব্যঃ কবি নৃৰ্ভিয়ৰ্তঃ পৰি কৌশা অসিষ্যদত।

ত্ৰিতস্য নাম জনযন্মধু ক্ষৰন্নিন্দস্য বায়ু সংখ্যায় বৰ্ধয়ন।।৮

মনীষিভি ঃ পৱতে-পুব্যঃ কবীৰ-নৃভিঃ যতঃ পৰি-কোসান-অসিষ্যদত-ত্ৰি-তস্য-নাম-জনযন-মধুৰ-ক্ষৰণঃ ন ইন্দ্ৰস্য-বায়ুম-সংখ্যায়-ৱৰ্ধয়ন।

শব্দাৰ্থ - (পুৰ্ব্য) সনাতন অৰ্থাৎ সৰ্ব প্ৰথমে প্ৰকট (কবীৰ নৃভি) কবীৰ পৰমেশ্বৰে মানৱ

ৰূপত গুৰু হিচাবে প্ৰকট (যিকোনো ৰূপত হঠাতে বিদ্যমান হোৱা) হৈ (মনিষিৰ্ভিঃ) বুদ্ধি মান ভকত সাধকক তিনি (নাম) মন্ত্ৰ অৰ্থাৎ উপদেশ দি (পৱতে) পাপৰ পৰা মুক্ত কৰি পবিত্ৰ কৰে (জনয়ম) জনম আৰু, (ক্ষৰণ) মৃত্যু (ন) নাশ কৰে আৰু (তস্য) তেওঁৰ (বায়ুম) প্ৰাণ অৰ্থাৎ জীৱনৰ শ্বাস, যিনেকি সংস্কাৰ বশত লাভ কৰা হিচাবত থাকে, (কৌশান) নিজৰ ভঁৰালৰ পৰা (সংখ্যায়) মিত্ৰতাৰ আধাৰত (পৰি) পূৰ্ণ ৰূপত (বৰ্ধায়ন) বঢ়ায়। (য়তঃ) যি কাৰণে (ইন্দ্ৰস্য) পৰমেশ্বৰৰ (মদু) প্ৰকৃত আনন্দ (অসিষ্যদত) নিজৰ আশীৰ্বাদ প্ৰসাদ ৰূপত দিয়ে।

ভাৱাৰ্থ ঃ ওপৰৰ মন্ত্ৰৰ পৰা স্পষ্ট হয় যে পুৰ্ণ পৰমাত্মা অৰ্থাৎ কবীৰ পৰমেশ্বৰ মানৱ শৰীৰত গুৰু ৰূপত প্ৰকট হৈ ভগৱানৰ ভক্ত প্ৰেমীক তিনি নাম মন্ত্ৰৰ জপ দি সত্য ভক্তি কৰায়। সেই মিত্ৰ ভকতক পবিত্ৰ কৰি নিজৰ আশীৰ্বাদেৰে পূৰ্ণ পৰমেশ্বৰক মানে নিজক প্ৰাপ্ত কৰা মাৰ্গ প্ৰদান কৈ (বিধি নিয়ম) সম্পুৰ্ণ সুখ লাভ কৰায়। সাধকৰ আয়ু বঢ়াই দিয়ে, এই প্ৰমাণ গীতা অধ্যায় ১৭ শ্লোক নং ২৩ ত আছে। ওঁ, তত্, সত্ ইতি নিৰ্দেশঃ ব্ৰাহ্মণঃ ত্ৰিবিধি স্মৃতঃ ভাৱাৰ্থঃ পূৰ্ণ পৰমাত্মাক লাভ কৰিবলৈ ১) ওঁ, ২) তত্, ৩) সত্, মন্ত্ৰৰ জপৰ, স্মৰণৰ নিৰ্দেশ আছে।

এই তিনি নাম মন্ত্ৰ তত্বদৰ্শী সন্তৰ পৰা লোৱাৰ আদেশ কৰিছে। তত্বদৰ্শী সন্তৰ বিষয়ে গীতা অধ্যায় ৪ শ্লোক ৩৪ ত কৈছে আৰু অধ্যায় নং ১৫ শ্লোক নং ১ ৰ ৪ ত তত্বদৰ্শী সন্তৰ পৰিচয় কৰাইছে। তত্বদৰ্শী সন্তক প্ৰাপ্তি কৰি তত্বজ্ঞানক জানি তাৰ পাছত সেই পৰম পদ পৰমেশ্বৰৰ সন্ধান কৰা (সনাতন পৰম ধাম) যলৈ যোৱা সাধক পুনৰ সংসাৰলৈ নাহে, অৰ্থাৎ মুক্ত হৈ পৰম শান্তি লাভ হয়। সেইজনে সম্পুৰ্ণ সৃষ্টি ৰচনা কৰিলে।

বিশেষ ঃ ওপৰৰ বিৱৰণৰ পৰা স্পষ্ট হয় যে পবিত্ৰ চাৰিবেদে প্ৰমাণ কৰে পূৰ্ণ পৰমেশ্বৰহে পূজাৰ যোগ্য, তেখেতৰ বাস্তৱিক নাম কবীৰ দেৱ (কবীৰ পৰমেশ্বৰ) আৰু তিনি নাম মন্ত্ৰৰ স্মৰনেহে, পূৰ্ণ মোক্ষ লাভ হয়।

চাৰিওখন বেদৰ সাৰাংশ শ্ৰীমদভাগৱত গীতা। গীতা শাস্ত্ৰত প্ৰমাণ আছে যে তিনি নামৰ জপ, স্মৰণ কৰি সেই স্থান প্ৰাপ্তি কৰিব পাৰি যি স্থানলৈ যোৱাৰ পাছত সাধক এই সংসাৰলৈ কেতিয়াও পুনৰ ঘূৰি নাহে। যাক সনাতন পৰম ধাম বুলি কয়, সাধকে চিৰশান্তি লাভ কৰে।

বেদ আৰু গীতাত এই অমূল্য নাম মন্ত্ৰ স্পষ্টকৈ নাই অৰ্থাৎ সাংকেতিক আছে। তাৰ কাৰণে চাৰিওবেদ, গীতা অনুসৰি সাধনা কৰিলে সেই স্থান আৰু পৰমাত্মা প্ৰাপ্তি নহয়।

গীতা অধ্যায় ৪ শ্লোক নং ৩২ আৰু ৩৪ ত গীতা জ্ঞান দাতাই স্পষ্ট কৰি কয় যজ্ঞ বা ধাৰ্মিক অনুষ্ঠানৰ যথাৰ্থ জ্ঞান (ব্ৰাহ্মণঃ মুখে) সচিদানন্দ ঘন ব্ৰহ্ম অৰ্থাৎ পৰম অক্ষৰ ব্ৰহ্মাৰ নিজে মুখকমলৰ বাণীতে বিতংকৈ কোৱা আছে। যাক তত্ব জ্ঞান, সুক্ষ্ম বেদ বুলি কয়। সেই জ্ঞান জনা পাছত সাধক সকলো পাপৰ পৰা মুক্ত হৈ যায়। যত সকলো ভক্তি মন্ত্ৰ আৰু বিধি কোৱা আছে। (অধ্যায় ৪ শ্লোক ৩২)

গীতা অধ্যায় ৪ শ্লোক নং ৩৪ ত কয় সেই তত্বজ্ঞানক তুমি তত্বদৰ্শী (শাস্ত্ৰ গুৰু) সন্তৰ ওচৰত গৈ বিনা কপটে অষ্টাংগ দণ্ডৱৎ প্ৰণাম কৰি বিনম্ৰ ভাৱে জানিব বিচাৰিলে পৰমাত্মা তত্বক ভালদৰে জনা সেই জ্ঞানী মহাত্মাই তোমাক তত্ব জ্ঞানৰ দীক্ষা দিব (উপদেশ কৰিব) গীতা ৪/৩৪।

ভদ্র লোকসকল, সেই তত্বদৰ্শী সন্ত এই দাস (সন্ত ৰামপাল দাস) হয়। এই গূঢ় ৰহস্য, তত্বজ্ঞান মোৰ ওচৰত আছে। বিশ্বত এই পৰম দিব্য জ্ঞান মোৰ বাদে অন্য কাৰো ওচৰত নাই। পৃথিৱীত জনসংখ্যা প্ৰায় সাত (৭) আৰৱ। এই সাত আৰৱ জন সংখ্যাৰ ভিতৰত মোৰ বাদে (সন্ত ৰামপাল দাস) কোনোও তত্বজ্ঞানক নাজানে।

গীতা অধ্যায় ৭ শ্লোক নং ১২ ৰ পৰা ১৫ গীতা জ্ঞান দাতাই কৈছে তিনিগুণক (ৰজগুণ ব্ৰহ্মাদেৱ সৎগুণ বিষ্ণুদেৱ, তমগুণ শিৱদেৱ) ভক্তি পূজা কৰা সকল ১। ৰাক্ষস স্বভাৱ ধাৰণ কৰা, ২। মানুহৰ ভিতৰত অতি নীচ স্বভাৱৰ, ৩। অতি দুষিত (বেয়া কৰ্ম) কৰ্ম কৰা, ৪। মুৰ্খই মোৰো ভক্তি পূজা নকৰে।

পুনৰ গীতা জ্ঞানদাতাই গীতা অধ্যায় ৭ শ্লোক নং ১৬ ৰ পৰা ১৮ ত নিজৰ সাধনা কৰা সকলৰ বিষয়ে কয়। মোৰ ভক্তি চাৰি প্ৰকাৰ ১। আৰ্ত (ৰোগ দুখ কষ্ট পৰা পৰিত্ৰানৰ বাবে) ২। অৰ্থাৰ্থী (সংসাৰৰ ভৌতিক সম্পদ, ধন, সম্পদৰ প্ৰাপ্তি বাবে, ৩। জিজ্ঞাসু (যিয়ে পৰমাত্মাক জানিব বিচাৰে) ৪। জ্ঞানী (যিয়ে এই কথা ভালদৰে বুজি পায় মানুহৰ জীৱন এক মাত্ৰ পৰমাত্মা প্ৰাপ্তিৰ বাবে) এই চাৰিপ্ৰকাৰ সাধকৰ ভিতৰত জ্ঞানীহে শ্ৰেষ্ঠ। কিন্তু সেই জ্ঞানী আত্মাই (সাধকে) তত্বজ্ঞান নজনা বাবে মোৰ (অনুত্তম) বেয়া গতিত পৰি থাকিল।)

গীতা অধ্যায় ৭ শ্লোক নং ১৯ ত গীতা জ্ঞান দাতায়ে কয় যে মোৰ ভক্তি পূজাও জন্ম জন্মান্তৰৰ শেষত কোনোবা জ্ঞানী আত্মাই (সাধকে) ভালদৰে কৰে। অন্যথা সাধকে অন্যৰ সাধনা কৰি থাকে। ভক্তি, পূজা একমাত্ৰ বাসুদেৱ (কণ কণত ব্যাপ্ত) সৰ্বগতম ব্ৰহ্মৰহে কৰিব লাগে (পূৰ্ণ পৰমেশ্বৰক) তেওঁৰে সকলো। তেওঁৰ ভক্তি কৰি পৰম শান্তি অৰ্থাৎ সনাতন পৰম ধাম লাভ কৰিব পাৰি। সেই ধামৰ (স্থানৰ) পৰা সাধক কেতিয়াও সংসাৰলৈ (মৃত্যু লোকলৈ) ঘূৰি নাহে চিৰ শান্তি লাভ কৰে। পৰম অক্ষৰ ব্ৰহ্মই সকলোৰে সৃষ্টি কৰ্তা, সংসাৰ ৰূপী গছৰ মূল শিপা, যি তিনি লোকত আহি সকলোকে ধাৰণ পোষণ কৰে। তেওঁ হে জীৱৰ পাপ নাশ কৰিব পাৰে মোক্ষ দাতা একমাত্ৰ পূজনীয়। এই সকলো কথা জনা সেই তত্বজ্ঞান দাতা তত্বদৰ্শী সন্ত লাভ কৰাটো অতি দুৰ্লভ, গীতা জ্ঞানদাতায়ে কৈছে।

গতিকে প্ৰিয় পাঠক, এনে দুৰ্লভ তত্বদৰ্শী সন্ত বৰ্তমান এই দাস (সন্ত ৰামপাল দাস) হয়। মোৰ ওচৰত সম্পুৰ্ণ বেদশাস্ত্ৰৰ জ্ঞান আছে। বাসুদেৱ ভগৱানৰ ভক্তি কৰা সম্পুৰ্ণ মন্ত্ৰ আছে।

## বাসুদেৱৰ পৰিভাষা

গীতা অধ্যায় ৩ শ্লোক ১৪-১৫ ত জ্ঞান দাতায়ে কৈছে সকলো প্ৰাণী অন্নৰ পৰা উৎপত্তি হয়। আগৰ পাঠতে ইয়াৰ সবিশেষ জনোৱা হৈছে। ইয়াত মাত্ৰ বাসুদেৱৰ বিষয় লোৱা হ'ল।

ব্ৰহ্ম অৰ্থাৎ ক্ষৰ পুৰুষৰ (গীতা জ্ঞান দাতা) উৎপত্তি অবিনাশী পৰমাত্মাৰ পৰা হৈছে, এই কথা গীতা অধ্যায় ১৫ শ্লোক নং ১৭ ত কৈছে। ইয়াৰ পৰা প্ৰমাণ হয় "সৰ্বগতম ব্ৰহ্ম" সৰ্বব্যাপী পৰম অক্ষৰ ব্ৰহ্ম অৰ্থাৎ বাসুদেৱ সদায় ধাৰ্মিক অনুষ্ঠানত প্ৰতিষ্ঠিত। বিচাৰযোগ্য বিষয়ঃ সৰ্বগতম ব্ৰহ্মৰ অৰ্থ সকলোতে ব্যাপী থকা পৰম অক্ষৰ ব্ৰহ্ম। (গীতা অধ্যায় ৩ শ্লোক নং ১৫) ১) শ্ৰীব্ৰহ্মা, বিষ্ণু দেৱ, শ্ৰী শিৱ দেৱ, তিনি দেৱতা এখন ব্ৰহ্মাণ্ডত বনোৱা তিনি লোকৰ (স্থান) স্বৰ্গলোক, পৃথিৱী লোক, পাতাল লোক) এটাকৈ বিভাগ অৰ্থাৎ গুণৰ প্ৰধান

এওঁলোক সৰ্বগতম ব্ৰহ্ম অৰ্থাৎ সৰ্বব্যাপী পৰমাত্মা বাসুদেৱ নহয়। ২। ব্ৰহ্ম অৰ্থাৎ ক্ষৰ পুৰুষ, এওঁ মাত্ৰ ২১ খন ব্ৰহ্মাণ্ডৰ ভগৱান। সৰ্বব্যাপী আৰ্থাৎ বাসুদেৱ নহয়। ৩। অক্ষৰ পুৰুষ এওঁ কেৱল ৭ (সাত) শংখ ব্ৰহ্মাণ্ডৰ ভগৱান। এওঁ সৰ্ব ব্যাপী অৰ্থাৎ বাসুদেৱ নহয়। ৪। পৰম অক্ষৰ ব্ৰহ্ম সকলো ব্ৰহ্মাণ্ডৰ অধিকাৰী (স্বামী) সকলোকে ধাৰণ, পোষণ কৰা বাসুদেৱ, পূৰ্ণ পৰমাত্মা। অধিক জানিবলৈ পঢ়ক এই পুথিতে "সৃষ্টি ৰচনা"।

আগতে উল্লেখ কৰা হৈছে পৰম অক্ষৰ ব্ৰহ্মই স্বয়ং পৃথিৱীত আহি প্ৰকট (যিকোনো ৰূপত প্ৰকাশ) হয় আৰু পূণ্যবান ভকতক (আত্মাক) লগ কৰি তত্বজ্ঞান অৱগত কৰে। এনে বিধান অনুসাৰে পৰমেশ্বৰে আহি সন্ত গৰীব দাসক (গাওঁ ছুড়ানী জিলা, ঝজ্জৰ, হাৰিয়ানা) ১৭২৭ চনত লগ কৰে। এজন জীন্দা মহাত্মা বেশত গৰীব দাসৰ আত্মাক পৰমেশ্বৰে সনাতন পৰম ধামলৈ লৈ গ'ল। ওপৰৰ সকলো ব্ৰহ্মাণ্ড তথা ভগৱানৰ স্থিতি অৱগত কৰাই তত্বজ্ঞানৰ পৰিচয় কৰাই পুনৰ নিজৰ দেহত আত্মাক এৰিলে। সেই সময়ত সন্ত গৰীব দাস মহাৰজাৰ বয়স ১০ বছৰ আছিল। অচেতন অৱস্থাত বহু সময় থকা দেখি তেওঁক মৃত বুলি জানি চিতাত তুলি শেষ সংস্কাৰৰ সময়তে দেহত আত্মা প্ৰৱেশ হোৱাত চিতাৰ পৰা নিজে নামি আহে। সকলো পৰিয়াল বৰ্গৰ আনন্দ সীমাহীন হ'ল। তাৰ পাছত গৰীব দাসে অমূল্য গ্ৰন্থ ৰচনা কৰিলে। তেওঁ নিজৰ চকুৰে দেখা আৰু পৰমাত্মাৰ দ্বাৰা কোৱা জ্ঞানক গোপাল দাস নামৰ দাদু পন্থী সাধুৰ দ্বাৰা লিখালে। বৰ্তমানত ছপা কৰি ৰখা হৈছে।

পঞ্জাব ৰাজ্যৰ লুধিয়ানা চহৰৰ ওচৰত বাসীয়ৰ নামৰ গাঁৱত ভগৱান প্ৰেমী ৰাম ৰায় নামৰ ব্যক্তি আছিল। সন্ত গৰীব দাস মহাৰাজৰ বিশেষ মহিমা শুনি তেওঁ দৰ্শনৰ বাবে গাওঁ ছুড়ানীলৈ আহিল। সন্ত গৰীব দাসে তেওঁক এই নিৰ্মল পবিত্ৰ জ্ঞানৰ কথা ক'লে। (যি জ্ঞান বৰ্তমান সন্ত ৰামপাল দাসে সন্ত গৰীব দাসৰ পৰা প্ৰাপ্ত কৰি এই পুথিত আৰু অন্য পুথিত সমাজক অৱগত কৰিছে।)

ৰাম ৰায়ে প্ৰশ্নৰ সুৰত ক'লে, হে মহাত্মা, এই জ্ঞানৰ কথা আজিলৈকে কোনোৱে কোৱা নাই বা জনা নাই ? সন্ত গৰীব দাসে নিজৰ বাণীৰে ক'লে -

*কৌটয়োঁ মধ্য কৌই নহীঁ ৰাই ঝুমকৰা, অৰবৌ মে কৌই গৰক সুনৌ ৰাই ঝুমকৰা।।*

অনুবাদ ঃ সন্ত গৰীব দাসে কলে এই জ্ঞান কোটি ব্যক্তিৰ মাজত কাৰো ওচৰত নাই। এক লাখ কোটিৰ মাজত হে কোনো এজনে জানে। যি জনে এই জ্ঞানক জানে সেই সন্তই সৰ্ব জ্ঞান সম্পূৰ্ণ সাধনাৰ মন্ত্ৰ পৰিপূৰ্ণ কৈ জানে। প্ৰিয় পাঠক সেই অমূল্য নিৰ্মল জ্ঞান দাতা সন্ত বৰ্তমানত জিলা হিচাৰ, বৰৱালাত আছে। জ্ঞানক বুজি মানুহৰ জীৱন সফল কৰক।

প্ৰশ্ন ঃ অতীতৰে পৰা প্ৰচলিত ভক্তি সাধনাক আপুনি ভূল বুলি কিয় কৈছে ? পূৰ্বৰে পৰা ঋষি সকলে তপ কৰা হিন্দু সমাজে দেখি আহিছো হৰে ৰাম, হৰে শ্ৰীকৃষ্ণ, ৰাধে ৰাধে শ্যাম লগ কৰাই দে, ঔ নমঃ শিৱায়, ঔ নমো ভগৱতে বাসুদেৱায়ঃ নমঃ, জয় চিয়াৰাম, ৰাধে শ্যাম, ওঁ তত্ সত্ আদি আদি কোনো এটা নামৰ জপ কৰি আহিছোঁ। বৰ্তমানতো কৰি আছে। শ্ৰী ৰামচন্দ্ৰ দেৱ শ্ৰীকৃষ্ণ দেৱক পূৰ্ণ পৰমাত্মা বুলি মানিছোঁ তাৰ বাবে তেওঁ লোকৰ নাম জপ কৰো। আপুনি সকলো ব্যৰ্থ বুলি কয়, ইয়াৰ স্পষ্টীকৰণ দিয়ক।

উত্তৰ ঃ প্ৰাচীন সময়ত এনে সাধনা আৰু এনে নাম মন্ত্ৰওঁ হোৱা হলে শ্ৰীমদ ভগৱত গীতা, অধ্যায় ৪ শ্লোক নং ১-২ ত গীতা জ্ঞান দাতায়ে এনেকৈ নকয় যে অৰ্জুন গীতা জ্ঞানত যি যোগ অৰ্থাৎ ভক্তি সাধনা বিধিৰ কথা উল্লেখ কৰিছো বৰ্তমানত প্ৰায় লুপ্ত মানে সকলো নষ্ট হ'ল। এই জ্ঞানক আদিতে মই সূৰ্য্য দেৱক কৈছিলো, সূৰ্য্যৰ পৰা মনু, মনুৰ পৰা পুত্ৰ ইক্ষাকু আৰু কিছু ৰাজ ঋষিয়ে জানিলে। এতিয়া মানে দ্বাপৰ যুগৰ বহুত আগতে এই জ্ঞান লুপ্ত হ'ল। মনু ইক্ষাকু আদি আদি সকলো সত্য যুগৰ প্ৰথম ভাগতে বিদ্যমান আছিল। যদি আপুনি শ্ৰীৰাম চন্দ্ৰ, পুত্ৰ ৰজা দশৰথ আৰু শ্ৰী বাসুদেৱৰ পুত্ৰ শ্ৰীকৃষ্ণক পূৰ্ণ পৰমাত্মা মানি তেওঁলোকৰ নাম হৰে কৃষ্ণ হৰে ৰাম, নামে মোক্ষ বিচাৰে, বা মানে এয়া শ্ৰীমদ্‌ভাগৱত গীতাত বৰ্ণিত যথাৰ্থ প্ৰাচীন যোগ, অৰ্থাৎ ভক্তি, সাধনা বিধিৰ বিপৰীত হোৱা কাৰণে ব্যৰ্থ। যিহেতু এয়া শাস্ত্ৰ বিধি ত্যাগ কৰি মনোময় আচৰণ হয়, সেই কাৰণে ওপৰৰ প্ৰশ্নত লিখা নাম মন্ত্ৰ শাস্ত্ৰ প্ৰমাণিত নহয়। গতিকে ব্যৰ্থ, গীতা অধ্যায় ১৬ শ্লোক নং ২৩-২৪ ত গীতা জ্ঞান দাতায়ে কয় যি ব্যক্তিয়ে শাস্ত্ৰ বিধি ত্যাগ কৰি মনোময় আচৰণ ভক্তি কৰে, সেই সাধকৰ কেতিয়াও ১) সুখ শান্তি, ২) কোনো সিদ্ধি, ৩) কোনো গতি নহয় মানে সাধনা, বা ভক্তি ব্যৰ্থ। (অধ্যায় ১৬ শ্লোক ২৩)

একে অধ্যায়ৰ শ্লোক ২৪ ত কয়, সেই কাৰণে অৰ্জুন কৰ্তব্য (কি কৰিব লাগে) আৰু অকৰ্তব্য ( কি কৰিব নেলাগে) ব্যৱস্থাপনাত শাস্ত্ৰই প্ৰমাণ। ভাৱাৰ্থ হ'ল ভক্তি কৰাৰ যি বিধি প্ৰমাণিত পৱিত্ৰ শাস্ত্ৰত (চাৰিখন বেদ) ১) ঋগবেদ, ২) যজুৰ্বেদ, ৩) সামবেদ, ৪) অথৰ্ববেদ এই চাৰিওখন বেদৰ সাৰাংশ শ্ৰীমদ্‌গীতা আৰু সুক্ষ্মবেদত পূৰ্ণ পৰমেশ্বৰে নিজে মুখ কমলেৰে কয়। এই সকলোবোৰ ভক্তি, জ্ঞান আৰু সমাধানৰ প্ৰমাণিত শাস্ত্ৰ হয় যি বিধি ইয়াত বৰ্ণিত (উল্লেখ) নাই সেইটো শাস্ত্ৰ বিৰুদ্ধ সাধনা, সেয়ে ভক্তিত কি কৰ্ম কৰিব লাগে আৰু কি কৰ্ম কৰিব নেলাগে তাৰ বাবে পবিত্ৰ শাস্ত্ৰই আধাৰ বুলি মানি ল'ব। শাস্ত্ৰত উল্লেখ থকা ভক্তি বিধি গ্ৰহণ কৰি বাকী সকলো ত্যাগ কৰা।

শ্ৰীৰাম চন্দ্ৰৰ জন্ম ত্ৰেতা যুগৰ শেষ ভাগত হয়। শ্ৰীকৃষ্ণদেৱৰ জন্ম দ্বাপৰৰ শেষ ভাগত হয়। সত্য যুগৰে পৰা মানুহে ভক্তি কৰি আহিছে। সেই সময়ত কোন ৰাম আছিল ? যদি কয় শ্ৰীবিষ্ণু দেৱ তেন্তে শ্ৰীবিষ্ণু দেৱ সত্য যুগৰ আগৰ, শ্ৰীৰাম চন্দ্ৰ শ্ৰীকৃষ্ণ দেৱ শ্ৰীবিষ্ণুদেৱৰ অৱতাৰ। সত্য যুগত মহৰ্ষি বাল্মিকীয়ে ৰাম ৰাম নাম জপিছিল তেওঁ বিষ্ণু বিষ্ণু নাম লোৱা নাছিল। ইয়াৰ পৰা প্ৰমাণ হয় শ্ৰীবিষ্ণু শ্ৰীৰাম শ্ৰীকৃষ্ণ বাদে অন্য ৰাম বা গৰাকী আছে সেই আচল ৰামৰ নাম জপ কৰিব লাগে। সেই ৰামৰ জপ কৰিব লাগে যাৰ বিষয়ে গীতা অধ্যায় নং ৭ শ্লোক নং ২৯ ত উল্লেখ আছে গীতা জ্ঞান দাতায়ে কয় "তত্ ব্ৰহ্মক" (প্ৰকৃত ভগৱানক) জনা সাধকে বৃদ্ধ অৱস্থা আৰু মৃত্যুৰ পৰা পৰিত্ৰান পাবলৈ হে ভক্তি কৰে। অৰ্জুনে গীতা অধ্যায় ৮ শ্লোক নং ১ ত প্ৰশ্ন কৰে সেই "তত্ ব্ৰহ্ম" কোন ?

গীতা জ্ঞান দাতাই গীতা অধ্যায় ৮ শ্লোক নং ৩ ত তাৰ উত্তৰ কয়। সেই জন "পৰম অক্ষৰ ব্ৰহ্ম" হয়। একে অধ্যায়ৰ শ্লোক নং ৫ ৰ ৭ লৈ গীতা জ্ঞান দাতায়ে নিজৰ ভক্তি কৰিবলৈ কয়। তেওঁৰ নামৰ জপ মন্ত্ৰ একে অধ্যায়ৰ শ্লোক নং ১৩ ত কয় (ওঁম ইতি একাক্ষৰম ব্ৰহ্ম ব্যৱহাৰণ মাম্ অনুস্মৰণ)

গীতা অধ্যায় ৮ শ্লোক নং ৮, ৯, ১০ ত জ্ঞান দাতায়ে নিজতকৈ বেলেগ অন্য "তত্ ব্ৰহ্ম" বা পৰম অক্ষৰ ব্ৰহ্মক ভক্তি কৰিবলৈ কয়। "তত্ ব্ৰহ্ম" ৰ ভক্তি, নাম মন্ত্ৰ জপৰ উল্লেখ গীতা অধ্যায় ১৭ শ্লোক নং ২৩ ত কৰে।

*ওঁ তত্ সত্ ইতি নিৰ্দেশঃ ব্ৰহ্মণঃ ত্ৰিবিধিঃ স্মৰত।*
*ব্ৰাহ্মণঃ তেন, বেদাঃ চ যজ্ঞাঃ চ বিহিতাঃ পুৰা।।*

সৰলাৰ্থঃ ব্ৰহ্মণ - সচ্চিদানন্দ ঘন ব্ৰহ্ম অৰ্থাৎ পৰম অক্ষৰ ব্ৰহ্মৰ ভক্তি মন্ত্ৰ ওঁ তত্ সত্ স্মৰণৰ আদেশ আছে। (ত্ৰিবিধঃ) তিনি প্ৰকাৰে (স্মত) স্মৰণ কৰিবলৈ কয়। (ব্ৰাহ্মণঃ) বিদ্বান অৰ্থাৎ তত্বদৰ্শী সন্তই (তেন) সেই (বেদাঃ) জ্ঞানৰ আধাৰত ভক্তি কৰে (চ) আৰু (যজ্ঞাঃ) ধাৰ্মিক অনুষ্ঠান (চ) আৰু অন্য ভক্তি কৰ্ম (পুৰা) সৃষ্টিৰ আদিতে (সৃষ্টি আৰম্ভ পাছত) (বিহিতা) কৰা হৈছিল।

শ্ৰীমদ ভগৱত গীতাৰ পৰা প্ৰতক্ষ্য প্ৰমাণ হয় যে গীতা জ্ঞান দাতাৰ পৰা অন্য কোনো পূৰ্ণ পৰমাত্মা আছে যিজন শ্ৰীবিষ্ণু, শ্ৰী ব্ৰহ্মা, শ্ৰী শিৱ দেৱৰ পৰা অন্য এজন হয় যাৰ বিষয়ে গীতা অধ্যায় ১৫ শ্লোক - ১, ৪, ১৭ ত আৰু অধ্যায় ১৮ ৰ শ্লোক ৬২ ত আৰু গীতাৰ অন্য বহুতো শ্লোকত উল্লেখ আছে, তেওঁ পূৰ্ণ পৰমেশ্বৰ (পৰমাত্মা) হয়। অধ্যায় ১৫ শ্লোক নং ১৬ ত দুজন পুৰুষৰ (ভগৱানৰ) উল্লেখ কৰে। এই দুয়ো ভগৱান নাশবান বুলি কয়। দুয়োজন ভগৱানৰ অন্তৰ্গত সকলো প্ৰাণী বিনাশী হয় ১) ক্ষৰ পুৰুষ, মাত্ৰ ২১ খন ব্ৰহ্মাণ্ডৰ ভগৱান, ২) অক্ষৰ পুৰুষ (ভগৱান) সাত (৭) শংখ ব্ৰহ্মাণ্ডৰ ভগৱান। এই দুয়ো পূৰ্ণ পৰমাত্মা নহয়। (গীতা অধ্যায় ১৫ শ্লোক নং ১৬)

গীতা অধ্যায় ১৫ শ্লোক নং ১৭ ত গীতা জ্ঞান দাতায়ে কয় যে উত্তম পুৰুষ (ভগৱান) অন্য এজন মানে পুৰুষোত্তম ওপৰত লিখা দুয়ো ভগৱানৰ (ক্ষৰ পুৰুষ আৰু অক্ষৰ পুৰুষ) পৰা অন্য (পৰমাত্মা ইতি উদাহৃতঃ) পূৰ্ণ পৰমেশ্বৰ হয়। (য়ঃ লৌকত্ৰয়ম) যি তিনিও লোকত (আবিশ্য বিভতি) প্ৰৱেশ কৰি ধাৰণ পোষণ কৰে (অব্যয়ঃ ঈশ্বৰঃ) অবিনাশী পৰমেশ্বৰ হয় (গীতা অধ্যায় ১৫ শ্লোক নং ১৭)।

ইয়াৰ পৰা প্ৰমাণ হ'ল পৰম অক্ষৰ ব্ৰহ্ম ই পূৰ্ণ পৰমাত্মা (পৰমেশ্বৰ) আৰু তেওঁৰ ভক্তিৰ মন্ত্ৰ ওঁ তত্, সত্, হয়। ওঁ তত্, সত্ এই মন্ত্ৰ তিনিটা ওপৰোক্ত তিনিজন প্ৰভূৰ (ওঁ= ক্ষৰ পুৰুষ অৰ্থাৎ ক্ষৰ ব্ৰহ্ম গীতা জ্ঞানদাতাৰ। তত্=এইটো সাংকেতিক মন্ত্ৰ, ইয়াৰ উল্লেখ এই পুথিত ইতিমধ্যে কৰা হৈছে - পঢ়িব পাৰে, এই তত্ নামৰ জপ অক্ষৰ পুৰুষৰ হয়। সত্ =এইটোও সাংকেতিক হয়, ইয়াৰ বিশদ বিৱৰণ আগৰ প্ৰকৰণত এই পুথিতে পঢ়িব পাৰে, এই সত্ মন্ত্ৰ পৰম অক্ষৰ ব্ৰহ্মৰ হয়।

উদাহৰণ - এজন ধনী ব্যক্তিয়ে নিজৰ ধন চোতালত গাঁত খান্দি পুতি থলে। সেই ঠাইটো মাত্ৰ ধনী ব্যক্তি জনেহে জানিছিল। তেওঁ এখন বহীত ঠাই টুকুৰাৰ বিষয়ে সাংকেতিক ভাষাত লিখি থলে। তেওঁৰ হঠাৎ মৃত্যু হ'ল। অন্তিম সংস্কাৰ কৰাৰ পাছত দেউতাকে কোৱা মতে তেওঁ লিখি থোৱা বহীখন উলিয়াই ধন লুকাই ৰখা ঠাইটোৰ বিষয়ে পঢ়িলে। বহীখন দেউতাকে আগত কাকো দেখুৱা নাছিল।

ধন লুকাই ৰখা ঠাইৰ বিৱৰণ ঃ ঘৰৰ চোতালৰ এচুকত মন্দিৰ এটা আছিল। বহীত লিখা আছিল যে পূৰ্ণিমাৰ ৰাতি ২ বজাত সকলো ধন মন্দিৰৰ গম্বুজত পুতি থোৱা আছে। তেওঁৰ সন্তান সকলে এইটো পঢ়ি ৰাতি ২ বজাত গম্বুজ ভাঙি ধন বিচাৰি একো নাপালে। তেওঁলোকে বৰ দুখ পালে। এদিনাখন তেওঁলোকৰ তাৰৈ অন্য গাৱঁৰ পৰা শোক ব্যক্ত কৰিবলৈ আহিলে। পুত্ৰ সকলে তেওঁক দেউতাকে পুতি থৈ যোৱা ধন বিচাৰি নোপোৱা কথা জনালে। ধনী ব্যক্তি জনৰ বন্ধুৱে বহীখন খুজি, ব্যাখ্যাটো পঢ়ি মন্দিৰৰ গম্বুজ পুনৰ নিৰ্মাণ কৰিবলৈ ক'লে। তেওঁ নিজে কিছুদিনৰ পাছত আহি ধন থকা ঠাই দেখুৱাই দিব বুলি জনালে। ব্যক্তিজন পূৰ্ণিমাৰ দিনা আহিলে। ৰাতি ২ বজাত জোনৰ পোহৰ গম্বুজত পৰি যত ছাঁ পৰিছিল সেই ঠাইৰ মাটি খান্দি দেউতাকে থোৱা ধনখিনি পুতেক সকলক দিলে। ধন পাই পুতেক সকলে সুখৰ জীৱন পালে, যথেষ্ট ধনীও হ'ল।

যি সকলে হৰি ওঁ, তত্ সত্, নাম লৈছে সেই সকলে মন্দিৰৰ গম্বুজ ভঙা কাম হে কৰিছে, একো  লাভ নহব। নিশ্চিত স্থান অৰ্থাৎ (যথাৰ্থ) ভগৱানৰ নাম মোৰ (সন্ত ৰামপাল দাস) ওচৰত আছে। সেই সত্য ভক্তি নাম গ্ৰহণ কৰি ধনৱান আৰু সুখী হোৱা।

প্ৰশ্ন - ৰাধাৰ গাঁৱ বৰসানা (উত্তৰ প্ৰদেশ) বৃন্দাৱনৰ ওচৰত। তাৰ নিবাসী সকলে ৰাধে ৰাধে নাম জপ কৰে। যেতিয়াই ইজনে সিজনক লগ পায় ৰাম ৰাম বুলি নকয়। তেওঁলোকে ৰাধে ৰাধে খুৰা কয়। খুৰাকে কয়, বোপা ৰাধে ৰাধে। তেওঁলোক মুৰ্খ নেকি ?

উত্তৰ ঃ- তত্বজ্ঞানৰ অভাৱত লোক শাস্ত্ৰ (মুখে মুখে প্ৰচলিত) সত্য বুলি জানি শাস্ত্ৰ বিৰুদ্ধ মন্ত্ৰৰ জপ কৰিছে। আগতেই উল্লেখ কৰা হৈছে গীতা অধ্যায় ১৬ শ্লোক ২৩, ২৪ গীতা জ্ঞানদাতায়ে কয় যি ব্যক্তিয়ে শাস্ত্ৰ বিধি ত্যাগ কৰি মনোময় আচৰণ কৰে অৰ্থাৎ শাস্ত্ৰত নথকা নাম মন্ত্ৰ জপ কৰে তেনে ব্যক্তি কেতিয়াও সুখী নহয় কোনো, সিদ্ধি শক্তি আৰু একো গতি প্ৰাপ্তি নহয় অৰ্থাৎ সকলো ব্যৰ্থ সাধনা। গতিকে অৰ্জুন কৰ্তব্য (কি কৰিব লাগে) অকৰ্তব্য (কি কৰিব নেলাগে) ইয়াৰ বাবে শাস্ত্ৰই প্ৰমাণ। ভতিজা, খুৰাকে কিয় ৰাধে ৰাধে নাম লয়। সকলোৱে জানে ৰাধা শ্ৰীকৃষ্ণ দেৱৰ প্ৰেমীকা আছিল। সেই সময়ত বৰসানা গাঁৱৰ লোক সকলে ৰাধাক বদচলন, নিৰ্লজ্জ আদি বেয়া বাক্যৰে সম্বোধন কৰিছিল। ৰাধাই অন্য গাঁৱৰ নন্দ বাবাৰ পুত্ৰ কৃষ্ণক লুকাই লুকাই লগ কৰে। ৰাধা নিজৰ ঘৰলৈ অহাটো বন্ধ কৰিছিল, যিহেতু ঘৰৰ সন্তানৰ ওপৰত বেয়া প্ৰভাৱ পৰিব পাৰে। বৰ্তমান সময়ত সেই গাওঁৰ স্ত্ৰী পুৰুষ সকলে ৰাধা ৰাধে শ্যাম মিলা দে বুলি কৈ ফুৰে। এতিয়া কৃষ্ণ আৰু ৰাধা কোনোৱেই নাই। সন্নিপাত জ্বৰ উঠা ব্যক্তি সকলৰ দৰে বক বকাই আছে সেই ৰাধে ৰাধে শ্যাম মিলা দে বুলি। এনে অৱস্থা অন্য নামৰো, যি শাস্ত্ৰ বিৰুদ্ধ।

ওপৰৰ প্ৰশ্ন উত্তৰ মানে খুৰা ভতিজাৰ মাজত ৰাধে ৰাধেৰ প্ৰসংগলৈ আহোঁ। ৰাধা শ্ৰীকৃষ্ণৰ প্ৰেমিকা আছিল। ৰুক্মিণীক যেতিয়া কৃষ্ণই পলুৱাই ৰথত আনিছিল ৰুক্মিণীৰ ককায়েকে ভণীয়েকৰ উদ্ধাৰৰ বাবে ঘোঁৰাৰে খেদি গল। শ্ৰীকৃষ্ণই তেওঁক বহুত মাৰ ধৰ কৰি ৰথত বান্ধি চোঁচৰালে। ৰুক্মিণীয়ে প্ৰাৰ্থনা কৰাত হে প্ৰাণ বাচিলে। যদি বৰ্তমানত শ্ৰীকৃষ্ণ আৰু ৰাধা দুয়ো থকা হলে বৰসানা বাসীক কৃষ্ণ আৰু ৰাধাই পচন্দ কৰিলেহেঁতেন নে ? কেতিয়াও

নকৰে, খুৰা, ভতিজা দুয়োকে ৰথত বান্ধি চোচৰালেহেঁতেন। কোনোৱে অন্যৰ প্ৰেমীকাৰ নাম লৈ বক বক কৰিলে তেওঁৰ প্ৰেমীকৰ ওপৰত কি প্ৰভাৱ হ'ব। বলৱান হলে বক বক কৰা সকলৰ মুখতে মাৰ-ধৰ কৰিব আৰু দুৰ্বল হলে দুখ কৰিব, অন্তৰ আত্মা কান্দিব, তেওঁ কেতিয়াও প্ৰসন্ন নহয়। এই সকলো নাম শাস্ত্ৰ সন্মত নহয় তাক জপ কৰা ব্যৰ্থ। শাস্ত্ৰত প্ৰমাণিত সত্য নাম মোৰ ওচৰত আছে গ্ৰহণ কৰি নিজৰ কল্যাণ কৰা।

প্ৰশ্ন ঃ পূৰ্ণ গুৰুৰ পৰিচয় কি ? এই প্ৰশ্নৰ উত্তৰত ওঁ নাম জপ শাস্ত্ৰ সন্মত বুলি কৈছে। আকৌ কাল ব্ৰহ্মৰ ভক্তি কৰিব লাগে নে নালাগে ? এই প্ৰশ্নৰ উত্তৰত বহুতো ঋষিৰ পূজা সাধনাক শাস্ত্ৰ বিধি ত্যাগ কৰি কৰা মনোময় আচৰণ বুলি কৈছে। তেওঁলোকে ওঁ নাম জপ কৰিছিল, এইটো শাস্ত্ৰ সন্মত নাম মন্ত্ৰ হয়।

উত্তৰ ঃ ঋষি সকলে ওঁ নামৰ জপ আৰু হঠ যোগ কৰি ঘোৰ তপ কৰিছিল। সেই কাৰণে শাস্ত্ৰ বিপৰীত সাধনা হল। ওঁ নাম শাস্ত্ৰত প্ৰমাণিত। কিন্তু ওঁ নামে মোক্ষ নহয় যাৰ বাবে অনুত্তম গতি (মুক্তি) লাভ হয়। (গতিকে সেই ঋষি সকলৰ পূজা শাস্ত্ৰ বিৰুদ্ধ)। বেদ আৰু গীতা শাস্ত্ৰত পূৰ্ণ পৰমাত্মাৰ ভক্তি কৰা কথাহে কৈছে। পৰমেশ্বৰৰ ভক্তি নকৰা কাৰণে মনোময় পূজা শাস্ত্ৰ বিৰুদ্ধ।

প্ৰশ্ন ঃ মহৰ্ষি বাল্মীকিয়ে সত্য যুগত ৰাম ৰাম জপ কৰিছিল। এই মন্ত্ৰও শাস্ত্ৰৰ বিপৰীতে নেকি ?

উত্তৰ ঃ আগতে উল্লেখ কৰি অহা হৈছে যে গীতা অধ্যায় ৪ শ্লোক ১-২ ত গীতা জ্ঞান দাতায়ে কয় পূৰ্বতে এই জ্ঞান সূৰ্য্যক কৈছিলো। তেওঁ নিজৰ পুত্ৰ মনুক জনালে। মনুৰ পৰা ৰাজ ঋষি সকলে লাভ কৰিলে। সত্য যুগৰ আৰম্ভণিতে এই সকলো বিদ্যমান আছিল। তাৰ পিছত এই জ্ঞান লুপ্ত (শেষ) হল। মহৰ্ষি বাল্মীকিক সপ্ত ঋষিয়ে লগ কৰিছিল। তপস্যা কৰি সিদ্ধি প্ৰাপ্তি কৰিছিল। মহৰ্ষি বাল্মীকিয়ে তাকে বিশ্বাস কৰি একাগ্ৰ হৈ তপশ্যা কৰাত লাগিল। কিছু সময় পাছত মহৰ্ষি বল্মীকিয়ে শৰীৰৰ ওপৰ ভাগত (মূৰত) শব্দ শুনিলে, “ৰাম ৰাম”। তেওঁ তপস্যাত সেই ৰাম ৰাম শব্দকে মুখেৰে উচ্চাৰণ কৰিলে। বাহিৰত শুনা সকলে অনুভৱ কৰিলে তেওঁ মৰা মৰা বুলি উচ্চাৰণ কৰিছিলে। প্ৰকৃততে তেওঁ ৰাম ৰাম জাপ কৰি তপস্যাত আছিল। তপস্যাৰ ফল হিচাবে সিদ্ধি প্ৰাপ্ত হল আৰু দিব্য দৃষ্টি খুলিল। গতিকে শ্ৰীৰাম চন্দ্ৰৰ জন্মৰ বহুত হেজাৰ বছৰ আগতেই তেওঁৰ জীৱন কাহিনী (সকলো ঘটনা) বিৱৰি লিখে। তেওঁ লিখা গ্ৰন্থৰ নাম “বাল্মীকি ৰামায়ণ” সংস্কৃতত লিখা আছে। ৰাম ৰাম জপ কৰিলে আধ্যাত্মিক ক্ষেত্ৰত একো লাভ নহয়। কিন্তু পৰমাত্মা বোধক শব্দ হোৱা কাৰণে পৰমাত্মা চিন্তন পাহৰি নাযায়। সেই বাবে হিন্দু সমাজত ৰাম নাম শব্দৰ উচ্চাৰণ প্ৰচলন হৈ আছে পূৰ্বৰে পৰা। স্বামী ৰামানন্দই ৰাম ৰাম শব্দেৰে সম্বোধন কৰিছিলে। তেখেতৰ শিষ্য সকলে এজনে আন জনক ৰাম ৰাম উচ্চাৰণে সম্বোধন কৰে কিন্তু ভক্তি পূজা ওঁ মন্ত্ৰ জপহে কৰে। ঠিক সেইদৰে আমি কবীৰ পন্থত “সৎ চাহেব” বুলি কওঁ আমাৰ ভক্তি সাধনা মন্ত্ৰ অন্য। সেই সত্য ভক্তি মন্ত্ৰ দ্বাৰাহে পৰমেশ্বৰৰ ওচৰলৈ যাব পাৰে। সুক্ষ্ম বেদত কয় -

*সৎগুৰু মিলে তৌ ইচ্ছা মেটে, পদ মিল পদ সমান্য।*

*চল হংসা ওস লৌক পঠাওঁ, জৌ অজৰ অমৰ অস্থানা।*

*চাৰ মুক্তি জহাঁ চম্পী কৰতী, মায়া হৌ ৰহি দাসী।*

*দাস গৰীব অভয় পদ পৰসে, মিলে ৰাম অবনাশী।*

## "ভক্তি কোন ভগৱানৰ কৰিব লাগে" গীতা শাস্ত্ৰ অনুসৰি

সুক্ষ্ম বেদত কয় "ভজন কৰৌ ওস ৰব কা, জৌ দাতা হাঁয় কুল সব কা" শ্ৰীমদ্‌ভাগৱত গীতা অধ্যায় ১৫ শ্লোক ১-৪ আৰু ১৬-১৭ ত কয় এই সংসাৰখন এজোপা পীপল (আঁহত) গছ। যিজন সন্তই এই সংসাৰ ৰূপী পীপল (আঁহত) গছৰ মূল (শিপা)ৰ পৰা তিনি গুণ ৰূপী শাখাকে লৈ সকলো বিভাগক বিস্তাৰ পূৰ্বক বুজাই দিব (সঃ বেদ বিত) তেওঁ বেদৰ তাৎপৰ্য্যক ভালদৰে জনা তত্বদৰ্শী (শাস্ত্ৰ গুৰু) সন্ত হয়।

নিজৰ দ্বাৰা ৰচনা কৰা সম্পূৰ্ণ সৃষ্টিৰ জ্ঞান আৰু প্ৰকৃত অধ্যাত্ম জ্ঞান পৰমাত্মাই নিজে পৃথিৱীত প্ৰকট (কোনো মহাত্মা গুৰু স্বৰূপত বিদ্যমান হয় হঠাতে) হৈ নিজ মুখ কমলৰ নিৰ্মল বাণীৰ দ্বাৰা মানৱক শুনায়। প্ৰমাণৰ বাবে তলত উল্লেখ কৰা বেদৰ মন্ত্ৰ পঢ়ক। এই বেদ মন্ত্ৰ ফটো কপি পঢ়িবলৈ পাব "গীতা তোমাৰ জ্ঞান অমৃত" পুথিত। যাৰ অনুবাদ আৰ্য্য সমাজৰ প্ৰৱৰ্তক মহৰ্ষি দয়ানন্দ আৰু তেখেতৰ অনুযায়ী (শিষ্য) সকলে কৰিছে। সেই অনুবাদৰ ভূল ক্ৰটিবোৰ লেখকে (সন্ত ৰামপাল দাসে) শুদ্ধ কৰিছে।

**ঋগবেদ মণ্ডল** নং ৯ সুক্ত ৮৬ মন্ত্ৰ নং ২৬-২৭, ঋগবেদ মণ্ডল নং ৯ সুক্ত ৮২ মন্ত্ৰ নং ১-২, ঋগবেদ মণ্ডল নং ৯ সুক্ত ৯৬ মন্ত্ৰ নং ১৬-২০, ঋগবেদ মণ্ডল নং ৯ সুক্ত ৯৪ মন্ত্ৰ নং ১, ঋগবেদ মণ্ডল নং ৯ সুক্ত ৯৫ মন্ত্ৰ নং ২, ঋগবেদ মণ্ডল নং ৯ সুক্ত ৫৪ মন্ত্ৰ নং ৩, ঋগবেদ মণ্ডল নং ৯ সুক্ত ২০ মন্ত্ৰ নং ১ প্ৰমাণ আছে যে সৰ্ব ব্ৰহ্মাণ্ডৰ ৰচনা কৰা সৃষ্টি কৰ্ত্তা, পালন পোষণ কৰা যি জন পৰমেশ্বৰ (পৰমাত্মা) আছে। তেওঁ সৰ্ব ব্ৰহ্মাণ্ডৰ ওপৰত স্থিত লোকত বহি থাকে। (ঋগবেদ মণ্ডল নং ৯ সুক্ত ৫৪ মন্ত্ৰ নং ৩) উল্লেখ আছে যে পৰমাত্মাই তাৰ পৰা গতি কৰি স্বয়ং সোঁশৰীৰে পৃথিৱী লৈ আহে। ভকতৰ সকলো সংকট সমাপ্ত কৰে, তেখেতৰ নাম কবীৰ দেৱ অৰ্থাৎ কবীৰ পৰমেশ্বৰ। পৃথিৱীত আহি অতি পুণ্যৱান ভকতক সাক্ষাৎ কৰে আৰু নিজ মুখ কমলৰ পবিত্ৰ বাণীৰ দ্বাৰা তত্বজ্ঞানৰ পৰিচয় কৰাই পৰমেশ্বৰ সৰ্বো পৰি ব্ৰহ্মাণ্ডত নিবাস কৰে। (ঋগবেদ মণ্ডল নং ৯ সুক্ত ৮৬ মন্ত্ৰ ২৬-২৭ মণ্ডল নং ৮২ মন্ত্ৰ নং ১-২ আৰু মণ্ডল নং ৯ সুক্ত ২০ মন্ত্ৰ নং ১ ত ইয়াৰ প্ৰমাণ আছে।)

পৰমাত্মাই পৃথিৱীত আহি কবীৰ দৰে আচৰণ কৰি পৰিভ্ৰমণ কৰে (ঋগবেদ মণ্ডল নং ৯ সুক্ত ৯৪ মন্ত্ৰ নং ১)

পূৰ্ণ পৰমেশ্বৰে কোনো মহাত্মা সাধু বেশত নিজৰ অমৃত বাণীৰ মাধ্যমেৰে সাধকক বা মানৱক পৰমাত্মাৰ ভক্তি কৰিবলৈ অনুপ্ৰেৰণা কৰে। পৰমেশ্বৰে ভক্তি কৰা গুপ্ত মন্ত্ৰ (নাম) ৰ আৱিষ্কাৰ কৰে (ঋগবেদ মণ্ডল নং ৯ সুক্ত ৯৫ মন্ত্ৰ নং ২)

পৰমাত্মাই নিজৰ তত্বজ্ঞানক কবীৰ বাণী দ্বাৰা, দোহা, দুলড়ী চতুস্পদী আদি নানা প্ৰকাৰে শুনাই মানৱক এক পৰমাত্মাৰ ভক্তিত নিয়োগ কৰে। তেওঁৱেই কবীৰদেৱ (পৰমেশ্বৰ) সন্ত, সাধু, ৰূপত প্ৰকট (তৎক্ষণাত দৃশ্য মান) হয়। ঋষি, সন্তৰ বেশত আহি ৰচনা কৰা অমৃত বাণীক তত্বজ্ঞান বোলা হয়। সেই তত্বজ্ঞান সাধকৰ কাৰণে অমৃতৰ সমান আনন্দদায়ক হয়।

কবিতাৰ দ্বাৰা নিজৰ বাণী জন মানসত প্ৰচাৰ কৰা বাবে তেখেতে প্ৰসিদ্ধ কবি পদবী লাভ কৰে, তেওঁক কবি বুলি কোৱা হয় প্ৰকৃততে সত্য পূৰ্ণ পৰমাত্মা তেওঁৱে। পৰমেশ্বৰ তৃতীয় মুক্তি ধাম (সত্য লোকত)ত বিৰাজমান। মানুহে যি দৰে সাজ পাৰ বদলি কৰে ঠিক তেনেদৰে পৰমাত্মা পৃথিৱীত নানা বেশত প্ৰকট হয়। ওপৰত উল্লেখ কৰা বেদৰ মন্ত্ৰই প্ৰমাণ কৰে যে পৰমেশ্বৰ অমৰ ধামৰ পৰা আহি পৃথিৱীত পূণ্যবান ভকতক লগ কৰে আৰু তত্বদৰ্শী সন্তৰ ভূমিকা পালন কৰে। ১৩৯৮ চনৰ পৰা ১৫১৮ চনলৈ ১২০ বছৰ পৃথিৱীত ভাৰত বৰ্ষৰ পবিত্ৰ স্থান, কাশী চহৰত কাপোৰ বোৱা শিপিনি বেশত থাকি মানৱক তত্বজ্ঞান দিছিল।

*কবীৰ অক্ষৰ পুৰুষ এক পেড় হাঁয়, ক্ষৰ পুৰুষ বাকী ডাৰ।*
*তিনোঃ দেবা শাখা হাঁয় পাত ৰূপ সংসাৰ।।*

**বিশেষ** - কবীৰ বাণী পুথিত এনেদৰে লিখা আছে,

*কবীৰ, অক্ষৰ পুৰুষ বৃক্ষ কা তানা হাঁয়, ক্ষৰ পুৰুষ বাকী ডাৰ।*
*ত্ৰয়দেৱ শাখা ভয়ে, পাত জানো সংসাৰ।।*

সৰলাৰ্থ - মাটিৰ ওপৰৰ গা গছক হিন্দীত তনা বুলি কয়, সংসাৰ ৰূপী গছৰ তনা (গা-গছ) ‘‘অক্ষৰ পুৰুষ’’। গা-গছৰ পৰা শকত ডাল হয়। শকত ডালক ক্ষৰ পুৰুষ বুলি জানি লোৱা। শকত ডালৰ পৰা সৰু সৰু ডালি ওলায়। তেনে ডালিক তিনিও দেৱতা ৰজগুণ ব্ৰহ্মা দেৱ সৎগুণ বিষ্ণুদেৱ আৰু তমগুণ শিৱদেৱ বুলি জানিবা, সৰু সৰু ডালিত লগা পাত সংসাৰৰ নান জীৱ-জন্তু জনা।

পৰমেশ্বৰৰ তত্বজ্ঞানত সকলো জ্ঞান অন্তৰ্নিহিত আছে। গীতা অধ্যায় ৪ শ্লোক নং ৩২ ত গীতা জ্ঞান দাতায়ে কয়, সৰ্ব যজ্ঞ (ধাৰ্মিক অনুষ্ঠানৰ)ৰ জ্ঞান (ব্ৰহ্মণঃ মুখে) সচ্চিদানন্দ ঘন ব্ৰহ্ম অৰ্থাৎ পৰম অক্ষৰ ব্ৰহ্মই নিজৰ মুখ কমলৰ পবিত্ৰ বাণীত বিস্তাৰ পূৰ্বক কৈছে তাক তত্বজ্ঞান বুলি কোৱা হয়।

গীতা অধ্যায় ৪ শ্লোক ৩৪ ত কোৱা আছে যে পৰমেশ্বৰে নিজে যি তত্বজ্ঞান কয় তাক তেওঁৰ কৃপাপাত্ৰ সন্তইহে বুজিব পাৰে। সেই তত্বজ্ঞান তুমি তত্বদৰ্শী সন্তৰ ওচৰত গৈ জানি লবা। তেওঁক দণ্ডৱত প্ৰণাম (মাটিত দীঘল হৈ পৰি কৰা প্ৰণাম) কৰি বিনম্ৰ ভাৱে জানিব বিচাৰিলে তত্বদৰ্শী সন্তই তত্বজ্ঞানৰ দীক্ষা (উপদেশ) দিব।

পৰমেশ্বৰে নিজে পৃথিৱীলৈ আহি প্ৰকট হৈ তত্বজ্ঞান কয়। গীতা অধ্যায় ১৫ শ্লোক নং ১ ত তত্বদৰ্শী সন্তৰ পৰিচয় দি এনেদৰে কৈছে যি সন্তই সংসাৰ ৰূপী গছৰ মূলৰ সৈতে (শিপা) সকলো অংগৰ বিষয়ে জানে তেওঁৱে তত্বদৰ্শী সন্ত।

সংসাৰ ৰূপী বৃক্ষৰ বিভাগ।

১। মূল (ঘাই শিপা) পৰম অক্ষৰ ব্ৰহ্ম সকলোৰে গৰাকী, সকলোৰে উৎপত্তি আৰু পালন পোষণ কৰ্তা যাৰ বিষয়ে গীতা অধ্যায় ৮ শ্লোক নং ১ ৰ প্ৰশ্নৰ উত্তৰ দি গীতা জ্ঞান দাতায়ে একে অধ্যায়ৰ মন্ত্ৰ নং ৩, ৮, ৯, ১০ আৰু ২০, ২১, ২২ ত বৰ্ণনা কৰিছে আৰু গীতা অধ্যায় ১৫ শ্লোক নং ১৭ ত উল্লেখ কৰিছে। গীতা অধ্যায় ১৫ শ্লোক নং ১৬ ত দুজন পুৰুষৰ (ভগৱানৰ) কথা কয়। ১) ক্ষৰ পুৰুষ, ২) অক্ষৰ পুৰুষ, এই দুয়োজন পুৰুষ আৰু তেওঁ লোকৰ অন্তৰ্গত যিমান প্ৰাণী আছে সকলো বিনাশী। জীৱাত্মাৰ মৃত্যু নাই।

অধ্যায় ১৫ শ্লোক নং ১৭ ত কয় উত্তম পুৰুষ (ভগৱান) মানে পুৰুষোত্তম এই দুজনৰ পৰা অন্য এজন হে যাক (পৰমাত্মা ইতি উদাহৃতে) পূৰ্ণ পৰমাত্মা কোৱা হয় (য়ঃ লোক ত্ৰয়ম) যি জনে তিনিও লোকত (অবিশ্য বিভৰ্তী) প্ৰৱেশ কৰি সকলোৰে ধাৰণ পোষণ কৰে (অব্যয়ঃ ঈশ্বৰ) তেওঁ অবিনাশী পৰমেশ্বৰ। এই অবিনাশী পৰম অক্ষৰ ব্ৰহ্মই সংসাৰ ৰূপী বৃক্ষ (গছৰ)ৰ মূল। পৰমেশ্বৰ সন্ত গৰীব দাস মহাৰাজে কয় -


*ভজন কৰৌ ওস ৰবকা, জৌ দাতা হায় কুল সব কা*

তেওঁ অসংখ্য ব্ৰহ্মাণ্ডৰ লগতে ক্ষৰ পুৰুষ, আৰু অক্ষৰ পুৰুষৰ গৰাকী, উৎপত্তি কৰ্ত্তা। নং ২) অক্ষৰ পুৰুষ ঃ- সংসাৰ স্বৰূপ বৃক্ষৰ গা-গছ বুলি জানক এওঁ সাত (৭) শংখ ব্ৰহ্মাণ্ডৰ হে গৰাকী আৰু বিনাশী ভগৱান। নং ৩) ক্ষৰ পুৰুষ ঃ- এওঁ গীতা জ্ঞান দাতা ভগৱান (পুৰুষ), তেওঁক ক্ষৰ ব্ৰহ্ম, জ্যোতি নিৰঞ্জন বুলিও কয়। ২১ খন ব্ৰহ্মাণ্ডৰ গৰাকী আৰু বিনাশী। নং ৪) তিনিও দেৱতা ঃ- (ৰজগুণ ব্ৰহ্মা দেৱ, সৎগুণ বিষ্ণুদেৱ, তমগুণ শিৱদেৱ) এওঁ লোক সংসাৰ ৰূপী গছৰ ডালৰ পৰা ওলোৱা শাখা ডালহে। এখন ব্ৰহ্মাণ্ডৰ তিনিখন লোক (পৃথিৱী লোক, পাতাল লোক আৰু স্বৰ্গলোক) ৰ এটা এটা বিভাগৰ গৰাকী (মন্ত্ৰী)

যেনে ঃ ৰজগুণ বিভাগৰ গৰাকী শ্ৰী ব্ৰহ্মা দেৱ। যাৰ প্ৰভাৱত সকলো প্ৰাণীয়ে সন্তান উৎপত্তি কৰে, সৎগুণৰ শ্ৰীবিষ্ণুদেৱ গৰাকী, যাৰ প্ৰভাৱত প্ৰাণীক মায়া, মোহ, মমতাৰ ডোলেৰে বান্ধে। কৰ্ম অনুসৰি ফল দিয়ে। তমগুণৰ গৰাকী শ্ৰী শিৱদেৱ। ইয়াৰ প্ৰভাৱত সকলো প্ৰাণীৰ মৃত্যু হয়। সংসাৰ ৰূপী গছৰ পাত হল আমি সকলো প্ৰাণী। এয়া হ'ল সংসাৰ ৰূপী গছৰ বিভিন্ন বিভাগৰ ভিন ভিন তথ্য। এই গূঢ় তত্বৰ জ্ঞান পৰমেশ্বৰ কবীৰ চাহেবে নিজৰ মুখ কমলৰ পবিত্ৰ বাণীত ক'লে। তেখেতৰ পবিত্ৰ নিৰ্মল বাণীক, কবীৰ বাণী, কবীৰ বীজক, কবীৰ শব্দৱালী আৰু কবীৰ সাগৰত শ্ৰী ধনী ধৰ্মদাসে (বান্ধৱগড় মধ্য প্ৰদেশ) লিখি ৰাখিলে। সেই সময়ত পৰমেশ্বৰে নিজে কৈছিল (প্ৰায় ৬০০ বছৰ আগতে) বৰ্তমানত এই দাসে (সন্ত ৰামপাল দাস) বুজি পালোঁ। পৰমেশ্বৰৰ কৃপাত আধ্যাত্মিক সকলো তত্বজ্ঞান মোৰ ওচৰত আছে।

গীতা অধ্যায় ১৫ শ্লোক নং ১ ত তত্বদৰ্শী সন্তৰ পৰিচয় বৰ্ণনা কৰা হিচাবত এই দাসে (সন্ত ৰামপাল দাস) তত্বদৰ্শী সন্ত (শাস্ত্ৰ গুৰু) বুলি প্ৰমাণিত হৈছে।

ওপৰৰ ফালে মূল (শিপা) তলত শাখা থকা ওলটাকৈ ওলমি থকা সংসাৰ স্বৰূপ বৃক্ষ (গছৰ) চিত্ৰ ঃ




ওপৰত মূল শিপা তলত শাখা ডালৰ সৈতে ওলোটাকৈ ওলোমাই ৰখা জগত সংসাৰ ৰূপী বৃক্ষৰ চিত্ৰ।

গীতা অধ্যায় ১৫ শ্লোক ১ ৰ ৪ আৰু ১৬-১৭ সাৰাংশ ৰূপৰ চিত্ৰ।

আকৌ আগৰ প্ৰসংগলৈ আহোঁ- “ভজন কৰো উস ৰব কা, জো দাতা হৈ কুল সব কা।”

এতিয়ালৈকে ভক্তি কৰা কথাকে উল্লেখ কৰা হল। এতিয়া কোন জন ভগৱানৰ ভক্তি কৰিব লাগে স্পষ্ট কৰোঁ - *১) শ্ৰীব্ৰহ্মা দেৱ ৰজগুণৰ, *২) শ্ৰীবিষ্ণুদেৱে সৎগুণৰ, *৩) শ্ৰী শিৱদেৱ তমগুণী তিনিও শাখাৰ, *৪) ক্ষৰ পুৰুষ (ব্ৰহ্ম) গীতা জ্ঞান দাতা, সংসাৰ ৰূপী গছৰ ডালৰ, *৫) অক্ষৰ পুৰুষ (ব্ৰহ্ম) সংসাৰ ৰূপী গছৰ গা-গছ (তানা)ক, *৬) পৰম অক্ষৰ পুৰুষ সংসাৰ ৰূপী গছৰ মূল (ঘাই শিপা)ৰ ?

উদাহৰণ ঃ নাৰ্চাৰিৰ পৰা আমৰ পুলি আনি আমি নিৰ্দিষ্ট স্থানত কেনেদৰে পুলিটো ৰোপন কৰিম।

মাটিত গাঁত খান্দি পুলিটোৰ মূল (শিপাক) গাঁত থৈ মাটিৰে গাঁতটো পুতিম আৰু সময়ে সময়ে আমৰ পুলিটোৰ মূলত (গুৰিত) পানী আৰু সাৰ, যোগান ধৰো। পুলিটোক অন্যৰ পৰা সুৰক্ষা কৰো। মুঠতে পুলিটোৰ মূলত সাৰ পানী দি পূজা কৰা হয়। মূল (শিপাত) সাৰ পানী দিয়া বাবে পুলিটো সবল হৈ শিপাই পুলিটোৰ জীৱন দায়ী ৰস গা-গছলৈ পঠায়। গা-গছে নিজৰ প্ৰয়োজনীয় খিনি ৰাখি বাকী আগলৈ ডালক প্ৰেৰণ কৰে। ডালে নিজৰ আৱশ্যক খিনি ৰাখি বাকী শাখালৈ পঠায়। শাখায়ে (সৰু ডালি) নিজৰ প্ৰয়োজন খিনি ৰাখি বাকী পাত লৈ পঠায়। এইদৰে পুলিটো এদিন ডাঙৰ গছ হৈ মিঠা আম লাগিব।


পাঠক সকল, আপোনালোকৰো বুদ্ধি আৰু জ্ঞান আছে। ইয়াত বুজিবলৈ বাকী নেথাকে আমি কাৰ ভক্তি সাধনা কৰিব লাগে।


শুক্ষ্ম বেদত কবীৰ পৰমেশ্বৰে কয় -

*কবীৰ একে সাধে সব সধে, সব সাধে সব জায়।*
*মালী সিছে মূল কোঁ ফুলে ফলে অঘায়।।*

মাত্ৰ মূল গৰাকীৰ ভক্তি পূজা কৰিলে সকলো শাস্ত্ৰ সন্মত দেৱতাৰ পূজা হয় । যি সকলে তিনিও দেৱতাৰ ভিতৰত (শ্ৰীবিষ্ণু সৎগুণ, শ্ৰী শিৱ তমগুণক) পূজা কৰে বা তিনি দেৱতাকে ইষ্ট ৰূপত পূজা কৰে সেয়া গীতা অধ্যায় ১৩ শ্লোক ১০ ত বৰ্ণিত (অব্যভিচাৰিণী) ভক্তি নোহোৱা কাৰণে ব্যৰ্থ বুলি উল্লেখ কৰে। যি স্ত্ৰীয়ে (বিবাহিতা তিৰোতাই) নিজৰ পতিৰ বাহিৰে অন্য ব্যক্তিৰ লগত শাৰীৰিক সম্বন্ধ নাৰাখে, তেওঁ অব্যভিচাৰিণী স্ত্ৰী। ইয়াৰ বাদে যদি কোনো অন্যৰ লগত শৰীৰৰ সম্বন্ধ ৰাখে তেওঁ ব্যভিচাৰিণী হোৱাৰ বাবে সমাজৰ নিন্দণীয় হয়। পতিৰ নজৰতো তেওঁ নিম্ন হয়।

শাস্ত্ৰ অনুকুল (শাস্ত্ৰ সন্মত) সাধনা অৰ্থাৎ পোনকৈ ৰোপন কৰা ভক্তি ৰূপী পুলিৰ চিত্ৰ এই পুথিতে আৰু শাস্ত্ৰ বিপৰীত সাধনা অৰ্থাৎ ওলটাকৈ লগোৱা (ৰুৱা) ভক্তি ৰূপী পুলিৰ পৃঃ নং - ২২৪ আৰু ২২৫ চাওক।


ব্ৰহ্মা
শিৱ
গীতা অধ্যায় নং - ১৫
বিষ্ণু
শ্লোক নং- ১ ৰ পৰা ৪
তথা শ্লোক নং-১৬
আৰু ১৭ ৰ বিৱৰণ।
ডাল ব্ৰহ্ম
(ক্ষৰ পুৰুষ)
কবীৰ - অক্ষৰ পুৰুষ এটা গছ,
নিৰঞ্জন তাৰ ডাল।
তিনি দেৱতা শাখাডাল
বাকী সকল পাত ৰূপী সংসাৰ।।
গা-গছ
(অক্ষৰ পুৰুষ পৰ ব্ৰহ্ম)
কবীৰ পৰমেশ্বৰ
(মূল শিপা)
শাস্ত্ৰানুকুল
সাধনা
অৰ্থাৎ সীধা ৰোপন কৰা ভক্তি ৰূপী গছ


পূৰ্ণ ব্ৰহ্ম কবীৰ পৰমেশ্বৰ
গীতা অধ্যায় নং - ১৫
শ্লোক নং- ১ ৰ পৰা ৪
তথা শ্লোক নং-১৬
আৰু ১৭ ৰ বিৱৰণ।
মূল সিপা
কবীৰ - অক্ষৰ পুৰুষ এটা গছ,
নিৰঞ্জন তাৰ ডাল।
তিনি দেৱতা শাখাডাল
বাকী সকল পাত ৰূপী সংসাৰ।।
গা-গছ
(অক্ষৰ পুৰুষ পৰ ব্ৰহ্ম)
ডাল ব্ৰহ্ম
(ক্ষৰ পুৰুষ)
বিষ্ণু (শাখা ডাল)
শিব
ব্ৰহ্মা
শাস্ত্ৰবিৰুদ্ধ
সাধনা
অৰ্থাৎ ওলোটাকৈ ৰোপন কৰা ভক্তি ৰূপী গছ

উপৰোক্ত প্ৰমানৰ দ্বাৰা স্পষ্ট হ'ল যে এজন মূল গৰাকীৰ ভক্তি কৰিলে সাধকৰ আত্ম কল্যাণ সম্ভৱ হব।

অন্য প্ৰমাণ ঃ গীতা অধ্যায় ৩ ৰ শ্লোক ১০-১৫ ত ওপৰোক্ত ভক্তিৰ সমৰ্থন কৰা হৈছে।

গীতা অধ্যায় ৩ শ্লোক ১০ প্ৰজাপতিয়ে অৰ্থাৎ কুলৰ গৰাকীয়ে সৃষ্টিৰ আৰম্ভণিত যজ্ঞৰে সৈতে অৰ্থাৎ ধাৰ্মিক অনুষ্ঠানৰ জ্ঞানৰ সৈতে প্ৰজা সকলক উৎপন্ন কৰি আদেশ দিছিল যে তোমালোক সকলোৱে ধাৰ্মিক অনুষ্ঠানৰ বৃদ্ধি প্ৰাপ্তি কৰা। এই যজ্ঞ অৰ্থাৎ ধাৰ্মিক অনুষ্ঠানে তোমালোকক মনে বিচৰা ভোগ প্ৰদান কৰিব।

শাস্ত্ৰ সন্মত ধাৰ্মিক অনুষ্ঠানৰ দ্বাৰা দেৱতাক (সংসাৰ ৰূপী গছৰ শাখা সমূহক) উন্নত কৰা মানে পূৰ্ণ পৰমাত্মা (মূলৰ গৰাকী)ক ইষ্ট মানি সাধনা কৰিলে গছৰ শাখা (সৰু সৰু ডালি) নিজে নিজে উন্নত হয়। এই কথা আগতে উল্লেখ কৰা হৈছে। পাছত সেই দেৱতাই (শাখা ডালি ডাঙৰ হৈ ফল দিব) তোমালোকক উন্নত কৰিব অৰ্থাৎ শাস্ত্ৰ সন্মত ভক্তি সাধনা কৰিলে সাধকৰ ভক্তি কৰ্মৰ ফল উপাৰ্জন হয়। সেই কৰ্মৰ উপাৰ্জিত ফল তিনিও দেৱতাই (শ্ৰী ব্ৰহ্মাদেৱ, শ্ৰীবিষ্ণুদেৱ, শ্ৰীশিৱদেৱ ৰূপী শাখাই (ডালিয়ে) দিব। এইদৰে ইজনে সিজনক উন্নত কৰিহে সাধকৰ (আমাৰ) কল্যাণ হব অৰ্থাৎ পূৰ্ণ পৰমাত্মাক প্ৰাপ্তি কৰিব পাৰি। এই জ্ঞান গীতা জ্ঞান দাতায়ে অৰ্জুনক কয় (গীতা অধ্যায় ৩ শ্লোক নং ১১)।

শাস্ত্ৰ অনুসৰি কৰা ধাৰ্মিক অনুষ্ঠানৰ দ্বাৰা বৃদ্ধি কৰা দেৱতা অৰ্থাৎ সংসাৰ ৰূপী বৃক্ষৰ শাখায়ে আমি নুখুজিলেও আমাক মনে বিচৰা ফল দিব। গছৰ পুলিটোৰ মূল (গুৰি শিপা)ত সাৰ, পানী দিয়া বাবে সময়ত ডাঙৰ গছ হৈ প্ৰতিডালতে ফল ফুলে উপচি পৰিব। প্ৰতি বছৰে ফল লাগিব আৰু আমাক ফল খুৱাব। অৰ্থাৎ আমি শাস্ত্ৰ সন্মত ভক্তি কৰ্ম কৰাৰ কাৰণে ভক্তি ফল জমা হয়। সেইয়া গছৰ শাখা (ডালি) ৰূপী দেৱতা সকলে আমাক দি থাকিব। দেৱতা সকলে দিয়া আমাৰ ভক্তি কৰ্ম সংস্কাৰৰ ধন আমি ধাৰ্মিক কাৰ্য্যত নলগাও তেন্তে সাধক বা আমি ভক্তিৰ চোৰৰ লেখত পৰিম আৰু ভৱিষ্যতে পূণ্যহীন হৈ অনেক লোকচান হব। (গীতা অধ্যায় ৩ শ্লোক ১২)

ধাৰ্মিক অনুষ্ঠান কৰি ৰাহি অন্ন ভোজন কৰা সন্ত সকল সকলো পাপৰ পৰা মুক্ত হয়। ভাৱাৰ্থ এই যে তত্বদৰ্শী সন্তই সৰ্বপ্ৰথমে পৰম অক্ষৰ ব্ৰহ্মক ভোগ লগায় আৰু ৰাহি অন্ন, ভোজন সকলো ভক্তক ভগাই দিয়ে। এইটো হ'ল সত্য ভক্তি কৰাৰ নিদৰ্শন আৰু সেই সন্তই শাস্ত্ৰ সন্মত ভক্তি মন্ত্ৰও লগত দিয়ে। পৰিণতি স্বৰূপে সাধক যুগ যুগান্তৰৰ পাপৰ পৰা মুক্ত হৈ সত্য লোকলৈ (সনাতন পৰম ধামলৈ) যায়। যি সকল মানৱে শাস্ত্ৰ সন্মত সাধনা নকৰে বা ধৰ্ম নকৰে মাত্ৰ নিজৰ পেট ভৰাবলৈ অন্ন খায়, তেওঁ লোকে পাপ হে খায় (গীতা অধ্যায়ত ৩ শ্লোক ১৩)।

সকলো প্ৰণী অন্নৰ পৰাই উৎপত্তি হয় অৰ্থাৎ অন্ন (আহাৰ)ৰ পৰা দেহত সন্তান হোৱা বীজৰ পৰা হে সকলো প্ৰাণী উৎপত্তি হয়। অন্নৰ উৎপত্তি বৰষুণ পৰা হয়। বৰষুণ শাস্ত্ৰ বিধি অনুসৰি কৰা ধাৰ্মিক অনুষ্ঠানৰ পৰা হয়। ধাৰ্মিক যজ্ঞ (অনুষ্ঠান) শাস্ত্ৰ বিধি অনুসাৰে কৰা হয়।

কৰ্ম ব্ৰহ্ম অৰ্থাৎ ক্ষৰ পুৰুষৰ পৰা উৎপন্ন হোৱা জানিবা, যিহেতু আমি সকলো প্ৰাণী সত্য লোকৰ (সনাতন পৰম ধামৰ) পৰা ব্ৰহ্ম (কাল ক্ষৰ পুৰুষ, জ্যোতি নিৰঞ্জন)ৰ লোকত আহিছো কৰ্ম কৰিলেহে সকলো প্ৰাপ্তি হ'ব। আমি যেতিয়া সত্য লোকত (সনাতন পৰম ধামত) আছিলো কোনো কৰ্ম নকৰাকৈ সকলো বস্তু প্ৰাপ্তি কৰিছিলো। সেয়েহে কাল ব্ৰহ্মৰ পৰা কৰ্ম উৎপন্ন হয় বুলি জানিবা আৰু কাল (ব্ৰহ্ম)ৰ উৎপত্তি অবিনাশী পৰমাত্মাৰ পৰা হৈছে। (যাৰ বৰ্ণনা গীতা অধ্যায় ১৫ শ্লোক ১৭ ত আছে আৰু সৃষ্টি ৰচনা অধ্যায় পঢ়ক) ইয়াৰ পৰা নিশ্চিত প্ৰমাণ হয় যে (সৰ্বগতম ব্ৰহ্ম) সৰ্বব্যাপী পৰম অক্ষৰ পৰমাত্মা, অৰ্থাৎ পৰম অক্ষৰ ব্ৰহ্ম সদায় যজ্ঞত (ধৰ্মিক অনুষ্ঠানত) প্ৰতিষ্ঠিত অৰ্থাৎ সকলো ধাৰ্মিক অনুষ্ঠানত পৰম অক্ষৰ ব্ৰহ্ম ইষ্ট দেৱ ৰূপত পূজ্য (গীতা অধ্যায় ৩ শ্লোক ১৪-১৫)।

## পৰম অক্ষৰ ব্ৰহ্ম গীতা জ্ঞান দাতাৰ পৰা অন্য

গীতা জ্ঞান দাতায়ে নিজে গীতা অধ্যায় ১৮ শ্লোক ৬২ ত কয়, হে ভাৰত, তুমি সৰ্বতোভাৱে সেই জন পৰমেশ্বৰৰ অৰ্থাৎ পৰম অক্ষৰ ব্ৰহ্মৰ শৰণলৈ যোৱা। তেওঁৰ কৃপাত হে তুমি পৰম শান্তি আৰু শ্বাশ্বত স্থান অৰ্থাৎ সনাতন পৰম ধাম লাভ কৰিবা।

গীতা অধ্যায় ১৫ শ্লোক নং ৪ ত গীতা জ্ঞান দাতায়ে কয়, তত্বদৰ্শী সন্ত পোৱাৰ পাছত তত্বজ্ঞান ৰূপী অস্ত্ৰৰ দ্বাৰা অজ্ঞানক ছেদ কৰি পৰমেশ্বৰৰ সেই পৰম পদক বিচাৰিব লাগে যলৈ যোৱাৰ পাছত সাধক পুনৰ এই পৃথিৱী লৈ ঘূৰি নাহে মানে জন্ম মৃত্যু নহয় অৰ্থাৎ সনাতন পৰম ধাম লাভ কৰে। য'ত নেকি পৰম শান্তি পায়, দুখ কষ্ট আৰু মৃত্যু বৃদ্ধাৱস্থা নহয়। তাত কোনো বস্তুৰ অভাৱ নাই। যি পূৰ্ণ পৰমাত্মাৰ পৰা সম্পূৰ্ণ সৃষ্টি হ'ল মাত্ৰ সেই পৰমেশ্বৰৰ ভক্তি কৰিব লাগে।

গীতা অধ্যায় ১৩ শ্লোক ১৭ ত কয়, পৰম অক্ষৰ ব্ৰহ্ম গীতা জ্ঞান দাতাৰ পৰা অন্য এজনহে (অধ্যায় ৮ শ্লোক নং ৩ ত উল্লেখ কৰে) তেওঁ অত্যন্ত দীপ্তি মান, মায়াৰ পৰা আঁতৰত, এইজন বোধ্য (জনাৰ যোগ্য) পৰমাত্মাক তত্বজ্ঞানৰ দ্বাৰাহে লাভ কৰিব পাৰি। তেওঁ সকলোৰে হৃদয়ত বিশেষভাৱে স্থিত। (গীতা অধ্যায় ১৩ শ্লোক নং ১৭)

বিচাৰ কৰক - পূৰ্ণ পৰমাত্মাক যি তত্বজ্ঞানৰ দ্বাৰা প্ৰাপ্তি কৰা হয় তাকে সুক্ষ্ম বেদ বোলা হয়। সেই জ্ঞান গীতা জ্ঞান দাতায়ে নাজানে তাৰ বাবে গীতা জ্ঞান দাতায়ে অধ্যায় ৪ শ্লোক নং ৩২ আৰু ৩৪ ত বৰ্ণনা কৰে যে যজ্ঞ অৰ্থাৎ ধাৰ্মিক অনুষ্ঠানৰ বিস্তাৰিত জ্ঞান (ব্ৰহ্মণঃ মুখে) সচ্চিদানন্দ ঘন ব্ৰহ্মই নিজৰ মুখ কমলেৰে কয়, সেই বাণীক সচ্চিদানন্দ ঘন ব্ৰহ্মৰ বাণী আৰু তত্বজ্ঞান বুলি কোৱা হয়। তত্বজ্ঞান জনা বুজা সাধক সকলো পাপৰ পৰা মুক্ত হয়। গীতা অধ্যায় ৪ শ্লোক ৩২)

পাঠক সকলক নিবেদন কৰো যে গীতা অধ্যায় ৪ শ্লোক ৩২ ৰ মূল পাঠত "ব্ৰহ্মণ" শব্দ আছে। গীতা প্ৰেছ গোৰখপুৰৰ পৰা প্ৰকাশিত গীতা বা অন্য স্থানৰ পৰা প্ৰকাশিত গীতাৰ অনুবাদ কৰ্ত্তা সকলে "ব্ৰহ্মণ" শব্দৰ অৰ্থ "বেদ" লিখিছে যি নেকি ভুল।

গীতা অধ্যায় ১৭ শ্লোক নং ২৩ তো “ব্ৰহ্মণ” শব্দ আছে। ইয়াৰ অৰ্থ অনুবাদক সকলে সঁচা অৰ্থ “সচ্চিদানন্দ ঘন ব্ৰহ্ম” লিখিছে। তেনে দৰে অধ্যায় ৪ শ্লোক ৩২ ত “ব্ৰহ্মণ মুখে” অৰ্থ সচ্চিদানন্দ ঘন ব্ৰহ্মৰ মুখ কমলেৰে উচ্চাৰিত বাণী বুলি লিখা যথোচিত হব।

গীতা জ্ঞানদাতায়ে অধ্যায় ৪ শ্লোক নং ৩৪ ত কয়, সেই তত্বজ্ঞানক অৰ্জুন, তুমি তত্বদৰ্শী সন্তৰ ওচৰত গৈ বুজিবা, তেওঁক অষ্টাংগী প্ৰণাম কৰি বিনম্ৰতাৰে জানিব বিচাৰিলে (প্ৰশ্ন কৰিলে) পূৰ্ণ পৰমাত্মা তত্বক ভালদৰে জনা তত্বদৰ্শী সন্তই (মহাত্মায়ে) তোমাক তত্বজ্ঞানৰ উপদেশ দিব।

ভগৱানৰ প্ৰিয় পাঠক সকল, ইয়াৰ পৰা প্ৰমাণ হয় যে সেই তত্বজ্ঞান যাৰ দ্বাৰা পৰমাত্মাক লাভ কৰিব পাৰে গীতা শাস্ত্ৰত নাই। গীতা শাস্ত্ৰ চাৰিওখন বেদৰ (ঋগবেদ, যজুৰ্বেদ সামবেদ, আৰু অথৰ্ববেদ) সাৰাংশ বা সংক্ষিপ্ত ৰূপ) এই কথা সত্য প্ৰমাণিত হ'ল যে সুক্ষ্মবেদৰ তত্বজ্ঞান কোনো প্ৰচলিত শাস্ত্ৰত নাই। এই জ্ঞান মোৰ ওচৰত (সন্ত ৰামপাল দাসৰ) আছে। বিশ্বত কাৰো ওচৰত নাই। প্ৰশ্ন ঃ- শ্ৰীব্ৰহ্মাদেৱ ৰজগুণ, শ্ৰীবিষ্ণুদেৱ সৎগুণ শ্ৰী শিৱদেৱ তমগুণ এওঁলোক ইষ্ট দেৱ নহয় নেকি ? হিন্দু সমাজত তেওঁলোকৰ পূজা হয়। হিন্দু ধৰ্মগুৰু শঙ্কৰাচাৰ্য আৰু অন্য সকলে এওঁলোককে ইষ্ট দেৱ বুলি পূজা কৰোৱায় আৰু নিজেও কৰে। আপোনাৰ কথাত বিশ্বাস হোৱা নাই। পবিত্ৰ গীতা শাস্ত্ৰত ইয়াৰ প্ৰমাণ আছেনে ?

উত্তৰ ঃ হিন্দু ধৰ্মৰ ধৰ্মগুৰু সকলৰ নিজৰ ধৰ্মগ্ৰন্থ সমূহৰো জ্ঞান নাই। যদি আক্ষৰিক জ্ঞান দিওঁতা শিক্ষক, সকলৰ নিজৰ পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কিতাপত উল্লেখ থকা জ্ঞানো নাথাকে তেন্তে সেই শিক্ষক বিদ্যাৰ্থী সকলৰ বাবে হানিকৰ হয়। সেই শিক্ষকজন ভাল নহয়, হিন্দু ধৰ্মৰ ধৰ্মগুৰু সকলোৰো অৱস্থা এনেকুৱা।

প্ৰমাণ ঃ শ্ৰীমদ্‌ভাগৱত গীতা অধ্যায় ৭ (সাত) শ্লোক নং ১২-১৫ ত গীতা জ্ঞান দাতায়ে কয় তিনিগুণৰ (ৰজগুণ শ্ৰীব্ৰহ্মাদেৱৰ পৰা উৎপত্তি, সৎগুণ শ্ৰীবিষ্ণু দেৱৰ দ্বাৰা মায়া মোহৰ স্থিতি আৰু তমগুণ শ্ৰীশিৱ দেৱৰ দ্বাৰা সকলো প্ৰাণীক সংহাৰ (বিনাশ) প্ৰভাৱত যি কাৰ্য্য ক্ৰম হৈছে তাৰ কাৰণ মই। কিন্তু সেই তিনিগুণত বা তিনি দেৱতাৰ লগত মই নাই আৰু তিনিগুণ বা দেৱতা মোৰ লগত নাই। (গীতা ৭/১২)

ৰজগুণ শ্ৰীব্ৰহ্মা সৎগুণ বিষ্ণু আৰু তমগুণ শিৱ দেৱ হয়। তাৰ প্ৰমাণ ১) মাৰ্কেণ্ডয় পুৰাণ (গীতা প্ৰেছ গোৰখপুৰৰ পৰা প্ৰকাশিত মাত্ৰ হিন্দী) পৃষ্ঠা ১২৩ ত উল্লেখ আছে যে এওঁলোকেই ব্ৰহ্মা, বিষ্ণু আৰু শিৱ ব্ৰহ্ম (ক্ষৰ ব্ৰহ্ম, কাল ভগৱান) ৰ প্ৰধান শক্তি হয়। এওঁলোকেই তিনিগুণ আৰু তিনিও দেৱতা। ২) শ্ৰীদেৱী পুৰাণৰ (শ্ৰী খেমচন্দ্ৰ শ্ৰীকৃষ্ণ চন্দ্ৰ ৱেংকেটেৰ প্ৰেচ, মুম্বাইৰ প্ৰকাশ) তৃতীয় স্কন্ধৰ অধ্যায় ৫ শ্লোক নং ৮ ত উল্লেখ আছে ঃ যদা দয়াদ্ৰৰ্মনা সদা অম্বিকে কথম অহম বিহিতঃ তমো গুণঃ কমলজঃ ৰজগুণঃ কথম বিহিতঃ চ শ্ৰী হৰি সৎগুণঃ (দেৱী পুৰাণ ৩/৫/৮) অনুবাদ- ভগৱান শিৱই মাতৃ দুৰ্গাক প্ৰশ্ন সূৰত কয় মাতা

তুমি যদি আমাৰ ওপৰত দয়া বান তেন্তে মোক তমগুণী কিয় বনালে, পদুমত উৎপন্ন হোৱা ব্ৰহ্মা দেৱক কিয় ৰজগুণী কৰিলে, আৰু বিষ্ণু দেৱক কিয় সৎগুণী কৰিলে ?

ইয়াৰ পৰা প্ৰতক্ষ প্ৰমাণ হয় ৰজগুণ ব্ৰহ্মা দেৱ, সৎগুণ বিষ্ণু দেৱ আৰু তমগুণ শিৱদেৱ।

গীতা অধ্যায় ৭ শ্লোক ১২ ৰ ভাৱাৰ্থ ঃ গীতা জ্ঞানদাতা হল কাল ব্ৰহ্ম (জ্যোতি নিৰঞ্জন, ক্ষৰ পুৰুষ) প্ৰমাণ গীতা অধ্যায় ১১ শ্লোক ৩১-৩২। শ্লোক ৩১ ত অৰ্জুনে সুধিছে হে মহানুভৱ আপুনি কোন ? শ্ৰীকৃষ্ণ দেৱ অৰ্জুনৰ জেঠেৰি আছিল। শ্ৰীকৃষ্ণদেৱৰ ভণীয়েক সুভদ্ৰাক অৰ্জুনে বিয়া কৰিছিল। বিচাৰ কৰা বিষয় যে গীতা জ্ঞান দাতা শ্ৰীকৃষ্ণদেৱ হোৱা হলে অৰ্জুনে কেতিয়াও প্ৰশ্ন নকৰে মহানুভৱ আপুনি কোন ? অৰ্জুনে কৃষ্ণদেৱক চিনি নেপায় নেকি? প্ৰকৃততে শ্ৰীকৃষ্ণদেৱৰ শৰীৰত প্ৰেতৰত প্ৰৱেশ কৰি কালে গীতা জ্ঞান কৈ আছিল। প্ৰমাণৰ বাবে পুথি পঢ়ক "গীতা তোমাৰ জ্ঞান অমৃত", "গহৰী নজৰ গীতামে", "জ্ঞান গঙ্গা", "আধ্যাত্মিক জ্ঞান গঙ্গা" পঢ়ক আৰু সৎসঙ্গৰ DVD চাওক/শুনক, শ্ৰীমদ্‌ভাগৱত গীতা জ্ঞান কোনে ক'লে। এই সকলো আমাৰ Web site = www.jagatgururampalji.org ত উপলব্ধ আছে। বিনা খৰছে ডাউনলোড কৰিব পাৰে। You Tube ত Search কৰিব পাৰে (Satsang Barwala Ashram বা Sant Rampalji) গীতা জ্ঞান দাতা কাল ব্ৰহ্ম হয় যি গীতা অধ্যায় ১১ শ্লোক নং ৩২ ত নিজে কয় অৰ্জুন মই মহাকাল হওঁ, এতিয়া প্ৰকট হৈছো। (কৃষ্ণদেৱৰ শৰীৰৰ পৰা ওলাই নিজৰ বিশাল স্বৰূপ অৰ্জুনক দেখুৱাই এই কথা কৈছে)। যদি শ্ৰীকৃষ্ণদেৱে গীতা জ্ঞান কোৱা হলে কেতিয়াও কোৱা প্ৰয়োজন নাই মই এতিয়া প্ৰকট (নিজৰ ৰূপ দেখুৱাই উপস্থিত) হৈছো। শ্ৰীকৃষ্ণদেৱ যুদ্ধৰ আৰম্ভণিৰ পৰাই অৰ্জুনৰ লগত আছে। কৃষ্ণদেৱে নিজক কাল বুলি আগতে কতো উল্লেখ কৰা নাই। পিছতো কেতিয়াও কোৱা নাই মই মহাকাল সকলোকে নাশ কৰিবলৈ আহিছো। কৃষ্ণদেৱৰ চাৰিখন হে হাত বা বাহু আছে। অৰ্জুনে দেখা মহাকালৰ এক এক হেজাৰ হাত, চকু, মুখ, কাণ, থকা ভয়ঙ্কৰ বিৰাট স্বৰূপ। শ্ৰী কৃষ্ণই কৌৰৱৰ সভাত নিজৰ বিৰাট ৰূপ দেখুৱাইছিল। ভক্তি যুক্ত সকলো প্ৰাণীয়ে নিজৰ বিৰাট ৰূপ পৰিলক্ষিত কৰিব পাৰে নিজৰ ভক্তি সাধনা শক্তিৰ দ্বাৰা।

গীতা জ্ঞান দাতায়ে অধ্যায় ১১ শ্লোক নং ৪৭ ত অৰ্জুনক কয় মোৰ বিৰাট ৰূপ তোমাৰ বাদে আগতে কোনোৱে দেখা নাই। পাঠক সকললৈ বিনম্ৰ অনুৰোধ যে শ্ৰীকৃষ্ণদেৱৰ বিৰাট ৰূপ কৌৰৱৰ সভাত সকলোৱে দেখিলে। শ্ৰীকৃষ্ণই গীতা জ্ঞান কোৱা হলে এই কথা নকয় যে অৰ্জুন মোৰ বিৰাট ৰূপ তোমাৰ অবিহনে কোনোৱে আগত দেখা নাই। ইয়াৰ পৰা সহজে জানিব পাৰি গীতা জ্ঞান দাতা কালব্ৰহ্ম, হয় যাক গীতা অধ্যায় ১৫ শ্লোক ১৬ ত ক্ষৰ পুৰুষ বুলি কোৱা হৈছে। যি নিজৰ ভক্তি সাধনা কৰা মন্ত্ৰ অধ্যায় ৮ শ্লোক ১৩ ত বৰ্ণনা কৰিছে।

*ওম ইতি একাক্ষৰম্ ব্ৰহ্ম ব্যৱহাৰণ মাম্ অনুস্মৰণ।*
*য় প্ৰয়াতি ত্যজন দেহম সঃ য়াতি পৰমাম্ গতিম।।*

সৰলাৰ্থ ঃ গীতা জ্ঞান দাতায়ে কৈছে ঃ (মাম ব্ৰহ্ম) মই ব্ৰহ্মৰ (ওম ইতি একাক্ষৰম) এটা মাত্ৰ ওঁ আখৰ আছে, (ব্যৱহাৰণ) উচ্চাৰণ কৰি (অনুস্মৰণ) স্মৰণ কৰি (য়ঃ প্ৰয়াতি ত্যজন্ দেহম্) যি সাধকে শৰীৰ ত্যাগ কৰে, (সঃ য়াতি পৰমাম্ গতিম্) তেওঁ ওঁ নামৰ দ্বাৰা হোৱা পৰম গতি লাভ কৰে। এইটোকে আৰু স্পষ্ট কৰোঁ আহক।

শ্ৰী দেৱী পুৰাণ (সচিত্ৰ হিন্দীত, গীতা পেছ গোৰখপুৰৰ পৰা প্ৰকাশ) সপ্তম স্কন্ধ পৃষ্ঠা ৫৬২ - ৫৬৩ বৰ্ণনা আছে এনেদৰে -

শ্ৰীদূৰ্গা দেৱীয়ে হিমালয় ৰজাক ব্ৰহ্মৰ জ্ঞান উপদেশ দি কয়, ৰাজন তুমি ওঁ নামৰ জপ কৰা, ব্ৰহ্মৰ প্ৰাপ্তি হব। ওঁ নাম ব্ৰহ্মৰ জপ মন্ত্ৰ, বাকী সকলো পূজা অৰ্চনা ত্যাগ কৰা ওঁ নাম জাপ কৰি ব্ৰহ্মক লাভ কৰা উদেশ্য লোৱা, তোমাৰ কল্যাণ হব। ইয়াৰ দ্বাৰা ব্ৰহ্মক প্ৰাপ্তি কৰিবা, তেওঁ দিব্য আকাশ ৰূপী ব্ৰহ্ম লোকত থাকে। দেৱী মহাপুৰাণৰ পৰা স্পষ্ট হ'ল ওঁ নাম জপ ব্ৰহ্মৰ হয়।

অন্য প্ৰমাণ- শ্ৰীশিৱ মহাপুৰাণ (গীতা প্ৰেছ গোৰখপুৰৰ পৰা প্ৰকাশিত সচিত্ৰ ডাঠ আখৰ) বিধেশ্বৰ সংহিতা পৃষ্ঠা ২৩-২৫ ত এনেদৰে আছে।

এবাৰ শ্ৰীব্ৰহ্মাদেৱ আৰু শ্ৰীবিষ্ণুদেৱৰ মাজত যুদ্ধ হ'ল। কাৰণ ব্ৰহ্মা দেৱ বিষ্ণুদেৱৰ নিৱাসত উপস্থিত হ'ল। বিষ্ণুদেৱে দেখিও কোনো সতকাৰ নকৰিলে। ব্ৰহ্মাই কলে অভিমানী তুমি মোক দেখিও একো আদৰ নকৰিলা, তুমি পুত্ৰ হৈ পিতাক অনাদৰ কৰিছা। মই সংসাৰ উৎপত্তি কৰ্ত্তা। বিষ্ণুয়ে কলে তুমি মোৰ নাভি কমলৰ পৰা জন্ম হৈছা। মই তোমাৰ পিতা। এনে কথাৰে দুয়ো অস্ত্ৰ লৈ যুদ্ধত লিপ্ত হ'ল। তেনে সময়তে কাল ব্ৰহ্মই দুয়োৰে মাজত হঠাৎ জ্যোতি স্তম্ভ থিয় কৰি দিলে। দুয়োজন যুদ্ধ কৰিবলৈ এৰি সেই প্ৰকাশ স্তম্ভৰ আঁতিগুৰি বিচৰাত লাগিল। কাল ব্ৰহ্মই নিজৰ পুত্ৰ শিৱ ৰূপত দূৰ্গাক পাৰ্বতী ৰূপত, লৈ তাত প্ৰকট হল আৰু দুয়োকে ক'লে তোমালোকে নাজানা ইয়াৰ ঈশ (ভগৱান) কোন ? মই ব্ৰহ্ম, এই সংসাৰ মোৰ হে। ব্ৰহ্মা, বিষ্ণু তোমালোকে তপ কৰি মোৰ পৰা এটা এটা বিভাগ লাভ কৰিছা। ব্ৰহ্মাক সৃষ্টি উৎপত্তি আৰু বিষ্ণুক স্থিতি মহেশ, ৰুদ্ৰক সংহাৰ আৰু মৃত্যু বিভাগ দিছোঁ। ব্ৰহ্মই কয় মোৰ জপ মন্ত্ৰ ওঁ নাম পাঁচ আখৰেৰে (অ, ও, ম, নাদ আৰু বিন্দু) সংগ্ৰহ হোৱা ওঁ আখৰ মন্ত্ৰ হয়। পাঠক সকল, এই কথা স্পষ্ট হয় ওঁ নাম ব্ৰহ্মৰ মন্ত্ৰ আৰু ব্ৰহ্মা, বিষ্ণু আৰু শিৱ বাদে অন্য কাল ব্ৰহ্ম আছে যি নেকি ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰৰ পিতা, তেওঁ লোক সন্তান।

অন্য প্ৰমাণ- শিৱ মহাপুৰাণ (গীতা প্ৰেচ গোৰখপুৰৰ পৰা প্ৰকাশিত) ৰুদ্ৰ সংহিতা পৃষ্ঠা ১১০ ত বৰ্ণনা আছে ৰজগুণ ব্ৰহ্মা, সৎগুণ বিষ্ণু আৰু তমগুণ শিৱ তিনিও দেৱতাত গুণ আছে। মই তেওঁলোকৰ পৰা অন্যহে।

সকলো প্ৰমাণৰ পৰা স্পষ্ট হয় গীতা জ্ঞান দাতা কাল ব্ৰহ্ম। এই ব্ৰহ্মক শাও পাত লগা

আছে যে প্ৰতি দিনে এক লাখ মানুহ শৰীৰ প্ৰাপ্ত প্ৰাণীক খাব আৰু এক লাখ পঁচিশ হাজাৰ প্ৰতিদিন উৎপত্তি কৰিব লাগে।

তাৰ কাৰণে কাল ব্ৰহ্মই তিনিও পুতেকক এটা এটা গুণত যুক্ত কৰিছে। গুণযুক্ত দেৱতাৰ পৰা ওলোৱা গুণৰ সুক্ষ্ম তৰংগৰ প্ৰভাৱত প্ৰত্যেক প্ৰাণীয়ে বাধ্য হৈ কাৰ্য্য কৰে। যিদৰে পাকঘৰত জলকীয়া ভাজিলে তাৰ গোন্ধ পোৱা প্ৰাণী সকলৰ আপোনা আপুনি হাঁচি আহে, সেই হাঁচি ইচ্ছা কৰি ৰাখিব নোৱাৰে। স্থুল ৰূপত জলকীয়া পাকঘৰত হে আছে, তাৰ পৰা ওলোৱা গুণে দূৰৰ কোঠাত থকা ব্যক্তিকো প্ৰভাৱিত কৰে।

সেই দৰে তিনিও দেৱতা (শ্ৰীব্ৰহ্মা, শ্ৰীবিষ্ণু আৰু শ্ৰীশিৱ) নিজৰ লোকত থাকে। তেওঁলোকৰ শৰীৰৰ পৰা ওলোৱা গুণৰ সুক্ষ্ম তৰংগই তিনিও লোক (স্বৰ্গলোক, পাতাললোক, পৃথিৱীলোক)ৰ প্ৰাণী সকলক প্ৰভাৱিত কৰে। পৰিণতি হিচাবে কাল ব্ৰহ্মৰ আহাৰৰ বাবে এক লাখ মানৱ যোগাৰ কৰে। গতিকে গীতা অধ্যায় ৭ শ্লোক ১২ ত গীতা জ্ঞান দাতাই (কাল ব্ৰহ্মই) কৈছে যে ঃ

তিনিও গুণৰ পৰা যি কাৰ্য্য হৈ আছে তাৰ মুখ্য কাৰণ মই (ব্ৰহ্ম কাল) ৰজগুণ ব্ৰহ্মা দেৱৰ পৰা উৎপত্তি, সৎগুণ বিষ্ণুদেৱৰ পৰা মায়া মোহৰ স্থিতি আৰু তমগুণ শিৱদেৱৰ পৰা সংহাৰ (বিনাশ) হয়। এই সকলো কাৰ্য্য মোৰ কাৰণে তেওঁলোকৰ দ্বাৰা হৈ আছে। অৰ্জুন, তুমি জানি লোৱা। কিন্তু তিনিও দেৱতাত মই নাই আৰু (মোৰ) লগতো তেওঁলোক নাই। কাৰণ কাল ব্ৰহ্ম এওঁলোকৰ পৰা বেলেগত থাকে (গীতা অধ্যায় ৭ শ্লোক ১২) সংসাৰী লোক এই তিনিও গুণৰ দেৱতা (ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ)ৰ ওপৰত মোহিত হৈ তেওঁলোকৰ জ্ঞানতে সীমিত। তিনি দেৱতাৰ বাদে অন্য মোক (কাল ব্ৰহ্মক) আৰু (অব্যয়ম) অবনাশী পৰমাত্মাক কোনোৱে নেজানে। (গীতা অধ্যায় ৭ শ্লোক ১৩)

কাৰণ এই আলৌকিক ত্ৰিগুণ মায়া (অৰ্থাৎ মোৰ পুত্ৰ সকলৰ দ্বাৰা বিয়পা মায়া জাল) অতি দুষ্ট (বেয়া) যি সাধকে মোৰ (কাল ব্ৰহ্মক) ভক্তি সাধনা কৰে তেওঁলোকে তিনিও গুণক অতিক্ৰম কৰে। (তিনিও গুণৰ দেৱতাৰ পৰা পোৱা লাভক ত্যাগ কৰি ব্ৰহ্ম সাধনা কৰে তেওঁলোকে তিনিও দেৱতাক উলংঘন কৰে। (গীতা অধ্যায় ৭ শ্লোক ১৪)

গীতা অধ্যায় ৭ শ্লোক ১৫ ঃ তিনিগুণৰ মায়া জালত যি সকলৰ জ্ঞান হৰণ হৈছে অৰ্থাৎ যি সাধকে তিনিও গুণৰ দেৱতাৰ বাদে অন্য ভগৱানক নেজানে, তেওঁ লোকৰ পৰা পোৱা নাম মাত্ৰ লাভক মোক্ষ হিচাবে ভাবি তেওঁ লোকৰ বাদে আনক গুৰুত্ব নিদিয়ে আৰু তেওঁলোকৰ পূজা সাধনা কৰে, এনে ব্যক্তি বা সাধক সকল অসুৰ স্বভাৱক ধাৰন কৰা, মানুহৰ ভিতৰত অতি নীচ, (নিম্ন স্তৰৰ) অতি দুষিত কৰ্ম কৰা মুৰ্খ লোকে মোৰ (কাল ব্ৰহ্ম) ভক্তি সাধনা নকৰে (গীতা অধ্যায় ৭ শ্লোক নং ১৫)।

গীতা অধ্যায় ১৪ শ্লোক ১৯ ঃ গীতা জ্ঞান দাতায়ে কয় তত্বজ্ঞান (সুক্ষ্ম বেদৰ) জনা শুনা

পাছতো যি তিনিও গুণক (ৰজগুণ ব্ৰহ্মা, সৎগুণ বিষ্ণু, তমগুণ শিৱক) ইষ্ট দেৱ হিচাপে পূজা কৰে, পুৰণা নীতি নিয়মতে আৱদ্ধ হৈ তিনিও গুণৰ দেৱতাৰ বাদে অন্যক কৰ্ত্তা নেমানে, তিনিওৰ পৰা অন্য পূৰ্ণ পৰমাত্মাৰ বিষয়ে জনা পাছতো পুৰণা স্থিতিতে থাকে তেনে প্ৰাণী বা সাধক মোৰ (কাল ব্ৰহ্মৰ) জালতেই থাকে। (গীতা অধ্যায় ১৪/১৯)

গীতা অধ্যায় ১৪ শ্লোক ২০ ত গীতা জ্ঞান দাতাই কৈছে, যি সাধকে এই তিনিও জন দেৱতাৰ পূজা ত্যাগ কৰে, জন্ম, মৃত্যু আৰু বৃদ্ধাৱস্থা আৰু সংসাৰৰ সকলো মহা কষ্টৰ পৰা মুক্ত হৈ পৰমানন্দ সুখ শান্তি, গীতা অধ্যায় ১৮ শ্লোক নং ৬২ আৰু অধ্যায় ১৫ শ্লোক ৪ ত বৰ্ণিত পৰম শান্তি আৰু সনাতন পৰম ধাম লাভ কৰে।

সাৰাংশ ঃ তিনিও দেৱতাক (ব্ৰহ্মা ৰজগুণ, বিষ্ণু সৎগুণ আৰু শিৱ তমগুণক) পূজা কৰা সকলক ৰাক্ষস, অসুৰ স্বভাৱৰ, মানুহৰ ভিতৰত অতি নিম্ন শ্ৰেণীৰ দুষিত (নীচ) কৰ্ম কৰা মুৰ্খ বুলি কয়। মানে তেওঁলোকৰ পূজা কৰিব নেলাগে। কাৰণ ১) হিৰণ্য কশ্যপে শ্ৰীব্ৰহ্মা, ৰজগুণৰ ভক্তি কৰিছিল। নিজৰ পুত্ৰ ভকত প্ৰহ্লাদৰ ঘোৰ শত্ৰু হল। তাৰ বাবে ৰাক্ষস নামে জনাজাত হৈ কুকুৰৰ দৰে মৃত্যু হল।

২। ভস্মাগিৰি নামে তপস্বী এজনে তমগুণ শ্ৰীশিৱ দেৱৰ পূজা (ভক্তি) কৰি পাছত ভস্মাসুৰ নামে জনা জাত হৈ অকাল মৃত্যু হল। তমগুণী শিৱৰ পূজা কৰি ৰাৱণৰ বুদ্ধিভ্ৰষ্ট হ'ল, জগত জননী সীতাক অপহৰণ কৰি পত্নী বনাবলৈ কুচেষ্টা কৰাত ৰাক্ষস বুলি জনাজাত হ'ল, কুকুৰৰ দৰে মৃত্যু হ'ল।

ক) শ্ৰী বিষ্ণুদেৱক ভক্তি কৰা সকলক বৈষ্ণৱ বুলি কয়। এবাৰ হৰিদ্বাৰ কুম্ভ পৰ্বত গা-ধুৱৰ কাৰণে সকলো সন্ত (গিৰি পুৰি, নাথ নাগা) উপস্থিত হল গঙ্গা ঘাটত। গিৰি পুৰী, নাগা, এওঁলোক শিৱ, তমগুণৰ উপাসক আৰু বিষ্ণু উপাসক একেলগে প্ৰায় ২০ হেজাৰ সাধু স্নান কৰাৰ বাবে সাজু হল। পাছত বিষ্ণু পূজাৰী সিমান সংখ্যাত আৰু উপস্থিত হল। বিষ্ণু পূজাৰী সকলে তমগুণ শিৱ পূজাৰী সকলক কলে আমি শ্ৰেষ্ঠ গতিকে আগত স্নান কৰিম। এই কথা লৈ দুয়ো দলৰ পূজাৰীৰ (উপাসক) মাজত তৰোৱাল, চুৰি, চাকুৰ, দ্বাৰা ভয়ংকৰ যুদ্ধ হৈ প্ৰায় ২৫ হেজাৰ সাধু সন্ত আৰু তিনিও গুণৰ উপাসক সকলৰ মৃত্যু হল।

তাৰ কাৰণে গীতা অধ্যায় ৭ ৰ শ্লোক ১৫ ত তিনিও গুণৰ (ৰজগুণ ব্ৰহ্মা সৎগুণ বিষ্ণু আৰু তমগুণ শিৱ) উপাসক সকলক ৰাক্ষস অসুৰ স্বভাৱ অৱলম্বন কৰা, মানুহৰ ভিতৰত অতি নিম্ন, মহা দূষিত কৰ্ম কৰা মুৰ্খ বুলি বৰ্ণনা কৰিছে। ইয়াৰ পৰা স্পষ্ট হয় শ্ৰীব্ৰহ্মা ৰজগুণ, শ্ৰী বিষ্ণু সৎগুণ আৰু শিৱ তমগুণক ভক্তি কৰা সকলক ৰাক্ষস, অসুৰ, মানুহৰ ভিতৰত অতি নিম্ন বেয়া কৰ্ম কৰা মুৰ্খ বুলি বৰ্ণনা কৰিছে।

ইয়াৰ পৰা স্পষ্ট হয় শ্ৰী ব্ৰহ্মা ৰজগুণ, শ্ৰীবিষ্ণু সৎগুণ আৰু শ্ৰী শিৱ তমগুণক ভক্তি কৰা সকলক ৰাক্ষস, অসুৰ, মানুহৰ ভিতৰত অতি নিম্ন বেয়া কৰ্ম কৰা মুৰ্খ বুলি বৰ্ণনা কৰিছে।

এওঁলোকৰ পূজা (ভক্তি) নকৰিবলৈ শ্ৰীমদ্‌ভাগৱত গীতাত উল্লেখ কৰিছে। তিনিও দেৱতাক ইষ্ট দেৱ হিচাপে পূজা কৰা ব্যৰ্থ।

## পূজা তথা সাধনাৰ মাজত পাৰ্থক্য

প্ৰশ্ন ঃ কাল ব্ৰহ্মৰ পূজা কৰিব লাগে নে নালাগে ?

উত্তৰ ঃ কৰিব নালাগে। প্ৰথমতে আপোনাক পূজা আৰু সাধনাৰ মাজত থকা পাৰ্থক্য কওঁ।

ভক্তি অৰ্থাৎ পূজা ঃ আমি জানো যে পৃথিৱীৰ তলত মিঠা, শীতল পানী আছে। সেই পানী কেনেকৈ পোৱা যায় ? তাৰ বাবে ফুটা কৰা শলা (borer) ৰে মাটিৰ পোনে পোনে তলপিনে গাঁত খন্দা হয়। সেই গাঁতত লোহাৰ চুঙা (পাইপ) ভৰোৱা হয়। আকৌ হেণ্ডপাম্প লগোৱা হয়, তেতিয়া প্ৰাণীৰ প্ৰাণ স্বৰূপ সেই শীতল পানী পোৱা যায়।

আমাৰ পূজা পানী হয়। তাক প্ৰাপ্তি কৰিবৰ বাবে ব্যৱহাৰ কৰা উপকৰণ আৰু চেষ্টাক সাধনা বুলি কয়। যদিহে আমি উপকৰণৰ পূজাত ব্যস্ত হওঁ তেতিয়া জল প্ৰাপ্তি নহয়, উপকৰণৰ দ্বাৰা পূজ্য বস্তুৰ প্ৰাপ্তি হয়।

অন্য উদাহৰণ ঃ পতিব্ৰতা স্ত্ৰীয়ে পৰিয়ালৰ সকলো সদস্যক সন্মান কৰে। শহুৰ-শাহুক মা-দেউতাৰ সমান, ননন্দ-জেঠিয়েক বাই-ভনীৰ সমান দেওৰ-জেঠাল ভায়েক ককায়েকৰ সমান, দেওৰ-জেঠালৰ পত্নীক বাই-ভনীৰ দৰে সন্মান কৰে। কিন্তু পতিব্ৰতা স্ত্ৰীয়ে নিজৰ পতিৰহে পূজা কৰে। যেতিয়া তেওঁলোক বেলেগ হয় নিজৰ অংশৰ সকলো বস্তু নিজৰ পতিৰ ঘৰত আনি থয়।

অন্য উদাহৰণ ঃ ধৰা হল, আমাৰ আম খোৱাৰ ইচ্ছা হ'ল। আমাৰ বাবে আম (ফল) পূজ্য হয়। সেইটো প্ৰাপ্তি কৰিবলৈ ধনৰ প্ৰয়োজন হয়। ধন সংগ্ৰহ কৰিবৰ বাবে মজদুৰী/ চাকৰি/খেতিবাতি কৰিবলগীয়া হ'ব তেতিয়াহে আম (ফল) প্ৰাপ্তি হব। গতিকে আমৰ ফল আমাৰ পূজ্য আৰু তাক পাবলৈ কৰা অন্য ক্ৰিয়া সাধনা হয়। সাধ্য (বিচাৰি পাব পৰা) বস্তু প্ৰাপ্তি কৰিবলৈ সাধনা কৰিব লাগিব। সাধনা ভিন্ন হয়, পূজা অৰ্থাৎ ভক্তি ভিন্ন হয়। বিষয়টো স্পষ্ট হ'ল।

প্ৰশ্ন কৰা হৈছিল যে ব্ৰহ্মৰ পূজা কৰা উচিত নে। উত্তৰত কোৱা হৈছিল ব্ৰহ্মৰ ভক্তি কৰিব নালাগে। এতিয়া শ্ৰীমদ্‌ভাগৱত গীতাত এই প্ৰসংগৰ প্ৰমাণ দেখুৱা হ'ব।

গীতা অধ্যায় ৭ শ্লোক ১২ ৰ পৰা ১৫ ত গীতা জ্ঞান দাতাই কৈছে যে তিনি গুণৰ (ৰজগুণ শ্ৰী ব্ৰহ্মা, সৎগুণ শ্ৰী বিষ্ণু আৰু তমোগুণ শ্ৰী শিৱ) ভক্তি ব্যৰ্থ হয়। আকৌ গীতা অধ্যায় ৭ শ্লোক ১৬-১৭-১৮ ত গীতা জ্ঞান দাতা ব্ৰহ্মই নিজৰ ভক্তিৰ পৰা হব পৰা গতি অৰ্থাৎ মোক্ষক "অনুত্তম" অৰ্থাৎ বেয়া বুলি কৈছে। আকৌ কৈছে ব্ৰহ্মৰ ভক্তি চাৰি প্ৰকাৰৰ ব্যক্তিয়ে কৰে।

১। অৰ্থাৰ্থী ঃ ধন লাভ কৰা বাবে, বেদৰ মতে অনুষ্ঠান (যাগ যজ্ঞ) কৰা সকল।

২। আৰ্ত ঃ সংকট নিৰাময়ৰ বাবে বেদ অনুসৰি অনুষ্ঠান কৰা সকল,

৩। জিজ্ঞাসু ঃ পৰমাত্মাৰ বিষয় জানিবলৈ ইচ্ছুক সকল। (এওঁলোক জ্ঞান গ্ৰহণ কৰি স্বয়ং বক্তা হৈ পৰে)

৪। জ্ঞানী ঃ জ্ঞানীয়ে গম পায় যে মানৱ জন্ম বৰ দুৰ্লভ হয়। মানৱৰ জীৱন প্ৰাপ্ত কৰি আত্ম কল্যাণ কৰাব লাগে। তেওঁলোকে এইটোও গম পায় যে অন্য দেৱতাৰ পূজাৰ দ্বাৰা মোক্ষ লাভ হব নোৱাৰে। এই কাৰণে এক পৰমাত্মাৰ ভক্তি অনন্য মনেৰে কৰিলে পূৰ্ণ মোক্ষ সম্ভৱ হয়। তেওঁলোকে তত্বদৰ্শী সন্তক লগ নোপোৱাত, নিজে যেনেকৈ বেদৰ জ্ঞান বুজি পালে, সেই ভিত্তিতেই ব্ৰহ্মক এজন সমৰ্থ (শক্তি মান) প্ৰভূ ভাৱি যজুৰ্বেদ অধ্যায় ৪০ মন্ত্ৰ ১৫ ত থকা ওঁ নাম লৈ ভক্তি কৰিলে। কিন্তু পূৰ্ণ মোক্ষ নহ'ল। ওঁ নাম ব্ৰহ্মৰ সাধনাৰ বাবে জপ কৰা হয়, তাৰ দ্বাৰা ব্ৰহ্মলোক প্ৰাপ্তি হয়, যাৰ বিষয়ে আগতে প্ৰমাণিত কৰা হৈছে। গীতা অধ্যায় ৮ শ্লোক ১৬ ত কৈছে যে ব্ৰহ্মলোক লৈকে সকলো লোক পুনৰাৱৰ্তী নিয়মৰ অধীন অৰ্থাৎ ব্ৰহ্মলোকলৈ যোৱা সাধকো আকৌ উভতি সংসাৰত জন্ম-মৃত্যুৰ চক্ৰত পৰে।

কাল ব্ৰহ্মৰ সাধনাৰ দ্বাৰা সেইটো মোক্ষ প্ৰাপ্তি নহয় যাৰ বিষয়ে গীতা অধ্যায় ১৫ শ্লোক ৪ ত কোৱা হৈছে ''তত্বজ্ঞানৰ দ্বাৰা অজ্ঞানক কাটি (আঁতৰ কৰি) সেই পৰমপদৰ অনসন্ধান কৰিব লাগিব য'ত যোৱাৰ পিছত সাধক আকৌ উভতি সংসাৰত কেতিয়াও নাহে।''

গীতা অধ্যায় ৭ শ্লোক ১৮ ত কোৱা হৈছে যে এই জ্ঞানী আত্মা (উপৰৰ ৪ নম্বৰৰ ব্ৰহ্মৰ সাধক) হওঁতে উদাৰ হয় অৰ্থাৎ পবিত্ৰ, সৎ হয়, কিন্তু তত্বজ্ঞানৰ অভাৱত মোৰ (ব্ৰহ্মৰ) অনুত্তম গতিত স্থিত হৈ থাকে। গীতা জ্ঞান দাতাই নিজৰ সাধনাৰ দ্বাৰা হ'ব পৰা গতিকো অনুত্তম (বেয়া) বুলি কৈছে, গতিকে ব্ৰহ্মৰ পূজা কৰা উচিত নহয়।

কাৰণ ঃ এজন চুনক নামৰ ঋষি জ্ঞানী আত্মা আছিল। তেওঁ ওঁ নামৰ জপ আৰু হঠযোগ বহুহেজাৰ বছৰ কৰিলে, যাৰদ্বাৰা তেওঁ সিদ্ধি প্ৰাপ্তি কৰিলে। ব্ৰহ্মৰ সাধনা কৰিলে জন্ম-মৃত্যু, স্বৰ্গ-নৰক ৰ চক্ৰ সদায় চলি থাকিব কাৰণ গীতা অধ্যায় ২ শ্লোক ১২ অধ্যায় ৪ শ্লোক ৫, অধ্যায় ১০ শ্লোক ২ ত গীতা জ্ঞান দাতায়ে নিজৰ জন্ম মৃত্যু হোৱা কথা কয়, তুমি নাজানা মই জানোঁ, তুমি মই আৰু এই ৰজা সকলো আগতো জন্ম লৈছিল, ইয়াৰ পিছতো জন্ম লব। এয়া নাভাবিবা যে আমি সকলোৱে এতিয়াহে জন্ম গ্ৰহণ কৰিছোঁ। মোৰ উৎপত্তিক এই মহৰ্ষি সকলে আৰু দেৱতা সকলে নাজানে কাৰণ এই সকলোকে মই উৎপন্ন কৰিছো। ইয়াৰ দ্বাৰা প্ৰমাণিত হয় যে গীতা জ্ঞান দাতা ব্ৰহ্মও জন্মে আৰু মৰে, তেতিয়াহলে এওঁৰ পূজাৰী সকল কেনেকৈ অমৰ হ'ব পাৰে। ইয়াৰ দ্বাৰা এইটো প্ৰমাণিত হয় যে ব্ৰহ্ম উপাসনাৰ দ্বাৰা সেইটো মোক্ষ হ'ব নোৱাৰে যাৰ বিষয়ে গীতা অধ্যায় ১৮ শ্লোক ৬২ ত আৰু আধ্যায় ১৫ শ্লোক ৪ ত কোৱা হৈছে। এই শ্লোক সমূহত গীতা জ্ঞান দাতাই স্পষ্ট নিৰ্দেশ দিছে যে হে ভাৰত তুমি সৰ্বতো প্ৰকাৰে সেই পৰমেশ্বৰ পৰম অক্ষৰ ব্ৰহ্মাৰ শৰণত যোৱা। সেই পৰমেশ্বৰৰ কৃপাতহে তুমি পৰম

শান্তি তথা সনাতন পৰমধাম অৰ্থাৎ সত্যলোক প্ৰাপ্তি কৰিবা। তত্বজ্ঞান বুজাৰ পিছত পৰমাত্মাৰ সেই পৰম পদৰ অনুসন্ধান কৰিব লাগিব, যলৈ যোৱাৰ পাছত সাধক আকৌ উভতি সংসাৰ লৈ কেতিয়াও নাহে। ভাবি চাওক গীতা জ্ঞান দাতা স্বয়ং জন্ম গ্ৰহণ কৰে আৰু মৃত্যু বৰণ কৰে। এই কাৰণে ব্ৰহ্মৰ পূজাৰ দ্বাৰা হ'ব লগা গতি অনুত্তম।

এতিয়া চুণক ঋষিৰ প্ৰসংগ আকৌ শুনাইছোঁ। চুণক ঋষিয়ে ওঁ নামৰ জপ তথা হঠ যোগ কৰিলে। বেদ সমূহ (ঋগবেদ, যজুৰ্বেদ, সামবেদ, অথৰ্ববেদ)ত বৰ্ণনা কৰা ভক্তিৰ দ্বাৰা পৰমাত্মাক পোৱা নাযায়। ইয়াৰ প্ৰমাণ গীতা অধ্যায় ১১ শ্লোক ৪৭-৪৮ত আছে। গীতা জ্ঞান দাতা ব্ৰহ্মই কৈছে, হে অৰ্জুন মই কাল ব্ৰহ্মৰ এইটো বিৰাট ৰূপ হয়। মোৰ এই ৰূপৰ দৰ্শন তোমাৰ বাহিৰে প্ৰথমতে কোনেও কৰা নাই। মই তোমাক অনুগ্ৰহ কৰি এই ৰূপ দেখুৱাইছো। মোৰ এই ৰূপৰ দৰ্শন অৰ্থাৎ ব্ৰহ্মপ্ৰাপ্তি বেদ সমূহত বৰ্ণিত বিধিৰ দ্বাৰা অৰ্থাৎ ওঁ নামৰ জপৰ দ্বাৰা অথবা তপস্যাৰ দ্বাৰা বা হোম ইত্যাদি যজ্ঞৰ দ্বাৰা হ'ব নোৱাৰে এই কাৰণেই চুণকৰ দৰে ঋষিয়েও ব্ৰহ্মক নিৰাকাৰ বুলি কৈ গ'ল। চুণক ঋষিয়ে সিদ্ধি লাভ কৰিলে। গতিকে সংসাৰত প্ৰসিদ্ধ হৈ পৰিল। সিদ্ধি প্ৰাপ্ত সাধকে নিজৰ বহু বছৰৰ সাধনাৰ দ্বাৰা চাৰ্জ কৰা বেটাৰি (আত্মা)ৰ দ্বাৰা কোনো ব্যক্তিক অভিশাপ দি নিজৰ ভক্তিৰ নাশ কৰে, আকৌ কাৰোবাক আশীৰ্বাদ দি নিজৰ ভক্তি নাশ কৰে। কাৰোবাৰ ওপৰত সিদ্ধিৰে তন্ত্ৰ-মন্ত্ৰ কৰি নিজৰ ভক্তিৰ নাশ কৰে আৰু সংসাৰত প্ৰশংসাৰ পাত্ৰ হৈ স্বয়ং প্ৰভূ হৈ দেখুৱায়।

এজন মানধাতা চক্ৰৱৰ্তী ৰজা আছিল। গোটেই পৃথিৱীখনত তেওঁৰ ৰাজ্য আছিল। তেওঁ এইটো পৰীক্ষা কৰিব বিচাৰিলে যে তেওঁৰ অধীনত থকা পৃথিৱীৰ অন্য ৰজা সকল স্বাধীন হ'ব বিচাৰে নে নিবিচাৰে। সেই কাৰণে ৰজাই নিজৰ ঘোঁৰাৰ ডিঙিত এটা পত্ৰ ফলক বান্ধি দিলে যে যি ৰজাই মান্ধাতা ৰজাৰ বশ্যতা স্বীকাৰ কৰিব নিবিচাৰে তেওঁ এই ঘোঁৰাক ধৰি যুদ্ধৰ বাবে সাজু হব লাগে। মান্ধাতা ৰজাৰ লগত ৭২ অক্ষৌহিনী সেনা আছে। সেই ঘোঁৰাৰ পিছে-পিছে শ-শ সৈনিক গৈছিল। গোটেই পৃথিৱী পৰিভ্ৰমণ কৰিলে। কোনো ৰজাই সেই ঘোঁৰাটো ধৰি নাৰাখিলে। ইয়াৰ দ্বাৰা প্ৰমাণিত হ'ল গোঢেই পৃথিৱীৰ সৰু-সৰু ৰজা তেওঁলোকৰ চক্ৰৱৰ্তী শাসক মান্ধাতাৰ অধীনত আছিল। ঘোঁৰাৰ লগত যোৱা সকলো সৈনিক আনন্দ মনেৰে উভতি আহি আছিল। ৰাস্তাত চুণক ঋষিৰ কুটী (পজাঁঘৰ) আছিল। ঘোঁৰাত উঠি অহা সৈনিক সকলক চুণক ঋষিয়ে সুধিলে, হে সৈনিক সকল কলৈ গৈছিলা ? এই ঘোঁৰাত উঠাজন কলৈ গ'ল ? সৈনিক সকলে ঋষিক সকলো কথা কলে। চুণক ঋষিয়ে সুধিলে, কোনেও ৰজা মান্ধাতাৰ যুদ্ধৰ আহ্বান স্বীকাৰ কৰা নাই নে ? সৈনিক সকলে ক'লে যে কোনো সিমান বাহুবলী নহয়, কোনেও ৰজা মান্ধাতাৰ লগত ফেৰ পাতিব পৰাকৈ মাকৰ গাখীৰ খাই অহা নাই। ৰজাৰ লগত ৭২ অক্ষৌহিনী অৰ্থাৎ ৭২ কোটি সেনা আছে। যদি কোনোবাই যুদ্ধ কৰাৰ দুঃসাহস কৰে তাৰ কঁকাল ভাগিব। ঋষিয়ে ক'লে তোমালোকৰ ৰজাৰ লগত যুদ্ধ কৰাটো মই স্বীকাৰ কৰিছোঁ।

এই ঘোঁৰাটো মোৰ পজাঁঘৰৰ ওচৰৰ গছত বান্ধি দিয়া। সৈনিক সকলে ক'লে, হে কঙ্গাল! তোৰ লগত খাবলৈ এমুঠিও নাই, ৰজা মান্ধাতাৰ লগত কেনেকৈ যুদ্ধ কৰিবি ? নিজৰ ভক্তি কৰি থাক, কিয় শিয়ালৰ হোৱা দিছ অৰ্থাৎ তই কিয় দু-সাহস কৰিছ ? ঋষিয়ে ক'লে, যি হব দেখা যাব, যোৱা তোমালোকৰ ৰজাক কৈ দিবা যে ঋষি চুণকে যুদ্ধ স্বীকাৰ কৰিছে। ৰজাই গম পোৱাত ভাবিলে যে আজি এজন ঋষি কঙ্গালে দু-সাহস কৰিছে, কালি অন্য কোনোবাই সাহস কৰিব। এনেকুৱা ব্যক্তিৰ পুলিয়ে পোখাই উভালি পেলাব লাগিব। জনতাক ভয়ভীত কৰিবলৈ, এজন ব্যক্তিক মাৰিবলৈ ৰজাই ৭২ কোটি সেনাৰ চাৰিটা গোট কৰিলে। এটা গোট ১৮ কোটি সেনাৰ প্ৰথমতে ঋষিৰ লগত যুদ্ধ কৰিবলৈ পঠালে। কাল ব্ৰহ্মৰ পূজাৰী চুণক ঋষিয়ে সিদ্ধিৰ সহায়ত চাৰিটা পৰমাণু বোমা সাজিলে। এটা বোমা নিক্ষেপ কৰিলে, সেইটোৱে ১৮ কোটি সেনা ধ্বংস কৰিলে। ৰজাই দ্বিতীয়টো গোট পঠিয়ালে। ঋষিয়েও দ্বিতীয়টো বোমা পেলালে। এইদৰে ৰজা মান্ধাতাৰ ৭২ অক্ষৌহিনী সেনাৰ নাশ কৰিলে কাল ব্ৰহ্মৰ পূজাৰী চুণক ঋষিয়ে।

ভাবি চিন্তি চাওক ঃ ঋষি মহৰ্ষি সকলে ৰজা সকলৰ লগত ফেৰ পাতিব লাগেনে ? কাৰণ, ঋষি সকলে হেজাৰ-হেজাৰ বছৰ ধৰি ওঁ নামৰ জপ কৰিলে, পৰমাত্মাক পাবৰ বাবে। পৰমাত্মাক নাপালে কাৰণ গীতা অধ্যায় ১১ শ্লোক ৪৭-৪৮ ত লিখা আছে যে বেদত (ঋগবেদ, যজুৰ্বেদ, সামবেদ আৰু অথৰ্ববেদ) বৰ্ণিত ভক্তি বিধিৰ দ্বাৰা ব্ৰহ্ম প্ৰাপ্তি নহয়। সেই কাৰণে এই ভক্তিৰ দ্বাৰা ঋষি সকলে সিদ্ধি লাভ কৰে। অজ্ঞানতাৰ বাবে সেই ভ্ৰম-ভ্ৰান্তিৰ মায়াজালকে তেওঁলোকে ভক্তিৰ ফল বুলি ভাবিলে। সেই কাৰণে ভক্তি কৰিও সেই স্থান প্ৰাপ্তি কৰিব নোৱাৰিলে য'ত যোৱাৰ পিছত পুনৰ জন্ম নহয় কাৰণ এওঁলোকে তত্বদৰ্শী সন্ত নাপালে। সুক্ষ্মবেদত কোৱা আছে ঃ

*কবীৰ গুৰু বিন কাহু ন পায়া জ্ঞানা, জ্যোঁ থোথা ভুস ছড়ে মুঢ় কিসানা*
*গুৰু বিন বেদ পঢ়ে জো প্ৰাণী, সমঝে ন সাৰ ৰহে অজ্ঞানী।।*
*গৰীব বহতৰ ক্ষৌণী খা গয়া চুণক ঋষিশ্বৰ এক।*
*দেহ ধাৰে জৌৰা ফিৰে, সবহী কাল কে ভেশ।।*

ভাৱাৰ্থ ঃ তত্বদৰ্শী সন্ত নোপোৱাৰ বাবে সাধকে কৰা সাধনা শাস্ত্ৰবিধি বিৰুদ্ধ মই মতালি আচৰণত পৰিণত হয় যাৰ দ্বাৰা সাধকে একো লাভ নাপায়। গীতা অধ্যায় ১৬ শ্লোক ২৩-২৪ ত প্ৰমাণ আছে, কোৱা আছে, হে ভাৰত যি সাধকে শাস্ত্ৰবিধি ত্যাগ কৰি মই মতালি পূৰ্ণ আচৰণ কৰে তেওঁ সুখো নাপায়, সিদ্ধি প্ৰাপ্তিও নকৰে আৰু তেওঁৰ গতি অৰ্থাৎ মোক্ষও নহয়। গতিকে তুমি কেনে ধৰণৰ সাধনা কৰা উচিত আৰু কেনেধৰণৰ সাধনা কৰা অনুচিত সেইটোৰ শাস্ত্ৰই নিৰ্ণায়ক জ্ঞান দিব অৰ্থাৎ শাস্ত্ৰই তাৰ প্ৰমাণ।

বিনা গুৰু অৰ্থাৎ তত্বদৰ্শী সন্তৰ অবিহনে চাৰিও বেদ পঢ়ি থাকিলেও বেদ কন্ঠস্থ কৰিলেও, যেনেকৈ আগৰ দিনত ব্ৰাহ্মণ সকলে বেদ মন্ত্ৰ মনত ৰাখিছিল, তেওঁলোকৰ বেদৰ

গুঢ় ৰহস্যৰ জ্ঞান নোহোৱাৰ বাবে ঋষি সকলে বেদ পঢ়ি-শুনিও অজ্ঞানী হৈয়ে থাকিল। (চাৰি বেদৰ মন্ত্র কন্ঠস্থ কৰা সকলক চতুৰ্বেদী, তিনিবেদৰ মন্ত্র মনত ৰখা সকলক ত্রিবেদী কোৱা হৈছিল) সুক্ষ্ম বেদত কোৱা আছে যে ঃ

*পীঠ মনুখা দাখ লদী হৈ, ঊট খাত ববুলা।*

ভাৱাৰ্থ এই যে আগৰ দিনত মৰুভুমিত উটৰ পিঠিত কিচমিচ, খিচমিচৰ বোজা লৈ যোৱা হৈছিল। উটে পিঠিত সুস্বাদু কিচমিচৰ দৰে মিঠা ফল লৈ ফুৰিছিল আৰু নিজে বাবুল গছৰ কাঁইটৰ মাজত মুখ সুমুৱাই বাবুল গছৰ পাত খাইছিল। জ্ঞানহীন ঋষিসকলে চাৰিবেদ কিচমিচ খিচমিচৰ বোজা লৈ ফুৰিছিল আৰু পূজা কৰিছিল কাল ব্রহ্ম ৰূপী বাবুল গছৰ যাৰ দ্বাৰা সনাতন পৰম ধাম আৰু পৰম শান্তি প্রাপ্তি কৰা সম্ভৱ নাছিল।

আকৌ সুক্ষ্মবেদত কৈছে যে ঃ

*বনজাৰে কে বৈল জ্যোঁ, ফিৰা দেশ-বিদেশ।*
*খাণ্ড ছোড় ভুস খাত হৈ, বিন সৎগুৰু উপদেশ।।*

ভাৱাৰ্থ এই যে আগৰ দিনত গৰুৰ ওপৰত (গাধৰ দৰেই) মোনা থৈ তাৰ ভিতৰত চেনি (মিছিৰী) ভৰাই বেপাৰী সকল এঠাইৰ পৰা অন্য ঠাইলৈ অহা যোৱা কৰিছিল। গৰুৰ পিঠিত বস্তাৰ ভিতৰত মিছিৰী আছে কিন্তু গৰুৱে নিজে তুঁহ গুৰি খায় এইদৰেই গুৰুৰ দ্বাৰা তত্বজ্ঞান নোপোৱাত ঋষি সকলে বেদ ৰূপী মিছিৰী (চেনি)ক কণ্ঠস্থ কৰি থৈছিল। ভালদৰে বুজি নোপোৱাত বেদ বিৰুদ্ধ সাধনা কৰিছিল।

উদাহৰণ স্বৰূপে ঃ- শ্রীদেৱীপুৰাণ (সচিত্র ডাঙৰ আখৰত মাত্র হিন্দী, গীতা প্রেছ, গোৰখপুৰৰ পৰা প্রকাশিত)ৰ পঞ্চম স্কন্ধৰ ৪১৪ পৃষ্ঠাত লিখা আছে, বেদব্যাসদেৱে কয় সত্যযুগৰ ব্রাহ্মণ সকল বেদৰ সম্পূর্ণ জ্ঞাতা আছিল। তেওঁলোকে দেৱী অৰ্থাৎ শ্রীদূর্গাৰ পূজা কৰিছিল। প্রতিখন গাঁৱত শ্রীদেৱীৰ মন্দিৰ সজা তেওঁলোকৰ প্রৱল ইচ্ছা আছিল।

পাঠক সকলে ভাৰি চাব ঃ চাৰিওটা বেদত আৰু এই বেদসমূহৰ সাৰাংশ শ্রীমদ্ভাগৱত গীতাত শ্রী দূর্গাদেৱীৰ পূজা কৰাৰ নির্দেশ কতো নাই। তেনেহলে কেনেকৈ মানি লব যে সত্যযুগৰ ব্রাহ্মণসকল বেদৰ জ্ঞাতা (বিদ্বান) আছিল। এইখন শ্রীদেৱী পুৰাণৰ সপ্তম স্কন্ধত, ৫৬২, ৫৬৩ পৃষ্ঠাত শ্রীদেৱীয়ে ৰজা হিমালয়ক কৈছে যে আপুনি মোৰ পূজাও এৰি দিব। যদি ব্রহ্ম পাপ্তি কৰিব বিচাৰে, তেতিয়াহলে আন সকলো কথা ত্যাগ কৰি কেৱল ওঁ নামৰ জপ কৰক। এইটো ব্রহ্ম প্রাপ্তিৰ মন্ত্র। ইয়াৰ দ্বাৰা ব্রহ্ম প্রাপ্তি হব। সেই ব্রহ্ম ব্রহ্মলোক ৰূপী দিব্য আকাশত থাকে। পাঠক সকলে সহজে বুজি পাইছে যে যদি সত্যযুগৰ ব্রাহ্মণ সকলৰ এনেধৰণৰ জ্ঞান আৰু সাধনা আছিল তেতিয়া হলে বৰ্তমানৰ ব্রাহ্মণ সকলৰ জ্ঞান কেনেকুৱা হব পাৰে ? এইখন শ্রীদেৱী পুৰাণৰ পঞ্চম স্কন্ধৰ ৪১৪ পৃষ্ঠাত এনেদৰেও লিখা আছে যে সত্যযুগত যিসকলক ৰাক্ষস বুলি ভবা হৈছিল, তেওঁলোকক কলি যুগত ব্রাহ্মণ বুলি জনা যায়।

ব্ৰাহ্মণ কোনো জাতি নহয় পৰমেশ্বৰ প্ৰাপ্তিৰ বাবে যি চেষ্টা কৰে তেওঁকে ব্ৰাহ্মণ বোলা হয়। বৰ্তমানত পৰম্পৰাগত ব্ৰাহ্মণ কম, গুৰু, সন্ত হৈ ব্ৰহ্ম জ্ঞান দিয়া অধিক কিন্তু তত্ব জ্ঞানহীন সকলো, সেই কাৰণে কোৱা হৈছে যে তত্বদৰ্শী গুৰুৰ অবিহনে কাৰো বেদ সমূহৰ গূঢ় ৰহস্যৰ জ্ঞান নহল। সেই কাৰণে বেদ পঢ়িছিল যদিও সাধনা বেদ বিৰুদ্ধ কৰিছিল। বেদ আৰু গীতাত ত্ৰিদেৱ (ব্ৰহ্মা, বিষ্ণু, শিৱ) ৰ পূজা কৰা নিষেধ আছে। সকলো হিন্দু সমাজক জ্ঞানহীন সন্তই এই তিনিজন দেৱতাতেই কেন্দ্ৰিত কৰি থৈছে, শ্ৰীদেৱী দূৰ্গা আৰু বিষ্ণু, শিৱৰ ভক্তি জ্ঞানহীন সন্ত সকলে নিজেও কৰিছে আৰু আনৰ দ্বাৰাও কৰাইছে। আগৰ পৰাই এই লোকবেদৰ জ্ঞান প্ৰচলিত হৈ আহিছে আৰু আজি এইটো (এই লোকবেদ বা মুখে মুখে বাগৰি অহা জ্ঞান) মোৰ (সন্ত ৰামপাল দাসৰ) সন্মুখত বাধাৰ প্ৰাচীৰ ৰূপে থিয় দিছে। মই শাস্ত্ৰত থকা জ্ঞান কওঁ, প্ৰজেক্টৰৰ দ্বাৰা দেখুৱাও। কিন্তু আগৰ অজ্ঞানকে সত্য মানি লৈ সত্যক চকুৰে দেখিও বিশ্বাস কৰা নাই। মোৰ শাস্ত্ৰানুকুল জ্ঞানক বিৰোধ কৰি মোক (এই দাস ) জেললৈ পঠিয়ায়।

সুক্ষ্ম বেদত কোৱা আছে যে,

*গৰীব, বেদ পঢ়ৈ পৰ ভেদ ন জানে, বাচৈ পুৰাণ আঠাৰহ।*
*পথ্থৰ কী পূজা কৰে, বিসৰে সিৰজন হাৰা।।*

ভাৱাৰ্থ হল যে ওঠৰ পুৰাণ পঢ়ে আৰু মুৰ্তি পূজা কৰে। বেদত উল্লেখিত সকলোৰে সৃষ্টি কৰ্ত্তা পৰম অক্ষৰ ব্ৰহ্মক পাহৰি গ'ল। অন্য প্ৰভুসকলৰ পূজা কৰি সেই পৰম শক্তি তথা সনাতন পৰমধাম অৰ্থাৎ পৰমেশ্বৰৰ সেই পৰম পদৰ পৰা বঞ্চিত হয় যাৰ বিষয়ে গীতা অধ্যায় ১৮ শ্লোক ৬২ আৰু অধ্যায় ১৫ শ্লোক ৪ ত কোৱা আছে। সুক্ষ্মবেদত লিখা আছে যে ঃ

*গুৰুৱা গাম বিগাড়ে সন্তো, গুৰুৱা গাম বিগাড়ে।*
*ঐসে কৰ্ম জীৱ কে লা দিয়ে, ফিৰ ঝড়ৈ নহী ঝড়ে।।*

ভাৱাৰ্থ হল বেদ জ্ঞানহীন, তত্বজ্ঞানৰ লগত অপৰিচিত গুৰুসকলে গাঁৱে গাঁৱে শাস্ত্ৰবিৰুদ্ধ জ্ঞান আৰু ভক্তিৰ অজ্ঞান প্ৰচাৰ কৰি তেওঁলোকক ইমান ভ্ৰমিত কৰি দিছে যে এতিয়া তেওঁলোকক বুজালেও শাস্ত্ৰ বিৰুদ্ধ সাধনা ত্যাগ কৰিবলৈ সন্মত নহয়।

গীতা অধ্যায় ১৬ শ্লোক ২৩ ত লিখা আছে যে শাস্ত্ৰবিধি ত্যাগ কৰি মনোময় ভক্তি কৰিলে কোনো সিদ্ধি লাভ নহয়, সুখ আৰু গতিও নহয় অৰ্থাৎ সকলো সাধনা ব্যৰ্থ যায়।

অন্যহাতে চুণক ঋষিৰ প্ৰসংগত আপোনালোকে পঢ়ি আহিছে যে চুণক ঋষিয়ে সিদ্ধি লাভ কৰিছিল। পাঠক সকলে এইটো বুজি পাব লাগে যে সিদ্ধি ভক্তিৰ উপজাত দ্ৰব্য (বায় প্ৰডাক্ট) হয়। যেনেকৈ যৱৰ (ঘেহুঁ) উপজাত দ্ৰব্য তুঁহ হয়। যত যৱত তুঁহ বহুত থাকে পশুৱে খালে মুখত ঘা হয়। এনে সিদ্ধি কাল ব্ৰহ্মৰ ভক্তি কৰিলে প্ৰাপ্তি হয় যেনেকৈ চুণক ঋষিয়ে প্ৰাপ্তি কৰিছিল।

শাস্ত্ৰবিধি অনুসৰি ভক্তি কৰিলে প্ৰাপ্তি হোৱা সিদ্ধি ধানৰ ভুচি (তুঁহ-গুড়ি)ৰ দৰে যি পশুৰ বাবে উপযোগী আৰু খাবলৈও ভাল লগা হয়। ভাৱাৰ্থ হল শাস্ত্ৰবিধি অনুসৰি সাধনা

নকৰিলে যি সিদ্ধি প্ৰাপ্তি হয়, সেই সিদ্ধিয়ে সাধকৰ হানি কৰে কাৰণ অজ্ঞানতাৰ বাবে ঋষি সকলে সেই সিদ্ধিৰ প্ৰয়োগ কৰি কাৰোবাক কষ্ট দিয়ে, কাৰোবাক আশীৰ্বাদ দি ওঁ নামৰ জপ কৰি পোৱা ভক্তিৰ শক্তি সমাপ্ত কৰি আকৌ খালী হৈ পৰে।

চুণক ঋষিয়ে মান্ধাতা চক্ৰৱৰ্তী ৰজাৰ ৭২ কোটি সেনাৰ নাশ কৰিলে ফলত নিজৰ ভক্তিৰ শক্তি হেৰুৱালে। সুক্ষ্মবেদত কোৱা আছে যে ঃ

*গৰীব বহত্তৰ ক্ষৌণী ক্ষয় কৰী, চুণক ঋষিশ্বৰ এক।*
*দেহ ধাৰে জৌৰা (মৃত্যু) ফিৰৈ, সবহী কাল কী ভেশ।।*

ভাৱাৰ্থ ঃ সৰ্বশ্ৰেষ্ঠ ঋষি চুণকে ৭২ কোটি সেনা নাশ কৰিলে। এনে ঋষিসকলক বাহিৰৰ পৰা চালে মহাত্মা যেন লাগে, কিন্তু মন গলেই এওঁলোক সাপৰ দৰে হৈ পৰে, যেনে ঃ সৰু কথাতে অভিশাপ দিয়া কাৰোবাৰ লগত বিনা কাৰণতে ফেপেৰি পাতি ফুৰা আদি এওঁলোকৰ বাবে সাধাৰণ কথা। এওঁলোক কাল ব্ৰহ্মৰ প্ৰতিনিধি।

## ঋষি দুৰ্বাসাৰ কাৰ্যকলাপ

দুৰ্বাসা নামেৰে এজন কাল ব্ৰহ্মৰ পূজাৰী (ব্ৰহ্ম সাধক) আছিল। তেওঁ খোজ কাঢ়ি গৈ আছিল। ৰাস্তাত এজনী অপ্সৰা (স্বৰ্গৰস্ত্ৰী) সুন্দৰ মানিকৰ মালা পিন্ধি আছিল। ঋষি দুৰ্বাসাই সেই মালা তেওঁক দিবলৈ ক'লে। দেৱ পৰীয়ে জানিছিল যে এই ঋষিজনা সাপৰ দৰেই, যদি নিদিওঁ বুলি কয় তেতিয়া অভিশাপ দিব। সেই অপ্সৰাই তুৰন্তে মালাডাল ডিঙিৰ পৰা খুলিলে আৰু ঋষিক সসন্মানে যাচিলে। দুৰ্বাসা ঋষিয়ে সেই মালা মূৰৰ চুলিৰ জঁটত পিন্ধিলে। আগবাঢ়ি গৈ আছিল, সন্মুখেদি স্বৰ্গৰ ৰজা ইন্দ্ৰ নিজৰ ঐৰাৱত হাতীৰ পিঠিত বহি আহি আছিল। তেওঁৰ আগে আগে অপ্সৰা আৰু গন্ধৰ্ব গণ গান বাজনা কৰি আহি আছিল। অন্য বহুতো দেৱী-দেৱতা সকলো ইন্দ্ৰৰ সন্মানৰ বাবে গৈ আছিল। দুৰ্বাসা ঋষিয়ে নিজৰ মূৰৰ পৰা সেই মালা উলিয়াই ইন্দ্ৰক দিলে। ইন্দ্ৰই সেই মালা হাতীৰ ডিঙিত থৈ দিলে। হাতীয়ে মালাডাল শুঁৰেৰে উঠাই মাটিত পেলালে। আগে-পিছেও ইন্দ্ৰক কোনো ভক্তই বা দেৱতাই কোনো ফুলৰ মালা উপহাৰ দিলে ইন্দ্ৰই সেইটো হাতীৰ ডিঙিত থৈ দিছিল (যদি ইন্দ্ৰ হাতীৰ উপৰত বহিছে) হাতীয়ে তাক উঠাই তললৈ পেলাই দিছিল। হীতায়ে আগে-পিছে কৰা অভ্যাসৰ বাবেই মালাডাল পেলাইছিল।

এই কথাত ঋষি দুৰ্বাসা অতি ক্ৰোধিত হল আৰু কলে, হে ইন্দ্ৰ তুমি ৰজা হোৱাৰ বাবে অভিমান কৰিছা। মই দিয়া মালাডালক তুমি অনাদৰ কৰিছা। মই অভিশাপ দিলো যে তোমাৰ গোটেই ৰাজ্য নষ্ট হৈ যাওক। দেৱৰাজ ইন্দ্ৰ কঁপিব ধৰিলে আৰু ক'লে, হে বিপ্ৰ মই আপোনাৰ মালা আদৰেৰে গ্ৰহণ কৰি হাতীৰ ওপৰত থৈছিলোঁ। হাতীয়ে আগৰ নিয়মিত পদ্ধতি মতে সেই মালা তললৈ পেলাই দিছিল। মোক ক্ষমা কৰিব, বাৰে বাৰে হাতযোৰ কৰি হাতীৰ পৰা নামি দণ্ডৱত প্ৰণাম কৰিও ইন্দ্ৰই ক্ষমা ভিক্ষা খুজিলে। কিন্তু দুৰ্বাসা ঋষি মান্তি নহল। ক'লে যে তেওঁ এবাৰ কোৱা কথা ঘূৰাই নলয়। অলপ দিনৰ পিছতেই ইন্দ্ৰৰ সৰ্বনাশ হ'ল, স্বৰ্গ থানবান

হৈ পৰিল।

এবাৰ দুৰ্বাসা ঋষি দ্বাৰিকা নগৰৰ ওচৰৰ জঙ্গলত কিছু সময়ৰ বাবে আছিল। দ্বাৰিকা বাসীয়ে গম পালে যে দুৰ্বাসা ঋষি তেওঁলোকৰ নগৰৰ ওচৰতে আহি স্থান গ্ৰহণ কৰিছে। ঋষিজন ত্ৰিকালদৰ্শী মহাত্মা আছিল। সিদ্ধিও প্ৰাপ্তি কৰা আছিল। দ্বাৰিকা বাসীয়ে অন্যক শ্ৰীকৃষ্ণতকৈ শক্তিশালী বুলি মানি লোৱা নাছিল। শ্ৰীকৃষ্ণৰ পুত্ৰ শ্ৰী প্ৰদ্যুম্নৰ লগতে অন্য কিছুমান যাদৱে পৰিকল্পনা কৰি পৰীক্ষা লব বিচাৰিলে যে দুৰ্বাসা ঋষি কিমান ত্ৰিকালদৰ্শী, মনৰ কথা কৈ দিব পাৰে নে নোৱাৰে, অন্তৰ্য্যামী হয় নে নহয়। এনেদৰে আঁচনি যুগতাই প্ৰদ্যুম্নক গৰ্ভৱতী স্ত্ৰীৰ বেশত সজাই দহ-বাৰজন ব্যক্তি লগত ওলাল। এজনক তেওঁৰ পতিৰূপে ভাও দিবলৈ কলে। দুৰ্বাসা ঋষিৰ ওচৰলৈ গৈ ক'লে, হে ঋষিবৰ এইজনী স্ত্ৰীৰ ওপৰত বহু দিনৰ পিছত পৰমাত্মাই কৃপা কৰিছে। তাই গৰ্ভৱতী। এওঁ তাইৰ স্বামী। এই দুয়ো উত্ৰাৱল হৈ পৰিছে যে গৰ্ভত কন্যা সন্তান আছে নে পুত্ৰ সন্তান আছে। আপুনি অন্তৰ্যামী। অনুগ্ৰহ কৰি কৈ দিয়ক, তেওঁলোকে প্ৰদ্যুম্নৰ পেটত এটা সৰু কেৰাহী বান্ধি থৈছিল। তাৰ ওপৰত কপাহ আৰু পুৰণা কাপোৰ বান্ধি গৰ্ভ সজাইছিল। ওপৰত মহিলাৰ সাজপাৰ পিন্ধিছিল। ঋষি দুৰ্বাসাই দিব্য দৃষ্টিৰে চালে আৰু জানিলে যে তেওঁক ঠাট্টা কৰিবলৈ আহিছে। দুৰ্বাসা ঋষিয়ে কলে যে সেই গৰ্ভৰ দ্বাৰা যাদৱ কুলৰ নাশ হব। এইদৰে কৈ খং কৰি উগ্ৰৰূপ ললে। সকলো ব্যক্তি তাৰ পৰা আঁতৰি গ'ল।

নগৰত এই কথা জুইৰ দৰে বিয়পিলে যে যাদৱ কুলৰ নাশ হ'ব বুলি দুৰ্বাসাই শাও দিছে। তেওঁলোকৰ বিশ্বাস যে তেওঁলোকৰ লগত সৰ্বশক্তিমান ভগৱান অখিল ব্ৰহ্মাণ্ডৰ নায়ক শ্ৰীকৃষ্ণ আছে। দুৰ্বাসাৰ শাওৰ প্ৰভাৱ তেওঁলোকৰ ওপৰত নপৰে। তথাপিও কিছুমান বুদ্ধিমান যাদৱ লগ হৈ শ্ৰীকৃষ্ণৰ ওচৰলৈ গল আৰু দুৰ্বাসাই দিয়া অভিশাপৰ কথা বিৱৰি ক'লে। সকলো কথা শুনি শ্ৰীকৃষ্ণই অলপ চিন্তা কৰি ক'লে যে সেই ল'ৰাবিলাকক লগত লৈ দুৰ্বাসা ঋষিৰ ওচৰলৈ গৈ ক্ষমা ভিক্ষা খুজিব লাগে। সেইমতেই দুৰ্বাসাৰ ওচৰলৈ গ'ল, ক্ষমা খুজিলে, কিন্তু দুৰ্বাসাই কলে যে তেওঁ এবাৰ কোৱা কথা আকৌ ওভতাই লব নোৱাৰে।

সকলো ব্যক্তি আকৌ শ্ৰীকৃষ্ণৰ ওচৰলৈ গল আৰু সকলো কথা ক'লে। দ্বাৰিকা নগৰৰ কাৰো ঘৰত ৰন্ধা বঢ়া নহ'ল। সম্পূৰ্ণ নগৰ চিন্তাই ছানি ধৰিলে। শ্ৰীকৃষ্ণই কলে, চিন্তা কৰাৰ কোনো কাৰণ নাই। যি বস্তু গৰ্ভ ৰূপত ব্যৱহাৰ কৰা হৈছিল, তাৰ পৰাই আমাৰ বিনাশ ঘটিব বুলি কৈছে। এনেকুৱা কাম কৰা যাওক কাপোৰ আৰু কপাহ পুৰি পেলাব লাগে আৰু লোহাৰ কেৰাহী শিলত ঘঁহি-ঘঁহি গুৰি কৰি প্ৰভাস ক্ষেত্ৰ (যমুনা নদীৰ পাৰৰ এটা ঠাইৰ নাম)ত যমুনা নদীত পেলাই দিয়ক, তাতে ছাইখিনিও পানীত পেলাব লাগে। কাৰণ টোকে ধ্বংস কৰাৰ পিছত আৰু ফলৰ কোনো ভয় নাথাকিব। গৰ্ভৰ বস্তুৱেই নাথাকিব যেতিয়া, আমাৰ নাশ হ'ব কেনেকৈ ? এই কথা দ্বাৰিকা বাসীয়ে উচিত বুলি ভাবিলে আৰু নিজকে সংকট মুক্ত ভাবিলে।

শ্ৰীকৃষ্ণৰ আদেশ অনুসৰি সকলো কৰা হ’ল। শেষত কেৰাহীৰ এটা নাল সম্পূৰ্ণকৈ ঘঁহা নহল। তাক তেনেদৰেই যমুনা নদীত পেলাই দিয়া হ’ল। এটা মাছে তাক জিকমিকাই থকা দেখি খাদ্য বুলি খালে। সেই মাছটো বালীয়া নামৰ এজন ভীলে (এটা জাতিৰ মানুহ) ধৰিলে। মাছটো কটাত তাৰ পৰা ওলোৱা ধাতু পৰীক্ষা কৰি লোৱাৰ পিছত তাক নিজৰ ধনু শৰৰ আগফালে বিষযুক্ত কৰি লগালে। সেই শৰডাল ভালদৰে থ’লে। লোহাৰ কেৰাহীৰ গুড়ি পানীত পেলাই দিছিল, সেয়া দীঘল ঘাঁহৰ ৰূপ লৈ যমুনা নদীৰ পাৰে পাৰে (তৰোৱালৰ দৰে তীক্ষ্ণ ধাৰ থকা সৰকান্দে ঘাঁহ) উপজিল।

কিছু সময়ৰ পিছত দ্বাৰিকা নগৰত উৎপাত হব ধৰিলে। সৰু কথাতেই এজনে সিজনক হত্যা কৰিব ধৰিলে। মানুহৰ মাজত শত্ৰুতা, বিৰোধ বাঢ়িলে। নগৰবাসীৰ এনে দশা দেখি নগৰৰ কিছুমান গণ্যমান্য ব্যক্তি ভগৱান শ্ৰীকৃষ্ণৰ ওচৰলৈ গ’ল আৰু নগৰত ঘটি থকা ঘটনাবোৰ ক’লে আৰু শ্ৰীকৃষ্ণৰ পৰা তাৰ কাৰণ আৰু সমাধান বিচাৰিলে কাৰণ শ্ৰীকৃষ্ণ যাদৱ তথা পাণ্ডৱ সকলৰ আধ্যাত্মিক গুৰু আছিল। সংকটৰ নিৰাময় গুৰুদেৱৰ দ্বাৰা কৰা হয়। শ্ৰীকৃষ্ণই কাৰণ হিচাবে কলে যে দুৰ্বাসা ঋষিৰ শাও ফলিয়াইছে। সমাধানত কলে যে সকলো যাদৱ (পুৰুষ) এইমাত্ৰ জন্মালোৱা লৰাকে ধৰি যত সেই কেৰাহী গুৰি কৰা হৈছিল, অৰ্থাৎ প্ৰভাসক্ষেত্ৰলৈ গৈ স্নান কৰিব লাগে, তেতিয়া সকলো শাও পাত মুক্ত হব সকলো দ্বাৰিকা বাসীয়ে শ্ৰীকৃষ্ণৰ আদেশ পালন কৰিলে। সকলো পুৰুষ প্ৰভাস ক্ষেত্ৰত শাওমুক্ত হবলৈ স্নান কৰিবৰ বাবে গুচি গ’ল। ঋষি দুৰ্বাসাৰ শাওৰ বাবে সকলো যাদৱ দলে ব’লে আহি একত্ৰিত হল। প্ৰথমে স্নান কৰিলে যাতে শাপ মুক্ত হোৱাৰ পাছত তেওঁলোকৰ মাজত থকা মনোমালিন্য আঁতৰি যায়। কিন্তু তেনেকুৱা একো নহ’ল। প্ৰথমে স্নান কৰিলে আকৌ নিজৰ মাজতে গালি শপনি পৰা আৰম্ভ কৰিলে। আকৌ সেই ঘাঁহ উঘালি এজনে আনজনক মাৰিব ধৰিলে। যি ঘাঁহ লোহাৰ কেৰাহীৰ গুৰিৰ পৰা গজি উঠিছিল সেইটোৱে তৰোৱালৰ কাম কৰিব ধৰিলে। সেই ঘাঁহেৰে মাৰোঁতেই মূৰ কাটি যাব ধৰিলে। এইদৰে সকলো যাদৱ নিজৰ মাজত কাজিয়া কৰি মৰি গল। মাত্ৰ দুই চাৰিশমান জীৱিত আছিল। সেই সময়তে শ্ৰীকৃষ্ণ তাত আহি পালে। তেওঁ নিজেও সেই ঘাঁহ উঘালি লৈ বাকী থকা নিজৰ বংশৰ ব্যক্তিক মাৰি মৃত্যু মুখত পেলালে।

ইয়াৰ পিছত শ্ৰীকৃষ্ণই এটা গছৰ তলত বিশ্ৰাম ললে। তেতিয়াই দৈৱ যোগত সেই বালিয়া নামৰ ভীল, যি লোহাৰ কেৰাহীৰ নালৰ পৰা বিষাক্ত শৰ তৈয়াৰ কৰিছিল, সেই শৰপাত লৈ চিকাৰ বিচাৰি সেই ঠাইৰ ফালে আগবাঢ়িল যত শ্ৰীকৃষ্ণই বিশ্ৰাম লৈ আছিল। শ্ৰীকৃষ্ণৰ সোঁভৰিৰ তলুৱাত পদুমফুলৰ চিন আছিল, এশ পাৱাৰ বাল্বৰ দৰে উজ্বলতা আছিল। গছৰ ডাল-পাত, লতা আদি তললৈ ওলমি আছিল। তাৰ মাজেৰে পদুমৰ উজ্বলতা স্পষ্ট কৈ দেখা পোৱা যোৱা নাছিল। বালীয়া ভীলে ভাবিলে সেয়া হৰিণাৰ চকু জিলিকি আছে, সেই বাবে শৰ নিক্ষেপ কৰিলে হৰিণাক মৰাৰ উদ্দেশ্য লৈ। যেতিয়া শৰপাতে শ্ৰীকৃষ্ণৰ ভৰিত বিন্ধিলে,

শ্ৰীকৃষ্ণও মৰিলোঁ ঔ বুলি চিঁঞৰি উঠিল বালীয়া ভীলে গম পালে যে শৰে গৈ মানুহক বিন্ধিলে। দৌৰি গৈ দেখিলে যে দ্বাৰিকাধীশ বিষত ছট ফটাই আছে। বালীয়াই কলে, হে মহাৰাজ মই ভুলতে শৰ মাৰিলোঁ। আপোনাৰ ভৰিৰ চিকমিকনিক হৰিণাৰ চকু বুলি ভাবি শৰ মাৰিলোঁ, মোৰ দ্বাৰা ডাঙৰ ভুল হল, ক্ষমা কৰক। শ্ৰীকৃষ্ণই কলে, তোমাৰ কোনো ভুল নাই। এয়া তোমাৰ আৰু মোৰ পূৰ্ব জন্মৰ দেনা-পাওনাৰ হিচাপ, মই পৰিশোধ কৰি দিলোঁ। তুমি ত্ৰেতাযুগত সুগ্ৰীৱৰ ভাই বালী আছিলা, মই দশৰথৰ পুত্ৰ ৰামচন্দ্ৰ আছিলোঁ। ময়ো তোমাক গছৰ আঁৰ লৈ বিশ্বাসঘাতকতা কৰি মাৰিছিলোঁ। সেই লেন দেন শেষ হল।

এইদৰেই দুৰ্বাসা ঋষিৰ শাপৰ ফলত সকলো যাদৱ বংশৰ নাশ হৈছিল। বৰ্তমান সময়ত যি সকল যাদৱ আছে তেওঁলোক সেই সময়ত মাতৃ গৰ্ভত আছিল, পিছত জন্ম লৈছিল।

সুক্ষ্মবেদত লিখা আছে ঃ

*গৰীব, দুৰ্বাসা কোপে তহাঁ, সমঝ ন আই নীচ।*
*ছপ্পন কৰোড় যাদৱ কটে, মচী ৰুধিৰ কী কীচ।।*

সৰলাৰ্থ ঃ দুৰ্বাসাই ল'ৰাবিলাকৰ ধেমালিক ইমান গম্ভীৰ ভাৱে ললে যে বংশ নাশ হোৱাকৈ শাও দিলে। সেই নীচ দুৰ্বাসাই নাভাবিলে যে কেনে সৰ্বনাশ হব। এটা সৰু কথা ল'ৰা ধেমালিহে আছিল। নীচ দুৰ্বাসা ঋষিয়ে ইমান অত্যাচাৰ চলালে যে ছাপ্পন কোটি যাদৱ কটা কটি কৰি তেজৰ নৈ বৈ যোৱাত বোকা হৈ পৰিল।

এইদৰেই চুণক ঋষিয়েও অযথা ফেপেৰি পাতি মান্ধাতা ৰজাৰ ৭২ কোটি সেনা নাশ কৰিলে।

এজন ঋষি আছিল। তেওঁৰ নাম আছিল কপিল। তেওঁক ভগৱান শ্ৰীবিষ্ণুৰ ২৪ টা অৱতাৰৰ ভিতৰৰ এটা অৱতাৰ বুলি কোৱা হয়। তেওঁ তপস্যা কৰি আছিল। এজন ৰজা আছিল। তেওঁৰ নাম সগৰ। তেওঁৰ ৬০ হাজাৰ পুত্ৰ আছিল। কোনোবা ঋষি এজনে তেওঁলোকক ক'লে যে এটা পুখুৰী, এটা কুঁৱা এটা বাগিছাৰ ব্যৱস্থা কৰি দিলে এটা অশ্বমেধ যজ্ঞৰ ফলপোৱা যায়। ৰজা সগৰৰ লৰাবিলাকে এই কাম আৰম্ভ কৰি দিলে। জনাবুজা ব্যক্তি সকলে তেওঁলোকক ক'লে যে আপোনালোকে এনেকৈ ঠায়ে ঠায়ে পুখুৰী, কুঁৱা আৰু বাগিছা নিৰ্মাণ কৰিলে পৃথিৱীত অন্ন উৎপন্ন কৰিবলৈ ঠাই নাথাকিব। কোনোবা ৰজাই বিৰোধ কৰাত তেওঁৰ লগত কাজিয়া লাগিল। সগৰৰ লৰাবিলাকে ঘোঁৰা এটা নিজৰ লগত ৰাখিলে। তাৰ ডিঙিত ফলক এটা বান্ধি দিলে যত লিখা আছিল যে কোনোবাই তেওঁলোকৰ কাৰ্য্যত বিৰোধ কৰিলে, তেওঁ এই ঘোঁৰাটো লৈ যাব আৰু যুদ্ধৰ বাবে যা-যোগাৰ কৰিব। সেই উদ্ভণ্ড বোৰৰ লগত কোনে কাজিয়া কৰে ? পৃথিৱী দেৱী ভগৱান শ্ৰীবিষ্ণুৰ ওচৰলৈ গল, এজনী গাইৰ ৰূপ লৈ ক'লে, হে ভগৱান পৃথিৱীত এজন সগৰ ৰজা আছে। তেওঁৰ ৬০ হাজাৰ পুত্ৰ আছে। তেওঁলোক এনেকুৱা নিদাৰুণ যে মোক খান্দি পেলাইছে। তাত মানুহৰ খাবলৈকো অন্ন উৎপন্ন হব নোৱাৰে। ভগৱান বিষ্ণুৱে

পৃথিৱী দেৱীক ক'লে যে সগৰৰ লৰাবিলাকে এতিয়া একো নকৰে, আৰু পৃথিৱীত যাবলৈ ক'লে। ভগৱান বিষ্ণুৱে দেৱৰাজ ইন্দ্ৰক মাতিলে আৰু জনালে যে ৰজা সগৰৰ ৬০ হাজাৰ লৰাই যজ্ঞ কৰি আছে। যদি তেওঁলোকৰ এশ যজ্ঞ সম্পূৰ্ণ হয় ইন্দ্ৰৰ সিংহাসন তেওঁলোকক দিব লাগিব। সময় থাকোঁতেই পাৰে যদি কিবা কৰিব লাগে। ইন্দ্ৰই নিজৰ চাকৰক সকলো বুজাই ক'লে আৰু পঠিয়াই দিলে। ৰাতিৰ সময়, ৰজা সগৰৰ পুত্ৰসকল শুই আছিল। ঘোঁৰা গছত বন্ধা আছিল। দেৱৰাজৰ সেই দূতে ঘোঁৰা খুলি তপস্বী কপিলৰ জংঘাত বান্ধি দিলে। কপিল ঋষি বহুবছৰ ধৰি তপস্যাত মগ্ন আছিল। সেই কাৰণে তেওঁৰ শৰীৰ অস্থিচৰ্মসাৰ হৈ পৰিছিল। পদ্মাসনত বহিছিল, ভৰি দুটা ক্ষীণ হৈ পৰিছিল। বৰষুণৰ পানীয়ে গছৰ শিপাৰ মাটি বোৱাই লৈ গ'লে শিপাবোৰৰ মাজত ৬-৭ ইঞ্চিৰ ফাঁকহৈ যায়, ঋষি কপিলৰ ভৰি দুটাও তেনেকুৱা আছিল। ইন্দ্ৰৰ লগুৱাই ঘোঁৰাটোক ঋষিৰ ভৰিদুটাৰ মাজেৰে ৰছী সৰকাই জংঘাৰ ওচৰত বান্ধিলে।

ৰজাৰ লৰাবোৰে ৰাতিপূৱা শুই উঠিয়েই ঘোঁৰাটো চালে। ঘোঁৰা বিচাৰি যুদ্ধৰ প্ৰস্তুতি কৰি ৬০ হাজাৰ দল আগবাঢ়িল। ঘোঁৰাৰ খোজৰ পিচে পিচে গৈ কপিল মুনিৰ আশ্ৰম পালে। ঘোঁৰাক বন্ধা দেখি সগৰ ৰজাৰ পুত্ৰ বিলাকে ঋষিৰ কাষত যাঠিৰে বিন্ধিলে। কপিল ঋষিৰ চকুৰ পতা ইমান দীঘল হৈ পৰিছিল যে মাটি চুইছিল। ঋষিয়ে কষ্ট পোৱাত খঙেৰে চকুৰ পতা হাতেৰে ওপৰলৈ উঠালে, চকুৰ পৰা অগ্নিবাণ ওলাল। ৬০ হাজাৰ সগৰ পুত্ৰ সেনাৰ লগে লগে মৃত্যু হ'ল।

সুক্ষ্মবেদত কোৱা আছে যে ঃ

*৬০ হাজাৰ সগৰ কে হোতে কপিল মুনিশ্বৰ খাএ।*
*জে পৰমেশ্বৰ কী কৰে ভক্তি তো অজৰ অমৰ হো জায়।।*
*৭২ ক্ষৌণী খা গয়া, চুণক ঋষিশ্বৰ এক।*
*দেহ ধাৰে জৌৱা ফিৰৈ, সভী কালকে ভেশ।।*
*দুৰ্বাসা কোপে তঁহা, সমঝ ন আই নীচ।*
*৫৬ কৰোড় যাদৱ কটে, মচী ৰুধিৰ কী কীচ।।*

ভাৱাৰ্থ ঃ কপিল মুনি, চুণক মুনি, আৰু দুৰ্বাসা মুনি, জগত প্ৰসিদ্ধ। এওঁলোক সকলো কাল ব্ৰহ্মৰ ভক্তি কৰা ভেশধাৰী ঋষি হয়। এওঁলোক ভ্ৰাম্যমান মৃত্যু আছিল। ভ্ৰাম্যমান মানুহৰ ৰূপত দুষকৰ্মকাৰী (হত্যাকাৰী) হয়। নাজানি ভুলতে সহজ সৰল মানুহে এওঁলোকক মহাত্মা বুলি কয়।

এওঁলোক সকলো জ্ঞানী আত্মা আছিল, সকলো উদাৰচিতীয়া আছিল। এওঁলোকে পৰমাত্মা প্ৰাপ্তিৰ বাবে নিজৰ কল্যাণ সাধন কৰাৰ বাবে তন-মন-ধন সকলো উচৰ্গা কৰিলে। কিন্তু তত্বদৰ্শী সন্ত লগ নোপোৱাৰ বাবে এওঁলোকে কাল ব্ৰহ্মক এজন সমৰ্থবান প্ৰভু বুলি মানি লৈ

ভুল কৰিলে আৰু তেওঁৰ সাধনা ওঁ নামৰ জপৰ সৈতে আৰু অধিক হঠযোগ, সমাধিৰ দ্বাৰা কৰিলে, যাৰ দ্বাৰা পৰমাত্মা প্ৰাপ্তি হবই নোৱাৰে, তাৰ বিপৰীতে বহুত হানি হয় কাৰণ এইটো সাধনা শাস্ত্ৰ বিৰুদ্ধ হয়।

গীতা অধ্যায় ১৬ শ্লোক ২৩-২৪ ত কোৱা আছে যে শাস্ত্ৰ বিধি ত্যাগ কৰি যি মই-মতালি আচৰণ কৰে তেওঁৰ সাধনা ব্যৰ্থ হয়। সেই উদাৰ আত্মা এই কাৰণেই কাল ব্ৰহ্মৰ অনুত্তম গতিত স্থিত থাকে।

গীতা অধ্যায় ১৭ শ্লোক ৫-৬ ত কৈছে যে যিসকলে শাস্ত্ৰবিধি হীন কেৱল কাল্পনিক ঘোৰ তপ কৰে আৰু দম্ভ অংহকাৰ, কামনা আসক্তি, অভিমানেৰে যুক্ত হয় (গীতা অধ্যায় ১৭ শ্লোক ৫)।

ঃঃ শৰীৰত সকলো কমল (চক্ৰ) ত থকা দৈবিক শক্তি আৰু পূৰ্ণ পৰমাত্মা লগতে মোকো কৃষ (দুৰ্বল) কৰা অথবা কষ্ট দিয়া- অজ্ঞানী সকলক তুমি অসুৰ স্বভাৱৰ বুলি জানিবা। (গীতা অধ্যায়ৰ ১৭ শ্লোক -৬)

ঃঃ এই প্ৰমাণ গীতা অধ্যায় ১৬ শ্লোক ১৭ ৰপৰা ২০ ত আছে।

ঃঃ নিজেই নিজকে শ্ৰেষ্ঠ বুলি ভৱা সেই অহংকাৰী পুৰুষে ধন আৰু সন্মানৰ অহংকাৰ যুক্তই কেৱল নাম মাত্ৰ যজ্ঞৰ দ্বাৰা ভণ্ডামি কৰি শাস্ত্ৰবিধি ৰহিত পূজা কৰে। (গীতা অধ্যায় ১৬ শ্লোক ১৭)।

ঃঃ অহংকাৰ বল, গৰ্ব, কামনা, ক্ৰোধ আদিৰ বশৱৰ্তী হোৱা আৰু আনৰ নিন্দা কৰা পুৰুষ নিজৰ আৰু আনৰ শৰীৰত থকা কাল ব্ৰহ্মৰ প্ৰতি দ্বেষ কৰা স্বভাৱৰ হয়। (গীতা অধ্যায় ১৬ শ্লোক ১৮)

ঃঃ সেই আনক দ্বেষ কৰা পাপাচাৰী ক্ৰুৰ কৰ্মা, “যি বাক্য বানেৰে কোটি-কোটি ব্যক্তিৰ হত্যা কৰে”- নৰাধম অৰ্থাৎ নীচ মনুষ্যক মই বাৰে বাৰে ৰাক্ষস যোনিত জন্ম দিওঁ। (গীতা অধ্যায় ১৬ শ্লোক ১৯) সুক্ষ্ম বেদতো এওঁলোকক নীচ আখ্যা দিছে ঃ

*দুৰ্বাসা কোপে তহাঁ সমঝ ন আই নীচ।*

*৫৬ কৰোড় যাদৱ কটে, মচী ৰুধিৰ কী কীচ।।*

* হে অৰ্জুন! সেই মুৰ্খ সকলে মোক প্ৰাপ্তি কৰিব নোৱাৰি জনমে জনমে আসুৰিক যোনিত জন্ম লয়, তাতকৈও অতি নীচ গতি প্ৰাপ্তি কৰে অৰ্থাৎ ঘোৰ নৰকত বাস কৰে। (গীতা অধ্যায় ১৭ শ্লোক ২০)

উপৰোক্ত প্ৰমাণৰ দ্বাৰা সিদ্ধ হ’ল যে গীতা অধ্যায় ৭ শ্লোক ১৮ ত গীতা জ্ঞান দাতাই নিজৰ সাধনাৰ পৰা হোৱা গতিক সেই কাৰণে অনুত্তম অৰ্থাৎ বেয়া বুলি কৈছে যে ঃ

* গীতা অধ্যায় ৭ শ্লোক ১৮- গীতা জ্ঞান দাতাই কৈছে যে, যি সকল চতুৰ্থ প্ৰকাৰৰ সাধক, তেওঁলোক উদাৰ হয় কাৰণ পৰমাত্মা প্ৰাপ্তিৰ বাবে নিজৰ শৰীৰ নষ্ট হোৱাটোও আওকান কৰি হাজাৰ-হাজাৰ বছৰলৈকে ভোকে-পিয়াহে সাধনাত মগ্ন হৈ থাকিল, কিন্তু তত্বদৰ্শী সন্ত নোপোৱাৰ বাবে তেওঁলোক সকলো মোৰ অনুত্তম অৰ্থাৎ বেয়া গতি অৰ্থাৎ ব্ৰহ্ম

সাধনাৰ পৰা হ’ব পৰা মোক্ষ যি ওপৰত উল্লেখ কৰা ঋষি সকলৰ হ’ল, তাতে স্থিত থাকিল অৰ্থাৎ জন্ম-মৃত্যু, চৌৰাশী লাখ যোনিৰ পৰিভ্ৰমণৰ গতিত অৱস্থিতি লাভ কৰিলে। (গীতা অধ্যায় ৭ শ্লোক ১৮)।

সাৰবস্তু ঃ চুণক ঋষি, দুৰ্বাসা ঋষি আৰু কপিল ঋষিয়ে যি ওঁ নামৰ জপ কৰিলে, সেই ভক্তিৰ ফলত এওঁলোক কিছু সময়ৰ বাবে ব্ৰহ্মলোকলৈ যাব। তাত ভক্তি ধন সমাপ্ত কৰি আকৌ পৃথিৱীত ৰজা হব কাৰণ সুক্ষ্মবেদত লিখা আছে।

তপ সে ৰাজ, ৰাজ মধ মানম, জন্ম তীসৰে শুকৰ স্বানম। আকৌ কুকুৰ গাধ হব আৰু তাৰ পিছত নৰকলৈ যাব। কুকুৰ যোনিত ইহঁতৰ মূৰত পোক হ’ব। যি সকল ব্যক্তি এওঁলোকৰ অভিশাপত মৰিল, তেওঁলোকৰ পাপ ভোগ কৰিব লাগিব, পোকে এওঁলোকৰ মাংস বাচি-বাচি খাব। সেই কাৰণে গীতাত এনে সাধকৰ বিষয়ত যেনেদৰে কোৱা আছে, সেয়া আপোনালোকে পঢ়িলে।

উপৰোক্ত কথা বিলাকৰ সাৰাংশ -

১। ব্ৰহ্ম সাধনা অনুত্তম (বেয়া) হয়।

২। তিনিটা তাপ শ্ৰীকৃষ্ণইও সমাপ্ত কৰিব নোৱাৰিলে। অভিশাপ দিয়া তিনিতাপ ৰ অন্তৰ্ভুক্ত, স্বয়ং শ্ৰীকৃষ্ণ লগতে সকলো যাদৱ দুৰ্বাসা ঋষিৰ অভিশাপৰ চিকাৰ হ’ল।

৩। শ্ৰীকৃষ্ণই শাপ মুক্ত হোৱাৰ বাবে যমুনা নদীত গা-ধুবলৈ কলে, এইটোৱে সমাধান বুলি কৈছিল। ইয়াৰ দ্বাৰা অভিশাপ নাশ নহল। অৱশ্যে যাদৱ সকল নাশ হল। মন কৰিবলীয়া কথা এই যে কোনো সন্ত বা ব্ৰাহ্মণে এনেকৈ স্নান বা তীৰ্থ দৰ্শন কৰিলে সংকট মুক্ত হব বুলি কোৱা কথা কিমান দূৰ সত্য বা উপযোগী। স্পষ্টৰূপে এনেকুৱা কাৰ্য্য ব্যৰ্থ, কাৰণ ভগৱান ত্ৰিলোকীনাথৰ দ্বাৰা দিয়া সমাধান- যমুনা স্নানৰ দ্বাৰা একো লাভ নহল যেতিয়া অন্য কোনো, ব্ৰহ্মণ আৰু গুৰুৰ দ্বাৰা স্নান আদি সমাধানৰ পথ দেখুৱালেও একো লাভ নহব।

৪। প্ৰথমে শ্ৰীকৃষ্ণই দুৰ্বাসাৰ অভিশাপৰ পৰা ৰক্ষা পোৱাৰ উপায় কৈছিল। সেই কেৰাহীক ঘঁহি গুৰি কৰি প্ৰভাস ক্ষেত্ৰত যমুনা নদীত পেলাই দিবলৈ কৈছিল। অভিশাপৰ পুলিয়ে-পোখাই শেষ কৰিব বিচাৰিছিল।

কিন্তু একো ফল নধৰিলে ঃ

হে সজ্জন বৃন্দ, বৰ্তমান সময়ৰ সকলো মানুহ বুদ্ধিমান আৰু শিক্ষিত। মোৰ দ্বাৰা (সন্ত ৰামপাল দাসৰ দ্বাৰা) কোৱা জ্ঞান শাস্ত্ৰৰ লগত তুলনা কৰক, তেতিয়া ভক্তি কৰি চাব, কেনে আচৰিত ফল পাব।

আকৌ আন প্ৰসংগলৈ আহোঁ।

১। তিনিও গুণ (ৰজগুণ ব্ৰহ্মা, সৎগুণ বিষ্ণু আৰু তমগুণ শিৱ)ৰ ভক্তি কৰা ব্যৰ্থ সিদ্ধ হ’ল।

২। গীতা জ্ঞানদাতা ব্ৰহ্মৰ ভক্তি গীতা অধ্যায় ৭ শ্লোক ১৮ ত গীতা জ্ঞান দাতাই স্বয়ং অনুত্তম বুলি কৈছে। তেওঁ গীতা অধ্যায় ১৮ শ্লোক ৬২ ত সেই পৰমেশ্বৰ অৰ্থাৎ পৰম অক্ষৰ

ব্ৰহ্মৰ শৰণ লববৈ কৈছে। এইটোও কৈছে যে সেই পৰমেশ্বৰৰ কৃপাতহে অৰ্জুনে পৰম শান্তি আৰু সনাতন পৰম ধাম প্ৰাপ্তি কৰিব পাৰিব।

৩। গীতা অধ্যায় ১৫ শ্লোক ১ ৰ পৰা ৪ লৈকে সংসাৰ ৰূপী বৃক্ষৰ বৰ্ণনা কৰা আছে আৰু তত্বদৰ্শী সন্তৰ চিহ্ন ও কৈ থৈছে। সংসাৰ ৰূপী বৃক্ষৰ সকলো অংশ, অৰ্থাৎ শিপা (মূল) কোন পৰমেশ্বৰ হয় ? গা-গছ কোন প্ৰভূ হয় ? ডাল কোন প্ৰভূ হয় ? ঠাল ঠেঙুলি কোন কোন দেৱতা হয় ? পাত ৰূপত সংসাৰৰ বাকী প্ৰাণীক বুজাইছে।

এই অধ্যায়ৰে (অধ্যায় ১৫ শ্লোক ১৬ ত স্পষ্ট কৰিছে যে ঃ

১। ক্ষৰ পুৰুষ (২১ ব্ৰহ্মাণ্ডৰ প্ৰভূ) ঃ এই প্ৰভূক ব্ৰহ্ম, কাল ব্ৰহ্ম, জ্যোতি নিৰঞ্জন বুলিও কোৱা হয়। এওঁ নাশৱান আমি এওঁৰ লোকৰ পৰা মুক্ত হ'ব লাগিব আৰু নিজৰ পৰমাত্মা কবীৰ দেৱৰ ওচৰত সত্যলোকলৈ যাব লাগিব।

২। অক্ষৰ পুৰুষ ঃ এওঁ ৭ শংখ ব্ৰহ্মাণ্ডৰ প্ৰভূ। এওঁ নাশৱান হয়। আমি এওঁৰ ৭ শংখ ব্ৰহ্মাণ্ডৰ ক্ষেত্ৰৰ মাজেদি সত্যলোকলৈ যাব লাগিব। গতিকে এওঁক পথ শুল্ক (toll tax) দিব লাগিব। এই প্ৰভূৰ লগত আমাৰ মাত্ৰ ইমানেই কাম আছে।

গীতা অধ্যায় ১৫ শ্লোক ১৭ ত কৈছে যে ঃ

*উত্তম পুৰুষ তু অন্য পৰমাত্মা ইতি উদাহৃতঃ।*
*য়ঃ লোক ত্ৰয়ম্ আবিশ্য বিভৰ্তি অব্যয়ঃ ঈশ্বৰ।।*

সৰলাৰ্থ ঃ গীতা অধ্যায় ১৫ শ্লোক ১৬ ত দুজন পুৰুষ, এজন ক্ষৰ পুৰুষ আৰু আনজন অক্ষৰ পুৰুষ বিষয় কোৱা আছে। এই দুজনতকৈ বেলেগ আৰু এজন পুৰুষ আছে, তেওঁ উত্তম পুৰুষ অৰ্থাৎ পুৰুযোত্তম, তেওঁক পৰমাত্মা বুলিও কোৱা হয়, তেওঁ তিনিও লোকত প্ৰৱেশ কৰি সকলোৰে লালন-পালন কৰে। তেওঁ প্ৰকৃত অবিনাশী পৰমেশ্বৰ হয়। (গীতা অধ্যায় ১৫ শ্লোক ১৭)।

গীতা অধ্যায় ৩ শ্লোক ১৪-১৫ ত স্পষ্ট কৰা হৈছে যে সৰ্বগতম ব্ৰহ্ম অৰ্থাৎ সৰ্বব্যাপী পৰমাত্মা যিজন সচ্চিদানন্দ ঘন ব্ৰহ্ম হয়, তেওঁক বাসুদেৱো কোৱা হয় যাৰ বিষয় গীতা অধ্যায় ৭ শ্লোক ১৯ ত বৰ্ণনা কৰা আছে। তেওঁৰেই যজ্ঞ অৰ্থাৎ ধাৰ্মিক অনুষ্ঠানত প্ৰতিষ্ঠিত হয় অৰ্থাৎ ইষ্ট ৰূপত পূজ্য হয়।

পূৰ্ণ গুৰুৰ পৰা দীক্ষা লৈ নীতি নিয়মত থাকি ভক্তি কৰক। এইদৰে জীৱনৰ পথত আগবাঢ়ি সংসাৰত সুখী জীৱন যাপন কৰক আৰু মোক্ষ ৰূপী লক্ষত উপনীত হওঁক।

## সৃষ্টি ৰচনা

(সুক্ষ্মবেদৰ সাৰভাগ সৃষ্টি ৰচনাৰ বৰ্ণনা)

প্ৰভূ প্ৰেমী আত্মাই প্ৰথম বাৰ তলৰ সৃষ্টি ৰচনা পঢ়িলে ইয়াক মনে সজা কাহিনী বুলিহে কব। কিন্তু যেতিয়া সকলো পবিত্ৰ সৎগ্ৰন্থত উল্লেখ কৰা প্ৰমাণ পঢ়ি যাব তেতিয়া স্তম্ভিত হৈ

ভাবিব এনে বাস্তৱিক অমৃত জ্ঞান কত লুকাই আছিল। অনুগ্ৰহ কৰি ধৈৰ্য্য ধৰি পঢ়ি যাওক আৰু এই অমৃত জ্ঞানক হৃদয়ঙ্গম কৰক। আপোনাৰ এশ এক পুৰুষলৈ কামত আহিব। হে পুণ্যাত্মা সকল, অনুগ্ৰহ কৰি সত্যনাৰায়ণ (অবিনাশী প্ৰভূ/সত্যপুৰুষ)ৰ দ্বাৰা ৰচিত সৃষ্টি ৰচনাৰ বাস্তৱিক জ্ঞান পঢ়ক।

১। পূৰ্ণ ব্ৰহ্ম ঃ এই সৃষ্টি ৰচনাত সৎপুৰুষ- সৎলোকৰ স্বামী (প্ৰভূ) অলখ পুৰুষ -অলখ লোকৰ স্বামী (প্ৰভু), অগম পুৰুষ-অগম লোকৰ স্বামী (প্ৰভূ) আৰু অনামী পুৰুষ- অনামী অকহ লোকৰ স্বামী (প্ৰভূ) এই সকলো মূলতঃ এজনেই পূৰ্ণ ব্ৰহ্ম, যিজন প্ৰকৃত অবিনাশী প্ৰভূ আৰু যিজনে বিভিন্ন ৰূপ লৈ নিজৰ চাৰিটা লোকত থাকে, যাৰ ভিতৰত অসংখ্য ব্ৰহ্মাণ্ড অৱস্থিত।

২। পৰব্ৰহ্ম ঃ এওঁ মাথোন সাত শংখ ব্ৰহ্মাণ্ডৰ স্বামী (প্ৰভূ) এওঁক অক্ষৰ পুৰুষ বোলে। এওঁ আৰু এওঁৰ ব্ৰহ্মাণ্ড দুয়ো বাস্তৱত বিনাশী হয়।

৩। ব্ৰহ্ম ঃ এওঁ কেৱল একৈশ ব্ৰহ্মাণ্ডৰ স্বামী (প্ৰভূ) এওঁক ক্ষৰ পুৰুষ, জ্যোতি নিৰঞ্জন, কাল আদি উপমাৰে ৰিজোৱা হয়। এওঁ আৰু এওঁৰ সকলো ব্ৰহ্মাণ্ড নাশৱান।

(উপৰোক্ত তিনি পুৰুষৰ (প্ৰভূৰ) প্ৰমাণ পবিত্ৰ শ্ৰীমদ্‌ভাগৱত গীতা অধ্যায় ১৫ শ্লোক নং ১৬-১৭ ত আছে)।

৪। ব্ৰহ্মা ঃ ব্ৰহ্মৰ জেষ্ঠ পুত্ৰ ব্ৰহ্মা। বিষ্ণু দ্বিতীয় পুত্ৰ। শিৱ তৃতীয় অন্তিম পুত্ৰ। এই তিনিওজন ব্ৰহ্মৰ পুত্ৰ মাথোন একোটাকৈ বিভাগ (গুণ) ৰ স্বামী (প্ৰভূ) আৰু নাশৱান। বিস্তৃত বিৱৰণৰ বাবে অনুগ্ৰহ কৰি নিম্ন লিখিত সৃষ্টি ৰচনা পঢ়ক।

কবীৰদেৱে (কবীৰ পৰমাত্মা) সুক্ষ্মবেদ অৰ্থাৎ কবীৰ বাণীত নিজৰ দ্বাৰা ৰচিত সৃষ্টিৰ জ্ঞান নিজে বৰ্ণনা কৰিছিল- যি জ্ঞান নিম্নলিখিত ধৰণৰ।

সৰ্বপ্ৰথমে মাথোন এটা স্থান অনামী (অনাময়) লোক আছিল। যাক অকহ লোক বুলিও কোৱা হয়, পূৰ্ণ পৰমাত্মা সেই অনামী লোকত অকলশৰে আছিল। সেই পৰমাত্মাৰ বাস্তৱিক নাম কবীৰদেৱ অৰ্থাৎ কবীৰ পৰমেশ্বৰ। সকলো আত্মা সেই পূৰ্ণ পৰমাত্মাৰ শৰীৰত নিহিত হৈ আছিল। এই কবীৰ দেৱৰ তুলনাত্মক (পদবী) নাম অনামী পুৰুষ। (পুৰুষৰ অৰ্থ প্ৰভূ হয়। প্ৰভূৱে মানুহক নিজৰ লেখিয়াকৈ গঢ় দিছে, এই বাবে মানুহৰ নাম পুৰুষ হৈছে।) অনামী পুৰুষৰ এটা ৰোম কুপৰ প্ৰকাশ (উজ্বলতা) অসংখ্য সূৰ্যৰ পোহৰতকৈও অধিক হয়।


বিশেষ ঃ কোনো দেশৰ আদৰণীয় প্ৰধান মন্ত্ৰী মহাশয়ৰ শৰীৰৰ নাম বেলেগ থাকে আৰু পদবীৰ নামত প্ৰধানমন্ত্ৰী লিখা হয়। কেতিয়াবা প্ৰধানমন্ত্ৰীয়ে নিজৰ লগত একাধিক বিভাগ ৰাখে।

# পৰমেশ্বৰ কবীৰ পৰমাত্মাৰ অসংখ্য ব্ৰহ্মাণ্ডৰ লঘু চিত্ৰ

অনামী লোক ঃ- এই লোকত কবীৰ চাহেব অনামী পুৰুষ ৰূপে থাকে। ইয়াত অকলে থাকে।

অগম লোক ঃ- এই লোকতো কবীৰ পৰমাত্মাই অগম পুৰুষৰ ৰূপত থাকে।

অলখ লোক ঃ- এই লোকতো কবীৰ পৰমাত্মাই অলখ পুৰুষ ৰূপত থাকে।



যেতিয়া যি বিভাগৰ নথি পত্ৰত চহি দিবৰ প্ৰয়োজন হয় তেতিয়া সেই বিভাগৰ পদবীৰ নামত চহী দিয়ে। যেনে ঃ- গৃহ মন্ত্ৰালয়ৰ নথিপত্ৰত গৃহমন্ত্ৰী বুলি চহী দিব আৰু গৃহমন্ত্ৰীৰ ক্ষমতাৰ আধাৰত কাম হব। মানুহ এজনেই, কিন্তু পদবী অনুসৰি একেজন মানুহৰ ক্ষমতা বেলেগ বেলেগ হব। এইদৰেই কবীৰ পৰমেশ্বৰৰ (কবীৰদেৱৰ) পোহৰৰ তীক্ষ্নতা বেলেগ বেলেগ লোকত বেলেগ বেলেগ হয়।

ঠিক তেনেদৰে পূৰ্ণ পৰমাত্মা কবীৰদেৱ (কবীৰ পৰমেশ্বৰে) তলৰ অন্য তিনিটা লোক (অগম লোক, অলখ লোক, সত্যলোক)ৰ ৰচনা শব্দে (বচন) ৰে কৰিলে। এই পূৰ্ণব্ৰহ্ম পৰমাত্মা কবীৰদেৱ (কবীৰ পৰমেশ্বৰ) নিজেই অগম লোকত বিদ্যমান হল আৰু কবীৰদেৱ (কবীৰ পৰমেশ্বৰ) অগম লোকৰো স্বামী আৰু তাত এওঁৰ তুলনাত্মক (পদবী) নাম অগম পুৰুষ অৰ্থাৎ অগম প্ৰভূ। এই অগম পুৰুষৰ মানৱ সদৃশ শৰীৰ বহুত তেজোময় যাৰ এটা ৰোম কুপৰ পোহৰ কোটি সূৰ্য্যৰ পোহৰতকৈ অধিক।

এই পূৰ্ণ পৰমাত্মা কবীৰদেৱ (কবীৰদেৱ কবীৰ পৰমেশ্বৰ) অলখ লোকত বিদ্যমান হল আৰু তেওঁ নিজেই অলখ লোকৰো স্বামী আৰু তেওঁৰ পদবীৰ নাম অলখ পুৰুষ এই পৰমেশ্বৰৰেই নাম হয়। এই পূৰ্ণ প্ৰভূৰ মানৱ সদৃশ শৰীৰ তেজোময়, স্বয়ং প্ৰকাশিত হয়। এক ৰোম কুপৰ পোহৰ কোটি সূৰ্য্যৰ পোহৰতকৈও বেছি হয়।

এই পূৰ্ণ প্ৰভূ সত্যলোকত বিদ্যমান হল আৰু সত্যলোকৰো অধিপতি এওঁৱেই। গতিকে এওঁৰ তুলনাত্মক (পদবীৰ) নাম সৎপুৰুষ (অবিনাশী প্ৰভূ) হয়। এওঁৰেই নাম অকালমূৰ্তি, শব্দ স্বৰূপী ৰাম-পূৰ্ণ, ব্ৰহ্ম, পৰম অক্ষৰ ব্ৰহ্ম ইত্যাদি হয়। এই সৎপুৰুষ কবীৰদেৱ (কবীৰ প্ৰভূ)ৰ মানৱ সদৃশ শৰীৰ তেজোময় হয়। এওঁৰ এক ৰোম কুপৰ প্ৰকাশ কোটি সূৰ্য্য আৰু কোটি চন্দ্ৰমাৰ পোহৰতকৈ বেছি।

এই কবীৰদেৱ (কবীৰ প্ৰভু) পূৰ্ণ ব্ৰহ্মই সৎপুৰুষ ৰূপত সত্যলোকত বিৰাজমান হৈ প্ৰথমতে সত্যলোকত অন্য ৰচনা কৰিলে।

এটা শব্দেৰে ষোল্লটা দ্বীপৰ ৰচনা কৰিলে। আকৌ ষোল্লটা শব্দেৰে ষোল্লজন পুত্ৰৰ উৎপত্তি কৰিলে। এক মানসৰোবৰ ৰচনা কৰি তাত অমৃত ভৰাই দিলে। ষোল্লজন পুত্ৰৰ নাম হল - ১) কুৰ্ম, ২) জ্ঞানী, ৩) বিবেক, ৪) তেজ, ৫) সহজ, ৬) সন্তোষ, ৭) সুৰতি, ৮) আনন্দ, ৯) ক্ষমা, ১০, নিষ্কাম, ১১) জলৰঙ্গী, ১২) অচিন্ত, ১৩) প্ৰেম, ১৪) দয়ালু, ১৫) ধৈৰ্য্য, ১৬) যোগসন্তায়ণ অৰ্থাৎ যোগজীত।

সৎপুৰুষ কবীৰদেৱে নিজৰ পুত্ৰ অচিন্তক শক্তি প্ৰদান কৰি সত্যলোকত অন্য ৰচনাৰ দায়িত্ব অৰ্পণ কৰিলে। অচিন্তই অক্ষৰ পুৰুষ (পৰব্ৰহ্ম)ৰ শব্দৰ দ্বাৰা উৎপত্তি কৰি তেখেতক সহায় কৰিবলৈ কলে। অক্ষৰ পুৰুষ মানসৰোবৰ লৈ গা-ধূবলৈ গৈ আনন্দত বিভোৰ হৈ নিদ্ৰামগ্ন হৈ বহুসময়লৈকে বাহিৰলৈ নাহিল।

যেতিয়া অচিন্তই অক্ষৰ পুৰুষক টোপনিৰ পৰা জগাবলৈ কবীৰ পৰমেশ্বৰক প্ৰাৰ্থনা কৰিলে কবীৰদেৱে (কবীৰ পৰমেশ্বৰে) সেই মানসৰোবৰৰ পৰা অলপ অমৃত জল লৈ এটা কণী তৈয়াৰ কৰিলে। সেই কণীটোত এটা আত্মা প্ৰৱেশ কৰাই তাক মানসৰোবৰ অমৃত জলত এৰি দিলে। কণীৰ গুম-গুমনিত অক্ষৰ পুৰুষৰ টোপনি ভাঙিল। তেওঁ কণীটোক খঙেৰে চালে,

ফলত কণীটো দুভাগ হৈ গ'ল। তাৰ পৰা জ্যোতি নিৰঞ্জন (ক্ষৰ পুৰুষ) ওলাল যি পাছলৈ কাল বুলি খ্যাত হ'ল। ইয়াৰে বাস্তৱিক নাম 'কৈল' হয়। তেতিয়া সৎপুৰুষে (কবীৰদেৱ) দৈৱ বাণী কৰিলে যে তেওঁলোক দুয়ো বাহিৰলৈ ওলাই আহি অচিন্তৰ দ্বীপত থাকিব। (শিশুৰ নিৰ্বোধতা তেওঁলোকক আঙুলিয়াই দিলে যাতে আকৌ নিজকে প্ৰভূ বুলি নেভাৱিব, কাৰণ সমৰ্থবানৰ অবিহনে কোনো কাৰ্য্য সফল নহয়)। আকৌ সৰ্বশক্তিমান কবিৰদেৱে সকলো ৰচনা নিজেই কৰিলে। নিজৰ শব্দ শক্তিৰে এক ৰাজেশ্বৰী (ৰাষ্ট্ৰীয়) শক্তিৰ উৎপন্ন কৰিলে যাৰ দ্বাৰা সকলো ব্ৰহ্মাণ্ড স্থাপন কৰিলে। ইয়াক পৰাশক্তি, পৰানন্দনীও বোলে। পূৰ্ণ ব্ৰহ্মই সকলো আত্মাক নিজৰ ভিতৰতে নিজৰ বচন শক্তিৰ দ্বাৰা নিজৰ দৰে মানৱ সদৃশ কৰি উৎপন্ন কৰিলে। প্ৰত্যেক হংস আত্মাৰ শৰীৰ পৰমাত্মাৰ শৰীৰৰ দৰে ৰচনা কৰিলে যাৰ তেজ (দীপ্তি, জ্যোতি) ১৬ সূৰ্য্যৰ সমান মানৱ সদৃষ হ'ল। কিন্তু পৰমেশ্বৰৰ শৰীৰৰ এটা ৰোম কুপৰ প্ৰকাশ (দীপ্তি) কোটি কোটি সূৰ্য্যতকৈও বেছি আছে। বহুত সময়ৰ পাছত ক্ষৰ পুৰুষে (জ্যোতি নিৰঞ্জন) ভাবিলে যে আমি তিনিও (অচিন্ত, অক্ষৰ পুৰুষ, ক্ষৰ পুৰুষ) এটা দ্বীপত বাস কৰি আছোঁ আৰু অন্যালোক এটা এটা দ্বীপত বাস কৰি আছে। ক্ষৰ পুৰুষে নিজে সাধনা কৰি নিজৰ বাবে এটা বেলেগ দ্বীপ প্ৰাপ্তি কৰাৰ কথা ভাবিলে। তেওঁ এটা ভৰিত থিয় হৈ সত্তৰ (৭০) যুগলৈকে তপস্যা কৰিলে।

## আত্মা কালৰ জালত কেনেকৈ বন্দী হল

বিশেষ ঃ- ব্ৰহ্মই (জ্যোতি নিৰঞ্জনে) তপস্যা কৰি থকা দেখি আমি সকলো আত্মা, যিসকল আজি জ্যোতি নিৰঞ্জনৰ একৈশ ব্ৰহ্মাণ্ডত আছোঁ, তেওঁৰ সাধনাৰ প্ৰতি আসক্ত হলোঁ আৰু হৃদয়ৰে সৈতে তেওঁক বিচাৰিবলৈ ধৰিলোঁ। নিজৰ সুখদাতা প্ৰভু সত্য পুৰুষৰ পৰা বিমুখ হৈ গলোঁ। পূৰ্ণ প্ৰভূৱে বাৰে বাৰে সাৱধান কৰি দিয়াৰ পিছতো ক্ষৰ পুৰুষৰ পৰা আমাৰ আসক্তি আঁতৰ নহল। (এই প্ৰভাৱ আজিও কাল সৃষ্টিত দেখা পোৱা যায়, যেনে ঃ- কিশোৰ কিশোৰী সকলে কথা ছবিৰ অভিনেতা অভিনেত্ৰীৰ কৃত্ৰিম অভিনয়, ভাৱ-ভঙ্গী (জীৱন নিৰ্বাহৰ বাবে কৰা)ত বেয়া ধৰণে আসক্ত হৈ পৰে, বাধা দিলেও নামানে। যদি কোনো অভিনেতা অভিনেত্ৰী ওচৰৰ চহৰলৈ আহে, তেওঁলোকক চাবলৈ সেই নিৰ্বোধ যুৱক-যুৱতী সকলে বহু সংখ্যাত আহি ভিৰ কৰে। নিজৰ মা-দেউতাৰ কষ্টেৰে উপাৰ্জিত ধন খৰছ কৰে, লাভ হলে একো নাই, সময়ো অবাবত খৰছ হয়। অভিনেতা অভিনেত্ৰী সকলে জীৱিকা উপাৰ্জন কৰি আছে, লৰা-ছোৱালীবোৰৰ ধন কব নোৱাৰাকৈ লুটি নি আছে। মা দেউতাই কিমান বুজনি দিয়ে, কিন্তু নুশুনে। কৰবাত কেনেবাকৈ লুকাই-চুৰকৈ হলেও যাবই।) পূৰ্ণ ব্ৰহ্ম কবীৰদেৱে (কবীৰ প্ৰভূ) ক্ষৰ পুৰুষৰ তপস্যা দেখি তেওঁক সুধিলে যে তেওঁ কি বিচাৰিছে। তেওঁ ক'লে, "পিতামহ, এই স্থান মোৰ বাবে কম হৈছে, অনুগ্ৰহ কৰি মোক সুকীয়াকৈ দ্বীপ প্ৰদান কৰক।" সৎপুৰুষ কবীৰ পৰমাত্মাই তেওঁক ২১ (একৈশ)টা ব্ৰহ্মাণ্ড প্ৰদান কৰিলে। কালান্তৰত (কিছু সময়ৰ অন্তৰালত) জ্যোতি নিৰঞ্জনে ভাবিলে যে তাত কিবা নহয় কিবা ৰচনা কৰা উচিত হব। উদং ব্ৰহ্মাণ্ডৰ কাম কি ? এই ভাবি আকৌ ৭০ যুগলৈকে তপস্যা কৰি পূৰ্ণ পৰমাত্মা কবীৰদেৱে (কবীৰ প্ৰভূ) ৰচনাৰ বাবে সামগ্ৰী দিবলৈ প্ৰাৰ্থনা কৰিলে। সৎপুৰুষে তেওঁক তিনিগুণ আৰু পাঁচ তত্ব দিলে যাৰ সহায়ত ব্ৰহ্মই (জ্যোতি নিৰঞ্জন) নিজৰ ব্ৰহ্মাণ্ডত কিছু ৰচনা কৰিলে।

আকৌ ভাবিলে যে এই ব্ৰহ্মাণ্ডত কিছু জীৱও থাকিব লাগে, অকলে ভাল নালাগিল। এই চিন্তা কৰি ৬৪ (চৌষষ্ঠি) যুগলৈকে আকৌ তপস্যা কৰিলে। পূৰ্ণ পৰমাত্মা কবীৰদেৱে সোধাত কলে যে তেওঁক কিছুমান আত্মা দিব লাগে, অকলে ভাল লগা নাই। তেতিয়া সৎপুৰুষ কবীৰগ্নিয়ে (কবীৰ পৰমেশ্বৰ) ক'লে যে ব্ৰহ্মক, তেওঁৰ তপস্যাৰ প্ৰতিফল স্বৰূপে আৰু ব্ৰহ্মাণ্ড দিব পাৰিব, কিন্তু তেখেতৰ আত্মাক কোনো জপ-তপ-সাধনাৰ প্ৰতিফল ৰূপে দিব নোৱাৰে। যদিহে কোনো আত্মা নিজ ইচ্ছাৰে যাব বিচাৰে যাব পাৰে। সমৰ্থ কবীৰৰ কথা শুনি জ্যোতি নিৰঞ্জন আমাৰ (আমি আত্মা যি বৰ্তমান এই কালৰ লোকত আছো) ওচৰলৈ আহিল। আমি সকলো হংসাত্মা আগৰে পৰাই তেওঁৰ প্ৰতি আসক্ত হৈ পৰিছিলোঁ। আমি তেওঁৰ চাৰিওফালে তেওঁক বেৰি থিয় হলোঁ। জ্যোতি নিৰঞ্জনে ক'লে যে তেওঁ আছুতীয়াকৈ ২১ ব্ৰহ্মাণ্ড পিতামহৰ পৰা প্ৰাপ্তি কৰিছে। তাত নানা ধৰণৰ মনোমোহা স্থান আছে, তোমালোক মোৰ লগত যাবা নে ? সকলো হংসই যি আজি একৈশ ব্ৰহ্মাণ্ডত প্ৰতাৰিত হৈ আছে, কলে যে যদিহে পিতামহে অনুমতি দিয়ে আমি যাবলৈ প্ৰস্তুত। তেতিয়া ক্ষৰ পুৰুষ পূৰ্ণব্ৰহ্ম মহান কবীৰৰ (সমৰ্থ কবীৰ প্ৰভূৰ) ওচৰলৈ গল আৰু সকলো কথা কলে। তেতিয়া কবীৰদেৱে ক'লে যে তেওঁৰ সন্মুখত স্বীকৃতি দিয়া সকলক যাবলৈ আজ্ঞা দিব। ক্ষৰ পুৰুষ আৰু পৰম অক্ষৰ পুৰুষ দুয়ো সকলো হংসাত্মৰ ওচৰলৈ গল। সৎকবীৰদেৱ কলে যে যি সকল হংসাত্মাই ব্ৰহ্মৰ লগত যাব বিচাৰে তেওঁলোকে হাত দাঙি স্বীকৃতি দিব লাগে। নিজৰ পিতাদেউৰ সন্মুখত কাৰো সাহস নহল। কোনেও স্বীকৃতি নিদিলে। বহুত সময় নিস্তব্ধতাই ছানি ধৰিলে। তাৰ পিছত এটা হংসাত্মাই সাহস কৰি কলে যে তেওঁ যাব বিচাৰে। তাকে দেখি (যি সকল আজি কালৰ (ব্ৰহ্মৰ) একৈশ ব্ৰহ্মাণ্ডত বন্দী হৈ আছো) আমি সকলো হংসাত্মাই স্বীকৃতি দিলোঁ। পৰমেশ্বৰ কবীৰদেৱে জ্যোতি নিৰঞ্জনক তেওঁৰ নিজৰ স্থানলৈ যাব ক'লে আৰু জনালে যে যি সকলে তেওঁৰ লগত যাবলৈ স্বীকৃতি দিছে কবীৰদেৱে সেই সকলো হংসাত্মাক ব্ৰহ্মৰ ওচৰলৈ পঠিয়াই দিব। তেতিয়ালৈকে জ্যোতি নিৰঞ্জনৰ নিজৰ একৈশ ব্ৰহ্মাণ্ড সত্যলোকত অৱস্থিত আছিল।

তাৰ পিছত পূৰ্ণ ব্ৰহ্মই প্ৰথমে স্বীকৃতি দিয়া হংসাত্মক ছোৱালীৰ ৰূপ দিলে কিন্তু স্ত্ৰী যোনি ৰচনা নকৰিলে আৰু সকলো আত্মাক (যিবিলাকে জ্যোতি নিৰঞ্জন (ব্ৰহ্ম)ৰ লগত যাবলৈ সন্মতি দিছিল) সেই ছোৱালীৰ শৰীৰত প্ৰৱেশ কৰাই দিলে, আৰু তাইৰ নাম অষ্টাঙ্গী (আদি মায়া/প্ৰকৃতি দেৱী/দূৰ্গা) ৰাখিলে। সত্যপুৰুষে তাইক পুত্ৰী বুলি সম্বোধন কৰি কলে, তোমাক শব্দ শক্তি প্ৰদান কৰিছো আৰু ব্ৰহ্মই যিমান জীৱ বিচাৰে, সিমানেই জীৱ উৎপন্ন কৰি দিবলৈ অনুমতি দিলে। পূৰ্ণ ব্ৰহ্ম কবীৰদেৱে (কবীৰ চাহেব) নিজৰ পুত্ৰ সহজ দাসৰ দ্বাৰা দূৰ্গাক জ্যোতি নিৰঞ্জনৰ ওচৰলৈ পঠালে। সহজ দাসেও ক'লে যে পিতাদেউয়ে এইজনী ভনীৰ শৰীৰত সেই সকলো আত্মাক প্ৰৱেশ কৰাই দিছে যি সকলে ব্ৰহ্মৰ লগত যাবলৈ সন্মতি দিছিল, লগতে তাইক বচন শক্তিও প্ৰদান কৰিছে। ব্ৰহ্মই যিমান জীৱ বিচাৰে প্ৰকৃতি দেৱীয়ে নিজৰ শব্দ শক্তিৰে উৎপন্ন কৰি দিব। এই বুলি কৈ সহজ দাস উভতি নিজৰ দ্বীপলৈ আহিল।

যুৱতী হোৱা কাৰণে ছোৱালীজনীৰ (প্ৰকৃতি দেৱীৰ) ৰং, ৰূপ চেহেৰা জিলিকি আছিল। ব্ৰহ্মৰ অন্তৰত বিষয় বাসনা (কাম ভাৱ) জাগ্ৰত হ'ল আৰু প্ৰকৃতি দেৱীৰ লগত অভদ্ৰ আচৰণ

কৰিবলৈ ধৰিলে। তেতিয়া দূৰ্গাই ক'লে যে তাইৰ লগত পিতাদেউৰে (কবীৰ পৰমেশ্বৰে) প্ৰদান কৰা শব্দ শক্তি আছে। ব্ৰহ্মই যিমান জীৱ বিচাৰে তাই বচন শক্তিৰে উৎপন্ন কৰি দিব। দূৰ্গাই ব্ৰহ্মক মৈথুন পৰম্পৰা আৰম্ভ নকৰিবলৈ কলে। প্ৰকৃতি দেৱীয়ে ব্ৰহ্মক কলে যে ব্ৰহ্ম নিজে পৰম পিতাৰ শব্দৰ দ্বাৰা উৎপত্তি হৈছে আৰু পিছত মই উৎপন্ন হৈছো, সম্বন্ধত দুয়ো ককাই-ভণী, তেওঁলোকৰ মাজত মিলন মহাপাপৰ কাৰণ হব। কিন্তু জ্যোতি নিৰঞ্জনে প্ৰকৃতি দেৱীৰ কোনো কাকুতি মিনতি নুশুনিলে আৰু নখেৰে নিজ শব্দ শক্তিৰ দ্বাৰা প্ৰকৃতি দেৱীৰ শৰীৰত স্ত্ৰী যোনি সংযোগ কৰি দিলে আৰু বলাৎকাৰ কৰিবলৈ মন মেলিলে। সেই সময়ত দূৰ্গাদেৱীয়ে নিজৰ মান সন্মান ৰক্ষা কৰাৰ আন একো উপায় নেদেখি সুক্ষ্ম ৰূপ ধাৰণ কৰি জ্যোতি নিৰঞ্জনৰ মেল খাই থকা মুখেদি পেটলৈ প্ৰৱেশ কৰি পূৰ্ণ ব্ৰহ্ম কবীৰদেৱক নিজৰ ৰক্ষাৰ্থে প্ৰাৰ্থনা কৰিলে। সেই সময়তে কবীৰদেৱ (কবীৰ দেৱ) নিজৰ পুত্ৰ যোগ সন্তায়ন অৰ্থাৎ যোগজীতৰ ৰূপ ধাৰণ কৰি তাত উপস্থিত হল আৰু কণ্যাক (দূৰ্গা) ব্ৰহ্মৰ পেটৰ পৰা বাহিৰলৈ উলিয়ালে আৰু জ্যোতি নিৰঞ্জনক কলে যে সিদিনাৰ পৰা তাৰ নাম কাল হ'ব। তাৰ জন্ম মৃত্যু হৈ থাকিব। তাৰ বাবেই তাৰ নাম ক্ষৰ পুৰুষ হব আৰু এক লাখ মানৱ শৰীৰ ধাৰী প্ৰাণীক প্ৰতিদিনে খাব আৰু ১ লাখ ২৫ হেজাৰ উৎপন্ন কৰিব। এইবুলি কৈ কবীৰদেৱে দুয়োকে ২১ ব্ৰহ্মাণ্ডৰ সৈতে বহিষ্কাৰ কৰিলে। এনেকৈ কোৱা মাত্ৰকে একৈশ ব্ৰহ্মাণ্ড বিমানৰ দৰে গতি কৰিলে। সহজ দাসৰ দ্বীপৰ কাষেৰে গৈ সৎলোকৰ পৰা ষোল্ল শংখ কোস (এক কোস - ৩.২ কিঃমিঃৰ হয়) দুৰত গৈ ৰ'ল।

**বিশেষ বিৱৰণ ঃ এতিয়া তিনি শক্তিৰ বিৱৰণ দিওঁ**


১। পূৰ্ণ ব্ৰহ্ম, যি জনক অন্য তুলনাত্মক নামেৰেও জনা যায়, যেনে সত্যপুৰুষ, অকাল পুৰুষ, শব্দ স্বৰূপী ৰাম, পৰম অক্ষৰ ব্ৰহ্ম / পুৰুষ আদি। এই পূৰ্ণ ব্ৰহ্ম অসংখ্য ব্ৰহ্মাণ্ডৰ গৰাকী আৰু অবিনাশী।

২। পৰব্ৰহ্ম, যি জনক অক্ষৰ পুৰুষ বুলিও কোৱা হয়। এইজন প্ৰকৃততে অবিনাশী নহয়। এইজন সাত শংখ ব্ৰহ্মাণ্ডৰ গৰাকী হয়।

৩। ব্ৰহ্ম, যিজনক জ্যোতি নিৰঞ্জন কাল, কৈল, ক্ষৰ পুৰুষ আৰু ধৰ্মৰায় আদি নামেৰে জনা যায়। এওঁ মাত্ৰ একৈশ ব্ৰহ্মাণ্ডৰ অধিকাৰী। ২১ ব্ৰহ্মাণ্ডৰ পৰিচয় দিয়া হ'ব য'ত আৰু তিনিটা নাম পঢ়িবলৈ পাব, ব্ৰহ্মা, বিষ্ণু আৰু শিৱ।

ব্ৰহ্ম আৰু ব্ৰহ্মাৰ মাজত পাৰ্থক্য ঃ এটা ব্ৰহ্মাণ্ডত থকা সকলোতকৈ উচ্চতম স্থানত ব্ৰহ্মই (ক্ষৰ পুৰুষ) নিজে তিনিটা গোপন স্থান ৰচনা কৰি ব্ৰহ্মা, বিষ্ণু তথা শিৱৰ ৰূপত থাকে আৰু নিজৰ পত্নী প্ৰকৃতি (দূৰ্গা)ৰ সহযোগত তিনিজন পুত্ৰৰ উৎপত্তি কৰে।

# এখন ব্ৰহ্মাণ্ডৰ লঘু চিত্ৰ



তেওঁলোকৰ নামো ব্ৰহ্মা, বিষ্ণু আৰু শিৱ থ'লে। ব্ৰহ্মা, যি জন ব্ৰহ্মৰ পুত্ৰ, এটা ব্ৰহ্মাণ্ডত কেৱল তিনিলোকৰ (পৃথিৱী, স্বৰ্গ আৰু পাতাল) ৰজগুণ বিভাগৰ মন্ত্ৰী (গৰাকী) এইজন ব্ৰহ্মাক ত্ৰিলোকীয় ব্ৰহ্মা আৰু যি জন ব্ৰহ্ম ব্ৰহ্মলোকত ব্ৰহ্মাৰূপে থাকে তেওঁক মহাব্ৰহ্মা বা ব্ৰহ্মলোকীয় ব্ৰহ্মা বুলি কোৱা হয়। এইজন ব্ৰহ্মক (কাল) সদাশিৱ, মহাশিৱ, মহাবিষ্ণুও কোৱা হয়।

শ্ৰীবিষ্ণু পুৰাণত প্ৰমাণ ঃ- শ্ৰীবিষ্ণু পুৰাণৰ চতুৰ্থ অংশৰ প্ৰথম অধ্যায়ৰ ২৩০-২৩১ পৃষ্ঠাত শ্ৰীব্ৰহ্মাদেৱে কৈছে ঃ- যি অজন্মা, সৰ্বময় বিধাতা পৰমেশ্বৰৰ আদি, মধ্য, অন্ত, স্বৰূপ, স্বভাৱ আৰু সাৰ আমি জানিব নোৱাৰোঁ (শ্লোক ৮৩)

যি জনে মোৰ ৰূপ ধাৰণ কৰি সংসাৰ ৰচনা কৰে, স্থিতিৰ সময়ত যিজনে পুৰুষ ৰূপত থাকে আৰু যিজনে ৰুদ্ৰৰ ৰূপ লৈ বিশ্বক গ্ৰাস কৰে, অনন্ত ৰূপেৰে সম্পূৰ্ণ জগতক ধাৰণ কৰে (শ্লোক ৮৬)

## শ্ৰী ব্ৰহ্মা, শ্ৰীবিষ্ণু আৰু শ্ৰীশংকৰ দেৱৰ উৎপত্তি

কালে (ব্ৰহ্ম) প্ৰকৃতি (দুৰ্গা)ক কলে যে এতিয়া কোনেও তাৰ একো হানি কৰিব নোৱাৰে। যি মন যায় কৰি যাব। প্ৰকৃতিয়ে আকৌ প্ৰাৰ্থনা কৰিলে যে কালে মান-মৰ্য্যদাৰ প্ৰতি ধ্যান দিব লাগে কাৰণ লোক লাজ বোলা কথা এটাও আছে। প্ৰথম কথা হ'ল কাল প্ৰকৃতিৰ ককায়েক, কাৰণ সেই পূৰ্ণ পৰমাত্মা (কবীৰদেৱ)ৰ বচন শক্তিৰে কণীৰ পৰা ব্ৰহ্মৰ উৎপত্তি হৈছে। দ্বিতীয়তে প্ৰকৃতি কালৰ পেটৰ পৰা ওলাইছে, কালৰ পুত্ৰী প্ৰকৃতি আৰু সেই সূত্ৰে কাল প্ৰকৃতিৰ পিতা। এনে পবিত্ৰ সম্বন্ধত কালিমা সানিলে মহাপাপ হব। প্ৰকৃতিয়ে আকৌ কলে যে তাইৰ লগত পিতাদেউয়ে দিয়া শব্দ শক্তি আছে, কালে যিমান প্ৰাণী লাগে বুলি কব তাই উৎপন্ন কৰি দিব। জ্যোতি নিৰঞ্জনে দুৰ্গাৰ এটাও কথা নুশুনিলে আৰু কলে যে যি শাস্তি পাব লগা আছিল, পাই থৈছে। সত্যলোকৰ পৰা বহিস্কৃত হলোঁ। এতিয়া মই-মতালিৰে চলিম। এই দৰে কৈ কাল পুৰুষে (ক্ষৰ পুৰুষ) প্ৰকৃতিৰ লগত শক্তি প্ৰয়োগ কৰি বিয়া পাতিলে আৰু তিনিওজন পুত্ৰ (ৰজগুণ যুক্ত ব্ৰহ্মা, সৎগুণ যুক্ত বিষ্ণু আৰু তমগুণ যুক্ত শিৱ)ৰ উৎপত্তি কৰিলে। ডেকা হোৱালৈকে তিনিও পুত্ৰক দুৰ্গাৰ হতুৱাই আচেতন কৰি থলে। যুৱ অৱস্থা হোৱাৰ পিছত শ্ৰীব্ৰহ্মাক পদুম ফুলৰ ওপৰত, শ্ৰীবিষ্ণুক শেষনাগৰ শয্যাৰ ওপৰত শিৱক কৈলাশ পৰ্বতত ৰাখি তিনিওকে চেতন কৰিলে। তাৰ পিছত প্ৰকৃতি (দুৰ্গা)ৰ দ্বাৰা এওঁলোক তিনিওৰে বিবাহ পাতি দিয়া হল আৰু এটা ব্ৰহ্মাণ্ডৰ তিনিটা লোকত (স্বৰ্গ, পৃথিৱী, পাতাল) এটা এটা বিভাগৰ মন্ত্ৰী (প্ৰভূ) নিযুক্ত কৰি দিয়ে। যেনে ঃ- শ্ৰী ব্ৰহ্মা দেৱক ৰজগুণ বিভাগৰ আৰু বিষ্ণু দেৱক সৎগুণ বিভাগৰ আকৌ শিৱক তমগুণ বিভাগৰ মন্ত্ৰী নিযুক্ত কৰে। ব্ৰহ্ম নিজে গুপ্ত মহাব্ৰহ্মা-মহাবিষ্ণু-মহাশিৱ) ৰূপত মুখ্যমন্ত্ৰীৰ পদবীত থাকে। (এটা ব্ৰহ্মাণ্ডত এটা ব্ৰহ্ম লোকৰ ৰচনা কৰা হৈছে। তাত তিনিটা গোপন ঠাই নিৰ্মাণ কৰিলে। ইয়াৰে এটা স্থান ৰজগুণ প্ৰধান যত এই ব্ৰহ্ম (কাল) স্বয়ং মহাব্ৰহ্মা (মুখ্য মন্ত্ৰী) ৰূপত থাকে আৰু নিজৰ পত্নী দুৰ্গাক

মহাসাবিত্রী ৰূপত ৰাখে। এই দুইৰ মিলনৰ ফলত যি পুত্র এই স্থানত উৎপত্তি হয় সেইজনা আপোনা আপুনি ৰজগুণী হৈ যায়। দ্বিতীয়তে মহাবিষ্ণু ৰূপত থাকে আৰু নিজৰ পত্নী দুৰ্গাক মহালক্ষ্মী ৰূপত ৰাখি পুত্র উৎপন্ন কৰে তাৰ নাম বিষ্ণু থয়, সেইজন পুত্র সৎগুণ যুক্ত হয়। এই কালে তৃতীয় স্থান এটা তমগুণ প্ৰধান ক্ষেত্ৰ বনায় তাত তেওঁ নিজে সদাশিৱ ৰূপত থাকে আৰু পত্নী দুৰ্গাক মহাপাৰ্বতী ৰূপত থয়। এই দুইৰ পতি-পত্নী ব্যৱহাৰৰ ফলত যি পুত্র উৎপন্ন হয় সেইজনৰ নাম শিৱ থয় আৰু তাক তমগুণ যুক্ত কৰি দিলে। (প্ৰমাণৰ বাবে চাওক) পবিত্ৰ শ্ৰী শিৱ মহাপুৰাণ, বিদ্যেশ্বৰ সংহিতা, ২৪-২৬ পৃষ্ঠা, য'ত ব্ৰহ্মা, বিষ্ণু, ৰুদ্ৰ তথা মহেশ্বৰৰ বাহিৰেও অন্য এজন সদা শিৱ আছে। ২) ৰুদ্ৰ সংহিতা ৬, ৭ স্কন্ধ ৯ অধ্যায়ত ১০০ পৰা ১০৫ আৰু ১১০ পৃষ্ঠাত যাৰ অনুবাদ কৰ্ত্তা শ্ৰী হনুমান প্ৰসাদ পোদ্দাৰ গীতা প্ৰেছ গোৰখ পুৰৰ পৰা প্ৰকাশিত) পবিত্ৰ শ্ৰীমদ দেৱী মহাপুৰাণ, তৃতীয় স্কন্ধ, ১১৪ৰ পৰা ১২৩ পৃষ্ঠা লৈকে, গীতা প্ৰেছ গোৰখপুৰৰ পৰা প্ৰকাশিত যাৰ অনুবাদ কৰ্ত্তা শ্ৰীহনুমান প্ৰসাদ পোদ্দাৰ, চিমন লাল (গোস্বামী)। আকৌ এওঁলোকক ছলনা কৰি নিজৰ আহাৰৰ বাবে শ্ৰীব্ৰহ্মাৰ দ্বাৰা জীৱৰ উৎপত্তি, শ্ৰীবিষ্ণুৰ দ্বাৰা স্থিতি (পৰস্পৰৰ মাজত মৰম স্নেহ উৎপন্ন কৰি কালৰ জালত বন্দীকৰা) আৰু শিৱৰ দ্বাৰা সংহাৰ কৰাৰ ব্যৱস্থা কৰে। কাৰণ কাল পুৰুষ অভিশপ্ত হোৱাত এক লাখ মানৱ শৰীৰ ধাৰী প্ৰাণীৰ সুক্ষ্ম শৰীৰৰ পৰা মলি উলিয়াই খাব লাগে। তাৰ বাবে একবিংশতিতম ব্ৰহ্মাণ্ডত এটা অত্যন্ত তপত শিলাখণ্ড আছে যিটো নিজে নিজেই সদায় গৰম হৈ থাকে। তাৰ ওপৰত জীৱ বোৰক থৈ গৰম কৰিলে মলি ওলাই আহে, কাল ব্ৰহ্মই সেই মলি খায়। জীৱাত্মাৰ মৃত্যু নহয় কিন্তু অসহ্য কষ্ট ভোগ কৰে। আকৌ প্ৰাণীবোৰক কৰ্ম অনুসৰি ভিন ভিন শৰীৰ প্ৰদান কৰে।

ওপৰত বৰ্ণনা কৰা তিনিটা গোপন ঠাইৰ প্ৰসংগ তলৰ উদাহৰণৰ দ্বাৰা স্পষ্ট হৈ পৰিব। ধৰা হ'ল এটা ঘৰত তিনিটা কোঠা আছে। এটা কোঠা অশ্লীল ছবিৰে সজাই থোৱা আছে। তাত সোমাওঁতেই মনলৈ তেনেকুৱাই মলিন, অভদ্ৰ ভাৱ উৎপন্ন হব। দ্বিতীয়টো কোঠা সাধু সন্ত ভকত আদিৰ ছবিৰে সজোৱা আছে। তালৈ গলে মনলৈ ভাল চিন্তা, ঈশ্বৰৰ প্ৰতি ভক্তি আহে। তৃতীয়টো কোঠা দেশভক্ত আৰু শ্বহীদ সকল ছবিৰে সজাই থোৱা আছে এনে ছবিয়ে স্বাভাৱিকতে তেনেকুৱাই বীৰত্ব পূৰ্ণ দেশভক্তিৰ ভাব মনত উৎপন্ন কৰে। ঠিক এইদৰেই ব্ৰহ্মই (কাল) নিজৰ বিচাৰ বুদ্ধিৰে ওপৰোক্ত তিনি গুণ প্ৰধান স্থানৰ ৰচনা কৰি থৈছে।

*** প্ৰমাণৰ সৈতে তিনিগুণৰ ব্যাখ্যা** -

তিনিগুণ ৰজগুণ ব্ৰহ্মাদেৱ, সৎগুণ বিষ্ণুদেৱ, তমগুণ শিৱদেৱ হয়। এওঁলোক ব্ৰহ্ম (কাল) আৰু প্ৰকৃতি (দুৰ্গা)ৰ পৰা উৎপন্ন হৈছে আৰু তিনিও নাশৱান হয়।

১। প্ৰমাণ ঃ গীতা প্ৰেছ গোৰখপুৰৰ পৰা প্ৰকাশিত শ্ৰী শিৱ মহাপুৰাণ, সম্পাদক শ্ৰী হনুমান প্ৰসাদ পোদ্দাৰ, ২৪-২৬ পৃষ্ঠাত থকা বিদ্যেশ্বৰ সংহিতা আৰু অধ্যায় ৯ পৃষ্ঠা ১১০ ৰুদ্ৰ

সংহিতাৰ পৰা উদ্ধৃত ঃ- এইদৰে ব্ৰহ্মা, বিষ্ণু আৰু শিৱ তিনিও দেৱতাত গুণ আছে, কিন্তু সদাশিৱ (ব্ৰহ্মা-কাল)ক গুণাতীত কোৱা হৈছে।

২। প্ৰমাণ ঃ গীতা প্ৰেছ গোৰখপুৰৰ পৰা প্ৰকাশিত শ্ৰীমদদেৱী ভাগৱত পুৰাণ, সম্পাদক শ্ৰী হনুমান প্ৰসাদ পোদ্দাৰ, চিমন লাল গোস্বামী, তৃতীয় স্কন্ধ, পঞ্চম অধ্যায় ১২৩ পৃষ্ঠাৰ পৰা উদ্ধৃত ঃ- ভগৱান বিষ্ণুৱে দুৰ্গাক স্তুতি কৰি ক'লে, মই (বিষ্ণু) ব্ৰহ্মা আৰু শঙ্কৰ আপোনাৰ কৃপাতে বিদ্যমান। আমাৰ আবিৰ্ভাৱ (জন্ম) আৰু তিৰোভাৱ (মৃত্যু) হয়। আমি নিত্য (অবিনাশী) নহওঁ। আপুনিহে নিত্য, জগত জননী, প্ৰকৃতি আৰু সনাতনী দেৱী হয়। ভগৱান শঙ্কৰে ক'লে, যদি ভগৱান ব্ৰহ্মা আৰু ভগৱান বিষ্ণু দুয়ো আপোনাৰ পৰা উৎপন্ন হৈছে তেতিয়া হলে তেওঁলোকৰ পিছত উৎপন্ন হোৱা মই তমগুণী লীলা কৰা শঙ্কৰ আপোনাৰ সন্তান নহওঁ জানো ? অৰ্থাৎ মোক আপুনিয়েই উৎপন্ন কৰিছে। এই সংসাৰৰ সৃষ্টি, স্থিতি, সংহাৰ কাৰ্য্য আপোনাৰ গুণৰ প্ৰভাৱত হয়। এই তিনি গুণেৰে উৎপন্ন আমি ব্ৰহ্মা, বিষ্ণু আৰু শঙ্কৰ নিয়মিত ভাৱে কাৰ্য্য কৰি যাবলৈ সদায় তৎপৰ হৈ থাকোঁ।

ওপৰত দিয়া বিৱৰণ মাত্ৰ হিন্দীত অনুবাদিত শ্ৰী দেৱী মহাপুৰাণৰ পৰা লোৱা হৈছে, ইয়াত কিছুমান তথ্য গোপন কৰা হৈছে। গতিকে ইয়াৰ প্ৰমাণ চাওক এই গ্ৰন্থত শ্ৰীমদ্‌দেৱী ভাগৱত মহাপুৰাণ, সভাষটিকম্ সমহাত্যম্, খেমৰাজ শ্ৰীকৃষ্ণ দাস প্ৰকাশন, মুম্বাই। ইয়াত সংস্কৃতৰ সৈতে হিন্দী অনুবাদ কৰা আছে। তৃতীয় স্কন্ধ, চতুৰ্থ অধ্যায় পৃষ্ঠা দহত শ্লোক সংখ্যা ৪২।

ব্ৰহ্মা- অহম্ ঈশ্বৰ; ফিলতে প্ৰভাৱাত সৰ্বে বয়ম জনি যুতা ন যদা তু নিত্যা কে অন্যে সুৰাঃ শতমুখ প্ৰমুখাঃ চ নিত্যা নিত্যা ত্বমেৱ জননী প্ৰকৃতিঃ পুৰাণা। (৪২ঃ)

হিন্দী অনুবাদ ঃ হে আই! ব্ৰহ্মা মই আৰু শিৱ আপোনাৰ প্ৰভাৱৰ বাবেহে জন্ম লওঁ, নিত্য নহওঁ অৰ্থাৎ আমি অবিনাশী নহওঁ, আকৌ ইন্দ্ৰৰ লগতে অন্য দেৱতা সকল কেনেকৈ নিত্য হব পাৰে। আপুনি হে অবিনাশী, প্ৰকৃতি আৰু সনাতনী দেৱী হয়।

পৃষ্ঠা ১১-১২ পঞ্চম অধ্যায় শ্লোক ৮ ঃ যদি দয়াদ্ৰমনা ন সদা অম্বিকে কথমহম বিহিতঃ তমোগুণ কমলজ ৰজোগুণ সম্ভৱঃ সুবিহিত কিমু সত্ব গুণো হৰিঃ (৮)

অনুবাদ ঃ- ভগৱান শংকৰে ক'লে, হে আই যদি আপুনি আমাক মৰম কৰে তেনেহলে মোক কিয় তমোগুণী কৰিলে পদুম ফুলৰ পৰা উৎপন্ন হোৱা ব্ৰহ্মাক কিয় ৰজোগুণী কৰিলে আৰু বিষ্ণুক কিয় সৎগুণী কৰিলে ? অৰ্থাৎ জীৱৰ জন্ম-মৃত্যু ৰূপী বেয়া কামত আমাক কিয় নিয়োজিত কৰিলে।

শ্লোক ১২ ঃ ৰময়সে স্বপতিম পুৰুষম সদা তব গতিম নহি বিহ বিদম শিৱে (১২)

হিন্দী ঃ নিজৰ পতি পুৰুষ অৰ্থাৎ কাল ভগৱানৰ লগত সদায় ভোগ বিলাস কৰি থাকা। আপোনাৰ গতি কোনেও নাজানে।

সাৰ কথা ঃ উপৰোক্ত প্ৰমাণৰ দ্বাৰা স্পষ্ট হ'ল যে ৰজগুণ ব্ৰহ্মা, সৎগুণ বিষ্ণু আৰু তমগুণ শিৱ হয় আৰু এই তিনিওজন নাশৱান। দুৰ্গাৰ পতি ব্ৰহ্ম (কাল) হয়। ব্ৰহ্মই দুৰ্গাৰ লগত ভোগ বিলাস কৰে।

## ব্ৰহ্ম (কাল)ৰ অব্যক্ত হৈ থকাৰ প্ৰতিজ্ঞা

## সুক্ষ্মবেদৰ বাকী থকা সৃষ্টি ৰচনা

তিনিজন পুত্ৰৰ উৎপত্তিৰ পিছত ব্ৰহ্মই নিজৰ পত্নী দুৰ্গা (প্ৰকৃতি)ক ক'লে, মই প্ৰতিজ্ঞা কৰোঁ যে ভৱিষ্যতে মই কাকো নিজৰ বাস্তৱিক ৰূপত দেখা নিদিওঁ সেই বাবে মোক অব্যক্ত বুলি জনা যাব। ব্ৰহ্মই দুৰ্গাক আকৌ ক'লে যে তেওঁৰ এই ৰহস্য কাকো কব নালাগে আৰু এতিয়াৰ পৰা তেওঁ (ব্ৰহ্ম) গোপনে থাকিব। দুৰ্গাই ক'লে, তেন্তে আপুনি নিজৰ পুত্ৰ সকলকো দৰ্শন নিদিব নেকি ? ব্ৰহ্মই ক'লে, মই নিজৰ পুত্ৰক লগতে অন্য যি কোনো লোকে সাধনা কৰিলেও দৰ্শন নিদিওঁ, মোৰ এই নিয়ম অটল থাকিব। দুৰ্গাই কলে যে ব্ৰহ্মৰ এই নিয়ম উত্তম নহয়, কিয়নো তেওঁ নিজৰ পুত্ৰৰ পৰা লুকাই থাকিম বুলি কৈছে। তেতিয়া (ব্ৰহ্ম) কালে ক'লে যে তেওঁ বিবশ। তেওঁ এক লাখ মানৱ শৰীৰ ধাৰী প্ৰাণীক ভক্ষণ কৰাৰ অভিশাপ পাইছে। কালে আকৌ ক'লে, যদি মোৰ পুত্ৰই (ব্ৰহ্মা, বিষ্ণু, মহেশ) মোৰ এই ৰহস্য গম পায় তেতিয়া উৎপত্তি, স্থিতি আৰু সংহাৰ কাৰ্য্য নকৰিব। গতিকে মোৰ এই নিয়ম অনুত্তম হলেও সদায় একে থাকিব। যেতিয়া এই তিনিজন পুত্ৰ অলপ ডাঙৰ হব সিহঁতক অচেতন কৰি দিবা। মোৰ কথা নকবা, নহ'লে তোমাকো শাস্তি দিম। দুৰ্গাই ভয়তে আচল কথা কাকো নকয়, এই কাৰণে গীতাৰ অধ্যায় ৭ শ্লোক ২৪ ত কৈছে যে, এই বুদ্ধিহীন মানুহ বিলাকে মোৰ এই অনুত্তম নিয়মৰ বিষয়ে একো নাজানে, মই কেতিয়াও কাৰো সন্মুখত দেখা নিদিওঁ আৰু নিজৰ যোগমায়াৰে লুকাই থাকো। এই কাৰণে মই অব্যক্ত হোৱা স্বত্বেও মানুহ বিলাকে মোক মনুষ্য ৰূপত অৰ্থাৎ কৃষ্ণ বুলি ভাবে। (অবুদ্ধয়ঃ) বুদ্ধিহীন মানুহে (মম) মোৰ (অনুত্তমম) একেবাৰে বেয়া (অভ্যয়ম) অবিনাশী (পৰম ভাৱম) বিশেষ ভাৱক (অজানন্ত) নেজানি (মাম অব্যক্তম) মই অব্যক্তক (ব্যক্তিম) মনুষ্য ৰূপত (আপন্নম) অহা (মন্যন্তে) বুলি মানি লয় অৰ্থাৎ মই কৃষ্ণ নহওঁ। (গীতা অধ্যায় ৭ শ্লোক ২৪)

গীতা অধ্যায় ১১ শ্লোক ৪৭-৪৮ ত কৈছে যে - এইটো মোৰ বাস্তৱিক কাল ৰূপ এই ৰূপৰ দৰ্শন অৰ্থাৎ ব্ৰহ্ম প্ৰাপ্তি বেদ বৰ্ণিত বিধিৰ দ্বাৰা, জপৰ দ্বাৰা, তপস্যাৰ দ্বাৰা, বা অন্য যিকোনো ক্ৰিয়াৰ দ্বাৰা হব নোৱাৰে।

যেতিয়া তিনিওজন পুত্ৰ ডেকা হল তেতিয়া আই ভৱানী (প্ৰকৃতি, অষ্টাংগী)য়ে তেওঁলোকক সাগৰ মন্থন কৰিবলৈ কলে। প্ৰথম বাৰ সাগৰ মন্থন কৰোঁতে (জ্যোতি নিৰঞ্জনে নিজৰ শ্বাসৰ দ্বাৰা চাৰিবেদ উৎপন্ন কৰিলে বেদক গোপন বাণীৰ দ্বাৰা সাগৰত থাকিবলৈ আদেশ দিলে) চাৰিবেদ ওলাল, ব্ৰহ্মাই এই চাৰিবেদ ল'লে। সাগৰ মন্থনত ওলোৱা বস্তুটো (বেদ) লৈ তিনিও

সন্তান মাকৰ ওচৰলৈ আহিল। মাকে ক'লে যে চাৰিও বেদক ব্ৰহ্মাই ৰাখক আৰু পঢ়ক।

টোকা ঃ প্ৰকৃততে পূৰ্ণব্ৰহ্মই ব্ৰহ্মক অৰ্থাৎ কালক পাঁচখন বেদ দিছিল। কিন্তু ব্ৰহ্মই চাৰিখন বেদ হে উলিয়ালে। পঞ্চমখন বেদ লুকুৱাই ৰাখিলে এই পঞ্চমখন বেদ পূৰ্ণ পৰমাত্মাই স্বয়ং আহি কবীৰগিৰ্ভী অৰ্থাৎ কবীৰবাণী (কবীৰ বাণী)ৰ দ্বাৰা লোকোক্তি আৰু পদাৱলীৰ মাধ্যমত প্ৰকাশ কৰিছিল।

দ্বিতীয় বাৰ সাগৰ মন্থন কৰোঁতে তিনিজনী যুৱতীক পালে। মাকে (দুৰ্গাই) তিনিও পুতেকক ভগাই দিলে। প্ৰকৃতি (দুৰ্গাই) য়ে নিজৰেই অন্য তিনিটা ৰূপ (সাবিত্ৰী লক্ষ্মী আৰু পাৰ্বতী) ধাৰণ কৰিলে আৰু এই তিনিওকে সাগৰত লুকাই দিলে। সাগৰ মন্থনৰ সময়ত বাহিৰলৈ ওলাই আহিল। সেই প্ৰকৃতিয়ে তিনিটা ৰূপ ললে আৰু ভগৱান ব্ৰহ্মাক সাবিত্ৰী ভগৱান বিষ্ণুক লক্ষ্মী, ভগৱান শিৱক পাৰ্বতী পত্নী ৰূপত দিলে। তিনিওজনে ভোগ বিলাস কৰিলে আৰু তাৰ দ্বাৰা দেৱতা আৰু অসুৰ দুয়োৰে উৎপন্ন হল।

যেতিয়া তৃতীয় বাৰ সাগৰ মন্থন কৰিলে তেতিয়া ব্ৰহ্মাৰ ভাগত চৈধ্যৰত্ন, বিষ্ণু আৰু দেৱতা সকলৰ ভাগত অমৃত, অসুৰ সকলৰ ভাগত মদ (সুৰা) পৰিল আৰু পৰমাৰ্থ শিৱই নিজৰ কণ্ঠত বিষ ধাৰণ কৰিলে। এইটো বহুত পিছৰ কথা, যেতিয়া ব্ৰহ্মাই বেদ পঢ়িবলৈ ধৰিলে তেতিয়া গম পালে যে সৰ্ব ব্ৰহ্মাণ্ডৰ ৰচনা কৰা কুলৰ মালিক, পুৰুষ (প্ৰভূ) অন্য বেলেগ কোনোবা আছে। তেতিয়া ব্ৰহ্মাই বিষ্ণু আৰু শিৱক ক'লে, যে বেদত লিখা মতে সৃষ্টি কৰ্ত্তা অন্য কোনোবা পুৰুষ (প্ৰভূ) আছে, কিন্তু বেদে এইটোও কয় যে সেই সৃষ্টি কৰ্ত্তা পুৰুষ (প্ৰভূ) কোন হয় তাৰ বিষয়ে বেদ অজ্ঞ, সেই পুৰুষ (প্ৰভূ)ৰ বিষয়ে জ্ঞান লাভৰ বাবে বেদে কোনো তত্বদৰ্শী সন্তক শুধি চাবলৈ কৈছে। তেতিয়া ব্ৰহ্মা আহি দূৰ্গাৰ ওচৰ পালে আৰু সকলো কথা ক'লে। দুৰ্গাই আগতে কৈছিল যে তেওঁৰ বাহিৰে আন কোনো নাই তেওঁৱেঁই কৰ্ত্তা, তেওঁ সৰ্বশক্তিমান কিন্তু ব্ৰহ্মাই ক'লে, যে বেদ ঈশ্বৰ প্ৰদত্ত, গতিকে মিছা হব নোৱাৰে। দুৰ্গাই ক'লে যে ব্ৰহ্মাৰ পিতাদেউয়ে তেওঁক দৰ্শন নিদিয়াৰ প্ৰতিজ্ঞা কৰা আছে। তেতিয়া ব্ৰহ্মাই ক'লে যে, হে আই এতিয়া আৰু আপোনাৰ প্ৰতি মোৰ বিশ্বাস হেৰাই গ'ল। মই সেই পুৰুষ (প্ৰভূ)ৰ ঠিকনা উলিয়াইহে এৰিম। দুৰ্গাই সুধিলে যদি তেওঁ তোমাক দৰ্শন নিদিয়ে তেন্তে কি কৰিবা, ব্ৰহ্মাই ক'লে, দুৰ্গাক আৰু মুখ নেদেখুৱায়। আনফালে জ্যোতি নিৰঞ্জনে শপত খাই থৈছে যে তেওঁ অব্যক্ত হৈ থাকিব, কাকো দৰ্শন নিদিব। অৰ্থাৎ ২১ ব্ৰহ্মাণ্ডত কেতিয়াও নিজৰ প্ৰকৃত ৰূপত (আকাৰ)ত দেখা নিদিব।

গীতা অধ্যায় নং ৭ ৰ শ্লোক নং ২৪

*অব্যক্তম্, ব্যক্তিম্, আপন্নম, মন্যন্তে, মাম্ অবুদ্ধয়।*

*পৰম্, ভাৱম, অজানন্ত; মম্, অব্যয়ম্ অনুত্তমম্।।২৪।।*

অনুবাদ ঃ (অবুদ্ধয়ঃ) বুদ্ধিহীন লোকে (মম্) মোৰ (অনুত্তমম্) বেয়া (অব্যয়ম) অটল

(পৰম) পৰম (ভাৱম) ভাবক (অজানন্ত) নেজানি (অব্যক্তম) অদৃশ্যমান (মাম্) মই কালক (ব্যক্তিম) নৰ ৰূপত কৃষ্ণৰ আকাৰ (আপন্নম) প্ৰাপ্ত হোৱা (মন্যন্তে) মানি লৈছে।

গীতা অধ্যায় ৭ শ্লোক নং ২৫ ঃ

*ন, অহম্ প্ৰকাশঃ সৰ্বস্য যোগমায়া সমাবৃত্তঃ।*

*মূঢ়ঃ অয়ম ন, অভিজানাতি লোকঃ মাম্ অজম্ অব্যয়ম।।২৫*

অনুবাদ ঃ (অহম) মই (যোগমায়া সমাবৃত) যোগমায়াৰে আবৃত হৈ (সৰ্বস্য) সকলোৰে (প্ৰকাশঃ) আগত প্ৰত্যক্ষ (ন) নহওঁ অৰ্থাৎ অদৃশ্য অৰ্থাৎ অব্যক্ত থাকোঁ। এই বাবে (অজম) জন্ম নোলোৱা (অব্যয়ম) অবিনাশী অটল ভাৱৰ (অয়ম) এই (মূঢ়) অজ্ঞানী মুৰ্খ (লোকঃ) সংসাৰৰ লোকে, (মাম্) মোক (ন অভিজানতি) নাজানে অৰ্থাৎ মোক কৃষ্ণ বুলি ভাৱে। কাৰণ ব্ৰহ্মই নিজৰ শব্দ শক্তিৰে নিজে নানা ৰূপ লয়। ব্ৰহ্ম দুৰ্গাৰ পতি, সেই কাৰণে এই মন্ত্ৰত কৈছে যে তেওঁ শ্ৰীকৃষ্ণ আদিৰ দৰে দুৰ্গাৰ পৰা জন্ম নলয়।

**ব্ৰহ্মাৰ নিজ পিতা ব্ৰহ্ম (কাল)ক বিচাৰি পোৱাৰ বাবে চেষ্টা ঃ**

তেতিয়া দুৰ্গাই ব্ৰহ্মাক ক'লে যে অলখ নিৰঞ্জন তেওঁৰ পিতা কিন্তু ব্ৰহ্মই তেওঁক দেখা নিদিয়ে। ব্ৰহ্মাই কলে যে তেওঁ ব্ৰহ্মৰ দৰ্শন কৰিহে উভতিব। দুৰ্গা মাতাই সুধিলে যে যদি তেওঁ দৰ্শন নাপায় তেতিয়া কি কৰিব। ব্ৰহ্মাই প্ৰতিজ্ঞা কৰি ক'লে যে যদি পিতাৰ দৰ্শন নহয় তেতিয়া তেওঁ দুৰ্গাৰ সন্মুখত নাহিব। এই বুলি কৈ ব্ৰহ্মা ব্যাকুল হৈ উত্তৰ দিশে গ'ল য'ত অন্ধকাৰৰ বাহিৰে একো নাছিল। তাত ব্ৰহ্মাই চাৰিযুগলৈকে ধ্যান কৰিলে কিন্তু একোকে নাপালে। কালে (ব্ৰহ্মই) আকাশবাণীৰে দুৰ্গাক সুধিলে যে সৃষ্টি ৰচনা কিয় কৰা নাই। ভৱানীয়ে কলে যে তেওঁৰ পুত্ৰ ব্ৰহ্মা তেওঁৰ অনুসন্ধানত ওলাই গৈছে। ব্ৰহ্মই (কাল) ব্ৰহ্মাক দেখা নিদিও বুলি ক'লে। ব্ৰহ্মাৰ অবিহনে জীৱ উৎপত্তিৰ সকলো কাৰ্য্য অসম্ভৱ হব। তেতিয়া দুৰ্গাই (প্ৰকৃতি) নিজৰ শব্দ শক্তিৰে গায়ত্ৰী নামৰ এজনী ছোৱালী উৎপন্ন কৰিলে। সেই ছোৱালীজনীক ব্ৰহ্মাক উভতাই আনিবলৈ ক'লে। গায়ত্ৰী ব্ৰহ্মাৰ ওচৰলৈ গ'ল, কিন্তু ব্ৰহ্মা সমাধিস্থ হৈ আছিল, তেওঁ গমেই নাপালে যে কোনোবা ওচৰলৈ আহিছে। তেতিয়া আদি কুমাৰী (প্ৰকৃতি)য়ে ধ্যান যোগে গায়ত্ৰীক ক'লে যে তাই ব্ৰহ্মাৰ ভৰি স্পৰ্শ কৰিব লাগে। গায়ত্ৰীয়ে সেইটোকে কৰিলে। ব্ৰহ্মাৰ ধ্যান ভঙ্গ হোৱাত কোন পাপিনীয়ে তেওঁৰ ধ্যান ভঙ্গ কৰিলে বুলি খং কৰিলে। গায়ত্ৰীক অভিশাপ দিবলৈ উদ্যত হ'ল। গায়ত্ৰীয়ে ব্ৰহ্মাক প্ৰথমতে তাইৰ কথা শুনিবলৈ কৈ জনালে যে তাইৰ একো দোষ নাই। নিজৰ কথা শুনাৰ পিছত হে শাও দিলেও দিব বুলিও গায়ত্ৰীয়ে ক'লে। গায়ত্ৰীয়ে জনালে যে তাইক মা দুৰ্গাই ব্ৰহ্মাক ঘূৰাই আনিবলৈ পঠাইছে। কাৰণ ব্ৰহ্মাৰ অনুপস্থিতিত জীৱ সৃষ্টি হব নোৱাৰে। ব্ৰহ্মাই যাবলৈ ইচ্ছা নকৰিলে। কাৰণ পিতাদেউৰ দৰ্শন নহল, এনেই গ'লে তেওঁ হাঁহিৰ পাত্ৰ হৈ পৰিব। যদি গায়ত্ৰীয়ে মা দুৰ্গাক কৈ দিয়ে যে তাই নিজ চকুৰে ব্ৰহ্মাই নিজৰ পিতা (জ্যোতি নিৰঞ্জন)ক লগ পোৱা দেখিছে

তেতিয়াহে ব্ৰহ্মা গায়ত্ৰীৰ লগত যাব বুলি ক'লে। তেতিয়া গায়ত্ৰীয়ে ক'লে যদিহে ব্ৰহ্মাই তাইৰ লগত সম্ভোগ কৰে তাই মিছা সাক্ষী দিবলৈ প্ৰস্তুত। তেতিয়া ব্ৰহ্মাই ভাবিলে যে পিতাদেউৰ দৰ্শন নকৰাকৈ মা দুৰ্গাৰ ওচৰলৈ গ'লে লাজ পাব, অন্য উপায় নেদেখি গায়ত্ৰীৰ লগত ৰতি ক্ৰিয়া (সংগম) কৰিলে।

তেতিয়া গায়ত্ৰীয়ে পৰামৰ্শ দিলে যে দুজন সাক্ষী হ'লে বেছি ভাল হয়। ব্ৰহ্মায়ো কথাটো ভাল পালে। তেতিয়া গায়ত্ৰীয়ে নিজৰ শব্দ শক্তিৰে এজনী ছোৱালী (পুহপৰতী নামৰ) উৎপন্ন কৰি, পিতাৰ দৰ্শন পাইছে বুলি মিছা সাক্ষী দিবলৈ কলে। পুহপৰতীয়েও গায়ত্ৰীৰ নিচিনাকৈ ব্ৰহ্মাই তাইৰ লগত ৰতি ক্ৰিয়া কৰিলেহে মিছা সাক্ষী দিব বুলি ক'লে। গায়ত্ৰীয়ে ব্ৰহ্মাক অন্য উপায় নাই বুলি উচটনি দিয়াত ব্ৰহ্মাই পুহপৰতীৰ লগত সংগম কৰিলে আৰু তিনিও মায়া (প্ৰকৃতি /দুৰ্গা)ৰ ওচৰলৈ গ'ল। দুয়ো দেৱীয়ে ব্ৰহ্মাকো দোষী সাব্যস্ত কৰিবলৈ ওপৰোক্ত চৰ্ত থৈছিল যাতে ব্ৰহ্মাই মা দুৰ্গাৰ সন্মুখত তেওঁলোকে মিছা সাক্ষী দিছে বুলি ক'ব নোৱাৰে।

এই কথাৰ বাবেই সন্ত গৰীবদাস মহাৰাজে কৈছে যে

*দাস গৰীব য়হ চুক ধুৰোঁ ধুৰ*

## মা দুৰ্গাৰ দ্বাৰা ব্ৰহ্মাক অভিশাপ দিয়া প্ৰসংগ

মা দুৰ্গাই পিতাৰ দৰ্শন হলনে বুলি ব্ৰহ্মাক সুধিলে। ব্ৰহ্মাই পিতাৰ দৰ্শন হৈছে বুলি কোৱাত দুৰ্গাই সাক্ষী বিচাৰিলে, ব্ৰহ্মাই ক'লে যে এই দেৱী দুজনীৰ সন্মুখত পিতাৰ লগত সাক্ষাৎকাৰ হৈছে। দুয়ো জনীয়ে ব্ৰহ্মাৰ কথাত হয়ভৰ দিলে। ভৱানী (প্ৰকৃতি)ৰ সন্দেহ হল কিয়নো ব্ৰহ্মাই কাকো দৰ্শন নিদিওঁ বুলি কৈছিল। অষ্টাংগীয়ে ধ্যানযোগে কাল/জ্যোতি নিৰঞ্জনৰ পৰা গোটেই ঘটনাটো জানিব বিচৰাত তেওঁ ক'লে যে তিনিওজনে মিছা মাতিছে। তেতিয়া মা দুৰ্গাই কলে যে আকাশ বাণীৰ দ্বাৰা তেওঁলোকে মিছা কৈছে বুলি গম পালে। ব্ৰহ্মাই কাকো দৰ্শন দিয়া নাই। ব্ৰহ্মাই ক'লে যে তেওঁ শপত খাই পিতাক বিচাৰি গৈছিল, কিন্তু পিতা (ব্ৰহ্মৰ)ৰ দৰ্শন নহল আৰু দুৰ্গাৰ ওচৰলৈ আহিবলৈকো লাজ লাগিছিল, গতিকে তিনিওৱে মিছা কৈছিল, তেতিয়া মা দুৰ্গাই শাও দিবলৈ উদ্যত হল।

দুৰ্গাই ক'লে যে ব্ৰহ্মাৰ পূজা সংসাৰত নহব। আগলৈ ব্ৰহ্মাৰ বংশধৰ সকলে বহুতো ভণ্ডামি কৰিব, মিছা কথাৰে গোটেই জগতক প্ৰৱঞ্চনা কৰিব। বাহিৰে বাহিৰে কৰ্মকাণ্ড কৰা যেন বোধ কৰাব কিন্তু ভিতৰি ভিতৰি নানা অপকৰ্ম কৰিব। নিজৰ সৎগ্ৰন্থৰ জ্ঞান নথকা স্বত্তেও পুৰাণৰ পৰা কথা পাঠ কৰি শুনাব আৰু মান সন্মানৰ বশৱৰ্তী হৈ ধন লাভৰ বাবে নিজকে গুৰু সজাই অনুগামী সকলক লোকবেদ (শাস্ত্ৰ বিৰুদ্ধ লোক উপাখ্যান) শুনাব। দেৱ দেৱীক পূজা নিজেও কৰিব আৰু আনৰ দ্বাৰাও কৰাব, পৰনিন্দা কৰি বহুত কষ্ট ভূগিব। তেওঁলোকে নিজৰ অনুগামীক পৰমাৰ্থ (পৰমেশ্বৰৰ বিষয়ৰ জ্ঞান) নকব। অকল দক্ষিণাৰ বাবে জগতক বিপথে লৈ যাব। নিজকে বৰ বোলাব আৰু আনক তুচ্ছ ভাবিব। মাতৃৰ মুখৰ পৰা এনে শাওবাক্য শুনি ব্ৰহ্মা মাটিত বাগৰি পৰিল। বহুত সময়ৰ পিছতহে চেতনা ঘূৰাই পালে।

গায়ত্ৰীকো অভিশাপ দিলে যে বহুতো ষাঁড় (দমৰা গৰু) তাইৰ পতি হব কাৰণ মৃত্যুলোকত তাই গাইৰ জন্ম পাব।

পুহপৰতী আবৰ্জনাৰে ভৰা লেতেৰা ঠাইত ফুল হৈ গজিব। এই ফুল পূজাত ব্যৱহাৰ নহব। মিছা সাক্ষী দিয়াৰ বাবে এই নৰক ভুগিব লাগিব। তাইৰ নাম কেতেকী হব। (হাৰিয়ানাত কুসোঁধী বুলি কয়। এই ফুল লেতেৰা ঠাইতহে হয়।

এইদৰে তিনিওকে শাও দিয়াৰ পিছত ভৱানীয়ে অনুশোচনা কৰিলে। এইদৰে প্ৰথমে জীৱই নভৱা-নিচিন্তাকৈ মন (কাল নিৰঞ্জন)ৰ প্ৰভাৱত (উচটানিত) বেয়া কাম কৰে কিন্তু যেতিয়া আত্মা (সৎপুৰুষ অংশ)ৰ প্ৰভাৱত জ্ঞান হয় তেতিয়া অনুশোচনা কৰিব ধৰে। মা-দেউতাই নিজৰ সন্তানক সৰু-সৰু ভুলৰ বাবেও গালি পাৰে কিন্তু পিছত অনুশোচনা কৰে। এই প্ৰক্ৰিয়া মন (কাল নিৰঞ্জন)ৰ প্ৰভাৱত সকলো জীৱতে ঘটি আছে। ইয়াত মন কৰিবলগীয়া কথা এই যে নিৰঞ্জনে (কালব্ৰহ্ম) আইন প্ৰণয়ন কৰি থৈছে যে নিজতকৈ কম শক্তিশালী জীৱক কষ্ট দিলে তাৰ ফল ভূগিব লাগিব। দুৰ্গাই ব্ৰহ্মা, গায়ত্ৰী আৰু পুহপৰতীক শাও দিয়া কথাটো জ্যোতি নিৰঞ্জনে ভাল নেপালে। তেওঁ দুৰ্গাক অভিশাপ দিলে যে দ্বাপৰ যুগত তাইৰ পাঁচজন পতি হব। (দ্ৰোপদী আদি মায়াৰ অৱতাৰ আছিল) যেতিয়া এই কথাৰ আকাশবাণী হল তেতিয়া আদি মায়াই ক'লে যে তাই জ্যোতি নিৰঞ্জনৰ (কালৰ) অধীনত আছে গতিকে তেওঁ যি কলেও তাই সেই কথা মতে চলিবলৈ বাধ্য।

(সৃষ্টি ৰচনাত দুৰ্গা দেৱীৰ অন্য নামবোৰ বাৰে বাৰে লিখাৰ উদ্দেশ্য হল পুৰাণ, গীতা আৰু বেদ সমূহত প্ৰমাণ চাওঁতে যাতে কোনেও ভ্ৰম নহয়। উদাহৰণস্বৰূপে গীতা অধ্যায় ১৪ শ্লোক ৩-৪ ত কাল ব্ৰহ্মই কয় প্ৰকৃতি হৈছে গৰ্ভ ধাৰণ কাৰিণী সকলো জীৱৰ মাতৃ। মই (কাল ব্ৰহ্ম) প্ৰকৃতিৰ গৰ্ভত বীজ স্থাপিত কৰা পিতৃ। একে অধ্যায় শ্লোক ৫ ত কয় প্ৰকৃতিৰ পৰা উৎপন্ন হোৱা তিনিগুণে জীৱক (আত্মাক) কৰ্ম বন্ধন ৰূপী ৰছীৰে শৰীৰত বান্ধি ৰাখে। এই প্ৰকৰণত প্ৰকৃতি হ'ল দূৰ্গাদেৱী আৰু তিনিও গুণ অৰ্থাৎ ৰজগুণ, সৎগুণ আৰু তমগুণ হ'ল ক্ৰমান্বয়ে ব্ৰহ্মা, বিষ্ণু, শিৱৰ সাংকেতিক নাম।

## বিষ্ণুদেৱৰ দ্বাৰা নিজৰ পিতা (কাল/ব্ৰহ্ম)ৰ প্ৰাপ্তিৰ বাবে প্ৰস্থান আৰু মা দুৰ্গাৰ দ্বাৰা আশীৰ্বাদ প্ৰাপ্তি

ইয়াৰ পিছত প্ৰকৃতিয়ে বিষ্ণুকো পিতাৰ অনুসন্ধান কৰিবলৈ ক'লে। তেতিয়া বিষ্ণুৱে পিতাদেউক (কাল/ব্ৰহ্ম) বিচাৰি বিচাৰি শেষ নাগৰ পাতাল লোকত প্ৰৱেশ কৰিলে। নিজৰ ক্ষেত্ৰৰ ভিতৰত অহা দেখি শেষ নাগে খঙতে বিষেৰে সৈতে ফোঁপাউৰি মৰাত বিষৰ প্ৰভাৱত বিষ্ণুৰ শৰীৰ শ্যাম বৰণৰ হল যেন ৰংহে সানিছে। তেতিয়া বিষ্ণুয়ে শেষনাগক শিক্ষা দিবলৈ মনস্থ কৰিলে। জ্যোতি নিৰঞ্জনে কথাটো গম পাই বিষ্ণুক শান্ত কৰিবলৈ আকাশবাণী কৰিলে যে বিষ্ণুৱে এতিয়া মা দুৰ্গাৰ ওচৰলৈ গৈ সত্য কথা কৈ গোটেই ঘটনাটো ক'ব আৰু শেষ নাগে

যি কষ্ট দিলে তাৰ প্ৰতিশোধ দ্বাপৰ যুগত ল'ব। তেতিয়া বিষ্ণুৱে কৃষ্ণ অৱতাৰ ল'ব আৰু শেষ নাগ কালিন্দ্ৰি নাগৰ অৱতাৰ লৈ কালীদহ হ্ৰদত বাস কৰিব।

*ঊচ হোই কে নীচ সতাৱৈ তাকৰ ওএল (বদলা) মোহী সো পাৱৈ।*

*জো জীৱ দেই পীৰ পুনি কাঁহু, হম পুনি অএল দিবাৱে তাহুঁ।।*

তাৰ পিছত বিষ্ণু মা দুৰ্গাৰ ওচৰলৈ আহি সকলো সত্য বৰ্ণনা কৰি ক'লে যে তেওঁক পিতাদেউৰ দৰ্শন নহ'ল। সত্য কথা শুনি মা (প্ৰকৃতি) প্ৰসন্ন হ'ল আৰু নিজৰ শক্তিৰে বিষ্ণুক তেওঁৰ পিতাদেউৰ দৰ্শন কৰাই বিষ্ণুৰ সংশয় আঁতৰ কৰিলে।

*কবীৰ দেখ পুত্ৰ তোই পিতা ভীটাওঁ, তৌৰে মন কা ধোখা মিটাঊ।।*

*মন স্বৰূপ কৰ্তা কহ জানো। মন তে দুজা ঔৰ ন মানো।*

*স্বৰ্গ পাতাল দৌৰ মন কেৰা। মন অস্থিৰ মন অহৈ অনেৰা।।*

*নিৰকাৰ মন হী কো কহিএ। মন কী আশ নিশ দিন ৰহিএ।।*

*দেখ হুঁ পলাটি শূন্য মহ জ্যোতি, জঁহা পৰ ঝিলমিল ঝালৰ হোতী।।*

এনেদৰে মা (অষ্টাংগী, প্ৰকৃতি)য়ে বিষ্ণুক ক'লে যে মনেই জগতৰ কৰ্ত্তা, ইয়েই জ্যোতি নিৰঞ্জন। ধ্যানমগ্ন অৱস্থাত যি এক হাজাৰ জ্যোতিৰ দৰ্শন হয় সেয়াই জ্যোতি নিৰঞ্জন (কাল)ৰ ৰূপ। শঙ্খ, ঘন্টাৰ যি শব্দ শুনা যায় সেয়া মহাস্বৰ্গত বাজি থকা কালৰ স্তুতিৰ শব্দ। তেতিয়া মা (অষ্টাংগী)য়ে বিষ্ণুক প্ৰশংসা কৰি ক'লে যে তেওঁৰ সকলো মনোবাঞ্ছা পূৰ্ণ কৰা হ'ব, সমগ্ৰ জগতত তেওঁৰ পূজা হ'ব কাৰণ তেওঁ সত্যবাদী। কালৰ একৈশ ব্ৰহ্মাণ্ডত থকা প্ৰাণীয়ে নিজৰ গুণানুকীৰ্তন নিজে কৰে। দুৰ্গাই কালৰ দৰ্শন কৰোৱা বুলি কলেও প্ৰকৃততে সেয়া দৰ্শন নাছিল, দুৰ্গাই মাত্ৰ প্ৰকাশ (জ্যোতি/পোহৰ) দেখুৱাই বিষ্ণুক ভ্ৰমিত কৰিলে। শ্ৰীবিষ্ণুৱেও নিজৰ অনুগামী সকলক ক'লে যে পৰমাত্মাৰ মাত্ৰ প্ৰকাশ (পোহৰ) ৰূপ হে দেখা যায়। পৰমাত্মা নিৰাকাৰ। ইয়াৰ পিছত আদি ভৱানী ৰুদ্ৰ (মহেশ)ৰ ওচৰলৈ গৈ ক'লে যে পিতাদেউক যদি বিচাৰিব খোজে যাব পাৰে, লগতে এইটোও কলে যে ব্ৰহ্মা আৰু বিষ্ণুৱে বিচাৰি পোৱা নাই। দুৰ্গাই জনালে যে ব্ৰহ্মা আৰু বিষ্ণুক দিবলগীয়া খিনি দিয়া হ'ল, যদি ৰুদ্ৰই কিবা বিচাৰে খুজিব পাৰে। তেতিয়া ৰুদ্ৰই ক'লে যে দুয়ো ককায়েকে যেতিয়া বিচাৰি পোৱা নাই আকৌ মিছাই চেষ্টা নকৰাই ভাল। ৰুদ্ৰই অমৰত্ব প্ৰাপ্তিৰ বাবে বৰদান বিচৰাত মা দুৰ্গাই ক'লে যে তেওঁ সেইটো দিব নোৱাৰে, লগতে ক'লে যে দীৰ্ঘায়ু হোৱাৰ উপায় ক'ব পাৰে তাৰ বাবে যোগ সমাধিমগ্ন হ'ব লাগে। (সেইবাবে মহাদেৱ প্ৰায় সমাধিস্থ হৈ থাকে)। ইয়াৰ পিছত মা (অষ্টাংগী/প্ৰকৃতি) য়ে তিনিও পুত্ৰক নিজৰ নিজৰ বিভাগ (কৰ্ম) ভগাই দিলে।

ভগৱান ব্ৰহ্মাদেৱক কাল লোকত চৌৰাষী লাখ শৰীৰ সৃষ্টি কৰিবলৈ অৰ্থাৎ ৰজোগুণ প্ৰভাৱিত কৰি সন্তান উৎপত্তিৰ কাৰণে বিৱশ কৰি জীৱ উৎপাদন কৰোৱা বিভাগ দিলে।

ভগৱান বিষ্ণুদেৱক কৰ্ম অনুসাৰে জীৱৰ পালন পোষন আৰু মোহ মায়া (মৰম স্নেহ) ৰে

আৰদ্ধ কৰি ৰখা বিভাগ (স্থিতি) দিলে।

ভগৱান শিৱক (মহাদেৱক) সংহাৰ কৰাৰ বিভাগ প্ৰদান কৰিলে। কাৰণ এওঁলোকৰ পিতা নিৰঞ্জনে প্ৰতিদিন একলাখ মানৱ শৰীৰধাৰী প্ৰাণী খাব লাগে।

এইখিনিতে মনত এটা প্ৰশ্ন উদয় হয় যে ব্ৰহ্মা, বিষ্ণু আৰু শংকৰৰ দ্বাৰা সৃষ্টি স্থিতি আৰু সংহাৰ কেনেকৈ সম্পন্ন হয়। এওঁলোক তিনিও নিজ নিজ লোকত বাস কৰে। যিদৰে আজি কালি আকাশত থকা কৃত্ৰিম উপগ্ৰহৰ দ্বাৰা পৃথিৱীৰ সঞ্চাৰ প্ৰণালী (যোগযোগ ব্যৱস্থা) পৰিচালিত হয়, ঠিক তেনেদৰে এই তিনিও দেৱতা (ব্ৰহ্মা, বিষ্ণু, মহেশ)ৰ শৰীৰৰ পৰা নিগৰা তিনিগুণৰ তৰংগ সকলো প্ৰাণীৰ ওপৰত আপোনা আপুনি প্ৰভাৱশীল হয়।

ওপৰৰ বৰ্ণনা ব্ৰহ্মৰ (কাল) এটা ব্ৰহ্মাণ্ডৰ সৃষ্টি ৰচনা। ক্ষৰ পুৰুষ (কাল ব্ৰহ্ম)ৰ এনেকুৱা একৈশ টা ব্ৰহ্মাণ্ড আছে।


কিন্তু ক্ষৰ পুৰুষ (কাল) স্বয়ং অব্যক্ত অৰ্থাৎ বাস্তৱিক শৰীৰ ৰূপত সকলোৰে সন্মুখত নাহে। ব্ৰহ্মা, বিষ্ণু, শিৱই বেদ বৰ্ণিত বিধি অনুসৰি যথাসাধ্য সাধনা কৰাৰ পিছতো ব্ৰহ্ম (কাল)ৰ দৰ্শন নাপালে। পৰৱৰ্তী সময়ত ঋষি-মুনি সকলে বেদ অধ্যায়ন কৰিলে। বেদত লিখা আছে যে "অগ্নেঃ তনুৰ অসি" (পবিত্ৰ যজুৰ্বেদ অধ্যায় ১ মন্ত্ৰ ১৫) পৰমেশ্বৰ সোঁশৰীৰে আছে। আকৌ পবিত্ৰ যজুৰ্বেদ অধ্যায় ৫ মন্ত্ৰ ১ ত লিখা আছে যে "অগ্নে তনুৰ অসি বিষ্ণুৱেত্বা সোমস্য তনুৰ অসি" এই মন্ত্ৰত বেদে দুবাৰ সাক্ষী দিছে যে সৰ্বব্যাপক সকলোৰে পালন কৰ্ত্তা সৎপুৰুষ সোঁশৰীৰে আছে। পবিত্ৰ যজুৰ্বেদ অধ্যায় ৪০ মন্ত্ৰ ৮ ত কোৱা আছে যে (কবীৰ মনিষী) যিজন পৰমেশ্বৰক সকলো প্ৰাণীয়ে বিচাৰে সেইজন কবীৰ বা কবীৰ হয়। তেওঁৰ শৰীৰ বিনা নাড়ীৰ (অস্নাবিৰম), (শুক্ৰম) শুক্ৰ বা বীৰ্য্য আৰু পঞ্চতত্বৰে নিৰ্মিত ভৌতিক (অকায়ম) কায়া ৰহিত অৰ্থাৎ হাড়, ছাল নাড়ীৰে নিৰ্মিত নহয়। তেওঁ সকলোৰে গৰাকী সত্যলোকত উচ্ছ আসনত অধিষ্ঠিত। তেওঁৰ শৰীৰ স্বয়ং প্ৰকাশিত (দিপ্তিমান) তেজপুঞ্জৰ, শব্দ ৰূপ আৰ্থাৎ অবিনাশী হয়। সেই কবীৰ্দেৱ (কবীৰ পৰমেশ্বৰ) সৰ্ব ব্ৰহ্মাণ্ডৰ ৰচনা কৰ্ত্তা (ব্যদধাতা) সৰ্ব ব্ৰহ্মাণ্ডৰ সৃষ্টি কৰ্ত্তা (স্বয়ম্ভুঃ) স্বয়ং বিদ্যমান (যথা তথ্য অৰ্থান) প্ৰকৃততে (শাশ্বত) অবিনাশী হয়। (গীতা অধ্যায় ১৫ শ্লোক ১৭ ত এই প্ৰমাণ আছে)। সাৰাংশ এই যে পূৰ্ণ ব্ৰহ্মৰ শৰীৰৰ নাম কবীৰ (কবীৰদেৱ) হয়। সেই পৰমাত্মাৰ শৰীৰ আভা (পোহৰ)ৰে নিৰ্মিত। দিব্য দৃষ্টি সম্পন্ন সাধকে হে পৰমাত্মাৰ শৰীৰ দেখা পায়, কাৰণ ই অতি সুক্ষ্ম। এইদৰে জীৱৰো সুক্ষ্ম শৰীৰ আছে যাৰ ওপৰত পঞ্চতত্বৰ আৱৰণ অৰ্থাৎ পঞ্চতত্বৰ কায়া আছে। এনে শৰীৰ পিতৃমাতৃৰ সংগমৰ পৰা বীৰ্য্যৰ দ্বাৰা তৈয়াৰী। শৰীৰ ত্যাগ কৰাৰ পিছতো জীৱৰ সুক্ষ্ম শৰীৰ লগতে থাকে। সেই শৰীৰ দিব্য দৃষ্টি সম্পন্ন সাধকেহে দেখা পাব। পৰমাত্মা আৰু জীৱৰ স্থিতি বা অৱস্থা এনেকুৱা বুলি জানিব লাগে। বেদত থকা ওঁ নামৰ জপ ব্ৰহ্ম প্ৰাপ্তিৰ বাবেহে হয়। ঋষি-মুনি সকলে ওঁ নামৰ জপ পূৰ্ণ ব্ৰহ্ম প্ৰাপ্তিৰ বাবে হয় বুলি ভাবি হাজাৰ হাজাৰ বছৰ ধৰি

হঠযোগ (সমাধিত বহি) কৰি প্ৰভূ প্ৰাপ্তিৰ চেষ্টা কৰিলে, কিন্তু প্ৰভূৰ দৰ্শন নহল, মাত্ৰ সিদ্ধি লাভ কৰিলে। সেই সিদ্ধি ৰূপী খেলাৰ সামগ্ৰীৰ সৈতে খেলি অৰ্থাৎ সিদ্ধিৰ প্ৰয়োগ কৰি ঋষি সকল জন্ম মৃত্যুৰ জালত আৱদ্ধ হৈ থাকিল আৰু নিজৰ অভিজ্ঞতাৰ পৰা পৰমাত্মা নিৰাকাৰ বুলি শাস্ত্ৰত উল্লেখ কৰিলে। ব্ৰহ্মই (কাল) প্ৰতিজ্ঞা কৰিছে যে নিজৰ প্ৰকৃত ৰূপত কাকো দেখা নিদিয়ে। জগতে ব্ৰহ্মক অব্যক্ত বুলি জানিব। (অব্যক্তৰ অৰ্থ হ্ল আকাৰ আছে কিন্তু ব্যক্তিগত ভাৱে স্থুল ৰূপত দেখা নিদিয়ে। আকাশত মেঘ থাকিলে দিনতো সূৰ্য্য অদৃশ্য হৈ যায়, তেতিয়া সূৰ্য্য দৃশ্যমান হৈ নাথাকে, কিন্তু মেঘৰ সিপাৰে বিদ্যমান আছে। এনে অৱস্থাক অব্যক্ত বুলি কোৱা হয়। (প্ৰমাণৰ বাবে চাব পাৰে গীতা অধ্যায় ৭ শ্লোক ২৪-২৫ অধ্যায় ১১ শ্লোক ৩২ আৰু ৪৮)।


পবিত্ৰ গীতা জ্ঞান দাতা ব্ৰহ্মাই (কাল) শ্ৰী কৃষ্ণৰ শৰীৰত প্ৰৱেশ কৰি কয় যে অৰ্জুন মই বৃদ্ধি প্ৰাপ্ত কাল হওঁ আৰু সকলোকে খাবলৈ আহিছোঁ (গীতা অধ্যায় ১১ শ্লোক নং ৩২) এইটো মোৰ প্ৰকৃত ৰূপ তোমাৰ বাহিৰে আগতে কোনেও দেখা নাই আৰু আগলৈও কোনেও নেদেখিব অৰ্থাৎ বেদত বৰ্ণিত যজ্ঞ জপ-তপ ওঁ নাম আদি বিধি বিধানৰ দ্বাৰা এই প্ৰকৃত স্বৰূপৰ দৰ্শন সম্ভৱ নহয়। (গীতা অধ্যায় ১১ শ্লোক ৪৮)। মই-কৃষ্ণ নহওঁ, মুৰ্খ লোক সকলে মই অব্যক্তক কৃষ্ণ ৰূপত ব্যক্ত (মনষ্য ৰূপ) হোৱা বুলি ভাৱে। কাৰণ এওঁলোক মোৰ নিকৃষ্ট নিয়মৰ লগত পৰিচিত নহয়। এই অতি বেয়া নিয়মানুযায়ী মই এই বাস্তৱিক কাল ৰূপত সকলোৰে আগত কেতিয়াও দেখা নিদিও। নিজৰ যোগ মায়াৰ দ্বাৰা লুকাই থাকোঁ। (গীতা অধ্যায় ৭ শ্লোক নং ২৪-২৫) এই খিনিতে মন কৰিব লগীয়া কথা এই যে ব্ৰহ্মই (কাল) তেওঁৰ লুকাই থকা বিধানক কিয় অনুত্তম (বেয়া) বুলি ক'লে।

যদি দেউতাই নিজৰ সন্তানকো মুখ নেদেখুৱায় তেতিয়াহলে দেউতাই নিশ্চয় কিবা লজ্জাজনক কাম কৰিছে। সন্তানক দেখা নিদিয়ে কিন্তু সকলো সুবিধাৰ ব্যৱস্থা কৰি দিয়ে। কালে (ব্ৰহ্মাই) অভিশপ্ত হোৱাৰ বাবে প্ৰতিদিন এক লাখ মানৱ শৰীৰ ধাৰী প্ৰাণীৰ আহাৰ কৰে আৰু তাৰ ২৫ শতাংশ প্ৰতিদিনে বেছিকৈ উৎপন্ন কৰে। এই ২৫ শতাংশ বেছিকৈ উৎপন্ন হোৱা জীৱৰ বাবে, কৰ্ম ফলৰ দণ্ড দিবলৈ চৌৰাশী লাখ যোনি ৰচনা কৰি থৈছে।

# ব্ৰহ্ম লোকৰ লঘু চিত্ৰ



## জ্যোতি নিৰঞ্জন (কাল) ব্ৰহ্ম লোকৰ (২১ ব্ৰহ্মাণ্ড)ৰ লঘু চিত্ৰ



যদি সকলোৱে সন্মুখত বহি কাৰোবাৰ কন্যা, পত্নী, পুত্ৰ, মা-দেউতা ইত্যাদিক কালে খায় তেতিয়া সকলোৱে তেওঁক ঘৃণা কৰিব আৰু কেতিয়াবা পূৰ্ণ পৰমাত্মা কবীৰগ্নি (কবীৰ পৰমেশ্বৰ) স্বয়ং আহিলে বা তেওঁৰ দূত পঠালে সকলো প্ৰাণী সত্য ভক্তি কৰি কালৰ জালৰ পৰা ওলাই যাব।

সেইবাবে সকলোকে ভ্ৰমিত কৰি ৰাখে আৰু গীতা অধ্যায় ৭ শ্লোক ১৮, ২৪, ২৫ ত নিজৰ (কালৰ) সাধনাৰ পৰা হোৱা মুক্তি (গতি)ক (অনুত্তম) অতি বেয়া বুলি কৈছে।

প্ৰত্যেক ব্ৰহ্মাণ্ডত থকা ব্ৰহ্মলোকত এখন মহাস্বৰ্গ নিৰ্মাণ কৰা আছে। প্ৰাণীক ভ্ৰমিত কৰি ৰাখিবলৈ মহাস্বৰ্গৰ এঠাইত প্ৰকৃতি (দুৰ্গা আদি মায়া) ৰ দ্বাৰা কৃত্ৰিম অলখ লোক কৃত্ৰিম অগম লোক আৰু কৃত্ৰিম অনামী লোক ৰচনা কৰি থোৱা আছে। এই সম্পৰ্কে কবীৰ চাহেবৰ বাণী- ‘‘কৰ নৈনো দীদাৰ মহল মে প্যাৰা হৈ’’ ত বাণী আছে -

*কায়া ভেদ কিয়া নিৰ বাৰা, য়হ সব ৰচনা পিণ্ড মঝাৰা হৈ।*
*মায়া অবিগত জাল পসাৰা, সো কাৰীগৰ ভাৰা হৈ।।*
*আদি মায়া কিনহী চতুৰাই, ঝুঠি বাজি পিণ্ড দিখাই।*
*অবিগত ৰচনা ৰচি অণ্ড মাহি ৱাকা প্ৰতিবিম্ব ডাৰা হৈ।।*

এটা ব্ৰহ্মাণ্ডত অন্য লোকৰো সৃষ্টি আছে যেনেঃ ব্ৰহ্মালোক, বিষ্ণুলোক, শিৱলোক। এই তিনি প্ৰভূৱে নিজৰ নিজৰ লোকত বহিয়েই তিনিওলোকৰ (স্বৰ্গলোক বা ইন্দ্ৰৰ লোক, পৃথিৱীলোক আৰু পাতাল লোক) এটা এটা বিভাগৰ গৰাকী হৈ আধিপত্য বিস্তাৰ কৰে আৰু নিজৰ পিতা ‘‘কাল’’ ৰ ভোজনৰ বাবে প্ৰাণীৰ উৎপত্তি, স্থিতি আৰু সংহাৰৰ কাৰ্য সম্পন্ন কৰে। এই তিনিওজন প্ৰভুৰো জন্ম-মৃত্যু হয়। তেতিয়া কালে এওঁলোককো খায়। এই ব্ৰহ্মাণ্ডত এটা মানসৰোবৰ আৰু ধৰ্মৰায় (ন্যায়ধীশ)ৰ লোকো আছে, লগতে এটা গুপ্তস্থানত পূৰ্ণ পৰমাত্মা অন্য ৰূপ ধাৰণ কৰি থাকে। এখন দেশত অন্য সকলো দেশৰ ৰাজদূত ভৱন থকাৰ লেখীয়াকৈ ইয়াৰ ব্যৱস্থা আছে। তাৰৈ কোনো যাব নোৱাৰে। যি সকল আত্মাৰ সত্যলোকৰ ভক্তি সাধনা আধৰুৱা হৈ ৰৈ গৈছে কেৱল সেই আত্মাহে তাত থাকে। যেতিয়া ভক্তি যুগৰ আৰম্ভ হয় পৰমেশ্বৰ কবীৰদেৱে নিজৰ প্ৰতিনিধি ৰূপে পূৰ্ণ সন্ত সৎগুৰুক পঠিয়াই দিয়ে। এই পুণ্যাত্মা সকলে তেতিয়া পৃথিৱীত মানৱ শৰীৰ প্ৰাপ্তি কৰে আৰু এওঁলোকে অতি শীঘ্ৰে সৎভক্তি গ্ৰহণ কৰে আৰু সৎগুৰুৰ পৰা দীক্ষা লৈ পূৰ্ণ মোক্ষ প্ৰাপ্তি কৰে। সেই ঠাইত থকা হংস আত্মাৰ নিজৰ ভক্তি ধন খৰছ নহয়। পৰমাত্মাৰ ভঁৰালৰ পৰা সকলো সুবিধা পাই থাকে। ব্ৰহ্ম (কাল) ৰ উপাসকৰ ভক্তি ধন স্বৰ্গ মহাস্বৰ্গত সমাপ্ত হয় কাৰণ এই কাললোক (ব্ৰহ্মলোক) আৰু পৰব্ৰহ্মলোকত প্ৰাণী সকলে নিজৰ আৰ্জিত কৰ্মফল হে ভোগ কৰে।

ক্ষৰ পুৰুষে (ব্ৰহ্মই) নিজৰ একুৰি ব্ৰহ্মাণ্ডক চাৰিটা মহাব্ৰহ্মাণ্ডত বিভক্ত কৰিছে। এটা মহাব্ৰহ্মাণ্ড পাঁচটা ব্ৰহ্মাণ্ডৰ সমষ্টি যাক এটা গোলাকাৰ পৰিধিৰ মাজত ৰখা হৈছে। ঠিক এইদৰেই চাৰিওটা মহাব্ৰহ্মাণ্ডক বেৰি ধৰি এটা গোলাকাৰ পৰিধিৰ নিৰ্মাণ কৰা হৈছে। একবিংশতম ব্ৰহ্মাণ্ডৰ ক্ষেত্ৰফল এটা মহাব্ৰহ্মাণ্ডৰ ক্ষেত্ৰফলৰ সমান। এই একবিংশতম ব্ৰহ্মাণ্ডত প্ৰৱেশ কৰিলেই তিনিটা পথ দেখা পোৱা যাব। একবিংশতিতম ব্ৰহ্মাণ্ডতো বাওঁফালে কৃত্ৰিম সৎলোক, কৃত্ৰিম অলখ লোক, কৃত্ৰিম অগম লোক আৰু কৃত্ৰিম অনামী লোকৰ সৃষ্টি কৰি দুৰ্গাই (আদি মায়া) জীৱক ভ্ৰমিত কৰি ৰখাৰ ব্যৱস্থা কৰিছে। আকৌ সোঁফালে বাৰজন সৰ্বশ্ৰেষ্ঠ ব্ৰহ্ম-সাধকৰ (ভকতৰ) বাবে থকাৰ ব্যৱস্থা কৰা আছে। এই বাৰজনক প্ৰত্যেক যুগত নিজৰ

বাৰ্তাবাহক (সন্ত সৎগুৰু)ৰ ৰূপত পৃথিৱীলৈ পঠিয়াই দিয়ে। এওঁলোকে শাস্ত্ৰবিধি ৰহিত সাধনা আৰু জ্ঞান প্ৰচাৰ কৰে যাৰ ফলত নিজেও ভক্তিহীন হৈ যায় আৰু অনুগামী সকলকো কালৰ জালত বন্দী কৰে। এনেদৰে সেই গুৰু সকল আৰু অনুগামী সকলকো কালৰ জালত বন্দী কৰে। এনেদৰে সেই গুৰুসকল আৰু অনুগামী সকল নৰক গামী হয়। নৰক ক্ষেত্ৰৰ সন্মুখৰ ৰাস্তাত এটা তলা মাৰি থোৱা আছে। সেই ৰাস্তা কাল (ব্ৰহ্ম)ৰ নিজৰ লোকলৈ যায়। কাল লোকত ব্ৰহ্ম (কাল) নিজৰ বাস্তৱিক মানৱ সদৃশ কাল ৰূপত বিদ্যমান আছে। এই স্থানত প্ৰকাণ্ড চেপেটা শিলৰ গোলাকাৰ টুকুৰা আপোনা আপুনি গৰম হৈ থাকে। এই শিলাখণ্ডৰ ওপৰত প্ৰতিদিন এক লাখ মানৱ শৰীৰ ধাৰী প্ৰাণীৰ সুক্ষ্ম দেহক তপত কৰি তাৰ পৰা মলি বিকাৰ উলিয়াই কালে ভক্ষণ কৰে। সেই সময়ত এই সকলো প্ৰাণীয়ে অত্যন্ত কষ্ট অনুভৱ কৰি হাহাকাৰ কৰে। ক্ষন্তেকৰ পিছত সকলো অচেতন হৈ পৰে, জীৱৰ মৃত্যু নহয়। ইয়াৰ পিছত ধৰ্মৰাজৰ দৰবাৰত উপস্থিত হয় আৰু নিজৰ কৰ্মৰ ভিত্তিত অন্য জন্ম প্ৰাপ্তি কৰে। এনেদৰে জন্ম-মৃত্যুৰ চক্ৰ অবিৰাম গতিত চলি থাকে। ওপৰত উল্লেখ কৰা তলা ব্ৰহ্মাই (কাল) কেৱল নিজৰ আহাৰৰ যোগ্য প্ৰাণীৰ প্ৰৱেশৰ বাবেহে ক্ষন্তেকৰ বাবে খুলি দিয়ে। পূৰ্ণ পৰমাত্মাৰ সত্যনাম আৰু সাৰনাম জপৰ দ্বাৰা সেই তলা আপোনা-আপুনি খুলি যায়। কবীৰ চাহেবে কালৰ জালৰ বিষয় তেওঁৰ ভক্ত ধৰ্মদাসক তন্ন-তন্নকৈ বুজাই দিছিল।

**পৰব্ৰহ্মৰ সাত শংখ ব্ৰহ্মাণ্ডৰ স্থাপনা**

কবীৰ পৰমেশ্বৰে আকৌ বৰ্ণনা কৰিছে যে পৰব্ৰহ্মাই (অক্ষৰ পুৰুষ) যেতিয়া নিজৰ কৰ্তব্যক অৱহেলা কৰি মান-সৰোবৰত শুই পৰিল তেতিয়া পৰমেশ্বৰে (কবীৰ দেৱে) তাত এটা অণ্ড (কণী) এৰি দিলে আৰু অক্ষৰ পুৰুষে (পৰব্ৰহ্ম) সেই অণ্ডলৈ ক্ৰোধ দৃষ্টি নিক্ষেপ কৰিলে। এই দুটা অপৰাধৰ বাবে পৰব্ৰহ্মকো সাত সংখ্য ব্ৰহ্মাণ্ডৰ সৈতে সতলোকৰ পৰা নিষ্কাষিত কৰিলে। অক্ষৰ পুৰুষ (পৰব্ৰহ্ম)ক সৎলোকৰ পৰা বহিষ্কাৰ কৰাৰ তৃতীয়টো অন্যতম কাৰণ এনেধৰণৰ ঃ ক্ষৰপুৰুষ (ব্ৰহ্ম)ৰ বিদায় ক্ষণত পৰম পিতা কবীৰদেৱ (কবীৰ পৰমেশ্বৰক) ক পাহৰি অক্ষৰ পুৰুষ (পৰব্ৰহ্ম) ক্ষৰ পুৰুষ (ব্ৰহ্ম)ৰ মোহত পৰিল। তেওঁৰ কথা ভাৱি ব্যাকুল হল। অক্ষৰ পুৰুষে ভাবিলে যে ক্ষৰ পুৰুষে অকলে থাকি ৰাজ্য ভোগ কৰি মহা আনন্দত থাকিব, তেওঁহে পিছ পৰিল। ইয়াৰোপৰি পৰব্ৰহ্মৰ সাত শংখ ব্ৰহ্মাণ্ডত জন্ম-মৃত্যুৰ কৰ্মদণ্ড ভোগ কৰি থকা কিছুমান আত্মাৰ বিদায় ক্ষণৰ কথা স্মৰণ কৰি পৰম সুখদাতা কবীৰ দেৱক পাহৰি গল। পৰমেশ্বৰ কবীৰ দেৱে বাৰে বাৰে বুজনি দিয়াতো ক্ষৰ পুৰুষৰ (ব্ৰহ্মৰ) প্ৰতি থকা অক্ষৰ পুৰুষৰ আস্থা নকমিল। পৰব্ৰহ্মাই (অক্ষৰ পুৰুষে) ভাবিলে যে তেওঁ ব্ৰহ্মৰ নিচিনাকৈ আছুতীয়া স্থান লাভ কৰিব পাৰিলে ভাল হব। এনে চিন্তা কৰি ৰাজ্য লাভৰ ইচ্ছা কৰি “সাৰনাম” ৰ জপ আৰম্ভ কৰিলে। ঠিক তেনেদৰে অন্য আত্মা সমূহে (যি সকল পৰব্ৰহ্মৰ সাত শংখ ব্ৰহ্মাণ্ডত বন্দী হৈ আছে) ভাবিলে যে ব্ৰহ্মৰ লগত যোৱা আত্মা সকলে তাত আনন্দ উপভোগ কৰি আছে, তেওঁলোকহে পিছ পৰিল। পৰব্ৰহ্মাই (অক্ষৰ পুৰুষে) হঠযোগ নকৰিলে, কিন্তু ৰাজ্য প্ৰাপ্তিৰ বাবে বিশেষ মনোযোগেৰে সহজ ধ্যান যোগ কৰিবৰ বাবে পাগলৰ দৰে ঘূৰি ফুৰিব ধৰিলে, খোৱা-বোৱাও ত্যাগ কৰিলে। কিছুমান আত্মা কালব্ৰহ্মৰ লগত যোৱা আত্মাৰ প্ৰেমত ব্যাকুল হৈ পৰিছিল যদিও এতিয়া পৰব্ৰহ্মৰ বৈৰাগ্য দেখি তেওঁৰ প্ৰতি আসক্ত হৈ পৰিল আৰু লগত যাব বিচাৰিলে। পূৰ্ণ প্ৰভূ কবীৰদেৱে সোধাত পৰব্ৰহ্মাই বেলেগে এটা স্থান খুজিলে আৰু কিছুমান হংসআত্মাকো লগত লৈ যোৱাৰ বাবে প্ৰাৰ্থনা কৰিলে। তেতিয়া কবীৰদেৱ কলে যে স্ব-ইচ্ছাই যাব বিচৰা হংস আত্মা সমূহক লগত পঠিয়াই

দিব। পূৰ্ণ প্ৰভূ কবীৰদেৱে হংস আত্মা সমূহক সুধিলে যে কোন কোন পৰব্ৰহ্মৰ লগত যাব বিচাৰে তেওঁলোকে নিজৰ সন্মতি ব্যক্ত কৰিব লাগে। বহু সময়ৰ পিছত এটা হংসাত্মাই স্বীকৃতি দিয়াৰ লগে লগে সকলো আত্মাই নিজৰ সন্মতি ব্যক্ত কৰিলে। প্ৰথমে স্বীকৃতি দিয়া হংসক স্ত্ৰী ৰূপ কৰিলে, আৰু নাম থলে ঈশ্বৰী মায়া (প্ৰকৃতি সুৰতি) আৰু অন্য আত্মাক ঈস্বৰীমায়াৰ ভিতৰত প্ৰৱেশ কৰোৱাই অচিন্তৰ হতুৱাই অক্ষৰ পুৰুষৰ (পৰব্ৰহ্মৰ) ওচৰলৈ পঠিয়াই দিলে। (পতিব্ৰতা স্থিতিৰ পৰা অৱনতি হোৱাৰ ফল ভোগ কৰিলে) বহু যুগলৈকে দুয়ো একে লগে কাম কৰিলে, কিন্তু পৰব্ৰহ্মই দুৰ্ব্যৱহাৰ নকৰিলে। ঈশ্বৰী মায়াৰ ইচ্ছা অনুসৰি অঙ্গীকাৰ কৰিলে অৰ্থাৎ ঈশ্বৰী মায়াক নিজৰ কৰি ল'লে আৰু নিজৰ শব্দ শক্তিৰ দ্বাৰা নখেৰে স্ত্ৰী ইন্দ্ৰিয় (যোনি) সৃষ্টি কৰিলে। ঈশ্বৰী দেৱীৰ সন্মতিক্ৰমে সন্তান উৎপন্ন কৰিলে। সেই কাৰণেই পৰব্ৰহ্মৰ লোকৰ (সাত শংখ ব্ৰহ্মাণ্ডৰ) প্ৰাণীয়ে তপত শিলাৰ কষ্ট ভোগ কৰিব নেলাগে আৰু তাৰ পশু-পক্ষীও ব্ৰহ্মলোকৰ দেৱতাতকৈও ভাল চৰিত্ৰবান হয়। তেওঁলোকৰ আয়ুও দীঘলীয়া। কিন্তু জন্ম-মৃত্যুৰ ভিত্তিত কৰ্মদণ্ড ভোগ কৰে আৰু নিজৰ ভৰণ-পোষণৰ বাবে পৰিশ্ৰম কৰে। স্বৰ্গ আৰু নৰকও এই বিধিৰেই নিৰ্মাণ কৰা হৈছে। পৰব্ৰহ্ম (অক্ষৰ পুৰুষ)ক তেওঁ কৰা সহজ সমাধি বিধিৰ প্ৰতিফল ৰূপে সাত শংখ ব্ৰহ্মাণ্ড প্ৰদান কৰিলে আৰু এই সাত শংখ ব্ৰহ্মাণ্ডক নিলগে গোলাকাৰ পৰিধিৰে বেৰি ৰাখিলে। অক্ষৰ ব্ৰহ্ম আৰু ঈশ্বৰী মায়াক সাত শংখ ব্ৰহ্মাণ্ডৰ লগতে বহিষ্কাৰ কৰি দিলে।

পূৰ্ণ ব্ৰহ্ম সৎপুৰুষ অৰ্থাৎ পৰমেশ্বৰ কবীৰ দেৱ সকলো ব্ৰহ্মাণ্ডৰ মালিক অৰ্থাৎ কুলৰ মালিক হয়। তেওঁৰ অধীনত, সত্যলোক আদিত থকা অসংখ্য ব্ৰহ্মাণ্ড, ব্ৰহ্মৰ একৈশ ব্ৰহ্মাণ্ড আৰু পৰব্ৰহ্মৰ সাত শংখ ব্ৰহ্মাণ্ড, সকলো আছে।

ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ চাৰি খন কৈ হাত আছে আৰু এওঁলোক প্ৰত্যেকজন ষোল কলা যুক্ত। প্ৰকৃতি দেৱী (দুৰ্গা)ৰ আঠ খন হাত আছে আৰু চৌষষ্ঠি কলা যুক্ত, ব্ৰহ্ম (ক্ষৰ পুৰুষ)ৰ একহাজাৰ খন হাত আছে, তেওঁ এক হাজাৰ কলা যুক্ত। আৰু একৈশ ব্ৰহ্মাণ্ডৰ স্বামী। পৰব্ৰহ্ম (অক্ষৰ পুৰুষ)ৰ দহ হাজাৰখন হাত আছে, তেওঁ দহ হাজাৰ কলাযুক্ত আৰু সাত শংখ ব্ৰহ্মাণ্ডৰ প্ৰভূ। পূৰ্ণ ব্ৰহ্ম (পৰম অক্ষৰ পুৰুষ অৰ্থাৎ সৎপুৰুষ)ৰ অসংখ্য হাত আছে আৰু অসংখ্য কলা যুক্ত। তেওঁ ব্ৰহ্মৰ একৈশ ব্ৰহ্মাণ্ড, পৰব্ৰহ্মৰ সাত সংখ্য ব্ৰহ্মাণ্ড লগতে অসংখ্য ব্ৰহ্মাণ্ডৰ প্ৰভূ হয়। এই সকলো প্ৰভূৱে নিজৰ সকলো হাত সীমিত কৰিব পাৰে, অকল দুখন হাতো ৰাখিব পাৰে। আকৌ ইচ্ছা কৰিলে সকলো হাত বাহিৰ কৰি লব পাৰে। পৰব্ৰহ্মৰ প্ৰত্যেক ব্ৰহ্মাণ্ডত পূৰ্ণ ব্ৰহ্মই আছুতীয়া স্থান নিৰ্মান কৰি বেলেগ ৰূপত গোপনে থাকে। গোটেই ব্যৱস্থাটো এনেধৰণৰ। এটা ঘূৰ্ণীয়মান কেমেৰা বাহিৰত ৰখা হৈছে আৰু ভিতৰত দূৰদৰ্শন ৰখা আছে। টিভিত বাহিৰৰ সকলো দৃশ্য দেখা যাব আৰু আন এটা দূৰদৰ্শন বাহিৰত ৰাখি ভিতৰত ৰখা কেমেৰা টোক স্থিৰ কৰি দিলে, তাত কেৱল ভিতৰত বহি থকা প্ৰৱন্ধকৰ চিত্ৰ হে দেখা পোৱা যাব। ইয়াৰ দ্বাৰা সকলো কৰ্মচাৰী সাৱধান হৈ থাকিব।

এইদৰেই পূৰ্ণ পৰমাত্মাই নিজৰ সত্যলোকত বিৰাজ কৰি সকলোকে নিয়ন্ত্ৰণ কৰি থাকে আৰু প্ৰত্যেক ব্ৰহ্মাণ্ডতো সৎগুৰু কবীৰদেৱ বিদ্যমান থাকে, তেওঁ সূৰ্য্যৰ দৰে দূৰত থাকিও নিজৰ প্ৰভাৱ সকলো লোকতে প্ৰকাশিত কৰি থাকে।

## পবিত্ৰ অথৰ্ব বেদত সৃষ্টি ৰচনাৰ প্ৰমাণ

অথৰ্ব বেদ কাণ্ড ৪ নং অনুবাক ১ নং মন্ত্ৰ ১ ঃ

*ব্ৰহ্ম জজ্ঞান প্ৰথম পুৰস্তাদ ৰি সীমিতঃ সুৰুচো ৱেন আৱঃ*

*স বুধন্যা উপমা অস্য বিষ্ঠাঃ সতশ্চ যোনিম সতশ্চ রি রঃ ?*

*ব্ৰহ্ম জ-জ্ঞানম-প্ৰথমম্-পুৰস্তাদ-বিসিমতঃ -সুৰুচঃ বেনঃ আরঃ -সঃ*

*বুধন্যাঃ-উপমা-অস্য-বিষ্ঠাঃ সত-চ-যোনিম-অসমঃ চ-রি রঃ*

অনুবাদ ঃ (প্ৰথম) প্ৰাচীন অৰ্থাৎ সনাতন (ব্ৰহ্ম) পৰমাত্মাই (জ) প্ৰকট হৈ (জ্ঞানম) নিজৰ বিচাৰ বিবেকেৰে (পুৰস্তাত) শিখৰত অৰ্থাৎ সত্যলোক আদি স্থানক (সুৰুচঃ) স্ব-ইচ্ছাই বৰ আগ্ৰহেৰে স্বয়ং প্ৰকাশিত (বিসিমত) সীমাহীন অৰ্থাৎ বিশাল সীমাযুক্ত ভিন্ন লোক সমূহক (ৱেনা) তাঁতীয়ে কাপোৰ বোৱাৰ দৰে বৈ অৰ্থাৎ নিৰ্মাণ কৰি (আৰ) সুৰক্ষিত কৰিলে (চ) আৰু (সঃ) সেই পূৰ্ণ ব্ৰহ্ময়েই সকলোৰে ৰচনা কৰে (অস্য) গতিকে সেই (বুধন্যাঃ) আচল গৰাকীয়ে (যোনিম) মূলস্থান সত্যলোকৰ ৰচনা কৰিছে। (অসৎ) ইয়াৰ (উপমা) সদৃশ অৰ্থাৎ ইয়াৰ তুলনাত (সতঃ) অক্ষৰ পুৰুষ অৰ্থাৎ পৰব্ৰহ্মৰ লোক কিছু মাত্ৰাত স্থায়ী হয় (চ) আৰু (অসত) ক্ষৰ পুৰুষৰ অস্থায়ী লোক ইত্যাদি (ৱিৱঃ) আৱাসিক স্থান সমূহ বেলেগ (বিষ্ঠা) স্থাপন কৰিছে অৰ্থাৎ নিৰ্মাণ কৰিছে।

সাৰাংশ ঃ পবিত্ৰ বেদ জ্ঞান দিওঁতা ব্ৰহ্মই (কাল) কৈছে যে সনাতন পৰমেশ্বৰে স্বয়ং অনাময় (অনামী) লোকৰ পৰা সত্যলোকলৈ আহি নিজৰ বিচাৰ বিবেচনাৰে শিপিনীয়ে কাপোৰ বোৱাৰ লেখীয়াকৈ ওপৰৰ সত্যলোক আদি স্থানক সীমাহীন, স্ব-প্ৰকাশিত, অজৰ-অমৰ অৰ্থাৎ অবিনাশী কৰি তুলিলে আৰু তলৰ পৰব্ৰহ্মৰ সাত সংখ্য ব্ৰহ্মাণ্ড লগতে ব্ৰহ্মৰ ২১ ব্ৰহ্মাণ্ড আৰু তাৰ অন্তৰ্গত অন্যান্য সৰু-সৰু গোটৰ সৃষ্টি সমূহক সেই পৰমাত্মাই অস্থায়ী ৰূপত সাজি উলিয়ালে।

অথৰ্ববেদ কাণ্ড ৪, অনুবাদ নং ১, মন্ত্ৰ নং ২ ঃ-

*ইয় পিত্ৰ্যা ৰাষ্ট্ৰয়েত্বগ্ৰে প্ৰথমায় জনুষে ভুৱনেষ্ঠা।*

*তস্মা এত সুৰুচ হ্ৱাৰমহাম ধৰ্ম শ্ৰীণান্তু প্ৰথমায়-ধাস্যৱে।।২।।*

*ইয়ম-পিত্ৰ্যা-ৰাষ্ট্ৰি-এতু-অগ্ৰে-প্ৰথমায়-জনুষে-ভুৱনেষ্ঠাঃ-তস্মা-এতম-সৰুচম-হ্ৱাৰমহ্যম-ধৰ্মম্-শ্ৰীণান্তু-প্ৰথমায়-ধাস্যৱে।*

অনুবাদ ঃ (ইয়ম) এই, (পিত্ৰ্যা) জগত পিতা পৰমেশ্বৰে (প্ৰথমায়) সৰ্বপ্ৰথমে (এতু) এই (অগ্ৰে) সৰ্বোত্তৰ মায়া পৰানন্দিনী (ৰাষ্ট্ৰি) ৰাজেশ্বৰী শক্তি অৰ্থাৎ পৰাশক্তিৰ (যাৰ অন্য নাম আকৰ্ষন শক্তি (জনুষে) উৎপন্ন কৰি (ভুৱনেষ্ঠা) লোক (স্থান) সমূহৰ স্থাপন কৰিলে, (তস্মা) সেই পৰমেশ্বৰেই (সুৰুচম) বৰ আগ্ৰহেৰে, স্ব-ইচ্ছাই (এতম) এই (প্ৰথমায়) প্ৰথমতে উৎপত্তি কৰা শক্তি অৰ্থাৎ পৰা শক্তিৰ দ্বাৰা (হ্ৱাৰমহাম) পৰস্পৰৰ মাজৰ বিচ্যুতিক সমাপ্ত কৰিবলৈ (শ্ৰীণান্তু) গুৰুত্ব আকৰ্ষণ শক্তিক পৰমাত্মাই সদায় বিদ্যমান হবলৈ আদেশ দিলে আৰু (ধৰ্ম) এই স্বভাৱ (আকৰ্ষণ) ধ্যাস্যৱে) ধাৰণ কৰি কাপোৰ বোৱাৰ দৰে ওপৰত উল্লেখ কৰা লোক (স্থান) সমূহক ধৰি ৰখা হৈছে।

সাৰাংশ ঃ জগত পিতা পৰমেশ্বৰে নিজৰ শব্দ শক্তিৰ দ্বাৰা সৰ্বপ্ৰথমে ৰাষ্ট্ৰী অৰ্থাৎ ৰাজেশ্বৰী মায়াৰ উৎপন্ন কৰিলে, আৰু সেই পৰ শক্তিৰ দ্বাৰাই কেতিয়াও সমাপ্ত নোহোৱা, সদায় বিদ্যমান হৈ থকা আকৰ্ষণ শক্তিৰ গুণৰ দ্বাৰা ওপৰৰ সকলো ব্ৰহ্মাণ্ডক স্থাপন কৰিলে।

অথৰ্ববেদ কাণ্ড নং ৪, অনুবাক নং ১, মন্ত্ৰ নং ৩ ঃ

*প্ৰয়ো জজ্ঞে বিদ্বানস্য বন্ধুৰ্বিশ্বা দেৱানা জনিমা বিৱক্তি।*

*ব্ৰহ্ম ব্ৰহ্মণ উজ্জাভাৰ মধ্যান্নী চৈৰুচ্চৈঃ স্বধা অভি প্ৰ তস্থৌ।।৩।।*

*প্ৰ-য়ঃ-জজ্ঞে-বিদ্বানস্য-বন্ধুঃ-বিশ্বা-দেৱানাম-জনিমা-বিৱক্তি-ব্ৰহ্মঃ*

*ব্ৰহ্মণঃ-উজ্জভাৰ-মধ্যাত-নিচৈঃ উচ্চৈঃ-স্বধা-অভিঃ প্ৰতস্থৌ*

অনুবাদ ঃ (বিদ্বানস্য) জিজ্ঞাসু ভক্তৰ (যঃ) যিজন (বন্ধু) বাস্তৱিক সখা অৰ্থাৎ পূৰ্ণ পৰমাত্মাই নিজ সেৱকক (জনিমা) নিজৰ দ্বাৰা কৰা সৃষ্টি সম্পৰ্কে (বিৱক্তি) নিজেই সম্পূৰ্ণ বিস্তাৰিত ভাৱে বৰ্ণনা কৰে। (প্ৰ) সৰ্ব প্ৰথমে (দেৱানাম) দেৱতা সকলৰ আৰু ব্ৰহ্মাণ্ডৰ (জজ্ঞে) উৎপত্তি সম্পৰ্কে জ্ঞান দিয়ে। (ব্ৰহ্মণঃ) পূৰ্ণ পৰমাত্মাই (মধ্যাত) নিজৰ মাধ্যমেদি অৰ্থাৎ শব্দ শক্তিৰে (ব্ৰহ্মঃ) ব্ৰহ্ম-ক্ষৰ পুৰুষ অৰ্থাৎ সকলো লোকক (উচৈ্চ) ওপৰফালে সত্যলোক আদি (নিচৈঃ) তলৰফালে ক্ৰমে পৰব্ৰহ্ম আৰু ব্ৰহ্মৰ সকলো ব্ৰহ্মাণ্ড (স্বধা) নিজৰ ধাৰণ কৰিব পৰা (অভিঃ) আকৰ্ষণ শক্তিৰ দ্বাৰা (প্ৰতস্থৌ) দুয়োকে উপযুক্ত ভাৱে অৱস্থিত কৰিলে।

সাৰাংশ ঃ পূৰ্ণ পৰমাত্মাই নিজৰ দ্বাৰা কৰা সৃষ্টি ৰচনাৰ জ্ঞান আৰু সকলো আত্মাৰ উৎপত্তিৰ জ্ঞান নিজৰ দাসক নিজেই সঠিক ভাৱে কয়। পুৰ্ণ পৰমাত্মাই নিজৰ শব্দ শক্তিৰ দ্বাৰা ব্ৰহ্ম (ক্ষৰ পুৰুষ /কাল)ৰ উৎপত্তি কৰিলে আৰু সকলো ব্ৰহ্মাণ্ডকো ওপৰফালে সত্যলোক, অলখ লোক, অগম লোক, অনামী লোক ইত্যাদি আৰু তলৰ ফালে ক্ৰমে পৰব্ৰহ্মৰ সাত সংখ্য ব্ৰহ্মাণ্ড লগতে ব্ৰহ্মৰ ২১ ব্ৰহ্মাণ্ড সকলোকে নিজে নিজক ধাৰণ কৰিব পৰা আকৰ্ষণ শক্তি প্ৰদান কৰি অৱস্থিত কৰি থৈছে।

উদাহৰণ স্বৰূপে পৰমাত্মা কবীৰ পৰমেশ্বৰে (কবীৰদেৱ) তেওঁৰ সেৱক অৰ্থাৎ সখা শ্ৰী ধৰ্মদাসদেৱ, আদৰণীয় গৰীবদাস দেৱ আদিক নিজৰ দ্বাৰা ৰচনা কৰা সৃষ্টিৰ জ্ঞান নিজেই কৈ শুনাইছিল। উপৰোক্ত বেদমন্ত্ৰবোৰে এই কথাৰ সমৰ্থন কৰিছে।

অথৰ্ববেদ কাণ্ড নং ৪, অনুবাক নং ১, মন্ত্ৰ নং ৪ ঃ-

*সঃ হি দিৱঃ সঃ পৃথিব্যা ঋতস্থা মহী ক্ষেম ৰোদসী অস্কভায়ত্।*
*মহান্ মহী অস্কাভায়দ বি জাতো দ্যা সম পাৰ্থিব চ ৰজঃ।।৪।।*
*সঃ-হি-দিৱঃ স-পৃথিব্যা-ঋতস্থা-মহী-ক্ষেমম্-ৰোদসী-অকম্ভায়ত্*
*মহান-মহী-অস্কভায়দ্-বিজাতঃ ধাম-সদম্ পাৰ্থিবম্-চ-ৰজঃ*

অনুবাদ ঃ (সঃ) সেই সৰ্বশক্তিমান পৰমাত্মাই (হি) নিঃসন্দেহ (দিৱঃ) ওপৰৰ চাৰিটা দিব্য গুণ যুক্ত স্থান যেনে - সত্যলোক, অলখলোক, অগম লোক আৰু অনামী অৰ্থাৎ অকহ লোক সমূহক (ঋতস্থা) অজৰ-অমৰ কৰি স্থিৰ কৰিলে, (স) সেই লোক সমূহৰ সমানেই (পৃথিব্যা) তলৰ পৃথিৱীৰসকলো লোক যেনে ঃ- পৰব্ৰহ্মৰ সাত সংখ্য ব্ৰহ্মাণ্ড, লগতে ব্ৰহ্ম/ কালৰ একৈশ ব্ৰহ্মাণ্ড (মহী) পৃথিৱী তত্ত্বৰ দ্বাৰা (ক্ষেমম্) সুৰক্ষিত কৰি (অস্কভায়ত) স্থিৰ কৰিলে। আকাশ আৰু পৃথিৱী তত্ব দুয়োৰে ওপৰ আৰু তলফালে থকা ব্ৰহ্মাণ্ড সমূহক (মহান) পূৰ্ণ পৰমাত্মা সৃষ্টি কৰিলে। আকৌ (পাৰ্থিবম্) পৃথিৱীৰ দৰে বিভিন্ন সৰু সৰু (ধাম) লোক (চ) আৰু (সদম) আবাসিক স্থান (মহী) পৃথিৱী তত্বৰ দ্বাৰা (ৰজঃ) প্ৰত্যেক ব্ৰহ্মাণ্ডত (জাত) ৰচনা কৰি (অস্কভায়ত) স্থিৰ কৰিলে।

সাৰাংশ ঃ সেই পৰমাত্মাই ওপৰৰ চাৰিটা লোক সত্য লোক, অলখ লোক, অগম লোক, আৰু অনামী লোক সমূহক স্থায়ী ৰূপে অজৰ-অমৰ কৰি অৰ্থাৎ অবিনাশী কৰি তুলিলে আৰু তলৰ পৰব্ৰহ্ম তথা ব্ৰহ্মৰ লোক সমূহক অস্থায়ী ৰূপে সৃষ্টি কৰিলে। অন্যান্য সৰু সৰু অস্থায়ী প্ৰকৃতিৰ লোক সমূহো সেই পৰমেশ্বৰে ৰচনা কৰিলে।

অথৰ্ববেদ কাণ্ড নং ৪, অনুবাক নং ১, মন্ত্ৰ নং ৫ ঃ

*সঃ বুধন্যাদাষ্ট্ৰ জনুষো অভ্যগ্ৰ বৃহস্পতি দেৱতা তস্য সম্ৰাট।*
*অহৰ্যচ্ছুক্ৰ জ্যোতিষো জনিষ্টাথ দ্যুমন্তো ৰি বসন্তু বিপ্ৰাঃ ।।৫।।*

*সঃ-বুধন্যাত্-আষ্ট্র-জনুষেঃ অভি-অগ্রম-বৃহস্পতিঃ-দেৱতা-তস্য-সম্রাট-অহঃ-য়ত্-শুক্রম-জ্যোতিষঃ-জনিষ্ট-অহা-দ্যুমন্তঃ-বি-বসন্তু-বিপ্রাঃ।*

অনুবাদ ঃ (সঃ) সেই মূল গৰাকীৰ পৰা (অভি অগ্রম) সর্ব প্রথম স্থানত (আষ্ট্র) অষ্টাংগী মায়া দুর্গা অর্থাৎ প্রকৃতি দেৱী (জনেষু) উৎপন্ন হ'ল। পৰব্রহ্ম আৰু ব্রহ্মলোকৰ প্রথম স্থান হল সত্যলোক যাক তৃতীয় ধাম বুলিও জনা যায়। (তস্য) এইজনী দুর্গাৰো মালিক হল সেই (সম্রাট) ৰাজাধিৰাজ (বৃহস্পতিঃ) সকলোতকৈ ডাঙৰ পতি আৰু জগতগুৰু (দেৱতা) পৰমেশ্বৰ। (য়ত্) এই জন পৰমেশ্বৰৰ পৰা (অহঃ) আমি ইয়াত থকা সকলো আত্মাৰ বিচ্ছেদ হল। (অথ) ইয়াৰ পিছত (জ্যোতিষঃ) জ্যোতিৰূপ নিৰঞ্জন অর্থাৎ কালৰ (শুক্রম) বীর্য্য অর্থাৎ বীজ শক্তিৰ পৰা (বিপ্রাঃ) ভক্ত আত্মা বিলাকৰ (জনিষ্ট) দুর্গাৰ পেটৰ পৰা উৎপন্ন হল। জ্যোতি নিৰঞ্জনৰ আদেশ অনুসৰি দুর্গাই আমাক (বি) বেলেগ (দ্যুমন্ত) মনুষ্য লোক আৰু স্বর্গ লোক (বসন্তু)ত বসবাস কৰিবলৈ কলে অর্থাৎ আমি বসবাস কৰিবলৈ ললোঁ।

সাৰাংশ ঃ উর্দ্ধতম স্থানৰ চাৰিটা লোকৰ ভিতৰৰ নিম্নতম লোকত অর্থাৎ সত্যলোকত পূর্ণ পৰমাত্মাই আষ্ট্রা অর্থাৎ অষ্টাংগী (প্রকৃতি দেৱী/দুর্গা)ৰ উৎপত্তি কৰিলে। এইজন পূর্ণ পৰমাত্মা হল ৰাজাধিৰাজ, জগতগুৰু, পূর্ণ পৰমেশ্বৰ (সত্যপুৰুষ) যিজনৰ পৰা সকলোৰে বিয়োগ অর্থাৎ বিচ্ছেদ ঘটিল। পূর্ণ পৰমাত্মাৰ পৰা বিচ্ছেদ হোৱাৰ অর্থাৎ আঁতৰি অহাৰ পিছত সকলো প্রাণী জ্যোতি নিৰঞ্জন (কাল)ৰ (বীর্য্য) বীজৰ পৰা দুর্গা (আষ্ট্রা)ৰ গর্ভৰ দ্বাৰা উৎপন্ন হৈ স্বর্গ আৰু পৃথিৱী লোকত বসবাস কৰিবলৈ ল'লো।

অথর্ববেদ কাণ্ড নং ৪, অনুবাক নং ১, মন্ত্র নং ৬

*নুন তদস্য কাব্যো হিনোতি মহো দেবস্য পূর্ব্যস্য ধাম।*
*এষ জগ্যে বহুভিঃ সাকমিত্থা পূর্বে অর্ধে বিষিতে সসন্ নু ।।৬।।*

*নুনম্-তত্-অস্য-কাব্যঃ-মহঃ-দেবস্য-পূর্ব্যস্য-ধাম-হিনোতি-পূর্বে-বিষিতে-এষ-জগ্যে-বহুভিঃ-সাকম-ইত্থা-অর্ধে-সসন্-নু।*

অনুবাদ ঃ (নুনম) নিসন্দেহ (তত্) সেইপূর্ণ পৰমেশ্বৰ অর্থাৎ তত্ ব্রহ্মই (অস্য) এই (কাব্যঃ) ভক্ত আত্মাক যি পূর্ণ পৰমেশ্বৰৰ ভক্তি বিধি অনুসৰি কৰে তেওঁলোকক উভতাই (মহঃ) সর্বশক্তিমান (দেবস্য) পৰমেশ্বৰৰ (পূর্ব্যস্য) আগৰ (ধাম) লোকত অর্থাৎ সত্যলোকত (হিনোতি) পঠায়।

(পূর্বে) আগৰে পৰাই (বিষিতে) বিশেষ ভাবে মনে বিচৰা (এষ) এই পৰমেশ্বৰক আৰু (জগ্যে) সৃষ্টিৰ উৎপত্তি জ্ঞানক জানি লৈ (বহুভিঃ) অতি আনন্দৰে (সাকম) সৈতে (অর্ধে) অর্দ্ধ (সসন্) শয়ন অৱস্থাৰে (নু) সত্য আত্মাই আন্তৰিকতাৰে (ইত্থা) বিধিবত স্তুতি কৰে।

সাৰাংশ ঃ সত্য সাধনা কৰা সাধক সকলক সেই পূর্ণ পৰমেশ্বৰে আগৰ সেই স্থানলৈ (সত্যোলক) লৈ যায় যৰ পৰা সেই সাধক আত্মা সকল আঁতৰি আহিছিল। তাত সেই সুখৰ খনি স্বৰূপ পৰমাত্মাক লগ পোৱাত আনন্দত আত্ম বিভোৰ হৈ পৰমাত্মাৰ স্তুতিত মগ্ন হয় আৰু অসংখ্য জন্মলৈকে বিচ্ছেদ হৈ থকাৰ পিছত পুনৰ মিলন হোৱাত অতিশয় আনন্দিত হয়। নিজৰ আচল ঘৰ আহি পোৱাত স্বস্তিৰ নিশ্বাস পেলায়।

এই কথাৰ প্রমাণ ঋগবেদ মণ্ডল ১০ সুক্ত ৯০ মন্ত্র ১৬ ত আছে।

আদৰণীয় গৰীবদাস দেৱক এই দৰেই পূর্ণ পৰমাত্মা কবীৰ পৰমেশ্বৰে সত্য ভক্তি প্রদান কৰি সত্যলোকলৈ লৈ গৈছিল। তাত গৈ গৰীবদাস মহাৰাজে নিজ চকুৰে দেখা দৃশ্য তেওঁৰ অমৃত বাণীত এইদৰেই বর্ণনা কৰিছে ঃ

*গৰীব অজৰ নগৰ মে লে গয়ে হমকুঁ সৎগুৰু আন।*
*ঝিলকে বিম্ব অগাধ গতি, সুতে চাদৰ তান।।*

অথৰ্ববেদ কাণ্ড নং ৪, অনুবাক নং ১, মন্ত্ৰ নং ৭

*য়ো অথৰ্বাণ পিত্তৰম্ দেৱবন্ধু বৃহস্পতি নমসাৱ চ গচ্ছাত।*
*ত্ব বিশ্বেষা জনিতা য়থাস-কবীৰদেৱো ন দভায়ত স্বধাৱান ।।৭।।*

*য়ঃ অথৰ্বাণম্-পিত্তৰম-দেববন্ধুম্-বৃহস্পতিম্-নমসা-অৱ-চ-গচ্ছাত-ত্বম-বিশ্বেষাম-জনিতা-য়থা-সঃ-কবীৰদেৱ-ন-দভায়ত স্বধাৱান।*

অনুবাদ ঃ (য়ঃ) যি জন (অথৰ্বাণম্) অবিনাশী (পিত্তৰম) জগত পিতা (দেৱবন্ধুম) ভক্তৰ বাস্তৱিক সখা অৰ্থাৎ আত্মাৰ আধাৰ (বৃহস্পতিম) জগত গুৰুৱে (নমসা) বিধিৱত সাধক সকলক (অৱ) সুৰক্ষা দি (গচ্ছাত) সত্যলোকলৈ যোৱা সকলক নিৰাপত্তা প্ৰদান কৰে, তেওঁ (বিশ্বেষাম) সৰ্বব্ৰহ্মাণ্ডৰ (জনিতা) সৃষ্টি কৰ্তা জগদম্বা আৰু মাতৃ গুণ-যুক্ত, (ন দভায়ত) কালৰ দৰে প্ৰৱঞ্চনা নকৰা (স্বধাৱন) স্বভাৱৰ, তেওৱেঁই (যথা) যথাৰ্থতে (স) সেইজন (ত্বম) তেওঁ (কবীৰদেৱঃ কবীৰদেৱঃ) কবীৰ্দেৱ হয় অৰ্থাৎ অন্য ভাষা শৈলীত তেওঁক কবীৰ পৰমেশ্বৰ বোলা হয়।

সাৰাংশ ঃ এই মন্ত্ৰত স্পষ্ট কৰি দিয়া হৈছে যে পূৰ্ণ পৰমাত্মাৰ নাম কবীৰদেৱ আৰ্থাৎ কবীৰ পৰমেশ্বৰ হয়। তেওঁ সকলো সৃষ্টি কৰিছে।

সেইজন পৰমেশ্বৰৰ গুণানুকীৰ্তণ কৰি কোৱা হৈছে যে তেওঁ প্ৰকৃত অবিনাশী। (গীতা অধ্যায় ১৫ শ্লোক ১৬-১৭ ত ইয়াৰ প্ৰমাণ আছে) তেওঁ জগতগুৰু আত্মাৰ আধাৰ, পূৰ্ণ মুক্ত হোৱা সকলক তেওঁ সত্যলোকলৈ লৈ যায়। তেওঁ সকলো ব্ৰহ্মাণ্ডৰ সৃষ্টিকৰ্তা, কাল (ব্ৰহ্ম)ৰ দৰে তেওঁ প্ৰৱঞ্চনা নকৰে। তেওঁ যথাৰ্থতে স্বয়ং কবীৰদেৱ অৰ্থাৎ কবীৰ প্ৰভূ হয়। এইজন পৰমেশ্বৰে সৰ্ব ব্ৰহ্মাণ্ড আৰু প্ৰাণীক নিজৰ শব্দ শক্তিৰ দ্বাৰা উৎপন্ন কৰা কাৰণে এওঁক (জনিতা) মাতা (মা) বুলিও কোৱা হয়, আকৌ (পিত্তৰম) পিতা আৰু (বন্ধু) ভাই লগতে (দেৱ) পৰমেশ্বৰও এওৱেঁই/সেই কাৰণে এইজন কবীৰদেৱ (কবীৰ পৰমেশ্বৰ)ৰ স্তুতি কৰিব লাগে। তেওৱেঁই মা আৰু দেউতা, বন্ধু আৰু সখা, বিদ্যাও তেওঁ, বস্তু-পদাৰ্থও তেওঁৱেঁই সকলো। এইজন পৰমেশ্বৰৰ মহিমাৰ বিস্তৃত বিৱৰণ ঋগবেদ মণ্ডল নং ১, সুক্ত নং ২৪ ত দিয়া আছে।

## পবিত্ৰ ঋগবেদত সৃষ্টি ৰচনাৰ প্ৰমাণ

ঋগবেদ মণ্ডল ১০, সুক্ত ৯০, মন্ত্ৰ ১ -

*সহস্ৰ শীৰ্ষা পুৰুষ সহস্ৰাক্ষ সহস্ৰপাত।*
*স-ভূমি বিশ্বতো বৃত্বাত্যতিষ্ঠদ্দশাঙ গুলম।।১।।*
*সহস্ত্ৰশীৰ্ষা-পুৰুষ-সহস্ৰাক্ষঃ সহস্ৰপাত*
*স ভূমিম-বিশ্বত-বৃত্বা-অত্যাতিষ্ঠত-দশ গুলম।*

অনুবাদ ঃ (পুৰুষ) বিৰাট কাল ভগৱানৰ অৰ্থাৎ ক্ষৰ পুৰুষৰ (সহস্ৰশীৰ্ষা) এক হাজাৰটা শিৰ (সহস্ৰাক্ষঃ) এক হাজাৰ চকু (সহস্ৰপাত) এক হাজাৰ ভৰি আছে। (স) সেই কালে (ভূমি) পৃথিৱীৰ দৰে একৈশ ব্ৰহ্মাণ্ডক (বৃত্বা) গোলাকৰ পৰিধিৰ ভিতৰত থৈ (বিশ্বত) সকলো ফালৰ পৰা (দশ অগুলম) দহটা আঙুলিৰে অৰ্থাৎ সম্পূৰ্ণ ৰূপে বেৰি ধৰি তাৰ অধীনত ৰাখিছে। কাল (ব্ৰহ্ম) নিজে (অত্যাতিষ্ঠত) কুৰিটা ব্ৰহ্মাণ্ডৰ ওপৰত একবিংশতিতম ব্ৰহ্মাণ্ডত বহে।

সাৰাংশ ঃ এই মন্ত্রত বিৰাট (কাল /ব্রহ্ম)ৰ বর্ণনা আছে। (গীতা অধ্যায় ১০-১১ ত এই কাল/ব্রহ্মৰ এনে বর্ণনা আছে। অধ্যায় ১১ মন্ত্র নং ৪৬ ত অর্জুনে কৈছে - হে, সহস্রবাহু অর্থাৎ এক হাজাৰ হাত থকা প্রভূ আপুনি নিজৰ চতুর্ভুজ ৰূপত দর্শন দিয়ক)

এই হাজাৰ হাত, ভৰি, চকু, কান আদি থকা বিৰাট ৰূপ কাল প্রভূৱে নিজৰ অধীনস্থ সকলো প্রাণীক সম্পূর্ণ ৰূপে নিজৰ অধীন কৰি অর্থাৎ কুৰিটা (২০) ব্রহ্মাণ্ডক গোলাকাৰ পৰিধিৰে আবৃত কৰি ৰাখিছে আৰু নিজে ইয়াৰ ওপৰৰ একবিংশতিতম ব্রহ্মাণ্ডত বহিছে।

ঋগবেদ মণ্ডল ১০ সুক্ত ৯০ মন্ত্র ২

*পুৰুষ এবেদ সর্ব যদভূত যচ্চ ভাব্যম।*
*উতামৃতত্বস্রে শানো যদ ন্নে নাতি ৰোহতি ।।চ।।*
*পুৰুষ-এব-ইদম-সর্বম্-য়ত্-ভূতম্-যত্-চ-ভাব্যম্*
*উত-অমৃতত্বস্য-ইসানঃ-য়ত্-অন্নেন-অতিৰোহতি*

অনুবাদ ঃ (এব) এইদৰেই সেই অক্ষৰ পুৰুষ অর্থাৎ পৰব্রহ্মও কিছুমান ক্ষেত্রত (পুৰুষ) ভগৱান হয় অর্থাৎ তেওঁৰ গাত ভগৱানৰ কিছুমান গুণ আছে (চ) আৰু (ইদম) এই পৰব্রহ্মৰ লোকতো (য়ত) যি প্রাণী উৎপন্ন হৈছে (য়ত) যি (ভাব্যম) ভৱিষ্যতে হব (সর্বম) সকলোবোৰ (যত) চেষ্টা কৰি অর্থাৎ পৰিশ্রম কৰি (অন্নেন) অন্নৰ দ্বাৰা (অতিৰোহতি) বিকশিত হয়। এই জন অক্ষৰ পুৰুষো (উত) সন্দেহ যুক্ত অমৃতত্বস্য) মোক্ষৰ (ইশান) স্বামী অর্থাৎ অক্ষৰ পুৰুষো কিছুমান ভগৱানৰ গুণ যুক্ত যদিও পূর্ণ মোক্ষ দায়ক নহয়।

সাৰাংশ ঃ এই মন্ত্রত পৰব্রহ্ম (অক্ষৰ পুৰুষ)ৰ বর্ণনা কৰি কোৱা হৈছে যে তেওঁৰ গাত থকা কিছুমান লক্ষণ ভগৱানৰ দৰে, কিন্তু তেওঁৰ ভক্তিৰ দ্বাৰা পূর্ণ মোক্ষ সম্ভৱ নহয়। গতিকে এওঁক সন্দেহযুক্ত মুক্তিদাতা বুলি কোৱা হৈছে। এওঁৰ গাত প্রভূৰ গুণ আছে বুলি কোৱাৰ কাৰণ হ'ল তেওঁ কালৰ দৰে প্রাণীক তপত শিলা খণ্ডত গৰম কৰি নাখায়। কিন্তু এই পৰব্রহ্মৰ লোকতো প্রাণীয়ে পৰিশ্রম কৰি কর্মৰ আধাৰত ফল প্রাপ্তি কৰে আৰু অন্নৰ দ্বাৰাই সকলো প্রাণীৰ শৰীৰ বিকশিত হয়। জন্ম আৰু মৃত্যুৰ সময় কাল (ক্ষৰ পুৰুষ)ৰ লোকতকৈ যদিও অধিক, তথাপি উৎপত্তি, প্রলয় লগতে চৌৰাশী লাখ যোনিত প্রাণী সকলৰ যাতনা কাল ব্রহ্মৰ লোকৰ দৰে একেই হয়।

ঋগবেদ মণ্ডল ১০, সুক্ত ৯০, মন্ত্র ৩

*এতাবানস্য মহিমাতো জ্যায়াঁশ্চ পুৰুষঃ।*
*পাদোঅস্য বিশ্বা ভুতানি ত্রিপাদস্যামৃত দিবি।।৩।।*
*তাবান-অস্য-মহিমা-অতঃ-জ্যায়ন-চ-পুৰুষঃ*
*পাদঃ-অস্য-বিশ্বা-ভূতানি-ত্রি-পাদ-অস্য-অমৃতম-দিবি*

অনুবাদ ঃ (অস্য) এই অক্ষৰ পুৰুষৰ অর্থাৎ পৰব্রহ্মৰ (মহিমা) প্রভূত্ব (এতাবান) ইমানেই অর্থাৎ সীমিত। (চ) আৰু পুৰুষ) সেইজন পৰম অক্ষৰ ব্রহ্ম অর্থাৎ পূর্ণ ব্রহ্ম পৰমেশ্বৰ (অতঃ) এওঁ অর্থাৎ অক্ষৰ ব্রহ্মতকৈ (জ্যায়ান) ডাঙৰ হয়। (বিশ্বা) সমস্ত (ভূতানি) ক্ষৰ পুৰুষ আৰু অক্ষৰ পুৰুষ আৰু এওঁলোকৰ স্থানৰ লগতে সত্যলোকত যিমান প্রাণী আছে (অস্য) এইজন পূর্ণ পৰমাত্মা পৰম অক্ষৰ পুৰুষৰ (পদঃ) এটা ভৰিৰ সমান অর্থাৎ এটা অংশ মাথোন। (অস্য) এইজন পৰমেশ্বৰৰ (ত্রি) তিনিটা (দিবি) দিব্য লোক যেনে ঃ সত্যলোক, অলখলোক, অগম লোক (অমৃতম) অবিনাশী (পাদঃ) দ্বিতীয়খন ভৰি হয় অর্থাৎ সকলো ব্রহ্মাণ্ডত যি উৎপন্ন হৈছে সেয়া সকলো সত্য পুৰুষ পূর্ণ পৰমাত্মাৰ মাথোন এটা অংশ বা অঙ্গ।

সাৰাংশ ঃ ওপৰত দিয়া মন্ত্ৰত অক্ষৰ পুৰুষ (পৰব্ৰহ্ম)ৰ মহিমা সীমিত বুলি কোৱা হৈছে। পূৰ্ণ পুৰুষ কবীৰদেৱ অক্ষৰ পুৰুষতকৈ অতি মহান অৰ্থাৎ সৰ্বশক্তিমান, সকলো ব্ৰহ্মাণ্ড পূৰ্ণ পুৰুষৰ অংশ মাত্ৰ। এই মন্ত্ৰত তিনিটা লোকৰ (স্থানৰ) হে বৰ্ণনা দিয়া হৈছে কাৰণ চতুৰ্থ-অনামীলোক (অনাময় লোক) অন্যান্য সৃষ্টিত কৈ পূৰ্বৰ সৃষ্টি। এই তিনি জন প্ৰভূ (ক্ষৰ পুৰুষ, অক্ষৰ পুৰুষ আৰু এই দুয়োত কৈ অন্য পৰম অক্ষৰ পুৰুষ)ৰ বিৱৰন শ্ৰীমদ্‌ভাগৱত গীতা অধ্যায় ১৫ শ্লোক সংখ্যা ১৬-১৭ ত দিয়া আছে। ইয়াৰ প্ৰমাণ দি আদৰণীয় গৰীব দাসে কৈছে যে ঃ-

*গৰীব, জাকে অৰ্ধ ৰোম পৰ সকল পসাৰা।*
*ঐসা পূৰ্ণ ব্ৰহ্ম হামাৰা।।*
*গৰীব, অনন্ত কোটি ব্ৰহ্মাণ্ড কা, এক ৰতি নহী ভাৰ।*
*সৎগুৰু পুৰুষ কবীৰ হে, কুল কে সৃজন হাৰ।।*

আকৌ আদৰণীয় দাদু সাহেবেও ইয়াৰ প্ৰমাণ দি কৈছে যে -

*জিন মোকু নিজ নাম দিয়া, সোই সৎগুৰু হামাৰ।*
*দাদু দুসৰা কোএ নহী, কবীৰ সৃজনহাৰ।।*

ইয়াৰ প্ৰমাণ আদৰণীয় নানক সাহেবে দি কৈছে যে -

*য়ক অৰ্জ গুফতম পেশ তো দৰ কুন কৰতাৰ।*
*হক্কা কবীৰ কৰীম তু বেএব পৰবৰ দিগাৰ।।*

(শ্ৰী গুৰুগ্ৰন্থ চাহেব পৃষ্ঠা ৭২১ মহলা ১ ৰাগ তিলঙ্গ) (কুন কৰতাৰৰ অৰ্থ হল সকলোৰে সৃষ্টি কৰ্তা অৰ্থাৎ শব্দ শক্তিৰ দ্বাৰা সৃষ্টি ৰচনা কৰা শব্দ স্বৰূপ প্ৰভূ। হক্কা কবীৰৰ অৰ্থ হল সত্য কবীৰ, কৰীমৰ অৰ্থ হল দয়ালু, পৰবৰদিগাৰৰ অৰ্থ হল পৰমাত্মা।

ঋগবেদ মণ্ডল ১০, সুক্ত ৯০, মন্ত্ৰ ৪

*ত্ৰিপাদুৰ্দ্ধ উদৈত্ পুৰুষঃ পাদোঅস্যে হাভৱত্ পুনঃ।*
*ততো বিশ্ব ঙ্ব্যক্ৰামাত্সা শণান শনে অভি।।৪।।*
*ত্ৰি-পাদ-ঊৰ্দ্ধঃ-উদৈত্-পুৰুষ-পাদঃ-অস্যঃ ইহ-অভৱত-*
*পুনঃ-তত্-বিশ্বঙ-ব্যক্ৰামত-সঃ-অশণানশনে-অভি*

অনুবাদ ঃ (পুৰুষ) এইজন পৰম অক্ষৰ ব্ৰহ্ম অৰ্থাৎ অবিনাশী পৰমাত্মা (উৰ্দ্ধ) ওপৰৰ (ত্ৰি) তিনিলোক যেনে ঃ সত্যলোক, অলখ লোক-অগমলোকত (পাদ) এটা অংশ (উদৈত) ৰূপে প্ৰকট হয় অৰ্থাৎ বিৰাজ কৰে। (অস্য) এই পৰমেশ্বৰ পূৰ্ণ ব্ৰহ্মৰ (পাদ) এটা ভাগ জগত ৰূপ (পুনৰ) আকৌ (ইহ) ইয়াত (অভৱত) প্ৰকট হয়। (ততঃ) এই কাৰণে (সঃ) সেইজন অবিনাশী পূৰ্ণ পৰমাত্মা (অশ-নান শনেঃ) ক্ষৰ পুৰুষ আৰু অক্ষৰ পুৰুষতকৈও (অভি) ওপৰত (বিশ্বঙ) সৰ্বত্ৰ (ব্যক্ৰামত) ব্যাপ্ত আছে অৰ্থাৎ সেইজন পূৰ্ণ পৰমাত্মাৰ প্ৰভূত্ব সৰ্ব ব্ৰহ্মাণ্ডত আৰু সকলো প্ৰভূৰ ওপৰত ব্যাপ্ত, তেওঁ কুলৰ মালিক। তেওঁৰ শক্তি সকলোৰে ওপৰত।

ভাৱাৰ্থ ঃ সকলো সৃষ্টিৰ ৰচনা কৰ্ত্তা এইজন প্ৰভূ নিজে কৰা সৃষ্টিৰ উৰ্দ্ধতম স্তৰৰ তিনিও স্থানত (সৎলোক, অলখ লোক, অগম লোক) তিনি ধৰণৰ ৰূপ ধাৰণ কৰি প্ৰকট হয় অৰ্থাৎ স্বয়ং বিৰাজমান হয়। ইয়াত অনামীলোকৰ বৰ্ণনা নাই কাৰণ তাত কোনো ৰচনা (সৃষ্টি) কৰা হোৱা নাই আৰু অকহলোক (অনাময় লোক) সকলো সৃষ্টিৰ আগতে বিদ্যমান আছিল। সেই পৰমাত্মাৰ সত্যলোকৰ পৰা আঁতৰি আহি তলৰ ব্ৰহ্ম আৰু পৰব্ৰহ্মৰ লোক উৎপন্ন হয়।

সেইজন পূৰ্ণ পৰমাত্মা আত্মা ভক্ষণ কাৰী ব্ৰহ্ম অৰ্থাৎ কাল (কাৰণ কাল ব্ৰহ্মক এক লাখ মানৱ শৰীৰ ধাৰী প্ৰাণীক খোৱাৰ অভিশাপ দিয়া আছে) আৰু তেনেকৈ অভিশপ্ত নোহোৱা পৰব্ৰহ্ম অৰ্থাৎ অক্ষৰ পুৰুষৰো ওপৰত সকলোফালে ব্যাপ্ত আছে অৰ্থাৎ এনেদৰে সকলোৰে ওপৰত প্ৰভূত্ব বিস্তাৰ কৰি বিৰাজমান হোৱা পূৰ্ণ পৰমাত্মা কবীৰ পৰমেশ্বৰ কুলৰ মালিক হয়। সূৰ্য্যই নিজৰ পোহৰ সৰ্বত্ৰ বিস্তাৰ কৰাৰ দৰে কবীৰ পৰমেশ্বৰে নিজৰ শক্তি সকলোৰে ওপৰত ব্যাপ্ত কৰি দিছে। সকলো ব্ৰহ্মাণ্ডক নিয়ন্ত্ৰিত কৰি ৰাখিবলৈ পৰমাত্মাই নিজৰ শক্তি ৰূপী প্ৰভাৱ চাৰিওফালে বিয়পাই দিছে। মোবাইল ফোনৰ টাৱাৰ কোনোবা এঠাইত অৱস্থিত যদিও তাৰ ক্ষমতা মোবাইল ফোনৰ জৰিয়তে যতে ততে দৃষ্টি গোচৰ হয়। এইদৰেই পূৰ্ণ পৰমাত্মাই নিজৰ অদৃশ্য শক্তি সৰ্বব্যাপী কৰি তুলিছে আৰু তাৰ দ্বাৰাই পূৰ্ণ পৰমাত্মাই এঠাইত বহিয়েই সকলো ব্ৰহ্মাণ্ডক নিয়ন্ত্ৰিত কৰি ৰাখিছে। ইয়াৰ প্ৰমাণ আদৰণীয় গৰীবদাস মহাৰাজে দিছে (অমৃতবাণী ৰাগ কল্যাণ)

*তীন চৰণ চিন্তামণি চাহেব, শেষ বদন পৰ ছাএ।*
*মাতা, পিতা, কুল ন বন্ধু, না কিন্হে জননী জায়ে।।*

ঋগবেদ মণ্ডল ১০, সুক্ত ৯০, মন্ত্ৰ ৫

*তস্মাদ্বিৰাট জায়ত বিৰাজো অধি পুৰুষঃ।*
*সজাতো অত্যৰিচ্যত পশ্চাদভূমিমথো পুৰঃ।।৫।।*
*তস্মাত-বিৰাট-অজায়ত-বিৰাজঃ-অধি-পুৰুষঃ।*
*স-জাতঃ-অত্যৰিচ্যত-পশ্চাত-ভূমিম-অথাঃ-পুৰঃ।*

অনুবাদ ঃ (তস্মাত) তাৰ পাছত সেই পৰমেশ্বৰ সত্যপুৰুষৰ শব্দ শক্তিৰ পৰা (বিৰাট) বিৰাট অৰ্থাৎ ব্ৰহ্ম (ক্ষৰ পুৰুষ/কাল) (অজায়ত) উৎপন্ন হল। (পশ্চাত) ইয়াৰ পিছত (বিৰাজঃ) বিৰাট পুৰুষ অৰ্থাৎ কাল ভগৱানতকৈও (অধি) মহান (পুৰুষ) পৰমেশ্বৰে (ভূমিম) পৃথিৱী লোক কাল ব্ৰহ্ম আৰু পৰব্ৰহ্মৰ লোক সমূহক (অত্যৰিচ্যত) ভালদৰে সৃষ্টি কৰিলে। (অথঃ) আকৌ (পুৰঃ) অন্য সৰু সৰু লোক বোৰো (স) সেই পূৰ্ণ পৰমেশ্বৰে (জাতঃ) উৎপন্ন কৰিলে অৰ্থাৎ স্থাপন কৰিলে।

ভাৱাৰ্থ ঃ ওপৰৰ মন্ত্ৰ ৪ ত বৰ্ণনা কৰা তিনিটা লোক (অগম লোক, অলখ লোক, আৰু সত্যলোক)ৰ সৃষ্টি কৰাৰ পাছত পূৰ্ণ পৰমাত্মাই (জ্যোতি নিৰঞ্জনৰ (ব্ৰহ্মৰ) উৎপত্তি কৰিলে অৰ্থাৎ সেই সৰ্বশক্তিমান পৰমাত্মা পূৰ্ণ ব্ৰহ্ম কবীৰদেৱ (কবীৰ প্ৰভূ)ৰ পৰা বিৰাট অৰ্থাৎ ব্ৰহ্ম (কাল)ৰ উৎপত্তি হ'ল। এই প্ৰমাণ গীতা অধ্যায় ৩ মন্ত্ৰ ১৫ত উল্লেখ আছে যে পৰম অক্ষৰ পুৰুষ অৰ্থাৎ অবিনাশী প্ৰভূৰ পৰা ব্ৰহ্মৰ উৎপন্ন হৈছে। অথৰ্ববেদ কাণ্ড ৪, অনুবাক ১, সুক্ত ৩ ত উল্লেখ আছে যে পূৰ্ণ ব্ৰহ্মৰ পৰা ব্ৰহ্মৰ উৎপত্তি হৈছে। সেই পূৰ্ণ ব্ৰহ্মই (ভূমিম) ভূমি আদি সৰু ডাঙৰ সকলো লোকৰ সৃষ্টি কৰিলে। সেই পূৰ্ণ ব্ৰহ্ম এই বিৰাট ভগৱান অৰ্থাৎ ব্ৰহ্মতকৈও ডাঙৰ অৰ্থাৎ ব্ৰহ্মৰো স্বামী বা মালিক হয়।

ঋগবেদ মণ্ডল ১০, সুক্ত ৯০, মন্ত্ৰ ১৫

*সপ্তাস্যাসন পৰিধয়স্ত্ৰিঃ সপ্ত সমিধঃ কৃতাঃ*
*দেবা যদ্যজ্ঞ তন্বানা অবধন পুৰুষ পশূম।।১৫।।*
*সপ্ত-অস্য-আসন-পৰিধয়ঃ ত্ৰিসপ্ত-সমিধঃ কৃতাঃ*
*দেৱা-য়ত-যজ্ঞম তন্বানাঃ-অবধন-পুৰুষম-পশুম।*

অনুবাদ ঃ পৰব্ৰহ্মৰ (সপ্ত) সাত সংখ্য ব্ৰহ্মাণ্ড আৰু ব্ৰহ্মৰ (ত্ৰিসপ্ত) একৈশ ব্ৰহ্মাণ্ডৰ

(পৰিধয়) গোলাকাৰ সীমাৰ ভিতৰত (আসন) থকা সকলক (সমিধঃ) কৰ্মদণ্ড দুখ ৰূপী অগ্নিৰ দ্বাৰা দুখী (কৃতাঃ) কৰা হয় অৰ্থাৎ কষ্ট দিয়া হয়। কালৰ কৰ্মবন্ধন ৰূপী জালত (পশূম) বলিৰ পশু হৈ পৰা (যত) যি সকল ভক্তাত্মাই (পুৰুষম) পূৰ্ণ পৰমাত্মাৰ (যজ্ঞম) বিধিবত ধাৰ্মিক কৰ্ম অৰ্থাৎ পূজা কৰে, সেই সকল (দেৱা) ভক্তাত্মাক (তন্বানা) কালৰ দ্বাৰা বিস্তাৰ কৰা পাপ কৰ্মবন্ধনৰ জালৰ পৰা (অবধন) মুক্তি দিয়া জনেই হল মুক্তি দাতা পূৰ্ণব্ৰহ্ম কবীৰ পৰমেশ্বৰ।

ভাৱাৰ্থ ঃ পৰব্ৰহ্মৰ সাত শংখ ব্ৰহ্মাণ্ড আৰু ব্ৰহ্মৰ একৈশ ব্ৰহ্মাণ্ডৰ গোলাকাৰ সীমাৰ ভিতৰত আৱদ্ধ হৈ পাপ কৰ্মৰ অগ্নিত জলি থকা, বলিৰ পশুৰ দৰে কালৰ ভোজনৰ বাবে জন্ম-মৃত্যুৰ চক্ৰত পৰি তপত শিলাখণ্ডত কষ্ট ভুগি থকা ভক্তাত্মা সকলক কালৰ জালৰ পৰা মুক্ত কৰিবলৈ মুক্তি দাতা পূৰ্ণ ব্ৰহ্ম কবীৰ পৰমেশ্বৰে বাস্তৱিক পূজা বিধিৰ জ্ঞান দি সঠিক ভক্তিৰ পথ প্ৰদৰ্শন কৰে। ইয়াৰ প্ৰমাণ পবিত্ৰ যজুৰ্বেদ অধ্যায় ৫ মন্ত্ৰ ৩২ ত উল্লেখ আছে যে কবীৰ "অংঘাৰিসি" (কবীৰ) কবীৰ পৰমেশ্বৰ (অংঘ) পাপৰ (অৰি) শত্ৰু (অসি) হয়। অৰ্থাৎ কবীৰদেৱ পাপৰ হৰণ কৰ্তা হয়। "বম্ভাৰিসি" (বম্ভাৰি) বন্ধন ৰ শত্ৰু অৰ্থাৎ মূক্তি দাতা কবীৰ পৰমেশ্বৰ (অসি) হয়।

ঋগবেদ মণ্ডল ১০, সুক্ত ৯০, মন্ত্ৰ ১৬

*যজ্ঞেন যজ্ঞময়জন্ত দেবাৰতানি ধৰ্মানি প্ৰথমান্যাসন।*
*তেহ নাক মহিমানঃ সচন্ত যত্ৰ পূৰ্ব সাধ্যাঃ সন্তি দেবাঃ ।।ৰছ।।*
*যজ্ঞেন-অযজ্ঞম-অ-যজন্ত-দেৱা-তানি-ধৰ্মানি-প্ৰথমানি*
*-আসন-তে-হ-নাকম-মহিমাণঃ-সচন্ত-য়ত্ৰ-পূৰ্বে-সাধ্যা-সন্তিদেবাঃ।*

অনুবাদ ঃ যি সকল (দেৱাঃ) নিৰ্বিকাৰ দেবস্বৰূপ ভক্তাত্মাই (অযজ্ঞম) অসম্পূৰ্ণ ভূল ধাৰ্মিক পূজা বিধিৰ সলনি সত্য ভক্তি ধাৰ্মিক কৰ্মৰ ভিত্তিত (অযজন্ত) পূজা কৰে (তানি) তেওঁলোক (ধৰ্মমাণি) ধাৰ্মিক শক্তি সম্পন্ন (প্ৰথমাণি) মুখ্য অৰ্থাৎ উত্তম (আসন) হয়। (তে হ) তেওঁলোক প্ৰকৃততে (মহিমানঃ) মহান ভক্ত, ভক্তি শক্তি যুক্ত (সাধ্যা) সফল ভক্ত, যি সকলে (নাকম) পূৰ্ণ সুখদায়ক পৰমেশ্বৰক (সচন্ত) সত্যভক্তি ধনৰ বলত প্ৰাপ্ত কৰে, তেওঁলোক পৰমেশ্বৰৰ ওচৰলৈ গুচি যায় য়ত্ৰ) যত (পূৰ্বে) প্ৰথম সৃষ্টিৰ (দেবাঃ) পাপ মুক্ত দেব স্বৰূপ ভক্ত আত্মা সকল (সন্তি) থাকে।

ভাৱাৰ্থ ঃ যি সকল নিৰ্বিকাৰ দেৱ স্বৰূপ ভক্ত আত্মাই মাছ, মাংস, চাদা আৰু অন্য বেয়া কামৰ পৰা আঁতৰি থাকি, শাস্ত্ৰ বিধি হীন পূজা-অৰ্চনা বাদ দি শাস্ত্ৰবিধি সন্মত ভক্তি কৰে, তেওঁলোকে ভক্তি ধনেৰে ধনবান হৈ কালৰ ঋনৰ পৰা মুক্ত হৈ, নিজৰ সত্য ভক্তিৰ পূণ্যৰ বলত সেই সম্পূৰ্ণ সুখদায়ক পৰমাত্মাক লাভ কৰে অৰ্থাৎ সত্যলোকলৈ যায়, যত প্ৰথম সৃষ্টিৰ দেব স্বৰূপ অৰ্থাৎ পাপহীন হংস আত্মা বাস কৰে।

কিছুমান আত্মা কাল (ব্ৰহ্ম)ৰ জালত বন্দী হৈ ইয়ালৈ আহিল, কিছুমান পৰব্ৰহ্মৰ লগত সাত সংখ্য ব্ৰহ্মাণ্ডত থাকিল, আকৌ অগণন আত্মা যি সকলে পূৰ্ণ পৰমাত্মাক অটলভাৱে বিশ্বাস কৰি পতিব্ৰতা পদৰ পৰা পতিত নহল, তেওঁলোক সত্যলোকতে থাকিল। গতিকে ইয়াত বৰ্ণিত কৰা কথা পবিত্ৰ বেদ সমূহেও সমৰ্থন কৰে। গীতা অধ্যায় ৮ শ্লোক ৮-১০ ত উল্লেখ আছে যে যি সাধকে পূৰ্ণ পৰমাত্মাৰ সত্য সাধনা শাস্ত্ৰবিধি অনুসৰি কৰে, তেওঁ ভক্তি ধনৰ বলত সেই পূৰ্ণ পৰমাত্মাক লাভ কৰে, অৰ্থাৎ পূৰ্ণ পৰমাত্মাৰ ওচৰলৈ গুচি যায়। ইয়াৰ পৰা প্ৰমাণিত হয় যে প্ৰভূ তিনজন - ব্ৰহ্ম-পৰব্ৰহ্ম-পূৰ্ণব্ৰহ্ম। এওঁ লোকক ১। ব্ৰহ্ম-ঈশ-ক্ষৰ পুৰুষ, ২। পৰ ব্ৰহ্ম। অক্ষৰ পুৰুষ/অক্ষৰ ব্ৰহ্ম ঈশ্বৰ, ৩। পূৰ্ণব্ৰহ্ম-পৰম অক্ষৰ ব্ৰহ্ম-পৰমেশ্বৰ

সত্যপুৰুষ আদি সমাৰ্থক শব্দৰ দ্বাৰাও জনা যায়।

এই প্ৰমাণ ঋগবেদ মণ্ডল ৯, সুক্ত ৯৬, মন্ত্ৰ ১৭-২০ লৈ দিয়া আছে। স্পষ্ট কৰা আছে যে পূৰ্ণ পৰমাত্মা কবীৰদেৱ (কবীৰ পৰমেশ্বৰ) শিশু ৰূপত প্ৰকট হয় (আহে) আৰু নিজৰ নিৰ্মল জ্ঞান অৰ্থাৎ তত্বজ্ঞান (কবীৰ্গীৰ্ভী) কবীৰ বাণীৰ দ্বাৰা অনুগামী সকলক গাই শুনায়। সেই কবীৰদেৱ (কবীৰ পৰমেশ্বৰ) ব্ৰহ্ম (ক্ষৰ পুৰুষ) ৰ লোক আৰু পৰব্ৰহ্ম (অক্ষৰ পুৰুষ) ৰ লোকতকৈ বেলেগ তৃতীয়া ঋতধাম (সত্যলোক)ত আছে, তাত সাকাৰ ৰূপত বিৰাজমান আছে। সত্যলোকৰ পৰা ওপৰত থকা চতুৰ্থ অনামীলোকতো এই কবীৰদেৱ (কবীৰ পৰমেশ্বৰ) অনামী পুৰুষৰ ৰূপত মনুষ্য সদৃশ আকাৰত বিৰাজমান আছে।

## পবিত্ৰ শ্ৰী মদ দেৱী মহাপুৰাণত সৃষ্টি ৰচনাৰ প্ৰমাণ

ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ মা-দেউতা

(দুৰ্গা আৰু ব্ৰহ্মৰ মিলনৰ পৰা ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ জন্ম)

পবিত্ৰ শ্ৰীমদ দেৱী মহাপুৰাণ তৃতীয় স্কন্ধ, অধ্যায় ১-৩ (গীতা প্ৰেছ, গোৰখপুৰৰ পৰা প্ৰকাশিত, অনুবাদ কৰ্ত্তা-শ্ৰী হনুমান প্ৰসাদ পোদ্দাৰ আৰু চিমন লাল গোস্বামী, পৃষ্ঠা নং ১১৪ ৰ পৰা) পৃষ্ঠা ১১ ৰ পৰা ১১৮ লৈকে ভবানীক সম্পুৰ্ণ মনোকামনা পূৰ্ণ কৰিব পৰা শক্তি বুলি বহুতো আচাৰ্য্য সকলে উল্লেখ কৰিছে। তেওঁক প্ৰকৃতি বুলিও জনা যায়। ব্ৰহ্মৰ লগত তেওঁৰ সম্বন্ধ অভিন্ন, অৰ্থাৎ পতি পত্নীৰ সম্বন্ধ আছে, তেওঁ ব্ৰহ্মৰ অৰ্দ্ধাঙ্গিনী অৰ্থাৎ দুৰ্গা ব্ৰহ্মৰ পত্নী। এখন ব্ৰহ্মাণ্ডৰ সৃষ্টি ৰচনা কেনেকৈ হ'ল বুলি ৰজা পৰীক্ষিতে শ্ৰীব্যাস দেৱক সোধাত তেওঁ এই প্ৰশ্নৰ উত্তৰ জানিবৰ বাবে শ্ৰী নাৰদক প্ৰশ্ন কৰিলে যে এই ব্ৰহ্মাণ্ডৰ উৎপত্তি কেনেকৈ হৈছিল। শ্ৰী ব্যাস দেৱৰ প্ৰশ্নৰ উত্তৰত শ্ৰী নাৰদে কলে যে এই প্ৰশ্ন তেওঁ তেওঁৰ পিতা শ্ৰী ব্ৰহ্মাক সুধিছিল। তেওঁ শ্ৰী ব্ৰহ্মাক কৈছিল, "হে পিতা এই ব্ৰহ্মাণ্ডৰ ৰচনা আপুনি কৰিলে নে, শ্ৰী বিষ্ণু অথবা শ্ৰী শিৱই কৰিলে ? মোক সচাঁ উত্তৰ দিব"। তেতিয়া নাৰদৰ পূজ্য পিতা শ্ৰী ব্ৰহ্মাই কলে, "পুত্ৰ নাৰদ, মই নিজকে পদুম ফুলৰ ওপৰত বহি থকা অৱস্থাত পাইছিলোঁ। মই জনা নাছিলো এই বিস্তীৰ্ণ জলৰ মাজত মই কৰ পৰা উৎপন্ন হলোঁ। এক হাজাৰ বছৰ ধৰি পৃথিৱীৰ অনুসন্ধান কৰিলোঁ, কিন্তু এই জল ৰাশিৰ কোনো সীমা নাপালোঁ। আকৌ আকাশবাণীৰ যোগেদি মই তপস্যা কৰিবলৈ নিৰ্দেশ পালো। এক হাজাৰ বছৰ ধৰি তপস্যা কৰিলোঁ। আকৌ সৃষ্টি কৰিবলৈ আকাশবাণীৰ যোগেদি আদেশ পালোঁ। ইমানতে মধু আৰু কৈটভ নামেৰে দুজন ৰাক্ষস আহিল। তেওঁ লোকক দেখি ভয়তে মই পদুম ফুলৰ ঠাৰিত ধৰি তললৈ নামিলোঁ। তললৈ আহি দেখিলোঁ যে ভগৱাণ বিষ্ণু শেষনাগৰ শয্যাত অচেতন হৈ পৰি আছিল। তেওঁৰ শৰীৰৰ পৰা এজনী স্ত্ৰী (প্ৰেত হিচাপে সোমাই থকা দুৰ্গা) ওলাল, লগে লগে তাইক আকাশত আভূষনেৰে অলঙ্কৃত হৈ থকা দেখা গ'ল। তেতিয়া বিষ্ণু ভগৱানে চেতনা ঘুৰাই পালে, এতিয়া মই আৰু বিষ্ণু দুজন তাত আছিলোঁ। ইমানতে আকৌ ভগৱান শঙ্কৰ তাত উপস্থিত হ'ল। দেৱীয়ে আমাক বিমানত বহুৱাই ব্ৰহ্ম লোকলৈ লৈ গ'ল। তাত এজন ব্ৰহ্মা, এজন বিষ্ণু, আৰু এজন শিৱক দেখা পালোঁ - আকৌ এজনী দেৱীক দেখিলোঁ। দেৱীক দেখি বিষ্ণুৱে বিবেচনা কৰি তলত দিয়া ধৰনে বৰ্ণনা কৰিলে" (কাল ব্ৰহ্মই ভগৱান বিষ্ণুৰ চেতনা জাগ্ৰত কৰি দিলে, তেওঁৰ নিজৰ বাল্য কালৰ কথা মনত পৰিল, তেতিয়া বাল্য কালৰ কথা কৈ শুনালে)

পৃষ্ঠা ১১৯-১২০ ত উল্লেখ আছে যে ভগৱান বিষ্ণুৱে শ্ৰী ব্ৰহ্মা আৰু শ্ৰী শিৱক এইদৰে কলে, "এই জনী দেৱী আমাৰ তিনিওঁৰে মাতৃ, এওঁৱেই জগতজননী, প্ৰকৃতি দেৱী হয়। মই এই গৰাকী দেৱীক মোৰ শিশু অৱস্থাত দেখা পাইছিলোঁ, এওঁ মোক দোলা বিছনাত ওমলাইছিল।

তৃতীয় স্কন্ধৰ ১২৩ পৃষ্ঠাত শ্ৰী বিষ্ণুৱে শ্ৰী দুৰ্গা দেৱীৰ স্তুতি কৰি কৈছে “আপোনাৰ স্বৰূপ পৱিত্ৰ, এই সকলো সংসাৰ আপোনাৰ দ্বাৰাই উদ্ভাসিত হৈ আছে, মই (বিষ্ণু) ব্ৰহ্মা আৰু শঙ্কৰ আমি সকলো আপোনাৰ কৃপাতহে বিদ্যমান হৈ আছোঁ। আমাৰ আৱিৰ্ভাৱ (জন্ম) আৰু তিৰোভাৱ (মৃত্যু) হয় অৰ্থাৎ আমি তিনিও দেৱতা নাশৱান। কেৱল আপুনিহে নিত্য (অবিনাশী) জগত জননী, প্ৰকৃতি দেৱী হয়”।

ভগৱান শঙ্কৰে কলে, “দেৱী যদি মহাভাগ বিষ্ণু আপোনাৰ পৰাই উৎপন্ন হৈছে, তেন্তে তেওঁৰ পিছত উৎপন্ন হোৱা ব্ৰহ্মাও আপোনাৰ সন্তান হয়। তেতিয়া হলে মই তমোগুণী লীলা কৰোঁতা শঙ্কৰ কেনেকৈ আপোনাৰ সন্তান নহও অৰ্থাৎ মোৰ উৎপত্তি কৰ্ত্তাও আপুনি হয়।

বিবেচনা কৰক ঃ ওপৰৰ বিৱৰণৰ পৰা সিদ্ধ হ’ল যে ব্ৰহ্মা, বিষ্ণু আৰু শিৱ তিনিও বিনাশী। এওঁলোক মৃত্যুঞ্জয় (অজৰ অমৰ) বা সৰ্বেশ্বৰ নহয় আৰু দুৰ্গা (প্ৰকৃতি)ৰ পুত্ৰ হয় আৰু ব্ৰহ্ম (কাল-সদাশিৱ) এওঁলোকৰ পিতা হয়।

তৃতীয় স্কন্ধৰ ১২৫ পৃষ্ঠাত উল্লেখ আছে যে ব্ৰহ্মাই দূৰ্গাক সুধিলে, “হে মাতা, বেদত উল্লেখিত ব্ৰহ্ম আপুনি নিজেই অথবা অন্য কোনো প্ৰভূ হয় ?” ইয়াৰ উত্তৰত দূৰ্গাই কৈছে- “মই আৰু ব্ৰহ্ম একেই। আকৌ এই স্কন্ধৰে অধ্যায় ৬ ৰ ১২৯ পৃষ্ঠাত দুৰ্গাই কৈছে- এতিয়া মোৰ কাৰ্য্য সম্পন্ন কৰিবলৈ বিমানত বহি তোমালোক শীঘ্ৰে প্ৰস্থান কৰা। কোনো কঠিন কাৰ্য্য কৰিব লগা হলে মোক স্মৰণ কৰিবা, মই সন্মুখত উপস্থিত হম। হে দেৱতাসকল মোৰ (দূৰ্গা) আৰু ব্ৰহ্মৰ ধ্যান তোমোলোকে সদায় কৰি থাকিবা। আমি দুজনক স্মৰণ কৰি থাকিলে তোমালোকৰ কাৰ্য্য সিদ্ধ হোৱাত তিলমানো সন্দেহ নাথাকিব।

ওপৰৰ ব্যাখ্যাৰ পৰা স্বতঃসিদ্ধ হ’ল যে দূৰ্গা (প্ৰকৃতি) আৰু ব্ৰহ্ম (কাল) তিনিও দেৱতাৰ মাতা পিতা হয় আৰু ব্ৰহ্মা, বিষ্ণু আৰু শিৱ বিনাশী হয়, পূৰ্ণ শক্তিযুক্ত নহয়।

তিনিও দেৱতাৰ (ব্ৰহ্মা, বিষ্ণু, শিৱ) বিবাহ দূৰ্গাই (প্ৰকৃতি দেৱী) কৰালে (তৃতীয় স্কন্ধৰ ১২৮-১২৯ পৃষ্ঠাত)

গীতা অধ্যায় নং ৭ ৰ শ্লোক নং ১২

*য়ে, চ এব, সাত্বিকা, ভাবাঃ ৰাজসাঃ, তামসা, চ, য়ে*
*মতঃ এব, ইতি তান বিদ্ধি ন তু অহম, তেষু, তে, ময়ি*

অনুবাদ ঃ (সাত্বিকা) সৎগুণী বিষ্ণুৰ পৰা (য়ে) যি স্থিতি (ভাবা) ভাৱ হয় (চ) আৰু (ৰাজসা) ৰজোগুণী ব্ৰহ্মাৰ পৰা (য়ে) যি উৎপত্তি হয় (চ) আৰু (তমসা) তম গুণ শিৱৰ পৰা (এব) সংহাৰ হয় (তান) সেই সকলোবোৰ তুমি (মত এব) মোৰ দ্বাৰা সুনিয়োজিত নিয়ম অনুযায়ী হোৱা (ইতি) বুলি (বিদ্ধি) জানিবা (তু) কিন্তু প্ৰকৃততে (তেষু) সেই বিলাকত (অহম) মই আৰু (তে) সেইবিলাক (ময়ি) মোত (ন) নাই।

**পবিত্ৰ শিৱ মহাপুৰাণত সৃষ্টি ৰচনাৰ প্ৰমাণ**

(কাল ব্ৰহ্ম আৰু দূৰ্গাৰ পৰা বিষ্ণু, ব্ৰহ্মা আৰু শিৱৰ উৎপত্তি)

ইয়াৰ প্ৰমাণ গীতা প্ৰেছ, গোৰখপুৰৰ পৰা প্ৰকাশিত, শ্ৰী হনুমান প্ৰসাদ পোদ্দাৰৰ দ্বাৰা অনুবাদিত পবিত্ৰ শ্ৰী শিৱপুৰাণৰ ষষ্ঠ অধ্যায়ৰ ৰূদ্ৰ সংহিতা ১০০ নং পৃষ্ঠাত আছে। উল্লেখ আছে যে যিজন মুৰ্তি ৰহিত পৰব্ৰহ্ম তেওঁৰ মুৰ্তি হ’ল ভগৱান সদা শিৱ। এওঁৰ শৰীৰৰ পৰা এটা শক্তি ওলাল, সেই শক্তি অম্বিকা, প্ৰকৃতি (দুৰ্গা), ত্ৰিদেৱ জননী (ব্ৰহ্মা, বিষ্ণু আৰু শিৱক জন্ম দিয়া মাতৃ) বুলি বিখ্যাত হ’ল। এওঁৰ আঠখন হাত আছে। যি জন সদাশিৱ, তেওঁক শিৱ, শম্ভু আৰু মহেশ্বৰ বুলি কোৱা হয়। (পৃষ্ঠা নং ১০১) তেওঁ নিজৰ সকলো অঙ্গত ছাই সানি থাকে। সেই কালৰূপী ব্ৰহ্মাই শিৱলোক নামৰ এটা ক্ষেত্ৰৰ নিৰ্মাণ কৰিলে। তাৰ পিছত

দুয়োমিলি পতি-পত্নী ব্যৱহাৰ কৰাত এজন পুত্ৰ উৎপন্ন হ’ল। তাৰ নাম বিষ্ণু থ’লে। (শিৱ পুৰাণ ১০২ পৃষ্ঠাত)

আকৌ ‘ৰুদ্ৰ সংহিতা’ ৰ সপ্তম অধ্যায়ৰ ১০৩ পৃষ্ঠাত ব্ৰহ্মাই এই বুলি কোৱাৰ উল্লেখ আছে যে তেওঁৰ উৎপত্তিও ভগৱান সদাশিৱ (ব্ৰহ্মকাল) আৰু প্ৰকৃতি (দুৰ্গা)ৰ সংযোগৰ পৰা অৰ্থাৎ পতি-পত্নী ব্যৱহাৰৰ পৰা হৈছে। জন্মৰ পিছতে তেওঁক অচেতন কৰা হৈছিল বুলি ব্ৰহ্মাই উল্লেখ কৰিছে।

আকৌ ৰুদ্ৰ সংহিতাৰ নৱম অধ্যায়ত ১১০ পৃষ্ঠাত উল্লেখ কৰা মতে ব্ৰহ্মা, বিষ্ণু আৰু ৰুদ্ৰ এই তিনিও দেৱতাৰ গুণ আছে, কিন্তু শিৱ (কাল-ব্ৰহ্ম)ক গুণাতীত বুলি কোৱা হৈছে।

ওপৰৰ বিৱৰণৰ পৰা চাৰিটা কথা প্ৰমাণিত হল। সদাশিৱ (কাল ব্ৰহ্ম) আৰু প্ৰকৃতি (দুৰ্গা)ৰ পৰা ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ উৎপন্ন হ’ল। তিনিও ভগৱানৰ (ব্ৰহ্মা, বিষ্ণু, শিৱ) মা শ্ৰী দূৰ্গা আৰু পিতা শ্ৰী জ্যোতি নিৰঞ্জন (ব্ৰহ্ম) হয়। এই তিনিজন প্ৰভুৱেই ৰজগুণ ব্ৰহ্মা, সৎগুণ বিষ্ণু, তমগুণ শিৱ হয়।

**পবিত্ৰ শ্ৰী মদ্‌ভাগৱত গীতাত সৃষ্টি ৰচনাৰ প্ৰমাণ**

ইয়াৰ প্ৰমাণ পবিত্ৰ গীতা শাস্ত্ৰৰ চতুৰ্দশ অধ্যায়ৰ শ্লোক নং ৩ ৰ পৰা ৫ লৈকে আছে। ব্ৰহ্মই কৈছে যে প্ৰকৃতি (দূৰ্গা) তেওঁৰ পত্নী হয়, তেওঁ (ব্ৰহ্ম/কাল) দূৰ্গাৰ পতি হয়। ব্ৰহ্মই কৈছে যে তেওঁলোক দুয়োৰে সংযোগৰ পৰা সকলো প্ৰাণীৰ লগতে তিনি গুণৰ (ৰজগুণ ব্ৰহ্মা, সৎগুণ বিষ্ণু, তমগুণ শিৱ) উৎপত্তি হৈছে। ব্ৰহ্মই আকৌ কৈছে, “মই সকলো প্ৰাণীৰ পিতা আৰু দূৰ্গা মাতা। দূৰ্গাৰ গৰ্ভত মই বীজ স্থাপন কৰো, যৰ পৰা সকলো প্ৰাণী উৎপত্তি হয়। প্ৰকৃতি দূৰ্গাৰ পৰা উৎপন্ন হোৱা তিনিগুণে (ৰজগুণ-ব্ৰহ্মা, সৎগুণ-বিষ্ণু আৰু তমগুণ-শিৱ) জীৱক কৰ্মৰ ভিত্তিত শৰীৰত বান্ধি ৰাখে।

এই প্ৰমাণ পঞ্চদশ অধ্যায়ৰ শ্লোক ১-৪ আৰু ১৬-১৭ত দিয়া আছে।

*গীতাৰ পঞ্চদশ অধ্যায়ৰ ১ নং শ্লোক ঃ*

*উৰ্দ্ধমূলম, অধঃশাখম, অশ্বত্থম, প্ৰাহুঃ, অব্যয়ম*

*ছন্দাসি, য়স্য, পৰ্ণানি, যঃ তম্ বেদ, সঃ বেদবিত।।*

অনুবাদ ঃ (উৰ্দ্ধমূলম) ওপৰত পূৰ্ণ পৰমাত্মা আদি পুৰুষ ৰূপী শিপা থকা (অধঃশাখম) তলত তিনিগুণ অৰ্থাৎ ৰজগুণ ব্ৰহ্ম, সৎগুণ বিষ্ণু আৰু তমগুণ শিৱ ৰূপী শাখা থকা (অব্যয়ম) অবিনাশী (অশ্বত্থম) বিস্তাৰিত আঁহতৰ গছ আছে, (য়স্য) যাৰ (ছন্দাসি) বেদত ছন্দ থকাৰ দৰে এই সংসাৰ ৰূপী বৃক্ষৰো সৰু-সৰু বিভাগ-ডাল আৰু (পৰ্ণানি) পাত (প্ৰাহু) আছে বুলি কোৱা হৈছে, (তম) সেই সংসাৰ ৰূপী বৃক্ষক (যঃ) যিজনে (বেদ) বিস্তাৰিত ভাৱে জানে (সঃ) সেইজন (বেদবিত) পূৰ্ণজ্ঞানী অৰ্থাৎ তত্বদৰ্শী সন্ত।

গীতাৰ পঞ্চদশ অধ্যায়ৰ ২ নং শ্লোক -

*অধঃ, চ, ঊৰ্দ্ধম, প্ৰসৃতাঃ, তস্য, শাখাঃ গুণ প্ৰবৃদ্ধাঃ*

*বিষয় প্ৰৱালাঃ, অধঃ, চ, মূলানি, অনুসন্ততানি, কৰ্মানুবন্ধীনি, মনুষ্যলোকে।।*

অনুবাদ ঃ (তস্য) সেই বৃক্ষৰ (অধঃ) তলৰফালে (চ) আৰু (ঊৰ্দ্ধম) ওপৰফালে (গুণ প্ৰবৃদ্ধা) তিনিগুণ ব্ৰহ্মা-ৰজগুণ, বিষ্ণু-সৎগুণ, শিৱ-তমগুণ ৰূপী (প্ৰসৃতা) বিস্তাৰিত হোৱা (বিষয় প্ৰৱালা) বিকাৰ কাম, ক্ৰোধ, মোহ, লোভ, অহঙ্কাৰ ৰূপী কলি (শাখা) ডাল সদৃশ ব্ৰহ্মা, বিষ্ণু, শিৱ (ক্ৰমানুবন্ধীনি) জীৱক কৰ্ম বন্ধনত বান্ধি ৰখা (মূলানি) শিপা অৰ্থাৎ মুখ্য কাৰণ হয়, (চ) আৰু (মনুষ্যলোকে) মনুষ্যলোক অৰ্থাৎ পৃথিৱী লোকত (অধঃ) তলত নৰক, চৌৰাশী লাখ, যোনিত (ঊৰ্দ্ধম) উপৰত স্বৰ্গলোক আদিত (অনুসন্ত তানি) এই কৰ্ম বন্ধনৰ জাল

ব্যৱস্থিত কৰি থোৱা আছে।

গীতা পঞ্চদশ অধ্যায়ৰ শ্লোক নং ৩

*ন, ৰূপম্ অস্য, ইহ, তথা, উপলভ্যতে, ন, অন্তঃ ন, চ, আদিঃ ন, চ,*
*সম্প্ৰতিষ্ঠা, অশ্বথম, এনম্ সুবিৰুঢ়মূলম, অসঙ্গ শস্ত্ৰেণ, দৃঢেন, ছিত্বা।।*

অনুবাদ ঃ (অস্য) এই ৰচনাৰ (আদিঃ) আৰম্ভণিও (ন) নাই (চ) আৰু (অন্তঃ) অন্তও (ন) নাই, (তথা) তেনেকুৱা (ৰূপম) স্বৰূপ (ন, উপলভ্যতে) পোৱা নাযায়, (চ) আৰু (ইহ) ইয়াত বিবেচনা কৰোঁতে অৰ্থাৎ মোৰ দ্বাৰা প্ৰদান কৰি থকা গীতাৰ জ্ঞানত সম্পূৰ্ণ তথ্য মই (ন) দিব পৰা নাই, (সম্প্ৰতিষ্ঠা) কাৰণ সৰ্ব ব্ৰহ্মাণ্ডৰ ৰচনাৰ যথাযথ স্থিতিৰ জ্ঞান মোৰ নাই, (এনম) এই (সুবিৰুঢ়মূলম) স্থায়ী, স্থিৰ ৰূপত থকা, (অশ্বথম) দৃঢ়, শকত স্বৰূপ থকা সংসাৰ ৰূপী বৃক্ষৰ জ্ঞানক (অসংগ শস্ত্ৰেণ) পূৰ্ণ জ্ঞান ৰূপী (দৃঢ়েন) দৃঢ় সুক্ষ্ম বেদ অৰ্থাৎ তত্বজ্ঞানৰ দ্বাৰা জানি লৈ, (ছিত্বা) কাটি লৈ অৰ্থাৎ নিৰঞ্জনৰ ভক্তিক ক্ষণস্থায়ী অৰ্থাৎ ক্ষণভঙ্গুৰ বুলি জানি, ব্ৰহ্মা, বিষ্ণু, শিৱ, ব্ৰহ্ম আৰু পৰব্ৰহ্মৰো ওপৰত থকা পূৰ্ণ ব্ৰহ্মৰ অনুসন্ধান কৰিব লাগিব।

গীতাৰ পঞ্চদশ অধ্যায়ৰ ৪ নং শ্লোক -

*ততঃ পদম্, তত্, পৰিমাৰ্গিতব্যম, য়স্মিন, গতাঃ ন, নিবৰ্তান্তি ভূয়ঃ,*
*তম্, এব্, চ আদ্যম, পুৰুষম্, প্ৰপদ্যে, যতঃ, প্ৰবৃতিঃ প্ৰসৃতা, পুৰাণী।।*

অনুবাদ ঃ যেতিয়া তত্বদৰ্শী সন্ত পোৱা যায়, (ততঃ) তাৰ পিছত (তত্) সেই পৰমাত্মাৰ (পদম) পদ-স্থান অৰ্থাৎ সত্যলোক (পৰিমাৰ্গিতব্যম) ভালদৰে বিচাৰিব লাগিব (যস্মিন) যত (গতাঃ) যোৱা সাধক (ভূয়) আকৌ (ন, নিবৰ্তান্তি) উভতি সংসাৰলৈ নাহে (চ) আৰু (যতঃ) যিজন পৰমাত্মা পৰম অক্ষৰ ব্ৰহ্মৰ পৰা (পুৰাণী) আদি (প্ৰবৃতি) ৰচনা সৃষ্টি (প্ৰসৃতা) উৎপন্ন হ'ল, (তম) অজ্ঞাত (আদাম) আদি যম অৰ্থাৎ মই কাল নিৰঞ্জন (পুৰুষম) পূৰ্ণ পৰমাত্মাৰ (এব) হে (প্ৰপদ্যে) শৰণত আছোঁ আৰু তেওঁৰেই পূজা কৰোঁ।

গীতা পঞ্চদশ অধ্যায়ৰ শ্লোক নং ১৬

*দ্বৌ, ইমৌ, পুৰুষৌ, লোকে, ক্ষৰঃ, অক্ষৰঃ, এব, চ,*
*ক্ষৰঃ, সৰ্বাণি, ভূতানি, কুটস্থঃ, অক্ষৰঃ, উচ্যতে।।*

অনুবাদ ঃ (লোকে) এই সংসাৰত (দ্বৌ) দুই ধৰণৰ (ক্ষৰঃ) নাশৱান (চ) আৰু (অক্ষৰ) অবিনাশী (পুৰুষৌ) ভগৱান আছে (এব) এনেদৰেই (ইমৌ) এই দুজন প্ৰভূৰ লোকত (সৰ্বাণি) সম্পূৰ্ণ (ভূতানি) প্ৰাণীৰ শৰীৰ (ক্ষৰঃ) নাশৱান (চ) আৰু (কূটস্থঃ) জীৱাত্মা (অক্ষৰ) অবিনাশী (উচ্যতে) বুলি কোৱা হয়।

গীতা পঞ্চদশ অধ্যায়ৰ ১৭ নং শ্লোক -


উত্তমঃ, পুৰুষঃ, তু, অন্যঃ, পৰমাত্মা, ইতি, উদাহৃতঃ,
য়ঃ লোকত্ৰয়ম, আবিশ্য, বিভৰ্তি অব্যয়ঃ, ইশ্বৰঃ।।

অনুবাদ ঃ (উত্তমঃ) উত্তম (পুৰুষঃ) প্ৰভূ (তু, অন্যঃ) ওপৰোক্ত দুয়ো প্ৰভূ "ক্ষৰ পুৰুষ তথা অক্ষৰ পুৰুষ" ৰ পৰা বেলেগ আছে, (ইতি) এইজনক প্ৰকৃত (পৰমাত্মা) পৰমাত্মা (উদাহৃতঃ) বুলি কোৱা হয় (য়ঃ) যি জনে (লোকত্ৰয়ম) তিনিও লোকত (আবিশ্য) প্ৰৱেশ কৰি (বিভৰ্তি) সকলোৰে পালন পোষন কৰে আৰু এওঁৱেই (অব্যয়ঃ) অবিনাশী (ঈশ্বৰ) ঈশ্বৰ (প্ৰভূসকলৰ ভিতৰত শ্ৰেষ্ঠ অৰ্থাৎ সমৰ্থবাণ প্ৰভূ) হয়।

সাৰাংশ ঃ গীতা জ্ঞান দাতা প্ৰভূৱে মাত্ৰ এইটোহে কৈছে যে এই সংসাৰ ওলোটাকৈ ওলমি থকা বৃক্ষৰ দৰে জানিবা। ওপৰৰ শিপা (মূল) পূৰ্ণ পৰমাত্মা হয়। তলৰ ডাল, শাখাডাল

আদি অন্য বিভাগ বুলি জানিবা। এই সংসাৰ ৰূপী বৃক্ষৰ বিভিন্ন ভাগৰ বিৱৰণ যিজন সন্তই জানে সেইজন তত্বদৰ্শী সন্ত হয়, যাৰ বিষয়ে গীতাৰ চতুৰ্থ অধ্যায়ৰ ৩৪ নং শ্লোকত উল্লেখ কৰা হৈছে। পঞ্চদশ অধ্যায়ৰ ২ আৰু ৩ নং শ্লোকত মাত্ৰ ইমানেই কৈছে যে সেই বৃক্ষৰ তিনিগুণ ৰূপী শাখা (ডাল) আছে। মোৰ বিবেচনাৰে অৰ্থাৎ গীতাত মই (গীতা জ্ঞান দাতা) আপোনাক সম্পূৰ্ণ তথ্য দিব নোৱাৰোঁ কাৰণ এই সংসাৰ ৰচনাৰ আদি-অন্তৰ জ্ঞান মোৰ নাই। তাৰ বাবে চতুৰ্থ অধ্যায়ৰ ৩৪ নং শ্লোকত কৈছে যে কোনো তত্বদৰ্শী সন্তৰ পৰা সেই পূৰ্ণ পৰমাত্মা সম্পৰ্কীয় জ্ঞান জানি লব। পঞ্চদশ অধ্যায়ৰ ১ নং শ্লোকত সেই তত্বদৰ্শী সন্ত সম্পৰ্কে কৈছে যে তেওঁ সংসাৰ ৰূপী বৃক্ষৰ প্ৰতিটো বিভাগৰ জ্ঞান দিব, সন্তজনক সুধি লব। গীতাৰ পঞ্চদশ অধ্যায়ৰ ৪ নং শ্লোকত কৈছে যে সেই তত্বদৰ্শী সন্তক লগ পোৱাৰ পিছত সেই পৰমপদ পৰমেশ্বৰক বিচাৰিব লাগিব অৰ্থাৎ সেই তত্বদৰ্শী সন্তই দিয়া জ্ঞান অনুসৰি সাধনা কৰিব লাগিব যাৰ দ্বাৰা পূৰ্ণ মোক্ষ (অনাদি মোক্ষ) লাভ হ'ব। পঞ্চদশ অধ্যায়ৰ ১৬ আৰু ১৭ নং শ্লোকত স্পষ্ট কৰা হৈছে যে তিনিজন প্ৰভূ আছে, ক্ষৰ পুৰুষ অক্ষৰ পুৰুষ, পৰম অক্ষৰ ব্ৰহ্ম। ক্ষৰ পুৰুষ আৰু অক্ষৰ পুৰুষ প্ৰকৃততে অবিনাশী নহয়। অবিনাশী পৰমাত্মা পৰম অক্ষৰ ব্ৰহ্ম, পৰম অক্ষৰ পুৰুষ তিনিও লোকত প্ৰৱেশ কৰি সকলোৰে পালন-পোষণ কৰে।

ওপৰত উল্লেখ কৰা হৈছে যে গীতাৰ পঞ্চদশ অধ্যায়ৰ ১-৪ আৰু ১৬-১৭ নং শ্লোকত প্ৰমাণিত হৈছে যে ওলোটাকৈ ওলমি থকা সংসাৰ ৰূপী বৃক্ষৰ মূল অৰ্থাৎ শিপা হ'ল পৰম অক্ষৰ ব্ৰহ্ম অৰ্থাৎ পূৰ্ণ ব্ৰহ্ম যাৰ দ্বাৰা সম্পূৰ্ণ বৃক্ষৰ পালন পোষণ হয় আৰু বৃক্ষৰ যি অংশ পৃথিৱীৰ পৰা বাহিৰত মাটিৰ ওপৰত দেখা পোৱা যায় সেইটো গা-গছ হয়। এই গা-গছ অংশ অক্ষৰ পুৰুষ আৰ্থাৎ পৰব্ৰহ্ম বুলি জানিব। গা-গছৰ আৰু ওপৰলৈ গৈ শকত ডাল ওলায় এই শকত ডাল এটাক ব্ৰহ্ম অৰ্থাৎ ক্ষৰ পুৰুষ বুলি জানিব আৰু সেই ডালৰ পৰা অন্য তিনিটা শাখা ডালি ওলাইছে সেই বোৰক ক্ৰমে ব্ৰহ্মা, বিষ্ণু আৰু শিৱ বুলি জানিব তথা শাখাৰ পৰা ঠাল-ঠেঙুলি আৰু পাত ৰূপত সাংসাৰিক প্ৰাণী বুলি জানিব। উপৰোক্ত পঞ্চদশ অধ্যায়ৰ ১৬-১৭ নং শ্লোকত স্পষ্ট হৈছে যে ক্ষৰ পুৰুষ (ব্ৰহ্ম) আৰু অক্ষৰ পুৰুষ (পৰ ব্ৰহ্ম) লগতে এই দুয়োৰো লোকত যিমান প্ৰাণী আছে তেওঁলোকৰ স্থুল শৰীৰ নাশৱান হয় আৰু জীৱাত্মা অবিনাশী হয় অৰ্থাৎ ওপৰোক্ত দুয়ো প্ৰভূ আৰু এওঁলোকৰ অন্তৰ্গত সকলো প্ৰাণী বিনাশী হয়। অক্ষৰ পুৰুষ (পৰ ব্ৰহ্ম)ক আয়ু দীঘল থকাৰ কাৰনে অবিনাশী বুলি কোৱা হৈছে, কিন্তু প্ৰকৃততে অবিনাশী পৰমাত্মা ক্ষৰ আৰু অক্ষৰ পুৰুষত কৈ সম্পূৰ্ণ বেলেগ হয়। সেই পৰম অক্ষৰ ব্ৰহ্মই অৰ্থাৎ পূৰ্ণ ব্ৰহ্মই তিনিওলোকত প্ৰৱেশ কৰি সকলোৰে পালন পোষণ কৰে। ওপৰোক্ত বিৱৰণত তিনিওজন প্ৰভূৰ বেলেগ-বেলেগ সম্পূৰ্ণ বিৱৰণ দিয়া হ'ল।




ওপৰত মূল শিপা তলত শাখা ডালৰ সৈতে ওলোটাকৈ ওলোমাই ৰখা জগত সংসাৰ ৰূপী বৃক্ষৰ চিত্ৰ।

## * পবিত্ৰ বাইবেল তথা পবিত্ৰ কোৰাণ শ্বৰীফত সৃষ্টি ৰচনাৰ প্ৰমাণ

সৃষ্টি ৰচনাৰ প্ৰমাণ পবিত্ৰ বাইবেল আৰু পবিত্ৰ কোৰাণ শ্বৰীফত লিপিবদ্ধ কৰা আছে। কোৰাণ শ্বৰীফত পবিত্ৰ বাইবেলৰো জ্ঞান আছে, এই কাৰণে এই দুয়োখন সদগ্ৰন্থই সৃষ্টি কৰ্ত্তা কোন, কেনেকুৱা আৰু তেওঁৰ প্ৰকৃত নাম কি এই সম্পৰ্কে একে ধৰণৰ প্ৰমাণ দাঙি ধৰিছে।

পবিত্ৰ বাইবেল (উৎপত্তি গ্ৰন্থৰ পৃষ্ঠা ২, অধ্যায় ১ঃ২০-২ঃ৫)

ষষ্ঠদিনা ঃ- প্ৰাণী আৰু মনুষ্য ঃ-

অন্য প্ৰাণী বিলাকৰ সৃষ্টি কৰি ২৬. আকৌ পৰমেশ্বৰে কলে যে, তেওঁ মানুহক তেওঁৰ নিজৰ স্বৰূপৰ লগত সাদৃশ্য ৰাখি উৎপত্তি কৰিব, যি মানুহে সকলো প্ৰাণীক নিজৰ অধীনত ৰাখিব। ২৭. তেতিয়া পৰমেশ্বৰে মানুহক নিজৰ স্বৰূপত উৎপন্ন কৰিলে, নৰ আৰু নাৰী হিচাপে মানুহৰ সৃষ্টি কৰিলে।

২৯. প্ৰভুৱে মানুহৰ আহাৰৰ বাবে বীজ থকা (গুটি থকা) সৰু গছ আৰু গুটি থকা ফলৰ গছ প্ৰদান কৰিলে (মাংস খাবলৈ কোৱা নাই)

সপ্তম দিন ঃ বিশ্ৰামৰ দিন।

পৰমেশ্বৰে ছয় দিনত সকলো সৃষ্টিৰ উৎপত্তি কৰিলে আৰু সপ্তম দিনত বিশ্ৰাম কৰিলে। পবিত্ৰ বাইবেলে সিদ্ধ কৰি দিলে যে পৰমাত্মাৰ শৰীৰ মানুহৰ শৰীৰ নিচিনা, যি জনে ছয় দিনত সকলো সৃষ্টিৰ ৰচনা কৰিলে আৰু বিশ্ৰাম কৰিলে।

পবিত্ৰ কোৰাণ শ্বৰীফ (সুৰত ফুৰ্কানি ২৫, আয়ত নং ৫২, ৫৮, ৫৯)

*আয়ত ৫২ ঃ- ফলা তুতিঅল্ - কাফিৰন্ ৱ জহিদহুম বিহী জিহাদন্ কবীৰা (কবীৰন্)।।৫২।।*

এইটোৰ ভাৱাৰ্থ হজৰত মহম্মদৰ খুদাই (প্ৰভূ) কৈ আছে যে- হে পয়গম্বৰ! আপুনি কাফিৰ সকলৰ (এক প্ৰভূৰ ভক্তি এৰি অন্য দেৱ দেৱীৰ মুৰ্তিৰ পূজা কৰা সকল) কথা নেমানিব, কাৰণ তেওঁলোকে কবীৰক পূৰ্ণ পৰমাত্মা বুলি মানি লোৱা নাই। আপুনি মোৰ দ্বাৰা এই কোৰাণ শ্বৰীফত দিয়া জ্ঞানৰ আধাৰত সম্পূৰ্ণ ভাৱে বিশ্বাস কৰিব যে কবীৰ পূৰ্ণ ভগৱান হয়, আৰু কবীৰ আল্লাহৰ বাবে সংঘৰ্ষ কৰিব (কাজিয়া নকৰিব) অৰ্থাৎ কবীৰ পূৰ্ণ প্ৰভূ হয় বুলি বিশ্বাস কৰিব, অন্য কাৰো, কোনো কথা নুশুনিব।

আয়ত ৫৮ ঃ- ৱ তৱক্কল তলল - হৰিওল্লজী লা যমূতু ৱ সবিবহ

বিহমদিহী ৱ কফা বিহী বিজুনুবি অবাদিহী খবীৰা (কবীৰা)।।৫৮।।

ভাৱাৰ্থ ঃ- হজৰত মহম্মদে যি জনক নিজৰ প্ৰভূ মানি লৈছে সেইজন আল্লাই (প্ৰভূৱে) অন্য বেলেগ পূৰ্ণ প্ৰভূৰ ফালে ইঙ্গিত দি কৈছে - হে পয়গম্বৰ! সেই কবীৰ পৰমাত্মাৰ ওপৰত বিশ্বাস কৰা যি জনে জিন্দা মহাত্মাৰ ৰূপত আহি তোমাক লগ ধৰিছিল। তেওঁৰ কেতিয়াও মৃত্যু নহয় অৰ্থাৎ তেওঁহে প্ৰকৃততে অবিনাশী। তেওঁক প্ৰসংশা কৰি তেওঁৰ পবিত্ৰ মহিমাৰ গুনাণু কীৰ্তন কৰি যোৱা, সেইজন কবীৰ আল্লা (প্ৰভূ) কবীৰদেৱ পূজনীয় হয় আৰু নিজৰ উপাসক সকলৰ সকলো পাপ বিনাশ কৰি দিব।

আয়ত ৫৯ ঃ- অল্লজী খলক চ্চমাৱতি ৱলঅৰ্জ ৱ মা বৈনহুমা ফী সিত্তি অয়্যামিন সুম্মস্তবা অললঅৰ্শি অৰ্ৰহমানু ফসঅল বিহী খবীৰণ (কবীৰণ)।।৫৯।।

ভাবাৰ্থ ঃ- কোৰাণ শ্বৰীফৰ জ্ঞান দাতা প্ৰভূ (আল্লাহ) যে হজৰত মহম্মদক কৈ আছে যে এইজন কবীৰ প্ৰভূ সেইজনেই হয় যি জনে পৃথিৱী আৰু আকাশৰ মাজৰ সকলো সৃষ্টি ছয় দিনত কৰি সপ্তম দিনত ওপৰৰ নিজৰ সত্যলোকৰ সিংহাসনত বিৰাজমান হ'ল (বহিল) তেওঁৰ বিষয়ৰ তথ্য কোনোবা তত্বদৰ্শী সন্ত (বা-খবৰ)ৰ পৰা জানি লোৱা।

সেই পূৰ্ণ পৰমাত্মাৰ প্ৰাপ্তি কেনেকৈ হ’ব তাৰ প্ৰকৃত জ্ঞান কোনোবা তত্বদৰ্শী সন্ত (বা-খবৰ)ক সুধি লোৱা, মই (কোৰাণ শৰীফৰ জ্ঞান দাতা) নাজানোঁ।

এতিয়া স্পষ্ট হ’ল যে দুয়ো পবিত্ৰ ধৰ্ম (খৃষ্টান আৰু মুছলমান, ইচলাম)ৰ পবিত্ৰ শাস্ত্ৰইও মিলিজুলি প্ৰমাণিত কৰি দিলে যে সকলো সৃষ্টিৰ ৰচনা কৰ্ত্তা, সকলো পাপ বিনাশক, সৰ্বশক্তিমান, অবিনাশী পৰমাত্মা মানৱ সদৃশ আকাৰত আছে আৰু সত্যলোকত থাকে। তেওঁৰ নাম কবীৰ হয়, তেওঁক আল্লাহু অকবিৰু বুলিও কোৱা হয়।

আদৰণীয় ধৰ্মদাসে পূজ্য কবীৰ প্ৰভূক কলে, “হে সৰ্বশক্তিমান আজিলৈকে এই তত্বজ্ঞান কোনেও নক’লে, বেদৰ মৰ্ম জ্ঞানী সকলেও নকলে। গতিকে এইটো নিশ্চিত যে চাৰিও পবিত্ৰ বেদ আৰু চাৰিও পবিত্ৰ কতেব (কোৰাণ শ্বৰীফ আদি) মিছা হয়। তেতিয়া পূৰ্ণ পৰমাত্মাই কলে ঃ-

*কবীৰ, বেদ কতেব ঝুঠে নহী ভাই, ঝুঠে হৈ জো সমঝে নাহী।*

ভাৱাৰ্থ ঃ- চাৰিওখন পবিত্ৰ বেদ (ঋগবেদ, অথৰ্ববেদ, যজুৰ্বেদ, সামবেদ) আৰু চাৰিওটা পবিত্ৰ কতেব (কোৰাণ শৰীফ, জবুৰ, তৌৰাত, ইঞ্জিল)ৰ জ্ঞান মিছা (ভূল) নহয়। কিন্ত এই জ্ঞানক বুজি নোপোৱা সকলহে মুৰ্খ।

*** পূজ্য কবীৰ পৰমেশ্বৰ (কবীৰ দেৱ)ৰ অমৃত বাণীত সৃষ্টি ৰচনা**

বিশেষ ঃ নিম্ন অমৃত বাণী ১৪০৩ চনৰ পৰা (যেতিয়া পূজ্য কবীৰদেৱৰ (কবীৰ পৰমেশ্বৰ) লীলাময় শৰীৰত পাঁচ বছৰ বয়সৰ হৈছিল) ১৫১৮ (যেতিয়া কবীৰদেৱ (কবীৰ পৰমেশ্বৰ) মগহৰ নামৰ ঠাইত স্বশৰীৰে সত্যলোক গৈছিল) চনৰ মাজত প্ৰায় ছয়শ বছৰ পূৰ্বে পৰম পূজ্য কবীৰ পৰমেশ্বৰ (কবীৰদেৱ)ৰ দ্বাৰা নিজৰ সেৱক (দাস/ভক্ত) আদৰণীয় ধৰ্মদাসক শুনোৱা হৈছিল আৰু ভক্তিৰ ধনী ধৰ্মদাসে লিপিবদ্ধ কৰিছিল। কিন্ত সেই সময়ৰ পবিত্ৰ হিন্দু আৰু পবিত্ৰ মুছলমান ধৰ্মৰ বেঙা (মুৰ্খ) গুৰু সকলে কলে যে এই তাঁতী (কাপোৰ বোৱা জাতি) কবীৰে মিছা মাতিছে। কোনো সৎগ্ৰন্থত ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ মা-দেউতাৰ নাম নাই। এই তিনিও প্ৰভূ অবিনাশী, এওঁলোকৰ জন্ম-মৃত্যু নহয়। পবিত্ৰ বেদ আৰু পবিত্ৰ কোৰাণ শ্বৰীফতো কবীৰ পৰমেশ্বৰ বুলি কোনো প্ৰমাণ নাই। পৰমাত্মাক নিৰাকাৰ বুলিহে লিখা আছে তেওঁলোকে আৰু কলে যে এই সৎগ্ৰন্থবিলাক তেওঁলোকে সদায় অধ্যয়ণ কৰে। সহজসৰল আত্মা (মানুহ) সকলে সেই বিচক্ষণ (চতুৰ গুৰু) গুৰুৰ ওপৰত বিশ্বাস কৰি ভাবিলে যে এই কবীৰ তাঁতী সঁচাকৈয়ে অশিক্ষিত আৰু গুৰুসকল শিক্ষিত হয়, এওঁলোকে নিশ্চয় সত্য কথাই কৈছে। আজি সেই সত্য পোহৰলৈ আহিব ধৰিছে আৰু আমাৰ সকলো পবিত্ৰ ধৰ্মৰ পবিত্ৰ সদগ্ৰন্থ তাৰ সাক্ষী ৰূপত আজিও বিদ্যমান, গতিকে এইটো সিদ্ধ হল যে পূৰ্ণ পৰমেশ্বৰ, সকলো সৃষ্টিৰ ৰচনা কৰ্ত্তা, কুলৰ মালিক আৰু সৰ্বজ্ঞ হ’ল কবীৰদেৱ (কবীৰ পৰমেশ্বৰ) যিজন কাশী (বানাৰস)ত পদুম ফুলৰ ওপৰত অৱতীৰ্ণ হৈছিল আৰু ১২০ বছৰলৈকে বাস্তৱিক তেজোময় শৰীৰৰ ওপৰত কম আভাযুক্ত মানৱ সদৃশ শৰীৰত আছিল আৰু নিজৰ দ্বাৰা ৰচনা কৰা সৃষ্টিৰ যথাযথ (বাস্তৱিক তত্ব) জ্ঞান দিয়াৰ পিছত সোঁশৰীৰে সত্যলোকলৈ গৈছিল।

পৰমেশ্বৰ কবীৰ চাহেবৰ দ্বাৰা উচ্চাৰিত নিম্ন অমৃত বাণী কৃপা কৰি প্ৰেমী পাঠক সকলে পঢ়ে যেন।

*ধৰ্মদাস য়হ জগ বৌৰাণা। কোই ন জানে পদ নিৰৱানা।।১।।*

*য়হি কাৰণ মে কথা পসাৰা। জগসে কহিয়ো ৰাম নিয়াৰা।।*
*য়হী জ্ঞান জগ জীৱ সুনাও। সব জীৱোঁকা ভৰম নাশাও।।২।।*
*ভৰম গয়ে জগ বেদ পুৰাণা। আদি ৰামকো ভেদ ন জানা।।৩।।*
*ৰাম ৰাম সব জগত বখানে। আদি ৰাম কোই বিৰলা জানে।।৪।।*
*জ্ঞানী সুনে সো হৃদয় লগাই। মুৰ্খ সুনে সো গম্য না পাই।।৫।।*
*অব মে তুমসে কহোঁ চিতাই। ত্ৰিদেৱন কী উৎপত্তি ভাই।।৬।।*
*কুছ সংক্ষেপ কহোঁ গুহৰাই। সব সংশয় তুম্হৰে মিট জাই।।৭।।*
*মা অষ্টাঙ্গী পিতা নিৰঞ্জন। ৰে যম দাৰুণ বনশন অঞ্জন।।৮।।*
*পহিলে কীহ্ন নিৰঞ্জন ৰাই। পিছে সে মায়া উপজাই।।৯।।*
*মায়া ৰূপ দেখি অতি শোভা। দেৱ নিৰঞ্জন তন-মন লোভা।।১০।।*
*কাম দেৱ ধৰ্মৰায় সতায়ে। দেৱী কো তুৰন্তহী ধৰ খায়ে।।১১।।*
*পেট সে দেৱী কৰী পুকাৰা। চাহব মেৰা কৰো উবাৰা।।১২।।*
*টেৰ সুনী তব হম তহাঁ আয়ে। অষ্টাঙ্গী কো বন্দ ছুড়ায়ে।।১৩।।*
*সত্যলোক মে কীহ্না দুৰাচাৰি। কাল নিৰঞ্জন দিন্হা নিকাৰি।।১৪।।*
*মায়া সমেত দিয়া ভগাই। ষোল্ল সংখ কোস দুৰী পৰ আই।।১৫।।*
*অষ্টাংগী ঔৰ কাল অব দোই। মন্দ কৰ্ম সে গয়ে বিগোই।।১৬।।*
*ধৰ্মৰায় কো হিকমত কীহ্না। নখ ৰেখা সে ভগকৰ লীন্হা।।১৭।।*
*ধৰ্মৰায় কিহ্নাঁ ভোগ বিলাসা। মায়াকো ৰহী তব আসা।।১৮।।*
*তীন পুত্ৰ অষ্টাংগী জায়ে। ব্ৰহ্মা বিষ্ণু শিৱ নাম ধৰায়ে।।১৯।।*
*তীন দেৱ বিস্তাৰ চলায়ে। ইনমে য়হ জগ ধোখা খায়ে।।২০।।*
*পুৰুষ গম্য কৈসে কো পাৱৈ। কাল নিৰঞ্জন জগ ভৰমাৱৈ।।২১।।*
*তীনলোক অপনে সুত দীহ্না। সুন্ন নিৰঞ্জন বাসা লীন্হা।।২২।।*
*অলখ নিৰঞ্জন সুন্ন ঠিকানা। ব্ৰহ্মা বিষ্ণু শিৱ ভেদ ন জানা।।২৩।।*
*তীন দেৱ সো উনকো ধাৱে। নিৰঞ্জন কা ৱে পাৰ না পাৱে।।২৪।।*
*অলখ নিৰঞ্জন বড়া বটপাৰা। তীন লোক জীৱ কীন্হ অহাৰা।।২৫।।*
*ব্ৰহ্মা বিষ্ণু শিৱ নহী বচায়ে। সকল খায় পুনধুৰ উড়ায়ে।।২৬।।*
*তিনকে সুত হৈ তিনো দেৱা। আন্ধৰ জীৱ কৰত হৈ সেৱা।।২৭।।*
*অকাল পুৰুষ কাহু নহি চীন্হা। কাল পায় সবহী গহ লীহ্না।।২৮।।*
*ব্ৰহ্ম কাল সকল জগ জানে। আদি ব্ৰহ্মকো না পহিচানে।।২৯।।*
*তীনো দেৱা ঔৰ ঔতাৰা। তাকো ভজে সকল সংসাৰা।।৩০।।*
*তীনো গুণকা য়হ বিস্তাৰা। ধৰ্মদাস মে কহো পুকাৰা।।৩১।।*
*গুণ তীনো কী ভক্তি মে, ভূল পৰো সংসাৰা।।৩২।।*
*কহৈ কবীৰ নিজ নাম বিন কৈসে উতৰৈ পাৰ।।৩৩।।*

উপৰোক্ত অমৃতবাণীত পৰমেশ্বৰ কবীৰ চাহেবে তেওঁৰ নিজৰ সেৱক শ্ৰী ধৰ্মদাসক কৈছে যে এই সকলো সংসাৰ তত্বজ্ঞানৰ অভাৱত বিচলিত হৈছে। পূৰ্ণ মোক্ষৰ আৰু সম্পূৰ্ণ সৃষ্টি ৰচনাৰ জ্ঞান কাৰো নাই। এই কাৰণে মই আপোনাক মোৰ দ্বাৰা কৰা সৃষ্টি ৰচনাৰ কথা শুনাম,

বুদ্ধিমান ব্যক্তিয়ে তুৰন্তে বুজি পাব, কিন্তু সকলো প্ৰমাণ দেখাৰ পাছতো যদিহে নামানে তেতিয়া সেই নিৰ্বোধ প্ৰাণী নিশ্চয় কালৰ দ্বাৰা প্ৰভাৱিত হৈছে, তেওঁ ভক্তিৰ যোগ্য নহয়। এতিয়া মই (কবীৰ চাহেব) তিনিও জন ভগৱানৰ (ব্ৰহ্মা, বিষ্ণু, শিৱ) উৎপত্তি কেনেকৈ হ'ল বৰ্ণনা কৰিম। এওঁলোকৰ মাতা অষ্টাংগী (দূৰ্গা) আৰু পিতা জ্যোতি নিৰঞ্জন (ব্ৰহ্ম/কাল) হয়। প্ৰথমতে ব্ৰহ্মৰ উৎপত্তি কণীৰ পৰা হ'ল। আকৌ দূৰ্গাৰ উৎপত্তি হল, দূৰ্গাৰ ৰূপ দেখি আসক্ত হৈ কাল ব্ৰহ্মই অশ্লীল ইঙ্গিত দিয়াত দুৰ্গাই (প্ৰকৃতি) কালৰ পেটত আশ্ৰয় লৈ উদ্ধাৰৰ কাৰণে প্ৰাৰ্থনা কৰিলে, তেতিয়া মই (কবীৰ প্ৰভূ) নিৰঞ্জন থকা ঠাইলৈ গলো। ভৱানী (দূৰ্গা)ক ব্ৰহ্মৰ পেটৰ পৰা উলিয়াই একৈশ ব্ৰহ্মাণ্ডৰ সৈতে যোল্ল সংখ দুৰলৈ দুয়োকে (ব্ৰহ্ম আৰু দূৰ্গা) পঠাই দিলো। জ্যোতি নিৰঞ্জনৰ (ধৰ্মৰায়) প্ৰকৃতি দেৱী (দূৰ্গা)ৰ লগত ভোগ বিলাসৰ পৰা তিনি গুণ (ব্ৰহ্মা, বিষ্ণু, শিৱ)ৰ উৎপত্তি হ'ল। এই তিনিগুণৰ (ৰজগুণ-ব্ৰহ্মা, সৎগুণ-বিষ্ণু, তমগুণ-শিৱ) সাধনা কৰি সকলো প্ৰাণী কালৰ জালত বন্দী হৈ পৰিল। যেতিয়ালৈকে প্ৰকৃত মন্ত্ৰ পোৱা নাযায়, পূৰ্ণ মোক্ষ কেনেকৈ সম্ভৱ হব ?

বিশেষ ঃ প্ৰিয় পাঠক সকল, চিন্তাৰ বিষয় এই যে বৰ্তমানলৈকে ব্ৰহ্মা, বিষ্ণু আৰু শিৱক অবিনাশী বুলি কোৱা হৈছে। সকলো হিন্দু সমাজে এতিয়ালৈকে তিনিও প্ৰভূক অজৰ অমৰ আৰু জন্ম-মৃত্যু ৰহিত বুলি গণ্য কৰিছে, কিন্তু এই তিনিও নাশৱান হয়। আপোনালোকে ওপৰত পঢ়াৰ দৰে এই তিনি প্ৰভুৰ পিতা কালৰূপী ব্ৰহ্ম আৰু মাতা দুৰ্গা (প্ৰকৃতি/অষ্টাংগী) হয়। এই কথা (জ্ঞান) আমাৰ পবিত্ৰ শাস্ত্ৰ সমূহত বিদ্যমান আছে। কিন্তু হিন্দু সমাজৰ কলিযুগৰ গুৰু, ঋষি, সন্ত, সকলৰ এই জ্ঞান নাই। যিজন শিক্ষকে পাঠ্যক্ৰম মতে পাঠদান নকৰে সেইজন অধ্যাপক ভাল নহয় (বিদ্বান নহয়)। তেওঁ বিদ্যাৰ্থী সকলৰ ভৱিষ্যতৰ শত্ৰু হয়। এইদৰে যি সকল গুৰুৱে এতিয়ালৈকে ব্ৰহ্মা, বিষ্ণু, শিৱৰ মাতা পিতা কোন হয়, ক'ব নোৱাৰে, তেওঁলোক জ্ঞানহীন গুৰু ঋষি আৰু সন্ত হয়। জ্ঞানৰ অভাৱত সকলো ভক্ত সমাজক শাস্ত্ৰ বিৰুদ্ধ জ্ঞান (লোকবেদ বা কিংবদন্তি) শুনাই অজ্ঞানী কৰি তুলিলে। শাস্ত্ৰ বিৰুদ্ধ ভক্তি সাধনা কৰিবলৈ দি পৰমাত্মাৰ পৰা হ'ব লগা প্ৰকৃত লাভ (পূৰ্ণ মোক্ষ)ৰ পৰা বঞ্চিত কৰিলে, সকলোৰে মানৱ জনম নষ্ট কৰি পেলালে কাৰণ শ্ৰীমদ্‌ভাগৱত গীতাৰ অধ্যায় ১৬ ৰ ২৩-২৪ নং শ্লোকত প্ৰমাণ আছে যে শাস্ত্ৰ বিধি ত্যাগ কৰি মই মতালি পূৰ্ণ আচৰণ, পূজা কৰিলে তাৰ পৰা সাধকৰ কোনো লাভ নহয়। পূৰ্ণ পৰমাত্মা কবীৰ চাহেবে ১৪০৩ চনৰ পৰা সকলো শাস্ত্ৰ সন্মত জ্ঞান নিজৰ অমৃত বাণী (কবীৰ বাণী)ৰ যোগেদি কবলৈ আৰম্ভ কৰিছিল। কিন্তু সেই অজ্ঞানী গুৰু সকলে এই জ্ঞান ভক্ত, সমাজৰ মাজত প্ৰচাৰ প্ৰসাৰ হবলৈ নিদিলে। এই কথা বৰ্তমান সময়ত স্পষ্টকৈ পোহৰলৈ আহিব ধৰিছে আৰু ইয়াৰ দ্বাৰা এইটো সিদ্ধি হ'ল যে স্বয়ং পূৰ্ণ পৰমাত্মা কবীৰদেৱ (কবীৰ পৰমাত্মা)ৰ বেশত তত্বদৰ্শী সন্ত হিচাবে আহিছিল।

*** আদৰণীয় গৰীবদাস চাহেবৰ অমৃত বাণীত সৃষ্টি ৰচনাৰ প্ৰমাণ**

আদি ৰমৈণী (সদ গ্ৰন্থ ৬৯০ ৰ পৰা ৬৯২ পৃষ্ঠালৈকে)

*আদি ৰমৈণী অদলী সাৰা। জা দিন হোতে ধুন্ধকাৰা।।১।।*
*সৎপুৰুষ কীন্হা প্ৰকাশা। হম হোতে তখত কবীৰ খৱাচা।।২।।*
*মন মোহিনী সিৰজি মায়া। সৎপুৰুষ এক খ্যাল বনায়া।।৩।।*
*ধৰ্মৰায় সিৰজে দৰবাণী। চৌষঠ যুগতপ সেৱা ঠানী।।৪।।*

পুৰুষ পৃথিৱী জাকু দীন্হী। ৰাজ কৰো দেৱা আধীনী।।৫।।
ব্ৰহ্মাণ্ড ইকীস ৰাজ তুম্হ দীহ্না। মন কী ইচ্ছা সব যুগ লীহ্না।।৬।।
মায়া মূল ৰূপ এক ছাজা। মোহি লিয়ে জিনহুঁ ধৰ্মৰাজা।।৭।।
ধৰ্ম কা মন চঞ্চল চিত্ত ধাৰ্যা। মন মায়া কা ৰূপ বিচাৰা।।৮।।
চঞ্চল চেৰী চপল চিৰাগা। য়া কে পৰসে সৰবস জাগা।।৯।।
ধৰ্মৰায়া কিয়া মন কা ভাগী। বিষয় বাসনা সঙ্গ সে জাগী।।১০।।
আদি পুৰুষ অদলী অনৰাগী। ধৰ্মৰায় দিয়া দিল সে ত্যাগী।।১১।।
পুৰুষ লোক সে দিয়া ঢহাহী। অগম দ্বীপ চলি আয়ে ভাই।।১২।।
সহজ দাস জিস দ্বীপ ৰহতা। কাৰণ কৌন কৌন কুল পন্থা।।১৩।।
ধৰ্মৰায় বোলে দৰবাণী। সুনো সহজ দাস ব্ৰহ্মজ্ঞানী।।১৪।।
চৌষঠ যুগ হম সেৱা কীন্হী। পুৰুষ পৃথিৱী হম কু দীন্হী।।১৫।।
চঞ্চল ৰূপ ভয়া মন বৌৰা। মন মোহিনী ঠগিয়া ভৌৰা।।১৬।।
সত পুৰুষ কে না মন ভায়ে। পুৰুষ লোক সে হম চলি আয়ে।।১৭।।
আগৰ দ্বীপ সুনত বড়ভাগী। সহজ দাস মেটো মন পাগী।।১৮।।
বোলে সহজ দাস দিল দানী। হমতো চাকৰ সত সহদানী।।১৯।।
সৎপুৰুষ সে অৰজ গুজাৰুঁ। জব তুম্হাৰা বিৰাণ উতাৰু।।২০।।
সহজ দাস কো কিয়া পিয়ানা। সত্যলোক লিয়া প্ৰৱাণা।।২১।।
সৎপুৰুষ সাহিব সৰবঙ্গী। অৱিগত অদলী অচল অভঙ্গী।।২২।।
ধৰ্মৰায় তুম্হাৰা দৰবাণী। অগৰ দ্বীপ চলি গয়ে প্ৰাণী।।২৩।।
কৌন হুকম কৰী অৰজ অৱাজা। কহাঁ পঠাবৌ উস ধৰ্মৰাজা।।২৪।।
ভই অৱাজ অদলী এক সাচা। বিষয় লোক যা তীন্যু বাচা।।২৫।।
সহজ বিমান চলে অধিকাই। ছিন মে অগৰ দ্বীপ চলি আই।।২৬।।
হমতো অৰজ কৰী অনৰাগী। তুম্হা বিষয় লোক জাৱো বড়ভাগী।।২৭।।
ধৰ্মৰায় কে চলে বিমানা। মান-সৰোবৰ আয়ে প্ৰাণা।।২৮।।
মান-সৰোবৰ ৰহন ন পায়ে। দৰৈ কবীৰা থানা লায়ে।।২৯।।
বঙ্কনাল কী বিষমী বাটী। তহাঁ কবীৰা ৰোকী ঘাটী।।৩০।।
ইন পাচোঁ মিলি জগত বন্ধনা। লখ চৌৰাশী জীৱ সতানা।।৩১।।
ব্ৰহ্মা বিষ্ণু মহেশ্বৰ মায়া। ধৰ্মৰায় কা ৰাজ পঠায়া।।৩২।।
য়ৌহ খোখা পৰ ঝুঠী বাজী। ভিসতি বৈকুণ্ঠ দগাসী সাজি।।৩৩।।
কৃত্ৰিম জীৱ ভুলানে ভাই। নিজ ঘৰকী তো খবৰি ন পাই।।৩৪।।
সৱা লাখ উপজে নিত হংসা। এক লাখ বিনশে নিত অংশা।।৩৫।।
উপতি খপতি প্ৰলয় ফেৰী। হৰ্ষ শোক জৌৰা জম জেৰী।।৩৬।।
পাচোঁ তত্ব হৈ প্ৰলয় মাহীঁ। সত্বগুণ, ৰজগুণ, তমগুণ, ঝাঁই।।৩৭।।
আঠো অঙ্গ মিলি হৈ মায়া। পিণ্ড ব্ৰহ্মাণ্ড সকল ভৰমায়া।।৩৮।।
য়া মে সুৰতি শব্দ কী ডোৰী। পিণ্ড ব্ৰহ্মাণ্ড লগী হৈ খোৰী।।৩৯।।
শ্বাসা পাৰস মন গহ ৰাখো। খোলহি কপাট অমীৰস চাখো।।৪০।।

*সুনাউ হংস শব্দ সুন দাসা। অগম দ্বীপ হৈ অগ হৈ বাসা।।৪১।।*
*ভৱ সাগৰ জম দণ্ড জমানা। ধৰ্মৰায় কা হৈ তলবানা।।৪২।।*
*পাচোঁ উপৰ পদ কী নগৰী। বাট বিহঙ্গম বংকী ডগৰী।।৪৩।।*
*হমৰা ধৰ্মৰায় সো দাৱা। ভৱ সাগৰ মে জীৱ ভৰমাৱা।।৪৪।।*
*হমতো কহৈ অগম কী বাণী। জহাঁ অবিগত অদলী আপ বিনাশী।।৪৫।।*
*বন্দী ছোড় হমাৰানাম। অজৰ অমৰ হৈ অস্থিৰ ঠামম্।।৪৬।।*
*জুগন জুগন হম কহতে আয়ে। জম জৌৰা সে হংস ছুটায়ে।।৪৭।।*
*জো কোই মানে শব্দ কা লেখা। তন অন্দৰ মন কহো কীন্হী দেখা।।৪৯।।*
*য়া মে সুৰতি শব্দ কা গমাৰা। ভৱসাগৰ নাহী ভৰমে ধাৰা।।৪৯।।*
*দাস গৰীব অগম কী বাণী। খোজা হংসা শব্দ সহদানী।।৫০।।*

উপৰোক্ত অমৃতবাণীৰ ভাৱাৰ্থ ঃ আদৰণীয় গৰীবদাস চাহেবে কৈছে যে ইয়াত প্ৰথমতে কেৱল অন্ধকাৰ আছিল আৰু পূৰ্ণ পৰমাত্মা কবীৰ চাহেব সত্যলোকত তখ্ত (সিংহাসনত) বিৰাজমান আছিল। আমি সত্যলোকত পৰমাত্মাৰ চাকৰ হৈ আছিলোঁ। পৰমাত্মাই জ্যোতি নিৰঞ্জনক উৎপত্তি কৰিলে। পিছত জ্যোতি নিৰঞ্জনৰ তপৰ প্ৰতিফল হিচাপে একৈশ ব্ৰহ্মাণ্ড প্ৰদান কৰিলে। আকৌ মায়া (প্ৰকৃতি)ৰ উৎপত্তি কৰিলে। যুৱতী দূৰ্গাৰ ৰূপত মোহিত হৈ জ্যোতি নিৰঞ্জনে (ব্ৰহ্মই) দূৰ্গা (প্ৰকৃতি)ৰ সৈতে বলৎকাৰ কৰাৰ চেষ্টা কৰিলে। ব্ৰহ্মই তাৰ বাবে শাস্তি পালে। তেওঁক সত্যলোকৰ পৰা বহিষ্কাৰ কৰি দিলে আৰু এক লাখ মানৱ শৰীৰ ধাৰী প্ৰাণীক প্ৰতিদিনে খোৱাৰ অভিশাপ দিলে আৰু ছোৱা লাখ (১.২৫ লাখ) প্ৰাণী প্ৰতিদিনে উৎপন্ন কৰিব লাগিব। ইয়াত সকলো প্ৰাণীয়ে জন্ম-মৃত্যুৰ কষ্ট ভুগি আছে। যদি কোনোবাই পূৰ্ণ পৰমাত্মাৰ বাস্তৱিক শব্দ (সত্যনাম জাপ মন্ত্ৰ) মোৰ পৰা গ্ৰহণ কৰে, তেওঁক কালৰ বন্ধনৰ পৰা মুক্ত কৰি দিম। মোৰ নাম বন্দীছোড় (মুক্তিদাতা) হয়। আদৰণীয় গৰীব দাসে নিজৰ গুৰু প্ৰভু কবীৰ পৰমাত্মা আধাৰত কৈছে যে সত্য মন্ত্ৰ অৰ্থাৎ সত্যনাম আৰু সাৰশব্দৰ প্ৰাপ্তি কৰি পূৰ্ণ মোক্ষ লাভ কৰিব পাৰি। অন্যথাই নকলী নাম দাতা সন্ত, মহন্তৰ মিঠা কথাত ভোল গৈ শাস্ত্ৰবিধি ৰহিত সাধনা কৰি কালৰ জালত বন্দী হব লাগিব। আকৌ কষ্টৰ ওপৰত কষ্ট ভূগিব লাগিব।

সন্ত গৰীবদাস দেৱৰ অমৰ গ্ৰন্থৰ অধ্যায় “হংস পৰমহংসৰ” কথাৰ বাণী নং ৩৭-৪৩ ত কৈছে-

*মায়া আদি নিৰঞ্জন ভাই, অপনে জায়ে আপৈ খাই।*
*ব্ৰহ্মা বিষ্ণু মহেশ্বৰ চেলা, ওঁ সৌহম কা হৈ খেলা।।৩৭।।*
*সিখৰ সুন্ন মে ধৰ্ম অন্যায়ী, জিন শক্তি ডায়ন মহল পঠাই।*
*লাখ গ্ৰাসৈ নিত উঠ দুতী, মায়া আদি তখ্ত কে কুতী।।৩৮।।*
*সৱা লাখ ঘড়িয়ে নিত ভাড়ে, হংসা উৎপত্তি পৰলয় ডাডে ?*
*য়ে তীনো চেলা বটপাৰী, সিৰজে পুৰুষা সিৰজী নাৰী।।৩৯।।*
*খোখাপুৰ মে জীৱ ভূলায়ে, স্বপনা বহিস্ত বৈকুণ্ঠ বনায়ে।*
*য়ো হৰহট কা কুঁৱা লোই য়া গল বন্ধ্যা হে সব কোই।।৪০।।*
*কীড়ী কুঞ্জৰ ঔৰ অৱতাৰা, হৰহট ডোৰী বন্ধে কঈ বাৰা।*
*অৰব অলীল ইন্দ্ৰ হৈ ভাই, হৰহট ডোৰী বন্ধে সব আই।।৪১।।*

*শেষ মহেশ গনেশ্বৰ তাহি, হৰহট ডোৰী বন্ধে সব খেৰা।*
*কোটিক কৰ্ত্তা ফিৰতা দেখ্যা, হৰহট ডোৰী কহুঁ সুন লেখা।।৪২।।*
*চুতুৰ্ভূজী ভগৱান কহাৱৈ, হৰহট ডোৰী বন্ধে সব আৱৈ।*
*য়ো হৈ খোখাপুৰ কা কুঁৱা, য়া মে পড়া সো নিশ্চয় মুৱা।।৪৩।।*

জ্যোতি নিৰঞ্জন (কাল/ব্ৰহ্ম)ৰ বশ হৈ এই তিনিও দেবতা (ৰজগুণব্ৰহ্মা, সত্বগুণ - বিষু, তমগুণ-শিব) নিজৰ মহিমা দেখুবাই জীবক স্বৰ্গ, নৰক আৰু ভব সাগৰত (চৌৰাশী লাখ যোনী ভ্ৰমন) ঘূৰাই থাকে। জ্যোতি নিৰঞ্জনে। নিজৰ মায়াৰ দ্বাৰা সাপৰ দৰে জীবক উৎপন্ন কৰে পিছত আকৌ মাৰে। যিদৰে সাপে কুণ্ডলী সাজি কণীবোৰ নিজৰ ফনাৰে খোট মাৰে যাতে কণী ফাটি যায়। তাৰ পৰা পোৱালী ওলায় তাক খায় পেলায়। ফনাৰে খোট দিবৰ সময়ত কিছুমান কণী ফাটি যায় কিয়নো সৰ্পিনীয়ে বহুত কণী দিয়ে। যি কণী ফাটি পোৱালী ওলায় যদি সেই সাপৰ পোৱালী কুণ্ডলীৰ ভিতৰৰ পৰা বাহিৰলৈ ওলাব পাৰে সিটো বাচি যায় নহলে কুণ্ডলীৰ ভিতৰত থাকিলে তাক খাবলৈ নাপাহৰে। যিমান সাপৰ পোবালী কুণ্ডলীৰ ভিতৰত থাকিব সকলোকে খায় শেষ কৰিব। যি সকল সাধক ব্ৰহ্ম (কাল ব্ৰহ্ম অথবা জ্যোতি নিৰঞ্জন, দেৱী দূৰ্গা তথা ব্ৰহ্মা, বিষ্ণু, শিৱ আৰু অন্য দেৱ-দেৱী ভক্তি কৰে তেওঁলোক কালব্ৰহ্ম ৰূপী নাগীনীৰ কুণ্ডলী অৰ্থাৎ জন্ম মৃত্যুৰ চক্ৰত কাললোকত থাকি যায়, যাক জ্যোতি নিৰঞ্জনে খায়)।

*মায়া কালী নাগিনী অপনে জায়ে খাত।*
*কুণ্ডলী মে ছোড়ে নহী সৌ বাতোঁ কী বাত।।*


এই কালবলী (ব্ৰহ্ম)ৰ জাল নাগিনীৰ কুণ্ডলীৰ দৰে। উপযুক্ত সন্ত বা গুৰুৰ পৰা দীক্ষা লৈ অন্য দেৱ দেৱীৰ পৰা আৰম্ভ কৰি নিৰঞ্জন (ব্ৰহ্ম) পৰ্য্যন্তৰ ভক্তি সাধনা কৰিলেও এই নিৰঞ্জনৰ কুণ্ডলী (একৈশ ব্ৰহ্মাণ্ড)ৰ পৰা ওলাই যাব নোৱাৰি। স্বয়ং, ব্ৰহ্মা, বিষ্ণু, মহেশ আৰু আদিমায়া দূৰ্গাও নিৰঞ্জনৰ কুণ্ডলীৰ ভিতৰত আছে। এওঁলোক বৰ অসহায়, অৱতাৰ ধাৰণ কৰি আহে আৰু জন্ম মৃত্যুৰ চক্ৰত বন্দী হয়। সেই কাৰণে ধ্ৰুৱ, প্ৰহ্লাদ আৰু শুকদেৱ ঋষি সকলে "সোহম" মন্ত্ৰ জপ কৰিও পূৰ্ণ মোক্ষ লাভ কৰিব নোৱাৰিলে। কাৰণ শ্ৰী বিষ্ণু পুৰাণৰ প্ৰথম অংশৰ, অধ্যায় ১২ ৰ শ্লোক নং ৯৩ ত (পৃষ্ঠা ৫১) লিখা আছে যে ধ্ৰুৱও কেৱল এক কল্প অৰ্থাৎ এক হাজাৰ চতুৰ্যুগ লৈকেহে মুক্ত হৈ থাকিব। এই কাৰণে ধ্ৰুৱও কাল লোকত আছে। "ওঁ নমঃ ভগৱতে বাসুদেৱায়" মন্ত্ৰ জপ কৰা ভক্ত সকলে কৃষ্ণ ভগৱানৰ ভক্তি কৰিছে। তেওঁলোকো চৌৰাশী লাখ যোনিৰ কাল চক্ৰৰ পৰা মুক্ত নহয়। ইয়াৰ প্ৰত্যক্ষ প্ৰমাণ পূজ্য কবীৰ চাহেব আৰু আদৰণীয় গৰীবদাস মহাৰাজৰ বাণীত উল্লেখ আছে।

*অনন্ত কোটি অৱতাৰ হে, মায়া কে গোবিন্দ।*
*কৰ্ত্তা হো হো অৱতাৰে বহুৰ পড়ে জগ ফন্দ।।*

সত্য পুৰুষ কবীৰ চাহেবৰ ভক্তিৰ দ্বাৰাহে জীৱ সম্পূৰ্ণ মুক্ত হ'ব পাৰিব। যেতিয়ালৈকে জীৱ সত্যলোকলৈ উভতি নাযায় তেতিয়ালৈকে কাল লোকত এইদৰে কৰ্ম কৰি থাকিব আৰু নিজে কৰা ভক্তি আৰু দান ধৰ্মৰ উপাৰ্জন (পূণ্যফল) স্বৰ্গৰূপী হোটেলত সমাপ্ত কৰি উভতি আহিব আৰু কৰ্মৰ আধাৰত চৌৰাশী লাখ প্ৰকাৰৰ প্ৰাণীৰ শৰীৰত কষ্ট ভূগিবলৈ কাল লোকত ঘূৰি ফুৰিব অৰ্থাৎ জন্ম আৰু মৃত্যু হৈ থাকিব। মায়া (দূৰ্গা)ৰ পৰা উৎপন্ন হৈ কোটি কোটি গোবিন্দ (ব্ৰহ্মা, বিষ্ণু, শিৱ) মৰি গ'ল। ভগৱানৰ অৱতাৰ হৈ আহিছিল। আকৌ কৰ্মবন্ধনত

বান্ধ খাই কৰ্মফল ভোগ কৰি চৌৰাশী লাখ যোনিলৈ গুচি গ'ল। উদাহৰণস্বৰূপে ভগৱান বিষ্ণুক দেৱৰ্ষি নাৰদে অভিশাপ দিলে। তেওঁ শ্ৰী ৰামচন্দ্ৰৰ ৰূপত অযোধ্যালৈ আহিল। পিছত আকৌ বালীক বধ কৰিলে। ইয়াৰ দণ্ড ভূগিবলৈ শ্ৰীকৃষ্ণ ৰূপত আকৌ জন্ম গ্ৰহণ কৰিলে। আকৌ বালীৰ আত্মাও চিকাৰী ৰূপত জন্ম ল'লে আৰু নিজৰ প্ৰতিশোধ ল'লে। শ্ৰীকৃষ্ণৰ ভৰিত বিষাক্ত শৰ মাৰি বধ কৰিলে। মহাৰাজ গৰীবদাস দেৱে নিজৰ বাণীত কৈছে।

*ব্ৰহ্মা বিষ্ণু মহেশ্বৰ মায়া, ঔৰ ধৰ্মৰায় কহিয়ে।*
*ইন পাচোঁ মিল পৰপঞ্চ বনায়া, বাণী হমৰী লহিয়ে।।*
*ইন পাচোঁ মিল জীৱ অটকায়ে, জুগন জুগন হম আন ছুটায়ে।*
*বন্দী ছোড় হমাৰা নাম অজৰ অমৰ হৈ অস্থিৰ ঠামম্।।*
*পীৰ পয়গম্বৰ কুতুব ঔলিয়া, সুৰ নৰ মুনিজন জ্ঞানী।*
*য়েতা কো তো ৰাহ ন পায়া, জম কে বন্ধে প্ৰাণী।।*
*ধৰ্মৰায় কী ধুমা-ধামী, জম পৰ জঙ্গ চলাঁঊ।*
*জোৰা কো তো জান ন দুঁগা, বান্ধ অদল ঘৰ ল্যাঊ।।*
*কাল অকাল দোঁহু কো মোচু, মহাকাল সি মুঁডু।।*
*মৈ তো তখত হজুৰী হুকুমী, চোৰ খোজ কুঁ ধুন্ধু।।*
*মুলা মায়া মগ মে বৈঠী, হংসা চুন-চুন খাই।*
*জ্যোতি স্বৰূপী ভয়া নিৰঞ্জন মৈ হী কৰ্ত্তা ভাই।।*
*সাহস অঠাসী দীপ মুনীশ্বৰ, বন্ধে মূলা ডোৰী।।*
*ঐত্যা মে জম কা তলবানা, চলিএ পুৰুষ কিশোৰী।।*
*মূলা কা তো মাথা দাগুঁ, সতকী মোহৰ কৰুঁগা।*
*পুৰুষ দ্বীপ কুঁ হংস চলাঊ, দৰা ন ৰোকন দুঁগা।।*
*হম তো বন্দী ছোড় কহাঁৱা, ধৰ্মৰায় হৈ চকৰৈ।*
*সত্যলোক কী সকল সুনাৱা, বাণী হমৰী অখৰৈ।।*
*নৌ লখ পটট্‌ন ঊপৰ খেলু, সাহদৰে কু ৰোকুঁ।*
*দ্বাদশ কোটি কটক সব কাটু, হংস পঠাঊ মোখু।।*
*চৌদহ ভূৱন গমন হৈ মেৰা, জল থল মে সৰবঙ্গী।*
*খালিক খলক খলক মে খালিক, অৱিগত অচল অভঙ্গী।।*
*অগৰ অলীল চক্ৰ হৈ মেৰা, জিত সে হম চল আয়ে।*
*পাচোঁ পৰ প্ৰৱাণা মেৰা, বন্ধি ছূটাৱন ধায়ে।।*
*জহাঁ ওঁকাৰ নিৰঞ্জন নাহী, ব্ৰহ্মা বিষ্ণু বেদ নহী জাহী।*
*জহাঁ কৰতা নহী জান ভগৱানা, কায়া মায়া পিণ্ড ন প্ৰাণা।।*
*পাঁচ তত্ব তীনো গুণ নাহী, জোৰা কাল দ্বীপ নহী জাহী।*
*অমৰ কৰু সৎলোক পঠাঊ, তাতৈ বন্দী ছোড় কহাঊ।।*




ইয়হ হৰহট কা কুৱা লোই, ইয়া গল বন্ধা হ্যা সব কোই।
কীড়ী কুঞ্জৰ আওৰ অৱতাৰা, হৰহট ডোৰী বন্ধে কোই বাৰা।।

# কাল লোকত জন্ম-মৃত্যু ৰূপী চক্ৰ।

কবীৰ পৰমেশ্বৰৰ (কবীৰদেৱৰ) গুণানুকীৰ্তন কৰি আদৰণীয় গৰীবদাসে কৈছে যে আমাৰ প্ৰভূ কবীৰ (কবীৰদেৱ) মুক্তি দাতা হয়। বন্দীছোড় (বন্ধনৰ পৰা মুক্ত)ৰ ভাৱাৰ্থ হ'ল কালৰ কাৰাগাৰৰ পৰা মুক্ত কৰি দিওঁতা। কাল ব্ৰহ্মৰ একৈশ ব্ৰহ্মাণ্ডত সকলো প্ৰাণী পাপৰ কাৰণে বন্দী হৈ আছে। পূৰ্ণ পৰমাত্মা (কবীৰদেৱ) কবীৰ চাহেবে পাপ নাশ কৰি দিয়ে। পাপৰ নাশ ব্ৰহ্ম পৰব্ৰহ্ম, ব্ৰহ্মা, বিষ্ণু, শিৱ আদি কোনেও কৰিব নোৱাৰে। এওঁলোকে জীৱই যেনে কৰ্ম কৰে মাত্ৰ তাৰ ফলহে দিয়ে। এই কাৰণে যজুৰ্বেদৰ পঞ্চম অধ্যায়ৰ মন্ত্ৰ ৩২ ত লিখা আছে- “কবীৰ অংঘাৰি অসি” কবীৰদেৱ (কবীৰ পৰমেশ্বৰ) পাপৰ শত্ৰু হয়, “বম্ভাৰি অসি” বন্ধনৰ শত্ৰু অৰ্থাৎ বন্দীছোড় (মুক্তিদাতা) হয়।

এই পাঁচ (ব্ৰহ্মা, বিষ্ণু, শিৱ, মায়া আৰু ধৰ্মৰায়) জনৰ ওপৰত সত্যপুৰুষ পৰমাত্মা (কবীৰদেৱ) আছে। তেওঁ সত্যলোকৰ গৰাকী। বাকী সকলো ব্ৰহ্ম, পৰব্ৰহ্ম আৰু ব্ৰহ্মা, বিষ্ণু, শিৱ, আদি মায়া নাশৱান পৰমাত্মা হয়। মহাপ্ৰলয়ৰ সময়ত এওঁলোক সকলো লগতে এওঁলোকৰ আয়ু হাজাৰ গুণ অধিক। কিন্তু সেই দীৰ্ঘায়ু সময় নিৰ্দিষ্ট, গতিকে এদিন নিশ্চয় শেষ হ'ব। আদৰণীয় গৰীবদাসদেৱ মহাৰাজে কৈছে।

*শিৱ ব্ৰহ্মা কা ৰাজ, ইন্দ্ৰ গিনতী কহাঁ। চাৰ মুক্তি বৈকুণ্ঠ সমঝ, এতা লহ্যা।*
*সংখ জুগন কী জুনী, উম্ৰ বড় ধাৰিয়া। জা জননী কূৰ্বান সু কাগজ পাৰিয়া।।*
*য়েতী উম্ৰ বুলন্দ মৰৈগা অন্তৰে। সতগুৰু লগে ন কান, ন ভৈটে সন্তৰে।।*

অসংখ্য যুগ পৰ্য্যন্তৰ দীঘলীয়া আয়ুস থাকিলেও, সেইটো এদিন নিশ্চয় সমাপ্ত হ'ব। সত্যপুৰুষ পৰমাত্মা (কবীৰদেৱ) কবীৰ চাহেবৰ প্ৰতিনিধি পূৰ্ণ সন্ত (গুৰু) যি জনে তিনিটা নামৰ (যাৰ এটা ওঁ + তত + সত সাংকেতিক হয়) মন্ত্ৰ দিয়ে আৰু যিজনে পূৰ্ণ সন্তৰ পৰা নাম দান কৰাৰ আদেশ পাইছে, তেওঁৰ পৰা উপদেশ (নাম/মন্ত্ৰ) লৈ ভক্তি ধনৰ উপাৰ্জন কৰিলে আমি সত্যলোকৰ অধিকাৰী (যোগ্য) হংস হ'ব পাৰিম। সত্য সাধনা অবিহনে অতি দীঘলীয়া আয়ুস পালেও কোনো লাভ নহ'ব কাৰণ নিৰঞ্জন (কাল ব্ৰহ্ম)ৰ লোক দুখৰ পাহাৰ সদৃশ লোকত দুখৰ ওপৰি দুখহে আছে।

*কবীৰ জীৱনা তো থোড়ী হী ভলা, জৈ সত্য সুমৰণ হোয়।*
*লাখ বৰ্ষ কা জীৱনা, লেখৈ ধৰৈ না কোয়।।*

যদি সত্য সাধনা কৰা হয় তেতিয়াহলে মানুহৰ কম আয়ুয়েই ভাল। যদি সত্য সাধনা সৎ পুৰুষৰ পৰা নলয় তথা কাল ব্ৰহ্মৰ দেৱ-দেৱীক পূজা কৰি বা প্ৰণায়ম আদি কৰি দীঘলীয়া আয়ুৰ জীৱন জীয়াই থাকিলেও মোক্ষ মাৰ্গত এইবিলাক হিচাবত নাহে। ইমান দিঘল আয়ু (যেনেকৈ শ্ৰীশিৱদেৱৰ) পালেও এদিন নহয় এদিন মৃত্যু অৱশ্যেই হ'ব। ভক্তি সাধনা শাস্ত্ৰ বিৰুদ্ধ হোৱাৰ বাবে জন্ম আৰু মৃত্যুৰ চক্ৰত থাকিব। এনে দীঘলীয়া আয়ুৰ জীৱনৰ কোনো মূল্য নাই।

কবীৰ চাহেবে নিজৰ (পূৰ্ণব্ৰহ্মৰ) বাতৰি/তথ্য নিজেই দিছে। তেওঁ কৈছে যে এই সকলো পৰমাত্মাৰ ওপৰত অসংখ্য ভূজা (বাহু)ৰ পৰমাত্মা সৎপুৰুষ আছে যি জন সত্যলোক (সত্য খণ্ড, সত্যধাম)ত থাকে আৰু সকলো লোক (ব্ৰহ্ম কাল)ৰ ২১ ব্ৰহ্মাণ্ড আৰু ব্ৰহ্মা, বিষ্ণু, শিৱ শক্তিৰ লোক লগতে পৰব্ৰহ্মৰ সাত সংখ ব্ৰহ্মাণ্ড আৰু অন্য সকলো ব্ৰহ্মাণ্ড) তেওঁৰ নিয়ন্ত্ৰনৰ অন্তৰ্গত হয়। পূৰ্ণ গুৰুৰ পৰা সত্যনামও সাৰনাম প্ৰাপ্ত কৰি তাৰ জপৰ দ্বাৰা সত্যলোকলৈ যাব পাৰি। সত্যলোকলৈ যি আত্মা যায় তাৰ পুনৰ জন্ম নহয়। সত্যপুৰুষ (পূৰ্ণ ব্ৰহ্ম) কবীৰ চাহেব (কবীৰদেৱ) অন্য লোকতো বেলেগ বেলেগ নামেৰে বিৰাজমান হৈ আছে। উদাহৰণস্বৰূপে অলখ লোকত অলখ পুৰুষ অগম লোকত অগম পুৰুষ আৰু অকহ লোকত অনামী পুৰুষ ৰূপত বিৰাজমান হৈ আছে এই সকলো নাম উপমাত্মক (তুলনাত্মক) হয়, কিন্তু সেই পূৰ্ণ পুৰুষৰ প্ৰকৃত নাম কবীৰদেৱ (বেলেগ ভাষাত কবীৰ চাহেব) হয়।

*** আদৰণীয় নানক চাহেবৰ বাণীত সৃষ্টি ৰচনাৰ সংকেত**

শ্ৰী নানক চাহেবৰ অমৃতবাণী, মহলা, ১, ৰাগ বিলাৱলু, অংশ ১ (গুৰু গ্ৰন্থ, পৃষ্ঠা ৮৩৯) আপে সচু কিয়া কৰ জোড়ি। অণ্ডজ ফোড়ি বিছোড়।।

*ধৰতী আকাশ কিএ বৈসণ কউ থাউ। ৰাতি দিনতু কিএ ভউ-ভাউ।।*
*জিন কিএ কৰি ৰেখন হাৰা।(৩)*
*ত্ৰিতীয়য়া ব্ৰহ্মা-বিষ্ণু-মহেশা। দেৱী দেৱ উপাএ ৰেসা।।৪।।*
*পউন পানী আগনী বিসৰাউ। তাহী নিৰঞ্জন সাচো নাউ।।*
*তিসু মহি মনুআ ৰহিআ লিব লাই। প্ৰণ বতি নানকু কালুন খাই।।১০*

ওপৰোক্ত অমৃতবাণীৰ ভাৱাৰ্থ ঃ সত্য পৰমাত্মাই (সত্যপুৰুষে) স্বয়ং নিজ হাতেৰে সকলো সৃষ্টি কৰিলে। তেওঁ অণ্ড (কণী) তৈয়াৰ কৰি ভাঙিলে আৰু তাৰ পৰা জ্যোতি নিৰঞ্জন ওলাল। সেই পূৰ্ণ পৰমাত্মাই সকলো প্ৰাণীৰ বসবাস আৰু জীৱনৰ বাবে মাটি, আকাশ, বতাহ পানী আদি পঞ্চতত্বৰ ৰচনা কৰিলে। নিজৰ দ্বাৰা কৰা সৃষ্টিৰ তেওঁ নিজেই সাক্ষী। অন্য কোনেও যথাযথ তথ্য দিব নোৱাৰে। কণী ভাঙি ওলোৱা নিৰঞ্জনৰ পিছত ব্ৰহ্মা, বিষ্ণু আৰু শিৱ তিনিজনৰ উৎপত্তি হল আৰু অন্য দেৱী দেৱতা সকলো উৎপন্ন হ'ল। তাৰ পিছত অগণন জীৱৰ উৎপত্তি হ'ল। তাৰ পাছত বিভিন্ন দেৱতাৰ জীৱন চৰিত্ৰ আৰু বিভিন্ন ঋষিৰ অনুভৱ, অভিজ্ঞতাৰ পৰা ছয় শাস্ত্ৰ লগতে ওঠৰ পুৰাণ তৈয়াৰ হল। শ্ৰী নানক দেৱে কৈছে যে গুৰুৱে বান্ধি দিয়া নীতি নিয়ম পালন কৰি পূৰ্ণ পৰমাত্মাৰ সত্যনামৰ সাধনা এক মনেৰে কৰিলে কালে নাখায়।

ৰাগ মাৰু (অংশ) অমৃতবাণী মহলা ১ (গুৰু গ্ৰন্থ, পৃষ্ঠা নং ১০৩৭)

*সুনহু ব্ৰহ্মা বিসনু, মহেসু উপায়ে। সুনে বৰতে জুগ সবায়ে।।*
*ইসু পদ বিচাৰে সো জুন পুৰা। তিস মিলিএ ভৰমু চুকাইদা।।(৩)*
*সামবেদু, ঋগু, যজুৰু অথৰবনু। ব্ৰহ্মে মুখ মাইআ হৈ ত্ৰৈগুণ।।*

*তা কী কীমত কহি ন সকৈ। কো তিউ বোলে জিউ বুলাইদা।।(৯)*

ওপৰোক্ত অমৃতবাণীৰ সাৰাংশ ঃ পূর্ণ সন্তই সৃষ্টি ৰচনা শুনাব পাৰে। পূর্ণ সন্তই কব পাৰে অণ্ড (কণী) দুভাগ হৈ তাৰ পৰা কোন ওলাল যিজনে ব্রহ্মলোকৰ গুপ্ত স্থানত ব্রহ্মা, বিষ্ণু, শিৱৰ উৎপত্তি কৰিলে। তেওঁ এইটোও কব পাৰে সেই পূর্ণ পৰমাত্মা কোন যি জনে ব্রহ্ম (কাল)ৰ মুখৰ পৰা চাৰিবেদ (ঋগবেদ, যজুর্বেদ, সামবেদ, অথর্ববেদ)ক উচ্চাৰণ কৰালে আৰু যি জন পূর্ণ পৰমাত্মাৰ ইচ্ছামতে প্রত্যেক প্রাণীয়ে কথা কয়। এই সকলো জ্ঞানক সম্পূর্ণ ৰূপে কব পৰা সন্তক লগ পালে তেওঁৰ ওচৰলৈ গৈ সকলো সন্দেহ দূৰ কৰিবলৈ কোৱা হৈছে। এনে সন্ত পূর্ণ সন্ত বা তত্বদর্শী সন্ত হয়।

শ্রী গুৰুগ্রন্থ চাহেবৰ ৯২৯ পৃষ্ঠাৰ অমৃতবাণী- শ্রীনানক চাহেবৰ ৰাগ ৰামকলী মহলা ১ দখণীও অংকাৰ।

ঔঅংকাৰি ব্রহ্মা উৎপত্তি। ঔ অংকাৰি কিআ জিনি চিত। ঔ অংকাৰি সৈল জুগ ভত্র। ঔ অংকাৰি বেদ নিৰমএ। ঔ অংকাৰি সবদি উধৰে। ওঁ অংকাৰি গুৰুমুখি তৰে। ওঁ নম অখৰ সুনহু বিচাৰু। ওঁনম অখৰু ত্রিভৱন সাৰু।

ওপৰোক্ত অমৃতবাণীত শ্রী নানক চাহেবে কৈছে যে ওঁকাৰ অর্থাৎ জ্যোতি নিৰঞ্জন (কাল)ৰ পৰা ব্রহ্মাৰ উৎপত্তি হল। বহু যুগলৈকে আনন্দ উপভোগ কৰি ওঁকাৰে (ব্রহ্মাই) বেদৰ উৎপত্তি কৰিলে আৰু বেদ সমূহ ব্রহ্মাই প্রাপ্ত কৰিলে। তিনিলোকৰ বাবে জপ কৰিব লগা ভক্তিৰ একমাত্র মন্ত্র হল ওঁ। পূর্ণ সন্তৰ পৰা উপদেশ লৈ অর্থাৎ গুৰু ধাৰণ কৰি এই ওঁ শব্দৰ জপ কৰিলে উদ্ধাৰ হয়।

বিশেষ ঃ শ্রী নানক চাহেবে তিনিটা মন্ত্রৰ (ওঁ + তত্ + সত) ঠায়ে ঠায়ে ৰহস্যপূর্ণ বিৱৰণ দিছে। তাক একমাত্র পূর্ণ সন্ত (তত্বদর্শী সন্ত) ইহে বুজিব পাৰে আৰু উপদেশী ভক্তক তিনিওটা মন্ত্রৰ তাৎপর্য্য বুজাব পাৰে।

(পৃষ্ঠা - ১০৩৮) - উত্তম সতিগুৰু পুৰুষ নিৰালে, সবগি ৰতে হৰি ৰস মতৱালে।

*ৰিধি, বুধি, সিধি, গিআন গুৰু তে পাইএ, পুৰে ভাগ মিলাইদা।।১৫।।*

*সতিগুৰুতে পাএ, বিচাৰা, সুন সমাধি, সচে ঘৰবাৰা।*

*নানক নিৰমল নাদু সবদ ধুনি, সচু ৰামৈ নামি সমাইদা।(১৭)*

ওপৰোক্ত অমৃতবাণীৰ ভাৱাৰ্থ ঃ- বাস্তৱিক জ্ঞান দিয়া সৎগুৰু অতি বিৰল। যদি আপুনি ধন-সম্পত্তি, পদবী, বুদ্ধি বা ভক্তি শক্তিও বিচাৰে, তাৰ বাবে ভক্তি মার্গৰ জ্ঞান পূর্ণ সন্তইহে সম্পূর্ণকৈ দিব পাৰে। এনে পূর্ণ সন্তক ভাগ্যৰ বলতহে লগ পোৱা যায়। ওপৰৰ শূন্য (আকাশ)ত নিজৰ বাস্তৱিক ঘৰ (সত্যলোক) পৰমেশ্বৰে সৃষ্টি কৰি থোৱাৰ বাতৰিও সেই পূর্ণ সন্তই কব।

তাত এটা বাস্তৱিক সাৰনামৰ ধ্বনি (শব্দ) হৈ আছে। সেই আনন্দত অবিনাশী পৰমেশ্বৰৰ

সাৰ শব্দৰ দ্বাৰা লীন হোৱা য়ায় অৰ্থাৎ সেই বাস্তৱিক সুখদায়ক স্থানত বাস কৰিব পাৰি, অন্য নামৰ দ্বাৰা বা অযোগ্য/অসম্পূৰ্ণ গুৰুৰ দ্বাৰা এই লাভ নহয়।

আংশিক অমৃতবাণী মহলা পহলা (শ্ৰী গুৰু গ্ৰন্থ, ৩৫৯-৩৬০ পৃষ্ঠা)

*সিব নগৰী মহি আসানি বৈসউ কলপ ত্যাগী বাদ।(১)*
*সিডী সবদ সদা ধুনি সোহৈ অহিনিশি পুৰৈ নাদ।(২)*
*হৰি কীৰতি ৰহ ৰাসি হমাৰী গুৰু মুখ পন্থ অতীত। (৩)*
*সগলী জ্যোতি হমাৰী সমিআ নানা বৰণ অনেক।*
*কহ নানক সুনি ভৰথৰী জোগী পাৰব্ৰহ্ম লিব এক।(৪)*

ভাৱাৰ্থ ঃ শ্ৰী নানক চাহেবে ভৰথৰী জোগীক কৈছে যে ভৰথৰী যোগীৰ সাধনা ভগৱান শিৱ পৰ্যন্তৰ হে। সেই সাধনাৰ দ্বাৰা তেওঁ শিৱৰ নগৰ (লোক)ত ঠাই পাব আৰু তেওঁৰ শৰীৰত 'সিংগী' আদি যি ধ্বনি হৈ আছে সেয়া আমাৰ শৰীৰ কমল (চক্ৰ)ৰ পৰা ওলায়, দুৰদৰ্শনৰ দৰে প্ৰত্যেক দেৱতাৰ স্থানত হোৱা শব্দ আমাৰ শৰীৰৰ বিভিন্ন কমলৰ যোগেদি শুনি থাকিব পাৰি।

শ্ৰী নানকে কৈছে যে তেওঁ এজন পৰমাত্মা অৰ্থাৎ সৰ্বোপৰি পূৰ্ণ পৰমাত্মাৰ এক মনেৰে ভক্তি কৰে।

শ্ৰী নানক চাহেবে কৈছে যে তেওঁলোকক দেখুৱাই (ভস্ম/ছাই সানি, হাতত দণ্ড লৈ) ভক্তি নকৰে। তেওঁ সকলো প্ৰাণীক এজন পূৰ্ণ পৰমাত্মাৰ সন্তান বুলি ভাৱে। সৰ্বব্ৰহ্মাণ্ড সেই একমাত্ৰ শক্তিৰ দ্বাৰা চালিত হৈ আছে। গুৰুৰ পৰা সত্যনাম প্ৰাপ্ত কৰি জপ কৰাটোৱে হল আমাৰ সাধনাৰ মুদ্ৰা। ক্ষমাগুণ আমাৰ বেশভূষা। শ্ৰী নানক চাহেবে কৈছে যে তেওঁ পূৰ্ণ পৰমাত্মাৰ উপাসক আৰু পূৰ্ণ সৎগুৰুৰ ভক্তি মাৰ্গ সকলোতকৈ ভিন্ন।

**অমৃতবাণী ৰাগ আসা মহলা ১ (শ্ৰী গুৰু গ্ৰন্থ ৪২০ পৃষ্ঠা)**

"আসা মহলা ১" জিনী নামু বিসাৰিআ দুজৈ ভৰমি ভূলাই। মূলু ছোড়ি ডালী লগে কিআ পাবহি ছাই।।১।। সাহিবু মেৰা একু হৈ অবৰু নহী ভাই। কিৰপা তে সুখু পাইআ সাচে পৰথাই।।৩।। গুৰুকী সেৱা সো কৰে জিসু আপি কৰাএ। নানক সিৰু দে ছুটিয়ে দৰগহ পতি পায়।।৮।। ।।১৮।।

ভাৱাৰ্থ ঃ শ্ৰী নানক চাহেবে কৈছে যে যিজনে পূৰ্ণ পৰমাত্মাৰ বাস্তৱিক নাম পাহৰি অন্য ভগৱানৰ নাম জাপ কৰি ভ্ৰমিত হৈ আছে তেওঁলোকে যেন মূল (শিপা) অৰ্থাৎ পূৰ্ণ পৰমাত্মাক এৰি ডাল (তিনিগুণ ৰূপ, ৰজগুণ ব্ৰহ্মা, সৎগুণ বিষ্ণু, তমগুণ শিৱ)ত পানী দি (পূজা কৰি) আছে। সেই সাধনাৰ পৰা কোনো সুখ নহয় অৰ্থাৎ গছ শুকাই যাব আৰু ছাঁতো বহিব নোৱাৰি। সাৰাংশ এই যে শাস্ত্ৰ বিধি এৰি সাধনা কৰিলে সেইটো নিষ্ফল হয়। কোনো ধৰণৰ লাভ নহয়। ইয়াৰ প্ৰমাণ পবিত্ৰ গীতাৰ অধ্যায় ১৬ৰ ২৩-২৪ নং শ্লোকত আছে। সেই পূৰ্ণ পৰমাত্মাক পাবৰ কাৰণে মনোময় যুক্ত সাধনা ত্যাগ কৰি পূৰ্ণ গুৰুদেৱৰ ওচৰত নিজকে সমৰ্পিত কৰি

সত্যনামৰ জপ কৰিলেহে মোক্ষ সম্ভৱ হয় আৰু পূৰ্ণ পৰমাত্মাক পাব পাৰি নহলে মৃত্যুৰ পিছত নৰকলৈ যাব লাগিব।

(শ্ৰী গুৰু গ্ৰন্থ সাহেব ৮৪৩-৮৪৪ পৃষ্ঠা)

*।।বিলাৱলু মহলা ১।। মে মন চাহু ঘনা সাচি বিগাসী ৰাম।*
*মোহী প্ৰেম পিৰে প্ৰভূ অবিনাশী ৰাম।। অবিগতো হৰি নাথু নাথহ*
*তিসৈ ভাবৈ সো থিয়ে। কিৰপালু সদা দইআলু দাতা দীআ*
*অন্দৰি তু জীয়ে। মে আধাৰু তেৰা তু খসমু মেৰা মে তানু*
*তকীআ তেৰও। সাচি সুচা সদা নানক গুৰসবদি ঝগৰু নিবৰেও।।৪।।২।।*

ওপৰোক্ত অমৃতবাণীত শ্ৰী নানক চাহেবে কৈছে যে অবিনাশী পূৰ্ণ পৰমাত্মা নাথৰো নাথ অৰ্থাৎ দেৱতাৰো দেৱতা হয় (সকলো প্ৰভূ-ব্ৰহ্মা, বিষ্ণু, শিৱ লগতে ব্ৰহ্ম আৰু পৰব্ৰহ্মৰো নাথ অৰ্থাৎ স্বামী হয়)। শ্ৰী নানক দেৱে কৈছে - "হে পৰমাত্মা! আপুনিয়ে সকলো প্ৰাণীৰ জীৱনৰ আধাৰ। মই আপোনাৰ চৰণত আশ্ৰয় লৈছো আৰু আপুনি মোৰ স্বামী। আপুনি গুৰু ৰূপত আহি সত্য ভক্তিৰ নিৰ্ণায়ক জ্ঞান দি সকলো দন্দ সমাপ্ত কৰিলে অৰ্থাৎ সকলো সন্দেহ সমাধান কৰি দিলে।"

*(শ্ৰী গুৰু গ্ৰন্থ চাহেব ৭২১ পৃষ্ঠা, ৰাগ তিলঙ্গ মহলা।।১)*
*য়ক অৰ্জ গুফতম পেশ তো দৰ কুন কৰতাৰ।*
*হক্কা কবীৰ কৰীম তু বেঅব পৰবৰ দিগাৰ।*
*নানক বুগোয়দ জন তুৰা তেৰে চাকৰা পাখাক।*

ওপৰোক্ত অমৃত বাণীত স্পষ্টকৈ কোৱা হৈছে, "হে হক্কা কবীৰ অৰ্থাৎ সত্যকবীৰ, শব্দ শক্তিৰে সৃষ্টি ৰচনা কৰা শব্দ স্বৰূপী প্ৰভূ অৰ্থাৎ সকলো সৃষ্টিৰ ৰচনা কৰ্ত্তা আপুনি নিৰ্বিকাৰ, সকলোৰে পালন কৰ্ত্তা দয়ালু প্ৰভূ, মই আপোনাৰ দাসৰো দাস।"

(শ্ৰী গুৰু গ্ৰন্থ চাহেব ২৪ পৃষ্ঠা, ৰাগ সীৰী মহলা ১)

*তেৰা এক নাম তাৰে সংসাৰ, মৈ ঐহা আস ঐহো আধাৰ।*
*নানক নীচ কহৈ বিচাৰ, ধানক ৰূপ ৰহা কৰতাৰ।।*

ওপৰোক্ত অমৃতবাণীয়ে প্ৰমাণিত কৰিছে যে কাশীত যি জন ধানক (তাঁতী) আছিল সেইজনেই (কৰতাৰ) কুলৰ সৃষ্টি কৰ্তা, অতি অধীন হৈ শ্ৰী নানক চাহেবে কৈছে যে তেখেতে সত্য কৈছে এইজন ধানক অৰ্থাৎ কবীৰ তাঁতী পূৰ্ণ ব্ৰহ্ম (সত্যপুৰুষ) হয়।

বিশেষ ঃ ওপৰোক্ত প্ৰমাণ সমূহৰ সাংকেতিক জ্ঞানৰ দ্বাৰা সৃষ্টি ৰচনা কেনেকৈ হল প্ৰমাণিত হৈ গল। আমি পূৰ্ণ পৰমাত্মাক প্ৰাপ্তি কৰিব লাগিব আৰু এইটো সম্ভৱ হব পূৰ্ণ সন্তৰ পৰা নাম দীক্ষা লোৱাৰ পাছত।

*** অন্য সন্তৰ দ্বাৰা সৃষ্টি ৰচনাৰ কিংবদন্তি (আখ্যান)**

অন্য সন্ত সকলে সৃষ্টি ৰচনাৰ বিষয়ে কেনে বৰ্ণনা দিছে তলত দিয়া হ'ল।

সৃষ্টি ৰচনাৰ বিষয়ত ৰাধাস্বামী পন্থৰ আৰু ধন-ধন সৎগুৰু পন্থৰ সন্তসকলৰ বিচাৰ ঃ- সাৱন কৃপাল পাব্লিকেশন, দিল্লীৰ পৰা প্ৰকাশিত "পৰম সন্ত বাবা জয়মল সিংহ মহাৰাজ" নামৰ পবিত্ৰ পুস্তকৰ ১০২-১০৩ পৃষ্ঠাৰ পৰা উদ্ধৃত "সৃষ্টি ৰচনা"।

প্ৰথমতে সত্য পুৰুষ নিৰাকাৰ আছিল, আকৌ আকাৰত দেখা দিলে, তেতিয়া ওপৰৰ তিনিটা নিৰ্মল মণ্ডল (সৎলোক, অলখ লোক, অগম লোক)ৰ সৃষ্ট হ'ল আৰু পোহৰ মণ্ডলত নাদৰ (ধ্বনিৰ) সৃষ্টি হ'ল।"

ৰাধাস্বামী সৎসঙ্গ সভা, দয়াল বাগ, আগ্ৰাৰ পৰা প্ৰকাশিত পবিত্ৰ পুস্তক "সাৰ বচন" (নসৰ)ৰ ৮১ নং পৃষ্ঠাৰ পৰা উদ্ধৃত "সৃষ্টি ৰচনা"।

প্ৰথমতে অন্ধকাৰ আছিল। তাত পুৰুষ (প্ৰভূ) শূণ্য সমাধি অৱস্থাত আছিল। সেই সময়ত কোনো ৰচনা হোৱা নাছিল। আকৌ যেতিয়া ইচ্ছা কৰিলে তেতিয়া শব্দ প্ৰকট হ'ল আৰু তাৰ পৰা সকলো ৰচনা হ'ল। প্ৰথমতে সত্য লোকৰ ৰচনা হ'ল আকৌ সৎপুৰুষৰ ইচ্ছাত তিনি লোকৰ সৃষ্টি হ'ল আৰু সকলোৰে বিস্তাৰ হ'ল।"

ওপৰত লিখা জ্ঞান তলত বৰ্ণনা কৰা কাহিনীৰ দৰে। এবাৰ এজন লৰা চাকৰিৰ বাবে সাক্ষাতকাৰ দিবলৈ গ'ল। বিষয়াই মহাভাৰত পঢ়িছেনে নাই পঢ়া বুলি প্ৰশ্ন কৰাত ল'ৰা জনে উত্তৰ দিলে যে মহাভাৰত তাৰ আঙুলিৰ মূৰত লিখা আছে। বিষয়াই পঞ্চ পাণ্ডৱৰ নাম সুধিলে। ল'ৰা জনৰ উত্তৰ আছিল ঃ "এজন ভীম আছিল, তেওঁৰ এজন ককায়েক আছিল, এজন সৰু ভাই আছিল, আৰু এজন আছিল, আৰু শেষৰ জনৰ নাম মই পাহৰিছোঁ।" ওপৰৰ সৃষ্টি ৰচনাৰ জ্ঞান লৰাজনৰ মহাভাৰতৰ জ্ঞানৰ নিচিনা হয়।

সত্য পুৰুষ আৰু সত্যলোকৰ গুণানুকীৰ্তন কৰা আৰু পাঁচটা নাম (মন্ত্ৰ)-ঔঁকাৰ, জ্যোতি নিৰঞ্জন, ৰৰংকাৰ, সোহম, সত্যনাম-বা তিনিটা নাম (মন্ত্ৰ)-অকাল মুৰ্ত্তি, সৎপুৰুষ, শব্দ স্বৰূপী ৰাম-দিওঁতা সন্ত সকলৰ দ্বাৰা ৰচিত পুস্তকৰ পৰা কিছু সাৰ অংশ ঃ-

"সন্ত মত প্ৰকাশ" ভাগ ৩ পৃষ্ঠাত ৭৬ লিখা আছে যে "সচ্চ খণ্ড বা সতনাম চতুৰ্থ লোক হয়" -ইয়াত 'সৎনাম'ক স্থান (ঠাই) বুলি কোৱা হৈছে। আকৌ এই পবিত্ৰ কিতাপৰ ৭৯ পৃষ্ঠাত লিখা আছে যে "এজন ৰাম দশৰথৰ পুত্ৰ, দ্বিতীয় জন ৰাম 'মন', তৃতীয় ৰাম 'ব্ৰহ্ম' চতুৰ্থ ৰাম 'সৎনাম' এইজন প্ৰকৃত ৰাম হয়। আকৌ "সন্তমত প্ৰকাশ" প্ৰথম ভাগ, ১৭ পৃষ্ঠাত লিখা আছে যে "যিখন সত্যলোক তাকেই সৎনাম কোৱা হয়। পবিত্ৰ গ্ৰন্থ "সাৰবচন নসৰ অৰ্থাৎ ৱাৰ্তিক" ৩ পৃষ্ঠাত লিখা আছে যে "এতিয়া বুজিব লাগিব যে ৰাধাস্বামী পদ সকলোতকৈ উচ্চ (মুকাম) স্থান হয় যাক সন্তসকলে সতলোক, সচ্চখণ্ড, সাৰশব্দ, সৎনাম আৰু সৎপুৰুষ আদি নামেৰে ব্যাখ্যা কৰিছে।" আগ্ৰাৰ পৰা প্ৰকাশিত পবিত্ৰ গ্ৰন্থ সাৰবচন (নসৰ)ৰ ৪ নং পৃষ্ঠাতো ওপৰোক্ত বৰ্ণনা যথাযথ আছে। পবিত্ৰ গ্ৰন্থ "সচ্চখণ্ডৰ পথ"ৰ ২২৬ নং পৃষ্ঠাত লিখা

আছে “সন্ত সকলৰ দেশ সচ্চখণ্ড বা সত্যলোক হয়, তাক সৎনাম, সৎশব্দ সাৰশব্দ কোৱা হয়।

বিশেষ ঃ ওপৰোক্ত ব্যাখ্যা এনেধৰণৰ হল, যেনে - জীৱনত নগৰ, চহৰ, কাৰ গাড়ী, পেট্ৰল একোৱেই নেদেখা আৰু ড্ৰাইভাৰ কাক কয় তাৰো জ্ঞান নথকা ব্যক্তি এজনে অন্য বন্ধু বৰ্গক কৈছে যে তেওঁ চহৰলৈ যায়, কাৰগাড়ীত বহি আনন্দ উপভোগ কৰে। আকৌ বন্ধু সকলে কাৰগাড়ী কেনেকুৱা, পেট্ৰ'ল কেনেকুৱা আৰু ড্ৰাইভাৰ, চহৰ কেনেকুৱা বুলি সোধাত সেই গুৰুজনে (জীৱনত চহৰ নেদেখা জন) উত্তৰ দিলে যে চহৰ বুলি কোৱা, কাৰ বুলি কোৱা একেই কথা। চহৰো কাৰ (গাড়ী) হয়, পেট্ৰ'লো কাৰ (গাড়ীক) কয়, ড্ৰাইভাৰো কাৰ (গাড়ীক) কয়, ৰাস্তাও কাৰগীড়ীয়ে হয়।

বিবেচনাৰ বিষয় ঃ সৎপুৰুষ হ'ল পূৰ্ণ পৰমাত্মা, সৎনাম সেই দুটা মন্ত্ৰৰ নাম হয় যাৰ এটা হল ওঁ আৰু আনটো “তত্” সাংকেতিক হয়। ইয়াৰ পিছত পূৰ্ণ গুৰুৰ দ্বাৰা সাধকক সাৰনাম প্ৰদান কৰা হয়। এই সৎনাম আৰু সাৰনাম দুয়োটা স্মৰণ কৰিব লগা নাম হয়। সত্যলোক সেইটো স্থান যত সৎপুৰুষ বাস কৰে। এই সত্য আৰু অসত্য বিষয়ৰ নিৰ্ণয় পুন্যাত্মা সকলে নিজেই কৰিব।

## ভক্তি মৰ্য্যাদা

*নাম (দীক্ষা) লব বিচৰা ব্যক্তি সকলৰ বাবে আৱশ্যকীয় জানিবলগীয়া কথা ঃ*

১। পূৰ্ণ গুৰুৰ পৰা দীক্ষা লব লাগে ঃ

পূৰ্ণ গুৰুৰ পৰিচয় ঃ আজি কলিযুগত ভক্ত সমাজৰ কাৰণে পূৰ্ণ গুৰুক চিনি পোৱাটো অতি কঠিন বিষয়। কিন্তু ইয়াৰ সহজ-সৰল আৰু সাধাৰণ উত্তৰ আছে। যিজন গুৰুৱে শাস্ত্ৰৰ মতে ভক্তি কৰে আৰু নিজৰ অনুগামী অৰ্থাৎ শিষ্য সকলকো সেইদৰেই ভক্তি কৰিবলৈ দিয়ে তেওঁৱেই পূৰ্ণ সন্ত বা পূৰ্ণ গুৰু। ভক্তি মাৰ্গৰ সংবিধান হ'ল ধাৰ্মিক শাস্ত্ৰ সমূহ, যেনে -কবীৰ চাহেবৰ বাণী, নানক চাহেবৰ বাণী, সন্ত গৰীবদাস মহাৰাজৰ বাণী, সন্ত ধৰ্মদাস চাহেবৰ বাণী, বেদ, গীতা পুৰাণ, কোৰাণ, পবিত্ৰ বাইবেল আদি। যি জন সন্তই শাস্ত্ৰ অনুসৰি ভক্তি সাধনা কৰিবলৈ কয় আৰু ভক্ত সমাজক পথ প্ৰদৰ্শন কৰে তেওঁ পূৰ্ণ সন্ত হয় অন্যথা সেইজন সন্ত ভক্ত সমাজৰ দুৰ্ঘোৰ শত্ৰু হয়। যদিহে তেওঁ শাস্ত্ৰ বিৰুদ্ধ সাধনা কৰিবলৈ কয়, তেওঁ অমূল্য মানৱ জীৱনৰ লগত খেলা কৰি আছে। এনেকুৱা গুৰু বা সন্তক ভগৱানৰ দৰবাৰত বিচাৰ কৰি ঘোৰ নৰকত ওলোটাই ওলোমাই থোৱা হ'ব।

উদাহৰণস্বৰূপে যদি কোনো শিক্ষকে পাঠ্যক্ৰমৰ বাহিৰৰ শিক্ষা দিয়ে তেওঁ শিক্ষাৰ্থী সকলৰ শত্ৰু হয়।

গীতাৰ সপ্তম অধ্যায়ৰ ১৫ নং শ্লোক

*ন, মাম্, দুস্কৃতিনঃ, মূঢ়াঃ প্ৰপদ্যন্তে, নৰাধমাঃ*
*মায়য়া, অপহৃত জ্ঞানাঃ, আসুৰম, ভাৱম, আশ্ৰিতাঃ।।*

অনুবাদ ঃ মায়াৰ দ্বাৰা যাৰ জ্ঞান হৰণ হৈছে, এনে আসুৰিক স্বভাৱযুক্ত মানুহৰ ভিতৰত নীচ, দুষিত কৰ্ম কৰা মুৰ্খ সকলে মোক পূজা নকৰে অৰ্থাৎ তেওঁলোকে তিনিগুণ (ৰজগুণ-ব্ৰহ্মা, সৎগুণ-বিষ্ণু, তমগুণ-শিৱ)ৰ সাধনা কৰি থাকে।

যজুৰ্বেদ অধ্যায় নং ৪০, শ্লোক নং ১০ (সন্ত ৰামপাল দাসদেৱৰ দ্বাৰা ভাষা-ভাষ্য)।

*অন্যদেবাহু ঃ সম্ভৱাদন্যদাহুৰ সম্ভৱাত্, ইতি শুশ্ৰুম ধীৰানা য়ে নস্তদ্বিচ্চক্ষিৰে।।১০।।*

অনুবাদ ঃ পৰমাত্মাৰ বিষয়ত সাধাৰণতে কোৱা হয় যে তেওঁ নিৰাকাৰ অৰ্থাৎ তেওঁ কেতিয়াও জন্ম নলয়। অন্যসকলে কয় যে তেওঁ আকৃতি লৈ আছে, জন্ম লৈ অৱতাৰ ৰূপত আহে। স্থিৰ অৰ্থাৎ পূৰ্ণ জ্ঞানীয়ে এই বিষয়ৰ জ্ঞান ভালদৰে, সঠিক ধৰণে, যথাযথ বিভিন্ন ৰূপত প্ৰত্যক্ষভাৱে দিয়ে।

গীতাৰ চতুৰ্থ অধ্যায়ৰ শ্লোক নং ৩৪

*তত্ ৱিদ্ধি প্ৰণি পাতেন, পৰিপ্ৰশ্নেন, সেৱয়া*
*উপদেক্ষ্যন্তি, তে, জ্ঞানম্, জ্ঞানিনঃ তত্বদৰ্শীনঃ।।*

অনুবাদ ঃ সৎগুৰুৰ শৰণাগত হৈ তেওঁক দণ্ডৱত প্ৰণাম কৰি, কপট এৰি, সৰলতা পূৰ্বক প্ৰশ্ন কৰিলেহে সেই তত্বদৰ্শী, পৰমাত্মাৰ তত্বজ্ঞানী মহাত্মাই তোমাক তত্বজ্ঞানৰ উপদেশ দিব।

২। নিচা জাতীয় বস্তুৰ সেৱন নিষেধ ঃ হোক্কা, মদ্যপান, তামোল, বিড়ি-ছিগাৰেট, কানি, গুটখা, আমোদ, প্ৰমোদ, গাঞ্জা, মঙহ, মাছ, কণী আৰু অইন নিচা জাতীয় বস্তুৰ সেৱন বা অভ্যাস সম্পূৰ্ণ নিষেধ, আনকি নিজে ব্যৱহাৰ নকৰা বস্তু আনক দিয়া বা দিবলৈ কোৱাও নিষেধ। মুক্তিদাতা গৰীবদাস মহাৰাজে এই সকলো বস্তুক বহুত বেয়া বুলি নিজৰ বাণীত বৰ্ণনা কৰিছে।

সকলো বস্তুক বহুত বেয়া বুলি বৰ্ণাই নিজৰ বাণীত কৈছে যে -

সুৰাপান, মদ্য, মাংসহাৰী, গমন কৰে ভৌগে পৰনাৰী। সত্তৰ জনম কটত হ্যায় শীসম, সাক্ষী সাহীৱ হ্যায় জগদীশ। পৰ দ্বাৰা স্ত্ৰী কা খোলৈ, সত্তৰ জনম অন্ধ হো ডোলে। মদিৰা পীৱে কড়ৱা পানী, সত্তৰ জনম শ্বাৱান কে জানি। গৰীব, হুক্কা হৰদম পিৱতে, লাল মিলাৱে ধুৰ। ইসমেঁ সংশয় নঁহী, জন্ম পিছলে সুৱৰ।।১।। গৰীব সো নাৰী জাৰি কৰে, সুৰা পান সৌবাৰ। এক চিলম হুক্কা ভৰৈ, ডুবৈ কালী ধাৰ।।২।। গৰীব সুৰ গউ কুঁ খাত হ্যায়, ভক্তি বিহুনে ৰাড়। ভাং তম্বাকু খা গঁয়ে, সো চাবত হ্যাঁয় হাড়।।৩।।

গৰীব, ভাং তম্বাকু পীৱ হী, সুৰা পান সে হেত। গোস্ত মট্টী খায় কৰ, জঙ্গলী বনে প্ৰেত।।৪।। গৰীব, পান তম্বাকু চাব হী, নাস নাম মেঁ দেত। সো তো ইৰানে গয়ে, যেঁউ ভৰভূজে কা ৰেত।।৫।। গৰীব, ভাং তম্বাকু পিৱ হী, গোস্ত গলা কবাৰ। মোৰ মৃগ কুঁ ভক্ষত হ্যাঁয়, দেঙ্গে কঁহা জৱাব।।৬।।

৩। তীৰ্থ স্থানত যোৱা নিষেধ ঃ কোনো ধৰণৰ ব্ৰত পালন কৰিব নালাগে। যিকোনো তীৰ্থ

যাত্ৰা, গঙ্গাস্নান, অন্য ধাৰ্মিক স্থানত স্নান বা দৰ্শন কৰিবলৈ যাব নালাগে। কোনো মঠ-মন্দিৰ বা ধামত ভগৱান আছে বুলি পূজা কৰিবলৈ বা ভক্তি ভাবেৰে যাব নেলাগে। ভগৱান কোনো পশু নহয় যে তেওঁক পূজাৰীয়ে মন্দিৰত বান্ধি ৰাখি থৈছে। ভগৱান সৰ্বব্যাপী, এই বিলাক সকলো শাস্ত্ৰবিৰুদ্ধ ভক্তি।

বিবেচনা কৰি চালে দেখা যায় যে এই সকলো তীৰ্থ স্থান (জগন্নাথ মন্দিৰ, বদৰীনাথ, হৰিদ্বাৰ, মক্কা-মদিনা, অমৰ নাথ বৈষ্ণু দেৱী বৃন্দাবন, মথুৰা, বৰসানা, অযোধ্যা ৰাম মন্দিৰ, কাশী ধাম, ছুড়ানী ধাম আদি) মন্দিৰ, মছজিদ, গুৰুদ্বাৰ, গীৰ্জা বা ইষ্ট ধাম আদি এনে ঠাই হয় যত কোনো সন্তই এসময়ত বাস কৰিছইল। তেওঁলোকে তাত নিজৰ ভক্তি সাধনা কৰি, ভক্তি ৰূপী ধন সংগ্ৰহ কৰি, শৰীৰ ত্যাগ কৰি নিজৰ ইষ্ট দেৱৰ লোকলৈ গুচি গল। তাৰ পাছত সেই সাধু-সন্তৰ স্মৃতি যুগমীয়া কৰি ৰাখিবলৈ তাত কোনোবাই মন্দিৰ, মছজিদ, গুৰুদ্বাৰ, গীৰ্জা অথবা ধৰ্মশালা আদি নিৰ্মাণ কৰি দিলে। তেওঁলোকৰ স্মৃতি যাউতি যুগীয়া কৰিবলৈ আৰু আমাৰ নিচিনা তুচ্ছ প্ৰাণীয়ে যাতে প্ৰমাণ পাওঁ যে আমিও সেই সাধু সন্তৰ দৰে ভক্তি সাধনা কৰিব লাগে তাৰ বাবেহে এই ঠাই সমূহৰ মহত্ব আছে। এই ধৰণে সাধনা কৰা আৰু সাধনা কৰিবলৈ কোৱা সন্তক বিচাৰি উলিয়াব লাগে আৰু তেওঁ উপদেশ দিয়া মতে ভক্তি সাধনা কৰিব লাগে। কিন্তু দুখৰ বিষয় যে কাল ক্ৰমত এই স্থান সমূহৰো পূজা আৰম্ভ হল যিটো সম্পূৰ্ণৰূপে শাস্ত্ৰ বিৰুদ্ধ।

এই সকলো ধাৰ্মিক স্থান এনে এটা ঠাইৰ নিচিনা যত কোনোবা মিঠাইৱালাই জুইশাল তৈয়াৰ কৰি জেলেপি, লাৰু আদি মিঠাই সিজাই নিজেও খাইছিল আৰু আনকো খুৱাই গুচি গৈছিল। তাৰ পাছত সেই ঠাইত সেইজন মিঠাইৱালাও নাই আৰু মিঠাইও নাই। তাত মাত্ৰ সেই পৰিত্যক্ত জুইশালহে আছে। সেই জুইশালে আমাক মিঠাই বনাবলৈ শিকাব নোৱাৰে বা তাত গলে আমাৰ পেটো নভৰে। এতিয়া কোনোবাই আপোনাক কলে যে সেই মিঠাইৱালাৰ জুইশাল দেখুৱাই দিব। আপুনি তালৈ গল, তাত গৈ জুইশালটো দেখা পালে আৰু তাৰ চাৰিওফালে সাত পাক ঘুৰিলে। আপুনি বাৰু মিঠাই পালেনে ? অথবা আপুনি সেই মিঠাইৱালাক লগ পালেনে যিজনে আপোনাক মিঠাই সিজোৱা বিধি শিকাই দিব ? ইয়াৰ বাবে আপুনি তেনে এজন মিঠাইৱালাক বিচাৰিব লাগিব যিজনে আপোনাক প্ৰথমতে মিঠাই খুৱাৰ আৰু মিঠাই সিজোৱা বিধিও শিকাই দিব। তেতিয়া আপুনি মাত্ৰ সেইটোহে কৰিব যি তেওঁ কৰিবলৈ কব। অন্যধৰণে নকৰিব।

ঠিক তেনেদৰে তীৰ্থস্থানৰ পূজা বাদ দি তেনেকুৱা সন্তক বিচাৰিব যি জনে শাস্ত্ৰবিধি অনুসৰি পূৰ্ণ পৰমাত্মা কবীৰ চাহেবৰ ভক্তি কৰে আৰু আনকো কৰিবলৈ কয়। তাৰ পাছত তেওঁ যেনেকৈ কয়, তেনেকৈহে কৰিব, মই মতালি কৰি নিজৰ মতে নকৰিব।

সামবেদ সংখ্যা নং ১৪০০, উতার্চিক অধ্যায় নং ১২

খণ্ড নং ৩, শ্লোক নং ৫ (সন্ত ৰামপাল দাসৰ দ্বাৰা ভাষা-ভাষ্য) ঃ

ভদ্রা বস্ত্রা সমন্যাও ৰসানো মহান কবীর্নিবচনানি শমসন্ ?

আ বচ্যস্ব চম্বোঃ পূয়মানো বিচক্ষণো জাগৃবির্দেৱৰীতৌ।।৫।।

অনুবাদ ঃ চতুৰ ব্যক্তি সকলে নিজৰ কথাৰ দ্বাৰা পূৰ্ণ পৰমাত্মা (পূৰ্ণ ব্ৰহ্ম)ৰ পূজাৰ সত্যমাৰ্গ নেদেখুৱাই অমৃতৰ ঠাইত অন্য উপাসনা যেনে ঃ ভূত পূজা, পিতৰ পূজা, শ্ৰাদ্ধ কৰা, তিনিগুণৰ পূজা (ৰজগুণ-ব্ৰহ্মা, সৎগুণ-বিষ্ণু, তমগুণ-শিৱ), লগতে ব্ৰহ্ম কালৰ পূজা, মন্দিৰ, মছজিদ, গুৰুদ্বাৰ, গীৰ্জা, তীৰ্থ, উপবাস ৰূপী ফোঁহা আৰু ঘাৰ পৰা ওলোৱা পুঁজক আদৰেৰে খুৱাই থাকে। পৰম সুখদায়ক পূৰ্ণ ব্ৰহ্ম কবীৰ স্বশৰীৰে সাধাৰণ বেশভূষাত থাকে (বস্ত্ৰা মানে বেশভুষা, সন্তৰ ভাষাত চোলা কয়। কোনো সন্তৰ মৃত্যু হলে কোৱা হয় মহাত্মাই চোলা ত্যাগ কৰিলে মানে শৰীৰ এৰিলে।) সত্যলোকৰ শৰীৰৰ সমান অন্য তেজপুঞ্জৰ শৰীৰ ধাৰণ কৰি সাধাৰণ ব্যক্তিৰ দৰে জীৱন-যাপন কৰি কিছুদিনলৈকে সংসাৰত থাকি নিজৰ শব্দ 'চাখী'ৰ মাধ্যমেদি সত্যজ্ঞান বৰ্ণনা কৰি পূৰ্ণ পৰমাত্মাৰ গুপ্ত বাস্তৱিক সত্যজ্ঞান আৰু ভক্তিক জাগ্ৰত কৰে।

গীতা অধ্যায় ১৬ ৰ ২৩ নং শ্লোক ঃ

*য়ঃ শাস্ত্ৰবিধিম্, উৎ সৃজ্য বৰ্ততে, কাম কাৰতঃ ন, সঃ*

*সিদ্ধিম্ অৱাপ্নোতি, ন, সুখম, ন, পৰাম গতিম্।।*

অনুবাদ ঃ যি ব্যক্তিয়ে শাস্ত্ৰবিধি ত্যাগ কৰি নিজৰ ইচ্ছামতে আচৰণ কৰে, তেওঁ কোনো সুখ, সিদ্ধি আৰু পৰমগতি লাভ নকৰে।

গীতা অধ্যায় নং ৬ ৰ ১৬ নং।

*ন অতি, অশ্ৰণতঃ, তু যোগঃ অস্তি, ন, চ, একান্তম্*

*অনশ্ৰণতঃ ন, চ, অতি, স্বপ্নসীলস্য, জাগ্ৰতঃ ন এব, চ, অৰ্জুণ।।*

অনুবাদ ঃ হে অৰ্জুণ, এই যোগ অৰ্থাৎ ভক্তি বেছিকৈ খোৱা সকলৰ অথবা অত্যন্ত অনাহাৰী সকলৰ, অকল শৰীয়াকৈ আসনাধিষ্ঠিত হৈ সাধনা কৰা সকলৰ, লগতে বেছিকৈ টোপনি যোৱা সকলৰ নাইবা সদায় উজাগৰে থকা সকলৰ দ্বাৰা সিদ্ধি নহয়।

*পুজৈ দেই ধাম কো, শীশ হলাওৱে যো।*

*গৰীবদাস সাঁচী কহে, হদ কাফিৰ হ্যায় সো।।*

*কবীৰ, গঙ্গা কাঠৈ ঘৰ কৰৈ পিৱৈ নিৰ্মল নীৰ।*

*মুক্তি নঁহী হৰি নাম বিন, সৎগুৰু কহৈ কবীৰ।।*

*কবীৰ, তীৰ্থ কৰ-কৰ জগ মুৱা, উড়ৈ পানী নেহায়।*

*ৰাম হী নাম না জপা, কাল ঘসীটে যায়।।*

*গৰীব, পিতল হী কা থাল হ্যায়, পিতল কা লোটা।*

*জড় মুৰত কো পুজতেঁ, আওৰেকা টোটা।।*

*গৰীব, পিতল চমচ্চা পুজিয়ে, যো থাল পড়োসে।*

*জড় মুৰত কিস কাম কি, মতি ৰহো ভৰোসে।।*

*কবীৰ, পৰ্বত-পৰ্বত মেঁ ফিৰয়া, কাৰণ অপনে ৰাম।*

*ৰাম সৰীখে জন মিলে, জিন সাৰে সব কাম।।*

৪। প্ৰেতৰ পূজা নিষেধ ঃ কোনো ধৰণৰ পূৰ্বপুৰুষৰ পূজা শ্ৰাদ্ধ (শৰাধ) আদি কৰিব নালাগে। ভগৱান শ্ৰী কৃষ্ণইও ভূত প্ৰেতৰ পূজা একেবাৰে মানা কৰিছিল।

গীতাৰ নৱম অধ্যায়ৰ ২৫ নং শ্লোকত কোৱা আছে যে ঃ

*য়ান্তি, দেবব্ৰতাঃ দেৱান, পিতৃঋণ, য়ান্তি, পিতৃব্ৰতাঃ।*

*ভূতানি, য়ান্তি, ভূতেজ্যা, মদ্যাজিনঃ অপি, মাম্।।*

অনুবাদ ঃ দেৱতাক পূজা কৰা সকলে দেৱতাক প্ৰাপ্তি কৰে, প্ৰেত পূজা কৰা সকলে প্ৰেতক প্ৰাপ্তি কৰে, ভূত পূজা কৰা সকলে ভূতক প্ৰাপ্তি কৰে আৰু শাস্ত্ৰবিধি অনুসৰি মোক পূজা কৰা সকল মোৰ দ্বাৰা লাভান্বিত হব।

মুক্তি দাতা গৰীবদাস মহাৰাজ আৰু কবীৰ পৰমাত্মাই কৈছে যে ঃ

“গৰীব, ভূত ৰমৈ সো ভূত হৈ, দেব ৰমৈ সো দেব, ৰাম ৰমৈ সো ৰাম হৈ, সুনো সকল সুৰ ভেৰ।।”

এই কাৰণে সেই (পূৰ্ণ পৰমাত্মা) পৰমেশ্বৰৰ ভক্তি কৰিব লাগে যাৰ দ্বাৰা পূৰ্ণ মুক্তি হব। সেই পৰমাত্মা পূৰ্ণ ব্ৰহ্ম সত পুৰুষ (সত কবীৰ) হয়। ইয়াৰ প্ৰমাণ গীতাৰ অধ্যায় ১৮ ৰ ৪৬ নং শ্লোকত আছে।

*য়তঃ প্ৰবৃত্তি ভূতানাম য়েন সৰ্বমিদম, ততম।*

*স্বকৰ্মণা তমভ্যৰ্চ্য সিদ্ধিম বিন্দতি মানৱঃ।।৪৬।।*

অনুবাদ ঃ যি জন পৰমেশ্বৰৰ পৰা সকলো প্ৰাণীৰ উৎপত্তি হৈছে আৰু যাৰ দ্বাৰা এই সমস্ত জগত ব্যাপ্ত হৈছে, সেই পৰমেশ্বৰৰ পূজা নিজৰ স্বাভাৱিক কৰ্মৰ দ্বাৰা কৰি মানুহে পৰম সিদ্ধি প্ৰাপ্তি কৰে।

গীতা অধ্যায় নং ১৮ ৰ শ্লোক নং ৬২ ঃ

*তমবে শৰণম গচ্ছ সৰ্বভাবেন ভাৰত।*

*তৎ প্ৰসাদাত পৰাম শান্তিম স্থানম প্ৰাপ্যসি শাস্বতম।।৬২।।*

অনুবাদ ঃ হে ভৰত বংশী অৰ্জুণ! তুমি সৰ্বভাৱেৰে সেই ঈশ্বৰৰ শৰণত গুচি যোৱা। তেওঁৰ কৃপাত তুমি পৰম শান্তি (সংসাৰৰ পৰা চিৰমুক্তি) আৰু অবিনাশী পৰমধামক প্ৰাপ্ত হ’বা।

“সৰ্বভাৱ” অৰ্থ হ’ল অন্য কোনো পূজা নকৰি মন-কৰ্ম-বচনেৰে একমাত্ৰ পৰমেশ্বৰত আস্থা ৰখা।

গীতাৰ অষ্টম অধ্যায়ৰ ২২ নং শ্লোক।

*পুৰুষঃ স পৰঃ পাৰ্থ ভক্ত্যা লভ্যস্ত্বনন্যয়া।*

*য়ায্যান্তঃ স্থানি ভূতানি য়েন সৰ্বমিদম ততম।।২২।।*

অনুবাদ ঃ হে পৃথানন্দন অৰ্জুন সম্পূৰ্ণ প্ৰাণী জগত যাৰ অন্তৰ্গত আৰু যি জন এই সম্পুৰ্ণ সংসাৰত ব্যাপ্ত, সেই পৰম পুৰুষ পৰমাত্মা অনন্য (অন্যক নহয় মাত্ৰ এজন) ভক্তিৰ যোগেদিহে প্ৰাপ্ত হোৱাৰ যোগ্য।

‘‘অনন্য ভক্তি’’ৰ তাৎপৰ্য হল এজন পৰমেশ্বৰৰ (পূৰ্ণব্ৰহ্মৰ) ভক্তি কৰাটো, অন্য দেৱ-দেৱী অৰ্থাৎ তিনিগুণ (ৰজগুণ-ব্ৰহ্ম, সৎগুণ-বিষ্ণু, তমগুণ-শিৱ) ৰ ভক্তি নহয়। গীতাৰ পঞ্চদশ অধ্যায়ৰ ১ পৰা ৪ নং শ্লোক ঃ-

গীতা পঞ্চদশ অধ্যায়ৰ ১ নং শ্লোক ঃ

ঊৰ্দ্ধমূলম, অধঃ শাখম্, অশ্বৎথম, প্ৰাহুঃ অব্যয়ম্,

ছন্দাসি, য়স্য, পৰ্ণানি, য়ঃ তম্, বেদ, সঃ, বেদবিত্।।১।।

অনুবাদ ঃ ওপৰফালে শিপা থকা, তলৰ ফালে শাখা থকা অবিনাশী বিস্তৃত সংসাৰ ৰূপী গছ আছে, যাৰ সৰু-সৰু অংশ অৰ্থাৎ ঠাল-ঠেঙুলি, পাত আছে, সেই সংসাৰ ৰূপী বৃক্ষক যি জনে যথাৰ্থ জানে তেওঁৱেঁই পূৰ্ণ জ্ঞানী অৰ্থাৎ তত্বদৰ্শী সন্ত।

গীতা পঞ্চদশ অধ্যায়ৰ নং ২ শ্লোক ঃ

*অধঃ, চ, ঊৰ্দ্ধম, প্ৰসৃতাঃ, তস্য, শাখাঃ গুণ প্ৰবৃদ্ধাঃ বিষয় প্ৰৱালা*

*অধঃ, চ, মূলনি, অনুসন্তত তানি, কৰ্মানুবন্ধিনি মনুষ্যলোকে।।২।।*

অনুবাদ ঃ সেই বৃক্ষৰ তলত আৰু ওপৰত তিনিগুণ ব্ৰহ্মা ৰজগুণ, বিষ্ণু-সৎগুণ, শিৱ-তমগুণ ৰূপী বিস্তৃত বিকাৰ যেনে ঃ কাম, ক্ৰোধ, লোভ, মোহ, অহঙ্কাৰ ৰূপী কলি, ঠাল-ব্ৰহ্মা, বিষ্ণু, শিৱ এই তিনি জন জীৱক কৰ্মবন্ধনত বান্ধি ৰখা শিপা হয় অৰ্থাৎ মূল কাৰণ হয় আৰু কৰ্মবন্ধনৰ এই প্ৰক্ৰিয়া মনুষ্যলোক, স্বৰ্গ, নৰক লোক, পৃথিৱীলোকত তলৰ ফালে (চৌৰাশী লাখ যোনিত) আৰু ওপৰত ব্যৱস্থা কৰা হৈছে।

গীতাৰ পঞ্চদশ অধ্যায়ৰ ৩ নং শ্লোক

*ন, ৰূপম অস্য, ইহ, তথা উপলভ্যতে, ন, অন্তঃ, ন, চ, আদিঃ ন, চ*

*সম্প্ৰতিষ্ঠা, অস্বৎথম্, এনম্, সুবিৰূঢমূলম, অসঙ্গ শস্ত্ৰেণ, দৃঢ়েন, ছিত্বা।।৩।।*

অনুবাদ ঃ এই ৰচনাৰ আৰম্ভণিও নাই, অন্তও নাই, ইয়াৰ তেনেকুৱা স্বৰূপো পোৱা নাযায় আৰু ইয়াত বিবেচনা কৰোতে অৰ্থাৎ মোৰ দ্বাৰা প্ৰদান কৰি থকা গীতাৰ জ্ঞানত সম্পূৰ্ণ তথ্য ময়ো দিব নোৱাৰো, এই স্থায়ী স্থিতি সংসাৰ ৰূপী বৃক্ষৰ জ্ঞানক (ৰহস্যক) তত্বজ্ঞান ৰূপী দৃঢ় অস্ত্ৰেৰে অৰ্থাৎ নিৰ্মল তত্বজ্ঞানৰ দ্বাৰা কাটি লৈ (বুজি) অৰ্থাৎ নিৰঞ্জনৰ ভক্তিক ক্ষণ ভংগুৰ বুলি জানিবা।।৩।।

গীতাৰ পঞ্চদশ অধ্যায়ৰ ৪ নং শ্লোক ঃ

*ততঃ পদম তত্ পৰিমাৰ্গিতব্যম্ য়স্মিন্ গতাঃ ন নিবৰ্তান্তি ভূয়ঃ।*

*তমেব চাদ্যম পুৰুষম প্ৰপদ্যে য়ত প্ৰবৃত্তি প্ৰসৃতা পুৰাণী।।৪।।*

অনুবাদ ঃ তাৰ পাছত সেই পৰমাত্মাৰ পৰম পদ বিচাৰিব লাগিব যাক প্ৰাপ্তি কৰা পিছত মনুষ্য আকৌ উভতি সংসাৰলৈ নাহে আৰু যাৰ দ্বাৰা অনাদিকালৰ পৰা চলি অহা এই সৃষ্টি বিস্তাৰিত হৈছে, ময়ো সেই আদি পুৰুষ পৰমাত্মাৰ শৰণত আছোঁ।

এই ধৰণে স্বয়ং ভগৱান শ্ৰী কৃষ্ণই দেৱী-দেৱতা সকলৰ ৰজা ইন্দ্ৰৰ পূজা কৰিবলৈ বাধা প্ৰদান কৰি সেইজন পৰমাত্মাৰ ভক্তি কৰিবলৈ প্ৰেৰণা দিছিল। সেই কাৰণে গোবৰ্দ্ধন পৰ্বতক দাঙি লৈ তেওঁ ব্ৰজবাসীক ইন্দ্ৰৰ কোপ দৃষ্টিৰ পৰা ৰক্ষা কৰিছিল।

*গৰীব, ইন্দ্ৰ চঢ়া ব্ৰিজ ডুবোবন, ভীগা ভীত ন লেব।*

*ইন্দ্ৰ কঢাই হোত জগত মে, পূজা খা গএ দেৱ।।*

*কবীৰ, ইস সংসাৰ কো, সমঝাঊ কৈ বাৰ।*

*পূঁছ জো পকৰৈ ভেঢ় কী, উতৰা চাহৈ পাৰ।।*

৫। গুৰু আজ্ঞা পালন ঃ গুৰুদেৱৰ পৰা আজ্ঞা নোলোৱাকৈ ঘৰত কোনো ধৰণৰ ধাৰ্মিক অনুষ্ঠান কৰিব নালাগে। মুক্তিদাতা কবীৰ পৰমাত্মাই নিজৰ বাণীত কৈছে যে -

*গুৰু বিন যজ্ঞ হৱন যো কঁৰহী, মিথ্যা যায়ে কবহু নহী ফলহী।।*

*কবীৰ, গুৰু বিন মালা ফেৰতে, গুৰু বিন দেতে দান।*

*গুৰু বিন দোনো নিস্ফল হৈ, পুছো বেদ পুৰাণ।।*

৬। মাতা মচানী (আদি শক্তি) ৰ পূজা নিষেধ ঃ খেতি পথাৰত বা বাৰীত সাজি থোৱা কোনো দেৱ-দেৱীৰ বা মঠৰ পূজা-অৰ্চনা কৰিব নালাগে। কাৰো সমাধি পূজা অন্য কোনো উপাসনা কৰিব নালাগে। অন্য পূজা বাদেই, ব্ৰহ্মা, বিষ্ণু, শিৱ-এই তিনিগুণৰ পূজাও কৰিব নালাগে। মাত্ৰ গুৰুদেৱে কোৱা মতেহে কৰিব লাগে।

গীতাৰ সপ্তম অধ্যায়ৰ ১৫ নং শ্লোক ঃ ন, মাম, দুষ্কৃতিনঃ, মূঢ়াঃ, প্ৰপদ্যন্তে, নৰাধমা মায়য়া, অপহৃতজ্ঞানাঃ, আসুৰম ভাৱম, আশ্ৰিতাঃ।।

অনুবাদ ঃ মায়াৰ দ্বাৰা যাৰ জ্ঞান হৰণ কৰা হৈছে এনে আসুৰিক স্বভাৱৰ মনুষ্য নীচ, দূষিত কৰ্মত লিপ্ত থকা মুৰ্খ সকলে মোক নভজে অৰ্থাৎ তেওঁলোকে তিনিগুণৰ (ৰজগুণ-ব্ৰহ্মা, সৎগুণ-বিষ্ণু, তমগুণ-শিৱ) সাধনা কৰি থাকে।

*কবীৰ, মাই মচানী শেঢ শীতলা ভৈৰব ভূত হনুমন্ত।*

*পৰমাত্মা উনসে দূৰ হৈ, জো ইনকো পূজন্ত।।*

*কবীৰ সৌ বৰ্ষ তো গুৰু কী সেৱা এক দিন আন উপাসী।*

*ৱো অপৰাধী আত্মা, পৰৈ কাল কী ফাঁচী।।*

*গুৰু কো তজৈ ভজৈ জো আনা।*

*তা পসুৰা কো ফোকট জ্ঞানা।।*

৭। সংকট মোচন (আপদ দূৰ কৰিব পৰা শক্তি) কবীৰ পৰমাত্মা হয় ঃ কৰ্মকষ্ট বা বিপদ-আপদ হ'লে অন্য কোনো ইষ্টদেৱৰ বা শক্তি পূজা আদি কৰিব নালাগে। কোনো তাবিজ, কৱচ, বা মাদুলী পিন্ধিব নালাগে। মাথোন মুক্তিদাতা কবীৰ পৰমাত্মাৰ পূজা কৰিব লাগে যিজনে সকলো দুখ কষ্ট হৰণ কৰে।

সামবেদ সংখ্যা নং ৮২২ নং, উতাৰ্চিক অধ্যায় ৩, খণ্ড নং ৫, শ্লোক নং ৮ (সন্ত ৰামপাল দাস মহাৰাজৰ দ্বাৰা ভাষা ভাষ্য) ঃ

*মনীষিৰ্ভীঃ পরতে পূব্য কবিনৃভিৰ্য়তঃ পৰি কোশা অসিষ্যদত্।*

*ত্ৰিতস্য নাম জনয় ন্মধু ক্ষৰন্নিন্দ্ৰস্য বায়ু সংখ্যায় বৰ্ধয়ন।।৮।।*

অনুবাদ ঃ সনাতন অৰ্থাৎ অবিনাশী কবীৰ পৰমেশ্বৰে তেওঁক মনে-প্ৰাণে বিচৰা আৰু শ্ৰদ্ধাৰে ভক্তি কৰা ভক্তাত্মাক তিনি মন্ত্ৰৰ জপ উপদেশ দি পবিত্ৰ কৰি জন্ম-মৃত্যু ৰহিত কৰে আৰু নিজৰ মিত্ৰ অৰ্থাৎ ভক্তৰ সংস্কাৰ বশ পোৱা নিৰ্দিষ্ট প্ৰাণ শক্তি অৰ্থাৎ শ্বাসৰ সংখ্যা পৰমাত্মাই বৃদ্ধি কৰি দিয়ে। সেই কাৰণে ভক্তই পৰমেশ্বৰৰ আশীৰ্বাদ প্ৰসাদৰ দ্বাৰা পৰমেশ্বৰৰ প্ৰকৃত আনন্দ লাভ কৰে।

*কবীৰ, দেবী দেৱ ঠাঢে ভয়ে, হমকো ঠৌৰ বতাও।*

*জো মুঝ (কবীৰ) কো পূজৈ নহী উনকো লুটো খাও।।*

*কবীৰ, কাল জো পীসৈ পীসনা, জোৰা হৈ পনিহাৰ।*

*য়ে দো অসল হৈ, সৎগুৰু কে দৰবাৰ।।*

৮। অনাৱশ্যক দান নিষেধ ঃ কোনো ব্যক্তিক বা কোনো কামৰ বাবে দান ৰূপত একো দিব নালাগে। টকা বা চিলাই নকৰা কাপোৰ আদি একো দিব নালাগে। যদি কোনোবা দান খুজিবলৈ আহে তেওঁক ভোজন, চাহ, গাখীৰ, দৈ, পানী ইত্যাদি খাবলৈ দিব লাগে, কিন্তু একো লৈ যাবলৈ দিব নালাগে। কবতো নোৱাৰি সেই ভিখাৰীয়ে আপুনি দিয়া টকা কোনো বেয়া কামত ব্যৱহাৰ কৰিব পাৰে। মাছ, মাংস, বিড়ি, চাদা, মদ, জুৱা ইত্যাদি বেয়া কামত ব্যৱহাৰ কৰিব পাৰে। উদাহৰণস্বৰূপে এজন ভিখাৰীয়ে নিজৰ লৰাৰ চিকিৎসা কৰাব লাগে বুলি কোৱাত এজন ব্যক্তিয়ে তাক ১০০ টকা দিলে। টকা পোৱাত সি আন দিনাৰ তুলনাত বেছিকৈ মদ খাই পত্নীক মাৰ-পিট কৰিলে। তেওঁৰ পত্নীয়ে সন্তানৰ সৈতে আত্ম হত্যা কৰিলে। এনেদৰে আপোনাৰ দ্বাৰা দিয়া দানৰ টকাই এটা পৰিয়ালৰ সৰ্বনাশ কৰিব পাৰে। যদি আপুনি সহায় কৰিব বিচাৰে ঔষধ লৈ দিব পাৰে, টকা কেতিয়াও নিদিব।

*কবীৰ, গুৰু বিন মালা ফেৰতে, গুৰু বিন দেতে দান।*

*গুৰু বিন দোনো নিস্ফল হৈ, পুছো বেদ পুৰাণ।।*

৯। চুৰা খাদ্য খোৱা নিষেধ ঃ মদ, মাংস, চাদা, কণী, বিয়েৰ আফিং, গাঞ্জা আদি খোৱা ব্যক্তিৰ চুৰা খাব নালাগে।

১০। সৎলোক গমন (দেহ ত্যাগ) ৰ পিছত ক্ৰিয়া কৰ্ম নিষেধ ঃ যদি পৰিয়ালত কাৰোবাৰ মৃত্যু হয় তেন্তে যি কোনো মানুহে চিতাত জুই দিব পাৰে। জুই দিয়াৰ সময়ত ‘‘মঙ্গলাচৰণ’’ গাব লাগে। চিতাৰ ছাই, অস্থি আদি একো উঠাই আনিব নালাগে। যদি ঠাই টুকুৰা চাফা কৰাৰ প্ৰয়োজন আছে তেন্তে চিতাৰ অৱশিষ্ট খিনি বোৱতী পানীত পেলাই দিব লাগে। সেই সময়তো ‘‘মঙ্গলাচৰণ’’ উচ্চাৰণ কৰিব লাগে। বানুণ, নাপিত মাতিব নালাগে। দহা, পিণ্ড, শ্ৰাদ্ধ, শৰাধ, গো-দান, খাট, বিছনা, পাদুকা দান একো কৰিব নালাগে। দহ দিনীয়া, তেৰ দিনীয়া, পষেকীয়া, মাহেকীয়া, অশৌচ বিধান মানি চলিব নালাগে। অইন কোনো ব্যক্তিৰ দ্বাৰা হৰন, পূজা আদি একো কৰিব নালাগে। সমন্ধীয়, মিতিৰ কুটুম, সমাজৰ যি সকল লোক শোক ব্যক্ত কৰিবলৈ আহে তেওঁলোকৰ আপ্যায়নৰ বাবে এটা দিন নিৰ্দিষ্ট কৰি লব। সেই দিনা প্ৰতিদিনৰ দৰে নিত্য নিয়ম কৰিব, জ্যোতি জলাব তাৰ পিছত সকলোকে আহাৰ খুৱাব। যদি আপুনি তাৰ (বিদেহী আত্মাৰ) নামত কিছু ধৰ্ম কৰিব বিচাৰে তেন্তে নিজৰ গুৰু দেৱৰ আজ্ঞা লৈ মুক্তি দাতা গৰীব দাস মহাৰাজৰ অমৃতময়ী বাণীৰ অখণ্ড পাঠ কৰাব। যদি পাঠ কৰাবলৈ অনুমতি নাপায় তেন্তে পৰিয়ালৰ নাম দীক্ষিত ভক্তই চাৰি অথবা সাত দিনলৈকে ঘৰৰ ভিতৰত দেশীয় ঘিউৰে অখণ্ড জ্যোতি জলাব। ব্ৰহ্ম গায়ত্ৰী মন্ত্ৰ প্ৰতিদিন চাৰিবাৰকৈ পাঠ কৰিব। এবাৰৰ মন্ত্ৰ সৎলোক বাসী আত্মালৈ দান সংকল্প কৰিব। যিদৰে উচিত বুলি ভাৱে, এবাৰ, দুবাৰ বা তিনিবাৰৰ মন্ত্ৰ জপৰ ফল সেই আত্মাক দান দিব। প্ৰতিদিনৰ দৰে বন্তি জলাব, আৰতি নাম স্মৰণ, প্ৰাৰ্থনা কৰি থাকিব। এইটো মনত ৰাখিব যে -

*কবীৰ, সাথী হমাৰে চলে গয়ে হম ভী চালন হাৰ।*
*কোএ কাগজ মে বাকী ৰহ ৰহী তাতে লগ ৰহী ৱাৰ।।*
*কবীৰ, দেহ পড়ীতো ক্যা হুৱা, ঝুঠা সভী পটীট।*
*পক্ষী উড়য়া আকাশ কুঁ, চলতা কৰ গয়া বীট।।*

## * কৰ্ম কাণ্ডৰ বিষয়ে সত্য কথা

মোৰ (সন্ত ৰামপাল দাসৰ) পূজ্য গুৰুদেৱ স্বামী ৰামদেৱানন্দ মহাৰাজৰ ১৬ বছৰ বয়সত কোনো সাধুৰ সৎসঙ্গ শুনি বৈৰাগ্য হৈ গৈছিল। এদিন তেওঁ খেতি পথাৰলৈ গৈছিল। ওচৰতে এখন হাবি আছিল। বনৰ ভিতৰত সোমাই কোনো মৰা জন্তুৰ হাড়ৰ কাশত নিজৰ পৰিধান কৰা বস্ত্ৰ খুলি ফালি, পেলাই থয় আৰু স্বয়ং সাধু মহাত্মাৰ লগত গুচি যায়।

স্বামী ৰামানন্দক বিচাৰি যাওঁতে পৰিয়ালৰ মানুহে হাবিৰ মাজত মৰা জন্তুৰ হাড়ৰ কাষত তেওঁৰ ফটা-ছিঙা কাপোৰ দেখি ভাবিলে যে তেওঁক কোনো হিংস্ৰ জন্তুৱে মাৰি খাই পেলাইছে। সেই ফটা-ছিটা কাপোৰ আৰু হাড়খিনি উঠাই গাঁৱলৈ আহি অন্তিম সৎকাৰ কৰি দিয়ে। তাৰ

পিছত দহা, তেৰদিনীয়া শ্ৰাদ্ধ, পিণ্ড আদি পৰ্ব আৰম্ভ হৈ যায়।

বহুত বৃদ্ধ অৱস্থাত মোৰ পূজ্য গুৰুদেৱ এবাৰ নিজৰ ঘৰখনলৈ গৈছিল। তেতিয়া পৰিয়ালৰ লোকে গম পালে যে এওঁ ঘৰ এৰি গৈছিল আৰু এতিয়াও জীৱিত আছে। ঘৰ এৰি যোৱাৰ পিছত তেওঁক বিচৰা হৈছিল। হাবিত তেওঁৰ কাপোৰ কানি কিছুমান হাড়ৰ ওচৰত পৰি থকা অৱস্থাৰ পৰা হাড়েৰে সৈতে অনা হৈছিল। ধৰি লোৱা হৈছিল যে তেওঁক কোনো বন্য প্ৰাণীয়ে খাই পেলালে। তাৰ পিছত তেওঁৰ দাহ সংস্কাৰ কৰা হৈছিল।

এদিনাখন মই (সন্ত ৰামপাল দাস) মোৰ পূজ্য গুৰুদেৱৰ ভাই-বোৱাৰীক সুধিছিলো যে পূজ্য গুৰুদেৱে ঘৰখন এৰাৰ পিছত তেওঁ কি কৰিলে। তেওঁ কৈছিল যে বিয়া হৈ ঘৰখনলৈ আহি তেওঁ দেখিবলৈ পাইছিল যে গুৰুদেৱৰ শ্ৰাদ্ধ কৰা হৈছিল। তেওঁ নিজ হাতেৰেও গুৰুদেৱক সত্তৰ বাৰ পিণ্ড দিছে। তেওঁ কৈছিল যে ঘৰখনত যি কোনো অমঙ্গল হ'লে যেনে-ম'হে গাখীৰ নিদিলে, মহৰ ওহাৰত বেমাৰ হলে বা অন্য কোনো হানি হলে তেওঁলোক বেজৰ ওচৰলৈ উপায় বিচাৰি গৈছিল। বেজে কৈছিল যে আমাৰ ঘৰখনৰ কোনোবা অবিবাহিত ব্যক্তি মৰিছে, সেইজনে আমাক কষ্ট দি আছে। তেতিয়া আমি তেওঁক কাপোৰ কানি দিছিলো।

তেতিয়া মই কলো যে এওঁ (পূজ্য গুৰুদেৱ) জগতৰ উদ্ধাৰ কৰি আছিল, কাকো দুখ দিয়া নাছিল। তেওঁ এতিয়া এইবোৰ ব্যৰ্থ সাধনা শ্ৰাদ্ধ, পিণ্ড, বন্ধ কৰি দিয়ক। তেতিয়া তেওঁ কলে এয়াতো আগৰ পৰা কৰি আহিছোঁ, কেনেকৈ বাদ দিওঁ। অৰ্থাৎ আমি আমাৰ পুৰণা প্ৰথা-নীতি, আদিত এনেকৈ নিমজ্জিত হৈ আছোঁ যে সেয়া ভূল বুলি প্ৰমাণিত হোৱাৰ পিছতো এৰিব নোৱাৰা হৈছোঁ। ইয়াৰ দ্বাৰা প্ৰমাণিত হল যে শৰাধ কৰা, পিণ্ড দিয়া সকলো ব্যৰ্থ কাম।

১১। শিশুৰ জন্মত শাস্ত্ৰ বিৰুদ্ধ পূজা নিষেধ ঃ শিশুৰ জন্মত কোনোধৰণৰ পৰ্ব উদ্‌যাপন কৰিব নালাগে। অশৌচৰ বাবে প্ৰতিদিনৰ পূজা, ভক্তি, আৰতি, জ্যোতি, প্ৰজ্বলন আদি বন্ধ কৰিব নালাগে।

এই সন্দৰ্ভত এটি চমু কাহিনী তলত বৰ্ণনা কৰা হল। এজন ব্যক্তিৰ বিয়াৰ দহ বছৰ পিছত পুত্ৰ সন্তান হল। পুত্ৰৰ জন্মৰ আনন্দত তেওঁ মতলীয়া হ'ল আৰু প্ৰায় পঁচিশ খন গাঁৱৰ মানুহক ভোজনৰ বাবে নিমন্ত্ৰণ দিলে। নাচ-গান আদিত বহুত টকা খৰছ কৰিলে। এবছৰৰ পিছত সেই সন্তানৰ মৃত্যু হল। আকৌ সেই পৰিয়ালে মূৰত ধৰি, কন্দা-কটা কৰি নিজৰ ভাগ্যক দোষ দিলে। এই কাৰণে কবীৰ পৰমাত্মাই আমাক কৈছে যে ঃ

*কবীৰ, বেটা জায়া (পায়া) খুচী হুই, বহুত বজায়ে থাল।*
*আনা জানা লগ ৰহা, জ্যোঁ কীড়ী কা নাল।।*
*কবীৰ, পতঝড় আৱত দেখ কৰ, বন ৰোৱৈ মন মাহি।*
*ঊচী ডালী পাত থে, অব পীলে হো হো জাহি।।*
*কবীৰ, পাত ঝড়তা য়ু কহৈ, সুন ভাই তৰুবৰ ৰায়।*

*অব কে বিছুড়ে নহী মিলা, ন জানে কহাঁ গিৰেঙ্গে জায়।।*

*কবীৰ, তৰুবৰ কহতা পাত সে, সুনো পাত এক বাত।*

*য়হাঁ কী য়াহে ৰীতি হৈ, এক আৱত এক জাত।।*

১২। সন্তানৰ চুলি কটাবলৈ মন্দিৰলৈ যোৱা নিষেধ ঃ যেতিয়া চুলি দীঘল হয় কটাই পেলাই দিব লাগে। মন্দিৰত প্ৰায় দেখা যায় যে শ্ৰদ্ধাৱান ভক্ত সকল নিজৰ সন্তানৰ চুলি কটাবলৈ মন্দিৰত আহে। তাত থকা নাপিতে বজাৰৰ তুলনাত তিনিগুণ টকা লৈ কেঁচীৰে একোছা চুলি কাটি মা-দেউতাক দিয়ে। তেওঁলোকে শ্ৰদ্ধাৰে সেই চুলি কোছা মন্দিৰত অৰ্পণ কৰে। পূজাৰীয়ে চুলি কোছা মোনা এটাত ভৰাই থয়। ৰাতি মোনাটো দূৰলৈ নি নিৰ্জন ঠাইত চুলিখিনি পেলাই আহে। এই গোটেই প্ৰকল্প মাত্ৰ এটা নাটকৰ দৰে। স্বাভাৱিক ধৰণে চুলি কটাই পেলাই দিলেই হ'ল। পৰমাত্মা নাম ভক্তিৰে প্ৰসন্ন হয়, এনে পাষণ্ড কৰ্মৰ দ্বাৰা নহয়।

১৩। নাম (মন্ত্ৰ) জপ কৰিলে সুখ হয় ঃ নাম (উপদেশ) জপ মাত্ৰ দুখ-কষ্ট নিবাৰণৰ বাবে কৰিব নেলাগে বৰঞ্চ আত্ম কল্যাণৰ বাবেহে কৰিব লাগে। নাম স্মৰণৰ দ্বাৰা সকলো সুখ আপোনা-আপুনি হয়।

*কবীৰ, সুমিৰণ সে সুখ হোত হৈ, সুমিৰণ সে দুখ যায়।*

*কহৈ কবীৰ সুমিৰণ কিএ, সাঁই মাঁহি সমায়।।*

১৪। ব্যাভিচাৰ নিষেধ ঃ আনৰ তিৰোতাক বা অন্য মহিলাক মা-ভঁনীৰ দৃষ্টিৰে চাব লাগে। ব্যাভিচাৰ মহাপাপ হয়।

যেনে ঃ

*গৰীব, পৰদ্বাৰা স্ত্ৰী কা খোলৈ। সত্তৰ জন্ম অন্ধা হো ডোলৈ।।*

*সুৰাপান মদ্য মাংসহাৰী। গবন কৰে ভৌগৈ পৰ নাৰী।।*

*সত্তৰ জন্ম কটত হৈ শীশম। সাক্ষী সাহব হৈ জগদীশম।।*

*পৰ নাৰী না পৰসিয়ো, মানো বচন হমাৰ।।*

*ভৱন চতুৰ্থশ তাস ফিৰ, ত্ৰিলোকী কা ভাৰ।।*

*পৰ নাৰী না পৰসিয়ো, সুনো শব্দ সলতন্ত।*

*ধৰ্মৰায় কে খম্ভসে, অৰ্ধমুখী লটকন্ত।।*

১৫। নিন্দা কৰা আৰু শুনা নিষেধ ঃ নিজৰ গুৰুদেৱৰ নিন্দা ভুলতো নকৰিব আৰু নুশুনিবও। ইয়াত শুনাৰ অৰ্থ হল যদি কোনোবাই আপোনাৰ গুৰুদেৱৰ বিষয়ত মিছা মাতে তেওঁৰ লগত কাজিয়া নকৰিব বৰঞ্চ ভাবিব লাগিব যে মানুহজনে চিন্তা নকৰাকৈ কথা কৈ আছে অৰ্থাৎ মিছা কথা কৈ আছে।

*গুৰু কী নিন্দা সুনৈ যো কানা। তাকো নিশ্চয় নৰক নিদানা।*

*অপনে মুখ-নিন্দা জো কৰহী। শুকৰ শ্বান গৰ্ভ মে পৰহী।।*

কাৰো নিন্দা কৰিবও নালাগে, শুনিবও নালাগে। সাধাৰণ ব্যক্তি হলেও তাৰ নিন্দা কৰা বা শুনা নিষেধ।

কবীৰ পৰমাত্মাই কৈছে ঃ

*তিনকা কবহু না নিন্দীয়ে, যো পাঁৱ তলে হো।*
*কবহু উঠ আখিন পড়ে, পীৰ ঘনেৰী হো।।*

১৬। গুৰু দৰ্শনৰ মহিমা ঃ সময় পালেই সৎসঙ্গলৈ অহাৰ চেষ্টা কৰিব লাগে আৰু নিজকে ডাঙৰ বোলাবলৈ সৎসঙ্গলৈ আহিব নালাগে। নিজকে ৰুগীয়া বুলি ভাবি আহিব লাগে। ধনৱান আৰু উচ্চ পদবী প্ৰাপ্ত ব্যক্তিও যেতিয়া চিকিৎসালয়লৈ যায়, তেওঁৰ উদ্দেশ্য মাথোন ৰোগমুক্তিহে হয়। চিকিৎসকে যত বহিবলৈ দিয়ে, তাত বহে, যত শুবলৈ কয়, তাত শোৱে, বাহিৰলৈ যাবলৈ নিৰ্দেশ দিলে ওলাই যায়। আকৌ ভিতৰলৈ মাতিলে, মনে মনে আহে। ঠিক এনেদৰে যদি আপুনি সৎসঙ্গলৈ আহে, আপোনাক সৎসঙ্গৰ লাভ প্ৰাপ্ত হব, অন্যথাই আপোনাৰ অহাটো নিস্ফল হব। সৎঙ্গলৈ আহি যত ঠাই পাব তাতে বহিব, খাবলৈ যি পায় কবীৰ পৰমেশ্বৰৰ ইচ্ছাত পোৱা প্ৰসাদ ভাবি খাই আনন্দ মনেৰে থাকিব।

*কবীৰ, সন্ত মিলন কু চালিয়ে, তজ মায়া অভিমান।*
*জো-জো কদম আগে ৰখে, রো হী যজ্ঞা সমান।।*
*কবীৰ, সন্ত মিলন কু জাইয়ে দিন মে কই-কই বাৰ।*
*আসোজ কে মেহ জ্যোঁ, ঘনা কৰে উপকাৰ।।*
*কবীৰ, দৰ্শন সাধু কা, পৰমাত্মা আৱৈ য়াদ।*
*লেখে মে বোহে ঘড়ী, বাকী কে দিন বাদ।।*
*কবীৰ, দৰ্শন সাধু কা, মুখ পৰ বসৈ সুহাগ।*
*দৰ্শ উন্হী কো হোত হৈ, জিনকে পূৰ্ণ ভাগ।।*

১৭। গুৰু মহিমা ঃ যদি কৰবাত পাঠ বা সৎসঙ্গ চলি থাকে বা গুৰুদেৱৰ দৰ্শনাৰ্থ যায় তেতিয়া সৰ্বপ্ৰথমে গুৰুদেৱক দণ্ডৱত (দীঘল হৈ পৰি) প্ৰণাম কৰিব লাগে তাৰ পিছত হে সৎগ্ৰন্থ সাহেব বা কোনো ছবি, যেনে ঃ কবীৰ পৰমাত্মাৰ মুৰ্তি বা ছবি, গৰীবদাস মহাৰাজৰ বা স্বামী ৰাম দেৱানন্দ গুৰু দেৱৰ মুৰ্তিক প্ৰণাম কৰিব যাৰ দ্বাৰা আপোনাৰ ভক্তিভাৱ যথাবৎ থাকে। মুৰ্তি পূজা কৰিব নেলাগে। মাত্ৰ প্ৰণাম কৰাটো পূজাৰ শ্ৰেণীত নপৰে, ই মাত্ৰ ভক্তৰ শ্ৰদ্ধা বঢ়োৱাত সহায় কৰে। পূজা নিজৰ গুৰুদেৱৰ আৰু নাম মন্ত্ৰৰহে কৰিব লাগে যি আত্মাক উদ্ধাৰ কৰিব।

*কবীৰ, গুৰু গোবিন্দ দোঊ খড়ে, কাকে লাগুঁ পায়।*
*বলিহাৰী গুৰু বড়ে আপনে, জিন গোবিন্দ দিয়ো মিলায়।।*
*কবীৰ, গুৰু বড়ে হৈ গোবিন্দ সে, মন মে দেখ বিচাৰ।*

*হৰি সুমৰে সো ৰহ গয়ে, গুৰু ভজে হোয় পাৰ।।*

*কবীৰ, হৰি কে ৰূঠতা, গুৰু কী শৰণ মে জায়।*

*কবীৰ, গুৰু জৈ ৰূঠজা, হৰি নহী হোত সহায়।।*

*কবীৰ, সাত সমুদ্ৰ কী মসি কৰূঁ, লেখনি কৰূঁ বনিৰায়।*

*ধৰতী কা কাগজ কৰূঁ, তো গুৰু গুণ লিখা ন যায়।।*

১৮। মাংস খোৱা নিষেধ ঃ কণী, মাছ, মাংস, ভক্ষণ বা জীৱ হিংসা কৰিব নেলাগে। এইটো মহাপাপ। উদাহৰণস্বৰূপে পৰমাত্মা কবীৰ আৰু গৰীবদাস মহাৰাজে কৈছে -

কবীৰ, জীৱ হনে হিংসা কৰে, প্ৰকট পাপ সিৰ হোয়। নিগম পুনি এয়সে পাপ তেঁ, ভিৰত গয়া নঁহী কোয়।।১।। কবীৰ তিলভৰ মছলী খায়কে, কোটী গৌ দে দান। কাশী কৰোঁত লে মৰে, তো ভী নৰক নিদান।.২।। কবীৰ, বকৰী পাতী খাত হ্যায়, তাকী কাঢ়ী খাল। যো বকৰী কো খাত হ্যায়, তীন কা কৌন হৱাল।।৩।। কবীৰ, গলা কাটি কলমা ভৰে, কিয়া কহে হলাল। সাহেৱ লেখা মাঙ্গসী তব হোসী কৌন হৱাল।।৪।। কবীৰ, দিনকো ৰোজা ৰহত হ্যায়, ৰাত হনত হ্যায় গায়। ইয় খুন উৱ বন্দগী, কহুঁ কেৰোঁ খুশী খুদায়।।৫।। কবীৰ, কবিৰা তেই পীৰ হ্যায়, যো জানৈ পৰ পীড়। যো পৰ পীড়ন জানি হ্যায়, সো কাফিৰ বেপীৰ।।৬।। কবীৰ, খুব খানা হ্যায় খিচৰী, মাহী পৰী টুক লৌন। মাংস পৰায়া খায়কে, গলা কটাৱে কৌন।।৭।। কবীৰ, মুসলমান মাৰৈ কৰদ সো, হিন্দু মাৰৈ তৰবাৰ। কহৈ কবীৰ দোনো মিলি, যায় যমকে দ্বাৰ।।৮।। কবীৰ, মাংস আহাৰী মানৱ, প্ৰত্যক্ষ ৰাক্ষস জানি। তাকি সঙ্গতি মতি কৰৈ, হৈ ভক্তি মেঁ হানি।।৯।। কবীৰ, মাংস খায় ঢ়েড সব, মদ পিৱৈ সো নীচ। কুলকী দুৰমতি পৰ হৰৈ, ৰাম কাঁ সো ঊচঁ।।১০।। কবীৰ, মাংস মছলীয়া খাত হ্যায়, সুৰাপান সে হেত। তে নৰ নৰকে জাহিঙ্গে, মাতা পিতা সমেত।।১১।। গৰীব, জীৱ হিংসা যো কৰতে হ্যায়, এয়া আগে ক্যায়া পাপ। কন্টক জুনী যিহান মেং সিংহ ভেৰিয়া অউৰ সাপ।।১২।। ঝোটে বকৰে মুৰগে তাই। লেখা সব হী লেত গুঁসাই। মৃগ মোৰ মাৰে মহমন্তা। অচৰা চৰ হ্যায় জীৱ অনন্তা।।১৩।। জিহবা স্বাদ হিতে প্ৰাণা নীমা নাশ গয়া হম জানা।। ভিতৰ লৱা বুটেৰী চিড়িয়া। খুনী মাৰে বড়ে অগডিয়া।। আদলে বদলে লেখে লেখা। সমঝ দেখ সুন জ্ঞান বিবেকা।। গৰীব, শব্দ হমাৰা মানিও, অউৰ সুনতে হো নৰ নাৰী। জীৱ দয়া বিন কুফৰ হ্যায়, চলে জমানা হাৰি।।

নজনাকৈ অৰ্থাৎ ইচ্ছা নকৰাকৈ হোৱা হিংসাৰ পৰা পাপ নেলাগে। মুক্তি দাতা কবীৰ পৰমাত্মাই কৈছে ঃ

*ইচ্ছা কৰ মাৰৈ নহী, বিন ইচ্ছা মৰ জায়ে।*

*কহৈ কবীৰ তাস কা, পাপ নহী লগায়ে।।*

১৯। গুৰু দ্ৰোহীৰ লগত সম্পৰ্ক নিষেধ ঃ কোনো ভক্তই যদি গুৰুদেৱৰ লগত দ্ৰোহ কৰে (গুৰুদেৱৰ বিৰুদ্ধে যায়) তেওঁ মহাপাপৰ ভাগী হব। যদি কোনোবাই পন্থা (ভক্তি মাৰ্গ) ভাল

নেপায় নিজৰ গুৰু সলনি কৰিব পাৰে। যদি তেওঁ আগৰ গুৰুজনৰ লগত শক্ৰুতা কৰে বা তেওঁক নিন্দা কৰে তেতিয়া তেওঁক গুৰুদ্ৰোহী বোলা হয়। এনে ব্যক্তিৰ লগত ভক্তি চৰ্চা কৰিলে ভক্ত/সাধক দোষী হয়। তেওঁৰ ভক্তি সমাপ্ত হৈ যায়।

*কবীৰ, গুৰু দ্ৰোহী কী পৈড় পৰ, জে পগ আৱৈ বীৰ।*

*চৌৰাশী নিশ্চয় পড়ৈ, সৎগুৰু কহৈ কবীৰ।।*

*কবীৰ, জান বুঝ সাচী তজৈ, কৰৈ ছুঠৈ সে নেহ।*

*জাকী সঙ্গত হে প্ৰভু, স্বপ্ন মে ভী না দেহ।।*

অৰ্থাৎ গুৰুদ্ৰোহী লগত থকা ভকত ভক্তিহীন হৈ নৰক আৰু চৌৰাশী লাখ যোনিত পতিত হব।

২০। জুৱা (পাশা) খেলা নিষেধ ঃ জুৱা-তাচ কেতিয়াও খেলিব নালাগে।

*কবীৰ, মাংস ভখৈ ঔৰ মদ পিয়ে, ধন বেশ্যা সো খায়।*

*জুৱা খেলি চোৰী কৰৈ, অন্ত সমুল্য জায়।।*

২১। নাচ্-গান নিষেধ ঃ যিকোনো আনন্দৰ মুহুৰ্তত নচা আৰু অশ্লীল গান গোৱা ভক্তিভাৱৰ বিৰুদ্ধ কথা। উদাহৰণ স্বৰূপে এবাৰ এজনী বিধৱা নিজৰ সম্পৰ্কীয় ঘৰখনৰ আনন্দৰ মূহুৰ্তত তালৈ গৈছিল। সকলো ব্যক্তি আনন্দেৰে নাচি বাগি আছিল, কিন্তু বিধৱা জনী এচুকত বহি প্ৰভূৰ স্মৰণত মগ্ন হৈ আছিল। তেতিয়া সম্বন্ধীয়ই তেওঁক নিৰাশ হোৱাৰ কাৰণ সোধাত তেওঁ কলে যে কিহৰ আনন্দত তেওঁ নাচিব, গাব। তেওঁৰ একমাত্ৰ পুত্ৰৰ মৃত্যু হ'ল। এতিয়া তেওঁ কিহক লৈ আনন্দ কৰিব। ঠিক এনেদৰে এই কালৰ লোকত প্ৰত্যেক ব্যক্তিৰ স্থিতি বা অৱস্থা দেখা যায়। ইয়াত গুৰু নানক দেৱৰ বাণীয়ে কথাটো আৰু স্পষ্ট কৰি দিয়ে।

*না জানে কাল কী কৰ ডাৰৈ, কিস বিধি ঢল পাসা ৰে।*

*জিহ্নাদে সিৰতে মৌত খুড়গদী, ডন্হানু কেড়া হাঁসা ৰে।।*

*সাধ মিলে সাড়ী শাদী (খুলী) হোন্দী, বিছড় দাঁ দিল গিৰি (দুঃখ) ৰে।*

*অখদে নানক সুনো জিহানা, মুস্কিল হাল ফকীৰী ৰে।।*

*কবীৰ পৰমত্মাইও কৈছে যে ঃ*

*কবীৰ ঝুঠে সুখ কহৈ মান ৰহা মন মোদ।*

*সকল চবীনা কাল কাল, কুছ মুখ মে কুছ গোদ।।*

*কবীৰ, বেটা জায়া খুশী হুই, বহুত বজায়ে থাল।*

*আৱন জানা লগ ৰহা, জ্যোঁ কীড়ী কা নাল।।*

বিশেষ দ্ৰষ্টব্য ঃ স্ত্ৰী আৰু পুৰুষ দুয়ো পৰমাত্মা প্ৰাপ্তিৰ বাবে যোগ্য হয় অৰ্থাৎ দুয়োৰে পৰমাত্মা প্ৰাপ্তিৰ অধিকাৰ আছে। স্ত্ৰী সকলে মাহেকীয়া বা ৰজস্বলা হোৱাৰ সময়তো নিজৰ দৈনিক পূজা, জ্যোতি প্ৰজ্বলন আদি বন্ধ কৰিব নালাগে। কাৰোবাৰ জন্ম মৃত্যু হলেও দৈনিক

পূজা বন্ধ কৰিব নালাগে।

নোট ঃ যি ভক্তই এই একৈশ টা নিয়ম পালন নকৰে তেওঁৰ নাম, ভক্তি সমাপ্ত হৈ যাব। অনিচ্ছাকৃত ভাৱে ভুল হলে সেই ভুল ক্ষমা হব আৰু যদি জানি বুজি ভুল কৰে সেই ভক্ত নামহীন হৈ যাব। ইয়াৰ সমাধান এইটোৱে যে গুৰুদেৱৰ পৰা ক্ষমা বিচাৰি আকৌ নাম উপদেশ লব লাগিব।

লেখক সন্ত ৰামপাল দাস মহাৰাজ
সৎলোক আশ্ৰম, বৰৱালা
জিলা ঃ হিসাৰ, হাৰিয়ানা (ভাৰত)

## শাস্ত্ৰানুকু ভক্তি সাধনাৰ পৰা হোৱা ভক্ত সকলৰ লাভ

উচ্ছ হোৱা পৰিয়াল সংস্থাপিত হ'ল

মই ভকত ৰমেশ্বৰ পুত্ৰ, শ্ৰী উমেদ সিংহ, গাঁও ঃ- পেটৱাড়, তহচিল ঃ- হান্সী, জিলা ঃ- হিসাৰ বাসিন্দা। বৰ্তমান জীন্দৰ জেলৰ সন্মুখত থকা এল্লয়িজ ক'লনিত থাকোঁ।

নাম দীক্ষা লোৱাৰ আগতে আমি ভুতৰ পূজা কৰিছিলোঁ। আমাৰ গাঁৱত বাবা সৰিয়াৰ মান্যতা আছিল আৰু জ্যোতি প্ৰজ্বলনৰ বাবে আমি প্ৰতি মাহৰ পূৰ্ণিমা তিথিত তালৈ গৈছিলোঁ। আমি শুক্ৰবাৰ, জন্মাষ্টমী, শিৱৰাত্ৰিৰ ব্ৰতও পালন কৰিছিলোঁ। পিতৃক পিণ্ডদান আৰু শ্ৰাদ্ধও কৰিছিলোঁ। তথাপিও আমাৰ ঘৰ সম্পূৰ্ণৰূপে পানীত হাঁহ নছৰা অৱস্থা হৈছিল। মোৰ বাৰ বছৰ বয়সত দেউতাৰ মৃত্যু হৈছিল। ঘৰখনত মুঠ তিনিজন সদস্য আছিল, আটাইকেইজনে পৰস্পৰে কাজিয়াত সদায় লিপ্ত হৈ থাকিছিল। তিনিওজনক ভূত প্ৰেতে কষ্ট দিছিল আৰু তেওঁলোক সদায় বেমাৰত পৰিছিল। প্ৰথমতে ডাক্তৰক দেখুৱা হল যদিও কোনো লাভ নহল, পিছত কবিৰাজৰ ওচৰত গলোঁ, কোনোৱে কয় ৫০০০ টকা দিয়া মই তোমাক একেবাৰে ভাল কৰি দিম, কোনোৱে কয়, ১০,০০০ টকা দিয়া।

আমি সম্পূৰ্ণৰূপে উচ্ছন হলোঁ। একোৱে আমাক শান্তি নিদিলে। কোন্থ কলা(গাৱঁৰ নাম) গাঁৱৰ মোৰ আত্মীয় ভকত ৰঘুবীৰ সিংহে বাৰে বাৰে কোৱাত মোৰ আইয়ে ১৯৯৬ চনত সন্ত ৰামপাল দাস মহাৰাজৰ পৰা নাম উপদেশ লৈছিল। মোৰ পত্নীৰ পাঁচ বছৰলৈকে কোনো সন্তান হোৱা নাছিল। মাৰ কথা মতে মোৰ পত্নীয়ে সন্ত ৰামপাল দাস মহাৰাজৰ পৰা নাম উপদেশ ল'লে। নাম উপদেশ লোৱাৰ এবছৰৰ ভিতৰত আমাৰ এটা লৰা সন্তান হ'ল। মোৰ ভগৱানৰ ওপৰত বিশ্বাস নাইকিয়া হৈছিল। এই কাৰণে মই নাম দীক্ষা লোৱা নাছিলো। প্ৰথম অৱস্থাত মই মা আৰু পত্নীক সন্তৰ ওচৰলৈ যোৱাত বাধা দিছিলোঁ। মোৰ ল'ৰা যেতিয়া ১৫ দিনৰ

হৈছিল কঠিন বেমাৰত পৰিল। ডাক্তৰে চাই লৰাটো পুৰা বেলাতে মৰিব বুলি যাবলৈ ক'লে। সন্ধিয়া এজন ভকতে মুক্তি দাতা সৎগুৰু ৰামপাল মহাৰাজ জিন্দ আশ্ৰমত অহাৰ বাতৰি দি কলে যে তেওঁ পূৰ্ণ সন্ত হয় আৰু এই শিশুক ভাল কৰিব পাৰে। আমি ডাক্তৰ, কবিৰাজৰ ওচৰলৈ গৈ ভাগৰি পৰিছিলোঁ। ভগৱানৰ প্ৰতি মোৰ বিশ্বাস নাছিল। মই সেই ভকত জনক মানা কৰিলোঁ। কিন্তু তেওঁ আকৌ অনুৰোধ কৰি ক'লে যে সন্ত জন স্বয়ং মুক্তিদাতা ভগৱান, তেওঁ এতিয়া পৃথিৱীলৈ আহিছে। যদি তেওঁ দয়া কৰে লৰাজন ভাল হ'ব। ভকত জনৰ ইমান বিশ্বাস দেখি লৰাজনক লৈ যাবলৈ মাক অনুমতি দিলোঁ। মায়ে লৰাটোক লৈ গৈ সৎগুৰু ৰামপাল মহাৰাজৰ চৰণত ৰাখি কান্দি কান্দি প্ৰাৰ্থনা জনাই ক'লে যে ল'ৰাটো মৰিছে, এতিয়া আপুনিহে ইয়াক ভাল কৰিব পাৰে। তেতিয়া মুক্তিদাতা সৎগুৰু ৰামপাল মহাৰাজে ক'লে যে কবীৰ পৰমেশ্বৰৰ ইচ্ছাত লৰাটো ভাল হব। পিছদিনা মৰিব লগীয়া লৰাটো ভাল হৈ গল।

আমাৰ উচ্ছন হোৱা ঘৰখন মুক্তিদাতা সৎগুৰু ৰামপাল দাস মহাৰাজৰ কৃপাত আকৌ সংস্থাপিত হ'ল। ইমানখিনি চমৎকাৰ দেখাৰ পিছতো মই নাম দীক্ষা নললোঁ আৰু আগৰ দৰেই বিভিন্ন ধৰণৰ দেব দেৱীৰ পূজাৰ লগতে ভূত পূজাও কৰি থাকিলো। আমাৰ ঘৰত সন্ত ৰামপাল দাস মহাৰাজে মুক্তি দাতা গৰীবদাস মহাৰাজৰ বাণী পাঠ কৰিছিল আৰু মই বাহিৰত গৈ মদ খাইছিলোঁ। আকৌ এবছৰ পিছত এদিনাখন মুক্তিদাতা সৎগুৰু ৰামপাল মহাৰাজে আমাৰ ঘৰত পাঠ কৰাৰ পিছত সন্ধিয়া সময়ত সৎসঙ্গ কৰি আছিল। তেতিয়া মই সৎসঙ্গ শুনিলো আৰু নাম ললোঁ। তেতিয়া আমাৰ ঘৰত দুখ নামৰ কোনো বস্তু নোহোৱা হ'ল। মোৰ মাতৃয়ে লোকৰ কথা শুনি নাম খণ্ডিত কৰিলে। কিছু বছৰ পিছত ২০০০ চনত মোৰ মাৰ ভৰি হঠাতে জ্বলা-পোৰা কৰিব ধৰিলে। ডাক্তৰক দেখুৱা হ'ল ডাক্তৰে ক'লে যে মাৰ ব্লাড কেন্সাৰ হৈছে। দহ্যপোন্ধৰ দিনত মা মৰিব বুলি কলে। চণ্ডীগড়ৰ পি.জি. আইত ডেৰলাখ টকাৰে চিকিৎসা কৰালে খুব বেছি এবছৰ জীয়াই থাকিব বুলিও কলে। কিন্তু বিষ কম নহ'ব। মুক্তিদাতা সৎগুৰু ৰামপাল মহাৰাজে ক'লে যে মায়ে নাম খণ্ডিত কৰিছে। যেনেকৈ বিজুলীৰ বিল পৰিশোধ নকৰিলে সংযোগ বিছিন্ন হৈ বিদ্যুতৰ পৰা পোৱা লাভৰ পৰা বিঞ্চিত হ'ব লাগে। আকৌ বিল পৰিশোধ কৰি সংযোগ ল'ব লাগিব। ঠিক তেনেকৈ মোৰ মাতৃয়ে নিজৰ ভূলৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিলে। মহাৰাজে দ্বিতীয়বাৰ নাম দিলে আৰু মূৰত হাত থ'লে। মূৰত হাত থওঁতেই ভৰিৰ জ্বলা-পোৰা আৰু বিষ নাইকিয়া হ'ল। আকৌ প্ৰায় দুবছৰ পিছত দাঁত সৰাই পেলোৱাত তেজ বব ধৰিলে। ডাক্তৰে বেজী আৰু ঔষধ দিলে, কিন্তু তেজ ওলোৱা বন্ধ নহ'ল। আকৌ ডাক্তৰে পৰীক্ষা কৰি কলে যে মাৰ ব্লাড কেন্সাৰ হৈছে আৰু এতিয়া ফাটিছে, ভাল নহব ঘৰলৈ লৈ যাবলৈ ক'লে। তেজ ওলাই থকা বাবে দুদিন পিছত মৰিব বুলি ক'লে। পিছদিনাখন পেচাব আৰু পায়খানাতো তেজ আহিব ধৰিলে। তেতিয়া সৎগুৰু ৰামপাল মহাৰাজে ক'লে যে মুক্তিদাতাই যি কৰিব ভালেই কৰিব। আকৌ পিছদিনা ৰাতি দুই বজাত মাক নিবলৈ যমদূত

আহিল। মায়ে ক'লে যে মোৰ দেউতা (তেওঁ দহবছৰ আগতে মৰিছিল) তেওঁক লৈ যাবলৈ আহিছে। এইখিনি কওঁতেই সেই যমদূত মাৰ ভিতৰলৈ সোমাই কব ধৰিলে যে সি মাক লৈ যাব, মাৰ আয়ুস শেষ হৈছে। সি আকৌ চাহ খুৱাবলৈ কলে আমি তাৰ বাবে চাহ বনাব ধৰোতেই যমদূতে ক'ব ধৰিলে যে আমাৰ ঘৰত ডাঙৰ শক্তি আছে আৰু তাক মাৰি আছে, সি আৰু তাত ৰৈ থাকিব নোৱাৰো বুলি ক'লে, সোনকালে চাহ দিবলৈ কৈ গৰমে গৰমে খালে। যাওঁতে কৈ গল যে আমাৰ ঘৰত পূৰ্ণ পৰমাত্মা থিয় হৈ আছে, সি মাকক লৈ যাব নোৱাৰে এই বুলি কৈ গুচি গ'ল। এক মিনিট পিছতে তেজ ওলোৱা বন্ধ হ'ল, কলা হৈ পৰা জিভা আৰু দাঁত চাফা হল আৰু মুক্তিদাতা সৎগুৰু ৰামপাল দাস মহাৰাজৰ কৃপাত সম্পুৰ্ণৰূপে আগতকৈও সুস্থ হল। পৰমাত্মা কবীৰ চাহেবে মোৰ মাৰ আয়ুস পাচ বছৰ বঢ়াই দিলে। ২০০৫ চনৰ ২৪ জুলাইৰ দিনা সত্যভক্তি কৰি মা সত্যলোকলৈ প্ৰস্থান কৰিলে। কওক মুক্তিদাতা সৎগুৰু ৰামপাল মহাৰাজৰ জয় হওঁক। সত্ চাহেব।

## বৃক্ষ ভাল কৰা আৰু দুৰ্জনক সজ্জন কৰি তোলা

মই ভক্ত জগদীশ পুত্ৰ শ্ৰী প্ৰভুৰাম, গাওঁ-পাঞ্জাব খোড় দিল্লী - ৮১। ডি.টি.সি. (দিল্লী ট্ৰান্সপোৰ্ট, কৰ্পোৰেশন)ৰ মেকানিক। মদে মোক ৰাক্ষস প্ৰকৃতিৰ মানুহ বনাইছিল। মদ্যপান কৰা, মাংস খোৱা, ছিগাৰেট খোৱা আদি বেয়া অভ্যাস আছিল।

মই চাকৰিৰ পৰা ৰাতি ৭ অথবা ৮ বজাত আহিছিলো। কেতিয়াবা মদ্যপান বেচি হলে নিজা ঘৰ পাওঁতে ৰাতি ৯ অথবা ১০ বাজি গৈছিল। মদৰ নিচাত পগলা হৈ থৰক-বৰক ভৰিৰে ই ফালৰ পৰা সিফাল কৰি ঘৰত সোমাইছিলো। ঘৰ আহি পত্নী আৰু সন্তানক মাৰ পিট কৰাত প্ৰতিদিন কাজিয়া হৈছিল। যি শিশুক মৰমেৰে বুকুত আকোৱালি লব লাগিছিল সেই নিস্পাপ শিশুৱে মোক দেখি বিছনাৰ তলত লুকাইছিল। শিশুৱে পিতাকৰ বাবে বাট চাই থাকে, দেউতা আহিব, আমাৰ বাবে খোৱা বস্তু আনিব। কিন্তু খোৱা বস্তু অনাৰ বিপৰীতে মদ খাই চকু ৰঙা কৰি সিহঁতক মাৰপিট কৰিছিলো।

আনফালে মোৰ ধৰ্মপত্নী সুমিত্ৰা দেবীও নিজৰ দুঃখী জীৱনৰ লগত ভয়ঙ্কৰ বেমাৰৰ সৈতে যুজি অন্তিম ক্ষণলৈ বাট চাই আছিল। তেওঁৰ দুয়ো মুত্ৰাশয় বেয়া হৈ গৈছিল। ডাক্তৰে ঔষধ খাই থাকিবলৈ কৈছে। কিন্তু ছমাহতকৈ বেচি দিন জীয়াই নাথাকিব। অল ইণ্ডিয়া মেডিকেল আৰু ডাঃ ৰাম মনোহ লোহিয়া হস্পিটেল দিল্লীৰ পৰা ৰিপোট পোৱা হৈছে যে মুত্ৰাশয় বেয়া হৈছে আৰু ছয় মাহৰ বেচি দিন জীয়াই থাকিব আৰু লগতে অন্তিম সময়লৈকে ঔষধ খাই থাকিব লাগিব। সেই নিৰ্বোধ শিশুবোৰ কি হব ? যাৰ পিতৃ মদাহী আৰু মাতৃ মৃত্যু শয্যাত। কোনো গধুৰ কাম কৰিব নোৱাৰে। যেতিয়া শিশুবোৰে গম পালে যে সিহঁতৰ মাক ছয় মাহতকৈ বেচি দিন জীয়াই নাথাকে তেতিয়া সিহঁতৰ চকু পানী বন্ধ হোৱা নাছিল। এফালে পিতা মদাহী আনফালে মাকে কঠিন বেমাৰত পীড়িত, আমাৰ কি হব ? তিনিটা লৰা এজনী ছোৱালী নিজৰ মাকৰ ওচৰলৈ গৈ কান্দিবলৈ ধৰিলে

আৰু কলে হে ভগৱান! আমাক সকলোকে মাৰ লগতে নিজৰ ওচৰলৈ লৈ যাওক। ইয়াত কাৰ ভৰসাত জীয়াই থাকিম ?

পৰমাত্মাই শিশু বিলাকৰ মিনতি শুনিলে আৰু আমাৰ শুভ কৰ্মৰ উদয় হল যে আমাৰ ওচৰৰ নিবাসী ভক্ত মতি নিহালী দেবীয়ে নিজ গুৰুদেব সন্ত ৰামপাল মহাৰাজৰ আজ্ঞানুসৰি ৩০, ৩১ ডিচেম্বৰ ১৯৯৬ চন আৰু ১ জানুৱাৰী ১৯৯৭ চনত সদগুৰু গৰীবদাস মহাৰাজৰ অমৃত বাণীৰ তিনিদিনৰ অখণ্ড পাঠ নিজৰ ঘৰত কৰোৱালে। যত সন্ত ৰামপালজী মহাৰাজে ৩১ ডিচেম্বৰ ১৯৯৬ চনত ৰাতি ৯ বজাৰ পৰা ১১ বজালৈ সৎসঙ্গ কৰিছিল। মোৰ ধৰ্মপত্নী সুমিত্ৰা দেবীও ওচৰ চুবুৰীয়াৰ ঘৰত সৎসঙ্গ শুনিবলৈ গ'ল। অলপ পিছত মই (জগদীশ) চাকৰিৰ পৰা ঘৰলৈ আহিলো। ঘৰ আহি সন্তানৰ পৰা জানিলো যে ওচৰ চুবুৰীয়াৰ নিহালী দেবীৰ ঘৰত সৎসঙ্গ শুনিবলৈ গৈছে। ইয়াকে শুনি মই বৰ ক্ৰোধিত হলো আৰু কলো কৰ ভণ্ডৰ ওচৰলৈ গৈছে? মই এতিয়াই কোবাই লৈ আহো। ইয়াকে চিন্তা কৰি মই নিহালী দেবীৰ ঘৰলৈ গলো। মই মদৰ নিচাত আছিলো, যেতিয়া মই নিহালী দেবীৰ ঘৰ পালো তেতিয়া সন্ত ৰামপালজী মহাৰাজ দেবে সৎসঙ্গ কৰি আছিল। বহুত সংখ্যক ভক্তজন সৎসঙ্গ শুনি আছিল। সেই সকলক দেখি মই একো নকলো আৰু চুপচাপ পিচফালে বহি পৰিলো মই সৎসঙ্গ শুনিবলৈ ধৰিলো। সৎসঙ্গত মহাৰাজে কলে-

শৰাব পিৱৈ কড়ৱাপানী, সত্তৰ জনম সৱান কে জানী।
গৰীব, সোনাৰী জাৰী কৰৈ, সুৰাপান সে বাৰ।
এক চিলুম হুক্কা ভৰৈ, ডুবে কালী ধাৰ।।
কবীৰ, মানুষ জন্ম পায় কৰ, নহীঁ ভজৈ হৰি নাম।
জৈসে কুৱা জল বিনা, খুদৱায়া কিস কাম।।

মহাৰাজে সৎসঙ্গতে কলে যে যি সন্তানক পিতাকে বুকুত আকোৱালি লব লাগে, সেই মদাহি পিতৃক দেখি শিশুৱে বিছনাৰ তলত লুকায়। মদাহী ব্যক্তিৰ নিজৰো কষ্ট, ধন হানি, সমাজত মান সন্মান নাই আৰু পৰিয়াল আৰু প্ৰতিৱেশী, আত্মীয় স্বজনকো বিৰক্ত কৰি অভিশাপ পায়। যেনে- মদাহীৰ পত্নী আৰু সন্তান তাণ্ডৱৰ চিকাৰ হয়েই। ইয়াৰ উপৰি পত্নীৰ পিতা-মাতা, ভাই-ভনী আদিও দিনে ৰাতি চিন্তা কৰি থাকে। সকলো পাপৰ ভাৰ সেই নিৰ্বোধ মদাহীৰ মূৰৰ ওপৰত পৰে। মনুষ্য জনম ঈশ্বৰে ভক্তি কৰি আত্ম কল্যাণ কৰিবলৈ দিছে, ইয়াক মদ্যপান আদিত নষ্ট কৰা অনুচিত। যেনেকৈ শিশুৱে বিদ্যালয়ত পাঠ গ্ৰহণ নকৰে, এনেয়ে ঘুৰি ফুৰে, তেওঁ শিক্ষাৰ পৰা বঞ্চিত হয়। পিছত গোটেই জীৱন চাকৰ কৰি জীৱন নিৰ্বাহ কৰিব লগীয়া হয়। পিচত তাৰ মনলৈ আহে যদি মই বিদ্যালয়ত গাফিলতি নকৰিলোহেঁতেন তেতিয়া আজি অন্য সহপাঠিৰ দৰে কিবা এটা হব পাৰিলোহেঁতেন। কিন্তু এতিয়া কি হল এইটো তো সেই সময়ত ভাবিব পৰা নাছিলো।

পৰমেশ্বৰ কবীৰদেৱে কয় যে - *অচ্ছে দিন পিছে গয়ে, গুৰু সে কিয়া ন হেত। অব*

*পছতাৱা ক্যায়া কৰে, জব চিড়িয়া চুগ গই খেত।।*

এইদৰে মনুষ্য জনমত যি প্ৰাণীয়ে ঈশ্বৰ ভক্তি নকৰে তেওঁ পশু-পক্ষীৰ যোনী প্ৰাপ্ত হয়। যি ব্যক্তিয়ে মদ খায়, তেওঁ মদৰ নিচাত ভৰা থালীৰ আহাৰৰ লথিয়াই পেলাই দিয়ে। ভক্তি নকৰা কাৰণে ভিন-ভিন প্ৰাণীৰ শৰীৰত দুঃখ কষ্ট সহিবলগীয়া হয়। কেতিয়াবা সিটো কুকুৰৰ শৰীৰ ধাৰণ কৰে। কুকুৰে গোটেই ৰাতি ঠাণ্ডাৰ বতৰত পথত পৰি থাকে। ওপৰৰ পৰা বৰষুণ আৰু শীতত মহাকষ্ট সহ্য কৰে। পুৱাবেলা ভোক লাগে। কাৰোৱাৰ ৰান্ধনি ঘৰত সোমাবলৈ চেষ্টা কৰে। গৃহস্থই তাক বাধা দিবলৈ গৈ অপদস্থ কৰে বহু সময়লৈ ভোকত আহাৰ বিচাৰি থাকে। আকৌ অইন ঘৰত সোমাবলৈ চেষ্টা কৰে, নেজানে তাত আহাৰ পাবনে নাই কিন্তু মাৰ খাব। যদি তাতো ভাগ্যত মাৰ খাই তেতিয়া সেই কুকুৰটো গাৰৰ বাহিৰৰ হাবিলৈ গৈ ভোকত ব্যাকুল হৈ মল আহাৰ হিচাপে গ্ৰহণ কৰিব লগীয়া হয়। যদি সেই নিৰ্বোধ প্ৰাণী যেতিয়া মনুষ্যৰ শৰীৰত আছিল তেতিয়া সৎসঙ্গলৈ যদি আহিলেহেঁতেন, ভাল বিচাৰ শুনি বেয়া অভ্যাস ত্যাগ কৰি নিজৰ কল্যাণ কৰিলেহেঁতেন আৰু সন্তানক ভাল শিক্ষা তথা প্ৰভুৰ দীক্ষা প্ৰদান কৰালেহেঁতেন চিৰসুখী হলহেঁতেন। মদৰ নিচা কিছু সময় থাকে। পৰমাত্মাৰ নাম ভজনৰ পৰা হোৱা সুখৰ আনন্দ সদায় লগত থাকে।

উপৰোক্ত সৎসঙ্গ আদৰণীয় সন্ত ৰামপাল গুৰু মহাৰাজৰ পৰা শুনি মোৰ মদৰ নিচা নাইকিয়া হল। চকুৰে পানী নিগৰীবলৈ ধৰিলে। ঘৰলৈ গুচি গলো, ৰাতি টোপনী নাহিল। ১ জানুৱাৰী ১৯৯৭ চন দুপৰীয়া ১.৩০ বজাত নিজৰ পত্নীক লগত লৈ সন্ত ৰামপাল দাস মহাৰাজৰ ওচৰলৈ গলো, তেখেতৰ পৰা আত্ম কল্যাণৰ বাবে নাম দীক্ষা ললো। তাৰ পিচত আজিলৈ ২০০5 চনলৈ মদ, ধুমপান, মঙহ ছুই চোৱা নাই। মোৰ পত্নীও সদগুৰু ৰামপাল মহাৰাজৰ পৰা নাম দীক্ষা লৈছে। সেই দিনৰ পৰা তেওঁ একেবাৰে সুস্থ। ডাক্তৰৰ চিকিৎসা আৰু বেমাৰৰ এক্সৰে আদিৰ ৰিপোৰ্ট আজিও আমাৰ ঘৰত ৰখা আছে।

মোৰ সকলোৰে ওচৰত মিনতি যে আপোনালোকেও প্ৰভুৰ শৰন লওক। সাধুৰূপত অহা পৰমেশ্বৰৰ বাৰ্তা বাহক সন্ত ৰামপাল দাসক চিনক। নিঃশুল্ক নাম উপদেশ প্ৰাপ্ত কৰি অনুগ্ৰহ কৰি নিজৰ আত্ম কল্যাণ কৰক। সৎ চাহেব।

(ভক্ত জগদীশ)

মোবাইল নং-৯২৬৮৪৭৫২৪২

**সতীশ ভকতৰ আত্ম কথা**

মই ভকত সতীশ দাস ১৯৩ ছেক্টৰ ৭, আৰ.কে. পুৰম. নতুন দিল্লীৰ নিবাসী। নিম্নবৰ্নিত পদাবলী আমাৰ জীৱনত কাৰ্য্যকৰী হৈছে। কিয়নো মুক্তিদাতা সদগুৰু ৰামপাল গুৰু মহাৰাজৰ সৎসঙ্গ প্ৰিতমপুৰা দিল্লীত ১৯৯৭ চনত হৈছিল। মই মোৰ এজন বন্ধুৰে কোৱাত সৎসঙ্গ শুনিবলৈ গৈছিলো, পাৰম্পৰিক পূজাপাতলক বাদ দিয়া কথা শুনাৰ পিছত সৎসঙ্গত মনটো নবহিল।

সদগুৰুদেৱে শাস্ত্ৰ পঢ়ি-পঢ়ি আমাক বুজাই আছিল মই মনতে ভাবিলোঁ যে কিতাপখন আমি ঘৰতে পঢ়ি বুজি লম। এইদৰে জ্যোতি নিৰঞ্জনে (কাল) আমাৰ বুদ্ধিক স্থিৰ কৰি দিছে আৰু আমাৰ ভক্তি থকা মাৰ্গ বন্ধ কৰি দিলে। সৎগুৰুৱে আমাক বুজায় যে ঃ-

গুৰু বিন কিনহে ন পায়া জ্ঞানা, যোঁ থোথা ভুস ছোড়ে মূঢ় কিসানা।
গুৰু বিন ভ্ৰম ছুটে না ভাই, কোটী উপায় কৰো চতুৰাই।।

এইদৰে আমাৰ বুদ্ধি স্থিৰ হোৱা কাৰণে আমি ইফাল সিফালৰ কথা কৈ ঘৰলৈ উভতি আহিলো। ইং ১৯৯৯ চনত মোৰ পত্নী শ্ৰীমতী মঞ্জুৰ ব্ৰেন টিউমাৰ (মগজুৰ কেন্সাৰ) হ'ল, যিটো আমি সফদৰজঙ্গ হস্পিটেলত নিৰীক্ষণ আৰু চিকিৎসাৰ সময়ত গম পালো। ইয়াৰ পিচত মই তেওঁৰ পন্থ হস্পিটেল তথা A.I.I.M.S নিউ দিল্লী আৰু ইয়াৰ পিচত এপোলো হস্পিটেল নিউ দিল্লীৰ ডাক্তৰকো দেখুৱালো। সকলো ডাক্তৰে অতি শীঘ্ৰে অপাৰেশনৰ পৰামৰ্শ দি কলে যে অপাৰেশনৰ অন্তত এখন হাত পেৰালাইচিচ হব পাৰে। এপোলো হস্পিটেলৰ ডাক্তৰে তো ৰিপোৰ্ট চোৱাৰ পিচত ইয়াকো কলে যে এওঁৰ চকু এতিয়ালৈকে কেনেকৈ ঠিকে আছে? আৰু চকু বিশেষজ্ঞৰ দ্বাৰা টেষ্ট কৰাবলৈ কলে। মই তেতিয়াই চেক কৰোৱালো। তেতিয়া চকু বিশেষজ্ঞ আৰু নিউৰ'ৰ সাৰ্জনে পৰামৰ্শ দিলে যে প্ৰত্যেক পোন্ধৰ দিনৰ পিছত এওঁৰ চকু পৰীক্ষা কৰি থাকিবা, ব্ৰেন টিউমাৰ এনে ঠাইত আছে কেতিয়াবা বন্ধ হৈ যাব পাৰে। মই আৰু মোৰ পত্নী দুয়ো শাৰীৰিক ভাৱে দুৰ্বল আৰু হাত আৰু চকু নষ্ট হব বুলি শুনি শ্বাস-প্ৰশ্বাস বন্ধ হোৱাৰ নিচিনা হল, কিন্তু কোনো উপায় নাপাই শেষত পন্ত হস্পিটেল নিউদিল্লীত অপাৰেশন কৰোৱাৰ চিন্তা কৰি আৰু ডাক্তৰৰ পৰামৰ্শত INMAS হস্পিটেল তিমাপুৰ দিল্লীৰ পৰা M.R.I. কৰোৱাই নিলো আৰু আন আন টেষ্ট কৰাই নিলো। কেৱল অপাৰেশনৰ তাৰিখ লব লগা আছিল। আমাক পূৰ্ণ পৰমাত্মা তত্ত্বদৰ্শী সন্ত ৰামপাল দাস মহাৰাজৰ আগেয়ে শুনা সৎসঙ্গৰ এই পদাৱলী মনলৈ আহিল------

জিন মিলতে সুখ উপজে, মিটে কোটী উপাধ।
ভূৱন চতুৰ্দশ ঢুণ্ডিয়ো, পৰম স্নেহী সাধ।।

আৰু আমাৰ ভক্তি মাৰ্গ পৰমেশ্বৰে আৰম্ভ কৰি দিলে আৰু মনত ভাৱনা আহিল যে অপাৰেশনৰ আগতে নাম উপদেশ লৈ চাওঁ। আকৌ বন্ধুৰ লগত প্ৰীতমপুৰা দিল্লীলৈ গৈ ২০০১ ৰ ৪ ফেব্ৰুৱাৰী পূৰ্ণ পৰমাত্মা তত্ত্বদৰ্শী সন্ত ৰামপাল গুৰু মহাৰাজৰ চৰণত শৰণ লৈ নাম উপদেশ ল'লো আগৰ সকলো পূজা পাতল বাদ দিলো। সদগুৰুদেৱে অখণ্ড পাঠ কৰোৱাৰ পৰামৰ্শ দি কলে পৰমাত্মাই বিচাৰে যদি অপাৰেশন বাদ পৰি যাব আৰু সকলো ঠিক হৈ যাব। আমি সদগুৰুৰ আজ্ঞা অনুসৰি ঘৰত তিনি দিনৰ অখণ্ড পাঠ কৰালো আৰু ইয়াৰ পিছত ডাক্তৰৰ পৰা অপাৰেশনৰ তাৰিখ লবৰ বাবে পন্থ হস্পিটেল নিউ দিল্লীলৈ গলো। যি ডাক্তৰে প্ৰথমে অপাৰেশনৰ পৰামৰ্শ দিছিল, সেই ডাক্তৰে দ্বিতীয় বাৰ M.R. ৰিপোৰ্ট দেখি কলে যে এতিয়া অপাৰেশনৰ কোনো দৰকাৰ নাই। তেতিয়া সদ্ গুৰুদেৱৰ বাণী মনত পৰিল -

সদগুৰু দাতা হ্যাঁয় কলি মাহি, প্ৰাণ উধাৰণ উতৰে সাঁই।
সদগুৰু দাতা দীন দয়ালম, জম কিঙ্কৰ কে তোৰে জালম।।

আমি সদগুৰু দেৱৰ উপকাৰত উচুপি উচুপি কান্দিবলৈ ললো হে পৰমেশ্বৰ আমি আপোনাৰ মহিমা কি শব্দৰে ব্যাখ্যা কৰো এইদৰে পূৰ্ণ পৰমেশ্বৰ কবীৰদেৱৰ অৱতাৰ তত্ত্বদৰ্শী সন্ত ৰামপাল দাস গুৰু মহাৰাজৰ অসীম কৃপাত আমাৰ অপাৰেশন নহল আৰু তাৰ পিছত এক পইচাৰো ঔষধপাতি কিনি খোৱা নাই আৰু সুখময় জীৱন যাপন কৰি আছো। ইং ২০০৪ চনৰ ২০ নবেম্বৰ ৰাতি যমৰ আক্ৰমন হোৱা কাৰণে মোৰ পত্নী প্ৰায় মৃতপ্ৰায় হৈ গৈছিল, পৰমেশ্বৰৰ অমৃত জল খুওৱাৰ পিছত চেতনা ঘূৰি আহিল। পিছত আমি তেওঁক সদগুৰুৰ ওচৰলৈ লৈ আহিলো তেতিয়া সদগুৰুদেৱে কলে যে আজি এওঁৰ মৃত্যু হব লগা আছিল। কবীৰ পৰমেশ্বৰে তেওঁৰ বয়স বঢ়াই দিছে। এতিয়া তেওঁ ভক্তি কৰিব লাগিব।।

আকৌ ২২ নবেম্বৰ ২০০৪ মোৰ পত্নী সোনীপথ সৎসঙ্গত পেৰালাইচিচ হল আৰু তাৰ কাৰণে তেওঁৰ হাতৰ শক্তি নাইকিয়া হল আৰু সেই সময়ত সদগুৰু দেৱৰ হাত নিজৰ হাতত দেখুৱাবলৈ ধৰিলে আৰু প্ৰায় ৫ মিনিট লৈ দেখুৱাই থাকিল। যেতিয়া পেৰালাইচিচৰ প্ৰভাৱ নাইকিয়া হল তেতিয়া সদগুৰুদেৱৰ হাত অদৃশ্য হল আৰু আজিলৈকে তেওঁ ঠিকে আছে।

সদগুৰু তত্ত্বদৰ্শী সন্ত ৰামপাল দাস মহাৰাজ কবীৰ পৰমেশ্বৰৰ সমানে অৱতাৰ হৈ আহিছে যি আমাক সিদ্ধ কৰি দেখুৱাইছে যে

গৰীব, জম জৌৰা জাসে ডৰেঁ, মিটে কৰ্ম কে অঙ্ক।
কাগজ কীৰেঁ দৰগহ দই, চৌদহ কোটী ন চম্প।।

**ভক্ত সতীশ মেহৰা**
RLF-৯০৭/১৭ ৰাজনগৰ -পালম কলোনী ও নিউ দিল্লী-
মোবাইল- ০৯৭১৮১৮৪৭০৪

## ১১০০ ভল্টেজৰ তাৰৰ পৰা মুক্ত কৰা

মই ভক্ত সুৰেশ দাস পুত্ৰ শ্ৰী চান্দ ৰাম, গাওঁ- ধনানা, জিলা- সোনীপত বৰ্তমান শাস্ত্ৰী নগৰ ৰোহতক (হাৰিয়ানা) নিবাসী। সদগুৰুদেৱৰ পৰা নাম উপদেশ লোৱাৰ আগতে মোৰ ঘৰৰ আৰ্থিক অৱস্থা বৰ বেয়া আছিল, পৰিয়ালৰ এনে কোনো সদস্য নাছিল যাৰ কেতিয়াও বেমাৰ হোৱা নাছিল, মোৰ পত্নীক ভূত, প্ৰেতে বেচি যাতনা দিছিল। ইমান কষ্ট হোৱাৰ পিছতো আমি দেবী দেৱতাৰ বহুত পূজা কৰিছিলো আৰু মোৰ হনুমানৰ ওপৰত বৰ বেচি আস্থা আছিল। কিন্তু ঘৰত সংকটৰ ওপৰত সংকট হৈছিল। কোনো কামতে আগবাঢ়িব পৰা নাছিলো। পূৰ্ণ পৰমাত্মা সদগুৰু ৰামপাল মহাৰাজ মোৰ পৰিয়ালৰ হোৱা কাৰণে আমি তেওঁক পূৰ্ণ পৰমাত্মা বুলি মনা নাই যাৰ পৰিণাম আমি কেইবা

বছৰ ভূগিবলগীয়া হৈছিল। তেতিয়া গাওঁ সিংহ পুৰাৰ নিবাসী ভকত বিকাশে মোক কলে যে আপোনাৰ ঘৰলৈ পূৰ্ণ পৰমাত্মা জগত গুৰু ৰামপাল মহাৰাজ আহিছে আৰু আপুনি ক'ত শুই আছে? মই কলো যে কালে আমাক ইমান কষ্ট দি ৰাখিছে যে আমাক সেই ঠাইৰ বিষয়ে জানিবলৈ সময় পোৱা নাই। গোটেই সময় ডাক্তৰৰ পিচতেই ঘুৰোতেই যায়। ইয়াৰ উপৰি আৰ্থিক সমস্যা বহুত থাকে। সেই ভক্তই মোক বহুত বুজালে, পূৰ্ণ পৰমাত্মাৰ এনে দয়া হল যে মই সন্ত ৰামপাল মহাৰাজৰ পৰা নাম উপদেশ লবৰ কাৰণে ২০১০ চনৰ অক্টোবৰ মাহত সৎলোক আশ্ৰম বৰবালাত উপস্থিত হলোঁ। নাম উপদেশ লোৱাৰ পিছত সদ গুৰুদেবে নিজৰ দয়াৰ ভাণ্ডাৰ খুলি দিলে আৰু মোৰ সেই সুখ হবলৈ ধৰিলে যাৰ বৰ্ণনা মুখেৰে কৰা বৰ কঠিন।

মোৰ পত্নীক ভূত-প্ৰেতে বৰ যাতনা দিছিল। সদগুৰু দেৱৰ দয়াত তেওঁ এতিয়া পূৰ্ণ ৰূপে ঠিক হৈছে। ইং ২০১১ চনৰ ৭ চেপ্তেম্বৰ মোৰ লৰা মোহিত বয়স ১২ বছৰ , মই কোৱাত সি মিস্ত্ৰি ক মাতিবলৈ গৈছিল। মোৰ লৰা মিস্ত্ৰিৰ ঘৰৰ ছাদৰ ওপৰলৈ উঠি গৈছিল। ছাদৰ ওপৰত ১১০০০ ভোল্টেজৰ বিদ্যুৎ ৰ তাৰ আছিল। তাঁৰ আৰু লৰাৰ মাজত ১ ফুটৰ দূৰত্ব আছিল। যেতিয়া তাঁৰৰ ওচৰলৈ গল তেতিয়া তাঁৰে লৰাটোক টানি নিলে আৰু লৰাৰ মূৰত তাৰ লাগি গ'ল আৰু এক ইঞ্চিৰ গাত হৈ সোমাই গল তাৰ মুখ পুৰিলে আৰু বিদ্যুৎ গোটেই শৰীৰত প্ৰবাহিত হৈ ভৰিৰ আঙুলিৰ হাড়ক ফালি পাৰ হৈ যায়। সেই সময়ত সদগুৰু ৰামপাল মহাৰাজ আকাশী পথেৰে আহি তথা মোৰ লৰাক চকমকীয়া (জ্যোতীময়) শৰীৰ দেখাই দিলে যেনে হেজাৰ টিউবৰ পোহৰ হে আহিছে। তেওঁ লৰাৰ হাতত ধৰি বিদ্যুৎতৰ তাৰৰ পৰা এৰুৱাই ছাদৰ ওপৰত শুৱাই দিলে। পিছত লৰাৰ লগত সদগুৰুৰ বহুত কথা হল আৰু যেতিয়া সদগুৰু যাবলৈ ধৰিলে তেতিয়া লৰাই সুধিলে যে গুৰুদেৱ কলৈ যোৱা, তেতিয়া গুৰুদেৱে কলে যে বোপাই! তই ভয় কৰিব নেলাগে মই তোমাৰ লগতে আছো। সেই সময়ত মোৰ লৰা মোহিতৰ মাকো তাত আছিল। তেওঁ এই দৃশ্য নিজ চকুৰে দেখিলে আৰু তেওঁ চিন্তিত হল। কিয়নো লৰাৰ শৰীৰৰ পৰা বিদ্যুৎতৰ ধোঁৱা ওলাই আছিল।

তাৰ পিচত আমি লৰাটোক পি.জি.আই হস্পিটেল ৰোহতকলৈ লৈ গলো। তাতো লৰাটোক গুৰদেৱে দেখা দিলে আৰু মোৰ লৰাই কলে যে গুৰুদেৱ মোৰ লগতে আছে। আপোনালোকে ভয় নকৰিব। যদি আজি আমি গুৰুদেৱৰ শৰণ নহলোহেঁতেন তেতিয়া আমাৰ লৰা জীয়াই নেথাকিলহেঁতেন আৰু মোৰ পত্নীকো প্ৰেতে মাৰি পেলালেহেঁতেন, আমি বিনাশ হোৱাৰ পৰা বাচি গলো। এইটো সদগুৰদেৱ ৰামপাল গুৰু মহাৰাজৰ দয়া।

সৰ্ব পাঠকক প্ৰাৰ্থনা কৰো যে মোৰ সত্য কথা পঢ়ি আপুনিও সদগুৰু ৰামপাল গুৰু মহাৰাজৰ শৰণলৈ সময় থাকোতেই আত্ম কল্যাণ কৰাওক আৰু প্ৰাৰব্ধত লিখিত কৰ্মৰ কাৰণে যি ঘটনা ঘটে তাৰ পৰা পূৰ্ণ ৰূপে বাচিব পাৰিব। সদগুৰু ৰামপাল গুৰু মহাৰাজৰ প্ৰবচনত মই শুনিছো যে মুক্তিদাতা পূৰ্ণ পৰমাত্মা কবীৰদেৱে আমাৰ সৰ্ব পাপক নাশ কৰি দিয়ে। এনেকুৱা প্ৰমাণ ঋকবেদ মণ্ডল ১০, শুক্ত ১৬১ মন্ত্ৰ ২ তথা মণ্ডল ৯ সুক্ত ৮০ মন্ত্ৰ ২ লিখিত আছে যে যদি কোনো ৰোগীৰ

প্ৰাণ শক্তি ক্ষীণ হৈ আহিছে আৰু আয়ুস বাকী নাই তেতিয়া তাৰ প্ৰাণকো ৰক্ষা কৰে আৰু তাক এশ বছৰ আয়ু প্ৰদান কৰি অৰ্থাৎ তাৰ আয়ুস বঢ়াই সাধকক সৰ্ব সুখ প্ৰদান কৰে।

প্ৰিয়জন সদগুৰু ৰামপাল গুৰু মহাৰাজ নিজৰ অমৃত বচনত এইটোও বৰ্ণায় যে প্ৰত্যেক প্ৰাণী নিজৰ কৃত কৰ্ম অনুসৰি সুঃখ আৰু দুঃখ পায়। দুঃখতো পাপ কৰ্মৰ ফল আৰু সুঃখ পূণ্য কৰ্মৰ ফল। এতিয়ালৈ সকলো সাধু-সন্ত, আচাৰ্য্য, গুৰু এইটোকে কয় যে যি প্ৰাৰব্ধ কৰ্মৰ ভোগ প্ৰাণীয়ে ভোগ কৰি সমাপ্ত কৰিব লাগিব। হে সভ্য শিক্ষিৎ পাঠক সকল সদগুৰু ৰামপাল গুৰু মহাৰাজে কয় যে পাপ কৰ্মৰ পৰা দুঃখ হয়, যদি পাপ কৰ্ম নাশ হৈ যায় তেতিয়া দুঃখ আপোনা আপুনি অন্ত হৈ যায়। যদি ভক্তি কৰি কৰি পাপ কৰ্মৰ ফল (দুঃখ) ভূগিব লগীয়াই হয় তেতিয়া ভক্তিৰ আৱশ্যকতাই নাথাকে। ইং ২০১১ চনৰ ৭ ছেপ্তেম্বৰ আমাৰ প্ৰাৰব্ধ কৰ্মৰ পাপৰ কাৰণে মোৰ পুত্ৰ মোহিতৰ মৃত্যু হব লগা আছিল। আমাৰ সদ গুৰুদেৱ ৰামপাল গুৰু মহাৰাজৰ অসীম কৃপাত পৰম পূজ্য কবীৰ পৰমেশ্বৰ দেৱে আমাৰ পাপক নাশ কৰি দিলে আৰু মোৰ লৰাৰ জীৱন ৰক্ষা কৰি তাৰ আয়ুস বঢ়াই দিলে। যদি ৭ চেপ্তেম্বৰ ২০১১ প্ৰাৰব্ধ কৰ্মৰ ফলস্বৰূপ মোৰ সন্তান মৰিগলহেঁতেন তেতিয়া আমি সকলো পৰিয়ালে ভক্তি ত্যাগ কৰি দিলোহেঁতেন আৰু নাস্তিক হলোহেঁতেন। কিয়নো আমাৰ পূৰ্ণ পৰমাত্মাৰ জ্ঞান নাছিল। এতিয়া ভগৱানৰ ওপৰত অত্যধিক বিশ্বাস হৈছে। এইটো বিশ্বাস হৈছে যে পৰম পূজ্য কবীৰ দেৱেই পূৰ্ণব্ৰহ্ম পৰমেশ্বৰ। এওঁ সৰ্ব পাপ নাশক সুঃখ দায়ক আৰু পূৰ্ণ মোক্ষ দায়ক আৰু সদগুৰু ৰামপাল গুৰু মহাৰাজ তেওঁৰেই প্ৰেৰিত অৱতাৰ হৈ আহিছে। অতএব আপোনাক পুনঃ প্ৰাৰ্থনা কৰো যে অবিলম্বে সৎলোক আশ্ৰম বৰৱালাত উপস্থিত হওক আৰু নাম উপদেশ লৈ আত্ম কল্যাণ কৰাওক। আপোনাক প্ৰাৰ্থনা কৰা মোৰ এইটো উদেশ্য যে মোৰ নিচিনা দুঃখী বহুত আছে। মোৰ ওপৰোক্ত আত্ম কথা পঢ়ি বিচাৰ বিবেচনা কৰি মোৰ দৰে সংকটক নিৱাৰণ কৰিব পাৰিব আৰু সুঃখী হব পাৰিব। পূৰ্ণ পৰমাত্মা কবীৰদেৱে কয় যে-

ইয় সংসাৰ সমঝদা নাহী, কহন্দা শাম দোপহৰে নুঁ।
গৰীবদাস ইয় ৱক্ত জাত হ্যায়, ৰোৱোগে ইস পহৰে (সময়) নুঁ ।

প্ৰাৰ্থী

ভক্ত সুৰেশ দাস, পুত্ৰ শ্ৰী চান্দ ৰাম,
শাস্ত্ৰী নগৰ , হিসাৰ বাইপাস ৰোহতক
মোবাইল- ০৯৮২৯৫৮৮৬২৮

**ভকত দীপক দাসৰ পৰিয়ালৰ আত্ম কথা**

বন্দী চৌড় সতগুৰু ৰামপাল মহাৰাজৰ দয়া।।

দাস দীপক শ্ৰীবলজীত সিংহ গাওঁ মহলানা, জিলা সূনিপত হাৰিয়ানা। আমি তিনি পুৰুষৰ পৰা ৰাধাস্বামী পন্থা ডেৰা বাবা জেমল সিংহৰ পৰা দীক্ষা/নাম উপদেশ লোৱা আছে। তাৰ পিছত

মোৰ পিতৃ মাতৃয়ে ৰাধাস্বামী পন্থা প্ৰাপ্ত কৰি তেওঁক পূৰ্ণ মহা পুৰুষ বুলি আৰু এই সংসাৰত ভগৱানক প্ৰাপ্ত কৰা শ্ৰেষ্ঠ মাৰ্গ হিচাবে তন, মন, ধন একাকাৰে ভক্তি, সাধানাত বৰ্তি হলো। এই পন্থাত বিশাল সৎসংগ জনসমূহ দেখি আকৰ্ষিত হৈ সৎসঙ্গত সেৱা, শুশ্ৰষাৰ বাবে ডেৰা বাবা (জমল সিংহ ব্যাস (পঞ্জাৱ আৰু ছতপুৰ পুসা ৰড দিল্লীত যাও। ইয়াত বয়সৰ ওপৰত দীক্ষা দিয়াৰ বাবে মই নাম দীক্ষা পৰা বিৰত আছিলো।

যি দিনা মোৰ পিতৃ-মাতৃয়ে নাম দীক্ষা গ্ৰহণ কৰিছিলে সেই দিনা মোৰ সৰু ভাইৰ (৫ বছৰ বয়স) হাতেৰে ওচৰৰে লগৰীয়াৰ চকুত কিবা বস্তু নজনাকৈ লাগিলে। পিতৃ-মাতৃয়ে নাম দীক্ষা লৈ ঘৰত অহা পাছতে চুবুৰিয়াৰ লগত আমাৰ দ্বেষ শত্ৰুতা ভাব হৈ উঠিল কাৰণ লগৰীয়াৰ চকুত জানি বুজি দুখ দিছে বুলি মত বিৰোধ হ'ল আৰু সেই দিনাৰ পৰা আমাৰ পৰিয়ালৰ ওপৰত দুখৰ পাহাৰ ভাঙি পৰিল।

তেনে সময়তে মোৰ ককাদেউতাৰ মৃত্যু হয়। আইতা, (বাইছা) ককাদেউতাৰ মৃত্যুৰ ১২ বছৰ আগতে মৃত্যু হৈছিল। আইতায়ে মোৰ আপাদেও দেহত প্ৰৱেশ কৰি কবলৈ ধৰিলে (আইতায়ে জীৱিত অৱস্থাত ৰাধাস্বামী পন্থৰ পৰা প্ৰাপ্ত পাঁচ নামৰ ভক্তি সাধনা অশেষ যত্নৰে কৰিছিল। ৰাতি তিনি বজা, আৰু দিনৰ অনেক সময় নাম স্মৰণ অভ্যাস কৰিছিল যি ভক্তি, সাধনা ৰাধা স্বামী ব্যৱস্থাত কৰিব আদেশ আছিল) তোমালোকৰ ককাদেউতাৰ জীৱন শেষ হল সেই কাৰণে মই তোমালোকক তত্বাৱধান কৰিবৰ বাবে আহিছো। আইতায়ে কাঁহি কাঁহি কয়। আইতাৰ মৃত্যুৰ আগতে কাঁহি থকা ৰোগ আছিল। তেতিয়া আমি কলো আইতা আপুনি বহুত দুখী হৈ আছে, সৎলোকলৈ নগল নেকি আইতায়ে কলে বোপাই ভূল সাধনা, ভক্তি কৰি মানুহৰ অমূল্য জীৱন নষ্ট কৰিলো। মৃত্যুৰ পাছত ভূত যোনিত কষ্ট ওপৰত কষ্ট ভোগিছো মই কোনো সৎলোকলৈ যোৱা নাই। তেতিয়া মোৰ মাতৃয়ে আশ্চৰ্য্যভাৱে সুধিলে আপোনাক গুৰু চৰণ সিংহে সহায় নকৰিলে নেকি ? আইতায়ে অত্যন্ত দুখেৰে কলে তেওঁ মোক একো সহায় সহানুভুতি নকৰিলে। মই আজিও বহুত দুখত আছো।

এই ঘটনাৰ ১ বছৰ পাছত অন্য এগৰাকী আপাদেও কমলা দেৱীৰ দেহত ককাদেউতা প্ৰৱেশ কৰি কলে মই বহুত দুখী আৰু মোৰ কোনো গতি নহল, মই স্নান কৰিব বিছাৰো। এই কথা শুনি মোৰ মাতৃয়ে আচৰ্য্য হৈ কলে আপুনি সৎলোকলৈ যোৱা প্ৰাণী, তাত গা-ধুবলৈ পানী নাই নেকি ? ককাদেউতায়ে কোনো উত্তৰ নিদিলে। মাতৃয়ে পানীৰে ককাদেউতাক (যি নেকি কমলা দেৱী, এপাইদেউৰ দেহত ভূত ৰূপে আছে) গাধুৱাব ললে, তেতিয়া ককাদেউতাই কলে পুত্ৰী মই নিজে গা-ধুম, মাতৃয়ে এপাক বস্ত্ৰ (কাপোৰ) দিলে এপাইদেউয়ে পৰিধান কৰা বস্ত্ৰ৷ তেতিয়া ককাদেউতায়ে এপাইদেউ দেহত কলে পুত্ৰি মোৰ ধুতি খন আনা। মাতৃয়ে তেওঁক কাপোৰ এখন হাতত দিলে, যিখন এপাইদেউয়ে পৰিধান কৰি থকা ওপৰতে মেৰিয়াই লয়। সোনকালে আৰু চাহ বনাব কলে। মই ককাদেউতাক সুধিলো আপুনি সৎলোকলৈ নগল নেকি? মাতৃয়ে কলে আপুনি ৰাধাস্বামী সন্ত

চৰণ সিংহ মহাৰাজৰ পৰা নাম উপদেশ প্ৰাপ্ত। ইমান ভক্তি কৰিছিলে, তেওঁলোকে আপোনাক সহায় নকৰিলে নেকি ? এপাইদেউ দেহত প্ৰৱেশ ককাদেউতা প্ৰেতাত্মায়ে কলে তেওঁলোকে কোনো সহায় কৰা নাই। মই মৃত্যু পাচৰে পৰা বহুত বহুত কষ্ট ভোগ কৰিছোঁ।

সেই সময়ত মোৰ চকু দৃষ্টি একে বাবে কম হল বাৰে বাৰে চশমা সলনি কৰিলো। পঢ়া বাবে মই এজন বন্ধুৰ ওচৰত যাওঁ। তাত ভকত সন্তৰামে মোক পূৰ্ণ ব্ৰহ্ম অৱতাৰ সৎ গুৰু ৰামপাল মহাৰাজৰ মহিমা বৰ্ণনা কৰি কলে তুমি যদি সৎগুৰু ৰামপাল মহাৰাজাৰ পৰা নাম দীক্ষা লোৱা তোমাৰ চকু দৃষ্টি ভাল হব। আমাৰ দুখ কষ্ট সাগৰ পৰা উদ্ধাৰ কাৰণে পৰমেশ্বৰ কবীৰ চাহেব সন্ত ৰামপাল মহাৰাজ ৰূপত আহিছে। মই কলো মোৰ পৰিয়ালে ৰাধা স্বামী পন্থাৰ পৰা নাম দীক্ষা লোৱা আছে।

ভকত সন্তৰামে কলে সেই পন্থা পূৰ্ণ নহয়। তাৰ ভক্তি সাধনাৰে সৎলোকলৈ যাব নোৱাৰে আৰু জীৱনত কেতিয়াও সুখ-শান্তি নহয়, কৰ্ম বন্ধন শেষ নহয়। এই সকলো মাত্ৰ কবীৰ চাহেবৰ প্ৰতিনিধি পূৰ্ণ সন্তয়ে কৰিব পাৰে। মোৰ পিতৃ শ্বাস ৰোগৰ হোৱা কাৰেণ অলপ খোজ ললেই তেওঁ ভাগৰিছিল আৰু দম ফুলি যায়। কম আৰু বেছি তেজৰ প্ৰেচাৰে গ্ৰস্ত আছিল। ইলেকশনত ক'ত সময়, হৃদয় বাধক হোৱা স্বত্তেও কৰ্ম সংস্কাৰ বলত মৃত্যুৰ পৰা ৰক্ষা পালে। আমি ভাৱিছিলো ৰাধা স্বামী পন্থা সন্ত গুৰবিন্দ্ধ সিংহে ৰক্ষা কৰিলে।

তাৰ পাছৰ পৰা ঠাণ্ডাৰ দিনৰ প্ৰতি ৰাতি পিতৃৰ স্বাশ-প্ৰস্বাশত ভিষণ কষ্ট হব ধৰিল। প্ৰায় মৃত দৰে হৈ পৰে আমি কন্দাৰ বাদে একো কৰিব নোৱাৰিছিলো। কাৰণ ঔষধ পৰিমাণ ডাক্তৰে বঢ়াই চালে ইয়াত কৈ আৰু নোৱাৰে। মোৰ মাতৃয়ে ৰাধা স্বামী পন্থা, জেমল সিংহৰ পৰা অনা প্ৰসাদ খুৱালে আৰু সন্ত গুৰুবিন্দ সিংহ মহাৰাজৰ আগত বহি প্ৰাৰ্থনা কৰি কান্দিছিল। সেই সময়তে মোৰ ভাইৰ দেহত প্ৰেত প্ৰকোপ দেখা গ'ল। ৰাতি শুৱাৰ পৰা হঠাৎতে উঠি বহি পৰে আৰু কয় কোনোৱে ভৰি টানি আছে শুবলৈ নিদিয়ে। ভাইয়ো বেমাৰত ভূগিব লাগিল। পূৰ্ণ ব্ৰহ্ম কবীৰ (চাহাব) পৰমেশ্বৰ কৃপাত ৮ অক্টোবৰ ১৯৯৮ চনত তত্ত্বদৰ্শী সন্ত ৰামপাল মহাৰাজৰ পৰা নাম দীক্ষা প্ৰাপ্ত কৰিলো। সৎগুৰু ৰামপাল মহাৰাজৰ অসীম কৃপায়ে বীশ (২০) দিনৰ পাচতে চশমা প্ৰায়োজন নোহোৱা হল আৰু ঔষধ গ্ৰহণ নকৰা হলো। মোৰ সৎগুৰু দেৱৰ ওপৰত সম্পূৰ্ণ বিশ্বাস হল। ভকত সন্তৰামে ঘৰলৈ আহি পিতৃ-মাতৃক বুজাব চেষ্টা কৰি কলে পূৰ্ণ ব্ৰহ্ম কবীৰ চাহেবৰ প্ৰতিনিধি পূৰ্ণ সন্ত ৰামপাল মহাৰজ ওচৰত নাম দীক্ষা ললে আপোনালোকৰ সকলো কষ্ট নিবাৰণ হব।

তাৰ পিচত মইয়ো পিতৃ-মাতৃক বুজাব লাগিলো। পিতৃ-মাতৃয়ে কলে আমি প্ৰথমে ৰাধাস্বামী পন্থাত আৰু এতিয়া সন্ত ৰামপাল মহাৰাজৰ পৰা নাম দীক্ষা ললে সংসাৰী লোকে কি কব ? আমি কলো এজন ডাক্তৰে ৰোগ নিৰাময় কৰিব নোৱাৰিলে অন্য ডাক্তৰৰ ওচৰত নাযাম কিয় ? বহুতো দুখী হৈ থকা বাবে পূৰ্ণ ব্ৰহ্ম কবীৰ পৰমেশ্বৰ চৰণত আহিলে আৰু ৰাধা স্বামী পন্থাক ত্যাগ কৰিলে। সৎগুৰু কবীৰ চাহেবে কয় শৰণ পড়ে কৌ গুৰু সম্ভালে জানকে বালক ভৌলা ৰে। পৰিয়ালৰ

সকলোবে তত্ত্বদৰ্শী সন্ত ৰামপাল মহাৰাজৰ শৰণত নাম দীক্ষা লোৱা লগে লগে আমাৰ জীৱনত আমূল পৰিৱৰ্ত্তন ঘটিল। সকলো দুখ আতৰিল সুখ শান্তি বিৰাজ হল। যি ৰোগ (অসুখ) আছিল ভাই আৰু পিতৃ নিজে ভাল হল। দেউতা দুই খোজ যাব নোৱাৰা ব্যাক্তিয়ে এতিয়া অন্য এজনৰ লগ লাগি চেনি বস্তা দাঙিব পাৰে। আজি আমাৰ পৰিয়ালৰ সকলোৱে পৰমাত্মা অৱতাৰ সৎগুৰু ৰামপাল মহাৰাজ চৰণত তেখেতৰ কৃপাত সম্পূৰ্ণ সুখী।

কিন্তু আমাৰ পূৰ্বজ ককাদেউতা, আইতাসকলৰ মানৱ জীৱন অথলে গল। কোনো ব্যক্তিক ৰোগৰ পৰা ৰক্ষা কাৰণে লাখ, কড়োৰ টকা খৰচ হয় আৰু তেওঁ যদি ৰোগৰ পৰা (মৃত্যু পৰা) আৰোগ্য হয় তেন্তে খৰছ কৰা ধনৰ অনুভৱ নহয়। কাৰণ তেওঁ তাৰ পৰা সকাহ পালে। আজি আমি যিমানেই ধন সম্পদ খৰচ কৰো আমাৰ পূৰ্বজ ককাদেউতা, আইতাৰ জীৱন যি নেকি শাস্ত্ৰ বিপৰীত সাধনা (ৰাধাস্বামী মাৰ্গত প্ৰদান কৰা পাঁচ নামৰ সাধনা) কৰি অমুল্য জীৱন ব্যৰ্থ কৰিলে (ভূত, প্ৰেতমা যোনিত মহা কষ্ট ভুগিছে) তেওঁলোকক কেনেদৰে উদ্ধাৰ হব। মানৱ জীৱনৰ লগত ঘৃণনীয় খেলা কৰি নকলি গুৰু, সন্তই, পন্থা বনাই সমাজক ভ্ৰমিত কৰিছে। মানৱ জীৱন (চৌৰাষী লাখ যোনি ভোগ কৰাৰ পাচত এক মানৱ জীৱন পায়। যাৰ উদেশ্য মাত্ৰ পৰমাত্মা প্ৰাপ্তী। এনে অমুল্য জীৱন, সোনালি সুযোগ অজ্ঞানী সন্ত, গুৰুৱে, পূৰ্বৰে পৰা নষ্ট কৰিছে। এনে ক্ষতি কোনো মূল্যই পুৰা কৰিব নোৱাৰি।।

হে বন্দীছোড় মুক্তি দাতা, সত্য পৰুষ ৰূপত সৎগুৰু ৰামপাল মহাৰাজে বিশেষ কৃপা কৰিলে। ক্ষুদ্ৰ জীৱক নিজৰ সত্য জ্ঞান দি নিজৰ চৰণত স্থান দিলে, নহলে আমিও পূৰ্বজ দৰে শাস্ত্ৰ বিপৰীত সাধনা ভক্তি কৰি অমুল্য জীৱন নষ্ট কৰি ভূত, প্ৰেত যোনিত গৈ সত্য ভক্তি পৰা আঁতৰি থাকিলোহেঁতেন।

সৰ্ববুদ্ধিজিৱী সমাজক প্ৰাৰ্থনা এতিয়াও সময় থাকোতে অৱগত হৈ এই সত্য জ্ঞানক ভাল দৰে বুজি নিঃস্বাৰ্থ ভাবে নিৰ্ণয় কৰক। বন্দীছোড় মুক্তি দাতা সৎগুৰু ৰামপাল মহাৰাজৰ চৰনত আহি সত্য ভক্তি গ্ৰহণ কৰি মানৱ জীৱন কল্যান কৰাওঁক।

।। সৎ চাহেব।।

সতগুৰু চৰণৰ দাস

ভকত দীপক দাস

মোবাইল- ০৮৫৭১৯৩০৯৩

**পৰমেশ্বৰৰ অসীম কৃপা**

মুক্তি দাতা সৎগুৰু ৰামপাল মহাৰাজৰ জয় হওক

যজুৰ্বেদ অধ্যায় ৮ মন্ত্ৰ ১৩ প্ৰমাণ আছে পূৰ্ণ পৰমত্মায় মহা পাপী ব্যক্তিকো সম্পূৰ্ণ পাপ নষ্ট কৰি ভয়ংকৰ ৰোগৰ পৰা ৰক্ষা কৰে ইয়াৰ সাখ্যাত প্ৰমাণ উদাহৰণ।।

মই কেশৰ মৈনালী পুত্ৰ শ্ৰী ইন্দ্ৰ প্ৰসাদ মৈনালী গাঁও বিকাশ সমিতি হৰিৰৌন জিলা

সৰলাহী নেপালৰ বাসিন্দা, বৰ্তমান কাঠমাণ্ডু উপত্যকা ভক্তপুৰত ঘৰ। নেপালৰ চুৰে ভাৱৰ নামৰ ৰাজনৈতিক পাৰ্টী অধক্ষ আৰু পূৰ্ব সাংসদ আছিলো। মোৰ মোবাইল নং ০০৯৭৭-৯৮৪১৮৯২৫৮৩ মোৰ ওপৰত সৎগুৰু ৰামপাল মহাৰাজে চমৎকাৰ কৰি মোৰ লগতে পৰিয়ালৰ সকলোকে সকলো দুখ সমাপ্ত কৰি সুখ শান্তিত ৰাখিছে। সংসাৰৰ দৃষ্টিত মই সুখি আৰু সন্মানিত জীৱন যাপন কৰা যেন লাগে কিন্তু মই ৰোগষ্ট হোৱা কাৰণে বহুত দুখত আছিলো। ২০ বছৰে পৰা বাবাচীৰ (কেচু মুৰিয়া) ৰোগত পিড়িত। শৌচ কৰা সময়ত অত্যাধিক বিষ অনুভব কৰিছিলো লগতে ৮ বছৰে ক্ৰনিক বংকাইটিচত পিড়িত। ৰাজনৈতিক কৰ্মী হোৱা কাৰণে অনেক ব্যক্তি লগ কৰিব লাগে। আৰু বাৰ্তা সময়ত মুখত ৰোমাল বা হাত ৰাখিছিলো। ৰোগৰ নিৰাময় বাবে বহুতো নামী, দামী, ডাক্তৰৰ সহায় ললো কিন্তু একো ফল নাপালো। ধৰ্মৰ নামত অজ্ঞানী সন্তৰ কু-চক্ৰত পৰি জীৱনৰ ৬২ বছৰ শেষ কৰিলো। এই কথা সৎগুৰু ৰামপাল মহাৰাজৰ চৰণত নাম দীক্ষা লোৱা পাছতহে বুজি পালো। নেপাল সাংসদৰ সভাপতি হোৱা বাবে চৰকাৰী খৰচতে সংসাৰ যি কোনো ডাক্তৰৰ ওচৰত চিকিৎসা কৰিব পৰা হয়। কিন্তু নেপালৰ মেডিকেল বৰ্ডে অনুমতি নিদিলে কাৰণ মোৰ ৰোগৰ কোনো চিকিৎসা সংসাৰত নাই বুলি। মোৰ বাবে জীয়াই থকা সময় দুখৰ আৰু ঔষধ আজীৱন পৰ্যন্ত খাব লাগিব।

এদিন শোকমনে বহি আছিলো মোৰ পৰিচিত ভকত ভোলা দাস কেইবা বছৰ পৰা সৎগুৰু ৰামপাল মহাৰাজৰ শিষ্য আছিল। মোৰ দুখৰ কথা শুনি দুখ নিৰাৰণ কাৰণে সৎগুৰু ৰামপাল মহাৰাজৰ চৰণত নাম উপদেশ গ্ৰহণ কৰিব কলে। মোক বিশ্বাস জগাব বাবে চেষ্টা কৰিলে। মই ডাঙৰ ডাঙৰ সন্তৰ সংগ কৰি ভাগৰি পৰিছো। ভোলা দাসৰ বানী শুণি এনে অনুভৱ হল আন্ধাৰত যেন কোনোৱাই বন্তি জ্বলায় দিলে। তৃতীয় দিনত সৎলোক আশ্ৰম চন্দীগড় ৰ'ড বৰৱালা জিলা হিচাৰ, হাৰিয়নালৈ ৰাওনা হলো লগত পত্নীক, যিহেতু তেওঁ আঠুৰ হাড় ক্ষয় হোৱা কাৰণে কষ্ট পাইছিল। লগতে তেওঁ চকুতলাইলাজ ৰোগ আছিল সৰু বোৱাৰীকো লগত আনিলো। যাত্ৰাত আৰু ভকত লগ পালো যাৰ কাৰণে অলপো কষ্ট নোপোৱাকৈ সৎলোক আশ্ৰমত পালো মই সন্তৰ মহন্তৰ স্বাৰ্থ লগত পৰিচিত আৰু সৎগুৰু ৰামপাল মহাৰাজৰ কোনো প্ৰৱচন আৰু পুথি পঢ়া নাই মাত্ৰ আনৰ কথাতে আহিলো। মই প্ৰথমে নাম উপদেশ গ্ৰহণ কৰিব সাজু নহৈছিলো। মোৰ শুভাগ্য আমি অহা সময়ত সৎসঙ্গ সমাগম হৈ আছিল। সৎগুৰু দেবৰ অমৃত বাণী শুনি বুজি পালো সংসাৰৰ সকলো ধৰ্ম গুৰু, পণ্ডিত, আৰু পুৰোহিতে নিজৰ স্বাৰ্থ কাৰণে ধৰ্ম নামত ব্যক্তি সকলক কালৰ জালত পেলাই ভক্তি প্ৰয়াণ আত্মাবিলাকক নৰকলৈ পঠোৱা প্ৰৱঞ্চনা ৰচিছে। তেওঁলোকে পৰমাত্মাক লগ পাইছে নে নাই সত্য ভক্তিৰ জ্ঞান আছে নে নাই। তেওঁলোকে অলপ ধন সংগ্ৰহ আৰু সমাজত মান সন্মান পাত্ৰ হবলৈ চেষ্টা কৰে। তথাপিও মই নাম উপদেশ গ্ৰহণ কৰিবলৈ সহমতি নহৈছিলো। মোৰ পত্নীয়ে নাম উপদেশ গ্ৰহণ কৰিবলৈ সাজু হল। কাৰণ নাম উপদেশ নললে গুৰু দৰ্শন আৰু আশীৰ্বাদ নেপায়। ৰাজনীতি কাৰণে মোৰ বিশ্বাস হানি কৰিছিল যাৰ বাবে দীক্ষা গ্ৰহণ কৰিবলৈ সাজু

হব পৰা নাছিলো। তথাপিও ইজন, সিজনৰ পৰামৰ্শৰে নাম উপদেশ ২ মে ২০১২ চনত আমি তিনিও গ্ৰহণ কৰি গুৰু দেৱক দৰ্শন কৰিবলৈ গলো। দয়া সাগৰে মোক কৃপা দৃষ্টি কৰিবলৈ সাজু হৈ আছিল। মই নিজৰ ব্যাধি কথা সৎগুৰু দেৱক কলো। সৎগুৰুদেৱে সকলো ভাল হ'ব বুলি আশীৰ্বাদ দিলে চমৎকাৰ হল ৰাতিপুৱা শৌচ কৰাত তেজ ওলালে আৰু কেচু মুৰিয়া ৰোগ সমাপ্ত হল। দুই দিন আশ্ৰমত আছিলো ক্ৰনিক ব্ৰেংকাইটিচ বেমাৰো ৮০% ভাল হল আৰু বৰ্তমান সম্পূৰ্ণ সুস্থ। এক দুই মাহত কেতিয়াবা কাহ হয়। পত্নীয়ে আঠুৰ ৰোগৰ পৰা মুক্ত হল। কাঠমাণ্ডুত আগৰ চিকিৎসালয়ত পত্নী চকুৰ পুনৰ পৰীক্ষা কৰালো। ডাক্টৰো আচৰিত হ'ল জল বিন্দু নামৰ ৰোগৰ কোনো চিন চাব নাই আৰু চকু সম্পূৰ্ণ সুস্থ।

মোৰ শৰীৰ পৰা সকলো ব্যাধি আতৰ হোৱা (ৰোগমুক্ত) খবৰ চাৰিওফালে বিয়পি পৰিল। মোৰ পৰিয়ালৰ অন্য ব্যক্তি সকলো কোনো কোনো ব্যাধিত কষ্টত আছিল। ডাঙৰ ককাই নিজে ডাক্টৰ হৈও নিজৰ শৰীৰতো ফুলি যায়। নিজৰ জীয়েকৰ মাহেকীয়া সময়ত পেটত বিষ হয়। দ্বিতীয় জীয়েকৰ, বৃত্তিত উকালতি (উকিল) কৰে সাইটিকা আৰু গলাৰ হাড় ক্ষয় হোৱা ৰোগত পিড়িত হৈ নীৰস জীৱন কটাইছিল, ভনি জোৱায়ে জলবিন্ধু ৰোগত পিড়িত আছিল। সকলোৱে সৎগুৰু দেৱৰ কৃপাত মোৰ ওপৰত প্ৰভাৱিত হয়। আশ্ৰমৰ নিতি নিয়ম আৰু ভক্তি ভাৱৰ লগত মই পৰিচিত হলো। সকলোকে জ্ঞানগঙ্গা পুথি পঢ়িব লৈ প্ৰেৰিত কৰিলো। পিছৰবাৰ আশ্ৰমলৈ যাওঁতে সকলোকে লগত লৈ গৈছিলো, তেওঁ লোকৰ নাম উপদেশ গ্ৰহণ কৰাত কোনো সুবিধা নাছিল। সকলোৱে নাম উপদেশ গ্ৰহণ কৰি পূৰ্ণ বিশ্বাসে ভক্তি কৰিব লৈছিল। আজি সকলোৱে নিজৰ নিজৰ ব্যাধি পৰা মুক্ত হৈ সুখ শান্তি জীৱন জীয়াই আছো।

সৎগুৰু ৰামপাল মহাৰাজ পূৰ্ণ পৰমত্মাৰ প্ৰতিৰূপ নহয়, স্বয়ং পূৰ্ণ পৰমত্মাই হয় নিজক লুকুৱাই পূৰ্ণ পৰমত্মাই দাস বুলি কয়। সংসাৰত আৱদ্ধ জীৱক বন্ধন খুলি নিজৰ স্থান সৎলোকলৈ নিবৰ কাৰণে আহিছে আৰু পৱিত্ৰ শাস্ত্ৰত প্ৰমাণ আছে কলিযুগৰ পাঁচ হেজাৰ পাঁচশ পাঁচ (৫৫০৫) বছৰ পাচত উদ্ধাৰ কৰা সন্ত সংসাৰত আহিব।

কবীৰ, "পাঁচ হাজাৰ আৰু পাঁচশ পাঁচ জৱ কলিযুগ বীত জায়ে
মহাপুৰুষ ফৰমান তব্ জগ তাৰণ কৌ আয়ে"।।

সকলো প্ৰেমী ভকত সেই সময় আৰু পূৰ্ণ সন্ত বৰ্তমান সমাগত পূৰ্ণ সন্তয়ে নিজৰ জ্ঞানৰ বৰ্ষা কৰিছে। সকলো ভণ্ডামী গুৰু, সন্ত, মহন্ত, প্ৰৱঞ্চনাৰ পৰা আতৰি সোনকালে তত্ত্বদৰ্শী সন্তৰ শৰণত নিঃশুল্ক নাম উপদেশ গ্ৰহণ কৰি নিজৰ, লগতে আনৰ আত্ম কল্যান কৰক।

"সত চাহেব"
কেশৱ প্ৰসাদ মৈনালী (দাস)
কাঠমাণ্ডু (নেপাল)
ফোন নং ০০৯৭৭-৯৮৪১৮৯২৫৬৩

## ভূতে লম্ভা আৰু গ্ৰস্ত পৰিয়ালক উদ্ধাৰ কৰা

ভক্তমতি অপলেশ দেবী স্বামী শ্ৰী ৰামেহৰ, গাওঁ মিৰচ, তহসীল, চৰখী দাদৰী, জিলা-ভিৱানী (হাৰিয়ানা)।

মই, অপলেশ দেবী, নিজৰ দুখী জীৱনৰ কিছু কথা আপোনালোকক কবলৈ ওলাইছোঁ, মই আৰু মোৰ দুটি সন্তান - ৰাহুল আৰু জ্যোতি - অতীতৰ দুখভৰা অৱস্থা মনত পৰিলে চিঞৰি উঠো যাৰ বৰ্ণনা কৰিলেই চকু চকুলোৰে ভৰি পৰে।

৬-১২-১৯৯৫ ৰ ঘটনা, কিছুমান দুষ্টলোকে সিদিনা ৰাতি মোৰ পতিক কৰ্তব্যৰত অৱস্থাত প্ৰাণে মাৰিলে। কিন্তু পূৰ্ণ পৰমেশ্বৰে আমাৰ ওপৰত দয়া কৰি মোৰ পতিক পুনৰ জীৱন দান দিলে আৰু আমি সপৰিয়ালে ভক্তি মুক্তিদাতা সৎগুৰু ৰামপাল মহাৰাজৰ দয়াত পূৰ্ণ পৰমেশ্বৰৰ শৰণ পালোঁ। মোৰ পতিক পৰিস্কাৰ কাপোৰ পিন্ধাওঁতে ককাঁলৰ পেটি মৰা ঠাইৰ পৰা তেজ ওলোৱাত কাপোৰ তেজেৰে ৰঙীন হৈ গৈছিল আৰু লৰা-ছোৱালী হালৰো কফৰ লগত তেজ পৰিছিল। এবছৰৰ পৰা মই হাৰ্ট ৰোগত ভুগিছো শৰীৰত খহু, এলাৰ্জি আদি হয়, অতি যন্ত্ৰনাৰে জীৱন কটাইছিলো। পতিদেৱ দিল্লী পুলিচত কাৰ্য্যৰত। ঘৰৰ পৰিস্থিতি লৈ পতি ৰামেশ্বৰৰ মনৰ সন্তোলন অৱনিত হয়।

এই সকলো দুখৰ বাবে ১৯৯৫ ৰ পৰা ২০০০ চনলৈকে ১২ জনতকৈ বেছি নকলি লোভী, লালচি গুৰু ওচৰত গলো আৰু আমাৰ দেশত যিমান তীৰ্থস্থান যেনে যমুনা, গঙ্গা, হৰিদ্বাৰ, জ্বালাজী, চামুণ্ডা, চিন্তপুৰনী, নগৰ কট, বালাজী, মহেন্দী পুৰ গুঢ়গাওঁৱালী মাই আৰু গৌৰখ টীলা, ৰাজস্থান প্ৰত্যেক ঠাইত সপৰিয়ালে কেইবা বাৰো, গলো অৰ্থাৎ আমাৰ অলপো দুখ কষ্টৰ পৰা ৰক্ষা নহ'ল। আমাৰ অৱস্থা ইমানেই অৱনতি ঘটিলে কি ফাগুৱা, দিপাৱলী উৎসৱ হলে আমি মচজিদত গৈ থাকো। আমি অতি সুভাগ্যৱান সন্ত ৰামপাল জী মহাৰাজৰ দ্বাৰা পৰম পূজ্য কবীৰ পৰমেশ্বৰৰ চৰণ পালো। এতিয়া আমাৰ সকলো দুখ কষ্ট সৎগুৰুদেৱৰ চৰণত ধুলিত নাইকীয়া হল।

২০০১ চন ২৫ ফেব্ৰুৱাৰীত কালৰ পূজাৰি দুষ্ট ব্যক্তি এজনে ফোন কৰি সুধিলে, অপলেশ তোমাৰ নাম নেকি ? মই কলো হয়, আপোনাৰ নাম কি জনাওক, তেতিয়া দুষ্টলোকে কয় বলৱান কোন ? তোমাৰ কি সম্বন্ধ হয় ? মই পুনৰ শুধিলো তুমি কোন ? আৰু কিয় এনেবোৰ কথা শুধিছা। দুষ্ট লোকজনে ক'লে তুমি মোৰ নাম নুসুধিবা। মই হাংসী পৰা কৈছো, অৱশ্যে মই ক'ব খোজা নাছিলো, বলৱান আৰু অন্য এজনে মোক ৩৭০০ টকা দিছে তোমাক আঘাত দিবৰ বাবে। তোমাৰ ফোন নং মই বলৱানৰ পৰাই লোৱা। তোমাক আঘাত কৰিব বাবে ৰাতি তন্ত্ৰ মন্ত্ৰ কৰি শোৱা পাছত বগা সাজ-পাৰ পৰিধান কৰা তুমি যিজন গুৰুক পূজা কৰা তেওঁ আহি মোক কলে ইয়াৰ পৰিনাম তই নিজে ভুগিব লাগিব। সেই পৰিবাৰ সৰ্ব শক্তিমান, সকলো কষ্ট হৰণ কৰা পৰম পূজ্য কবীৰ পৰমেশ্বৰ চৰণত আছে। তোমাৰ যে সাধ্য নাই ? ইয়াৰ যমৰজায়ো এই পৰিবাৰত একো বিঘিনি কৰিব নোৱাৰে।

*গৰীবঃ জম জৌৰা জাসে ডৰে, মিটে কৰ্ম কে লেখ।*
*আদলী অদল কবীৰ হে কুল কে সদ্‌গুৰু এক।।*

পৰম পূজ্য কবীৰ পৰমেশ্বৰক কাল, কালৰ দূত আৰু মৃত্যুয়েও ভয় কৰে। পূৰ্ণ পৰমেশ্বৰে পাপ কৰ্ম দণ্ড লিখনিক সমাপ্ত কৰি দিয়ে। দুষ্ট পূজাৰীয়ে কয় যে তুমি যিজন দেৱ, পুৰুষক পূজা কৰা তেওঁ বহুত প্ৰবল শক্তিবান। মই ২৫ বছৰে পৰা তন্ত্ৰ মন্ত্ৰ কৰি আনক মহাকষ্ট দিয়া কাৰ্য্য কৰিছো কিমান পৰিয়ালক নষ্ট কৰিছো আজিহে মই হাৰ মানিলো। এই প্ৰবল শক্তিক নেৰিবা নহলে জীৱন বিফল হব। তোমাৰ নাশ কৰা হেতু বলৰান আদিয়ে চেষ্টা কৰিছে। তেতিয়া মই কলো আমি পূৰ্ণ পৰমেশ্বৰক পূজা কৰো, বলৰান মোৰ পতীদেৱৰ ককায়েক হয়। আমাৰ ঘোৰ শত্ৰু হয়।

আমি আজি বহুত ভাগ্যৱান যি কোনো কাৰ্য্য বা বস্তু আৱশ্যক অনুভৱ হলে সৎগুৰু দেৱৰ কৃপাত অনায়েসে হয়। আজি “গুৰু গোবিন্দ দুনো খড়ে” “হম কিসকে লাগে পায়” হম বলিহাৰী সৎগুৰুদেৱ ৰামপাল জী চৰণত যিজনে পৰমেশ্বৰক দিয়া মিলায়।

সকলো ভাই, ভনী ককাইক আমি সকলো পৰিয়ালে আপোনালোকক সৰল গোহাৰি জনাও সৎলোক/সত্য লোকৰ পথ, পূৰ্ণ মোক্ষ, চীৰ্ শান্তি, সংসাৰ মহাকষ্টৰ পৰা পৰিত্ৰান পাব বিচাৰে, তেন্তে বন্ধন মুক্তি দাতা জগত গুৰু সন্ত ৰামপাল জী মহাৰাজ চৰণত দীক্ষা গ্ৰহণ কৰি অমূল্য মানৱ জীৱন সফল কৰক।

সত্যলোক আশ্ৰমৰ অন্য পুথি (আধ্যাত্মিক জ্ঞান গঙ্গা, জ্ঞান গঙ্গা, গহৰী নজৰ গীতামে, গীতা তোমাৰ জ্ঞান অমৃত, সৃষ্টি ৰচনা সম্পূৰ্ণ মানৱতা স্ৰাহ আৰু বিকাশ আদি) আমাৰ ৱেবচাইট (www.jagatgururampalji.or)ৰ পৰা ডাউনলোড কৰিব পাৰে।

@@@20@@@